অসমৰ প্ৰসিদ্ধ মুক্তি-যুঁজাৰু

কনকচন্দ্ৰ ডেকা

বীণা লাইব্ৰেৰী

"ASOMAR PRASIDDHA MUKTI-YUJARU" containing the life-sketches of 62 eminent freedom-fighters of Assam, authored by Prof. Kanak Chandra Deka and Published by Bina Library, Guwahati-781001 (Assam). **Price Rs. 100.00**

গ্ৰন্থকাৰ :
কনকচন্দ্ৰ ডেকা
(চম্পাৱতী প্ৰকাশন)
লাচিতনগৰ, গুৱাহাটী-৭৮১০০৭

প্ৰথম সংস্কৰণ : ২৬ জানুৱাৰী, ১৯৮৯

প্ৰকাশক :
বীণা লাইব্ৰেৰী ,
গুৱাহাটী-৭৮১০০১

বেটুপাত :
ত্ৰৈলোক্য দত্ত

মূল্য : ১০০.০০ টকা

মুদ্ৰক :
পূৰ্বদেশ মুদ্ৰণ
গুৱাহাটী-৭৮১০০৮

LIBRARY SERVICES
GUWAHATI

যিসকল মুক্তি-যু[illegible]ভাৰতমাতাক পৰাধীনতাৰ
শিকলিৰপৰা মুক্ত কৰিলে সিসকলৰ পুণ্য
স্মৃতিত এই গ্ৰন্থখনি অৰ্পিত।

Dedicated

to

The Memory of Freedom-Fighters of India
whose sacrifices brought Independence
of the Country.

মহাত্মাগান্ধী

FOREWORD

IN Assam the people played a glorious role in the freedom struggle under the leadership of Mahatma Gandhi beginning with the Non-coperation Movement in 1921. After his first visit to Assam in that year Gandhiji wrote in Young India that out of nearly seventyeight Assamese pleaders, fifteen had suspended practice, probably the highest percentage throughout India as he put it. In the subsequent phases of the movement in 1930-31, 1941 and 1942 the people of Assam from all walks of life—pleaders, doctors, students, peasants, workers irrespective of caste and religion actively participated and suffered imprisonment and other forms of punishment including fines, internment and externment ; some of them were physically disabled or crippled and a few of them even lost their lives in police atrocities like firing. One of such political sufferers was Kushal Konwar who was hanged in Jorhat jail in 1943 for his alleged involvement in the derailment of a train carrying military personnel. According to official reports 29 freedom-fighters lost their lives in police firings and 47 were injured during the Quit India movement of 1942 in Assam.

However, there is no detailed account of these patriots excepting the Report of the Inquiry Committee on Freedom Fighters published by the Government of Assam in 1979. The Report is not exhaustive and contains a bare outline of the freedom-fighterrs. Till now no attempt has been made by any writer to publish biographical accounts of these people, not even of those who had taken prominent part in the cause of the country's independence.

It is in this context that the publication of 'Asomar Prasiddha Mukti-Yujaru' (Eminent Freedom-fighters of Assam) in Assamese by Shri Kanak Chandra Deka makes

a breakthrough in the writing of biographies. A promising auther and an educationist Shri Deka's attempt in this field is indeed laudable. He has given in this book the biographies of 62 freedom fighters, albeit brifely, in lucid Assamese language which is expected to benefit the Assamese readership to know some of the leaders who had plunged into the freedom movement without any consideration for return of their services to the country.

Among those whose life-skteches have been given in the book are Karmavir Nabin Chandra Bardoloi, Deshabhakta Tarun Ram Phukan, Chandranath Sarma, Bisnuram Medhi, Lokapriya Gopinath Bardoloi, Kuladhar Chaliha, Mohammad Tayebulla, Tyagvir Hem Barua, Omeo Kumar Das, Dr. Harikrishna Das, Ambikagiri Roychaudhury, Jyoti Prasad Agarwala, Chhabilal Upadhyaya, Chandraprabha Saikiani, Pitambar Dev Goswami, Bimala Prasad Chaliha, Mahendra Mohan Chaudhury, Kamini Kumar Chanda, Martyrs Kushal Konwar and Kanaklata. Each of them was at the vanguard of the freedom movement and suffered.

'Asomar Prasiddha Mukti-Yujaru' removes a long-left want in biographical lierature in Assamese. It is hoped that the book will prove immensely useful to the present generation to know the lives and activities of some of the leading freedom-fighters a few of whom contributed their mite to the making of Assam in the post-Independence period. This is Shri Deka's first attempt towards writing a series of books on the lives and works of all the eminent persons of Assam including those who have enriched Assam's life in the fields of liturature, art, culture. I hope he will receive encouragement from the public and the Government in his endeavours as an author.

Guwahati,
January 10, 1989

SATIS CHANDRA KAKATI
Former Editor,
The Assam Tribune.

Introduction

Very few of us know the true history and meaning of the Indian freedom struggle. Some of us recall the freedom struggle in terms of its leaders and some in terms of its events. Others recall it in terms of the ideology on the philosophy that guided it. A history has to reconstruct it in full. Very recently I wrote a short account of the freedom struggle at the request of the Publications Division and tried to give in it a broad view of the movement in terms of both ideas and events. The book is in Assamese (Āmār Svādhinatā Āndolan). The freedom movement inspired me to write novels and short stories. One of the novels (Mrityunjay) was based on the ideological conflict as well as events of the '42 movement. I also edited a commemoration volume on the first non-co operator of 1921 movement, Karmavir Chandra Nath Sarma (1889-1922) I also had the privilege of knowing many workers of the freedom movement. These experiences gave me an insight into the unique nation-making process in India. A true history of the freedom struggle can be attempted only after collection of all the relevant materials, facts and ideas.

Prof. Kanak Chandra Deka's book 'Asomar Prasiddha Mukti-Jujaru' contains biographical notes on 62 eminent freedom-fighters in Assam. Each of these notes focusses on the characteristic works and (wherever possible) ideas of a single freedom fighter. This tends to satisfy our biographical curiosities about each of these dedicated workers. The materials of the book, specially the biographical datas, have been gathered from well-known sources. The author also collected some materials by interviewing some source persons or informants However, what is interesting aboutt he book is the juxtaposing of the biographical sketches of the important freedom-fighters

in a single compass. This increases the human appeal of the text. I have had no time to read each biographical sketch thoroughly. However, a rapid perusal of the contents gives me a favourable impression. The author, I think, made a judicious selection of persons for writing biographical sketches from amongst a galaxy of freedom-fighters. He has rightly not taken into consideration the names of the living workers, as they are still active in the public life and have much to contribute to the nation. Moreover, it is very difficult to include all the names in a single volume as they are too many. But what is more important is that no significant or leading worker has been left out in this rather rigid selection process. This probably Prof. Deka has done.

I am happy to note that the author is conscious of his responsibilities and limitations. This humility is reassuring and I have no doubt that he will leave no stone unturned to improve the quality of work further in future editions. Prof. Deka is an indefatigable literary worker who has made contributions to biographical and historical literature in Assamese.

Birendra Kumar Bhattacharyya
President, Sahitya Academy
New-Delhi
16.1.89

AN APPRECIATION

If you ask an average Assamese of to-day to name the notable freedom-fighters from Assam, he will easily reel out some half a dozen names at one breath. With a little effort, he may be able to manage another half a dozen. But if you are to press him for more, it is quite likely that he will start scratching his head in embarrassment. His ignorance is pathetic, no doubt, but you cannot blame him for that. The Assamese historians and biographers have done so little to perpetuate the memory of their own heroes of the earlier genaration that the present generation is blissfully ignorant of the veiy existence of many such heroes.

Yet, percentage-wise, Assam has been more than amply represented by her didicated sons and daughters in India's struggle for freedom from the British colonial rule. The patriotic zeal of those freedom fighters was no less intense than that of their compeers from elsewhere in the country. Nor were the hardships they faced, the sufferings they underwent and the sacrifices they made any less worthy of commemoration. In fact, their task was often rendered doubly difficult by various destabilising forces bent on creating additional crises peculiar to the eastern region, particularly Assam. Thus, while the freedom fiighters from other parts of the country could fight single-mindedly with just one mission in hand, those from Assam had to contend with two —the national independance and the regional equilibrium. It is a measure of their sagacity that they never suffered the setback of one of their missions interfering with the other. If at times they made bold to dictate their own terms to the national leadership, it was only in order to ensure a balance between the two. Hence their nationalism was never in doubt.

Those of the freedom-fighters who achieved martyrdom in course of their struggle will always be remembered with

reverence. Some others who continued to be in active politics during the post-independence era have also staked their claim to immortality. But, togather, they do not make up even a sizable fraction of the whole number. There are hundreds of others who suffered equally and sacrificed equally, and yet stand on the verge of oblivion. It is all the important to pin their deeds on record because they used more to shun publicity and work with selfless dedication.

Under such circumstances, the Assamese-readership has reasons to rejoice that Shri Kanak Chandra Deka has undertaken the laudable job of sketching some eminent Assamese freedom fighters' lives. Some of them are household names already, some not so famous and a few almost obscure. However, even a cursory glance at the sketches will convince any reader that the present state of a subject's renown (or the lack of it) is not necessarily a correct index to his or her contribution to the cause of national independence. It is obvious that the author has not beeen able to include within the limited scope of a single volume all the lives that the readers would wish him to deal with. Secondly, the logic behind his selection of some particular cases to the rejection of some others may also be debated. And, lastly, the omission of quite a few important details from some characters may cause resentment in certain quarters. Even the very validity of a fact here and a fact there may come to be challanged. Such criticisms are always welcome because they testify to the readers' awareness and impartiality.

The trouble with most biographers is that they often allow their sentiments to carry them off their feet. At one extreme, there are those who tend to suppress such facts as would reveal the seamy side of the hero they idolise. At the other extreme are those who select their materials only to display his feet of clay. In either case, objectivity suffers. Let us accept the fact that no hero is either a perfect god or a veritable devil. It is a biographer's duty to throw sufficient light on both sides of the subject character so that the final outcome is the life-like picture of a normal human being. I

am happy to note that Shri Deka has not lost sight of this duty in spite of the constraints of the space.

The author has taken immense pains to collect his materials from various sources. He has sifted them well and dealt with them in a limpid style. He is by no means exhaustive, nor does he claim to be. But he has done the initial spade-wotk admirably well. It would be ideal if some other biographers came forward to begin where he has left. A companion volume containing more such life-sketches will go a long way to fulfil the Assamese reader's long-felt need in this area. Those who are capable should delve deeper and come out with complete biographies of these heroes. I shall be happy if the present volume can inspire such works.

Prafulla Kumar Mahanta
Chief Minister
Assam

18.1 89

ভূমিকা

অধ্যাপক শ্ৰীকনকচন্দ্ৰ ডেকাই অসমৰ স্বাধীনতা সংগ্ৰামীসকলৰ ভিতৰৰপৰা ৬২ জন গুণী-জ্ঞানী, কৃতীবন্ত নেতাৰ জীৱনী সম্বলিত **অসমৰ প্ৰসিদ্ধ মুক্তি-যুঁজাৰু** নামেৰে এখন গ্ৰন্থ মুদ্ৰিত কৰি উলিয়াইছে। ই এটা বিশেষ কাম। লিখকৰ গভীৰ অনুভূতি, ঐতিহাসিক উপলব্ধি, দেশাত্মবোধ আৰু অশেষ পৰিশ্ৰমৰ ফলতহে যে এনে এটা কাম সম্ভৱ হৈছে, গ্ৰন্থখনেই তাৰ প্ৰমাণ দিছে।

ডেকা ডাঙৰীয়াই যিসকলৰ জীৱন-কথা সংগ্ৰহ আৰু সঙ্কলিত কৰিছে, তেওঁলোকে এটা যুগৰ ভাৰতৰ ইতিহাস ৰচোতা—গঢ়োতাসকলৰ ভিতৰত গৌৰৱৰ স্থান অধিকাৰ কৰি আছে। যি ৬২ জনৰ জীৱন আলেখ্য দাঙি ধৰা হৈছে তেওঁলোকৰ প্ৰত্যেকেই নিজৰ নিজৰ সাধনাৰে বিশেষ বিশেষ বৰঙণি দি গৈছে। স্বকীয় সৃষ্টিপ্ৰতিভাৰে তেওঁলোকৰ প্ৰতিজনৰ জীৱন সমৃদ্ধ। কিন্তু সকলো ব্যক্তিগত বৈশিষ্ট্যৰ অন্তৰালত তেওঁলোকৰ জীৱনৰ এক মূলগত ঐক্য আছে। এটা মহান উদ্দেশ্য প্ৰণোদিত আদৰ্শ আৰু ভাবোচ্ছাসৰ অবিচ্ছিন্ন ধাৰাই, অকল তেওঁলোকৰ নিজৰ মাজতে নহয়, জনসাধাৰণৰ লগতো, তেওঁলোকৰ নিবিড় সম্পৰ্ক স্থাপন কৰিছিল। গ্ৰন্থখনত আলোচনা কৰা ব্যক্তিসকলৰ জীৱনৰ লগত সেই কালৰ অসমৰ তথা ভাৰতৰ অন্তৰাত্মাৰ সংযোগ আছে। তেওঁলোকৰ জীৱন-কথা প্ৰকৃতাৰ্থত জাতিৰ আত্মপ্ৰতিষ্ঠাৰ কথা। সেই কালছোৱা আছিল ভাৰতৰ নৱজাগৰণৰ যুগ। সাম্ৰাজ্যবাদী শাসনত নিষ্পেষিত, পৰাধীনতাৰ গ্লানিত ক্লিষ্ট জাতিৰ মনৰ ভিতৰত গুমৰি উঠা আৰ্তনাদ, আৰু বিক্ষোভ, দেশমাতৃকাৰ শৃঙ্খল মোচনৰ আকাঙ্ক্ষা, এয়ে আছিল এওঁলোকৰ সকলোৰে—প্ৰতিজনৰ জীৱনৰ মূলতত্ত্ব। স্থান আৰু পাত্ৰ বিশেষে পাৰ্থক্য থাকিলেও, এওঁলোকৰ সকলোৰে জীৱন একে ৰাষ্ট্ৰীয় ভাবনাই নিয়ন্ত্ৰিত কৰিছিল। এনেকৈ বিশেষ বিশেষজনৰ ভিতৰত যেনেকৈ নীতি, আদৰ্শ, উদ্দেশ্য আৰু কাৰ্যপন্থা লৈ ঐক্য স্থাপন হৈছিল, তেনেকৈ তাতোকৈ নিগূঢ়, অনাবিল সম্পৰ্ক গঢ়ি উঠিছিল তেওঁলোকৰ লগত জনসাধাৰণৰ। দৰাচলতে, মহাত্মাগান্ধীৰ নেতৃত্বত পৰিচালিত ভাৰতৰ স্বাধীনতাৰ যুদ্ধত জনসাধাৰণৰ লগত নেতা বা কৰ্মীৰ অঙ্গাঙ্গী সম্পৰ্ক গঢ়ি উঠিছিল। জনসাধাৰণে ৰাজনৈতিক আৰু অৰ্থ-

নৈতিক পৰিস্থিতিৰ ঘাত-প্ৰতিঘাতত, অন্তৰবো অন্তৰত স্বাভাৱিকভাৱে উপলব্ধি কৰা মতে, তেওঁলোকৰ সামূহিক ইচ্ছাৰ প্ৰতিনিধিত্ব কৰিব পৰা জনক নেতৃত্বৰ আসনত বহুৱাই, তেওঁৰ অনুগামী হয়। এনেকৈ জনসাধাৰণে নেতাৰ সৃষ্টি কৰে। আকৌ, সেই নেতায়ে জনসাধাৰণক বাট দেখুৱায় আৰু উপস্থিত সমস্যা সমাধানৰ উপায় দিয়ে। জনসাধাৰণৰ সংগঠিত শক্তিৰেই নেতৃত্ব দিয়াজনে যুদ্ধ বা আন্দোলনত কৃতকাৰ্যতা লাভ কৰে। বিপ্লৱৰ নেতা, বিপ্লৱী জনতা আৰু বিপ্লৱৰ মাজত এক্ৰাব নোৱাৰা সম্পৰ্ক।

প্ৰথম মহাযুদ্ধৰ পিছত, হয়তোবা এনে এটা প্ৰক্ৰিয়াই কাম কৰিছিল আৰু তাৰেপৰা আগৰ সহযোগী গান্ধী তেওঁৱেই দিয়া অসহযোগৰ ধ্বনিৰ ওপৰত গঢ়ি উঠা এটা গণআন্দোলনৰ অবিসম্বাদী নেতা হিচাপে আবিৰ্ভাব হ'ল। সৰ্বপ্ৰধান নেতা হিচাপে মহাত্মাগান্ধী জনসাধাৰণৰ আশা আকাঙ্ক্ষাৰ মূৰ্ত প্ৰতীক আছিল। জনসাধাৰণে মহাত্মাজীৰ মাজেদি নিজক পাইছিল আৰু মহাত্মাজীৰো জনসাধাৰণৰ লগত একাত্মবোধ হৈছিল। স্তৰে স্তৰে বিভিন্ন থাপৰ নেতা আৰু কৰ্মীৰ ক্ষেত্ৰতো সেই একে কথা খাটিছিল।

প্ৰাকৃতিক কাৰণত মহোদধিত যেতিয়া আলোড়ন সৃষ্টি হয়; তেতিয়া তাৰেপৰা পৰ্বত-প্ৰমাণ ঢৌ উঠে, উৰ্মিমালাৰ উদ্ভৱ হয়। অসহযোগ আন্দোলনত ভাৰতৰ জনসমুদ্ৰ এনেকৈয়ে উঠলি উঠিছিল; ঢৌৰ ওপৰত ঢৌ উঠিছিল।

একেষাৰতে ক'ব লাগিলে, যি ৬২ জন নেতাৰ জীৱন গ্ৰন্থখনত আলোচনা কৰা হৈছে, তেওঁলোক তেওঁলোকৰ সহযোগী আন আন নেতা-কৰ্মীসকলৰ দৰেই, ভাৰতৰ ইতিহাসৰ এটা সৰ্বশ্ৰেষ্ঠ বিপ্লৱৰ সন্তান আৰু সেই হিচাপেই তেওঁলোকৰ জীৱনৰ গুৰুত্ব আৰু মহত্ব বিচাৰ কৰিবলগীয়া। পুৰাকালত পৃথিৱীৰ অন্যান্য দেশৰ দৰেই ভাৰততো বিভিন্ন প্ৰদেশ বা অঞ্চলত সাৰ্বভৌম ৰজাৰ ৰাজত্ব আছিল। সময়ে সময়ে কোনো কোনো সম্ৰাটে আন আন ৰজাক যুদ্ধত পৰাস্ত কৰি সাম্ৰাজ্য গঢ়ি তুলিলেও, ভাৰতবৰ্ষ হিচাপে সমগ্ৰ দেশ এটা কেন্দ্ৰীয় শাসনৰ তলত আছিল বুলি কব নোৱাৰি। আন আন বহুতো ৰাজ্যৰ দৰে সেই দিনত অসমো এখন স্বাধীন দেশ আছিল। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে ৰাজনৈতিক ক্ষেত্ৰত সৰ্বভাৰতীয় ঐক্য স্থাপন নহ'লেও, সেইদিনতো সৰ্বতোকাল ভাৰতত সাংস্কৃতিক ঐক্য জনসাধাৰণে নিজৰপৰাই গ্ৰহণ কৰি আহিছিল। উদাহৰণ স্বৰূপে ধৰ্মৰ ক্ষেত্ৰত ভাৰতৰ সৰ্বত্ৰ ভক্তি-মাৰ্গৰ প্লাৱন অহাৰ যুগত

অসমবৰপৰা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সেই ক্ষেত্ৰত নতুন সৃষ্টি-সম্ভাৰেৰে যুগমীয়া ধৰণগুণি যোগাইছিল। তদুপৰি, মহাপুৰুষৰ আৰু তেওঁৰ অনুগামীসকলৰ অৱদানেৰে সাহিত্য, কলা, সঙ্গীত, বাদ্যযন্ত্ৰ আদিৰ ক্ষেত্ৰত নতুন ধাৰা প্ৰবৰ্তন কৰি অসমৰ বৈশিষ্ট্য ৰক্ষা কৰাৰ লগতে, সৰ্বভাৰতীয় ভঁড়ালো বৈচিত্ৰ্যপূৰ্ণ সম্ভাৰেৰে ঐশ্বৰ্য্যশালী কৰিছিল। মন কৰিবলগীয়া যে মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ বহুল লেখনিত, য'তে দেশৰ নাম উল্লেখ কৰিবলগীয়া হৈছে, তাতে 'ভাৰতবৰিষ' বুলিহে উল্লেখ কৰিছে।

সাম্ৰাজ্যবাদৰ যুগত, ইংৰাজে ভাৰতত ৰাজনৈতিক সুবিধাৰ কাৰণে সমগ্ৰ-দেশখন একেলগে বান্ধি লৈ শাসন প্ৰবৰ্তন কৰে। ই সেইযুগৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ লগতো থাপ খাইছিল কাৰণে গ্ৰহণীয়ও হৈ পৰিছিল; কিয়নো সেই কালতে ফৰাচী বিপ্লৱৰ পিছৰপৰা, পৃথিৱীত ৰাজনৈতিক ক্ষেত্ৰত আধুনিক ৰাষ্ট্ৰীয়তাৰ আৰু গণতন্ত্ৰৰ ব্যৱস্থাৰ সূত্ৰপাত হয়। ইয়াৰে প্ৰথম অৱস্থাৰ পৰীক্ষা ইংলণ্ডতে হৈছিল। পিছে, বিদেশী শাসনত ভাৰতে তাৰ বাহিৰৰ খোলাটোহে পালে, আচল সাৰ পদাৰ্থ নেপালে। স্বাধীনতাৰ আন্দোলনত, ভাৰতৰ জনসাধাৰণে ৰাজনৈতিক ক্ষেত্ৰত একত্বৰ গুৰুত্ব উপলব্ধি কৰে। ভাৰতৰ স্বাধীনতাৰ আন্দোলনৰ এটা সৰ্বপ্ৰধান আৰু সৰ্বপ্ৰথম অৱদান হৈছে যে ই আসমুদ্ৰ হিমাচল ভাৰতৰ জনসাধাৰণৰ প্ৰাণৰো প্ৰাণত আধুনিক ৰাষ্ট্ৰীয়তাৰ ভাব সৃষ্টি কৰে। এই ৰাষ্ট্ৰীয়তাৰ ভাৱনাই আধুনিক কালত ভাৰতৰ উন্নতিৰ সৰ্বপ্ৰধান প্ৰেৰক—প্ৰেৰণাদায়ক শক্তি।

স্বাধীনতাৰ আন্দোলনত এই শক্তিৰ ক্ৰান্তিকাৰী প্ৰয়োগৰ কাৰণে, নেতা-কৰ্মী আৰু জনসাধাৰণৰ মাজত আদৰ্শগত নিষ্ঠাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। গান্ধীবাদী স্বাধীনতাৰ আন্দোলনত কৰ্মীসকলৰ অকল ৰাজহুৱা জীৱনেই নহয়, ব্যক্তিগত জীৱন নিকা, নিৰ্মল, পৱিত্ৰ কৰি ৰখাৰ সাধনাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। পৰাধীনতা আৰু শোষণ-নিষ্পেষণৰ বিৰুদ্ধে; সামাজিক আৰু আৰ্থিক বৈষম্যৰ বিৰুদ্ধে, অন্যায়-অত্যাচাৰ আৰু দৰিদ্ৰতাৰ বিৰুদ্ধে, জনসাধাৰণক জাগ্ৰত কৰা—তেওঁলোকৰ সংগ্ৰামী মনোভাৱ গঢ়ি তোলাই আছিল স্বাধীনতা আন্দোলনৰ মুখ্য কাম। যুদ্ধৰ অস্ত্ৰ আছিল সত্য-অহিংসা। প্ৰণালী—সত্যাগ্ৰহ, সৈন্যবাহিনী—সংগঠিত জনতা।

অসমৰ বাইজ আৰু নেতাসকল গান্ধীবাদী এনে আদৰ্শ আৰু কাৰ্য্যপন্থাৰে যেনেকৈ অনুপ্ৰাণিত আছিল তেনেকৈ স্বাধীনতা আন্দোলনৰ কাৰ্য্যসূচী কৃত-

কাৰ্য্যতাৰ ৰূপায়ণ কৰাত, তেনেকৈ সদায় অগ্ৰণী আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত অসমত অসমৰ তেতিয়াৰ ইংৰাজ চৰকাৰৰ পক্ষৰপৰা ইমান বেছি নিৰ্য্যাতন-নিপীড়ন চলিছিল যে গান্ধীজীয়ে তাৰ খবৰ পাই বিশেষ চিন্তিত হৈছিল আৰু বাবু ৰাজেন্দ্ৰপ্ৰসাদ আৰু পণ্ডিত মদনমোহন মালব্যক সেই বিষয়ে অসমলৈ আহি তদন্ত কৰিবলৈ ভাৰ দিছিল। তেওঁলোক অসমলৈ আহি গুৱাহাটীৰপৰা বকোলৈ ১২।১৪ মাইল গৰুৰ গাড়ীৰে গৈ, তাত বৰো সত্যাগ্ৰহীসকলৰ ওপৰত হোৱা নিৰ্মম অত্যাচাৰৰ সম্পৰ্কে খবৰ লৈ গৈ মহাত্মাজীক জনাইছিল। 'ইয়ং ইণ্ডিয়া' কাগজত এই খবৰ প্ৰকাশ হৈছিল। অসমত বাইজে কেনেকৈ আন্দোলনত যোগ দিছিল, ই তাৰেই এটা দৃষ্টান্ত।

আন্দোলন কালত গঠনমূলক কামতো অসমৰ বৰঙণি উল্লেখযোগ্য। উদাহৰণ স্বৰূপে কানি বন্ধৰ আন্দোলনৰ কথা ক'ব পাৰি। মিৰজুমলা-ৰামসিঙৰ দৰে মোগল সেনাপতিৰো আক্ৰমণ প্ৰতিহত কৰা বীৰ অসমীয়া মানুহৰ বল-বীৰ্য্য কানিয়ে নষ্ট কৰিছিল। সেইকাৰণে, ১৯২১ চনৰ অসহযোগ আন্দোলনত কানি খোৱা অভ্যাস নিৰ্মূল কৰাৰ ওপৰতে সৰ্বাধিক গুৰুত্ব দিয়া হৈছিল। সেই সময়ৰ অসমৰ ইংৰাজ চৰকাৰৰ ৰাজহৰ মোটা এটা অংশ আহিছিল কানি বেপাৰৰপৰা। সেইকাৰণে, কানি বন্ধৰ আন্দোলনত তেওঁলোকে সকলো প্ৰকাৰে বাধা দিছিল। কানিৰ দোকানত পিকেটিং কৰা কম বয়সীয়া লৰা ভলণ্টিয়াৰক পুলিচে মাৰ্‌ধৰ্‌ কৰিছিল আৰু ধৰি নি বহু দূৰৰ জঙ্গল অঞ্চলত এৰি দিছিলগৈ।

এনেধৰণৰ নানা বাধা সত্বেও ১৯২১ চনৰ এবছৰৰ ভিতৰত চৰকাৰী কানিৰ দোকানত ৬০০ মোনৰো ওপৰ কানি বিক্ৰী কমি গৈছিল। ৰাইজৰ সহযোগত, নিষ্ঠাবান কৰ্মীৰ চেষ্টাত সাম্ৰাজ্যবাদী চৰকাৰৰ বিৰোধিতা সত্বেও কিমান ডাঙৰ গঠনমূলক হ'ব পাৰিছিল, ই তাৰেই এটা উজ্জ্বল দৃষ্টান্ত হৈ আছে।

সংখ্যাৰ অনুপাতে, শতকৰা হিচাপ মতে, অসমত ওকালতি বৰ্জন কৰি, ১৯২১ চনৰ অসহযোগত যোগ দিয়া অধিবক্তাৰ সংখ্যা ভাৰতৰ ভিতৰতে বেছি আছিল বুলি মহাত্মাগান্ধীয়ে নিজে এটা হিচাপ দেখুৱাই কৈছিল। অসমৰ ছাত্ৰসকলৰ ভিতৰত পৰীক্ষাত বিশেষ ভাল কৰা মেধাবী ছাত্ৰসকল সেই দিনত বিশ্ব-বিদ্যালয়ত পঢ়িবলৈ কলিকতালৈ যাব লগা হৈছিল। কটন কলেজৰপৰা নাম কৰি পাছ কৰা অসমীয়া ছাত্ৰৰ প্ৰায়ভাগেই কলিকতাৰ প্ৰেছিডেঞ্চি কলেজত পঢ়িছিলগৈ। ১৯২১ চনৰ অসহযোগ আন্দোলনত, কলিকতাত পঢ়া অসমীয়া

ছাত্ৰৰ যেছিথিনিয়েই কলেজ বৰ্জন কৰি আহি অসমত কাম কৰিছিল। অন্যান্য প্ৰদেশৰ ছাত্ৰৰ সংখ্যাৰ অনুপাতে স্কুল-কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিয়া ছাত্ৰৰ বিশেষকৈ বিশ্ববিদ্যালয়ত নাম কৰা ছাত্ৰৰ সংখ্যাও অসমৰ বেছি আছিল। কুৰধৰ বুদ্ধিৰ ৰাজা গোপালচাৰী নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ফালৰপৰা আন্দোলনৰ পৰিস্থিতি সম্পৰ্কে খবৰ লবলৈ আহি, অসমৰ কেইজনমান ছাত্ৰনেতাক লগ পাই মন্তব্য কৰিছিল যে অসমৰ দৰে এনে তীক্ষ্ণ বুদ্ধিৰ নিষ্ঠাবান ছাত্ৰ অন্য ঠাইতো আন্দোলনলৈ ওলালে স্বাধীনতা লাভৰ কাম সহজ হ'ব।

যি ৬২ জনৰ জীৱন-কথা, গ্ৰন্থখনত আলোচনা কৰা হৈছে, তেওঁলোকৰ প্ৰত্যেকজনৰে স্বাধীনতা আন্দোলনত লেখত ল'বলগীয়া বৰঙণি আছে। তেওঁলোকৰ নেতৃত্বতে অসমে স্বাধীনতাৰ আন্দোলনত ভাৰতৰ ভিতৰতে নাম কৰা ভূমিকা ল'ব পাৰিছিল।

সাম্ৰাজ্যবাদৰ যুগত বৃটিছে তেওঁলোকৰ শিল্প ব্যৱসায়ৰ স্বাৰ্থ সংৰক্ষিত কৰাৰ ইচ্ছাৰে ভাৰতৰ উত্তৰ-পূব অঞ্চলটো এটা সুকীয়া কোঠ হিচাপে ৰাখিবলৈ চেষ্টা কৰিছিল। তাৰে এটা প্ৰথম চেষ্টা হিচাপে লৰ্ড কাৰ্জনে পূৰ্ববঙ্গ আৰু অসম লগলগাই ১৯০৫ চনত এখন সুকীয়া প্ৰদেশ কৰিছিল। অসমৰ প্ৰতিনিধি স্বনামধন্য মাণিক চন্দ্ৰ বৰুৱাই সেইদৰে গঢ়ি তোলা প্ৰদেশৰ ৰাজধানী ঢাকাত বহা কাউন্সিলত যোগ দিব লগা হৈছিল। তেওঁতে অসমৰ প্ৰতিনিধি হিচাপে সেই কাউন্সিলত অসম পূৰ্ববঙ্গ মিলাই এখন প্ৰদেশ কৰাৰ দৃঢ়তাৰে বিৰোধিতা কৰিছিল। ১৯০৫ চনত কংগ্ৰেছৰ প্ৰপিতামহ ডাডাভাই নৌৰজীৰ সভাপতিত্বত বহা কংগ্ৰেছ মহাসভাত, বঙ্গ বিভাজনৰ আৰু অসম পূৰ্ববঙ্গ সুকীয়া প্ৰদেশ কৰাৰ বিৰোধিতা কৰা হৈছিল। এসময়ত অসমত চীফ কমিচনাৰ হৈ থকা কটন চাহাবেও তেওঁৰ বৰলাটলৈ দিয়া ৰিপোৰ্টত অসম-পূৰ্ববঙ্গ এক লগ কৰি প্ৰদেশ গঠনৰ বিৰোধিতা কৰিছিল। কামৰপৰা অৱসৰ লোৱাৰ পিছত কটন চাহাব কংগ্ৰেছৰ সভাপতি হৈছিল। বৃটিছ পাৰ্লেমেণ্টলৈ নিৰ্বাচিত হৈ তেওঁ ভাৰতৰ হকে সদায় যুঁজিছিল।

বঙ্গ ভঙ্গৰ কাৰণে হোৱা স্বদেশী আন্দোলন আৰু বঙ্গ প্ৰদেশ দুভাগ কৰি, পূৰ্ববঙ্গৰ সৈতে অসমকো লৈ সুকীয়া প্ৰদেশ কৰাত কংগ্ৰেছক বিৰোধিতা নকৰা হ'লে পৰিস্থিতি অসমৰ কাৰণে যে কিমান দুৰ্ভাগ্যজনক হ'ল হেঁতেন, আজি তাৰ হিচাপ লোৱা টান। ইয়াৰ পিছত আকৌ ভাৰতৰ বৰলাট আৰু গভৰ্ণৰ

জেনেৰেলে প্ৰথম মহাযুদ্ধৰ পিছত ভাৰতক দিব খোজা মণ্টেগু চেম্চফৰ্ড শাসন সংস্কাৰৰপৰা অসমক বাদ দি ৰখাৰ অপচেষ্টা কৰিছিল। তেওঁলোকৰ মতে ভাৰতৰ প্ৰধান প্ৰধান প্ৰদেশৰ দৰে, অসমে সেই সুযোগ পাব পৰা যোগ্য হোৱা নাছিল।

কৰ্মবীৰ চন্দ্ৰ নাথ শৰ্মাই ভাৰতৰ বৰলাটৰ এনে ৰিপোৰ্টৰ বিৰুদ্ধে, বৃটিছ গভৰ্ণমেণ্টলৈ পোনপটীয়াকৈ এখন 'মেমৰেণ্ডাম' দিছিল। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু চাহপেতিং [illegible] বৰুৱা এই প্ৰশ্ন লৈ বিলাতলৈ যাব লগা হৈছিল। সেই সময়ত অন্য বগালে বিপিন পাল প্ৰমুখ্যে কেইজনমান কংগ্ৰেছ নেতাও লণ্ডনলৈ গৈছিল। তাত তেওঁলোকে নবীনচন্দ্ৰ বৰদলৈৰ লগত অসমৰ প্ৰশ্নটো লৈ বিশেষভাৱে আলোচনা কৰিছিল।

মণ্টেগু চেমচফৰ্ড শাসন সংস্কাৰ, ভাৰতৰ প্ৰগতিশীল জনমত আৰু কংগ্ৰেছৰ গ্ৰহণযোগ্য নাছিল। অসমো সেই শাসন সংস্কাৰ গ্ৰহণ কৰিবলৈ ব্যগ্ৰ আছিল যে এনে নহয়। কিন্তু অসমে সেই শাসন সংস্কাৰৰ প্ৰশ্ন লৈ যুঁজিব লগা হৈছিল এই কাৰণে যে, সেই শাসন সংস্কাৰৰপৰা বাহিৰত ৰাখি, অসমৰ মৰ্য্যাদা ক্ষুণ্ণ কৰিব খোজা হৈছিল। শেষত বৃটিছ গভৰ্ণমেণ্টে ভাৰতৰ বৰলাটৰ মত অগ্ৰাহ্য কৰি অসমকো আন আন প্ৰদেশৰ লগত একেলগে সেই শাসন সংস্কাৰৰ অধিকাৰ দিবলৈ সন্মত হল। বহুত চেষ্টাৰ মূৰত এনেকৈ অসম এটা সঙ্কটৰপৰা ৰক্ষা পৰিল।

তৃতীয়বাৰ আকৌ স্বাধীনতা লাভৰ কিছু আগতে অসমক এটা ডাঙৰ বিপদে দেখা দিছিল। ইংলণ্ডৰ এজন নামজ্বলা অধ্যাপক কুপলেণ্ডে এখন আঁচনি কৰিছিল যিখনৰ মতে অসম আৰু ভাৰতৰ উত্তৰ-পূব সীমান্তৰ পাহাৰী অঞ্চলটো ভাৰতৰ পৰা পৃথককৈ ৰখাৰ পৰিকল্পনা কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল যে ভাৰত স্বাধীন হ'লেও, পৃথককৈ ৰখা এই অঞ্চলটোৰ তেল চাহ আদি শিল্পৰ অধিকাৰ-সুবিধা ইংৰাজ শিল্পপতিসকলে নিজৰ হাতত ৰাখিব পাৰিব।

কিন্তু অসমে স্বাধীনতা আন্দোলনত যি ভূমিকা লৈছিল আৰু তাৰ দ্বাৰা অসমত যি ৰাজনৈতিক শক্তি গঢ় উঠিছিল, তালৈ চাই বৃটিছ কৰ্তৃপক্ষই অন্ততঃ এইখিনি বুজিছিল যে 'কুপলেণ্ড আঁচনি'ৰ দৰে এখন আঁচনি কাৰ্য্যকৰী কৰা সম্ভৱ হ'ব নোৱাৰে। কিন্তু তেনে চিন্তা বাদ দিলেও, স্বাধীনতাৰ পিছতে ভাৰতৰ বাহিৰত স্বাধীন নগালেণ্ডৰ আন্দোলন হোৱা কথাটোৰ লগত 'কুপলেণ্ড আঁচনি'ৰ তাৰৰ লগত সম্পৰ্ক নোহোৱা কথা বুলি কব নোৱাৰি। অসমৰ

প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈৰ অজ্ঞাতে, ভিতৰি ভিতৰি, অসমৰ সেই সময়ৰ গভৰ্ণৰ ছাৰ আকবৰ হায়দৰৰ স্বাধীন নগালেণ্ড আন্দোলনৰ নেতাসকলৰ লগত কেইটামান কথাৰে এখন চুক্তি কৰিবলৈ ওলোৱা কথাটোত সন্দেহ সৃষ্টি কৰিবৰ কাৰণ নোহোৱাকৈ থকা নাছিল।

সৰ্বশেষত, বৃটিছ ভাৰতবৰ্ষৰ পৰা যোৱাৰ বিষয় লৈ, কেবিনেট মিছনে দাঙি ধৰা 'সমষ্টি' গঠনৰ আঁচনিও, অসমৰ কাৰণে এটা জীৱন-মৰণৰ প্ৰশ্ন হৈ দেখা দিছিল। সেই আঁচনি মতে অসম আৰু বঙ্গ—এই দুখন প্ৰদেশ লৈ এটা গোট কৰাৰ কথা দাঙি ধৰা হৈছিল। অসম কংগ্ৰেছৰ নেতা আৰু অসমৰ ৰাইজে ইয়াৰ বিৰুদ্ধে তুমুল আন্দোলন কৰিব লগা হয়। এই আন্দোলনত অসমে মহাত্মাগান্ধীৰ আশীৰ্বাদ আৰু সমৰ্থন লাভ কৰিছিল। শেষত অসমৰ আন্দোলন আৰু অন্যান্য পৰিস্থিতিত কেবিনেট মিছনৰ আঁচনি বদ হ'ল আৰু অসম এটা ডাঙৰ সঙ্কটৰ পৰা ৰক্ষা পৰিল।

অসমৰ ৰাইজ আৰু নেতাসকলে একালে যেনেকৈ সৰ্বভাৰতীয় স্বাধীনতাৰ আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰি আৰু সেই আন্দোলনত আত্মবলিদান কৰি গৌৰৱ অৰ্জন কৰিছিল, আনকালে তেনেকৈ অসমৰ স্বকীয়া সমস্যা সমাধানতো দৃঢ়তা আৰু বিচক্ষণতা দেখুৱাইছিল। ই আছিল অসমৰ নেতাসকলৰ ৰাজনৈতিক দূৰদৰ্শিতাৰ পৰিচায়ক।

অসমৰ যি ৬২ জন স্বাধীনতা-সংগ্ৰামীৰ জীৱন গ্ৰন্থখনত আলোচনা কৰা হৈছে তেওঁলোকে তেওঁলোকৰ কালছোৱাৰ প্ৰতিনিধিত্ব কৰিছে। তেওঁলোকে স্বাধীনতা আন্দোলনৰ পৰা সৃষ্টি হোৱা উচ্চ চিন্তাধাৰা আৰু প্ৰেৰণা দি গৈছে। তেখেতসকলৰ স্বাধীনতাৰ গণ আন্দোলনে সৃষ্টি কৰা ৰাজনীতিক শক্তিও আমি উত্তৰাধিকাৰী সূত্ৰে পাইছো। গান্ধীবাদী স্বাধীনতা আন্দোলনৰ বাণীও উত্তৰ-পুৰুষে তেওঁলোকৰ পৰা পাইছে। এই বাণী হৈছে বিশ্ব-শান্তি আৰু বিশ্ব-মানৱতা আৰু মানৱধৰ্মৰ বাণী; এই বাণী হৈছে সকলো প্ৰকাৰৰ হিংসাত্মক অস্ত্ৰৰ প্ৰয়োগ অপ্ৰয়োজনীয় কৰি তোলা বাণী; এই বাণী হৈছে ভাৰতৰ সাৰ্বভৌমত্ব অখণ্ডতা আৰু বিকেন্দ্ৰীকৰণ কৰা নীতি, কেন্দ্ৰ, ৰাজ্য আৰু পঞ্চায়ত ব্যৱস্থাৰ দায়িত্ব আৰু অধিকাৰৰ ভাৰসাম্য ৰক্ষাৰ বাণী; সেই বাণী হৈছে ৰাষ্ট্ৰ, দেশ আৰু সমষ্টি বা ব্যক্তিৰ মাজত কোনো প্ৰশ্ন লৈ যদি কেনেবাকৈ কেতিয়াবা বিবাদ সংঘাত উপস্থিত হয় তেতিয়া তাক হিংসাৰ কোনো ভাৱ বা অস্ত্ৰ নোযোৱাকৈ, অহিংস নীতিৰে, সত্যাগ্ৰহৰ প্ৰণালীৰে নিষ্পত্তি কৰাৰ বাণী;

সেই বাণী হৈছে, আৰ্থিক আৰু সামাজিক বৈষম্য নিৰ্মূল কৰাৰ বাণী ; সেই বাণী হৈছে, সাম্য আৰু সমবিতৰণৰ বাণী ; সেই বাণী হৈছে ধৰ্ম, গোষ্ঠী, বৰ্ণ, জাতি-কুল, সম্প্ৰদায়ৰ নামত প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৰাজনৈতিক সুবিধা নলবলৈ, কথা-কাম আৰু ভাৰত প্ৰতিজ্ঞা লোৱাৰ বাণী ; সেই বাণী হৈছে জনসেৱাৰ বাণী ; সেই বাণী হৈছে নিৰ্মল, পবিত্ৰ জীৱন যাপনৰ বাণী; সেই বাণীহৈছে ব্যক্তি কেন্দ্ৰীক ৰাজনীতিৰ ঠাইত সমাজধৰ্মী ৰাজনীতি—ক্ষমতা লিপ্সাৰ ৰাজনীতিৰ পৰিবৰ্তে সমাজ সেৱাৰ ৰাজনীতিৰ বাণী ; সেই বাণী হৈছে ৰাইজৰ সেৱাৰ বাণী ; আৰু সৰ্বোপৰি সেই বাণী হৈছে সত্য-অহিংসা আৰু প্ৰেমৰ বাণী ।

বৰ্তমান এনে মৌলিক প্ৰশ্নবিলাক আওকাণ কৰাত, নানা সমস্যাই যেতিয়া জাতীয় জীৱন বিব্ৰত কৰি তুলিছে, তেতিয়া এই বাণীয়েই আমাক প্ৰকৃত বাটৰ সন্ধান দিব পাৰে ।

অধ্যাপক ডেকাই স্বাধীনতা আন্দোলনৰ পতাকাবাহীসকলৰ জীৱন-কথা দাঙি ধৰি, সেই যুগটোৰ স্মৃতি জাগ্ৰত কৰিছে। তেওঁৰ এই সফল চেষ্টাৰ কাৰণে তেওঁলৈ অভিনন্দন জনাওঁ ।

শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী
প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী
১২।১।৮৯ তথা নিখিল ভাৰত ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ
প্ৰাক্তন সভাপতি

নিবেদন

ওঠৰ শতিকাত ইংলেণ্ডত উদ্ভৱ হোৱা শিল্প বিপ্লৱৰ পৰা লৈ ঊনৈশ শতাব্দীৰ ভিতৰত ইংৰাজসকলে পৃথিৱীত সূৰ্যাস্ত নোযোৱা সসাগৰা সাম্রাজ্য স্থাপন কৰাৰ গৌৰৱ অৰ্জন কৰিছিল যদিও মহাকালে পিছৰে সেই সাম্রাজ্য গ্রাস কৰিলে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ জৰিয়তে ভাৰতবৰ্ষলৈ বেহাবলৈ আহি তাৰ বিস্তাৰ কৰি সগৌৰৱে পাঁচ ... ইষ্ট ইণ্ডিয়া কোম্পানী এশবছৰ কাল কুশাসন চলোৱাৰ অন্তত ভাৰতীয়সকলৰ চকু মেল খালে। তাৰ পৰিণতি স্বৰূপে ১৮৫৭ চনত 'চিপাহী বিদ্রোহ' নামে খ্যাত স্বাধীনতাৰ প্রথম সংগ্রাম সংঘটিত হ'ল। কোম্পানীৰ শাসনৰ ওৰ পেলাই মহাৰাণী ভিক্টোৰিয়াই ভাৰতবৰ্ষৰ শাসনভাৰ নিজ হাতত ল'লে আৰু শাসনৰ বাঘজৰীডাল টানকৈ ধৰি ৰাখিলে, কিন্তু মুক্তিকামী ভাৰতবাসীক একোতে ক্ষান্ত ৰাখিব নোৱাৰিলে। তেওঁলোকে বিদেশীৰ শাসন পেলাই দি দেশমাতৃকাক মুক্ত কৰাৰ দৃঢ় সংকল্প ল'লে ফলস্বৰূপে ১৮৮৫ চনত বোম্বাই চহৰত বেৰিষ্টাৰ উমেশচন্দ্ৰ বন্দ্যোপাধ্যায়ৰ (ডব্লিউ. চি.) ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠিত হ'ল। ১৯১৪-১৮ চনত ইউৰোপত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হোৱাত ইংৰাজসকলৰ প্ৰলোভনত ভোল গৈ ভাৰতে মিত্ৰ পক্ষ সমৰ্থন কৰিছিল যদিও মহাসমৰৰ পাছত শাসকদলে ভাৰতবাসীক কেৱল প্ৰতাৰণাই নকৰিলে, লগতে তেওঁলোকৰদ্বাৰা বিশ্বত ঘোৰ ইছলাম্ বিৰোধী কাৰ্য সাধিত হ'ল। ভাৰতীয় মুছলমান সকলকো তেওঁলোকৰ এনে দুষ্কাৰ্যই সঁচকিত কৰি তুলিলে। 'খিলাফত' নামে জনাজাত এই আন্দোলনক মহাত্মাগান্ধীয়ে পূৰ্ণ সমৰ্থন কৰি হিন্দু-মুছলমান সকলোকে এই ধৰ্মযুদ্ধত অৱতীৰ্ণ হ'বলৈ আহ্বান জনালে। খিলাফত আন্দোলনৰ নেতৃত্ব দিছিল প্ৰধানকৈ মহম্মদ আলি, চৌকত আলি ভাতৃদ্বয়ে।

১৯১৯ চনত ৰাওলাট আইনৰ জৰিয়তে ইংৰাজে ভাৰতীয়সকলক দমন কৰাৰ কূট-কৌশল খেলিছিল। ৰাওলাট আইনৰ তীব্ৰ বিৰোধিতা কৰি দেশজুৰি তুমুল আন্দোলন চলিল। ইংৰাজে দমননীতিৰ চূড়ান্ত দৃষ্টান্ত দাঙি ধৰি ১৯১৯

চনত জালিয়ানাবাগত গুলীবর্ষণৰদ্বাৰা অভূতপূর্ব নৃশংস হত্যাকাণ্ড চলালে। দেশবাসী প্রতিশোধ লোৱাৰ কাৰণে উন্মত্ত হৈ উঠিছিল যদিও মহাত্মা গান্ধীৰ আহ্বানক্রমে ১৯২১ চনত অহিংস অসহযোগ আন্দোলন আৰম্ভ হ'ল। ১৯৩০ চনত আইন অমান্য আন্দোলনত নেতৃত্ব দি মহাত্মাগান্ধীয়ে দাণ্ডীলৈ পদযাত্রা কৰি প্রবল প্রতাপী ইংৰাজ শক্তিৰ আইন অমান্য কৰে সেই বছৰতে কুটনীতি পৰায়ণ ইংৰাজ চৰকাৰে গান্ধী আৰউইন চুক্তি কৰি আৰু লণ্ডনত ঘুৰণীয়া মেজ মেলত ... সমস্যাৰ সমাধান কৰিব নোৱাৰি শেষত ভাৰতত শান্তি সম্প্রীতি ... বসবাস কৰি থকা হিন্দু-মুছলমানৰ মাজত সাম্প্রদায়িক ভেদ ভাব সৃষ্টি কৰিবলৈ ... চেষ্টা কৰে। ১৯৩৬ চনত বৃটিছ ভাৰত-সম্রাট পঞ্চম জৰ্জৰ মৃত্যুৰ পাছত ভাৰতীয় কংগ্রেছ মহাসভাই মন্ত্রীসভা গঠন কৰি দেশৰ শাসন কাৰ্য চলোৱাৰ সিদ্ধান্ত গ্রহণ কৰে। এনেতে ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত ভাৰতবাসীৰ মতামত নোলোৱাকৈয়ে ভাৰতীয়সকলে মিত্রপক্ষ, অর্থাৎ বৃটিছক সমর্থন কৰা বুলি বিশ্বত এটা উৰা বাতৰি প্রচাৰ কৰিলে। তেতিয়া মহাত্মাগান্ধীৰ আহ্বানত দেশবাসীয়ে ঘোৰ প্রতিবাদ জনালে, আৰু লগে লগে কংগ্রেছ মন্ত্রীসভাই পদত্যাগ কৰিলে। তাৰ পাছতে মহাত্মা-গান্ধীৰ ঘোষণা অনুসাৰে ১৯৪২ চনত 'ভাৰতত্যাগ' আন্দোলনৰ জয়ডঙ্কা বাজি উঠিল। 'মৰিলে দেশ মৰিলে স্বৰ্গ' হুঙ্কাৰ মাৰি ভাৰতীয়সকলে দেশ স্বাধীন কৰাৰ অর্থে শেষ চেষ্টা চলালে। ফলত দেশজুৰি বিপ্লৱৰ অগ্নি জ্বলি উঠিল; ইংৰাজ শক্তিয়ে চকুৰে সৰিয়হফুল দেখিলে। ... চীন আৰু আমেৰিকায়ো ভাৰতবৰ্ষক অনতি পলমে স্বাধীনতা দিব লাগে বুলি বৃটিছ চৰকাৰক দাবী জনালে। ১৯৪৬ চনত বোম্বাইত ভাৰতীয় নৌ বাহিনীয়ে বিদ্রোহ আৰম্ভ কৰি ইংৰাজ শক্তিক আৰু এটা জোকাৰণি দিলে। ক্রাহি মধুসূদন সুঁৱৰি তেওঁলোকে কেবিনেট মিছন ভাৰতলৈ পঠালে। বৃটিছ ভাৰতৰ গভর্ণৰ জেনেৰেল মিঃ ওৱাভেলৰ (১৯৪৩-৪৭) মধ্যস্থতাত ভাৰতৰ ৰাজনৈতিক দল সমূহৰ মাজত বিশদ আলোচনা হ'ল। কেবিনেট মিছনৰ কাৰ্যকৰী পন্থা হাতত লৈ প্রস্তাৱিত স্বাধীন ভাৰতৰ আইন ৰচনা কৰাৰ উদ্দেশ্যে এখন গণপৰিষদ গঠন কৰা হ'ল। ১৯৪৬ চনত জৱাহৰলাল নেহৰুৰ নেতৃত্বত এখন অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰা হ'ল।

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষ স্বাধীন হ'ল। ১৯৪৮ চনৰ জুন মাহত মাউণ্ট বেটেনে পদত্যাগ কৰাত চক্ৰৱৰ্তী ৰাজা গোপালাচাৰী শেষ গভৰ্ণৰ

জেনেৰেল পদত অভিষিক্ত হয়। ১৯৪৯ চনত ভাৰতীয় সংবিধান ৰচনা হৈ উঠিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে ভাৰতবৰ্ষই বিশ্বত এখন 'সাৰ্বভৌম ৰাষ্ট্ৰ' হিচাপে স্বীকৃতি লাভ কৰিলে। সেই ৰাষ্ট্ৰখনৰ প্ৰথম ৰাষ্ট্ৰপতি হ'ল— ড° ৰাজেন্দ্ৰপ্ৰসাদ আৰু প্ৰধানমন্ত্ৰী হ'ল পণ্ডিত জৱাহৰলাল নেহৰু।

ভাৰতৰ স্বাধীনতা আন্দোলনত দেশৰ আন আন ৰাজ্যৰ দৰে অসমেও আগভাগ লৈছিল। অসমৰ কেইবাগৰাকী লোকে আন্দোলনত নেতৃত্ব দিছিল, বহুতে কাৰাবৰণ কৰিছিল আৰু কিছুমানে জীৱন আহুতি দিছিল। স্বদেশ প্ৰেমৰ মহামন্ত্ৰেৰে দীক্ষিত তথা ১৯২১ চনৰ অসহযোগ আন্দোলনৰপৰা ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱালৈকে অসমৰ যিসকল স্মৰণীয় আৰু বৰণীয় ব্যক্তিয়ে বিভিন্ন দিশত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে সেইসকলৰ প্ৰয়াত তিনিকুৰি দুজন প্ৰসিদ্ধ ব্যক্তিৰেহে জীৱনালেখ্য "অসমৰ প্ৰসিদ্ধ মুক্তি-যুঁজাৰু" পুথিখনত দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে। পুথিখনিৰ কলেবৰ বৃদ্ধি হোৱাৰ আশঙ্কা কৰি তেনে ভালেমান প্ৰসিদ্ধ ব্যক্তিৰ সমল আমাৰ হাতত থকা সত্বেও ইয়াত সন্নিবিষ্ট কৰিব পৰা নগ'ল। সেয়েহে যথাসম্ভৱ সোনকালে দ্বিতীয় খণ্ডটোও প্ৰকাশ কৰাৰ উদ্যম লোৱা হৈছে। একে সময়তে সমল আহৰণ কৰিব নোৱাৰাৰ দোষত জীৱনী কেইটা গ্ৰন্থখনিৰ যথাযথ স্থানত পৰিৱেশন কৰিব পৰা নগ'ল; তাৰ বাবে পাঠকসকলে আমাক ক্ষমা কৰে যেন। তদুপৰি আমাৰ অনিচ্ছাকৃতভাবে পুথিখনিত হইতো কিছু ভুল-ভ্ৰান্তি ৰৈ গৈছে তাৰ বাবেও পাঠকসকলৰ ওচৰত ক্ষমা মাগিছোঁ।

এই পুথিখনি লিখাৰ উৎস আৰু প্ৰেৰণা কিদৰে পোৱা হ'ল তাৰে যৎ কিঞ্চিৎ আভাস দিয়াৰ প্ৰয়োজন এটি আছে বুলি ভবা হৈছে। সেয়েহে সদাশয় পঢ়ুৱৈ সমাজৰ ওচৰত মাৰ্জনা বিচাৰি সেইবিষয়ে সংক্ষেপে কিছু ব্যক্তিগত কথাও আলোচনা কৰা হ'ল।

আমাৰ পিতৃদেৱ স্বৰ্গীয় মুক্তাৰাম ডেকা এজন সাধাৰণ খেতিয়ক আছিল। তেখেতে কেঁকোৰা মুঠিত ধৰি (হাল বাই) পেটৰ ভাত মোকোলাই নিজেও খাইছিল, দুখীয়া-নিচলাকো বিলাই দিছিল। গান্ধীবাদতসম্পূৰ্ণ আস্থা স্থাপন কৰি সমাজৰ কামত সদায় আগভাগ লোৱা পিতাই আজৰি সময়ত যুদ্ধৰ কথা, গান্ধীবাজাৰ কথা কয় আৰু আমি মৌপিয়াদি শুনো। তদুপৰি গধূলি হ'লে দুই-চাৰিজন ধৰ্মপ্ৰাণ শ্ৰোতাক লৈ প্ৰতিদিনে ৰামায়ণ, মহাভাৰত, কীৰ্তন, নাইবা ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ কেইটমান অধ্যায় পঢ়ি নাটকীয়

ভঙ্গীত অৰ্থবোৰ ভাঙি বুজাই দিয়ে। আমাৰ কাৰণে গধূলিৰ সেই সময়খিনি কিমান যে মধুৰ আছিল আজিও মনত পৰিলে খুব ভাল লাগে। পিতৃদেৱৰপৰা শুনা দেশৰ বৰণ্য ব্যক্তিসকলৰ প্ৰতি অজানিতে মোৰ অন্তৰত এক অবিমিশ্ৰ শ্ৰদ্ধাৰ ভাব জাগি উঠিছিল।

আমাৰ বৰঘৰৰ বাৰান্দাত মহাত্মা গান্ধী ডাণ্ডি-যাত্ৰা কৰা সময়ৰ প্ৰায় দুই ফুট বহল, তিনি ফুট দীঘল ছবি এখন পিতাই পৰম শ্ৰদ্ধাসহকাৰে আঁৰি থৈছিল। ছবিখন দেখোঁতে দেখোঁতে সেই মহান ব্যক্তিজনৰ লগত আমাৰ যেন এটি আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল। সেই সময়ত মেল-মিটিঙলৈ যাওঁতে পিতাই গান্ধীটুপী পিন্ধিছিল। ঘৰকৈ ধৰাত আমাকো এটা গান্ধীটুপী আনি দিছিল।

দ্বিতীয় মহাসমৰৰ ভৰপক। ওচৰা-চোৰিকৈ ভাৰতৰ স্বাধীনতা আন্দোলনৰ শেষ ৰণ, বিয়াল্লিছৰ গণ-বিপ্লৱ চলিছে। পিতাই খেতিৰ কাম কৰে, গাঁও সংগঠনৰ কামত বহু নিশালৈকে ঘূৰি-ফুৰি ঘৰত চেঁচা ভাত খায়হি। আমাৰ থকা বস্তিৰপৰা দুই ফাৰ্লংমান দূৰত বাঁহ, গছ, নাৰিকল, তামোলৰ ডাঙৰ বস্তি এটা নিজ হাতে তোলে। তাতে মাছ পোহা পুখুৰী এটা খান্দি পুখুৰীৰ পাৰত এবিঘামান মাটিত কপাহ খেতিও কৰিছিল। সেই কপাহৰ বহুৰঙী ফুলবোৰ চাই যে কিমান ভাল লাগিছিল! ফাটি থকা কপাহৰ জোলাবোৰ ছিঙোতে উলুবনৰ কাঁইটে-ঘৰকৈ বিন্ধিছিল। বুঢ়ীআই চম্পাৱতীয়ে কপাহ বাছি, নেওঠি, ধুনি, পাঁজবাটি আজৰি সময়তে স্বৰাজৰ গীত গাই গাই সূঁতা কাটিছিল। সময়ৰ অভাৱত ৰাতিও পাঁজিকটা আৰু কাপোৰ বোৱা কাম কৰিছিল। বুঢ়ীআইৰ লগত থাকি আমিও কপাহ তোলাৰপৰা তাঁত বোৱালৈকে সকলোখিনি কাম নিয়াৰিকৈ শিকি লৈছিলো।

বিয়াল্লিছৰ আন্দোলনৰ সময়ত দিনে নিশাই পুলিচ-মিলিটাৰিবোৰে তহল দি থাকে। আন্দোলনত নমাসকলে যাকে যেনেকৈ পাই ধৰি নি লঘু দোষত গুৰু শাস্তি দিছে। কোনো বাছ-বিচাৰ নকৰাকৈ ৰচীৰে বন্ধা, হাত কেৰেয়া লগোৱা, লাঠিৰে দুই-চাৰি কোব মৰা, পুলিচ থানালৈ নিয়া আদি ভাতৰ লগত পানী খোৱা কথা আছিল। দিন বাৰৰ কথা মনত নাই। এদিন দলপুৱাতে সশস্ত্ৰ পুলিচ-মিলিটাৰি আহি আমাৰ ঘৰ-দুৱাৰ চলাথ কৰিলে। কাৰোবাক লুকাই থোৱা বুলি সন্দেহ কৰি জোতাৰেলৈতে সোমাই ধানৰ ভঁৰালটোও চালে (অসমীয়া মানুহে ভঁৰাল ঘৰক নামঘৰৰ সদৃশ জ্ঞান কৰে)। কাকো

ক'তো বিচাৰি নাপাই পিতা ক'ত গৈছে, কি কৰিছে বুলি সুধিলে। কাৰোপৰা সদুত্তৰ নাপাই বাৰান্দাত আঁৰি থোৱা মহাত্মা গান্ধীৰ ছবিখন এজন পুলিচে লাঠিৰে কোবাই টানি ধুঁকি চিৰাচিৰ্ কৰিলে। সেই দৃশ্য আমাৰ কাৰণে কিমান বেদনাসিক্ত আছিল তাক আজিও প্ৰকাশ কৰাৰ ভাষা বিচাৰি নাপাওঁ।

১৯৪৮ চনৰ কথা। কমাৰকুছি উত্তমচন্দ্ৰ মজলীয়া স্কুলত পঢ়োঁ। আমাৰ ইংৰাজীৰ শিক্ষক কৈলাশচন্দ্ৰ বৰুৱা আৰু অসমীয়াৰ শিক্ষক নন্দৰাম বৰুৱাই সদায় খদ্দৰ আৰু গান্ধীটুপী পিন্ধি স্কুললৈ আহে। কৈলাশ বৰুৱা চাৰে সুবিধা পালেই স্বাধীনতা আন্দোলনৰ কথা বিশেষকৈ মহাত্মা গান্ধীৰ কথা কয়। ৩০ জানুৱাৰীৰ দিনা আবেলি দিল্লীৰ প্ৰাৰ্থনা সভাত মহাত্মা গান্ধী আততায়ীৰ হাতত গুলী বিদ্ধ হৈ মৃত্যু বৰণ কৰা অসহনীয় করুণ সংবাদ তড়িৎ বেগে বিয়পি পৰিল। আমাৰ স্কুলৰ প্ৰাঙ্গনত বহা শোক সভাত কৈলাশ বৰুৱা চাৰে বক্তৃতা দিবলৈ উঠি শোক বিহ্বল হৈ থিয় হৈ থকাতে মূৰ্চ্ছা গৈছিল। সেইদিনাৰ সেই অশেষ স্মৃতি দুঃখিত আমাৰ মনত কুপত পুঞ্জীভূত হৈ আছে।

স্বাধীনতাৰ পিছত দেশৰ বহুতো পৰিবৰ্তন হ'ল। থোৰতে ক'ব পাৰি— দেশ স্বাধীন হোৱাৰ পিছত নেতাসকলৰ মাজত ক্ষমতাৰ যুঁজ-বাগৰ লাগিল। বহুতো তথাকথিত নেতাই গান্ধীজীৰ আদৰ্শৰ প্ৰতি পৃষ্ঠভঙ্গ দিলে। আজিৰ নতুন পুৰুষ চামৰ বেছিভাগৰ বাবেই 'গান্ধীজী' এটি অবুজ সাঁথৰ হৈ পৰিল। গান্ধীজীক নবুজিলেও আজি ৰাজনীতিবিদেই হওঁক, নেতা বা ছাত্ৰ-নেতাই হওঁক, সেইসকলে গান্ধীজীৰ নাম বিক্ৰী কৰি সমাজত বৰলোক হৈছে বা বৰলোক হোৱাৰ অহৰহ চেষ্টা চলাই আছিছে।

চাৰিওফালে দেশ স্বাধীন হ'বৰ দুকুৰি বছৰ পাৰ হ'ল। স্বৰাজোত্তৰ কালত দুৰ্ভিক্ষ জনসাধাৰণে কি পালে কি নাপালে কাৰো অবিদিত নহয়। ১৮৮৫ চনত স্থাপিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯৮৫ চনত এশ বছৰ পূৰ্ণ কৰিলে। দেশৰ বিভিন্ন ঠাইত নানা কাৰ্যসূচীৰে ভাৰতীয় জাতীয় কংগ্ৰেছৰ শতবাৰ্ষিকী উৎসৱ পালন কৰা হ'ল। অসমতো এই উৎসৱৰ পৰিপ্ৰেক্ষিতত ভালেমান আঁচনি হাতত লোৱা হৈছিল। তাৰেই আঁচনিভুক্ত এটা বিষয় আছিল অসমৰ প্ৰয়াত প্ৰসিদ্ধ মুক্তি-যুঁজাৰু কেইগৰাকীমানৰ জীৱনালেখ্য এখনি প্ৰকাশ কৰাটো; আৰু জীৱনী লিখাৰ গধুৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত হৈছিল। এই দুঃসাহসিক কাম প্ৰথমে আমি হাতত লবলৈ সাহস কৰা নাছিলো যদিও, অসমৰ অন্যতম প্ৰসিদ্ধ মুক্তি-যুঁজাৰু তথা সৰ্বভাৰতীয় খ্যাতিসম্পন্ন সাংবাদিক

শ্রীসতীশচন্দ্ৰ কাকতীদেৱৰ কাৰ্যকৰী সহায় আৰু উৎসাহদানত প্ৰেৰণা পাই টানিব নোৱাৰা মৈৰ খুৰঁলিত কান্ধ পাতিলো। সমস্ত পুথিখনিৰ পাণ্ডুলিপি প্ৰকাশন পৰিষদৰ সচিবৰ হাতত দিয়া হ'ল। এনেতে পৰিষদৰ ঘোৰ অৰ্থ-সংকটে দেখা দিয়াত পুথিখনি ছপা হৈ উঠাৰ কোনো আশা নেদেখি একপ্ৰকাৰ হতাশ হৈ পৰিছিলো। তেনে অৱস্থাতে আমাৰ অগ্ৰজপ্ৰতিম ডক্টৰ হেমন্ত কুমাৰ শৰ্মাই গুৱাহাটীৰ 'বীণা লাইব্ৰেৰী'ৰ স্বত্বাধিকাৰ, বিশিষ্ট গ্ৰন্থ প্ৰকাশক আৰু ধীমান ব্যক্তি শ্ৰীশান্তিৰঞ্জন দে ডাঙৰীয়াৰ লগত সাক্ষাৎ কৰাই পুথিখনি ছপাৰ দিহা লগাই দিলে। লগে লগে পূৰ্বদেশ মুদ্ৰণত পুথিখনিৰ ছপাকাম আৰম্ভ হ'ল। অসম চৰকাৰে পুথিখনি ছপাৰ কাৰণে সুলভ মূল্যত এক টন কাগজ দিও আমাক উৎসাহিত কৰিলে। কাজেই প্ৰথম স্তেগতে আমি শ্ৰীসতীশচন্দ্ৰ কাকতীদেৱ, ডক্টৰ হেমন্তকুমাৰ শৰ্মাদেৱ, শ্ৰীশান্তিৰঞ্জন দে ডাঙৰীয়া, পূৰ্বদেশ মুদ্ৰণৰ স্বত্বাধিকাৰী শ্ৰীপ্ৰশান্তকুমাৰ শৰ্মা সমন্বিতে কৰ্মীবৃন্দ আৰু অসম চৰকাৰৰ আন্তৰিক শলাগ লৈছোঁহঁক।

পুথিখনি যুগুত কৰোঁতে পৰিশিষ্টৰ তালিকাত দিয়া গ্ৰন্থ, আলোচনী, সংবাদপত্ৰ, ব্যক্তিগত ডায়েৰী আদিৰ পৰা সমল আৰু ছবিবোৰ সংগ্ৰহ কৰা হৈছে। তাৰবাবে সেই গ্ৰন্থবোৰৰ লেখক, আলোচনী আদিৰ সম্পাদক, সংকলক, প্ৰতিষ্ঠান আৰু তাত জড়িত ব্যক্তিসমূহৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰাৰ লগতে তেওঁলোকসকলৰ ওচৰত চিৰঋণী হৈ থাকিলোঁহঁক। আমাক এই কাৰ্যত কেবাগৰাকী ব্যক্তিয়ে নিজৰ হাতত থকা ভালেমান পুথি-পাজি, নথি-পত্ৰ আৰু ছবি আদি অকুণ্ঠ চিত্তে দি উৎসাহিত কৰিছে। সিসকল মহান ব্যক্তিৰ প্ৰতিও আমি চিৰ কৃতজ্ঞ। সিসকলৰ ভিতৰত বিশেষভাৱে সহায় কৰিছে সৰ্বশ্ৰী চিদানন্দ দাস, দণ্ডেশ্বৰ গগৈ, ড° হেমন্তকুমাৰ শৰ্মা, নৱদ্বীপ ৰঞ্জন পাটগিৰি, সতীশচন্দ্ৰ কাকতী, ৰবীন্দ্ৰনাথ বৰুৱা, অমলপ্ৰভা দাস, পুষ্পলতা দাস, দেবেন্দ্ৰ নাথ শৰ্মা, নীতি বৰুৱা, বীণা শৰ্মা, গীতা বৰদলৈ, ড° চন্দ্ৰপ্ৰভা দেৱী, হেম বৰা, অতুল বৰা, যতীন গোস্বামী, ড° পবিত্ৰ কুমাৰ চৌধুৰী, লক্ষ্যধৰ চৌধুৰী, ৰামচৰণ দাস, সুবোধ কুমাৰ তালুকদাৰ, মানবেন্দ্ৰ শৰ্মা, নৃপেন্দ্ৰ নাথ শৰ্মা, ধনদা বৰুৱা, লক্ষেশ্বৰ হাজৰিকা, পৰাগধৰ চলিহা, হৈমৱতী লহকৰ, ড° মাধৱচন্দ্ৰ শৰ্মা, গুণজিৎ তালুকদাৰ, কনকচন্দ্ৰ বৰ্মা, ড° হৰেকৃষ্ণ গোস্বামী, প্ৰমোদচন্দ্ৰ বৰ্মণ, অজিত কুমাৰ শৰ্মা, সত্যেন্দ্ৰ কুমাৰ তালুকদাৰ, তন্ময় আগৰৱালা, ঊষা আগৰৱালা, বিজয়া হাজৰিকা, অপূৰ্ব দাস, অৱনীন্দ্ৰ বৰা, এলিৰা কুন্দ্ৰ,

জয়কান্ত বৰ্মন, চিৰনজিৎ চলিহা, ইন্দুপ্ৰভা বৰুৱা, গিৰীন্দ্ৰনাথ চৌধুৰী, জয়ন্ত কুমাৰ বৰুৱা, ডাঃ শৰৎচন্দ্ৰ মৰল, দীনেশচন্দ্ৰ গোস্বামী, অতনু শইকীয়া, ড° অৰবিন্দ মিশ্ৰ, অৰ্পা বুজৰবৰুৱা, সাৰঙ্গ ৰঞ্জন পাটগিৰি।

তদুপৰি গ্ৰন্থখনি প্ৰণয়ন কৰা কালছোৱাত ড° মহেশ্বৰ নেওগ, ড° সত্যেন্দ্ৰ নাথ শৰ্মা, ড° প্ৰতাপচন্দ্ৰ চৌধুৰী, ড° নগেন শইকীয়া, শ্ৰীঅতুলচন্দ্ৰ বৰুৱা, শ্ৰীনীলনাথ বৰুৱা, শ্ৰীৰবীন কাকতী, শ্ৰীৰবীন নবিচ, শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্মা, শ্ৰীবীৰেশ্বৰ বৰুৱা, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য, ড° মামনি গোস্বামী ৰয়চম, অধ্যক্ষ আবুল হাছান মোল্লা, শ্ৰীযোগেন্দ্ৰ নাথ চৌধুৰী, অধ্যাপক কমলেশ্বৰ আৰু বোহিণীকান্ত শৰ্মাদেৱে সততে খা-খবৰ ৰাখি আমাক উৎসাহিত কৰি কৃতজ্ঞাৰ পাত্ৰ হৈছে।

আমাৰ প্ৰতি পৰম দয়াপৰবশ হৈ অসমৰ আন এগৰাকী প্ৰসিদ্ধ মুক্তিযুঁজাৰু শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱে গ্ৰন্থখনিৰ 'ভূমিকা' সাহিত্য একাডেমীৰ সভাপতি ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যদেৱে Introduction শ্ৰীসতীশচন্দ্ৰ কাকতীদেৱে 'Foreword' আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই Appreciation লিখি দি গ্ৰন্থখনিৰ এটি পৰিচয় পাঠকসমাজৰ আগত দাঙি ধৰি আমাক পৰম কৃতাৰ্থ কৰিছে আৰু আমাক কৃতজ্ঞতা পাশত আবদ্ধ ৰাখিছে।

বিশিষ্ট চিত্ৰশিল্পী, শ্ৰীত্ৰৈলোক্য দত্ত ডাঙৰীয়াই পুথিখনিৰ বেটুপাত আৰু শহীদ কনকলতাৰ ছবিখন অঙ্কন কৰি দি আমাৰ বিশেষ ধন্যবাদৰ পাত্ৰ হৈছে।

সদৌ শেষত আমাৰ সহধৰ্মিনী শ্ৰীমতী ইৰা, পুত্ৰ শ্ৰীমান অনুপম আৰু কন্যা কুমাৰী লীনাই পুথিখনিৰ পাণ্ডুলিপি প্ৰস্তুত কৰা প্ৰভৃতি নানা দিশত সহায় নকৰা হ'লে আমাৰ বাবে এই কাম সুচাৰুৰূপে কৰা কেতিয়াও সম্ভৱ হৈ নুঠিল-হেঁতেন! তদুপৰি শ্ৰীমান অনুপমে চ্যাপলালৈ পাণ্ডুলিপি আৰু আহি কাকতৰ টোপোলা অনানিয়া কৰি আমাক সহায় কৰিছে। তেওঁলোককো শলাগ, আশীৰ্বাদ কৰিলোঁ। সদৌ শেষত এই গ্ৰন্থখনে সহৃদয় পাঠকবৰ্গৰ সমাদৰ পালে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

২০ জানুৱাৰী, ১৯৮৯ কনকচন্দ্ৰ ডেকা

সূচীপত্ৰ

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা	...	১
দেশপ্ৰাণ কৃষ্ণনাথ শৰ্মা	...	১৫
ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা	...	৩০
কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ	...	৪৮
দেশভক্ত তৰুণৰাম ফুকন	...	৬৫
বিশ্বাল্লিছৰ শ্বহীদ	...	৮৩
শ্বহীদ ভোগেশ্বৰী ফুকননী	...	৮৪
শ্বহীদ কনকলতা	...	৮৮
শ্বহীদ কুশল কোঁৱৰ	...	৯১
লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱা	...	১০৬
ডাঃ হৰিকৃষ্ণ দাস	...	১২১
বীৰ বিপ্লৱী শঙ্কৰ বৰুৱা	...	১৩১
পণ্ডিত কনকচন্দ্ৰ শৰ্মা	...	১৪৮
কুলধৰ চলিহা	...	১৫৭
লোকপ্ৰিয় গোপীনাথ বৰদলৈ	...	১৬৭
অসমপ্ৰাণ বিষ্ণুৰাম মেধী	...	১৮০
বিমলাপ্ৰসাদ চলিহা	...	১৯৪
ৰাজ্যপাল মহেন্দ্ৰ মোহন চৌধুৰী	...	২০৯
লোকনায়ক অমিয়কুমাৰ দাস	...	২১৭
ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমদ	...	২৩৬
লোকসেৱক হলধৰ ভূঞা	...	২৪৫
মৌলানা তৈয়বউল্লা	...	২৫৩
বিহগীকবি ৰঘুনাথ চৌধাৰী	...	২৬৭
অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী	...	২৭৮
ইতিহাস ৰত্ন বেণুধৰ শৰ্মা	...	২৯২
জ্যোতিপ্ৰসাদ আগৰৱালা	...	৩০১
সিদ্ধিনাথ শৰ্মা	...	৩১৩
অসমসিংহী চন্দ্ৰপ্ৰভা শইকীয়ানী	...	৩২১
মতিৰাম বৰা	...	৩২৯
ছবিলাল উপাধ্যায়	...	৩৩৭

খগেন্দ্ৰনাথ নাথ ... ৩৪৫
আদৰ্শপুৰুষ কামেশ্বৰ দাস .. ৩৬৪
আইনজীৱি জয়চন্দ্ৰ চৌধুৰী ... ৩৭৪
ডাক্তৰ ঘনশ্যাম দাস ... ৩৮১
হৰেন্দ্ৰনাথ বৰুৱা .. ৩৮৬
সৰ্বেশ্বৰ বৰুৱা ... ৩৯৪
প্ৰফুল্লচন্দ্ৰ বৰুৱা ... ৪০১
সিংহপুৰুষ ধনীৰাম তালুকদাৰ ... ৪১০
ডাক্তৰ হোমেশ্বৰ দেৱচৌধুৰী ... ৪২৩
গৌৰীকান্ত তালুকদাৰ ... ৪৩১
কালীৰাম বৰ্মন ... ৪৩৮
বিশ্ব গোস্বামী ... ৪৪৭
কামিনী কুমাৰ চন্দ ... ৪৬০
হৰেশ্বৰ গোস্বামী ... ৪৬৯
অৰুণ কুমাৰ চন্দ ... ৪৮১
ৰোহিণীকান্ত হাতীবৰুৱা ... ৪৮৮
নৰনাৰায়ণ গোস্বামী ... ৪৯৮
বি. কে. ভাণ্ডাৰী ... ৫১০
অক্ষয় কুমাৰ দাস ... ৫১৮
আমাৰ হেমবৰুৱা ... ৫২৯
বাগ্মীবৰ নীলমণি ফুকন ... ৫৪৯
পীতাম্বৰ দেৱ গোস্বামী ... ৫৬৫
লক্ষীধৰ শৰ্মা ... ৫৮০
ৰোহিণী কুমাৰ চৌধুৰী ... ৫৮৯
চন্দ্ৰশেখৰ দাস ... ৬০৯
মহীকান্ত দাস ... ৬১৩
অধ্যক্ষ পদ্মধৰ চলিহা ... ৬২২
কৰ্মপ্ৰাণ লক্ষীধৰ বৰা ... ৬৩৩
স্বাধীনতা আন্দোলনত নলবাৰী আৰু ধাৰেশ্বৰ শৰ্মা ... ৬৪৪
ৰজনীকান্ত গোস্বামী ... ৬৫১
শিল্পী ব্ৰজনাথ শৰ্মা ... ৬৫৯
দেহীৰাম বৰ্মন (ডেকা) ... ৬৭২
মহীচন্দ্ৰ বৰা ... ৬৭৫

পণ্ডিত জবাহরলাল নেহরু

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা

জগতৰ মঙ্গলৰ হেতু দধিচীয়ে স্বেচ্ছাই প্ৰাণ ত্যাগ কৰিছিল, সত্যবাক ৰক্ষাৰ কাৰণে দানবীৰ কৰ্ণই পুত্ৰক নিজ হাতে বলি দিছিল, পিতৃ সত্য পালনৰ বাবে শ্ৰীৰামচন্দ্ৰই ৰাজ্য ত্যাগ কৰিছিল, মৃত স্বামীক পুনৰ জীৱন দান দিয়াৰ কাৰণে সাবিত্ৰী আৰু বেউলাই নিজৰ জীৱনৰ অৰ্দ্ধেক আয়ুস দান কৰিছিল, পাশাখেলৰ পণ ৰক্ষাৰ্থে পঞ্চপাণ্ডৱে বনবাস খাটিছিল; তেনে পটন্তৰ মহাকাব্য, পুৰাণ আদিৰ পাতত বহুতো আছে। জয়মতী, লাচিত বৰফুকন, মণিৰাম দেৱান, পিয়লি ফুকন, কুশল কোঁৱৰ, কণকলতা আদিৰ আত্মত্যাগৰ কাহিনী অসম বুৰঞ্জীৰ পাততে পাব পাৰি। বিশ্বৰ ইতিহাসত এইদৰে মাতৃভূমি আৰু বিশ্বৰ মঙ্গলৰ হেতু প্ৰাণ বিসৰ্জন দিয়া শ্বহীদ, দেশপ্ৰেমিক, মহাপুৰুষ বহুতো পোৱা যাব; কিন্তু কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ দৰে দেশ সেৱাকে ঈশ্বৰসেৱা জ্ঞান কৰি তিলতিলকৈ নিজক নিঃশেষ কৰা ত্যাগী মহাপুৰুষৰ সংখ্যা আঙুলিমূৰীয়া।

ডক্টৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ প্ৰশ্নৰ উত্তৰত চন্দ্ৰনাথ শৰ্মাৰ পত্নী ভুবনেশ্বৰী দেৱীয় অশ্ৰুসিক্ত হৃদয়েৰে স্বামীৰ কথা এনেদৰে ব্যক্ত কৰিছিল—"তেখেতৰ বিষয়ে কি কম? অসহযোগ আন্দোলন যেতিয়া অসমত হ'ল, অসমত তেখেতেই প্ৰথম আন্দোলনত যোগ দিয়ে। স্কুল-কলেজৰ ল'ৰাবোৰক বাহিৰ কৰি আনে। তেওঁলোকৰ ভিতৰত লক্ষ্মীধৰ শৰ্মা আৰু গুনাভি শৰ্মাও আছিল। তেওঁলোকৰ দায়িত্ব তেখেতেই লৈছিল। যেতিয়া ওৱাৰ্দ্ধাত কংগ্ৰেছ হয়, তেখেত তালৈ গৈছিল। তাৰ পিছত নাগপুৰ কংগ্ৰেছলৈ যায়। তাৰ পিছত মহাত্মা গান্ধীক অসমলৈ নিমন্ত্ৰণ জনাবলৈ বোম্বাইলৈ যায়। তেখেত মহাত্মাৰ

তালৈ যাওঁতে তেখেতৰ ভীষণ জ্বৰ। আমি বহুতে হাক দিওঁতেও তেখেতে নামানিলে। তেখেত গ'লেই। ঘূৰি আহি পাওঁতেও জ্বৰ গাত আছেই। কিন্তু ঘূৰি আহিও জিৰণি লোৱা নাই। আনকি মাক মৰোতেও তেখেতে দেখা নাপালে। তেতিয়া মই কৈছিলোঁ। "আপোনাৰ মাক ঢুকাল, আপুনি দেখা নাপালে।" তেখেতে ক'লে, "মোৰ মাতকৈ দেশমাতৃহে বেছি আপোন। মোৰ দেশমাতৃৰ উদ্ধাৰৰ উপায়হে চাই আছোঁ। আৰু ইয়াত যেতিয়া প্ৰথম ছাত্ৰ সম্মিলন হয়, সেয়াও তেখেতেই আয়োজন কৰে। লক্ষ্মীনাথ বেজবৰুৱা আদিও আহিছিল। এইদৰে তেখেত ৰাজহুৱা কামত ঘূৰি ফুৰে। কেতিয়াবা ১০/১৫ দিনৰ মূৰে মূৰে ঘৰ ওলায়হি। আকৌ যায়। তেখেতক ঘৰৰ প্ৰতি চকু দিয়াৰ কথা ক'লে ঈশ্বৰে চাব বুলি কয়। এবাৰ মোৰ ডাঙৰ ছোৱালীজনীৰ যোৱা-থোৱা অৱস্থা। ডাক্তৰে ক'লে যে আপোনাৰ ছোৱালীৰ অৱস্থা ভাল নহয়। তেখেতে মোক ক'লেহি যে "ছোৱালীৰ কাৰণে তুমি একো ভয় নকৰিবা; ছোৱালীতকৈ মিটিঙখন ডাঙৰ।" হাক-বচন নুশুনি তেখেত গ'ল। মই তেখেতক বেয়া পোৱা যেন দেখি তেখেতে মোক কৈছিল, "তুমি ভাবিব পৰা নাইনে যে ছোৱালীজনীৰ বেমাৰতকৈ দেশৰ কাম ডাঙৰ। ছোৱালীজনী হয়তো ভাল হ'বও পাৰে। মই দেশৰ কাম কেনেকৈ এৰি থৈ আহোঁ?"

"লাহে লাহে তেখেত কাহিল হৈ আহিল। তথাপি ১০/১৫ দিনৰ মূৰে মূৰেহে তেখেত ঘৰলৈ অহা হ'ল। এবাৰ মোৰ মেলেৰীয়া হওঁতে তেখেত ক'ৰবালৈ যাবলৈ ওলাওঁতে মাকে ক'লে, "তুমি মানুহজনী পেলাই থৈ যাবানে?" তেখেতে ক'লে, "তেওঁক ঈশ্বৰে চাব। মই ঘূৰি নাহোঁমানে তেওঁৰ একো নহয়।" তাৰ পিছত মহাত্মা গান্ধী অসমলৈ আহে। মিটিং চলোতে তেখেতৰ ১০৪° জ্বৰ। তেখেতে মিটিঙত লেকচাৰ দিয়ে বৰঘুণত তিতি।"

তাৰ পিছত মহাত্মাৰ লগত গ'ল তেজপুৰলৈ। মহাত্মা যোৰ-

হাটলৈ যাবলৈ ওলাওঁতে তেখেতে ক'লে—"মযো যাম।" "তেতিয়া আমাৰ অমিয় দাসে ক'লে",—"আপুনি এই অৱস্থাত কেনেকৈ যাব? আপুনি কোনোমতেই যাব নোৱাৰে।" "মই যামেই। মই তাতে তেখেতৰ কাষত বহি থাকিম।" তেতিয়া মহাদেৱ শৰ্মা আদি কৰি গোটেইমথাই হাক দিয়াত যোৱা নহ'ল। তাৰ পিছত তেজপুৰৰ পৰা অমিয় দাসে দাদালৈ চিঠি দিলে যে তেখেতক লৈ তেওঁলোক জাহাজত কলিকতালৈ যাব।"

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা আছিল গীতাৰ কৰ্মযোগী পুৰুষজন। তেখেতৰ জীৱনৰ আদৰ্শ ঘাইকৈ আছিল দুটা—প্ৰথমটো "দেহা প্ৰত্যেক মুহূৰ্ততে মৰি আছে আৰু নমৰালৈকে থাকিবও; গতিকে কিবা এটা কৰি মৰ।" দ্বিতীয়টো হ'ল—"নিজৰ সুখৰ কাৰণে মানুহে যি কাম কৰে, তাতকৈ সি বহুত বেছি কাম কৰিব পাৰে, এই কাম আনৰ সুখৰ বাবে কৰা উচিত।" তেখেতৰ জীৱনৰ আদৰ্শ ব্যক্তি দুজন আছিল আনন্দৰাম বৰুৱা আৰু লম্বোদৰ বৰা—প্ৰথমজন ৩৯ বছৰ বয়সত আৰু দ্বিতীয়জন ৩২ বছৰ বয়সত কালপ্ৰাপ্ত হয়। দুয়োজন পুৰুষে অতি কম বয়সতে দেশবাসীক অমূল্য আৰু অফুৰন্ত দান দি অমৰত্ব লাভ কৰিলে। চন্দ্ৰনাথে এই দুজনৰ অন্ততঃ এজনৰ আয়ুসৰ সমানে জীয়াই থকাৰ আকাংখা কৰিছিল। ঠিক পালেও ইচ্ছা অনুসৰি আয়ুস। অবিৰত কৰ্মময় জীৱন অতিবাহিত কৰি সমাজত বৈপ্লৱিক পৰিৱৰ্তন আনি আৰু মাতৃভূমিক উদ্ধাৰ কৰাৰ বাটত অপৰিমেয়, অতুলনীয়, অভাৱনীয়, অকুণ্ঠ দান দি একুৰি বাৰ বছৰৰ দেওনা পাৰহৈ ১৯২২ চনৰ ২০ জুলাই তাৰিখে চিলঙৰ 'দোস্ত' গিৰীশ বৰুৱাৰ বাসভৱনত চিৰবিপ্লৱী-চিৰজাগ্ৰত চন্দ্ৰনাথ শৰ্মাই শেষ শয়ন কৰিলে। চিলঙৰ লুম্পাৰিঙ্ শ্মশানত জ্বলা চিতাগ্নি হোমাগ্নি হৈ কৰ্মবীৰৰ পঞ্চতন্মাত্ৰ দেহৰ জনমভূমিৰ বায়ু, মাটি, পানী, আকাশ আৰু তাপৰ লগত মহামিলন ঘটাই দিলে।

মহাত্মা গান্ধীয়ে চন্দ্ৰনাথ শৰ্মাক 'মহান দেশপ্ৰেমিক,' 'একনিষ্ঠ দেশ

সেৱক' আখ্যা দিছিল। চন্দ্ৰনাথৰ দেশপ্ৰেম আৰু আত্মত্যাগত মুগ্ধ হৈ মহাত্মাই মন্তব্য কৰিছিল—"চন্দ্ৰনাথৰ দেশহিতৈষিতা সকলো দেশহিতৈষীৰ আদৰ্শ হোৱা উচিত।"

চন্দ্ৰনাথ শৰ্মাৰ মহাত্মাৰ অহিংসা নীতিত পূৰাপূৰি বিশ্বাস থাকিলেও ধৰ্মনীতি আৰু ৰাজনীতি একে নহয়। ধৰ্মনীতিয়ে ৰাজনৈতিক দমন কৰাটোৰ তেখেত সমৰ্থক নাছিল। ১৯২১ চনৰ আগষ্ট মাহৰ তৃতীয় সপ্তাহত মহাত্মাই অসম ভ্ৰমণ শেষ কৰি ওভতি যোৱাৰ লগে লগে চন্দ্ৰনাথ শৰ্মাও চিকিৎসাৰ বাবে কলিকতালৈ যায়। তাত ভাল নোপোৱাত সাগৰীয় বায়ু সেৱনৰ কাৰণে পুৰীলৈ যায়। তাত স্বৰ্গদ্বাৰ পথত সৰু ঘৰ এটি ভাড়া কৰি প্ৰায় ছমাহ থাকে। সেই সময়ত যক্ষ্মা ৰোগৰ চিকিৎসা নাছিল। চন্দ্ৰনাথ শৰ্মাই অৱশ্যম্ভাবী মৃত্যুৰ কাৰণে ক্ষণ গণি আছিল।

চন্দ্ৰনাথ শৰ্মা পুৰীত চিকিৎসাৰ বাবে বিশ্ৰাম লৈ থকা সময়ত চৌৰিচৌৰাৰ নৃশংস হত্যাকাণ্ড (১৯২২) ঘটে। দেশ স্বাধীন কৰাৰ নামত জনতাই চৌৰিচৌৰা থানাৰ দুৱাৰ বন্ধ কৰি তাত অগ্নি সংযোগ কৰি সত্যাসত্য, ধৰ্মাধৰ্মৰ বিচাৰ নকৰি ইংৰাজ পুলিচ বিষয়া কেইজনমানক হত্যাকৰা অমানুষিক ঘটনাই গান্ধীজীৰ অন্তৰত ভীষণ কষ্ট দিলে। শেষত মহাত্মা গান্ধীয়ে ভাবিবলৈ বাধ্য হ'ল যে জনতাক অহিংস মন্ত্ৰত সম্পূৰ্ণ দীক্ষিত নকৰাকৈ, অহিংস-অসহযোগ আন্দোলনৰ আহ্বান দিয়াটো তেখেতৰ পক্ষে হিমালয় সদৃশ ভুল হৈছিল। এই মহাভুলৰ কাৰণে তেখেতে নিজকে সম্পূৰ্ণ দোষী কৰি দেশে স্বাধীনতা পোৱাৰ চৰম মুহূৰ্তত অসহযোগ আন্দোলন উঠাই ললে।

গান্ধীজীৰ সিদ্ধান্ত শিলৰ ৰেখা। তাত দ্বিতীয়বাৰ চিন্তা কৰাৰ কোনো স্থল নাছিল। গান্ধীজীৰ এনে সিদ্ধান্তৰ প্ৰতিকূলে দেশজুৰি তীব্ৰ বিৰোধীতা চলিল। জৱাহৰলাল নেহৰুৱে জেলৰ পৰা প্ৰতিবাদ পঠালে। মতিলাল নেহৰু, চিত্তৰঞ্জন দাস আদি বহুতে প্ৰতিবাদ

জনালে। ডাক্তৰ মুঞ্জে, যতীন্দ্ৰমোহন সেনগুপ্ত প্ৰমুখ্যে অনেকে মহাত্মা গান্ধীৰ ওপৰত অনাস্থা প্ৰস্তাব দিলে।।

প্ৰতিবাদৰ উত্তৰত মহাত্মা গান্ধীয়ে ক'লে—"মই আত্মপক্ষ সমৰ্থন কৰি একো নকওঁ, মোক সমৰ্থন কৰিব খোজা সকলকো মই এই প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ নকওঁ। 'নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সুচিন্তিত ৰায় মই জানিব খোজো ; কিন্তু মই যি সত্যক অন্তৰেৰে উপলব্ধি কৰিছোঁ, তাত মই অটল হৈ থাকিম।"

হোলোকা-হোলোকে তেজ বমি কৰি মৃত্যুৰ দুৱাৰদলিত বৈ থকা চন্দ্ৰনাথ শৰ্মাইও মহাত্মাগান্ধীৰ এই সিদ্ধান্ত মানিব পৰা নাছিল। ৰুগ্ন শৰীৰেৰে তেখেতে তীব্ৰ বিৰোধীতা 'কৰি বন্ধু-বান্ধৱলৈ চিঠি লেখিছিল। তেখেতে মহাত্মা গান্ধীক উদ্দেশ্য কৰি কৈছিল—"He has betrayed the Revolution". ইয়াৰ তাৎপৰ্য্য হ'ল—"তেওঁ বিপ্লৱী জনতাক বিশ্বাসঘাতকতা কৰিলে।" তেখেতে পুনৰ কৈছিল—"ভাৰতৰ প্ৰতিজন মানুহ মহাত্মা গান্ধীৰ দৰে অহিংস হৈ স্বৰাজ আনিবলৈ হ'লে ভাৰতৰ তেত্ৰিশ কোটি মানুহক তেত্ৰিশ কোটি বছৰ লাগিব।" চন্দ্ৰনাথ শৰ্মাই মৃত্যু শয্যাত পৰি ক্ষোভ কৰিছিল—"পৰা হ'লে এই সময়ত মই ইয়াৰ বিৰুদ্ধে মাত মাতিলোহেঁতেন।"

এই উক্তিৰ পিছতে চন্দ্ৰনাথ শৰ্মাই প্ৰাণ বিসৰ্জন দিছিল। মহাত্মা গান্ধীয়ে শৰ্মাৰ শেষোক্তিৰ কথা জানি মন্তব্য কৰিছিল—"তেওঁ এজন মহান দেশপ্ৰেমিক আছিল। সেয়ে মৰণৰ দুৱাৰদলিতো তেওঁ নিজৰ অনুভূতিক ব্যক্ত কৰি যাব পাৰিলে। তেওঁ জীয়াই থকা হ'লে, আৰু তেওঁক মোৰ অন্তৰৰ কথা বুজাব পৰা হ'লে, তেওঁ নিশ্চয় বুজিলেহেঁতেন। কাৰণ তেওঁ দেশক একনিষ্ঠভাৱে ভাল পাইছিল।"

এইজন চন্দ্ৰনাথ শৰ্মাই অসমৰ ভিতৰত সৰ্বপ্ৰথমতে ওকালতি বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিছিল। তেখেতৰ চেষ্টা আৰু প্ৰেৰণাত উদ্বুদ্ধ হৈহে দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈয়ে ওকালতি এৰি একাণপতীয়াকৈ আন্দোলনত যোগ দিছিল। এক

কথাত ক'বলৈ গ'লে ফুকন, বৰদলৈ প্ৰমুখ্যে অসমৰ স্বাধীনতা আন্দোলনৰ প্ৰায়ভাগ নেতাৰে চন্দ্ৰনাথ শৰ্মা ৰাজনীতিৰ গুৰু আছিল।

চন্দ্ৰনাথ শৰ্মাৰ দেহৰ গঠন মন কৰিবলগীয়া। বেনুধৰ শৰ্মাই শৰ্মাৰ মৃত্যুত আঐ-বিঐ সুঁৱৰি কৈছিল—"দেহি ঐ, চন্দ্ৰ শৰ্মা নাই। সেই উদাৰতা ভৰা উঠঙ্গা কপালেৰে, উপস্থিত বুদ্ধি ভৰা জোঙা কুমেৰে, মগজু আৰু মৈত্ৰীৰে পূৰ, হাতীমূৰীয়া মূৰেৰে ঘুটমুটীয়া চন্দ্ৰনাথ শৰ্মা বোলা মানুহটি আৰু পৃথিৱীত নাই।"

তেজপুৰৰ বিহগুৰি অঞ্চলৰ এঘৰীয়া ব্ৰাহ্মণ পৰিয়াল এটিত চন্দ্ৰনাথ শৰ্মাই জন্মগ্ৰহণ কৰিছিল। তেখেতৰ পিতৃ দণ্ডিনাথৰ পৈত্ৰিক ব্যৱসায় তিনিটা—খেতি পথাৰ, ম'হৰ খুটি আৰু যজমানী। চন্দ্ৰনাথ অতি তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। ছাত্ৰাৱস্থাতে তেখেতে 'চেতনা,' 'সেউতী' আদি হাতে লিখা আলোচনী সম্পাদনা কৰিছিল। পদ্মনাথ গোহাঞী বৰুৱাৰ তেখেত প্ৰিয় ছাত্ৰ আছিল আৰু 'উষা' আৰু 'বাঁহী'ৰ মাজত হোৱা তয়াময়া কলমৰ যুদ্ধত চন্দ্ৰনাথ শৰ্মাই গুৰুৰ পক্ষ সমৰ্থন কৰি বেজবৰুৱাক চোকা কলমেৰে ক্ষত-বিক্ষত কৰিবলৈ ওলোৱাত বেজবৰুৱাই শৰ্মাৰ সাহস দেখি ইংল্যাণ্ডৰ প্ৰধানমন্ত্ৰী 'পিট' চাহাবৰ লগত ব্যঙ্গ কৰি শৰ্মাক 'পিট' বুলিছিল।

চন্দ্ৰনাথ শৰ্মাৰ প্ৰিয়তম বন্ধু আছিল কবি, ঔপন্যাসিক দণ্ডিনাথ কলিতা। কলিতাৰ বাহিৰেও তেখেতৰ আন কেইজনমান লেখত লবলগীয়া অন্তৰঙ্গ বন্ধু আছিল গিৰীশ বৰুৱা, বেণুধৰ হাজৰিকা, ডাঃ হেম বৰুৱা আৰু মাণিক চন্দ্ৰ হাজৰিকা।

এম ভি, এম. ই. স্কুলত পঢ়ি থাকোঁতেই চন্দ্ৰনাথ শৰ্মাৰ বাক্-পটুতাৰ পৰিচয় ফুটি ওলাইছিল। সেই সময়তে তেখেতে অসমীয়া আৰু ইংৰাজী ভাষাত তৰ্ক প্ৰতিযোগিতাত যোগ দি ভৱিষ্যতে যে এজন ৰাজনীতিক আৰু বাগ্মী পুৰুষ হ'ব তাৰ আঁহি দেখুৱাইছিল।

সেই সময়ৰ গৌৰীদান পদ্ধতি মানি কালিপ্ৰসাদ বৰুৱাৰ ১১ বছৰীয়া কন্যা ভুবনেশ্বৰীক চন্দ্ৰনাথ শৰ্মাই বিবাহ কৰাইছিল।

তেতিয়া তেখেতৰ বয়স হৈছিল ১৮ বছৰ মাত্ৰ। অৱশ্যে এই বিবাহৰ মাজত শৰ্মাৰ আৰ্থিক অনাটনৰ কথাও জড়িত আছিল। বিয়াৰ পাছত শহুৰেকৰ উল্লেখযোগ্য সহায় আৰু প্ৰেৰণা লাভ কৰি বি.এ. আৰু ল পৰীক্ষা পাছ কৰি উকীল হৈছিল। উকীল হিচাপে শৰ্মাই অতি কম দিনৰ ভিতৰতে সুনাম অৰ্জন কৰিছিল। অসহযোগ আন্দোলনৰ সময়ত তেখেতেই অসমৰ ভিতৰত প্ৰথমতে ওকালতি এৰি আন্দোলনত জপিয়াই পৰে। উল্লেখযোগ্য যে ওকালতি এবাৰ লগে লগে কুৰি/ডেৰকুৰি মোক্কেলৰ কেচবোৰ বাইনাৰ টকা সহ ফিৰাই দিয়ে। আইন ব্যৱসায়ী এজনৰ কাৰণে এনে মহান আদৰ্শ অনুকৰণীয়।

ইটালীৰ সংগ্ৰামী গায়ক, গীতিকাৰ মেট্‌চিনি অথবা বঙ্গীয় কবি, গায়ক দ্বীজেন্দ্ৰলাল, মুকুন্দ দাসৰ দৰে চন্দ্ৰনাথ শৰ্মায়ো বাউলৰ দৰে গাওঁ-গাৱেঁ ঘূৰি-ফুৰি স্বাধীনতা সংগ্ৰামৰ গীত গাই জনতাক উদ্বুদ্ধ কৰিছিল, তিলক স্বৰাজ পুঁজিৰ কাৰণে আৰু বানদুৰ্ভীক্ষ প্ৰপীড়িত জনতাৰ সাহায্যৰ কাৰণে ধন সংগ্ৰহ কৰিছিল।

চন্দ্ৰনাথ শৰ্মাই দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল আৰু গোটেই জীৱন দৰিদ্ৰতাকে পৰম বন্ধু হিচাপে সাৱটি ধৰিছিল। আঠুমূৰীয়া ধুতী, গাত ফটুৱৈ চোলা, কাষলটিত সত্‌ৰঞ্চী এখন আৰু এখন গামোচাকে ভ্ৰমণৰ সামগ্ৰী হিচাপে লৈ সুদা ভৰিৰে অসম তথা ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ মাতৃভূমিক উদ্ধাৰ কৰাৰ ব্ৰত লৈ টলৌ-টলৌকৈ ঘূৰি ফুৰিছিল। খোৱা-লোৱাৰ খবৰ নাছিল। পালে খালে, নেপালে সুদা পেটে এখন বেঞ্চিতে হওক বা ধান খেৰৰ দমতে হ'ক পৰি থাকে।

জাতিভেদ, অস্পৃশ্যতা আদি সামাজিক ব্যাধিবোৰ নিৰ্মূল কৰাত চন্দ্ৰনাথ শৰ্মা সদায় অগ্ৰণী আছিল। ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ আদৰ্শৰ দ্বাৰা বিস্তৰভাৱে অনুপ্ৰাণিত হৈ বাল্যবিবাহ বন্ধ আৰু বিধৱা বিবাহ প্ৰচলনত জোৰ দিছিল। চন্দ্ৰনাথ শৰ্মাৰ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ

প্ৰতি প্ৰগাঢ় ভক্তি আছিল। তেখেতৰ লেখা "বিদ্যাসাগৰৰ চৰিত্ৰত মাতৃশিক্ষা" নামৰ প্ৰবন্ধত পিতৃ-মাতৃয়ে সন্তানৰ চৰিত্ৰ গঠনত কিদৰে অখণ্ড প্ৰভাৱ বিস্তাৰ কৰিব পাৰে উল্লেখ কৰিছে—"চৰিত্ৰ পূজা কৰি দেখা গৈছে যে, ল'ৰা কালতে পিতৃ-মাতৃ আদিৰ সজশিক্ষাই মানৱ জীৱনৰ চৰিত্ৰ গঠনৰ প্ৰথম খুটি সিঁচে। এই আদি সজশিক্ষাৰ প্ৰকৃত অভাৱৰেইহে আজি জগতৰ চৰিত্ৰৱান মানুহৰ নিৰ্ভুল লেখ আঙুলি মূৰতে হব পাৰ। জগতত ডাঙৰ মানুহ অনেক আছে; কবি, গ্ৰন্থকাৰ, বক্তা, ৰসিক, ৰজা, মন্ত্ৰী, বীৰ, সেনাপতি, ধৰ্ম প্ৰচাৰক, সমাজ সংস্কাৰক বহুত আছে, বাইৰণ, নবীনচন্দ্ৰৰ নিচিনা কবি, ছাৰ ওৱাল্টাৰ স্কট, বঙ্কিমৰ নিচিনা ঔপন্যাসিক জগতত অনেক আছে, কিন্তু গোটেই জগতত জয়মতী, ঈশ্বৰচন্দ্ৰ, ৰামমোহন, নেলচন আৰু নেপোলিয়ন কিমান? চৰিত্ৰপূজা কৰিব লগা চৰিত্ৰৱানৰ সংখ্যা জগতত কিমান? এনে মনুষ্যত্বৰ আহিৰ চৰিত্ৰ দুৰ্লভ হোৱাৰ খাই কাৰণ আদি সজশিক্ষাৰ অভাৱ, পিতৃ-মাতৃৰ সজশিক্ষাৰ অনাটন।"

চন্দ্ৰনাথ শৰ্মাৰ দৰে অধ্যয়নপুষ্ট লোক খুব কমেই আছিল। অসমীয়া, বঙলা, ইংৰাজী, হিন্দী আদি ভাষাৰ সাহিত্য আৰু বুৰঞ্জী তেখেতে অধিক গুৰুত্ব দি পঢ়িছিল আৰু যত সত্যৰ অপলাপ কৰি অসমীয়া জাতি আৰু ভাষাৰ মান-মৰ্যাদা হানিকৰ কথা পাইছিল তাৰ তেখেতে চোকা কলমেৰে ওফৰাই পেলাইছিল। প্ৰবীণ বঙলা সাহিত্যিক দীনেশচন্দ্ৰ সেনৰ "বঙ্গভাষা ও সাহিত্য" নামৰ গ্ৰন্থখনি পঢ়ি চন্দ্ৰনাথ শৰ্মাই সেনৰ গ্ৰন্থখনিৰ তীব্ৰ সমালোচনাৰ দ্বাৰা ঘোৰ প্ৰতিবাদ জনাইছিল—"প্ৰবীণ দীনেশচন্দ্ৰ সেন মহাশয়ে বুৰঞ্জী ভেটীৰ ওপৰত স্বাৰ্থৰ গাৰোহণী আৰু যুক্তিৰ মূৰত অমূলকতাৰ কুঠাৰৰ ঘা নামাৰি অসমীয়াৰ এই অমূল্য ৰত্নবিলাক তেওঁলোকৰ কৰিবলৈ চেষ্টা নকৰি, অসমীয়া বুলিয়েই মানি দুয়ো ভনী ভাষাৰ সমসাময়িকতা মিল, সামঞ্জস্যতা আৰু প্ৰাচীনত্বৰ বিষয় মাথোন লৈ আলোচনা কৰা হ'লে অসমীয়া সাহিত্যত তেওঁ বৰ ওখ আসন পালেহেঁতেন!

এতিয়া তেওঁ অসমীয়া ভাষা-সাহিত্যৰ ঘোৰ বিদ্বেষী বুলিহে চিনাকি দিছে, আৰু তাৰ দ্বাৰাই তেওঁ বঙ্গালী ভাষাৰো গ্লানি নানি এৰা নাই। আমি আশাকৰোঁ, চিন্তাশীল বঙ্গালী পাঠকে দীনেশ বাবুৰ 'বঙ্গভাষা ও সাহিত্য' পঢ়োঁতে তাৰ এই অলেখ আৰু অতিপাত ভুল-দোষবোৰলৈ আঙুলিয়াই দেখুৱাব।"

শৰ্মাৰ প্ৰতিটো কাম আৰু কথাৰ মাজত তেখেতৰ দেশপ্ৰেম, উদাৰমন, নিস্বাৰ্থতা, নিৰ্ভীকতা আৰু স্পষ্টবাদিতাৰ পৰিচয় পোৱা যায়। এনে এটি জ্বলন্ত দৃষ্টান্ত পাব পাৰি দেশভক্ত তৰুণৰামক অসম কংগ্ৰেছৰ সভাপতি নেপাতি কুলধৰ চলিহাক সভাপতি পতা কাৰ্য্যত। ফুকনৰ ব্যক্তিত্ব, স্বদেশপ্ৰেম আৰু সাৰ্বজনীনতাত চন্দ্ৰনাথ শৰ্মাৰ কোনো সন্দেহ নাছিল যদিও যুক্তিৰ খাটিৰত ফুকন কংগ্ৰেছৰ সভাপতি হোৱাটো শৰ্মাই বিচৰা নাছিল। তেতিয়াৰ কংগ্ৰেছ অনুষ্ঠানটো সম্পূৰ্ণভাৱে চৰকাৰ বিৰোধী অনুষ্ঠান। তেনেস্থলত, অসমৰ চৰকাৰী আইন কলেজখনৰ অধ্যাপক, চৰকাৰী চাকৰিয়াল তৰুণৰাম ফুকনৰ আন বহুতো দিশত অৰ্হতা থাকিলেও কংগ্ৰেছ অনুষ্ঠানটোৰ সভাপতি হোৱাৰ অৰ্হতা নাছিল বলি শৰ্মাই প্ৰবল যুক্তি দাঙি ধৰি কুলধৰ চলিহাক সভাপতি পতাত ভাগভাগ লৈছিল। তাত কৃতকাৰ্য্যও হৈছিল।

শৰ্মাৰ যুক্তি আৰু কাৰ্য্যক তৰুণৰাম ফুকনে উদাৰতাৰ মহান গুণেৰে মানি লৈছিল আৰু শৰ্মা হঠাতে ৰোগৰদ্বাৰা আক্ৰান্ত হোৱাত অন্তৰত দুখ অনুভৱ কৰিছিল আৰু ব্যক্তিগতভাৱে শৰ্মাৰ খা-খবৰ ৰাখিছিল।

চন্দ্ৰনাথ শৰ্মাৰ জীৱনৰ আন এটি বিশেষ উল্লেখযোগ্য বৰঙণি আছিল 'তিলক স্বৰাজ পুঁজিৰ' কাৰণে ধন সংগ্ৰহ কৰা। এই পুঁজি সংগ্ৰহৰ কাৰণে অনাহাৰ, অনিদ্ৰাত দিন-ৰাতিৰ ছেদ-ভেদ নোহোৱাকৈ শৰ্মাই যি দাৰুণ পৰিশ্ৰম কৰিছিল সেয়ে তেখেতক মৃত্যুৰ পথলৈ আগবঢ়াত বহুতো পৰিমাণে সহায় কৰিছিল বুলি ভবাৰ স্থল আছে।

'তিলক স্বৰাজ পুঁজিৰ' কাৰণে অসমৰ পৰা দিবলগীয়া ধনৰ টোপোলা একপ্ৰকাৰ তেখেতে অকলেই সংগ্ৰহ কৰিছিল যদিও তাৰ পিছতেই তেখেতৰ যক্ষ্মাৰোগ আৰম্ভ হ'ল। সহকৰ্মী আৰু বন্ধু-বান্ধৱসকলে তেখেতক জীয়াই ৰখাৰ আপ্ৰাণ চেষ্টা কৰিলে। কিন্তু শৰ্মাই সহকৰ্মী সকলক প্ৰতিজ্ঞাবদ্ধ কৰিছিল যাতে তিলক স্বৰাজ পুঁজিৰ কাৰণে সংগৃহীত ধনৰ এটি কড়িও তেখেতৰ চিকিৎসাৰ বাবে খৰচ কৰা নহয়। বন্ধু-বান্ধৱসকলেও তেখেতৰ ইচ্ছাৰ প্ৰতি সন্মান জনাই ব্যক্তিগতভাৱে সহায়-সাহায্য কৰি তেখেতৰ চিকিৎসাৰ ব্যৱস্থা কৰিছিল। এইজনেই আছিল আত্মত্যাগী চন্দ্ৰনাথ শৰ্মা।

পুৰীত চন্দ্ৰনাথ শৰ্মা থকা সময়ত পণ্ডিত হেমচন্দ্ৰ গোস্বামী ১৯২২ চনৰ ৯ মাৰ্চ তাৰিখে পুৰী পাই চন্দ্ৰনাথ শৰ্মাক দেখা কৰাৰ কথা গোস্বামীয়ে তেখেতৰ ডায়েৰীত লিপিবদ্ধ কৰিছে—"আজি পুৱা প্ৰায় আঠ বজাত পুৰী ষ্টেচন পালোঁহি। তাত গাড়ী ধৰি ভীমসেন মহা-পাত্ৰৰ ঘৰলৈ আহিলো। শ্ৰীযুত বাসুদেৱ মহাপাত্ৰ, বদন চন্দ্ৰ (শৰ্মা), বাপচানা আৰু মই সাগৰ চাবলৈ আৰু শ্ৰীযুত চন্দ্ৰনাথ শৰ্মাক চাবলৈ গ'লো। তেজপুৰৰ বিহগুৰিৰ চন্দ্ৰ শৰ্মাৰ যক্ষ্মা ৰোগ হোৱাত আজি ৫ মাহমান পুৰীত সাগৰৰ দাঁতিত ঘৰ এটা ভাড়া কৰি আছেহি। তেওঁক দেখি বৰ বেয়া লাগিল। তেওঁৰ যে কিবা উপকাৰ হৈছে এনে বোধ নহ'ল।"

চন্দ্ৰনাথ শৰ্মাৰ জনপ্ৰিয়তা অসমৰ বাহিৰতো বিস্তৰভাৱে প্ৰচাৰিত হৈছিল। কলিকতাৰ ডাক্তৰৰ পৰামৰ্শমতে পুৰীলৈ যাত্ৰা কৰিলে। লগত পত্নীও আছিল। পুৰী ৰেলষ্টেচন পোৱাৰ পাছতেই বহুতো কংগ্ৰেছ ভলণ্টিয়াৰে শৰ্মাক ৰেলষ্টেচনতে সাক্ষাৎ কৰি তাতেই মিটিঙৰ আয়োজন কৰি তেখেতৰ বক্তৃতা শুনাৰ ইচ্ছা কৰিলে। পত্নীয়ে ভলণ্টিয়াৰসকলক ক'লে—"তেখেত ইমান ভাগৰে-জোগৰে আহিছে—তেখেতক অকণমান জিৰণি ল'বলৈ দিয়ক। পিছত মিটিং হৈ থাকিব।" পত্নীৰ মুখত তেনে কথা শুনি শৰ্মাৰ খঙ

উঠিল আৰু ক'লে—"তুমি কিয় তেনেকৈ কৈছা? মানুহবোৰ ইমান আগ্ৰহ কৰি আহিছে, তেনেকৈ নকবা।"

পুৰীত ছমাহমান থাকিও স্বাস্থ্যৰ কোনো উন্নতি নোহোৱাত বৰঞ্চ দিনক দিনে অৱনতিহে ঘটাত চন্দ্ৰনাথ শৰ্মাই অসম মাতৃৰ কোলাত শিৰ থৈ দেহ এৰাৰ কথা বৰকৈ চিন্তা কৰাত শেষ অৱস্থাত গুৱাহাটীলৈ আনি ব্ৰহ্মপুত্ৰৰ পাৰত মুক্ত বায়ু সেৱন কৰিব পৰা ঘৰ এটাত কেইদিনমান ৰখা হৈছিল। তাৰ পাছত ডাক্তৰে চিলঙৰ স্বাস্থ্যকৰ বায়ু গ্ৰহণ কৰাৰ পৰামৰ্শ দিয়াত চিলঙলৈ নিয়াৰ ব্যৱস্থা কৰা হ'ল। তেতিয়াৰ দিনত চিলঙলৈ যক্ষ্মাৰোগী নিয়াটো নিষেধ আছিল। তথাপি কিবা উপায় উলিয়াই চিলঙলৈ নি তেখেতৰ অন্তৰঙ্গ বন্ধু গিৰীশ বৰুৱাৰ লুম্পাৰিঙৰ ঘৰত আশ্ৰয় দি ৰখা হৈছিল।

তেতিয়া চন্দ্ৰনাথ শৰ্মাই জীয়াই থকাৰ আশা সমূলি পৰিত্যাগ কৰি ঈশ্বৰ চিন্তা আৰু দেশৰ ভৱিষ্যতৰ চিন্তাত মগ্ন হৈছিল। দুৰ্বল স্বাস্থ্য তাতে স্বাস্থ্যৰ প্ৰতি ল'ব লগা যথোপযুক্ত ব্যৱস্থাৰ অভাৱ আৰু অত্যাধিক পৰিশ্ৰমেই যে তেখেতৰ অকাল মৃত্যুৰ কাৰণ আছিল সেইটো সকলোৱে বুজিছিল যদিও তাৰ প্ৰতিকাৰৰ উপায় কাৰো হাতত নাছিল।

খোৱাত অনিয়ম, শোৱাত অনিয়ম, ফুৰাচকাত অনিয়ম, পৰিয়ালৰ প্ৰতি কৰিবলগীয়া কৰ্তব্যত অৱহেলা, কেৱল দেশমাতৃৰ সেৱাই আছিল যাৰ ধ্যান-ধাৰণা, শ্বাস-প্ৰশ্বাস সেইজনক পৰম স্বাৰ্থত্যাগী মহাপুৰুষ নুবুলি কাক বুলিব পাৰি বাৰু?

দেশ আৰু জাতিৰ কাম কৰিবলৈ হ'লে যে মানুহ দীৰ্ঘ কাল জীয়াই থকাটো প্ৰয়োজন তাক শৰ্মাই উপলব্ধি কৰিছিল যদিও তেখেতৰ চকুৰ আগত নিস্বাৰ্থী, ত্যাগী, নিষ্ঠাৱান কৰ্মী এদলৰ অভাৱ তেখেতে লক্ষ্য কৰিছিল আৰু সেই সকলোবোৰ কাম নিজৰ শক্তিৰে কুলাওক বা নুকুলাওক কান্ধ পাতি লৈছিল। দুই-চাৰি বন্ধু-বান্ধৱে তেখেতৰ চিকিৎসাৰ বাবে নিজৰ নিজৰ হাতৰ পৰা ধন খৰচ কৰাত

তেখেতে পেটে-পেটে বৰ বেজাৰ পাইছিল আৰু কৈছিল—"ৰাইজৰ টকা আৰু কিমান অপব্যয় কৰিম? এসময়ত ভাবিছিলোঁ ৰোগ আৰোগ্য হ'লে সেই টকা সুদে-মূলে পৰিশোধ কৰিম, কিন্তু এতিয়া আৰু আশা নাই, মোৰ মৃত্যু নিশ্চিত। তদুপৰি এই ৰণৰ সময়ত সকলোৱে দেহে-কেহে দেশৰ হকে খাটিছে। মই এটা অতৃপ্ত আকাঙ্খাৰ অগ্নিত দগ্ধ হৈ ৰাইজৰ শক্তিশোষণ কৰি পাটীত পৰি চট্‌ফটাই আছোঁ। ৰোগৰ যন্ত্ৰণাতকৈ এই যন্ত্ৰণা বৰ ভীষণ। আৰোগ্য হোৱাৰ যেতিয়া আশা নাই শীঘ্ৰে মৃত্যু হ'লেই দুয়ো পক্ষৰ লাভ।... যিখিনি টকা খৰচ কৰিলোঁ, তাৰ কথা ভাবিয়েই শান্তি পোৱা নাই। উঃ, সিমানখিনি টকাৰে ৰাইজৰ কিমান কাম হ'লহেঁতেন।"

চন্দ্ৰনাথ শৰ্মা অসমৰ প্ৰথম অসহযোগ আন্দোলন কৰ্মীয়েই নাছিল, অসম ছাত্ৰ সন্মিলন, আসাম এছোছিয়েশ্যন, অসম প্ৰাদেশিক কংগ্ৰেছ, অসম সাহিত্য সভা, অসম অনুসন্ধান সমিতি আদিৰো বাট-কটীয়া কৰ্মী আছিল।

অসম সাহিত্য সভা অনুষ্ঠানটিৰ উমঘাম ১৯১৭-১৫ চন মানৰপৰা চলে আৰু গুৱাহাটীত থাকি চন্দ্ৰনাথ শৰ্মাই এই বিষয়ৰ কাৰ্য্যকৰী দিশত বহুখিনি আগবাঢ়ে। ১৯১৭ চনৰ ডিচেম্বৰ মাহত শিৱসাগৰ চহৰত চন্দ্ৰনাথ শৰ্মাৰ উদ্যোগত আসাম এছোছিয়েশ্যনৰ সভা বহে। সেই সভাৰ লগতে আগা-পিচাকৈ অসম সাহিত্য সভাৰ অধিবেশনখনো পতা হয়। আৰম্ভণি তেতিয়াৰ নাম আছিল 'সদৌ অসম সাহিত্য সন্মিলনী'হে। তাৰে আগৰ বছৰত বৰ্দ্ধমানত বহা 'বঙ্গীয় সাহিত্য পৰিষদ'ত যোগ দিবলৈ চন্দ্ৰনাথ শৰ্মা, অম্বিকাচৰণ ৰায়চৌধুৰী প্ৰমুখো কেইবাজনো অসমীয়া ডেকা কবি-সাহিত্যিকো গৈছিল। তাৰপৰাও যে তেখেত সকলে তেনে কিবা এটা প্ৰেৰণা পাইছিল তাক অনুমান কৰিব পাৰি।

চন্দ্ৰনাথ শৰ্মাৰ শিক্ষাগুৰু পদ্মনাথ গোহাঞি বৰুৱাৰ পৌৰোহিত্যত

বহা অসম সাহিত্য সভাৰ এই প্ৰথম অধিবেশনতে তেখেত কাৰ্য্য-নিৰ্বাহকৰ সদস্য হয়। দ্বিতীয় অধিবেশন ১৯১৮ চনত গোৱালপাৰাত বহে আৰু সিবাৰ তেখেত সহকাৰী সম্পাদক নিৰ্বাচিত হয়। ১৯২০ চনত তেজপুৰত অসম সাহিত্য সভাৰ চতুৰ্থ অধিবেশন অনুষ্ঠিত হয়। সেই সময়ত শৰ্মা অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক থকাৰ উপৰিও অভ্যৰ্থনা সমিতিৰ তেখেত সভাপতি আছিল। উল্লেখযোগ্য যে সেই সময়ত তেখেতৰ বয়স আছিল মাত্ৰ ৩১ বছৰ। অভ্যৰ্থনা সমিতিৰ সভাপতিৰ আসনৰ পৰা চন্দ্ৰনাথ শৰ্মাই এখন গুৰুত্বপূৰ্ণ অভিভাষণ পঢ়ি অসম সাহিত্য সভাৰ কৰ্তব্যাকৰ্তব্য আঙুলিয়াই দিছিল। 'মাণিক চন্দ্ৰ বৰুৱা স্মৃতি পুঁজি'ৰো উদ্যোক্তা আৰু নিষ্ঠাবান কৰ্মী আছিল চন্দ্ৰনাথ শৰ্মা।

চন্দ্ৰনাথ শৰ্মাৰ আন কিছুমান মূল্যবান ভাষণ আৰু ৰচনা হ'ল— 'ছাত্ৰ সাহিত্য সন্মিলন'ৰ অভ্যৰ্থনা সমিতিৰ ভাষণ, বিদ্যাসাগৰ, বঙলা ভাষা আৰু আনন্দৰাম বৰুৱা, অসমীয়া সাহিত্য আৰু দীনেশচন্দ্ৰ সেন, বিদ্যাসাগৰৰ চৰিত্ৰত মাতৃশিক্ষা, অসমীয়া ভাষাৰ আখৰ জেঁাটনিৰ ওপৰত মতামত, বাঁহীৰ সম্পাদকৰ চিঠিৰ উত্তৰ, কোচবিহাৰৰ মহাৰজা ছাৰ নৃপেন্দ্ৰ নাৰায়ণ, অসহযোগ আন্দোলন আৰু মধ্যপন্থী, জাতীয় বিশ্ববিদ্যালয়ৰ আঁচনি ইত্যাদি।

দণ্ডিনাথ কলিতাই উল্লেখ কৰা মতে চন্দ্ৰনাথ শৰ্মাৰ সাহিত্যগুৰু আছিল লম্বোদৰ বৰা। চন্দ্ৰনাথ শৰ্মাই লম্বোদৰ বৰাৰ গদ্যৰ আৰ্হিত সাহিত্যক বৰঙণি আগবঢ়াইছিল।

অসমৰ অদ্বিতীয় পণ্ডিত মহামহোপধ্যায় ধীৰেশ্বৰ আচাৰ্য্যৰ পাণ্ডিত্যৰ প্ৰতি চন্দ্ৰনাথ শৰ্মা অনুৰক্ত আছিল। চন্দ্ৰনাথ শৰ্মাৰ সময়ত তেজপুৰে অসমীয়া সাহিত্য-সংস্কৃতিৰ পথাৰত বিশেষ অৰিহণা যোগাইছিল। লম্বোদৰ বৰাৰ উপৰিও সত্যনাথ বৰা (১৮৬০-১৯২৫), চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮), আনন্দচন্দ্ৰ আগৰৱালা (১৮৭৪-১৯৩৯), পদ্মনাথ গোহাঞি বৰুৱা (১৮৭১-১৯৪৬),

ৰজনীকুমাৰ পদ্মাপতি (১৮৬৬-১৯৪৮), কমলাকান্ত ভট্টাচাৰ্য্য (১৮৫৩-১৯৩৬) আদিৰ দৰে অনেক বিশিষ্ট কবি-সাহিত্যিক-প্ৰত্নতাত্ত্বিকে অসমীয়া ভাষা-সাহিত্যৰ ভেঁটী উৰ্বৰা কৰিছিল।

চন্দ্ৰনাথ শৰ্মা আছিল একেধাৰে সমাজকৰ্মী, সমাজ সংস্কাৰক, ছাত্ৰনেতা, মুক্তি যুঁজাৰু, অহিংস বিপ্লৱী, সাহিত্যিক, সমালোচক, সাংবাদিক, শিক্ষা বিপ্লৱী আৰু এজন সুনিপুণ অনুবাদ সাহিত্যিক। বিখ্যাত মনীষা স্মাইলৰ নীতি বচনমূলক ৰচনাবোৰ শৰ্মাই গভীৰ অধ্যয়ন কৰি অসমীয়া ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনৰ সহায়ক হোৱাৰ আশা কৰি 'বছা ফুল' আৰু 'বছা ফুলৰ কৰণি' নামৰ মূল্যৱান অনুবাদ গ্ৰন্থ দুখনি সঙ্কলন কৰিছিল।

দেশপ্ৰাণ কৃষ্ণনাথ শৰ্মা

যোৰহাট-সৰ্বাইবন্ধাৰ 'আগমৰ ঘৰৰ' কৃষ্ণনাথ শৰ্মা পিতৃৰ দ্বিতীয় পত্নীৰ প্ৰথম সন্তান। কৃষ্ণ শৰ্মাৰ দেউতাকে প্ৰথমে শিৱসাগৰ কচাৰীৰ নকল নবীশৰ কাম কৰিছিল। ক্ৰমে ক্ৰমে উন্নতি লাভ কৰি উকীল হয় আৰু যোৰহাট কচাৰীত নিগাজিকৈ ওকালতি আৰম্ভ কৰে। যোৰহাটৰ আগৰ নাম সৰ্বাইবন্ধা। সৰ্বাইবন্ধাৰ দুকাষে দুখন হাট বহিছিল। এখন 'মাছৰ হাট' আনখন 'চক্‌কি হাট'। সময়ত দুয়োখন হাট ক্ৰমে ক্ৰমে বাঢ়ি আহি যোৰা লাগি 'যোৰহাট' হ'ল।

কৃষ্ণ শৰ্মাৰ দেউতাক গঙ্গাধৰ শৰ্মাৰ উকীল হিচাপে সুখ্যাতি আছিল আৰু অতি কম দিনৰ ভিতৰতে ৰজা-জমিদাৰৰ দৰে আঢ্যৱন্ত হৈ উঠিছিল। কৃষ্ণনাথ শৰ্মা চোকা বুদ্ধিৰ ছাত্ৰ আছিল। তেখেত বেজবৰুৱা হাইস্কুলৰ ছাত্ৰ থকা সময়ত স্কুলৰ স্বত্তাধিকাৰ গোবিন্দচন্দ্ৰ বেজবৰুৱা প্ৰধান শিক্ষক আছিল। বেজবৰুৱা হাইস্কুলত কৃষ্ণনাথ শৰ্মাই শিক্ষাগুৰু হিচাপে ডিম্বেশ্বৰ শৰ্মা, পূৰ্ণানন্দ বৰুৱা, বিষ্টুৰাম বৰবড়া, খান বাহাদুৰ কেৰামত আলি আৰু ব্ৰহ্মানন্দ দত্ত উকীল প্ৰমুখ্যে কেইবাজনো কৃতী শিক্ষকক পাইছিল।

১৮৮৮ চন মানৰপৰা শৰ্মাৰ পৰিয়ালত গৰাখহনীয়াৰ দৰে অৱনতি ঘটিবলৈ ধৰে। ১৮৯২-৯৩ চনত চাহ বাগিছাৰ অৱশেষ গ্ৰাণ্টটোও মাত্ৰ দহহেজাৰ টকাত ইংৰাজ চাহাবক বিক্ৰী কৰিবলগীয়া হয়।

১৯০৯ চনৰ ডিচেম্বৰ মাহত কৃষ্ণনাথ শৰ্মাৰ পিতৃৰ হঠাৎ বিয়োগ ঘটাত মোমাইদেৱেকৰ আশ্ৰয়ত ১৯১৪ চনলৈকে চংটকত থাকে। মাজু মোমাইদেৱেকৰ অকৃত্ৰিম মৰম-স্নেহৰ মাজত থাকি শৰ্মাই পিতৃৰ

অভাৱ অনুভৱ কৰিব পৰা নাছিল। পিতৃৰ বিয়োগৰ বছৰতে শৰ্মাই প্ৰবেশিকা পৰীক্ষা পাছ কৰি কটন কলেজত আই. এছ. চি. ক্লাছত ভৰ্ত্তি হয়। কটন কলেজত শৰ্মাই দুৰ্গানাৰায়ণ বৰুৱা, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, কুমুদৰাম বৰা, ভৰতচন্দ্ৰ চলিহা আদি বি এ মহলাৰ ছাত্ৰ কেইজনমানক লগ পাইছিল। ১৯১১ চনত আই. এছ. চি পাছ কৰি কুৰি টকীয়া জলপানীলৈ কলিকতালৈ গৈ বি এছ চি. ক্লাছত ভৰ্ত্তি হয়। কলিকতাৰ ওল্ড বৈঠকখানা ৰোডৰ অসমীয়া ছাত্ৰাবাসত থাকি ১৯১৩ চনত বি. এছ. চি. পাছ কৰে। ইতিমধ্যে ১৯১২ চনৰ বহাগ মাহত শৰ্মাৰ স্বৰ্ণলতাৰ লগত বিবাহ হৈ যায়।

বি. এছ. চি. পাছ কৰি শৰ্মাই অঙ্ক বিষয়ত এম.এ. আৰু একে সময়তে আইন পঢ়িবলৈ লৈছিল যদিও এবছৰ পাৰ নৌহওঁতে অঙ্ক বিভাগ এৰি প্ৰেচিডেন্সী কলেজত পদাৰ্থ বিজ্ঞানৰ এম. এছ. চি. পঢ়িবলৈ ল'লে। ১৯১৫ চনত প্ৰিলিমিনাৰী পৰীক্ষা পাছ কৰি ঘৰলৈ উভটি আহে। ঘৰত টান নৰিয়াত পৰে, সৰ্বশেষত পুনৰ কলিকতালৈ যোৱাৰ আশা এৰি পেলালে।

কলিকতাত পঢ়ি থাকোঁতে প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হয়। সেই বছৰতে কলিকতাৰ 'কলেজ স্কোৱাৰ'ত অগণন জনতাৰ আগত স্বাধীনতাৰ দাবীত গোপালকৃষ্ণ গোখ্‌লে আৰু মহাত্মা গান্ধীয়ে দিয়া বক্তৃতাই শৰ্মাক বিশেষভাৱে অনুপ্ৰাণিত কৰিছিল। তদুপৰি কলিকতাত সঘনে ভাৰত বৰেণ্য নেতাসকলৰ তেজোদ্দীপক বক্তৃতা শুনি শুনি শৰ্মা উদ্বুদ্ধ হয়। সেই বৰেণ্য নেতাসকলৰ ভিতৰত বিপিন পাল, ৰাসবিহাৰী ঘোষ, গুৰুদাস বানাৰ্জী, বৰ্ধমানৰ মহাৰাজাধিৰাজ, আশুতোষ মুখোপাধ্যায়, হেৰম্ব সিং আদিৰ নাম বিশেষভাৱে উল্লেখনীয়।

কৃষ্ণনাথ শৰ্মাই গুৱাহাটীৰ আৰ্ল ল' কলেজৰপৰা ১৯১৬ চনত আইন পৰীক্ষা পাছ কৰি ১৯১৭ চনত যোৰহাট কাছাৰীত ওকালতি আৰম্ভ কৰে। আৰ্ল ল' কলেজত পঢ়োতে কলেজৰ অধ্যক্ষ

জ্ঞানদাভিৰাম বৰুৱা, অধ্যাপক তৰুণৰাম ফুকন, সত্যনাথ বৰা আৰু ব্ৰাউন চাহাবৰ যি সান্নিধ্য-সুখ লাভ কৰিছিল, শৰ্মাই জীৱনকালত শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছিল। বৰুৱা, ফুকন আৰু বৰাক আৰ্ল ল' কলেজৰ ত্ৰিমূৰ্ত্তি বোলা হৈছিল। ব্ৰাউন চাহাবে "ভাৰতবাসীয়ে ইংৰাজ শিক্ষক নহ'লে ভাল শিক্ষা পাব নোৱাৰে" বুলি দিয়া বক্ৰোক্তিৰ প্ৰত্যুত্তৰ দি শৰ্মাই কৈছিল—"ছাৰ পি. চি. ৰায় আৰু জগদীশ বসুৰ আগত বহুত ইংৰাজ শিক্ষকৰ ঠাই নাই।"

অতি কম দিনৰ ভিতৰতে দেৱানী উকীল হিচাপে শৰ্মাই খ্যাতি লাভ কৰিছিল যদিও ওকালতি ব্যৱসায়টোক তেখেতে মনে-প্ৰাণে গ্ৰহণ কৰিব নোৱাৰিছিল। তাৰ কাৰণ শৰ্মাৰ উক্তিৰে ক'ব পাৰি—"ওকালতি কৰা এটা ডাল-পাত যোৰা দিয়া কাম। ছিনিয়ৰ উকীলবিলাকে জুনিয়ৰ উকীলবিলাকক ভাল নাপায় আৰু ডাঙৰ মোকৰ্দ্দমা পোৱা দেখিলে ভয় খুৱাই মোক্কেলক হাত কৰিব খোজে। ছিনিয়ৰ উকীলে ধৰা দিলে মোক্কেলটো জুনিয়ৰ উকীলৰ হাতৰ পৰা গুচি যায়।... তৰণীবিলাকে মোক্কেলবিলাকক নচুৱায়। তাৰ ওপৰিও বাহিৰত এবিধ বাম উকীল আছে, যি মোক্কেলবিলাকক নানা বুজনি দি টকা উপাৰ্জন কৰে, এজন উকীলৰ মোক্কেল আন এজনক দিয়ে। এজনৰ বদনাম কৈ আন এজনৰ সুনাম গাই মোক্কেল ভগাই ফুৰে।"

কৃষ্ণনাথ শৰ্মাই ওকালতি ব্যৱসায়ৰ এনে বদগুণবোৰ ভাল নেপাইছিল। সঁচাক মিছা, মিছাক সঁচা কৰি অন্যায়ভাৱে ধন ঘটা-টোক তেখেতে পাপ কাৰ্য বুলি ঘিণ কৰিছিল। তেখেতে মোক্কেলক কেতিয়াও ফাঁকি দিবলৈ শিকোৱা নাছিল। ফৌজদাৰী কেচত ফাঁকি-ফুকাৰ দৌৰাত্ম্য বৰ বেছি কাৰণে তেখেত দেৱানী আইনৰ উকীল হৈছিল।

কৃষ্ণনাথ শৰ্মাই ইংৰাজ আৰু ভাৰতীয়সকলৰ মাজত বেলেগ বিচাৰ হোৱাটোত মনত বৰ বেজাৰ পাইছিল। কিয়নো ইংৰাজ মেজিষ্ট্ৰেটসকলে দেখদেখকৈ অন্যায় কৰি অভিযুক্ত ইংৰাজসকলক

নিৰ্দোষ ঘোষণা কৰিছিল আৰু ভাৰতীয়সকলক বিনাদোষত বা লঘু দোষত গুৰু শাস্তি বিহিছিল।

১৯১৮-১৯ চনলৈকে অসমত ঘাইকৈ দুটা সংগঠন আছিল। তাৰে এটা 'অসম সাহিত্য সভা' আৰু আনটো 'অসম এছোচিয়েশ্যন।' প্ৰথমটো সাহিত্য আৰু দ্বিতীয়টো ৰাজনৈতিক অনুষ্ঠান। ১৯১৮-১৯ চনত দুয়োটা অনুষ্ঠানৰ বছৰেকীয়া অধিৱেশন শিৱসাগৰত ক্ৰমে পদ্মনাথ গোহাঞিবৰুৱা আৰু সত্যনাথ বৰাৰ পৌৰোহিত্যত বহে। কৃষ্ণনাথ শৰ্মাই 'অসম এছোচিয়েশ্যন'ৰ অধিৱেশনত যোগ দি ফণীধৰ চলিহা, জি কুকন, আৰু সত্যনাথ বৰাৰ মৰম-শ্ৰদ্ধা লাভ কৰে।

এনেতে ১৯২০ চনত লালা ৰাজপৎৰায়ৰ পৌৰোহিত্যত কলিকতা মহানগৰীত বহা অধিৱেশনত মহাত্মা গান্ধীয়ে আগবঢ়োৱা অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। প্ৰস্তাৱ মতে ওকালতি, স্কুল-কলেজ আৰু কাউন্সিল বৰ্জন কৰাৰ স্থিৰ সিদ্ধান্ত লোৱা হয়। কৃষ্ণনাথ শৰ্মাই সভা সমিতি পাতি অসহযোগ আন্দোলনৰ প্ৰচাৰ কাৰ্য্য চলাবলৈ ধৰাত যোৰহাটৰ ডেপুটি কমিচনাৰ মিঃ ফ্ৰিল চাহাবৰ কোপদৃষ্টিত পৰে। কৃষ্ণনাথ শৰ্মাই চাহাবৰ ধাবুকি আদিলৈ ভ্ৰূক্ষেপ নকৰি গাঁও অঞ্চলত পূৰামাত্ৰে প্ৰচাৰকাৰ্য চলোৱাত আত্মনিয়োগ কৰিলে।

ওকালতি এৰি কৃষ্ণনাথ শৰ্মাই গাঁৱলীয়া লোক সকলৰ মাজত হোৱা কাজিয়া-কন্দলবোৰ দুই পক্ষক বুজাই মীমাংসা কৰাৰ চেষ্টা চলায়। গাঁৱে গাঁৱে পঞ্চায়ত স্থাপন কৰিলে। লগতে মাদকদ্ৰব্য বৰ্জন, হিন্দু-মুছলমানৰ মাজত মিলা-প্ৰীতি স্থাপন, অস্পৃশ্যতা বৰ্জন, খদ্দৰ পৰিধান, বিদেশী কাপোৰ আৰু বিদেশী পণ্যদ্ৰব্য বৰ্জন আদি সংগঠনমূলক কামত উঠি-পৰি লাগে।

১৯২০ চনত কংগ্ৰেছে কাউন্সিল বৰ্জন কৰা স্বত্বেও দলৰ কেইবাজনো প্ৰাৰ্থী ক্ষমতাৰ লোভত কাউন্সিললৈ যাবলৈ ওলাল। কৃষ্ণনাথ শৰ্মাৰ গাত তত্ নাইকীয়া। তেখেতে কাউন্সিল বৰ্জনৰ কামত সভা সমিতি পাতি ৰাইজক ভোট নিদিবলৈ পৰামৰ্শ দি ফ্ৰিল চাহাবৰ

প্ৰচৰত জবাবদিহী হৈ ওকালতি বৰ্জন কৰিলে। দেশৰ কামত লাগি থাকি শৰ্মাই ঘৰখনৰ প্ৰতি বিশেষ মনোযোগ দিব নোৱাৰাত দৰাচলতে পৰিয়ালটোৰ পানীত হাহ নচৰা অৱস্থা হয়। ওকালতি এৰা দিন ধৰি শৰ্মাই জোণ পিন্ধিবলৈ এৰে আৰু নিজে খাদী কাপোৰ ব্যৱহাৰ কৰি আনকো ব্যৱহাৰ কৰিবলৈ উদগাই ফুৰে। শৰ্মাৰ অহোপুৰুষাৰ্থত যোৰহাট নগৰত কংগ্ৰেছৰ প্ৰায় বাৰটা কেন্দ্ৰ স্থাপিত হ'ল। মৌজা কংগ্ৰেছ কমিটি গঠন হ'ল আৰু অকল যোৰহাট অঞ্চলতে প্ৰায় আঠশখনমান কংগ্ৰেছ পঞ্চায়ত গঠন হ'ল। তাৰ ফলত, কোৰ্ট-কাছাৰীলৈ বিচাৰ নোযোৱা হ'ল।

এনেতে, দেশ জুৰি খিলাফট্ আন্দোলন আৰম্ভ হোৱাত কৃষ্ণনাথ শৰ্মাই যোৰহাট জিলাৰ খিলাফট্ কমিটিৰ উপ সভাপতি নিৰ্বাচিত হৈ হিন্দু মুছলমান উভয় সম্প্ৰদায়ৰ মাজত সম্প্ৰীতিভাৱ স্থাপন কৰাত আগভাগ লয়।

যোৰহাট জিলা কংগ্ৰেছ কমিটি গঠন কৰি শৰ্মাই নিজে সম্পাদকৰ দায়িত্ব বহন কৰি চাৰি অনীয়া কংগ্ৰেছ সভ্য ভৰ্তি কৰাৰ অভিযান চলায়। লগে লগে 'তিলক স্বৰাজ পুঁজি'লৈকো ধন সংগ্ৰহ কৰে। স্বৰাজ আন্দোলনৰ কাম-কাজ নিয়াৰিকৈ চলাবৰ কাৰণে যোৰহাট চহৰৰ মান্না কোম্পানীৰ ঘৰ এটা ভাড়া লৈ "স্বৰাজ কুটীৰ" নাম দিলে।

খাদী উদ্যোগৰ পিছতে কৃষ্ণনাথ শৰ্মাৰ আন এটি আৰ্থিক আৰু সামাজিক সংস্কাৰমূলক কাম হ'ল—কানি-মদ-ভাঙ বৰ্জন অভিযান। শৰ্মা প্ৰমুখ্যে এদল সমাজ সংস্কাৰক, গান্ধীবাদী নেতাৰ প্ৰচেষ্টাত 'কংগ্ৰেছ কানি তদন্ত কমিটি'য়ে ৰিপ'ৰ্ট দাখিল কৰিলে। ৰিপ'ৰ্ট মতে ১৯২১ চনত অসমত ১২০০-১৩০০ মোণ কানি বিক্ৰী হৈছিল।

কানি বৰবিহ খুৱাই অসমীয়া জাতিটোক ইংৰাজ সকলে কিদৰে তিলতিলকৈ হত্যা কৰাৰ ষড়যন্ত্ৰ কৰিছিল, তাৰে এটি কৰুণ কাহিনী শৰ্মাৰ ডায়েৰীৰ পৰা তুলি দিয়া হ'ল—

"এদিন বামুণ পুখুৰীৰ কানি মহলত এটা ঘটনা দেখি মোৰ চকুত পানীৰ পৰিবৰ্তে তেজ ওলোৱা যেন অনুভৱ কৰিলোঁ। এটা কানীয়াই চাউল তুসেবমান লৈ আহি মহলৰ পৰা চাউল সলাই কানি ল'বলৈ আহিছে। সিফালে কানীয়াটোৰ ঘৈণীয়েক খেদি আহিছে। তাই সেই চাউল চৰুত বহাবলৈ উলিয়াইছিল। কানীয়াই ভাত বান্ধিবলৈ নিব খোজা চাউল মনে মনে লৈ আহি কানিৰ মহললৈ লৰ মাৰি আহিছে। অলপ কানি লৈ কানীয়াই পুখুৰীৰ পাৰত কানি মলি খাইছেহে মাথোন, সি মূৰ্চা গৈ পৰি গ'ল। আমি কানি দোকানৰ ওচৰতে আছিলোঁ। ঘৈণীয়েকে আহি গিৰীয়েকক পাৰে মানে গালি পাৰিছে,—"ল'ৰা-ছোৱালী কেইটাক এতিয়া মই কি খুৱাম?" পিচত তাই গিৰীয়েকক সেই অৱস্থাত দেখি কান্দিবলৈ ধৰিলে আৰু ক'লে, "দেউতাসকল, এওঁ আজি কেইবাসাজো ভাত খোৱা নাই। পইচা নাই বাবে ভাত বান্ধিবলৈ নিয়া চাউলকে আনি কানি কিনিবলৈ লৰি আহিছিল। মই সদায় খুজি-মাগি ল'ৰা-ছোৱালী কেইটাক পুহিছোঁ।" "এইদৰে তাই এটা হৃদয় বিদাৰক বৃত্তান্ত ক'লে। আমি অবাক হ'লো।"

অসহযোগ আন্দোলনত নামি কৃষ্ণনাথ শৰ্মাই যোৰহাট জেলত এবছৰ বিনাশ্ৰম কাৰাবাস খাটে। সশ্ৰম কাৰাদণ্ড ভোগা ৰাজবন্দী সকলৰ ওপৰত ইংৰাজ চাহাবসকলে কৰা অত্যাচাৰৰ কথা কৃষ্ণনাথ শৰ্মাই তেখেতৰ ডায়েৰীৰ পাতত অতি স্পৰ্শকাতৰ ভাষাৰে বৰ্ণনা কৰিছে। মিঃ গ্ৰাহাম চাহাবৰ লগত সংঘৰ্ষ হোৱাৰ পিছত ৰাজবন্দী সকলৰ ওপৰত গ্ৰাহামৰ অত্যাচাৰৰ প্ৰকোপ বাঢ়িবলৈ ধৰে। এলপাত খুন্দা অমানুষিক কামৰ বাহিৰেও ঢেঁকী দিয়া, ঘানীত তেল পেৰা, ইটা কঢ়িওৱা, ৰচীবটা, বন-জঙ্ঘল চাফকৰা আদি কাম কৰিব দিয়া হৈছিল। কাৰাগাৰত কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ সান্নিধ্য সুখে ৰাজবন্দী সকলক দুখ-নিৰ্যাতনৰ মাজতো বিমল আনন্দ দিছিল।

জেলত এলপাত খুন্দা, তেলপেৰা আৰু ধান বনা— এই তিনিটা

বৰ কঠোৰ কাম আছিল। একেৰাহে অবিৰাম ৭/৮ ঘণ্টা ঘানীত তেলপেৰাটোয়ে কিমান কষ্টকৰ আছিল, তাক বৰ্ণনা দি শেষ কৰিব নোৱাৰি। প্ৰতিজন সশ্ৰম কয়দীয়ে ১০ সেৰ গোট সৰিয়হ চেপি ৩ সেৰ তেল উলিয়াই দিব লাগিছিল। জোখৰ হেৰ্-ফেৰ্ হ'লে লাঠি-ডাণ্ডাৰ কোব খাব লাগিছিল। এসপ্তাহমান তেনেদৰে ঘানীত তেলপেৰাৰ পিছত মানুহজনৰ শৰীৰ শুকাই-ক্ষীণাই গৈছিল। সশ্ৰম কয়দী সকলৰ তেনে দুৰ্বহ কষ্ট দেখি কেতিয়াবা কেতিয়াবা কৃষ্ণনাথ শৰ্মা আৰু দুই-এজনে ঘানী ঘূৰোৱাত তেওঁলোকক সহায় কৰিছিল। নাগৰীৰ হেমচন্দ্ৰ বৰুৱা, উমেশচন্দ্ৰ বৰদলৈ, মহেন্দ্ৰ ফুকন, সুৰেশ ভট্টাচাৰ্য্য, কৃষ্ণকান্ত বৰুৱা, ধৰ্মকান্ত শৰ্মা, কনকচন্দ্ৰ কোঁৱৰ, মিঠাৰাম গগৈ, বোধেশ্বৰ গগৈ, ভেকেলা আহোম, শশীধৰ মলিয়া বৰুৱা, ৰমেশচন্দ্ৰ বৰুৱা, সৰ্বেশ্বৰ বৰচেতীয়া আদিক ধান বনা আৰু তেলপেৰা কামত লগোৱা হৈছিল।

হঠাৎ কৰ্মবীৰক শিলচৰ জেললৈ বদলি কৰি নিলে। লগে লগে গ্ৰাহাম চাহাবৰ অত্যাচাৰৰ সীমাও চেৰাই গ'ল। তাৰে এটি নমুনা কৃষ্ণনাথ শৰ্মাৰ বৰ্ণনাত পোৱা যায়—“এদিন শ্ৰীযুত ৰমণীমোহন ৰায়ে ঘানী ঘূৰাই থাকোঁতে মূৰ ঘূৰাই পৰিল। মুখেদি তেজ ওলাইছিল। এনে অৱস্থাত তেওঁক লগৰ বন্ধুজনে ধৰা-ধৰিকৈ মহিলা ফাটেকৰ ভিতৰলৈ লৈ আহে। তাতে কেইটামান মাটিৰ কলহত পানী আছিল। আমি ৰমণীবাবুৰ মূৰত পানী দি আছোঁ। এনেতে জেলৰ ডাক্তৰজনে এটা থাৰ্মমিটাৰ লৈ জ্বৰ আছে নে নাই চাবলৈ আহিল। মই সৰলভাৱে কলোঁ, “ডাক্তৰবাবু, এইটো জ্বৰৰ কথা নহয়। ঘানী ঘূৰাই থাকোঁতে মুখেদি তেজ ওলাই ৰমণীবাবুৰ এনে অৱস্থা হৈছে।” ডাক্তৰৰ বৰ খঙ উঠিল। মোক বৰকৈ ভৎৰ্সনা কৰিলে আৰু ক'লে, “মশাই, আপুনি কয়দী, মুখ চম্ভালি কথা ক'ব।” বৰ বেয়া ৰকমে অপমানিত হোৱাৰ পিচত মোৰ মনে মনে থকাৰ বাহিৰে একো উপায় নাছিল। ডাক্তৰে জ্বৰ নাই বুলি ক'লে।

ৰৰ জামাদাৰে ভাবিলে যে যদি জ্বৰ নাই তেন্তে কিয় আকৌ ঘানী ঘূৰাবলৈ নেযাব। জামাদাৰে ক'লে, "চলেন।" মানুহজনৰ অৱস্থা একেবাৰে দুৰ্বল, উঠিবৰ শক্তি নাই। তাতে আকৌ ঘানীত লগাই দিবলৈ কৰা প্ৰস্তাৱত মই প্ৰতিবাদ কৰি ক'লো, "জামাদাৰ চাহাব, আদমীকো আপ্ ঘানীমে লে জানেকো মাংতে হোয়? ৰমণীবাবু কৈইছে ঘানী ঘূৰায়েগা? আদমীতো মৰ জায়েগা। বীমাৰমে তো কাম বন্ধ ৰখনা কনুন হায়।"

এইদৰে, হিন্দুস্থানী জামাদাৰ চাহাবৰ লগত শৰ্মাৰ নানা বাদানুবাদ হ'ল। কথা গৈ ক্ৰমে মিঃ গ্ৰাহামৰ ওচৰ পালে। শৰ্মাৰ সাহস আৰু যুক্তিত মিঃ গ্ৰাহামৰ পৰাজয় হ'ল আৰু ৰমণীবাবুক টান কাম কৰাৰ পৰা অব্যাহতি দিয়া হ'ল।

কাৰাগাৰত হিন্দু আৰু মুছলমান দুয়ো ধৰ্মৰ মানুহে একে ঘানীতে তেল পেৰিছিল, একে ঠাইতে খাইছিল, শুইছিল, একে বেমাৰতে ভুগিছিল। অসহযোগ আন্দোলনে অসমীয়া হিন্দু-মুছলমানৰ মাজত যি ভ্ৰাতৃত্বৰ মিলন মন্দিৰ গঢ়ি দিলে—তাৰ তুলনা ভাৰতবৰ্ষ নেলাগে পৃথিৱীতে আজিও বিৰল। কৃষ্ণনাথ শৰ্মাৰ ভাষাত—"ভাৰতৰ গঙ্গা-যমুনাৰূপী হিন্দু-মুছলমান প্ৰয়াগৰূপী তীৰ্থত কোলাকুলি কৰি থাকিবই। কোনোবাই যদি কয়, হিন্দু-মুছলমানৰ ভিতৰত মিল নাই, তেনেহ'লে ক'ব লাগিব তেওঁ স্বাৰ্থপৰ, ক'ব লাগিব তেওঁ সাত লাখ গাঁৱত থকা হিন্দু-মুছলমানৰ হৈ কোৱা নাই, ক'ব লাগিব তেওঁ তৃতীয় পক্ষৰ হৈ কৈছে। তৃতীয় পক্ষৰ স্বাৰ্থ হিন্দু-মুছলমানৰ মিলন বিৰোধী। বাজেই আমি হোৱাটোকে নোহোৱা কৰিছো, থকাটোকে নথকা কৰি দিছোঁ।"

এইজনেই আছিল,—হিন্দু-মুছলমানক ভ্ৰাতৃত্বৰ প্ৰেমালিঙ্গনেৰে বুকুত সাৱটি ধৰা বিশাল হৃদয়ৰ কৃষ্ণনাথ শৰ্মা। এবছৰ ফাটেকৰ সৰগ-নৰক সুখৰ আস্বাদন লৈ ১৯২২ চনৰ ১৮/১৯ ডিচেম্বৰ তাৰিখে মুক্তি লাভ কৰে। জেলৰপৰা অহাৰ পিচতে যোৰহটীয়া জনসাধাৰণে

বিৰাট সভা-সমিতি পাতি কুলধৰ চলিহা আৰু শৰ্মাক আন্তৰিক অভিনন্দন জনায়।

জেলৰপৰা আহিয়েই শৰ্মা সংগঠনৰ কামত লাগি যায়। যোৰহাট মহকুমাৰ গাঁও অঞ্চলৰ নিৰীহ লোকৰ ওপৰত মিলিটাৰীয়ে কৰা বৰ্বৰ অত্যাচাৰৰ প্ৰতিবাদ কৰে। শৰ্মা প্ৰমুখ্যে এচাম কৰ্মীৰ উদ্যোগত নাট, ভাওনা, বিয়ানাম আনকি নেওঁঠনী, যঁতৰ আদিৰ মাতৰ লগত সুৰ মিলাই মহাত্মা গান্ধী, মহম্মদ আলী, চৌকৎ আলী, তৰুণ ফুকন, নবীন বৰদলৈ আদিৰ বাণী যোৰা লগাই গোৱা হৈছিল। ন-কণাৰী পুথিনৈৰ ওচৰত বহা এখন ৰাজহুৱা সভাত বক্তৃতা দিওঁতে অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ অনুষ্ঠানসমূহে অসমীয়া জাতিটোক কিদৰে একতাৰ ডোলেৰে বান্ধি ৰাখিছে তাৰ গুণানুকীৰ্ত্তন কৰি কৃষ্ণনাথ শৰ্মাই কৈছে,—"বৈষ্ণৱ ধৰ্মৰ ঘাই ধৰণী হৈছে নামকীৰ্ত্তন। ধৰ্মপ্ৰাণ অসমীয়া মানুহক আনে এৰিলেও নামে নেৰে। অসমীয়া ৰাইজৰ নামকীৰ্ত্তন হৈছে জীৱনৰ উশাহ-নিশাহ। হিন্দু সমাজৰ সকলো শ্ৰেণীকে নামধৰ্মই সাবটি আছে।"

চৌৰিচ'ৰাৰ দুৰ্ভাগ্যজনক ঘটনাৰ পিছত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ কাৰ্য্যসূচী উঠাই লয়। ইতিমধ্যে মহাত্মা গান্ধীৰ ছবছৰ কাৰাবাসৰ হুকুম হ'ল। ১৯২২ চনত গয়াত দেশবন্ধু চিত্তৰঞ্জন দাসৰ পৌৰোহিত্যত বহা কংগ্ৰেছ অধিবেশনত কংগ্ৰেছে কাউন্সিল বৰ্জন উঠাই ল'বলৈ প্ৰস্তাৱ উত্থাপন কৰে। চিত্তৰঞ্জন দাসৰ নেতৃত্বত লোৱা এই প্ৰস্তাৱৰ এজন প্ৰবীণ সমৰ্থক আছিল দেশভক্ত তৰুণৰাম ফুকন। কৃষ্ণনাথ শৰ্মা জেলৰপৰা ওলায়েই গয়া কংগ্ৰেছত যোগ দিয়ে আৰু কংগ্ৰেছে কাউন্সিল বৰ্জন উঠাই ল'বলৈ লোৱা প্ৰস্তাৱৰ বিৰোধিতা কৰে। চিত্তৰঞ্জন দাসে কংগ্ৰেছৰ ভিতৰতে নতুন 'স্বৰাজ্য দল' গঠন কৰি বিভাজন আনে। মতিলাল নেহৰুৱেও স্বৰাজ্য দলত যোগ দিছিল। লাহে লাহে স্বৰাজ্য দলে কংগ্ৰেছক গ্ৰাস কৰি পেলালে আৰু মহাত্মা গান্ধীয়ে কংগ্ৰেছৰপৰা

আঁতৰি আহি "নিখিল ভাৰত শিপিনী সঙ্ঘ"ৰ কাম কৰি যোৱাৰ প্ৰতিজ্ঞা লয়।

গয়া কংগ্ৰেছ অধিবেশনৰ সময়ত কৃষ্ণ শৰ্মা প্ৰমুখ্যে অসমৰ বিশিষ্ট নেতা কেইজনমানে পণ্ডিত মদনমোহন মালব্যক সাক্ষাৎ কৰে। মালব্যজীক আধুনিক ভাৰতবৰ্ষৰ 'দ্ৰোণাচাৰ্য্য' বুলি কোৱা হয়। বেনাৰস হিন্দু বিশ্ববিদ্যালয় মালব্যজীৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফল। মালব্যজীৰ অসমীয়া সমাজ আৰু অসমীয়া শিপিনী সম্পৰ্কে অতি উচ্চ অভিমত আছিল। সেইখেতে কৈছিল—"অসমীয়া মানুহবিলাক বৰ ভোজা আৰু সত্যবাদী। মাইকী মানুহে সূতা কাটিব জানে, তাঁত ব'ব জানে। হিন্দু-মুছলমানৰ ভিতৰত কাজিয়া নাই, অস্পৃশ্যতা নাই।" শেষত মালব্যজীয়ে শৰ্মাৰ্হতক ক'লে,—"অসমীয়া ল'ৰা ইয়ালৈ পঠিয়াবা। মই অসমীয়া মানুহবপৰা পইচা লোৱা নাই। এই নতুন ধৰণেৰে বিদ্যা শিক্ষা দিবলৈ যত্ন কৰিছো। দেশত বিদ্বানৰ সমাজ গঢ়ি তুলিব লাগে, তেহে দেশৰ উন্নতি হ'ব।"

কৃষ্ণনাথ শৰ্মাই পুনৰ ওকালতি আৰম্ভ নকৰিলে। দেশৰ সেৱাত মনপ্ৰাণ ঢালি দি দৰিদ্ৰতাক সাৰটি ল'লে। "এই দৰিদ্ৰৰ বোজা লৈ কিমানদিন ৰাজনৈতিক আন্দোলন কৰিব পাৰিম, ভাবি অস্থিৰ হ'লো। ল'ৰা-ছোৱালীৰ মুখলৈ চালে মোৰ সকলো উদ্যম নষ্ট হোৱা যেন দেখো। তথাপি, মনোবল লৈ কিমানদিন ওকালতি নকৰাকৈ থাকিব পাৰো, যত্ন কৰিছিলো।"—এয়া শৰ্মাদেৱৰ নিজৰ কথা।

ওকালতি বৰ্জন কৰাৰ পিছত, জেলত থকা কালছোৱাত তেখেতৰ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে গান্ধীবাদী দানবীৰ যমুনালাল বাজাজে মাহে চল্লিশ/পঞ্চাশ টকাকৈ সহায় কৰাৰ কথা শৰ্মাই তেখেতৰ ডায়েৰীত কৃতজ্ঞতাৰে লিপিবদ্ধ কৰিছে। প্ৰকৃতপক্ষে ভায়েক ৰাধানাথ শৰ্মাৰ ওপৰত পৰিয়ালটোৰ দায়িত্ব অৰ্পণ কৰি শৰ্মাই দেশসেৱাৰ কামত আত্মনিয়োগ কৰিছিল।

চন্দ্ৰকমল বেজবৰুৱাৰ পৃষ্ঠপোষকতাত এখনি জাতীয় হাইস্কুল স্থাপিত হৈছিল। এই আঁচনিত শৰ্মাৰো অৰিহণা আছিল। শৰ্মাই বেজবৰুৱাৰপৰা মাজে-সময়ে আৰ্থিক সাহায্য পাইছিল, তাৰু বেজবৰুৱাই জীৱিতকালত শৰ্মাক সদায় মৰমৰ চকুৰে চাইছিল।

১৯২৩ চনত ৰোহিণীকান্ত হাতীবৰুৱা আৰু কৃষ্ণনাথ শৰ্মা যুটীয়া সম্পাদক হিচাপে থাকি 'অসম প্ৰাদেশিক খাদী বোৰ্ড' স্থাপন কৰে। বোৰ্ডৰ সভাপতি আছিল কুলধৰ চলিহা। যোৰহাটত পতা 'প্ৰাদেশিক প্ৰদৰ্শনী'লৈ কলিকতাৰ মদার্ন বাইস্কোপক নিমন্ত্ৰণ কৰি অনা হৈছিল। প্ৰদৰ্শনীত আশানুৰূপ লাভ নহলেও, বাইজে খাদী ব্যৱহাৰৰ তাৎপৰ্য্য বুজি পাইছিল আৰু খৰচ বাদ দি খাদী বোৰ্ডৰ প্ৰায় ডেৰ হাজাৰ টকা লাভ হৈছিল।

কৃষ্ণনাথ শৰ্মা একেবাহে এজন আদৰ্শৱান সমাজকৰ্মী, স্বদেশ প্ৰেমিক, স্বাৰ্থত্যাগী আৰু ধাৰ্মিক লোক আছিল। তেখেতে ভাৰত-তীৰ্থ ভ্ৰমণ কৰি প্ৰাচীন ভাৰতৰ কলা-কৃষ্টিৰ প্ৰচুৰ জ্ঞান লাভ কৰিছিল। গঙ্গা, গয়া, কাশী, প্ৰয়াগ, পুৰী আদি ভ্ৰমণ কৰিছিল। পুৰীত জগন্নাথ মহাপ্ৰভুৰ শ্ৰীক্ষেত্ৰধাম দৰ্শন কৰি চৌত্ৰিশ জাতিৰ একান্ন ভোজন দেখি আনন্দত অভিভূত হৈ কৈছিল—"হিন্দু সমাজৰ মিলন মহাপ্ৰভুৰ ক্ষেত্ৰত হোৱাৰ দৰে যদি গোটেই ভাৰতে হ'লহেতেন, তেনেহ'লে এই বিৰাট জাতিটো খণ্ড খণ্ড হৈ দুৰ্বল নহ'লহেঁতেন! একান্নভোক্তা হলেই যে মিত্ৰতা থাকে এনে নহয়; কিন্তু একে পাগত খোৱা আৰু ভাগে ভাগে পাগ কৰি খোৱাৰ ভিতৰতো বহুত প্ৰভেদ আছে। যি কি নহওক, জগন্নাথ মহাপ্ৰভুৰ ক্ষেত্ৰত হিন্দুৰ কাৰণে এটা আদৰ্শ পৰি আছে। সেই আদৰ্শ চন্দ্ৰ-সূৰ্য্য থাকে মানে থাকিব।"

কৃষ্ণনাথ শৰ্মাই অসমীয়া আৰু উড়িয়া লোকৰ মাজত সদৃশ্য দেখি আচৰিত হৈ কৈছে, "পুৰীত উড়িয়া মানুহ বিলাকক আমাৰ অসমীয়া যেন লাগিছিল। তেওঁলোকৰ ভাষা-সংস্কৃতিৰ লগত অসমীয়া ভাষা-

সংস্কৃতিৰ সামঞ্জস্য আছে। অসমীয়া মানুহৰ দৰে অথবা অসমীয়া সত্ৰীয়া মানুহৰ দৰে তেওঁলোকৰ মূৰত খোপা আৰু অসমীয়া মানুহৰ হাতত থকাৰ দৰে তেওঁলোকৰ হাতত্তো তামোলৰ টোপোলা। মই সিমানদূৰ অনুমান কৰিছো, অসমীয়া আৰু উড়িয়াৰ ভিতৰত যিমান মিল আছে, ভাৰতৰ আন কোনো প্ৰান্তৰে লগত অসমীয়াৰ সিমান মিল নাই।"

কৃষ্ণনাথ শৰ্মাই অসহযোগ আন্দোলনৰ সময়ৰে পৰা প্ৰায়বোৰ কংগ্ৰেছ অধিবেশনত যোগ দিছিল। ফলত বহুতো সৰ্বভাৰতীয় বন্ধু বান্ধৱ লাভ কৰিছিল। ১৯২৬ চনত গুৱাহাটীত বহা অধিবেশনৰ শৰ্মা এজন ঘাই কৰ্মী আছিল। অধিবেশনৰ চানিমৰা, তোৰণ আদিত ব্যৱহাৰ কৰিবলৈ প্ৰচুৰ পৰিমাণৰ খাদী কাপোৰৰ প্ৰয়োজন হৈছিল। এই গধৰ দায়িত্ব শৰ্মাৰ ওপৰত পৰিছিল। শৰ্মাৰ অক্লান্ত পৰিশ্ৰমৰ ফলত ভাৰতবৰ্ষৰ নেতা সকলক আচৰিত কৰি তোলা শুভ্ৰ-শুদ্ধ খদ্দৰৰ বিৰাট সভা মণ্ডপ নিৰ্মিত হৈছিল। [illegible] এই কাৰ্যত পণ্ডিত কণক শৰ্মা, চন্দ্ৰমোহন বিশ্বাস, টুনীৰাম শইকীয়া প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তিয়ে সহায় কৰিছিল।

পাণ্ডু কংগ্ৰেছে বিপুল কৃতকাৰ্য্যতা লাভ কৰাৰ মূলত আছিল কৃষ্ণনাথ শৰ্মা, তৰুণৰাম ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈ প্ৰমুখ্যে নিষ্ঠাবান কৰ্মীসকল। কানপুৰ অধিবেশনলৈ গৈ কৃষ্ণনাথ শৰ্মাই মহাত্মা গান্ধীৰ লগত আলোচনা কৰি পাণ্ডু কংগ্ৰেছ আহ্বান কৰিছিল। অতি কম সময়ৰ ভিতৰত অভাৱনীয় কৃতকাৰ্য্যতা দেখি মহাত্মা গান্ধীয়ে উচ্চ প্ৰশংসা কৰি কৈছিল—"However, beat all previous records, and in an incredibly short space of time erected in the midst of surroundings of great natural beauty on the banks of the great Brahmaputra, a city under khadi canvas. The huge Congress pavilion itself was made of Pure Assam Khadi."

১৯২৮ৰ পৰা ১৯৩৪লৈ এই সময়ছোৱা ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিশেষ লেখত লবলগীয়া কাল। ১৯২৮ চনৰ তিনি ফেব্ৰুৱাৰীৰ দিনা 'ছাইমন কমিছনে' ভাৰতবৰ্ষত পদাৰ্পণ কৰে। 'ছাইমন কমিছন' প্ৰতিবাদ কৰি শোভাযাত্ৰা কৰোঁতে পাঞ্জাৱ কেশৰী লাজপৎ ৰায়ে পুলিচৰ লাঠিৰ কোবত প্ৰাণ হেৰুৱায়। ১৯২৮ চনত কলিকতা কংগ্ৰেছে ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। উক্ত প্ৰস্তাৱ কাৰ্যকৰী কৰাৰ বাবে লাহোৰ কংগ্ৰেছে ১৯৩০ চনৰ ২৬ জানুৱাৰী দিনটোক সমগ্ৰ ভাৰতবৰ্ষত পূৰ্ণ স্বাধীনতাৰ দিন হিচাপে পালন কৰাৰ স্থিৰ সিদ্ধান্ত লয়। স্বৰাজ দলে নিজৰ ভুল বুজি পাই কাউন্সিল বৰ্জন কৰি পুনৰ মহাত্মা গান্ধীৰ নেতৃত্ব মানি লয়।

১৯৩০ চনৰ সৰ্বশ্ৰেষ্ঠ ঘটনা আছিল—ইংৰাজৰ লোণ আইন ভঙ্গ কৰাটো। ১৯৩০ চনৰ ১২ মাৰ্চৰ পুৱা কৃষ্ণনাথ শৰ্মা প্ৰমুখে ৭৪ জন কংগ্ৰেছ স্বেচ্ছাসেৱক লগত লৈ মহাত্মা গান্ধীয়ে সৱৰমতী আশ্ৰমৰপৰা ২০০ মাইল দীঘল দাণ্ডী পদযাত্ৰা আৰম্ভ কৰি ৫ এপ্ৰিলৰ দিনা লোণ আইন ভঙ্গ কৰি সাগৰৰ পাৰত লোণ তৈয়াৰ কৰিলে। জীৱন-মৰণ প্ৰতিজ্ঞা লৈ গান্ধীজীয়ে এই কাৰ্যত কৃতকাৰ্যতা লাভ কৰে।....."If there be any such power, I shall like to see it, either I shall return with what I want or else my dead body will float in the Ocean."

১৯৩০ চনতে দেশজুৰি কানিংহামৰ কুখ্যাত চাকুৰ্লাৰৰ তীব্ৰ প্ৰতিবাদ কৰা হয়। কানিংহাম চাকুৰ্লাৰৰ বিৰুদ্ধে অসমৰ নাৰী শক্তিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। ফলত গুৱাহাটী, তেজপুৰ, আদিত কেইখানো জাতীয় স্কুলৰ জন্ম হৈছিল।

দ্বিতীয় ঘৰণীয়া মেজলেত ইংৰাজ চৰকাৰৰ প্ৰস্তাৱৰ প্ৰতিবাদ কৰি মহাত্মা গান্ধীয়ে কৈছিল—"যদিহে অস্পৃশ্য বুলি জনাজাত সম্প্ৰদায় বিলাকক হিন্দু সমাজৰ পৰা পৃথক কৰি স্বকীয়া নিৰ্বাচন পদ্ধতিৰ ব্যৱস্থা কৰা হয়, তেতিয়াহ'লে তেখেতে নিজৰ জীৱন উৎসৰ্গা

কৰি হ'লেও তাৰ বিৰোধিতা কৰিব। ফলত, সমগ্ৰ দেশ জুৰি অস্পৃশ্যতা দূৰীকৰণৰ অভিযান চলিল। উজনি অসমত তাৰ নেতৃত্ব লৈছিল কৃষ্ণনাথ শৰ্মা, লক্ষ্মীনাথ শৰ্মা, ৰাধানাথ ফুকন, চন্দ্ৰধৰ বৰুৱাই। উল্লেখযোগ্য যে গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ এই অস্পৃশ্যতা বৰ্জন সমিতিৰ সভাপতি আছিল। মহাত্মা গান্ধী এই অভিযান সফল কৰাৰ কাৰণে অসমলৈ আহিছিল। যোৰহাটত উপস্থিত হৈ কৃষ্ণনাথ শৰ্মাৰ গৃহত পদাৰ্পণ কৰি শৰ্মাৰ অনুৰোধত তেখেতৰ নামঘৰটোৰ দুৱাৰ 'অস্পৃশ্য' তথা হৰিজন সম্প্ৰদায়ৰ লোকৰ কাৰণে মুকলি কৰিছিল। গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰে সৰ্বপ্ৰথমে এজন হৰিজনৰ নামঘৰৰ ভিতৰত বহাই লৈ প্ৰসাদ-নিৰ্মালি দি তাৰ পিছত ৰাইজৰ মাজত বিতৰণ কৰিছিল।

অস্পৃশ্যতা বৰ্জনৰ পৰিপ্ৰেক্ষিতত ১৯৩২ চনৰ ২৫ চেপ্তেম্বৰ তাৰিখে নব্যভাৰতৰ 'দ্ৰোণাচাৰ্য' পণ্ডিত মদন মোহন মালব্যৰ সভাপতিত্বত নিম্ন প্ৰস্তাৱটি গৃহীত হয়—

"The conference resolves that, henceforth amongst Hindus, No one shall be regarded as an untouchable by reason of his birth and that those who have been so regarded hither to will have the same right as other Hindus in regard to the use of public wells, Public schools, Public temples and all other Public institutions .. It is further agreed that it shall be duty of all Hindu leaders to bring about by every legitimate and peaceful means, an early removal of all social disabilities now imposed by custom upon the so-called untouchable classes including the bar."

১৯৩৪ চনৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত যোৰহাটত অস্পৃশ্যতা বৰ্জন

সমিতি গঠন হোৱাত কৃষ্ণনাথ শৰ্মা তাৰ সম্পাদক হয়। এই চনৰে ১৫ তাৰিখে গধুলি মহাত্মা গান্ধী গোলাঘাটৰ পৰা আহি যোৰহাট পায় তাক হাতত কোৰ লৈ নিজৰ বাবে এটি অস্থায়ী কেঁচা পায়খানা বনাই লয়।

কৃষ্ণনাথ শৰ্মা বহুমুখী প্ৰতিভাৰ লোক আছিল। স্বাধীনতা আন্দোলনৰ অক্লান্ত কৰ্মী হৈ মহাত্মা গান্ধীৰ আদৰ্শৰ বাহক হিচাপে গুৰে জীৱন কাম কৰিছিল। অসম খাদী সঙ্ঘ, অসম প্ৰাদেশিক ৰাষ্ট্ৰ সন্মিলন (১৯৩৫), জাঁজী হাইস্কুল, অসম ৰায়ত সভা, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, বাগীয়াল বস্তু বৰ্জন সমিতি, প্ৰাদেশিক কানি তদন্ত সমিতি, যোৰহাট খেতিয়ক সমিতি আদি অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল।

১৯৮৫ চনত কৃষ্ণনাথ শৰ্মা ওৱাৰ্দ্ধা, সৱৰমতী, বোম্বে আৰু পুনালৈ যায়। সৱৰমতী আশ্ৰমত মহাত্মা গান্ধীৰ সান্নিধ্যত থাকি বনিয়াদী শিক্ষাৰ প্ৰতি বিশেষ আকৃষ্ট হয়। তেতিয়াই কৃষ্ণনাথ শৰ্মাই অসমৰ বাঢি অহা বিদেশী সমস্যা, অৰ্থনৈতিক সমস্যা সম্পৰ্কে মহাত্মা গান্ধীৰ লগত আলোচনা কৰি তেখেতৰ পৰামৰ্শ বিচাৰে। পুনাত চৰ্দাৰ বল্লভভাই পেটেলক সাক্ষাৎ কৰি অসমৰ সঙ্কটপূৰ্ণ পৰিস্থিতিৰ কথা বুজাই কংগ্ৰেছ ওৱাৰ্কিং কমিটিত অসমৰ প্ৰতিনিধি অন্তৰ্ভুক্ত কৰিব লাগে বুলি দাবী জনায়।

স্বদেশৰ মঙ্গলৰ কাৰণে নিঃস্বাৰ্থভাৱে আত্মবলি দান দিয়া ব্যক্তি ভাৰতবৰ্ষত যি সকল আছিল তাৰে এজন নিঃসন্দেহে আছিল কৃষ্ণনাথ শৰ্মা আৰু অসমৰ যি কেইজন আছিল বা আজিও আছে তাৰে অন্যতম দুজন আছিল চন্দ্ৰনাথ শৰ্মা আৰু কৃষ্ণনাথ শৰ্মা।

কৃষ্ণনাথ শৰ্মাদেৱ অসম বিধান সভাৰ সদস্য আছিল। তেখেতে ১৯৪২ চনৰ গণ-বিপ্লৱত যোগ দি নিৰাপত্তা-বন্দী হিচাপে কাৰাবাস খাটিছিল।

ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা

"দুখৰ লগত যুঁজ কৰোঁতেই ইমান দিন গ'ল। কোনোমতে এতিয়া ল' কলেজৰ দ্বিতীয় বছৰ পাইছোঁহি —অহা বছৰলৈ ফাইনেল। এই সময়ত কলেজ এৰি দি ঘৰখনক দৰিদ্ৰতাৰ পৰা উদ্ধাৰ কৰিম কেনেকৈ ?"

অসহযোগ আন্দোলনৰ আহ্বানত যেতিয়া উকীলে ওকালতি এৰি, ছাত্ৰই স্কুল কলেজ এৰি আন্দোলনত যোগ দিছিল, তেতিয়া এদিন ব্ৰহ্মপুত্ৰ ঘাটলৈ যাওঁতে বাটত ল'কলেজৰ ছাত্ৰ হেমচন্দ্ৰ বৰুৱাই প্ৰিয়তম বন্ধু অমিয় কুমাৰ দাসক উপৰোক্ত কথাখিনি কৈছিল। সঁচাকৈয়ে, হেমচন্দ্ৰ বৰুৱাৰ পৰিয়ালটো বৰ দুখীয়া আছিল। অৱস্থাৰ তাৰণাত হেমচন্দ্ৰ বৰুৱাৰ পিতৃ কপিলী পাৰৰ বহাৰ পৰা এদিন ব্ৰহ্মপুত্ৰৰ পাৰৰ তেজপুৰলৈ উঠি আহিবলগীয়া হৈছিল। তাতে ১৮৯৩ চনৰ ২৫ এপ্ৰিলৰ দিনা অসম মাতৃৰ এইজন দুৰ্লভ সন্তানৰ জন্ম হৈছিল। কোমল বয়সীয়া হেমচন্দ্ৰক দলনিত পোনা মেলোদি এৰি থৈ এদিন পিতৃ গোপাল বৰুৱা সিপুৰীলৈ গ'ল। জ্যেষ্ঠ ভাতৃ প্ৰিয়লাল বৰুৱাই জান-পাণ দি হেমচন্দ্ৰক মানুহ কৰাৰ চেষ্টা কৰিলে।

হেমচন্দ্ৰ বৰুৱা মজলীয়া বিধৰ ছাত্ৰ আছিল বুলি কোৱাটোও টান। গণিতত তিনিবাৰ ফেল নকৰা হ'লে এণ্ট্ৰেন্স পাছ কৰিলে-হেতেন। ১৯১৫ চনৰ পৰা এণ্ট্ৰেন্সৰ ঠাই মেট্ৰিকুলেশ্যনে ললে আৰু সেই বছৰতে প্ৰায় ২৩ বছৰ বয়সত মেট্ৰিক পৰীক্ষা পাছ কৰিলে। গণিতৰ বাহিৰে আন সকলো বিষয়তে তেখেত বৰ চোকা আছিল। ১৯১৯ চনত ইংৰাজীত অনাৰ্চ লৈ কটনৰ পৰা বি.এ. পাছ কৰে। ১৯১৮ চনত তেখেত কটন কলেজৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক

আছিল। বি এ. পাছ কৰিয়েই স্বাধীন আইন ব্যৱসায় কৰাৰ অভিপ্ৰায়েৰে ল' পঢ়িবলৈ লৈছিল।

১৯১৪ চনত প্ৰথম মহাসমৰ আৰম্ভ হয়। ইংৰাজ চৰকাৰে ভাৰতৰ জনগণৰ লগত কোনো আলাপ-আলোচনা নকৰাকৈ ভাৰতবৰ্ষক মিত্ৰ শক্তিৰ হৈ যুদ্ধত লিপ্ত কৰে। এইকথা নিখিল ভাৰত কংগ্ৰেছৰ নেতা সকলে মুঠেও পচন্দ কৰা নাছিল। মহাসমৰৰ শেষত ১৯১৯ চনত ভাৰ্চাইলত শান্তি চুক্তি স্বাক্ষৰীত হ'ল।

কুৰি শতিকাৰ প্ৰথম দুটা দশকত অসমত কোনো বিশেষ ৰাজনৈতিক অনুষ্ঠান নাছিল। অসম কংগ্ৰেছৰো জন্ম হোৱা নাছিল। অসমত দুটাই মাত্ৰ অনুষ্ঠান আছিল। প্ৰথমটো 'অসম এছোচিয়েশ্যন, ১৯০৫ চনত মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, জগন্নাথ বৰুৱা আৰু ফৈজনুৰ আলি প্ৰভৃতিয়ে গঠন কৰিছিল, আৰু দ্বিতীয়টো আছিল— 'অসম ছাত্ৰ সন্মিলন'। প্ৰথমটোক সাধাৰণতে উকীলৰ সংগঠন বুলি কোৱা হৈছিল।

১৯১৭ চনত অসম এছোচিয়েশ্যনৰ অধিবেশনত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে পৌৰোহিত্য কৰিছিল। ১৯১৮ চনত বৰদলৈ আৰু প্ৰসন্ন কুমাৰ বৰুৱাই বিলাতলৈ গৈ 'অসম এছোচিয়েশ্যন'ক প্ৰতিনিধিত্ব কৰিছিল।

মহাসমৰৰ পিছৰপৰা ইংৰাজ শাসকদল ভাৰতীয় নেতাসকলৰ ওপৰত বিশেষ বিৰাগ ভাজন হয়। ইতিমধ্যে ১৯১৯ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে 'ৰাওলাত' আইন প্ৰৱৰ্ত্তন কৰাত ভাৰতীয় নেতৃবৰ্গই সভা-সমিতি পাতি সেই আইনৰ বিৰোধিতা কৰিছিল আৰু তাৰ পৰিণতি স্বৰূপে ১৯১৯ চনৰ ১৩ এপ্ৰিল, বহাগ বিহুৰ দিনা পঞ্জাৱৰ জালিয়ানৱালাবাগত জেনেৰেল ডায়াৰৰ দলপতিত্বত ১৬০০ জাই গুলী বৰ্ষণ কৰি ২০০ জন নীৰিহ ল'ৰা-ছোৱালী, পুৰুষ তিৰোতাক হত্যা কৰিলে। মহাত্মা গান্ধীয়ে এইটো এটা 'হিমালয় প্ৰমাণ ভুল' বুলি গৰিহণা দিলে। ১৯১৯ চনতে লালা লাজপাত ৰায়ৰ পৌৰোহিত্যত

অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল আৰু ১৯২০ চনত নাগপুৰত বহা কংগ্ৰেছ অধিবেশনে উক্ত প্ৰস্তাৱত অনুমোদন জনালে। নাগপুৰ অধিবেশনত অসমৰপৰা কৰ্মবীৰেও যোগদান দিছিল। ১৯২০ চনৰ অক্টোবৰ মাহত তেজপুৰত বহা অসম এছোচিয়েশ্যনৰ অধিবেশনত অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হ'ল। দেশভক্ত ফুকন প্ৰমুখ্যে কেইগৰাকীমানে তপতে তপতে ওকালতি এৰিব পৰা নাছিল। সেই সময়ে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ৰোহিনী কুমাৰ চৌধুৰী, নিধিৰাম দাস, যোগেন্দ্ৰনাথ বৰুৱাকে ধৰি বহুতে ওকালতি এৰি আন্দোলনত যোগদিলে যদিও তৰুণৰাম ফুকন, অক্ষয় কুমাৰ দাস, কুমুদ ৰাম বৰা, তপেশ্বৰ শৰ্মা, লক্ষেশ্বৰ বৰুৱা, ৰজনীকান্ত বৰুৱা, যোগেন্দ্ৰ গোহাঁই, দেবেন্দ্ৰনাথ উজীৰ, দেৱেশ্বৰ শৰ্মা আদিয়ে ওকালতি আৰু আন্দোলন দুয়োটাকে একেলগে কৰি থাকিল।

চাকৰিয়াল সকলৰ ভিতৰত ক্ষীৰকান্ত বৰুৱা, হলধৰ ভূঞা, হৰিপ্ৰসাদ দাস, মহম্মদ চিষ্টি আৰু শিক্ষক সকলৰ ভিতৰত মহিউদ্দিন আহমেদ আৰু ত্ৰিগুণা বৰুৱাই চাকৰি ইস্তাফা দি আন্দোলনত যোগ দিছিল। এই সকলৰ ভিতৰত সহকাৰী পুলিচ বিষয়া ক্ষীৰকান্ত বৰুৱাৰ ত্যাগৰ তুলনা নাই। ত্যাগীৰ ঘৰৰ ত্যাগীৰ চাকৰি ত্যাগ কৰা মহান ত্যাগৰ কাহিনীটো নকলে মনে শান্তি নাপায় কাৰণে চমুকৈ কোৱা হ'ল।

বৃত্ৰাসুৰক বধ কৰাৰ কাৰণে দধিচী ঋষিয়ে স্বেচ্ছাই প্ৰাণবায়ু এৰি অস্ত্ৰ তৈয়াৰৰ কাৰণে নিজৰ অস্থি ত্যাগ কৰাটো তুচ্ছ ত্যাগ নহব পাৰে, কিন্তু দুখীয়া পৰিয়াল এটিক মৃত্যুবৎ অৱস্থালৈ স্বেচ্ছাই ঠেলি দি জীৱিকাৰ একমাত্ৰ অৱলম্বন চাকৰিটো ত্যাগ কৰি নিজক দেশৰ কাৰণে কৰা ত্যাগ উলাই কৰিবলগীয়া নহয় নিশ্চয়।

১৯২১ চনত হেম বৰুৱা ল' কলেজৰ ছাত্ৰ, অসম ছাত্ৰ সন্মিলনৰ সম্পাদক। ইতিমধ্যে ছাত্ৰ সন্মিলনে আন্দোলনত যোগ দিয়াৰ প্ৰস্তাৱ

গ্ৰহণ কৰি শই শই জেললৈ গ'ল। ক্ষীৰকান্ত বৰুৱা হেম বৰুৱাৰ বৰদেউতাকৰ পুতেক, তেখেতৰ জ্যেষ্ঠ ভাতৃ। হেম বৰুৱাৰ আশ্ৰয়ৰ স্থল একমাত্ৰ ক্ষীৰ বৰুৱা। তেখেতৰ বিপদ 'এফালে সাগৰ আনফালে দৈত্য'। 'এখোজ পিচুৱালে সাগৰত পৰে, এখোজ আগুৱালে দৈত্যই গিলে।' অৰ্থাৎ এফালে নিজে ইংৰাজৰ বেতনভোগী কৰ্মচাৰী আনফালে ঘোৰ ইংৰাজ বিৰোধী ভাতৃ হেম বৰুৱাক গ্ৰেপ্তাৰ কৰা হুকুম হৈ আছে। ককাইদেৱেক অফিচলৈ যোৱাৰ খন্তেক আগতে হেম বৰুৱা আহি ঘৰ সোমাল। ক্ষীৰ বৰুৱাই পত্নীক ক'লে—"মই অফিচলৈ আহিলো, হেমক ঘৰতে থাকিবলৈ ক'বা, তাক আজি গ্ৰেপ্তাৰ কৰিব।" মাতৃতুল্য বৌৱেকৰ সৰ্বাঙ্গ কঁপি উঠিল। হেমক ঘৰৰপৰা আঁতৰি যাবলৈ ক'লে। ককায়েকৰ আদেশ, হেম ঘৰতে থাকিব, কলৈকো নেযায়, গ্ৰেপ্তাৰ বৰণ কৰিব।

ক্ষীৰ বৰুৱা থানা পোৱাত ওপৰৱালা আগৰৱালাই সুধিলে— "হেমৰ কিবা খবৰ পালে নেকি?" "হয়, জানো, সি অলপ আগতে আহি ঘৰ সোমাইছে" বুলি ক্ষীৰ বৰুৱাই উত্তৰ দিলে। ওপৰৱালাই ক'লে,—"আপুনি তাক এৰেষ্ট কৰি লৈ আহক গৈ।" ক্ষীৰ বৰুৱা নিৰুপায়। ক'লে, "অন্ততঃ তাক এৰেষ্ট কৰিবলৈ মোক নপঠাব।" ৰঙাচকু দেখুৱাই ওপৰৱালাই ক'লে—"পুলিচ অফিচাৰৰ হুকুম তলৰ কৰ্মচাৰীয়ে নেমানিলে কি শাস্তি হ'ব পাৰে আপুনি জানে নিশ্চয়।" বৰুৱাই ক'লে—"হয় জানো চাৰ, কিন্তু মোক পিছত দোষিব নোৱাৰিব।" ওপৰৱালাৰ অন্তৰ সুকোমলিল। ক্ষীৰ বৰুৱা অলপ সময়ৰ কাৰণে ওচৰৰ কোঠাটোলৈ গ'ল। পুলিচৰ পোচাক পেটী, টুপী, সকলো খুলি থৈ ধূতি-চোলা পিন্ধিলে। তাৰ ক্ষন্তেক পাছতে চাকৰি ইস্তফা দি সোপাকে ওপৰৱালাৰ টেবিলত থৈ তেওঁক অবাক কৰি ক'লে—"মই চাকৰি ইস্তফা দিলো, আপোনাক এইবোৰ চমজাই দিলো।" এইবুলি নিমিষতে বাহিৰলৈ ওলাই আহি "বন্দে মাতৰম", "মহাত্মা গান্ধী কি জয়" 'ভাৰত মাতা কি জয়'

বুলি উচ্চস্বৰে ধ্বনি তুলি খোজ ললে। লগে লগে ক্ষীৰ বৰুৱাক গ্ৰেপ্তাৰ কৰি জামিনত এৰি দিলে। তাৰ পিছত বৰুৱাই জীৱিকাৰ সামান্যতম্ উপায় হিচাপে গেলমালৰ দোকান এখন দি অসহযোগ আন্দোলনত মন সঁপি দিলে। পৰভাতৃক আপোন কৰি, নিজৰ ল'ৰা তিৰোতাক পৰ কৰি দেশৰ হকে ইমান ত্যাগ কেইজনে কৰিব পাৰে বাৰু ?

অসহযোগ আন্দোলনৰ কেন্দ্ৰশক্তি দেশভক্ত তৰুণৰাম ফুকনে ধুবুৰীত এটা তেজোদ্দীপক বক্তৃতা দিয়াৰ অভিযোগত ধুবুৰীৰ মেজিষ্ট্ৰেটৰ হুকুম মতে ১৯২১ চনৰ ১ অক্টোবৰ তাৰিখে ধুবুৰী কোৰ্টত হাজিৰ হ'বলৈ ওলাল। তাৰে আগদিনা ফুকনক বিদায় দিবৰ কাৰণে ফুকনৰ ঘৰৰ সন্মুখৰ পথাৰত বিৰাট জনসমাবেশ হ'ল। অসমৰ চাৰিওফালৰপৰা বহুত হেজাৰ লোকে আহি ফুকনক ফুলৰ মালা দি 'মহাত্মা গান্ধী কি জয়', 'দেশভক্ত ফুকন কি জয়' বুলি ধ্বনি দি বিদায় দিলে। সেই সভাত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে দিয়া প্ৰাণস্পৰ্শী বক্তৃতাই হেম বৰুৱাক মন্ত্ৰমুগ্ধ সাপৰ দৰে টানি লৈ গ'ল আৰু ল' পঢ়া স্থগিত ৰাখি আন্দোলনত যি জপিয়াই পৰিল তাক জীৱনৰ অন্তিম নিশ্বাস পেলোৱালৈকে এৰি নিদিলে।

সেই সভাত কৰ্মবীৰে দিয়া বক্তৃতা প্ৰসঙ্গত ত্যাগবীৰ হেম বৰুৱাই লিখিছে—"১৯২১ চনৰ ৩০ চেপ্টেম্বৰ তাৰিখে ফুকনৰ ঘৰৰ আগত থকা ময়দানত বিৰাট বিদায় সভা বহিল। মানুহে তিল দি সন্ধি পাবলৈ নাই। শ্ৰীযুত ফুকনে সেইদিনা অলপ কথা কৈছিল যদিও তেওঁৰ কথাই মানুহৰ মনত দকৈ সাঁচ বহুৱাইছিল। সেই সভাত নবীনচন্দ্ৰ বৰদলৈয়ে যি বক্তৃতা দিলে তেনে বক্তৃতা আৰু মই তেওঁৰ পৰা শুনা নাছিলো। সভা ভাঙিল ; ঘৰলৈ আহিলোঁ। কলেজ এৰি অসহযোগ আন্দোলনত যোগ দিয়াই স্থিৰ কৰিলোঁ। তেজপুৰ কেম্পত উপস্থিত হোৱাত বন্ধুসকলে ৰং পালে। তেজপুৰ জিলা কংগ্ৰেছ কমিটিৰ তেতিয়াৰ সভাপতি শ্ৰীযুত অমিয় কুমাৰ দাসে

ক'লে, "আহিলি তই। সভা সমিতিত বক্তৃতা দিব নালাগে। আমাৰ গ্ৰেপ্তাৰৰ পাছত তই তেজপুৰ কংগ্ৰেছৰ ভাৰ ল'ব লাগিব।"

সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ যুগ বিচাৰ মতে অসমীয়া সাহিত্যৰ জোনাকী যুগৰ ত্ৰিমূৰ্ত্তি (বেজবৰুৱা, চন্দ্ৰ কুমাৰ, হেম গোসাঁই) থকাৰ দৰে অসমৰ ৰাজনীতিৰ অসহযোগ আন্দোলনৰ যুগৰ ত্ৰিমূৰ্ত্তি আছিল হেমচন্দ্ৰ বৰুৱা, অমিয় কুমাৰ দাস আৰু ডাঃ ভুবনেশ্বৰ বৰুৱা। এওঁলোকৰ ভিতৰত আকৌ হেম বৰুৱাক কৃষ্ণ আৰু অমিয় কুমাৰ দাসক অৰ্জুন বোলা হৈছে।

১৯২২ চনত চৌৰিচৌৰাৰ হিংসাত্মক কাৰ্যৰ বাবে মহাত্মা গান্ধীয়ে আন্দোলন স্থগিত ৰাখিলে। মহাত্মাৰ এই অতি মানৱীয় আৰু সুচিন্তিত সিদ্ধান্ত চৰমপন্থীসকলে ভাল পোৱা নাছিল। তেওঁলোকৰ বদ্ধমূল ধাৰণা আছিল যে হুলৰ দ্বাৰা হুল কাঢ়িহে দেশ স্বাধীন কৰিব লাগিব। তুই একে মহাত্মাক প্ৰশ্ন কৰিছিল—"গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক অহিংসা অৱলম্বন কৰিবলৈ নি'দি যুদ্ধ কৰিবলৈহে দিছিল কিয় বাৰু ?"

তাৰ উত্তৰত মহাত্মা গান্ধীয়ে কৈছিল—"তেতিয়াৰ দিনত ধৰ্মযুদ্ধ আছিল। আজিৰ যুগত সেই যুদ্ধনীতি নাই। কাজেই, অহিংসাই একমাত্ৰ আমোঘ অস্ত্ৰ।" শ্ৰীকৃষ্ণ, বুদ্ধদেৱ, যীশু, টলষ্টয়ৰ আদৰ্শই মহাত্মাক উদ্বুদ্ধ কৰিছিল। পশুত্বৰ দ্বাৰা কৰা জয় ক্ষন্তেকীয়া, কিন্তু অন্তৰজয় যুগমীয়া। ইতিমধ্যে মহাত্মাক গ্ৰেপ্তাৰ কৰি ৬ বছৰৰ কাৰাদণ্ডৰ আদেশ দিলে। আন্দোলনে কিছুদিন তলকা মাৰিলে। উকীলসকলৰ বেচিভাগে পুনৰ ওকালতি আৰম্ভ কৰিলে। হেমচন্দ্ৰ বৰুৱাইও জেলৰপৰা ওলাই আহি এই সময়ছোৱাৰ ভিতৰতে ল' পাছ কৰি ওকালতি আৰম্ভ কৰিছিল।

হেমচন্দ্ৰ বৰুৱা এজন প্ৰবীণ চিন্তাশীল সাহিত্যিকো আছিল। ইংৰাজী সাহিত্যত গভীৰ অধ্যয়নপুষ্ট বৰুৱাই ৰুচ সাহিত্যৰ ৰস আস্বাদনো কৰিছিল। টলষ্টয়, টুৰ্গেনিভ ডষ্টয়েভস্কি আৰু গোৰ্কিৰ

চুটিগল্প, উপন্যাস সমূহত থকা সমাজবাদী চিন্তা আৰু লেনিনৰ ৰাজনৈতিক দৰ্শনে হেমবৰুৱাৰ জীৱনদৰ্শনত মচিব নোৱাৰা আঁচ বহুৱাইছিল। তদুপৰি ইতিহাসৰ ছাত্ৰ হিচাপে ইটালী আৰু জাৰ্মানীৰ মুক্তি যুদ্ধ, চীনৰ অন্তৰ বিপ্লৱ আৰু ড° সান্ ইয়েট সানে লোৱা নেতৃত্ব, ৰুচিয়াক লেনিনবাদে জাৰৰ হাতৰ পৰা কিদৰে উদ্ধাৰ কৰিছিল এইবোৰেও হেম বৰুৱাক তেখেতৰ ৰাজনৈতিক চিন্তাধাৰাত মানসিক সিদ্ধান্ত লোৱাত সহায় কৰিছিল।

অকল সিমানেই নহয়, সেই সময়ত অমিয় কুমাৰ দাস সম্পাদিত ‘বাঁহী’ আলোচনীৰ পাতত হেম বৰুৱাই গোৰ্কিৰ ‘কমৰেড’, ডষ্টয়েভস্কি, ‘ক্ৰাইম এণ্ড পানিচমেণ্ট,’ টুৰ্গেনিভৰ ‘ফাদাৰ এণ্ড সন্স’ প্ৰভৃতি উপন্যাসৰ সংক্ষিপ্ত বিবৰণ নিজৰ মন্তব্যসহ প্ৰকাশ কৰিছিল। ‘বাঁহীত’ প্ৰকাশিত হেম বৰুৱাৰ কেইটামান প্ৰবন্ধ হ'ল—মুছোলিনিৰ ওপৰত ডাণ্টেৰ প্ৰভাৱ (২৩।৪), কংগ্ৰেছ আৰু এছেমব্লি নিৰ্বাচন (২৩।৪), ৰুচিয়াৰ বিশ্বকৰ্মা (২৩।৭), দোষ আৰু শাস্তি (২৩।১০), অসম চৰকাৰৰ ধাৰ (২৪।৩), চৰকাৰী ৰাজহ (২৪।৩), ভাৰত চৰকাৰৰ চাকৰিয়াল (২৪।১), নতুন শাসন সংস্কাৰত মন্ত্ৰী (২৪।১১), নতুন শাসন তন্ত্ৰত অসমৰ বাজেট (২৪।১২), প্ৰাদেশিক ৰাজস্বৰ সৰহ ভাগতে কাউন্সিলৰ হাত নাই (২৪।১২), ৰুচ সাহিত্যত বলছেভিজিম্ আৰু ‘অসমীয়া’ কাকতত প্ৰকাশিত প্ৰবন্ধ সমূহ ধৰ্ম্ম আৰু শাসনতন্ত্ৰ (১৯১৮), গোৰ্কিৰ কমৰেড্ উপন্যাসৰ আভাস (১৯২৯), মন্ত্ৰী পদৰ মোহ (১৯২৯), অসমৰ জাতীয় আন্দোলন আৰু চাহ খেতিয়কসকলৰ বিৰুদ্ধাচৰণ (২৫।৫।২৯), ভাৰতত জাতীয় আন্দোলন: কংগ্ৰেছৰ চমু ইতিহাস (তিনিদিনীয়া অসমীয়া ১২।৪।৩০), অসমীয়া আৰু কংগ্ৰেছ (অসমীয়া ২৩।১১।২৯), বিদেশী শাসন: বৃটিছ ৰাজত্বত স্বাধীনতা যুজৰ আৰম্ভন (অসমীয়া ২৩।৩।৩০), আসাম কানি তদন্ত কমিটি (অসমীয়া ১৬ জুন, ৩০ জুন, ৭ জুলাই ১৯৩৩) ইউৰোপ আৰু ভাৰতত কানিৰ নিৰিখ (অসমীয়া ১১।৮।৩৩) ইত্যাদি।

সাহিত্য ক্ষেত্ৰত 'হেমৰ কোষেৰে ওখ দৌল বন্ধা' হেমকোষ প্ৰণেতা অসমীয়া সাহিত্যৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ সমান নহলেও ত্যাগবীৰৰ সাহিত্যানুৰাগ যথেষ্ট যে আছিল তাত সন্দেহৰ অৱকাশ নাই। ডাক্তৰ বাণীকান্ত কাকতি, ডঃ মথুৰানাথ গোস্বামী আৰু অমিয় কুমাৰ দাস তেখেতৰ সমজ্‌দাৰ বন্ধু আছিল, আৰু সাহিত্য সৃষ্টিত তেখেত সকলৰ পৰা উৎসাহ পাইছিল। হেম বৰুৱাৰ প্ৰকাশিত পুস্তিকা কেইখনমান হ'ল—'কংগ্ৰেছৰ বুৰঞ্জী', 'দেশৰ আয়-ব্যয়ত-ভুমুকি', 'ভাৰতৰ ৰাজকীয় ঋণ', 'বিলাতত মহাত্মা আৰু মেজমেলত মহাত্মা'।

চৌৰিচৌৰাৰ ঘটনাৰ পিছত ১৯২২ চনৰ ২৩ মাৰ্চ্চ তাৰিখে মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰি ছবছৰ কাৰাদণ্ডৰ আদেশ দি য়াৰৱেদা জেলত ৰাখিলে। মহাত্মা কাৰাগাৰত থকা ছবছৰত সক্ৰিয় আন্দোলন হোৱা নাছিল। ১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰত বহা কংগ্ৰেছ অধিবেশনত 'ভাৰতৰ পূৰ্ণ স্বাধীনতা' দাবী তুলি প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। লগতে ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনা সমগ্ৰ ভাৰতবৰ্ষতে পূৰ্ণ স্বাধীনতা দিৱস পালন কৰাৰ চূড়ান্ত সিদ্ধান্ত লোৱা হ'ল। ১৯৩০ চনটো ভাৰতৰ স্বাধীনতা আন্দোলনৰ এটি উল্লেখযোগ্য বছৰ। সেই বছৰতে ইংৰাজ চৰকাৰৰ 'লোণ আইন' ভঙ্গ কৰাৰ কাৰণে মহাত্মা গান্ধীয়ে সৱৰমতী আশ্ৰমৰ পৰা দাণ্ডিলৈ যাত্ৰা কৰে। অসমত এই আন্দোলনৰ নেতৃত্ব লৈছিল—হেমচন্দ্ৰ বৰুৱা আৰু অমিয় কুমাৰ দাসে। সেই বছৰতে হেম বৰুৱাৰ আশীৰ্বাদ লৈ বিষ্ণুৰাম মেধিয়ে অসম প্ৰাদেশ কংগ্ৰেছ কমিটিৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰি অসম কংগ্ৰেছত দেখা দিয়া এটা সঙ্কটৰ পৰা অনুষ্ঠানটোক ৰক্ষা কৰে। বিশেষ উল্লেখযোগ্য যে ১৯৩০ চনত অসমৰ শিক্ষাধিকৰ্ত্তা কনিংহাম চাহাবে অসম্মানজনক শিক্ষা নিয়ামক পত্ৰ প্ৰচাৰৰ দ্বাৰা অভিভাৱক সকলক তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে আন্দোলনত যোগ নিদিব বুলি প্ৰতিজ্ঞা পত্ৰ লিখি দিবলৈ দাবী কৰিলে। তাৰ প্ৰতিবাদত

আত্মসম্মান থকা স্বদেশপ্ৰেমী অভিভাৱক সকলে জাতীয়তাবাদী স্কুল পাতি নিজৰ আৰু দহৰ ল'ৰা-ছোৱালীক পঢ়া-শুনাৰ ব্যৱস্থা কৰি দিলে। তাৰ ফলশ্ৰুতি স্বৰূপে ১৯৩০ চনত গুৱাহাটীত গোপী বৰদলৈৰ নেতৃত্বত আৰু তেজপুৰত হেমচন্দ্ৰ বৰুৱাৰ উদ্যোগত ক্ৰমে কামৰূপ একাডেমী আৰু তেজপুৰ একাডেমীৰ জন্ম হ'ল।

১৯২১ চনৰ ২১ নৱেম্বৰৰ দিনা ইংৰাজ চৰকাৰে খিলাফৎ আন্দোলন বে-আইনী বুলি ঘোষণা কৰাত আন্দোলনৰ বল কমিব চাৰি দুগুণে বৃদ্ধিহে পালে। অসহযোগ আন্দোলনৰ সময় ছোৱাত পুলিচ-মিলিটাৰীয়ে কংগ্ৰেছৰ অফিচবোৰ অতৰ্কিতে আক্ৰমণ কৰি কাকত পত্ৰ নি লণ্ডভণ্ড কৰিছিল। ১৯২১ চনৰ ২৫ নৱেম্বৰৰ সন্ধিয়া এজন ভদ্ৰলোকে হেমচন্দ্ৰ বৰুৱাক খবৰ এটি দিলেহি, "আজি ৰেলখন ৰঙাপাৰাৰ পৰা আমাৰিবাৰীলৈ যোৱাৰ দিন নহয় যদিও গৈছে। বোধকৰো লক্ৰাৰ পৰা মিলিটাৰী-চিপাহী আনিবলৈ গৈছে। কাইলৈ কংগ্ৰেছ অফিচ খানাতালাচ হ'ব পাৰে। সাৱধানে থাকিবা" এই সংবাদে হেম বৰুৱাক হতাশ কৰক ছাবি আনন্দহে দিছিল। তেখেতে এই সম্পৰ্কে উল্লেখ কৰিছে—"ইমানদিনে আমি আন ঠাইত হোৱা খানাতালাচৰ খবৰ বাতৰি-কাকতত পঢ়িছিলো। এতিয়া আমাৰ পাল অহাত আমাৰ আনন্দৰ সীমা নোহোৱা হ'ল। জীৱনৰ এই ভাবি অভিজ্ঞতাৰ কাল্পনিক চিত্ৰ আঁকি থাকোঁতেই ৰাতি প্ৰায় শেষ হ'ল।"

অসহযোগ আন্দোলনৰ সময়ত তৰুণৰাম ফুকনক গ্ৰেপ্তাৰ কৰিব বুলি ওলোৱা কথা বনজুইৰ দৰে বিয়পিল। গ্ৰেপ্তাৰ কৰাৰ আগ-দিনা তেখেতক বিদায় দিবলৈ গুৱাহাটী লোকে লোকাৰণ্য হৈ পৰিল। হেম বৰুৱাও তেজপুৰৰ পৰা আহি ফুকনৰ বিদায় সভাত যোগ দিলে। ফুকনক গ্ৰেপ্তাৰ কৰাৰ পিচত শোভাযাত্ৰাকাৰী সকলবো ঘাই নেতাসকলক গ্ৰেপ্তাৰ কৰিলে। হেম বৰুৱাক গ্ৰেপ্তাৰ কৰি চাৰে পাঁচ মাহৰ সশ্ৰম কাৰাবাস বিহিলে। হেম বৰুৱাক

হাত কেৰেয়া মাৰি, কঁকালত নাৰিকলৰ ডাওৰ ৰচিৰে বান্ধি যোৰহাট জেললৈ চালান দিলে। ফাটেকত হেম বৰুৱাৰ ওপৰত অমানুষিক অত্যাচাৰ চলোৱা হৈছিল। তেখেতক গৰুৰ দৰে ঘানীত জুটি তেল পেৰাত লগাইছিল। এলোপাত খুন্দি ৰচি তৈয়াৰ কৰা কামত লগাইছিল। এলোপাত ডোমাচোৰাত জাতীয় এবিধ বিষাক্ত উদ্ভিদ। তাৰ এঠা লাগিলে সাংঘাটিক খুজুৱায় আৰু ঘা হয়। হেম বৰুৱাই বিনাবাক্যে আৰু অসীম ধৈৰ্য্যেৰে এইবোৰ কাম কৰি পশুত্বক জিনি মানৱতাৰ জয় ঘোষণা কৰিছিল।

জেলৰ পৰা আহি বৰুৱাই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ক্ৰমে সম্পাদক আৰু সভাপতি হৈ কেবাবছৰো কাম চলায়। শ্ৰীযুতা পুষ্পলতা দাসে ত্যাগবীৰ বৰুৱাৰ সম্পৰ্কত লিখিছে—"অনাহাৰ, অৰ্দ্ধহাৰ, অনিদ্ৰা, অৰ্থসংকটে জীৱনৰ যুঁজৰ বাটত, আদৰ্শৰ ৰাজ আলিত হেঙাৰ ধৰি থিয় দিলেও সেই বাধা হেলাৰঙে অতিক্ৰম কৰাৰ প্ৰতিজ্ঞা মনত আছিল কাৰণেই সকলো বাধাই নিজ লাজেৰেই উভতি যাবলৈ বাধ্য হৈছিল। সেই অজেয় মনৰ পৰিচয়েই তেওঁৰ সংগ্ৰামী জীৱনৰ পূৰ্ণ পৰিচয়।"

কংগ্ৰেছৰ গুৰু দায়িত্ব লৈ থকা সময়ত পণ্ডিত মদনমোহন মালব্য, ৰাজেন্দ্ৰপ্ৰসাদ আৰু ৰাজা গোপালচাৰি অসমলৈ আহে। বৰুৱাই তেখেত সকলৰ ভ্ৰমণ সূঁচী কৰি নিজেও লগত থাকি প্ৰদেশ কংগ্ৰেছ কমিটিৰ অগ্ৰগতিৰ বিষয়ে জানিব দিয়ে। উভতি গৈ 'ইয়ং ইণ্ডিয়া' কাকতত ৰাজাজীয়ে এইদৰে অভিমত প্ৰকাশ কৰে—"ভাৰতৰ আন প্ৰদেশত অসমীয়া কৰ্ম্মী দলৰ দৰে কৰ্ম্মী থকা হ'লে স্বৰাজ পোৱাটো অতি উজু কথা।" ৰাজাজীৰ এই উক্তি অসমীয়া জাতিৰ বাবে প্ৰেৰণাৰ উৎস, গৌৰৱৰ জয়দৌল আৰু স্মৃতিৰ নিৰ্মাল্য হৈ চন্দ্ৰ দিবাকৰ থাকে মানে জিলিকি থাকিব।

অসহযোগ আন্দোলনত অসমৰ ছাত্ৰ সমাজে আগবঢ়োৱা অকুণ্ঠ সহঁাৰিৰ কথা হেম বৰুৱাৰ লিখনিত এনেদৰে প্ৰকাশ পাইছে—

"অসমীয়া ছাত্ৰসকলে দলে—বলে স্কুল-কলেজ এৰি আহি কংগ্ৰেছ চলাবৰ বাট মুকলি কৰি দিলে যদিও এই ছাত্ৰসকলৰ বেছি ভাগেই কিছুদিনৰ পিছতে স্কুল-কলেজত পুনৰ যোগ দিলে। বাকী এমুঠি আৰু তেওঁলোকৰ লগলগা আন আন গাঁৱলীয়া ৰাইজে অসাধ্য সাধিলে। তেওঁলোক এই সময়ৰ কাৰ্য দেখি আন প্ৰদেশৰ মানুহে শলাগিছিল। কংগ্ৰেছে দাঙি ধৰা কাৰ্যতালিকা মতে তেওঁলোকে গাৱেঁ-ভূঞে সোমাই কানিৰ ৰাগিত অচেতন হৈ পৰি থকা অসমীয়াক কানি, ভাং, মদ, চিগাৰেট এৰি স্বদেশী বস্তু গ্ৰহণ কৰি অস্পৃশ্যতা বৰ্জন কৰি মানুহ হ'বলৈ বুজনি দি ফুৰিছিল। মহাত্মাজী অসমলৈ আহি তেখেতৰ বাণী প্ৰচাৰ কৰাত কংগ্ৰেছৰ এই তৰুণ কৰ্মীসকল স্বদেশ ভক্তিৰ সাধনাত আত্মহাৰা হৈ উঠিল। তেওঁলোকৰ প্ৰচাৰৰ ফলত ১৯২১-২২ চনত আগৰ বছৰৰ হিচাপ মতে ১৬৯৪ মোন কানিৰ ঠাইত ১০১৩ মোন ১ সেৰ কানি বিক্ৰী হৈছিল। আন্দোলনৰ ১২ মাহৰ ভিতৰত ৬০১ মোন কানিৰ ১৮০ মোন ১০ সেৰ ভাঙৰ আৰু আগৰ বছৰতকৈ শতকৰা ৫০ ভাগ মদৰ প্ৰচলন কমিল। এই প্ৰচাৰ কাৰ্য চলাওঁতে সেৱকসকলে জোৰ জুলুমৰ আশ্ৰয় লোৱা নাছিল। তথাপিও অসমৰ সেৱক সঙ্ঘবিলাক বেআইনী বুলি ঘোষিত হোৱাত দলে দলে সেৱক গ্ৰেপ্তাৰ হ'বলৈ ধৰিলে। জিলা কংগ্ৰেছ কমিটিৰ কাৰ্যকাৰকসকল এজনৰ পিছত এজনকৈ জেললৈ যাবলৈ ধৰিলে। ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহৰ পৰা ভাৰতজুৰি গ্ৰেপ্তাৰৰ বান উঠিল। অসহযোগ আন্দোলনত ৩৩ কোটি ভাৰতবাসীৰ ভিতৰত ২৫ হেজাৰে জেল খাটিছিল। ২০ লাখ অসমীয়াৰ ভিতৰত ১২০০ জন অসমীয়াই জেল খাটিছিল। ১৯২১ চন শেষ হোৱাৰ আগতেই প্ৰত্যেক প্ৰদেশৰ কৰ্মীসকল জেললৈ গ'ল। গোটেই দেশ কৰ্মী শূন্য হ'ল।

অসম কংগ্ৰেছে বহুতো ভাল কাম কৰি সৰ্বভাৰতীয় খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱাৰ গুৰিত আছিল ত্যাগবীৰ হেম বৰুৱা।

কিছুমান উকীলে আন্দোলন বাদ দি ধন ঘটাত লাগিছিল। কিছু-সংখ্যকে ওকালতিৰ লগতে এৰাধৰাকৈ আন্দোলনতো লাগিছিল। কিন্তু ওকালতি একেবাৰে বাদ দি কেৱল দেশৰ সেৱাতে আত্মনিয়োগ কৰা মুষ্টিমেয় কেইগৰাকীমানৰ ভিতৰত ত্যাগবীৰ আছিল অন্যতম। তেখেতে নিজক প্ৰতাৰণা কৰি ওকালতি আৰু আন্দোলন দুইটাকে চলোৱাৰ পক্ষ্যপাতি নাছিল। সেয়ে 'দৰিদ্ৰৰ লাউলোটা' লৈ বিদুৰ-নাৰদে কৃষ্ণ ব্যতিৰিকে আনক নভবাৰ দৰে তেখেতেও মহাত্মাক গুৰু মানি দেশমাতৃক সেৱা কৰাৰ বাহিৰে আন কোনো কথা ভবা নাছিল। দেশৰ সেৱাত ত্ৰুটি-বিচ্যুটি হোৱাৰ আশঙ্কা কৰি চিৰকুমাৰ হৈ কটাইছিল।

বয়স বাঢ়ি অহাৰ লগে লগে তেখেতক ভালেমান দুৰাৰোগ্য বেমাৰে আক্ৰমণ কৰিছিল। তাতে ১৯৩১ চনত বেলিয়াঘাটত বহা শিৱসাগৰ ৰায়ত সম্মিলনৰ সভাৰ পৰা উভতি আহোঁতে দুৰ্ঘটনা-ক্ৰমে দিখৌ নদীৰ থিয়গৰাত পৰি ভৰি আৰু ককাঁলত বিশেষ আঘাত পায়। তেনেদৰে ৰুগ্ন দেহ লৈ এটা মুহূৰ্ত্তও নিজৰ বাবে খৰচ নকৰি কেৱল দেশৰ সেৱাকে কৰিছিল। দেশপ্ৰেমৰ এনে উজ্বল নিদৰ্শন বোধকৰোঁ আন কোনো অসমীয়া লোকৰ গাত দেখা পোৱা নগৈছিল কাৰণেই তেখেত ত্যাগবীৰ হ'ব পাৰিছিল। অসমীয়া-লোকে গুণীজনৰ গুণ জীৱিত কালত প্ৰশংসা কৰাৰ নজিৰ নাই বুলিয়েই ক'ব পাৰি। থকা হলে আনন্দৰাম বৰুৱা, কৃষ্ণ সন্দিকৈ আদিব দৰে পণ্ডিতক পৃথিবীয়ে চিনি পোৱাব বহু আগতে আমি চিনি পাব লাগিছিল। মৰণোত্তৰ কালতহে তেখেতলৈ 'ত্যাগবীৰ' চাৰিত্ৰীক গুণাত্মক উপাধিটো অসমীয়া লোকে কৃতজ্ঞতাৰ চিন স্বৰূপে তেখেতক প্ৰদান কৰিছিল।

অসমীয়া সাহিত্যৰ এজন চিন্তাশীল সমালোচক শ্ৰীমুনীন বৰকটকীয়ে এই জাতীয় নেতা গৰাকীৰ সম্পৰ্কত নিজস্ব অভিমত দাঙি ধৰিছে—"অসমৰ জনপ্ৰিয়, বৰণ্য ৰাজনৈতিক নেতা স্বৰ্গীয় হেমচন্দ্ৰ

বৰুৱাৰ প্ৰসঙ্গত জাতীয় নেতৃত্বৰ সম্পৰ্কে এনে বাহুল্য আলোচনাৰ কি হক্ থাকিব পাৰে বহুতে হয়তো ভাবি আচৰিত হবলগীয়াই হ'ব। এনেকি গান্ধীজী, নেতাজী, পণ্ডিতজীৰ সৈতে একে উশাহতে হেম বৰুৱাৰ নাম লোৱাটো বহুতৰ বাবে হাস্যাস্পদভাবে সীমাজ্ঞানৰহিত কাম যেন লগা অসম্ভৱ নহয়। মহীৰূপ সদৃশ নেতৃত্বৰ 'ক্ৰনিক্' অভাৱ থকা আমাৰ অসমত স্বৰ্গীয় হেম বৰুৱাক এজন বিৰাট নেতাৰূপে প্ৰতিষ্ঠা কৰা মোৰ উদ্দেশ্য নহয় আৰু তেওঁক আমাৰ ৰাজনৈতিক নেতৃত্বৰ পৰম্পৰাৰ জাতীয় অথবা প্ৰাদেশিক 'মেনটৰ' বা গুৰু বুলি গ্ৰহণ কৰা ওকালতি কৰিবলৈকো মই ওলোৱা নাই। গৰিষ্ঠতা নাইবা প্ৰভাৱৰ পিনৰ পৰা হেমচন্দ্ৰ বৰুৱাতকৈ ওপৰ ‥পৰ ৰাজনৈতিক নেতা আমাৰ ইয়াত বৰ্ত্তমান সময়ত থাকক নেথাকক, আগতে স্বাধীনতাৰ পূৰ্বকালত নিশ্চয় আছিল। জাতীয় নেতৃত্বৰ সন্দৰ্ভত হেমচন্দ্ৰ বৰুৱালৈ মোৰ আৰু সম্ভৱতঃ মোৰ দৰে ভবা বহুতৰ শ্ৰদ্ধাৰে সৈতে মনত পৰে, এইবাবেই যে আমাৰ এই স্বল্পায়, 'ৰিটায়াৰিং' প্ৰকৃতিৰ আৰু পাদপ্ৰদীপৰ পৰা আঁতৰত থাকি ৰাষ্ট্ৰীয় আন্দোলন পৰিচালনা কৰি যোৱা এই নেতাজনৰ নেতৃত্বৰ এনে কেতবোৰ বৈশিষ্ট্য আছিল আৰু তাৰ এনে এটা স্বকীয় চৰিত্ৰ আছিল—যিটো মোৰ বিবেচনাৰে আমাৰ জাতীয় ৰাজনৈতিক ক্ষেত্ৰত নিতান্ত দুৰ্লভ। বস্তুতঃ কিছুমান দিশত হেমচন্দ্ৰ বৰুৱাৰ নেতৃত্ব অসমৰ ৰাজনীতিৰ ক্ষেত্ৰৰ একক। সেই বাবে অসমত জাতীয় নেতৃত্বৰ বিকাশ আৰু পৰম্পৰাৰ দৃষ্টিত স্বৰ্গীয় বৰুৱাৰ স্থিতি আৰু মূল্য ভালদৰে অধ্যয়ন কৰা উপযুক্ত বুলি মোৰ মনে ধৰে। এইটো অনুভৱ নকৰি নোৱাৰি যে বহুতো কথাত হেম বৰুৱাৰ নেতৃত্ব আমাৰ সাধাৰণ নেতৃত্বৰ সাজত আছিল এক উল্লেখনীয় ব্যতিক্ৰম।"

বৰকটকীয়ে গভীৰ সমালোচনাত্মক দৃষ্টিৰে চাই আকৌ কৈছে—"....বৰুৱা আদিৰ পৰা অন্তলৈকে আজিকালি ইংৰাজীত যি সকলক Grassroot Worker বুলি বৰ্ণোৱা হয় তেনে কৰ্মীনেতা হৈয়ে

থাকিল—যিসকল নেতাৰ সম্পৰ্ক বাহ্যিক চাতুৰ্যতকৈ ভিতৰুৱা বুনিয়াদী মূল গাঁথনিৰে সৈতে বেছি নিবিড় আৰু ঘনিষ্ঠ হয়। বৰুৱাৰ কৰ্মজীৱনৰ সৰহছোৱা সংগ্ৰামী ৰাজনীতিৰ সৈতে জড়িত হোৱাৰ বাবেই হওক নাইবা নিজৰ মানসিক অভিৰুচিৰ স্বাভাৱিক প্ৰৱণতাৰ ফলতেই হওক, হেম বৰুৱাৰ সংগঠনী আৰু আন্দোলনাত্মক ৰাজনীতিৰ প্ৰতি আনকি সোনকালে সফলতা দিব পৰা ৰাজনীতিতকৈ অনুৰাগ সৰহ আছিল। বৰুৱাই সংসদী ৰাজনীতি নকৰি বিপ্লৱী প্ৰত্যাহ্বান-মূলক আন্দোলনমুখী ৰাজনীতিত নামিছিল। বিপ্লৱী হলেও হেম বৰুৱা আছিল গঠনাত্মক বিপ্লৱী, বিদ্ৰোহী ৰাজনীতিক হলেও সংস্কাৰকামী, নিৰ্মানধৰ্ম্মী বিদ্ৰোহী—তাৰবাবে বিপ্লৱেই শেষ কথা নহয়, শেষ কথা নকৈ গঢ় দিয়াহে।”

১৯৩৪ চনত ‘ভাৰতীয় বিধান সভা’ৰ সদস্য নিৰ্বাচনৰ সময়ত দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ মাজত ম’হযুজঁ সদৃশ তুমুল নিৰ্বাচনী যুঁজ হৈছিল। অসমৰ বাহিৰত ‘ফুকনেই অসম, অসমেই ফুকন’; ভিতৰতো ফুকনৰ অখণ্ড প্ৰভাৱ। কৰ্মবীৰৰ প্ৰতিও অসমীয়া লোকৰ শ্ৰদ্ধা অসীম। ৰাইজে দুইজনকে সমানে বিচাৰে; কিন্তু উপায় কি? একেখন আসনৰ কাৰণে যুদ্ধ; এজনহে বহিব পাৰিব। কুৰুক্ষেত্ৰ যুদ্ধত শ্ৰীকৃষ্ণই ধনঞ্জয়ৰ পক্ষ লোৱাৰ দৰে ত্যাগবীৰ হেমবৰুৱাই বৰদলৈৰ পক্ষ্য ললে। কাৰণ কৰ্মবীৰ কংগ্ৰেছৰ মনোনিত প্ৰাৰ্থী, আৰু দেশভক্ত নিৰ্দলীয় প্ৰাৰ্থী। এই দুৰ্বাদল যুদ্ধত অসম্ভৱক সম্ভৱ কৰি বৰদলৈ জয়ী হোৱাত ফুকনে খেলুৱৈ সুলভ ভঙ্গীৰে ক’লে, “তোমালোকৰ সহজ নহল।” হেমবৰুৱা অবিহনে স’চাকৈয়ে বৰদলৈৰ জিকাটো সহজ নহলহতেন।

১৯৩৫ চনত ৫০ বছৰ পূৰ্ণ হোৱাত কংগ্ৰেছৰ ‘সোণালী জয়ন্তী’ মহোৎসৱ দেশজুৰি উলহ-মালহেৰে পালিত হ’ল। জুলাই মাহত ‘নতুন ভাৰতীয় সংবিধান’ গৃহীত হ’ল। এনেতে ১৯৩৬ চনৰ ফেব্ৰুৱাৰী মাহত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ আকস্মিক বিয়োগ

ঘটাত অসমৰ ৰাজনীতিৰ ক্ষেত্ৰত এক প্ৰকাৰৰ এটি অঘটন ঘটিল। অসমৰ পৰ্ব্বত-ভৈয়ামে এটি ডাঙৰ জোকাৰণি পালে।

১৯৩৭ চনৰ কথা। সাধাৰণ নিৰ্বাচনৰ সময়। কংগ্ৰেছ মিলিত জনসংঘ, আৰু মুছলিম লীগৰ প্ৰাৰ্থীৰ মাজত থৈয়া-নথৈয়া নিৰ্বাচনী যুদ্ধ হ'ল। শেষত ছাৰ শ্বাদুল্লা প্ৰিমিয়াৰ হৈ মন্ত্ৰীসভা গঠন কৰিলে। গোপীনাথ বৰদলৈ কংগ্ৰেছ দলৰ দলপতি হ'ল। ৰোহিনী কুমাৰ চৌধুৰী শ্বাদুল্লা মন্ত্ৰীসভাৰ কেবিনেট মন্ত্ৰী। তৰুণৰাম ফুকনে সংযুক্ত মন্ত্ৰী সভাৰ প্ৰস্তাৱ দিয়াত পুনৰ উথল-মাথল লাগিল। ১৯৩৮ চনত শ্বাদুল্লা মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আহিল। শ্বাদুল্লা মন্ত্ৰী সভাৰ পতন ঘটাত সংযুক্ত মন্ত্ৰীসভা গঠন হ'ল আৰু গোপীনাথ বৰদলৈ প্ৰিমিয়াৰ হ'ল।

১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হ'ল। জাপানে ব্ৰহ্মদেশ আক্ৰমণ কৰি মণিপুৰ পালেহি। যুদ্ধৰ পৰিস্থিতি অধ্যয়ন কৰাৰ কাৰণে নেতাজী সুভাষচন্দ্ৰ আৰু মৌলানা আবুল কালাম আজাদ অসমলৈ আহিল। প্ৰথম মহাসমৰৰ সময়ত কৰাৰ দৰে এইবাৰো ইংৰাজে ভাৰতবৰ্ষক যুদ্ধত লিপ্ত কৰিবলৈ ওলাল। দেশজুৰি প্ৰবল জনমত গঢ়ি উঠিল। ১৯৩৯ চনত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰাত চাৰ শ্বাদুল্লাই পুনৰ মন্ত্ৰীসভা গঠন কৰিলে।

শ্বাদুল্লাৰ নেতৃত্বত সংযুক্ত মন্ত্ৰীসভা ১৯৪১ চনৰ ২৫ ডিচেম্বৰলৈ তিষ্ঠি থাকিল। ২৫ ডিচেম্বৰৰ পৰা ১৯৪২ চনৰ ২৫ আগষ্টলৈ অসমত ৰাজ্যপালৰ শাসন প্ৰৱৰ্ত্তিল। ইতিমধ্যে বিয়াল্লিছৰ সৰ্বাত্মক আন্দোলনে খাণ্ড-খাণ্ড মূৰ্ত্তি ধৰি খেদি আহিল। ১৯৪২ চনৰ ২৫ আগষ্টৰ দিনা শ্বাদুল্লা পুনৰ প্ৰিমিয়াৰ হৈ ১৯৪৫ চনৰ ২৩ মাৰ্চলৈ লীগ মন্ত্ৰীসভা গঠন কৰি ভোগদখল কৰি থাকিল। এনেতে লীগ মন্ত্ৰীসভাৰ পতন ঘটিল আৰু ১৯৪৫ চনৰ ২৩ মাৰ্চৰ পৰা ১৯৪৬ চনৰ ১১ ফেব্ৰুৱাৰীলৈকে ছাৰ শ্বাদুল্লা পুনৰ সংযুক্ত মন্ত্ৰীসভাৰ প্ৰিমিয়াৰ হৈ থাকিল। সংযুক্ত মন্ত্ৰীসভাৰ ক্ৰমে আয়ুস টুটি আহিল।

১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছত ১১ ফেব্ৰুৱাৰীৰ দিনা লোকপ্ৰিয় গোপীনাথ বৰদলৈ কংগ্ৰেছ মন্ত্ৰীসভাৰ প্ৰিমিয়াৰ হ'ল আৰু ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা স্বাধীন ভাৰতৰ স্বাধীন অসমৰ বৰদলৈ মুখ্যমন্ত্ৰী হ'ল।

দেশ স্বাধীন হবলৈ পূৰা দুবছৰ বাকী থাকোঁতে ত্যাগবীৰৰ স্বাস্থ্যৰ বিশেষ অৱনতি ঘটিবলৈ ধৰে। ডাঃ ভুবনেশ্বৰ বৰুৱাই ত্যাগবীৰক সম্পূৰ্ণ নিজৰ তত্বাৱধানত ৰাখিছিল। তেখেতৰ যাতে সেৱা-শুশ্ৰূষাত কোনো অসুবিধা নহয় তাৰ বাবে অশেষ যত্ন কৰিছিল। ডাক্তৰ বৰুৱাই ত্যাগবীৰক কংগ্ৰেছ অফিচত থাকিব নিদি নিজৰ ঘৰতে ৰাখিছিল। তেখেতৰ যত্নত বৰুৱাই কিছু সকাহ পালে যদিও তেখেতক কিছুদিনৰ বাবে লৰি-চৰি ফুৰিবলৈ দিয়া হোৱা নাছিল। এনেতে ১৯৪৪ চনত গোপীনাথ বৰদলৈ জেলৰ পৰা খালাচ পালে। জেলৰ পৰা আহিয়েই বৰদলৈ যুদ্ধোত্তৰ কালত ৰাজ্যখনত দেখা দিয়া কলাবজাৰ দুৰ্নীতি, জোৰ-জুলুম আদিৰ পৰা ৰাইজক ৰক্ষা কৰিবলৈ কামত লাগি গ'ল। দেশৰ এনে পৰিস্থিতিত কি কৰা উচিত-অনুচিত ৰোগশয্যাত থাকি পিতামহ ভীষ্মৰ দৰে ত্যাগবীৰে পৰামৰ্শ দি থাকিল। কিয়নো বৰুৱাদেৱৰ ৰাজনৈতিক জ্ঞান ইমান বেচি আছিল যে তেখেতৰ লগত দিহা পৰামৰ্শ নকৰাকৈ কোনো কংগ্ৰেছ নেতাই কোনো এটি সমস্যাৰে সমাধানৰ পথত স্থিৰ সিদ্ধান্ত লোৱাৰ সাহস নকৰিছিল। ছাত্ৰ, কৃষক, বনুৱা, নাৰীশক্তি আদিৰ সকলো অনুষ্ঠানে বৰুৱাৰ পৰা উৎসাহ, আশীৰ্বাদ আৰু উপদেশ পাইছিল।

১৯৪৫ চনৰ মাৰ্চ মাহত শ্বাদুল্লা মন্ত্ৰী সভাৰ ওপৰত অনাস্থা প্ৰস্তাৱ অহাত ত্যাগবীৰৰ পৰামৰ্শ অনুসৰি গোপীনাথ বৰদলৈয়ে শ্বাদুল্লাৰ লগত চুক্তি স্বাক্ষৰ কৰিলে। ফলত সকলো ৰাজবন্দীয়ে খালাচ পালে।

১৯৪৫ চনৰ ৮ আগষ্ট। ত্যাগবীৰৰ নিৰ্দ্দেশমতে প্ৰথম বাৰৰ কাৰণে শ্বহীদ তৰ্পণ দিবস পালন কৰি বিয়াল্লিছৰ শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হ'ল। অগণন জনতাই শ্বহীদ সকলৰ আত্মাৰ

চিৰশান্তিৰ কাৰণে প্ৰাৰ্থনা জনালে। ত্যাগবীৰৰ শৰীৰত অনিবেশনত যোগ দিয়াৰ জোখাৰে শক্তি নাছিল। সভাৰ অন্তত দলে দলে ত্যাগবীৰক সাক্ষাৎ কৰিবলৈ আহি নিৰাশ হ'ল। চিৰ-কৌমাৰ্যব্ৰতী কলিৰ দধিচী ত্যাগবীৰক মহাকালে হাত বাউল দি মাতিব ধৰিছে।

১১ আগষ্ট পালেহি। ত্যাগবীৰৰ পবিত্ৰ আত্মাই নৰতনু ত্যাগ কৰি পৰমাত্মাত মিলাৰ শুভদিন, শুভক্ষণ গণি আছে। কাষত অৰ্জুনৰূপী অমিয় কুমাৰ দাস। ক্ষন্তেক পাছত শ্ৰীদেৱেশ্বৰ শৰ্ম্মাও আহি পালে। মহাপ্ৰয়াণৰ কালত শ্ৰীকৃষ্ণই সখা উদ্ধৱক তত্ত্বজ্ঞান উপদেশ দিয়াৰ আৰ্হিৰে অভিন্নাত্মা দাস আৰু শৰ্ম্মাক বুজনি দি আছিল। এনেতে বিষ্ণুদূত আদৰিবলৈ অহাৰ দৰে এজনে আহি মৃত্যুযাত্ৰী বৰুৱাৰ হাতত এখন তাঁৰবাৰ্ত্তা দিলেহি—"নলবাৰীত ৰেল-পুলিচে নীৰিহ ছাত্ৰসকলৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলাই আছে।" ভক্তৰ দুখত ভগৱানৰ চকুৰ লোতক সৰাৰ দৰে ত্যাগবীৰৰ দুগালেদি দুধাৰি লোতক সৰি পৰিল।

দাস আৰু শৰ্ম্মাই ত্যাগবীৰক কিছু বুজনি দি ওলাই গ'ল। ক্ষন্তেক পিছতে বেলিৰাম দাস সোমাই আহি বিচুৰ্ত্তি খালে। ত্যাগবীৰে মৃত্যুযন্ত্ৰণাত চট্‌ফটাব ধৰিছে। বিজুলি সঞ্চাৰে দুঃসংবাদ বিয়পি পৰিল। সকলোৰে মুখত এটাই প্ৰশ্ন—"লোকবন্ধু কলৈ গ'ল?" সকলো নিয়তিৰ পৰিহাস। বীৰ অভিমন্যুক সপ্তৰথীৰে চক্ৰবেহুৰ ভিতৰত বেৰি মৰাৰ সময়ত ভগৱানে চক্ৰান্ত কৰি পিতৃ অৰ্জুনক আঁতৰাই ৰখাৰ দৰে ত্যাগবীৰক বিষ্ণুৰ দূতে বেঢ়ি ধৰাৰ সময়ত বীৰ ধনন্তৰী ডাক্তৰ ভুবনেশ্বৰ বৰুৱাক তেখেতৰ কন্যাৰ শৰীৰত অসুখ জাপি দি কাছিয়াঙত আঁতৰ কৰি ৰাখিছিল। যন্ত্ৰণা সহিব নোৱাৰি ত্যাগবীৰে ভগৱানক ভাবিছিল আৰু কৈছিল—"সোণক (ডাঃ কনক চন্দ্ৰ বৰুৱা) মাতা। বৰ অস্বস্তি অনুভৱ কৰিছোঁ। আগেয়েতো মোৰ এনেকুৱা কেতিয়াও হোৱা নাই—ইয়াকেই মৰণ

কয় কিজানি। উস্ ৰাম, উস্ হৰি, উস্ কৃষ্ণ, পাৰ কৰা ৰঘুনাথ।”

ডাঃ বৰুৱাৰ প্ৰিয়ভাতৃ খ্যাতনামা ডাক্তৰ কনক চন্দ্ৰ বৰুৱা আহিল। ক্ষন্তেক পিছতে অগতিৰ গতি ডাক্তৰ হৰিকৃষ্ণ দাসো আহি পালে। ইতিমধ্যে ত্যাগবীৰৰ কণ্ঠগত প্ৰাণ। ডাক্তৰ বৰুৱাই অমিয় কুমাৰ দাসক একাষৰীয়াকৈ মাতি নি কাণে কাণে ক'লে—“হৃদপিণ্ডত এটি প্ৰবল আক্ৰমণ হৈছে। সম্ভৱতঃ তেওঁ নাবাচিব।” তথাপি ডাক্তৰ বৰুৱাই শেষ চেষ্টা চলাই ইন্‌জেক্‌চন এটি দিলে। কিন্তু হায়! সকলো চেষ্টা বিফল হ'ল। চাকিত যে তেল নাই। শলিতাগছ এবাৰ ভম্‌কৈ জ্বলি উঠি চাট্‌কৰে নুমাই থাকিল। এইদৰে চিৰ কৌমাৰ্যব্ৰতী ত্যাগবীৰে মাতৃভূমিক উদ্ধাৰৰ কাৰণে জীৱন পূৰ্ণাহুতি দিলে।

—:o:—

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

কুৰি শতিকাৰ তৃতীয় আৰু চতুৰ্থ দশকত ভাৰতবৰ্ষৰ ৰাজনীতিৰ পথাৰ চহাওতে অসমৰ পৰা দুজন সিংহ পুৰুষে যুঁৱলি কান্ধত লৈছিল, তাৰে প্ৰথম গৰাকী কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দ্বিতীয় গৰাকী দেশভক্ত তৰুণৰাম ফুকন। প্ৰথম গৰাকী দুবছৰ আগে ভুভাৰস্তলৈ আহি দুবছৰ আগতে প্ৰস্থান কৰিলে, দ্বিতীয় গৰাকীয়ে তিনি বছৰ পিছত অগ্ৰজ প্ৰতিমৰ পদানুসৰণ কৰিলে। জাতিৰ বুৰঞ্জী আৰু স্বদেশৰ ইতিহাসত দুজনেই হীন-দেঢ়ি নোহোৱাকৈ সমানৰ স্থান দখল কৰি আছে। ১৯২০ চনৰ পৰা ১৯৩৪ চনলৈকে দুয়োজনে কোনো বিষয়তে মনান্তৰ নোহোৱাকৈ অভিন্ন আত্মা ৰূপে স্বজাতি-স্বদেশৰ সেৱা কৰি জীৱনৰ শেষ দশাত দাঁতে-ওঠে কামোৰ লগাৰ দৰে দুয়োৰে কিছু মতান্তৰ হ'ল। 'গ্ৰাহ-গজেন্দ্ৰ'ৰ দৰে নিৰ্বাচনৰ যুদ্ধত দুয়ো অৱতীৰ্ণ হ'ল, কিন্তু অন্তৰ এখনেই থাকিল—দেশক ভালপোৱা, মৃত্যুপণ কৰি দেশৰ হকে কাম কৰি যোৱা। ক্ষমতাৰ লোভ দুজনৰেই নাছিল, কিন্তু দেশৰ পৰিস্থিতিয়ে দুয়োকে সৰ্বভাৰতীয় নেতাৰ শাৰীলৈ টানি নিছিল। দুয়োজনৰে ওপৰত এই যুগৰ শ্ৰেষ্ঠ মানৱ মহাত্মাগান্ধীৰ সমানে আশীৰ্বাদ পৰিছিল। কৰ্মনিষ্ঠা আৰু ব্যক্তিত্বৰ পৰিচয় পাই এজনক ১৯২০ চনৰ নাগপুৰ কংগ্ৰেছ অধিবেশনৰ পিছতে কংগ্ৰেছ অনুষ্ঠানটো বিশেষভাৱে ক্ৰিয়াশীল কৰাৰ কাৰণে দায়িত্ব দিছিল। কংগ্ৰেছৰ সংবিধানখন সংশোধন আৰু পৰিবৰ্দ্ধন কৰাৰ বাবে ৰঙ্গস্বামী আয়েঙ্গাৰৰ লগত দুজনীয়া কমিটিৰ সমস্য পাতি দি সৰ্বভাৰতীয় নেতাৰ সন্মান দিছিল। ১৯২১ চনত অসহযোগ আন্দোলনৰ সময়ত অসমলৈ

আছি আনজনৰ ঘৰত আলহী থাকি শ্ৰীকৃষ্ণৰ বিদুৰ প্ৰীতি দেখুৱাইছিল।

১৯৩৬ চনৰ ১৫ ফেব্ৰুৱাৰীৰ দিনা ৫৯ বছৰ ৩ মাহ ১২ দিন পূৰ্ণ কৰি কৰ্মবীৰে অকস্মাতে পৰলোক গমন কৰাত দেশভক্তই জ্যেষ্ঠজনৰ বিৰহত শোকৰ কথা-কবিতা লিখি অন্তৰ উজাৰি দিছিল—"এজনে তেওঁক বুঢ়া বয়সত মটৰ চলোৱা ভাল নহয় বুলি ক'লে। কোৱা মাত্ৰকে তেওঁ অগ্নিশৰ্মা হৈ উঠিল; "কিহৰ বুঢ়া দেখিছাহে? তোমাৰ দৰে জুহালৰ কাষত উম লৈ থাকিলেহে হ'ব। মই তেনেকৈ থাকিব নোৱাৰোঁ। বিচনাত এইদৰে পৰি থকাতকৈ মৃত্যুয়েই ভাল।" "মৃত্যু শয্যাত শুই তেখেতে মোক এই কথাষাৰ কৈছিল। কোনে ভাবিছিল যে ভগৱন্তই তাতেই (মটৰ দুৰ্ঘটনাতেই) তথাস্তু বুলিব? অসমৰ দুৰ্কপাল; এনে সময়ত এনে বীৰ সন্তান তিৰোহিত হ'ল। দাতা কৰ্ণই নিজৰ পুত্ৰক দান দিয়াৰ দৰে অসমী আয়ে শ্ৰেষ্ঠ দান স্বৰূপে আগবঢ়াই দিলে তেওঁৰ সুযোগ্য পুত্ৰ কৰ্মবীৰ নবীন-চন্দ্ৰক। শোকাতুৰা জননী আজি ম্ৰিয়মানা, কিন্তু দানৰ গৌৰৱত ধন্যা।. কৰ্মনিষ্ঠা নৰদেহ ধৰিত্ৰীৰ কোলাত থৈ অক্ষয়কীৰ্তি নবীন-চন্দ্ৰই মাতৃৰ কোলত আশ্ৰয় ললে। অসমত দেশৰ কাৰণে আত্মত্যাগ কৰিব পৰা সকলৰ অগ্ৰগণ্য নবীনচন্দ্ৰই আছিল। তেখেতৰ পুণ্যাত্মাই অসমক ধন্য, পবিত্ৰ আৰু শ্ৰীসম্পন্ন কৰি ৰাখক এয়ে আমাৰ কামনা।"

অসহযোগ আন্দোলনৰ এক শতাব্দীৰ আগৰ কথা। আহোম ৰাজত্বৰ শেষৰ দশাত দুই বিয়ৈৰ ক্ষমতাৰ যুজঁত বৰ্বৰ মানে আহি অসম দেশ ছাৰখাৰ কৰিলে। বহুতে প্ৰাণ লৈ দিহিঙে-দিপাঙে পলাল। মানৰ পৈশাচিক অত্যাচাৰত শই শই প্ৰাণ দিলে। মানে গৰ্ভিনীৰো উদাৰ ফালি সন্তানক মুচৰি মাৰিলে। শ-শজনক হাতে-ভৰি বান্ধি চোচঁৰাই বগৰাই ব্ৰহ্মদেশলৈ লৈ গ'ল। তাৰে এটি বাৰ বছৰীয়া অনুপম দেহৰ ল'ৰা, নাম কমলনাথ, মানৰ হাতৰ পৰা

মূৰপুলোকা দি সকলোকে আচৰিত কৰি কেনেবাকৈ উত্তৰ গুৱাহাটী পালেহি। ইতিমধ্যে বল্লনাথৰ পিতৃ বস্তেশ্বৰ বিপ্ৰয়ো কুলদেৱতা 'বাসুদেৱ কৃষ্ণৰ' বিগ্ৰহ কণ্ঠত আঁৰি মৰো-জিৰোঁ অৱস্থা লৈ উত্তৰ গুৱাহাটীত থিতাপি লৈছিলহি। শিৱসাগৰ নিবাসী সূৰ্য্যখড়ি বিপ্ৰৰ বংশোদ্ভৱ ৰুদ্ৰখড়ি বৰদলৈৰ উত্তৰ পুৰুষ বস্তেশ্বৰ, বস্তেশ্বৰৰ পুত্ৰ বল্লনাথ। কালক্ৰমত বল্লনাথ অৱস্থাৱান আৰু প্ৰতিপত্তিশালী লোক হৈ উঠিল। উত্তৰ গুৱাহাটী পুৰণি ৰজাদিনীয়া নগৰ; অনেক ৰাজনীতিবিদ, কবি-সাহিত্যিক, সম্ভ্ৰান্ত লোকৰ জন্মস্থান বীৰভূমি উত্তৰ গুৱাহাটী। সিসকলৰ মাজৰ কৃষ্ণৰাম ভঁৰালী বৰুৱা অন্যতম। ধনে-ধানে খিতাপে পদবীৰে কৃষ্ণৰাম প্ৰতিভাবানলোক, কিন্তু নিঃসন্তান। তেখেতৰ ৰূপলাৱণ্যময়ী দুয়োগৰাকী ভতিজা জীয়ৰী পদ্মাৱতী আৰু চন্দ্ৰৱতীক বল্লনাথে বিয়া কৰায়।

পদ্মাৱতীৰ পুত্ৰ চিভিলিয়ান, মুন্সিফ পদাধিকাৰী স্বনামধন্য ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ। তেখেতে সেই সময়ৰ অসমৰ চৰকাৰী বিষয়া সকলৰ ভিতৰত সৰ্বোচ্চ স্থান অধিকাৰ কৰি মাহিলি সাৰেশ টকা দৰ্মহা পাইছিল, এতিয়াৰ হিচাপত আঠ হেজাৰৰ কম নহব চাগে! তথাপি তেখেত অহঙ্কাৰী নাছিল, পৰম ধাৰ্মিক আৰু দয়াশীল আছিল। ন্যায়নিষ্ঠ মাধৱ বৰদলৈয়ে পত্নীক কৈছিল— "মোৰ ল'ৰাহঁতে যদি কেতিয়াবা কাৰো অন্যায় কৰি এটা পায়ো মোৰ ঘৰত সুমুৱাই সিদিনাই মোৰ ঘৰত জুই সোমাব আৰু সকলো সম্পত্তি নষ্ট হৈ যাব।"

মাধৱচন্দ্ৰ বৰদলৈ কলীয়া বৰদলৈৰ ঘৰৰ দেহীৰাম বৰদলৈ পাটগিৰীৰ কন্যা সোমেশ্বৰীক বিয়া কৰায়। উত্তৰ গুৱাহাটীৰ পৈত্ৰিক ভিঠাত ১৮৭৫ চনৰ ৩ নবেম্বৰৰ দেওবাৰে কুলৰ তিলক নবীন-চন্দ্ৰৰ জন্ম হয়। জ্যোতিষীয়ে গণিপিতি মাতৃক ক'লে—"আই, তোৰ এই ল'ৰা খেৰৰ ঘৰত জন্মিছে, ই কিন্তু সদায় আট্টালিকাত বাস কৰিব আৰু সমগ্ৰ দেশত এজন স্বনামধন্য পুৰুষ হব। বংশত সূৰ্য্যৰ

দৰে উজ্জ্বল হ'ব আৰু দীৰ্ঘায়ু হ'ব।" সময় বৈ নেথাকিল। জ্যোতিষীৰ কথা আখৰে-আখৰে ফলিয়ালে।

নবীনচন্দ্ৰৰ শিশু শিক্ষা আৰম্ভ হৈছিল বুঢ়ীমাকৰ শোৱা পাটিত। বুঢ়ীমাকৰ বাষ নবীনচন্দ্ৰই নেৰিছিল আৰু তেওঁৰ মুখত সাধুকথা আৰু লাৱনি সুৰত গোৱা গীত বৰগীত শুনি শুনি নবীন-চন্দ্ৰই মন্ত্ৰমুগ্ধ সাপৰ দৰে ৰ লাগি চাই আছিল। পুৱতী নিশা বুঢ়ী-মাকে গাইছিল—উঠৰে উঠ বাপু! গোপালহে

নিশি পৰভাত ভৈল

কমল নয়ন বুলি ঘণে ঘণে

যশোদা ডাকিবে লৈল—ইত্যাদি।

পানীৰ মাছে পানীক ভয় নকৰাৰ দৰে ব্ৰহ্মপুত্ৰৰ পাৰত জন্মগ্ৰহণ কৰা নবীনচন্দ্ৰয়ো ব্ৰহ্মপুত্ৰৰ লগত মিতিৰালি পাতি ল'ৰা কালতে সাঁতুৰি ইপাৰ সিপাৰ হৈছিল; ব্ৰহ্মপুত্ৰৰ বালিত ঘাঁহ খাই থকা ঘোঁৰাবোৰৰ পিঠিত উঠি নিৰ্ভয়ে দৌৰি ফুৰিছিল। পিচত দেউতাকে নবীনচন্দ্ৰৰ ঘোঁৰাদৌৰৰ চখ মিতাবলৈ ধুনীয়া বেগী ঘোঁৰা এটা কিনি দিছিল। সাঁতোৰ আৰু ঘোঁৰাদৌৰৰ লগতে দক্ষভাৱে ব্ৰহ্মপুত্ৰত নাওঁ বাবলৈ আৰু মাছ ধৰিবলৈকো শিকিছিল। কাজেই ৰুচোৰ পূৰ্ণ মানৱ গঢ়াৰ আৰ্হিৰে নবীনচন্দ্ৰৰ শিক্ষা পৰিক্ৰমা আৰম্ভ হৈছিল। মাতৃদত্ত দৈহিক ঐশ্বৰ্য্য আৰু নিৰ্মল চৰিত্ৰ, পিতৃদত্ত মহৎ গুণ আৰু স্বোপাৰ্জিত জ্ঞানবিজ্ঞানে নবীনচন্দ্ৰক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিছিল।

মাধৱ চন্দ্ৰ বৰদলৈ তেজপুৰত হাকিম হৈ থকা সময়ত নবীন-চন্দ্ৰই তেজপুৰ হাইস্কুলত পঢ়িবলৈ লয়। সেই সময়ত এচাম বঙালীৰ ষড়যন্ত্ৰত অসমীয়া ভাষা বিপন্ন হৈ পৰিছিল। ছাত্ৰ নবীনচন্দ্ৰ তেজপুৰ লিটাৰেৰী ক্লাৱৰ সম্পাদক আছিল। ছাত্ৰাৱস্থাতে নবীন-চন্দ্ৰই অসমীয়া ভাষাৰ হক দাবী তুলি কাকতে-পত্ৰে লিখিছিল, ইংৰাজ চৰকাৰৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰিছিল। বৰদলৈৰ

এনেবোৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱাই সন্তোষ প্ৰকাশ কৰিছিল। পোন্ধৰ বছৰীয়া স্কুলীয়া ছাত্ৰ নবীনচন্দ্ৰই লেখনিৰ দ্বাৰা অসমীয়া মানুহক বঙালীৰ আৰ্হিৰে 'বাবু' নুবুলি 'শ্ৰীযুত' 'ডাঙৰীয়া' আদি সন্মানসূচক শব্দ ব্যৱহাৰ কৰিবলৈ অনুৰোধ কৰিছিল।

বৰদলৈয়ে কলিকতাৰ চেণ্ট জেভিয়াৰচ কলেজৰ পৰা আই এ. আৰু প্ৰেচিডেন্সি কলেজৰ পৰা বি. এ. পাছ কৰে। লগে লগে এম. এ. আৰু ল পঢ়িবলৈ লৈছিল যদিও ল পৰীক্ষা পাছ কৰি সিমানতে শিক্ষাজীৱন শেষ কৰে। বৰদলৈৰ ছাত্ৰজীৱনৰ কেইগৰাকীমান বিশিষ্ট বন্ধু আছিল—পণ্ডিত হৰিনাথ দে, প্ৰবোধ চন্দ্ৰ দাস, বিভূতিভূষণ বীত, পৰমেশ্বৰ লাল, চন্দ্ৰ শেখৰ লাল, চন্দ্ৰধৰ বৰুৱা, সূৰ্য্যকান্ত বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, গোলাপচন্দ্ৰ ভূঞা আৰু ৰজনীকান্ত শৰ্মা।

চন্দ্ৰধৰ বৰুৱা বৰদলৈৰ সাহিত্যিক বন্ধু আছিল। দুয়ো প্ৰতিযোগিতা চলাই গীত-কবিতা ৰচনা কৰিছিল। কলিকতাত থকা কালতে বৰদলৈয়ে বাঁহী বজাবলৈ শিকে। কলেজ এৰিবৰ সময়ত বিদায় সভাত বৰদলৈয়ে তেখেতৰ স্বৰচিত গীত আবেগ ভৰা কণ্ঠেৰে গোৱাত বহুতৰে চকুল লোতক সৰিছিল—

> "আজি বছৰৰ শেষে ভাৰবীয়া বেশে
> বিদায় মাগিছো ভাই
> বহু দুখে-সুখে প্ৰীতি ভৰা বুকে
> নৰম চেনেহ পাই।"

ওচৰা-ওচৰিকৈ থাকিলে অতি আপোনজনৰ লগতো মতান্তৰ হয়, দাঁতে-ওঠে লাগে, সাময়িকভাৱে মাত-বোল কৰাও বন্ধ হয়। ইংৰাজ কবি শ্বেলীয়ে কোৱাৰ দৰে (Our Sweetest Songs are those that tell us saddest thought) 'আমাৰ চৰম দুখৰ কাহিনীবোৰেই আমাৰ চৰম সুখৰ গান' হৈ ধৰা দিয়ে। চন্দ্ৰধৰ বৰুৱাৰ লগত বৰদলৈৰ কিছুদিন মাত-বোল নাছিল। এনেতে হঠাৎ

চন্দ্ৰধৰ বৰুৱাৰ পিতৃ বিয়োগৰ বাতৰি আহিল। চন্দ্ৰধৰ বৰুৱাই এই সম্পৰ্কত লিখিছে—'নবীনচন্দ্ৰ বৰদলৈ সৰুৰেপৰা বৰ ওখ মনৰ, মহৎ স্বভাৱৰ মানুহ আছিল। তেওঁৰ জীৱনৰ সৰু-সুৰা ঘটনা এটালৈ মোৰ মনত পৰে। ১৮ নম্বৰ আমহাৰ্ষ্ট ষ্ট্ৰীটত আমি মেছ কৰি থাকোঁতে কিবা এটা সামান্য কথাত তেওঁৰে-মোৰে দন্দ লাগিল··। সেইবাবে দুয়ো কিছুদিন মাত-বোল নকৰাকৈ আছিলোঁ। এনেতে হঠাৎ মোৰ পিতৃ বিয়োগ ঘটিল। তেতিয়া তেওঁ এদিন আহি মোক সাৱট মাৰি ধৰিলে আৰু ক'বলৈ ধৰিলে—"ভাই! তোমাৰ বিপদত মই বৰ বেজাৰ পাইছো, সেই দিনাৰ কাজিয়াৰ বাবে মোক ক্ষমা কৰিবা। দোষ মোৰ গাতহে, তোমাৰ গাত নহয়। মোৰ ওপৰত বেজাৰ এৰি পেলোৱা।' সেই সময়ত তেওঁৰ সৰল হিয়াৰ ছাঁয়াটি মুখ দাপোনত জিলিকি উঠিছিল। মোৰ চকুপানী ওলাল; তেওঁৰো চকুত পানী। তেওঁলৈ মোৰ ভক্তি জন্মিল।"

বৰদলৈয়ে ১৯০০ চনত আইন পৰীক্ষা পাছ কৰি গুৱাহাটীত ওকালতি আৰম্ভ কৰে। কেইবছৰমান পিছতে কলিকতা উচ্চ ন্যায়ালয়লৈ যায় আৰু ১৯০৮ চনৰ পৰা একেৰাহে ১৯১৮ চনলৈ তাত আইন ব্যৱসায় কৰি অসহযোগ আন্দোলনৰ আগে আগে পুনৰ গুৱাহাটীলৈ আহে। তাৰ পিছত আসাম এছোছিয়েশ্যনৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ পৰি অসমৰ স্বায়ত্ত শাসন সম্পৰ্কে ইংৰাজ চৰকাৰৰ ওচৰত নথী পেচ কৰে। এনেতে ১৯২০ চনত নাগপুৰত বহা কংগ্ৰেছ অধিবেশনলৈ গৈ মহাত্মা গান্ধীৰ লগত প্ৰথম দৰ্শন হয়। মহাত্মাজীয়ে বৰদলৈৰ বিচক্ষণ বুদ্ধিৰ পৰিচয় পাই কংগ্ৰেছৰ সংবিধান সংশোধন কৰা দুজনীয়া কমিটিৰ বৰদলৈক সদস্য পাতে। প্ৰথম দৰ্শনতে মহাত্মাই ডেকা নবীনচন্দ্ৰ বৰদলৈৰ সম্পৰ্কত যি উচ্চ ধাৰণা লৈছিল নবীনচন্দ্ৰই তাক ৰক্ষা কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল আৰু তাৰেই পৰিণতি স্বৰূপে এদিন সৰ্বভাৰতীয় নেতাৰ আগশাৰীত বহি 'কৰ্মবীৰ' উপাধি লাভ কৰিছিল।

মহাত্মা গান্ধীৰ আহ্বান ক্ৰমে বৰদলৈয়ে ওকালতি এৰি আন্দোলনত আত্মনিয়োগ কৰে। ১৯২১ চনত মহাত্মাই অসম ভ্ৰমণৰ পাছত উলটি গৈ "ইয়ং ইণ্ডিয়া" কাকতত 'মনোৰম অসম' (Lovely Assam) শিৰোনামাৰ প্ৰবন্ধত উল্লেখ কৰিছিল, অসমৰ প্ৰায় ৭৮জন অসমীয়া উকীলৰ ভিতৰত ১৫জনে তেওঁলোকৰ ওকালতি ব্যৱসায় ত্যাগ কৰিছিল, সম্ভৱ ভাৰতৰ ভিতৰত সেইটো শতকৰা হাৰত উচ্চতম নজিৰ আছিল। ১৫ জনীয়া অসমীয়া উকীলৰ দলটোৰ ভিতৰত নবীনচন্দ্ৰ বৰদলৈ অন্যতম আছিল।" অসহযোগ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি বৰদলৈ গ্ৰেপ্তাৰ হয় আৰু সেই যাত্ৰাত ওঠৰ মাহ কাৰাদণ্ড ভোগে।

সেই সময়ত বাল্য বিবাহৰ কু-প্ৰথা অসমীয়া সমাজতো আছিল। নবীনচন্দ্ৰৰ বয়স তেতিয়া ওঠৰ বছৰ। উজনিৰ চাহ খেতিয়ক মালভোগ বৰুৱাৰ সৰু মাজিউ দহ-এঘাৰ বছৰীয়া জীয়ৰী হেমন্ত কুমাৰীক নবীনচন্দ্ৰ বৰদলৈয়ে বিয়া কৰায়। কৰ্মবীৰৰ বিবাহৰ থূলমূল বৰ্ণনা এটি তেখেতৰ মহিয়সী কন্যা নলিনীবালা দেৱীৰ লিখনিত এনেদৰে পোৱা যায়—"ল'ৰাই ছোৱালী চাই বিয়া কৰোৱা তেতিয়াৰ দিনত নিয়ম নাছিল। মাক-বাপেকে, গুৰুজনে জাঁতিগুৰি, বংশ-মৰ্য্যাদা, ৰাশিচক্ৰ মিলাই, লক্ষণ কাৰণ চাই ছোৱালী খোজে; ল'ৰায়ো ছোৱালী নেদেখাকৈ বিয়া কৰায়। সেই নিয়ম মতেই তেখেতসকলে বিয়া কৰাইছিল।"

দৰাৰ সাজ-পোছাক সম্পৰ্কে নলিনীবালাই লিখিছে—"সেইদিনৰ দৰাৰ সাজ আছিল অসমীয়া ধৰণৰ। অসমৰ ডা-ডাঙৰীয়াসকলৰ ধৰণৰ সাজপাৰ আছিল দৰাৰ সাজপাৰ। মূৰত গুণাৰ কাম কৰা অসমীয়া পাগুৰী, গাত কাচিপৰ বা গোমচেঙৰ দীঘল এঙাচোলা, হাতত গামখাৰু, কাণত সোণ, ডিঙিত সাতসৰি বা মালামণি, পাতৰ চুৰীয়া, গুণাৰ ফুলবচা চেলেং, এইধৰণে অসমীয়া দৰাই সাজপাৰ পিন্ধিছিল। পিতৃ বৰদলৈদেৱৰ মুখেই শুনা, তেখেতসকলে

হেনো অসমীয়া দৰাৰ সাজ পিন্ধি বিয়া কৰাইছিল।”

বৰদলৈয়ে অসমীয়া দৰাৰ সাজপাৰ সম্পৰ্কে কোৱা কথা—“বিয়া কৰাবলৈ যোৱা মানে নৱ-যৌৱনৰ অধীশ্বৰ তৰুণ পুৰুষে সেইদিনা জীৱনৰ পূৰ্ণ অধিকাৰী হ’বলৈ পৰম পৱিত্ৰ জয়যাত্ৰা লৈ আগবাঢ়ে। মানুহ জীৱনৰ বাঞ্ছিত জয়যাত্ৰাত ৰাজবেশহে শোভা পায়, নাইবা নিজৰ জাতীয় সাজপাৰ বীৰবেশ পিন্ধি বিয়া কৰাবলৈ যাব লাগে। অসমৰ জাতীয় সাজপাৰ ‘পাগ’ এটি অপৰিহাৰ্য্য সাজ, সদায় নিপিন্ধিলেও অন্ততঃ বিয়াৰ দিনা দৰা হওঁতে পিন্ধিব লাগে। বঙ্গদেশৰ বিয়াৰ দৰা-কইনাকো বিয়াৰ দিনা টোপৰ, মুকুট পিন্ধায়। কিন্তু আমাৰ আজিকালিৰ অসমীয়া দৰা সকলে নিজৰ সাজপাৰতো এৰিলেই বঙালীবাবুৰ সাজপাৰহে ল’লে। বঙালী বাবুটিৰ দৰে সাজি-পাৰি, মুখত ৰুমালখন লৈ এজনে ধৰি নি দৰাটিক আলফুলকৈ বহুৱাব লাগে। এনে ধৰণৰ দৰাৰ সাজ মই সমূলি ভাল নাপাওঁ। অসমীয়া দৰাৰ সাজত এটি জাতীয় বিশেষত্ব ৰাখিবলৈ যত্ন কৰিব লাগে।”

অসহযোগ আন্দোলনৰ পৰিপ্ৰেক্ষিতত মহাত্মা গান্ধী একেবাৰে ছবছৰ জেলত থাকিবলগীয়া হোৱাত কংগ্ৰেছ কৰ্মীসকলৰ মাজত উইলিছাচৰ সৈন্যদলৰ দৰে অৱসাদ আহিল। কিছুমান কিংকৰ্ত্তব্য বিমূঢ় হ’ল। তেতিয়া দেশভক্ত, কৰ্মবীৰ প্ৰমুখ্যে অসমৰ বীৰ সেনাপতিসকল কাৰাগাৰত। যি কি নহওক কাৰাগাৰৰ ম্যাদ উকলি যোৱাত বহুতে খালাচ পালে। কাণ্ডাৰীহীন নৌকা যেনি-তেনি যোৱাৰ দৰে মহাত্মাহীন কংগ্ৰেছ দলটো লক্ষ্যভ্ৰষ্ট হ’ল। কংগ্ৰেছ দলৰ মাজত ভাঙোন আহিল। পণ্ডিত মতিলাল নেহৰু আৰু দেশভক্ত চিত্তৰঞ্জন দাসৰ দলে কংগ্ৰেছৰ কাউন্সিল বৰ্জন সিদ্ধান্তৰ প্ৰতিকূলে কাম কৰিলে আৰু ৰাজাগোপালাচাৰীৰ দলে মহাত্মাৰ গঠনমূলক কাৰ্য্যৰ আঁচনিমতে কাম কৰি যোৱাৰ প্ৰতিজ্ঞা ললে। ১৯২২ চনত গয়াত বহা কংগ্ৰেছ অধিবেশনত যোগ দি

তৰুণৰাম ফুকনে মতিলাল নেহৰু আৰু চিত্তৰঞ্জন দাসৰ মত সমৰ্থন কৰি কাউন্সিল বৰ্জন নকৰিবলৈ লোৱা সিদ্ধান্তত একমত হয়। কৰ্মবীৰ সেই সময়ত ফাটেক ঘৰত। গয়া অধিৱেশনৰ পাছতে নেহৰু-দাস-ফুকনৰ মিলিত চেষ্টাত স্বৰাজ্য দল গঠন হয়। কুলধৰ চলিহা প্ৰমুখ্যে অসমৰ আন কেইবাগৰাকী নেতায়ো স্বৰাজদলত যোগ দিয়ে। মহাত্মা গান্ধী জেলৰপৰা আহি ৰাজনৈতিক দল হিচাপে স্বৰাজ্য দলক প্ৰাধান্য দিয়ে আৰু কংগ্ৰেছী সদস্যসকলক গঠনমূলক কামত আত্মনিয়োগ কৰিবলৈ কয়। ইতিমধ্যে বৰদলৈও জেলৰপৰা আহি কংগ্ৰেছৰ গঠনমূলক কামত ব্যস্ত হৈ পৰে।

বৰদলৈ জেলৰ পৰা ওলাই অহাৰ অলপ দিন পিছতে শিৱসাগৰত অসম ছাত্ৰ সন্মিলনৰ অধিৱেশন বহে। বৰদলৈ অধিৱেশনৰ সভাপতি। সভাগৃহত প্ৰৱেশ কৰাৰ লগে লগে জনতাই বিপুল হৰ্ষধ্বনি তুলি "কৰ্মবীৰ বৰদলৈ ডাঙৰীয়াৰ জয়" দিলে। সকলো সম্প্ৰদায়ৰ লোকে তেখেতক সম্বৰ্দ্ধনা জনালে, বহুতে মহাত্মা গান্ধীৰ চৰণ স্পৰ্শ কৰি সেৱা কৰাৰ দৰে আহি সেৱা কৰিলে, এজন বয়োবৃদ্ধ মুছলমানে তেখেতক দুহাতেৰে বুকুত সাৱটি ধৰিলে।

সভাত বৰদলৈয়ে ছাত্ৰ-শিক্ষকৰ কৰ্তব্যাকৰ্তব্য, শিক্ষাৰ পৰিক্ৰমা, সমাজৰ দায়িত্ব আদিৰ বিষয়ে সকলোকে সজাগ কৰি দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলক সম্বোধি কোৱা কথাখিনি প্ৰণিধান-যোগ্য আৰু অনুকৰণীয়—"হে মোৰ প্ৰিয়তম বন্ধু আৰু আইদেউ সকল! কুমলীয়া তোমালোকক বন্ধু বুলি মাতিবলৈ মোৰ কিমান ভাল লাগে ক'ব নোৱাৰোঁ। বৰ গৌৰৱেৰে কওঁ যে আজিও মোৰ ছাত্ৰ জীৱন শেষ হোৱা নাই। মোৰ জীৱনৰ মধ্যাহ্নত ছাত্ৰা-বাস আৰু ছাত্ৰসকলৰ লগতে সদায় সম্বন্ধ; আৰু আজি জীৱনৰ অপৰাহ্নত মোৰ দেশৰ ছাত্ৰসকলক লৈয়ে মোৰ জীৱনৰ খেলা। হে মোৰ দেশবাসীসকল মোক অকিঞ্চন বুলি মোৰ শত দোষত্ৰুটী মাৰ্জনা কৰা। মোৰ শত অপৰাধ দোষ এৰি দিয়া। মই যে

অতি দীন, অতি দুৰ্বল! মই যে মোৰ হতভাগিনী দুখিনী আই ভিন্ন একো নাজানো। মুক্তিত হেনে মানুহৰ বৰ আনন্দ; স্বৰ্গ হেনো বৰ সুন্দৰ। স্বৰ্গত স্বৰ্গবাসীয়ে কি কৰে ক'ব নোৱাৰোঁ, মৰ্ত্যত যে মোৰ হিয়াৰ গোটেইখিনি প্ৰেম, মোৰ মনৰ সকলো মধুস্মৃতি, মোৰ বাল্যকালৰ আনন্দ, যৌৱনৰ প্ৰেম, বাৰ্ধক্যৰ বন্ধুত্ব— সকলোখিনি মোৰ জনমভূমি আই! তোমাৰ লগতে সানি থোৱা—"

পাশ্চাত্যৰ ধুমুহাত উটি-ভঁাহি যাবলৈ ওলোৱা যুৱক-যুৱতীসকললৈ লক্ষ্য কৰি বৰদলৈয়ে কৈছিল—"প্ৰাচ্য আৰু প্ৰতীচ্য দুয়ো বেলেগ। তথাপি মোৰ মনেৰে পূব আৰু পশ্চিমৰ মিলন অসম্ভৱ নহয়। পূবে যদি নিজৰ পূবত্ব ৰাখি পশ্চিমৰ ওখ ভাল খিনি ল'ব পাৰে, পশ্চিমৰ কাৰ্য্যপদ্ধতিৰ আভাসখিনি লৈ তাকে নিজৰ কৰি লব পাৰে, তেন্তে প্ৰাচ্য আৰু প্ৰতীচ্যৰ মহামিলন সেইখিনিতে হ'ব পাৰে। ইউৰোপত বহুত ডাঙৰ ডাঙৰ মানুহ আজি কাগজৱালা ল'ৰা, কাইলৈ ইঞ্জিন চাফা কৰা কাৰিকৰ আৰু পৰহিলৈ পাৰ্লামেণ্টৰ সদস্য হৈ তাৰ পিছত প্ৰাইম মিনিষ্টাৰ বা প্ৰধানমন্ত্ৰী হৈছে। প্ৰধানমন্ত্ৰীজনে গৌৰৱ কৰে যে তেওঁ এজন মিস্ত্ৰিৰ তলত বাধ্য হৈ মিস্ত্ৰিৰ কাম শিকি লাহে লাহে তেওঁৰ নিজৰ অৱস্থা ভাল কৰিছিল। অথবা ভাল কৰিবলৈ তেওঁ ইঞ্জিন ড্ৰাইভাৰৰ 'এপ্ৰেন্টিছ' হ'বলৈ লাজ কৰা নাছিল। লৰ্ড ৰীডিং আছিল এজন 'কেবিন বয়' অৰ্থাৎ জাহাজৰ 'কেবিন বেহেৰা'। আজি তেওঁ সেই কথা ক'বলৈ লাজ নেপায়। কিন্তু আমাৰ দেশত ২০৲ টকীয়া কেৰাণীৰ ঘৰো ডাঙৰীয়াৰ ঘৰ, কিন্তু লাখপতি কাৰবাৰী মাথোন 'কেঞা বাবু'। ই এটা 'আইডিয়েল' বা ভাবৰ বিপৰ্যয়।"

প্ৰিয় ছাত্ৰ-ছাত্ৰীসকল! তোমালোকে এই আদহীয়াক খং নকৰিবা। তোমালোকৰ আজি ভাব, ভাষা, পোছাক, চৰিত্ৰ কিবা এটা আদৰঙ্গী ভাবত পৰিপূৰ্ণ হৈ গৈছে। কোনো কোনো

ঠাইত প্ৰাচ্যই প্ৰতীচ্যকো চেৰ পেলাবৰ মতলব কৰিছে। অতিশয় বিলাসৰ ভাব, সুখ-লিপ্সা প্ৰতীচ্যৰ। সেয়ে তাহি তোমালোকক আৰু জনসাধাৰণক অধিকাৰ কৰিছেহি। 'ঘৰত নাই কণটো, বৰ সবাহলৈ মনটো। আজি আমাৰ অৱস্থা ঠিক সেয়ে।"

কানপুৰ কংগ্ৰেছ অধিবেশনৰ (১৯২৫) আগৰ খনত কৰ্মবীৰে যোগ দি ১৯২৬ চনৰ অধিবেশনখন অসমত পাতিবলৈ মহাত্মা গান্ধীক আৰু পণ্ডিত মতিলাল নেহৰুক বৰদলৈয়ে টানি অনুৰোধ জনাই আহিছিল। অসমৰ আৰ্থিক অৱস্থালৈ চাই অসমত কংগ্ৰেছ অধিবেশন পাতিব সমৰ্থ হোৱা নাই বুলি দেশভক্ত ফুকনে যুক্তি প্ৰদৰ্শন কৰিছিল। শেষত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে বৰদলৈৰ যুক্তিত হয়ভৰ দি ৰোহিণীকান্ত হাতীবৰুৱা আৰু দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাক আনুষ্ঠানিক-ভাৱে কংগ্ৰেছ অধিবেশন নিমন্ত্ৰণ কৰিবলৈ পঠালে। সেইমতে ১৯২৬ চনত পাণ্ডুত কংগ্ৰেছ মহাসভা বহিল। দেশভক্ত আৰু কৰ্মবীৰ যথাক্ৰমে অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সম্পাদক হ'ল। ধুমধামেৰে মহাসভা হৈ গ'ল। মহাসভাই অসমবাসীৰ বাহুত নতুন বল, মনত দুৰ্বাৰ সাহস দিলে। আনহাতে পাণ্ডু কংগ্ৰেছৰ দেনাত ফুকন আৰু বৰদলৈ চকুলৈ পোত গ'ল। দেনা পৰিশোধ কৰাৰ কাৰণে পৈত্ৰিক সম্পত্তি বিক্ৰী কৰিবলগীয়া হ'ল।

পাণ্ডু কংগ্ৰেছত বৰদলৈৰ ভূমিকা কেনে ধৰণৰ আছিল—চন্দ্ৰনাথ শৰ্মাৰ লেখাত এনেদৰে প্ৰকাশ পাইছে—"১৯২৬ চনত গুৱাহাটীত কংগ্ৰেছ পতাত কৰ্মবীৰ বৰদলৈ নথকা হ'লে কানপুৰ কংগ্ৰেছত ৰোহিণীকান্ত হাতীবৰুৱা আৰু এই অভাজনে কংগ্ৰেছ মহাসভা নিমন্ত্ৰণ কৰি অনা সম্ভৱ নহ'লহেঁতেন! কৰ্মবীৰ বৰদলৈয়ে যদি মতিলাল নেহৰুৰ আগত অসমত কংগ্ৰেছ পতা সমগ্ৰভাৰ তেওঁৰ নিজৰ গাত পাতি নললেহেঁতেন, তেন্তে অসমীয়া জাতিৰ ভাগ্যত কোনো কালে কংগ্ৰেছ পতা হৈ নুঠিলহেঁতেন!"

১৯৩০ চনৰ আইন অমান্য আন্দোলনত নবীনচন্দ্ৰ বৰদলৈয়ে

প্ৰত্যক্ষভাৱে যোগ নিদিলেও তেখেতৰ উজান বজাৰৰ বাসভৱনৰ ওচৰতে কিছুমান জুপুৰীঘৰ সাজি অসমত তথা অসমৰ বাহিৰৰ কংগ্ৰেছ স্বেচ্ছাসেৱক সকলৰ থকা-মেলাৰ ব্যৱস্থা কৰি দিছিল। এলাহাবাদৰ 'আনন্দ ভৱনৰ' আৰ্হিৰে তাত বৰদলৈৰ তত্ত্বাবধানত কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য চলিছিল, স্বেচ্ছাসেৱী সকলক নানা ধৰণৰ প্ৰশিক্ষণ দিয়া হৈছিল আৰু অসমৰ কানি, ভাং, মদ অধ্যুসিত অঞ্চললৈ স্বেচ্ছাসেৱক পঠাই বাইজক সেইবোৰৰ অপকাৰিতাৰ কথা বুজাই দি নেখাবলৈ অনুৰোধ কৰা হৈছিল, কানি, ভাং, মদৰ দোকানবোৰত পিকেটিং কৰা হৈছিল। বৰদলৈৰ এই প্ৰশিক্ষণ শিবিৰত বিজয়চন্দ্ৰ ভাগৱতী, সতীশ চন্দ্ৰ কাকতী, ৰবীন কাকতী, তীৰ্থনাথ শৰ্মা, ডাক্তৰ কীৰ্ত্তিৰাম বৰুৱা, দেৱপাল দাস প্ৰমুখ্যে বহুতো কংগ্ৰেছ কৰ্মীয়ে যোগ দিছিল।

১৯৩২ চনৰ আন্দোলনৰ সময়ত বৰদলৈ গুৱাহাটী জিলা কংগ্ৰেছ কমিটিৰ সভাপতি। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সিদ্ধান্ত ক্ৰমে ২৪ এপ্ৰিল তাৰিখে গুৱাহাটীত 'সদৌ ভাৰত কংগ্ৰেছ দিৱস' পালন কৰা হয়। গুৱাহাটী কংগ্ৰেছ কমিটিৰ সভাপতি হিচাপে বৰদলৈয়ে উক্ত দিৱসত পতাকা উত্তোলন কৰি তিনি মাহ কাৰাদণ্ড ভোগে। সেই একে অপৰাধত ডাক্তৰ ভুৱনেশ্বৰ বৰুৱা, মহেন্দ্ৰ মোহন চৌধুৰী, ৰজনীকান্ত গোস্বামী আৰু লক্ষ্মীধৰ বৰাকো গ্ৰেপ্তাৰ কৰে।

১৯৩৪ চনৰ নিৰ্বাচনত অ-মুছলমান সমষ্টিৰ পৰা নিৰ্বাচিত হৈ কেন্দ্ৰীয় ব্যৱস্থাপক সভাত কৰ্মবীৰ বৰদলৈ আৰু কুলধৰ চলিহাই যোগ দিয়ে। উল্লেখযোগ্য যে দেশভক্ত ফুকন কংগ্ৰেছৰ প্ৰাৰ্থী মনোনীত নোহোৱাত পণ্ডিত মদন মোহন মালব্যৰ উদ্যোগত গঠিত 'কংগ্ৰেছ নেচনেলিষ্ট' দলত যোগ দিয়ে।

অসমৰ দুজন অভিন্ন আত্মাৰ সিংহ পুৰুষৰ মাজত এনেদৰে নিৰ্বাচন যুঁজ হোৱাটোত দুখ প্ৰকাশ কৰি শ্ৰীসতীশ চন্দ্ৰ কাকতীয়ে কৈছে— "বৰ পৰিতাপৰ কথা যে যি দুজন নেতাই ১৯২০-৩৪ চনৰ কালছোৱাত একেলগে অসমত কংগ্ৰেছ সংগঠন কৰিছিল আৰু দেশবাসীৰ মনত

দুজন বিশিষ্ট নেতা হিচাপে গণ্য হৈছিল, তেওঁলোক দুজনে—নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকনে ১৯৩৪ চনৰ অক্টোবৰ মাহত কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ নিৰ্বাচনত ইজনে সিজনৰ বিৰুদ্ধে যুঁজ কৰিছিল। দেশভক্ত ফুকনক কংগ্ৰেছ বিৰোধী দল, উপদল সমূহে সমৰ্থন কৰিছিল যদিও, নিৰ্বাচনত কৰ্মবীৰ বৰদলৈ বিপুল ভোটত জিকিল।"

কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ সদস্যৰূপে ১৯৩৫ চনত যোগ দি বৰদলৈয়ে স্বকীয় জ্ঞান, বুদ্ধি, বিবেচনা আৰু বাগ্মীতাৰ যি স্বাক্ষৰ দাঙি ধৰিলে ভাৰতীয় জাতীয় কংগ্ৰেছৰ ইতিহাসত সি সোণ-ৰূপৰ অক্ষৰেৰে লিখা থাকিব। কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ নিৰ্বাচনৰ সময়ত নেতাজী সুভাষ চন্দ্ৰ বসুৰ ককায়েক শৰৎ চন্দ্ৰ বসু 'আটক বন্দী' হৈ জেলত আছিল। বিনা প্ৰতিদ্বন্দ্বিতাই শৰৎ চন্দ্ৰ বসু ব্যৱস্থাপক সভাৰ সদস্য নিৰ্বাচিত হোৱা সত্বেও ইংৰাজে বসুক সভাত উপস্থিত হবলৈ নিদি 'আটকবন্দী' কৰি ৰখা কাৰ্য্যক নিন্দা কৰি নবীনচন্দ্ৰ বৰদলৈয়ে সভা স্থগিত প্ৰস্তাৱ দাঙি ধৰিছিল। তেতিয়াই নবীনচন্দ্ৰ বৰদলৈৰ সাহস, অকাট্য যুক্তি আৰু বাগ্মীতা গুণত মুগ্ধ হৈ ভাৰতীয় জনতাই বৰদলৈক পঞ্চমুখে প্ৰশংসা কৰিছিল। এই ঐতিহাসিক বক্তৃতা ১৯৩৫ চনৰ ২২ ফেব্ৰুৱাৰীৰ দিনা সদনত কৰ্মবীৰে সিংহনাদ কৰি দিছিল।

সেই বছৰবে শেষভাগত ভাৰতব্যাপী কংগ্ৰেছৰ ৫০ বছৰীয়া সোণালী জয়ন্তী উৎসৱ পালিত হয়। অসমতো পূৰ্ণ পয়োভৰেৰে উৎসৱ পালন কৰা হয়। গুৱাহাটীত হোৱা উৎসৱত বৰদলৈয়ে বিশিষ্ট ভূমিকা লয়। তাৰ পিছত গোৱালপাৰাত হোৱা জুবিলী উৎসৱ সভাত বৰদলৈয়ে জীৱনৰ শেষ ৰাজহুৱা বক্তৃতাটি দিয়ে। তাৰ পিছত ১৯৩৬ চনৰ ফেব্ৰুৱাৰী মাহত বহিবলগীয়া ব্যৱস্থাপক সভাত যোগ দিবলৈ বৰদলৈ যোৱাৰ কাৰণে প্ৰস্তুত হয়।

জানুৱাৰী মাহৰ দ্বিতীয় সপ্তাহ। বৰদলৈয়ে নিজে গাড়ী চলাই দিনেতীয়াকৈ চিলঙলৈ যায়। আবেলি ওভতি আহোঁতে মটৰ দুৰ্ঘটনা এটি হৈ সামান্যভাৱে আঘাত পায়। তেখেতে নিজৰ

কথা অকণো চিন্তা নকৰি তেখেতৰ লগত অহা সহকৰ্মী উকীল বন্ধুজনৰ শুশ্ৰূষাত ব্যস্ত হৈ পৰিল। সহকৰ্মীৰ চিকিৎসা পাতিৰ ব্যৱস্থা কৰি তেখেতক নিজে ঘৰত থৈ আহিল। তাৰ পিছত নিজ ঘৰ পালেহি। লগে লগে ডাক্তৰ ভুবনেশ্বৰ বৰুৱা আৰু ডাক্তৰ হৰিকৃষ্ণ দাসে খবৰ পাই ঘৰ ওলালহি। বৰদলৈৰ পুত্ৰ ডাক্তৰ উমেশ বৰদলৈও তেতিয়া ঘৰতে আছিল। পৰীক্ষা কৰি বিশেষ একো নেপালে। মাথোন আঠুত অলপ ছাল গৈছে। 'আঠুৰ ঘাঁতো মৰে ডিঙিৰ ঘাঁতো তৰে' বুলি প্ৰবাদ বাক্য এষাৰ আছে। বৰদলৈৰ ক্ষেত্ৰত প্ৰবাদ বাকাই আপ্ত বাক্য হ'ল। লাহে লাহে আঠুটো ফুলিবলৈ ধৰিলে। লগে লগে আগৰপৰা গাতে লাগি থকা বহুমূত্ৰ ৰোগটোৱেও খাওঁ খাওঁ মূৰ্তি ধৰি আক্ৰমণ কৰিলে। শেষত চিকিৎসকসকলৰ সকলো চেষ্টা ব্যৰ্থ কৰি ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখে দুখুনী অসম মাতৃৰ আঁচলৰ ধন, হিয়াৰ মাণিক, চকুৰ মণি, কৰ্মবীৰে নশ্বৰ দেহ জননীৰ 'কোলাত থৈ অমৰত্ব লভিলে। ৰাতিপুৱা ৮ বজাত ডাঃ বৰুৱা আৰু ডাঃ দাসে কোঠাটোৰ পৰা উচুঁপি-উচুঁপি বাহিৰলৈ ওলাই আহি ক'লে— "ইমান চেষ্টা কৰা সত্বেও ভগৱানে আৰু কিছুদিনৰ বাবে এটা জীৱন দান নিদিলে।"

অসমৰ আকাশত বিনামেঘে বজ্ৰপাত হ'ল। ফাগুণ মহীয়া হুৰুকা বতাহে কোবাই নিয়া জুইৰ দৰে বৰদলৈৰ বিয়োগ বাতৰি সমগ্ৰ দেশত বিয়পি পৰিল। শোকাভিভূত জনতাই থোকা-থোকে কান্দিবলৈ ধৰিলে। মহাত্মা গান্ধী, ছৰ্দাৰ পেটেল, ডক্টৰ ৰাজেন্দ্ৰ প্ৰসাদ প্ৰমুখ্যে ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ বৰেণ্য নেতাসকলে শোকবাৰ্তা পঠাই বীৰ সন্তানৰ গুণানুকীৰ্ত্তন কৰিলে, শোকত চকুলো টুকিলে।

কৰ্মবীৰৰ দেহ পঞ্চভূতৰ লগত মিহলি হ'ল সচাঁ; কিন্তু তেখেতৰ বিদেহী আত্মাই সৰগত থাকি তেখেতৰ অতি চেনেহৰ ছাত্ৰ-ছাত্ৰী সকলক মানুহ হবলৈ, জননীৰ পূজাত প্ৰাণ-আহুতি দিবলৈ সঁকিয়াই

দি আছে তেখেতৰ মহৎ বাণীৰে।

দশ বাণী ঃ

- মোৰ জন্মভূমি ! তুমি মোৰ স্নেহশীলা আইবো জননী।
- দুখুনী জনমভূমি আই মোৰ ! তুমিয়েই স্বৰ্গ, তুমিয়ে মোক্ষ, তুমিয়ে মোৰ জগদ্ধাত্ৰী।
- ভাৰতবৰ্ষ তপস্যাৰ ভূমি হলেও কৰ্মৰো ভূমি।
- সকলো শিক্ষাৰ আগতে ভাৰতীয় শিশুৰ মহাভাৰত আৰু ৰামায়ণৰ শিক্ষা হ'ব লাগে।
- মই সাত বছৰ বয়সত প্ৰায় এমাহে ৰামায়ণ পঢ়ি শেষ কৰোঁ। সেইদিনা তায়ে ধুম্-ধামকৈ সবাহ পাতি মানুহক জলপান খুৱাইছিল।
- যেতিয়া মই জালিয়ানৱালাবাগৰ নিষ্ঠুৰ অত্যাচাৰৰ কথা শুনিলোঁ, বিশ্বকবি ৰবীন্দ্ৰনাথৰ নাইট উপাধি বৰ্জনৰ কথা শুনিলোঁ, মই তেতিয়াই চাহাবী চলন-ফুৰণ এৰি পেলালোঁ।
- জীৱনৰ সকলো শিক্ষাৰ ওপৰৰ শিক্ষা অহিংসা দেৱভাৱ।
- বৰ ভালপাওঁ মই মোৰ দুখীয়া ভাই-ভনীবিলাকৰ সহজ-সৰল জীৱন।
- জাতীয় গৌৰৱেৰে মোৰ দেশ মণ্ডিত।
- বহু শতাব্দীৰ পিছত একোজন মহাজন, মহামানৱ আহি জগতত এছাটি পোহৰ দি তাৰ ৰশ্মি দিগ্‌দিগন্তত বিকীৰ্ণ কৰি শত শতাব্দী ব্যাপ্ত কৰি থৈ যায়।

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ এগৰাকী সৰ্বভাৰতীয় ৰাজনীতিবিদ হোৱাৰ উপৰিও প্ৰথম শ্ৰেণীৰ উকীল, প্ৰবীণ কবি-সাহিত্যিক, গায়ক, গীতিকাৰ আছিল। নবীনচন্দ্ৰৰ ভায়েক গিৰীশচন্দ্ৰ আৰু দুই পুত্ৰ-কন্যা অপূৰ্ব কুমাৰ বৰদলৈ আৰু নলিনী বালা দেৱীয়ে

ভাষা জননীৰ বেদীত উল্লেখযোগ্য অৰিহণা আগবঢ়াই গৈছে। সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকাই নবীনচন্দ্ৰ বৰদলৈৰ ৰচনা সমূহক—সংগীত আৰু কবিতা, নাটক আৰু অভিনয়, কথা সাহিত্য তিনিটা ভাগত ভগাইছে। ছাত্ৰাৱস্থাতে লিখা ধৰ্মসংগীত নামৰ গীতৰ পুথিৰ পঞ্চগীতিকাৰৰ দুজন—নবীনচন্দ্ৰ বৰদলৈ আৰু আনন্দ চন্দ্ৰ আগৰৱালা।

বৰদলৈৰ ভাৰতীয় শাস্ত্ৰীয় সঙ্গীত আৰু শঙ্কৰী গীত-বৰগীত, নাট অভিনয়ৰ প্ৰতি অসীম শ্ৰদ্ধা আছিল আৰু সেইবোৰ অনুশীলন কৰিছিল। বৰদলৈ ৰচিত "শ্যাম বৰণীয়া অসম আই ধুনীয়া, ভাৰতৰ সুমলী জী" আৰু "ডেকা-গাভৰুৰ দল! বীৰ-বীৰঙ্গনাৰ দল।" গীত দুটিয়ে বেজবৰুৱা ৰচিত—"অ' মোৰ আপোনাৰ দেশ" আৰু "আমি অসমীয়া নহওঁ দুখীয়া" গীত দুটাৰ সমপৰ্যায়ৰ বুলি দাবী কৰিব পাৰে।

অসহযোগ আন্দোলনৰ সময়ত মহাত্মা গান্ধীৰ বাণী প্ৰচাৰ কৰি যেতিয়া নবীনচন্দ্ৰ বৰদলৈ ৰচিত নিম্নোক্ত গীতটি কৰ্মবীৰে নিজে সুৰ লগাই গাইছিল, জনতাই মুক্তহস্তে দানৰ শৰাই আগবঢ়াইছিল। আই সকলে হাতৰ-কাণৰ অলঙ্কাৰ সোলোকাই জননী পূজাৰ উপাচাৰ দিছিল।

"কোন ক'ত আছ জনমভূমিৰ
ভকত সন্তান
আজি আইৰ পূজা হ'ব
আহ লৈ আহ
কোনে কি কৰিবি দান।

যাৰ আছে সোণ, যাৰ আছে ৰূপ
আঁজলি ভৰাই আন
যাৰ একো নাই দিয়ক মাথোন
ব্যথিত হৃদয় দান।

সঙ্গীতপ্ৰাণ কৰ্মবীৰৰ সঙ্গীতময় ঘৰখনত অহৰ্নিশে সঙ্গীতৰ সুৰ বাজিছিল। শোৱাপাটীত পুৱাৰ বৰগীত গাই কৰ্মবীৰে শয্যা ত্যাগ কৰিছিল।

'অসমৰ মুকুটবিহীন ৰজা' কৰ্মবীৰৰ সাহিত্যৰ ৰসাস্বাদন কৰি প্ৰবীণ সাহিত্যিক আৰু গৱেষক ডক্টৰ হেমন্তকুমাৰ শৰ্মাই লিখিছে— "বৰদলৈয়ে যদি ৰাজনীতিত নালাগি কেৱল সাহিত্য চৰ্চাতেই মনপুতি লাগিলহেঁতেন, তেনেহ'লে অসমীয়া ভাষা জননীয়ে তেওঁৰপৰা প্ৰচুৰ সাহিত্যিক সম্ভাৰ লাভ কৰিব পাৰিলেহেঁতেন।"

বৰদলৈ বহুভাষী লোক আছিল। মাতৃভাষাৰ উপৰিও বঙলা, হিন্দী, ইংৰাজী, উৰ্দু ভাষাত ৰচিত নাট, কবিতা তেখেতে পঢ়িছিল আৰু সিবোৰৰ ওখ ভাব শিনি মাতৃ ভাষাৰ মাধ্যমেদি আমাৰ মাজত বিলাই দি গৈছে। ছিলেট জেলত থাকোঁতে মহাকবি চেক্সপীয়েৰ ৰচিত নাট সমূহ অধ্যয়ন কৰি তাৰে তিনিখন 'Troilus and Cressida', 'King Lear' আৰু 'Taming of the Shrew' অসমীয়ালৈ ভাঙি যথাক্ৰমে 'তৰুণ-কাঞ্চন', 'বিষাদ-কাহিনী' আৰু 'দন্দুৰী দমন' নাম দিয়ে। বৰদলৈৰ উৰ্দুৰ পৰা অনুদিত 'গল্পগুচ্ছ', 'হাতেমতাই'। তেখেতৰ পৌৰাণিক নাট—'কৃষ্ণলীলা' (১৯৩৩), ঐতিহাসিক নাট জয়মতী, সামাজিক নাট 'গৃহলক্ষ্মী' (১৯১১) আৰু উপন্যাস 'প্ৰশান্ত-শান্তি'।

বৰদলৈৰ স্বৰচিত আৰু অনুদিত কবিতাৰ সংখ্যাও উলাই কৰিবলগীয়া নহয়। তেখেতৰ কবিতা সমূহ তিনিটা ভাগত বিভাজন কৰিব পাৰি—(১) জাতীয় সঙ্গীত (২) কৃষ্ণলীলাৰ গীত (৩) 'কবিতা-ভাগ'। 'জাতীয় সঙ্গীত' খণ্ডত জনজাগৃতিৰ ভাব, 'কৃষ্ণলীলা' খণ্ডত ঈশ্বৰ চিন্তা আৰু 'কবিতাভাগ'ত সৰগ শিশুৰ নিৰ্মল চৰিত্ৰ গঠনত জোৰ দিয়া হৈছে। ফুলো ফুলো কৰি থকা আধাফুলা কলিটিৰ দৰে থুনুক্-থানাক্ আধাফুটা মাতেৰে জোনবাইৰ একণিকা গাত সানি উমলি থকা শিশুটিৰ ৰেহৰূপ চাই বৰদলৈয়ে শিশু-কবিতা লিখিছিল।

—০—

১৯৩৮ চনত অসমত সংযুক্ত মন্ত্ৰীসভা গঠনৰ সময়ত মাজত নেতাজী সুভাষচন্দ্ৰ বসুৰ লগত গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধী, ডাঃ হৰিকৃষ্ণ দাস, সিদ্ধিনাথ শৰ্মা আৰু কামেশ্বৰ দাস

বাওঁফালৰ পৰা : এন, আচাম্ভ সিং, ভুৱনেশ্বৰ বৰ্মণ, বিপিনপাল দাস, শঙ্কৰ বৰুৱা, হৰেশ্বৰ গোস্বামী, মহেন্দ্ৰ হাজৰিকা, দেৱকান্ত বৰুৱা, কুমুদেশ্বৰ গোস্বামী, হোমেশ্বৰ দেৱ চৌধুৰী, প্ৰভাৱতী দেৱী, অজিত কুমাৰ শৰ্মা, জয়প্ৰকাশ নাৰায়ণ, ননী চাংকাকতি, প্ৰমোদ বৰ্মণ, লক্ষ্মীপ্ৰসাদ গোস্বামী, খগেন গগৈ, হেম বৰুৱা, ভবেন শইকীয়া, লক্ষ্যধৰ চৌধুৰী, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য (১৯৪৭ জয়প্ৰকাশ নাৰায়ণ সপত্নীক গুৱাহাটীলৈ আহোতে প্ৰজা চোচিয়েলিষ্ট দলৰ কাৰ্যালয়ত তোলা ছবি)

বাওঁফালৰপৰা : ডাঃ সুৰেন্দ্ৰনাথ শৰ্মা, প্ৰেমধৰ ৰাজখোৱা, বিমলাপ্ৰসাদ চলিহা, বিষ্ণুৰাম মেধী, শৰৎচন্দ্ৰ সিংহ, অমীয় কুমাৰ দাস, লক্ষ্যধৰ চৌধুৰী, ৰামচৰণ দাস, (মেধীৰ ৭৫তম জন্মদিনত তোলা ছবি)

বাওঁফালৰপৰা : গজেন বৰা, সিদ্ধিনাথ শৰ্মা, ডাঃ ভুবনেশ্বৰ বৰুৱা, গোপীনাথ বৰদলৈ, ৰবীন নবিচ

বাওঁফালৰপৰা : লীলাধৰ বৰুৱা, ডঃ ভুবনেশ্বৰ বৰুৱা, সুৰবালা বৰদলৈ, গোপীনাথ বৰদলৈ, মঃ তৈয়বউল্লা, কনকচন্দ্ৰ বৰ্মণ, আম্বিকাগিৰী ৰায়চৌধুৰী, সিদ্ধিনাথ শৰ্মা

কৃষ্ণনাথ শৰ্মা

চন্দ্ৰনাথ শৰ্মা

বাওঁফালৰপৰা : (প্ৰথম শাৰী) শঙ্কৰ বৰুৱা, নৰেন্দ্ৰনাথ শৰ্মা, অক্ষয় কুমাৰ দাস, পুষ্পলতা দাস, বিষ্ণুৰাম মেধী, অমিয় কুমাৰ দাস, ৰাজেন্দ্ৰ বৰুৱা আৰু বহুতো

ত্যাগবীৰ হেমবৰুৱা

চন্দ্ৰকুমাৰ আগৰৱালা

অম্বিকাগিৰী ৰায়চৌধুৰী

ৰঘুনাথ চৌধাৰী

নীলমণি ফুকন

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ

ফখৰুদ্দিন আলি আহমদ



দেশভক্ত তৰুণৰাম ফুকন



লোকপ্ৰিয় গোপীনাথ বৰদলৈ



বিষ্ণুৰাম মেধী

বিমলা প্ৰসাদ চলিহা

মহেন্দ্ৰমোহন চৌধুৰী

অমিয় কুমাৰ দাস

ডাঃ হৰিকৃষ্ণ দাস

ডাঃ ভুবনেশ্বৰ বৰুৱা

নগেন্দ্ৰনাথ নাথ



হলধৰ ভূঞা



প্ৰফুল্লচন্দ্ৰ বৰুৱা

জ্যোতিপ্ৰসাদ আগৰৱালা

পণ্ডিত কনকচন্দ্ৰ শৰ্মা

নৰনাৰায়ণ গোস্বামী

হৰেন্দ্ৰনাথ বৰুৱা

বুদ্ধনাথ নাথ



কুলধৰ চলিহা

লক্ষ্মীধৰ বৰা



শঙ্কৰপ্ৰসাদ বৰুৱা

অম্লপ্ৰভা বৰুৱা

বিশ্ব গোস্বামী

ডঃ ঘনশ্যাম দাস

← লক্ষ্মীধৰ শৰ্মা

চন্দ্ৰপ্ৰভা শইকিয়ানী



সৰ্বেশ্বৰ বৰুৱা

গৌৰীকান্ত তালুকদাৰ


ধাৰেশ্বৰ শৰ্মা

কালীৰাম বৰ্মণ


মুক্তাৰাম ডেকা

সিদ্ধিনাথ শৰ্মা



ৰোহিণীকান্ত হাতী বৰুৱা

চন্দ্ৰশেখৰ দাস

কামেশ্বৰ দাস

মঃ তৈয়বউল্লা

ধনীৰাম তালুকদাৰ

মতিৰাম বৰা

দেশভক্ত তৰুণৰাম ফুকন

তুলসী ডুপতীয়া হোৱাৰে পৰা সুগন্ধ দিয়াৰ দৰে দেশভক্ত তৰুণৰাম ফুকনেও ভৱিষ্যতে যে ভাৰত বৰেণ্য নেতা এগৰাকী হ'ব তাৰ স্বাক্ষৰ সৰুৰে পৰা দিছিল। আহোম ৰজাৰ ফুকন খিতাপীধাৰী উত্তৰ গুৱাহাটীৰ ফুকন পৰিয়ালত ১৮৭৭ চনত জন্ম-গ্ৰহণ কৰিছিল। তেখেতৰ পিতৃ বলৰাম ফুকন আৰু মাতৃ ভাগীৰথী দেৱী। ফুকনৰ জন্মৰ আঠবছৰ পিছতে 'ভাৰত কংগ্ৰেছ মহাসভা'ৰ জন্ম হয়। অনুষ্ঠানটোৰ জন্মৰ তেৰ বছৰ পিছতে, ১৮৯৮ চনত লৰ্ড কাৰ্জনে ভাৰতবৰ্ষত ভাইচৰয়ৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে। লৰ্ড কাৰ্জন বৰ আত্মম্ভৰী স্বভাৱৰ আৰু উগ্ৰ সংৰক্ষণশীল মনোবৃত্তিৰ লোক আছিল। অদূৰদৰ্শিতাৰ চৰম পৰিচয় দি ১৯০৪ চনত লৰ্ড কাৰ্জনে বঙ্গভঙ্গ আইনৰ অনুমোদন জনায়। তাৰ পিছত সেই আইনৰ কাৰ্য্যকৰী ব্যৱস্থা লবলৈ ধৰাৰ লগে লগে ১৯০৫ চনত দেশজুৰি অশান্তি আৰম্ভ হ'ল।

সেই সময়ত তৰুণৰাম ফুকনে গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ প্ৰেচিডেন্সি কলেজত ভৰ্ত্তি হয়। তাৰপৰা এফ. এ. পাছ কৰি বিলাতলৈ গৈ বাৰিষ্টাৰ হৈ পোনে পোনে কলিকতালৈ আহি কলিকতা উচ্চন্যায়ালয়ত আইন ব্যৱসায় আৰম্ভ কৰে (১৯০৪)। তাত কাম কৰিবলৈ লোৱাৰ সময়তে বঙ্গভঙ্গ আন্দোলনৰ দাবানল দাও দাও কৈ জ্বলি উঠাত ফুকনেও তাত ঘীউ ঢালিবলৈ ওলাই আহে।

বঙ্গভঙ্গৰ প্ৰস্তাৱৰ কথা ১৮৭৪ চনৰ পৰাই ঘুনুক্-ঘানাক্

কৈ ওলাই আছিল যদিও ১৯০৪ চনত লৰ্ড কাৰ্জনে তাক কাৰ্য্যকৰী কৰাৰ দিহা কৰিছিল। লৰ্ড কাৰ্জনৰ বিদ্বেষ ভাৱ গঢ়ি উঠিছিল শিক্ষিত বঙালী সকলৰ ওপৰত। তাৰ বাবে কাৰ্জনে কলিকতা বিশ্ববিদ্যালয়ৰ ওপৰতো ক্ষমতা প্ৰয়োগ কৰিছিল, যাতে ক'তো জাগৰণৰ ভাৱ গঢ়ি উঠিব নোৱাৰে। এই ক্ষেত্ৰত ইউৰোপৰ নৱজাগৰণৰ সময়ত অষ্ট্ৰিয়াৰ প্ৰধানমন্ত্ৰী মেটাৰ্নিকে জাৰ্মানীৰ বিশ্ববিদ্যালয়সমূহক নিজৰ আয়ত্বাধীনলৈ আনি নৱজাগৰণৰ নেতা মাৰ্টিন লুথাৰ, কেলভিন, কেলেটক প্ৰভৃতিয়ে জগাই তোলা বিপ্লৱক দমন কৰাৰ আহিৰে কাৰ্জনেও দমন নীতি চলোৱাৰ অপচেষ্টা কৰিছিল। দ্বিতীয়তে, বঙ্গ বিভাজনৰ দ্বাৰা বঙালী সকলে কৰা বৃহৎ বাঙলাৰ পৰিকল্পনা ব্যৰ্থ কৰাটো। এই প্ৰস্তাৱৰ দ্বাৰা ১৮৭৪ চনৰে পৰা চিফ্ কমিচনাৰৰ অধীনত থকা গোৱালপাৰা, কাছাৰ আৰু শ্ৰীহট্ট জিলাৰ সৈতে অসমৰ অস্তিত্ব লোপ কৰি পূৰ্ববঙ্গৰ পোন্ধৰখন জিলাৰ লগত চামিল কৰি এখন নতুন প্ৰদেশ 'পূৰ্ববঙ্গ আৰু অসম' আৰু বাকী অংশ বঙ্গদেশ, বিহাৰ, উৰিষ্যা প্ৰদেশক লৈ আন এখন প্ৰদেশ -'বঙ্গদেশ' গঠন কৰে।

এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ বাটত অসংখ্য বাধাৰ সৃষ্টি কৰি সমগ্ৰ ভাৰত আৱেগ-উন্মত্ত হৈ উঠিল। অসমতো তাৰ ঘোৰ প্ৰতিবাদ চলিল। দেশভক্ত ফুকনৰ এইটো বৈ থকাৰ সময় নাছিল। য'ৰে বাৰিষ্টাৰী ত'তে এৰি থৈ অসমলৈ আহি আন্দোলনৰ ব্যূহ তৈয়াৰ কৰাত লাগিল। এনেতে ১৯০৫ চনৰ চেপ্টেম্বৰৰ ১ তাৰিখে বিলাতত বঙ্গভঙ্গ আইন পাছ হ'ল আৰু অক্টোবৰ মাহৰ পৰা তাক কাৰ্য্যকৰী কৰা হ'ল। অসমৰ অস্তিত্ব সম্পূৰ্ণ লোপ পালে, 'অসম-পূৰ্ববঙ্গ' নতুন ৰাজ্য গঠিত হ'ল আৰু ঢাকা এই মিলিত ৰাজ্যখনৰ ৰাজধানী বুলি ঘোষিত হ'ল।

বঙ্গভঙ্গ আন্দোলনত জঁপিয়াই পৰি ক্ষুদিৰাম বসুৰ (১৯০৮) ফাঁচী হ'ল, প্ৰায় ডেৰহেজাৰ যুৱকে সশস্ত্ৰ বৃটিছৰ পুলিচৰ হাতত প্ৰাণ

হেক্সালে আৰু ডেৰলাখতকৈ অধিক যুৱকৰ গ্ৰেপ্তাৰ, কাৰাবাস হ'ল। চিটাগাওঁৰ ইংৰাজৰ অস্ত্ৰাগাৰ লুণ্ঠনকাৰী আচামী সূৰ্য্যসেনক পলাতক অৱস্থাত অসমৰ চাহবাগিচা এখনত ধৰা পেলায় আৰু বিচাৰ কৰি ফাঁচী দিয়ে।

বঙ্গভঙ্গ আন্দোলনত অসমৰ বৃহৎ স্বাৰ্থ ৰক্ষা কৰাৰ কাৰণে তৰুণৰাম ফুকনে জান-প্ৰাণ দি লাগিছিল। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী, ৰক্তিম বৰা, ত্ৰিগুণা প্ৰসাদ বৰুৱা প্ৰমুখ্যে কেইবাগৰাকী দেশপ্ৰেমিকো এই আন্দোলনত জড়িত হৈ পৰিছিল।

১৯০৭ চনৰে পৰা কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আসাম এচোছিয়েশ্যনৰ লগত জড়িত হৈ পৰে আৰু কেইবছৰমানৰ ভিতৰতে তাৰ সম্পাদক হয়। ১৯১৫ চনত বৰদলৈ এচোছিয়েশ্যনৰ সভাপতি হয়। প্ৰথম বিশ্বযুদ্ধৰ পিচতে ভাৰতক স্বায়ত্ব শাসন দিব বুলি দিয়া প্ৰতিশ্ৰুতি ভঙ্গ কৰি কুখ্যাত ৰাওলাট আইন ঘোষণা কৰিলে। এই অন্যায় আইনৰ প্ৰতিবাদত দেশজুৰি আন্দোলন আৰম্ভ হ'ল আৰু ১৯১৯ চনৰ ১৩ এপ্ৰিলৰ দিনা পঞ্জাৱৰ জালিয়ানৱালাবাগত ইংৰাজে বৰ্বৰ হত্যাকাণ্ড চলাই যুগ-যুগান্তৰলৈ বিশ্বৰ ইতিহাস কলঙ্কিত কৰিলে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বক্ষৰোপন মহোৎসৱ এইদৰে কেইবাশ নিৰীহ, নিৰস্ত্ৰ শিশু, মহিলা আৰু যুৱকৰ কেচা তেজ ঢালি জালিয়ানবালাৱাগত পালন কৰা হৈছিল।

জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ তীব্ৰ প্ৰতিবাদৰ ধ্বনিয়ে ভাৰ-বৰ্ষৰ আকাশ-বতাহ উত্তপ্ত কৰি তুলিলে। অসমতো তাৰ প্ৰতিক্ৰিয়া হ'ল। ১৯২০ চনৰ চেপ্তেম্বৰ মাহত ছবিলাল উপাধ্যায়ৰ পৌৰোহিত্যত তেজপুৰত বহা 'আসাম এচোছিয়েশ্যন'ৰ সভাত বিশদ আলোচনাৰ পিচত 'অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি'য়ে জন্ম লাভ কৰিলে। এই কমিটিৰ প্ৰথম আৰু প্ৰধান উদ্যোক্তা আছিল দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ ১৯৩০

চনলৈ অসমৰ অবিসম্বাদী কংগ্ৰেছ নেতা তৰুণৰাম ফুকন সভাপতি আছিল।

১৯১৪ চনত গুৱাহাটীত আৰ্ল ল কলেজ প্ৰতিষ্ঠা হয়। কলেজৰ অধ্যক্ষ 'গুণৰ সাগৰ' জ্ঞানদাভিৰাম বৰুৱা ফুকনৰ অনুজপ্ৰতিম আছিল। তেখেতৰ অনুৰোধক্ৰমে ফুকন আৰ্ল ল কলেজৰ অধ্যাপক হিচাপে কিছুদিন কাম কৰাৰ পাছত অসহযোগ আন্দোলনৰ আহ্বান অহাত চন্দ্ৰনাথ শৰ্মা আৰু নবীনচন্দ্ৰ বৰদলৈৰ অনুৰোধক্ৰমে অধ্যাপনা আৰু ওকালতি এৰি আন্দোলনত নিগাজিকৈ লাগে।

তৰুণৰাম ফুকন প্ৰমুখ্যে বিশিষ্ট নেতা কেইগৰাকীমানৰ অনুৰোধত মহাত্মাগান্ধী ১৯২১ চনত অসমলৈ আহি প্ৰথমে গুৱাহাটীত তৰুণৰাম ফুকনৰ আলহীৰূপে থাকি অসহযোগ আন্দোলনৰ কাৰ্য্যসূচী প্ৰচাৰ কৰে। অসহযোগৰ কাৰ্য্যসূচীত—চৰকাৰী চাকৰী বৰ্জন, স্কুল-কলেজ বৰ্জন, চৰকাৰী উপাধি বৰ্জন, আদালতত ওকালতি বৰ্জন, বিধান সভা বৰ্জন আৰু বিলাতত তৈয়াৰী সকলো ধৰণৰ পৈণ্যদ্ৰব্য বৰ্জন সন্নিবিষ্ট কৰা হৈছিল। তদুপৰি ইংৰাজৰ অতি লাভজনক ব্যৱসায়ৰ সামগ্ৰী কানি, ভাং, মদ আদি বৰ্জন কৰাটোও এটা প্ৰধান লক্ষ্য আছিল। আনহাতে প্ৰতি ঘৰে ঘৰে সূতা কাটি প্ৰত্যেকে কঁপাহী কাপোৰ ব্যৱহাৰ কৰাটো কাৰ্য্যসূচীৰ এটা মূল অঙ্গ আছিল।

তৰুণৰাম ফুকন বৰ চৌখিন আৰু খৰচী লোক আছিল। অসহযোগ আন্দোলনত নমাৰ আগলৈকে তেখেত পূৰাপূৰী চাহাব হৈ থাকিছিল। আৰ্যাগড়ী, তেজে ফুটো-ফুটো কৰা, গোল মুখমণ্ডলেৰে অতিপাত ধুনীয়া চেহেৰাৰ ফুকন হেনো তেখেতৰ অতি অন্তৰঙ্গ সহকৰ্মী পণ্ডিত মতিলাল নেহৰুতকৈ বেছি নহলেও কম শুৱনি নাছিল। বাগ্মিতাত অসমীয়াৰ ভিতৰততো অদ্বিতীয় আছিলেই, আনকি সৰ্বভাৰতীয় নেতাসকলৰ ভিতৰতো দুই এজনহে তেখেতৰ সমকক্ষ আছিল।

মহাত্মা গান্ধীৰ উপস্থিতিত প্ৰথমে তৰুণৰাম ফুকনৰ হাউলিতে বিলাতী কাপোৰ দাহন-যজ্ঞ সমাপন কৰা হয়। অবিশ্বাস্য যেন লাগিলেও সেই কালৰ ফুকনৰ ঘৰৰ কমেও পাঁচ হেজাৰ টকা মূল্যৰ বিলাতী কাপোৰৰ দ'মত মহাত্মাই অগ্নি প্ৰজ্বালন কৰে। লগে লগে জনতাৰ মাজত যজ্ঞত কাপোৰ আহুতি দিয়াৰ হৈ-চৈ লাগিল। যাৰ শৰীৰত যি যি বিলাতী কাপোৰ আছিল প্ৰত্যেকে অগ্নিত জাপি দিলে। বহুতে মাত্ৰ পিন্ধি থকা ধুতিখনৰ বাহিৰে, কিছুমানে তাৰো আধা গাত ৰাখি বাকী আধাখণ্ড দলিয়াই দি অৰ্দ্ধনগ্ন অৱস্থাৰে ঘৰ পালে। উল্লেখযোগ্য যে ফুকনৰ হাউলিৰ বস্ত্ৰ যজ্ঞৰ জুই কেইবাদিনোধৰি জ্বলি আছিল।

সেই দিন ধৰি মৃত্যু পৰ্য্যন্ত তৰুণৰাম ফুকনে আৰু তেখেতৰ গান্ধীবাদী সতীৰ্থ সকলে সম্পৰ্ণ খাদী ব্যৱহাৰ কৰিছিল। ৰাজপুত্ৰৰ দৰে অনিন্দ্য সুন্দৰ ফুকনৰ দেহাঙ্গ খদ্দৰৰ ধুতি-চোলা আৰু এৰী চাদৰখনেৰে ইমান চাজি উঠিছিল যে এদিন পণ্ডিত মতিলাল নেহৰুৱে তেখেতৰ গাৰ কাশ্মিৰী চাঁদৰখন ফুকনৰ গাত দি ফুকনৰ এৰী চাঁদৰখন নিজে লৈছিল। এইজনেই আছিল সৰ্বভাৰতীয় খ্যাতিসম্পন্ন তৰুণৰাম ফুকন। অসমৰ বাহিৰত, ফুকন আৰু অসম একেটা মুদ্ৰাৰে দুপিঠি স্বৰূপ আছিল। 'ফুকন মানে অসম, অসম মানেই ফুকন'—এনে আছিল মানুহৰ বিশ্বাস বা ধাৰণা।

১৯০৪ চনত লৰ্ড কাৰ্জনৰ দ্বাৰা অনুমোদিত আৰু কাৰ্য্যকৰী হোৱা বঙ্গভঙ্গ আইন, দেশৰ দাবীত ১৯১২ চনত পৰিবৰ্তন কৰিবলগীয়া হ'ল। সেই সময়তে তৰুণৰাম ফুকনে দিয়া সৰ্বভাৰতীয় নেতৃত্ব অসম আৰু অসমীয়া জাতিৰ অতি গৌৰৱোজ্জ্বল অধ্যায়।

ধৰাশায়ী হোৱা অক্টোপাচৰ বাহুৰ বন্ধন খোল খোৱাত জীৱই মুক্তি পোৱাৰ দৰে ভাৰতৰ জনগণৰ প্ৰবল প্ৰতিবাদত বঙ্গভঙ্গ আইন ওফৰি পৰিল, আইনৰ কবলত পৰা ৰাজ্য কেইখনে মুক্তি পালে। বঙ্গদেশক পুনৰ থূপ কৰি এক কৰা হ'ল। অসমকো

কাছাৰ আৰু শ্ৰীহট্ট জিলাক ধৰি একত্ৰিকৰণ কৰি এজন চিফ্-কমিচনাৰৰ তলত ৰাখিলে, বঙ্গদেশৰ পৰা বিহাৰ, ওড়িশা ফালি আনি আন এখন প্ৰদেশ কৰা হ'ল। ভাৰতৰ ৰাজধানী কলিকতাৰ পৰা দিল্লীলৈ স্থানান্তৰ কৰা হ'ল। ওড়িশাক বিহাৰৰ লগত সাঙোৰ বান্ধি দিয়াত ওড়িশাবাসীয়ে ভীষণ অস্বস্তিবোধ কৰিলে আৰু ওড়িশাক এখন স্বকীয়া ৰাজ্য হিচাপে ৰাখিবলৈ আন্দোলন গঢ়ি তুলিলে। বিহাৰ-ওড়িশাকলৈ উদ্ভৱ হোৱা সমস্যাৰ তদন্ত কৰিবলৈ পাৰ্লিয়ামেণ্টে এখন তদন্ত আয়োগ গঠন কৰি তৰুণৰাম ফুকনকো এজন সদস্য মনোনিত কৰিলে। এই আয়োগৰ কামত ফুকনে বিহাৰ আৰু ওড়িশা ৰাজ্য দুখনৰ অৱস্থা তন্ন-তন্নকৈ বুজি লৈ প্ৰকৃত সত্য আৰু ন্যায় উদ্‌ঘাটন কৰি ওড়িশাক এখন স্বকীয়া ৰাজ্য হিচাপে ৰক্ষাৰ সমৰ্থনত দৃঢ় মত দাঙি ধৰি আয়োগৰ প্ৰতিবেদন দাখিল কৰিলে। ওড়িশা বাসীৰ হৃদয় জয় কৰি ফুকন ধন্য হ'ল। অসম গৌৰৱান্বিত হ'ল, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দিনৰে পৰা অসম আৰু ওড়িশাৰ মাজত থকা মৰম-প্ৰীতিৰ বান্ধটো আৰু বেছি কট্‌কটীয়া হৈ উঠিল। আজিও ওড়িশাৰ বৰেণ্যনেতা ওড়িশা কেশৰী ডঃ হৰেকৃষ্ণ মহতাব, ডঃ ৰাধানাথ ৰথ, ডঃ শ্ৰদ্ধাকৰ স্নপকৰ, পণ্ডিত বিনোদ চন্দ্ৰ কাননগো প্ৰভৃতিয়ে তৰুণৰাম ফুকনক শ্ৰদ্ধাৰে সোঁৱৰে, অসমক তেখেতসকলে ওড়িশা সদৃশ জ্ঞান কৰে।

চৌৰি-চৌৰাৰ (১৯২২) দুৰ্ভাগ্যজনক ঘটনাৰ পিছতে মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন স্থগিত ৰাখিলে। ইতিমধ্যে মহাত্মাক গ্ৰেপ্তাৰ কৰি ছয় বছৰৰ কাৰাদণ্ডৰ হুকুম দিলে। ১৯২৩ চনত দেশবন্ধু চিত্তৰঞ্জন দাসৰ সভাপতিত্বত গয়া কংগ্ৰেছ অধিবেশন অনুষ্ঠিত হয়। তাত তৰুণৰাম ফুকন প্ৰমুখ্যে অসমৰ কেইবাগৰাকী নেতাই যোগদান কৰিছিল। এই অধিবেশনতে দেশবন্ধু চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰুৰ উদ্যোগত স্বৰাজ পাৰ্টি গঠন হয়। স্বৰাজ পাৰ্টি গঠন কৰাত ফুকনে নেহৰু আৰু দাসক গাটোতে ছাঁটোৰ দৰে লাগি থাকি সহায়

কৰিছিল। কংগ্ৰেছৰ পৰা ফালি গৈ স্বৰাজ্য দল গঠন কৰা নেতা-সকলৰ উদ্দেশ্য যাইকৈ দুটা আছিল—(১) বিধান সভাত যোগ নিদিয়াটো আৰু (২) গঠনমূলক কামত আত্মনিয়োগ কৰাটো। মহাত্মা গান্ধীয়ে স্বৰাজ্য দলৰ নীতিক অনুমোদন জনাইছিল আৰু স্বৰাজ্য দলক দেশৰ হৈকে কাম কৰি যাবলৈ পৰামৰ্শ দিছিল। স্বৰাজ্য পাৰ্টিৰ প্ৰচাৰ আৰু সংগঠনৰ কামত তৰুণৰাম ফুকনে দেশৰ আন আন বৰেণ্য নেতাসকলৰ লগত বোম্বে, মাদ্ৰাজ আদি ৰাজ্যলৈ গৈছিল—আৰু ৰাজনৈতিক জ্ঞান আৰু সৰল বক্তৃতাৰে সকলোৰে মন মুহিছিল। তেতিয়াই তৰুণৰাম ফুকনৰ নাম চাটি-ফুটি গৈছিল আৰু সৰ্বভাৰতীয় নেতা হিচাপে বাতৰি কাকতবোৰত ফুকনৰ নাম বৰ বৰ হৰফেৰে প্ৰচাৰ হৈছিল। অসমতো স্বৰাজ্য দল ফুকনৰ নেতৃত্বত সুস্থ-সবল হৈ উঠিছিল।

অসমত কংগ্ৰেছ স্থাপন হোৱা সময়ৰে পৰা ১৯৩০ চনলৈকে এক কথাত ক'ব গলে তৰুণৰাম ফুকন অসমৰ 'মুকুট বিহীন' ৰজা আছিল। ফুকনৰ আগত কথা কওঁতা কোনো নাছিল। পিচতো ফুকনক সমালোচনা কৰোঁতা নাছিল বুলিলেই হয়। ১৯২৬ চনত তৰুণৰাম ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈৰ উদ্যোগত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ অনুমোদিত প্ৰস্তাৱ লৈ গৈ ৰোহিনীকান্ত হাতীবৰুৱাই পাণ্ডু কংগ্ৰেছ নিমন্ত্ৰণ কৰে। আদৰণি সমিতিৰ সভাপতি আৰু প্ৰধান সম্পাদক ক্ৰমে ফুকন আৰু বৰদলৈ। বিৰাট আয়োজনেৰে —'পাণ্ডুৰ নগৰত' কংগ্ৰেছ অধিৱেশন শ্ৰীনিবাশ আয়েঙ্গাৰৰ পৌৰোহিত্যত বহিল। অসমৰ ৰাইজে জান-প্ৰাণ দি অধিবেশন কৃতকাৰ্য্য কৰি তুলিলে। অধিৱেশনৰ সময়ত ধাৰাসাৰে বৰষুণ হোৱাত প্ৰতিনিধিৰ সংখ্যা আশানুৰূপ নহ'ল আৰু সেই হিচাবে প্ৰতিনিধিসকলৰ পৰা অভ্যৰ্থনা সমিতিৰ পুঁজিলৈ আহিব বুলি আশা কৰা ধন নাহিল। ফলত ৩৫ হেজাৰ টকাৰ দেনা হ'ল। তাৰে অধিকাংশ দেনা তৰুণৰাম ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈয়ে পৈতৃক-

স্থাৱৰ সম্পত্তি বিক্ৰী কৰি পৰিশোধ কৰিলে। অসমীয়া জাতি এই মহান কাৰ্য্যৰ বাবে ফুকন-বৰদলৈৰ ওচৰত চিৰঋণী হৈ আছে আৰু থাকিব।

১৯২৮ চনৰ ১৭ আৰু ১৮ নৱেম্বৰ তাৰিখে তেজপুৰত অসম ছাত্ৰ সম্মিলনৰ বছৰেকীয়া অধিবেশন বহে। সেই সময়ছোৱাত অসম ছাত্ৰ সম্মিলনৰ সম্পাদক আছিল ৰজনীকান্ত গোস্বামী। নিমন্ত্ৰিত সভাপতি সাধু টি. এন. ভাস্বানী সভাত অনুপস্থিত থকাত তৰুণৰাম ফুকনে সভাপতিৰ কাম চলাবলগীয়া পৰে। সভাপতিৰ আসনৰ পৰা ফুকনে ছাত্ৰসকলৰ প্ৰতি আগবঢ়োৱা পৰামৰ্শ অতি প্ৰনিধান-যোগ্য আৰু তাৰ মাজেদি ফুকনৰ জ্ঞান, ব্যক্তিত্ব আৰু দূৰদৰ্শিতা প্ৰকাশ পাইছে। "দুখীয়াৰ দুখ নিবাৰণ কৰিবৰ কাৰণে আত্মোৎসৰ্গ কৰিবলৈ প্ৰস্তুত থাকিব লাগিব, পৰিশ্ৰমৰ মৰ্যাদা বুজিব লাগিব, কলাজ্বৰ, মেলেৰীয়া, কলেৰা আৰু নৈসৰ্গিক বিপদ-আপদত তোমালোকে দুখীয়ালোকক সহায় কৰিব লাগিব। অনুশাসন মানি চলিব লাগিব আৰু খাদী, কুটীৰশিল্প প্ৰচলনৰ কামত আত্মনিয়োগ কৰিব লাগিব। মাতৃসকলে বৈ দিয়া বস্ত্ৰ পৰিধান কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হোৱা অসমত ঘৰে ঘৰে একোটাকৈ খাদী সঙ্ঘ আছে। আমাৰ অৱহেলাৰ কাৰণে সেই বিলাক শক্তিশালী হৈ গঢ়ি উঠা নাই। সেই বিলাকক শক্তিশালী ৰূপ দিব লাগিব। খদ্দৰৰ দাম বেছি বুলি তোমালোকে আপত্তি কৰা উচিত নহ'ব। কাৰণ তোমালোকে এইটো হৃদয়ঙ্গম কৰিব লাগিব যে খদ্দৰত যি পইচা খৰচ কৰা, তাৰ প্ৰতিটো পাই দুখীয়া মানুহৰ দুখ নিবাৰণৰ কাৰণে আৰু তেওঁলোকৰ নিযুক্তিৰ কাৰণে খৰচ কৰিছা। তোমালোক সংযত হ'বা। বান্দৰৰ দৰে অনুকৰণ নকৰিবা। ভাই-বন্ধুলৈ মৰম নেৰিবা। ওচৰ-চুবুৰীয়াৰ দুখত সহানুভূতি দেখুৱাবা। তোমালোকৰ মাজত মতভেদ হোৱাটো স্বাভাৱিক। য'ত মতভেদ নাই, তাত মতৰ মূল্য নাই, তাত জীৱন নাই। সাম্প্ৰদায়িক চিন্তাধাৰা মনৰ পৰা দূৰতে

বিদূৰ কৰি দিবা। দেশৰ অৰ্থে তিৰোতাৰ শক্তি উদ্ভূত নহলে পুৰুষসকলে অকলে একো কৰিব নোৱাৰে। কাৰণ শক্তি মানে স্ত্ৰী শক্তিকে বুজায়। তোমালোকে সেই কাৰণে স্ত্ৰী শক্তি জাগৰণত মনোযোগ দিবা।"

ফুকন নিজে এজন পাকৈত খেলুৱৈ, প্ৰবীণ চিকাৰী আৰু ব্যায়ামবীৰ আছিল গুণে ছাত্ৰসকলক পুৰুষৰ উপযোগী খেল যেনে— নাওঁখেল, ঘোঁৰা-দৌৰ, সাতোঁৰ-খেল আদি অভ্যাস কৰিবলৈ উদ্গনি দিছিল।

তৰুণৰাম ফুকন ১৯২৭ চনত ভাৰতীয় কংগ্ৰেছ মহাসভাৰ ৱাৰ্কিং কমিটিৰ এজন নিৰ্বাচিত সদস্য আছিল। এই কথাই প্ৰমাণ কৰে ফুকনৰ সৰ্বভাৰতীয় খ্যাতি আৰু জনপ্ৰিয়তাৰ কথা। এই পদমৰ্যাদা লাভ কৰা ফুকনেই প্ৰথম অসমীয়া নেতা আছিল। অদূৰ ভৱিষ্যতৰ কাৰণে ভাৰতীয় সংবিধান এখনৰ যে প্ৰয়োজন হ'ব এই কথা চিন্তা কৰি ১৯২৮ চনত মতিলাল নেহৰুৰ নেতৃত্বত তৰুণৰাম ফুকন আৰু মহম্মদ আলি জিন্নাক লৈ এখন তিনিজনীয়া কমিটি গঠন কৰা হৈছিল। জিন্নাই বিৰোধ কৰি কমিটিৰ সদস্যপদ ইস্তফা দিছিল। ১৯২৮ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশনৰ আগে আগে মতিলাল নেহৰু আৰু ফুকনৰ চহীত সংবিধান কমিটিৰ প্ৰতিবেদন দাখিল কৰা হৈছিল।

১৯২৯ চনৰ ডিচেম্বৰ মাহত পণ্ডিত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত বহা কংগ্ৰেছ অধিবেশনত অসমৰ পৰা ফুকন, ৰোহিনী কুমাৰ চৌধুৰী, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, মহেন্দ্ৰমোহন চৌধুৰী, দেবেন্দ্ৰ নাথ শৰ্ম্মা, পবিন্দ্ৰ নাথ শৰ্ম্মা আদিয়ে যোগ দিছিল। সেই অধিবেশনত ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনা পূৰ্ণ স্বাধীনতাৰ দাবীত দেশৰ সকলো ঠাইতে জাতীয় পতাকা উত্তোলন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেই প্ৰস্তাৱ অনুসৰি গুৱাহাটীৰ জুবিলি বাগিচাত (বৰ্ত্তমানৰ ডি. চি. বঙলাৰ সন্মুখৰ পানী যোগান ধৰা কাৰ্য্যালয়

থকা ঠাই) দেশভক্ত তৰুণৰাম ফুকনে জাতীয় পতাকা উৰুৱাই ৰাইজক উৎসাহিত কৰিছিল।

১৯৩০ চনৰ বছৰটো ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত অতি উল্লেখযোগ্য বছৰ। এই বছৰতে মহত্মা গান্ধীয়ে ইংৰাজৰ লোন আইন ভঙ্গ কৰে, কানিংহাম চাহাবৰ কুখ্যাত চাৰ্কুলাৰে অসমৰ শিক্ষাৰ পথাৰত এটি অভাৱনীয় বাতাবৰণৰ সৃষ্টি কৰে, ভাৰতৰ ৰাজ্যবোৰে প্ৰাদেশিক স্বায়ত্ত শাসন দাবী কৰে।' ১৯৩০ চনটো হ'ল আইন অমান্য আন্দোলনৰ বছৰ। এই বছৰটো অসমৰ কাৰণে সবাতোকৈ দুৰ্ভাগ্যজনক আছিল। অসমৰ সকলোৰে একমাত্ৰ আশা-ভৰসাৰ থল ফুকন আৰু বৰদলৈ কংগ্ৰেছৰপৰা আঁতৰি থকাৰো বছৰ আছিল। ফুকনে কেন্দ্ৰীয় বিধান সভাৰ সদস্যপদ ত্যাগ কৰাৰ লগে লগে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতিৰ পদো ইস্তফা দিলে। ১৯৩০ চনৰ উপ নিৰ্বাচনত অসম বিধান সভাৰ স্বৰাজ্য পাৰ্টিৰ সকলো সদস্যই সদস্যপদ ইস্তফা দি নিৰ্বাচনত থিয় হ'ল। ফুকন আৰু ৰোহিনী কুমাৰ চৌধুৰী নিৰ্বাচিত হ'ল, কিন্তু নবীন চন্দ্ৰ বৰদলৈয়ে পৰাজয় বৰণ কৰে।

ফুকন আৰু বৰদলৈয়ে ইস্তফা দিয়াত তেখেত সকলকে ধৰি এটা দলে ভাবিছিল যে অসম কংগ্ৰেছৰ গাঁঠনি ঢিলা পৰিব, কিন্তু সেয়া নহ'ল, যি দেশত ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ দৰে নিষ্ঠাৱান গান্ধীবাদী, গুণী-জ্ঞানী পুৰুষ আছে তাত কংগ্ৰেছ অনুষ্ঠান মান পৰিব কেনেকৈ? হেমচন্দ্ৰ বৰুৱাৰ আশীৰ্বাদ শিৰত লৈ ডেকা কৰ্মী বিষ্ণুৰাম মেধি অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি নিৰ্বাচিত হ'ল, কংগ্ৰেছে নতুন বল পালে, ডেকা কৰ্মীসকল উৎসাহিত হ'ল। সকলোৰে মনত ভাব হ'ল ফুকনেই অসম নহয়, বৰদলৈয়েই কংগ্ৰেছ নহয়; ফুকন-বৰদলৈৰ পিছতো মানুহ আছে।

কোৱা বাহুল্য যে ফুকন আৰু বৰদলৈ ১৯৩০ চনৰ অসহযোগ আন্দোলনৰ পৰা ফালৰি কাটি থাকে। তাৰ পিছত ফুকন স্বতন্ত্ৰ

প্ৰাৰ্থী হিচাপে পুনৰ কেন্দ্ৰীয় সদনৰ সদস্য হয়। কৰ্মবীৰে ১৯৩২ চনত আন্দোলনত পুনৰ যোগ দিয়ে। ১৯৩৪ চনৰ নিৰ্বাচনত বৰদলৈয়ে কংগ্ৰেছ প্ৰাৰ্থী হিচাপে থিয় দিয়ে। ফুকনেও কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে মনোনয়ন পোৱাৰ আশা কৰি কংগ্ৰেছ পাৰ্লিয়ামেণ্টৰী বোৰ্ডলৈ আবেদন পঠাইছিল। ফুকনৰ আবেদন গ্ৰাহ্য নোহোৱাত বৰদলৈৰ লগত তেখেতে স্বতন্ত্ৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰিবলগীয়া হয়। তাৰ পিছত ফুকনে ১৯৩৬ চনৰ প্ৰাদেশিক বিধান সভাৰ নিৰ্বাচনৰ সময়ত ৰোহিণী কুমাৰ চৌধুৰীয়ে গঠন কৰা মিলিত জনসঙ্ঘত যোগ দি কংগ্ৰেছৰ বিৰোধিতা কৰে। ফুকনৰ এই কাৰ্য্যই কংগ্ৰেছ দলক ক্ষুণ্ণ কৰে আৰু শেষত প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ফুকনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লবলৈ বাধ্য হয়। ফুকনে যিসকল লোকক লৈ এই দল গঠন কৰিছিল দুৰ্ভাগ্যবশতঃ তেওঁলোকৰ বহুতৰে ওপৰত ৰাইজৰ আস্থা নাছিল। কিন্তু ফুকনৰ বিশাল ব্যক্তিত্বৰ ওপৰত এইবোৰে কোনো চেকা পেলাব পৰা নাছিল। ব্যক্তিয়ে পৰিস্থিতিৰ দাস হৈ কোনো কোনো সময়ত ভুল কৰে। ভুলৰ যিদিনা পৰিসমাপ্তি ঘটে সিদিনা মহত্বৰ পৰিচয় দি সেই ভুল স্বীকাৰ কৰি অনুশোচনা কৰে, ক্ষমা প্ৰাৰ্থনা বিচাৰে। ফুকনেও নিজৰ "ভুল স্বীকাৰ কৰি মাৰ্জনা বিচাৰি পুনৰ কংগ্ৰেছত যোগ দি অসমত মিলিত মন্ত্ৰীসভা গঠনৰ কাৰণে নিঃস্বাৰ্থভাবে খাটি তেওঁৰ হৃত আৰু ক্ষুণ্ণ মৰ্যাদা পুনৰ উদ্ধাৰ কৰিলে।" পৰিতাপৰ বিষয় ইয়াৰ অলপ দিনৰ পিছতে ফুকনৰ আকস্মিক বিয়োগ ঘটে। সেই মহাপ্ৰয়াণৰ দিনটো আছিল ১৯৩৯ চনৰ ২৮ জুলাই। লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে ফুকনৰ মৃত্যুত গভীৰ শোক আৰু উপলব্ধি এনেদৰে প্ৰকাশ কৰিছে— "ফুকনে যি স্থান হেকৱাইছিল মৰণত সেই স্থান পালেগৈ। Home they brought their warrior dead. সকলো লোকে মিলি তেওঁৰ মৃতদেহ কংগ্ৰেছ অফিচলৈ আনি যি সন্মান দেখুৱালে, সি মহাৰথীৰ যোগ্য।"

ফুকনৰ জীৱনৰ শেষৰ দশকটো অতীৱ করুণ, অতীৱ প্ৰাণস্পৰ্শী, অতীৱ হৃদয় বিদাৰক। ৰাজনৈতিক জীৱনত দুৰ্য্যোগ অহাৰ লগে লগে সংসাৰ ক্ষেত্ৰতো এনেদৰে বিপৰ্য্যয় আহিল যে সাধাৰণ মানুহৰ পক্ষে ইমানবোৰ শোক-তাপ সহ্য কৰাৰ শক্তিৰ অভাৱ হ'লহেঁতেন। এজনে মন্তব্য কৰাৰ দৰে—"চেক্সপীয়েৰৰ কিংলিয়েৰ পাগল হওঁতে ফুকনৰ দৰে শোক-বেদনা পাবলগা হোৱা নাছিল।" আৰু ক'ব পাৰি ক্যাপ্টাৰ ব্ৰীজৰ মেয়ৰ হেনছাদৰ দৰে চৰম পৰিণতি ঘটাৰ পিছতো ফুকনে অকণো ধৈৰ্য্য হেৰুওৱা নাছিল। সকলো ভগৱানৰ দান বুলি গ্ৰহণ কৰিছিল।

দুৰ্যোগৰ কালছোৱাত প্ৰথমে অতি মৰমৰ কন্যা আৰু প্ৰিয়তমা ভাৰ্য্যা বিদ্যুত প্ৰভাক যক্ষ্মা ৰোগত হেৰুৱাইছিল। এজন সতীৰ্থই এদিন সোধাত ফুকনে কৈছিল—"মোৰ প্ৰাণৰ প্ৰতিমাক বিজয়াৰ দিনাখনেই বিসৰ্জন দি আহিছো।"

সহধৰ্মিনীক কলিকতালৈ নি আপ্ৰাণ চেষ্টা কৰিও বচাব নোৱাৰিলে। ১৯৩২ চনৰ বিজয়া দশমীৰ দিনা কলিকতাতে স্বামীক নিসকৰা কৰি নৰলীলা সামৰিলে। ৰবজোঁৱাই স্বনামধন্য দেশপ্ৰাণ লক্ষ্মীনাথ শৰ্মাও একে ৰোগতে পৰি একে পথৰ যাত্ৰী হ'ল। তাতে দেশৰ ঋণ আৰু নিজৰ ব্যক্তিগত ঋণ পৰিশোধ কৰাৰ কাৰণে মা-সম্পত্তিও বিক্ৰী-বন্ধকত গ'ল। 'বিপদ অকলে নাহে', ইমানবোৰ বিপদৰ মাজত তেখেতৰ জ্যেষ্ঠ সহোদৰ ভাতৃ নবীনৰাম ফুকনৰো অকাল বিয়োগ ঘটিল। তথাপি ফুকনে ধৈৰ্য্য হেৰুওৱা নাছিল। সমবেদনা জনাবলৈ অহা বন্ধু-বান্ধৱে তেখেতক পূৰ্ণ স্থিতপ্ৰজ্ঞ অৱস্থাত লগ পাই আচৰিত হৈছিল। বৰঞ্চ ওলোটাই তেখেতৰ পৰাহে শান্তনাবাণী শুনি গৈছিল। তাৰ ভিতৰতে ১৯৩৪ চনত কংগ্ৰেছ প্ৰাৰ্থীৰ কাৰণে মনোনয়ন বিচাৰি বিমুখ হোৱা, নিৰ্বাচনত পৰাজয় বৰণ কৰা আদি দুখজনক ঘটনাবোৰতো আছিলেই।

১৯৩৫ চনৰ ভাৰত আইন অনুসৰি ১৯৩৬ চনত পুনৰ সাধাৰণ

নিৰ্বাচন হয়। তেতিয়া ৰোহিনী কুমাৰ চৌধুৰীয়ে 'মিলিত জনসঙ্ঘ' নামে পাৰ্টি এটা গঠন কৰি ফুকনক হাতত লৈ নিৰ্বাচনত থিয় দিছিল। ইতিমধ্যে ফুকনক পুনৰ কংগ্ৰেছলৈ ঘূৰাই নিয়াৰ বাবে বাহিৰে-ভিতৰে প্ৰবল চেষ্টা চলোৱা হৈছিল। সেই সময়ত মনোনয়ন পত্ৰ দাখিল কৰাৰ আগে আগে তেজপুৰত ভুলাভাই দেশাইয়ে ফুকনক সাক্ষাৎ কৰি ব্যক্তিগত ভাবে বুজাই বঢ়ায়ো কংগ্ৰেছলৈ আনিবলৈ তেখেতক চেষ্টা কৰি নোৱাৰিলে।

এই যাত্ৰাত ফুকনে ৰঙিয়া সমষ্টিত উঠি কংগ্ৰেছ প্ৰাৰ্থী, তেখেতৰ নাতি জোঁৱাই সিদ্ধিনাথ শৰ্ম্মাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিছিল। উল্লেখযোগ্য যে নিৰ্বাচনৰ দিনা ফুকনে ৰঙিয়া ডাক্ বঙলাত জিৰণি লৈ থাকোঁতে কংগ্ৰেছৰ স্বেচ্ছাসেৱী সকলে হাতত কংগ্ৰেছৰ পতাকা লৈ 'কংগ্ৰেছৰ জয়', 'কংগ্ৰেছৰ জয়েই দেশৰ জয়' ধ্বনি তুলি শোভাযাত্ৰা কৰি দলে দলে ফুকনৰ সন্মুখেদি গৈ আছিল। এইবোৰ দেখি-শুনি ফুকনৰ মানস পটত অসহযোগ আন্দোলনৰ স্মৃতি জাগি উঠিল আৰু আবেগত অভিভূত হৈ চিঞৰি উঠিল—"কংগ্ৰেছৰে জয়, কংগ্ৰেছৰ জয়ে মোৰো জয়।" তাৰ পাছতে নিৰ্বাচনী পৰ্ব শেষ নোহওঁতে টালি-টোপোলা সামৰি লৈ খেলুৱৈসুলভ ভাবলৈ নিৰ্বিকাৰ চিত্তে ঘৰলৈ ওভটিল। ফুকনৰ ইচ্ছা পূৰণ কৰি কংগ্ৰেছৰেই জয় হ'ল। নিৰ্বাচনৰ পিছত মিলিত জনসঙ্ঘৰ নেতা সকলৰ মাজত মতানৈক্য আহিল আৰু ফুকনে কংগ্ৰেছত পুনৰ যোগ দি অসমত মুছলিম লীগৰ মন্ত্ৰীসভা আঁতৰাই মিলিত মন্ত্ৰীসভা গঠন কৰাত উঠি-পৰি লাগিল আৰু তাত কৃতকাৰ্য্যও হ'ল।

এই পৃথিৱীত ফুকনৰ দৰে কেইজন সংযমী আৰু ধৈৰ্য্যশীল ব্যক্তি আছে ভাবি আশ্চৰ্য্য প্ৰকাশ কৰি লোকপ্ৰিয় বৰদলৈয়ে কৈছে—"এই শক্তিৰ কথা ভাবিলে ফুকনক এজন প্ৰকৃত মহাপুৰুষ বুলি নধৰি নোৱাৰি। ঠাট্টাৰ ছলত মোক তেখেতে কেইবাদিনো কৈছিল, সন্ন্যাসীৰ ঘৰবহে লোক আমি। আজি মহাসুখত আছোঁ, দৰ্কাৰ হলে কমণ্ডলু

হাতত লৈ বাহিৰ ওলাম।” আচলতে এই মহাত্যাগ, সংযম, ধৈৰ্য্য, বিকাৰ শূন্যতা আৰু আনন্দ—ফুকনৰ স্বাভাৱিক শক্তি আছিল। এনে মহাশক্তি লাভ কৰিবলৈ কতযোগীয়ে সমস্ত জীৱন সাধনা কৰিও কৃতকাৰ্য্য হ'ব পৰা নাই। ফুকন ডাঙৰীয়াৰ এই বিলাক কেনেকৈ আয়ত্ব হ'ল? বহুতে হয়তো নাজানে, নানা তৰহৰ কৰ্ম্মময় জীৱন স্বত্বেও ফুকন ডাঙৰীয়া এজন প্ৰকৃত ঈশ্বৰ বিশ্বাসী লোক আছিল। সেই বিশ্বাস কোনো নিৰ্দিষ্ট পন্থাৰ হ'ব পাৰে, সেই বিশ্বাস হয়তো দৈনিক ফুল-চন্দনেৰে কৰা পূজা সেৱাত দেখা নগৈছিল, কিন্তু তথাপি এইটো ক'ব পাৰি যে তেখেতৰ সনাতন ধৰ্ম্মবিশ্বাসৰ শিপাই তেখেতৰ জীৱনৰ স্তৰে-স্তৰে আৰু কৰ্মজীৱনৰ দৈনন্দিন কাৰ্য্যত অদৃশ্যভাৱে খোপনি লৈ আছিল। গীতাৰ প্ৰিয় শ্লোকৰ ভিতৰত তেখেতে “ত্বয়া হৃষিকেশে-হৃদিস্থিতেন যথা নিযুক্তোহাস্মি তথা কৰোমি” উচ্চাৰণ কৰা মই বহুদিন শুনিছিলো। মোৰ পূৰ্ণ বিশ্বাস, তেখেতে জীৱনৰ প্ৰত্যেক ডাঙৰ ঘটনাকে পৰমেশ্বৰৰ ইচ্ছা বুলি গ্ৰহণ কৰিবলৈ শক্তি পাইছিল। সেই কাৰণেই তেখেতে জীৱনৰ মহৎ কৃতিত্বৰ উৎসাহৰ ভিতৰত যেনেকৈ, জীৱনৰ নিষ্ঠুৰ অপায়-অমঙ্গলৰ মাজতো তেনেকৈ চিদানন্দময় স্বৰূপক দেখা পাইছিল। এই চিদানন্দ পৰমেশ্বৰৰ জ্যোতিয়ে তেখেতৰ আত্মাক এনে প্ৰৱলভাৱে বিস্তাৰ কৰি আছিল যে তেখেতৰ সংস্পৰ্শত অহা সকলো লোককে নিজৰ নানা অপায়-অমঙ্গল স্বত্বেও সেই জ্যোতিৰ ভাগ সমানে বিলাই দিবলৈ তেখেত সমৰ্থ হৈছিল।”

ফুকনে নিজক “সন্ন্যাসীৰ ঘৰৰ লোক” বুলি পৰিচয় দিয়াৰ এটি গভীৰ তাৎপৰ্য্য আছে। ফুকনৰ পূৰ্বপুৰুষ শিৱসাগৰ জিলাৰ টিয়ক অঞ্চলৰ। তেখেত সকলৰ ঘৰখন সেই অঞ্চলত থাৰঘৰীয়া ফুকন বা অধ্যাপকৰ ঘৰ বুলিয়েই জনাজাত আছিল। এনেতে দক্ষিণ ভাৰতৰ পৰা লক্ষ্মীনাৰায়ণ নামে এজন ব্ৰহ্মচাৰী অসমলৈ আহি নীলাচল পাহাৰৰ পাদমূলত বসতি স্থাপন কৰি থাকিল। জীৱন নৈৰ সোঁতত

তাহি আহি অধ্যাপকৰ ঘৰৰে যোগাই নামৰ ল'ৰা এজনে ব্ৰহ্মচাৰীৰ ওচৰত আশ্ৰয় ললে। ব্ৰহ্মচাৰীয়ে তেনেধৰণৰ কেইবাজনো সহায়-সাৰথিহীন ল'ৰাক আশ্ৰয় দি শিক্ষা-দীক্ষা প্ৰদান কৰি নিজৰ গোত্ৰলৈ তুলিছিল। যোগায়ো ব্ৰহ্মচাৰীৰ গোত্ৰ পালে। যোগাই—যজ্ঞৰাম হ'ল। যজ্ঞৰামৰ পুতেক দুৰ্গাৰাম, দুৰ্গাৰামৰ পুতেকেই আছিল তৰুণৰাম ফুকনৰ পিতৃ বলোৰাম ফুকন।

অসমৰ জাতীয় জীৱনৰ এই যুগৰ সৰ্বশ্ৰেষ্ঠ নেতাজনৰ বহুমুখী প্ৰতিভা এটি প্ৰবন্ধ নেলাগে হেজাৰ পিঠিয়া গ্ৰন্থ এখনতো সন্নিবিষ্ট কৰা কিজানি টান। ৰাজনীতিৰ লগতে সাহিত্য আৰু চিকাৰ "এই দুটা গুণৰো যোগ হৈ সত্ত্বৰজঃ আৰু তমঃগুণৰ আধাৰস্থল ত্ৰৈগুণাত্মক ফুকন। ফুকনৰ সাহিত্য কৃতীৰ বিষয়ে সাহিত্যাচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকাই মন্তব্য কৰিছে—"সকলো সজ গুণকে সামৰি দেশবাসীয়ে ফুকনদেৱক দেশভক্ত উপাধিৰে বিভূষিত কৰিছিল। শিলচৰ জেলত থাকোঁতে তেওঁ লিখা ৫৪টা কবিতাৰ পুথি 'স্তুতিমালা', নিজৰ ঘৰত আজৰি সময়ত লিখা যৌন-বিজ্ঞান সম্পৰ্কীয় ৰসাল পুথি 'যৌনতত্ব', ভাটী বয়সত লিখা অতি উপাদেয় অথচ ৰোমাঞ্চকৰ নানা 'চিকাৰ কাহিনী', অসহযোগ আন্দোলনৰ সময়ত ফাটেক ঘৰৰ ভিতৰত কামৰূপৰ কথিত গাঁৱলীয়া ভাষাৰে হাঁহিত পেটৰ নাড়ী ডাল ডাল হোৱাকৈ লিখা 'নিংনি ভাৱৰীয়াৰ গীত', কংগ্ৰেছ মহাসভাৰ আদৰণি ভাষণ আদি অসমীয়া সাহিত্য ভঁৰাললৈ দেশভক্তৰ বহুমূলীয়া অৰিহণা। 'স্তুতিমালাৰ' বাহিৰেও তেওঁৰ বেছি কবিতা নাই যদিও যি কেইটা আছে সেয়ে মূল্যৱান।"

ফুকনৰ 'স্তুতিমালা'ৰ গীতসমূহলৈ চাই তেখেত এজন বিষ্ণুপ্ৰাণ বৈষ্ণৱ কবি বুলি ক'লে অত্যুক্তি কৰা নহ'ব। বৈষ্ণৱ ধৰ্মৰ মূল ধাৰাৰ বিষ্ণু বা কৃষ্ণক কেন্দ্ৰ কৰিয়েই স্তুতি গীতবোৰ ৰচনা কৰা হৈছে। ইয়াৰ দ্বাৰা স্পষ্ট ধাৰণা হয় যে, অসমীয়া বৈষ্ণৱ সাহিত্যৰ গ্ৰন্থ সমূহ—ভাগৱত কীৰ্ত্তন, দশম, নামঘোষা, ৰত্নাৱলী আদিৰ ওপৰত তেখেতৰ

গভীৰ অধ্যয়ন আছিল। তেখেতৰ 'চিকাৰ কাহিনী'ৰ গাৰ নোম সিঁইৰি উঠা ৰচনাবোৰ পঢ়িলে তেখেত 'জিম্ ক'ৰ্‌বেট'ৰ সমানেই ডাঙৰ চিকাৰি আছিল বুলি নকৈ উপায় নাই।

কামৰূপীয়া ঠাচত লিখা তেখেতৰ ৰসাল আৰু ব্যঙ্গ কবিতাৰ নমুনা এটা দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। কবিতা ফাঁকিত কাৰাগাৰৰ মাৰ ভাত মুঠিৰ বৰ্ণনা কৰা হৈছে—

"ৰাঙা চাউলৰ ভাত দিলাক
আধা সিজা নাই;
গৰাহ মাৰ্‌লি কেৰাৎ কৰেয়
শিলৰ গুৰা পাই।
মাহৰ ডালি শুদা পানী
নিহ্‌নি দেয় তাত,
আকৃতা গন্ধত খাবা নৰি
উকৃতি আহে ভাত।"

ফুকনৰ স্বদেশ প্ৰেমৰ 'জাতীয় সঙ্গীত'টোত দেশভক্ত যুৱজন ওলাই পৰিছে—

"আই মোৰ অসম নিছলী অসম
দুখুনী অসম আমাৰ দেশ।
কিয়নো আই তোৰ এনুৱা বিলাই
কিয়নো আই তোৰ এনুৱা বেশ?
কিয়নো আই তই চকুলো টুকিছ
নেবান্ধ আই তই মূৰৰ কেশ
লাখে লাখে তোৰ ল'ৰা-ছোৱালীয়ে
সাদৰি মাতিছে আমাৰ দেশ।
কিহৰ দুখ তোৰ, কিহৰ শোক তোৰ
কিহৰ লাজ তোৰ, কিহৰ ক্লেশ
সকলোটি মিলি ভায়ে-ভনীয়ে
সাদৰি মাতিছে— আই—আমাৰ দেশ।"

সংসাৰৰ শোক-তাপ-জ্বালা-যন্ত্ৰণাই গৰামাৰি ধৰিও ফুকনক বিচলিত কৰিব নোৱাৰিলে ; গীতাৰ স্থিতপ্ৰজ্ঞ বিৰাট পুৰুষজন হৈ নিৰ্বিকাৰ চিত্তে নিজৰ কৰ্ত্তব্য কৰি গ'ল। এই শক্তি ফুকনে বাৰু পাইছিল ক'ত ? পাইছিল আৰু তাক নিজৰ কৰি গাইছিল—

"বিচাৰ কৰিলে পাবা অসাৰ সংসাৰ
সপোন মাথোন সবে নাই একো সাৰ।"

ৰাজনীতি আৰু সাহিত্য চৰ্চ্চাৰ বাহিৰেও ফুকনে সমাজ সংস্কাৰ আৰু বহুতো জনহিতকৰ কামত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। ১৯৩৭ চনৰ পিছত একেৰাহে কেইবাবছৰ ধৰি ফুকন গুৱাহাটী লোকেল ব'ৰ্ডৰ সভাপতি আছিল। এই সময় ছোৱাত ফুকনৰ উদ্যোগত বহুতো ৰাস্তা, পুখুৰী, প্ৰাইমাৰী স্কুল, চিকিৎসাগাৰ আদিয়ে গঢ় লৈছিল। অসমত 'কুষ্ঠৰোগী আশ্ৰম' পতাত ফুকনে আগ ভাগ লৈছিল। প্ৰথমে এই আশ্ৰমখন ভৰলুমুখৰ শ্মশানৰ ওচৰত পতা হৈছিল। পিছত বকোলৈ স্থানান্তৰ কৰা হয়।

ফুকন ডাঙৰীয়াৰ হাতী চিকাৰ, বাঘ চিকাৰ আৰু ব্ৰহ্মপুত্ৰত ঘৰিয়াল চিকাৰ কৰাৰ ঘাই সহচৰ আছিল ভৃগুৰাম ৰাজমেধি। ভৃগুৰামৰ দেউতাক সোনাৰাম ৰাজমেধিৰ লগত আলাপ-আলোচনা হৈ সোনাৰামৰ নামতেই ভৰলুমুখৰ 'সোনাৰাম হাইস্কুল' ঠন ধৰি উঠিল। ফুকনৰ আকৰ্ষণত সোনাৰাম হাইস্কুলত বহুতো প্ৰখ্যাত সাহিত্যিক, গৱেষক, কবি, ইতিহাসবিদ প্ৰত্নতাত্বিকে শিক্ষকতা কৰিছিল। সেই সকলৰ ভিতৰত পণ্ডিত হেমচন্দ্ৰ গোস্বামী, হৰমোহন দাস, সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকা, ৰজনীকান্ত দেৱ-শৰ্ম্মা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ছাৰ চৈয়দ শাদুল্লা, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্ম্মা, কোঁহিৰাম দাস, ভবেন চৌধুৰী, ডক্টৰ কালিচৰণ দাস, নৱকুমাৰ বৰুৱা, ত্ৰিগুণা প্ৰসাদ বৰুৱাৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

'তৰিলে দেশ, মৰিলে স্বৰ্গ' এই বীজমন্ত্ৰ তৰুণৰাম ফুকনে দেশৰ তৰুণ সকলক দি দেশ স্বাধীন কৰাৰ কাৰণে জাতিটোক ৰণোন্মত্ত কৰি

তুলিছিল। এইজন নিৰ্ভীক, নিস্বাৰ্থী দেশ-প্ৰেমিকৰ মৃত্যুত ডক্টৰ ৰাজেন্দ্ৰ প্ৰসাদ, নেতাজী সুভাষ চন্দ্ৰ বসু প্ৰমুখ্যে ভাৰতৰ বৰেণ্য নেতাসকলে তেখেতৰ গুণানুকীৰ্ত্তন কৰি শোকবাৰ্ত্তা পঠাইছিল। ডক্টৰ ৰাজেন্দ্ৰ প্ৰসাদে লিখিছিল—"তৰুণৰাম ফুকনৰ মৃত্যুৰ বাতৰি পাই মৰ্মাহত হৈছোঁ। সেই তাহানি অসহযোগ আন্দোলনৰ সময়ৰ পৰাই মই তেওঁক জানিবলৈ সুযোগ পাইছিলো। তেওঁ এজন সাহসী আৰু নিপুণ যোদ্ধা আছিল আৰু দেশৰ কাৰণে বিস্তৰ ত্যাগ কৰিব পাৰিছিল। এসময়ত তেওঁ তেওঁৰ প্ৰদেশৰ অবিসম্বাদী নেতা আছিল, আৰু যদিও শেষ কালছোৱাত সহকৰ্মীসকলৰ লগত মত-বিৰোধ হৈ অকলশৰীয়া যেন জীৱন-যাপন কৰিছিল, তথাপি দেশকৰ্মী আৰু প্ৰসিদ্ধ নেতা হিচাপে তেওঁৰ স্থান অবগো নমা নাছিল। দেশৰ এই সন্ধিক্ষণত তৰুণৰাম ফুকনৰ মৃত্যু এটা অপূৰণীয় ক্ষতি।"

নেতাজীয়ে লিখিছিল—"তৰুণৰাম ফুকন অসমৰ বিখ্যাত নেতা-সকলৰ এজন আছিল। ১৯২২ চনত দেশবন্ধু চিত্তৰঞ্জন দাসৰ লগত 'স্বৰাজ্য দল' গঠনত যোগ দিয়াৰ পৰাই মই তেওঁক জানি আহিছো। দেশবন্ধুৰ মাদ্ৰাজত কৰা প্ৰথম সাফল্যমণ্ডিত ভ্ৰমণৰ সময়ত তৰুণৰাম ফুকন তেওঁৰ লগত আছিল। আৰু তাৰ পিছৰ পৰাই তেওঁ 'স্বৰাজ্য দলৰ' কাৰ্যত নানাভাৱে সহায় কৰিছিল। তেতিয়াৰ পৰাই মোৰো তেওঁৰ লগত ব্যক্তিগত পৰিচয় হয়। তেওঁ এজন প্ৰকৃত ভদ্ৰলোক আছিল। তেওঁ অমায়িক আৰু আনক সহজে জয় কৰিব পৰা মানুহ আছিল। কংগ্ৰেছৰ নীতি-কৰ্মধাৰা পুৰাপুৰিভাৱে মানি নচলাত তেওঁৰ বন্ধুবিলাক আচৰিত আৰু দুঃখীত হৈছিল। কিন্তু শেষত তেওঁ আকৌ কংগ্ৰেছৰ কামত উদ্যমেৰে লগা দেখি আমি আশ্বস্ত হৈছিলোঁ। যোৱাবেলি মই অসমলৈ যাওঁতে তেওঁ আমাৰ কামত যথেষ্ট ৰকমে সহায় কৰিছিল। আমি আশা কৰিছিলো যে তেওঁ হয়তো কংগ্ৰেছৰ কামত আকৌ এটি ডাঙৰ ভূমিকা গ্ৰহণ কৰিব। কিন্তু আমি আকস্মিকভাৱে তেওঁৰ মৃত্যু সংবাদহে পাবলগীয়া হ'ল। তেওঁৰ মৃত্যুত আমি এজন প্ৰকৃত বন্ধু, নিৰ্ভীক ভদ্ৰলোক, অকপট দেশহিতৈষী আৰু প্ৰসিদ্ধ নেতাৰ বাবে শোক কৰিবলগীয়া হ'ল। তেওঁৰ আত্মাই শান্তি লভক—ইয়াকে কামনা কৰিছোঁ।"

বিয়াল্লিছৰ শ্বহীদ

'জননী-জন্মভূমি স্বৰ্গতকৈও অধিক' এই নীতি বাক্যযাৰ উপলব্ধি কৰি যুগে যুগে বহুতো নৰ-নাৰী দেশৰ হকে যুঁজি প্ৰাণাহুতি দিয়া কথাৰ জ্বলন্ত সাক্ষ্য, ইতিহাসৰ পাত লুটিয়ালেই পোৱা যায়। উনবিংশ শতিকাৰ আগভাগত গৃহকন্দলৰ ফলত মানৰ আক্ৰমণে অসম দেশ ছাৰখাৰ কৰি পেলোৱাত বিপদত সহায় কৰাৰ আজুহাত লৈ সাত-সাগৰ তেৰ নদীৰ সিপাৰৰপৰা অহা সাম্ৰাজ্যলোভী বৃটিছে মাতৃভূমি অসম ১৮২৬ চনত দখল কৰিলে। জন্মভূমিক পুনৰ উদ্ধাৰ কৰাৰ কাৰণে ডেৰকুৰি বছৰ পাৰ নৌহওঁতে ভাৰত ব্যাপি হোৱা চিপাহী বিদ্ৰোহৰ (১৮৫৭) জুইত অসমীৰ বীৰ সন্তানসকলে জপিয়াই পৰিল। মাতৃ-পূজাৰ বেদীত মণিৰাম, পিয়লি, গোমধৰ, কীৰ্তিৰাম আদিয়ে ফাঁচী কাঠত উঠি হাঁহি হাঁহি নিজক উৎসৰ্গা কৰিলে। যি জুই জ্বলিল আৰু লুহুমাল। দেশ স্বাধীন কৰাৰ পণ—'কৰিম কিম্বা মৰিম'। ১৯১৯ চনত জালিয়ানৱালা বাগত কেবাশ নিৰীহ শিশু, পুৰুষ, মহিলাই তথাকথিত সভ্য ইংৰাজ জাতিৰ কামান বাৰুদৰ মুখত প্ৰাণ দিলে। মহাত্মা গান্ধীৰ সবল আৰু অবিসম্বাদী নেতৃত্বত অহিংস অসহযোগ আন্দোলন (১৯২০-২১) আৰম্ভ হ'ল। হেজাৰ হেজাৰ নৰ-নাৰীক বৃটিছে কাৰাৰুদ্ধ কৰিলে। পাশবিক অত্যাচাৰত বহুতে ধন-প্ৰাণ হেৰুৱালে। অগণন লোক চিৰদিনৰ কাৰণে ঘুঁণীয়া হ'ল। ১৯৩০ চনত আইন অমান্য আন্দোলনৰ আহ্বান পৰিল। সেই বছৰৰে ২৬ জানুৱাৰী তাৰিখে স্বৰাজ ঘোষণা কৰি স্বাধীন ভাৰতৰ পতাকা উত্তোলন কৰাৰ ধুমধাম চলিল। ফলত লানি নিছিগা সত্যা-

গ্ৰহীৰ ধাৰে বৃটিছৰ কাৰাগাৰ নধৰা হ'ল। ইতিমধ্যে প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৯১৯) লেলিহান শিখাই পৃথিবী চেলেকি পেলাইছিল। ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধও আৰম্ভ হ'ল। প্ৰথম বিশ্বযুদ্ধত কৰাৰ দৰে দ্বিতীয় বাৰতো ভাৰতীয় জনগণৰ মতামত নিবিচৰাকৈয়ে মিত্ৰ শক্তিৰ হকে, জাৰ্মান-জাপানৰ বিৰুদ্ধে যুঁজ কৰিবলৈ ভাৰতীয়সকলক আদেশ দিয়া হ'ল। তাৰ প্ৰতিবাদত সমগ্ৰ দেশজুৰি বিপ্লৱৰ বহ্নি জ্বলি উঠিল। কংগ্ৰেছে ১৯৪২ চনৰ আগষ্ট মাহত বোম্বাইত বহা অধিৱেশনত ইংৰাজৰ 'ভাৰত ত্যাগ' আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে। সন্তান-হাৰা সিংহীৰ দৰে বৃটিছ শক্তি গৰ্‌গৰাই উঠিল। অহিংস আন্দোলনকাৰীৰ ওপৰত বৃটিছৰ সশস্ত্ৰ পুলিচ মিলিটাৰীয়ে বৰ্বৰ আক্ৰমণ চলালে। হেজাৰজনে মাতৃ-ভূমিৰ কাৰণে হাঁহি হাঁহি প্ৰাণ দিলে। বিপ্লৱৰ দাবাগ্নি এনেদৰে অসমভূমিতো দপ্‌দপ্‌কৈ জ্বলি উঠিল। ৯ আগষ্টৰ দিনা অসম কংগ্ৰেছৰ সভাপতি মৌলানা তৈয়বুল্লা আৰু মিঃ ফখ্‌ৰুদ্দিন আলি আহমদ, গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা, বিষ্ণুৰাম মেধী, দেৱেশ্বৰ শৰ্মাক ইংৰাজে গ্ৰেপ্তাৰ কৰিলে। ইংৰাজৰ এই কাৰ্যই আন্দোলন থমাব ছাবি জ্বলা জুইত যেন ঘীউহে ঢালিলে। ৰেল বগৰোৱা মিছা অভিযোগত নিৰ্দোষ বৈষ্ণৱ-প্ৰাণ, স্বাধীনতা সংগ্ৰামী কুশল কোঁৱৰক ১৯৪৩ চনত ১৫ জুন তাৰিখে যোৰহাট জেলত ফাঁচী কাঠত তুলিলে। কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী, তিলক ডেকা, লক্ষী হাজৰীকা, বলোৰাম সূত, ঠগীৰাম সূত, মুকুন্দ কাকতি, থুলেশ্বৰী, কমলা মিৰিকে ধৰি বহুতে সশস্ত্ৰ পুলিচৰ গুলী আৰু বৰ্বৰ অত্যাচাৰত দেশৰ হকে প্ৰাণ দিলে।

ভোগেশ্বৰী ফুকননী:

ইতিহাস প্ৰসিদ্ধ আহোম বংশোদ্ভৱ আত্মাৰাম বুঢ়াগোঁহাইৰ পত্নী নীলেশ্বৰীৰ পাঁচটি গৰ্ভজাত সন্তানৰ ভিতৰত দ্বিতীয়টিৰ নাম আছিল

ভোগেশ্বৰী। ভোগালী বিহুৰ ভোগ-বিলাসৰ উৎসৱৰ দিনত জন্ম গ্ৰহণ কৰা সাৰ্থকনামা ভোগেশ্বৰী গোঁহাই স্বামীও বাছি ল'লে স্বনামা ভোগেশ্বৰ ফুকনকহে। স্বদেশপ্ৰেমী আদৰ্শ মহিলা, ছটা পুত্ৰ আৰু তুজনী কন্যাৰ মাতৃ হৈও ষাঠি বছৰ বয়সত বিয়াল্লিছৰ এই গণ বিপ্লৱত জপিয়াই পৰিল। তাকো অকলে নহয়, পুত্ৰ, জিয়াৰী, নাতি-নাতিনীক আগত লৈ স্বাধীনতাৰ ত্ৰিৰঙ্গ পতাকা হাতে হাতে দি শোভাযাত্ৰা কৰি, সমদল গীত গাই গাই। প্ৰতিজ্ঞা—যিদিনালৈকে দিল্লীৰ দৰবাৰত স্বাধীন ভাৰতৰ পতাকা নুৰিব সিদিনালৈ কাৰো ক'তো জিৰণি নাই, শান্তি নাই। এক অবিৰত যাত্ৰা—'শেষ কৰিম কিম্বা মৰিম'। পতাকা হাতত লৈ সকলোৱে সমস্বৰে গালে—

(১) প্ৰাণ দি হ'লেও পতাকাৰ অস্তিত্ব
ৰক্ষা কৰিম ৰক্ষা কৰিম।

(২) পতাকাক অপমান কৰিলে
সহ্য নকৰিম, সহ্য নকৰিম।

(৩) দিল্লীৰ দৰবাৰত জাতীয় পতাকা
উৰাবই লাগিব, উৰাবই লাগিব।

বঢ়মপুৰত হোৱা আন্দোলনৰ মহিলাৰ অধিনায়িকা আছিল ভোগেশ্বৰী ফুকননী। তেখেতৰ প্ৰেৰণাত আই ভনীসকলে চোতালে চোতালে, নামঘৰে নামঘৰে বহি স্বাধীনতাৰ গুণ-গান কৰি কপাঁহ নেওঠাই কপাঁহ নেওঠিছিল; পাজী বতাই পাজী বটিছিল; সূঁতা কাটোতাই সূতা কাটিছিল। আকৌ এচামে দলে দলে গৈ মুষ্টি ভিক্ষা কৰি স্বাধীনতাৰ বাবে পুঁজি সংগ্ৰহ কৰিছিল। প্ৰতিজনে নিজৰ স্বাৰ্থ, পৰিয়ালৰ স্বাৰ্থ ঠেলি থৈ দেশৰ স্বাৰ্থ আগ কৰি শেহত নিজৰ নিজৰ প্ৰাণকিটাও বলি দিবলৈ উতলা হৈ বৈ আছিল। মাতৃ-ভূমিৰ কাৰণে প্ৰাণ দিবলৈ ওলোৱা আনন্দক তেওঁলোকে জীৱনৰ চৰম আনন্দ চৰম প্ৰাপ্তি বুলি উপলব্ধি কৰিছিল। সেই মৃত্যু মোক্ষ লাভৰ সোণৰ জখলা।

নগাঁৱৰ বঢ়মপুৰত স্বেচ্ছাসেৱীসকলৰ প্ৰশিক্ষণ-শিবিৰত হঠাৎ পুলিচৰ আক্ৰমণ চলিল। প্ৰশিক্ষণ শিবিৰ বেআইনী ঘোষণা কৰি দুৱাৰত তলা লগাই প্ৰশিক্ষাৰ্থীসকলক ১৬ চেপ্টেম্বৰ তাৰিখে গ্ৰেপ্তাৰ কৰি লৈ গ'ল। পুলিচৰ এই কাৰ্য্যই বঢ়মপুৰীয়া ৰাইজৰ অন্তৰত দাৰুণ আঘাত হানিলে। মুক্তিযুঁজাৰুসকল প্ৰাণপণৰ প্ৰতিজ্ঞা লৈ দলে দলে আগবাঢ়ি আহিল। কঠোৰ সিদ্ধান্ত ল'লে—"অহা ১৮ চেপ্টেম্বৰৰ দুপৰীয়া তলা ভাঙি শিবিৰৰ বন্ধ দুৱাৰ খোলা হ'ব।"

প্ৰকৃত সত্যাগ্ৰহীৰ কথা আৰু কামৰ মাজত পাৰ্থক্য বিচাৰি পোৱা নেযায়। ১৮ চেপ্টেম্বৰৰ দিনা বিৰাট ৰাজহুৱা সভা আহ্বান কৰা হ'ল। দুপৰীয়াৰ ভোজ-ভাতৰ ব্যৱস্থাও শিবিৰৰ প্ৰাঙ্গণতে কৰা হ'ল। ভাৰত মাতা কি জয়, স্বাধীন ভাৰত কি জয়, মহাত্মা গান্ধী কি জয়, বন্দে মাতৰম আদি ধ্বনি তুলি শান্তি সেনাই গাড়ীয়ে গাড়ীয়ে চাউল, ডাইল, পাত্ৰ, খৰি বাচন-বৰ্তন, আনি দমাই পেলালে। অনাই আনিছে, যোগাৰ কৰাই যোগাৰ কৰিছে, ৰন্ধাই ৰান্ধিছে। মৃত্যুমুখী শান্তিসেনাৰ ৰাজভয়, মৃত্যুভয় একেবাৰেই নাই মৃত্যু তেওঁলোকৰ কাৰণে যেনিবা আনন্দৰ খেল ধেমালিহে! কোনে জানিছিল খন্তেক পিচতে দুপৰীয়াৰ ৰন্ধা ভাত-আঞ্জা আহি সশস্ত্ৰ পুলিচে জোতাৰে খচি লণ্ড-ভণ্ড কৰিব? গুলীৰ আঘাতত' প্ৰাণবায়ু উৰি যাব? নভবা কথাই সঁচা হ'ল। দুপৰীয়া বাৰমান বজাত মিলিটাৰী অফিচাৰ কেপ্টেইন ফ্ৰিন্স, কমাণ্ডাৰ মিঃ ক্লাৰ্ক, পুলিচ বিষয়া ভৱানী বৰুৱাৰ নেতৃত্বত সদলবলে পুলিচ মিলিটাৰী আহি শিবিৰ ঘেৰাও কৰিলে।

বঢ়মপুৰত জালিয়ানৱালা বাগৰ পুনৰাবৃত্তি ঘটাবলৈ মিঃ ক্লাৰ্কে সকলো প্ৰস্তুত কৰি ৰাখিছিল। লগে লগে সিদিনাৰ সভাৰ সভাপতি প্ৰতাপ চন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰি গাড়ীৰ ভিতৰত তুলি ল'লে। লগে লগে ভোজ ভাতৰ সকলো আয়োজন দৈত্য দানৱৰ দলে হৱন যজ্ঞ ধ্বংস কৰি তেজ বৰষুণ দিয়াৰ দৰে শ্বেতাঙ্গ আৰু কৃষ্ণাঙ্গ দৈত্য-দানৱ

সকলোও ছুপবীয়াৰ ভোজ ভাত নষ্ট কৰি শান্তি সেনাৰ পিঠিত সোকাৰে কোবাই, সঙ্গীনেৰে খুঁচি বক্তৰ বৰষুণ ঢালিবলৈ ধৰিলে : কোলাহল, আৰ্ত্তনাদত আকাশ বতাহ নিনাদিত হৈ উঠিল। মুহূৰ্ত্ততে সকলো ছেদেলি ভেদেলি।

এনেতে প্ৰায় আঠেশ মান পুৰুষ-মহিলাৰ দল এটিৰ প্ৰত্যেকে হাতত পতাকা লৈ 'বন্দে মাতৰম্' ধ্বনিৰে গগন মুখৰিত কৰি 'চাৰ্জ অব দি লাইট্ বিগ্ৰেড' সেনা দলৰ দৰে আগুৱাই আহিল, কিন্তু প্ৰতি-আক্ৰমণ চলাবলৈ নহয়, শান্তিপূৰ্ণভাবে সভাত যোগ দিবলৈহে। দলৰ সন্মুখত দৃঢ় মুষ্টিৰে হাতত পতাকা ধৰি কুমাৰী বত্নমালা ফুকন, তেওঁৰ ঠিক পিচতে বুঢ়ী আইতা ভোগেশ্বৰী ফুকননী। কমাণ্ডাৰ আৰু পুলিচ বিষয়াই শোভাযাত্ৰীৰ দলটোক আগভেটি ধৰি হিংস্ৰ বাঘে নিৰীহ হৰিণাৰ ওপৰত গেঙেৰি মাৰি জপিয়াই পৰাৰ দৰে চিৎকাৰ কৰিলে "ঝাণ্ডা গিৰাও"। বত্নমালাই কলে 'বন্দে মাতৰম্'। পুলিচ বিষয়াই এইবাৰ বিকট্ চিঞৰ মাৰি ক'লে—"ঝাণ্ডা গিৰাও"। বত্নমালাই ক'লে 'মহাত্মাগান্ধী কি জয়'। লগে লগে বত্নমালাৰ সুকোমল হাতৰ পৰা পতাকা কাঢ়ি ল'বলৈ কঢ়া-আজোৰা লগালে। জনতাই সমস্বৰে ধ্বনি তুলিলে "ভাৰত মাতা কি জয়।" বত্নমালাই কোনোপধ্যে পতাকা এৰি নিদিলে। ভোগেশ্বৰী আইতাই আৰু সহ্য কৰে কেনেকৈ? নিজৰ হাতত থকা পতাকাখনৰ মাৰিডাল দুহাতেৰে ধৰি সজোৰে মিঃ ক্লাৰ্কৰ মূৰত টঙনিয়ালে। খন্তেকৰ বাবে মিঃ ক্লাৰ্কে চকুৰে সৰিয়হ ফুল দেখা যেন পালে। পিচ মুহূৰ্ত্ততে ঘোৰ অপমানত ব্যথিত হৈ বিভলভাৰেৰে আইতাৰ মূৰৰ খোলা উফৰাই দিলে। পতাকাৰ সন্মান অৱনমিত হ'বলৈ নিদিয়াকৈ ভোগেশ্বৰী আইতা জীয়ৰী বত্নমালাৰ কোলাত ঢলি পৰিল। দুদিন মৃত্যু যন্ত্ৰণাত চট্‌ফটাই থাকি ২০ চেপ্টেম্বৰৰ দিনা ভেৰভেৰী গাঁৱৰ নিজ বাসভৱনত আইতাই ইহলীলা ত্যাগ কৰি বিশ্ব শ্বহীদৰ নভো-মণ্ডলত এটি উজ্জল তৰা হৈ জিলিকি থাকিল। সিমানতো বক্ত

পিপাসুৰ দলে ক্ষান্ত নেথাকি অবিৰামভাৱে গুলী বৰ্ষণ কৰিবলৈ ধৰিলে। মুহূৰ্তৰ ভিতৰতে ঢলি পৰিল ঠগীৰাম সূঁত, বলোৰাম সূঁত আৰু লক্ষ্মী হাজৰিকা, আৰু এইদৰে চাৰি শ্বহীদৰ চাৰি খুটাৰ ওপৰত বঢ়মপুৰীয়া বাইজৰ বীৰ বীৰাঙ্গনাৰ তেজেৰে গঁথা স্মৃতি-সৌধ যুগ-যুগান্তৰলৈ জিলিকি থাকিল।

শ্বহীদ কনকলতা ঃ

স্বাধীনতাক জন্মস্বত্ব বুলি ভবা জনে প্ৰাণ দি হ'লেও তাক ৰক্ষা কৰিবলৈ চায়। তেওঁৰ বাবে মৃত্যু আগ, ভোগ পিচ। বিয়াল্লিছৰ আন্দোলনৰ চৈধ্য বছৰীয়া কনকলতা বৰুৱা আছিল তেনে এগৰাকী পাটগাভৰু, যিজনীয়ে মাতৃভূমিক স্বাধীন কৰাৰ কাৰণে মৃত্যুক আগ কৰিছিল। দৰং জিলাৰ আওহতীয়া গহপুৰ অঞ্চলৰ বৰঙ্গাবাৰী এখনি অখ্যাত গাঁও কনকলতাক জন্ম দি খ্যাত হ'ল। কনকলতা বৰুৱাই এটি মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰে। অলপ জনা বুজা হোৱাৰে পৰা কনকলতাৰ হৃদয়ত স্বদেশ প্ৰেমৰ ভাব উদ্ৰেক হ'বলৈ ধৰে। এদিন কনকলতাই বুজিলে জন্ম আৰু মৃত্যু এটি জখলাৰ ইমূৰ আৰু সিমূৰ। কাজেই জনমভূমিৰ কাৰণে প্ৰাণ দি সিটোমূৰ পালে তেনেই স্বৰ্গলাভ। দেশমাতৃৰ মুক্তিৰ কাৰণে জীৱনাহুতি দিয়া জনতকৈ ভাগ্যৱান আৰু কোন হ'ব পাৰে। এই গভীৰ সত্যটোৱে সৰলমতি কনকলতাৰ স্বাধীন মনক খুন্দিয়াবলৈ ধৰিলে। সমগ্ৰ দেশ জুৰি "ইংৰাজৰ ভাৰত ত্যাগ" আন্দোলন দেশ তল ওপৰ কৰিছিল। মাতৃভূমিক উদ্ধাৰ কৰাৰ প্ৰতিজ্ঞা কৰি ইতিমধ্যে অগণন লোকৰ যে মৃত্যু হৈছে, কনকলতাই এই খবৰ নৰখা নহয়। সেয়ে মৃত্যুক আগকৰি হাতত জাতীয় পতাকা ধৰি 'বন্দে মাতৰম' ধ্বনি তুলি গহপুৰীয়া জনতাক কনকলতাই সৰল নেতৃত্ব দিছিল। গহপুৰ অঞ্চলত কনকলতা এটি সৰ্বজন বিদিত, সৰ্বজনপ্ৰিয় নাম। সভা-সমিতি, শোভাযাত্ৰা, জয়যাত্ৰা, সকলোতে কনকলতাৰ অনুপস্থিতি

কোনোৱে ভাবিব নোৱাৰা কথা।

ইতিমধ্যে ৰাইজে সিদ্ধান্ত কৰিলে যে ২০ চেপ্টেম্বৰৰ দিনা গহপুৰ পুলিচ থানাৰ সন্মুখত জাতীয় পতাকা তোলা হ'ব। কনকলতাই ক'লে—'হ'ব কিয়, হ'বই লাগিব'। প্ৰশ্ন হ'ল—কোনে বাৰু পতাকা তুলিব? কনকলতাই ততালিকে নিৰ্ভীক চিত্তে উত্তৰ দিলে "মই তুলিম।" চৈধ্য বছৰীয়া কনকলতাৰ সাহপিত্ দেখি সকলো অবাক। পৰৰাজ্যলোভী, পৰধন অপহৰণকাৰী, শিশু নাৰী হত্যাকাৰী ইংৰাজ চৰকাৰৰ নিষেধ আজ্ঞা অমান্য কৰি পতাকা তুলিবলৈ যোৱাৰ অৰ্থ মৃত্যুৰ বাহিৰে যে আন একো হ'ব নোৱাৰে কনকলতাই তাক বুজিছিল। কিন্তু তথাপিও মানুহে মৃত্যুটোক এনেদৰে অসীম সাহসেৰে আকোৱালি ল'ব পৰাটোহে আচৰিত যেন লাগে। শ্বহীদ কনকলতাই এবাৰ মাতৃভূমিৰ কাৰণে জীৱন পণ কৰাৰ পিছত সেইটো তেওঁৰ কাৰণে তেনেই সাধাৰণ কথা হৈ পৰিছিল। "তৰিলে দেশ মৰিলে স্বৰ্গ" এই দহাক্ষৰী বীজ মন্ত্ৰটোলৈ কনকলতাই আন্দোলনত আগভাগ লৈ ফুৰিছিল।

ৰাজহুৱা সভাত সিদ্ধান্ত হোৱাৰ লগে লগে কনকলতাৰ দল সংগঠনৰ কামত নামি গ'ল। দিন ৰাতিৰ ছেদ-ভেদ নমনাকৈ ঘৰে ঘৰে ফুৰি ২০ চেপ্টেম্বৰৰ শোভাযাত্ৰাত যোগদান কৰিবলৈ আহ্বান জনাইছে। দলৰ প্ৰতিজনক কামৰ ভাগ বতৰা কৰি দিছে, কোনে কোন চুবুৰীৰ মানুহ গোটাব, কোনে পতাকা প্ৰস্তুত কৰিব, কোনে পোষ্টাৰ লেখিব ইত্যাদি ইত্যাদি। ১৯ চেপ্টেম্বৰটো তেনেকৈ অতি ব্যস্ততাৰ মাজেদি পাৰ হৈ গ'ল। সিদিনা ৰাতি ভালেমানলৈকে সংগঠনৰ কাম চলিল। টোপনি বোধকৰো নহ'ল। ২০ তাৰিখে ধলপুৱাৰে পৰা শোভাযাত্ৰাৰ বিৰাট আয়োজন। কনকলতা, মুকুন্দ কাকতি আদিৰ গাত তত্ নাই। নিৰ্দ্ধাৰিত সময়ত সমদল সাজু হ'ল। কনকলতাই শোভাযাত্ৰাৰ নেতৃত্ব বহন কৰি হাতত জাতীয় পতাকা লৈ মৰণ পথৰ যাত্ৰী হৈ আগবাঢ়িছে। কনকলতাৰ উদাত্ত

কণ্ঠৰ পৰা বিপ্লৱৰ অগ্নিমন্ত্ৰৰ ধ্বনি বাজি উঠিছে—

"বিশ্ব বিজয়ী নৱজোৱান, বিশ্ব বিজয়ী নৱজোৱান,

ওলাই আহা ওলাই আহা সন্তান তুমি বিপ্লৱৰ।"

গানৰ ঢৌৱে ঢৌৱে সমদল যাত্ৰী গহপুৰ থানাৰ ফালে আগবাঢ়িছে। থানাখন ৰাজআলিৰ পৰা প্ৰায় আধা ফাৰ্লং দূৰৈত। কলাবাৰীৰ ফালৰ পৰাও প্ৰায় চাৰি হাজাৰ লোকৰ সমদল এটি থানাৰ ফালে আগবাঢ়ি আহি আছিল। বৰঙাবাৰীৰ ফালৰ পৰা অহা দলটোত তিনি চাৰি হেজাৰ শোভাযাত্ৰী আছিল। চাৰিওফালৰ পৰা এইদৰে শোভাযাত্ৰী নহয়, যেনিবা নিৰস্ত্ৰ মৃত্যু বাহিনীহে অহিংসাৰ আমোঘ অস্ত্ৰেৰে যুঁজি সন্মুখ সমৰত প্ৰাণ দিবলৈ আহিছে।

সিফালে ইংৰাজৰ পদলেহনকাৰী কৃষ্ণাঙ্গ পুলিচৰ দলটোৱে হাতত লাঠি-বন্দুক ধৰি লোলুপ দৃষ্টিৰে আততায়ীৰ দৰে সাজু হৈ আছে। ইংৰাজ চৰকাৰৰ কলঙ্কৰ প্ৰতীক গহপুৰ থানাৰ সন্মুখত শোভাযাত্ৰী-সকল দলে দলে আহি শান্তিপূৰ্ণভাৱে অৱস্থান কৰিলে। এনেতে থানাৰ পশ্চিম ফালৰ পথটোৰে বীৰাঙ্গনা কনকলতাৰ দলটো আহি "বন্দে মাতৰম", "ভাৰত মাতাকী জয়," "মহাত্মা গান্ধী কি জয়," ধ্বনি তুলি গেটৰ মুখত ৰ'লহি। কনকলতাৰ চকুত দৃঢ়তাৰ চিন, কমনীয় উজ্বল, মুখমণ্ডল হাতত ছয় ফুট দীঘল জাতীয় পতাকা। কনকলতাই জীৱনৰ শেষ গানটিৰ সুৰ টানিলে, সমদল যাত্ৰী সমস্বৰে গালে—

"ডেকা গাভৰুৰ দল
বীৰ বীৰাঙ্গনাৰ দল
খোজৰ ভৰত বাউলী ৰূপহী
কৰহি ধৰণী তল।"

লগে লগে হিলৈ-বন্দুকধাৰী সশস্ত্ৰ পুলিচ বাহিনীৰ সন্মুখত, গহপুৰ থানাৰ প্ৰাঙ্গণত বীৰাঙ্গনা কনকলতাই স্বাধীনতাৰ পতাকা উৰাবলৈ উদ্যত হ'ল আৰু তদমুহূৰ্ত্ততে পুলিচৰ গুলীৰ নিৰ্মম আঘাতত কনকলতাৰ সুকোমল তনু ভূমিত লুটি খাই পৰিল।

———

শ্বহীদ কুশল কোঁৱৰ

পাঁচশ বছৰ পূৰ্বে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰম অনুগামী জেঁৱাই হৰিক ৰাজদ্ৰোহ আচৰণ কৰা দোষত অভিযুক্ত কৰি শিৰচ্ছেদৰ দ্বাৰা প্ৰাণদণ্ড বিহা হৈছিল। পাঁচশ বছৰ পিছত আন এজন পৰম বৈষ্ণৱ, আউনিআটি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামীদেৱৰ প্ৰিয় শিষ্য তথা জাতিৰ পিতা মহাত্মাগান্ধীৰ পৰম অনুগামী, বিয়াল্লিছৰ শ্বহীদ কুশল কোঁৱৰকো ৰাজদ্ৰোহ আচৰণ কৰা দোষত অভিযুক্ত কৰি ফাঁচী কাঠত তুলি প্ৰাণদণ্ডেৰে শাস্তি বিহা হৈছিল। হৰি জেঁৱাইৰ দৰে মৃত্যুৰ চৰম মুহূৰ্ত্তত কুশল কোঁৱৰেও গীতাৰ মৰ্মবাণী এষাৰেৰে প্ৰভুৰ ওচৰত আত্মনিবেদন কৰিছিল।

"যে তু সৰ্ব্বাণি কৰ্ম্মাণি ময়ি সংন্যস্য মৎপৰাঃ।
অনন্যেনৈব যোগেন মাং ধ্যায়ন্ত উপাসতে ॥
তেষামহং সমুদ্ধৰ্ত্তা মৃত্যুসংসাৰসাগৰাৎ।
ভবামি ন চিৰাৎ পাৰ্থ ময্যাবেশিতচেতসাম্ ॥"

(শ্ৰীমদ্ভাগৱদগীতা, ১২শ অধ্যায়, শ্লোক ৬ ৭)

অৰ্থাৎ—"যিসকল ভক্তই মৎপৰায়ণ হৈ মোতেই সকলো কৰ্ম্ম অৰ্পণ কৰি একান্ত ভক্তিৰে মোক উপসনা কৰে, হে অৰ্জ্জুন! মোত মন নিবিষ্ট কৰা সেই ভক্তসকলক মই অতি সোনকালে মৃত্যুৰূপ সংসাৰ সাগৰৰ পৰা উদ্ধাৰ কৰো।"

ফাঁচীকাঠত উঠাৰ আগ মুহূৰ্ত্তত কুশল কোঁৱৰে জনতাৰ উদ্দেশ্যে কৈছিল—"আমাৰ যদি আপোনাসবৰ ওচৰত কিবা অপৰাধ হৈছিল ক্ষমা কৰিব। ভগৱানৰ ওচৰত খাটিছোঁ তেওঁ যেন অতি সোনকালে আমাৰ পুণ্যভূমি ভাৰতবৰ্ষক মুক্তি দিয়ে।"

যথা সময়তে কুশল কোঁৱৰ অবিচলিতচিত্তে দুখোজ আগবাঢ়ি গৈ ফাঁচীৰ মঞ্চত উঠিল। ঘাটকে অকণো বিলম্ব নকৰাকৈ তেওঁৰ মুখমণ্ডল ক'লা কাপোৰেৰে ঢাকি দি ডিঙিত ফাঁচীজৰী পিন্ধালে। গুৰু-গম্ভীৰ সুৰে কুশল কোঁৱৰৰ কণ্ঠৰ পৰা ভাহি আহিল—

"ভজ হৰি ভাবহ মুকুন্দ মুৰাৰি।
জনম মৰণ ক্লেশ সহিতে নপাৰি॥"

অন্তিমত পুনৰ গালে—"পাৰ কৰা দীননাথ
সংসাৰ সাগৰে।"

এনেতে বগা কাপোৰ এখন জোঁকাৰি সঙ্কেত দিলত—'ওৱান-টু-থ্ৰি' বোলাৰ লগে লগে কুশল কোঁৱৰৰ আত্মা পৰমাত্মাৰ লগত বিলীন হৈ গ'ল। মহাকালৰ বুকুৰ সেই স্মৰণীয় মুহূৰ্ত্তটো আছিল ১৯৪৩ চনৰ ১৪ জুনৰ শেষ নিশা, তিনি বাজি ত্ৰিশ মিনিট।

১৪ জুনৰ দিনটোত অসমৰ চুকে কোণে কুশল কোঁৱৰৰ মঙ্গল কামনাৰে সমহীয়া প্ৰাৰ্থনা হৈছিল। যোৰহাট জেলৰ ৰাজবন্দী-সকলেও জেলৰ ভিতৰতে নাম-কীৰ্ত্তন গাই শুভ ক্ষণ গণি আছিল। সিফালে কোঁৱৰৰ প্ৰানাধিকা পত্নী প্ৰভাৱতীয়ে শিশু পুত্ৰদ্বয় খগেন, নগেনক সাৱটি ধৰি পাষাণীৰ দৰে পৰি আছিল।

সমগ্ৰ ভাৰতবৰ্ষ ব্যাপী দপ্‌দপ্‌কৈ জ্বলি উঠা' বিয়াল্লিছৰ আন্দোলনত যোৰহাট জেলত থকা বিয়াল্লিছ জনীয়া ৰাজবন্দী দলটোৰ প্ৰথমে চাৰিজনৰ ফাঁচীৰ হুকুম হৈছিল যদিও তেওঁলোকৰ ভিতৰত ধৰ্মকান্ত ডেকা, ঘনশ্যাম শইকীয়া আৰু কনকেশ্বৰৰ ফাঁচীৰ হুকুম ৰদ কৰা হ'ল, আৰু কুশল কোঁৱৰ ফাঁচী কাঠত উঠিল।

কুশল কোঁৱৰ তুংখুঙীয়া আহোম ফৈদৰ কমলেশ্বৰ সিংহৰ বংশধৰ। তেওঁৰ পিতৃ আছিল কাঠব্যৱসায়ী সোণাৰাম কোঁৱৰ আৰু মাতৃ কনকেশ্বৰী। ১৯০৫ চনৰ চ'ত মাহৰ ৯ দিন যোৰাত বালিজানত কুশল কোঁৱৰৰ জন্ম হয়। পিছত সোণাৰামে বেংমাইলৈ বাসস্থান স্থানান্তৰ কৰে। সোণাৰামৰ আঠজন পুত্ৰ-কন্যাৰ ভিতৰত কুশল

কোঁৱৰ পঞ্চম সন্তান, দ্বিতীয় পুত্ৰ। নিৰ্ভীক, নিপোটল কুশল খেল-ধেমালি, বিহুগীত, ঢোল, পেঁপা, বাঁহী আদি সকলোতে পাৰ্গত আছিল। স্বাধীন মনৰ কুশল কোঁৱৰে বৃটিছৰ তলত চাহ বাগিছাৰ কাম কৰিবলৈ ইচ্ছা নকৰিলে; আনকি দেউতাকে উইলছন চাহাবৰ আশ্ৰয়ত থাকি কাঠৰ কাৰবাৰ কৰাটোও পেটে পেটে ভাল পোৱা নাছিল। অৱশ্যে সোণাৰামৰ প্ৰভাৱত পৰি উইলছন চাহাবে ঢোল-পেঁপা বজাই বিহুনাচ নাচিবলৈ লৈছিল আৰু পিছত তেওঁ অসমীয়া কলা-সংস্কৃতিৰ প্ৰশংসাকাৰী হৈ উঠে।

১৯১২ চনত কুশল কোঁৱৰে প্ৰাথমিক স্কুল আৰু ১৯১৮ চনত গোলাঘাট বেজবৰুৱা মধ্য ইংৰাজী স্কুলত পঢ়ে। দেশৰ পৰিস্থিতি ক্ৰমশঃ বেয়াৰ ফালে ঢাল খাবলৈ ধৰাত, লগতে বয়সো আগবাঢ়ি অহাত পঢ়াশুনা সিমানতে এৰি বেংমাইত ১৯২৫ চনত এখন প্ৰাইমাৰী স্কুল পাতি অবৈতনিকভাবে শিক্ষকতা আৰম্ভ কৰে।

১৯২১ চনত সংগ্ৰামী মনৰ সহপাঠী কেইজনমানৰ লগ লাগি কুশল কোঁৱৰে আন্দোলনত যোগ দিয়ে। কুশল তেতিয়া ষোল বছৰীয়া চফল ডেকা।

পিতাকৰ দাবী এৰাব নোৱাৰি ১৯২৭ চনৰ পৰা ১৯৩৬ চনলৈকে দহ বছৰ কাল স্বাধীনচিতীয়া অসমীয়া চাহ খেতিয়ক বিশ্বেশ্বৰ শৰ্মাৰ চাহবাগিচাত কেৰাণী কাম কৰে। তাৰ আগতে ১৯২১ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে তেওঁ মৰঙী কোঁৱৰ গাঁৱৰ প্ৰেমানন্দ দুৱৰাৰ কন্যা প্ৰভাৱতীক বিয়া কৰায়।

১৯৩৪ চনত মহাত্মা গান্ধীয়ে তৃতীয় বাৰ অসম ভ্ৰমণ কৰোঁতে গোলাঘাটত পদাৰ্পণ কৰে। কুশল কোঁৱৰ, ভদ্ৰ ফুকন আৰু তিলক বৰা প্ৰমুখ্যে কেইগৰাকীমান উদ্যোগী নিষ্ঠাৱান ডেকাৰ হাতত মহাত্মা গান্ধীক সেৱা-শুশ্ৰূষা কৰাৰ ভাৰ দিয়া হৈছিল। কুশল কোঁৱৰে এই দায়িত্বক এক সৌভাগ্যৰূপে গ্ৰহণ কৰে। সেইদিন ধৰি কোঁৱৰে সম্পূৰ্ণ নিৰামিষ আহাৰ গ্ৰহণ কৰিবলৈ লয়। অহিংসাৰ ব্ৰত সাৰোগত

কৰি দেশ মাতৃকাৰ পূজাত নিজকে উছৰ্গা কৰে। ১৯৩৬ চনত বাগিছাৰ চাকৰি এৰি স্বাধীনতাৰ কামত তেওঁ সম্পূৰ্ণ আত্মনিয়োগ কৰে। খেতিয়কসকলৰ উত্তৰোত্তৰ উন্নতিকল্পে ৰায়ত সভা এখন গঠন কৰাত কুশল কোঁৱৰ ব্যস্ত হৈ পৰিছিল। এনেতে ১৯৪২ চনত ঐতিহাসিক "ভাৰত ত্যাগ" আন্দোলন ঘোষণা কৰি সেই কাৰ্যসূচীক সফল ৰূপ দিয়াত নেতাসকল উঠি পৰি লাগিল। "আমাৰ স্বাধীনতা আমাক ঘূৰাই দি তোমালোকে ভাৰত ত্যাগ কৰা" ধ্বনিয়ে জন্মভূমিৰ আকাশ-বতাহ উত্তপ্ত কৰি তুলিছিল। "কৰিম কিম্বা মৰিম" মহাত্মা গান্ধীয়ে দিয়া এই বীজমন্ত্ৰ ধাৰণ কৰি হেজাৰ হেজাৰ সংগ্ৰামী বীৰ বীৰাঙ্গনাই অহিংস আন্দোলনত জপিয়াই পৰিছিল। মহাত্মা গান্ধী, জৱহৰলাল নেহেৰু, মৌলানা আজাদ, ৰাজেন্দ্ৰ প্ৰসাদ প্ৰমুখ্যে নেতাসকলক গ্ৰেপ্তাৰ কৰা হ'ল। অসমতো বিয়াল্লিছৰ দাবাগ্নি দপ্‌দপ্‌কৈ জ্বলি উঠিল। গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, বিমলা প্ৰসাদ চলিহা, মহেন্দ্ৰ মোহন চৌধুৰী, ফখৰুদ্দিন আলি আহমদ, মঃ তৈয়বুল্লা, গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপিতাম্বৰ দেৱ গোস্বামীক ধৰি বৰমূৰীয়াসকল আৰু বহুতো পালিনেতাক গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থলে। হেজাৰ হেজাৰ বীৰ-বীৰঙ্গনাই "মৃত্যু বাহিনীত" যোগ দি দেশ মাতৃকাৰ মুক্তিৰ বাবে জীৱন পণ কৰিলে। সশস্ত্ৰ পুলিচ মিলিটাৰী বাহিনী নিৰস্ত্ৰ সত্যাগ্ৰহীৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলালে। ২৬ আগষ্টৰ দিনা পুলিচৰ গুলীত বেবেজীয়াত হেমৰাম বৰা, কলাই কোঁচ, জোঙালবলহুত হেমৰাম পাতৰ আৰু গুণাভি বৰদলৈ আৰু ২৮ আগষ্টত বাৰপূজীয়াত তিলক ডেকা শ্বহীদ হ'ল। সমগ্ৰ দেশজুৰি অভূতপূৰ্ব জাগৰণৰ সৃষ্টি হ'ল। "বন্দে মাতৰম্" ধ্বনিয়ে আকাশ বতাহ নিনাদিত কৰি তুলিলে। ইটালীৰ স্বাধীনতা সংগ্ৰামত মেৎচিনিৰ তেজোদ্দীপক গানে জনতাক উদ্বুদ্ধ কৰাৰ আহিৰে জ্যোতিপ্ৰসাদ, ত্যাগবীৰ হেম বৰুৱা আদিৰ অগ্নিমন্ত্ৰই অসমৰ প্ৰতিজন ডেকা-গাভৰুক মুক্তি যুঁজলৈ আহ্বান কৰিলে। শঙ্কৰ বৰুৱা,

জ্যোতি প্ৰসাদ, মহেন্দ্ৰ হাজৰিকা, লক্ষ্মীপ্ৰসাদ গোস্বামী, লক্ষ্যধৰ চৌধুৰীকে ধৰি কেবাজনেও আত্মগোপন কৰিবলগীয়া অৱস্থা হ'ল।

বিয়াল্লিছৰ আন্দোলনৰ ২০ চেপ্তেম্বৰটো এটি যুগান্তকাৰী ইতিহাস প্ৰসিদ্ধ দিন। অসমৰ পুলিচ থানাসমূহৰ আগত মৃত্যু বাহিনীয়ে জাতীয় পতাকা উত্তোলন কৰাৰ স্থিৰ সিদ্ধান্ত গ্ৰহণ কৰিলত পুলিচ মিলিটাৰী সশস্ত্ৰ বাহিনীয়ে যিকোনো পৰিস্থিতিতে পতাকা উত্তোলনকাৰীক বাধা দিবলৈ প্ৰস্তুত হৈ থাকিল। সশস্ত্ৰ পুলিচ বাহিনী আৰু নিৰস্ত্ৰ অহিংস সত্যাগ্ৰহীৰ অভূতপূৰ্ব সমৰ-ব্যূহ ৰচনা হ'ল। গহপুৰ পুলিচ থানাৰ প্ৰাঙ্গণত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পোন্ধৰ বছৰীয়া কনকলতা আৰু কুৰি বছৰীয়া মুকুন্দ কাকতি পুলিচৰ গুলীত ঢলি পৰিল। ঢেকীয়াজুলিৰ থানা-ঘৰত পতাকা উত্তোলন কৰিবলৈ গৈ মনবৰ নাথ, তিলেশ্বৰী কোঁছ, মঙ্গল কুৰ্মী, দয়াল পানিকা, সুমলি নাথ, মণি কছাৰী, মুহিৰাম কোঁছ, ৰতন কছাৰী, খলিহা নাথ, সোমনাথ চুতীয়া, লেৰেলী কছাৰীৰ লগতে এজন সাধু বাবাজী আৰু এজন মগনীয়াৰেও মাতৃভূমিৰ মুক্তি যজ্ঞত প্ৰাণাহুতি দিলে।

১৬ চেপ্তেম্বৰৰ দিনা বহৰমপুৰ শান্তি সেনা শিবিৰত সত্যাগ্ৰহীৰ ওপৰত নিৰ্মমভাৱে গুলী বৰ্ষণ কৰাৰ ফলত বৃদ্ধা ভোগেশ্বৰী ফুকননী, ঠগীৰাম শ্ঁত, লক্ষ্মী হাজৰিকা আৰু বলোৰাম শ্ঁত শ্বহীদ হ'ল। ২৫ চেপ্তেম্বৰত কামৰূপৰ জলাহত ৰায়ত সভাৰপৰা উলটি অহা নিৰীহ লোকৰ ওপৰত গুলী চলোৱাৰ পৰিণতি স্বৰূপে ৰাউতৰাম দাস আৰু বজালী হাইস্কুলৰ অষ্টমমান শ্ৰেণীৰ ছাত্ৰ মদন বৰ্মণক পাটাচাৰকুছি থানাৰ পুলিচ বিষয়াই নিজহাতে গুলীয়াই হত্যা কৰে।

"ভাৰত ত্যাগ", "বন্দে মাতৰম্", "স্বাধীন ভাৰত কি জয়", "কৰিম কিম্বা মৰিব" ধ্বনিৰে গগন মণ্ডল মুখৰিত কৰি মৃত্যু বাহিনী তপত তেজৰ আঁজলি লৈ মাতৃ পূজাৰ বেদীলৈ দলে দলে আগবাঢ়িল। জ্যোতিপ্ৰসাদে জননীৰ সন্তানসকলক তেজোদ্দীপ্ত গানেৰে জগালে—

"জননীৰ সন্তান জাগা
জাগা শক্তিমান জাগা মুক্তিপ্ৰাণ।
মৃত্যু গছকি আনা জয় জিনি
কৰি দুৰ্জ্জয় অভিযান।
শক্তি গায়ত্ৰী মনত পেলোৱা
হ'বা দুৰ্নিবাৰ
তেতিয়া তোমাৰ জয় নিনাদত শত্ৰু কম্পমান
অ' মোৰ আপোন পাহৰা দুৰ্ম্মদ বীৰ
অজেয় নৱ যোৱান।"

তেজপুৰ সেৱাদল বাহিনীৰ অধিনায়ক স্বয়ং জ্যোতিপ্ৰসাদ, ঢেকীয়াজুলি সেৱাদল বাহিনীৰ অধিনায়ক ফণীধৰ দাস আৰু সৰুপথাৰ কংগ্ৰেছ দলৰ সম্পাদক কুশল কোঁৱৰ আছিল। কোঁৱৰে প্ৰাণোন্মত্ত, তেজোদ্দীপ্ত মৰ্মবাণী শুনালে—"গান্ধীজীয়ে দেখুৱাই দিয়া পথেদি মানৱৰ জন্ম-স্বত্ব স্বাধীনতা লাভ কৰিবলৈ প্ৰতিজন মানুহেই কৰ্ম কৰা, মানুহৰ ধৰ্মৰপৰা বিচলিত হ'লে মানুহ নৰকগামী হ'ব লাগিব, স্বাধীনতা আন্দোলন যজ্ঞত যিসকলে সাম্ৰাজ্যবাদীসকলৰ লগ হৈ প্ৰতিবন্ধকতা কৰিব তেওঁলোকক ভৱিষ্যতে ভাৰতে পৰপদলেহী বিভীষণ বুলি ঘৃণা কৰি যাব।"

কাড় লগা পাখিৰ দৰে দিনবোৰ পাৰ হৈ যায়। ১০ চেপ্তেম্বৰৰ ৰাতি সৰুপথাৰ ৰেল ষ্টেচনৰ ওচৰত কোনোবাই ৰেল লাইন উঠাই থোৱাত সশস্ত্ৰ মিলিটাৰী আৰু মিলিটাৰী স্বাস্থ্য বিষয়া কঢ়িয়াই অনা ৰেলগাড়ীখন দুৰ্ঘটনাত পতিত হয়। তাৰ পৰিণতি স্বৰূপে বেচৰকাৰী হিচাপত আনুমানিক এহেজাৰ লোক মৃত্যু মুখত পৰে। ৰাতিৰ ভিতৰত সৰু পথাৰ অঞ্চলটো সশস্ত্ৰ পুলিচ-মিলিটাৰীয়ে ঘেৰাও কৰি যাকে য'তে পালে ধৰি বান্ধি মাৰি-পিটি নি গোলাঘাট জেলত ভৰাই থলে।

ধৰ্মপৰায়ণ, গান্ধীবাদত সম্পূৰ্ণ বিশ্বাসী, অহিংস-সত্য-প্ৰেমৰ

পূজাৰী কুশল কোঁৱৰ এনে ঘৃণনীয় কাৰ্যত যে লিপ্ত নাছিল ধ্ৰুৱ। তথাপি বন্ধু-বান্ধৱে ভাবিছিল যে কুশলকো গ্ৰেপ্তাৰ কৰিব পাৰে। শুভকাঙ্খীসকলে কুশল কোঁৱৰক নিৰাপদ ঠাইলৈ যাবলৈ অনুৰোধ কৰিছিল। পত্নী প্ৰভাৱতীয়েও জয়মতীয়ে কৰাৰ দৰে স্বামীক ততালিকে সৰুপথাৰ অঞ্চল এৰি যাবলৈ অনুৰোধ কৰিছিল। কিন্তু বিপ্লৱী মহাজ্ঞানী চক্ৰেটীচৰ দৰে, নিজে সম্পূৰ্ণ নিৰ্দ্দোষ যেতিয়া প্ৰাণৰ ভয়ত পলাই যোৱাটো কাপুৰুষালি হ'ব বুলি যুক্তি দি নিৰ্ভয়ে থাকিল।

১৩ চেপ্তেম্বৰৰ ৰাতিপুৱাও নিয়মিতভাৱে স্নানাদিৰ অন্তত পূজাৰ প্ৰসঙ্গ কৰি এক অধ্যায় গীতা পঢ়িলে। অলপ বেলি হোৱাত অইন দিনাৰ দৰে সেইদিনাও খদ্দৰৰ ধুতি পাঞ্জাবী পিন্ধি, মূৰত গান্ধীটুপি আৰু কান্ধত চাদৰ লৈ গোলাঘাট নগৰলৈ যাব ওলাল। যোৱাৰ সময়ত নিত্য নৈমিত্তিকৰ দৰে বৃদ্ধা মাকক সেৱা কৰি আৰু পত্নীক মাত লগালে। লগত বন্ধু তথা সহকৰ্মী পুকৌ শইকীয়া। কিছুদূৰ খোজকাঢ়ি যোৱাৰ পিচত দূৰত পুলিচৰ দল এটি তেখেতসকলৰ ফালে আগবাঢ়ি অহা চকুত পৰিল। নিঃসঙ্কোচে, অবিচলিতভাৱে দুয়ো বন্ধু গৈয়েই থাকিল। বাটত পুলিচৰ লগত ভেটাভেটি হ'ল। পুলিচৰ লগত অহা ইংৰাজৰ পদলেহনকাৰী গাঁওবুঢ়াই তেখেতসকলক চিনাক্ত কৰি দিয়াত দুয়োকে গ্ৰেপ্তাৰ কৰি সৰুপথাৰৰ ৰেল দুৰ্ঘটনাত তেখেতসকল লিপ্ত থকাৰ অভিযোগৰ কথা জনালে। কুশল কোঁৱৰে দৃঢ়তাৰে প্ৰতিবাদ জনাই ক'লে—"মিছা কথা, কোনো গান্ধীবাদী কংগ্ৰেছ কৰ্মীয়ে এই দুৰ্ঘটনা কৰা নাই।"

কুশল কোঁৱৰক গ্ৰেপ্তাৰ কৰা বাতৰি বিজুলি সঞ্চাৰে চতুৰ্দিশ বিয়পি পৰিল। ইন্দ্ৰ ফুকন, নগেন চুতিয়াকো একে অভিযোগতে পুলিচ থানালৈ বান্ধি নি অমানৱীয় অত্যাচাৰ কৰিলে। শঙ্কৰ বৰুৱাৰ মূৰৰ বাবদে চৰকাৰে দহ হেজাৰ টকা পুৰস্কাৰ ঘোষণা কৰিলে আৰু সুৰেন ফুকনক দেখা মাত্ৰকে গুলী কৰাৰ হুকুম দিয়া

হ'ল। পুলিন বিহাৰী বৰুৱাই অভিযুক্ত আচামীসকলৰ বিৰুদ্ধে ৰাজসাক্ষ্য দিলে। ইতিমধ্যে কংগ্ৰেছৰ বৰমূৰীয়াসকলৰ বহুতকে গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত ৰখা হৈছে। সিসকলৰ ভিতৰত দেশভক্ত বৰদলৈ, বিষ্ণুৰাম মেধি, মঃ তৈয়বুল্লা, ফখৰুদ্দিন আলি আহমদ, বিজয়চন্দ্ৰ ভাগৱতী, বিমলা প্ৰসাদ চলিহা, অধ্যক্ষ হেম বৰুৱা, নবেন শৰ্মা, বাগ্মীবৰ নীলমণি ফুকন, সৰ্বেশ্বৰ বৰদলৈ, তিলক গগৈ, গোপাল দত্ত, যোগেন শইকীয়া, হৰিনাৰায়ণ বৰুৱা আৰু গড়মুৰ সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ দেৱগোস্বামীও আছিল।

৫ নবেম্বৰৰ দিনা যোৰহাট জেলত সৰুপথাৰ ৰেল দুৰ্ঘটনাৰ বাবে অভিযুক্ত বন্দীসকলক ভৰোৱা হয়। কাৰাগাৰৰ ভিতৰতো কুশল কোঁৱৰে গীতা-ভাগৱত কীৰ্তন-নামঘোষা আদি শাস্ত্ৰ নিয়মিতভাৱে পাঠ কৰিছিল আৰু সহবন্দীসকলক সিবোৰৰ গূঢ়াৰ্থ ভাঙি বুজাই দিছিল।

কাৰাগাৰত ৰাজবন্দীসকলে পালি পাতি ইটো সিটো কামৰ দায়িত্ব বহন কৰাৰ নিয়ম আছিল। কিছুদিনৰ কাৰণে কুশল কোঁৱৰ ৰান্ধনীশালৰ দায়িত্বত থাকিছিল। আগতে কৈ অহা হৈছে যে কোঁৱৰ সম্পূৰ্ণ নিৰামিষী আছিল; আনকি লোণকণো নেখাইছিল। তথাপি কোঁৱৰে সহবন্দীসকলৰ বাবে মাছ-মঙহ আদিৰ ব্যৱস্থা কৰা কামত বিশেষ তৎপৰ হৈছিল। উৎকট গৰমৰ মাজতো কয়দীৰ পোছাক পিন্ধি লোহাৰে চকু বিন্ধা ৰান্ধনী ঘৰত ৰন্ধা-বঢ়া কামৰ তদাৰক কৰিছিল।

১৯৪৩ চনৰ ১১ ফেব্ৰুৱাৰীৰ দিনা গোলাঘাটৰ লোকেল ব'ৰ্ডৰ কাৰ্যালয়ত ৰেল দুৰ্ঘটনাৰ অভিযুক্ত বন্দীসকলৰ বিচাৰ শিৱসাগৰ জিলাৰ ডেপুটি কমিচনাৰ মিঃ বেস্থেল এনড্ৰু হামফ্ৰে চি, আই, ই'ৰ আদালতত আৰম্ভ হ'ল। ঘৰ বিভীষণ মৌজাদাৰ ভগীৰাম গাঁওবুঢ়া প্ৰমুখ্যে বৃটিছৰ পদসেৱনকাৰীৰ দলে আহি ৰাজসাক্ষ্য দিলে। হামফ্ৰে চাহাবে তিনি দফাত বিচাৰ শেষ কৰিলে। তৃতীয় দফাত কুশল কোঁৱৰ, ঘনশ্যাম শইকীয়া, কনকেশ্বৰ কোঁৱৰ আৰু ঘনকান্ত ডেকাৰ

কাঁচীৰ হুকুম হ'ল। পিচত কুশল কোঁৱৰৰ বাহিৰে বাকী তিনিজনক যাৱজ্জীৱন দ্বীপান্তৰৰ শাস্তি দিয়া হ'ল। ...

কাঁচীৰ হুকুম হ'ল। পিচত কুশল কোঁৱৰৰ বাহিৰে বাকী তিনিজনক যাৱজ্জীৱনলৈ মৃত্যুদণ্ডৰ পৰা ৰেহাই দিলে। চাৰিওজন কাঁচীৰ হুকুম হোৱা বন্দীকে অন্ধকাৰ কাৰাগাৰত ৰখা হৈছিল। মৃত্যুদণ্ডৰ পৰা ৰেহাই পাই বাকী তিনিজন জেলৰ ভিতৰৰ পৰা ওলাই আহিল। অহাৰ সময়ত কোঁৱৰক প্ৰণাম জনালে। কোঁৱৰৰ ভাতৃ কনকেশ্বৰ কোঁৱৰে বুকু বুকুৱাই কান্দিবলৈ ধৰাত কোঁৱৰে অকণো বিচলিত নোহোৱাকৈ মুখত হাঁহি লৈ শান্তনা বাণীৰে ক'লে—"ঈশ্বৰৰ ইচ্ছা হৈছে, তোমালোকে বহু কাম কৰিব লাগিব—দেশৰ কাম, দেশ স্বাধীনতাৰ কাম। মোৰ বাবে দুখ নকৰিবা।"

বিদায়ৰ শেষ মুহূৰ্তত অধ্যক্ষ হেমবৰুৱাই কুশল কোঁৱৰক প্ৰণাম এটিৰে বিদায় দিওঁতে কোঁৱৰে গীতাৰ বাণী শুনালে—"জন্ম হ'লে মৃত্যু অনিবাৰ্য। মোৰ আনন্দ, ভগৱানে মোকেই বাছি লৈছে। ভগৱানে মোক ভাল পায়।" সহবন্দী হেম বৰুৱাই লিখিছে—"কুশলৰ অসীম বিশ্বাস আছিল অধ্যাত্মিক শক্তিৰ ওপৰতহে, শাৰীৰিক শক্তিৰ ওপৰত নহয়। গীতা, কীৰ্তন আদিৰ মহামন্ত্ৰেৰে দীক্ষিত কুশল কোঁৱৰৰ ঈশ্বৰ ভক্তি, আদৰ্শ-প্ৰীতি স্বদেশ-প্ৰেম ঐতিহাসিক সম্পদ।"

১৯৪২ চনৰ তৃতীয় অধ্যাদেশ আৰু ভাৰতীয় দণ্ডবিধিৰ ১০৯ ধাৰ মতে বিচাৰ কৰি মৃত্যুদণ্ডৰ হুকুম কোঁৱৰক শুনোৱাত কুশল কোঁৱৰৰ গীতা-ভাগৱতেৰে বন্ধোৱা হৃদয়ৰ পৰা স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছিল—"ঈশ্বৰৰ ইচ্ছা। তোমাৰ ইচ্ছাই পূৰ্ণ হওক প্ৰভু" বুলি কৈ হাত দুখন মূৰৰ ওপৰলৈ আঁজলি মেলি মৃত্যুদণ্ডক প্ৰভুৰ নিৰ্মালি জ্ঞান কৰি শিৰত তুলি লৈছিল।

কাৰাগাৰত লোকপ্ৰিয় বৰদলৈ কোঁৱৰক সহবন্দী আছিল বুলি দোহৰা হৈছে। বৰদলৈদেৱে কোঁৱৰক অসীম মৰম শ্ৰদ্ধাৰ চকুৰে চাইছিল। তেখেতে জেলত কোঁৱৰক গীতা এখনো উপহাৰ দিছিল। অন্তিম কালত লোকপ্ৰিয় আন কেইগৰাকীমান বন্দী নেতাৰ সৈতে

শোকত অভিভূত হৈ কৌঁৱৰক বিদায় দিবলৈ যোৱাত কৌঁৱৰে সকলোকে আচৰিত কৰি হাঁহি হাঁহি কৈছিল—"জন্মিলে মৰণ আছে, এয়া জগতৰ নীতি। জন্মতে কষ্ট খাইছিলো, আৰু মৰণ বেলাত কিছু কষ্ট খাবই লাগিব। 'দেহৰেযে ধন ইটো জনম মৰণ'; গতিকে আপোনালোকৰ চৰণত খাটিছো—আশীৰ্বাদ কৰিব যাতে ভগৱানৰ নাম লৈ দেশমাতৃৰ মুক্তিৰ কাৰণে মাটিৰ দেহা এৰিব পাৰো।"

লোকপ্ৰিয়ৰ দুই গালেদি দুধাৰি চকুলো বাগৰি গ'ল। কৌঁৱৰক মিনতি জনাই ক'লে—"কৌঁৱৰ, দেশৰ কাৰণে 'বাণী' এটি আমাক দিয়ক।"

১২ জুনৰ দিনা আবেলি পৰত কুশল কোঁৱৰৰ জীৱন-মৰণৰ সঙ্গিনী প্ৰভাৱতী কোঁৱৰে খগেন আৰু নগেনক দুহাতে ধৰি জীৱনৰ সৰ্বস্ব, মৃত্যুপথৰ যাত্ৰী প্ৰিয়তম স্বামীক শেষ বিদায় দিবলৈ গৈ অন্ধকাৰ চেলত স্বামীক দেখি প্ৰথমে অসীম ধৈৰ্য আৰু সাহসেৰে বুজাইছিল—"আপুনি দুখ নকৰিব। দেশৰ কাৰণে আপুনি প্ৰাণ দিব—এয়া সৌভাগ্যৰ কথা। ইমান মানুহ থাকোঁতে ভগৱানে আপোনাক এই কাৰ্যৰ বাবে বাছি লৈছে।" আৰু একোকে ক'ব নোৱাৰি প্ৰভাৱতী মূৰ্চাগত হ'ল। চেলৰ লোৰ শলকাৰ মাজেদি হাতদুখন আগবঢ়াই প্ৰভাৱতীৰ মৰত শেষবাৰৰ বাবে হাত বুলাই কঁপা কঁপা কণ্ঠেৰে কৌঁৱৰে কৈছিল—"তোমাক মই কৈছিলোঁ—দেশখন স্বাধীন হ'বলৈ হ'লে এদল মানুহ মৰিবই লাগিব। মই দেশৰ স্বাধীনতাৰ অৰ্থে প্ৰাণ দিম। দুখ নকৰিবা; বেজাৰ নকৰিবা। মই মৰিম: দেশ থাকিব। দেশ স্বাধীন হ'ব। তোমাক আৰু খগেন-নগেনক দেশে চাব।"

প্ৰভাৱতীৰ চেতনা ক্ৰমে ঘূৰি আহিল। কৌঁৱৰৰ সান্ত্বনা বাণীয়ে শোক পাতলাৰ দূৰৰ কথা, শোকে দুগুণে খুন্দা মাৰিহে ধৰিলে। খগেন-নগেনক সাৱটি ধৰি প্ৰভাৱতী আৰ্তনাদ কৰি চিঞৰি উঠিল। অবুজ শিশু দুটিয়েও হাতযোৰ কৰি পিতৃক চিৰ বিদায় দিবলৈ বোৱাল কৰি উঠিল। সৰল শিশুৰ ক্ৰন্দনত কৌঁৱৰৰ হিয়া থান্-বান্ হৈ

উঠিল ! আবেগ অভিভূত কণ্ঠেৰে কোঁৱৰে শেষ শান্ত্বনা বাণী শুনালে "...আৰু নেকান্দিবা প্ৰভা, আৰু নেকান্দিবি মোৰ সোণহঁত।" এই কৰুণাতীত দৃশ্যৰ মৌন দৰ্শক সহকাৰী জেইলাৰ আব্দুল কৰিম গণি কাৰাগাৰৰ দেৱালৰ ফালে ঘূৰি ৰুমালখনেৰে মুখ ঢাকি উচুপি উচুপি কান্দি চকুপানী টুকিলে। কৰ্মৰত চিপাহীয়ে সময়ৰ সঙ্কেত দি ইঙ্গিতেৰে ক'লে—"এতিয়া যোৱা হওক আই।"

শেষ নিশা। নিৰ্বিকাৰ চিত্তে কোঁৱৰ নিদ্ৰামগ্ন। জীৱনমুক্ত বৈষ্ণৱ-প্ৰাণ কোঁৱৰৰ মুখত দুখ-শোকৰ অকণো ছাঁ নাই। দুই বজাত কৰ্তব্যাধীন চিপাহীয়ে কোঁৱৰক জগালে। কোঁৱৰে প্ৰশ্ন কৰিলে, "সময় হ'ল নেকি? খন্তেক ৰোৱা, ওলাইছো।" নিত্য-কৰ্মৰ পিচত কাকুতি ঘোষাটি সমাপন কৰি "হে প্ৰভু তোমাৰ ইচ্ছাই পূৰ্ণ হওক" বুলি কৈ চেলৰ পৰা ওলাই আহিল। চিপাহী-সন্তৰীসকলে কোঁৱৰক ফাঁচীকাঠৰ ফালে আগবঢ়াই নিলে। সকলো সন্তম হৈ বৈ আছিল। সহস্ৰ জনতাই উদ্বিগ্ন চিত্তে, অশ্ৰু-ভৰা অন্তৰেৰে তেওঁলোকৰ প্ৰিয়তম নেতা গৰাকীৰ জীৱনৰ শেষ দশাটো চাবলৈ অপেক্ষাৰত। কোঁৱৰে সভক্তিৰে, হাস্যবদনে সমবেত ৰাইজক শেষ নমস্কাৰ জনাই নিৰ্ভয়ে, অনুদ্বিগ্ন চিত্তে ফাঁচীকাঠত ভৰি দিলে। মূৰৰ পৰা ভৰিলৈ ক'লা পোচাক এটি কোঁৱৰক পিন্ধাই দিলে, লগে লগে কোঁৱৰৰ ডিঙিত ফাঁচী জৰি আঁৰি দিয়া হ'ল। শেষ নিশাৰ অন্ধকাৰ ভেদ কৰি নাদব্ৰহ্মত প্ৰতিধ্বনি তুলি কোঁৱৰে জীৱনৰ অন্তিম কালৰ ঘোষা এফাঁকি গালে। কৰ্তব্যৰত পুলিচ বিষয়াই বগা কাপোৰ এখন জোকাৰি ফাঁচীৰ ইঙ্গিত দিলে। মুহূৰ্ততে কটোৱালে ফাঁচী জৰী টানিলে, তদ্মুহূৰ্তে "পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে" পৰম অমৃতময় নাম উচ্চাৰণ কৰি আজন্ম বীৰ, অসম মাতৃৰ আঁচলৰ ধন কুশল কোঁৱৰৰ বিদেহী আত্মাই স্বৰ্গলৈ গতি কৰিলে। এই মৃত্যু অপৰাজেয়।

শ্বহীদ মুকুন্দ কাকতি

'বিয়াল্লিছৰ আন্দোলন'ৰ জুই ফৰাচী বিপ্লৱৰ দৰে ভাৰতবৰ্ষৰ গাঁৱে-নগৰে দাউ-দাউকৈ জ্বলি উঠিছিল। শিক্ষক-উকীল, ব্যৱসায়ী-চাকৰিয়াল, খেতিয়ক-বনুৱা, কবিৰাজ-ডাক্তৰ, ছাত্ৰ-ছাত্ৰী, ল'ৰা-বুঢ়া, সন্ন্যাসী-ভিখাৰী সকলো শ্ৰেণীৰ লোকে এই গণ আন্দোলনত যোগ দিছিল। পৰাক্ৰমী আহোমৰ লগত সমানে যুঁজ দিয়া কামৰূপ অঞ্চলৰ স্বাধীনতা প্ৰিয় প্ৰবল প্ৰতাপী হৰদত্ত-বীৰদত্তৰ বংশধৰ তথা প্ৰজাসকলৰ এইটো বহি থকাৰ সময় নিশ্চয় নাছিল। প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে হেজাৰ হেজাৰ লোকে বিয়াল্লিছৰ গণ-বিপ্লৱত জঁপিয়াই পৰিছিল।

কামৰূপ জিলাৰ বিশেষভাৱে নলবাৰী অঞ্চলৰ তিনি গৰাকী শ্বহীদ আছিল মুকুন্দ কাকতি (সোণকানি), মদন বৰ্মণ (ভোগপুৰ) আৰু ৰাউতাৰাম কোঁচ (সাদেৰী)। তিনিওজনে ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি পুলিচৰ গুলীত প্ৰাণ হেৰুৱায়।

১৯৬১ চনৰ লোকপিয়ল মতে বৰভাগ মৌজাৰ কালাগ অঞ্চলটো পৃথিবীৰ ভিতৰতে ঘন বসতিপূৰ্ণ গ্ৰামাঞ্চল। সেই বৰভাগ মৌজাৰে অন্তৰ্গত সোণকানি নামে সৰু গাঁও এখনত খেতিয়ক মধুৰাম কাকতিৰ সৰু দুখীয়া সংসাৰখন। মধুৰামৰ পত্নী দীনবালা গাঁওখনৰ এগৰাকী সৰ্বৰহী তিৰোতা। বিয়ানাম, আইনাম, ধাইনাম সকলোতে দীনবালা লাগি থাকে। এই নিঃস্ব পৰিয়ালটোতে ১৯১৯ চনত শ্বহীদ মুকুন্দ কাকতিৰ জন্ম। গাঁৱৰ প্ৰাইমাৰী বিদ্যালয়ত প্ৰাথমিক পৰ্যায়ৰ শিক্ষা লাভ কৰাৰ পাছতে অৰ্থৰ অভাৱত আৰু আগ্ৰহৰ

নোৱাৰিলে যদিও গীত-মাত খেলা-ধূলাত মুকুন্দ সকৰে পৰা পাৰ্গত আছিল। বীৰ শ্বহীদ হ'বলৈ হ'লে সাহসী আৰু গুণী পিতৃ-মাতৃৰ প্ৰয়োজন। মুকুন্দ সেই ফালৰপৰা আজন্ম বীৰ-বিপ্লৱী আছিল।

অভাৱ অনাটনে জুৰুলা কৰা পৰিয়ালটোক বচাবৰ কাৰণে মুকুন্দ কলংপুৰৰ ধোপাবৰ গাঁলৈ গৈ খুড়াক মোহিত চন্দ্ৰ কাকতিৰ চাউল-ডালিৰ দোকানত সহায়ক হিচাপে সোমাল। তুলসীপত্ৰৰ গোন্ধ আপোন গুণে বিয়পাৰ দৰে মুকুন্দৰো গুণ-কৰ্ম অলপ দিনৰ ভিতৰতে অঞ্চলটোত বিয়পি পৰিল। গাঁও-সংগঠন, সমাজ-সেৱা, চাকাই-কাম, আদি আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰা প্ৰতিটো কামতে মুকুন্দ কাকতি আগ ভাগ ললে। যুৱ শক্তিৰ মাজত মুকুন্দই নেতাৰ সন্মান লাভ কৰিলে। ধোপাবৰ অঞ্চলত মুকুন্দ কাকতিৰ নাম অতি জনপ্ৰিয় আৰু সৰ্বত্ৰবিদিত হৈ উঠিল।

চাওঁতে চাওঁতে আন্দোলনে ভৰপক দিলে। সমগ্ৰ দেশতে দাবাগ্নি জ্বলো জ্বলো। ভাৰতীয় কংগ্ৰেছে ঘোষণা কৰিলে যে বিশ চেপ্তেম্বৰৰ (১৯৪২) দিনা 'কৰিম কিম্বা মৰিম' পণ কৰি আন্দোলন-কাৰীসকলে দেশৰ প্ৰতিটো আৰক্ষী চকীতে স্বাধীনতাৰ ত্ৰিৰঙ্গ পতাকা উৰাব লাগিব। পতাকাৰ মাৰিডালৰ দৰে মৃত্যুক আগ কৰি পতাকা কান্ধত লৈ সদলবলে হেজাৰ বিজাৰ জনতা নিৰ্দিষ্ট দিনত নিৰ্দিষ্ট সময়ত, নিৰ্দিষ্ট স্থানলৈ বীৰদৰ্পে আগবাঢ়িছে। ইটালীৰ গ্যাৰিবাল্ডিৰ 'থাওজেণ্ড ৰেড্ চাৰ্ট' সেনানীৰ দৰে কাৰো মনত ভয় নাই, হতাশা নাই, আছে দিগ্বিজয়ৰ অফুৰন্ত আশা-আকাংক্ষা।

দৰং জিলাৰ গহপুৰ পুলিচ চকীটো ৰুটিছ পুলিচ-মিলিটাৰীৰে দৃঢ়ভাৱে সজ্জিত, খাৰ-বাৰুদেৰে ভৰপূৰ। ভিন্-ভিন্ পথেদি আন্দোলনকাৰীয়ে মেদিনী কঁপাই, বিপুল জয়ধ্বনি কৰি, প্ৰত্যেকে হাতত ত্ৰিৰঙ্গ পতাকা উৰাই গহপুৰ থানাৰ ফালে আগবাঢ়ি আহিছে। পুলিচ-মিলিটাৰীসকলে ভোকাতুৰ বাঘে নিৰীহ হৰিণাৰ ওপৰত জপিয়াই পৰো পৰোকৈ থকাৰ দৰে বন্দুক-কামান টোৱাই আছে।

তাৰে মুখ্য সমদল দুটাৰ—এটাৰ নেতৃত্ব কৰিছে কনকলতাই, আনটোৰ মুকুন্দ কাকতিয়ে।

সাম্ৰাজ্যবাদীৰ ধ্বংস আৰু ভাৰতৰ জয়ধ্বনি দি সহস্ৰ জনতাৰ দলটো আহি গহপুৰ থানাৰ সন্মুখ পোৱাৰ লগে লগে থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰেবতি সোম আৰু চাৰিজন সশস্ত্ৰ কনিষ্টবল আহি বাট-ভেটি ধৰিলে। সোমে সিংহৰ দৰে গৰ্জন কৰি উঠিল—"খবৰদাৰ, এখোজো আগ নাবাঢ়িবা।" 'বাবা ৰুক্মিণী'ৰ দৰে ৰণচণ্ডীৰ সাজত মৃত্যুক আগ কৰি অহা বীৰাঙ্গনাই ক'লে— "আমি আমাৰ কৰ্তব্য কৰিমেই; তুমি তোমাৰ কৰ্তব্য কৰা।" নিমিষতে বন্দুকৰ তিনি গুলীৰ গুৰুম্ শব্দ হ'ল। লগে লগে কনকলতা ধৰাশায়ী হ'ল আৰু মুকুন্দ কাকতি ত্ৰিৰঙ্গ পতাকা পতিত হ'বলৈ নিদি কনকলতাৰ হাতৰ পৰা তুলি ল'লে।

বীৰ মুকুন্দই মুক্তি যোদ্ধাসকলক আহ্বান কৰি উদাত্ত কণ্ঠে ক'বলৈ ধৰিলে, আপোনালোকে যি পণ বুকুত লৈ ইয়ালৈ আহিছে, তাক যেন পাহৰি নাযায়। স্বাধীনতাতকৈ কোনো বস্তুৱেই ডাঙৰ হ'ব নোৱাৰে। পৰাধীন হৈ জীয়াই থকাতকৈ মৃত্যুৱেই শ্ৰেয়। আপোনালোকে কিহলৈ ভয় কৰিছে? বন্দুকলৈ? কনকলতাই জীৱন দি আপোনালোকৰ চকুৰ আগত উজ্জ্বল দৃষ্টান্ত ৰাখি অমৰত্ব লাভ কৰিলে। ভীৰু-কাপুৰুষৰ দৰে পলাই নাযাব; আগবাঢ়ক, আগবাঢ়ক, ভয় নকৰিব। এজন মৰিব, দুজন মৰিব, এশজন মৰিব, তথাপি পিছুৱাৰ কথা নাপাহৰিব। শহীদ কনকলতাৰ বিদেহী আত্মাই আমালৈ চাই আছে। আহক ৰাইজ, আগুৱাই আহক। "মাৰিলে দেশ, মৰিলে স্বৰ্গ।" এই বুলি জনতাক আকুল-উদাত্ত কণ্ঠে আহ্বান জনাই মৃত্যুৰ পণ কৰি দুহাতে ত্ৰিৰঙ্গ পতাকা সজোৰে ধৰি থানাৰ চৌহদৰ ভিতৰত মুকুন্দ প্ৰৱেশ কৰিলে। আকৌ তিনিটা গুৰুম্ গুৰুম্ শব্দ শুনা গ'ল। মুকুন্দ কাকতিৰ নশ্বৰ দেহ ধূলিত বাগৰি পৰিল। বহুতে প্ৰাণৰ ভয়ত

ছত্ৰভঙ্গ দিলে। মুকুন্দৰ হাতৰ পৰা পতাকাখন পতিত হ'বলৈ নিদি খাৰ-বাৰুদৰ চকু বিন্ধা ধোঁৱাৰ মণ্ডল ভেদ কৰি এইবাৰ বাসপতি বাজখোৱাই পতাকা হাতত লৈ আগুৱাই গ'ল। জনতাৰ জয় হ'ল, বৰৰ শক্তিৰ পৰাজয় ঘটিল; গহপুৰ থানাৰ ওপৰত মুক্তিৰ ত্ৰিৰঙ্গ নিচান সগৌৰৱে উৰিব ধৰিলে। কনক-মুকুন্দৰ আত্মাই শান্তি পালে। মৃত্যুৰ আগমুহূৰ্তত মুকুন্দই এটুপি পানী বিচাৰি চিৎকাৰ কৰিছিল। বৃটিছৰ পদলেহনকাৰীৰ দলে সেই পানী টোপাও মুকুন্দৰ মুখত পৰিবলৈ নিদিলে। মুকুন্দৰ তেজেৰে লুতুৰি-পুতুৰি অচেতন দেহ জনতাই সাঙিত তুলি গাঁৱলৈ অনাৰ দিহা কৰিলে। তাতো পিশাচৰ দলে বাধা দি মৰণ পথৰ যাত্ৰী মুকুন্দৰ ওপৰত টনা-আজোৰাৰ অত্যাচাৰ চলালে। অসুৰ বাইজৰ জয় হ'ল। মুকুন্দৰ মৃতপ্ৰায় দেহ সাঙিত ভৰাই গহপুৰ চাহ-বাগিচাৰ ওচৰ পোৱালেহি; কিন্তু হায়! মুকুন্দৰ তৃষ্ণাৰ্ত আত্মাই মুক্তি লভিলে। দেশৰ হকে এনেদৰে প্ৰাণাহুতি দি মুকুন্দ-কনকলতা দুটি উজ্জল নক্ষত্ৰ হৈ ভাৰতৰ আকাশত জিলিকি থাকিল। বিশ্বৰ ইতিহাসত দেশৰ কাৰণে এনেদৰে হাঁহি হাঁহি প্ৰাণ বলি দিয়া ডেকা-গাভৰুৰ সংখ্যা বৰ বেছি নোলাব। কনক-মুকুন্দ আমাৰ উত্তৰ পুৰুষৰ পথ প্ৰদৰ্শক হওক!

লোকবন্ধু ডাক্তৰ ভুৱনেশ্বৰ বৰুৱা

"ডাক্তৰ ভুবনেশ্বৰ বৰুৱাদেৱলৈ মনত পৰিলে এখনি হাস্যময় মুখ আৰু এক সৰল সুঠাম শৰীৰৰ এজন মানুহৰ লগৰ মানুহৰ ছবি যেন চকুৰ আগত ভাহি উঠে। তেওঁৰ নিজৰ দেহৰ আৰু মনৰ সুস্বাস্থ্য আনকো বিলাই দিব পাৰিছিল। তেওঁ এজন অসাধাৰণ চিকিৎসক আছিল। অনেক সময়ত তেওঁৰ স্নেহমাখা কথাই চিকিৎসাৰ কাম কৰিছিল। তেওঁৰ মুকলি-হাকলি মনৰ ভিতৰত যিকোনো লোকেই সহজে প্ৰবেশ কৰিব পাৰিছিল— যেন মুক্ত এখন তোৰণত। লগ পোৱাৰ লগে লগেই যিমানেই দূৰৰ মানুহ নহওক তেওঁৰ ওচৰৰ হৈ পৰিছিল। 'এই দূৰকে নিকট' আৰু 'পৰকে ভাই' কৰিব পৰা মানুহজনেই ভুবনেশ্বৰ বৰুৱা ডাক্তৰ।"

ডক্টৰ মহেশ্বৰ নেওগে লোকবন্ধু ডাক্তৰ ভুবনেশ্বৰ বৰুৱাৰ সম্পৰ্কত কৰা ওপৰৰ মন্তব্যটোত ডাক্তৰ বৰুৱাৰ দুখন ছবি - ভিতৰৰ আৰু বাহিৰৰ সুস্পষ্টভাৱে দেখিবলৈ পোৱা যায়। কটক কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হৈ থাকোঁতে 'গাটো বেয়া বেয়া লাগি থকা' নেওগে উজান বজাৰৰ লুইতৰ পাৰৰ ৰাজবাৰীৰ ৰোগী চোৱা ঘৰৰ চোতালত শাৰী পাতি থিয়হৈ ডাক্তৰ বৰুৱাক সাক্ষাৎ কৰিছিল। ডাক্তৰ বৰুৱাই খৰখৰকৈ ৰোগী চাইছিল। দৰ্শন, স্পৰ্শন আৰু এটা বা দুটা প্ৰশ্ন কৰিয়েই ৰোগীৰ বেমাৰৰ নিৰাকৰণ কৰিব পাৰিছিল। ৰোগীৰ ভিৰ ইমান বেছি আছিল যে সাধাৰণ ৰোগীক শাৰী পাতি থিয় কৰাই এফালৰ পৰা পৰীক্ষা কৰি দিব লগাক লগে লগে প্ৰেচ্‌ক্ৰিপচন দিছিল আৰু দিবৰ প্ৰয়োজন নোহোৱাক উৎসাহ উপদেশ দি পঠাই দিছিল।

চোতালৰ শাৰীত থিয় হৈ থকা ৰোগীসকলক এজন এজনকৈ চাই আহি নেওগৰ ওচৰ পায়েই পৰিচয় সোধাৰ লগে লগে বাহুত ধৰি শাৰীৰ পৰা টানি আনি এখন হাতেৰে মূৰটো খন্তেক পৰ ধৰি থাকিল, তাৰ পিছত ক'লে—"চব ঠিক হৈ যাব, ভালকৈ খাবা, ভালকৈ খেল-ধেমালি কৰিবা, ভালকৈ পঢ়িবা। প্ৰেচ্‌ক্ৰিপচন এখন পোৱাৰ আশাত ৰৈ থকা নেওগক এইবাৰ "এক চহমনি আৰু এক প্ৰকাৰৰ ছুটা বাঘচকা" দি ক'লে—"তোমাৰ একো হোৱা নাই, যোৱা নৈৰ পাৰত ফুৰি ফুৰি হোষ্টেললৈ যোৱাগৈ।" চহমণি আৰু বাঘচকা খাই নেওগৰ কিবা কিবা লগা বেমাৰটো ভাল হ'ল।

অসমৰ এই যুগৰ সৰ্বশ্ৰেষ্ঠ এইজন ধনন্তৰীৰ ১৮৯৩ চনৰ ভাদ মাহৰ ১৮ তাৰিখে ডিব্ৰুগড়ৰ খলিহামাৰীত জন্ম হৈছিল। তেখেতৰ পিতৃ প্ৰখ্যাত মজিন্দাৰ বৰুৱাৰ বংশোদ্ভূত জীৱেশ্বৰ বৰুৱা আৰু মাতৃ গিৰিজা বৰুৱা। জীৱেশ্বৰ বৰুৱাৰ তেৰটা ল'ৰা ছোৱালীৰ ভিতৰত ভুবনেশ্বৰ বৰুৱা ষষ্ঠ সন্তান আছিল। এই সুবৃহৎ পৰিয়ালটোৰ ভৰণ-পোষণৰ ভাৰ জীৱেশ্বৰ বৰুৱাই অকলে লোৱাটো টান হৈ পৰিছিল। সেই কাৰণে ভুবনেশ্বৰ বৰুৱাই দেউতাকৰ লগতে পৰিয়ালটোৰ বহুতো দায়িত্ব বহন কৰিবলগীয়া হৈছিল।

ভুবনেশ্বৰ বৰুৱাক দহ-বাৰ বছৰ বয়সলৈকে স্কুলত দিয়া হোৱা নাছিল। শেষত মোমায়েক ফণীধৰ চলিহাই ভুবনেশ্বৰক 'ঘৰবুঢ়া' কৰি ৰখাটো ভাল নেপাই পঢ়াশুনাৰ ব্যৱস্থা কৰিবলৈ বাৰে বাৰে কোৱাত স্কুললৈ পঠিওৱাৰ দিহা কৰা হ'ল। প্ৰথমে গুৱাহাটীত থকা মাজু ভিনিহিয়েক ডাক্তৰ ৰবিনাৰায়ণ বৰাৰ ঘৰত থাকি কিছুদিন পঢ়াশুনা কৰিলে। তাৰ পিছত ডিব্ৰুগড়লৈ পঠোৱা হ'ল আৰু ভাই কুঞ্জলাল বৰুৱাৰ যত্নত পঢ়িবলৈ ললে। কিন্তু জানো, ভুবনেশ্বৰৰ সৰুৰে পৰা ডাক্তৰ হোৱাৰ এটি প্ৰবল হাবিয়াস আছিল। ইচ্ছা থাকিলে বাটে পোৱালি মেলাৰ দৰে লিখা-পঢ়াত কিছু আগবঢ়াৰ লগে লগে বৰুৱাই সেই পিনে মন পোনাবলৈ ধৰিলে। কিন্তু সংস্কৃতত দুৰ্বল

হোৱা কাৰণে প্ৰৱেশিকাত দ্বিতীয় বিভাগ পালে। ১৯১৭ চনত আই. এচ. চিও দ্বিতীয় বিভাগত পাছ কৰি ঘৰখন পৰিচালনা কৰাৰ কাৰণে অৰ্থৰ অভাৱ হোৱাত সহকাৰী স্কুল পৰিদৰ্শকৰ চাকৰিত সোমাল। নিষ্ঠা আৰু সততাৰে কাম কৰি অতি কম দিনৰ ভিতৰতে সকলোৰে শ্ৰদ্ধাভাজন হৈ উঠিল। কিন্তু ভুবনেশ্বৰ বৰুৱাৰ ডাক্তৰী পঢ়াৰ আশা তেতিয়াও তীব্ৰ হৈয়েই আছিল। তথাপি মাজিউ ককায়েক লক্ষেশ্বৰ বৰুৱাৰ (অসম বিধান সভাৰ ভূতপূৰ্ব অধ্যক্ষ) আইন পঢ়া তেতিয়াও শেষ নোহোৱাত নিজৰ ইচ্ছাক দমাই ৰাখিছিল।

বৰুৱা তুৰাত সহকাৰী পৰিদৰ্শক হৈ থাকোঁতে শিক্ষাধিকাৰ মিঃ শ্মল তুৰালৈ গৈ বৰুৱাৰ কামত অত্যন্ত সন্তুষ্ট হৈ তেখেতক আ. ই. লৈ প্ৰমোচন দিবলৈ খোজাত বৰুৱাই বিনম্ৰভাৱে ক'লে যে যদি তেওঁ সচাকৈয়ে তেওঁৰ কামত সন্তুষ্ট হৈছে তেন্তে তেওঁক প্ৰমোচন নিদি জলপানী এটা দি ডাক্তৰী পঢ়াবলৈ পঠালে পৰম সুখী হ'ব। মিঃ শ্মলে অনুৰোধ ৰাখি বৰুৱাক মেডিকেল পঢ়াৰ ব্যৱস্থা কৰি দিয়াত কলিকতা মেডিকেল কলেজৰ পৰা ডাক্তৰী পাছ কৰি ডিব্ৰুগড়লৈ আহি অসহযোগ আন্দোলনৰ কামত লাগি গ'ল। উল্লেখযোগ্য যে সময়ত তেখেতে চিকিৎসা বিদ্যাত ইমান প্ৰসিদ্ধি লাভ কৰিলে যে তেখেতৰ দৰে সৰ্বগুণী দ্বিতীয় ডাক্তৰ এজন অসমভূমিত আজিলৈকে জন্মা নাছিল। তেখেত ডাঃ বিধানচন্দ্ৰ ৰায়ৰ কৃতীমান ছাত্ৰ আছিল। সেই সময়ত অসমৰ পৰা কোনো ৰোগী ডাঃ বিধানচন্দ্ৰ ৰায়ৰ ওচৰলৈ গ'লে তেখেতৰ প্ৰথম প্ৰশ্নটোৱেই আছিল—"তোমালোকে ভুবনেশ্বৰ বৰুৱাক দেখুৱাই আনিছা নে নাই? তেওঁ পঠিয়ালেহে মোৰ ওচৰলৈ আহিবা।" কাজেই চিকিৎসা বিদ্যাত ডাঃ বৰুৱাৰ কিমান জ্ঞান আৰু অভিজ্ঞতা আছিল ইয়াতে বুজিব পাৰি। উজনিৰ চাবুৱা অঞ্চলত চৰকাৰী কামত থকা সময়ত ডাক্তৰ বৰুৱাই বালগঙ্গাধৰ তিলকৰ স্বৰাজ ন্যাসপুঁজিলৈ ধন সংগ্ৰহ কৰি থকাৰ কথা

গম পাই তেওঁক তুৰন্তে বৰপেটালৈ এছিষ্টেণ্ট চাৰ্জন হিচাপে পঠিয়ালে। তাতো গৈ ডাক্তৰ বৰুৱা দেশ স্বাধীন কৰা কামত পূৰাদমে আত্ম-নিয়োগ কৰিলে। চৰকাৰী কাম কৰিলেও চাকৰি যোৱাৰ ভয়ত ডাক্তৰ বৰুৱাই কাহানিও কাৰো ওচৰত মূৰ দোৱোৱা নাছিল। তেখেতৰ এনে ধৰণৰ সাহপিত্ দেখি উচ্চপদস্থ চৰকাৰী বিষয়াও জোকাবলৈ সাহস নকৰিছিল।

ডাক্তৰ বৰুৱাই মঙ্গলদৈত চৰকাৰী কাম কৰি থাকোঁতে তেখেতে ৰাজনৈতিক বন্দীসকলক বিশেষ অনুগ্ৰহ দেখুৱাইছে বুলি তেখেতৰ ওপৰত এটা অভিযোগ অনাত তেতিয়াই চৰকাৰী কাম ইস্তফা দি গুৱাহাটীলৈ আহি "শঙ্কৰদেৱ ফাৰ্মাচী" খুলিলে। ফাৰ্মাচীখনৰ নামটো সম্পৰ্কত ক'ব পাৰি যে মহাপুৰুষ জনাৰ তেখেত একান্ত ভক্ত আছিল। ওৰে জীৱনত তেখেতে মহাপুৰুষীয়া নীতি-ধৰ্ম আচৰণ কৰিছিল আৰু পুৱা গধূলি বৰগীত, প্ৰাৰ্থনা গীত অতি সুললিত সুৰত গাইছিল আৰু ল'ৰা-ছোৱালীহঁতকো সেইবোৰ যথাযথ ভাৱে অনুশীলন কৰাৰ প্ৰেৰণা যোগাইছিল। বৰপেটাত থাকোঁতে ডাক্তৰ বৰুৱাক লোকে 'শঙ্কৰদেৱ' বুলিহে মাতিছিল। মহাপুৰুষ জনাৰ দৰে সৰ্বগুণাকৰ হ'ব নোৱাৰিলেও সিন্ধুত বিন্দু হৈ ভাহি যোৱাৰ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। সেয়েহে মহাপুৰুষৰ আদৰ্শত আপ্লুত হৈ দৰিদ্ৰ নাৰায়ণৰ সেৱাত 'শঙ্কৰদেৱ ফাৰ্মাচী'ৰ দুৱাৰ মুকলি কৰিছিল, য'ত 'কুকুৰ চণ্ডাল গৰ্দ্দভৰ আত্মাৰাম' হৈ ভগৱানৰ অপাৰ মহিমা প্ৰচাৰ কৰিছিল। সেয়ে দৰিদ্ৰ, নিষ্পেষিত, নিৰাশ্ৰয় জনৰ কাৰণে ডাক্তৰ বৰুৱা মানুহ নাছিল, নৰৰূপী নাৰায়ণ আছিল। তেখেত এজন ব্যক্তি নাছিল, এটা বিৰাট অনুষ্ঠানহে আছিল। তেখেতৰ মানৱ সেৱাৰ সঁচা কাহিনীবোৰ আজিৰ যুগৰ তথাকথিত নতুন পুৰুষ, নামান্তৰে প্ৰগতিবাদীসকলে জানিলে সাঁথৰ অথবা কিম্বদন্তীৰ সাধু বুলি ক'ব। কিয়নো তেওঁলোকৰ বহুতে আদৰ্শৰ প্ৰতীক হ'ব নোৱাৰে বা হ'বলৈ সামান্যতম চেষ্টাও নকৰে আনহাতে আদৰ্শক তুচ্ছজ্ঞান কৰি নিজৰ,

আত্মীয়জনৰ স্বাৰ্থ সিদ্ধি কৰে। ডাক্তৰ বৰুৱাৰ জীৱনৰ অলেখ তেজৰঙা সঁচা কাহিনীৰ দুটি এটি আজিৰ চামৰ নতুন পুৰুষৰ কাৰণে তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

মঙ্গলদৈত ডাক্তৰি কৰি থাকোঁতে প্ৰায় বাৰ বছৰীয়ামান ল'ৰা এটাক গোনাম'হে শিঙেৰে খুঁচি নাৰীভুৰি সোপাকে উলিয়াই বোকা পানীত 'দধি মথন' কৰিলে। পিচদিনা গৰুগাড়ীৰে কলধপ্ কলধপ্ কৰি থকা জীৱটি ডাক্তৰ বৰুৱাৰ বঙলাৰ সন্মুখ পোৱালেহি। ল'ৰাটো যে মৰাৰ পৰা পুনৰ জী উঠিব কোনেও ভবা নাছিল। কিন্তু ভগৱানৰ কৃপাত পুনৰ জীৱন পালে। দুমাহ নেৰা-নেপেৰা চেষ্টা কৰি ল'ৰাটোৰ প্ৰাণ ৰক্ষা কৰিলে। নাচ নথকাত ধোৱা পখলা সকলো কাম নিজ হাতে কৰিলে। অস্ত্ৰোপচাৰৰ সময়ত ডাক্তৰ বৰুৱাৰ পৰমবন্ধু মানৱদৰদী অমিয় কুমাৰ দাসে টিপ্‌চাকি জ্বলাই পোহৰ ধৰিলে।

১৯২৭ চনৰ জুন মাহৰ এটি শুভদিনত অমৃতযোগত শ্ৰীযুতা ইন্দুপ্ৰভা বৰুৱাৰ লগত ডাক্তৰ বৰুৱাৰ বিয়া হয়। বিয়াৰ দিনটোতো ৰোগীৰ পিচে পিচে ঘূৰি ফুৰোঁতে আহৰি নাই। দৰা ওলোৱাৰ সময়ত লৰালৰিকৈ আহি উপস্থিত হ'ল আৰু ৰোগী চাই অহা লেতেৰা ধুতি পাঞ্জাৱীৰে আপোন-ভোলা শিৱ-শঙ্কৰৰ দৰে দৰা সাজি যাবলৈ ওলাল। অমিয় কুমাৰ দাসে দৰাৰ বেহৰূপ দেখি নিজৰ পাঞ্জাবী চোলা এটা পিন্ধিবলৈ দিলে। বিয়া শেষ হোৱাৰ ন কইনাক পিচুত পঠাবলৈ অনুৰোধ কৰি টান অৱস্থাত এৰি যোৱা ৰোগীজনৰ খবৰ লবলৈ কোবাকোবিকৈ আহিল। বেমাৰীৰ লগত দৌৰা-দৌৰিকৈ ঘূৰি ফুৰিবলগীয়া হোৱাত 'খোৱাখুবুনী'ৰ দিনো ছদিন পিছুৱাই দিয়া হ'ল। খোৱাখুবুনীৰ দিনাও খবৰ আহিল কুৰুৱাত হেনো কলেৰা লাগি বহুত মানুহ মৰিল। বন্ধুবৰ দাসক লগত লৈ গ'ল। তাতো ধুমুহাত ব্ৰহ্মপুত্ৰত নাওখন বুৰি মৰো জীও অৱস্থা হ'ল। তিতা গাৰে দুই বন্ধু কুৰুৱা পাই ৰোগীসকলৰ সেৱা শুশ্ৰূষাত

ব্যস্ত হৈ পৰিল। বুঢ়ী বিধবা এজনীয়ে একমাত্র পুতেকক যমৰ হাতৰ পৰা উদ্ধাৰ কৰাৰ কাৰণে কৃতজ্ঞতাত গদ্‌গদ হৈ কাণৰ থুৰীয়াযোৰ শৰাই এখনত থৈ আগবঢ়ালে। অনাথৰ নাথ লোকবন্ধুৱে থুৰীয়াযোৰ ওভতাই দিয়াৰ লগতে বেমাৰীৰ পথ্যাদি কিনাৰ কাৰণে জেপৰ পৰা কেইটামান টকাও দি আহিল। শেষনিশা বেমাৰী চাই আহি ঘৰ পালে আৰু ঘৰৰ এটা প্ৰাণীকো নজগাই বাহিৰৰ বেমাৰী বহা বেঞ্চখনতে শুই থাকিল। এইজনেই আছিল করুণাসিন্ধু, স্বাৰ্থত্যাগী, দীনহীনৰ সাক্ষাৎ ঈশ্বৰ ডাক্তৰ ভুবনেশ্বৰ বৰুৱা। ডাক্তৰ বৰুৱাৰ অপাৰ ব্যক্তি মহিমা। তেখেতৰ মৰমৰ উম আৰু সান্নিধ্যসুখ পোৱা সকলে তেখেতক কোনোকালে পাহৰিব নোৱাৰে। আৰু তেওঁলোকৰ ল'ৰা-ছোৱালীৰ কাৰণে ডাক্তৰ বৰুৱা "আলাদ্দিনৰ যাদুবস্তি" হৈ ৰ'ব।

সংসাৰ ক্ষেত্ৰত ডাক্তৰ বৰুৱা আদৰ্শ স্বামী আদৰ্শ পিতৃ আৰু আদৰ্শ ওচৰ-চুবুৰীয়া আছিল। নিজৰ ছোৱালীৰ দৰে ওচৰ চুবুৰীয়াৰ ল'ৰা-ছোৱালীকো মৰম কৰিছিল, মাঘ বিহুৰ উৰুকাৰ ভোজ ৰভাভোজ আদিৰ সময়ত ওচৰ চুবৰীয়াৰ ল'ৰা-ছোৱালীৰ সৈতে আয়োজন কৰি বন্ধা-বঢ়াৰে পৰা সকলো কৰি আনন্দ পাইছিল। ভূতপূৰ্ব এম. পি. শ্ৰীযুতা পুষ্পলতা দাসে ডাক্তৰ বৰুৱাৰ ঘৰুৱা জীৱনত এইদৰে মাৰি লিখিছে—"ডাক্তৰ বৰুৱাই সঙ্গীবিহীন হৈ এখন্তেকো থকাটো ভাল নেপাইছিল। লগৰীয়া সকল নহা যেন দেখিলে অসুবিধা বেচি হোৱা যেন পাইছিল। তেখেতে আজৰি সময়খিনি ল'ৰা-ছোৱালী পৰিয়ালৰ সকলোৰে লগত খেল-ধেমালি আদি কৰিবলৈ বৰ ভাল পাইছিল। গধূলি বেলিকা প্ৰায়ে আন কাম নেথাকিলে লুডু, কেৰোম, লেক্সিকন আদি ল'ৰা-ছোৱালীৰ লগত খেলি কটাইছিল। কেতিয়াবা কোনো নাথাকিলে অকলে বহি 'পেশেন্স' (Patience) বোলা খেলটো খেলিয়েই সময় কটাইছিল। ল'ৰা-ছোৱালীবিলাক ঘৰত থকা সময়ডোখৰত তেওঁবিলাকৰ লগত

খেলি নহ'লে তেওঁবিলাকক গান গাবলৈ আৰু নাচিবলৈ দি আনন্দ পাইছিল। কেতিয়াবা আকৌ বান্ধনি ঘৰত সোমাই ভাতকে ৰান্ধিবলৈ ওলাইছিল। ৰন্ধা-বঢ়া বিষয়তো তেখেত অপৈণত নাছিল। ল'ৰা-ছোৱালীবিলাকক ৰন্ধা-বঢ়াৰ কামত উদগণি দিবলৈ তেখেতে তেওঁবিলাকে ৰন্ধা বস্তুবিলাক প্ৰথমতে সিমান সোৱাদ নহ'লেও সদায়েই "১০০ৰ ভিতৰত ১০০ নম্বৰ পাইছাহঁক" বুলি উৎসাহ দিছিল।"

ডাক্তৰ বৰুৱাৰ নাচ-গান, থিয়েটাৰ, চিনেমা, চাৰ্কাচ, বায়স্কোপ আদি চোৱাত নিচা আছিল। ভাল চিনেমা আহিলে সময় সুবিধা বুজি দলে-বলে গৈ উপভোগ কৰিছিল। ল'ৰা-ছোৱালীহঁতক আবেলিৰ 'প্ৰোগ্ৰেম' বনোৱাত তেওঁলোকৰ মাজত প্ৰতিযোগিতা আনি দিছিল। ৰোগীচোৱা ঘৰৰ পৰা আহিয়েই কোনে কি প্ৰোগ্ৰেম কৰিছিল ধেমালিৰ চলেৰে তেওঁলোকৰ বিচাৰ বুদ্ধিৰ পৰীক্ষা কৰি কেতিয়াবা বৰণী বোৱা, কেতিয়াবা দূৰলৈ চাহজলপান খাবলৈ যোৱা, কেতিয়াবা ভাল চিনেমা চোৱা, প্ৰগ্ৰেমত ডাক্তৰ বৰুৱাই যোগ দিছিল। ডাক্তৰ বৰুৱা কেৱল শৰীৰৰে ডাক্তৰ নাছিল, এজন শিশুমনস্তাত্বিকো আছিল। সেয়ে শিশুৰ মন যাতে সদায় প্ৰফুল্লিত হৈ থাকে তাৰ বাবে নিজেতো চেষ্টা কৰিছিলেই আনকো তেনে কৰিবলৈ পৰামৰ্শ দিছিল।

ডাক্তৰ বৰুৱাৰ অন্তৰ যে শিশুৰ দৰে কোমল আৰু সৰল আছিল তাৰ শ শ উদাহৰণ পোৱা যায়। এবাৰ সৰস্বতী পূজাৰ সময়ত নাতিনীয়েক এজনী অকলশৰীয়া হৈ আমন-জিমনকৈ থকা দেখি সিদিনা ৰোগী চোৱা ঘৰলৈ নগৈ নাতিনীয়েকক আনন্দ দিয়াৰ বাবে খৰধৰকৈ সৰস্বতী পূজাৰ যা-যোগাৰ কৰিলে। নাতিনী ছোৱালীৰ লগত বুঢ়া ককাদেউতাও সৰল শিশুটি হৈ ঘৰমুচি, মাহপ্ৰসাদ ধুই শৰাই নৈবেদ্য সাজি অকণমানী ছোৱালীজনীক অপাৰ আনন্দ দিলে। সংসাৰ ধৰ্মৰ ফালৰ পৰা লক্ষ্য কৰিলে কথাটো নিচেই সৰু যেন লাগিলেও অন্তৰ দৃষ্টিৰে চালে ইয়াৰ প্ৰমূল্য অসাধাৰণ।

বিয়াল্লিছৰ কেইগৰাকীমান শ্বহীদ

শ্বহীদ কনকলতা

শ্বহীদ কুশলকোঁৱৰ

হেমৰাম পাতৰ

শ্বহীদ প্ৰফুল্ল কাকতি

শ্বহীদ তিলক ডেকা

ছবিলাল উপাধ্যায়



জয়চন্দ্র চৌধুরী

মহীকান্ত দাস



ডাঃ যোগেশ্বর দেবচৌধুরী



হৰেশ্বৰ গোস্বামী



ৰোহিনী কুমাৰ চৌধুৰী

বি. কে. ভাণ্ডাৰী

পীতাম্বৰ দেৱগোস্বামী



অক্ষয় কুমাৰ দাস

দেহীৰাম বৰ্মণ

বেণুধৰ শৰ্মা

আব্দুল গফুৰখানৰ সৈতে বিমলাপ্ৰসাদ চলিহা, দেবেন্দ্ৰ নাথ শৰ্মা।



মহীচন্দ্ৰ বৰা।



ব্ৰজনাথ শৰ্মা।

শ্বহীদ ভোগেশ্বৰী ফুকননী

শ্বহীদ ঠগীৰাম সুত

শ্বহীদ গুণাভি বৰদলৈ

শ্বহীদ লক্ষী হাজৰী

অধ্যক্ষ হেম বৰুৱা

অধ্যক্ষ পদ্মধৰ চলিহা

অধ্যক্ষ তীৰ্থনাথ শৰ্মা

ৰজনীকান্ত গোস্বামী

ধৰ্মীয় জীৱনত ডাক্তৰ বৰুৱা গোড়া নাছিল যদিও নিজৰ হাউলিতে মহাপুৰুষীয়া ধৰ্মৰ আৰ্হিত গোঁসাইঘৰ স্থাপন কৰি নিত্য-নৈমিত্তিক ভাৱে নাম-প্ৰসঙ্গ, গোঁসাই-সেৱা আদি কৰিছিল। পুৱাৰ গোঁসাই সেৱা নকৰাকৈ চাহ জলপান আদি একোকে নেখাইছিল। নতুন আলহী আদি আহিলে ঘৰৰ ইটো কোঠালি সিটো কোঠালি দেখুৱাই গোঁসাই ঘৰটোৰ কালে হাতযোৰ কৰি দেখুৱাইছিল—"এইটোৱেই মোৰ আশ্ৰয়ৰ স্থল।"

ডাক্তৰ বৰুৱাৰ গান্ধীবাদত অসীম আৰু দৃঢ় আস্থা আছিল। মহাত্মা গান্ধীৰ পৰিকল্পিত ৰামৰাজ্য এখন স্থাপন কৰা আদৰ্শই ডাক্তৰ বৰুৱাক গভীৰভাৱে আকৰ্ষণ কৰিছিল। মহাত্মা গান্ধীৰ প্ৰতিটো কথা আৰু প্ৰতিটো কামেই ডাক্তৰ বৰুৱাৰ মানত বেদবাক্য, বেদকৰ্ম আছিল। পুৱা আৰু গধূলি যতঁৰত সূতা কটাটো ডাক্তৰ বৰুৱাৰ শ্বাস-প্ৰশ্বাসৰ দৰে আছিল। নিজৰ লগতে পত্নী, ল'ৰা-ছোৱালী, ঘৰ-ঘৰুৱা সকলোৱে অনিবাৰ্যভাৱে সূতা কাটিব লাগিছিল; চাকাই কামকে ধৰি ঘৰৰ সকলো কাম কৰিব লাগিছিল।

ডাক্তৰ বৰুৱাৰ খং নামৰ বেমাৰটো আছিল। কিন্তু গান্ধীবাদত সম্পূৰ্ণ আস্থা ৰাখি সূতা কাটিবলৈ ধৰাত খংটো লাহে লাহে টুটি গৈ শেষত একেবাৰে নাইকিয়া হয়। ডাক্তৰ বৰুৱাই সূতা কাটে, আহোম যুগৰ নাৰীসকলে ৰাতিটোৰ ভিতৰতে কপাহ নেওঠি, সূতা কাটি, কাপোৰ বুই গিৰীয়েকক দিয়া ৰক্ষা কৱচ পিন্ধি যুঁজলৈ যোৱাৰ আৰ্হিৰে ডাক্তৰ বৰুৱায়ো পত্নী শ্ৰীযুক্তা ইন্দুপ্ৰভা বৰুৱাই কাটি বুই দিয়া খদ্দৰৰ কাপোৰ পিন্ধি স্বাধীনতা যুদ্ধৰ অক্লান্ত যুঁজাৰু সাজি ডাক্তৰ বৰুৱা যুঁজত জপিয়াই পৰে। ডাক্তৰ বৰুৱাৰ নীতিধৰ্ম আছিল "মই অক্ষম হৈ পঙ্গু হৈ আনৰ অনুগ্ৰহৰ পাত্ৰ হৈ আৰু ভীৰুৰ দৰে মৰিম মৰিম বুলি ভয় কৰি বাচি থাকিবলৈ নোখোজোঁ। কামৰ মাজতে মোক যেন মৰণে মাতি লয়, এই মোৰ প্ৰভুৰ ওচৰত প্ৰাৰ্থনা।" ডাক্তৰ বৰুৱাৰ সমাজ জীৱন আৰু ঘৰুৱা জীৱন একেটা মুদ্ৰাৰে দুপিঠি

দৰে আছিল। ঘৰৰ শিশু আৰু দেশৰ শিশুৰ মাজত ডাক্তৰ বৰুৱা আৰু তেখেতৰ সুযোগ্যা পত্নীয়ে কোনো প্ৰভেদ ৰখা নাছিল। সেয়ে দুয়ো "পজাজি সমিতি" নামেৰে এটি শিশু অনুষ্ঠানৰ গঢ় দি শিশুসকলৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষতা সাধন কৰাৰ কাৰণে চেষ্টা চলাই আহিছিল। কচো, মেৰীয়া মণ্টেচৰী, বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু ঋষি অৰবিন্দৰ শিক্ষা পৰিক্ৰমাৰ দ্বাৰা অণুপ্ৰাণিত হৈ এই শিশু সদনটি খুলি শিশু মনৰ স্বাধীন চিন্তাক স্বাধীনভাৱে পৰিণত ৰূপ দিয়াৰ প্ৰয়াসেৰে বৰুৱা দম্পতিয়ে কাম কৰি গৈছিল। এই অনুষ্ঠানটোৰ জৰিয়তে কণ কণ ল'ৰা-ছোৱালী হঁতক খেল-ধেমালিৰ চলেৰে সূতা কটা, চাফাই কাম কৰা, ৰন্ধাবঢ়া আদি জাগতিক জীৱনত প্ৰয়োজন হোৱা সৰলো কামৰে আভাস দিছিল।

খোৱা খাদ্যৰ ক্ষেত্ৰত ডাক্তৰ বৰুৱাই জিভাৰ সোৱাদতকৈ স্বাস্থ্যৰ উপকাৰিতাৰ প্ৰতিহে জোৰ দিছিল। প্ৰয়োজনতকৈ বেছিকৈ মা-মচলা আদিৰে ৰন্ধা বস্তুক তেখেতে "অবৈজ্ঞানিক বা অসভ্য জগতৰ দস্তুৰ" বুলি মন্তব্য কৰিছিল। কেঁচা শাক-পাচলিৰ উপকাৰিতা সম্পৰ্কে প্ৰায়েই কৈছিল আৰু নিজে শাকনিবাৰী পাতি পুৱা-গধূলি অৱসৰি সময়ত হাতে-কামে লাগি গৈছিল। আনকি নিজৰ ল'ৰা-ছোৱালী, ঘৰৰ কাম বন কৰা ল'ৰা-ছোৱালীৰ মাজতো প্ৰতিযোগিতাৰ ভাৱ সুমাই দি কোনে কিমান ভাল শাক-পাচলি কৰিব পাৰে তাৰ বাবে পুৰস্কাৰ ঘোষণা কৰিছিল আৰু দিছিল।

চৰকাৰৰ পৰা বৃত্তি লৈ ডাক্তৰী পাছ কৰা কাৰণে প্ৰতিশ্ৰুতি-বদ্ধ হৈ ডাক্তৰ বৰুৱা ডিব্ৰুগড়, মঙ্গলদৈ, বৰপেটা আদিত কিছুদিন চাকৰি কৰিবলগীয়া হৈছিল। প্ৰকৃততে তেখেতৰ দুই ভৰি দুই নাৱত আছিল। একালে প্ৰতিশ্ৰুতিবদ্ধ, আনকালে মুক্তিযুদ্ধ। তাৰ মাজেদি অসহযোগ আন্দোলনত জঁপিয়াই পৰি নানা লটিঘটি খাবলগীয়া হৈছিল। শাস্তি হিচাপে অ'ৰ পৰা ত'লৈ সঘনে বদলি কৰিছিল আৰু ভৱিষ্যতলৈ চৰকাৰ-বিৰোধী কোনো কামত লিপ্ত

নহ'বলৈ সাৱধান কৰি দিছিল।

শেষত অতিষ্ঠ হৈ চাকৰি এৰি দি দিনক ৰাতি, ৰাতিক দিন কৰি সমাজসেৱা আৰু দেশ স্বাধীন কৰাৰ কামত উঠি পৰি লাগিছিল। সেই অপৰাধত কেবাবাৰো কাৰাবৰণ কৰিবলগীয়া হয়। এবাৰ শিলচৰ জেলতো আছিল। কিন্তু ডাক্তৰ বৰুৱা কোনো জেলতে বেছিদিন থাকিবলগীয়া নহয়। বাইজৰ দাবীত বাৰে বাৰে তেখেতক মুক্তি দিবলগীয়া হৈছিল। এইদৰে জেল, ৰোগী চোৱা ঘৰ আৰু সভা-সমিতিৰ মাজত ডাঃ বৰুৱাই তাঁত বাতি কাটি থাকিছিল। উল্লেখযোগ্য যে জেলত থাকিলেও জেলবন্দীসকলৰ অসুখ বিসুখ হ'লে ডাক্তৰ বৰুৱা বাহিৰত থকাৰ দৰে সমানে ব্যস্ত হৈ পৰিছিল।

পিকেটিং, সত্যাগ্ৰহ, ধৰ্মঘট আদিৰ সময়ত ডাঃ বৰুৱা আৰু ডাক্তৰ হৰিকৃষ্ণ দাস অতিশয় ব্যস্ত হৈ পৰিছিল। কাৰণ পুলিচৰ লাঠি, সঙ্গীন আৰু বুট জোতাৰ প্ৰহাৰত ক্ষত-বিক্ষত লোকসকলক প্ৰাথমিক চিকিৎসা কৰাৰে পৰা ৰাতি পৰ দিয়া পৰ্যন্ত সকলো কাম কৰিব লাগিছিল।

১৯২১ চনৰ পিছতে ১৯২৮ আৰু ১৯৩০ চন দুটা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত বিশেষ স্মৰণীয়। ১৯২৮ চনৰ 'চাইমন কমিচন'ৰ প্ৰস্তাৱৰ প্ৰতিবাদত আৰু ১৯৩০ চনত 'লোণ আইন' আৰু 'কানিংহাম চাৰ্কুলাৰ'ৰ প্ৰতিবাদত সমগ্ৰ দেশব্যাপি আন্দোলন হৈছিল। শ শ নিৰীহ লোক পুলিচৰ গুলীত, লাঠিৰ কোবত প্ৰাণ হেৰুৱাব লগাত পৰিছিল। চাইমন কমিচনৰ প্ৰতিবাদত শোভাযাত্ৰা কৰোঁতে লালা লাজপত ৰায়ৰ নিচিনা সৰ্বভাৰতীয় নেতাক পুলিচে লাঠিৰে উগুনিয়াই হত্যা কৰিছিল আৰু পণ্ডিত জৱাহৰলাল নেহৰুকো লাঠিৰে কোৱাই বগৰাই দিছিল।

কানিংহাম চাৰ্কুলাৰৰ ঘোৰ প্ৰতিবাদ কৰি অসমতো সত্যাগ্ৰহ, হৰতাল, শোভাযাত্ৰা আদি হৈছিল। সেই সময়ত কিছুমান জাতীয়তাবাদী স্কুল পতা হৈছিল। তেজপুৰত 'তেজপুৰ একাডেমী'

আৰু গুৱাহাটীত 'কামৰূপ একাডেমী'ৰ জন্ম হয়। কামৰূপ একাডেমীৰ জন্মলগ্নৰে পৰা ভৰ যৌৱন কাল পোৱা সময়লৈকে গোপীনাথ বৰদলৈ, ডাক্তৰ বৰুৱা, গৌৰীকান্ত তালুকদাৰ, গোলাপচন্দ্ৰ চৌধুৰী আৰু শ্ৰীসতীশ চন্দ্ৰ কাকতি প্ৰমুখ্যে লোকসকলে অশেষ আহোপুৰুষাৰ্থ কৰিছিল।

১৯৩১ চনত গান্ধী-আৰউইন চুক্তি মৰ্মে আন্দোলন স্থগিত ৰখা হ'ল। ১৯৩০ চনৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত মতিলাল নেহৰুৰ লগত আলোচনা কৰিবলৈ ডাক্তৰ বৰুৱা, ত্যাগবীৰ হেম বৰুৱা আৰু যাদব প্ৰসাদ চলিহা কলিকতালৈ গৈছিল। প্ৰসঙ্গক্ৰমে মতিলাল নেহৰুৱে—"হেজাৰৰ ওপৰ সেৱকে কাৰাগাৰ বৰণ কৰা স্বত্বেও ফুকন আন্দোলনৰ পৰা আঁতৰি থকাত অসন্তোষ প্ৰকাশ কৰিলে।"

১৯৪৭ চনৰ ১৪ আগষ্টৰ ৰাতি ১২'০০ বজাৰ পিছত (১৫ আগষ্ট পৰাৰ লগে লগে) ভাৰতবৰ্ষ স্বাধীন হ'ল। সেই শুভ মুহূৰ্ত্তটোত ভাৰতে পুনৰ জন্ম লভিলে। ভাৰতৰ শেষ ভাইচৰয় লৰ্ড মাউণ্ট বেটেনে স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ হাতত ভাৰতবৰ্ষৰ শাসনভাৰ অৰ্পণ কৰি শপত গ্ৰহণ কৰালে।

১৯৪৭ চনৰ ১৪ আগষ্টৰ ৰাতিটো ভাৰতীয় জনগণৰ কাৰণে সঁচাকৈয়ে কল্পনাতীত আনন্দ মুখৰ ৰাতি আছিল! সেইদিনা ৰাতি সমগ্ৰ ভাৰত জাগি আছিল। স্বাধীনতাক ভাল পোৱা সকলে মুক্তিৰ আনন্দত আৰু ইংৰাজৰ গোলাম হৈ থাকিবলৈ অহৰহ চেষ্টা চলাই থকা সকলে ক্ষমতাচ্যুত হোৱাৰ দুখত শুব পৰা নাছিল। ৰাতি ১২ বজাৰ শুভলগ্নৰ সময়টোলৈ সকলোৱে অতি উদ্বিগ্ন চিত্তে অপেক্ষা কৰি আছিল। বাৰ বজাৰ লগে লগে সমগ্ৰ দেশত মঙ্গল উৰুলিৰ ধ্বনি, ডবা, ৰবৰ্কাহৰ শব্দ, শঙ্খ, বিকুলৰ সম্মোহনী সুৰ, বন্দুক ৰবতোপৰ মেদিনী কঁপাই তোলা আৰু আকাশ নিনাদিত কৰা গুৰুম, গুৰুম্ শব্দ, ত্ৰিৰঙ্গ পতাকাৰ শূন্য মাৰ্গলৈ গতি, ৰাষ্ট্ৰীয়

সঙ্গীতৰ হৃদয়তন্ত্ৰী স্পৰ্শ কৰা সুমধুৰ লয় আৰু ধ্বনিয়ে কল্পনাৰ সৰগ ৰচনা কৰিছিল।

ডাক্তৰ বৰুৱাৰ সিদিনা আনন্দই হিয়া নধৰা হৈছিল। অসমক প্ৰগতিৰ পথত কিদৰে আগবঢ়াই নিব পাৰে সেটোৰ চিন্তাই মনত ঠাই পাইছিল। অসমত হাইকোৰ্ট, বিশ্ববিদ্যালয়, মেডিকেল কলেজ, আয়ুৰ্বেদ কলেজ কেতিয়া ক'ত পতা হ'ব, ব্ৰহ্মপুত্ৰৰ ওপৰত দলং কেতিয়া হ'ব? ভাগৱত 'ভক্তিৰ মূল সত্য ঘণীভূত শব্দই ৰূপ আকাৰে প্ৰকাশ পায়।' ডাক্তৰ বৰুৱাৰ সপোন চিন্তা আৰু কথায়ো ৰূপ আকাৰে প্ৰকাশ পালে। লোকপ্ৰিয় বৰদলৈ প্ৰমুখ্যে এদল ৰাজনীতিবিদ্, শিক্ষাবিদ আৰু সমাজকৰ্মীক হাতত লৈ প্ৰতিটো অনুষ্ঠান গঢ়াৰ আঁচনি প্ৰস্তুত কৰিলে। কালক্ৰমত লুইতৰ পাৰত প্ৰাগজ্যোতিষত বিশ্ববিদ্যালয় স্থাপন হ'ল। ডিব্ৰুগড়ৰ বেৰী হোৱাইট মেডিকেল হস্পিতাল পূৰ্ণাঙ্গ অসম মেডিকেল কলেজ হৈ উঠিল। জালুকবাৰীত আয়ুৰ্বেদ কলেজ স্থাপন হ'ল। নৰক ভগদত্ত স্মৃতিয়ে পৰশা দীঘলী পুখুৰীৰ পাৰত গুৱাহাটী হাইকোৰ্ট জিলিকি উঠিল।

এনেতে নিষ্ঠুৰ কালৰ হাতত ১৯৪৮ চনৰ ৩০ জানুৱাৰীৰ দিনা দিল্লীত মহাত্মা গান্ধীৰ আততায়ীৰ হাতত মৃত্যু হ'ল। তাৰ পৰা দুই বছৰ পাৰ নৌহওঁতে ডাক্তৰ বৰুৱাৰ প্ৰাণৰো আপোন আধুনিক অসম নিৰ্মাতা গোপীনাথ বৰদলৈৰ ১৯৫০ চনৰ ১৫ আগষ্টৰ নিশা হোৱা আকস্মিক বিয়োগত ডাঃ বৰুৱাৰ হিয়া শোক আৰু হতাশাত থানবান হৈ পৰিল।

দেশ স্বাধীন হোৱাৰ পিচত মহাত্মা গান্ধীৰ আদৰ্শত থাকি প্ৰশাসনৰ কোনো দায়িত্ব লবলৈ ডাক্তৰ বৰুৱাই ইচ্ছা নকৰিলে। বহুবাধিক কাল অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি হোৱাৰ বাহিৰে ৰাজনীতিৰ ক্ষেত্ৰত আৰু বেছি তেখেত সোমোৱা নাছিল। তথাপিও 'কমলি এৰিলেও কমলি নেৰাৰ' দৰে ডাক্তৰ বৰুৱাক অসমৰ ৰাজনীতিত উদ্ভৱ হোৱা কোনো এটা সমস্যাই এৰি দিয়া নাছিল।

তেনে কিবা জটিল সমস্যা উদ্ভৱ হ'লেই গোপীনাথ বৰদলৈ ছিলং পাহাৰৰ পৰা নামি আহি ডাঃ বৰুৱাৰ লগত গভীৰভাবে আলোচনা কৰিছিল অথবা প্ৰয়োজন বোধে ফোন কৰি ডাঃ বৰুৱাক ছিলঙলৈ মাতি নিছিল। কোনোবাই তেখেতক মন্ত্ৰী হোৱাৰ কথা কলে তেখেতে বেজাৰ পাইছিল আৰু কৈছিল "মই মন্ত্ৰী বা এম. এল. এ হবলৈ ৰাজনীতি কৰা নাছিলো, হাবিয়াসো নকৰো।" ডাক্তৰ বৰুৱাই মন্ত্ৰী হবলৈ ইচ্ছা নকৰাৰ যুক্তি দিছিল—"তেওঁলোকতকৈ ওপৰত থাকি কামবোৰ কৰিবলৈহে মই আছো। দলত সোমালে সাহসেৰে কাকো একো কথা কোৱাৰ থল নাথাকে। বাহিৰত থাকি তেওঁ-লোকৰ ভুলবোৰ আঙুলিয়াই দি তাক সংশোধন কৰাতহে মোৰ শক্তি খৰচ কৰিম।" ডাক্তৰ বৰুৱাৰ ব্যক্তিত্বৰ সঁচাকৈয়ে তুলনা নাই। আনৰ-তলতীয়া হৈ কাম কৰাত তেখেতে প্ৰেৰণা নাপাইছিল। সামাজিক দায়বদ্ধতাৰ গূঢ়াৰ্থ তেখেতে ভালদৰে বুজিছিল আৰু এবে জীৱন তাক স্বাধীনভাৱে শুদ্ধ প্ৰণালীৰে কৰি গৈছিল।

ৰাজনীতিৰ বাহিৰেও অসমৰ শিক্ষা আৰু সাংস্কৃতিক জগততো ডাঃ বৰুৱাৰ অৱদান কম নহয়। বিশ্ববিদ্যালয়, হাইকোৰ্ট, মেডিকেল কলেজ আদিৰ বাহিৰেও বেচৰকাৰী বি. বৰুৱা কলেজ, লোকপ্ৰিয় বৰদলৈ ফুটবল ট্ৰফী, বৰদলৈ টি. বি. হস্পিতাল আদি পতাত ডাঃ বৰুৱাৰ অবদান সবাতোকৈ অধিক।

উল্লেখযোগ্য যে ১৯৫০-৫১ চনলৈকে অসমত নাট বা থিয়েটাৰত সহঅভিনয় কৰাৰ দস্তুৰ নাছিল। সংৰক্ষণশীল সমাজত নৃত্য গান কৰা থিয়েটাৰ আদিত অভিনয় কৰা, মুকলি মঞ্চত বিহুনাচা ছোৱালীক অকল নিন্দাৰ চকুৰেই চোৱা নহৈছিল, তেনে কৰাসকলক সমাজচ্যুত কৰাৰ নজিৰো বহুতো পোৱা যায়। তেনে এটি সন্ধিক্ষণত ডাঃ বৰুৱাই ১৯৫০ চনত কুমাৰ ভাস্কৰ নাট্যমন্দিৰত অনুষ্ঠান কৰা থিয়েটাৰত প্ৰথমবাৰৰ কাৰণে দুঃসাহস দেখুৱাই সহঅভিনয়ৰ পাতনি মেলিছিল।

ডাক্তৰ বৰুৱা মানুহৰ'লগৰ মানুহ আছিল। উচ্চনীচ, ধনী-দুখী, কল-বগা, হিন্দু মুছলমান আদি সংকীর্ণ ভাব-ধাৰাই ডাঃ বৰুৱাৰ মন আৰু হৃদয়ত কোনো দিনে প্ৰৱেশ কৰিব নোৱাৰিছিল। সেয়ে হ'লে ১৯৫১/৫২ চনত লতাশিল খেল পথাৰত পতা বিহু অনুষ্ঠানৰ পতাকা লেখা-পঢ়া নথকা দিন মজুৰি কৰি খোৱা এশ এক বছৰীয়া ইছলাম ধৰ্মীয় বুঢ়া এজনৰ দ্বাৰা উত্তোলন নকৰিবও পাৰিলেহেঁতেন। এই-জনেই আছিল দৰদী সৰ্বধৰ্ম সমন্বয়ৰ প্ৰতীক ডাঃ বৰুৱা। ডাঃ বিধান চন্দ্ৰ ৰায় কোৱাৰ দৰে—I do not beleive either in homeopathy or in allopathy, but I believe in sympathy." ডাক্তৰ বৰুৱাই দুখীয়া নিৰাশ্ৰয়জনক পুতৌ কৰা নাইবা সহানভূতি দেখুৱাটোকহে ধৰ্ম বুলি বিশ্বাস কৰিছিল।

ডাক্তৰ বৰুৱাৰ অনুজ প্ৰতিম, ভূতপূৰ্ব এম পি. স্বাধীনতা যুদ্ধৰ এজন নিৰ্ভীক আৰু অক্লান্ত যুঁজাৰু বি, বৰুৱা কলেজৰ প্ৰাণ প্ৰতিষ্ঠাতা অধ্যক্ষ হেম বৰুৱাই ডাঃ বৰুৱাৰ সম্পৰ্কে এনেদৰে উল্লেখ কৰিছে—"হেম বৰুৱা আৰু ভুবনেশ্বৰ বৰুৱা। হেম বৰুৱা মানে মই নহয়। সিজন ডাঃ বৰুৱাৰ চিৰসঙ্গী সোঁহাতখন। ৰাজনৈতিক জীৱনত এই দুজনাৰ জীৱন ওতঃপ্ৰোতভাৱে সাঙোৰ খাই আছিল লগতে আছিল অমিয় দাসৰ। এজনে মন্ত্ৰীৰ গাদীত বহিবলৈ পাইছে, আন দুজনে নেপালে। এই ক্ষেত্ৰত তেওঁলোকৰ লেশমানো যে আগ্ৰহ বা ইচ্ছা আছিল এনে নহয়। মোৰ মনত আছে—তাহানি যেতিয়া ডাঃ বিধান ৰায়ক যুক্ত প্ৰদেশৰ ৰাজ্যপালৰ পদবী যচা হৈছিল আৰু সেই সন্মান গ্ৰহণ কৰিবলৈ তেওঁ অস্বীকাৰ কৰিছিল, সেই সময়ত মই এদিন ডাক্তৰ বৰুৱাক কৈছিলো, আপুনি মন্ত্ৰী নহয় কিয়? তেওঁ উত্তেজিত হৈ কৈছিল: কিয় হ'ব লাগেহে, কিয় হ'ব লাগে? দেখা নাইনে ডাঃ বিধান ৰায়ে কেনেকৈ গৱৰ্ণৰৰ পদ ল'বলৈকো অস্বীকাৰ কৰিলে। এনে কাম ডাক্তৰেহে কৰিব পাৰে, জানা?"

আজিৰ যুগত ৰাজনীতি কৰা মানুহ আছে, ৰাজনীতিবিদ পাবলৈ

টান, বাইজৰ ধনেৰে হোৱা ডাক্তৰ, ইঞ্জিনিয়াৰ আছে; কিন্তু ত্যাগ, সততা আৰু কৰ্তব্য নিষ্ঠাৰ অভাৱ প্ৰায়েই পৰিলক্ষিত হয়, খদ্দৰ, গান্ধীকেপ পিন্ধি গান্ধীবাদী বুলি জহাই ফুৰা স্বাৰ্থান্বেষী নেতা আছে, কিন্তু গান্ধীৰ আদৰ্শ অনুকৰণ কৰা নেতা তেনেই বিৰল, সমাজ কৰ্মীৰ দল আছে, কিন্তু নিস্বাৰ্থ সমাজকৰ্মী কেইজন আছে কোৱা টান, সৰ্বধৰ্ম সমন্বয়ৰ বক্তৃতাৰ ফুলজাৰি মৰা লোকৰ অভাৱ নাই, কিন্তু ব্যক্তি জীৱনত তেওঁলোকৰ বহুতৰে চৰম পৰাজয় ঘটা দেখিবলৈ পোৱা যায়। ডাক্তৰ ভুবনেশ্বৰ বৰুৱা আছিল এই সকলোৰে উৰ্দ্ধত। নিঠুৰ কালে ১৯৫৬ চনৰ ২৫ চেপ্টেম্বৰৰ দিনা মাত্ৰ তিনিকুৰি তিনি বছৰ বয়সত তেখেতক হৰি নিলে। তেখেতৰ বিয়োগত সমগ্ৰ অসম ম্ৰিয়মান। বিনা মেঘে বজ্ৰপাত হোৱাৰ দৰে সকলোৱে অনুভৱ কৰিলে। লোকবন্ধু তেখেতৰ সাৰ্থক নাম। অসমৰ বাইজে তেখেতৰ ত্যাগ আৰু নিস্বাৰ্থ কৰ্ম বহুল জীৱনৰ স্মৃতিত কৃতজ্ঞতাৰ চিন স্বৰূপে গুৱাহাটীত "ডাক্তৰ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ হস্পিতাল" স্থাপন কৰি বীৰ পূজাৰ দৃষ্টান্ত দাঙি ধৰিছে।

ডাঃ হৰিকৃষ্ণ দাস

সাধু সঙ্গই পৰম তৃপ্তি প্ৰদান কৰি শ্ৰেয়ৰ পথলৈ নিয়ে। তেতিয়া মানুহে নিজক পৰম ভাগ্যৱান বুলি ভাবে। "মই নিজক বৰ ভাগ্যৱান বুলি ভাবো। এই যুগত জন্মগ্ৰহণ কৰিছো, মহাত্মা গান্ধী আৰু বিশ্বকবি ৰবীন্দ্ৰনাথৰ নিচিনা দুজন মহাপুৰুষক গুৰুৰূপে পাইছো।" এই পৰম তৃপ্তি লাভৰ কথাখিনি ডাক্তৰ হৰিকৃষ্ণ দাসৰ অন্তৰৰ পৰা স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছিল। মহাত্মা আৰু বিশ্বকবি কেৱল কুৰি শতিকাৰে নহয়, কেৱল ভাৰতবৰ্ষৰে নহয়; যুগ-যুগান্তৰৰ বাবে, বিশ্বৰ সকলো মানৱৰ বাবে পৰম গুৰু, পৰম দ্ৰষ্টা হৈ ৰ'ব।

দেশৰ বাবে নিজক সম্পূৰ্ণ বিলাই দি নিজৰ সুযোগ্য' দুগৰাকী ৰংগ্যাক মানৱ সেৱাৰ কামত অৰ্পণ কৰি স্থাৱৰ অস্থাৱৰ যি আছিল তাকো দেশমাতৃৰ সেৱাৰ বেদীত নৈবেদ্য দি, বহুকষ্টে উপাৰ্জিত ডাক্তৰী বিদ্যাখিনিও দেশৰ শত শত নৰ-নাৰী, অনাথ শিশু, নিৰাশ্ৰয়ো নাৰীৰ সেৱাত লগাই মাঘ পণ্ডিতৰ দৰে ত্যাগৰ নীলিম আকাশখনত ডাক্তৰ হৰিকৃষ্ণ দাস উজ্জ্বল হৈ থাকিল।

এইজন আপোনভোলা স্বাৰ্থত্যাগী পুৰুষে বৰপেটা মহকুমাৰ অন্তৰ্গত 'কনৰা' নামৰ সৰু গাঁওখনিত জন্মগ্ৰহণ কৰিছিল ১৮৭৫ চনৰ চ'ত মাহৰ পূৰ্ণিমা ৰাতি। তেখেতৰ পৰম ধাৰ্মিক পিতৃ জুবোৰাম দাসে পানবজাৰৰ বৰপেটীয়া পাৰাত স্থায়ীভাৱে বাসস্থান কৰি গুৱাহাটীৰ আদালতত স্বাধীনভাবে ওকালতি ব্যৱসায় কৰিছিল। বৈষ্ণৱ সংস্কৃতিৰ পূত-পুণ্যভূমি বৰপেটাত জন্ম গ্ৰহণ কৰা জুবোৰাম গুৱাহাটীলৈ আহিও বৰপেটীয়া পাৰাৰ নামঘৰত নিয়মিতভাৱে বৰগীত, কীৰ্তন, নামঘোষা গাইছিল। আৰু নিজৰ ল'ৰা-ছোৱালীকো

শিকাইছিল। হৰিকৃষ্ণ দাসৰ বয়স আঠ বছৰ নৌহওঁতে পিতৃৰ মৃত্যু হয়। তেতিয়া কলিকতাৰ কলেজত অধ্যয়ন কৰি থকা জেষ্ঠভাতৃ জয়কৃষ্ণ দাসে ভায়েকক নিজৰ লগতে ৰাখি স্কুলত নাম লগাই দিলে। নিয়তিয়ে পৰিহাস কৰি মাতৃদেৱীকো লৈ যোৱাত ভাতৃদ্বয় ঘাটমাউৰা হ'ল। কিন্তু জয়কৃষ্ণ দাসে হৰিকৃষ্ণক পিতৃ-মাতৃ বিয়োগৰ অভাৱ অনুভৱ কৰিব নিদিলে। জয়কৃষ্ণই ইতিমধ্যে বোম্বাইৰ পৰা ডাক্তৰী পাছ কৰি আহি গুৱাহাটীত প্ৰেক্টিছ আৰম্ভ কৰি ঘৰখন চম্ভালি থাকিল আৰু ভায়েকক মানুহ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিলে। হৰিকৃষ্ণ দাসে ১৭ বছৰ বয়সত এণ্ট্ৰেন্স পাছ কৰি প্ৰেচিডেন্সী কলেজৰ পৰা এফ, এ আৰু ১৯০০ চনত কলিকতাৰ মেডিকেল কলেজৰ পৰা এম, বি পৰীক্ষা পাছ কৰিলে। অতি পৰিতাপৰ কথা যে তেখেতৰ এম. বি পৰীক্ষা চলি থকা সময়ত পিতৃব্য জ্যেষ্ঠ ভাতৃ হঠাৎ মৃত্যুমুখত পৰে। তেখেতে মৃত্যুৰ সময়তো কনিষ্ঠ ভাতৃৰ প্ৰতি নিস্বাৰ্থ ভালপোৱাৰ পৰিচয় দি তেখেতৰ মৃত্যু হ'লেও যাতে পৰীক্ষা শেষ নোহোৱা পৰ্যন্ত সেই খবৰ হৰিকৃষ্ণক দিয়া নহয় সাৱধান কৰি দিছিল। পৰীক্ষাৰ শেষত হৰিকৃষ্ণ উভতি আহি দেখিলে তেখেত এই পৃথিবীত সঁচাকৈয়ে অকলশৰীয়া।

ডাক্তৰ হৰিকৃষ্ণ দাসে পোনে পোনে ডিব্ৰুগড়ৰ "বেৰী হোৱাইট মেডিকেল কলেজত" অস্ত্ৰোপ্ৰচাৰৰ শিক্ষক হিচাপে নিযুক্তি পালে। ১৯০৬ চনত ডিব্ৰুগড়ৰ মাধৱেন্দ্ৰ দত্তৰ কন্যা হেমপ্ৰভাক বিয়া কৰালে। সেই সময়ত হেমপ্ৰভা 'মডেল বালিকা স্কুল'ৰ শিক্ষয়িত্ৰী হিচাপে শিক্ষা কাৰ্যত সেৱা আগবঢ়াই আছিল। অতি কম দিনৰ ভিতৰতে এজন বিজ্ঞ চিকিৎসক বুলি ডাক্তৰ দাসৰ নাম চাৰিওফালে ছাটি-ফুটি গ'ল। ডাক্তৰ দাসে স্বকীয় প্ৰতিভা, নিৰ্মল চৰিত্ৰ আৰু বিনয় ব্যৱহাৰৰ গুণত শিক্ষক, ছাত্ৰ, ৰোগী সকলোৰে পৰা মৰম আৰু শ্ৰদ্ধা পাইছিল।

নিজৰ বেমাৰ চিকিৎসা কৰা, ঘৰ পৰিচালনা কৰা তথা ভায়েকক কলিকতাত মেডিকেল কলেজত পঢ়োৱা আদি ব্যয়বাহুল্য অৱস্থাৰ

তাৰণাত ডঃ জয়কৃষ্ণ দাসে ভায়েকৰ বাবে কিছুনান ঋণৰ বোজা এৰি যোৱাৰ উপৰিও পাণবজাৰৰ মাটিখিনিও বন্ধকত থৈছিল। ডাঃ হৰিকৃষ্ণ দাস কলিকতাৰ পৰা আহি গুৱাহাটী পোৱাৰ পিছতে মাটি বন্ধক ৰখা মহাজনে সোনকালে মাটিডোখৰ খালাচ নকৰিলে আৰু ঘূৰাই দিয়া নহ'ব বুলি ভাবুকি দিছিল। ডাক্তৰ দাসে অতি কম দিনৰ ভিতৰতে বন্ধকীৰ টকাখিনি দি বিপদমুক্ত হ'ল আৰু আন আন সদাশয় লোকৰ পৰা ককায়েকে ধাৰ হিচাপে লোৱা টকাখিনিও পৰিশোধ কৰিলে।

অসমীয়া বৈষ্ণৱ সংস্কৃতি আৰু সাহিত্যৰ প্ৰতি ডাঃ দাস, লগতে তেখেতৰ সুযোগ্যা সহধৰ্মিণী বিশেষ অনুৰক্তা আছিল। তেখেতে কালিৰাম মেধি, ভাৰতচন্দ্ৰ দাস, আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ সহায়ত 'আসাম সেৱক' নামে এখন মাহেকীয়া আলোচনী প্ৰকাশ কৰিছিল। এই কামত ডাক্তৰ দাসে সহধৰ্মিণীৰ পৰা উল্লেখযোগ্য সহায় পাইছিল। ডাক্তৰ দাসে দিনৰ দিনটো ৰোগীৰ লগত ব্যস্ত থাকি ৰাতি ভালেমানলৈকে প্ৰবন্ধ লিখা, প্ৰুফ্ চোৱা আদি কাম কৰিছিল।

অসহযোগ আন্দোলনৰ সময়ৰ পৰাই ডাক্তৰ দাসৰ চিন্তাধাৰাই মোট সলাবলৈ ধৰে। চৰকাৰী চাকৰিত থাকিও প্ৰয়োজনবোধে ডাক্তৰ দাসে দেশসেৱাৰ কামত সহায় কৰি আছিল। এনেতে ১৯২৫ চনত তেখেতক চিভিল চাৰ্জন পদবীলৈ প্ৰমোচন দি নগাঁওলৈ বদলি কৰিলে। ডাক্তৰ দাসৰ কাৰ্যকলাপ চৰকাৰৰ দৃষ্টি-গোচৰ হ'বলৈ ধৰিলে। অসহযোগ আন্দোলনৰ সময়ৰ পৰা ডাঃ দাসে সম্পূৰ্ণ খাদী ব্যৱহাৰ কৰিছিল। নিয়মিতভাৱে সূতা কাটিছিল, পত্নী আৰু কন্যা দুগৰাকীকো সূতা কাটিবলৈ শিকাইছিল আৰু খাদী ব্যৱহাৰ কৰিবলৈ দিছিল।

চৰকাৰী চাকৰি ক্ৰমে ডাক্তৰ দাসৰ ভাল নলগা হ'ল। বন্ধন-মুক্ত নহ'লে দেশ স্বাধীন কৰাৰ কামত একান্ত মনে লাগিব নোৱাৰি ডাক্তৰ দাসে প্ৰায়েই চিন্তা কৰিছিল। ১৯২৭ চনত তেখেতে

চৰকাৰী কাম বাদ দি গুৱাহাটীৰ নিজৰ ঘৰতে অস্ত্ৰোপ্ৰচাৰৰ ক্লিনিক এটা খুলি ৰাইজক সেৱা কৰাৰ লগতে আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিলে।

অসমৰ ৰাজনীতিৰ বুৰঞ্জীত দুগৰাকী প্ৰবীণ চিকিৎসকৰ নাম সমানে চিৰস্মৰণীয় হৈ আছে, আগলৈকে থাকিব। তাৰে জ্যেষ্ঠজন কৰ্মযোগী ডাক্তৰ হৰিকৃষ্ণ দাস, আৰু আনজন লোকবন্ধু ডাঃ ভুবনেশ্বৰ সন্দৰা। দুয়োজনে দেশ স্বাধীন কৰাৰ মহান কাৰ্যত নিজক বিলীন কৰি কাৰাদণ্ড ভুগিছিল। দুয়োজনেই দুখীয়া নিচলাৰ পৰম বন্ধু আছিল। দেশৰ অনাথ শিশু আৰু নিৰাশ্ৰয় মহিলাৰ আশ্ৰয়ৰ নিৰ্ভয় স্থল আছিল। গাঁও অঞ্চলৰ দুখীয়া লোক আৰু চিকিৎসাৰ অভাৱত মৰণ যন্ত্ৰণা ভোগা লোক দেখিলে দুয়োজনে সহ্য কৰিব নোৱাৰিছিল। সিসকলক বিনা পইচাত চিকিৎসা কৰা, দৰৱ-পথ্য কিনাৰ বাবে অৰ্থ সাহায্য দিয়া, আনকি অহা-যোৱাৰ কাৰণে গাড়ী-মটৰৰ ভাড়া পৰ্যন্ত দি তেখেতসকলে দেখুৱাই যোৱা দৃষ্টান্ত আজিৰ অসমত তেনেই বিৰল।

চাকৰি ইস্তফা দিয়াৰ পিছৰে পৰা ডাক্তৰ দাসে দেশ স্বাধীন কৰাৰ কামত নিজক সম্পূৰ্ণ উছৰ্গা কৰিছিল। জনগণৰ মাজত নিবিড়ভাৱে সোমাই পৰি সভা-সমিতি পাতি স্বাধীনতাৰ কাৰ্যসূচী আৰু মহাত্মাৰ বাণী প্ৰচাৰ কৰিছিল। তেখেতৰ তেজোদ্দীপক ভাষণ শুনি মূক জনতাই সাৰ পাইছিল আৰু দলে দলে আহি আন্দোলনত যোগ দিছিল। চৰকাৰ নাইবা বিৰোধী দলৰ লোকেও ডাক্তৰ দাসৰ ব্যক্তিত্বৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছিল। ডাক্তৰ দাসৰ ওপৰত মুখ তুলি কথা ক'বলৈ লোকে সাহস নকৰিছিল।

অসহযোগ আন্দোলনৰ সময়ৰে পৰা ডাক্তৰ দাসৰ বাস ভৱনটো আৰু তৰুণৰাম ফুকনৰ হাউলিটো কংগ্ৰেছৰ আড্ডা আছিল। অসমৰ আৰু বাহিৰৰ কংগ্ৰেছ স্বেচ্ছাসেৱী, নেতৃস্থানীয় লোকসকলোৰে বাবে আছিল এই দুডোখৰ নিৰ্ভৰশীল আশ্ৰয়ৰ স্থল। ১৯২১ চনত

মহাত্মা গান্ধী তেখেতৰ সতীৰ্থসকলেৰে সৈতে আহোঁতে ফুকনৰ হাউলিত থাকি অসহযোগ আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিছিল। ফুকনৰ হাউলিত হোৱা পৰ্বতাকাৰ বিদেশী বস্ত্ৰৰ দ'মত মহত্মাই অগ্নি সংযোগ কৰিছিল।

গুৱাহাটীৰ কংগ্ৰেছৰ কোনো স্থায়ী কাৰ্যালয় বা ভূসম্পত্তি বহু বছৰলৈকে নাছিল। ১৯৩১ চনৰ কথা। এলাহবাদত থকা ভাৰতীয় কংগ্ৰেছৰ ঘাই কাৰ্যালয়ৰ পৰা গুৱাহাটীলৈ এজন হিচাপ-পৰীক্ষক আহিছিল। তেখেতে অসমৰ প্ৰদেশ কংগ্ৰেছৰ হিচাপ পাতি পৰীক্ষা কৰি সন্তোষ প্ৰকাশ কৰিছিল যদিও অসমত কংগ্ৰেছৰ কাৰ্যালয় বুলি কোনো স্থায়ী বস্তু এটি দেখিবলৈ পোৱা নাছিল। এই কথাটো পণ্ডিত জৱাহৰলাল নেহেৰুৰ কৰ্ণপাত হোৱাত তেখেতে চিঠিত ক্ষোভ কৰি লিখিলে—"অসমত কংগ্ৰেছৰ অফিচ-ঘৰ নাই। ক'তো কংগ্ৰেছৰ পতাকা দেখা নগ'ল, এই কংগ্ৰেছ 'bogus'-ভুৱা।" পণ্ডীতজীৰ এই উক্তিয়ে সকলোৱে মৰ্মাহত কৰিলে। তেতিয়া ডাক্তৰ দাসে হেপিণ্ডিলালৈ যোৱা পথৰ সোঁফালে থকা কংগ্ৰেছ প্ৰেছৰ ঠাইডোখৰ প্ৰথমে নিজ হিচাপে, পিছত একেবাৰে সম্প্ৰদানে কৰি দিলে।

১৯৩১ চনত বিশ্বনাথত নন্দৰাম ৰায়ৰ সন্মিলন বহে। তাত ডাক্তৰ দাসে সভাপতিৰ ভাষণ প্ৰসঙ্গত জন্মভূমিৰ কাৰণে জীৱনাহুতি দিয়া ভগত সিং, শুকদেৱ, ৰাজগুৰু আদিৰ মহান ত্যাগৰ আদৰ্শৰ কথা কৈ জনসাধাৰণৰ মনত জাতীয় চেতনাৰ উদ্ৰেক কৰিছিল। ডাক্তৰ দাসৰ বক্তৃতাই চৰকাৰক প্ৰৰোচিত কৰিলে আৰু লগে লগে তেখেতৰ মাহিলি পেঞ্চন বন্ধ কৰাৰ হুকুম হ'ল। চৰকাৰৰ এই কাৰ্যত সন্তোষ প্ৰকাশ কৰি ডাক্তৰ দাসে ক'লে—"আজি মোৰ বৃটিছ চৰকাৰৰ লগত থকা সম্বন্ধৰ শেষ শিকলিডাল ছিঙিল। অৱশ্যে কংগ্ৰেছৰ মিলিত মন্ত্ৰীসভাই (১৯৩৮ চনত) তেখেতৰ পেঞ্চনৰ টকাখিনি দিয়াত সেই টকা নিজৰ বাবে খৰচ নকৰি "খাদী আৰু

গ্ৰাম উন্নয়ন ন্যাস" এটি খুলি গাঁও অঞ্চলৰ লোকৰ মাজত 'খাদী গ্ৰামোদ্যোগ' আৰু 'নঈতালিম' আঁচনি ৰূপায়ণত লগালে। ইয়াৰ পিছতো পেঞ্চন বাবদ যি টকা পাইছিল এই ন্যাস পুঁজিতে জমা দিছিল।

ডাক্তৰ দাসে ভালকৈ বৰগীত গাব আৰু পিয়ানো বজাব জানিছিল। আন্দোলনৰ কাৰ্যসূচীত শোভাযাত্ৰা থাকিলে জাগৰণ-মূলক গান গোৱাটো অপৰিহাৰ্য আছিল। বঙ্গীয় চাৰণ কবি মুকুন্দ দাস, নজৰুল, দ্বিজেন্দ্ৰ লাল আদিৰ গানত জনতাক যুদ্ধোন্মত্ত কৰি তুলিব পৰা শক্তি আছিল। সেইদৰে বিপ্লৱী গায়ক গীতিকাৰ জ্যোতিপ্ৰসাদ, অম্বিকাগিৰী আদিৰ গানে অসমৰ আকাশ বতাহ মুখৰিত কৰি তুলিছিল। গোৱালপাৰাৰ বীৰ তেজস্বী কণ্ঠশিল্পী খগেন্দ্ৰনাথ নাথে নজৰুলৰ গীত পৰিবেশন কৰি জনতাক অগ্নিমন্ত্ৰেৰে দীক্ষিত কৰিছিল।

"গৃহে গৃহে আজি দীপমালা জ্বাল
নিশান উৰাও, হাক দিয়ে বল,
মুক্তি চাই, মুক্তি চাই, মুক্তি ভিন্ন লক্ষ্য নাই
জয় গান আজি দেশ মাতাৰ
জয় গান আজি স্বাধীনতাৰ।"

ডাক্তৰ হৰিকৃষ্ণ দাসে পিয়ানো সজত কৰি সত্যাগ্ৰহীসকলক জ্যোতি-প্ৰসাদৰ গানৰ তালিম দিছিল—

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই।"—ইত্যাদি।

দ্বিতীয় মহাসমৰৰ মাজভাগত আন্দোলনে ভৰপক দিলে। ইংৰাজ চৰকাৰে বাৰৰ দৰে প্ৰতিশ্ৰুতি দি কাপুৰুষৰ দৰে বাৰে বাৰে তাক ভঙ্গ কৰা কাৰ্যই মহাত্মা গান্ধীক ১৯৪২ চনত "ভাৰত ত্যাগ" আন্দোলনৰ দাবী তুলিবলৈ বাধ্য কৰিলে। অসমকো "ভাৰত ত্যাগ" ধ্বনিয়ে জাগ্ৰত কৰি তুলিলে।

বৃটিছে ভাৰত জুৰি নেতৃবৰ্গক গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থলে। বওতৰে কাঁচী হ'ল আৰু বহুতৰে আজীৱন কাৰাদণ্ডৰ হুকুম হ'ল। অসমৰ নেতাসকলৰ লগত ডাক্তৰ দাসকো গ্ৰেপ্তাৰ কৰি দুই বছৰ চাৰি মাহ কাৰাদণ্ড বিহিলে। তেতিয়া তেওঁৰ বয়স তিনিকুৰি সাত। জেলত থকা দীৰ্ঘকাল ডোখৰত ডাঃ দাসে বৈষ্ণৱ ধৰ্মৰ গ্ৰন্থসমূহ গীতা, ভাগৱত, উপনিষদ আদি একান্ত মনে অধ্যয়ন কৰি পৰম তৃপ্তি লাভ কৰিছিল।

১৯৪৪ চনৰ ডিচেম্বৰ মাহত মুক্তি লাভ কৰি ডাঃ দাস ঘৰলৈ উভতি আহি পোনে পোনে নৰিয়া পাটিত পৰি থকা সহধৰ্মিনীৰ চিকিৎসাত ব্যতিব্যস্ত হৈ পৰিল। মাত্ৰ এমাহ চিকিৎসা কৰাৰ পিছত জীৱনৰ প্ৰতি খোজতে খোজ মিলাই অহা, শান্তি সাধনাৰ প্ৰতিমূৰ্তি স্বৰূপিনী পত্নী হেমপ্ৰভাক ১৯৪৫ চনৰ জানুৱাৰী মাহৰ ১৫ তাৰিখে হেৰুৱালে। পত্নী বিয়োগত ডাক্তৰ দাসে যি নিদাৰুণ আঘাত পাইছিল কাকো জানিব নিদি, আনকি ছোৱালী দুজনীকো জানিবলৈ নিদি দেশ সেৱাৰ কামত আগতকৈ বেছি জোৰ দি লাগিল।

১৯৪৬ চনত জানুৱাৰী মাহত মহাত্মা গান্ধী শেষবাৰৰ কাৰণে অসমলৈ আহিছিল। সেইবাৰ তেখেত ডাক্তৰ দাসৰ উদ্যোগত মহাত্মা গান্ধীৰ আদৰ্শত প্ৰতিষ্ঠা কৰা শৰণীয়াৰ "কস্তুৰবা গ্ৰাম সেৱিকা বিদ্যালয়"ত তিনিদিন থাকিছিল। ১৯৫৫ চনত পত্নী বিয়োগৰ পিছতে গুৱাহাটীৰ শৰণীয়া পাহাৰত থকা তেখেতৰ ভূমিখণ্ড 'ৰাষ্ট্ৰমাতা' কস্তুৰবাৰ স্মৃতিত "কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্ট" গঠন কৰি তাত থকা ঘৰমাটি সকলো দান কৰে। আন্দোলন, শোভাযাত্ৰা আদিৰ সময়ত ডাঃ দাস আৰু ডাঃ বৰুৱাৰ কামত হেঁচা দুগুণ বাঢ়িছিল। সত্যাগ্ৰহীসকলৰ ওপৰত বৃটিছৰ পদলেহী পুলিচৰ দুৰ্বাৰ আক্ৰমণ অত্যাচাৰ চলিছিল। বন্দুকৰ সঙ্গীনৰ খোচাত আৰু লাঠীৰ কোবত সত্যাগ্ৰহীসকলৰ হাড়মূৰ ভাঙিছিল। বুত জোতাৰ গছকত শৰীৰ জৰ্জৰিত হৈছিল। ডাক্তৰ দাস আৰু

ডাক্তৰ বৰুৱাই সেইসকল সত্যাগ্ৰহীৰ ক্ষত-বিক্ষত দেহ নিজ হাতেৰে ধুই মিলি ঔষধ লগাইছিল। তেওঁলোকক আৰোগ্যৰ পথলৈ অনাত যথপোযুক্ত ব্যৱস্থা লৈছিল।

মহাত্মা গান্ধী ১৯২১, ১৯২৬, ১৯৩৪ আৰু ১৯৪৬ চনত অসমলৈ আহিছিল। ১৯৩৪ চনত 'হৰিজন আন্দোলনৰ' কাৰ্যসূচী প্ৰচাৰ কৰিবলৈ অহা সময়ত ডাক্তৰ হৰিকৃষ্ণ দাসক সভাপতি ৰূপে লৈ এখন আদৰণি সমিতি গঠন কৰা হৈছিল। মহাত্মা গান্ধীক ডাক্তৰ দাসৰ ঘৰতে থকা-মেলাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। ডাক্তৰ দাসে মহাত্মা গান্ধী থকাৰ কাৰণে নতুনকৈ কোঠালি এটি নিৰ্মাণ কৰি দিছিল। মহাত্মা গান্ধী সেই কোঠাটোতে বহি লিখা-পঢ়া কৰিছিল, দৰ্শন-প্ৰাৰ্থীক সাক্ষাৎ দিছিল।

১৯৩৯ চনত বৰডেকপাৰ গাঁওত ডাঃ দাসৰ সভাপতিত্বত গুৱাহাটী জিলা কংগ্ৰেছৰ প্ৰথম ৰাজনৈতিক সন্মিলনখন বহিছিল। ডাঃ দাসৰ পৰিচালনাত বহা এই সন্মিলনখনত কেইবাটাও গুৰুত্বপূৰ্ণ দিশত আলোচনা কৰা হৈছিল আৰু পৰৱৰ্তী কালত সন্মিলনত লোৱা সিদ্ধান্তবোৰ যথাযথভাৱে কাৰ্যকৰী কৰাত তেখেতে চেষ্টাৰ ত্ৰুটী কৰা নাছিল।

১৯৪০ আৰু ৪২ চনত ডাক্তৰ দাসৰ ঘৰতে 'শান্তিসেনা শিবিৰ' মুকলি কৰি প্ৰদেশখনত এটি শান্তিৰ বাতাবৰণ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছিল।

গান্ধীজী তাত থকা সময়তে তেখেতৰ আশীৰ্বাদ লৈ 'কস্তুৰবা গ্ৰাম সেৱিকা' বিদ্যালয় আৰম্ভ কৰা হয়। ভাৰতীয় আৰ্য-ঋষি-মুনিসকলৰ আৰ্হিৰে এই আশ্ৰম প্ৰতিষ্ঠা কৰি আশ্ৰম সেৱিকাসকলক গীতা-ভাগৱত, বেদ-উপনিষদ, আদিৰ লগতে শৰীৰ বিজ্ঞান, আহাৰ বিজ্ঞান, কৃষি বিজ্ঞান আদিৰ জ্ঞান দিয়াৰ ব্যৱস্থা কৰা হয়।

মহিলাসকলৰ উত্তৰোত্তৰ উন্নতি কামনাৰ্থে কস্তুৰবা গান্ধী আশ্ৰম পতাৰ পিছতে ল'ৰাৰ শিক্ষা আৰু প্ৰশিক্ষণৰ বাবেও তেনে এটি

বিদ্যালয়ৰ প্ৰয়োজন অনুভৱ কৰি চান্দমাৰীত ১৯৪৭ চনত 'গ্ৰাম সেৱক বিদ্যালয়' নামে আন এটি অনুষ্ঠান পাতে। ডাক্তৰ দাসৰ এই মহৎ চিন্তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ডিব্ৰুগড়ৰ অতি সদাশয় ব্যক্তি জগন্নাথ দত্তই তেখেতৰ চান্দমাৰীত থকা গোটেই ভূমিখণ্ড উক্ত আঁচনিক বাস্তৱ ৰূপ দিয়াৰ কাৰণে দান কৰে। এই বিদ্যালয়খনো স্বাৱলম্বী কৰি তুলিবলৈ ৭২ বছৰীয়া ডাক্তৰ দাসে ধনে-প্ৰাণে সহায় কৰিছিল আৰু পুৱা গধূলি দুয়োখন আশ্ৰমলৈ আহি আঁচনিৰ কাম দিনক দিনে আগবঢ়াই নিবলৈ যত্ন কৰিছিল। এইবোৰ অনুষ্ঠান গঢ়াৰ গুৰিত তেখেতৰ পৰম গুৰু মহাত্মা গান্ধীৰ আদৰ্শ আৰু আশীৰ্বাদ নিহিত হৈ আছিল।

ডাঃ দাস বিজ্ঞানৰ ছাত্ৰ হ'লেও জীৱনৰ মূল ভেটি আৰু লক্ষ্য যে মানৱ সেৱাৰ জৰিয়তে ঈশ্বৰ চিন্তা, তাক তেখেতে শুদ্ধভাৱে উপলব্ধি কৰিছিল আৰু জীৱনৰ প্ৰতিটো খোজতে তাৰ চিন্তা-চৰ্চ্চা কৰিছিল।

গান্ধীজীৰ বিশ্ব মানৱাভিমুখী প্ৰকল্পসমূহক ৰূপ দিয়াৰ বাটত ডাঃ দাসে যি ভূমিকা গ্ৰহণ কৰিছিল তাৰ তুলনা নাই। হৃদয়ত দেশপ্ৰেম আৰু ত্যাগৰ বন্তি জ্বলাই যিটো কামতে ডাঃ দাসে হাত দিছিল তাতেই কৃতকাৰ্যতা লাভ কৰিছিল। 'সৰ্বোদয় ট্ৰাষ্ট' খুলি জীৱনৰ সৰ্বস্ব তেখেতে জাতিৰ কামনাৰ্থে দান কৰি থৈ গ'ল। নিজৰ দুগৰাকী কন্যা মানৱ দৰদী ডাঃ শ্ৰীযুতা তিলোত্তমা ৰয়চৌধুৰী আৰু প্ৰাচীন ভাৰতীয় বিদুষী নাৰী মৈত্ৰেয়ী, গাৰ্গী, বিশ্বম্ভৰাৰ শাৰীৰে চিৰকুমাৰী শ্ৰীযুতা অমলপ্ৰভা দাসক দেশসেৱাৰ কাৰ্যত দান দিলে।

ব্যক্তিগত জীৱনত ডাক্তৰ দাসে সৰল জীৱন-যাপন আৰু উচ্চ চিন্তা কৰিছিল। তেখেত সদা আড়ম্বৰহীন, ঈশ্বৰ-পৰায়ণ, সত্যনিষ্ঠা, মিতব্যয়ী, মানৱ দৰদী আছিল। দেশৰ প্ৰতিজন ল'ৰা-ছোৱালীক নিজৰ কন্যা দুটিৰ দৰে জ্ঞান কৰিছিল, মৰমৰ চকুৰে চাইছিল। নিৰহঙ্কাৰী ডাঃ দসে কৈছিল—"তোমাৰ সোঁহাতেৰে দিয়া দান যেন

বাওঁহাতে গম নাপায়।" এই ঋষিতুল্য পুৰুষজনে ভৰ বৃদ্ধকালপ্ৰাপ্ত হৈ চাৰি কুৰি তিনি বছৰ বয়সত, ১৯৫৮ চনৰ ২ ডিচেম্বৰৰ দিনা কবি-গুৰুৱে ৰচনা কৰা তেখেতৰ অতি প্ৰিয় গীতটি—"আনন্দ ধাৰা বহিছে ভুৱনে…" কন্যা শ্ৰীযুতা অমলপ্ৰভা আৰু নাতিনী মঞ্জুৱে গোৱা শুনি শুনি তেখেতৰ পৱিত্ৰ আত্মাক পৰমাত্মাৰ লগত মিলন ঘটালে।

তেখেতৰ পৰলোক প্ৰাপ্তিৰ পিছত সুযোগ্যা কন্যাদ্বয়ে শেষ পিতৃভিঠা আৰু বাসস্থানটোও 'ডাক্তৰ হৰিকৃষ্ণ দাস পুথিভঁৰাল' নাম দি ৰাইজৰ সেৱাত অৰ্পণ কৰিলে; ডাক্তৰ দাসৰ অনিৰ্বান ত্যাগৰ বন্তিত শলিতা আৰু ঘী ঢালিলে।

বীৰ বিপ্লৱী শঙ্কৰ বৰুৱা

"তেতিয়া অভাৱ—ভাবিব নোৱাৰা অভাৱ। এসাজ খালে সি সাজ খাবলৈ নোজোৰে। সিহঁতৰ শিশুমনে ভাল খাবলৈ, ভাল পিন্ধিবলৈ বিচাৰে। শাকে পচলাৰে ৰান্ধো। ভাত বাঢ়ি দি খং উঠা দেখুৱাওঁ। সিহঁতে একো আপত্তি নকৰি তাকেই খায়। টালি টপালি মাৰি কাপোৰ জুকিয়াই দি খণ্ডৰ ভাওঁ ধৰো। মোৰ কৰবাত খঙ উঠে বুলি সিহঁতে একো নামাতি তাকে পিন্ধিয়েই স্কুললৈ যায়। গধূলিতে ঘৰ সোমাই ফলি পুথি লয়। ৰাতি সিহঁত লাল-কাল টোপনিত পৰে। সিহঁতৰ দুৰ্ভগীয়া মুখ কেইখন চাই মন চকুপানী টোকো।"

ভাৰতবৰ্ষৰ মুক্তি যুদ্ধৰ অদ্ভুত আচৰিত বিপ্লৱী বীৰ এজনৰ তিল-তিল কৈ জীয়াতু ভোগা পত্নী এগৰাকীয়ে আন এগৰাকী বিপ্লৱী বীৰৰ আগত তেখেতৰ অলিখিত মহানকাব্যৰ বৰ্ণনা দিছিল। দেশ স্বাধীন কৰাৰ জীৱন পণলৈ পলাতক হৈ অজ্ঞাত বাস কৰা স্বামী কেতিয়াবা শেষ নিশা আহি ঘৰ সোমায়। আকৌ পুলিচৰ ভয়ত সূৰ্য্যোদয়ৰ আগতে থিতাতে নোহোৱা হয়। তেখেতৰ মূৰৰ দাম দহ হেজাৰ টকা। জীয়াই হওক, মৰাই হওক ধৰি দিব পাৰিলে নগদ দহ হেজাৰ টকা পুৰস্কাৰ!

"আপোনাৰ ইমান খং আছিল যেতিয়া স্বামীৰ ওপৰতো খং কৰিছিল হ'বলা?" নাই নোৱাৰিলোঁ। কোনো দিনেই নোৱাৰিলোঁ। বাহিৰত সকলোৱে দেশকৰ্মী বোলে, বিপ্লৱী বোলে। ইংৰাজেও হেনো ভয় কৰিছিল। কিন্তু ঘৰ সোমালেই মাটিৰ মানুহ এজন হৈ পৰে। মোৰ পুতৌ হয়। সক ল'ৰাটো যেন লাগে। মৰম

কৰিবৰ মন যায়। ডেকা হ'লেও কিবা চেমনীয়া চেমনীয়া লাগে। বুঢ়া হ'লেও কিবা কেঁচুৱা কেঁচুৱা লাগে। একো ওজৰ আপত্তি নাছিল। ইঁহেঁতেও চলে মাহেঁতেও চলে। আঙ্গাত নিমখ নহলেও নকয়। তেনেই ল'ৰাটোৰ দৰেই আছিল। সেয়ে ল'ৰাৰ দৰে মই মৰম কৰিছিলো।"

স্বামী পলাতক। খাবলৈ পিন্ধিবলৈ তেনেই নোহোৱাৰ দৰে। স্বামীৰ জুই চাৰি বন্ধুৱে, তাৰে এজন চেনীচন মিৰিযে মাজে সময়ে ডালি, চাউল, কচু আনি দিয়ে। পোনা কেইটিৰে জোৰা-টাপলি মৰা সৰু ঘৰ এটাত থাকে। সেই আশ্ৰযৰ এক মাত্ৰ ঘৰটোতো এদিন নিজেই জুই দিবলৈ ওলাল। অবিশ্বাস্য যেন লাগিলেও কথাটো তেনেই সঁচা—"তেখেতে'ে বেচা ভেটিতে দেহা এৰিলে। তেতিয়াৰ সেই চালসেৰ নোহোৱা ঘৰটো আছিল। কাষৰ জুপুৰী ঘৰটোত থাকো। বৰষণ দিলেই জুই ঘৰৰ মাজেৰে পানী পৰে। থকা জুপুৰীটোত হৰ্ হৰ্‌কৈ পানী সোমায। সেযে পাবপৰা ৰক্ষা হওক বুলি দৌলেশ্বৰ বোপাই এখন নাওৰা আনি লগাই দিয়াইছিল। তেতিয়া মোৰ বাৰীঘৰ এৰাবাৰী। দিনে ৰাতিয়ে পুলিচে লুতুৰি থাকে। এদিন দুজন পুলিচ আহি নাওৰাখন দেখি ক'লে, 'এইখন খুলি নিয়াৰ হুকুম হৈছে। কালিলৈ আহি লৈ যাব লাগিব।' কথাটো শুনি মোৰ বৰ খং উঠিল। বেজাৰো লাগিল। মনতে পাঙি আছিলো এই খন নিব আহিলে গোটেই ঘৰটোকে জ্বলাই দিম। মুকলিত বাঁহৰ তলতে থাকিম। সেই দুজন পুলিচেই আহিল। নাওৰা খুলিবলৈ সাজু হ'ল। মযো 'ৰহ বাপেৰে সোপাকে জ্বলাই দিম' বুলি জুই লৈ খেদি গ'লো। দুযো পলাই পৰং দিলে।"

ধৰি দিব পাৰিলে, এফালে প্ৰমোচন আনফালে নগদ দহ হেজাৰ টকা পুৰস্কাৰ। পুলিচে দিনে নিশাই পলাতকৰ ঘৰবাৰী খোদালি থাকে। কিজানি কোনোবা মুহূৰ্তত ধৰিব পাৰে। ১৯৪২ চনৰ ১০ অক্টোবৰ, সৰুপথাৰ ৰেল ষ্টেচনত ৰেল বাগৰিছে। পুলিচৰ

জোৰ খেদাকুড়া লাগিছে। চৰকাৰে পলাতকৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰিছিল। এদিন কেইবাখনো ট্ৰাক গাড়ী আহি ঘৰৰ সমুখত ৰ'লহি। লগে লগে পুলিচ, দাৰোগা, হাকিম, পিয়াদা, এসোপা আহিল। এজনে পলাতকৰ পত্নীক কিবা এখন পঢ়ি শুনালে। একো নুবুজিলে। মনো দিয়া নাছিল। তাৰ পিছত মানুহবোৰ ঘৰ সোমাল। খাট-পালেং তুলি লেপ, চকি-মেজ, বাচন বৰ্তন, ভাতৰ চৰু আদি সকলো গাড়ীত তুলিলে, আনকি বাহিৰ ফুৰিবলৈ যোৱা ঘটিটোও। গাই দামুৰি কিটাও জট্‌পট্‌কৈ বান্ধি নিলে।

প্ৰশ্ন কৰ্তাই সুধিলে—"আপোনাৰ ঘৰ চলোৱাত বৰ অসুবিধা হ'ল? তাৰ পিছত আপুনি কি কৰিলে?" সুমুনিয়া এটি এৰি কলে—"সিদিনা আৰু একো কৰিবৰ ন'হল। ভোলা বৰুৱাৰ ঘৰৰ পৰা খোৱাৰ যোগান দিলে। গধূলি বিষ্ণু কাকতি আহিল। তেওঁ বন্ধা-বঢ়াৰ কাৰণে এটি সৰু ডেক্সি আৰু দুখন কাচৰ থাল দি গ'ল। ল'ৰা-ছোৱালী কেইটাৰ কথাত বৰ বিপাঙত পৰিছিলোঁ। মাটিতে খেৰ পাৰি বিছনা কৰি লৈছিলোঁ। সিহঁত খেৰত নোশোৱে। জিদ্ ধৰে। কথাটো দৌলেশ্বৰ বোপাই (দৌলেশ্বৰ দত্ত) কেনেবাকৈ গম পালে নেকি? পিছদিনা এখন তুলি, দুটা গাৰু আৰু এখন বিছনা চাদৰ দি গ'ল। সেইবোৰকে লৈ আকৌ সংসাৰ পাতিলোঁ।"

এই ঐতিহাসিক কথোপকথনটি হৈছিল বীৰ বিপ্লৱী শঙ্কৰচন্দ্ৰ বৰুৱাৰ পত্নী অন্নপ্ৰভা বৰুৱা আৰু বৰুৱাৰ সতীৰ্থ অন্যতম বীৰ বিপ্লৱী তথা জনতা চৰকাৰৰ সময়ৰ অসমৰ শিক্ষামন্ত্ৰী শ্ৰীলক্ষ্যধৰ চৌধুৰীৰ মাজত।

ভাৰতৰ স্বাধীনতা যুদ্ধৰ অক্লান্ত যঁজাৰু, মহাত্মা গান্ধী আৰু লোকনায়ক জয়প্ৰকাশ নাৰায়ণৰ প্ৰিয় শিষ্য, অসমৰ 'বনৰজা' শঙ্কৰ বৰুৱাৰ শিৱসাগৰ চহৰত ১৮১৭ শকৰ ভাদ মাহত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম দিনৰ দিনা ভূমিষ্ঠ হোৱা কাৰণে নাম থোৱা হৈছিল 'শঙ্কৰ'। পাঁচশ বছৰৰ পূৰ্বে মহাপুৰুষ জনাই সৰ্বস্ব ত্যাগ

কৰি অসম ভূমিত সমাজ আৰু সাংস্কৃতিক বিপ্লৱ আনি পলাতক হৈ ফুৰিছিল ; আৰু পাঁচশ বছৰৰ পিছত শঙ্কৰ বৰুৱাই অসম মাতৃক পৰাধীনমুক্ত কৰাৰ কাৰণে যথাসৰ্বস্ব জলাঞ্জলি দি ইংৰাজৰ হাতত মুৰ নিদি ৰণ দি ফুৰিছিল। ইয়াকে কয় স্বদেশপ্ৰেম, ইয়াকে কয় বীৰত্ব। তেখেতৰ পিতৃ কমল চন্দ্ৰ বৰুৱা আৰু মাতৃ সৰ্বেশ্বৰী বৰুৱা। শঙ্কৰ বৰুৱাৰ ৫/৬ৰ বছৰ বয়সত পিতৃ বিয়োগ হোৱাত বৰ পিতাকৰ সহায়ত যোৰহাট হাইস্কুলত পঢ়িবলৈ গৈছিল যদিও অৰ্থৰ অভাৱত বেছি আগবাঢ়িব নোৱাৰিলে।

ঊনৈশ-কুৰি শতিকাত ইংৰাজে পৃথিৱীত সূৰ্য অস্ত নোযোৱা সাম্ৰাজ্য পাতে। ইংৰাজৰ কাষে কাষে আন আন ইউৰুপীয় জাতি সকলেও এচিয়া, আফ্ৰিকা, আমেৰিকা আৰু অষ্ট্ৰেলিয়া মহাদেশৰ দেশবোৰত উপনিবেশ স্থাপন কৰে। সাম্ৰাজ্যবাদী সকলৰ অবিয়া-অবিৰ পৰিণতি স্বৰূপে ১৯১৪ চনত প্ৰথম মহা সমৰ আৰম্ভ হৈ গোটেই বিশ্ব কঁপাই তুলিলে। ইংৰাজসকল যুদ্ধকালিন সময়ত প্ৰাণৰ ভয়ত টালি-টোপোলা বান্ধি নিজৰ দেশলৈ পলাব ধৰিলে। সম্পদৰ বন্ধু ইংৰাজ সকলে বিপদ কালত দেশ ৰসাতলে যাওক বুলি ইংল্যাণ্ডলৈ পলাই যোৱা কাৰ্যই ভাৰতীয় সকলক উৎসাহিত কৰিলে। ইংৰাজক যিমান সোনকালে পাৰি খেদি দি দেশ স্বাধীন কৰাৰ চিন্তা ভাৰতীয় নেতা সকলৰ মনত বাৰুকৈ সোমাল। দেশাত্মবোধক ভাৱত উদ্বুদ্ধ হৈ বহুতে চাকৰি, ওকালতি, পঢ়া-শুনা এৰি অভীষ্ট সিদ্ধিৰ পথত নামি পৰিল।

প্ৰথম বিশ্বযুদ্ধ অৱসানৰ লগে লগে ১৯১৯ চনত ইংৰাজে ৰাউলট আইন জাৰি কৰি ভাৰতীয় সকলক দমন কৰিবলৈ অপচেষ্টা কৰিলে। দেশ ব্যাপি মহাত্মা গান্ধীৰ নেতৃত্বত আন্দোলন আৰম্ভ হ'ল। জালিয়ানৱালাবাগৰ নিৰ্মম হত্যাকাণ্ডই ভাৰত তথা সমগ্ৰ বিশ্বত ইংৰাজ সকলক ঘৃণাৰ পাত্ৰ কৰি তুলিলে। মহাত্মা গান্ধীৰ আহ্বানত অসহযোগ আন্দোলন আৰম্ভ হ'ল।

সেই সময়ত অৱস্থাৰ তাৰণাত পৰি শঙ্কৰ বৰুৱাই চাকৰি কৰিছিল। বীৰ গেৰিৱাল্ডিয়ে মাতৃভূমি ইটালীক স্বাধীন কৰাৰ কাৰণে কৃষি-পাম এৰি বিদেশী শত্ৰুৰ ওপৰত জপিয়াই পৰাৰ দৰে অসমৰ 'গেৰিৱাল্ডি' শঙ্কৰ বৰুৱায়ো চাকৰি এৰি মুক্তি যুঁজত জপিয়াই পৰিল।

১৯২০ চন। অসহযোগ আন্দোলনৰ ভৰ পক অৱস্থা। কটন কলেজত হোৱা অভূতপূৰ্ব ধৰ্মঘটে বাইজৰ চকু মেল খুৱালে। বৰুৱাৰ আৰু বৈ থকাৰ সময় ক'ত? গান্ধীৰ আদৰ্শত আত্মনিয়োগ কৰি গোলাঘাট, যোৰহাট অঞ্চলত সংগঠনৰ কাম কৰিবলৈ সিদ্ধান্ত ল'লে। যোৰহাট কংগ্ৰেছ কাৰ্যালয়ত অসমপ্ৰাণ কৃষ্ণ শৰ্মাক পাই দুগুণে উৎসাহিত হ'ল। কৃষ্ণ শৰ্মাৰ সহকৰ্মী সকল আছিল কুলধৰ চলিহা, ৰোহিনী হাতীবৰুৱা, সৰ্বেশ্বৰ চেতীয়া, গঙ্গাধৰ বৰকটকী, ৰামেশ্বৰ ভট্টাচাৰ্য, দেৱেশ্বৰ শৰ্মা, পজিৰুদ্দিন আহমদ আদি।

১৯২১ চন। কুলধৰ চলিহা, অৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ বোম্বেলৈ গৈ মহাত্মা গান্ধীক অসমলৈ নিমন্ত্ৰণ কৰিলে। মহাত্মা গান্ধী সেই বছৰৰ আগষ্ট মাহত অসম পালেহি। মহাত্মা গান্ধীৰ আগমনৰ কথা শুনি সমগ্ৰ অসমত এটি অভূতপূৰ্ব জাগৰণ হ'ল। মহাত্মা গান্ধী গুৱাহাটীৰ পৰা তেজপুৰ হৈ যোৰহাট পালেগৈ। বি. এ. জগন্নাথ বৰুৱাৰ ঘৰতে মহাত্মাক থকাৰ বন্দোবস্ত কৰি দিলে। শঙ্কৰ বৰুৱাৰ ভাগ্যোদয় হ'ল। মহাত্মা গান্ধীক সেৱা-শুশ্ৰূষা কৰাৰ দায়িত্ব শঙ্কৰ বৰুৱাৰ ওপৰত পৰিল। শঙ্কৰ বৰুৱাই ইয়াতকৈ আৰু বেছি একো বিচৰা নাছিল। চুম্বকৰ স্পৰ্শত লোও চুম্বক হোৱাৰ দৰে মহাত্মা গান্ধীৰ সান্নিধ্যত শঙ্কৰ বৰুৱাৰ জীৱন ধন্য হ'ল। অম্বিকাগিৰীৰ 'দেশেই ভগৱান' হোৱাৰ দৰে শঙ্কৰ বৰুৱাৰ ভগৱানো হ'ল দেশ। 'মৰিলে স্বৰ্গ তৰিলে দেশ' এই বীজমন্ত্ৰ হৃদয়ত জপি মহাত্মা গান্ধীৰ আদৰ্শত গাঁৱে গাঁৱে ঘূৰি ফুৰি বিদেশী কাপোৰ বৰ্জন, মাদক দ্ৰব্য নিবাৰণ, অস্পৃশ্যতা দূৰীকৰণ,

কঁপাহ খেতি কৰা, সূঁতা কটা, খদ্দৰ পিন্ধা আদি প্ৰচাৰ কাৰ্য চলাবলৈ ধৰিলে। দিন নাই, ৰাতি নাই, ভোক পিয়াহৰ প্ৰতি লক্ষ্য নাই কেৱল দেশসেৱা, সমাজসেৱা। কেইমাহ মানৰ ভিতৰতে শিৱসাগৰ জিলাত অসহযোগ কাৰ্যসূচী ৰূপায়ণ কৰাত শঙ্কৰ বৰুৱা সম্পূৰ্ণ ফলৱতী হ'ল। সকলোৰে মানত শঙ্কৰ বৰুৱাই অসহযোগ আৰু অসহযোগেই শঙ্কৰ বৰুৱা যেন হ'ল। শঙ্কৰ বৰুৱাৰ নাম আৰু ছবি মানুহৰ মনৰ পৰা মুগুচা হ'ল। দেশ পাগল হৈ স্বৰাজৰ গীত ৰচনা কৰি বাটে-ঘাটে গাই ফুৰিবলৈ ধৰিলে—

"আগবাঢ়ি ব'লা সবে ভাই
বাট জিৰাবৰ সময় নাই।
পাছ পৰিবৰ কথাই নাই
বাট জিৰাবৰ সময় নাই।
বিঘ্নে আমাৰ দীন দুখীয়াক
পদে পদে পাই।
বিপদ আমাৰ পথৰ সাক্ষী
ফৰে চেল্‌-চাই॥
তথাচ যদ্ধ আহিম জিনি
দুৰ্ভাগ্যৰ ভেটা ভাগি।
বাট জিৰাবৰ সময় নাই—
পাছ পৰিবৰ কথাই নাই॥"

মহাত্মা গান্ধী উভতি যোৱাৰ চাৰিমাহ পৌছঁওতে ৩১ ডিচেম্বৰৰ দিনা ২৪ জন স্বেচ্ছাসেৱকৰ সমদল এটা লৈ শিৱসাগৰ নগৰৰ মাজেদি শোভাযাত্ৰা কৰি নজৰুল, মুকুন্দ দাসৰ আহিৰে তেজোদ্দীপক গান গাই যাওঁতে দলপতি শঙ্কৰ বৰুৱাক পুলিচে গ্ৰেপ্তাৰ কৰিলে। দুমাহ সশ্ৰম কাৰাদণ্ড ভুগি জেলৰ পৰা ওলাই আহিয়েই "মৰিও নমৰে, পৰিও নমৰে বান-ভগদত্তৰ চুকাফা জাত"ৰ দৰে পুনৰ আন্দোলনত জাপিয়াই পৰিল।

তাৰে কেইমাহমান পাছতে অসহযোগৰ কাৰ্যসূচীৰ কামত মদন মোহন মালব্যজী অসমলৈ আহিল। মালব্য যোৰহাট পোৱাত গান্ধীজীক কৰাৰ দৰে তেখেতকো সেৱা-শুশ্ৰূষা কৰাৰ সৌভাগ্য ঘটিল। সৌভাগ্যৰ পিছতে দুৰ্ভাগ্যও আহিল। এইবাৰ গ্ৰেপ্তাৰ কৰি তিনিমাহ সশ্ৰম কাৰাদণ্ড বিহিলে। তিনি মাহৰ পিচত গৰালৰ পৰা সিংহ পুনৰ মুকলি হ'ল।

শঙ্কৰ বৰুৱাৰ শিক্ষাগত অৰ্হতা তেনেই কম। কিন্তু অভিজ্ঞতাই তেখেতক মানুহ কৰিছিল। মহাত্মা গান্ধীৰ আদৰ্শ 'আশ্ৰম স্কুল' পতাৰ চিন্তাই তেখেতৰ মনত ঠাই পালে। আদৰ্শনিষ্ঠ লোকৰ কথা আৰু কামৰ মাজত প্ৰভেদ নেথাকে। প্ৰথমে গোলাঘাটৰ বৰকাঠনীত এখন "আশ্ৰম স্কুল" স্থাপন কৰিলে। নিজে কিছুদিনৰ কাৰণে পৰিচালনাৰ দায়িত্ব বহন কৰিলে। তাৰ পিছত বৰগোঁহাই খাট আৰু বকটীয়ালত আন দুখন পাতি ক্ৰমে কেশৱচন্দ্ৰ সোণোৱালক আৰু খগী কাকতীক চলাবলৈ দিয়ে। এই আদৰ্শ 'আশ্ৰম স্কুল' কেইখনৰ জৰিয়তে গাওঁ অঞ্চলৰ শ শ ল'ৰাক গান্ধীজীৰ আদৰ্শত গঠন মূলক কাম, সমাজ সেৱা চাকৰি কাম প্ৰভৃতি কিদৰে কৰিব লাগে প্ৰশিক্ষণ দিয়া হৈছিল। এই আহিবে অসমৰ আনবোৰ জিলাতো আশ্ৰম স্কুল পতাৰ চিন্তা বৰুৱাৰ মনত আছিল। পাছত ডিব্ৰুগড়ত ৰজনী বৰুৱাৰ সহায়ত আন এখন আদৰ্শ স্কুল প্ৰতিষ্ঠা কৰা হৈছিল। এনেতে গোলাঘাট জিলা কংগ্ৰেছৰ শঙ্কৰ বৰুৱা সম্পাদক হ'ল আৰু সেই সুযোগতে তেওঁ আশ্ৰম স্কুল কেইখন স্বাৱলম্বী কৰি তুলিলে।

মহাত্মা গান্ধীৰ আদৰ্শ গাওঁ নিৰ্মাণ কৰাত এই আশ্ৰম স্কুলবোৰৰ অৱদান কম নাছিল। মাদকদ্ৰব্য নিবাৰণ, অস্পৃশ্যতা বৰ্জনকে ধৰি সমাজক প্ৰবলভাৱে আক্ৰমণ কৰা ব্যাধিবোৰ নিৰাময় কৰাত 'আশ্ৰম স্কুল' শিক্ষাই জোৰ দিছিল। তাৰ ফলত দুষ্ট প্ৰকৃতিৰ লোকসকলৰ বাবে 'আশ্ৰম স্কুল'বোৰ চকুৰ কুটা যেন হৈ পৰিছিল।

ফলে বিপৰীত হ'ল। ১৯২৫ চনত গোলাঘাটৰ মৌথোৰা আশ্ৰম স্কুলৰ দায়িত্ব নিষ্ঠাৰে পালন কৰা কৈঁহোৰাম হাজৰিকাক কোনোবা দুৰ্বৃত্তই শুই থকা অৱস্থাতে হত্যা কৰে। এই ঘটনাই শঙ্কৰ বৰুৱাৰ মনত কি প্ৰতিক্ৰিয়া কৰিছিল তাক বৰ্ণনা কৰাৰ ভাষা নাই। ইয়াৰ প্ৰতিবাদত মহাত্মাৰ আদৰ্শনিষ্ঠ শঙ্কৰ বৰুৱাই ২৮ দিনীয়া অনশন ব্ৰত আৰম্ভ কৰিলে। সেই সময়ত মহাত্মা গান্ধী কলিকতাত থকা গম পাই ব্ৰতধাৰী শঙ্কৰ বৰুৱা চতুৰ্থদিনা কলিকতালৈ যাত্ৰা কৰে। মহাত্মাক সাক্ষাৎ কৰি মৰ্ম বেদনা প্ৰকাশ কৰিলে। তাৰ পাছত মহাত্মাৰ পৰা কিছু শান্তনা লভি পুনৰ যোৰহাটলৈ উভতি ব্ৰত সম্পূৰ্ণ কৰিলে। অসম কংগ্ৰেছৰ ইতিহাসত সত্যনিষ্ঠাৰ কাৰণে ২৮ দিনীয়া অনশন ব্ৰত সম্পূৰ্ণ কৰি শঙ্কৰ বৰুৱাই যি অভিলেখ স্থাপন কৰিলে সেই কথা সোণৰ চেকুৰাৰে লিখা থাকিব। এই ঘটনাই শঙ্কৰ বৰুৱাক অসমৰ গান্ধীবাদী নেতা সকলৰ উৰ্দ্ধত স্থান দিলে, তেখেতৰ প্ৰতি মানুহৰ আস্থা, শ্ৰদ্ধা আৰু জনপ্ৰিয়তা এশগুণে বৃদ্ধি পালে।

কৈঁহোৰামৰ মৃত্যুশোক শঙ্কৰ বৰুৱাৰ কাৰণে পাহৰা কঠিন হৈ পৰিল। এনেতে ১৯২৫ চনত পাটনাত বহা কংগ্ৰেছ অধিবেশনত যোগ দি পোনে পোনে সবৰমতী আশ্ৰমলৈ গ'ল। তাত পুনৰ মহাত্মা গান্ধীৰ সান্নিধ্য সুখ লাভ কৰে আৰু তিনি মাহ আশ্ৰমৰ নীতি ধৰ্মৰ প্ৰশিক্ষণ লয়। তাৰ পিছত আশ্ৰমবাসী লোক কেইজন-মানৰ লগ লাগি কানপুৰত বহা কংগ্ৰেছ অধিবেশনলৈ যায়। তাত অসমৰ পৰা যোৱা কংগ্ৰেছ প্ৰতিনিধি সকলক লগ পায়। সেই অধিবেশনৰ আলোচনা ক্ৰমে ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত শঙ্কৰ বৰুৱাই নিজৰ অসাধাৰণ শক্তি আৰু কৰ্তব্য নিষ্ঠাৰ পৰিচয় দি অসম আৰু অসমৰ বাহিৰৰ নেতৃস্থানীয় লোক সকলৰ দৃষ্টি আকৰ্ষণ কৰে।

অধিবেশনৰ শেষত বৰুৱা গোলাঘাটলৈ গৈ আটাইকিথন আশ্ৰম স্কুল মহাত্মা গান্ধীৰ সবৰমতী আশ্ৰমৰ আহিত গঢ়ি তুলিবলৈ প্ৰাণপণে

চেষ্টা কৰে আৰু অভাৱনীয় ফল লাভ কৰে। ছুবছৰ লাগি ভাগি আশ্ৰমৰ কাম কৰাৰ পিছতে ১৯২৯ চনত লোণ আইন ভঙ্গ কৰিবলৈ মহাত্মা গান্ধীৰ বিশ্বত কোনো কালে নোহোৱা নোপোজা ঐতিহাসিক দাণ্ডিযাত্ৰাত যোগদান কৰিলে। মহাত্মা গান্ধীৰ এই দাণ্ডিযাত্ৰাক শ্ৰীৰামচন্দ্ৰৰ বনবাসৰ সময়ত অযোধ্যাবাসীয়ে কৰা যাত্ৰাৰ লগতহে তুলনা কৰা হয়। মহাত্মা গান্ধীৰ দাণ্ডিযাত্ৰাত যোগ দিবলৈ শঙ্কৰ বৰুৱাৰ আশ্ৰমৰ হৈ প্ৰতিনিধিত্ব কৰিলে কেশৱ সোণোৱাল আৰু কনক দাসে।

১৯২৯ চন বাগৰি ১৯৩০ চন পৰিল। স্বৰাজ আন্দোলন দেশ ব্যাপি গঢ়ি উঠিল। ২৬ জানুৱাৰীৰ দিনা সমগ্ৰ দেশতে ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰাৰ সিদ্ধান্ত হ'ল। অসমতো সকলো ঠাইতে প্ৰস্তুতি চলিল। গোলাঘাটৰ দায়িত্ব বিশিষ্ট সমাজকৰ্মী পূৰ্ণচন্দ্ৰ গোস্বামীৰ ওপৰত। এনেতে লৰ্ড আৰউইন যোৰহাটত উপস্থিত হোৱাত শঙ্কৰ বৰুৱাৰ নেতৃত্বত ক'লা পতাকাৰে মৌন শোক-যাত্ৰা আৰম্ভ হ'ল। শোক সমদলত দেৱেশ্বৰ শৰ্ম্মা, গঙ্গাধৰ বৰকটকী, ৰামেশ্বৰ ভট্টাচাৰ্য্য, ধীৰেন দত্ত, উমা বৰুৱা, বগাই শইকীয়া, শ্ৰীচন্দ্ৰ ফুকন, কমল দাস, কেশৱ সোণোৱাল, থগী বড়া, ভোলা বৰুৱা, তিলক সোণোৱাল, সুৰেন ফুকন, খগী কাকতী প্ৰমুখ্যে বহুতে যোগ দিলে।

তাৰ পিছৰ বছৰত কৰাচীত বহা কংগ্ৰেছ অধিবেশনতো শঙ্কৰ বৰুৱাই যোগ দি ভাৰতৰ নানা ঠাই ভ্ৰমণ কৰি আন্দোলনৰ আওভাও বুজি ললে আৰু সৰ্বভাৰতীয় বহুতো বিপ্লৱী কংগ্ৰেছী নেতাৰ লগত আলাপ-আলোচনা কৰি ঘৰলৈ আহিল।

ঘৰ পাই অলপ সংসাৰ চিন্তাত মন দিলে। দেশ পাগলৰ ক'ৰবাত মাটি-ঘৰ থাকে জানো? থাকিলেও নবীন, তৰুণ, অম্বিকাগিৰী, কমলাকান্তৰ দৰে দেশৰ দেনাত বিক্ৰী বন্ধকত যায়। শঙ্কৰ বৰুৱাৰ পিতৃ ভিঠাটোত বাহিৰে একোকেই নাছিল। দেশ স্বাধীন কৰাৰ মহাযজ্ঞত লাগি থাকোঁতে ছকুৰি বছৰ পাৰ হ'ল।

ঘৰ বুলিবলৈ গ'তে ৰাহি, ত'তে কাটি । বিয়া বাকহে৷ হোৱাই নাই। ৰাবে বাৰে জেলৰ ভাত খোৱা, জীৱিকা বুলিবলৈ বিনা পাৰিশ্ৰমিকে ৰাইজৰ কামত টলৌ-টালৌকৈ ঘূৰি ফুৰা সাক্ষাৎ বনৰজালৈ ছোৱালীয়েইনো দিব কোনে? তথাপি আদৰ্শ পুৰুষৰ কাৰণে আদৰ্শ নাৰীৰ 'গ ভাৱ হোৱা দেখা নগ'ল। দলগাঁৱৰ বিশিষ্ট সমাজ কৰ্মী ভুবনেশ্বৰ দত্ত। তেখেতৰ পত্নী হৰিপ্ৰিয়াই স্বৰ্ণলতা বৰুৱাৰ লগত দেশৰ হকে যুঁজি একবামাত্ৰে৷ জেলৰ ভাত খাইছিল। জহুৰীয়ে জহৰ চিনি পোৱাৰ দৰে বীৰঙ্গনা হৰিপ্ৰিয়াই নিজৰ কন্যা অন্নপ্ৰভাৰ কাৰণে উপযুক্ত জোঁৱাই বিচাৰি পালে শঙ্কৰ বৰুৱাক। কালিদাসৰ 'উমাই'-জটাধাৰী, ডিঙিত সাপৰ মালা পিন্ধা, ককালত বাঘৰ ছাল মেৰাই শ্মশানে-শ্মশানে ঘূৰি ফুৰা শিৱশঙ্কৰক স্বামী বৰণ কৰাৰ আৰ্হিৰে অন্নপ্ৰভাই ১৯৩৬ চনৰ আঘোন মাহৰ ২১ তাৰিখে শঙ্কৰ বৰুৱাক স্বামী বৰণ কৰিলে।

ফুলশয্যাৰ ৰাতি স্বামীয়ে অন্নপ্ৰভাক নিদাৰুণ কথা শুনালে—"তুমি এসপ্তাহৰ ভিতৰতে এলাহবাদলৈ যাব লাগিব। তাত প্ৰয়াগ মহিলা বিদ্যাপীঠত তোমাৰ কাৰণে ঠাই ৰাখিছোঁ; তাত গৈ প্ৰশিক্ষণ ল'ব লাগিব।"

আগেয়ে কৈ অহা হৈছে যে গান্ধীবাদৰ মূল নীতি—কথা আৰু কাম একেটাই। আঠমঙ্গলাৰ দিনা পুৱাই যাত্ৰা আৰম্ভ হ'ল। পিচ দিনা ফৰকাটিঙত ৰেল গাড়ীত উঠি নিৰ্দ্ধাৰিত সময়ত এলাহাবাদ পালে। সদ্যবিবাহিতা পত্নীক তেনেদৰে ৰবীন্দ্ৰনাথৰ কাব্যৰ উপেক্ষিতা উৰ্মিলাৰ দৰে প্ৰয়াগ মহিলা বিদ্যালয়ত নাম ভৰ্ত্তি কৰি দি ঘৰলৈ উভতি আহিল। তাত এবছৰ থাকি অন্নপ্ৰভাই কিবা শিকিলেনে? শিকিলে—"বৰ ভাল লাগিল। বহুতো কথা শিকিলোঁ। বহুতো নেদেখা বস্তু দেখিলোঁ, একো নহ'লেও মনটো অলপ সলনি হ'ল নেকি? আগতে দেখা দিয়া সৰু সৰু কথাবোৰ চকুত নপৰা হ'ল। পিচে এইবোৰ জীয়াই ৰাখিবলৈ অনুশীলন লাগে। পৰিৱেশ

ভাল লাগে। নিজেই বুজি পাইছোঁ—সেই ভাববোৰ লাহে লাহে বহল হওক ছাড়ি ঠেক হৈহে আহিল। আকৌ আগৰ ঠাইতে বৰ্লৌহি নেকি।"

আকৌ ছটা ঋতু পাৰ হ'ল। ১৯৩৭ চনৰ নিৰ্বাচনত শঙ্কৰ বৰুৱা থিয় হৈ সমকক্ষ্য বীৰ মহেন্দ্ৰনাথ গোহাঁইৰ শোচনীয় পৰাজয় ঘটাই বিধান সভাৰ সদস্য হৈ বিপুল জনপ্ৰিয়তা অৰ্জন কৰিলে। এই একে যাত্ৰাতে ১৯৪৫ চনলৈকে এম. এল. এ হৈ থাকি দেশৰ আৰু দলৰ বহুতো সমস্যা সমাধান কৰিছিল।

এম. এল. এ নিৰ্বাচন হোৱাৰ দ্বিতীয় বছৰত গোলাঘাট অঞ্চলত ক'লাজ্বৰ মহামাৰীয়ে দেখা দিয়াত শঙ্কৰ বৰুৱাৰ সভাপতিত্বত সমিতি এখন গঠন কৰি সঙ্কটৰ পৰা ৰাইজক উদ্ধাৰ কৰিলে। তাৰ পিছতে তেখেতৰ প্ৰচেষ্টাত গোলাঘাটত 'কলাজ্বৰ হস্পিতাল' স্থাপন হ'ল।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছতে ক্ৰীপচে আগবঢ়োৱা ইংৰাজ চৰকাৰ প্ৰস্তাৱ ব্যৰ্থ হ'ল। কংগ্ৰেছে বৈপ্লৱিক কাৰ্যসূচী হাতত ললে। ৱাৰ্কিং কমিটিৰ জৰুৰী বৈঠক বহি ইংৰাজ চৰকাৰক তুৰন্তে ভাৰতৰ শাসনভাৰ দেশবাসীৰ হাতত গটাই দি ভাৰত ত্যাগ কৰিবলৈ কোৱা হ'ল। কংগ্ৰেছৰ কালাণ্তক দাবী শাসক গোষ্ঠীয়ে প্ৰত্যাখ্যান কৰিলে। লগে লগে ১৯৪২ চনৰ ৮ আগষ্টত বহা ৱাৰ্কিং কমিটিয়ে 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰিলে। এইটো যেনিবা অকল প্ৰস্তাৱেই নাছিল, আছিল ভাৰতক মুক্তি দি বৃটিছ শাসনৰ অৱসান ঘটোৱাৰ অকাট্য যুক্তি। লগতে ভাৰতে ঘোষণা কৰিলে যে ভাৰত স্বাধীন নহ'লে মিলিত ৰাষ্ট্ৰসমূহৰ সমূহীয়া স্বাৰ্থৰ হকে ভাৰতে কোনো সহায় আগবঢ়াব নোৱাৰিব। কাজেই স্বাধীন ভাৰতৰ সম্মিলিত শক্তি অবিহনে বাহিৰৰ আক্ৰমণৰ পৰা দেশ ৰক্ষা কৰাটো সম্ভৱ নহব বুলি যুক্তি প্ৰদৰ্শন কৰা হ'ল। "বৃটেনৰ কল্যাণ আৰু বিশ্ব শান্তিৰ কাৰণে ভাৰতৰ স্বাধীনতা অপৰিহাৰ্য বুলি কমিটিয়ে মত প্ৰকাশ কৰিলে।"

এইবাৰ ভাৰতবাসীৰ চকু সম্পূৰ্ণ মেল খালে। তেওঁলোকৰ দৃঢ় বিশ্বাস হ'ল যে মাতৃভূমিক উদ্ধাৰ কৰাৰ বাটত প্ৰতিবন্ধক হিচাপে থিয় হোৱা যিকোনো শক্তিকে প্ৰতিৰোধ কৰাৰ দেশবাসীৰ ন্যায়িক আৰু মৌলিক অধিকাৰ আছে। সুচিন্তিত ভাবে সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গৃহীত হোৱাৰ লগে লগে মহাত্মাগান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ শেষ বাৰৰ কাৰণে অহিংস গণ আন্দোলন আৰম্ভ হ'ল। আচৰিত কথা যে আন্দোলনৰ কাৰ্যসূচী প্ৰকাশ নৌহওঁতেই মহাত্মাগান্ধী প্ৰমুখ্যে শীৰ্ষস্থানীয় নেতাসকলক ইংৰাজে গ্ৰেপ্তাৰ কৰি শেষবাৰৰ কাৰণেও নিজৰ মুৰ্খালি দেখুৱালে।

স্বাধীনতাৰ স্পৃহাই এবাৰ অন্তৰত ঠাই পালে তাক কোনো শক্তিয়ে দমাই ৰাখিব নোৱাৰে। ফঁটা কানিৰে ঢাকি ৰখা জুঁইৰ দৰে সি খন্তেক পিচতে জ্বলি দাবানলৰ সৃষ্টি নকৰি নাথাকে। প্ৰথম আৰু দ্বিতীয় শাৰীৰ নেতা আটাইকে জেলত ভৰাই থোৱাত নেতাৰ অভাৱত নেতৃত্বৰ সম্পূৰ্ণ ভাৰ এইবাৰ জনগণৰ হাতত পৰিল। দেশ যি জাগিল জাগিলেই। ইংৰাজে অগণন লোকক জেলত ভৰাই বৰ্বৰতাৰ চূড়ান্ত স্বাক্ষৰ দাঙি ধৰি শাস্তি বিহিলে। ইংৰাজৰ আইন ভংকৰাই পেলাই টেলিফোন, টেলিগ্ৰাফৰ তাঁৰ কাটি যাতায়াতৰ বাট-পথ বন্ধ কৰি, দলং, স্কুলঘৰ পুৰি, পুলিচ থানা ঘেৰাও কৰি মুক্তিকামী অগণন লোকে দেশৰ কাৰণে জীৱন আহুতি দি মুক্তি লভিলে। 'মৰিলে দেশ তৰিলে স্বৰ্গ' ধ্বনিয়ে ভাৰতৰ আকাশ বতাহ মুখৰিত কৰি তুলিলে। ছাত্ৰ-ছাত্ৰী, কৃষক-বনুৱা সকলো একগোট হৈ বৃটিছৰ শাসন যন্ত্ৰ সম্পূৰ্ণ বিকল কৰি পেলালে। নেতাজী সুভাষ চন্দ্ৰ বসুৰ 'আজাদ হিন্দ ফৌজে' মুক্তিকামী জনতাক মুক্তি দিবলৈ আগবাঢ়ি আহিল।

ভাৰতৰ বুকুত থাকি অসমেও বিয়াল্লিছৰ আন্দোলনত উল্লেখ-যোগ্য অৰিহনা আগবঢ়ালে। কুশল কোঁৱৰে কাঁচী কাঠত উঠি আৰু কনকলতা, ভোগেশ্বৰী, তিলক, মুকুন্দ আদি বহুতে পুলিচৰ

গুলীত মৰি স্বৰ্গলাভ কৰিলে। বহুতৰ মূৰৰ বিনিময়ত হেজাৰ দহ হেজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰিলে। শঙ্কৰ বৰুৱা পলাতক আচামী হ'ল। প্ৰৱন্ধৰ আৰম্ভনীতে শঙ্কৰ বৰুৱাৰ সোণৰ ঘৰখন পুলিচে কিদৰে ছাৰখাৰ কৰিলে তাৰ নজিৰ কিঞ্চিৎমাত্ৰ দাঙি ধৰা হৈছে। অমানবীয়, অপ্ৰকাশ্যখিনি পাঠকসকলে অনুমান কৰি ল'ব পাৰিব। জানিবলৈ ইচ্ছা নকৰাই ভাল।

সত্যনিষ্ঠাৰ খাতিৰত শ্ৰীৰামচন্দ্ৰ আৰু পাণ্ডৱে বনবাস, অজ্ঞাতবাস খাটাৰ ৰোমাঞ্চকৰ কাহিনীতকৈও শঙ্কৰ বৰুৱাৰ অজ্ঞাতবাসৰ বৰ্ণনা বেছি ৰোমাঞ্চকৰ, বেছি ভয়াবহ আছিল। পুলিচৰ চকুত ধূলি মাৰি আশ্ৰয় দাতাৰ ঘৰৰ এলান্ধু গুচাইছিল, বাৰী চাফ্ কৰিছিল, শাকনিবাৰীত কোঁৰ মাৰিছিল, চুৰনী কাটিছিল, পুখুৰী চাফ্ কৰিছিল, কেতিয়াবা বৰজাকৈৰ ভিতৰত সোমাই নৈ বিলত মাছ হৈ আছিল।

ঘৰ এৰিবৰ নিশা অন্নপ্ৰভা সন্তান কেইটাক কাষত লৈ শুই আছিল। এনেতে টুংটাং শব্দত টোপনি ভাঙিল। অন্নপ্ৰভাৰ কাৰণে এইটো নতুন কথা নাছিল। জীৱনৰ কত নিশা তেনেদৰে পাৰ হৈ গৈছিল। অৱশ্যে সিদিনা ওলাই যোৱাৰ এটি ব্যতিক্ৰম নোহোৱা নহয়—"দিনত নহয়, নিশা, মাজনিশা ওলাই গৈছিল। সাধাৰণতে তেখেত ৰাতি ন-দহ বজাৰ ভিতৰত ঘৰ সোমায়। সিদিনা কিন্তু গধূলিতে সোমাল। সোনকালে খাই-বৈ পাটীত পৰিল। আখলৰ কাম শেষ কৰি ময়ো বিছনাত পৰিলোঁহি। লাল কাল টোপনি আহিল। হঠাৎ কিবা এটা শব্দ শুনি সাৰ পালোঁ। দেখিলো হাৰিকেনটো জ্বলাই তেখেতে নিজৰ সৰু বাকচটো খুলিছে। উঠি বহিলোঁ। দেখো তেখেতে বাকচৰ পৰা দুখনমান কাপোৰ বাছি লৈ খদ্দৰৰ দীঘলীয়া মোনাটোত সুমুৱাইছে। সুধিলোঁ, ক'ৰবালৈ যাব নেকি?"

"ওঁ, এতিয়াই ঘৰ এৰি যাম। কংগ্ৰেছৰ লোকক জধে-মধে ধৰি

ফাটেকত সুমুৱাইছে। মই ধৰা নিদিওঁ। এইবাৰ শেষলৈকে যুঁজিম। এই বুলি আকৌ কিবা বিচৰাত লাগিল। কি বিচাৰিছে বুলি সুধিলো "মোৰ এৰী চাদৰখন কত?" চাদৰখন জপাত আছিল। উলিয়াই দিলোঁ। আঠুৰাখন দাঙি বুলু আৰু ভাইটিক খন্তেকলৈ চাই ললে। ঘূৰি মোৰ ফালে চাই ক'লে, মই ওচৰতে থাকিম। সিমানেই, ছবয়ৰকৈ এন্ধাৰৰ মাজতে ওলাই গ'ল।"

ওলাই যোৱাৰ বহু সময়লৈকে মই একো ভাবিব পৰা নাছিলোঁ। আগতেও এনেদৰে যায় ফৰকাটিঙত গাড়ী ধৰিবলৈ। পিছতহে মোৰ হুচ আহিল। মোৰ গৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। মোৰ গা তেতিয়া এনেয়ে বেয়া। গাত লেঠা। তিনি মাহে গা ধোৱা নাই। ক'লৈ গ'ল? কিয় গ'ল? বহুদিনলৈকে গ'ল নেকি? এৰী চাদৰখননো বাৰু কিয় নিলে? এতিয়াতো জাৰ পৰা নাই, মোৰ মূৰে কাম নকৰা হ'ল। বিছনাত ঢলি পৰিলো।"

কিছু সময় যোৱাৰ পিচত অন্নপ্ৰভাৰ চেতনা ঘূৰি আহিল। ৰাতি অৱসান প্ৰায়। মটৰ-গাড়ী আহি পদূলি মুখত ৰোৱাৰ শব্দ। অন্নপ্ৰভাই ভাবিলে স্বামীক নিবলৈ কাৰোবাৰ গাড়ী আহিছে। বেৰৰ জলঙাইদি জুমি চাই দেখিলে বহুতো পুলিচ আহিছে। ঘৰৰ চাৰিওফালে বেঢ়ি ধৰি প্ৰথমে মোলায়েম ভাষাত মাতিলে— "বৰুৱা ডাঙৰীয়া উঠকছোন।" ভিতৰৰ পৰা একো সমিধান নোপোৱাত জোৰেৰে দুৱাৰত টুকুৰীয়াই "বৰুৱা, বৰুৱা" বুলি মাতিবলৈ ধৰিলে। দুৱাৰ মেলি ওলাই অহাত অন্নপ্ৰভাক স্বামীৰ খবৰ সুধিলে। স্বামীৰ সন্ধান দিব নোৱাৰাত আশালীন ভাষাত তিৰস্কাৰ কৰি ঘৰ সোমাই চলাথ কৰিলে। পুলিচে ঘৰ, চোঁহদ, বিচাৰি শঙ্কৰ বৰুৱাক নাপাই সিদিনাৰ কাৰণে গুচি গ'ল। প্ৰতিদিনে দুই তিনিবাৰ আহি অন্নপ্ৰভাৰ ঘৰ খানাতালাচ কৰে। ওচৰ চুবুৰীয়াই পুলিচৰ ভয়ত দেখাদেখিকৈ সহানুভূতিও দেখুৱাব নোৱাৰে। সিহঁতৰ অত্যাচাৰ দিনক দিনে বাঢ়ি গৈছিল—"আমনি নহয় অত্যাচাৰ,

অসভ্যালি। কিছুমান ঘটনাৰ কথা সুঁৱৰিলে এতিয়াও শিঁয়ৰি উঠোঁ। ১৯৪৩ চনৰ ২৯ মাৰ্চ। সেই দিনা মোৰ গা সাৰিল। অকল জন্ম হ'ল। এনেয়ে দিন নাযায় তাতে আকৌ কেঁচুৱাৰ আমনি। প্ৰথম দুদিন তেওঁ ভালেই গ'ল। 'কিন্তু তৃতীয় দিনা' বুলি বাইদেৱে দাঁত-মুখ কৰচি উঠিল।—'সেই পিশাচবোৰ আহিল। ৰাতি! মাজৰাতি। ইফালে প্ৰসূতিৰ জ্বালা, আনফালে এই পিশাচবোৰ। কেঁচুৱাৰ কান্দোন শুনি সিহঁতৰ কি অসভ্যালি। কি অকথ্য মন্তব্য। ইতৰ লোকৰ ইতৰ কথা। ৰাতি তেতিয়া আছেই। দুৱাৰত ভৰিৰে গুৰিয়াইছে। সক ভনীজনী লগত আছিল। ভয়ে ভয়ে দুৱাৰ খুলি দিলে। দাৰোগা আৰু দুজন পুলিচ সোমাই আহিল। ভনীজনীয়ে চগ্ৰিবি দিলে—কেঁচুৱাই চ'ক্ খালে। কান্দি কান্দি থৰ লাগিল। ভগৱানক সুঁৱৰিলোঁ। কি নিলাজ, কি অসভ্য। দাৰোগাজনে মোৰ আঁঠুৱা দাঙি চালে। ক'লে—"বৰুৱাই হেনো মায়া জানে? কেঁচুৱা ৰূপ ধৰি···" অন্নপ্ৰভাই আৰু একো ক'ব নোৱাৰিলে।

১৯৪৪ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ জেলৰপৰা মুক্তি পাই ওলাই আহিয়েই চাৰি গাঁৱত পলাতক অৱস্থাত থকা শঙ্কৰ বৰুৱাক সাক্ষাৎ কৰি অহিংস আন্দোলনক হিংসাত্মক ৰূপ নিদি আন্দোলনৰ পৰা আঁতৰি থাকিবলৈ পৰামৰ্শ দিছিল। শঙ্কৰ বৰুৱাই বৰদলৈৰ পৰামৰ্শ মানিবলৈ টান পালে। মহাত্মা গান্ধীলৈ কটকী যোগে চিঠি দি ঘটনাৰ বিতং খবৰ দিলে। মহাত্মাই বৰুৱাক সমৰ্থন কৰি চিঠি দিলে। সকলো কথাৰ আঁত বিচাৰি লৈ ভাৰতীয় নেতাসকলৰ লগত আলচ কৰি অকনা আচক্ আলিয়ে বৰুৱাক গোপনে সাক্ষাৎ কৰি গ'লহি। শঙ্কৰ বৰুৱাক পুলিচে সেই যাত্ৰাত বিচাৰি পোৱা হ'লে নিশ্চয় ফাঁচী কাঠত উঠিব লাগিলহেঁতেন। সৌভাগ্যৰ কথা সেই সঙ্কট কালত ধৰা নপৰিল। ১৯৪৫ চনৰ ডিচেম্বৰ মাহত মটৰ গাড়ীৰে গোলাঘাটৰপৰা নগাঁৱলৈ যাওঁতে ছুবৰীগড়ৰ ধনশিৰি নদীৰ

দলং পাৰ হ'বলৈ ধৰোঁতে গাড়ীৰ চকাত পুলিচে গুলিবৰ্ষণ কৰি শঙ্কৰ বৰুৱাক গ্ৰেপ্তাৰ কৰিলে। আটক বন্দী হিচাপে ৪ মাহ কাৰাগাৰত থকাৰ পিছত ১৯৪৬ চনত গঠন হোৱা নতুন চৰকাৰে শঙ্কৰ বৰুৱাক মুক্তি দিলে আৰু সেই চনতে গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি হ'ল।

১৯৪৭ চনত ভাৰত স্বাধীন হ'ল। ১৯৪৮ চনত নাছিকত বহা কংগ্ৰেছ অধিবেশনত ভদ্ৰ ফুকন আৰু শঙ্কৰ বৰুৱাই যোগ দিলে। মহাত্মা গান্ধীৰ আদৰ্শ ৰামৰাজ্য প্ৰতিষ্ঠাৰ বাটত কংগ্ৰেছে শাসন ভাৰ লোৱাটো বাধাৰ প্ৰাচীৰ হৈ উঠিল। মহাত্মাই বিচাৰিছিল, যেহেতু কংগ্ৰেছ এটা সেৱাৰ দল, কাজেই কংগ্ৰেছে ক্ষমতাৰ লোভ নকৰি দেশৰ সেৱা কৰি যাব। মহাত্মাৰ আদৰ্শৰ পৰা কংগ্ৰেছে কিছুদূৰ পিচলি পৰাত তেখেতে কংগ্ৰেছ ত্যাগ কৰিলে। এনেতে দেশ স্বাধীন হোৱাৰ আগে আগে মুছলিম লীগ, দেশ বিভাজন, সমষ্টি গঠন আদি বহুতো জটিল সমস্যা উপস্থিত হ'ল। শঙ্কৰ বৰুৱাইও কংগ্ৰেছৰ পিচৰ সিদ্ধান্তসমূহ ভাল পোৱা নাছিল। মনে মনে কংগ্ৰেছ ত্যাগ কৰাৰ চিন্তা-ভাবনাও কৰিছিল। নাছিক কংগ্ৰেছ অধিবেশনৰ সময়তে আচাৰ্য নৰেন্দ্ৰ দেৱৰ নেতৃত্বত 'ছচিয়েলিষ্ট' দল গঠন হ'ল আৰু শঙ্কৰ বৰুৱাই কংগ্ৰেছ ত্যাগ কৰি তাত যোগ দিলে। তাৰ পাছতে কংগ্ৰেছ অনুষ্ঠানটো গঢ়াত যিদৰে আগভাগ লৈ কষ্ট কৰিছিল অসমত ছচিয়েলিষ্ট দলটো গঠন কৰাতো আগভাগ ল'লে।

ৰাজনীতি আৰু সমাজনীতিৰ অঙ্গাঙ্গী সম্বন্ধ। শঙ্কৰ বৰুৱাই ৰাজনীতিৰ লগতে ৰাজ্যখনৰ সমাজ আৰু শিক্ষা সংস্কাৰৰ কামতো উঠি পৰি লাগিছিল। গোলাঘাট কলেজ (১৯৪৯), খিলাধাৰি কৃষিপাম (১৯৫০), অসম সৰ্বোদয় অনুষ্ঠান (১৯৫৫), অসম সমবায় আন্দোলন (১৯৫৭), খাদী গ্ৰামোদ্যোগ আন্দোলন (১৯৬২) আদি স্থাপন কৰাত বৰুৱাৰ বিশিষ্ট অৱদান আছে।

১৯৫৩ চনত, একনিষ্ঠ গান্ধীবাদী নেতা আচাৰ্য কৃপালনি "কৃষক

মজদুৰ দল” গঠন কৰি নিৰ্বাচনত থিয় হৈ বেয়াকৈ হাৰিল। তাৰ পিচত ছচিয়েলিষ্ট দলৰ লগত লগলাগি “প্ৰজা ছচিয়েলিষ্ট” দল গঠন কৰা হ'ল। বৰুৱাই অসমৰ প্ৰজা ছচিয়েলিষ্ট দলক একেবাহে কেবাবাৰো নেতৃত্ব দিলে।

মহাত্মা গান্ধীৰ পিচত আচাৰ্য কৃপালনি, জয়প্ৰকাশ নাৰায়ণ আদিৰ লগত শঙ্কৰ বৰুৱাৰ ঘনিষ্ঠ ৰাজনৈতিক সম্পৰ্ক হয়। পূৰ্বৰ শক্তি আৰু সাহসেৰে দলৰ সাংগঠনিক কাৰ্যত লাগি গ'ল। বৰুৱাৰ ত্যাগ, সততা, উদাৰতা, কৰ্তব্যপৰায়ণতা আৰু ন্যায়নিষ্ঠতা আদি মহৎ গুণৰ কথা জয়প্ৰকাশ নাৰায়ণে তেখেতৰ মৃত্যুৰ সময়লৈকে শ্ৰদ্ধাৰে সুঁৱৰিছিল। শঙ্কৰ বৰুৱাৰ বীৰত্ব আৰু সাহসিকতাৰ পৰিচয় পাই জয়প্ৰকাশে তেখেতক “অসমৰ বাঘ” আখ্যা দিছিল।

শঙ্কৰ বৰুৱাৰ পুৰণি এজ্‌মা ৰোগ এটি আছিল। বয়সৰ লগে লগে বেমাৰটোৰ প্ৰকোপ বাঢ়ি আহিল। এনেতে ১৯৬৪ চনত খাদী গ্ৰমোদ্যোগৰ মিটিং এখনত যোগ দিবলৈ গুৱাহাটীলৈ আহি ৰিক্সা দুৰ্ঘটনা এটাত পতিত হয়। তাৰে পিচৰপৰা তেখেতৰ স্বাস্থ্যৰ অৱনতি হ'বলৈ ধৰিলে আৰু ১৯৬৬ চনৰ ১৮ নবেম্বৰৰ দিনা ৭১ বছৰ বয়সত পত্নী অন্নপ্ৰভা, চাৰিজন পুত্ৰ—কেশৱ, ভাৰত, জিতেন, অজিত আৰু একমাত্ৰ কন্যা নিৰুপমাক এৰি বীৰ বিপ্লৱী শঙ্কৰ বৰুৱাৰ আত্মাই দেহ বন্ধনৰপৰা মুক্তি পাই চিৰশান্তি লাভ কৰিলে।

পণ্ডিত কনকচন্দ্ৰ শৰ্মা

নগাঁও জিলাৰ অন্তৰ্গত বহলো এখনি লক গাঁও। সেই গাঁৱৰে এটি ছুৰীয়া ব্ৰাহ্মণ পৰিয়ালত পণ্ডিত কনকচন্দ্ৰ শৰ্মাৰ ১৮৮৩ চনত জন্ম হয়। তেখেতৰ পিতৃ এজন ভাল সংস্কৃত পণ্ডিত আছিল। মাতৃ ভাষাৰ দৰে সংস্কৃততো সৰ-সৰকৈ কথা ক'ব পাৰিছিল। কাজেই বংশ পৰম্পৰা অনুসাৰে কনকচন্দ্ৰ শৰ্মাৰো সৰুৰেপৰা সংস্কৃতৰ প্ৰতি বিশেষ ৰাপ আছিল।

পণ্ডিত কনকচন্দ্ৰ শৰ্মাৰ দহোটা ভাই-ভনী আছিল। কালৰ কুটিল গতিত কলাজ্বৰে হঠাৎ অঞ্চলটোত মহামাৰী ৰূপ ধাৰণ কৰি বহুত পৰিয়ালৰ ক্ষতি সাধন কৰিলে। পণ্ডিত শৰ্মাৰ পিতৃ-মাতৃও মাকক্কত পৰিল। এবছৰৰ ভিতৰত কনকচন্দ্ৰ শৰ্মাক ধৰি তিনিজন ভাই ককাইক এৰি বাকী সাতজনকো সিপুৰীলৈ লৈ গ'ল। কনকচন্দ্ৰ শৰ্মাৰ অৱস্থাও বেয়াৰ ফালে ঢাল খাইছিল। শেষত ঔষধৰ গুণতে হওক বা আসুৰিক নাইবা ভৌতিক চিকিৎসাৰ বলতে হওক মাতৃভূমিৰ নিস্বাৰ্থ সেৱাৰ বাবে কনকচন্দ্ৰ শৰ্মাৰ প্ৰাণ ৰক্ষা পৰিল।

কনকচন্দ্ৰ শৰ্মা তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। শ্ৰেণীত সদায় প্ৰথম আছিল। সতি-সন্ততি বিহীন ইংৰাজ চাহাব এজনে আগবঢ়োৱা প্ৰতিভামূলক বৃত্তি লাভ কৰি শৰ্মাই গুৱাহাটীৰ নৰ্মাল স্কুলত পঢ়িছিল। কৃতিত্বৰে নৰ্মাল পাছ কৰি কলিকতালৈ সংস্কৃত পঢ়িবলৈ গ'ল। কিন্তু কলেজৰ অধ্যক্ষজনে শৰ্মাক নিৰুৎসাহ কৰাত তেখেতে প্ৰাইভেটে সংস্কৃত অধ্যয়ন কৰিবলৈ ল'লে। এনেতে এদিন কলেজৰ অধ্যক্ষজনৰ লগত অনৰ্গল সংস্কৃতত কথা-বতৰা পতাত শৰ্মাৰ সংস্কৃত ভাষা-সাহিত্যত ব্যুৎপত্তি দেখি অধ্যক্ষই নাম ভৰ্তি কৰাৰ অনুমতি

দিলে। মেধাশক্তিৰে শৰ্মাই কম সময়ৰ ভিতৰতে "কাব্যতীৰ্থ" উপাধি লাভ কৰিলে। সংস্কৃত ভাষা-সাহিত্যত বিশেষ অৰ্হতা লাভ কৰাৰ কাৰণে শৰ্মাই জাৰ্মানীলৈ যোৱাৰ প্ৰবল ইচ্ছা কৰিছিল। কিন্তু অৰ্থৰ অভাৱত তেখেতৰ মনৰ আশা মনতে মাৰ গ'ল। তেখেতে ঘৰলৈ উভতি আহি যোৰহাট নৰ্মাল স্কুলত শিক্ষকতা আৰম্ভ কৰিলে। তেতিয়ালৈ পণ্ডিত শৰ্মাই ইংৰাজী ভাষা শিকাই নাছিল। ইংৰাজী জনাৰ প্ৰয়োজন বুজি অতি কম দিনৰ ভিতৰতে ইংৰাজী শিকি এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰিলে।

স্বাধীন মনৰ পণ্ডিত শৰ্মাই চৰকাৰী চাকৰি কৰি মনত সুখ পোৱা নাছিল। সংস্কৃতৰ জ্ঞানৰ বাৰিধিত অৱগাহন কৰা পণ্ডিত শৰ্মা স্বভাৱতে মাতৃভূমিৰ অতীত গৌৰৱৰ প্ৰতি শ্ৰদ্ধাৱান আছিল। আৰ্য ঋষি-মুনিসকলৰ অমৃতময় বাণী তেখেতৰ হৃদয়ত অনুৰণিত হৈ আছিল। সাত সমুদ্ৰ তেৰ নদীৰ সিপাৰৰপৰা আহি ভাৰতবৰ্ষক শাসন-শোষণ কৰা ইংৰাজ জাতিৰ প্ৰতি শৰ্মাৰ ভাল ভাব নাছিল। বিদেশীক খেদি কেতিয়ানো দেশক স্বাধীন কৰিব পাৰে এই চিন্তাই সদায় মনত লাগি আছিল।

দেশ স্বাধীন কৰিবলৈ হ'লে এচাম শিক্ষিত ডেকা-গাভৰু তৈয়াৰ কৰিবই লাগিব এনে এটি গভীৰ চিন্তাই পণ্ডিত শৰ্মাৰ মনত ঠাই পাইছিল। চিন্তাক ৰূপ দিয়াৰ কাৰণে প্ৰাণপণে চেষ্টা কৰিছিল। আৰু বাইজৰ সহায় লৈ লগতে নিজৰো পৈত্ৰিক সম্পত্তি যি অকণমান আছিল তাকো বিক্ৰী কৰি সেই ধনেৰে স্কুল পতা কামত ব্ৰতী হ'ল। পণ্ডিত শৰ্মাৰ প্ৰচেষ্টাত নগাঁও অঞ্চলটোত কেবাখনো স্কুল পতা হ'ল। শ শ ছাত্ৰ-ছাত্ৰীক পণ্ডিত শৰ্মাই জ্ঞানৰ পোহৰ দি তেওঁলোকৰ মাজত জাতীয় চেতনা জগাই তুলিবলৈ যি মহৎ প্ৰচেষ্টা চলাইছিল তাত তেখেতসকল কৃতকাৰ্য হৈছিল। এইদৰে স্কুল পতা কামত লাগি শৰ্মাদেৱে এবছৰ বিনা বেতনে ছুটী লৈছিল। শৰ্মাৰ প্ৰগতিশীল ভাৱ-ধাৰাৰ প্ৰতি ইংৰাজ চৰকাৰৰ কড়া নজৰ পৰিল। নগাঁওৰ বহা

হাইস্কুলখন পণ্ডিত শৰ্মাৰ নেৰা-নেপেৰা চেষ্টাৰ ফল। বিশ্বাস কৰিবলৈ টান যেন লাগিলেও এই স্কুলখন পাতোঁতে পণ্ডিত শৰ্মাই স্থানীয় ৰাইজৰপৰা কিছু টকা-কড়িৰ সাহায্য পাইছিল যদিও সেয়ে অকুলন হোৱাত জামুগুৰিত থকা তেখেতৰ পৈতৃক সম্পত্তিখিনিও বিক্ৰী কৰি স্কুলৰ কামত খৰছ কৰিছিল।

পণ্ডিত শৰ্মা এনেবোৰ চৰকাৰ বিৰোধী কামত লাগি থকাত অসমৰ সেইকালৰ শিক্ষাধিকৰ্তা কানিংহাম চাহাবে পণ্ডিত শৰ্মাৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱাৰ চিন্তা কৰিছিল। কিন্তু স্বাধীনতা-প্ৰিয় শৰ্মাক চাহাবৰ হেজাৰ ভাবুকিও একো কৰিব নোৱাৰিলে। স্বাৰ্থত্যাগী মহান নেতাগৰাকীয়ে এমুঠি ৰূপৰ মুদ্ৰাৰ মোহ হেলাৰঙে এফলীয়া কৰি থৈ চাকৰি ইস্তফা দিলে আৰু দেশ স্বাধীন কৰাৰ কামত আত্মনিয়োগ কৰিলে। এনেতে ১৯১৯ চনত জালিয়ান-ৱালাবাগৰ হত্যাকাণ্ডৰ পিছত দেশৰ ৰাজনৈতিক বাতাবৰণ অভাৱনীয়ৰূপে সলনি হ'ল। ১৯২০ চনত নাগপুৰত বহা কংগ্ৰেছ অধিবেশনত মহাত্মা গান্ধীয়ে আগবঢ়োৱা অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হ'ল। নাগপুৰ অধিবেশনত অসমৰপৰা যোগ দিয়া প্ৰতিনিধিসকলৰ ভিতৰত আছিল দেশভক্ত ফুকন, কৰ্মবীৰ বৰদলৈ; কুলধৰ চলিহা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ৰোহিণী কুমাৰ চৌধুৰী, ধনীৰাম তালুকদাৰ, নুৰুদ্দিন আহমদ আদিৰ লগত পণ্ডিত কনকচন্দ্ৰ শৰ্মা। নাগপুৰ অধিবেশনত খাদী কাপোৰৰ বহুল ব্যৱহাৰ দেখি লোকপ্ৰিয় বৰদলৈ আৰু পণ্ডিত কনকচন্দ্ৰ শৰ্মা বিশেষভাৱে আকৰ্ষিত হৈছিল আৰু ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনৰ মণ্ডপাদি নাগপুৰ অধিবেশনৰ আৰ্হিৰে সজোৱা হৈছিল।

নাগপুৰ অধিবেশনৰপৰা আহিয়েই অধিবেশনত লোৱা মূল প্ৰস্তাৱকেইটাক কাৰ্যকৰী ৰূপ দিবলৈ পণ্ডিত শৰ্মা উঠি পৰি লাগিছিল। মহাত্মাগান্ধীৰ আহ্বানক্ৰমে উকীলে ওকালতি এৰি, শিক্ষকে

শিক্ষাকতা এৰি, ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় বিসৰ্জন দি অসহযোগ আন্দোলনত জঁপিয়াই পৰিছিল। নগাঁও জিলাৰ ছাত্ৰ সমষ্টিৰ মাজত অসহযোগ জাগৰণমুখী ভাৱধাৰা প্ৰচাৰ কৰা কাৰ্যত পণ্ডিত কনকচন্দ্ৰ শৰ্মাই দায়িত্ব গ্ৰহণ কৰি তাক নিষ্ঠা আৰু সুখ্যাতিৰে পালন কৰিছিল। পণ্ডিত শৰ্মাৰ সকল প্ৰচেষ্টাত নগাঁও জিলাত বিদেশী দ্ৰব্য বৰ্জন, মাদক দ্ৰব্য ত্যাগ, অস্পৃশ্যতা বৰ্জন, স্বদেশী কাপোৰ পৰিধান আদি আঁচনি হাতত লৈ তুৰন্তে কাৰ্যকৰী ৰূপ দিয়া হৈছিল।

তেতিয়াও নগাঁও জিলাত প্ৰাদেশিক কংগ্ৰেছৰ শাখা গঠন হোৱা নাছিল। পণ্ডিত শৰ্মাই গোটেই জিলাখন ঘূৰি ঘূৰি, লগতে মুখ্য মুখ্য ব্যক্তিসকলৰ সৈতে আলোচনা কৰি কম দিনৰ ভিতৰতে শাখা এটা জন্ম দিলে।

১৯২২ চনৰ কথা। কংগ্ৰেছে চাহাবে ৰিৰ্পোট দাখিল কৰিলে যে অসমত মাদক দ্ৰব্য বৰ্জন কৰাৰ ফলত সেই বছৰত আপ্‌কাৰী বিভাগত ১৭ লাখ টকা ঘাটি পৰিছে। আৰু তাৰে ১০ লাখ অকল নগাঁও জিলাতে।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু পণ্ডিত কনকচন্দ্ৰ শৰ্মা এই দুজন দূৰদৃষ্টিসম্পন্ন ৰাজনীতিবিদে অসমৰ পৰ্বত-ভৈয়ামৰ লোকসকলৰ মাজত সমন্বয় আৰু সম্প্ৰীতি গঢ়াৰ অহৰহ চেষ্টা চলাইছিল। পণ্ডিত শৰ্মাই দুৰ্গম মিকিৰ পাহাৰ জিলাত অশেষ কষ্ট স্বীকাৰ কৰি গান্ধীজীৰ বাণী প্ৰচাৰ কৰি ফুৰিছিল। অটব্য হাবি-জঙ্গলৰ মাজেদি অতিক্ৰম কৰোঁতে সময়ে সময়ে বনৰীয়া হাতীৰ মুখতো পৰিবলগীয়া হৈছিল। হাতীৰ গচকত নপৰিল সঁচা; কিন্তু মেলেৰীয়া ৰোগৰ পৰা সাৰিব নোৱাৰিলে।

১৯২৩ চনত গয়াত কংগ্ৰেছ অধিবেশন বহিছিল। অসমৰ আন আন সতীৰ্থসকলৰ সৈতে পণ্ডিত শৰ্মাও গৈছিল। তাত অসমৰপৰা পণ্ডিত শৰ্মাই কাউন্সিলত প্ৰৱেশ কৰাৰ বিপক্ষে ভোট দি জয়লাভ

কৰি সাহস আৰু ৰাজনৈতিক বুদ্ধিৰ পৰিচয় দিছিল।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়তে পণ্ডিত শৰ্মাক গ্ৰেপ্তাৰ কৰি এবছৰ কাৰাদণ্ড বিহিছিল। কিন্তু স্বাস্থ্যজনিত কাৰণত পণ্ডিত শৰ্মা জেলৰপৰা ওলাই আহিবলগীয়া হৈছিল। এইদৰে কংগ্ৰেছৰ কামত অনবৰত লাগি থকাত, লগতে জেল-হাজোতত বাৰে বাৰে থাকিবলগীয়া হোৱাত তেখেতৰ আৰ্থিক অৱস্থা দিনক দিনে শোচনীয় হৈ আহিল। তেখেতৰ স্থাবৰ সম্পত্তি বুলিবলৈ ছুটা সৰু ঘৰে সৈতে থকা ভেটিটোত বাহিৰে একোকে নাছিল। কোৱা বাহুল্য যে সেই ঘৰ ছুটাও গাঁৱৰে মানুহে কায়িক শ্ৰম দান কৰি পণ্ডিত শৰ্মাৰ প্ৰতি অকৃত্ৰিম মৰম-শ্ৰদ্ধা দেখুৱাই বান্ধি দিছিল।

আৰ্থিক অনাটনৰ মাজত দিন নিয়াব লগা হ'লেও তেখেতৰ সাংসাৰিক জীৱন সুখৰ আছিল। তেখেতৰ পত্নী এগৰাকী আদৰ্শ মহিলা আছিল। অভাৱ-অভিযোগৰ কথা স্বামীক জানিব নিদি নানা দুখ-কষ্টৰ মাজেদি কণ কণ ল'ৰা-ছোৱালীকেইটাৰ সমস্ত দায়িত্ব নিজে মূৰ পাতি লৈ পণ্ডিত শৰ্মাক দেশ আৰু সমাজৰ কামত আত্ম-নিয়োগ কৰিবলৈ সহায় কৰিছিল।

১৯২৩ চনত পণ্ডিত শৰ্মাক অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰা হৈছিল। স্বাধীন ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ডক্টৰ ৰাজেন্দ্ৰ প্ৰসাদ পণ্ডিত শৰ্মাৰ বিশিষ্ট বন্ধু আছিল। পাণ্ডু কংগ্ৰেছ অধিবেশনৰ প্ৰস্তুতিৰ কাম পৰিদৰ্শন কৰিবলৈ আহোঁতে পণ্ডিত শৰ্মাৰ অসুখৰ খবৰ পাই ডক্টৰ ৰাজেন্দ্ৰ প্ৰসাদে শৰ্মাৰ ঘৰলৈ গৈ খা-খবৰ লৈছিল আৰু ছেগ বুজি অধিবেশনৰ পেণ্ডেল সজাৰ দায়িত্ব তেখেতকে অৰ্পণ কৰিছিল।

পণ্ডিত কনকচন্দ্ৰ শৰ্মাক অসমৰ চৰ্দাৰ পেটেল বোলা হৈছিল। 'বৰদলি সত্যাগ্ৰহ' পেটেলৰ সবল নেতৃত্বত সম্পূৰ্ণ ফলৱতী হোৱাত মহাত্মা গান্ধী সন্তুষ্ট হৈ পেটেলক "চৰ্দাৰ" উপাধিৰে সন্মানিত কৰিছিল। সেই আৰ্হিৰে নগাঁওত হোৱা আইন অমান্য আন্দোলনত পণ্ডিত

কনকচন্দ্ৰ শৰ্মাই জয়লাভ কৰাত অসমৰ গুণগ্ৰাহী লোকে তেখেতক "চৰ্দাৰ পেটেল" আখ্যা দিছিল। ১৯৩০ চনত নগাঁও জিলাৰ কংগ্ৰেছ কমিটিৰ সভাপতি হৈ থকা সময়ত শৰ্মাক পুনৰ গ্ৰেপ্তাৰ কৰি জেইললৈ নিয়ে (১৯৩০-৩২)। এইবাৰ কাৰাগাৰত থাকি পণ্ডিত শৰ্মাই গান্ধী চৰিত নামৰ পুথিখনি লিখে। এই পুথিখনৰ জৰিয়তে শৰ্মাই নিজৰ আদৰ্শ আৰু ৰাজনৈতিক দৰ্শন দাঙি ধৰে। যাক তেখেতে জীৱনৰ শেষ মুহূৰ্তলৈকে আখৰে আখৰে পালন কৰিছিল।

১৯৩১ চনত অসম ছাত্ৰ সন্থাৰ বছৰেকীয়া অধিবেশন গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অনুষ্ঠিত হয়। সেই অধিবেশনত পণ্ডিত শৰ্মাই পৌৰোহিত্য কৰিছিল আৰু দেশভক্ত আৰু কৰ্মবীৰে ভাষণ দিছিল। সেই বছৰ অসম ছাত্ৰ সন্থাৰ সম্পাদক আছিল ৰজনীকান্ত গোস্বামী।

মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ ঘৰে ঘৰে কপাহ খেতি কৰা, সূতা কটা, তাঁত বোৱা আদি শিল্প উদ্যোগত মানুহে মন দিছিল। ঠায়ে ঠায়ে তেনে কিছুমান উদ্যোগ প্ৰতিষ্ঠানো পতা হৈছিল। পণ্ডিত কনকচন্দ্ৰ শৰ্মাই এই উদ্যোগত আগভাগ লৈছিল। ভৰলুমুখৰ দেশভক্ত ফুকনৰ হাউলীৰ পিছফালে থকা চাবোন ফেক্টৰীটোত পণ্ডিত শৰ্মাৰ প্ৰচেষ্টাত তাঁত শিল্প প্ৰতিষ্ঠান এটি গঢ় লৈ উঠিছিল।

পণ্ডিত শৰ্মাই ধৰ্মীয় নীতি-নিয়মবোৰ অতি নিষ্ঠাৰে পালন কৰিছিল। আনকি জেলত থকা সময়তো নিত্য-নৈমিত্তিকভাৱে ধৰ্মীয় অনুশাসনবোৰ মানিছিল আৰু নিজে ৰন্ধা-বঢ়া কৰি খাইছিল। এনে ধৰণৰ কাৰ্যৰ বাবে বহুতে পণ্ডিত শৰ্মাক সংৰক্ষণশীল ব্যক্তি বুলি মাজে সময়ে মত প্ৰকাশ কৰিছিল। কিন্তু তেখেতে নিজে যিটো পথ শুদ্ধ বুলি ভাবিছিল সেই সম্পৰ্কত আনে দিয়া মতামতৰ ওপৰত অকণো গুৰুত্ব নিদিছিল।

পণ্ডিত শৰ্মাৰ ব্যক্তিত্ব আৰু মানৱীয় গুণৰ তুলনা নাছিল।

নৈষ্ঠিক ব্ৰাহ্মণ হৈও সমাজৰ অস্পৃশ্য অৱহেলিত শ্ৰেণীৰ লোকসকলৰ মঙ্গলাৰ্থে হাতে-কামে লাগি গৈছিল। এবাৰ নগাঁৱত কলেৰা মহামাৰীয়ে দেখা দিয়াত পণ্ডিত শৰ্মাই কেইজনমান সতীৰ্থক লগত লৈ গাঁৱে-গাঁৱে, ঘৰে-ঘৰে ফুৰি ৰোগীসকলৰ সেৱা-শুশ্ৰূষা কৰিছিল। প্ৰত্যক্ষ দৰ্শীৰ মতে পণ্ডিত শৰ্মাই নিজ হাতে সমাজৰ অৱহেলিত শ্ৰেণীৰ ৰোগী সকলৰ শৌচ-বমিৰ কাপোৰ-কানি ধুইছিল। মহাপুৰুষ শঙ্কৰদেৱ, মহাত্মা গান্ধী আদিৰ কাৰণেহে এনে কাম সম্ভৱ হ'লেও পণ্ডিত শৰ্মাও সেই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল।

১৯৩৯ চনত পণ্ডিত শৰ্মা কংগ্ৰেছৰপৰা আঁতৰি থাকে। সেই সময়ছোৱাত তেখেতে "অসমীয়া ৰামায়ণ" আৰু "ঈশমুণ্ডকোপনিষৎ" নামৰ মূল্যবান গ্ৰন্থ দুখনি ৰচনা কৰে। সেই বছৰতে হিন্দু মহাসভাৰ অসম শাখাৰ সম্পাদকৰ দায়িত্ব শৰ্মাদেৱে বহন কৰিছিল। একে সময়তে চাৰ চাদুল্লাৰ মন্ত্ৰী সভাৰ তলত ধুপধৰাত হিন্দু-মুছলমান-সকলৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হোৱাৰ উপক্ৰম হৈছিল। পণ্ডিত শৰ্মাই এই খবৰ পাই তুৰন্তে ধুপধৰাত উপস্থিত হয় আৰু মহাত্মা গান্ধীৰ আদৰ্শৰে সত্যাগ্ৰহ আৰম্ভ কৰি সকলোকে অবাক আৰু আচৰিত কৰি দুয়ো দলৰ মাজত পূৰ্বৰ সম্প্ৰীতি ঘূৰাই আনিবলৈ সমৰ্থ হয়। এই মহান কাৰ্যৰ ফলত শৰ্মাৰ হিন্দু মহাসভাৰ সভাপতি সাভাৰ্কাৰৰ লগত পৰিচয় ঘটে। সাভাৰ্কাৰে পণ্ডিত শৰ্মাৰ এই মহান কাৰ্যৰ বাবে শলাগ লয় আৰু তেওঁক অভিনন্দন জনায়।

১৯৩৯ চনত চাটগ্ৰামত "মুছলিম লীগ"ৰ গোপনীয় অধিবেশন বহিছিল। গোপন আলোচনাত চাদুল্লাই সেই বছৰৰ মাৰ্চ মাহৰ ভিতৰতে লক্ষাধিক পৰিয়াল মৈমনসিঙৰপৰা অসমলৈ তুলি আনি প্ৰায় ৩০ লাখ বিঘা চৰকাৰী মাটিত বহুৱাৰ পৰিকল্পনা লোৱাত অসমৰ ভৱিষ্যৎ অন্ধকাৰ ভাবি অলপো সময় নষ্ট নকৰি দেশভক্ত ফুকন, বৰদলৈ আদি তেখেতৰ কেইজনমান বিশিষ্ট বন্ধুক এই ঘোৰ সঙ্কটৰপৰা অসমক ৰক্ষা কৰাৰ কাৰণে অনুৰোধ কৰিলে। আনকি

বিত্ত মন্ত্ৰী ৰোহিণী কুমাৰ চৌধুৰীক কনকচন্দ্ৰ শৰ্মাই লগ ধৰি লীগ মন্ত্ৰী সভাৰপৰা ওলাই অহাৰ সন্মতি ল'লে। আনফালে প্ৰতিখন জিলালৈ গৈ লগতে এম. এল. এ.-সকলক লগ ধৰি আৰু ভাইচৰয়লৈ টেলিগ্ৰাম আদি পঠাই পৰৱৰ্তী চাদুল্লা মন্ত্ৰী সভাৰ পতন ঘটাই অসম আৰু অসমীয়া জাতিৰ এটি মহৎ উপকাৰ কৰিলে। ইয়াৰ পিচৰ-পৰা পণ্ডিত শৰ্মাই ৰাজনীতিত সক্ৰিয় ভূমিকা লোৱাৰপৰা বিৰত থাকিছিল আৰু প্ৰধানতঃ স্কুল পতাকে ধৰি সমাজ উন্নয়নমূলক কামত আৰু লিখা-পঢ়াত মনোনিবেশ কৰিলে।

ৰহা হাইস্কুল পতাৰ পিচতে বেবেজীয়া হাইস্কুল পতাত পণ্ডিত শৰ্মাই অশেষ কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল। বেবেজীয়া স্কুলৰ চেক্ৰেটাৰীৰ দায়িত্বত থাকি সেই সময়ৰ চৰকাৰৰপৰা কোনো প্ৰকাৰৰ সাহায্য নোলোৱাকৈ বাইজৰপৰা খুজি-মাগি প্ৰায় দহ লাখ টকা সংগ্ৰহ কৰি এই হাইস্কুলখন পাতে। এই হাইস্কুলখন দুবাৰো কোনোবাই জ্বলাই দি বহুতো ক্ষতি সাধন কৰে যদিও পণ্ডিত শৰ্মাৰ পৰিশ্ৰমৰ ফলত দুয়ো বাৰেই স্কুলখনে পুনৰ জীৱন লাভ কৰে।

পণ্ডিত শৰ্মা একেবাহে ৰাজনীতিবিদ, শিক্ষক, সাহিত্যিক, সমাজ সংস্কাৰক ও শিক্ষাবিদ আছিল। শিক্ষাৰ পথাৰত তেখেতে এটি আমূল পৰিবৰ্তন অনাৰ চেষ্টা কৰিছিল। তেখেতৰ পৰিকল্পনাক ৰূপ দিবৰ বাবে বেবেজীয়া হাইস্কুলখন এখন আবাসিক স্কুল হিচাপে গঢ়ি তুলি তাত পৰীক্ষামূলক শিক্ষা প্ৰবৰ্তন কৰাৰ চেষ্টা কৰিছিল। সংস্কৃত ভাষাক পুনৰ উদ্ধাৰ কৰা আৰু ৰাষ্ট্ৰীয় ভাষাৰ মৰ্যাদা দিয়া চিন্তাও পণ্ডিত শৰ্মাই কৰিছিল।

পণ্ডিত শৰ্মা এজন প্ৰবীণ সাহিত্যিক আছিল। তেখেতৰ অসমীয়া আৰু সংস্কৃত ভাষাত লিখা কেইবাখনো পুথি হাতে লিখা অৱস্থাত আছে। ৰাজনীতিৰপৰা আঁতৰি আহি সাহিত্য চৰ্চাত মন দিছিল। জীৱনৰ শেষ দশাত তেখেতে ধৰ্মীয় শাস্ত্ৰ অধ্যয়ন কৰাত বহুতো সময় কটাইছিল। আৰু "কুন্তী-চৰিত" নামৰ পুথিখন লেখি

উলিওৱাত ব্যস্ত হৈ পৰিছিল। এই পুৰিখন ৰচনা কৰোঁতে তেখেতে অসীম কষ্ট কৰিবলগীয়া হৈছিল। অধ্যয়ন আৰু লেখা কামত ব্যস্ত থাকোঁতে কেতিয়াবা খোৱা-লোৱাৰ কথাও পাহৰি গৈছিল। তেখেতৰ এই মহান প্ৰচেষ্টাত তাঙৰ বোৱাৰী শ্ৰীমতী বীণা শৰ্মাই অকুণ্ঠ সহায় আগবঢ়াইছিল আৰু তেখেতৰ সাহিত্য, গল্প, কাহিনীৰ নীৰৱ শ্ৰোতা হৈ অনুপ্ৰেৰণা যোগাইছিল।

এইজন অসম মাতৃৰ সু-সন্তানে ৭৭ বছৰ বয়সত ১৯৫৯ চনৰ জুলাই মাহৰ ৭ তাৰিখে চিলঙৰ বাসভৱনত ইহলীলা সম্বৰণ কৰে। তেখেতৰ সম্পৰ্কত তেখেতৰে এজন বিশিষ্ট সহকৰ্মীয়ে মন্তব্য কৰিছে—"পণ্ডিত কনকচন্দ্ৰ শৰ্মা পূৰ্বৰেপৰা ত্যাগী পুৰুষ। পৰাধীনতা ইংৰাজৰে নহয় আন কাৰো হাক-হুকুমে চলা তেওঁ সহ্য নকৰিছিল বাবেই ভোগ-বিলাস কৰাটো তেওঁৰ কল্পনাৰ বাহিৰ যেন হৈ ফুটি ওলাইছিল। গোটেই জিলাখন গুদা ভৰিৰে তেওঁ কেইবাৰ খোজকাঢ়ি ফুৰিলে তাৰ হিচাপ নাই। পাহাৰে-পৰ্বতে জিলাৰ চুকে-কোণে শিক্ষা প্ৰসাৰণ, কানি, ভাং, মদ নিবাৰণ আৰু খদ্দৰ প্ৰচলনেই তেওঁৰ যেন ধৰ্ম, দুখ-কষ্ট যেন তেওঁৰ ভোগৰহে সামগ্ৰী। অতিকৈ অৰ্থ কষ্ট হ'লে পুত্ৰেকসকলৰ মাচুলৰ কাৰণে কেতিয়াবা কোনো বন্ধুক কৈ কেতিয়াও বিমুখ হোৱা নাছিল। নিৰ্ভীক আৰু স্পষ্ট-বাদিতাৰ গুণ আৰু জ্ঞানৰ কথা বিলোৱাই যেন তেওঁৰ ধৰ্ম। কানি, ভাং, মদ নিবাৰণী আৰু খদ্দৰৰ কাৰণে প্ৰচাৰকাৰ্য অবিৰত চলাই আছিল আৰু ১৯২২ চনৰ পিছত তেওঁ প্ৰধানকৈ কংগ্ৰেছৰ বাণী গাঁৱে-ভুঁএ প্ৰচাৰ কৰি ফুৰিছিল। নগৰ কেইজনমান যেতিয়া কানি দোকানলৈ গ'ল, সকলোৱে মৰ্মান্তিক আঘাত পাইছিলো। আন সকলো নিতাল কিন্তু ১৯৩০ চনলৈকে "পণ্ডিতজীয়েই কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব নেৰি কংগ্ৰেছৰ বাণী অকলেই প্ৰচাৰ কৰি ফুৰিছিল।"

কুলধৰ চলিহা

১৯২১ চনতে হাকিম পদ ইস্তফা দি আজীৱন কংগ্ৰেছৰ সেৱা কৰি মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, নেতাজী সুভাষ চন্দ্ৰ বসু, ডঃ ৰাজেন্দ্ৰ প্ৰসাদ প্ৰমুখ্যে সৰ্বভাৰতীয় কংগ্ৰেছী নেতাসকলৰ অতি আস্থাভাজন হৈ অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ প্ৰতিষ্ঠাপক সভাপতি কুলধৰ চলিহাৰ ১৯৬৩ চনৰ ১৯ জানুৱাৰীৰ পুৱা ৪ বজাত ধনুষ্টঙ্কাৰ ৰোগত যোৰহাট মিচন হস্পিতালত ৭৮ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। অসম কংগ্ৰেছৰ অবিসম্বাদী এইজন সৰ্বজনপ্ৰিয় নেতাৰ ১৮৮৬ চনৰ ২০ চেপ্টেম্বৰৰ দিনা উত্তৰ লক্ষীমপুৰত জন্ম হৈছিল। তেখেতৰ পিতৃ ৰায়বাহাদুৰ ফণীধৰ চলিহাই সেই সময়ৰ অতি লোভনীয় চাব্‌ডেপুটি কলেক্টৰ আৰু পিচত হাকিমৰ চাকৰি কৰিছিল।

ফণীধৰ চলিহাই উত্তৰ লক্ষীমপুৰৰপৰা শিৱসাগৰলৈ বাসস্থান পৰিবৰ্তন কৰাত কুলধৰ চলিহাই শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা এনট্ৰেন্স পৰীক্ষা পাছ কৰি উচ্চ শিক্ষা লাভৰ কাৰণে কলিকতালৈ যায়। কলিকতাৰ প্ৰেচিডেন্সি কলেজত পঢ়োঁতে ডাঃ ৰাজেন্দ্ৰ প্ৰসাদক সহপাঠী হিচাপে লগ পায় আৰু দুয়ো হিন্দু হোষ্টেলত থাকে। তাৰ পিছত চলিহাই বি. এ. আৰু আইন পৰীক্ষা পাছ কৰি ঘৰলৈ আহিয়েই ১৯১৯ চনত ওকালতি আৰম্ভ কৰে।

১৯১৯ চনত নীলাম্বৰ বৰুৱাৰ কন্যা শ্ৰীমতী শশীপ্ৰভাক বিয়া কৰায়। তেতিয়া চলিহাৰ বয়স প্ৰায় চৌত্ৰিশ আৰু শশী প্ৰভাৰ বয়স তেৰ নে চৈধ্য মাত্ৰ। সময়ত তেখেতসকলৰ তিনিজন পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ জন্ম হয়। প্ৰথম পুত্ৰ শ্ৰীদেৱেন্দ্ৰ চলিহা

অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য। আন দুজন পুত্ৰ শ্ৰীসুৰঞ্জিৎ চলিহা আৰু শ্ৰীসুৰঞ্জিত চলিহা ক্ৰমে প্ৰখ্যাত ভূতাত্বিক আৰু শিল্প উদ্যোগিক। কুলধৰ চলিহাৰ ৰাজনৈতিক জীৱন আৰম্ভ হয় ১৯১৯ চনত। ১৯১৮ চনত চলিহাই কাউন্সিলত ভৰ্তি হোৱাৰ কথা ভাবিছিল যদিও সেই সময়ত অসহযোগ আন্দোলন আৰম্ভ হোৱাত আন্দোলনত যোগ দিয়ে আৰু মহাত্মা গান্ধীৰ বাণী ঘৰে ঘৰে প্ৰচাৰ কৰি ফুৰে। তেখেতে মহাত্মাৰ বাণী কৈ জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰে আৰু শ শ লোক আগবাঢ়ি আহি আন্দোলনত জঁপিয়াই পৰে।

১৯২০ চনৰ এপ্ৰিল মাহত অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন হোৱাত চন্দ্ৰনাথ শৰ্মাৰ প্ৰস্তাৱ আৰু ৰোহিণী কুমাৰ চৌধুৰীৰ সমৰ্থন-ক্ৰমে কুলধৰ চলিহা প্ৰথম সভাপতি আৰু নবীনচন্দ্ৰ বৰদলৈ সম্পাদক হয়। তাৰ পিচতে অকণো সময় নষ্ট নকৰাকৈ কংগ্ৰেছৰ কাৰ্যসূচী ফলৱতী কৰাত লাগি যায়। সৰ্বপ্ৰথমে প্ৰজাসাধাৰণক ইংৰাজ চৰকাৰক ৰাজহ নিদিবলৈ আৰু কানি বৰ্জন কৰিবলৈ আহ্বান জনায়। তাৰ পিছত ১৯২১ চনৰ জুন মাহত নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণ ৰাম ফুকনৰ লগত বোম্বাইলৈ গৈ মহাত্মা গান্ধীক সাক্ষাৎ কৰি অসমলৈ আহিবলৈ অনুৰোধ কৰে। তেখেতসকলৰ অনুৰোধ ৰক্ষা কৰি সেই বছৰৰে আগষ্ট মাহত মহাত্মা গান্ধী প্ৰথম-বাৰৰ কাৰণে অসমত পদাৰ্পণ কৰি ৰাইজক অভূতপূৰ্ব প্ৰেৰণা আৰু সাহস যোগালে। চলিহা, ফুকন আৰু বৰদলৈ অসহযোগ আন্দোলন আৰু কানি বৰ্জন অভিযানত ৰাইজৰপৰা বিপুল সঁহাৰি পালে। ফলত ইংৰাজ চৰকাৰৰ কানিৰ শুল্ক আৰু ৰাজহ বহু পৰিমাণে ঘাটি পৰিল। এই অপৰাধত তিনিওকে গ্ৰেপ্তাৰ কৰি ফুকন আৰু বৰদলৈক যোৰহাট জেললৈ চালান দিলে আৰু চলিহাক চীনামৰাত কিছুদিন ৰাখি বৰভেটালৈ পঠালে। কানি বৰ্জন আন্দোলনৰ পৰি-প্ৰেক্ষিতত কমেও ১১০০ কৰ্মী কাৰাবৰণ কৰিবলগীয়া হ'ল। সেই-সকলৰ ভিতৰত ৰোহিণী কুমাৰ চৌধুৰী, বিষ্ণুৰাম মেধী, গৌৰীকান্ত

তালুকদাৰ, ৰঘুনাথ চৌধাৰী, বৃন্দাবন গোস্বামী, কুমুদ বৰা, সিদ্ধিনাথ শৰ্মা, অম্বিকাগিৰি ৰায়চৌধুৰী, অমিয় কুমাৰ দাস, লক্ষেশ্বৰ বৰুৱা, দুৰ্গাপ্ৰসাদ বৰঠাকুৰ, ভুবন গগৈ আৰু বহুতো আইন ব্যৱসায়ী আছিল।

জেলত থকা সময়ত এদিন মিঃ বি. চি. এলেনে আন্দোলনকাৰী-সকলে চৰকাৰক ৰাজহ দিবলৈ কিয় বাধা দিছে বুলি প্ৰশ্ন কৰাত কুলধৰ চলিহাই স্পষ্ট ভাষাৰে তাৰ কৈফিয়ৎ দিছিল। তাৰে দুদিনমানৰ পিছতে ফুকনক চিলচৰ জেললৈ, বৰদলৈ আৰু চলিহাক চিলেট জেললৈ বদলি কৰিলে। চিলেট জেলত গৰমৰ উৎপাতত তেখেতসকলে অতিপাত কষ্ট পালে আৰু চলিহাৰ শৰীৰৰ ওজন ১২৪ পাউণ্ডৰপৰা কমি ৯২ পাউণ্ড হ'লগৈ আৰু বৰদলৈৰ ডিঙিৰ অসুখ হ'ল।

১৯২২ চনৰ ডিচেম্বৰ মাহত চলিহাই মুক্তি পাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ গয়া অধিবেশনত পোনে পোনে যোগ দিবলৈ গ'ল। তাত ফুকন, সুভাষ চন্দ্ৰ বসু আৰু চিত্তৰঞ্জন দাসক লগ পোৱাত তেখেত-সকলে চলিহাক কাউন্সিলত যোগ দিবৰ কাৰণে জোৰ কৰে। চলিহাই তপতে তপতে সম্মতি নিদি মহাত্মাৰ অপৰিবৰ্তিত নীতিতে দৃঢ়ভৰ দি থাকিল যদিও অসম পোৱাৰ পিচত বৰদলৈ আৰু ফুকনৰ হেঁচাত গোলাঘাট সমষ্টিৰ প্ৰতিনিধি নিৰ্বাচিত হৈ কাউন্সিলত সোমাল। তাৰ পিছত কাউন্সিলৰ ভিতৰতে স্বৰাজ্য দল গঠন কৰি ডিব্ৰুগড়ৰ ফইজনুৰ আলিক দলপতি আৰু চিলেটৰ ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰীক উপদলপতি পাতিলে। এই দলত বসন্ত কুমাৰ দাস, কমলা দাস, কামাখ্যা ৰাম বৰুৱা আৰু বহুতে যোগ দিলে। স্বৰাজ দলত চলিহা, ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু বসন্ত দাসে বিশেষ ভূমিকা গ্ৰহণ কৰি দলৰ কাৰ্যকলাপৰ তীব্ৰ আলোচনা কৰিছিল। তাৰ পিছতো দুবাৰ চলিহা কাউন্সিলৰ সদস্য আছিল।

১৯২৬ চনত পাণ্ডুত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনৰ সভাপতি আছিল শ্ৰীনিবাস আয়েঙ্গাৰ। এই অধিবেশনত আয়েঙ্গাৰ, মতিলাল নেহৰু আদিয়ে আগবঢ়োৱা যুক্তিত মহাত্মা গান্ধী একমত হ'ব নোৱাৰি কিছুদিন আঁতৰি থাকে। সময়ত গান্ধীজীৰ ধাৰণাই সত্য বুলি প্ৰমাণিত হ'ল। কাউন্সিলৰ সদস্যসকলে কাকতে-পত্ৰে লিখি, সভা-সমিতি পাতি পাৰে মানে নিজৰ ঢোল পিটিলে, শেষত সকলো ফুটুকাৰ ফেন হ'ল। কাউন্সিলে স্বৰাজ আন্দোলনক সহায় কৰক ছাৰি পৰোক্ষভাৱে ইংৰাজকহে সহায় কৰিলে। অন্তত, নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সিদ্ধান্তক্ৰমে আটায়ে কাউন্সিল ত্যাগ কৰিলে।

পাণ্ডু কংগ্ৰেছৰ পিচত 'কানি অনুসন্ধান কংগ্ৰেছ কমিটি' এখন গঠন কৰি কুলধৰ চলিহাক সভাপতি, ৰোহিণী হাতীবৰুৱাক সম্পাদক আৰু নবীনচন্দ্ৰ বৰদলৈ, তৰুণৰাম ফুকন, কৃষ্ণনাথ শৰ্মা আৰু আন কেইজনমানক সদস্য নিৰ্বাচন কৰা হ'ল। এই কমিটিৰ সদস্যসকলে ১২৬০ মাইল ভ্ৰমণ কৰি ৫২৬ জন লোকৰ সাক্ষী লৈ ১৯২৬ চনৰ-পৰা ৫ বছৰৰ ভিতৰত অসমত কানি খোৱা সম্পূৰ্ণ বন্ধ হ'ব লাগিব বুলি প্ৰতিবেদন দাখিল কৰিলে। যি কি নহওক চলিহাৰ সবল নেতৃত্বত কানি ৰবৰিছৰ গছ অসম ভূমিৰপৰা উভালি পেলোৱাৰ যি নেৰানেপেৰা চেষ্টা চলিছিল সি ১৯৩৯ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰিমিয়াৰ হোৱাত বাস্তৱ ৰূপ পালে আৰু আইনৰ দ্বাৰা কানি খোৱা সম্পূৰ্ণ নিষিদ্ধ কৰা হ'ল।

১৯২১ চনত বোম্বেত মহাত্মা গান্ধীক সাক্ষাৎ কৰি অসমলৈ নিমন্ত্ৰণ কৰাৰ সময়ত মহাত্মাই হৰিজন কাকতত অসমীয়া লোকক কোল, ভিল, পিণ্ডাৰী আদি লোকসকলৰ লগত তুলনা কৰাৰ ক্ষোভ মহাত্মাৰ আগত প্ৰকাশ কৰি মহাত্মা নিজে অসমলৈ আহি এই কথাৰ বুজ লোৱাটো উচিত হ'ব বুলিও কোৱা হৈছিল। শেষত মহাত্মা অসমলৈ আহি অসমীয়া লোকৰ ঐতিহ্য আৰু

তেওঁলোকৰ সভ্যতা-সংস্কৃতিৰ বাবে জোৰিত 'ইয়ং ইণ্ডিয়া' কাকতত তেওঁলোকে ইতিপূৰ্বে কৰা সত্যাগ্ৰহৰ কাৰণে গভীৰ সুখ প্ৰকাশ কৰি "মনোৰম অসম" (Lovely Assam) নামৰ প্ৰবন্ধ লিখি পূৰ্ণ মন্তব্য সদৰি কৰিছিল।[*]

অসহযোগ আন্দোলনৰ সময়ত মহাত্মা গান্ধীক অসমবাসীয়ে দুখতে ইাউলিত কথা উঠিছিল। মহাত্মাক তাত এবি কুলধৰ চলিহা আৰু অমিয় কুমাৰ দাসদেৱ যোৰহাটলৈ বেলেৰে গৈ তাত মহাত্মা গান্ধীক আদৰণি জনোৱাৰ যত্নৰ যো-জা কৰিছিলে। ২৭ আগষ্ট তাৰিখে মহাত্মাগান্ধী যোৰহাট পালে আৰু হেজাৰ হেজাৰ লোকে মহাত্মা গান্ধীৰ চৰণ স্পৰ্শ কৰি জীৱন ধন্য কৰিলে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে মহাত্মা গান্ধীৰ অসম ভ্ৰমণৰ কালত সভা-সমিতিলৈ অনা-নিয়া কৰিবৰ কাৰণে কোনো মোটৰ গাড়ী দি সহায় কৰিবলৈ আগবাঢ়ি নাহিল। শেষত আমেৰিকান মিছনেৰী নেতাজন এহ. এ. ডিকছনে তেওঁৰ গাড়ী এখন দি সহায় কৰিলে আৰু তেওঁ নিজেই গাড়ী চলালে। সেইদিনা আবেলি যোৰহাট কোৰ্ট মৈদামত প্ৰায় দুকুৰি হেজাৰ লোকে সভাত যোগ দিলে। সভাত মহাত্মাৰ বিলাতী কাপোৰ পুৰিব দিয়া তেজস্বী ভাষণ শুনি ৰাইজ উদ্বুদ্ধ হ'ল। ভাষণত তেওঁ মহাত্মা গান্ধীৰ আদৰ্শক অনুসৰণ কৰি জন্মভূমিক উদ্ধাৰ কৰাৰ কাৰণে যি কোনো ত্যাগ স্বীকাৰ কৰিবলৈ আহ্বান জনাইছিল। তেওঁলোক-সকলৰ লগত মৌলানা মহম্মদ আলী আৰু আচাৰ্য কৃপালনিও আহিছিল।

অসম ভ্ৰমণ কালত গান্ধীজী অসমীয়া তিৰোতাই কাপোৰ বোৱা নৈপুণ্য দেখি কাব্যিক বৰ্ণনাৰে কৈছিল—"অসমীয়া তিৰোতাই হাতে তঁতুৰা সুঁচিতে শুকুৰা কাপোৰ বব পাৰে। তেওঁলোকে কাপোৰত সপোন ৰচনা কৰে।" এই কথা মহাত্মাই "ইয়ং ইণ্ডিয়া" কাকতত লিখিছিল।

১ ** মহাত্মা গান্ধীৰ আলোকত আদি "মুকুন্দ প্ৰবন্ধাৱলী" চলিহা [illegible]

অসম কংগ্ৰেছৰ আগশাৰীৰ নেতাসকল চৰকাৰৰ কোপ-দৃষ্টিত পৰিল আৰু অচিৰে কাৰাবৰণ কৰিবলগীয়া হ'ল। এনেতে চৌৰিচৌৰা দুৰ্ঘটনাৰ পিছত মহাত্মাই আন্দোলন স্থগিত কৰিলে। এই ঘটনাৰ পিছত মহাত্মাকো গ্ৰেপ্তাৰ কৰা হ'ল। মিঃ ব্ৰুমফিল্ডৰ আদালতত মহাত্মাৰ কাৰাদণ্ডৰ হুকুম হ'ল। এই ঐতিহাসিক বিচাৰে এটা কথা প্ৰমাণ কৰিলে যে ভাৰতবৰ্ষত মহাত্মাৰ সমতুল্য দ্বিতীয় নেতা এজন আৰু নাছিল।

ইয়াৰ পিছত ব্ৰহ্মপুত্ৰ উপত্যকাত অসহযোগ আন্দোলনে বেচ গা কৰি উঠিছিল। বহুতো আলাপ-আলোচনাৰ পিছত অসমৰ কংগ্ৰেছী নেতাসকলে কাউন্সিলত যোগ দিয়াৰ সিদ্ধান্ত লৈছিল। মহাত্মা এই সিদ্ধান্তত সন্তুষ্ট হ'ব পৰা নাছিল। দ্বিতীয়তে, তেখেতে কানি বৰ্জন কৰাৰ লগতে কপাহ খেতি কৰা, সূতা কটা, খদ্দৰ ব্যৱহাৰ কৰা আদি কথাও ৰাইজৰ মাজত প্ৰচাৰ কৰিবলৈ জোৰ দিছিল। ইয়াৰ পিছত ১৯৩৪ চনত হৰিজন আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ কাৰণে ১৯৩৪ চনত মহাত্মা গান্ধী অসমলৈ আহোঁতে সেই বাৰো যোৰহাটলৈ যায়। যোৰহাট পায়েই মহাত্মা গান্ধী আন্দোলনৰ পৰিপ্ৰেক্ষিতত আৰু তেওঁক আদৰণি জনোৱা ক্ষেত্ৰত কিমান খৰচ হ'ল তাৰ হিচাপ-পত্ৰ বিচাৰিলে। হিচাপ পৰীক্ষা কৰোঁতে এঠাইত তেখেতৰ থকা-খোৱাৰ খৰচ বাবদ ১৫৮·০০ টকা খৰচ হোৱা দেখি তেখেতে তৎক্ষণাৎ চলিহাক তেখেতক আলহী হিচাপে ৰাখিবলৈ কোৱাত চলিহাই পৰম কৃতাৰ্থ মানিলে। লগে লগে ১৫৮ টকা হিচাপৰ বহীত চলিহাই জমা দিলে। দ্বিতীয় মজাৰ ঘটনাটো আছিল যে এজন ডেকা উকীলে কংগ্ৰেছৰ পুঁজিত কিছু টকা জমা দিব বুলি প্ৰতিশ্ৰুতি এটা দিছিল। মহাত্মা গান্ধী ডিব্ৰুগড়ৰপৰা আহি যোৰহাট পায়েই চলিহাক সুধিছিল—"টকা দিব খোজা সেই ডাঙৰ উকীলজন আহিছিলনে বাৰু?" মহাত্মাৰ অসম ভ্ৰমণে অসমৰ জনতাক বিশেষকৈ নেতাসকলক নৈতিক বলত

বলিয়ান কৰি তুলিছিল। তাবে কেইজনমানে জীৱনৰ শেষ মুহূৰ্ত্তলৈকে মহাত্মা গান্ধীৰ আদৰ্শক শিৰোধাৰ্য কৰি চলিছিল। তাৰে এজন আছিল কুলধৰ চলিহা।

কুলধৰ চলিহাৰ পূৰ্বপুৰুষ কনৌজৰপৰা আহি অসমত থিতাপি লৈছিল। উচ্চ কুলোদ্ভৱ চলিহা আৰ্যগঢ়ী চেহেৰাৰ ওখই-পাখই বৰ ধুনীয়া মানুহ আছিল। শৰীৰত ৰোগ বুলিবলৈ বাতবিষ এটা আছিল আৰু সিয়ে মাজে সময়ে তেখেতক আমনি কৰিছিল। ১৯৩৫ চনত তেখেতৰ হঠাৎ ডিঙিৰ অসুখ এটা হ'ল। দুই-এজন চিকিৎসকে তেখেতৰ কেন্‌চাৰ ৰোগ হোৱা বুলি সন্দেহ কৰিলে। লগে লগে চিকিৎসাৰ বাবে ইউৰোপলৈ যোৱা ঠিক কৰিলে। ভিয়েনাত ৰোগ পৰীক্ষা কৰি জানিলে তেখেতৰ কেন্‌চাৰ হোৱা নাই। মাত্ৰ মাতটোহে বহি গৈছে। চলিহাৰ ইউৰোপ যাত্ৰা, ৰোগ চিকিৎসা আৰু থকা-মিলাৰ সকলো বন্দবস্ত নেতাজী সুভাষ চন্দ্ৰ বসুৱে কৰি দিছিল। বসুৰ চেষ্টাতে চলিহাই সেই সময়ৰ সুপ্ৰসিদ্ধ ডিঙিৰ বিশেষজ্ঞ এমিল কোৰ্চেলৰ চিকিৎসাধীন হৈ আৰোগ্য লাভ কৰে। বসুৰ ব্যক্তিত্ব আৰু জনপ্ৰিয়তাৰ ফলত সুদূৰ ভিয়েনাৰ ডাক্তৰক চলিহাই চিকিৎসাৰ বাবে দিব লগা ১৫ হাজাৰ চিলিঙৰ ঠাইত মাত্ৰ ৭ (সাত) হাজাৰহে দিবলগীয়া হৈছিল। এইদৰে ৬ সপ্তাহৰ ভিতৰত চলিহা সম্পূৰ্ণ আৰোগ্য হয় আৰু নেতাজীক সাক্ষাৎ কৰিবলৈ ড্ৰেছডেন আৰু কাৰাবাৰ্ডলৈ যায়।

নেতাজীৰপৰা পৰিচয়-পত্ৰ লৈ চলিহা জাৰ্মানিলৈ যায়। জাৰ্মানিলৈ যাওঁতে অন্ততঃ বাৰ্লিনত যোৱাটো উচিত হ'বনে নহয় চলিহাক ভাবি চাবলৈ নেতাজীয়ে লিখিছিল ; কিয়নো সেই সময়ত জাৰ্মানিত নাজীবাদৰ আন্দোলন তীব্ৰভাৱে চলি আছিল। প্ৰতি মুহূৰ্ত্ততে ধন-প্ৰাণৰ সংশয় হৈছিল। চলিহা জাৰ্মানিলৈ গৈ নাজী-বাদৰ কৌশল শিকে। লগে লগে শ্ৰমিকসকল থকা ঠাই, তিৰোতা শ্ৰমিক থকা ঠাই, বিজুলী কৰ্মশালা, প্ৰসূতিশালা আৰু বহুতো স্কুল-

কলেজ সমাপ্তি কৰে। জাৰ্মানীৰ শ্ৰমিকসকলৰ উন্নত অৱস্থা দেখি চলিহাই অতি সন্তোষ প্ৰকাশ কৰে। তাতে এদিন বজাৰে সৈ থাকোঁতে নেতাজীয়ে পূৰ্বে সাৱধান বাণী শুনাই থোৱা এটি দুৰ্ঘটনাত চলিহা প্ৰায় পৰো পৰো হৈছিল। যি কি নহওক, সেই বাবলৈ জেলখেত ৰক্ষা পৰিল, কিন্তু বিনয় চক্ৰৱৰ্তীৰ ভায়েক বীৰেন্দ্ৰ চক্ৰৱৰ্তীক সেই সংঘৰ্ষত ৰবকৈ মাৰধৰ কৰিছিল।

জাৰ্মানি ভ্ৰমণ কৰাৰ পিছত ক্ৰমে বেলজিয়াম, ফ্ৰান্স, চুইজাৰলেণ্ড আৰু ইটালী ভ্ৰমণ কৰি স্বদেশলৈ উভতি আহে। আহোঁতে জেনেভাত সোমাই কানি নিবাৰণ শাখাৰ সভাপতি কাউণ্ট বিয়ানকেক স্মাৰক-পত্ৰ এখন দিয়ে।

চলিহা লণ্ডনত থকা সময়ত তাৰ ফ্ৰেণ্ডচ হাউচৰ কুৱেকাৰ ছোচাইটি, আৰু ট্ৰেড ইউনিয়ন কংগ্ৰেছ হলৰ ইণ্ডিয়ান প্ৰেছত কানি বৰ্জনৰ ওপৰত ভাষণ দিয়াৰ উপৰিও এই সম্পৰ্কত লৰ্ড ষ্ট্ৰাবোগী, আৰ্ল বিঞ্জেল, এটলি আৰু অন্যান্য কেমেও কুবিজন এম. পিক সাক্ষাৎ কৰি কানি বৰ্জন সম্পৰ্কত কয়।

ইউৰোপৰ পৰা উভতি আহি নবীন চন্দ্ৰ বৰদলৈক বহুমূত্ৰ ৰোগ-টোৱে মাৰাত্মকভাৱে আক্ৰমণ কৰা দেখা পায় আৰু চিন্তাত হতাশ হৈ পৰে। অলপ দিনৰ পিছতে বৰদলৈৰ মৃত্যু হয়। বৰদলৈৰ মৃত্যুত দিল্লীৰ কেন্দ্ৰীয় বিধান সভাৰ আসনখন খালী হোৱাত চলিহা সেই আসনৰ বাবে নিৰ্বাচিত হৈ দিল্লীলৈ যায়। তাৰ পিছত তাত সংবিধান ৰচনা কৰা আঠজনীয়া কমিটিৰ সদস্য হয়। মুঠতে লোক সভাৰ সদস্য, সংবিধান সমিতিৰ সদস্য আদি কেইবাটাও গুৰুত্বপূৰ্ণ পদবীত প্ৰায় ১৭ বছৰ কাল দিল্লীত অতিবাহিত কৰে।

কুলধৰ চলিহা বয়সত ফুকন আৰু বৰদলৈতকৈ সৰু আছিল যদিও দুয়োজনে চলিহাক মৰম আৰু শ্ৰদ্ধাৰ চকুৰে চাইছিল। আন হাতে চলিহাইও তেওঁলোকসকলক জ্যেষ্ঠ ভ্ৰাতৃৰ সমান দি আহিছিল। চলিহাই ফুকনৰ মহত্ত্ব, বদান্যতা আৰু বৰদলৈৰ

সৰলতা, উদাৰতা আৰু স্নেহশীলতা [illegible] কথা [illegible] [illegible] গৌৰৱ কৰিছিল।

১৯২৬ চনত পাণ্ডুত কংগ্ৰেছ মহাসভা পাতি ফুকন আৰু বৰদলৈ চকুলৈ ধাৰত পোত গৈ প্ৰয়োজনে পৈতৃক মাটি-সম্পত্তি বিক্ৰী কৰিব লগীয়া হোৱাত চলিহাই খেদ কৰি কৈছিল—"হায়! কিদৰে আমি তেখেতসকলৰ এই ঋণ পৰিশোধ কৰিম বাৰু?"

চন্দ্ৰনাথ শৰ্মাৰ প্ৰতিও চলিহাৰ অকৃত্ৰিম শ্ৰদ্ধা আছিল। চন্দ্ৰনাথ শৰ্মায়েই চলিহাক প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি পতাত আগভাগ লৈছিল। তাৰ পিছত হেজাৰ হেজাৰ নেপালীয়ে কাজিৰঙা ৰিজাৰ্ভ বেদখল কৰাত নেতাসকলে এখন "কাজিৰঙা বেদখল কমিটি" পাতিছিল। চন্দ্ৰনাথ শৰ্মাই চলিহাক সেই কমিটিখনতো সভাপতি পাতি ৰিজাৰ্ভখন বেদখলমুক্ত কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল। স্মৰণযোগ্য যে এই জাতীয় স্বাৰ্থ ৰক্ষা কৰাৰ কামত ছবিলাল উপাধ্যায়ে কমিটিক সৰ্বতোপ্ৰকাৰে সহায় কৰিছিল আৰু বেআইনী-ভাৱে বসবাস কৰা কমেও এহাজাৰ পৰিয়ালক উচ্ছেদ কৰা হৈছিল। সেই কমিটিয়ে সময় উপযোগী ব্যৱস্থা লোৱাত গহপুৰ, বিহালী, হেলেম, বৰগাঁও আৰু বাঁহবাৰীকে ধৰি কেইবাখনো গাঁও বেদখলমুক্ত কৰা হয়। উক্ত কমিটিৰ সম্পাদক আছিল চন্দ্ৰনাথ শৰ্মা। পুলিচে তেখেতৰ ঘৰ খানা তালাচ কৰি কমিটিৰ সকলো কাকত-পত্ৰ লৈ যায় আৰু সেইবোৰ কোনো দিনে ঘূৰাই পোৱা নহ'ল।

এনেতে ১৯৪২ চনৰ "ভাৰত ত্যাগ" আন্দোলনত গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ডাক্তৰ ভুৱনেশ্বৰ বৰুৱা, ফখৰুদ্দিন আলি আহমদ, তৈয়বুল্লা, দেৱেশ্বৰ শৰ্মা, সিদ্ধিনাথ শৰ্মা, অমিয় কুমাৰ দাস, হৰেশ্বৰ গোস্বামী, অধ্যক্ষ হেম বৰুৱা আদিৰ কাৰাদণ্ড হয়। অৱশ্যে পিছত হৰেশ্বৰ গোস্বামী আৰু হেম বৰুৱাই ভাৰতীয় ছচিয়েলিষ্ট দলত যোগ দিয়ে। ১৯৪২ চনৰ আন্দোলনৰ পিছত ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হোৱাত গোপীনাথ বৰদলৈ অসমৰ মুখ্যমন্ত্ৰী হয়। বৰদলৈৰ

পিচত বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰী থকা সময়ত কুলধৰ চলিহা অসম বিধানসভাৰ অধ্যক্ষ (১৯৫২-৫৭) হয়।

চলিহাৰ সৰ্বভাৰতীয় জনপ্ৰিয়তা আছিল। সেই যুগৰ ভাৰতবৰ্ষৰ সৰ্বশ্ৰেষ্ঠ নেতাসকল অসম ভ্ৰমণ কৰিবলৈ আহিলে যোৰহাটত চলিহাৰ ঘৰতে আলহী থাকিছিল। মহাত্মা গান্ধীৰ উপৰিও পণ্ডিত জৱাহৰলাল নেহৰু আহিলে তেখেতৰ ঘৰতে আলহী থাকি দলৰ কাম কৰিছিল। ১৯৩৭ চনত নেহৰু যোৰহাটলৈ আহোঁতে চলিহাৰ ঘৰত দহ-বাৰ দিন থাকিছিল আৰু চলিহাই তেখেতক উজনি অসমৰ বহুতো অঞ্চল ভ্ৰমণ কৰাত গাটোতে ছাঁটোৰ দৰে লাগি থাকি সহায় কৰিছিল। এবাৰ চিলচৰলৈ যাওঁতে হেনো বাটত ৰেলখন বেয়া হৈ পৰি থকাত নেহৰুৰ ইচ্ছাত দুয়ো হোল্ডল দুটা পিঠিত তুলি খোজ কাঢ়ি গন্তব্য স্থান পাইছিল। চলিহাৰ আন কেইজনমান বিশিষ্ট বন্ধু আছিল জগজীৱন ৰাম, চৰণ সিং, আচাৰ্য কৃপালনি আৰু ডক্টৰ আম্বেদকাৰ।

লোকপ্ৰিয় গোপীনাথ বৰদলৈ

ভাৰত মাতৃৰ সুসন্তান, অসমী আইৰ বৰপুত্ৰ গোপীনাথ বৰদলৈদেৱৰ ১৮৯০ চনৰ ৬ জুন তাৰিখে ইতিহাস প্ৰসিদ্ধ গুৱাহাটীত জন্ম হৈছিল। তেখেতৰ দেউতাক বুদ্ধেশ্বৰ বৰদলৈদেৱ তেতিয়া বৰপেটাৰ চিকিৎসালয়ৰ ডাক্তৰ আছিল। গোপীনাথে সকতে মাতৃক হেৰুৱায় যদিও পিতৃয়ে তেখেতক মাতৃ বিয়োগৰ অভাৱ অনুভৱ কৰিব দিয়া নাছিল।

গোপীনাথ বৰদলৈদেৱৰ মেধা আৰু স্মৰণ শক্তি ছাত্ৰাৱস্থাৰপৰাই বৰ প্ৰখৰ আছিল। ১৯০৭ চনত প্ৰথম বিভাগত প্ৰৱেশিকা আৰু ১৯০৯ চনত প্ৰথম বিভাগত আই. এ. পাছ কৰি ১৯১১ চনত কলিকতাৰ স্কটিছ চাৰ্চ কলেজৰপৰা ইতিহাসত অনাৰ্চ লৈ বি. এ. পাছ কৰে। বি. এ. চতুৰ্থ বাৰ্ষিকত পঢ়ি থাকোঁতে তেখেতৰ পিতৃ বিয়োগ হয় আৰু ১৯১২ চনত জ্যেষ্ঠ ভাতৃৰ মৃত্যু হয়। ১৯১৩ চনত বৰদলৈদেৱে টাইফয়ড্ বোগত ভোগে আৰু তাৰ মাজেদি ১৯১৪ চনত ইতিহাসত এম. এ. পৰীক্ষা দি দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। এম. এ. পঢ়ি থাকোঁতেই আইন শিক্ষাও লাভ কৰে আৰু ১৯১৪ চনত বি. এল. পাছ কৰে।

বৰদলৈ গুৱাহাটীলৈ উভতি আহি চৰকাৰী কটন কলেজত চাকৰি বিচাৰি অকৃতকাৰ্য হোৱাত দেশভক্ত তৰুণৰাম ফুকনদেৱৰ অনুৰোধত সোণাৰাম হাইস্কুলত শিক্ষকতা আৰম্ভ কৰে। ১৯১৭ চনত স্বাধীন ব্যৱসায় হিচাপে ওকালতি আৰম্ভ কৰে।

১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰত ব্যাপি অসহযোগ আন্দোলন আৰম্ভ হয় আৰু সৰ্বভাৰতীয় নেতাসকলৰ লগতে অসমৰ

গান্ধীবাদী নেতা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আৰু দেশপ্ৰেমিক কুলধৰ চলিহাই ওকালতি এৰি কংগ্ৰেছত যোগ দিয়ে। তাৰ অলপ দিন পিছতে দেশভক্ত তৰুণৰাম ফুকন আৰু গোপীনাথ বৰদলৈদেৱেও কংগ্ৰেছত যোগ দি সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ফুকনদেৱৰ আদৰ্শৰ প্ৰতি বৰদলৈদেৱৰ সততে শ্ৰদ্ধাবান আছিল।

১৯১৯ চনৰ ৬ এপ্ৰিলত জেনেৰেল ডায়াৰৰ বৰ্বৰোচিত জালিয়ানৱালাবাগ হত্যাকাণ্ডৰ প্ৰতিবাদত মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলনৰ আহ্বান দিয়ে। আন্দোলনে ভালেখিনি গা কৰি উঠিছিল মাত্ৰ, এনেতে ১৯২২ চনৰ ৫ ফেব্ৰুৱাৰীৰ দিনা যুক্ত-প্ৰদেশৰ চৌৰি-চৌৰা পুলিচ ষ্টেচনত এদল শোভাযাত্ৰীয়ে জুই দিয়াৰ ফলত কেইজনমান পুলিচ কৰ্মচাৰী মৃত্যু মুখত পৰে। ততালিকে ঘটনাই অঘটন ধাৰণ কৰিলে। মহাত্মা-গান্ধীয়ে মৰ্মান্তিক দুখ পালে আৰু লগে লগে আইন অমান্য আন্দোলন বাতিল কৰিলে। ১৯২২ চনৰ ১৩ মাৰ্চত গান্ধীজীক গ্ৰেপ্তাৰ কৰিলে আৰু বিচাৰত তেখেতৰ ৬ বছৰ জেল হয়।

চৌৰি-চৌৰা ঘটনাৰ পিছত গান্ধীজীয়ে আইন অমান্য আন্দোলন উঠাই লোৱাত এচাম চৰমপন্থী নেতাই বিৰূপ সমালোচনা কৰিছিল যদিও বৰদলৈদেৱে মহাত্মা গান্ধীয়ে হিংসাত্মক কাৰ্যক নিন্দা কৰা আৰু তাৰ পৰিপ্ৰেক্ষিতত আন্দোলন উঠাই লোৱা দুয়োটা কাৰ্যকে সমৰ্থন কৰিছিল। এই সন্দৰ্ভত বৰদলৈদেৱে কৈছিল—"মহাত্মাৰ বিচাৰ সম্পূৰ্ণৰূপে নৈতিকতাৰ গুণৰত নিৰ্ভৰশীল। এই মহৎ সিদ্ধান্তই স্পষ্টকৈ প্ৰমাণ কৰে যে 'যেই সেই উপায়েৰে স্বৰাজৰ দৰে অমূল্য বস্তু ল'বলৈকে তেওঁ ৰাজি নাছিল। ব্যক্তিগত হিংসা, ঘৃণা, দ্বেষ আৰু আনুষঙ্গিক মিছা প্ৰতাৰণা বা প্ৰবঞ্চনাৰ দ্বাৰা অৰ্জন কৰা কোনো বস্তুৱেই 'স্থায়ী' হ'ব নোৱাৰে—এইটো তেওঁৰ দৃঢ় বিশ্বাস আছিল। সেই কাৰণে পৰম কাম্য বস্তুকো তেওঁ অসৎ উপায়েৰে লাভ

কৰিবলৈ বাজী নহয়। তোমালোকে আৰু তাৰ যে প্ৰেম, ত্যাগ আৰু সিদ্ধান্ত কেৱল জগতৰ মহাপুৰুষসকলৰ ক্ষেত্ৰতহে দেখা যায়।"

অসহযোগ আন্দোলনৰ সময়ত দেশভক্ত, কৰ্মবীৰ আৰু বিষ্ণুৰাম মেধি ভাওৰীয়াক গ্ৰেপ্তাৰ কৰি নিয়াৰ পিছত বৰদলৈদেৱে দক্ষিণপাৰৰ গাঁওবিলাকত সংগঠনৰ কাম কৰি পাৰো পাহাৰৰ ভামৰা পৰ্যন্ত ঘূৰি ফুৰিছিল।

১৯২১ চনৰ আহমদাবাদ কংগ্ৰেছলৈ বৰদলৈদেৱে গৈ তাত খাদীৰ বহুল প্ৰচলন দেখি আহি অসমৰ গাঁওবিলাকলৈ গৈ খেতিয়কসকলক খাদ্যসামগ্ৰী আৰু কপাহ উৎপন্ন কৰি স্বাৱলম্বী হ'বলৈ উপদেশ দিছিল। আনকি অশেষ কৰ্ম ব্যস্ততাৰ মাজত নিজেও প্ৰতিদিনে সূতা কাটিছিল আৰু ঘৰৰ প্ৰতিজনকে এই কামত নিয়মিতভাৱে ব্যস্ত ৰাখিছিল। কাপোৰত কিদৰে নানা ধৰণৰ ৰং দি গ্ৰাহকৰ মন আকৰ্ষণ কৰিব পাৰি এই কৌশলো বৰদলৈদেৱে শিকিছিল।

১৯২৬ চনত দেশভক্ত, কৰ্মবীৰ, বৰদলৈ, মহেন্দ্ৰমোহন চৌধুৰী, অম্বিকা কুমাৰ দাস, চন্দ্ৰনাথ শৰ্মা, বিজয়চন্দ্ৰ ভাগৱতী প্ৰমুখ্যে গান্ধীবাদী কংগ্ৰেছ নেতাসকলৰ অহোপুৰুষাৰ্থৰ ফলত পাণ্ডু কংগ্ৰেছ ধুমধামেৰে সমাধা হয়। পাণ্ডু কংগ্ৰেছৰ যোগেদি ফুকন আৰু কৰ্মবীৰ চলুলৈ পোত গৈছিল যদিও এই কংগ্ৰেছে অসমক ভাৰতবাসীৰ আগত পোন প্ৰথমবাৰৰ বাবে দাঙি ধৰিছিল। অসমৰ প্ৰকৃত সমস্যা কিছুমান সৰ্বভাৰতীয় নেতাসকলে বুজিবলৈ সমৰ্থ হৈছিল। উল্লেখযোগ্য যে বৰদলৈ ভাওৰীয়াই আহমদাবাদ কংগ্ৰেছৰ তোৰণ, সভামণ্ডপ আদি শুক্ল-শুভ্ৰ খাদী কাপোৰেৰে নিৰ্মাণ কৰা যি আদৰ্শ দেখি আহিছিল—পাণ্ডু কংগ্ৰেছত তাক আংশিকভাৱে হ'লেও কৃষ্ণনাথ শৰ্মাৰ উদ্যোগত ৰূপায়িত কৰিছিল।

অসহযোগ আন্দোলনৰ কাৰ্যসূচী সফল কৰি তুলিবলৈ মহাত্মা গান্ধী অসমলৈ আহি গুৱাহাটীত তৰুণৰাম ফুকনৰ ঘৰত আলহী আছিল। [illegible] সময়ত মৌলানা [illegible] আদিও [illegible]

বৰুৱাক, কানপুৰৰ মৌলানা আজাদ চোহানীও আছিল। তদুপৰি ফুকনৰ হাউলিত অনুষ্ঠিত বিদেশী বস্ত্ৰৰ পৰ্বতাকাৰ দমত মহাত্মা গান্ধীয়ে জুই দিছিল আৰু সেই জুই ক্ৰমেও পাঁচ দিন পৰ্যন্ত জ্বলিছিল। অসহযোগ আন্দোলনত দেশভক্ত আৰু কৰ্মবীৰৰ লগত বৰদলৈদেৱেও বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল আৰু আন আন মুখ্য নেতাসকলৰ লগতে বৰদলৈ দেৱকো হেণ্ডকাফ লগাই মোটা ৰচিৰে আটাইকে সাঙুৰি গুৱাহাটীৰপৰা তেজপুৰলৈ চালান দিছিল।

বৰদলৈদেৱ অসীম সহিষ্ণু আৰু অতি দূৰদৰ্শী লোক আছিল। ছাদুল্লা মন্ত্ৰীসভাৰ সৈতে বিৰোধ থকা সত্বেও দেশৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত মহত্বৰ আৰু নিৰ্ভীকতাৰ পৰিচয় দি ছাদুল্লাৰ লগত আলাপ-আলোচনাত বহিছিল আৰু খাদুল্লাৰ কূটনীতিৰ মেৰপাকৰপৰা অসম আৰু অসমত যুগ যুগ ধৰি বাস কৰা হিন্দু, মুছলমান, খ্ৰীষ্টান, অনুসূচীত আৰু পৰ্বত-ভৈয়ামৰ লোকসকলৰ মাজত সংহতি আৰু সম্প্ৰীতি অটুট ৰাখিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল।

পাণ্ডু কংগ্ৰেছৰ পাছৰেপৰা বৰদলৈ ডাঙৰীয়াৰ আত্মীয়-স্বজনৰ বিয়োগকে ধৰি বহুতো মানসিক অশান্তি অহাত কংগ্ৰেছৰ কামত সক্ৰিয়ভাৱে লগাৰপৰা কিছু বিৰত থাকিবলগীয়া হয়। আনকি ১৯৩০-৩১ চনৰ আইন অমান্য আন্দোলনতো বিশেষ অংশ গ্ৰহণ কৰিব নোৱাৰিলে। তথাপি ৰাইজৰ ইচ্ছা আৰু অনুৰোধত ১৯৩২ চনত গুৱাহাটীৰ পৌৰ নিগমৰ সভাপতি হয়।

১৯৩৬ চনৰ অসম প্ৰাদেশিক বিধানসভা নিৰ্বাচনত ১০৮ খন আসনৰ ভিতৰত কংগ্ৰেছে ৪৮ খন আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰি ৩৮ খনতে জয় লাভ কৰে। এই নিৰ্বাচনত কংগ্ৰেছ সৰ্বপ্ৰধান বিৰোধী দল বুলি স্বীকৃত হয় আৰু বৰদলৈ দলৰ নেতা নিৰ্বাচিত হয়। শাসক দলৰ নেতা হাৰ ছাদুল্লাই মন্ত্ৰীসভা গঠন কৰে। পাঁচজনীয়া মন্ত্ৰী সভাত সংখ্যালঘু মুছলমানৰ তিনিজন আৰু সংখ্যাগৰিষ্ঠ হিন্দুৰ দুজন মন্ত্ৰী লোৱা হয়। মন্ত্ৰীসভাৰ কলেবৰ বৃদ্ধি কৰি মুছলিম লীগৰ আৰু

দুজন সদস্য লয়। উল্লেখযোগ্য যে ছাদুল্লা মন্ত্ৰীসভাই পৰিকল্পিত-ভাবে পূৰ্ববংগৰ পৰা অসংখ্য মুছলিম লোক অসমলৈ আনি অসমক এখন মুছলিম সংখ্যাগৰিষ্ঠ ৰাজ্যত পৰিণত কৰাৰ অপচেষ্টা চলায়। ছাদুল্লাৰ ষড়যন্ত্ৰমূলক এনে প্ৰচেষ্টাৰ ফলত অসমীয়া ভাষা-সংস্কৃতিৰ বিপদ ঘটাৰ সম্ভাৱনা দেখি থলুৱা লোকৰ মাজত সন্ত্ৰাসৰ সৃষ্টি হয়। প্ৰধানকৈ জনজাতীয় মাইজৰ ওপৰত পূৰ্ববংগৰপৰা অহা লোকসকলে নানা প্ৰকাৰে আক্ৰমণ চলোৱাত বহুতো জনজাতীয় লোকে পৈত্ৰিক ভেটিটোও এৰি দূৰ-দূৰণিলৈ যাবলগীয়া হ'ল। অসমীয়া জাতিৰ এনে এটি সঙ্কট কালত বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ দলে ছাদুল্লাৰ ঘোৰ সাম্প্ৰদায়িক কূট-কৌশলৰ বিৰুদ্ধে একগোট হৈ থিয় দিলে। ফলত ১৯৩৮ চনত ছাদুল্লা মন্ত্ৰীসভাৰ পতন হয় আৰু সেই বছৰৰে ১৯ চেপ্তেম্বৰত বৰদলৈৰ নেতৃত্বত সংযুক্ত মন্ত্ৰীসভা গঠন কৰা হয়।

বৰদলৈ ডাঙৰীয়াৰ মহান ব্যক্তিত্ব আৰু সুপক্ক ৰাজনৈতিক জ্ঞানৰ ফলত গঠিত হোৱা সংযুক্ত মন্ত্ৰীসভাই প্ৰথমে অনুসূচীত আৰু জনজাতীয় লোকৰ হ'কদাবী তুলি মন্ত্ৰীসভা গঠন কৰে। সুৰমা উপত্যকাত আঞ্চলিকতাবাদী লোকৰপৰা মন্ত্ৰী নলৈ অনুসূচীত সম্প্ৰদায়ৰ এজনকে ধৰি মধ্যমপন্থীৰ দুজনক মন্ত্ৰীসভাত লয়। অসম উপত্যকাতো অনুসূচীত সম্প্ৰদায়ৰ এজনক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰে। বৰদলৈ ডাঙৰীয়াৰ এনে উদাৰ আৰু প্ৰশংসনীয় কাৰ্যই তেখেতৰ নেতৃত্বক শক্তিশালী কৰি তোলে। তেখেতৰ মন্ত্ৰীসভাই পৰ্বত-ভৈয়ামৰ জনজাতীয় লোকসকলৰপৰাও শ্ৰদ্ধা আৰু সমাদৰ লাভ কৰে। প্ৰশাসনীয় কাৰ্যদক্ষতা, গাঢ় স্বদেশপ্ৰেম আৰু জাতীয় স্বাৰ্থত আত্মবলিদান দিয়া এই মহৎ গুণবোৰৰ কাৰণে বৰদলৈ ডাঙৰীয়া এজন আগশাৰীৰ দেশনেতাৰ সন্মান লাভ কৰি 'লোকপ্ৰিয়' উপাধিৰে বিভূষিত হৈছিল।

দ্বিতীয় মহাযুদ্ধই বিশ্বৰ পৰাধীন জাতিবোৰক মুক্তিৰ বাতৰি দি আহে। ১৯৩৯ চনৰ ১ চেপ্তেম্বৰৰ দিনা দ্বিতীয় মহাযুদ্ধৰ ৰণশিঙা

ৱাৰ্চ ডাৰ পিছতে ৩ চেপ্তেম্বৰ দিনা ইংলেণ্ডে মুক্তশক্তি জাৰ্মানী আৰু ইটালীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। মহাত্মা গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছে ইংলেণ্ডক যুদ্ধত সহায় নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে যুদ্ধ বিৰোধী সত্যাগ্ৰহ আৰম্ভ কৰে। ফলত কংগ্ৰেছী মন্ত্ৰীসভাবোৰে পদত্যাগ কৰে আৰু অসমৰ বৰদলৈ মন্ত্ৰীসভায়ো পদত্যাগ কৰে। ১০ ডিচেম্বৰ দিনা বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত গুৱাহাটীৰ কাছাৰীৰ চোতালত সত্যাগ্ৰহ আৰম্ভ হয়। উল্লেখযোগ্য যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ অসমৰ প্ৰথম সত্যাগ্ৰহীজন আছিল বৰদলৈ ডাঙৰীয়া। ফলত তেখেতক গ্ৰেপ্তাৰ কৰি এবছৰ কাৰাদণ্ড দিয়ে আৰু ১৯৪১ চনৰ মে' মাহত খালাচ পায়।

জেলৰপৰা ওলাই আহিয়েই বৰদলৈ পুনৰ আন্দোলনত জঁপিয়াই পৰে। ইতিমধ্যে ১৯৪২ চনৰ ৭ আৰু ৮ আগষ্টত বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ তৎকালীন অধিবেশনত ইংৰাজৰ "ভাৰত-ত্যাগ" প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কংগ্ৰেছৰ এনে সিদ্ধান্তই ইংৰাজ শাসক দলক অত্যন্ত ক্ষুব্ধ কৰে আৰু কঠোৰ হাতেৰে আন্দোলন দমন কৰাৰ আপ্ৰাণ চেষ্টা কৰে। বোম্বাই অধিবেশনৰপৰা উভতি অহাৰ পথত ধুবুৰী বৰদলৈ ডাঙৰীয়া আৰু সিদ্ধিনাথ শৰ্মাক গ্ৰেপ্তাৰ কৰে। শাৰীৰিক অসুস্থতাৰ কাৰণে ১৯৪৪ চনৰ ২৬ আগষ্ট তাৰিখে বৰদলৈক মুক্তি দিয়া হয়।

কংগ্ৰেছী দলসমূহে মন্ত্ৰীত্বৰ গাদী এৰি দিয়াত ইংৰাজ চৰকাৰৰ সমৰ্থনকাৰী দলবোৰে মন্ত্ৰীসভা গঠন কৰাৰ সুযোগ গ্ৰহণ কৰে। অসমত ছাদুল্লা চাহাবে দহজনীয়া মন্ত্ৰীসভা গঠন কৰি পূৰ্ববঙ্গকপৰা কেইবা লাখো পমুৱা মুছলমান আনি অসমত স্থায়ীভাৱে স্থাপন কৰে। ছাদুল্লাৰ এনে কাৰ্যই আগৰপৰা প্ৰচলিত হৈ অহা 'সীমা ৰেখা নীতি' (Line system) ৰহিত কৰা হয়। অসমৰ এই দাবী পূৰীকাৰ সময়ত বৰদলৈ ডাঙৰীয়াই জেলৰ বাহিৰত থকা কংগ্ৰেছী এম.এল.এ. এজনজন আৰু ছাদুল্লা মন্ত্ৰীসভাৰ এজন প্ৰবীণ মন্ত্ৰী

মোহিনী কুমাৰ চৌধুৰীৰ সমৰ্থন লাভ কৰি চাদুল্লা-মন্ত্ৰীসভাক এনে অসম বিৰোধী কাৰ্যৰ বাবে প্ৰতিবাদ কৰিছে। সকলোৰে ভাৱনীয়াই মহাত্মা গান্ধীৰ ওচৰত উপস্থিত হৈ চাদুল্লাৰ সাম্প্ৰদায়িক কাৰ্যই অসমৰ জাতীয় স্বাৰ্থত কিদৰে আঘাত হানিছে এইবিলাক বিৱৰি জনোৱাত গান্ধীজীয়ে পৰামৰ্শ দিলে যে অসমৰ স্বাৰ্থৰ কাৰণে তেওঁ আনকি নেলাগে কংগ্ৰেছ দলে পুনৰ কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন কৰাটোও সমৰ্থন কৰিব।

উল্লেখযোগ্য যে ১৯৪৫ চনৰ জুলাই মাহত হোৱা ইংলেণ্ডৰ পাৰ্লিয়ামেণ্টৰ নতুন নিৰ্বাচনত লেবাৰ পাৰ্টিয়ে চৰকাৰ গঠন কৰে আৰু মিঃ এটলী প্ৰধানমন্ত্ৰী হয় আৰু ২ আগষ্টৰ দিনা কংগ্ৰেছ দলৰ ওপৰত থকা বে-আইনী ঘোষণাও উঠাই লোৱা হয়। লগে লগে ভাৰতবৰ্ষৰ ৰাজ্যিক বিধানসভাবোৰৰ পুনৰ নিৰ্বাচন হ'ব লাগে বুলি ঘোষণা কৰে। এই ঘোষণা মৰ্মে আন আন ৰাজ্যবোৰৰ লগতে অসমতো নিৰ্বাচন হয়। অসমত নিৰ্বাচনৰ নেতৃত্ব বহন কৰে বিশেষকৈ বৰদলৈ, মুলাধৰ চলিহা আৰু বিষ্ণুৰাম মেধি তেওঁলোকে। অদূৰ ভৱিষ্যতে গঠিত হ'ব লগীয়া পাকিস্তানৰ কবলৰ পৰা অসমক ৰক্ষা কৰাটোৱেই আছিল তেওঁলোকৰ মূল লক্ষ্য। কাজেই অসম কংগ্ৰেছ দলে যাতে সৰহ আসন লাভ কৰি মন্ত্ৰীসভা গঠন কৰিব পাৰে তেনে লক্ষ্য আগত ৰাখি নিৰ্বাচনত নামিল। ১০৮খন আসনৰ ভিতৰত ৬১খন আসন লাভ কৰি বৰদলৈৰ নেতৃত্বত ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত মন্ত্ৰীসভা গঠন কৰা হ'ল। এনেতে সেই চনৰে ২৩ মাৰ্চৰ দিনা ষ্টাফৰ্ড ক্ৰীপছৰ নেতৃত্বত কেবিনেট মিছন আহি ১৯৪২ চনৰ ক্ৰিপছৰ আঁচনিখনকে অলপ ইফাল-সিফাল কৰি দাঙি ধৰিলে। কেবিনেট মিচনে মুছলিম লীগৰ সন্তুষ্টি আৰু স্বাৰ্থ পূৰণৰ কাৰণে সূত্ৰ আগবঢ়াই প্ৰদেশ আৰু গুৰুপ ব্যৱস্থাৰ 'ক', 'খ', 'গ' তিনিটা ভাগত ভগোৱাৰ ব্যৱস্থা কৰিছিল। ভাৰতীয় কংগ্ৰেছৰ নেতাসকলে কেবিনেট মিচনৰ এই সাম্প্ৰদায়িক বিভাজন প্ৰস্তাৱ সমূলি নাকচ কৰিলে

দাবী ধৰিছিল যদিও বৰদলৈৰ নেতৃত্বাধীন অসম কংগ্ৰেছে অসমৰ বৃহৎ স্বাৰ্থৰ কাৰণে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰিছিল।

পণ্ডিত জৱাহৰলাল নেহৰু, চৰ্দাৰ পেটেল প্ৰমুখ্যে সৰ্বভাৰতীয় নেতাসকলে অসমক এনেদৰে পূব-পাকিস্তানৰ গৰাহত তুলি দিবলৈ ওলোৱাটো অসম কংগ্ৰেছৰ নেতৃবৰ্গই কোনোপধ্যে মানি ল'বলৈ সন্মত নহ'ল। তেওঁলোকে দলে দলে গৈ সৰ্বভাৰতীয় কংগ্ৰেছী নেতাসকলক সাক্ষাৎ কৰি কোনো ফল নধৰাত জীৱন-মৰণ পণ কৰি তাক প্ৰতিৰোধ উদ্যত হয়।

দেশ স্বাধীন হোৱাৰ আগমুহূৰ্তত (১৯৪৫-৪৭) বৃটিছ কেবিনেট মিছনৰ প্ৰস্তাৱ অনুসৰি অসমখন বঙ্গদেশৰ লগত জাঁপি দিয়া প্ৰায় স্থিৰ সিদ্ধান্ত হৈছিল। সেয়ে হোৱা হ'লে অসমৰ স্বকীয়া অস্তিত্ব, হয়তো আজি ভাৰতবৰ্ষৰ মানচিত্ৰৰপৰা নিঃচিহ্ন হ'লহেঁতেন আৰু অসমীয়া জাতি বা ভাষা বুলি বস্তু এটা নাথাকিলহেঁতেন। অসমৰ এই দাৰুণ সঙ্কটৰ সময়ত মহাত্মা গান্ধীৰ বাহিৰে প্ৰায়বোৰ ভাৰতীয় নেতা উক্ত সিদ্ধান্তত একমত হৈছিল। গোপীনাথ বৰদলৈৰ নিচিনা অসীম ব্যক্তিত্বশালী আৰু প্ৰতিভাৱান লোক থকাত অসম সেইবাৰলৈ ৰক্ষা পৰিল। বৰদলৈদেৱে মহেন্দ্ৰমোহন চৌধুৰী আৰু শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱৰ জৰিয়তে মহাত্মা গান্ধীলৈ চিঠি পঠাই অসমৰ সঙ্কটৰ কথা জনালে। বৰদলৈদেৱৰ অনুৰোধ ৰক্ষা কৰি মহাত্মাজীয়ে আঞ্চলিক গোটৰপৰা অসমক বচাবলৈ পৰামৰ্শ আৰু প্ৰেৰণা যোগাইছিল।

ৰাজনীতিৰ লগতে অসমৰ কলা-সংস্কৃতিৰ প্ৰতিও বৰদলৈদেৱৰ বিশেষ শ্ৰদ্ধা আৰু অনুৰাগ আছিল। ১৯৫০ চনটো অসমৰ বাবে অমঙ্গলীয়া আছিল। বৰদলৈ ঢুকুৱাৰ পাছত সেই বছৰতে প্ৰবল ভূমিকম্প আৰু বানপানী হৈ অসমৰ ৰাইজৰ দুখ-দুৰ্গতিৰ সীমা নাইকিয়া কৰিছিল। ৫ আগষ্টৰ দিনা দিন দুপৰতে বৰদলৈদেৱৰ গুৱাহাটীৰ শিলপুখুৰীৰ বাসভৱনৰ শোৱা কোঠাত নিজ ক'লা কেউটীসাপ

এটি বৰদলৈদেৱৰ পালেঙত শুই আছিল। সেই একেদিনাই সন্ধ্যা গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত অনুষ্ঠিত হ'বলগীয়া 'প্ৰতিবাদ' নাটক চাবৰ কাৰণে আমন্ত্ৰিত হৈ গুৱাহাটীলৈ আবেলি চিলঙৰপৰা যাত্ৰা কৰিছিল। বাটত কেঁকুৰি এটাত বৰদলৈ আৰু তেখেতৰ পৰিয়ালৰ জীৱন বচাবলৈ যাওঁতে অতি মৰম লগা ক'লা কুকুৰ এটাই বৰদলৈৰ গাড়ীৰ চকাৰ তলত প্ৰাণ দিছিল। এই ঘটনাই বৰদলৈক বৰকৈ মৰ্মাহত কৰি তুলিছিল। ৰাতি দহমান বজাত থিয়েটাৰ চাই ঘৰ পাই তেখেতে হঠাৎ বুকুত এটি অসহনীয়া বিষ অনুভৱ কৰিলে। লগে লগে লোকবন্ধু বৰদলৈদেৱৰ পৰম বন্ধু, হিয়াৰ একাল ডাক্তৰ ভুৱনেশ্বৰ বৰুৱাদেৱক খবৰ দিয়া হ'ল। খবৰ পায়েই ডাক্তৰ বৰুৱাই "মোৰ জীউটো গ'লনেকি" বুলি চিৎকাৰ কৰি উঠিল। হায়! বীৰ প্ৰসবিনী অসম মাতৃৰ নয়নৰ মণি, আচলৰ ধন, দেহৰ জীউলাও লোকপ্ৰিয় গোপীনাথ বৰদলৈ "পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰ' বুলি মৌন প্ৰাৰ্থনা কৰি অনন্ত ধামলৈ গতি কৰিলে।

বৰদলৈদেৱৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে হাজাৰবিজাৰ শোকাকুল জনতাৰে তেখেতৰ ঘৰ ভৰি পৰিল। উত্তৰ-পূৰ্ব ভাৰতৰ বহুতো সৰ্বভাৰতীয় নেতা শোকাভিভূত হৈ তেখেতৰ অন্ত্যেষ্টি ক্ৰিয়াত যোগ দিছিলহি। তেখেতৰ বিয়োগত শোক প্ৰকাশ কৰি চৰ্দাৰ পেটেলে লিখিছিল—"আধুনিক অসমৰ নিৰ্মাতা, শেৰ-ই-আসাম গোপীনাথ বৰদলৈৰ মৃত্যুত ভাৰতে এজন অগ্ৰগণ্য দেশপ্ৰেমিক হেৰুৱালে।"

শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱ বৰদলৈদেৱৰ এজন পৰম বন্ধু আছিল। তেখেতে লিখিছে—"লোকপ্ৰিয় বৰদলৈ গান্ধী যুগৰ এজন শ্ৰেষ্ঠ প্ৰতিনিধি। গান্ধীবাদৰ আদৰ্শৰ প্ৰেৰণাই তেখেতক এক বিশেষ ব্যক্তিত্বৰ অধিকাৰী কৰিছিল। তেখেতৰ এই ব্যক্তিত্বই সকলোকে আকৰ্ষণ আৰু প্ৰভাৱান্বিত কৰিছিল। কোনো সন্দেহ নাই যে তেখেতৰ জীৱন দৃষ্টান্তই সদায় নতুন প্ৰেৰণাৰ সৃষ্টি কৰিব—সৰ্ব-সাধাৰণৰ কল্যাণকামী এখন নতুন সমাজ ৰচনাৰ কামত।"

শ্ৰীমোহিনীমোহন ভট্টাচাৰ্যদেৱে লিখিছে—"...তাহানীৰ মহকুমাৰ্ভিক সমাজৰ ভিতৰত অসমৰ স্বকীয়া ৰাজনৈতিক সত্তা প্ৰতিষ্ঠা কৰা, মহাত্মা গান্ধী তথা সৰ্বভাৰতীয় নেতৃবৰ্গক সেই বিষয়ে উপলব্ধি কৰোৱা আৰু ভাৰতৰ সমগ্ৰ উত্তৰ-পূব অঞ্চলৰ ঐক্য, সংহতি আৰু সমন্বয়ৰ ভেটি স্থাপনৰ ঐতিহাসিক ভূমিকা লোৱা বিষয়ত লোকপ্ৰিয় বৰদলৈৰ স্থান অদ্বিতীয়।"

অসমৰ অন্যতম কৃতী ৰাজনীতিবিদ আৰু মুখ্যমন্ত্ৰী তথা পঞ্জাবৰ ৰাজ্যপাল মহেন্দ্ৰমোহন চৌধুৰীদেৱে লিখিছে—"পৰ্বত-ভৈয়ামৰ মাজত তেখেত একগছি মিলা-প্ৰীতিৰ সূত্ৰ আছিল।" বৰদলৈদেৱৰ মৃত্যুত তেখেতৰ মহান কাৰ্যৰ বাবে কৃতজ্ঞতা জনাই—এ. জেম. নিকোলছে লিখিছিল—"বৰদলৈদেৱৰ গোটেই জীৱন নগাসকলৰ বন্ধু আছিল আৰু তেখেতৰ এই বন্ধুত্বক তেওঁলোকে অতি মৰমেৰে আঁকোৱালি লৈছিল। তেখেতৰ বিয়োগত আজি নগাসকল কঙাল হৈ পৰিছে।"

বৰদলৈদেৱৰ অন্যতম পৰম অনুগামী, বিশিষ্ট সাংবাদিক তথা সাহিত্যিক শ্ৰীসতীশ চন্দ্ৰ কাকতীদেৱে বৰদলৈ ডাঙৰীয়াই অসমৰ পৰ্বত-ভৈয়ামৰ মাজত সম্প্ৰীতি-সমন্বয় গঢ়াৰ উৎস গান্ধীবাদৰ আদৰ্শকহে লোৱা বুলি উল্লেখ কৰিছে—"পৰ্বত-ভৈয়ামৰ অসমীয়া ৰাইজকণে লোকপ্ৰিয় বৰদলৈক যি অকৃত্ৰিম শ্ৰদ্ধা লাভ কৰিছিল, তাৰ প্ৰধান কাৰণ আছিল গান্ধীজীৰ প্ৰতি থকা বৰদলৈৰ পৰম শ্ৰদ্ধা আৰু গান্ধীবাদৰ ওপৰত থকা অটল বিশ্বাস।"

বৰদলৈদেৱ এজন বিচক্ষণ ৰাজনীতিবিদ হোৱাৰ উপৰিও আছিল এজন সু-পিতৃ, সু-বক্তা, সু-সাহিত্যিক, সু-অভিনেতা, প্ৰবীণ খেলুৱৈ, সাইকেল চিকাৰী, সুগায়ক সু-বেহেলাবাদক, আৰু সমাজ সংস্কাৰক। নিজৰ নটা ল'ৰা-ছোৱালীক প্ৰকৃত মানুহ কৰা, দেশৰ প্ৰতিজন শিশুক নিজৰ বুলি আঁকোৱালি লোৱা, বাল্য বিবাহ বন্ধ কৰা, কানি বৰবিহৰণৰ পৰা দেশক ৰক্ষা কৰা, অসমক ভাৰতৰ বুকুত সৰ্ব-ভাৰতীয় স্বীকৃতি দিয়া আদি প্ৰতিটো দিশতে বৰদলৈদেৱৰ বিচাৰে বাগৰিছিল।

কাৰাগাৰত থকা সময়ত বৰদলৈদেৱে ভালেখান মূল্যবান গ্ৰন্থ পঢ়িছিল আৰু তাৰ পৰিণতি স্বৰূপে তেখেতৰ কলমৰ পৰা (১) শ্ৰীৰামচন্দ্ৰ (২) বুদ্ধদেৱ (৩) যীশুখ্ৰীষ্ট (৪) হজৰত মহম্মদ (৫) মহাত্মা গান্ধী কেইখনমান মূল্যবান গ্ৰন্থ আৰু বহুতো চিন্তামূলক ৰচনা ওলায়। শিক্ষা, সাহিত্য-সংস্কৃতিৰ প্ৰতি তেখেতৰ শ্ৰদ্ধা অতুলনীয় আছিল। সেয়ে ১৯৩৭ চনত পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈদেৱৰ পৌৰহিত্যত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ আদৰণি সমিতিৰ তেখেত সভাপতি আছিল। মুখ্যমন্ত্ৰীৰ গধুৰ দায়িত্বত থাকিও শিক্ষা দপ্তৰ নিজৰ হাতত ৰাখিছিল।

বৰদলৈদেৱৰ প্ৰকৃতি প্ৰেম মন কৰিবলগীয়া। অৱসৰ বিনোদনৰ সময়ত কেতিয়াবা অকলে, কেতিয়াবা পৰিয়ালবৰ্গৰ লগত আৰু কেতিয়াবা দেশভক্ত ফুকন, শ্ৰীসতীশচন্দ্ৰ কাকতী প্ৰমুখ্যে বন্ধু সহকৰ্মী-সকলৰ লগত বালিভাত, বনভোজ খাবলৈ নাইবা চিকাৰ কৰিবলৈ গৈছিল। এবাৰ বন্দুকটো হাতত লৈ বোন্দাৰ হাবিত চিকাৰ কৰিবলৈ সোমাল। বৰ্তমানৰ তেল শোধনাগাৰৰ থলীয়ে একালৰ বোন্দা পাহাৰ, ধাননি পথাৰ। তাতে বিহগী কবি ৰঘুনাথ চৌধাৰীৰ পাম-ঘৰ আৰু 'কেতেকী' কাব্যৰ জন্ম। চিকাৰৰ অন্তত বৰদলৈ আহি চৌধাৰীৰ পাম-ঘৰত সোমাল। কবি চৌধাৰী ঘৰত নথকাত চোতালতে বেঞ্চ এখনত বহিল আৰু বহু পৰলৈ চৌধাৰীৰ ফুল-কবি, বন্ধা-কবি, সৰিয়হ, মটৰমাহ আদিৰ মোহনী শক্তিত তন্ময় হ'ল। চকা পাতত বহাত বৰদলৈ ঘৰলৈ আহিল আৰু পিছদিনা কবি চৌধাৰীলৈ অপূৰ্ব চিঠি এখনি লিখিলে :—

"প্ৰিয় চৌধাৰী! আগতে মই ভাবিছিলো আপুনি কবিতা লিখে। কালি আবেলি আপোনাৰ পামলৈ গৈ বুজিলো আপুনি অকল কবিতাকে নিলিখে, কবিতা সৃষ্টিও কৰে। শাৰীয়ে শাৰীয়ে ৬।৭ হাজাৰ বন্ধা-কবি, ফুল-কবিৰ সৌন্দৰ্য, পূবে-পশ্চিমে হালধীয়া, ৰঙা, নীলা ফুলেৰে সুশোভিত চামে চামে মটৰমাহ, বভাহত জে

খেতি থকা সৰিয়হ ফুলৰ অতুলন্ম ৰূপৰাশি মই বিমোহিত হৈ উপভোগ কৰিলো। খন্তেকৰ বাবে পাহৰি গৈছিলো, মই ক'ত আছো—ইন্দ্ৰৰ নন্দন কাননত নে মৰ্ত্ত্যৰ কোনো দেবাংগ ফুলনিত।"

বৰদলৈদেৱ পৰম ধাৰ্মিক লোক আছিল। ঈশ্বৰত সম্পূৰ্ণ বিশ্বাস ৰাখি সকলো কাম কৰিছিল। বৰগীত, ৰবীন্দ্ৰ-সংগীত চৰ্চা কৰিছিল আৰু গীতা, কীৰ্ত্তন, নামঘোষা অধ্যয়ন কৰিছিল। এদিনো শুইন নোযোৱাকৈ নিজৰ ল'ৰা-ছোৱালীহঁতে যাতে প্ৰাৰ্থনা কৰে তাৰ প্ৰতি লক্ষ্য ৰাখিছিল। আনকি কাৰাগাৰত থাকিও ল'ৰা-ছোৱালী-হঁতলৈ প্ৰাৰ্থনা সন্ধ্যা গায়ত্ৰীৰ কথা সোঁৱৰাই দি আছিল। তেখেতে প্ৰত্যেকজন ল'ৰা-ছোৱালী স্বাৱলম্বী হোৱাটো বিচাৰিছিল। জেলৰ পৰা মাজু জীয়াৰী শ্ৰীমতী হেমলতা চাংকাকতীলৈ লিখিছিল—"তুমি একণমান ছোৱালীজনীয়ে ইমান বন্ধা-কাম কেনেকৈ কৰিব পাৰিছা? ঘৰত বান্ধনি দিব নোৱাৰা কাৰণে মোক বেয়া নাপাবা। সাধাৰণ মানুহে এইদৰে নিজৰখিনি নিজে বান্ধি-বাঢ়ি খায়। লগত তোমাৰ কামো শিকা হৈছে— গাত শক্তি হ'ব। সেইবুলি পঢ়িবলৈ নেৰিবা।" লগতে নিজৰ ল'ৰা-ছোৱালীহঁতক খেতি কৰা, খৰি কটা, মিস্ত্ৰী কাম, বন্ধা-বঢ়া, বোৱা-কটা আদি কাম নিজে কৰিবলৈ উপদেশ দিছিল।

বৰদলৈদেৱে ল'ৰা-ছোৱালীহঁতক অনাসক্ত হ'বলৈ প্ৰায়ে উপদেশ দিছিল। আৰু অনাসক্তৰ শ্লোকবোৰ ব্যাখ্যা কৰি বুজাই দিছিল। মুখ্যমন্ত্ৰী হোৱা বা ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী হোৱা তেখেতৰ লালসা কোনো দিন নাছিল। এবাৰ জেলৰ পৰা লিখা চিঠিত এনেদৰে ব্যক্ত কৰিছে—"ইয়াত বহি ভবিষ্যৎ জীৱনৰ নানা কথা পাতিছো। কিন্তু সকলো পৰমেশ্বৰৰ ওপৰত। পাৰিলে মই পুনৰাই ওকালতি আৰু ৰাজনীতি ক্ষেত্ৰলৈ উভতি যাবৰ মন নাই। গাঁৱলীয়া জীৱনৰ বাহিৰে আমাৰ চলা টান হ'ব বুলি ভাবিছো। তোমালোক তালৈ সাজু হ'ব পাৰিবানে?"

এঠাইত ব্ৰহ্মচাৰ্য ব্ৰতৰ উল্লেখ কৰি সহধৰ্মিনীৰ প্ৰতি এনেদৰে পৰামৰ্শ আগবঢ়াইছে—"সহধৰ্মিনী হৈ তোমাৰ পবিত্ৰতাই উভয়কে ধৰ্মপথত আগবাঢ়িবলৈ শক্তিযুক্ত কৰিবলৈ পৰমেশ্বৰক প্ৰাণেৰে সৈতে খাটা ; সতীৰ প্ৰাৰ্থনা পৰমেশ্বৰে নুশুনি নোৱাৰে।"

তাকৰীয়া সীমিত দৰমহাৰে লানি নিছিগা আলহী-অতিথিক শুশ্ৰূষা কৰা আৰু ডাঙৰ পৰিয়ালটোক ভৰণ-পোষণ দিয়াত বৰদলৈদেৱে বৰ টান পাইছিল। সেয়ে সহধৰ্মিনী আৰু ল'ৰা-ছোৱালীহঁতক অনাড়ম্বৰভাৱে জীৱন যাপন কৰাৰ উপদেশ দিছিল। ল'ৰা-ছোৱালীহঁতক নিজৰ পিন্ধা-উৰা কাপোৰ-কানি সূতা কাটি তাঁত বৈ ল'বলৈ অভ্যাস কৰাইছিল। মুখ্যমন্ত্ৰীৰ মটৰ গাড়ীখন কেতিয়াও পৰিয়ালৰ আমোদ-প্ৰমোদৰ কাৰণে ব্যৱহাৰ কৰা নহৈছিল। চিলঙত এদিন দবাপিটা বৰষুণ বতৰত ল'ৰা-ছোৱালী-হঁতক স্কুলত থৈ আহিবলৈ গাড়ীখনৰ বাবে অনুৰোধ কৰাত তেখেতে খঙেৰে কৈছিল—"কলিকতাৰ পৰা আনি দিয়া পানীকোট আৰু ছাটি লৈ স্কুললৈ যাবলৈ দিয়া।"

বিশ্বাস কৰিবলৈ টান যেন লাগিলেও মুখ্যমন্ত্ৰীৰ বাহিৰত বহা কোঠালিটোৰ বাহিৰে বাসভৱনৰ আন কোঠালিতে হেনো কাৰপেট, সাজ-সজ্জা বা ভাল পৰ্দা আদি নাছিল। আনকি এবাৰ তেখেতৰ অসুখৰ সময়ত সাধাৰণ পাউকটি এটা যোগাৰ কৰিব নোৱাৰাত বিনা পথ্যেৰে ৰোগী নিশাটো কটাবলগীয়া হৈছিল। ধৰ্ম-বিষয়ত সংকীৰ্ণতা বৰ্জন কৰি উদাৰ হোৱাটো তেখেতে বিচাৰিছিল আৰু নিজেও সেই আদৰ্শ মানি চলিছিল। তেখেতৰ লিখাত পোৱা যায় - "বহু সময়ত মানুহৰ সংকীৰ্ণতাৰ কাৰণে, বিশেষকৈ আমাৰ জ্ঞানৰ অসম্পূৰ্ণতাৰ কাৰণে আমি যি সমাজত বাস কৰো, যিভাৱে পূজা সংকাৰ কৰো—তাকে আদৰ্শ বুলি ধৰি লৈ আনৰ নিয়ম-নীতি বা ধৰ্ম-বিশ্বাস তাচ্ছিল্য কৰিবলৈ শিকো। এই সংকীৰ্ণতাৰ বশবৰ্তী হৈ কিছুমান লোকে মহাপুৰুষসকলক নিজৰ জ্ঞানৰ তুলাচনীৰে ইজনৰ লগত সিজনক তুলনা কৰি সমাজত কাজিয়াৰ সৃষ্টি কৰে। মোৰ মনেৰে প্ৰকৃত বিজ্ঞ লোকসকল বিশেষকৈ বিজ্ঞ হিন্দুসকল সংকীৰ্ণ মনৰ হ'ব নোৱাৰে। আনকি কোনো প্ৰকৃত ধাৰ্মিক বা বুজ থকা মানুহেই তেনে সংকীৰ্ণতাক প্ৰশ্ৰয় দিব নোৱাৰে।"

অসমপ্ৰাণ বিষ্ণুৰাম মেধি

অসমৰ ৰাজনীতিত যি কেইগৰাকী ত্যাগী, আদৰ্শনিষ্ঠা, নিৰ্ভীক, সংগ্ৰামশীল, সমন্বয়কামী, দূৰদৰ্শী আৰু কুশলী নেতাই নিস্বাৰ্থভাৱে দেশ আৰু দহৰ কাৰণে সেৱা আগবঢ়ালে সেই মুষ্টিমেয় কেইগৰাকীৰ ভিতৰত লোকপ্ৰিয় বৰদলৈৰ পিছতে অসমপ্ৰাণ বিষ্ণুৰাম মেধি। এই উক্তিৰ যথাৰ্থতা তেখেতৰ কৰ্মবহুল জীৱনৰ পাত লুটিয়াই চালে দেখা পোৱা যাব নিশ্চয়।

কামৰূপ জিলাৰ অন্তৰ্গত হাজো এখন ইতিহাস প্ৰসিদ্ধ গাওঁ। এই গাৱঁৰে মণিকূট পৰ্বতত থকা একেটি মন্দিৰত হিন্দুসকলে বিষ্ণুৰ অংশাৱতাৰ হয়গ্ৰীৱ মাধৱক আৰু বুদ্ধধৰ্মীসকলে মহামুনি বুদ্ধদেৱক পূজা-অৰ্চনা কৰে। মণিকূট পৰ্বতৰ সমীপতে থকা কেদাৰ পাহাৰৰ টিলাত অৱস্থিত পোৱামক্কালৈ মুছলমানসকল হজ কৰিবলৈ যায়। হিন্দু-বৌদ্ধ আৰু ইচলাম ধৰ্মৰ সঙ্গমস্থল—হাজো, বুদ্ধ হাজো বা কোচ হাজো নামেও সুপ্ৰসিদ্ধ। বহুতো বুদ্ধধৰ্মী লোকৰ বিশ্বাস মহামুনি বুদ্ধই এই তীৰ্থতে নিৰ্বাণ লাভ কৰিছিল যদিও ঐতিহাসিক প্ৰমাণ সাপেক্ষ। এই মণিকূটতে শ্ৰীমন্ত মাধৱদেৱে কিছুকাল থাকি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। 'হাজোৰ নটীৰ' দেৱদাসী নৃত্য অসমৰ কলা সংস্কৃতিৰ অনুপম আপুকগীয়া নিদৰ্শন। ব্ৰহ্মপুত্ৰৰ পূত সলিলে মণিকূটৰ পদ পখালি থাকি দক্ষিণ মণ্ডল বিধৌত কৰি আছে। কাজেই এনেহেন পবিত্ৰ স্থানত জন্মগ্ৰহণ কৰি বিষ্ণুৰাম মেধি ধন্য হৈছে। আনহাতে বীৰ প্ৰসবিনী অসম মাতৃৰ সুসন্তান এজনক জন্ম দি হাজো গৌৰৱান্বিত।

হাজো দেৱালয়ৰ মেধিৰ পদ খোৱা এটি দুখীয়া পৰিয়ালত

১৮৮৮ চনৰ ২৪ এপ্ৰিল তাৰিখে বিষ্ণুৰাম মেধিৰ জন্ম হয়। ছাত্ৰাৱস্থাৰে পৰা প্ৰখৰ বুদ্ধিৰ বিষ্ণুৰামে প্ৰতিটো শ্ৰেণীতে মেধা শক্তিৰ পৰিচয় দি আছিল। গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলৰ পৰা প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰি এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে আৰু ১৯০৭ চনত কলিকতাৰ প্ৰেচিডেন্সী কলেজৰ পৰা স্নাতক উপাধি লয়। ১৯১১ চনত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা বিজ্ঞানৰ ৰসায়ন বিভাগত স্নাতকোত্তৰ উপাধি লাভ কৰে। একে সময়তে আইনৰ পৰীক্ষাতো উত্তীৰ্ণ হৈ বিদেশী চৰকাৰৰ তলত চাকৰি নকৰি ১৯১৪ চনত স্বাধীন ব্যৱসায় হিচাপে গুৱাহাটীত ওকালতি আৰম্ভ কৰে। অতি কম দিনৰ ভিতৰতে অপৰাধী আইনৰ উকীল হিচাপে প্ৰখ্যাত হৈ পৰে। সেই সময়ত তেখেতে মাণিকচন্দ্ৰ বৰুৱা থকা ঘৰটো ভাড়া লৈ আছিল। পোন্ধৰ বছৰ কাল অতি সুনাম সহ ওকালতি কৰাৰ পাছত তেখেতৰ আইন জ্ঞানৰ পৰিচয় পাই ১৯৩১ চনত কলিকতাৰ উচ্চ ন্যায়ালয়ে এড্‌ভোকেট হিচাপে স্বীকৃতি দিয়াত তেখেতৰ নাম চাৰিওফালে প্ৰচাৰ হৈ পৰে।

স্কুলীয়া অৱস্থাতে মেধিৰ মনত দেশ স্বাধীন কৰাৰ স্বপ্ন জাগি উঠে। স্বামী বিবেকানন্দৰ লগত সংস্পৰ্শ, ভাৰতৰ ইতিহাস অধ্যয়ন, ইটালীৰ স্বাধীনতা সংগ্ৰাম আৰু তাত পোৱা বীৰ গ্যাৰিবাল্ডিৰ ভূমিকা আদিয়ে পঢ়াশলীয়া মেধিৰ মনত মচিব নোৱাৰা দাঁচ বছুৱাইছিল। লৰ্ড কাৰ্জনৰ বঙ্গ ভঙ্গৰ ব্যৱস্থাৰ (১৯০৫) পৰি-প্ৰেক্ষিতত ভাৰতব্যাপি হোৱা আন্দোলন ভাৰতৰ মুক্তি যুদ্ধৰ এটি স্মৰণীয় অধ্যায়। মেধিৰ কোমল মনতো এই আইনৰ বিৰুদ্ধে বিক্ষোভৰ অগ্নি জ্বলি উঠিছিল আৰু প্ৰকাশ্যে এই আন্দোলনত যোগ দিছিল। স্বাধীনতাৰ কাৰণে গঢ়ি তোলা জাতীয় ন্যাস পুঁজিত যোগান ধৰাৰ কাৰণে গুৱাহাটী ৰেল ষ্টেচনত আন কেইজনমান সংগ্ৰামী ছাত্ৰৰ লগতে মেধিয়ে কুলিৰ কামো কৰিছিল।

১৯২০ চনত তেজপুৰত আসাম এছোচিয়েচনৰ এখনি গুৰুত্বপূৰ্ণ

অধিৱেশন বহিছিল। সেই কালত অসমত ৰাজনৈতিক অনুষ্ঠান বুলিবলৈ সেইটোৱেই একমাত্ৰ অনুষ্ঠান আছিল। বেছিভাগ উকীল সেই সন্থাটোৰ সভ্য আছিল। তেজপুৰ অধিৱেশনত মহাত্মাগান্ধীয়ে আহ্বান দিয়া অসহযোগ আন্দোলনত সকলোৱে পূৰ্ণ সমৰ্থন জনাইছিল। ১৯২১ চনত নাগপুৰত বহা কংগ্ৰেছ অধিৱেশনত বিদেশী পণ্য দ্ৰব্য বৰ্জনৰ প্ৰস্তাৱ গৃহীত হোৱাৰ লগে লগে আন্দোলনৰ জোৰ দুগুণে বাঢ়িল। মহাত্মা গান্ধী, চিত্তৰঞ্জন দাস, বিপিন চন্দ্ৰ পাল প্ৰমুখ্যে আগশাৰীৰ নেতাসকলৰ আহ্বান ক্ৰমে বহুতো উকীল, শিক্ষক, ছাত্ৰই নিজ নিজ কৰ্ম অনুষ্ঠান বৰ্জন কৰি আন্দোলনত জঁপিয়াই পৰিল। সেই আহ্বানত মেধিয়েও ওকালতি এৰি হাজো-নলবাৰী অঞ্চলৰ গাঁওবিলাকত ঘূৰি ঘূৰি মহাত্মা গান্ধীৰ বাণী প্ৰচাৰ কৰাৰ লগতে ছাত্ৰসকলক শ্ৰেণী বৰ্জন কৰি আন্দোলনত যোগ দিবলৈ আহ্বান জনাইছিল।

অসহযোগ আন্দোলনৰ কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ উদ্দেশ্যে মহাত্মা গান্ধী ১৯২১ চনত অসমলৈ আহি গুৱাহাটীৰ তৰুণৰাম ফুকনৰ হাউলিত আছিল। চৰকাৰৰ নিষেধাজ্ঞা অমান্য কৰি হেজাৰ-বিজাৰ জনতাৰ উপস্থিতিত ২৬ নবেম্বৰৰ দিনা বিৰাট ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছিল। সভাত দেশভক্ত কৰ্মবীৰ, মেধি প্ৰমুখ্যে নেতাসকলে তেজস্বী ভাষাত বক্তৃতা দিছিল। মেধিয়ে কৈছিল—"স্বৰাজ আমাৰ চকুৰ সমুখত। আমাৰ মানুহৰ সৈমান হোৱা স্বভাৱ গুচাই সাহসেৰে সৈতে প্ৰতিবোধ কৰিবৰ স্বভাৱ হোৱাটো আমি আনিব লাগিব।"

২৭ নবেম্বৰৰ দিনা পুৱা ফুকন, বৰদলৈ আৰু মেধিক গ্ৰেপ্তাৰ কৰাৰ পৰোৱানা ওলাল। ফুকন আৰু বৰদলৈক গ্ৰেপ্তাৰ কৰাৰ পাছত ১৯২২ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহ পৰ্য্যন্ত জেল হাজোতত ৰাখি ৯ তাৰিখে মেধিক কাৰাদণ্ডৰ হুকুম দি শিলচৰ জেললৈ প্ৰেৰণ কৰিলে। চেপ্তেম্বৰ মাহত খালাচ পাই গুৱাহাটীলৈ

উভতি আহি অকণো সময় নষ্ট নকৰাকৈ পুনৰ আন্দোলনত ব্যস্ত হৈ পৰিল। এনেতে মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰি ৬ বছৰৰ কাৰাদণ্ডৰ হুকুম দিলে। সুদীৰ্ঘকাল গান্ধীৰ কাৰাদণ্ডৰ হুকুম হোৱাত নেতৃবৰ্গৰ বহুতৰে মনত নিৰাশাই দেখা দিলে। কিন্তু মেধি অকণো হতাশ বা নিৰাশ নহ'ল।

১৯২৬ চনত গুৱাহাটীত বহা কংগ্ৰেছ অধিবেশনৰ আদৰণি সমিতিত যুটীয়া সম্পাদকৰ দায়িত্ব মেধিয়ে অতি কৃতিত্ব সহকাৰে পালন কৰিছিল। অধিবেশন পাতি উদ্যোক্তাসকলে ঋণৰ বোজা মূৰ পাতি ল'ব লগাত পৰিছিল। বিশেষকৈ ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈ ঋণ-পৰিশোধ কৰাৰ বাবে নিজৰ স্থাৱৰ সম্পত্তি বিক্ৰী বন্ধকত থ'বলগীয়া হৈছিল।

১৯২৯ চনত লাহোৰত বহা কংগ্ৰেছ অধিবেশনত "পূৰ্ণ স্বৰাজ" দাবীৰ সবাতোকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱটি সৰ্বসম্মতিক্ৰমে গৃহীত হয়। এই প্ৰস্তাৱত অসমৰ নেতৃবৰ্গৰ মাজত মতভেদে দেখা দিয়ে। লাহোৰৰ পৰা উভতি অহাৰ পথত কলিকতাত ফুকন প্ৰমুখ্যে এটা দলে ১৯৩০ চনৰ ৭ জানুৱাৰী সংখ্যা "অমৃত বাজাৰ পত্ৰিকা" কাকতত বিজ্ঞপ্তি দিছিল—"অসমৰ সমস্যা সুকীয়া, সেইকাৰণে অসমে কাউন্সিল বৰ্জনত যোগ দিব খোজা নাই।" কুলধৰ চলিহা, কামেশ্বৰ দাস প্ৰমুখ্যে এটা দলে কাউন্সিল বৰ্জন কৰাৰ সপক্ষে জনমত গঢ়ি তুলিছিল। চাওঁতে চাওঁতে ২৬ জানুৱাৰী ওচৰ পালেহি। অসমৰ কংগ্ৰেছ নেতাসকল তেতিয়াও একমত হ'ব নোৱাৰিলে। প্ৰধান প্ৰধান হোতাসকলৰ "পূৰ্ণ স্বৰাজ" দাবীৰ প্ৰস্তাৱত নিৰ্বিকাৰ মনোভাব লক্ষ্য কৰি সংগ্ৰামী ডেকাৰ দল এটি শোভাযাত্ৰা কৰি ওলাই আহিছিল আৰু গাইছিল।

"পুৰোহিত যদি থিতাতে আঁতৰি ত্ৰাসতে মূৰ্ছা যায়
আমি আগবাঢ়ি আমি আগবাঢ়ি
ডিঙি পাতি পাতি ডিঙি পাতি পাতি
তেজেৰে বলিশাল বামে বোৱাই।"

১৩ ফেব্ৰুৱাৰীৰ দিনা কাৰ্জন হলত গোটেই পৰিস্থিতিটো পৰ্য্যালোচনাৰ্থে প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভা বহিল। প্ৰশ্ন মাথো এটাই—"স্বাধীনতাৰ আন্দোলনৰ বাবে কাউন্সিল বৰ্জনৰ বাট এৰি অসমে স্বকীয়া বাট ল'ব নেকি?" তাৰ প্ৰত্যুত্তৰত কৰ্মবীৰে যি দুবাৰ কথা ক'লে যি অসমীয়া ডেকা শক্তিৰ গাত অসীম বল আৰু মনত দুৰ্বাৰ সাহস আনি দিলে—"আজি বৰদলৈ আৰু ফুকনৰ মৃত্যু হ'ব পাৰে? তেওঁলোকৰ মৃত্যু হ'ল বুলিয়েই অসমত কংগ্ৰেছৰ দায়িত্ব ল'ব পৰা কোনো ডেকা নাইনে? আজি অসম মাতৃয়ে অসমৰ প্ৰতি ডেকাৰ কৰ্তব্য সম্পাদন বিচাৰিছে।"

কৰ্মবীৰৰ আকুল কণ্ঠৰ পৰা এই প্ৰাণস্পৰ্শী কথাখিনি স্বতঃস্ফুৰ্ত-ভাৱে ওলাই অহাৰ লগে লগে পিছফালৰ পৰা তেজস্বী ডেকা উকীল মেধি আগবাঢ়ি এনে এটি ৰাজনৈতিক সঙ্কটৰ পৰা অসমক ৰক্ষা কৰিবলৈ আহিল। ইতিমধ্যে কাউন্সিল বৰ্জন নকৰাৰ সপক্ষে থাকি ফুকনে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ পদটো খালী কৰি থৈছিল। সৰ্বসম্মতিক্ৰমে, লগে লগে মেধিক সভাপতি নিৰ্বাচন কৰা হ'ল আৰু ১৯৩০ চনৰ পৰা ১৯৩৯ চনলৈকে অতি সুখ্যাতিৰে মেধি সভাপতিৰ দায়িত্ব চলাই থাকিল। মেধিৰ সৎ সাহস আৰু কৰ্তব্যনিষ্ঠাত মুগ্ধ হৈ ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা তেখেতৰ কৰ্তব্য পথত সৰ্বতোপ্ৰকাৰে সহায় কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। ইয়াৰ অলপ দিন পিছতে ডাক্তৰ ভুৱনেশ্বৰ বৰুৱাই আৰু ত্যাগবীৰক লগত লৈ অসমৰ গাঁৱে-নগৰে অবিৰতভাবে ঘূৰি, প্ৰচাৰ কাৰ্য্য চলাই আগষ্ট মাহৰ শেষৰ ফালে আহি গুৱাহাটী পালে। লগে লগে উলুবাৰীৰ ওচৰত মেধিক গ্ৰেপ্তাৰ কৰিলে। এনেতে ১৯৩১ চনৰ মাৰ্চ মাহত "গান্ধী আৰউইন চুক্তি স্বাক্ষৰিত হ'ল আৰু আন আন ৰাজবন্দীৰ লগত মেধিও খালাচ পালে।

অসম প্ৰদেশ কংগ্ৰেছ অনুষ্ঠানটোৰ এই ঘোৰ সঙ্কটৰ কালছোৱাত মেধিয়ে যি বলিষ্ঠ নেতৃত্ব দিলে সি তুলনাবিহীন। বিয়াল্লিছ বছৰীয়া

মেধিৰ সাহস আৰু ব্যক্তিত্বৰ ওচৰত 'ময়েই অসম, ময়েই কংগ্ৰেছ' বুলি ওফাইডাং মাৰি থকা এচাম তথাকথিত গান্ধীবাদী কংগ্ৰেছী নেতাৰ চৰম পৰাজয় ঘটিল। নিৰ্ভেজাল দেশপ্ৰেম, নিৰ্মল চৰিত্ৰ, কঠোৰ আদৰ্শনিষ্ঠ এদল প্ৰতিভাৱান-চৰিত্ৰৱান, নিৰ্ভীক ডেকা মেধিক সহায় কৰিবলৈ ওলাই আহিল। অসমৰ তৰুণ শক্তিটোক জগাই তোলাত আৰু প্ৰেৰণা যোগোৱাত মেধিৰ অৰিহণা সবাতোকৈ বেছি।

মেধি আকোঁৰগোজ আৰু নিমৰমীয়াল বুলি বদনাম এটিৰ কথাও লোকে কোৱাকুই কৰিছিল। প্ৰকৃততে সেইটো তেখেতৰ দোষ নহয় চাৰিত্ৰিক বৈশিষ্ট্যহে আছিল। তেখেতে যিটোকে সৎ আৰু শুদ্ধ বুলি জানিছিল তাক ৰক্ষা কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল। তেখেতৰ যে চিন্তাধাৰা শুদ্ধ আছিল, আৰু ঘটনাৰ আৰাম্ভণী দেখুৱাই অৱশ্যম্ভাৰী ফলৰ কথা আগধৰি কৈ দিব পৰিছিল তাৰ বহুতো উদাহৰণ পোৱা যায়। বৈষ্ণৱে বিষ্ণুত অবিচলিত ভক্তি আৰোপ কৰাৰ দৰে মেধিয়েও গান্ধীবাদত অবিচলিত আস্থা ৰাখিছিল আৰু গান্ধীবাদৰ ওপৰত আধাৰিত কংগ্ৰেছৰ নীতি আদৰ্শক তিলটোৰ মানো হেৰ্-ফেৰ্ হ'বলৈ নিদিছিল আৰু তেনে কবোঁতাজনক সমৰ্থনতো নকৰিছিলেই; প্ৰয়োজনবোধে প্ৰকাশ্যভাৱে অপ্ৰিয় সত্যকো উদঙাই দিছিল; তাৰফলত স্বাৰ্থান্বেষী এচাম লোকে মেধিক কটু সমালোচনা কৰিছিল। ব্যক্তিগত কাৰণত তেখেতে কোনোদিনে কাৰো শত্ৰুতা কৰা নাছিল। বৰঞ্চ তেখেতক শত্ৰু ভাবি অপযশ গাই ফুৰা জনকো তেখেতে অচিৰে আঁকোৱালি ল'ব পাৰিছিল।

মেধিৰ দেশ প্ৰেমৰ আন এটি স্ফূৰ্তি আছিল দেশৰ অৱহেলিত, অনুন্নত, উপেক্ষিত, দৰিদ্ৰ জনতাৰ দুখ নিবাৰণৰ বাবে কৰা অহৰহ প্ৰচেষ্টা। দেশ স্বাধীন হ'লে যিসকলৰ দুখ নিবাৰণ হ'ব তেনে এটি আশা বুকুত বান্ধি মেধিয়ে বিশ্ৰামহীনভাৱে দেশৰ সেৱা কৰিছিল। এবাৰ এবাৰকৈ পাঁচবাৰ (১৯২১, ১৯৩০, ১৯৩২, ১৯৪০, ১৯৪২) কাৰাবৰণ কৰি ছয়বছৰতকৈ অধিক দিনৰ জেল-জীৱনৰ অভিজ্ঞতা

লাভ কৰিছিল। সত্যনিষ্ঠাত দৃঢ় বিশ্বাস নথকা জনে কেতিয়াও এনে ত্যাগ কৰিবলৈ প্ৰস্তুত নহ'লহেঁতেন।

"১৯৩৭ চনৰ অসম বিধান সভাৰ সদস্য নিৰ্বাচনত মেধি নানামি দলৰ গঠনমূলক কামকে কৰি যাবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। তাকে নকৰি নিৰ্বাচনত থিয় দিলে হয়তো "তেতিয়াৰ অসমৰ ৰাজনৈতিক নেতৃত্বৰ গৌৰৱৰ জয়মালা লাভ কৰিলেহেঁতেন।" মেধিয়ে ৰাষ্ট্ৰৰ স্বাৰ্থক ব্যক্তি-স্বাৰ্থৰ বহুতো উৰ্দ্ধত স্থান দিছিল। ১৯৩৭ চনৰ নিৰ্বাচনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ কংগ্ৰেছৰ দলৰ নেতৃত্ব লোৱাৰ পিছত ১৯৩৮ চনত দলৰ সদস্য যোগেন্দ্ৰ নাথ বৰুৱাৰ হঠাৎ পৰলোক প্ৰাপ্তি ঘটাত দেশৰ স্বাৰ্থৰ খাতিৰত বিৰোধী দলৰ প্ৰতিক্ৰিয়াশীল প্ৰাৰ্থীজনক পৰাজয় কৰাৰ উদ্দেশ্যে উপনিৰ্বাচনত থিয় হৈ জয় লাভ কৰিছিল। দলৰ নেতৃত্বৰ মান-মৰ্যাদাৰ প্ৰতি লালায়িত হোৱা হ'লে সাধাৰণ নিৰ্বাচনতে প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হ'লহেঁতেন। মেধি ১৯৩৮ চনত গুৱাহাটী লোকেল'বৰ্ডৰ প্ৰথম কংগ্ৰেছ সদস্য হিচাপে বোৰ্ডৰ সভাপতি নিৰ্বাচিত হৈছিল।

দ্বিতীয় মহাসমৰ পূৰ্ণোদ্যমে চলি থাকোঁতেই ১৯৪২ চনৰ আগষ্ট মাহত কংগ্ৰেছে বৃটিছসকলে "ভাৰত ত্যাগ" কৰিব লাগে বুলি দৃঢ় দাবী জনালে। "ভাৰত ত্যাগ" আন্দোলনৰ ঢৌ জোঁৱাৰৰ দৰে উঠলি উঠিল। বোম্বাইত বহা কংগ্ৰেছ অধিবেশনৰ পিছতে ৯ আগষ্টৰ দিনা মহাত্মা গান্ধী প্ৰমুখ্যে আন্দোলনৰ নেতাসকলক গ্ৰেপ্তাৰ কৰিলে। অসমতো আন্দোলনে তীব্ৰৰূপ ধাৰণ কৰিলে। মেধি, বৰদলৈ প্ৰমুখ্যে নেতাবৰ্গক গ্ৰেপ্তাৰ কৰি যোৰহাট জেললৈ চালান দিলে। বিয়াল্লিছৰ শ্বহীদ হৈ কুশল কোঁৱৰ, কনকলতা, আই ভোগেশ্বৰীকে ধৰি বহুতে প্ৰাণ আহুতি দিলে, শ শ জনৰ দেহ বৃটিছৰ সশস্ত্ৰ পুলিচ আৰু মিলিটাৰীৰ গুলীৰ আঘাতত, সঙ্গীনৰ খোঁচাত, লাঠিৰ কোবত, বুট জোতাৰ পিহঁনিত থেঁতেলা হ'ল, বিকলাঙ্গ হ'ল আৰু অনেকে সশ্ৰম কাৰাদণ্ড খাটিলে বহুতে অন্ধকাৰ চেলত থাকি জীয়াতু

ভুগিলে। মেধিয়ে ১৯৪২ চনৰ ৯ আগষ্টত পৰা ১৯৪৫ চনৰ ২৩ মাৰ্চলৈ কাৰাদণ্ড ভোগী শেষবাৰৰ বাবে মুক্তি লাভ কৰিলে।

দেশ স্বাধীন হোৱাৰ আগে আগে ১৯৪৬ চনত গোপীনাথ বৰদলৈৰ নেতৃত্বত মন্ত্ৰীসভা গঠিত হ'ল আৰু মেধিক উপদলপতি পাতি ৰাজহ আৰু বিত্ত বিভাগৰ দায়িত্ব দিলে। ইয়াৰ পিছতে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ইংৰাজৰ দুশ বছৰীয়া শাসনৰ অন্তত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাত অসমেও তাৰ ফল ভোগ কৰিলে। দেশ স্বাধীন হোৱাৰ তিনিবছৰমান পিছতে অসমৰ ভাগ্যাকাশ মেঘাচ্ছন্ন হ'ল। ১৯৫০ চনৰ ৫ আগষ্টৰ নিশা কুমাৰ ভাস্কৰ নাট্য মন্দিৰত থিয়টাৰ চাই শিল পুখুৰীৰ বাসভৱনলৈ উভতি আহি হৃদৰোগত আক্ৰান্ত হৈ বৰদলৈ শেষ নিশ্বাস ত্যাগ কৰিলে।

লোকপ্ৰিয় বৰদলৈৰ পিছতে তেখেতৰ প্ৰকৃত উত্তৰাধিকাৰী মেধিৰ কান্ধত মুখ্যমন্ত্ৰীৰ গধুৰ বোজা পৰিল। এনেতে ১৫ আগষ্টৰ ৰাতি অসমত প্ৰলয়ঙ্কৰী ভূমিকম্প হৈ বহুলোক মৃত্যু মুখত পৰিল, দেশৰ অভাৱনীয় আৰু অপূৰণীয় ক্ষতি হ'ল। নতুনকৈ মুখ্যমন্ত্ৰীৰ দায়িত্ব বহন কৰা মেধিৰ বাবে এইটো এটা ডাঙৰ পৰীক্ষা হ'ল। আচৰিত কথা যে বিপুল সাহস, অদম্য কৰ্ম প্ৰেৰণা, আৰু অসীম ধৈৰ্য্যৰ পৰিচয় দি মেধিয়ে এইবাৰ প্ৰাকৃতিক সঙ্কটৰ পৰা অসমক ৰক্ষা কৰিলে। ১৯৫০ চনৰ পৰা ১৯৫৭ চনলৈ মেধিয়ে দলৰ নেতৃত্ব দিলে। এই কালছোৱাৰ ভিতৰত ব্ৰহ্মপুত্ৰ দলং, তেল শোধনাগাৰ, উমত্ৰু বিদ্যুৎ প্ৰকল্প, সাম্প্ৰদায়িক সংঘৰ্ষ, ১৯৫৫ চনত ৰাজ্য পুনৰ গঠনৰ সময়ত গোৱালপাৰা জিলাৰ অস্তিত্ব ৰক্ষাক লৈ উদ্ভৱ হোৱা অশান্তি, বিদেশী অনুপ্ৰবেশ, মিজো আন্দোলন, নগা আন্দোলন আৰু পাহাৰ ভৈয়াম সমস্যাকে ধৰি নতুন এশ এটা সমস্যাই অসমৰ বাতাবৰণ দূষিত কৰি তুলিছিল। সমস্যা বহুল ৰাজ্যখনৰ সকলো সমস্যা মেধিয়ে অসীম ধৈৰ্য্য আৰু চিন্তা সহকাৰে সমাধান কৰাত কৃতকাৰ্য্য হৈছিল। মেধিৰ দৰে এজন বিৰাট

ব্যক্তিত্বশালী লোকৰ কাৰণেহে ইমানবোৰ গুৰুত্বপূৰ্ণ সমস্যাক সমানে গুৰুত্ব দি সমাধানৰ পথ বাছি উলিওৱাটো সম্ভৱ হৈছিল। লোক-প্ৰিয়ৰ আৰ্হিৰে মেধিয়ে অসমৰ পাহাৰ-ভৈয়ামৰ মাজত উদ্ভৱ হোৱা সমস্যাৱলী সমন্বয়-সম্প্ৰীতি আৰু পৰস্পৰ বুজা-পৰাৰ মাজেদি সমাধা কৰাৰ আপ্ৰাণ চেষ্টা কৰিছিল। মেধিৰ উদ্যোগত ১৯৫৪ চনৰ ২৬ জানুৱাৰীৰ দিনা "পৰ্বত-ভৈয়াম সম্প্ৰীতি উৎসৱ"ৰ শুভ আৰম্ভণী কৰা হয়। সেই উৎসৱত মেধিয়ে দিয়া উদ্বোধনী ভাষণটো কেৱল তাৎপৰ্য্যপূৰ্ণই নহয়, অসমৰ পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিৰ যোগসূত্ৰৰ এখন সুন্দৰ দলিলো।

১৯৫৭ চনৰ বছৰটোত ৰাজ্যজুৰি অনেক অশান্তিৰ সৃষ্টি হৈছিল। তেল শোধনাগাৰৰ দাবীত গঢ়ি উঠা জনজাগৰণে অসম চৰকাৰৰ গাদিত ভালকৈ জোকাৰণি এটা মাৰিলে। মেধিয়ে অসমত সেই সময়ত তেল শোধনাগাৰ পতাৰ মুঠেও পক্ষপাতি নাছিল। তেখেতৰ যুক্তি আৰু বক্তব্য আছিল এনে ধৰণৰ—"মই নিজেও সকলোপিনৰ পৰা এই কথাটো চালিজাৰি চাইছো। যিমানেই মই এই বিষয়ে চিন্তা কৰিছো, সিমানেই অসমত এতিয়া তেলশোধনাগাৰ স্থাপনৰ যুক্তি বিচাৰি নাপাওঁ। অসমৰ স্বাৰ্থৰ কাৰণেই অসমত এতিয়া তেল শোধনাগাৰ হ'ব নালাগে। অসমত এতিয়া তেল শোধনাগাৰ স্থাপন কৰা হ'লে—খাল খান্দি কুম্ভীৰ অনাৰ দৰে হ'ব।"

তেল শোধনাগাৰৰ দাবীত কৰ্ম পৰিষদে হৰতালৰ আহ্বান দিছিল। হৰতালৰ আগদিনা গধূলি নবীন বৰদলৈ হলত বহা সভাত মেধিয়ে ভাষণ দিয়া সময়ত কিছুমান অভাৱনীয় পৰিস্থিতিৰ উদ্ভৱ হৈছিল। সেইদিনা ৰাতি এজন বিৰোধীদলৰ নেতাই মেধিক সাক্ষাৎ কৰি অনুশোচনাৰ সুৰত অনুতপ্ত হোৱা বুলি প্ৰকাশ কৰাত মেধিয়ে নিৰ্বিকাৰ চিত্তে কৈছিল—"সেইবোৰ সমূলি পাহৰি গৈছো; দুটা যুক্তিৰ সংঘাতত এনে হোৱাটো তেনেই স্বাভাৱিক। তদুপৰি জনতাই উত্তেজনাতে এনে কাম কৰিছে। তাকে লৈ থাকিলে কি

লাভ হ'ব ? মই এতিয়াও ইচ্ছা কৰো অসমৰ বৃহৎ স্বাৰ্থৰ খাটিৰত এতিয়াও হুৰভাল পৰিহাৰ কৰিবা ।"

এই পৰিস্থিতিয়ে মেধিৰ মনত গভীৰভাৱে ৰেখাপাত কৰিলে। ৰাতি টোপনী নোহোৱা হ'ল, শৰীৰ দিনকে দিনে দুৰ্বল হৈ পৰিল। অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হ'ল। মেধিৰ সুস্থিৰ মনে উপায় বিচাৰি পালে। সত্যনিষ্ঠ, পূৰাপূৰি গান্ধীবাদী মেধিৰ চিন্তাই পোৱালি মেলিলে আৰু ক'লে "অসমৰ মুখ্যমন্ত্ৰী হিচাপে মোৰ জ্ঞান বিশ্বাসমতে দেশক মোৰ গোটেই মনপ্ৰাণ দি সেৱা কৰাত কেতিয়াও ত্ৰুটী-বিচ্যুতি কৰা নাই, তথাপি কিছুমানে ভাবে মই আঁতৰি গ'লে দেশৰ অধিক মঙ্গল হ'ব। এনে অৱস্থাত মোৰ ব্যক্তিগত কোনো স্বাৰ্থ নাই যাৰ বাবে মই সেইসকল লোকৰ ইচ্ছাৰ বিৰোধীতা কৰি মুখ্যমন্ত্ৰীৰ পদটোত আঁকোৰগোজ দি ধৰি থাকিম। মই আঁতৰি গ'লে দেশৰ যদি অধিক মঙ্গল হয় মই কিয় সেই সকলক ৰাজ্য চলোৱাৰ ভাৰ এৰি নিদিম ?"

মেধিৰ চিন্তাই বাস্তৱ ৰূপ ধাৰণ কৰিলে। ক্ষিপ্ৰ গতিত সিদ্ধান্তৰ কথা সেই সময়ত কলিকতাত থকা মেধিৰ দলৰ অন্যতম বিশিষ্ট নেতা সিদ্ধিনাথ শৰ্মাক জনালে। লগে লগে সিদ্ধান্তৰ প্ৰতিলিপি নতুন দিল্লী পালে "মই ৰাজ্যৰ ভাৰ আৰু গ্ৰহণ কৰি থাকিবৰ ইচ্ছা নকৰো।"

১৯৫৭ চনৰ শেষৰ ফালে মুখ্যমন্ত্ৰীৰ পদ ইস্তফা দি উন্নতশীল মাদ্ৰাজ প্ৰদেশৰ সৰ্বজনপ্ৰিয় ৰাজ্যপাল হৈ অতি সুখ্যাতিৰে ৩ বছৰ কাল কটাই গুৱাহাটীলৈ উভতি আহিল। ৰাজ্যপালৰ পদবীৰ পৰা অৱসৰ ললেও অসমৰ সমস্যাৰ পৰা অৱসৰ লব পৰা নাছিল। উঠোতে-বহোতে, খাওঁতে-শোওঁতে অসমৰ স্বপ্ন তেখেতৰ চকুৰ আগত ভাঁহি আছিল আৰু জীৱনৰ শেষ কাললৈকে তেখেতৰ অনুগামীসকলক সেই সমস্যাবোৰ সমাধান কৰাৰ পথত দিহা-পৰামৰ্শ দিছিল।

বিষ্ণুৰাম মেধিৰ সংগ্ৰামী জীৱনৰ প্ৰতি অসীম শ্ৰদ্ধাশীল হৈ ১৯৬৬ চনত তেখেতৰ ৭৮ বছৰ বয়সত অসমৰ বাইজে তেখেতক অভিনন্দন

অনুষ্ঠিত হৈছিল। এই উৎসৱ পালনৰ বাবে "শ্ৰীবিষ্ণুৰাম মেধি অভিনন্দন সমাৰোহ সমিতি" নামদি সমিতি এখন গঠন কৰি যথোপযুক্ত কাৰ্য্য সূচীৰে এই সমাৰোহ সম্পাদন কৰা হৈছিল। সমিতিৰ কাৰ্য্যনিৰ্বাহক সভাৰ বিষয়ববীয়াসকল আছিল ক্ৰমে—শ্ৰীবিমলা প্ৰসাদ চলিহা (পৃষ্ঠপোষক), শ্ৰীশৰৎচন্দ্ৰ সিংহ (সভাপতি), শ্ৰীমহীকান্ত দাস (উপ-সভাপতি), শ্ৰীৰামচৰণ দাস (সম্পাদক), শ্ৰীনাৰায়ণ দাস (ধনভঁৰালী), আৰু সভ্যসকল আছিল—শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, শ্ৰীসতীশ চন্দ্ৰ কাকতি, শ্ৰীলক্ষ্মীধৰ বৰা আৰু ডাঃ ঘনশ্যাম দাস।

অসমৰ ৰাইজে কৃতজ্ঞতাৰ চিন স্বৰূপে দিয়া প্ৰাণৰ অকৃত্ৰিম অভিনন্দন মেধিয়ে ভাব-আবেগত উখল-থুখল হৈ আনন্দাশ্ৰু ভৰা নয়নেৰে শিৰত তুলি লৈছিল। ৭৮ বছৰীয়া কৰ্মময় জীৱনৰ স্বাক্ষৰ স্বৰূপে ৭৮ হেজাৰ টকাৰ ধনৰ মোনা এটা তেখেতলৈ আগবঢ়োৱাত সেই দান সভক্তিৰে সোঁহাতেৰে গ্ৰহণ কৰি বাঁওহাতেৰে দেশৰ কণ কণ শিশুসকলৰ মঙ্গলৰ কাৰণে পুনৰ দান কৰিছিল।

মেধিৰ সহধৰ্মিনী নিৰ্মলা মেধি তেখেতৰ জীৱন সঙ্গীনীয়েই কেৱল নাছিল; সন্তি-সন্ততিহীন দাম্পত্য জীৱনৰ দুয়ো দুয়োৰে পৰিপূৰক আছিল। বিয়াৰ সময়ত মেধিৰ বয়স প্ৰায় ২৮ বছৰ আৰু পত্নীৰ বয়স ১১ বছৰ। সাধাৰণ লিখা পঢ়া জনা নিৰ্মলাক সহধৰ্মিনীৰূপে আঁকোৱালি লোৱাৰ দিন ধৰি সহধৰ্মিনী দুখ পোৱা কোনো কাম কৰা নাছিল। আৰু সহধৰ্মিনীয়েও মেধিৰ সংগ্ৰামী জীৱনৰ প্ৰতি খোজতে গাটোতে ছাঁটোৰ দৰে লাগি থাকি সেৱা-শুশ্ৰূষা কৰিছিল। মেধিৰ পৰলোক প্ৰাপ্তিৰ কেইবছৰমান আগতে শিৰত সেন্দুৰ লৈ নিৰ্মলা মেধি স্বৰ্গগামী হয়। বিবাহৰ দিন ধৰি জীৱনৰ শেষলৈকে স্বামীৰ অতি প্ৰিয় বস্তু দুটাৰ সেৱা শ্ৰদ্ধাসহকাৰে স্বহস্তে কৰি আছিল। প্ৰথমটো আছিল নিজে ৰন্ধা-বঢ়া কৰা অন্নমুঠি আৰু আনটো আছিল নিজে পাঁজি বটি, সূতা কাটি বুই দিয়া খদ্দৰ ধুতি-চোলা। মেধিৰ গাৰ্হস্থ্য জীৱনৰ চাৰিত্ৰিক দিশত ৰেখাপাত কৰি

নির্মলা বৰুৱাৰ লিখা—"শহীদ মূর্তিত স্বামী" প্ৰবন্ধৰ কিয়দংশ তুলি দিয়া হ'ল—

"তেওঁৰ যে ক'ত বেয়া, কোনখিনিত বেয়া, কিচাবিয়েই নাপাওঁ। মোৰ পৰাজয়। তথাপি মোৰ ভিতৰত এটা আছে। কিবা কামত, কিম্বা কথাত, বেয়া দেখিলে বা বেয়া পালে সামান্য কথা হ'লেও চকু মুখ বঙা কৰি গৰ্-গৰাই উঠে। সেই মানুহজন ইকালে যথম চাকৰেই হওক বা উচ্চ পদস্থ কর্মচাৰীয়েই হওক।"

"ৰাজনীতিৰ ক্ষেত্ৰত তেওঁৰ নিজস্ব মতক যি সকলে প্ৰতিবাদ কৰে বা তেওঁৰ আঁকোৰগোজ মতবাদক পচন্দ নকৰি যি সকলে প্ৰতিবাদ বা বিদ্ৰোহ কৰে– মই এটা কথা অতি স্পষ্টভাৱে প্ৰকাশ কৰিব পাৰো যে সেইসকল ব্যক্তিৰ প্ৰতি তেওঁ বেয়া ভাব কেতিয়াও পোষণ নকৰে। মই জানো সেইসকল লোকৰ প্ৰতি সম্পূৰ্ণ শ্ৰদ্ধা তেওঁ ৰাখে। কেতিয়াও মই তেওঁৰ মুখে, 'এইজন মানুহ বেয়া' এই কথা শুনা নাই। কাৰোবাৰ প্ৰতি বিৰক্ত হ'লে আৰু খং উঠিলে সেইটো যে ইমান সোনকালে পাহৰি যাব পাৰে আচৰিত।"

"তেওঁ গোটেই জীৱনছোৱাত কোনো ক্ষেত্ৰত মিছা কথা বা কথা ঘূৰাই পকাই কোৱা মনত নপৰিল। এইটো কথা ক'লে মানুহজনে বেয়া পাব গতিকে তাক ঘূৰাই পকাই বা তেওঁক দুখ নিদিয়াকৈ কথাটো কওঁ, তেওঁ কোনো কালেই পচন্দ নকৰিলে। যি সত্য, সেইটো কথা সেইভাৱেই মুখৰ আগতে কবলৈ অলপো সংকোচ নকৰে।"

"তেওঁৰ মুখত শুনিছিলো তেওঁ কলেজীয়া জীৱন আৰম্ভৰ পৰা বৃটিছক খেদি দেশ কেনেকৈ উদ্ধাৰ কৰিব লাগে তাৰ বাবে সপোন দেখিছিল –

...মেথি ভাণ্ডৰীয়াই সেই সময়ত বিবেকানন্দৰ সংস্পৰ্শত আহি তেওঁৰ সেই মতবাদ আৰু তীব্ৰতম হৈ উঠিছিল আৰু তেওঁ তেনে এটা বিদ্ৰোহী দলৰ সভ্য ভৰ্ত্তি হৈছিল।"

"১৯৪৭ চনৰ পৰা তেওঁ অসম চৰকাৰৰ মন্ত্ৰীৰ বাব লৈ ১৯৫৮

চলত মাদ্ৰাজৰ ৰাজ্যপাল হৈ যায়। মন্ত্ৰী থকা কালত আমাক সদায় টকাৰ নাটনি।....নিজৰ পৰিয়াল বা পৰৰ যিকোনো বিপদত নিজৰ বা মোৰ হাতে-কাণে যি আছে দি সহায় কৰিব নোৱাৰিলে কেনেকৈ ধৰ্ ফৰাব ধৰে সেই অভিজ্ঞতা মোৰ আছে। মাদ্ৰাজৰ ৰাজ্যপাল হৈ থকা অৱস্থাত নিতৌ ভাৰতৰ নানান ঠাইৰ পৰা মানুহে সাহায্য বিচাৰি চিঠি লিখে। মই জনাত জনা নজনা এনে এজন মানুহ নাই যাক তেওঁ যিমান বিচাৰে সিমানে নহ'লেও কিঞ্চিৎ পৰিমাণে সাহায্য কৰা নাই।"

মেধিৰ কৰ্তব্যপৰায়ণতা আৰু কৰ্মব্যস্ততাৰ এটি উদাহৰণ দিয়া যাব পাৰে—"১৯৫৭ চন। বিফাইনেৰী, ব্ৰহ্মপুত্ৰ দলং, নগা পাহাৰৰ সমস্যা আদি কথাবিলাকৰ বাবে ৰাতিয়ে-দিনে খোৱা-শোৱাতো বিপৰ্য্যয় ঘটাৰ ফলত আৰু গোটেই ৰাতি টোপনি নহাৰ ফলত তেওঁৰ শৰীৰৰ অসুখ হৈ পৰিছিল। কিন্তু মন আছিল সম্পূৰ্ণ সুস্থ। ১৯৫৭ চনৰ আগষ্ট মাহৰ ২০ তাৰিখে দিল্লীৰ পৰা ঘূৰি আহি গুৱাহাটী পাওঁতেই পণ্ডিতজীৰ পৰা খবৰ আহিল, তেওঁ আকৌ তৎক্ষণাৎ দিল্লীলৈ কিবা জৰুৰী কথা এটাৰ বাবে যাব লাগে। ২০ তাৰিখেই চিলঙলৈ আহি ২১ তাৰিখে দিল্লী অভিমুখে যাত্ৰা কৰি সেই ৰাতি গুৱাহাটীত থাকিল। সেই ৰাতি ১০৩ ডিগ্ৰী জ্বৰ। কিন্তু তেওঁ ২২ তাৰিখে পুৱা যাবই। খবৰ পাই মই আহিলো আৰু তেওঁৰ লগতে ২২ তাৰিখে দিল্লী অভিমুখে ৰাওনা হ'লো।"

মেধি মাদ্ৰাজৰ ৰাজ্যপাল হৈ থকা সময়ছোৱাত কৰ্মব্যস্ততা কিছু কমিছিল। তেতিয়া তেখেতে নিয়মিতভাৱে নানান ধৰ্মশাস্ত্ৰ পঢ়িছিল। মাৰ্বল পাথৰ নিৰ্মিত বংশীধাৰী কৃষ্ণ মূৰ্ত্তিয়ে সুশোভন কৰি থকা থাপনাৰ ওচৰত মূৰ দোৱাই সেৱা-অৰ্চনা কৰিছিল। দিনে দিনে তেখেতৰ ঈশ্বৰ-বিশ্বাস বাঢ়ি গৈছিল। অৱশ্যে মাদ্ৰাজলৈ যোৱাৰ আগতেও খুব পুৱাতে উঠি গা-মূৰ ধুই গোঁসাই সেৱাৰ জৰিয়তে দিনটোৰ কাৰ্য্যসূচী আৰম্ভ কৰিছিল।

মেধিৰ আন এটি প্ৰধান চাৰিত্ৰিক গুণ আছিল কণ-কণ শিশু-সকলক ভাল পোৱাটো। নিজৰ ল'ৰা-ছোৱালী নথকাৰ বাবে হওক বা ঈশ্বৰ প্ৰদত্ত মহাত্ম্যৰ বাবেই হওক দেশৰ শিশুসকলক তেখেতে ইমান ভাল পাইছিল যে মৃত্যুৰ কেইবছৰমান আগতে তেখেতৰ হাজো আৰু গুৱাহাটীত থকা স্থাবৰ আৰু অস্থাবৰ সকলো সম্পত্তি দান কৰি যায়। দান কৰাৰ পিছত গুৱাহাটীৰ নিজৰ বাসভৱনটোৰ বাবে মাহিলি ২৫ টকা ভাড়া বন্দবস্ত কৰি মৃত্যু পৰ্যন্ত তাত থাকে। ট্ৰাষ্টৰ উদ্দেশ্যৰ ইঙ্গিত দি পত্নী নিৰ্মলা মেধিয়ে কৈছিল— "ট্ৰাষ্টৰ উদ্দেশ্য কাৰ্যত পৰিণত কৰিব পাৰিলে আমাৰ আত্মাই শান্তি পাব সন্দেহ নাই। আমাৰ আশা ৰাইজে এই দান গ্ৰহণ কৰিব। বৰ্তমান আমি থকা ঘৰত আমি অবিহনে দেশৰ কণ-কণ পোনাইঁতৰ পাঠ্য মন্দিৰ হব। যুগৰ পিছত যুগ ধৰি পোনাইঁতৰ পদৰেণু কণাই এই ঘৰখনত পৰিপূৰ্ণতা আনি তাক তীৰ্থত পৰিণত কৰিব।"

অভিনন্দন সমাৰোহৰ পিছত আৰু এটি যুগ বাগৰি গ'ল। প্ৰাণাধিক সহধৰ্মিনীৰ মৃত্যুয়ে তেখেতৰ কোমল হিয়াত দাৰুণ আঘাত হানিলে। ক্ৰমে ক্ৰমে শৰীৰ দুৰ্বল হৈ পৰিল। মানসিক ভাৰসাম্য হেৰাই পেলালে আৰু ১৯৮০ চনৰ ২৩ এপ্ৰিলৰ দিনা পূৰ্ণ পৌঢ় কাল প্ৰাপ্ত হৈ ৯২ বছৰ বয়সত ট্ৰাষ্ট কমিটিৰ ভাড়া ঘৰত শান্তিৰে শেষ নিশ্বাস ত্যাগ কৰিলে আৰু অসমে সিদিনা এই যুগৰ বিশিষ্ট নেতা এগৰাকীক হেৰুৱাৰ মৰ্মবেদনা অনুভৱ কৰিলে।

বিমলাপ্ৰসাদ চলিহা

বিমলাপ্ৰসাদ চলিহাৰ পূৰ্বপুৰুষ শ্ৰীৰাম বা চিৰাম। শ্ৰীৰামৰ পুত্ৰ শ্ৰীৰামৰায় চলিহা। ইতিহাসৰত্ন বেণুধৰ শৰ্মাই উদ্ধাৰ কৰা মতে শ্ৰীৰামৰায় চলিহা কাশ্মিৰৰ পৰা অসমলৈ আহে। পণ্ডিত তীৰ্থনাথ শৰ্মাই শ্ৰীৰামৰায় চলিহা দক্ষিণপাট সত্ৰৰ নিষ্ঠাবান সেৱক আছিল বুলি লিখিছে। বনমালীদেৱৰ চৰিত পুথিত দ্বিজ বলৰামে এইদৰে লিখিছে—

প্ৰভুৰ প্ৰধান শিষ্য ভক্ত অনুপম।
কায়স্থ কুলত শ্ৰেষ্ঠ নামত শ্ৰীৰাম॥
চলিহা চলিহা বুলি প্ৰভুৱে ডাকয়।
সিকাৰণে শ্ৰীৰাম চলিহা বুলি কয়॥
যি স্থানত তেহো আসি নিবাস কৰিল।
শ্ৰীৰাম চাপৰি নাম অদ্যাপি ৰহিল॥

শ্ৰীৰামৰ সপ্তম পুৰুষ শিৱৰাম বিমলা প্ৰসাদ চলিহাৰ প্ৰপিতামহ। শিৱৰামে নাজিৰাৰ চাহ কোম্পানীত এটা সৰু কাম কৰিছিল। তেওঁৰ পুতেক কৃষ্ণদাস দেওপানী চাহ বাগিছাত মহৰি আছিল। কৃষ্ণদাসে হুৰৰা কাকতী বংশৰ কৃষ্ণপদৰ বাইদেৱেকক বিয়া কৰায়। সময়ত কৃষ্ণদাসৰ পুত্ৰ কালীপ্ৰসাদ চলিহাৰ জন্ম হয়, আৰু অলপ ডাঙৰ হোৱাত শিৱসাগৰৰ মোমায়েকৰ ঘৰত ৰাখি ইংৰাজী স্কুলত নাম লগাই দিলে। ১৮৭৮ চনত শিৱসাগৰ হাইস্কুলৰ পৰা কালীপ্ৰসাদে এণ্ট্ৰেন্স পাছ কৰি 'আসাম টি কোম্পানী'ত ডেৰকুৰি টকা দৰমহাৰ কেৰাণী চাকৰি কৰে।

১৮৮১ চনৰ কথা। প্ৰখ্যাত চাহ খেতিয়ক যজ্ঞেশ্বৰ শৰ্মাই

নিজৰ ব্যৱসায়ৰ মোকৰ্দমা চলাবলৈ কলিকতাৰ পৰা অক্ষয় কুমাৰ ঘোষ বি. এলক শিৱসাগৰলৈ আনি নানা সা-সুবিধা দি নিজ ঘৰতে ৰাখে। তেতিয়া অসমত ল কলেজ নাছিল। ঘোষৰ ওচৰত কালীপ্ৰসাদে আইনৰ প্ৰশিক্ষণ লৈ মোক্তাৰ হ'ব পৰা অৰ্হতা লাভ কৰে। সময়ত কালীপ্ৰসাদ প্ৰখ্যাত উকীল হয়। কালী-প্ৰসাদে শ্বহীদ মণিৰাম দেৱানৰ জীয়েক ললিতাৰ কন্যা নিকুঞ্জক বিয়া কৰায়। সময়ত তেখেতসকলৰ সংসাৰলৈ পাঁচজন পুত্ৰ আৰু পাঁচ-গৰাকী কন্যা আহে। প্ৰথম পুত্ৰ আৰু চাৰিগৰাকী কন্যাৰ অকাল বিয়োগ ঘটে। আন চাৰিজন পুত্ৰ ক্ৰমে তাৰাপ্ৰসাদ, যাদৱপ্ৰসাদ, গুৰুপ্ৰসাদ আৰু বিমলাপ্ৰসাদ আৰু কন্যা ডাঃ নিৰ্মলা চলিহা। কালীপ্ৰসাদ চলিহা এজন ধাৰ্মিক সাহিত্যানুৰাগী, দেশহিতৈষী, দাতা, দয়াশীল, বিনম্ৰ, অতিথিপৰায়ণ আৰু গহীন-গম্ভীৰ লোক আছিল। তেখেতৰ কনিষ্ঠ পুত্ৰ বিমলাপ্ৰসাদে উত্তৰাধিকাৰী সূত্ৰে পিতৃৰ সদগুণবোৰ পাইছিল।

'যি মূলা বাঢ়ে তাৰ দুপতীয়াতে চিন।' বিমলাপ্ৰসাদ চলিহাই সৰুৰে পৰা নিজৰ সংস্বভাৱ, সত্যবাদিতা, পৰোপকাৰ, সমাজসেৱা আদি সদ্‌গুণৰ পৰিচয় দি আহিছিল। চলিহা সৰু থাকোঁতে দেউতাক ঢুকায়। ককায়েক সকলে, বিশেষকৈ তাৰাপ্ৰসাদ চলিহাই বিমলাপ্ৰসাদ চলিহাৰ সকলো দায়িত্ব মূৰ পাতি লয়। এদিন তাৰাপ্ৰসাদে বিমলাপ্ৰসাদক কেইটামান টকা দি বজাৰলৈ বস্তু কিনিবলৈ পঠালে। বিমলাই দৰ্কাৰি বস্তু কেইপদ কিনি দামৰ সৈতে তালিকাখন ককাকেক দিলে। তালিকাখনত 'চিগাৰেট' কিনাত কিমান পইচা গৈছিল তাকো দেখুৱা হ'ল। ককায়েকে সুধিলে, "মইনা, চুৰট কিয় কিনা হৈছিল আৰু কি কৰা হ'ল?" ককায়েকৰ ওচৰত অলপো কুণ্ঠিত নহৈ লুকুৱাক নকৰি ক'লে যে, চুৰট কিনি লগৰ ল'ৰাৰ সৈতে হুপিছিল। তেতিয়া ককায়েকে বিমলাপ্ৰসাদ চলিহাক কোনো প্ৰকাৰৰ টান কথা নকৈ চুৰট

খোৱাৰ অপকাৰিতা সম্পৰ্কে কৈ ভৱিষ্যতে নেখাবলৈ কৈছিল। পিতৃস্বৰূপ ককায়েকৰ কথা ৰক্ষা কৰিবলৈ চলিহাই চেষ্টাৰ অকণো ত্ৰুটি কৰা নাছিল।

ছাত্ৰ হিচাপে চলিহা মধ্যম আছিল। ১৯২৮ চনত প্ৰৱেশিকা পাছ কৰি কলিকতাৰ চিটি কলেজৰ আই এছ চি শ্ৰেণীত ভৰ্ত্তি হয়। কলিকতাত থাকোঁতে চলিহাই তবলা বজাব শিকিছিল আৰু পৰবৰ্তী কালত শিৱসাগৰ অঞ্চলত অনুষ্ঠিত হোৱা বহুতো নাট ভাওনাত তবলা সঙ্গত কৰিছিল।

অসহযোগ আন্দোলনৰ সময়ত চলিহা স্কুলীয়া ছাতৰ, বয়স ন কি দহ বছৰ। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ সময়ত চলিহা কলিকতাত। সেই বছৰতে আই এছ চি পৰীক্ষাত নবহাকৈ ঘৰলৈ ওভতি আহে।

চলিহা পৰিয়ালৰ বহুদিন আগৰে পৰা অসমৰ ৰাজনীতিত নাম আছে। ককায়েক যাদৱ চলিহা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ এজন কৰ্মঠ সদস্য আছিল। যাদৱ চলিহাৰ প্ৰেৰণাত ভুবন গগৈ, দুৰ্গা বৰুৱা, সোণাৰাম দত্ত, দুৰ্গাপ্ৰসাদ বৰঠাকুৰকে ধৰি উৎসাহী কংগ্ৰেছ কৰ্মীসকলে শিৱসাগৰ জিলা কংগ্ৰেছ অনুষ্ঠানটো সক্ৰিয় কৰি তোলে।

বিমলাপ্ৰসাদ চলিহাই ১৯৩২ চনলৈ সক্ৰিয় কংগ্ৰেছ কৰা নাছিল যদিও সমাজ সেৱা আৰু সংগঠনৰ কামত আছিল। ১৯৩২ চনৰ শেষৰ ফালে ঘটা ঘটনা এটিয়ে চলিহাক আন্দোলনত নামিবলৈ বাধ্য কৰে। ঘটনাটো হ'ল—চলিহা পঢ়া শিৱসাগৰ বিদ্যাপীঠৰ ছমহীয়া পৰীক্ষাৰ সময়ত স্কুলৰ শিক্ষক সোণাৰাম দত্ত, দুৰ্গাধৰ বৰুৱা আৰু পুষ্পধৰ চলিহাক বিনা দোষত পুলিচে গ্ৰেপ্তাৰ কৰে। পুলিচে লৈ যোৱাৰ পথত পুষ্পধৰ চলিহাই তেখেতৰ একালৰ অতি প্ৰিয় ছাত্ৰ বিমলাপ্ৰসাদ চলিহাক মাত লগাই গ'ল। এই ঘটনাই চলিহাৰ অন্তৰত খুন্দিয়া-খুন্দি লগালে। চলিহাই চকুপানীক বাধা দিব নোৱাৰিলে। মাককু ঘটনাৰ আদ্যোপান্ত কৈ জনালে যে, তেখেতে

অলপো সময় নষ্ট নকৰাকৈ আন্দোলনত জঁপিয়াই পৰিব। কথাৰ লগে লগে কাম আৰম্ভ হ'ল। হাতকেৰেয়া মাৰি বান্ধি নি বিমলা-প্ৰসাদ চলিহাক জেলত ভৰালে। চলিহাক দেখি পুষ্পধৰ চলিহাৰ চকু চলচলীয়া হ'ল। ছমাহ কাৰাদণ্ড ভুগি ওলাই আহি সংগঠনৰ কামত পুনৰ উঠি পৰি লাগিল।

চলিহাই গৱেষণা কৰি অতি কম খৰচত উন্নত ধৰণৰ যঁতৰ এটি তৈয়াৰ কৰি উলিয়ালে। ১৯৩৪ চনত মহাত্মা গান্ধী শিৱসাগৰলৈ আহোঁতে তেখেতক যঁতৰটোৰ কৌশল বুজাই দিয়াত বৰ সন্তুষ্ট হ'ল আৰু মথুৰাদাস পুৰুষোত্তমৰ লগত খাদী প্ৰশিক্ষণ ল'বৰ বাবে মহাত্মাই চলিহাক বিহাৰলৈ পঠালে। তাৰ কিছুদিন পাছতে চলিহা 'সৰ্ব-ভাৰতীয় স্পীনাৰ এছোছিয়েশ্যন'ৰ অসম শাখাৰ সম্পাদক নিৰ্বাচিত হ'ল। চলিহাৰ কৰ্মনিষ্ঠা আৰু সাংগঠনিক বুদ্ধিমত্তা দেখি কেন্দ্ৰীয় কংগ্ৰেছ নেতাসকল আকৃষ্ট হ'ল আৰু ভাৰতীয় মহাকংগ্ৰেছৰ পক্ষৰ পৰা চলিহাক পূৰ্বাঞ্চলৰ সাংগঠনিক কামৰ দায়িত্ব দিলে। চলিহাই এই কামত অসম, মণিপুৰ, ত্ৰিপুৰা আৰু উত্তৰ-পূব ভাৰতৰ বহুতো ৰাজ্য ভ্ৰমণ কৰিলে। ১৯৩৭-৩৮ চনত বিস্তৃত কাৰ্যসূচী লৈ অসমৰ ভৈয়াম অঞ্চলৰ জনজাতি অধ্যুষিত অঞ্চলবোৰত তেখেতে কিছুমান অৰ্থনৈতিক উন্নয়নমূলক কাম আৰম্ভ কৰিলে। ভৈয়ামৰ মিৰি সম্প্ৰদায়ৰ লোকসকলৰ মাজত সোমাই তেওঁলোকৰ মাজৰে এজন হৈ খাদীৰ লগতে 'মিৰিজীমৰ' আঁচনি ৰূপায়ণ কৰিলে।

গাঁও উন্নয়ন আৰু গাঁও সংগঠনৰ কাৰণে এইদৰে ১৯৪২ চনলৈ আত্মনিয়োগ কৰি থাকি বিয়াল্লিছৰ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে তাত চলিহা জঁপিয়াই পৰি দুবছৰ কাৰাবাস খাটি ওলাই আহে। ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত শিৱসাগৰৰ পশ্চিম সমষ্টিৰ পৰা বিধান সভালৈ নিৰ্বাচিত হয়।

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতবৰ্ষ স্বাধীন হোৱাত লোক-প্ৰিয় গোপীনাথ বৰদলৈ অসমৰ প্ৰথম মুখ্যমন্ত্ৰী হ'ল। তেখেতে

কৰ্তব্যনিষ্ঠা, নম্ৰতা আৰু সাংগঠনিক ক্ষমতাৰ পৰিচয় পাই তেখেতক প্ৰাদেশিক গাঁও উন্নয়ন খণ্ডৰ অবৈতনিক সংগঠকৰ দায়িত্ব দিলে। চলিহাৰ আশাশুধীয়া প্ৰচেষ্টাত পঞ্চায়ত, আত্মসাহায্য, সমবায়, কুটীৰ শিল্প, আদি নতুন নতুন উদ্যোগ প্ৰকল্পবোৰ গঢ়ি উঠিল, জন-জাগৃতিৰ সৃষ্টি হ'ল। চলিহা 'অসম কো-অপাৰেটিভ এপেক্স বেঙ্ক' আৰু 'অসম কুটীৰ শিল্প সমবায়'ৰ প্ৰথম সভাপতি আছিল।

অতি অমায়িক স্বভাৱ, দৃঢ় মনোবল, স্বদেশহিতৈষিতা গুণ, সবাৰো ওপৰত সততাৰ বলত বিমলাপ্ৰসাদ চলিহা সকলোৰে আস্থাভাজন হৈ দোপত্ দোপে উন্নতিৰ শিখৰত এখোজো পিছ নোহোঁহাকৈ উঠি গৈ থাকিল। ১৯৫০ চনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ চলিহা সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। তাৰ মাত্ৰ দুবছৰ পিছত সিদ্ধিনাথ শৰ্মাৰ সভাপতিৰ কাল উকলি যোৱাত চলিহাৰ ওপৰত সৰ্বসন্মতিক্ৰমে সভাপতিৰ গুৰু দায়িত্ব অৰ্পিত হ'ল। এনেতে ১৯৫৩ চনত লোক সভাৰ সদস্য সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁইৰ পৰলোক প্ৰাপ্তি ঘটাত শিৱসাগৰ সমষ্টিৰ পৰা উপনিৰ্বাচনত জয়ী হৈ লোক-সভাৰ মজিয়া পালে।

উদ্‌যোগী পুৰুষ সিংহৰ দৰে। সন্মুখত যি সমস্যাই উপস্থিত নহওক লাগে সন্মুখীন হ'বলৈ কেতিয়াও ভয় নকৰে। তেওঁলোকে নিজৰ ক্ষুদ্ৰ স্বাৰ্থক বলি দি দেশৰ স্বাৰ্থক আগকৰি, পশ্চাদ্‌দৃষ্টি নকৰাকৈ আগবাঢ়ি গৈ থাকে।

১৯৫৭ চনৰ কথা। একুৰি এটা জ্বলন্ত সমস্যাই প্ৰদেশখনক গৰা মাৰি ধৰিছে। এনে এটি সঙ্কটপূৰ্ণ অৱস্থাত প্ৰবীণনেতা মুখ্যমন্ত্ৰী বিষ্ণুৰাম মেধিক মাদ্ৰাজৰ ৰাজ্যপাল পাতি আঁতৰ কৰাত চলিহাই মুখ্যমন্ত্ৰীৰ গুৰুদায়িত্ব মূৰ পাতি ল'বলগীয়া হ'ল। দাঙিব নোৱাৰা ভাৰখন শৰীৰৰ সমষ্ট শক্তি প্ৰয়োগ কৰি অবিৰতভাৱে ১৩ বছৰ কাল বহন কৰি সম্পূৰ্ণ ভাগৰি পৰাত ১৯৭১ চনৰ ৩০ অক্টোবৰৰ দিনা মহেন্দ্ৰমোহন চৌধুৰীৰ কান্ধত তুলিদি শয্যাশায়ী

হ'ল। চিকিৎসাৰ কোনো প্ৰকাৰৰ ত্ৰুটি নকৰাকৈ চলিহাক জীয়াই ৰখাৰ চেষ্টা কৰা হ'ল। মৃত্যুক জানো কোনোবাই হাতেৰে ঠেলিব পাৰে! তথাপি চাৰিটা মাহ মৃত্যুৰ লগত অবিৰাম যুঁজ কৰা হ'ল। ডাক্তৰ-ধনন্তৰী সকলোকে পৰাজয় কৰি বিমলাপ্ৰসাদ চলিহাৰ আত্মাই দেৱদুন্দুভী বজাই পৰলোক গমন কৰিলে। সেই মহাপ্ৰয়াণৰ দিনটো আছিল ১৯৭১ চনৰ ২৫ ফেব্ৰুৱাৰী, ২১ ফাগুণ বৃহস্পতিবাৰ।

তেখেতৰ মৃত্যুত অসম, অৰুণাচল, নগাৰাজ্য আৰু ভাৰতৰ প্ৰবীণ ৰাজনীতিবিদ্ তথা অসমৰ বিদ্বৎ সমাজে তেখেতৰ কৰ্মৰ শলাগ লৈ অলেখ শ্ৰদ্ধাঞ্জলি পঠাইছিল।

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বকুল বনৰ কবি আনন্দচন্দ্ৰ বৰুৱাই শোকত ম্ৰিয়মান হৈ লেখিছিল,—"মহাত্মা গান্ধীৰ প্ৰকৃত শিষ্য হিচাপে চলিহাই দয়া, ক্ষমা আৰু সহানুভূতিৰে বিধান সভা পৰিচালনা কৰিছিল। ১৯৬৯ চনত বিধান সভাত যেতিয়া বিৰোধী দলে হুলস্থুল কৰি মাইক ভাঙি সভাঘৰ অভদ্ৰ আচৰণেৰে যুদ্ধক্ষেত্ৰত পৰিণত কৰিছিল, তেতিয়াও মুখ্যমন্ত্ৰী চলিহাই অসীম ধৈৰ্য্য আৰু সহিষ্ণুতাৰে সকলো সহ্য কৰি আছিল। ইচ্ছা কৰা হ'লে তেওঁ আইনসঙ্গতভাৱেও প্ৰতিকাৰ কৰিব পাৰিলেহেঁতেন! কিন্তু চলিহাই জানিছিল যে তেনে কৰিলে বিৰোধীসকলৰ মনত আকৌ প্ৰতিবাদ কৰাৰ জেদ থাকি যাব। সেই কাৰণে তেওঁ পিছদিনা সকলো সদস্যক একেঠাই কৰিলে আৰু এজন জ্ঞান-গম্ভীৰ প্ৰকৃত দেশহিতৈষী নেতা হিচাপে অতি ভদ্ৰ বাক্য আৰু নীতিবচনেৰে সকলোৰে মনৰ পৰা বিৰোধৰ ভাব আঁতৰাই দিলে। বিৰোধী পক্ষই চলিহাৰ স্বদেশপ্ৰেম, মিলনৰ আকাংক্ষা আৰু বহুজনৰ হিত কামনাৰ পৰিচয় পাই শ্ৰদ্ধাত তলমূৰ কৰিলে। এইজন ৰাজনীতিবিদৰ কাৰণে এই জয় কম কথা নহয়। দৰাচলতে চলিহাক তেওঁৰ ব্যক্তিত্ব আৰু মহৎ চৰিত্ৰৰ বাবে সকলোৱেই অকৃত্ৰিম শ্ৰদ্ধা কৰিছিল।"

গণতান্ত্ৰিক চৰকাৰ এখনত দল-উপদল থাকিবই, সময়ে সময়ে বিধান সভা আৰু লোক সভাৰ মজিয়াত ভীম-দুৰ্যোধনৰ দৰে দৰৰা-দৰৰিও নলগাকৈ নেথাকে। কিন্তু দিনৰ যুদ্ধৰ শেষত গধূলি পাণ্ডৱে কৌৰৱৰ আৰু কৌৰৱে পাণ্ডৱৰ শিবিৰলৈ গৈ খা-খবৰ লোৱা আৰু সমবেদনা-সহানুভূতি জনোৱাৰ আদৰ্শ যদি নাথাকিলহেঁতেন, মহাভাৰতক লৈ গৌৰৱ কৰাৰ অধিকাৰো আমাৰ নেথাকিলহেঁতেন। চলিহা স্বাধীন অসমৰ তৃতীয় মুখ্যমন্ত্ৰী। গান্ধীবাদত পূৰা বিশ্বাস। কাজেই বিৰোধী দলৰ নেতাসকলক ক্ষমা আৰু অহিংসাৰ অমোঘ অস্ত্ৰেৰে জয় কৰাৰ সৎসাহস আৰু ক্ষমতা তেখেতৰ আছিল।

১৯৬০ চন। ৰাজ্যভাষা আন্দোলনৰ জুই দাও দাওকৈ জ্বলি উঠিল। ৪ জুলাইৰ দিনা কটনীয়ান ৰণজিৎ বৰপূজাৰীৰ মৃত্যু হ'ল। সূৰ্য্য বৰা, মোজামিল হকেও ভাষা জননীৰ বেদীত প্ৰাণাহুতি দিলে। চলিহা তেতিয়া মুখ্যমন্ত্ৰী। দেশ থাকেনে নেথাকে তেনে এক দুৰ্ঘোৰ সমস্যা। ৰাইজৰ মুখ্যমন্ত্ৰী চলিহাৰ ওপৰত ভীষণ অসন্তুষ্টিৰ ভাৱ। কিন্তু চলিহা অটল-অচল। অতি অল্পভাষী, গহীন-গম্ভীৰ, চিন্তাশীল চলিহাই এবাৰ এটা সিদ্ধান্তত উপনীত হ'লে তাৰপৰা এডাল চুলিৰ সমানো ইফাল সিফাল নলৰে। তেখেতৰ সেই সিদ্ধান্ত কিমান ভুল বা নিৰ্ভুল আছিল বিৰোধী দলৰ নেতা হেমবৰুৱাৰ বিচাৰত পোৱা যায় "....মানুহে চলিহা ডাঙৰীয়াৰ ভাষা সম্বন্ধীয় বিবৃতিটোক জগৰীয়া কৰিব খোজে। এতিয়া ভাবি চাইছোঁ, দেশ এখনৰ মুখ্যমন্ত্ৰী এজনাই এনেদৰে নাভাবি, ভাবিব কি? অসমখন নানা বৰণীয়া জাতিপুঞ্জৰ ৰঙীন সূতাৰে বুটা তোলা এখন দলিচা। এইষাৰ কথা মুখ্যমন্ত্ৰী স্বৰূপে চলিহা ডাঙৰীয়াই ভালকৈ উপলব্ধি কৰিছিল।"

এটা কথা স্বীকাৰ কৰিব লাগিব যে তেখেতৰ পূৰ্বসূৰী মুখ্যমন্ত্ৰী দুগৰাকী—লোকপ্ৰিয় বৰদলৈ আৰু বিষ্ণুৰাম মেধীয়ে চলিহাই সন্মুখীন হোৱা সমস্যাবোৰৰ দৰে বাহ্যিক আৰু আভ্যন্তৰীণ ইমানবোৰ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰা নাছিল। চলিহা মুখ্যমন্ত্ৰী হৈ থকা দিনত

তেল শোধনাগাৰ, ভাষা আন্দোলন (১৯৬০), চীনৰ ভাৰত আক্ৰমণ (১৯৬১), পাকিস্থানৰ ভাৰত আক্ৰমণ (১৯৬৫), অসমৰ খাদ্য সমস্যা (১৯৬৬), নগাভূমিৰ সমস্যা, প্ৰবল বানপানীকে ধৰি ইটোৰ পিছত সিটো প্ৰতিটো সমস্যাই অসমখনক খাওঁ খাওঁ মূৰ্তি ধৰি যেন গিলি থ'বলৈহে আহিছিল। ইমানবোৰ সমস্যাক সেই সময়ত মূৰ পাতি লৈ ধীৰ স্থিৰভাৱে ৰাজ্যখন চলাই নিব পৰা চলিহাৰ বাহিৰে অসমত দ্বিতীয় ব্যক্তি এজনৰ নিশ্চয় অভাৱো আছিল।

অৱশ্যে এই সকলোবোৰ সমস্যা যে কেৱল চলিহাৰ মুখ্যমন্ত্ৰীত্বৰ সময়তে উদ্ভৱ হৈছিল তেনে নহয়। তাৰে ভালেমান সমস্যা বৃটিছ-ভাৰতৰ দিনৰ পৰা চলি আহিছিল। ইতিহাসৰ পাত লুটিয়ালে পোৱা যাব নগাভাইসকলে, মিজো-খাচিয়া, গাৰো, অৰুণাচলবাসী ভাইসকলে অসমৰ অঙ্গছেদন কৰি যোৱাৰ মূলতে ইতিহাসেই দায়ী। আন নেলাগে আহোমৰ ছশবছৰীয়া আমোলতো তেওঁলোকে একো একোখন স্বকীয়া স্বাধীন ৰাজ্য পাতি আছিল। কিন্তু এইটোও ঠিক যে মহাকাব্যৰ দিনৰ পৰা আমি সহোদৰ বাই-ভনীৰ দৰে একেখন সংস্কৃতিৰ পথাৰত নাচি গাই, উমলি আহিছো।

যুগ পৰিৱৰ্তনৰ সময়ত, প্ৰাচ্য-প্ৰতীচ্যৰ একালে সনা-পোতোকা আনকালে বিৰোধৰ সন্ধিক্ষণত বহুতো ওলট-পালট হ'ল। এপাত তালে বাজ নোখোৱাৰ তুলনাৰে আমিও সমানে জগৰীয়া। তথাকথিত এচাম সংৰক্ষণশীল লোকে, ধৰ্মৰ ধ্বজাবাহী এচাম লোকে, জনজীৱনক নেওচা দিয়া এচাম সাহিত্যিকে আৰু মানৱ সভ্যতাৰ মূল্যবোধ নথকা বুৰঞ্জীৰ সাধু কওঁতা এচাম অদূৰদৰ্শী লোকে 'কুকুৰ খোৱা নগা', 'গাহৰি খোৱা গাৰো-কছাৰি', 'গৰুখোৱা খাচীয়া' প্ৰভৃতি নিন্দাবাক বোলাৰ ধৃষ্টতাখিনিকো মূলধন হিচাপে লব লাগিব। শেহান্তৰত নিজৰ মুখ ঢাকিবলৈ নগা, মিজো, খাচীয়া ভাইসকলক জগৰীয়া কৰি, চলিহা চৰকাৰক নিন্দা-বাক্ শুনাই সন্তুষ্টি লাভ কৰি অহা হৈছে।

উল্লিখিত অপ্ৰিয় সত্য কথাখিনিৰ যথাৰ্থতা বিচাৰি পাব পাৰি ইতিহাসবিদ্ ভুবনচন্দ্ৰ সন্দিকৈৰ লিখনিত "নগা সমস্যাকে যদি ধৰা যায়, তেন্তে বহু আগৰে পৰা ইয়াৰ পম খেদিব লাগিব। স্বৰ্গদেউসকলৰ শাসন কালত নগাপৰ্বত আৰু ভৈয়ামৰ মাজত অনেকবাৰ ৰণ-বিগ্ৰহ হৈছিল। কিন্তু আনহাতে নগা ৰাইজ আৰু অসমীয়া ৰাইজ একেটা পৰিয়ালৰ দৰে আছিল। ৰাজনৈতিক, বৈবাহিক সূত্ৰ, সামাজিক সূত্ৰ, সাংস্কৃতিক সূত্ৰ, বাণিজ্য সূত্ৰ ছিগা নাছিল। আনকি সেই সময়ত গোটেই নগা আৰু অন্যান্য পৰ্বতীয়া ৰাজ্যবোৰৰ ৰাজ্যিক ভাষা অসমীয়াহে আছিল। বৃটিছৰ দিনত সেই যোগসূত্ৰ ছিগি গ'ল। অসমীয়া হিন্দু সমাজৰ তথাকথিত অস্পৃশ্যতা আদি হীন মনোভাব আৰু আচৰণে তেওঁলোকক বিদূৰ কৰিলে। স্বাধীনতা পোৱাৰ পিছত অকল নগা ৰাইজেই নহয়, খাচীয়া, গাৰো, মিজো আদি ৰাইজেও অসমীয়াক সন্দেহৰ চকুৰে চাবলৈ ধৰিলে।"

নগা বিদ্ৰোহে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰাত জয়প্ৰকাশ নাৰায়ণ, ৰেভাৰেণ্ড মাইকেল স্কট আৰু চলিহাক লৈ এখন শান্তি মিচনৰ জন্ম হৈছিল। শান্তি মিচনৰ কামত লাগি খোলা জীপগাড়ীত উঠি, কেতিয়াবা দুৰ্গম ৰাস্তাৰে খোজকাঢ়ি নগাপাহাৰৰ চাঙে চাঙে চলিহা ঘূৰি ফুৰিছিল। ৰ'দ, বতাহ, বৰষুণ হাবিৰ হিংস্ৰ জন্তু একোকে নডৰি চলিহা নগা বিদ্ৰোহীসকলৰ মাজত সোমাই পৰিছিল।

মহাত্মা গান্ধীৰ প্ৰিয়তম শিষ্য সন্ত বিনোৱাজীয়ে প্ৰেম আৰু অহিংসাৰ অমোঘ অস্ত্ৰেৰে চম্বল উপত্যকাৰ দুৰ্ধৰ্ষ ডকাইতৰ দলক প্ৰথমে আপোন কৰা, দ্বিতীয়তে সংশোধন কৰা আহিঁৰে মহাত্মাৰ অন্যতম শিষ্য চলিহাই নগাসকলক আপোন কৰি লৈছিল। চলিহাৰ উদাৰতা, প্ৰেম-প্ৰীতি আৰু দুঃসাহস দেখি নগা ভাইসকল আচৰিত হৈছিল আৰু চলিহাক প্ৰশংসা নকৰি নোৱাৰিছিল। ১৯৬৩ চনত নগা ৰাজ্যৰ জন্ম হ'ল; ১৯৬৪ চনৰ চলিহাৰ উদ্যম আৰু প্ৰচেষ্টাত অস্ত্ৰবিৰতি কৰি শান্তি-সম্প্ৰীতি সূচনা হ'ল। সেয়ে পৰ্বতীয়া

ভাইসকলে কয়, 'চলিহা আমাৰহে মানুহ'।

চলিহাৰ পৰলোক প্ৰাপ্তিত গভীৰ দুখ প্ৰকাশ কৰি মিঃ নিকেট্‌-ইকল্‌সে লিখিছিল—"But some of the people who will be missing him terribly, with the pain of sorrow and contrition are many men and women in the villages and small towns in North-East India. Some of them are men of the Naga Underground whether still in jungles or scattered in political jails in different parts of India. They mourn a real friend whom they respected and fully trusted."

তেল শোধনাগাৰ আন্দোলনৰ দৰে সমগ্ৰ অসম-ভূমি কম্পিত কৰা আন্দোলন ইয়াৰ আগতে শুনাও নাই দেখাও নাই। আন্দোলনৰ জোখাই আজিও অসমৰ হক দাবী পূৰণ নহ'ল। চলিহাক সৰ্বভাৰতীয় নেতাৰ আখ্যা দি, পদ্মবিভূষণ ৰাজকীয় সন্মান দি ভাৰতৰ বৰ বৰ নেতা কেইজনমানে অসমৰ ঐক্য সংহতি উদ্যোগীকৰণকে ধৰি নানা ক্ষেত্ৰত ঠগ্ প্ৰৱঞ্চনা যে কৰি আহিছিল তাত সন্দেহৰ অৱকাশ লেশমাত্ৰও নাছিল। আজিও অসম তেনে এচাম অক্টোপাচৰ হাতৰ মুঠিৰ পৰা উদ্ধাৰ হ'ব পৰা নাই আৰু অদূৰ ভৱিষ্যতেও নোৱাৰিব বুলি ধাৰণা হয়।

চলিহাৰ ঘনিষ্ঠ মহলৰ বহুতে ক'ব খোজে—"বিমলাৰ অসুখৰ ঘাই কাৰণ আছিল দেশ আৰু ৰাইজৰ কাৰণে বলে নোৱাৰা শাৰীৰিক পৰিশ্ৰম আৰু বিভিন্ন সমস্যা খণ্ডনৰ কাৰণে কৰা গভীৰ মানসিক পৰিশ্ৰম।....চলিহাই সাংঘাতিক মানসিক চিন্তা বা আঘাত-বোৰক গম্ভীৰতা বা সৰল হাঁহিৰে ঢাকি ৰাখিবলৈ চেষ্টা কৰিছিল। কাহানিও তাক বাহিৰলৈ আহিবলৈ নিদিছিল। কিন্তু শৰীৰ আৰু মনত তাৰ বিষময় প্ৰতিক্ৰিয়া হৈছিল। সমস্যাৰ সন্মুখীন হ'লেই তেওঁৰ বেমাৰ আৰম্ভ হৈছিল।"

সেই সময়ৰ অসম বিধান সভাৰ মুখকুটা নেতা গৌৰীশঙ্কৰ ভট্টাচাৰ্যই চলিহাৰ শোকবহ মৃত্যুৰ কাৰণ বৰ্ণাই লিখিছে—"ধৰ্মীয় বা ভাষাগত সংখ্যালঘুসকলৰ মন যোগাই থাকিব নোৱাৰিলে, অসমৰ মুখ্যমন্ত্ৰীত্ব অসম্ভৱ হৈ পৰে। এই অৱস্থাত পৰি চলিহা ডাঙৰীয়াই তেখেতৰ মুখ্যমন্ত্ৰীত্বৰ প্ৰথমছোৱাত অবাঞ্ছিত প্ৰভাৱৰ ওচৰত সেও মানিবলগীয়া হৈছিল। তেখেতে তাৰ বাবে অসমৰ স্বাৰ্থৰ পৰিপন্থী উচ্চ মূল্য দিবলগীয়া হৈছিল আৰু শেহলৈ যেতিয়া এই অবাঞ্ছিত প্ৰভাৱবোৰ তেখেতৰ দৰে সং আৰু দেশপ্ৰেমিক জীৱনৰ কাৰণে অসহনীয় হৈ উঠিল আৰু তাৰ প্ৰতিৰোধ কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়া এসময়ত তেখেতক সমৰ্থক কৰি অহা এই অবাঞ্ছিত প্ৰভাৱবোৰেই ফেঁটীসাপৰ দৰে তেখেতৰ বিৰুদ্ধে ফণা তুলি উঠিল, আৰু তেখেতৰ শোকাবহ অকাল মৃত্যুৰ অন্যতম কাৰণ হ'ল।"

অসমীয়া সাহিত্যৰ মুধচত আৰোহণ কৰা, জ্ঞানপীঠ বঁটা বিজয়ী অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি ডক্টৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যয়ো চলিহাৰ মৃত্যুৰ কাৰণ দৈহিক বুলি নিশ্চয় কৰিও শেষত ক'ব লগা হৈছে "তেওঁৰ ব্যক্তিত্ব অন্তৰমুখী আছিল। পাৰিবাৰিক সংস্কৃতি আৰু গান্ধীজীৰ ব্যক্তিত্বই তেওঁৰ চৰিত্ৰ গঠনত যথেষ্ট প্ৰভাৱ পেলাইছে। ৰাজনীতি, বিশেষকৈ ৰাষ্ট্ৰনীতিত, চাণক্য-সূত্ৰইহে অধিক কাম দিয়ে। সেয়ে হয়তো তেওঁ অন্তৰ্দ্বন্দ্বতো ভুগিছিল। তেওঁৰ ৰোগৰ উদ্ভাৱনৰ কাৰণ নিশ্চয় দৈহিক; কিন্তু মানসিক যন্ত্ৰণাই তাক তীব্ৰতৰ কৰি তুলিছিল। তেওঁক অকাল মৃত্যুৰ কাৰণ এনে নেকি, তাক নেজানো।"

প্ৰবীণ সাহিত্যিক খ্যাতনামা সাংবাদিক চিন্তাশীল তথা নিৰ্ভীক সমালোচক হোমেন বৰগোহাঞি চলিহাক যি দৰে জানে—"সাধাৰণ-ভাৱে ক'ব পাৰি যে চলিহা আছিল উনৈশ শতিকাৰ লিব্‌ৰেলিজিম বা উদাৰনৈতিক দৰ্শনৰ দ্বাৰা পৰিপুষ্ট এজন আশাশুধীয়া সমাজ

সেৱক। ঘটনাক্ৰমে ক্ষমতাৰ ৰাজনীতিলৈ আহি সেই ক্ষেত্ৰতো তেওঁ প্ৰশংসনীয় দক্ষতাৰ পৰিচয় দিছিল। তেওঁ উচ্চ স্তৰৰ চিন্তাশীল লোক নাছিল, প্ৰকৃত অৰ্থত তেওঁ সমাজবাদীও নাছিল। অসমৰ ৰাজনীতিত তেওঁৰ অসামান্য প্ৰভাৱৰ ঘাই কাৰণ তেওঁৰ এক বিশেষ ব্যক্তিত্ব, অসমীয়া সমাজৰ আত্মীয়তাবোধ, ৰাজনৈতিক চাতুৰ্য্য আৰু এক উদাৰ দৃষ্টিভঙ্গী। পাহাৰ-ভৈয়ামৰ বিচিত্ৰ জনগোষ্ঠীৰে গঠিত অসমৰ সমাজত তেওঁ বিভিন্ন স্বাৰ্থৰ সংঘাতৰ ঠাইত সমন্বয়ৰ স্বপ্ন দেখিছিল আৰু তাৰ দ্বাৰাই তেওঁ হৈ পৰিছিল মিলন আৰু সমন্বয়ৰ প্ৰতীক। এই ক্ষেত্ৰত তেওঁ গণতন্ত্ৰৰ প্ৰকৃত আদৰ্শৰ চৰম পৰাকাষ্ঠা দেখুৱাইছিল। এই কথা সঁচা যে তেওঁৰ একাধিক প্ৰিয় স্বপ্ন দিঠকত পৰিণত নহ'ল। কিন্তু দিঠকত পৰিণত হোৱাটোৱেই মহৎ স্বপ্নৰ একমাত্ৰ সাৰ্থকতা নহয়, তেনে স্বপ্ন দেখাটোৱেই তাৰ ডাঙৰ সাৰ্থকতা।"

বিমলাপ্ৰসাদ চলিহাৰ সাহিত্যিক অৱদান—"গাঁৱলীয়া অৰ্থনীতিৰ দৰ্শন আৰু খাদী" আৰু 'গোপালন'। গান্ধীজীৰ জীৱন দৰ্শনক লৈ লিখা চলিহাৰ ভালেমান প্ৰবন্ধ অ'ত ত'ত আলোচনীৰ পাতত সিঁচৰিত হৈ আছে। তেখেতে 'মশ্ৰুৱালাৰ গান্ধী বিচাৰ দহন' নামৰ গ্ৰন্থখনি অসমীয়ালৈ অনুবাদ কৰে। চলিহা সাহিত্যানুৰাগী হোৱাৰ লগতে সাহিত্যাগ্ৰোগীও আছিল। অসম সাহিত্য সভাৰ তেখেত আজীৱন সভ্য আছিল আৰু কাছাৰত অসমীয়া ভাষা প্ৰচাৰৰ কাৰণে মাকৰ নামত এটি ন্যাস-পুঁজি স্থাপন কৰিছিল। বিশেষ উল্লেখযোগ্য যে চলিহাই অসম সাহিত্য সভালৈ চৰকাৰী অনুদান আগবঢ়োৱাত আগভাগ লৈছিল।

চলিহাৰ পাৰিবাৰিক জীৱন সুখকৰ আছিল। ১৯৪১ চনত উত্তৰ গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী কুমুদৰাম বৰাৰ জ্যেষ্ঠাকন্যা শ্ৰীমতী অময়াক বিয়া কৰায়। অসমীয়া সমাজত অময়া চলিহাৰ সমাজ সেৱিকা হিচাপে খ্যাতি আছে। আদৰ্শ গৃহিণী হোৱাৰ উপৰিও

স্বামীক সমাজ আৰু ৰাজনৈতিক জীৱনত একাত্মমনে কাম কৰি যাবলৈ সহায় কৰিছিল, উদগনি দিছিল।

ধৰ্মীয় জীৱনত বিমলাপ্ৰসাদ চলিহা বৈষ্ণৱ ভাৱাপন্ন আছিল। পৰম্পৰাগতভাৱে চলিহা বংশৰ লোকসকল দক্ষিণপাট সত্ৰৰ মহাপ্ৰভু 'যাদৱ ৰায়'ৰ সেৱক আছিল আৰু চলিহা নিজেও দক্ষিণপাট সত্ৰৰ শৰণীয়া, ভজনীয়া শিষ্য আছিল। ধৰ্ম বিষয়ত চলিহা সম্পূৰ্ণ উদাৰ আছিল আৰু নিয়মিতভাৱে প্ৰাৰ্থনা-উপাসনা কৰিছিল। ভাগৱত পাঠ, ব্ৰহ্মভোজন, ভকতসেৱা আদি কৰি শান্তি পাইছিল। কোনোবাই এনেবোৰ কৰাৰ কাৰণ বিচাৰিলে মাথোন কৈছিল—"এৰা এইবোৰ কৰিয়েই দেখোন মই মনত শান্তি পাওঁ।"

বিমলাপ্ৰসাদ চলিহা উজনি অসমৰ তথাকথিত অভিজাত বংশৰ চাহ খেতিয়কৰ ঘৰৰ লোক হ'লেও আভিজাত্যৰ ভেম্ বা অৰ্থৰ গৌৰৱ তেখেতৰ লেশমানো নাছিল। সহজ সৰল জীৱন যাপন আৰু মহাত্মা গান্ধীৰ আদৰ্শত উচ্চ চিন্তা কৰাই তেখেতৰ জীৱনৰ ব্ৰত আছিল। ককায়েকহঁত জীৱিত থকা কালত চাহ-বাগিছাৰ বিষয়ে একো চিন্তা কৰিবলগা হোৱা নাছিল। তেখেতসকলৰ পিছত চলিহাই বাগান কেইখনৰ কিছু তদাৰক কৰিবলগীয়া হৈছিল। তেতিয়া তেখেতে বাগিছা চলোৱাৰ উন্নত ব্যৱস্থা লোৱাৰ লগতে চাহ বনুৱাসকলৰ আৰ্থিক উন্নতি, তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰৰ শিক্ষা আৰু স্বাস্থ্যৰ চিন্তা কৰিছিল।

চলিহাই নিজৰ ৰবীয়াকৈ বহুতো শিক্ষা, সংস্কৃতি আৰু সমাজ উন্নয়নমূলক কামৰ বাবে মুক্তহস্তে দান-বৰঙণি আগবঢ়াইছিল। তেখেতে জাতি-ধৰ্ম-বৰ্ণ তথা ৰাজনৈতিক দল নিৰ্বিশেষে প্ৰয়োজন বোধে সকলোকে সহায় কৰিছিল আৰু বিপদৰ সময়ত শত্ৰু-মিত্ৰ বিচাৰ নকৰি খা-খবৰ কৰিছিল, সহায়-সাহায্য আগবঢ়াইছিল। অনেক অভাৱগ্ৰস্ত ল'ৰা-ছোৱালী তেখেতৰ মৰম আৰু আৰ্থিক সহায় পাই জীৱনৰ পথ মোকোলাইছিল।

১৯৩৪ চনতে শিৱসাগৰত দেউতাকৰ নামত "কালীপ্ৰসাদ ভৱন" নিৰ্মাণ কৰি মহাত্মা গান্ধীৰ দ্বাৰা দ্বাৰ উদ্‌ঘাটন কৰাইছিল। তেখেতৰ অকুণ্ঠদান আৰু সদ্‌ইচ্ছাত তেখেতৰ সহপাঠীৰ নামত 'মাধৱ বেজবৰুৱা স্মৃতি ভৱন'ৰ জন্ম হয়। শিৱসাগৰৰ জয়সাগৰ পুখুৰীৰ পাৰত ৰাণীৰ কণ্ঠহাৰৰ দৰে শোভা কৰি থকা অসমৰ ক্ষুদ্ৰ বিশ্ববিদ্যালয় স্বৰূপ শিৱসাগৰ কলেজ চলিহাৰ কৰ্মজীৱনৰ অন্যতম কীৰ্তিস্তম্ভ। শিৱসাগৰ কংগ্ৰেছ ভৱনৰ মাটি-ঘৰো চলিহাৰে নিস্বাৰ্থদানৰ এটি স্বাক্ষৰ।

ৰাজনীতিৰ চলিহাজন মানৱনীতিৰ চলিহাৰ পৰা পৃথক নাছিল। দলৰ অনুশাসনৰ কিবা থাকক নেথাকক তালৈ ভ্ৰূক্ষেপ নকৰি বিৰোধীদলৰ লোক আৰু নেতৃবৰ্গৰ ঘৰলৈ আহ-যাহ কৰিছিল, প্ৰয়োজন দেখিলে আৰ্থিক সাহায্যও কৰিছিল। কলাগুৰু বিষ্ণু-ৰাভাই সেয়ে মৃত্যুশয্যাত পৰি থাকি কৈছিল "চলিহাৰ মৰমৰ বাবেই মই ইমান দিন বাচি আছো।" চলিহাৰ প্ৰতি এজন ঘোৰ বিপ্লৱী কমিউনিষ্ট নেতাৰ এই স্বীকাৰোক্তি, নে দেৱভাব?

মহৎ লোকৰ পৰিচয় ফুটি উঠে সৰু সৰু লোকৰ প্ৰতি কৰা তেওঁলোকৰ আচৰণৰ মাজত। সামাজিক প্ৰতিপত্তি, ৰাজনৈতিক ক্ষমতা, ধৰ্মীয় অনুশাসন, ভাষাৰ গোৰামি সকলো চেৰাই তেওঁলোকে মানুহক মানুহ হিচাপে চোৱাৰ শক্তি আহৰণ কৰে। চলিহা তেনে এজন মহান ব্যক্তি আছিল কাৰণে সেইবোৰ গুণৰ তেখেত ব্যতিক্ৰম নাছিল আৰু সৰু মনৰ মানুহবোৰে তেখেতক তেওঁলোকতকৈ সৰু যেন দেখিছিল।

প্ৰবীণ ৰাজনীতিক তথা বিশিষ্ট আইনজ্ঞ বাহাৰুল ইছলামে চলিহাৰ মানৱীয় দিশটোত কিছু কথা আলোচনা কৰিছে। এবাৰ গুৱাহাটীত অনাঅসমীয়া ৰিক্সাচালক এজনক আৰোহীজনৰ লগতে তেওঁৰ সমৰ্থনকাৰীসকলে বৰকৈ মাৰপিট কৰিলে। পিছদিনা ৰাতৰি কাকতত চলিহা চৰকাৰৰ শাসনক 'অকৰ্মণ্য' বুলি গৰিহণা

দিয়া হ'ল। কথাটো চলিহাৰ দৃষ্টি গোচৰ হোৱাত খণ্ডত অগ্নিশৰ্মা হৈ চলিহাই মেজত ভুকিয়াই ক'লে—"What do I care for these capitalist papers; they are vociferous when a rich man is assaulted; but keep quiet, when a poor rikshowpuller is killed."

মিজো পাহাৰৰ এচাম লোকে 'মিজোৰাম'ৰ সাৰ্বভৌমত্বৰ দাবীত আন্দোলন কৰাত আৰু খাচীয়া আৰু গাৰোপাহাৰৰ লোকে স্বকীয়া পাৰ্বত্য ৰাজ্যৰ দাবী কৰাত চলিহাই লোৱা ভূমিকাক প্ৰদেশ কংগ্ৰেছ কমিটিৰ কোনো কোনো সদস্যই তীব্ৰ সমালোচনা কৰিছিল। চলিহাই উত্তৰ দিছিল—"আমাৰ ভৈয়ামৰ লোকসকলৰ যদি আধা মাইল দূৰে দূৰে একোটা ডাকঘৰ থাকে আৰু পাহাৰী লোকসকলে চিঠি এখন দিবলৈকে যদি পাহাৰ বগাই ১৬।১৭ মাইল দূৰ বাটকুৰি বাই যাব লাগে, কি কাৰণত তেওঁলোকে বিদ্ৰোহ নকৰিব? বিদ্ৰোহৰ মূল কেৰোণ উঘালিবলৈ হ'লে পাহাৰী ভাইসকলক সকলো বিষয়তে আমাৰ সমানে উন্নত কৰিব লাগিব।"

ৰাজ্যপাল মহেন্দ্ৰমোহন চৌধুৰী

সমগ্ৰ অসম আৰু পঞ্জাৱ ভূমিত মহেন্দ্ৰমোহন চৌধুৰী এটা জনপ্ৰিয় নাম। এইজন আপোন ভোলা নেতাৰ ১৯০৮ চনৰ ১২ এপ্ৰিল তাৰিখে বৰপেটাৰ ওচৰৰ নগাঁও নামে সৰু গাঁও এখনিত জন্ম হৈছিল। তেখেতৰ পিতাকৰ নাম ধনীৰাম চৌধুৰী আৰু মাতৃৰ নাম সুখলতা আছিল। সুখলতাই দুজন পুত্ৰ আৰু চাৰি গৰাকী কন্যা এৰি ১৯৩৪ চনত কালপ্ৰাপ্ত হয়।

মহেন্দ্ৰমোহন চৌধুৰী এজন নিষ্ঠাৱান কংগ্ৰেছ স্বেচ্ছাসেৱক হিচাপে ৰাজনীতিৰ পথাৰত প্ৰৱেশ কৰে। জীৱিকাৰ পথ হিচাপে তেখেতে আইন ব্যৱসায় গ্ৰহণ কৰিছিল। দেশ আৰু জাতিৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত নিজক উছৰ্গা কৰি সময়ত অসমৰ মুখ্যমন্ত্ৰী আৰু পঞ্জাৱৰ কীৰ্তিমন্ত ৰাজ্যপাল তথা ভাৰতবৰেণ্য নেতা হিচাপে স্বীকৃতি লাভ কৰি ১৯৮২ চনৰ ডিচেম্বৰৰ ২৬ তাৰিখে গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ৭৫ বছৰ বয়সত পৰলোক গমন কৰে। তেখেতৰ মৃত্যুৰ ৭ বছৰ পূৰ্বে সহধৰ্মিণীৰো পৰলোক প্ৰাপ্তি ঘটে।

মহেন্দ্ৰমোহন চৌধুৰী ডাঙৰীয়াই ৰাজনীতিৰ ক্ষেত্ৰত যি স্থান লাভ কৰিছিল, কলা-সংস্কৃতিৰ পৃষ্ঠপোষক হিচাপে অধিক খ্যাতি লাভ কৰিছিল বুলি ক'লে বোধকৰো অত্যুক্তি কৰা নহ'ব। তেখেত যে এগৰাকী বহুগুণসম্পন্ন পুৰুষ আছিল তাত সন্দেহৰ অৱকাশ লেশ-মাত্ৰ নাই। তেখেত সদৌ অসম ছাত্ৰ সন্থা, অসম গ্ৰামসেৱক সঙ্ঘ, অসম কংগ্ৰেছ কমিটি, অখিল ভাৰত কংগ্ৰেছ কমিটি (১৯৫৬-৫৮) প্ৰভৃতি অনুষ্ঠানৰ সাধাৰণ সম্পাদক হিচাপে কাম কৰি প্ৰতিটো ক্ষেত্ৰতে যোগ্যতাৰ পৰিচয় দিছিল।

সাহিত্য চৰ্চা আৰু সংবাদ-পত্ৰৰ সেৱা দুয়োটা বিষয়ত চৌধুৰীৰ বিশেষ ৰাপ আছিল আৰু নিষ্ঠা আৰু সততাৰে সেই কাৰ্যত ব্ৰতী হৈছিল। তেখেত 'ইষ্টাৰ্ণ চেণ্টিনেল' দৈনিক ইংৰাজী কাকতৰ সম্পাদক আৰু 'নৱদিগন্ত' নামৰ মাহেকীয়া আলোচনীৰ পৃষ্ঠপোষক আছিল। চৌধুৰী ডাঙৰীয়াই কেবা বছৰ ধৰি (১৯৩৬-৪০) 'হিন্দুস্তান ষ্ট্যাণ্ডাৰ্ড' কাকতৰ বাতৰি যোগনীয়াৰ হিচাপেও সেৱা আগবঢ়াইছিল। তেখেত মহাপুৰুষীয়া ধৰ্মৰ এজন একনিষ্ঠ সেৱক আছিল আৰু 'গুৰু-লীলা' চৰিত পুথিখনি সম্পাদনা কৰিছিল। ইয়াৰ বাহিৰেও তেখেতে 'দি লাইফ অৱ্ মহাত্মা গান্ধী' আৰু 'দি ফিলোচফি অৱ্ বিনোৱাভাবে' নামৰ জীৱনীগ্ৰন্থ দুখন ৰচনা কৰিছিল।

চৌধুৰী ডাঙৰীয়া বহুতো জনকল্যাণমূলক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সভাপতিৰ গুৰু দায়িত্ব লৈছিল আৰু প্ৰতিটো অনুষ্ঠানকে ৰূপ দিয়াত পাৰ্যমানে ধনে, মনে, প্ৰাণে সহায় কৰিছিল। তেনে কেইটামান অনুষ্ঠান আছিল—হৰিজন সেৱক সংঘ, ৰাজ্যিক ভাৰত সেৱক সংঘ, ৰাজ্যিক গান্ধী স্মাৰকনিধি, মহাত্মা গান্ধী আৰু শ্বহীদ স্মৃতি ট্ৰাষ্ট, অসম প্ৰদেশ কংগ্ৰেছ কমিটি, লোকপ্ৰিয় গোপীনাথ বৰদলৈ টি. বি. হস্পিতাল, গুৱাহাটীৰ গীতা সমাজ, লোকবন্ধু ডাক্তৰ ভুৱনেশ্বৰ বৰুৱা কেন্‌চাৰ হস্পিতাল, অসম সাহায্য সমিতি, গান্ধীমাৰ্গ, গান্ধী মণ্ডপ, গীতা মন্দিৰ, গো-সেৱা সমিতি, শ্ৰীমন্ত শঙ্কৰ মিচন, বিমলাপ্ৰসাদ চলিহা চুইমিং পুল, মধুপুৰ সত্ৰ সমিতি, পুৰী-জগন্নাথৰ শঙ্কৰদেৱ সংস্কৃতি সমাজ। গুৱাহাটীৰ মাজ মজিয়াত বহু কষ্টে নিৰ্মাণ কৰা শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ সমিতিৰ চৌধুৰীদেৱ মুখ্য পৃষ্ঠপোষক আছিল। 'গুৱাহাটী টাউন ক্লাব' চৌধুৰীদেৱৰ পৃষ্ঠপোষকতাত এটি লেখতল'বলগীয়া ক্ৰীড়াৰ অনুষ্ঠান হৈ উঠিছিল।

কংগ্ৰেছৰ এজন উৰ্দ্ধতন নেতা হিচাপে চৌধুৰীদেৱে বিভিন্ন দায়িত্বত থাকি সততা আৰু একাগ্ৰতাৰে কাম কৰি নিজেও সন্তোষ লভিছিল আৰু আনকো সন্তোষ দিব পাৰিছিল। এই মহৎ গুণবোৰৰ

অধিকাৰী হোৱাত মহাত্মা গান্ধী আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ সান্নিধ্য আৰু প্ৰেৰণাই অনুপ্ৰাণিত কৰিছিল। তেখেত একেৰাহে অসম বিধান সভাৰ সদস্য (১৯৪৬—১৯৫২), পাৰ্লিয়ামেণ্টৰী চেক্ৰেটৰী (১৯৪৭), মন্ত্ৰী (১৯৫১, ১৯৫৫), অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি, অসম বিধান সভাৰ অধ্যক্ষ (১৯৬৭), কেবিনেট মন্ত্ৰী (১৯৬৭-১৯৭০), মুখ্যমন্ত্ৰী (১৯৭০-১৯৭২) আৰু শেষত পঞ্জাৱৰ ৰাজ্যপাল (১৯৭৩-১৯৭৭) আছিল।

মহেন্দ্ৰমোহন চৌধুৰী জনতাৰ মানুহ আছিল। ভেম্-ফষ্টি বোলা বস্তু তেখেতৰ শৰীৰত নাছিল। দেশভক্ত ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু গোপীনাথ বৰদলৈ প্ৰমুখ্যে অসমৰ গান্ধীবাদী নেতাসকলৰ আদৰ্শৰ অনুগামী হৈ কংগ্ৰেছৰ স্বেচ্ছাসেৱক হিচাপে যোগ দিয়া দিনৰে পৰা পঞ্জাৱৰ ৰাজ্যপাল হৈ ভগ্নস্বাস্থ্য লৈ অসমলৈ ঘূৰি অহালৈকে জনতাৰ মাজত নিজক বিলাই ফুৰিছিল। সৰ্বসাধাৰণ লোকৰ দুখ-সুখৰ বুজ লৈ সান্ত্বনা দিছিল, পাৰ্যমানে সহায় কৰিছিল। অসহযোগ আন্দোলনৰ সময়ত অসমৰ চুকে-কোণে ঘূৰি ফুৰিছিল আৰু হেজাৰ হেজাৰ জনতাক কামত উদগনি দিছিল আৰু সিসকলৰ পৰা মৰম আৰু শ্ৰদ্ধা দুয়োটাকে সমানে লাভ কৰিছিল।

অসমৰ বাহিৰে ভাৰতবৰ্ষৰো বিভিন্ন প্ৰান্তত তেখেতে ভ্ৰমণ কৰিছিল, বিশেষকৈ পঞ্জাৱৰ ৰাজ্যপাল হৈ থাকোঁতে পঞ্জাৱৰ প্ৰতিখন গাঁৱলৈ গৈছিল, জনতাৰ অৱস্থাৰ বুজ লৈছিল আৰু প্ৰয়োজনীয় সহায় সাহায্য আগবঢ়াইছিল। সেয়ে পঞ্জাৱলৈ যাওঁতে এজন উচ্চ বিষয়াৰ মুখত শুনি খুব আনন্দ পাইছিলোঁ—"বুজিছে, চৌধুৰী ডাঙৰীয়া মানুহ নহয়; সাক্ষাৎ ঈশ্বৰ।"

চৌধুৰী ডাঙৰীয়াই বিদেশৰ বহু ৰাষ্ট্ৰ ভ্ৰমণ কৰিছিল আৰু সিবোৰত আহৰণ কৰা আদৰ্শ আমাৰ দুখীয়া দেশত কাৰ্যকৰী কৰাৰ চেষ্টা কৰিছিল। তেখেত শিল্প আৰু সমবায় মন্ত্ৰী হৈ থাকোঁতে (১৯৫৪) জাপান, চীন, থাইল্যাণ্ড, ব্ৰহ্মদেশ ভ্ৰমণ কৰিছিল। তাৰ

পিছতো অসম চৰকাৰক প্ৰতিনিধিত্ব কৰি পশ্চিম জাৰ্মানী, ফ্ৰান্স, ইংল্যাণ্ড, যুগোশ্লাভীয়া, চুইজাৰল্যাণ্ড, আৰু ইটালিলৈ গৈছিল। চৌধুৰীদেৱে ১৯২৬ চনত পাণ্ডুত হোৱা কংগ্ৰেছ অধিবেশনত স্বেচ্ছা-সেৱক হিচাপে কাম কৰি কৰ্মতৎপৰতা, একনিষ্ঠতা আৰু সাহসিকতাৰ পৰিচয় দি অসমৰ তথা ভাৰতবৰ্ষৰ বহুতো শিৰফুটা নেতাৰ চকুত চমক লগাব পাৰিছিল। এই অধিৱেশনে চৌধুৰীৰ জীৱনৰ দৃশ্যপট পৰিবৰ্তন কৰে। তাত মহাত্মা গান্ধীক প্ৰথমবাৰৰ কাৰণে দেখা পোৱাৰ সৌভাগ্য লাভ কৰিছিল আৰু মহাত্মাৰ বিশাল ব্যক্তিত্বই চৌধুৰীদেৱক মন্ত্ৰমুগ্ধ কৰি পেলাইছিল। চৌধুৰী ডাঙৰীয়াই ১৯৩০ চনত কানিংহামৰ কুখ্যাত চাৰ্কুলাৰৰ বিৰুদ্ধে জনমত সংগ্ৰহ কৰি গাঁৱে-ভূঞে তেজোদ্দীপক বক্তৃতা দিছিল। স্বাধীনতা আন্দোলনত জঁপিয়াই পৰি চৌধুৰীদেৱে ১৯৩২, ১৯৪১ আৰু ১৯৪৭ত তিনিবাৰ গ্ৰেপ্তাৰ হৈ চাৰি বছৰ কাৰাবাস খাটিছিল।

লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱৰ পিছতে তেখেতৰ আদৰ্শমুগ্ধ, পৰম অনুগামী মহেন্দ্ৰমোহন চৌধুৰীদেৱে অসমৰ পৰ্বত-ভৈয়ামৰ মাজত সম্প্ৰীতি-সংহতি আৰু সমন্বয় গঢ়ি তোলাৰ চেষ্টা কৰিছিল। তেখেতে পাহাৰত বাস কৰা অসমীয়া ভাই-ভনীসকলৰ উত্তৰোত্তৰ উন্নতৰ বাবে তেখেতসকলৰ অৱস্থা প্ৰত্যক্ষভাৱে অধ্যয়ন কৰি ভালেমান সমাজ কল্যাণ অনুষ্ঠান পাতিছিল আৰু তেনে অনুষ্ঠানবোৰৰ জৰিয়তে স্বাস্থ্যকৰ পানী, কাপোৰ, আহাৰ, কিতাপ-পত্ৰ, আদিৰ যোগান ধৰিছিল আৰু ল'ৰা-ছোৱালীৰ শিক্ষাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখি স্কুল আদি পাতি দিছিল। তেখেতৰ এনে মহৎ কাৰ্যৰ দ্বাৰা বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা কমেও কুৰি হাজাৰ ল'ৰা-ছোৱালী উপকৃত হৈছিল। তেখেতৰ ভাষাত—"এইটো সমাজ সেৱাৰ ডাঙৰ যাদু।" তেখেতে আৰু কৈছিল যে মহাত্মা গান্ধীৰ জীৱনৰ সবাতোকৈ শ্ৰেষ্ঠ কৃতিত্ব হৈছে দৰিদ্ৰ আৰু নিষ্পেষিতসকলৰ সেৱা কৰি তাত কৃতকাৰ্য লাভ কৰাটো।

চৌধুৰী প্ৰথমে অসমীয়া তাৰ পিছতহে সৰ্বভাৰতীয় আছিল বুলি ক'লে বোধকৰো তেখেতৰ প্ৰতি অবিচাৰ কৰা নহ'ব। তেখেত বাগ্মীবৰ নীলমনি ফুকন ককাৰ অতি স্নেহ আৰু আশীৰ্বাদৰ পাত্ৰ আছিল। ককাৰ দৰে চৌধুৰীদেৱেও য'লৈকে নাযাওক লাগে স্কাইলাৰ্ক চৰাইটোৰ দৃষ্টিৰে নিজৰ ঘৰখনলৈ—মানে মাতৃভূমি অসমলৈ লক্ষ্য ৰাখিছিল আৰু অসমবাসীৰ প্ৰতিটো দুৰ্যোগৰ বা সঙ্কটৰ সময়ত প্ৰাণপণে সহায় কৰিছিল। ১৯৭৪ চনৰ কথা। তেতিয়া চৌধুৰীদেৱ পঞ্জাবৰ অতি জনপ্ৰিয় ৰাজ্যপাল। সেইবছৰৰ জুন-জুলাই মাহত প্ৰবল বানপানীয়ে অসমৰ লোকৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা কৰিলে। অসমৰ ৰাইজক সহায় কৰিবলৈ পঞ্জাবৰ জনসাধাৰণৰ ওচৰত চৌধুৰীদেৱে ভিক্ষা মাগিলে। সেই সময়ত পঞ্জাবৰ মূখ্যমন্ত্ৰী আছিল তেতিয়াৰ ৰাষ্ট্ৰপতি স্বনামধন্য গিয়ানি জাইল সিং ডাঙৰীয়া। চৌধুৰীৰ জনপ্ৰিয়তা আৰু ব্যক্তিৰ পৰীক্ষা হ'ল। পঞ্জাবৰ ৰাইজে এখন বিশেষ মালবাহী ৰেলত অসমৰ দুৰ্দশাগ্ৰস্ত লোকৰ মাজত বিতৰণ কৰাৰ কাৰণে চাউল, গম, গুৰি-গাখীৰ, কাপোৰ, কম্বল, ঔষধ প্ৰভৃতি সামগ্ৰী পঠাই দিলে।

১৯৫৬-৫৭ চনত চৌধুৰীদেৱ অখিল ভাৰত কংগ্ৰেছ কমিটিৰ অন্যতম সাধাৰণ সম্পাদক হৈ থকাৰ সময়তে গুৱাহাটী তেল শোধনাগাৰ পতাৰ আন্দোলন আৰম্ভ হয়। তেতিয়াৰ ভাৰতৰ তেলমন্ত্ৰী কে. ডি. মালবীয়াৰ লগত অসমত শোধনাগাৰ পতাৰ যুক্তিযুক্ত পৰামৰ্শ আগবঢ়ায় আৰু অসমীয়া যুৱকসকলে যাতে চাকৰিৰ ক্ষেত্ৰত তাত অগ্ৰাধিকাৰ পায় তাৰ বাবে যথোচিত ব্যৱস্থা ল'বলৈ মালবীয়াক চৌধুৰীদেৱে অনুৰোধ কৰে।

মহাপুৰুষ তিনিজনাৰ পূত-পুণ্য পদৰেণুৰে বিধৌত কৰা বৰপেটা, পাটবাউসী, সুন্দৰীদিয়াৰ শুদ্ধশুদ্ধ বৈষ্ণৱ সংস্কৃতিৰ মাজত জন্মি মহেন্দ্ৰ-মোহন চৌধুৰী ক্ৰমে শৈশৱ, কৈশোৰ, বৃদ্ধকাল প্ৰাপ্ত হয়। সেয়ে তেখেতৰ মন-প্ৰাণ এই মহান সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰ্যত

সদা ব্ৰতী আছিল। চৌধুৰীদেৱে পৰম্পৰাগতভাৱে ৰৰপেটা সত্ৰত ইষ্ট নাম গ্ৰহণ কৰে। চৌধুৰীদেৱে শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী-দেৱৰ পৰম ভক্ত আছিল; আৰু ধৰ্ম আৰু ধৰ্মানুষ্ঠান সম্পৰ্কীয় কোনো সমস্যা উদ্ভৱ হ'লে তেখেতৰ মাণিকপুৰ গীতা সত্ৰত উপস্থিত হৈ তাৰ সমিধান বিচাৰি লৈছিল। ব্ৰহ্মচাৰীদেৱৰ আশীৰ্বাদ আৰু উপদেশ শিৰোধাৰ্য কৰি বৈষ্ণৱ সংস্কৃতিৰ ভালেমান অনুষ্ঠান পাতিছিল আৰু কিছুমানক পুনৰুদ্ধাৰৰ বাবে হাতে-কামে লাগিছিল। এই বিষয়ত বিচাৰ কৰিলে মহেন্দ্ৰমোহন চৌধুৰীক অসমৰ কুৰি শতিকাৰ মহাৰাজ ৰুদ্ৰসিংহ বুলি ক'লে বঢ়াই কোৱা নহ'ব নিশ্চয়।

মহাপুৰুষ শঙ্কৰদেৱৰ জন্মস্থানৰ পৰা মহাপুৰুষ গুৰু নানকৰ জন্ম আৰু কৰ্মস্থলীলৈ চৌধুৰীদেৱ অকল ৰাজ্যপাল হৈ গৈছিল। মধ্যযুগৰ সমপৰ্যায়ৰ পাঁচজন মহাপুৰুষৰ নাম উশাহতে ক'বলৈ হ'লে শ্ৰীমন্ত শঙ্কৰদেৱ, মহাপ্ৰভু চৈতন্যদেৱ, ভক্ত কবীৰ, অতিবৰী জগন্নাথ আৰু গুৰু নানকজীক ধৰিব পাৰি। পাঁচোজনৰে অভিন্নাত্মা আছিল আৰু ইজনে-সিজনক জানিছিল। কাজেই চৌধুৰীদেৱ গৌৰৱময় পঞ্জাৱ ভূমিৰ বায়ু, পানী, বতাহৰ লগত এনেদৰে মিলি গৈছিল যে তেখেত তালৈ যোৱাৰ কেইদিনমানৰ ভিতৰতে সকলোৰে আপোন হৈ পৰিছিল। সেই আত্মীয়তাৰ দাম নোহোৱা হ'লে বীৰকেশৰী জাতিটোৱে পঞ্জাৱৰ ৰাজ্যিক চিৰিয়াখানাটো ৰাজ্যপাল মহেন্দ্ৰমোহন চৌধুৰীদেৱৰ নামত দান নিশ্চয় নকৰিলেহেঁতেন, চৌধুৰীদেৱক গুৰু নানক বিশ্ববিদ্যালয়ে ডক্টৰ অব্ লিটাৰেচাৰ সম্মানীয় উপাধি প্ৰদান নকৰিলেহেঁতেন, পঞ্জাৱী বিশ্ববিদ্যালয়ত মহাপুৰুষ শঙ্কৰদেৱৰ স্মৃতিত সাত লাখ টকা মূল্যৰ ব্যয়বহুল আসন প্ৰতিষ্ঠা নহ'লহেঁতেন! চৌধুৰীদেৱৰ একান্ত ইচ্ছা আৰু নেৰা-নেপেৰা অনুৰোধ ৰক্ষা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপক ডক্টৰ মহেশ্বৰ নেওগদেৱে উক্ত আসনৰ সন্ত শঙ্কৰদেৱ অধ্যাপক হিচাপে সুখ্যাতিৰে পাঁচ বছৰীয়া কাল কটাই আহে।

চৌধুৰীদেৱৰ ইচ্ছা সফল কৰি ডক্টৰ নেওগদেৱে “দি ভক্তি ৰত্নাকৰ অব্ শঙ্কৰদেৱ এণ্ড হিষ্টৰি অব্ দি কনচেপ্ট অব্ ভক্তি” এই মহা-মূল্যৱান গ্ৰন্থখনিকে ধৰি কেবাখনো বৈষ্ণৱ ধৰ্মীয় মূল্যৱান গ্ৰন্থ আমাক দিছে। চৌধুৰীদেৱৰ চেষ্টাতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ অধ্যাপক ডক্টৰ কৃষ্ণ নাৰায়ণ প্ৰসাদ মাগধৰ গৱেষণা (হিন্দী) গ্ৰন্থ—“শঙ্কৰদেৱ সাহিত্যিক ঔৰ বিচাৰক” পঞ্জাৱী বিশ্ববিদ্যালয়ৰ জৰিয়তে প্ৰকাশ কৰি ভাৰতবৰ্ষৰ বৃহৎ হিন্দী ভাষাগোষ্ঠীৰ পাঠকসকলৰ মাজত মহাপুৰুষজনাৰ সাহিত্যকৃতী প্ৰচাৰ কৰা হয়। তদুপৰি মহাপুৰুষ মাধৱদেৱৰ ‘নামঘোষা’ গ্ৰন্থখনি পঞ্জাৱী ভাষালৈ অনুদিত কৰা হয়।

অসম নাইবা ভাৰতবৰ্ষৰ ৰাজনীতিৰ ক্ষেত্ৰত মহেন্দ্ৰমোহন চৌধুৰী যি ভূমিকা গ্ৰহণ কৰিছিল তাৰ মূল্যায়ন এই চুটি প্ৰবন্ধত আলোচনা কৰাটো মুঠেও সম্ভৱ নহয়। ১৯৪৬-৪৭ চনত ভাৰত স্বাধীন হোৱাৰ আগমুহূৰ্তত ৰাজ্য পুনৰ গঠন আঁচনিত অসমক কিদৰে বঙ্গদেশৰ লগত জোৰপূৰ্বক জাপি দিয়াৰ ষড়যন্ত্ৰ কৰা হৈছিল “লোকপ্ৰিয় গোপীনাথ বৰদলৈ” নামৰ প্ৰবন্ধত উল্লেখ কৰি মহেন্দ্ৰমোহন চৌধুৰী-দেৱে লোৱা ভূমিকাৰ কথা কোৱা হৈছে।

অসমৰ ৰাজনীতিৰ ইতিহাসত চৌধুৰীদেৱৰ নাম জিলিকি থাকিব তাত সন্দেহ নাই; কিন্তু অসমৰ সংস্কৃতিৰ ভঁৰালত তেখেতে যি বৰঙণি দি গ’ল মহাৰাজ ৰুদ্ৰসিংহ আৰু মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বৰ পাঁচশ বছৰ পিছত তাক আজি প্ৰতিজন অসমীয়াই শ্ৰদ্ধাৰে সুঁৱৰিছে আৰু চৌধুৰীদেৱৰ আসন এই দুজন ৰাজপুৰুষৰ কাষতে থাকিব বুলি ক’ব পাৰি।

চৌধুৰীদেৱৰ আন এটি বিশেষ উল্লেখনীয় কাম হ’ল দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱৰ জন্ম-শত-বাৰ্ষিকী উৎসৱ উদ্‌যাপন কৰাত লোৱা বিশেষ ভূমিকা। তেখেতৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলতে এই জন্ম শত-বাৰ্ষিকী উৎসৱৰ সময়ত ইংৰাজীত সম্পাদনা কৰা “পলিটিকেল হিষ্ট্ৰী অব্ আসাম” (১৯২৬-

১৯৪৭) অতি মূল্যৱান গ্ৰন্থখনি তিনিটা খণ্ডত প্ৰকাশ কৰি উলিওৱা হয়।

চৌধুৰীদেৱ ৰাজনীতিবিদ, ধাৰ্মিক, সমাজ সংস্কাৰক, কলা-সংস্কৃতি-প্ৰেমী হোৱাৰ লগতে সাহিত্য-চৰ্চা কৰিছিল আৰু মহাৰাজ নৰনাৰায়ণৰ আৰ্হিৰে পণ্ডিত সমাজৰ পৃষ্ঠপোষকতা কৰিছিল। তেখেতে অসম সাহিত্য সভাৰ বৰপেটা অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ৰূপে থাকি যি বৃহৎ সমাৰোহেৰে তাক সুসম্পন্ন কৰিছিল—অসমৰ ৰাইজে অসমৰ প্ৰতিজন সাহিত্য-সংস্কৃতি প্ৰেমী লোকে আজিও শ্ৰদ্ধাৰে সোঁৱৰণ কৰি আছে।

মহেন্দ্ৰমোহন চৌধুৰী আজি আমাৰ মাজত নাই, কিন্তু তেখতৰ আদৰ্শ আৰু কৃত কৰ্মৰাজিয়ে আমাক সদায় সোঁৱৰাই থাকিব। তেখেতৰ মৃত্যুৰ পিছত অসমৰ গুণমুগ্ধ ৰাইজে পাণবজাৰত থকা গুৱাহাটী মেডিকেল কলেজ হাস্পতালখন চৌধুৰীদেৱৰ নামত উছৰ্গা কৰি যোগ্যজনক যোগ্য সম্মান জনাইছে। ইয়ে তেখেতৰ কীৰ্ত্তি যুগমীয়া কৰি ৰাখিব, সন্দেহ নাই।

লোকনায়ক অমিয় কুমাৰ দাস

"মই যি মুহূৰ্তত এই পৃথিৱীলৈ আহিলোঁ সেই মুহূৰ্তটো শুভই নে অশুভই মই ভাবি নাপাওঁ। কাৰণ মোৰ জন্মৰ কিছুদিনৰ পাছত মোৰ পিতৃবিয়োগ হয়। ময়েই ষষ্ঠ সন্তান আছিলোঁ। চতীয়া, জমুগুৰি, কলিয়াবৰ আদিৰ পৰা মোৰ আইৰ সম্পৰ্কীয় বুঢ়ী তিৰোতাসকল আহিলে মোক মৰম কৰাৰ লগতে সম্বোধন কৰে— "বাপেৰৰ মূৰ খোৱাটো" শিশু মনে বুজি নাপায়। মইনো কেনেকৈ দেউতাৰ মূৰ খোৱা হ'লোঁ।"

লোকনায়ক অমিয় কুমাৰ দাসে তেখেতৰ 'জীৱন-স্মৃতি'ত পিতৃ-বিয়োগৰ কথা তেনেদৰে উল্লেখ কৰিছে। তেখেতৰ জন্মৰ সঠিক দিন বাৰৰো কোনো হিচাপ নাই। মাত্ৰ নোমায়েকে স্কুলত নাম ভৰ্তি কৰাৰ সময়ত ১৮৯৫ চনৰ (জীৱন স্মৃতি) ৫মে'ৰ দিনা জন্ম হোৱা বুলি নাম ভৰ্তি বহীত লিখি দিছিল।

দাসৰ পিতৃ উদয়ৰাম দাসে ভৰলুমুখৰ কামাখ্যাৰাম বৰুৱাৰ ঘৰৰ সমীপতে বসবাস কৰি আছিল। সেই সময়ৰ ৰাজনৈতিক নেতা দেশভক্ত তৰুণৰাম ফুকন, ৰোহিণী কুমাৰ চৌধুৰী, কামাখ্যাৰাম বৰুৱা আদিৰ লগত তেখেতৰ অতি ঘনিষ্ঠ ভাব আছিল। তেখেত-সকলৰ বেছিভাগেই তেখেতক 'উদয়দাদা' বুলি মাতিছিল। তেখেত বৰ সৰবৰহি লোক আছিল, চাহ বাগিছাৰ চাকৰিৰ লগতে প্ৰেছৰ ব্যৱসায়ো কৰিছিল। অসমৰ ৰাজনীতিত উদয়ৰাম দাসৰ ভূমিকা উলাই কৰিব লগা বিধৰ নাছিল।

পিতৃ উদয়ৰাম দাসৰ অকাল বিয়োগ হোৱাত মাতৃ সাৰলাদেৱী আৰু ককাদেউতাক (মাকৰ দেউতাক) লক্ষ্মীকান্ত বৰকাকতীয়ে

ল'ৰাটিৰ লালন-পালনৰ ভাৰ লৈছিল। ককাদেউতাকে তেখেতক পিতৃৰ অভাৱ অনুভৱ কৰিব দিয়া নাছিল। আনকি কন্যা সাৰলা-দেৱীয়ে তেখেতক 'দেউতা' বুলি সম্বোধন কৰা কাৰণে নাতিয়েকেও ডাঙৰলৈকে তেখেতক দেউতা বুলিয়েই মাতিছিল। ককাদেউতাকে শিশু অমিয়ক কাষত বহুৱাই ৰামায়ণ, মহাভাৰত, পুৰাণ, ভাগৱত, আদিৰ অনুপম সাধুবোৰ নাটকীয় ভঙ্গীত কৈছিল আৰু নাতি ল'ৰাই সেইবোৰ মৌ পিয়াদি পিছিল। ককাদেউতাক তেখেতৰ শৈশৱ কালৰ খেল-ধেমালিৰ সঙ্গী হোৱাৰ উপৰিও দেশ-বিদেশৰ বহুতো মজাৰ কথা কৈছিল। অমিয় দাসৰ কৌতূহলী মনক খোৰাক যোগাব পৰা বুদ্ধি-জ্ঞানৰ তেখেতৰ মুঠেও অভাৱ হোৱা নাছিল। কাজেই প্ৰকাৰন্তৰে অধ্যয়নপুষ্ট ককাদেউতাকে শিশু অৱস্থাত অমিয় কুমাৰ দাসৰ ওপৰত যি মচিব নোৱাৰা প্ৰভাৱ পেলাইছিল, পৈণত বয়সত সেইবোৰেই 'লোক নায়ক' সন্মানসূচক উপাধি লাভ কৰাত সহায় কৰিছিল।

পাঁচ-ছয় বছৰীয়া শিশু অমিয়ই খেল-ধেমালিৰ মাজেদি ককা-দেউতাকৰ পৰা তিনিটা শব্দৰে গঠিত 'মোহনদাস কৰমচাঁদ গান্ধী' এই যাদুকৰী নামটো শুনিছিল। প্ৰতিটো কামৰ আৰম্ভণিতে হিন্দু-সকলে 'মাধৱ' আৰু মুছলমানসকলে 'বিছমিল্লা' নাম লোৱাৰ দৰে অমিয় দাস আৰু তেখেতৰ লগৰীয়া সকলে খেল-ধেমালিৰ সময়ত 'মোহনদাস কৰমচাঁদ গান্ধী' নামটো স্মৰণ কৰি প্ৰতিযোগিতাত জয়ী হৈছিল। গান্ধী নামৰ এই মহামন্ত্ৰই শেষলৈকে 'অমিয় কুমাৰ দাস' নামটি ধন্য কৰিলে, তেখেতক অমৰত্ব প্ৰদান কৰিলে। অসমৰ গান্ধীবাদী নেতাসকলৰ ভিতৰত তেখেতেই গান্ধীৰ আত্মজীৱনী "My Experiment with Truth"ৰ প্ৰথম অসমীয়া অনুবাদ "মোৰ সত্য অন্বেষণৰ কাহিনী" কৰিলে। দাসৰ এই মনোমোহা সৰল অনুবাদ গ্ৰন্থই শ শ অসমীয়া ছাত্ৰ-ছাত্ৰীক নৈতিক বলত বলীয়ান কৰিছে, আদৰ্শ জীৱন গঢ়াত সহায় কৰিছে।

উদয়ৰাম দাসে চৰকাৰী চাকৰি নকৰি নগাওঁৰ কেলিডেন বাগিচাত কাম কৰিছিল আৰু কামাখ্যাৰাম বৰুৱাৰ লগত ট্ৰাষ্ট খুলি গুৱাহাটীত প্ৰেছ ব্যৱসায় চলাইছিল। অমিয় কুমাৰ দাসে সৰুতে পিতৃক হেৰুৱাৰ দৰে উদয়ৰাম দাসেও সৰুতে পিতৃক হেৰুৱাইছিল। তেতিয়া ঘৰখন চলোৱাত ভাবিব নোৱাৰা অভাৱে দেখা দিছিল। দাসে জীৱন স্মৃতিত দেউতাকৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে— "দেউতাও সৰুতে পিতৃহীন হৈছিল আৰু বুঢ়ী আয়ে সূতা কাটি কাপোৰ বৈ দেউতাক হেনো গুৱাহাটীৰ হাইস্কুলত পঢ়ুৱাইছিল এণ্ট্ৰেন্সলৈকে। এণ্ট্ৰেন্সৰ পাছত চৰকাৰী বৃত্তি পাই কলিকতাৰ কেম্পবেল মেডিকেল স্কুলত পঢ়ি ডাক্তৰী পাছ কৰে। চৰকাৰী চাকৰি নোপোৱাত বাগিছাৰ চাকৰি লয়। বেজবৰুৱাক পোন প্ৰথমে ১৯১৪ চনত কলিকতাত লগ পাওঁতে আৰু মোৰ চিনাকি পাই বেজবৰুৱাই দেউতাৰ কথা কৈছিল। কলিকতাত ভোলা বৰুৱাৰ লগত চিনাকি হোৱাত তেখেতেও দেউতাৰ কথা কৈছিল —"আমি একেলগে পঢ়া…দেউতা কলিকতালৈ গৈ ব্ৰাহ্মসমাজৰ প্ৰভাৱত পৰিল আৰু এইদৰে আমি গতানুগতিক অসমীয়া সমাজৰ পৰা আঁতৰিবলগীয়া হ'ল।"

ইংৰাজৰ শাসন আৰু আমেৰিকান পাদ্রী চাহাব সকলৰ খৃষ্টধৰ্ম প্ৰচাৰে ভাৰতবৰ্ষত বিশেষকৈ বঙ্গদেশত এটি ধৰ্ম বিপ্লৱ গঢ়ি উঠাত সহায় কৰিছিল। ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ প্ৰমুখ্যে বহুতে বেদান্ত উপনিষদৰ ভিত্তিত প্ৰৱৰ্তন কৰা ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰে। অসমৰ গুণাভিৰাম বৰুৱা কনকহাঁস গোস্বামী, কমলাকান্ত ভট্টাচাৰ্য্য আদিয়েও এই নতুন ব্ৰাহ্ম সমাজত যোগ দি ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰিছিল। অমিয় কুমাৰ দাসৰ ককাদেউতাক লক্ষ্মীকান্ত বৰকাকতীও ব্ৰাহ্মধৰ্ম গ্ৰহণ কৰে। তেখেত পৰম ধাৰ্মিক পুৰুষ আছিল আৰু পুৱা-গধূলি নিয়মিতভাৱে প্ৰাৰ্থনা নকৰাকৈ নেথাকিছিল। তেখেতে হৰিবিলাস আগৰৱালা প্ৰভৃতিৰ লগ লাগি সমাজ সংস্কাৰৰ কামত

স্থাত দিছিল।

উল্লেখযোগ্য যে লক্ষ্মীকান্ত বৰকাকতী ভাৰতীয় কংগ্ৰেছ অনুষ্ঠানটোৰ লগত জন্মলগ্নৰে পৰা জড়িত আছিল। ১৮৮৫ চনত বোম্বেত আৰু ১৮৮৭ চনত মাদ্ৰাজত বহা কংগ্ৰেছ অধিবেশনত তেজপুৰ 'ৰায়ত সভা'ৰ প্ৰতিনিধি হিচাপে যোগ দিছিল। ১৮৮৭ চনত তেখেতৰ উদ্যোগত তেজপুৰে অসমৰ ৰাজহুৱা তথা ৰাজনৈতিক ক্ষেত্ৰত এটা ডাঙৰ পদক্ষেপ দিয়ে। তাৰ পৰিণতি স্বৰূপে সেই বছৰতে তেজপুৰ টাউন হল আৰু লাইব্ৰেৰীৰ জন্ম হ'ল।

অমিয় কুমাৰ দাসৰ মাতৃ সৰলাদেৱী এগৰাকী বিদুষী মহিলা আছিল। লক্ষ্মীকান্তৰ পত্নী অকালতে বিয়োগ হোৱাত দুয়োজনী ছোৱালীক কলিকতাৰ বেথুন ছোৱালী হাইস্কুলত পঢ়াইছিল। তেতিয়াৰ দিনত কলিকতালৈ নাৱেৰে অহা-যোৱা কৰিছিল। তেজপুৰৰ পৰা কলিকতা পাওঁতে কমেও এমাহ লাগিছিল। দাসৰ মাতৃৰ সহযাত্ৰী আৰু সহপাঠী আছিল গুণাভিৰাম বৰুৱাৰ কন্যা স্বৰ্ণলতা বৰুৱা। পিছত দুয়োজনী সখীত্ব বান্ধোনত সাঙোৰ খাইছিল।

অমিয় কুমাৰ দাসৰ পিতৃ বিয়োগ হোৱাত ঘৰখনৰ অভাৱ-অনাটন দিনক দিনে বাঢ়ি গৈছিল। দাসৰ মোমায়েকক এসময়ত উদয়ৰাম দাসে কলিকতাত পঢ়াইছিল। কলিকতাৰ পৰা আহি শিক্ষক, কেৰাণী আদি চাকৰি কৰি শেষত জিলাৰ উপায়ুক্তৰ তলত মাত্ৰ পচিশটকীয়া হেড ক্লাৰ্কৰ চাকৰি কৰিছিল। কাজেই মোমায়েকৰ কৰ্তব্য পালন কৰি নিজৰ আৰু ভনীয়েকৰ দুয়োটা পৰিয়ালক সমানে চাবলগীয়া হৈছিল। কেতিয়াবা অৰ্থাভাৱ বাকৈয়ে হৈছিল। অমিয় কুমাৰ দাসে জীৱন স্মৃতিত লিখিছে—"ঘৰৰ অভাৱৰ ছবিখন দেখি আমাক যি খাবলৈ দিয়া হৈছিল তাতকৈ আমি বেছি বিচৰাটো অপৰাধ বুলি ভাবিছিলো।"

অমিয় কুমাৰ দাসে তেজপুৰ স্কুলত পঢ়ি থাকোঁতে কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ লগত পৰিচয় হয়। কৰ্মবীৰ দাসতকৈ দুই শ্ৰেণী ওপৰত

পঢ়িছিল। শৰ্মাই স্বদেশ প্ৰেমৰ চিনাকি স্কুলীয়া কালতে দিছিল। স্কুলৰ তথা তেজপুৰৰ সমাজ আৰু ৰাজনৈতিক জীৱনৰ প্ৰতিটো কথাতে তেখেতে ছাত্ৰাৱস্থাৰে পৰা আগভাগ লৈছিল।

অমিয় কুমাৰ দাস সৰুৰে পৰা চিন্তাশীল, ধৈৰ্য্যশীল, পৰিপাটি, কৰ্তব্যপৰায়ণ, সত্যবাদী আৰু নিষ্ঠাৱান আছিল। স্বদেশী আৰু বিদেশী শব্দ দুটাৰ অৰ্থ বুজিবলৈ চেষ্টা কৰি হঠাৎ এদিন নিজে উদ্ধাৰ কৰিলে। ইংৰাজসকলে বজাৰত যি কোনো বস্তু কিনিবলৈ হ'লে 'মেড্ ইন ইংল্যাণ্ড' (ইংল্যাণ্ডত তৈয়াৰী) চাইহে কিনে। 'মেড্ ইন জাৰ্মানী (জাৰ্মানীত তৈয়াৰী) বুলি লিখা থকাটো নিকিনে। সৰুতে আহৰণ কৰা এই ধাৰণাটো দাসৰ মনত ক্ৰমে গাঢ় হৈ পৰে আৰু তেতিয়াৰ পৰা মাকে সূতা কাটি বৈ দিয়া ধ্‌তি আৰু চোলা পিন্ধিবলৈ লয়।

'যি মূলা বাঢ়ে তাৰ দুপাততে চিন' বুলি এষাৰ প্ৰবাদবাক্য আছে। অমিয় কুমাৰ দাসৰ শৰীৰৰ প্ৰতিটো ধমনীতে এই কথা-খিনিৰ যথাৰ্থতা প্ৰকাশ পাইছিল। তেতিয়াৰ দিনত স্কুলত বঙলাৰ প্ৰভাৱ বৰ বেছি আছিল। বঙালী ছাত্ৰসকলে অসমীয়া সকলক 'বেক্‌ৱাৰ্ড' (পিচপৰা) বুলি ব্যঙ্গ কৰা কথাত অমিয় দাসে অন্তৰত এটি অপ্ৰকাশ্য বেজাৰ অনুভৱ কৰিছিল। বঙালী ছাত্ৰসকলে যেতিয়া 'গণ্ডাই গণ্ডাই' বেঙ্গলী বি. এ. এম. এ. থকাৰ কথা কৈ গৌৰৱ কৰিছিল অমিয় দাসে দুখ আৰু বেজাৰত মৰ্মাহত হৈ জিদ্ কৰিছিল, ভৱিষ্যতৰ সুন্দৰ সপোন দেখিছিল—দুখুনী অসম দেশতনো কেতিয়া 'গণ্ডাই গণ্ডাই' বি.এ. এম. এ. হ'ব! এনেতে ৰাধানাথ ফুকন, অন্নদা ভট্টাচাৰ্য্য আৰু ঈশ্বৰচন্দ্ৰ বৰুৱাই ক্ৰমে এম. এ. পাছ কৰাত দাসৰ বুকু আনন্দত ওফন্দি উঠিছিল। অসমৰ প্ৰথম এম. এ. ৰাধা ফুকন তেজপুৰলৈ যোৱাত বহুতৰ লগত অমিয় দাসেও আহি জুমি জুমি তেখেতক চাইছিল!

অমিয় কুমাৰ দাস তেতিয়া নৱম কি দশম মানৰ ছাত্ৰ। ভাইচ্‌ৰয়

লৰ্ড কাৰ্জন অসমলৈ আহিছিল। একে যাত্ৰাতে কোম্পানীৰ ‘বাজাৰ্ড’ নামৰ জাহাজত উঠি গুৱাহাটীৰ পৰা আঠ ঘণ্টাৰ জলযাত্ৰা কৰি তেজপুৰ পালে। তেজপুৰৰ পৰা ৰেলযোগে বালিপাৰা অঞ্চললৈ গৈ তিব্বত, ভূটান, আদিৰ স্থিতি পৰিস্থিতি আৰু গতিপথ অধ্যয়ন কৰি উলটি গ’ল। অলপ দিনৰ পিছতে ক্ৰমে তিব্বত আৰু ভূটানৰ ওপৰত ইংৰাজ সৈন্যই ‘তামাম’ হত্যাকাণ্ড আৰু পৈশাচিক অত্যাচাৰ চলাই তিব্বত দখল কৰিলে। শ শ নিৰস্ত্ৰ, নিৰীহ তিব্বতীয়া লামাই ইংৰাজ পিশাচৰ হাতত প্ৰাণ দিলে। বাতৰি কাকতসমূহে ইংৰাজৰ এই বৰ্বৰতাৰ তীব্ৰ নিন্দা কৰি লিখিলে— “জীৱনত চিপাহীহঁতে এনেবিধৰ লক্ষ্য আৰু ছুনাই নাপাব।”

সহায় সাৰথিহীন লামাসকলে কৰযোৰে ইংৰাজক প্ৰাৰ্থনা কৰিলে—“আমাক বেহাবেপাৰ একো নালাগে; আমি তোমালোকৰ বন্দুক-বাৰুদো আনিবলৈ নিবিচাৰো। তোমালোকৰ সোণ-ৰূপ লৈ যোৱা, কেৱল আমাক শান্তিৰে থাকিব দিয়া।”

ইংৰাজসকলৰ এনেবোৰ হিংসাত্মক দুষ্কাৰ্য্যই কোমল হৃদয়ৰ অমিয় কুমাৰ দাসৰ অন্তৰত বৰকৈ আঘাত দিছিল আৰু ইয়াৰ প্ৰতিকাৰ আৰু নিৰাময় কেতিয়া কেনেদৰে হ’ব পাৰে এই চিন্তাই তেখেতৰ মনত গভীৰ ৰেখাপাত কৰিছিল।

গুৱাহাটীৰ কটন কলেজ প্ৰতিষ্ঠাতা চাৰ্ হেনৰী কটন অসমীয়া জাতিৰ চিৰ নমস্য; সকলো ভাৰতীয়ৰো নমস্য। ১৯০৫ চনত বম্বেত বহা কংগ্ৰেছ অধিৱেশনৰ হেনৰী কটন সভাপতি আছিল। সেই সভাতে লৰ্ড কাৰ্জনৰ বঙ্গ বিভাজন আইনৰ তীব্ৰ বিৰোধিতা কৰি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। সেইবাবে ইংৰাজসকলৰ তেখেত অপ্ৰিয়ভাজন হৈছিল। আনকি পৰৱৰ্ত্তীকালত হেনৰী কটন গুৱাহাটীলৈ অহাত তেখেতক ঔৰঙ্গজেৱে তাজমহলৰ প্ৰাণ প্ৰতিষ্ঠাতা চাহজাহানক তাজমহল দৰ্শন কৰিবলৈ নিদিয়াৰ দৰে তেতিয়াৰ প্ৰিন্সিপাল চুদমাৰ্চেনে কটন কলেজৰ প্ৰাণ প্ৰতিষ্ঠাতা হেনৰী কটনক

কলেজ দৰ্শন কৰিবলৈ নিদিলে।

হেনৰী কটনে তেখেতৰ স্মৃতিগ্ৰন্থ (India and Home memories)ত অসমক ইংৰাজ চৰকাৰে কিদৰে বিদ্ৰূপ কৰিছিল বহুলাংশত বৰ্ণনা কৰিছে—“অসমক ভাৰতৰ (Cinderella) এজনী ছোৱালী বুলি কোৱা হয়। মোৰ দুখ লাগে, এই প্ৰদেশখন এতিয়াও এই অৱস্থাতে আছে।”

হেনৰী কটনে স্মৃতিগ্ৰন্থত অসমৰ চাহবাগিছাৰ বনুৱাসকলক কিদৰে ক্ৰীতদাসৰ নিচিনা ব্যৱহাৰ কৰা হৈছিল বৰ্ণনা কৰিছে—“অসমৰ শাসনৰ আঁৰত এটা ডাঙৰ আৰু স্বতন্ত্ৰীয়া প্ৰশ্ন ভূতৰ দৰে ভুমুকি মাৰি আছে। প্ৰশ্নটো হৈছে আন প্ৰদেশৰ পৰা অনা হেজাৰ হেজাৰ অসহায় বনুৱা। তেওঁলোকে চাহবাগিচাবিলাকত কাম কৰিবলৈ হেজাৰ মাইল দূৰৰ পৰা ৰেল, জাহাজ আৰু কত বিধৰ যানবাহনত আহিবলগীয়া হৈয়ো প্ৰয়োজনৰ জোখাই মজুৰি নাপায়। ৩০ বছৰ আগতে বঙ্গদেশৰ শাসনকৰ্তা ছাৰ জৰ্জ কেম্পবেলে ক’ব-লগীয়া হৈছিল যে এই বনুৱাবিলাকক ক্ৰীতদাৰ দৰে কামত লগোৱা হৈছে।”

অসমৰ চাহ-বাগিচা অঞ্চলত জন্ম গ্ৰহণ কৰি দিনে-ৰাতি চাহ-বনুৱাসকলৰ দুখ-দুৰ্গতি দাসে নিজ চকুৰে দেখি সেইবোৰৰ প্ৰতিকাৰ আৰু নিৰাময় কেতিয়া কেনেদৰে হ’ব ভাবিছিল আৰু শেষত ১৯৫৫ চনত ‘চাহ মজদুৰ’ ভৱিষ্যনিধি আইন প্ৰণয়ন কৰিহে মনত শান্তি লভিছিল।

হেনৰী কটনৰ স্মৃতিগ্ৰন্থখনিৰ সম্পৰ্কত অমিয় কুমাৰ দাসে কৈছে—“এনেবিলাক কথা ল’ৰা কালত শুনা বাবে কটন কলেজত পঢ়িবলৈ গৈ লাইব্ৰেৰীত ‘হেনৰী কটন’ৰ সোঁৱৰণ (India and Home Memories) গ্ৰন্থখনে মোৰ অন্তৰত সুপ্ত থকা ভাব আৰু অনুভূতিবিলাক জগাই তুলিলে। এইদৰে জীৱনৰ শিক্ষাৰ ভেটি স্কুলতকৈ বাহিৰতে বেছিকৈ ৰচনা হ’ল।”

হেনৰী কটনৰ প্ৰতি অসীম শ্ৰদ্ধা নিবেদন কৰি দাসে জীৱন স্মৃতিত উল্লেখ কৰিছে—"কটন চাহাবলৈ সকলে পৰা শ্ৰদ্ধাৰ ভাব হোৱাত গুৱাহাটীলৈ গৈ কটন কলেজত ভৰ্তি হওঁতে কটন চাহাবৰ মাৰ্বল মূৰ্তিৰ ওচৰত মোৰ অন্তৰৰ শ্ৰদ্ধা জনাওঁ। মনলৈ ভাব আহে সুৰেন্দ্ৰ নাথ বেনাৰ্জীকে আদি কৰি ভাৰতীয় নেতাসকলে লৰ্ড ৰিপনৰ গাড়ীখন ঘোঁৰা নলগাই টানি নি সন্মান দেখুৱাৰ দৰে আমিও কটন চাহাবক শ্ৰদ্ধা দেখুৱাব পৰা হ'লে কিমান ভাল পালোহেঁতেন !"

দাসে ছোৱালীৰ স্কুল এৰি ল'ৰাৰ স্কুললৈ আহিল। সত্যবাদী, নিৰ্ভীক দাসে কাকো অশালীন ব্যৱহাৰ নকৰিছিল আৰু কোনোবাই তেখেতক অশালীন ব্যৱহাৰ কৰিলে কোনোপধ্যে ক্ষমা নকৰিছিল। খঙটো উঠিলে তেখেতে নিজক পাহৰি পেলাইছিল। ল'ৰাৰ স্কুললৈ অহাৰ পিছতে দাস তেনে এটা সমস্যাৰ সন্মুখীন হ'বলগাত পৰিছিল। স্কুলত এদিন ডাঙৰ ল'ৰা এজনে দাসক অশালীন কথা কৈ জোকাবলৈ আৰম্ভ কৰিলে। ঘটনাৰ বিৱৰণ দাসৰ ভাষাত এনেদৰে প্ৰকাশ পাইছে—"খং উঠিলে মই বলিয়াৰ দৰে হৈছিলো। এদিন মোতকৈ বহুতো ডাঙৰ ল'ৰা এজনে শিক্ষক নথকাত মোক এটা বেয়া কথা ক'লে। মোৰ খং চুলিৰ আগ পালেগৈ। মই ক'ত আছো পাহৰিলো। বাঘে জঁপিয়াই পৰাৰ দৰে ময়ো গৈ ডাঙৰ ল'ৰাজনৰ টেঁটুঁত চেপা মাৰি ধৰি মুখৰ ওপৰত কেবাটাও ঘোঁচা মাৰিলো।" তেতিয়াৰ পৰা দাসক আৰু কোনেও জোকাবলৈ সাহস নকৰা হ'ল।

১৯১২ চনত দাসে প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উচ্চ শিক্ষাৰ বাবে কটন কলেজত ভৰ্তি হ'ল আৰু সহপাঠী হিচাপে শ্ৰীদেৱেশ্বৰ শৰ্মা, হিৰেশ্বৰ দাস, কমলানন্দ ভট্টাচাৰ্য্য আৰু ৰাধিকা প্ৰসাদক পালে। সেইসময়ত কটন কলেজৰ অধ্যক্ষ আছিল চুদ্‌মাৰ্চন চাহাব। কটনত পঢ়ি থাকোঁতে প্ৰফুল্লচন্দ্ৰ ৰায়, চুনীলাল দে, বনমালী বেদান্ততীৰ্থ, সত্যনাথ বৰা, লক্ষ্মীনাথ শৰ্মা, পদ্মনাথ বিদ্যাবিনোদ,

শ্যামাদাস ভট্টাচাৰ্য্য আদিৰ দৰে প্ৰখ্যাত অধ্যাপকসকলক পোৱাৰ সৌভাগ্য ঘটিছিল।

ওপৰোক্ত নানা যেমেজালিৰ কাৰণে তেখেতৰ পঢ়াশুনা ভাল নোহোৱাত প্ৰথম বছৰত অকৃতকাৰ্য্য হৈ কলিকতালৈ গৈ চিটি কলেজত ভৰ্তি হ'ল। সেইবাৰ প্ৰথম বিভাগত আই. এ. পাছ কৰি বি. এ. পঢ়িবলৈ ল'লে। বি. এ. পাছ কৰাৰ পাছত ১৯১৮ চনত আইন কলেজত ভৰ্তি হয়। আইনৰ তৃতীয় বাৰ্ষিকত পঢ়ি থাকোঁতে অসহযোগ আন্দোলন আৰম্ভ হোৱাত কলেজ এৰি আন্দোলনত জঁপিয়াই পৰিল আৰু সিমানতে শিক্ষা জীৱনৰ অধ্যায় পৰিল।

অমিয় কুমাৰ দাসে প্ৰায় ৪৭ বছৰ বয়সত ১৯৪২ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে তেখেতৰ ৰাজনৈতিক ক্ষেত্ৰৰ তীৰ্থযাত্ৰী বা সহযাত্ৰী বিদুষী মহিলা শ্ৰীমতী পুষ্পলতা দাসক বিয়া কৰায়। স্বভাৱতে লাজকুৰীয়া, অমায়িক, মিতব্যয়ী দাসে বিয়া কৰোৱাৰ কথা ভবা নাছিল। হয়তো কেতিয়াবা ভাবিছিল যদিও দেশ সেৱাৰ কাৰ্যত বাধা আহিব পাৰে ভাবি ভাবৰ বুৰবুৰণি মনতে মাৰ নিয়াইছিল। কিন্তু তেখেতৰ অতি অন্তৰঙ্গ বন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা, আৰু মহেন্দ্ৰমোহন চৌধুৰী, বিশেষকৈ ডাক্তৰ বৰুৱাই দাসৰ বিয়াখন নোহোৱাত মনে মনে বৰ বেজাৰ পাই আছিল। কেতিয়াবা বিয়া-বাৰুৰ কথা পাতিলেও দাসে অন্য কথা উলিয়াইছিল নাইবা অন্যমনস্ক হৈ আঁতৰি যায়। যি কি নহওক প্ৰজাপতিৰ নিবন্ধন কোনেও খণ্ডাব নোৱাৰে। "যাবৎ চন্দ্ৰাৱলী তাবৎ কঠিয়া"ৰ কিম্বদন্তীৰ দৰে শ্ৰীযুতা পুষ্পলতা দাসৰ লগত তেখেতৰ 'হৰগৌৰী' বিবাহ হ'ল। অতি সুখী পৰিয়াল। দুটি কন্যাৰত্ন তেখেতসকলৰ কোলালৈ আহিল। সংসাৰত দুখ মাথো এটাই দ্বিতীয় কন্যাৰত্নটি দুদিনীয়া দেহা লৈ সংসাৰ বাট এৰাই স্বস্থানে প্ৰস্থান কৰিলে।

সাংসাৰিক জীৱনত এপৰ ভিতৰত এপভাগ সুখ কোনোৱেই পাব

সোঁৱাৰে। দুখ নিশ্চয় থাকিব হয়তো ধনৰ, অথবা স্বাস্থ্যৰ, নাইবা পুত্ৰৰ, কিম্বা বন্ধুবান্ধৱৰ, নচেৎ পুত্ৰ-কন্যাৰ বিয়োগ ইত্যাদি ইত্যাদি। তথাপি তুলনামূলকভাৱে দাস-দম্পতি বহু সুখী আছিল। দাম্পত্যৰ জীৱনৰ সুখৰ মূল বস্তুটো হৈছে ত্যাগ অৰ্থাৎ ইজনে-সিজনৰ সমস্ত সুখ লগা কোনো কাম কৰিব নালাগিব। দাস-দম্পতিৰ জীৱনত আন কিবাৰ অভাৱ থাকিলেও এই মূল বস্তুটোৰ অভাৱ কোনো দিনে হোৱা নাছিল।

শ্ৰীযুতা দাসে দাম্পত্য জীৱনৰ সুখ চাৰি প্ৰকাৰে লাভ কৰিছে— সহোদৰা ভগ্নী, ধীমতী শিষ্যা, পতিব্ৰতা পত্নী আৰু কৰুণাময়ী মাতৃ। শ্ৰীযুতা দাসে কয়, "মধুৰ শব্দটোৱে যদি মনৰ আটাইখিনি মিঠা ভাবকে প্ৰকাশ কৰিব পাৰে, তেন্তে জীৱন মধুৰ আছিল। কিশোৰী কালত প্ৰথম যেতিয়া দেখো; গুৰুৰ দৰে শ্ৰদ্ধা কৰিছিলোঁ, তৰুণী মনটোৱে উজ্জ্বল ব্যক্তিত্বত বীৰৰস দেখি মুগ্ধ হৈছিল, জীৱনৰ বাটত সহযাত্ৰীৰূপে যেতিয়া পালোঁ, সিদিনা মনত হৈছিল, পৃথিৱীৰ সকলো সুখী মনৰ ভিতৰত কিজানি আমাৰো অংশ আছে; জীৱনৰ বিয়লি বেলাত স্বাস্থ্যই যেতিয়া ফাঁকি দিলে—সেই অসহায় মুখখনিলৈ চাই চাই ভাবিছিলোঁ মোৰ এই অসহায় শিশুটিৰ মই মাক; মই সকলো বিপদ ধুমুহাৰ পৰা মোৰ এই পুত্ৰক আৱৰি ৰাখিব লাগিব—মোৰ বাহিৰে যে তেওঁৰ কোনো আশ্ৰয় নাই। মই তেতিয়াৰে পৰা তেওঁৰ মাক হৈ গৈছিলো।"

১৯০৪ চনৰ পৰা ১৯২১ চনলৈকে অসমত লেখত ল'বলগীয়া অনুষ্ঠান দুটা আছিল—'আসাম এছোছিয়েশ্যন' (১৯০৪) আৰু 'অসম ছাত্ৰ সন্মিলন' (১৯১৬)। প্ৰথমটোৰ গুৰি ধৰিছিল যাইকৈ মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা আৰু জগন্নাথ বৰুৱাই আৰু দ্বিতীয়টোৰ গুৰি ধৰিছিল কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, লোকনায়ক অমিয় কুমাৰ দাস আৰু অধ্যক্ষ পদ্মধৰ চলিহাই। 'অসম ছাত্ৰ সন্মিলন'টোক শক্তিশালী কৰাত আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ

কাৰ, ডাঃ ভাণ্ডাৰকাৰ, নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকনে ইন্ধন যোগাইছিল।

১৯২১ চনত অমিয় কুমাৰ দাসে ল' পঢ়া বাদ দি তেজপুৰ পাই পোনে পোনে 'গান্ধী ভলেন্টিয়াৰ' হৈ গাঁৱে গাঁৱে ঘূৰি ফুৰি মহাত্মা গান্ধীৰ বাণী প্ৰচাৰ কৰি ফুৰিছিল। ১৯২১ চনত মহাত্মা গান্ধী, মৌলানা আজাদ আৰু যমুনালাল বাজাজ অসমলৈ আহি 'গান্ধী ভলেন্টিয়াৰ'ৰ কাম-কাজ দেখি বৰ ভাল পাইছিল। আন্দোলনে কিছু শাম কটাত জীৱিকা নিৰ্বাহৰ বাবে অমিয় কুমাৰ দাসে এখন গেলামালৰ দোকান আৰম্ভ কৰে। এনেতে ১৯২৬ চনত পাণ্ডুত শ্ৰীনিবাস আয়েঙ্গাৰৰ পৌৰোহিত্যত কংগ্ৰেছ অধিবেশন বহাত দাসে অভ্যৰ্থনা সমিতিৰ যোগেদি অভ্যাগত সকলৈ সেৱা-শুশ্ৰূষা আগ-বঢ়ায়। উল্লেখনীয় যে এই সময়ছোৱাত অমিয় কুমাৰ দাসৰ সম্পাদনাত 'সাপ্তাহিক অসমীয়া' কাকতখন প্ৰকাশ পাইছিল আৰু অধিবেশনৰ আটাইকেইদিন পেণ্ডেলৰ তলতে কাকত যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল।

১৯৩০ চনত আইন অমান্য আন্দোলনৰ এই সঙ্কট কালছোৱাত বিষ্ণুৰাম মেধীয়ে অসম কংগ্ৰেছৰ সভাপতিৰ গুৰুদায়িত্ব বহন কৰিছিল আৰু ত্যাগবীৰ হেম বৰুৱা আৰু অমিয় কুমাৰ দাসে দেহেকেহে তেখেতক সহায় কৰিছিল। সেই বছৰতে পাণবজাৰৰ হৰি সভাত অসম ছাত্ৰ সন্মিলনৰ বছৰেকীয়া অধিবেশন বহে আৰু অমিয় কুমাৰ দাসক সন্মিলনৰ সভাপতি নিৰ্বাচন কৰে। দাসৰ সবল নেতৃত্বত সমগ্ৰ অসম ব্যাপি কানিংহাম চাহাবৰ কুখ্যাত চাৰ্কুলাৰৰ তীব্ৰ প্ৰতিবাদ কৰা হয়। সভাপতিৰ আসনৰ পৰা দাসে কৈছিল "কানিংহাম চাহাব বৃটিছ সাম্ৰাজ্যবাদৰ এটি পুতলা মাত্ৰ। তেওঁৰ বিৰুদ্ধে ছাত্ৰৰ সংগ্ৰাম নহয়। ছাত্ৰ সকলৰ সংগ্ৰাম হ'ব লাগিব বৃটিছ সাম্ৰাজ্যবাদক ভাৰতবৰ্ষৰ পৰা খেদাবৰ কাৰণে। যেতিয়ালৈকে ভাৰতবৰ্ষত বৃটিছ সাম্ৰাজ্যবাদৰ উচ্ছেদ সাধন নহয়, তেতিয়ালৈকে

এক কানিংহাম নহয়, হেজাৰ হেজাৰ কানিংহামৰ সৃষ্টি হৈ থাকিব। গতিকে ছাত্ৰ সকলৰ মূল মন্ত্ৰ হ'ব লাগিব সাম্ৰাজ্যবাদৰ সম্পূৰ্ণ উচ্ছেদ সাধন।"

অসম ছাত্ৰ সন্মিলনত দাসে লোৱা গুৰুত্বপূৰ্ণ ভূমিকাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপাল মহেন্দ্ৰ মোহন চৌধুৰীয়ে কোৱা কথাখিনি প্ৰণিধানযোগ্য— "অসম ছাত্ৰ সন্মিলনৰ সভা বহিছিল জুলাই মাহত (১৯৩০)। মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ পিছত সমগ্ৰ ভাৰতবৰ্ষ জুৰি আৰু সত্যাগ্ৰহী-সকলক বন্দী কৰিবৰ কাৰণে বৃটিছ চৰকাৰে কৰ্মপন্থা গ্ৰহণ কৰা মুহূৰ্তত অমিয় বাবুৰে সভাপতিৰ আসনৰ পৰা বক্তৃতা দিওঁতে সেই আপদীয়া কানিংহাম চাৰ্কুলাৰখনক গৌণ স্থান দি পূৰ্ণ স্বাধীনতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। সভাপতি হিচাপে স্বৰ্গীয় দাসৰ উদ্দাম-আহ্বানত ছাত্ৰৰ অন্তৰত এটা নতুন প্ৰেৰণা জাগিছিল আৰু স্বাধীনতা সংগ্ৰামত যোগ দিবৰ কাৰণে তীব্ৰ আকাংক্ষা প্ৰকাশ কৰিছিল।"

সবৰমতীৰ পৰা ২০০ মাইল দীঘল ২৬ দিনীয়া দাণ্ডীযাত্ৰা ৫ এপ্ৰিলত (১৯৩০) শেষ কৰি ইংৰাজৰ লোণ-আইন ভঙ্গকৰা অপৰাধত মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰা হ'ল। অমিয় কুমাৰ দাসে ১৯৩০ চনৰ আন্দোলনত 'অসম ছাত্ৰ সন্মিলনে' লোৱা ভূমিকা প্ৰচাৰ প্ৰত্ৰিকা লিখো কৰি সমগ্ৰ ভাৰতত্তে প্ৰচাৰ কৰিছিল। মহাত্মা গান্ধী অমিয় কুমাৰ দাসৰ প্ৰচাৰ পত্ৰিকা লিখো কৰাৰ পদ্ধতি দেখি বৰকৈ প্ৰশংসা কৰিছিল আৰু গুজৰাটী ভাষাতো তেনে আহ্বিত প্ৰচাৰ পত্ৰিকা লিখো কৰিবৰ কাৰণে দেৱদাস গান্ধীক পৰামৰ্শ দিছিল। ১৯৩০ চনৰ আন্দোলনতো অমিয় কুমাৰ দাসে গ্ৰেপ্তাৰ বৰণ কৰি ছমাহ কাৰাদণ্ড ভুগি গান্ধী-আৰউইন চুক্তি (১৯৩১) মৰ্মে খালাচ পালে।

লণ্ডনত বহা দ্বিতীয় ঘূৰণীয়া মেজমেলত যোগ দি ১৯৩২ চনৰ ৩ জানুৱাৰীৰ দিনা মহাত্মা গান্ধী বোম্বে বন্দৰাৰ লগে লগে পুনৰ

তেখেতক গ্ৰেপ্তাৰ কৰে। গান্ধীৰ গ্ৰেপ্তাৰ বাতৰি সমগ্ৰ দেশত বিয়পি পৰিল আৰু আন্দোলনৰ দাবাগ্নি দাও দাও কৈ জ্বলি উঠিল।

১৯১৯ চনৰ ১৩ এপ্ৰিলত জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ গৌৰৱণত ১৯৩২ চনৰ ১৩ এপ্ৰিল তাৰিখে জেলৰ সকলো ঠাইতে পতাকা উত্তোলন, শোভাযাত্ৰা, সভা-সমিতিৰ আয়োজন কৰা হৈছিল। গুৱাহাটীত সেই দিনা পতাকা উত্তোলন অনুষ্ঠানত যোগ দিয়া অপৰাধত কমিচনাৰ মিঃ বেন্টিঙ্ক, ডেপুটি কমিচনাৰ মিঃ প্ৰিচাৰ্ডে আৰু পুলিচ চাহাবে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধী, মহেন্দ্ৰ মোহন চৌধুৰী, সিদ্ধিনাথ শৰ্মা, লোকবন্ধু ভুৱনেশ্বৰ বৰুৱা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, লোকনায়ক অমিয় কুমাৰ দাস প্ৰমুখ্যে ৩০ জন কৰ্মীক গ্ৰেপ্তাৰ কৰে।

১৯৩৩ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশন চৰকাৰে বেআইনী বুলি ঘোষণা কৰা সত্বেও বিষ্ণুৰাম মেধি, অমিয় কুমাৰ দাস প্ৰমুখ্যে কেইবাজনো যায় আৰু পাৰ্বতীপুৰত আটাইকে গ্ৰেপ্তাৰ কৰি দিনাজপুৰ জেলাত সোমাই থয়।

১৯৩৫ চনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ 'সোণালী জয়ন্তী' উৎসৱ পালিত হয়। সেই চনতে নতুন ভাৰতীয় সংবিধান ৰচনা কৰি 'প্ৰাদেশিক স্বায়ত্ত শাসন'ৰ কথা ঘোষণা কৰে। ১৯৩৫ চনৰ আইন মতে ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে অংশ গ্ৰহণ কৰাত অমিয় কুমাৰ দাসে নিৰ্বাচনত থিয় হয় আৰু বিপুল সংখ্যাধিক্য ভোটত জয় লাভ কৰে।

১৯৩৯ চনত দ্বিতীয় মহাসমৰৰ সূচনা হয়, আৰু ১৯৪০ চনত গান্ধীজীয়ে সংগ্ৰামৰ নতুন আঁচনি সম্পূৰ্ণ অহিংস নীতিৰ ওপৰত প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰে। এইবাৰৰ আঁচনিত মহাত্মাই ব্যক্তিগত সত্যাগ্ৰহৰ কথা ঘোষণা কৰে—আৰু সেইমতে প্ৰস্তুত কৰা তালিকাত গান্ধীজীয়ে অনুমোদন জনায়। তালিকাত উল্লিখিত প্ৰথম নাম দুটা আছিল—আচাৰ্য্য বিনোবাজী আৰু পণ্ডিত জৱাহৰলাল নেহৰু।

অসমৰ সত্যাগ্ৰহীৰ প্ৰথম তালিকাভুক্ত নেতা কেইগৰাকী আছিল লোকপ্ৰিয় বৰদলৈ, অমিয় কুমাৰ দাস, ফখ্‌ৰুদ্দিন আলি আহমদ, সিদ্ধিনাথ শৰ্মা, প্ৰমুখ্যে অসম বিধান সভাৰ কংগ্ৰেছ সদস্যসকল। এই যাত্ৰাত অমিয় কুমাৰ দাসে ছমাহ কাৰাদণ্ড ভুগিবলগীয়া হয়।

ভাৰতবৰ্ষৰ মুক্তিৰ আন্দোলনে ১৯৪২ চনত চূড়ান্ত পৰ্যায় পাইছিল। ১৯৪২ চনৰ ৮ আগষ্টৰ দিনা বোম্বাইৰ গোৱালিয়ৰ টেঙ্ক ময়দানত মৌলানা আবুল কালাম আজাদৰ পৌৰোহিত্যত বহা সভাত 'ভাৰত-ত্যাগ' প্ৰস্তাৱ গৃহীত হয়। লগে লগে সৰ্বভাৰতীয় নেতাসকলৰ যাকে য'তে পালে গ্ৰেপ্তাৰ কৰি জেলত সোমাবলৈ ধৰিলে। অসমৰ গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা, শ্ৰীযুতা পুষ্পলতা দাস প্ৰভৃতি নেতৃবৰ্গকো গ্ৰেপ্তাৰ কৰা হ'ল। বিয়াল্লিছৰ আন্দোলনৰ সময়ত ত্যাগবীৰ হেম বৰুৱা আৰু অমিয় কুমাৰ দাস ৰোগ-শয্যাত পৰি আছিল কাৰণে গ্ৰেপ্তাৰ বৰণ কৰিবলগীয়া নহ'ল। কিন্তু আন আন নেতা সকলৰ জেলত থাকিবলগীয়া হোৱাত ৰোগশয্যাত পৰি থাকিয়েই ত্যাগবীৰ আৰু লোক নায়কে আন্দোলনৰ গুৰি ধৰি থাকিল।

বিয়াল্লিছৰ আন্দোলনত জঁপিয়াই পৰি দেশৰ অগণন জনতাই ইংৰাজৰ বৰ্বৰ অত্যাচাৰত প্ৰাণ হেৰুৱালে। অসমৰ কনকলতা, মুকুন্দৰাম কাকতি, ভোগেশ্বৰী ফুকননী, বলোৰাম সুত, ঠগীৰাম সুত, কমলামিৰি আদিয়ে বন্দুকৰ গুলিত এজন এজনকৈ প্ৰাণ দিলে। অহিংসা আৰু সত্যৰ পূজাৰী বৈষ্ণৱপ্ৰাণ বীৰ বিপ্লৱী কুশল কোঁৱৰক ১৯৪৩ চনৰ ১৪ জুন তাৰিখে যোৰহাট জেলত পুৱতি নিশা ফাঁচি কাঠত তুলিলে।

লোকনায়ক অমিয় কুমাৰ দাসে ১৯২১, ১৯৩০, ১৯৩২, ১৯৩৩, ১৯৪০ আৰু ১৯৪২ চনত মুঠতে ছবাৰ কাৰাবৰণ কৰিবলগীয়া হৈছিল। শেষৰ বাৰত দুবছৰ কাৰাদণ্ড ভুগিছিল।

অমিয় কুমাৰ দাসৰ ক্ষমতাৰ লোভ, অভিজাত্যৰ মোহ, আৰু ধন

ক্ষতাৰ লালসা কোনো দিনে নাছিল। এম এল. এ. অথবা মন্ত্ৰীৰ পদো নিজৰ ইচ্ছাত নহয়, ৰাইজৰ দাবীতহে গ্ৰহণ কৰিছিল। এম. এল. এ. আৰু মন্ত্ৰী হৈ যি ধন পাইছিল তাৰ সৰহখিনি জাতীয় পুঁজিত দান দিয়া আৰু দুখীয়া ল'ৰা-ছোৱালীৰ শিক্ষা লাভৰ কামত সহায় কৰাত খৰচ কৰিছিল। আনকি মন্ত্ৰী হৈয়ো মন্ত্ৰীৰ পূৰা দৰমহা নলৈছিল। লোকপ্ৰিয় বৰদলৈ, অমিয় কুমাৰ দাস প্ৰমুখ্যে কেইগৰাকীমান মন্ত্ৰীয়ে মাহত মাত্ৰ পাঁচ টকাহে দৰমহা লৈছিল আৰু সেই সীমিত ধনেৰে নিজৰ নিজৰ পৰিয়ালবোৰ টুকটাককৈ চলিছিল।

১৯৩৭ চনত অমিয় কুমাৰ দাস অসম বিধান সভালৈ নিৰ্বাচিত হোৱাত তেখেতক দলপতি হোৱাৰ প্ৰস্তাৱ দিয়াত অতি বিনয় বচনেৰে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল। ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ একেৰাহে ১৯৬২ চনলৈকে বিধান সভাৰ সদস্য হৈ থাকি ৰাজ্যখনৰ প্ৰতিটো সমস্যাতে উঠি পৰি লাগিছিল। ১৯৬৭ চনৰ নিৰ্বাচনতো ৰাইজে তেখেতক বিধানসভাৰ সদস্য হিচাপে থকাটো বিচাৰিছিল যদিও তেখেত কোনোপধ্যে সন্মত নোহোৱাত তেখেতৰ পত্নী শ্ৰীযুতা পুষ্পলতা দাস নিৰ্বাচিত হয়।

অমিয় কুমাৰ দাস ১৯৪৬ চনৰ পৰা ১৯৫৭ চনলৈ মন্ত্ৰীপদত থাকি কৃষি, যোগান, শিক্ষা আদি দপ্তৰ অতি দক্ষতাৰে চলাইছিল। শ্ৰমমন্ত্ৰী থকা সময়ত তেখেত একাধিকবাৰ জেনেভাত বহা আন্তঃ-ৰাষ্ট্ৰীয় শ্ৰম সন্মিলনৰ ভাৰতীয় দলৰ দলপতি হিচাপে অধিবেশনত প্ৰতিনিধিত্ব কৰিছিল। মন্ত্ৰীয়ে থাকক অথবা এম. এল. এ. থাকক তেখেতে কোনো এটা কামতে হীন-দেবি কৰা নাছিল। শিক্ষামন্ত্ৰী হৈ থকা সময়ত ১৯৫২ চনৰ সাধাৰণ নিৰ্বাচনত তেখেতৰ নিজৰ সমষ্টি ঢেকিয়াজুলিৰ সভা এখনত তেখেত উপস্থিত হওঁতে বিখন স্কুলত সভাখন বহিছিল ৰাইজে সেই স্কুলখনৰ মঞ্জুৰী দিয়াৰ কাৰণে টানি অনুৰোধ কৰাত তেখেতে কৈছিল—"মোৰ সমষ্টি হলেও

শিক্ষামন্ত্ৰী হিচাপে এই স্কুলে চৰকাৰৰ নিয়মমতে যেতিয়ালৈকে মজুৰী পোৱাৰ উপযুক্ত নহয়, তেতিয়ালৈকে মই এই স্কুলক মজুৰী দিবলৈ কৰ নোৱাৰো।" এই গৰাকীয়ে আছিল স্পষ্টবাদী ন্যায়নিষ্ঠ শিক্ষামন্ত্ৰী।

তেখেতৰ নিস্বাৰ্থ অৱদান তেজপুৰ, ঢেকিয়াজুলি অঞ্চলৰ বহুতো অনুষ্ঠানৰ লগত জৰিত হৈ আছে। তেখেতে ঢেকিয়াজুলি গাওঁখনক চহৰত পৰিণত কৰিলে। ৰাজনীতিৰ পৰা অৱসৰ লৈ বহুতো এম. এল. এ, মন্ত্ৰী আৰু নেতাই গুৱাহাটী, চিলং আদিৰ দৰে লোভনীয় ঠাইত চৰকাৰৰ অনুগ্ৰহতেই হওঁক বা নিজৰ বলতেই হওঁক মাটি লৈ পকিঘৰ আদি সাজিলে। তেনে ইচ্ছা তেখেতে কোনো দিনে কৰা নাছিল। ঢেকিয়াজুলি সক ঠাইডোখৰতে ৰাইজে সাজি দিয়া ঘৰ এটাত জীৱনৰ শেষ ভোখৰ কটাবলৈ লৈছিল।

১৯৫৫ চনত তেখেতে 'চাহ মজদুৰ ভৱিষ্যনিধি আইন' প্ৰণয়ন কৰিছিল। এই ক্ষেত্ৰত তেখেত ভাৰতৰ ভিতৰতে অগ্ৰণী আছিল। এই আঁচনি তেখেতে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰাত প্ৰথমে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাবলৈ হেহোঁ-নেহোঁ কৰাত মন্ত্ৰীত্বৰ গাদী এৰি দিবলৈ তেখেত দৃঢ়সংকল্প হৈছিল।

অমিয় কুমাৰ দাসে জেলত থাকোঁতে জেল কৰ্তৃপক্ষ্যৰ অনুশাসন মানি চলিছিল যদিও সহবন্দী সকলৰ ওপৰত দুৰ্ব্যৱহাৰ অথবা অত্যাচাৰ কৰাটো কোনোপধ্যে সহ্য কৰিব নোৱাৰিছিল। তেনে কাৰ্যৰ বাবে তেখেতে ঘোৰ প্ৰতিবাদ জনাইছিল। গান্ধীবাদী মিতব্যয়ী, সময়ৰ মূল্য বুজা দাসে জেলতো অকণো সময় নষ্ট কৰিবলৈ ভাল নেপাইছিল। জেলত সূতাকটা, মৌনব্ৰত পালন কৰা, অধ্যয়ন, অনুবাদ অথবা ৰচনা কৰা, সহবন্দী সকলৰ খা-খবৰ ৰখা আৰু তেওঁলোকৰ অভাৱ-অসুবিধা হ'লে তুৰন্তে সহায় কৰা, আন্দোলনৰ আৰু মহাত্মাগান্ধীৰ প্ৰত্যেক দিনৰ খোজ-খবৰ ৰখা আদি কামত ব্যস্ত থাকিছিল। ১৯৪২ চনত জেলত থাকোঁতে শ্ৰীযুতা পুষ্পলতা দাসো একেটা জেলতে দুবছৰৰো অধিক কাল আছিল।

অমিয় কুমাৰ দাসে ৰাজনীতিৰ লগে লগে সাহিত্যচৰ্চা আৰু সংবাদ পত্ৰৰ সেৱাও কৰিছিল। তেখেতৰ ৰচনাৱলী খাইকৈ ছটা ভাগত ভগাব পাৰি—(১) গান্ধী সাহিত্য (২) স্বাধীনতা সংগ্ৰামৰ সাহিত্য (৩) সংবাদ সাহিত্য (৪) অনুবাদ সাহিত্য (৫) জীৱনী সাহিত্য (৬) বিবিধ প্ৰবন্ধ ৰচনা। গান্ধী সাহিত্য—'মোৰ সত্য অন্বেষণৰ কাহিনী' (অনুবাদ), অসমত মহাত্মা, দক্ষিণ আফ্ৰিকাত মহাত্মা, বিলাতত মহাত্মা', 'জেলখানত মহাত্মা', 'অনশনত মহাত্মা', 'মহাত্মা গান্ধী—আমি তেখেতক কিদৰে বুজিলো', 'গান্ধীজীৰ জীৱনী', 'গান্ধী কথামৃত' ইত্যাদি। জীৱনী সাহিত্য—'জীৱন-স্মৃতি' (আত্ম জীৱনী, জীৱনী প্ৰবন্ধ মালা—'কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ', 'দেশভক্ত তৰুণৰাম ফুকন', 'বিষ্ণুৰাম মেধি', 'লক্ষ্মীনাথ শৰ্মা'. 'ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা'। স্বাধীনতা সংগ্ৰামৰ সাহিত্য—'কংগ্ৰেছৰ বুৰঞ্জী', 'ভাৰতৰ ৰাজকীয় ঋণ', 'অসহযোগ আন্দোলনত অসম'। অনুবাদ সাহিত্য—মহাত্মা গান্ধীৰ 'My Experiment with Truth'-ৰ সৰল অনুবাদ—'মোৰ সত্য অন্বেষণৰ কাহিনী', 'চেকভৰ গল্প', 'কুমাৰী মীৰা বেনৰ আত্ম কাহিনীৰ এটা অধ্যায়', 'চি. এফ. এনড্ৰুজ', 'নব্য ৰুচিয়াৰ চিত্ৰ', 'গাজী মুস্তফা কামাল পাছা', 'শ্ৰীহৰ্ষৰ ৰত্নাৱলী', 'শূদ্ৰকৰ মৃচ্ছ-কটিকা' প্ৰভৃতি গ্ৰন্থ আৰু ৰচনা। পণ্ডিত তীৰ্থনাথ শৰ্মা, পণ্ডিত বিশ্বনাৰায়ণ শাস্ত্ৰী, প্ৰমুখ্যে কেবাজনো প্ৰখ্যাত পণ্ডিত, গৱেষক আৰু সাহিত্যিকে অমিয় কুমাৰ দাসৰ সাহিত্য কৃতীৰ ভূয়সী প্ৰশংসা কৰিছে। ১৯৭২ চনত অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনত দাসক সুসাহিত্যিক মৰ্যাদাৰে সম্বৰ্দ্ধনা জনোৱা হৈছিল।

বেজবৰুৱাৰ 'বাঁহী' আলোচনী ১৯০৯ চনত বেজবৰুৱাৰ সম্পাদনাতে জন্মলাভ কৰি লালিত-পালিত হৈ ১৯৩৩ চনত চকুল ডেকাটি হৈ পৰে। কলিকতাত বি. এ. আৰু ল' পঢ়ি থাকোঁতে অমিয় কুমাৰ দাসে 'বাঁহী'ৰ সম্পাদনা আৰু পৰিচালনা কৰা কামত বেজবৰুৱাক সহায় কৰিছিল। বেজবৰুৱাৰ পিছত দাসে ১৯৩৪ চনৰ

পৰা ১৯৩৬ চনলৈকে 'বাঁহীৰ' পূৰ্ণ মৰ্যাদা ৰক্ষা কৰি সম্পাদনা কৰে। তেখেতৰ সম্পাদিত 'বাঁহী'ত যাইকে ৰঘুনাথ চৌধাৰী, প্ৰভীন ফুকন, সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা, তীৰ্থনাথ শৰ্মা, মথুৰানাথ গোস্বামী, হৰেন্দ্ৰনাথ বৰুৱা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, ধৰ্মেশ্বৰী দেৱী বৰুৱানী, উমেশচন্দ্ৰ চৌধাৰী, বিজয়চন্দ্ৰ ভাগৱতী প্ৰমুখ্যে প্ৰখ্যাত কবি, সাহিত্যিক সকলে ৰচনা সম্ভাৰ যোগাইছিল। বাঁহীৰ জৰিয়তে পাঠকসকলক বিশ্ব সাহিত্যৰ সোৱাদ দিবলৈ আৰু দেশ-বিদেশত গঢ়ি উঠা জাতীয় ভাৱধাৰাৰ খা-খবৰ জনাবলৈ চেষ্টা চলাইছিল। তেখেতৰ সম্পাদিত 'বাঁহী'ৰ আন এটা লক্ষ্য আছিল অসমীয়া পঢ়ুৱৈ সকলক সংস্কৃত সাহিত্যৰ অমৃত পান কৰোৱাটো। জীৱনৰ শেষছোৱাত 'বাঁহীৰ প্ৰতিধ্বনি' নামদি তেখেতে তিনিটা খণ্ড উলিয়ায়।

প্ৰথম মহা সমৰৰ পিছত আৰু অসহযোগ আন্দোলনৰ আগে আগে ১৯১৮ চনত প্ৰতিমাৰ ধনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ পৃষ্ঠপোষকতাত ওলোৱা 'সাপ্তাহিক অসমীয়া'ৰ অমিয় কুমাৰ দাস সম্পাদক হয়। সম্পাদনাৰ উপৰিও তেখেত কাকতখনৰ মেনেজিং ডাইৰেক্টৰো আছিল। অমিয় কুমাৰ দাসে 'সাপ্তাহিক অসমীয়া'ৰ আত্মকথাত ঘোষণা কৰিছিল—"সকলো সম্প্ৰদায়কে সামৰি ধৰি সমূহ অসমীয়াৰ সেৱা আৰু মঙ্গল কামনা কৰাই 'অসমীয়াৰ' মূল উদ্দেশ্য। অসমীয়া ৰাইজৰ মাজত স্বৰাজৰ প্ৰবল স্পৃহা আৰু স্বাধীনতাৰ অদম্য আকাঙ্ক্ষা জন্মোৱাই 'অসমীয়া'ৰ মূল মন্ত্ৰ। যুগ-যুগান্তৰৰ দাসত্বভাৱ গুচাই ৰাইজৰ মাজত আত্ম-বিশ্বাস জন্মাই মানৱৰ অধিকাৰ দাবী কৰিবলৈ শিক্ষা দিয়াই 'অসমীয়া'ৰ লক্ষ্য।"

তদুপৰি কলিকতাৰ পৰা ওলোৱা দৈনিক বাতৰি কাকত 'Forward' আৰু 'আমাৰ সেৱক প্ৰেছ'ৰ পৰা ওলোৱা 'আসাম সেৱক' কাকতৰো সম্পাদনা কাৰ্যত অমিয় কুমাৰ দাসে সহায় কৰিছিল।

লোকনায়ক অমিয় কুমাৰ দাসৰ দৰে অসমত গান্ধীপ্ৰাণ দ্বিতীয়

এগৰাকী নেতা আছিল বুলি কোৱাটো টান। মূৰত গান্ধীটুপী, গাত খদ্দৰৰ ধুতি-চোলা গান্ধী মহাত্মাৰ নামত পঞ্চমুখ ব্যক্তিৰ অভাৱ তেত্ৰিশ কোটি (এতিয়া পঁয়সত্তৰ কোটিতো অধিক) ভাৰতীয়ৰ ভিতৰত লক্ষাধিক এতিয়াও আছে। কিন্তু বিনোৱাজী, আচাৰ্য্য কৃপালিনী, জয়প্ৰকাশ নাৰায়ণ, ত্যাগবীৰ হেম বৰুৱা, ৰবদলৈ, অমিয় কুমাৰ দাসৰ দৰে মনেপ্ৰাণে গান্ধীবাদী নেতা কেইজন আছিল আঙুলিয়াই দিবলৈ টান। এইজন মহান নেতাৰ চাৰিকুৰি বছৰ বয়সত ১৯৭৫ চনৰ ৫ মাৰ্চৰ দিনা আবেলি গুৱাহাটীতে পৰলোক-প্ৰাপ্তি ঘটে আৰু ৰাষ্ট্ৰীয় সন্মানেৰে নৱগ্ৰহ শ্মশানত সিদিনা ৰাতিয়েই সংকাৰ কৰা হ'ল। ঢেকিয়াজুলিৰ অগণন ৰাইজে হেনো তেওঁলোকৰ অতি প্ৰিয় নেতা গৰাকীক ঢেকিয়াজুলিত শেষ শ্ৰদ্ধাঞ্জলী জনাবলৈ ওৰে নিশা শোক-বিহ্বল চিত্তে বাট চাই থাকিল। মৃত্যুৰ সময়ত লোকনায়কে পত্নী ভূতপূৰ্ব্ব এম. পি. শ্ৰীযুতা পুষ্পলতা দাস, একমাত্ৰ কন্যা শ্ৰীমতী নন্দিনী দত্ত আৰু নাতিনী মিতাক বংশৰ প্ৰদীপ জ্বলাবলৈ এৰি থৈ গৈছে।

ৰাষ্ট্ৰপতি ফখ্‌ৰুদ্দিন আলি আহমদ

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত মৌলানা আবুল কালাম আজাদ, ডাঃ জাকিৰ হুছেইন, মহম্মদ আলি ভাতৃদ্বয় যি ভূমিকা লৈছিল, অসমৰ কংগ্ৰেছ দলৰ দুজন আগশাৰীৰ নেতা মৌলানা তৈয়বুল্লা আৰু ফখৰুদ্দিন আলি আহমদেও অসমৰ ৰাজনীতিৰ ইতিহাসত একে ভূমিকা গ্ৰহণ কৰিছিল।

ফখ্‌ৰুদ্দিন আলি আহমদৰ উত্তৰ পুৰুষ গোলাঘাটৰ। তেখেতৰ পিতৃ কৰ্ণেল জালনূৰ আলি। পণ্ডিত প্ৰবৰ আনন্দৰাম বৰুৱাৰ লগত একেলগে বিলাতলৈ গৈ আই-এম-এছ পাছ কৰি অসমলৈ আহে। মেডিকেল বিভাগত কিছুদিন চাকৰি কৰাৰ পিছত মিলিটাৰী বিভাগত নিযুক্তি লৈ দেশে-বিদেশে ঘূৰি ফুৰিছিল। এনেতে সম্ভ্ৰান্ত নবাব পৰিয়ালৰ কন্যা ৰুকেয়াক বিয়া কৰায় আৰু সময়ত পাঁচজন পুত্ৰ আৰু পাঁচ গৰাকী কন্যাৰ পিতৃ হয়। ফখ্‌ৰুদ্দিন আলি আহমদ তেখেতৰ জ্যেষ্ঠ পুত্ৰ।

'৯০৫ চনৰ মে মাহৰ ১৩ দিন যোৱাত ফখ্‌ৰুদ্দিন আলি আহমদৰ দিল্লীত জন্ম। তেখেতে উত্তৰ প্ৰদেশৰ গোণ্ডা আৰু দিল্লীৰ চৰকাৰী বিদ্যালয়ত পঢ়াশলীয়া শিক্ষা লাভ কৰাৰ পাছত পঞ্জাব বিশ্ববিদ্যালয়ৰ পৰা ১৯২১ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰে। তাৰ পিছত দিল্লীৰ চেণ্ট্‌ ষ্টিফেনচ্‌ কলেজত নাম ভৰ্ত্তি কৰিছিল যদিও হঠাৎ বিলাতলৈ যোৱাৰ ঠিক হ'ল আৰু কেম্‌ব্ৰিজ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত চেণ্ট কেথাৰিণ কলেজত অধ্যয়ন কৰি ইতিহাসত TRIPOS (অনাৰ্চ) লৈ বি. এ. পাছ কৰে। তাৰ অলপ দিন পাছতে আইন অধ্যয়ন সমাপ্ত কৰি লণ্ডনৰ ইনাৰ টেম্পল'ৰ আমন্ত্ৰণ ক্ৰমে তাত নিযুক্তি লাভ কৰে।

বিলাতৰপৰা উভতি আহি প্ৰথমে পঞ্জাৱ উচ্চ ন্যায়ালয়ত আইন ব্যৱসায় আৰম্ভ কৰি তেখেত ১৯২৮ চনত অসমলৈ আহে। পিতাকে ফখ্‌ৰুদ্দিনক গুৱাহাটীৰ মা-সম্পত্তিবোৰৰ তত্বাৱধান কৰিবলৈ দায়িত্ব দি পুনৰ কৰ্মস্থলীলৈ গুচি যায়। গুৱাহাটীত পিতৃৰ মোমায়েকৰ ল'ৰা লাখ্‌টকীয়াৰ আবকাৰী বিভাগৰ অধীক্ষক ইক্ৰাম বছুলৰ লগত থাকি ভূসম্পত্তিবোৰ উদ্ধাৰ কৰে আৰু লগে লগে অসমৰ ৰাজনীতিৰ ক্ষেত্ৰত নামি পৰে। এই সময়ত মাজে-মাজে কলিকতা হাইকোৰ্টত প্ৰেক্‌টিছ কৰা সময়খিনিৰ বাহিৰে গুৱাহাটীতে থাকি দেশ স্বাধীন কৰাৰ কামত উঠি পৰি লাগে। নিজৰ প্ৰতিভা আৰু কৰ্তব্য নিষ্ঠাৰ গুণত সেই সময়ৰ অসমৰ ৰাজনীতিৰ ওখ মহলত থকা ব্যক্তিসকলৰ বিশেষকৈ ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, ডাঃ হৰিকৃষ্ণ দাস, নবীন চন্দ্ৰ বৰদলৈ আৰু গোপীনাথ বৰদলৈৰ অতি প্ৰিয়ভাজন হৈ উঠে।

মহাত্মা গান্ধীৰ আদৰ্শত অটল বিশ্বাস স্থাপন কৰি ১৯৩১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য হয়। ১৯৩৭ চনত ফখ্‌ৰুদ্দিন আলি আহমদে অসমৰ শীৰ্ষস্থানীয় কংগ্ৰেছৰ নেতাসকলৰ পক্ষত থাকি মুছলিম্ লীগৰ বিৰোধিতা কৰে। সেই কালডোখৰত এক কথাত ক'ব লাগিলে অসম কংগ্ৰেছৰ সৰ্বময় কৰ্তা আছিল ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা। এনেতে পণ্ডিত নেহৰু অসমলৈ অহাত ত্যাগবীৰে আলি আহমদক নেহৰুজীৰ লগত দি দায়িত্ব পালন কৰিবলৈ ক'লে। ত্যাগবীৰৰ মৰম আৰু আস্থাভাজন লৈ সেই কেইদিনৰ ভিতৰতে তেখেত পণ্ডিতজীৰো মনৰ মাজত সোমাল। এই সংযোগে পৰৱৰ্তী কালত আলি আহমদক পণ্ডিত নেহৰু, ইন্দিৰা গান্ধী তথা সৰ্বভাৰতীয় আগশাৰীৰ নেতাসকলৰ আস্থাভাজন কৰি তুলিলে।

১৯৩৭ চনত আলি আহমদ বোৰ প্ৰতিদ্বন্দ্বিতাৰ মাজত অসম বিধান সভালৈ নিৰ্বাচিত হয়। তেখেত প্ৰকৃতপক্ষে ১৯৩৬ চনৰ পৰা নিৰৱচ্ছিন্নভাৱে অসম প্ৰদেশ কংগ্ৰেছ কমিটি আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সক্ৰিয় সদস্য হৈ থাকে। ১৯৩৭-৩৮ চনৰ

নিৰ্বাচনৰ পাছতেই গোপীনাথ বৰদলৈৰ দলপতিত্বত হোৱা প্ৰথম কংগ্ৰেছ মন্ত্ৰীসভাৰ তেখেত কেবিনেট পৰ্যায়ৰ মন্ত্ৰী (১৯৩৮-৩৯) হয়। তেখেত বৰদলৈৰ ইমানেই বিশ্বাসী আৰু আস্থাভাজন আছিল যে অতি গুৰুত্বপূৰ্ণ দপ্তৰ বিত্ত আৰু ৰাজহ দুয়োটা তেখেতক দিছিল আৰু তেখেতেও অতি নিঃস্বাৰ্থভাৱে আৰু সততাৰে তাক পালন কৰিছিল। ৰাজহ মন্ত্ৰীৰ দায়িত্ব পালন কৰি প্ৰয়োজন বোধে বানপানী প্ৰপীড়িত অঞ্চলৰ ৰাইজৰ কেৱল খাজনাই হ্ৰাস কৰি দিয়া নাছিল; দুখীয়া খেতিয়ক ৰাইজৰ সৰ্বতো প্ৰকাৰৰ মঙ্গলৰ কাৰণে নতুন নতুন আঁচনি হাতত লৈ তেওঁলোকৰ অৱস্থাৰ আমূল পৰিবৰ্তন অনাৰ চেষ্টা কৰিছিল। তেখেতে এহাতে খাজনাৰ পঞ্চাশভাগ কেহাই দিছিল আৰু আনহাতে দেশৰ বিত্তীয় অৱস্থা টনকিয়াল কৰাৰ কাৰণে প্ৰজাই দুখ নোপোৱাকৈ কৃষি উৎপাদনৰ ওপৰত কৰ বহুৱাইছিল।

১৯৩৯ চনৰ চেপ্টেম্বৰ মাহত দ্বিতীয়ত বিশ্বযুদ্ধ আৰম্ভ হয়। প্ৰথম মহসমৰৰ সময়ত ভাৰতীয় কোনো প্ৰতিনিধিৰ লগত আলোচনা নকৰাকৈ ইংৰাজে ভাৰতবৰ্ষক জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধত লিপ্ত কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়তো তাকে কৰাত দেশজুৰি প্ৰতিবাদ, সত্যাগ্ৰহ আৰম্ভ হ'ল। ইয়াৰ প্ৰতিবাদত কংগ্ৰেছে মন্ত্ৰীৰ গাদী এৰি দিলে। ৰাজ্য বিশেষে মুছলিম্ লীগে ইংৰাজৰ লগত হাত মিলাই মন্ত্ৰীৰ গাদী দখল কৰিলে। অসমতো তদ্ৰূপ অৱস্থা হ'ল। অসমৰ মুছলিম লীগৰ নেতা চাৰ মহম্মদ ছাদুল্লা প্ৰিমিয়াৰ হৈ সংযুক্ত মন্ত্ৰী সভা গঠন কৰি ১৯৩৯ চনৰ ১৭ নবেম্বৰৰ পৰা ১৯৪১ চনৰ ২৫ ডিচেম্বৰলৈ প্ৰায় দুবছৰ মুখ্যমন্ত্ৰীত্বৰ গাদী ভোগ কৰিলে। ছাদুল্লা মন্ত্ৰীসভাত ৰোহিণী কুমাৰ চৌধুৰী উপ-প্ৰধান মন্ত্ৰী আছিল। ফখ্‌ৰুদ্দিন আলি আহমদে এই সংযুক্ত মন্ত্ৰী সভাৰ বিৰোধিতা কৰিছিল। তেখেত গান্ধীৰ আদৰ্শবাদ মূৰত লৈ সত্যাগ্ৰহত যোগ দিছিল।

১৯৪০ চনৰ শেষৰফালে অসমৰ কংগ্ৰেছী নেতাসকলে সত্যাগ্ৰহ আৰম্ভ কৰি সভা সমিতিৰ অনুষ্ঠান কৰি জনমত গঢ়ি তুলিছিল। ১১।১২।৪০ তাৰিখে গুৱাহাটীৰ কছাৰীৰ সন্মুখত গোপীনাথ বৰদলৈ, ১৩।১২।৪০ তাৰিখে হাজোৰ দেৱালয়ৰ চোতালত বিষ্ণুৰাম মেধি আৰু ঘগ্ৰাপাৰত ফখ্‌ৰুদ্দিন আলি আহমদে ব্যক্তিগত সত্যাগ্ৰহ কৰি মহাত্মা গান্ধীয়ে দেশৰ প্ৰতি দিয়া বাণী প্ৰচাৰ কৰিলে—"ধন আৰু জনেৰে বৃটিছৰ যুদ্ধ প্ৰচেষ্টাত সহায় কৰাটো অন্যায়। সকলো যুদ্ধ অহিংস উপায়েৰে প্ৰতিৰোধ কৰাই একমাত্ৰ কৰ্তব্য।"

ছাদুল্লাই দ্বিতীয়বাৰ লীগ মন্ত্ৰীসভা গঠন কৰি ১৯৪২ চনৰ ২৫ আগষ্টৰ পৰা ১৯৪৫ চনৰ ১৬ মাৰ্চলৈ দলপতি হৈ থাকে। ১৯৪৫ চনৰ ২৩ মাৰ্চত পুনৰ সংযুক্ত মন্ত্ৰী সভা গঠন কৰা হয়। এইবাৰো ছাদুল্লাই নেতৃত্ব লৈ ১৯৪৬ চনৰ ১১ ফেব্ৰুৱাৰী পৰ্যন্ত গাদী ভোগ কৰে।

১৯৪০ চনত দ্বিতীয় মহাযুদ্ধৰ পূৰ্ণ পয়োভৰ চলিছে। ব্ৰহ্ম-দেশৰ ওপৰতো জাপানে আক্ৰমণ চলালে। ব্ৰহ্মদেশত থকা ভাৰতীয়সকলে সৰ্বস্ব এৰি প্ৰাণ লৈ আহি অসমত আশ্ৰয় ল'লে। অসমৰ নেতা সকলে ঠায়ে ঠায়ে শৰণাৰ্থী শিবিৰ খুলি দুৰ্দশাগ্ৰস্ত লোকসকলক পাৰ্যমানে সহায় কৰিলে। এনেতে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ প্ৰতিনিধি স্বৰূপে পণ্ডিত নেহৰু অসমৰ অৱস্থাৰ বুজ ল'বলৈ আহিল। এইবাৰ বৰদলৈয়ে পণ্ডিতজীক ভ্ৰমণ কালত সহায় কৰিবলৈ তেখেতৰ পৰম বিশ্বাসী ফখ্‌ৰুদ্দিন আলি আহমদক পাচিলে।

১৯৪২ চনৰ গণ আন্দোলনৰ সময়ত অসমৰ কংগ্ৰেছ অনুষ্ঠানটো অৰ্থৰ অভাৱত বৰ দুৰ্বল হৈ পৰাত ডাঃ হৰিকৃষ্ণ দাস, গোপীনাথ বৰদলৈ প্ৰমুখ্যে যি কেইগৰাকী নেতাই বৃহৎ পৰিমাণৰ মাহিলি বৰঙণি আগবঢ়াইছিল তাৰে এজন আছিল আলি আহমদো। বিলাতিৰ আন্দোলনত আলি আহমদে বিশিষ্ট ভূমিকা লৈছিল

যাৰ ফলত ৯ আগষ্টৰ পুৱাৰ ভাগত বিষ্ণুৰাম মেধি, ডাঃ হৰিকৃষ্ণ দাস, মহম্মদ তৈয়বুল্লা, লীলাধৰ বৰুৱা আদিৰ লগতে তেখেতকো গ্ৰেপ্তাৰ কৰি যোৰহাট জেললৈ পঠাইছিল। তাত প্ৰায় এবছৰ কাৰাদণ্ড ভোগাৰ পিছত মুক্তি পাই ঘৰলৈ আহে। তাৰ পিছতে তেখেতক পুনৰ জামিনবন্দী হিচাপে চাৰে তিন বছৰ ৰাখি ১৯৪৫ চনৰ এপ্ৰিল মাহত খালাচ্ দিয়ে।

১৯৪৬ চনত কেবিনেট মিশ্যন ভাৰতলৈ আহিল। মুছলিম লীগৰ নেতাসকলে খাদুল্লাক প্ৰিমিয়াৰ পাতি মন্ত্ৰীসভা গঠন কৰাত অসমৰ কংগ্ৰেছ দলে বৰদলৈক সভাপতি হিচাপে লৈ পাৰ্লিয়া-মেণ্টৰী শাখা কমিটি এখন গঠন কৰিলে। এই কমিটিৰ আন কেইজনমান সদস্য আছিল ফখ্ৰুদ্দিন আলি আহমদ, বিষ্ণুৰাম মেধি, ডাঃ ভুৱনেশ্বৰ বৰুৱা, অমিয় কুমাৰ দাস, অক্ষয় কুমাৰ দাস, বিমলা প্ৰসাদ চলিহা, তৈয়বুল্লা আৰু সিদ্ধিনাথ শৰ্মা।

কেবিনেট মিশ্যনে ২৩ মাৰ্চত ভাৰতবৰ্ষত উপস্থিত হৈয়েই পূৰ্ব পৰিকল্পিতভাৱে ভাৰতৰ প্ৰদেশবোৰক তিনিটা গোটত ভাগ কৰাৰ প্ৰস্তাৱ দাঙি ধৰিলে। ভাগবোৰ আছিল এনে ধৰণৰ:
(ক) মাদ্ৰাজ, বোম্বে, যুক্তৰাজ্য, বিহাৰ, মধ্যপ্ৰদেশ আৰু উৰিষ্যা;
(খ) পঞ্জাব, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু সিন্ধু প্ৰদেশ আৰু
(গ) বঙ্গদেশ আৰু অসম।

অসমৰ অস্তিত্ব ৰক্ষাৰ এই চৰম মুহূৰ্ত্তত অসমৰ নেতাসকল নিৰুপায় হৈ পৰিল। তেওঁলোকে সভা-সমিতি পাতি ঘোৰ প্ৰতিবাদৰ দ্বাৰা এক অভূতপূৰ্ব জনমত গঢ়ি তুলিবলৈ সক্ষম হ'ল।

অসমৰ নেতাসকল ভাগ-ভাগ হৈ দিহা-দিহি গৈ সৰ্বভাৰতীয় নেতৃবৰ্গক অসমৰ চৰম দুৰ্ভাগ্যৰ কথা বুজাই সহানুভূতি বিচাৰিলে পাটনালৈ গৈ বাবু ৰাজেন্দ্ৰ প্ৰসাদক, কলিকতালৈ গৈ শ্যামা প্ৰসাদ মুখাৰ্জী আৰু শৰৎচন্দ্ৰ বসুক, নাইনিতাললৈ গৈ গোবিন্দ বল্লভ পন্থ আৰু শ্ৰীমতী বিজয়লক্ষ্মী পণ্ডিতক সাক্ষাৎ কৰিলে।

ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমদৰ সৈতে লেখক : ৰাষ্ট্ৰপতি ভৱন, ১ জুলাই ১৯৭৫

কনকচন্দ্ৰ ডেকা (লেখক)

দ্বিতীয় দলটোত আছিল ফখৰুদ্দিন আলি আহমদ, মৌলানা তৈয়বুল্লা, অমিয় কুমাৰ দাস, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, নীলমণি ফুকন আৰু অম্বিকাগিৰি ৰায়চৌধুৰী। তেখেতসকলে ৮ জুনত নেহৰুক সাক্ষাৎ কৰি প্ৰায় ৪০ মিনিট আলোচনা হৈ বিশেষ ফল নধৰাত ৯ জুনৰ দিনা বিৰলা হাউচত চৰ্দাৰ বল্লভভাই পেটেলক সাক্ষাৎ কৰিলে। পেটেলেও নেহৰুৰ লগতে সুৰ মিলাই ক'লে—"অসম কংগ্ৰেছে যদি গ্ৰুপিং অস্বীকাৰ কৰিছে তেন্তে তেনে প্ৰস্তাৱ লৈ আহক।"

এইটো স্বীকাৰ্য্য যে অসমৰ নেতৃবৰ্গৰ যুক্তি মানি জয়প্ৰকাশ নাৰায়ণ, শ্যামাপ্ৰসাদ মুখাৰ্জী আৰু শৰৎচন্দ্ৰ বসুৱে অসম গোটৰ ভিতৰত নথকাটো উচিত হ'ব বুলি পৰামৰ্শ দিছিল। কিন্তু উপায় হলে কোনেও একো দিব নোৱাৰিলে। তেতিয়া বৰদলৈৰ চিঠি লৈ মহেন্দ্ৰমোহন চৌধুৰী আৰু শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী শ্ৰীৰামপুৰত মহাত্মা গান্ধীক সাক্ষাৎ কৰিলে। মহাত্মাই আশীৰ্বাদ, সাহস আৰু নিৰ্ভয় দিলে। গোটকৰণ বন্ধ হ'ল। বৰদলৈৰ অবিসম্বাদী নেতৃত্ব আৰু বিশাল ব্যক্তিত্ব আৰু মহাত্মা গান্ধীৰ আশীৰ্বাদত অসম এইবাৰলৈ ৰক্ষা পৰিল।

১৯৪৬ চনৰ ১১ ফেব্ৰুৱাৰীৰ দিনা গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ দলে মন্ত্ৰীত্বৰ গাদী দখল কৰি দেশ স্বাধীন হোৱাৰ আগমুহূৰ্ত্তলৈকে ৰাজ্য চলাই থাকিল। ১৫ আগষ্টৰ দিনা পৰাধীনতাৰ দুশবছৰীয়া শৃঙ্খল ছিঙি ভাৰতবৰ্ষ স্বাধীন হ'ল। স্বাধীন ভাৰতৰ প্ৰথম আৰু সুযোগ্য প্ৰধানমন্ত্ৰী হ'ল পণ্ডিত জৱাহৰলাল নেহৰু আৰু স্বাধীন অসমৰ মুখ্যমন্ত্ৰী হ'ল আধুনিক অসম নিৰ্মাতা গোপীনাথ বৰদলৈ।

১৯৪৬ চনত অলপ দিনৰ কাৰণে ফখৰুদ্দিন আলি আহমদ অসম হাইকোৰ্টৰ এডভোকেট জেনেৰেল হৈছিল। তাৰ পিছতে আকৌ জাতীয়তাবাদী আন্দোলনত জঁপিয়াই পৰে আৰু কংগ্ৰেছ

ওৱাৰ্কিং কমিটিৰ সদস্য হয়। ১৯৫২-৫৩ চনত তেখেত ৰাজ্য সভালৈ নিৰ্বাচিত হয়।

১৯৫৭ চনৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈ মেধিৰ মন্ত্ৰীসভাত কেবিনেট মন্ত্ৰী হিচাপে যোগ দি বিত্ত আৰু ৰাজহ এই দুটা গুৰুত্বপূৰ্ণ বিভাগৰ উপৰিও সমাজকল্যাণ, পঞ্চায়ত আৰু স্থানীয় স্বায়ত্ত শাসন বিভাগকেইটা অতি দক্ষতাৰে পৰিচালনা কৰে। ১৯৬২ চনৰ নিৰ্বাচনতো তেখেত জয়ী হৈ আগৰ দপ্তৰকেইটাৰ দায়িত্বতে থাকে।

১৯৬৪ চনত আলি আহমদ কংগ্ৰেছ পাৰ্লিয়ামেণ্টাৰী বোৰ্ডৰ সদস্য নিৰ্বাচিত হয়। ১৯৬৬ চনত ৰাজ্য সভালৈ নিৰ্বাচিত হয়। সেই চনৰে ২৯ জানুৱাৰীৰ দিনা কেন্দ্ৰীয় মন্ত্ৰী সভাত কেবিনেট মন্ত্ৰী হিচাপে যোগ দি জলসিঞ্চন, শক্তি আৰু পিছত শিক্ষামন্ত্ৰীৰ দপ্তৰ লৈ নিষ্ঠা আৰু সততাৰে দায়িত্ব পালন কৰে।

১৯৬৭ চনত লোকসভা আসনৰ বাবে নিৰ্বাচনত থিয় হৈ বৰপেটা সমষ্টিৰ পৰা জয়লাভ কৰে। সেই বছৰৰে ১৩ মাৰ্চ তাৰিখে কেবিনেট মন্ত্ৰী হিচাপে যোগদি শিল্প উদ্যোগ আৰু কোম্পানী বিষয়ৰ দপ্তৰ গ্ৰহণ কৰে। ১৯৭০ চনৰ ২৭ জুন তাৰিখে তেখেত ভাৰতৰ খাদ্য আৰু কৃষি দপ্তৰৰ কেবিনেট মন্ত্ৰী হয়। ১৯৭১ চনৰ নিৰ্বাচনৰ পাছতো তেখেতক আগৰ দপ্তৰ কেইটাকে দিয়া হৈছিল।

ফখৰুদ্দিন আলি আহমদে বহু দেশ ভ্ৰমণ কৰিছিল। ১৯৫৫ চনত ভাৰতীয় আইন ব্যৱসায়ীৰ প্ৰতিনিধিৰ দলটোৰ নেতৃত্ব বহন কৰি কটোৱালৈ যায়। ১৯৫৭ চনত সংযুক্ত ৰাষ্ট্ৰসংঘত ভাৰতবৰ্ষৰ হৈ প্ৰতিনিধিত্ব কৰি আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যায়। ১৯৬৪ চনত পাঁচ সপ্তাহৰ বাবে পুনৰ আমেৰিকালৈ যায়। ভাৰত চৰকাৰৰ প্ৰতিনিধি হিচাপে ১৯৬৫ চনত মালয়চিয়াৰ স্বাধীনতা উৎসৱত যোগদান কৰে। ১৯৭৩ চনত তেখেত অষ্ট্ৰেলিয়ালৈ যায়

আৰু তাত বহা বিশ্বৰ খাদ্য আৰু কৃষি সন্মিলনত যোগদান কৰে। ১৯৭১ আৰু ১৯৭৩ চনত ৰোমত বহা খাদ্য আৰু কৃষি সন্মিলনলৈ ভাৰতৰ প্ৰতিনিধি দল লৈ যায়।

বাংলাদেশ স্বাধীন হোৱাৰ সময়ত বহুলক্ষ বাংলাদেশী লোক আহি ভাৰতবৰ্ষত অনুপ্ৰৱেশ কৰাত সেই সমস্যা আলোচনা কৰা আৰু সমিধানৰ সূত্ৰ বিচাৰি লেবানন, ইৰাক, ইজিপ্ত আদি দেশলৈ যায়।

আইন আৰু ৰাজনীতিৰ শিৰফুটা আলি আহমদ এজন নিপুণ খেলুৱৈও আছিল। তেখেত অসম ফুটবল এছোচিয়েচন আৰু অসম ক্ৰিকেট এছোচিয়েচনৰ বহুবছৰ ধৰি সভাপতি, অসম স্পৰ্টচ কাউন্সিলৰ কেবা বছৰো উপ-সভাপতি, ভাৰতৰ ল'নটেনিচ এছোচিয়েচনৰো সভাপতিৰ দায়িত্বত থাকি অসম তথা ভাৰতৰ খেল জগতত বিশেষ অৰিহণা যোগাইছিল।

১৯৭৪ চনৰ আগষ্ট মাহত ফখৰুদ্দিন ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। আঢ়ৈ বছৰ কাল ভাৰতবৰ্ষৰ এজন অতি যোগ্য ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব বহন কৰি ভাৰতৰ তৃষীয়া দৰিদ্ৰ জনতাৰ দুখ বিমোচন কৰাৰ কৰে বহুতো নতুন নতুন আঁচনি হাতত লৈ সেইবোৰক ৰূপ দিয়াত ব্যস্ত আছিল। ৰাষ্ট্ৰপতিৰ আসনত থাকি তেখেতে বিশ্বশান্তি আৰু বিশ্বৰ জনগণৰ উন্নতিৰ কাৰণে বিশেষ মনোযোগ দিছিল। বিশ্বশান্তিৰ এই মহান উদ্দেশ্য পূৰণ কৰাৰ পথত তেখেতে মৈত্ৰী সম্প্ৰীতি আৰু সংহতি স্থাপন কৰাৰ উদ্দেশ্যে বহুতো ৰাষ্ট্ৰ ভ্ৰমণ কৰে। সেই ৰাষ্ট্ৰবোৰৰ ভিতৰত ইণ্ডোনেচিয়া, হাঙ্গেৰী, যুগোশ্লোভিয়া, ইজিপ্ত আৰু চুইডেন। তাৰ পিছত চৌডিআৰবীয়া, মালয়চিয়া, ফিলিপাইন, ব্ৰহ্মদেশ, কুৱালালামপুৰ, ভ্ৰমণ কৰে। কুৱালালামপুৰ ভ্ৰমণ কৰাৰ সময়ত হঠাৎ তেখেত অসুস্থ হৈ পৰাত সিমানতে ভ্ৰমণ বাতিল কৰি দিল্লীলৈ উভতি আহিবলগীয়া হয়।

বিশেষ উল্লেখযোগ্য যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰিত বৈষ্ণৱ

ধৰ্ম আৰু সংস্কৃতিৰ প্ৰতি তেওঁৰ বিশেষ শ্ৰদ্ধাভাজন আছিল। সৰ্কীৰ্ণ মহেন্দ্ৰ মোহন চৌধুৰীৰ লগত সহযাত্ৰী হৈ অসম তথা অসমৰ বাহিৰত থকা পুৰী, জগন্নাথ, মধুপুৰ সত্ৰক পুনৰ জীৱন দান কৰাত আগভাগ লৈছিল। ১৯৭৫ চনৰ জুলাই মাহত প্ৰবন্ধ লেখকে ৰাষ্ট্ৰপতি ভৱনত তেওঁক সাক্ষাৎ কৰাত দিল্লীত শ্ৰীমন্ত শঙ্কৰ সমাজৰ নামত এডোখৰ ভূমি পট্টন দিয়াৰ প্ৰতিশ্ৰুতি দি সময়ত তাক কাৰ্যকৰী কৰিছিল। ইন্দোনেচিয়ালৈ যাওঁতে লগত কমলাবাৰী সত্ৰৰ সাংস্কৃতিক দল এটা নি অসমৰ বৈষ্ণৱ সংস্কৃতিক বিশ্বৰ দৰবাৰত ঠাই দিছিল।

১৯৭৭ চনৰ ১১ ফেব্ৰুৱাৰীৰ পুৱা হঠাৎ হৃদৰোগৰ দ্বাৰা আক্ৰান্ত হৈ ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমদৰ ৰাষ্ট্ৰপতি ভৱনত পৰলোক প্ৰাপ্তি ঘটে। তেওঁৰ মৃত্যুত ভাৰতে এজন আগশাৰীৰ জাতীয়তাবাদী নেতা, এজন অতি যোগ্যবান ৰাষ্ট্ৰপতি, শান্তি, সংহতি, সম্প্ৰীতিৰ বাৰ্তাবাহক এজন মহান পুৰুষক আৰু অসম মাতৃয়ে এই যুগৰ অতি মৰমৰ যোগ্যতম পুত্ৰ এজনক হেৰুৱালে। মৃত্যুৰ সময়ত তেওঁৰ পত্নী এম. পি. শ্ৰীমতী আবেদা বেগম, দুটি যোগ্যবান পুত্ৰ আৰু এগৰাকী কন্যা এৰি থৈ যায়।

লোকসেৱক হলধৰ ভূঞা

"১৯২১ চনৰ পৰা ১৯৪৭ চনলৈকে নগাঁও জিলা কংগ্ৰেছক ভূঞাঁদেৱৰ ব্যক্তিত্বই এনেদৰে ঢাকি ৰাখিছিল যে তেখেতক বাদ দি কোনেও নগাঁও কংগ্ৰেছৰ বিষয়ে ভাবিব পৰা নাছিল। গতিকে সেই সময়ত মানুহে নগাঁও কংগ্ৰেছক "ভূঞাঁ কংগ্ৰেছ" বুলিছিল।"

অসহযোগ আন্দোলনৰ পৰা দেশ স্বাধীন হোৱালৈকে প্ৰায় ডেৰকুৰি বছৰ এখন জিলাৰ অবিসম্বাদী ৰাজনৈতিক নেতা হিচাপে সকলোৰে পৰা সমানে শ্ৰদ্ধা আৰু বিশ্বাস লাভ কৰিব পৰাটো কম ডাঙৰ কথা নহয়। মহান ত্যাগ, দুৰ্লভ ব্যক্তি-মহিমা, এক শৰণীয়া ভক্তি আৰু পৰম বৈষ্ণৱৰ সেৱাৰ পৰাকাষ্ঠা নেথাকিলে তেনে শক্তিৰ অধিকাৰী হোৱাটো সম্ভৱ নহয়।

ভূঞাঁৰ আদৰ্শৰ অনুগামী, মুক্তিযুঁজাৰু, বিয়াল্লিছৰ গণবিপ্লৱত গ্ৰেপ্তাৰ বৰণ কৰি কাৰাদণ্ড ভোগা (১৯৪৩—৪৪) লব্ধপ্ৰতিষ্ঠ সমাজ-কৰ্মী শ্ৰীলক্ষেশ্বৰ হাজৰীকাই ভূঞাঁৰ ব্যক্তিত্বৰ সম্পৰ্কত লিখিছে—"এজন লোক, এটি অনুষ্ঠান হ'বলৈ লাগেইবা কি? স্বৰ্গীয় ভূঞাঁ-দেৱে অসংখ্য অনুষ্ঠানৰ গুৰি ধৰিছিল, অনেক প্ৰতিষ্ঠা কৰিছিল, সেইবোৰৰ বাবে কষ্ট স্বীকাৰ কৰিছিল আৰু নিজৰ নিজৰক অনুষ্ঠানৰ স্বাৰ্থত বিলীন কৰি দিছিল। গোটেই জীৱন তেখেতে সেৱাত উছৰ্গা কৰিছিল। তেখেতৰ গাত এজন নেতাৰ, এজন সংগঠকৰ, এজন সেৱকৰ সকলো গুণেই আছিল। তেখেতৰ ঘৰখনো, অকল স্বাধীনতা সংগ্ৰামৰ দিনবিলাকতে নহয় আনকি তেখেতৰ ক্ষমতাৰ সোণালী আৰু শান্তিৰ দিনবিলাকতো আছিল সকলোৰে বাবে এখন আলহীঘৰ। বোধহয় অসমৰ অলেখ আৰু অসমৰ বাহিৰবো

অনেকে ৰাতি দুপৰতো তেখেতৰ ঘৰৰ আগেদি দুৱাৰত টুকুৰীয়াই পেট ভৰাই নোখোৱাকৈ যাব নোৱাৰিছিল। আচল সংগ্ৰামৰ বেলিকা ঘৰত খুদকণ এটা আছেনে নাই তাৰ খবৰ নকৰাকৈ ভলন্টিয়াৰৰ দলক ভাত দিয়ৰ্বৈ কৈ নিৰ্বিকাৰ হৈ থাকে, সিফালে ঘৰত থকা মথাৰ যি হয় হ'ক। কোনো সময়তে তেখেতৰ খোৱা মেজ, মজিয়া খালী নাছিল। তেখেতে নিজৰ ভোক-পিয়াহলৈ তিমান মন নকৰে, কিন্তু আনৰ কাৰণে সকলো উবুৰিয়াই দিব খোজে। অকল মানুহেইনে? তেখেতৰ খোৱা মেজৰ কাষত ৫।৬টা মেকুৰী, চোতালত ৪।৫জনী কাউৰী আৰু ২।৩টা কুকুৰ সদা-সৰ্বদা বিদ্যমান। মেকুৰীয়ে 'ওভালটিন' খাই নিগনি নেমাৰে বুলি তেখেতে নিজে আক্ষেপ কৰিছিল।"

দেশ স্বাধীন কৰাৰ কামত ইংৰাজৰ লগত যুঁজ দিও নিজৰ সততা, সত্যবাদিতা আৰু উদাৰতাৰ কাৰণে ইংৰাজ কৰ্মচাৰীৰ অকৃত্রিম প্ৰশংসা লাভ কৰিছিল—"নগাঁও জিলাত কাৰোবাক যদি ভৰষা কৰিব লাগে বা বিশ্বাস কৰিব লাগে সেইজন হলধৰ ভূঞা।" সাধাৰণতে শত্ৰুৱে শত্ৰুৰ প্ৰশংসা তেনেদৰে কৰা শুনা নেযায়; কিন্তু মহৎ শত্ৰুক প্ৰশংসা আৰু শ্ৰদ্ধা নকৰি থাকিব নোৱাৰে।

১৯২১ চনৰ পৰা ১৯৪৩-৪৪ চনলৈকে বহুবাৰ গ্ৰেপ্তাৰ বৰণ কৰি কমেও পাঁচ বছৰ কাৰাদণ্ড ভূগা হলধৰ ভূঞা নামে-কামে 'হলধৰ' আছিল। সত্যৰ সন্ধানী হলধৰৰ বুকুত অসীম সাহস, বাহুত ভীমৰ বল, মনত দৃঢ় প্ৰতিজ্ঞা, চকুত প্ৰশান্ত দৃষ্টি, কপালত আয়ত ৰেখা, কণ্ঠত ইন্দ্ৰৰ বজ্ৰ, বেশত কেশৰী, খোজত গজেন্দ্ৰ আৰু ব্যক্তিত্বক 'ৰজাক ককাই নোবোলা' লোক আছিল।

দেশ স্বাধীন হোৱাৰ পিছত ভূঞা কংগ্ৰেছ দলৰ বিধায়িনী দলৰ সম্পাদক আৰু অবিসম্বাদী নেতা গোপীনাথ বৰদলৈ মুখ্যমন্ত্ৰী। কিবা কথাত মতান্তৰ হৈ এদিন বৰদলৈক সিংহনাদ কৰি ক'লে—"আপুনি এতিয়াই পদত্যাগ কৰক। আপোনাতকৈ বেছি ভালকৈ চৰকাৰ

চলাৰ পৰা মানুহ আছে।" ভূঞাঁৰ খং চানখেৰৰ জুইৰ দৰে। অলেখ পিছতে একেখন মেজত বহি বৰদলৈৰ লগত চাহ-জলপান খালে। সম্বন্ধ পূৰ্বৰ দৰে মধুৰ হৈ থাকিল। এই আপোচ বিহীন উগ্ৰগান্ধীবাদী নেতাজনে পণ্ডিত জৱাহৰলাল নেহৰুৰ দৰে খণ্ডালপ্ৰোক-জনকো বাক্যবাণেৰে প্ৰহাৰ নকৰাকৈ এৰা নাছিল।

ভূঞাঁই তেতিয়াৰ অসমৰ ৰাজনীতিৰ মুখচত থকা দেশভক্ত, কৰ্মবীৰ, ত্যাগবীৰ, লোকবন্ধু, লোকপ্ৰিয়, লোকনায়ক আদিৰ শাৰী পূৰাই লোকসেৱক হৈ বহিছিল। ভূঞাঁৰ বিচক্ষণ বুদ্ধিৰ পৰিচয় পাই ৰাজ্যখনত বিশেষ কোনো সমস্যা উপস্থিত হ'লে তেখেতৰ দিহা-পৰামৰ্শ বিচাৰিছিল। বিশেষকৈ ভূমিকম্প, বানপানীৰ, অগ্নি-উৎপাত, দুৰ্ভীক্ষ, মহামাৰী আদি হ'লে লোকসেৱক, আয়ুৰ্বেদ বিজ্ঞানৰ ধনন্তৰী হলধৰ ভূঞাঁৰ সহায় অপৰিহাৰ্য আছিল।

অসমৰ 'গোকুল-ব্ৰজধাম' স্বৰূপ ব্ৰতভ্ৰন্না ধামে ধন্য কৰি থকা নগাঁও জিলাৰ কামপুৰ তেতেলিসৰা গাৱঁত ১৮৯১ চনৰ ২৮ চেপ্টেম্বৰৰ দিনা এইজন ক্ষণজন্মা বীৰ-বিপ্লবীৰ জন্ম হয়। তেতেলিসৰাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি আই. এ. শ্ৰেণীলৈ পঢ়ি সিমানতে আনুষ্ঠানিক শিক্ষাক বিসৰ্জন দি খেতি, ব্যৱসায় আৰু সমাজ সেৱাৰ কামত নিমগ্ন হয়। ভূঞাঁৰ সৰ্বশ্ৰেষ্ঠ বন্ধু শেৱালি-কবি, অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি ৰঘুকান্ত বৰকাকতীৰ ভাষাত—"খানদানী খেতিয়ক আমাৰ হেল্ল', নাঙলৰ মুঠি সকলোৱে এৰিলেও হেল্লয়ে নেৰে ; নামটোও হলধৰ।" শেৱালি কবিয়ে ঋষি টলষ্টয়ৰ খেতিয়কজনক তেখেতৰ 'হেল্ল'ৰ মাজত বিচাৰি পাইছিল।

সংসাৰধৰ্মী ভূঞাঁই সংসাৰ বোকাত মজি নেথাকি বৈষ্ণৱাদৰ্শত সম্পূৰ্ণ বিশ্বাস স্থাপন কৰি পদুমৰ পাতৰ দৰে সংসাৰ কৰ্দমৰ পৰা নিৰ্লিপ্ত হৈ থাকি সমাজৰ অৱহেলিত, নিষ্পেষিত, পদ-দলিত, সহায় সম্বলহীন লোকসকলৰ সেৱাত নিজক বিলাই দিছিল। বিকলাঙ্গ, অন্ধ, কুষ্ঠৰোগী এনেধৰণৰ হতভগীয়া লোকসকলৰ কাৰণে তেখেতৰ

অন্তৰে কামিছিল আৰু ওৰে জীৱন বাতিক দিয়ে কবি খাটিছিল, বহু পৰিমাণে সফলকাম হৈছিল। 'কপিলীৰ চকুলো'ত উটি-ভাহি যোৱা শত শত দৰিদ্ৰ জনতাৰ, অনাথ শিশুৰ 'মাত্ৰ' আছিল বলৰাম সদৃশ হলধৰ ভূঞা'। জীৱনৰ শেষদশাত নিস্বাৰ্থ সেৱাৰ দুৰ্লভ স্বীকৃতি "লোকসেৱক" ৰাজমুকুটে তেখেতৰ শিৰত শোভা কৰিছিল।

জীৱিকাৰ পথ হিচাপে কেৰাণী চাকৰি এটা পাইছিল। কিছুদিন কামো কৰিছিল। কিন্তু সমাজ আৰু দেশক সেৱা কৰিবলৈ লগুৱাজনৰ কাৰণে সিবোৰ জঞ্জাল অথবা বিড়ম্বনাহে; কাজেই চাকৰি এৰি ৰাজনীতিত লাগিল। পত্নী অকণা, তিনিজন পুত্ৰ, চাৰিজনী ছোৱালী, লানি নিছিগা আলহী-অতিথিৰ সোঁত আৰু কুকুৰ-মেকুৰীৰে এটা বিৰাট পৰিয়াল। সময়ে সময়ে পৰিয়ালটোৰ ভৰণ-পোষণ দিয়াও টান যে নহৈছিল এনে নহয়।

"এইবোৰ ১৯২২ কি ২৩ চনৰ কথা; অসহযোগ আন্দোলন জয়ে জয়ে অসমত প্ৰৱেশ কৰিছে। পুৱা, গধূলি, ৰাতি, দিন, শীত, বসন্ত, মাহ, বছৰ, যুগ কত আহিল গ'ল, কিন্তু বিষয়াৰ ঘৰৰ ল'ৰা - হলধৰ ভূঞাঁৰ নাঙলৰ প্ৰদীপটি মুমুমাল। কেতিয়াবা টিমিক্‌টামাক্, কেতিয়াবা তৰ্‌তৰাই জ্বলি থাকিল। তেখেতৰ পথাৰ সমস্ত শুকান; খৰখৰীয়া হৈ চিন্দাল ফটাদি ফাটা; কেতিয়াবা বানপানীয়ে অথাই সাগৰ, তথাপি নেৰে হাতৰ নাঙল।"

ৰাজনীতি আৰু পেট প্ৰবৰ্তনৰ যুদ্ধ কেনে 'অহি-নকুল' সম্পৰ্ক! আজি কি ঘৰত, কালি কি জেলত, পৰহি কি কাপোৰৰ দোকানত, আৰু এদিন চাহৰ হোটেলত। কেইদিনমানৰ কাৰণে মটৰ এখনো হেনো লৈছিল। অভাৱত পৰি তাকো বিক্ৰী কৰিলে। এদিন মাকে—"মটৰ কি কৰিলা বাচা" বুলি সোধাত ক'লে—"পইচা নাই, বেচি পেলালো আই"।

কিছুদিনৰ পিছত তিনি চাৰিজনমান ল'ৰা ৰাখি ছবি বন্ধা দোকান এখন খুলিলে। 'আচোক লাভ জুৰুতি মূলবো হেৰাহতি'

হ'ল। তাৰ পিছত গোলামালৰ আৰু চাহ-মিঠাইৰ দোকান একেলগে খুলিলে। "চাহৰ দোকান বুলি নোখোৱাইও বাকী খায়।" এদিন আকে সুধিলে—"দোকানত কিমান লাভ হৈছে বোপা?" উত্তৰত ক'লে, "আই আই! লোকচান, চিলাই কলটো বেচিছে চলিছো।" বৌয়েকে দুখ কৰি বচন মাতিলে—

"সদাশিৱ তোমাৰ শিৰে জটা
জগতক বৰদি আপুনি নেঠা।"

"তোমাকে বোলে! এনে মহাদেউ গোঁসাই দেখা নাই; আৰু মানুহবোৰো কম নহয়, বাকী খাই পইচা নিদিয়ে ল'ৰাটোক।"

চৰকাৰৰ কৰ-খাজনা দিব নোৱাৰাত ঘৰৰ সোপাকে পিয়াদাই ক্ৰোকত লৈ গ'লেও তালৈ ভ্ৰূক্ষেপ নকৰি একালে নাঙলৰ মুঠি আনফালে শহৰ সভাৰ কাম চলাই থাকে। বানপানীৰ গ্ৰাসৰ পৰা ৰাইজক উদ্ধাৰ কৰিবলৈ সাহায্য ভিক্ষা কৰে। শুধাংশু বাবুয়ে গান লগাই দিয়ে ভূঞাঁই ধৰে—

"দাও ভিক্ষা দাও
জীৱন বাচাও
ভেসে যায় দেশ কপিলীৰ স্ৰোতে।"

অসমীয়া, বঙালী, হিন্দুস্তানী, পঞ্জাৱী, নেপালী, লালুং-কছাৰী সকলোৱে ভূঞাঁক শ্ৰদ্ধা কৰিছিল। ভূঞাঁই এক বুলিলে এক, দহ বুলিলে দহ। ভূঞাঁ প্ৰতিটো পৰিয়ালৰে সুখৰ-দুখৰ বন্ধু আছিল। অসমীয়া 'বনৌষধি বিজ্ঞান'ত তেখেতে সিদ্ধহস্ত আছিল। লোকৰ বিশ্বাস ভূঞাঁই বেমাৰীক স্পৰ্শ কৰিলে, ভূঞাঁৰ দৰৱ বেমাৰীয়ে খালে দুৰাৰোগ্য ৰোগো নিৰাময় হয়, বন্ধ্যাও পুত্ৰৱতী হয়, অন্ধলায়ো বাট দেখে।

দেশ স্বাধীন হ'ল। নগাঁও জিলাত হলধৰ ভূঞাঁৰ অখণ্ড প্ৰতাপ। সকলোকে ভূঞাঁকহে লাগে। লাহৰিঘাট সমষ্টিৰ পৰা বিনা প্ৰতিদ্বন্দ্বিতাই বিধান সভাৰ সদস্য নিৰ্বাচিত হ'ল। এবাৰ

মতিৰাম বৰাই প্ৰতিদ্বন্দ্বিতা কৰি ভূঞাঁৰ হাতত পৰাজয় বৰণ কৰিবলগীয়াত পৰে।

ভূঞাঁ আছিল নিৰাশ্ৰয়ৰ আশ্ৰয়, ভোকাতুৰৰ ভাত, তৃষ্ণাতুৰৰ পানী, দুৰ্বলীৰ বল আৰু ভয়াতুৰ জনৰ অভয় মুদ্ৰা। নিজৰ ভালকৈ দুসাজ খাবলৈ নাই, থাকিবলৈ ভাল ঘৰ এডোখৰ নাই, অথচ তেখেতৰ হৃদয় আনৰ দুখত অনুৰণিত।

থকা ঘৰটিৰ অৱস্থা তেনেই শোচনীয়, আজি পৰো কালি পৰো হৈ আছে। মাকে ক'লে—"ঘৰটো কেতিয়াবা ভাগি পৰিব বোপা, খুটা কাতল কিয় দুখুওৱা?" ভূঞাঁই শলাগি ক'লে—"এবা আই, মই পাহৰিয়েই থাকোঁ, মনত পৰিছে, আপুনি কোৱাতহে বান্ধি থৈছো তাঁৰ এডালেৰে, হাততো পইচা নাই। মাকে পুনৰ ক'লে—"সংসাৰৰ আলহী পুহিবা, কালি মই তোমাৰ তালৈ যাওঁতে মতাই তিৰোতাই দহোটামান আলহী দেখি আহিছো। দহদিনমান বোলে আছে। সেইবোৰ পঠিয়াই নিদিয়া কিয় বোপা।" ভূঞাঁই সমিধান দিলে—"কেনেকৈনো কওঁ আই। সিহঁতে জানো মোৰ অৱস্থা দেখা নাই, আকৌ যে ক'ব লাগে?"

বঙালী ডাক্তৰ জিতেন বানাৰ্জী ভূঞাঁৰ বিপদ-আপদৰ পৰম বন্ধু আছিল। যেতিয়াই ভূঞাঁৰ টকাৰ প্ৰয়োজন হয় তেখেতে দহ-পচিশ টকা দি সহায় কৰিছিল। কেতিয়াবা ডাক্তৰৰ পইচা নেথাকিলে কয়—"পাঠিয়ে দেব একটু পৰে, আপনি এখন যান ভূঞা।" যেনে কথা তেনে কাম।

ভূঞাঁৰ প্ৰতি লোকৰ ভালপোৱা অসীম আছিল। তেখেতৰ প্ৰতি বাইজৰ শ্ৰদ্ধাজড়িত সম্বোধনটো আছিল "চাৰ"। ডেকাৰ পৰা বুঢ়ালৈকে সকলোৱে তেখেতক "চাৰ" বুলি মাতিছিল আৰু তেখেতেও প্ৰিয় সখি অৰ্জুনক শ্ৰীকৃষ্ণই জ্ঞান দিয়াৰ দৰে সকলোকে জ্ঞান দিছিল।

ভূঞাঁ অজাত শত্ৰু আছিল। তেখেতক বেয়া পাওঁতা নাছিল।

কাবোবাৰ কিবা অসুখ-বিসুখ হোৱা শুনিলেই উপস্থিত হৈ বিহিত ব্যৱস্থা লোৱাত ভূঞা অগ্ৰণী আছিল।

দেশ স্বাধীন কৰাৰ সংগ্ৰামত তেখেতে প্ৰাণটাকি যুঁজিছিল। দেশ স্বাধীন হোৱাৰ পিছত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদৰ্শত কেবাটাও জনকল্যানমূলক অনুষ্ঠানে তেওঁৰ শ্ৰীহস্তৰ পৰশত জন্মলাভ কৰি দেশৰ পৰম কল্যাণ সাধে। সেইবোৰৰ ভিতৰত শ্ৰীমন্ত শঙ্কৰ মিশ্যন (১৯৫০), শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘ (১৯২৫) প্ৰধান। তেখেতৰ অহোপুৰুষাৰ্থৰ ফলত চকু চিকিৎসালয়, অন্ধৰ বাবে অনাথ আশ্ৰম, কুষ্ঠৰোগীৰ কাৰণে কুষ্ঠৰোগৰ চিকিৎসালয় গঢ়ি উঠে। কুষ্ঠৰোগ অধ্যুষিত অঞ্চল মিকিৰ পাহাৰত তেখেতে বহুতো কুষ্ঠৰোগৰ স্বাস্থ্যকেন্দ্ৰ আৰু ল'ৰা-ছোৱালীৰ বাবে স্কুল পাতি দিছিল। কমলা নেহৰু টি. বি. হস্পিতাল আৰু বিকলাঙ্গসকলৰ বাবে পতা চিকিৎসালয়বোৰৰো তেখেতেই গুৰি ধৰিছিল। শ্ৰীশ্ৰীশঙ্কৰ সঙ্ঘ আৰু শ্ৰীমন্ত শঙ্কৰ মিশ্যন এই অনুষ্ঠান দুটাই আজি অসমৰ সীমা চেৰাই সৰ্বভাৰতীয় খ্যাতি লাভ কৰিবলৈ সক্ষম হোৱাৰ গুৰিতে ভূঞাৰ ত্যাগ, ব্যক্তিত্ব আৰু আদৰ্শ লুকাই আছে।

ৰাজনীতিত কেবাবছৰো ধৰি অবিসম্বাদী নেতা হিচাপে সেৱা আগবঢ়োৱাৰ দৰে মহাপুৰুষীয়া ধৰ্মৰ পথাৰতো তেখেতে আবিহণা যোগাই আহিছিল। বৈষ্ণৱ ধৰ্মৰ ওপৰত থকা তেখেতৰ দখল আৰু ব্যক্তিগত জীৱনত তাৰ অনুশাসনবোৰ মানি চলাৰ যি পৰাকাষ্ঠা তেখেতে দেখুৱাইছিল তাকে দেখি পণ্ডিত, সত্ৰাধিকাৰ সকলৰো তেখেতৰ প্ৰতি শ্ৰদ্ধা বাঢ়িছিল।

ভূঞা নগাওঁ সেৱা মিশ্যন (১৯১৮), আৰু গ্ৰাম্য মঙ্গল সমিতিৰ (১৯৪৭) প্ৰতিষ্ঠাপক সভাপতি আছিল। ১৯২১ চনৰ পৰা একেধাৰে ত্ৰিশকুৰি বছৰ অসমৰ ৰাজনীতিত আবিহণা যোগাই ১৯৫১ চনলৈ, তাৰে ১৫ বছৰ কাল অসম বিধান সভাৰ সদস্যৰূপে সেৱা আগবঢ়াইছিল। ১৯৫২ চনৰ পৰা জীৱনৰ শেষৰ ভোখৰলৈকে

তেখেতে কৃষক মজদুৰ প্ৰজা পাৰ্টি আৰু পিছত প্ৰজা ছচিয়েলিষ্ট দলত যোগ দিয়ে। এইদৰে হলধৰ ভূঞাঁই দেশৰ আৰু সমাজৰ প্ৰতি নিস্বাৰ্থ সেৱা আগবঢ়াই ৭৮ বছৰ বয়সত ১৯৬৮ চনৰ ২৮ মাৰ্চ তাৰিখে নগাঁওৰ নিজা ঘৰত ধৰাধাম এৰিলে।

ভূঞাঁৰ মৃত্যুত অসমৰ বাহিৰেও বহুতো সৰ্বভাৰতীয় নেতাই তেখেতৰ গুণানুকীৰ্তন কৰি সমবেদনা জনাইছে। সিসকলৰ ভিতৰত জে. বি. কৃপালনি, এন. জি. গোৰে, প্ৰেম ভাৰিণ, ৰথ্‌কন্দিন আলি আহমদো আছে। নগাঁওত বহা বিৰাট শোক সভাত ভূঞাঁৰ কাৰ্যবহুল জীৱনৰ গৌৰৱণ কৰি প্ৰস্তাৱ গ্ৰহণ কৰে—

"অসমী আইৰ অন্যতম সুযোগ্য সন্তান, ভাৰতৰ ৰাজনৈতিক মুক্তিযুঁজৰ অক্লান্ত যোদ্ধা, নগাঁও কংগ্ৰেছৰ অদ্বিতীয় সংগঠক আৰু অবিসম্বাদী নেতা, সদৌ নগাঁও ৰাইজৰ এযুগৰ পিতৃস্বৰূপ, মহান ত্যাগী অসাধাৰণ কৰ্মযোগী, পীড়িত আৰু দলিত জনতাৰ অকৃত্ৰিম সেৱক, সমাজ সংস্কাৰক, বিচক্ষণ গঠনমূলক কৰ্মী, অতুলনীয় দেশপ্ৰেমিক, সৰ্বৰহী জননেতা, প্ৰাতঃস্মৰণীয় মানৱ সেৱাৰ অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰ মিশ্যনৰ জন্মদাতা লোকসেৱক হলধৰ ভূঞাঁদেৱৰ পৰলোকত নগাঁও ৰাইজৰ আজিৰ এই ৰাজহুৱা সভাই গভীৰ শোক প্ৰকাশ কৰে। ভূঞাঁদেৱৰ মৃত্যুয়ে সৃষ্টি কৰা শূন্যতা অপূৰণীয় বুলি সভাই অনুভৱ কৰে। এইজনা পুৰুষৰ মহান জীৱন আদৰ্শৰ প্ৰতি এই সভাই আন্তৰিক শ্ৰদ্ধা নিবেদন কৰে আৰু তেখেতৰ শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জনাই ভূঞাঁদেৱৰ পৰলোকগত আত্মাৰ চিৰ শান্তিৰ অৰ্থে ভগৱানক প্ৰাৰ্থনা কৰে।"

মৌলানা তৈয়বউল্লা

গোৱালপাৰা চহৰৰ সমীপৱৰ্ত্তী নয়াপাৰাৰ কা'জী পৰিয়ালত ১৮৫৪ চনত মৌলানা তৈয়বউল্লাৰ পিতাকৰ জন্ম হয়। তৈয়বউল্লাৰ পিতামহ চৌকতউল্লা গোৱালপাৰা হাইস্কুলৰ ফাৰ্চী শিক্ষক আছিল। তেওঁৰ ফাৰ্চীৰ দৰে সংস্কৃততো জ্ঞান আছিল। ১৮৭৩ চন মানত চৌকতউল্লা গোৱালপাৰাৰ পৰা গুৱাহাটীলৈ আহি দীঘলী পুখুৰীৰ পূবপাৰে স্থায়ীভাৱে থাকিবলৈ লয়।

ককাকৰ দৰে তৈয়বউল্লাৰ পিতৃও এজন বিদ্বান লোক আছিল। তেওঁ কটন কলেজিয়েট হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম হৈ সোণৰ পদক লাভ কৰে। তেওঁৰো সংস্কৃতত বিশেষ ধাপ আছিল আৰু সংস্কৃত সহ এফ. এ. পাছ কৰি পোনে পোনে ধুবুৰী হাইস্কুলত শিক্ষকতা আৰম্ভ কৰে। তাৰ পিছৰ পৰা দোপত দোপে উন্নতি কৰি ক্ৰমে স্কুলসমূহৰ উপ পৰিদৰ্শক (চিলেট), মাটি হাকিম (ডিব্ৰুগড়), ১৮৯৬-১৯০০ চনত হাকিম আৰু (ক্ৰমে মঙ্গলদৈ, গোলাঘাট, শিৱসাগৰ) বৰ হাকিম হয়। ১৯০৩ চনৰ ১৯ এপ্ৰিল তাৰিখে শিৱসাগৰত তেওঁৰ আকস্মিক বিয়োগ ঘটে।

তৈয়বউল্লাই গোলাঘাটৰ বেজবৰুৱা হাইস্কুলত শিক্ষা আৰম্ভ কৰি শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰে। ছাত্ৰাৱস্থাৰে পৰা তৈয়বউল্লাৰ 'প্ৰফেচাৰ' আৰু নেতা হোৱাৰ অদম্য হেঁপাহ আছিল। কালক্ৰমত ১৯২২ চনত আলীগড়ৰ জামেয়ামিল্লীয়া (১৯২৫ চনত আলীগড়ৰ পৰা দিল্লীলৈ স্থানান্তৰ কৰা হয়) বিশ্ববিদ্যালয়ত বিজ্ঞান বিষয়ৰ অধ্যাপক হয়। ৰাজনীতিৰ ক্ষেত্ৰতো বিশেষকৈ অসমৰ ৰাজনীতিত তেখেতে প্ৰসিদ্ধি লাভ কৰি অসম

প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি, আৰু ১৯৫২ আৰু ১৯৫৮ চনত দুবাৰো পাৰ্লিয়ামেণ্টৰ ৰাজ্যসভাৰ সদস্য নিৰ্বাচিত হয়। তৈয়বউল্লাই "কাৰাগাৰৰ চিঠি'ত উল্লেখ কৰিছে—"আন্তৰিকতা পূৰ্ণ সেৱা আৰু কৰ্ম কৰি গ'লে মানুহৰ মনৰ দিবা-সপোন দিঠকত হয় পৰিণত।"

১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত তৈয়বউল্লা অসমৰ ৰাজনীতিত সোমাই পৰে। আৰম্ভে কলিকতাত পঢ়ি থাকোঁতেই দেশভক্ত তৰুণৰাম ফুকন, সুৰেন্দ্ৰনাথ ব্যানাৰ্জী, বিপিনচন্দ্ৰ পাল, গোপালকৃষ্ণ গোখলে, লাজপৎ ৰায়, ৰামভুজ দত্ত আদি আগশাৰীৰ নেতাসকলৰ বক্তৃতাৰ দ্বাৰা প্ৰভাৱান্বিত হৈ আছিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ আদৰণি সমিতিৰ তৈয়বউল্লা অন্যতম্ সম্পাদক আছিল আৰু সেই সভামণ্ডপতে বহা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ তেখেত সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। তেতিয়াৰ পৰা ১৯৩১ চনলৈকে কংগ্ৰেছৰ সংগঠনৰ কামত লাগি অসমৰ চহৰে-গাঁৱে ঘূৰি ফুৰি সকলোৰে দ্বাৰা সমাদৃত হয়।

১৯৪০ চনত তৈয়বউল্লা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি নিৰ্বাচিত হয়। এনেতে ১৯৪১ চনত বোম্বেত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত মৰ্মে অসমতো আন্দোলন আৰম্ভ হয় আৰু তাত তৈয়বউল্লাই সক্ৰিয় অংশ গ্ৰহণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ কাৰ্যভাৰ বহন কৰি থকা সময়ত তেখেত সঘনে দিল্লী, এলাহবাদ, বোম্বে, ৱাৰ্দ্ধা আদিলৈ যাবলগীয়া হয় আৰু নিজ ব্যক্তিত্ব আৰু প্ৰতিভাৰ গুণত সৰ্বভাৰতীয় নেতৃবৰ্গৰ দ্বাৰা সমাদৃত হয়। ১৯৪০ চনৰ আন্দোলনত নামি ৰবাভেটা জেলত কাৰাবৰণ কৰে। বিয়াল্লিছৰ আন্দোলনত জপিয়াই পৰি ৯ আগষ্টৰ দিনা গ্ৰেপ্তাৰ হৈ ১৯৪৫ চনৰ ২৭ মাৰ্চ পৰ্যন্ত কাৰাবাস খাটে।

তৈয়বউল্লা তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। সৰুতে পিতৃ বিয়োগ হোৱাত অৰ্থৰ অভাৱত টনাটনিকৈ চলিবলগীয়া হৈছিল। তাৰ বাবে মাতৃ বৰ চিন্তাত পৰিছিল আৰু অপৰিসীম কষ্ট কৰিবলগীয়া

হৈছিল। ইয়াৰ কাৰণ তৈয়বউল্লাৰ পিতৃ তাওৰ চৰকাৰী চাকৰি কৰিলেও সত্যবান, দয়াবান আৰু নিষ্ঠাবান হোৱা হেতুকে নিজৰ ল'ৰা-ছোৱালীৰ কাৰণে বিশেষ ধন-সম্পত্তি এৰি যাব পৰা নাছিল।

তৈয়বউল্লা ১৯০৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ শেষ এণ্ট্ৰেন্স পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয় আৰু 'বেজবাৰুৱা ঠাকুৰীয়া সোণৰ পদক' লাভ কৰাৰ উপৰিও চৰকাৰৰ কুৰিটকীয়া জলপানী লাভ কৰে। তেতিয়াৰ দিনত কুৰি টকা কম নাছিল। লগে লগে তৈয়বউল্লাই কটন কলেজত আই. এচ. চি. পঢ়িবলৈ ললে। এইবাৰ প্ৰথম বিভাগত পাছ কৰি পঁচিশটকীয়া বৃত্তি লাভ কৰি কলিকতাৰ প্ৰেচিডেন্সি কলেজৰ বি. এছ. চি. শ্ৰেণীত ভৰ্তি হয়। তৈয়বউল্লাৰ প্ৰতিভা দেখি 'হাজী মুহছিন মেমোৰিয়েল ফ'ণ্ড' পক্ষৰ পৰা তেখেতৰ মাচুল ৰেহাই দিয়া হয়। প্ৰেচিডেন্সী কলেজৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত পদাৰ্থ বিজ্ঞানত সৰ্বোচ্চ স্থান লাভ কৰি বি. এছ. চি. পাছ কৰে আৰু লগে লগে কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীত ভৰ্তি হৈ অমিশ্ৰ গণিত বিষয়ত এম. এছ. চি. পঢ়িবলৈ লয়। লগতে ল' পৰীক্ষাত পাছ কৰি ১৯১৯ চনত ওকালতি আৰম্ভ কৰে।

কলিকতাত পঢ়োঁতে তৈয়বউল্লা 'বেকাৰ হোষ্টেলত' আছিল। বেকাৰ হোষ্টেলটো' কলিকতাৰ 'মাত্ৰাজ' ইন্‌ষ্টিটিউটৰ ওচৰতে। উক্ত ইন্‌ষ্টিটিউতত বক্তৃতা দিবলৈ ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন, পণ্ডিত, বিজ্ঞানী, গবেষক, ঐতিহাসবিদ, সকলক আমন্ত্ৰণ কৰি অনা হৈছিল। সি সকলৰ ভিতৰত ছাৰ আশুতোষ মুখাৰ্জী, আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়, জগদীশচন্দ্ৰ বসু, ছাৰ গুৰুদাস বানাৰ্জী, মৌলানা মুহম্মদ আলী, গোপালকৃষ্ণ গোখলে, সৰোজিনী নাইডু, লালালাজপৎ ৰায়, সুৰেন্দ্ৰনাথ বানাৰ্জী, বিপিনচন্দ্ৰ পাল, আদিৰ নাম বিশেষ ভাবে উল্লেখযোগ্য। এই মনীষীসকলৰ ৰাজনীতি, অৰ্থনীতি, শিক্ষা পৰিক্ৰমা সম্পৰ্কীয় ভাষণ, জগদীশচন্দ্ৰ বসু আৰু প্ৰফুল্লচন্দ্ৰ ৰায়ৰ

বিজ্ঞানৰ বক্তৃতাই কলেজীয়া ছাত্ৰ তৈয়বউল্লাৰ মন আকৰ্ষণ কৰিছিল আৰু বিবাহৰ বাধ দিয়াৰ বাটত তেখেত অগ্ৰসৰ হৈছিল।

আচাৰ্য প্ৰফুল্লচন্দ্ৰ ৰায়ক লণ্ডনৰ ৰয়েল চোচাইটিয়ে সদস্য পদ আৰু বৃটিছ চৰকাৰে 'নাইট' উপাধি দিয়াৰ পিচত ছাত্ৰসকলে প্ৰণীত তেখেতক অভিনন্দন জনাওঁতে প্ৰত্যুত্তৰত তেখেতে কৈছিল— "টাইটেল দিলে হ'ব কি? সি পাঁচ গ্ৰেচ হে! বিজ্ঞান চৰ্চা যে কি দুখৰ কাম, পৰাধীন দেশত।"

বক্তৃতাৰ শেষত ছাত্ৰসকলে তেখেতক বিজ্ঞান যাদু খেল দেখুৱাবলৈ অনুৰোধ কৰাত তেখেতে আৱিষ্কাৰ কৰা বিজুলীটোৰ সম্পৰ্কে কিছুকৈ তাৰ গুণাগুণ প্ৰদৰ্শন কৰে কেনেকৈ তেখেতৰ আৱিষ্কৃত বিজুলী প্ৰবাহে এক মিনিটত পৃথিৱীখন তিনিবাৰ ঘূৰি আহে: 'লণ্ডনৰ কেবাডে হাউচ' নিউজিলেণ্ডৰ বিশ্ববিদ্যালয় আৰু কলিকতাৰ প্ৰেচিডেন্সী কলেজৰ পদাৰ্থ বিজ্ঞানৰ গৱেষণাগাৰৰ মাজত এক মিনিটত তিনিবাৰ বিনা তাঁৰৰ (wireless) বিজুলী বাৰ্তা কেনেকৈ দিব পৰা হয়।

তৈয়বউল্লাৰ আইন ব্যৱসায়ৰ শুভাৰম্ভণ ১৯১৯ চনত হয়। ১৯২০ চনৰ চেপ্টেম্বৰ মাহত কলিকতাত লালালাজপাৎ ৰায়ৰ পৌৰোহিত্যত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ বিশেষ অধিৱেশনত মহাত্মাগান্ধীয়ে আগবঢ়োৱা অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। লগে লগে কংগ্ৰেছে খিলাফৎ আন্দোলনকো পূৰ্ণ সমৰ্থন জনালে। ভাৰতবৰ্ষক স্বাধীন কৰাৰ প্ৰথম বাগৰ একেলগে মহাত্মাগান্ধীৰ নেতৃত্বত আৰম্ভ কৰা হ'ল। তৈয়বউল্লা অসহযোগ আন্দোলনত নমাত্ৰ ওকালতি সেৰেঙা পৰিল।

১৯২১ চনৰ ৮ আগষ্টত মহাত্মাগান্ধী অসমলৈ আহি দেশভক্ত তৰুণৰাম ফুকনৰ ছাউনিত বিদেশী কাপোৰৰ দ'মত জুই দিলে। তৈয়বউল্লাৰ বৰ্ণনাত লোকা যায়—"মহাত্মাই সভাৰ মঞ্চত উঠি এই যজ্ঞৰ পৌৰোহিত্য কৰি যি আনন্দ প্ৰকাশ কৰিছিল—একেবাৰে

বাউল হৈ পৰিছিল, সেই হাঁহি, সেই অপৰূপ আনন্দৰ ছবি আজিও মোৰ চকুৰ আগত জিলিকি আছে। মই ওচৰতে আছিলোঁ। বহুতো ছুখীয়া লোকে নিজৰ পৰিধানৰ চোলা আদি গাৰপৰা সোলোকাই জুইত নিক্ষেপ কৰা দৃশ্য দেখি মহাত্মাই আত্মহাৰা হৈ চিয়ঁৰি কৈ উঠিল, 'দেখ্ দেখ্!' মোৰ মনত আছে এজন কামৰূপীয়া ছুখীয়া মানুহে তাৰ বুকুচোলাটো জুইত জাপি দি প্ৰতিজ্ঞা কৰি পেলালে, "আৰু চোলাকে নিপিন্ধো কেতিয়াও।" আজিও সি. জাৰেই হওক, গৰমেই হওক, সুদা গাযে থাকে; আৰু সুধিলে কয়—"মহাত্মাক আগত ৰাখি, যাতে কীড়া খাইছো, বুঢ়াই বাকী-কেইটা দিন এই পচ্ৰাখানৰ বাহিৰে আৰু চোলাতোলা নিপিন্ধো, দেউতা, আৰ যেয়েই নহওঁক।"

তৈয়বউল্লাৰ লেখাত পোৱা যায়—"মহাত্মাৰ তেতিয়া আমাৰ নিচিনাকৈয়ে চুটিকৈ চুলি-কটা, দাড়ী-খুৰুৱা; গোঁফ চুটিকৈ কটা, এটা বগা 'গান্ধীটুপি' মূৰত, খদ্দৰৰ দীঘল পাঞ্জাৱী-চোলা আৰু দীঘল ধুতি পিন্ধিছিল; ভৰিত এযোৰ চেণ্ডল। ডিব্ৰুগড়ৰ ইংৰাজ চাহ খেতিয়ক সবলৰ নিমন্ত্ৰণ ক্ৰমে কৰিবলৈ যাওঁতে মূৰৰ চুলি (টিকনিৰ বাহিৰে) খুৰাই যোৱাত আমি আচৰিত হৈছিলোঁ।…… অসমৰ পৰা যেতিয়া উৰিষ্যা হৈ মাদ্ৰাজলৈ যায়, বাটত মানুহৰ ভীষণ অন্নকষ্ট আৰু হৃদয়বিদাৰক বস্ত্ৰহীনতা দেখি ব্ৰত ললে যে, তেখেতে আজীৱন ছুখীয়া বেশ, আঠুমূৰীয়া চুৰীয়া পৰিধান কৰি থাকিব। মিষ্টাৰ চাৰ্চ্চিলৰ অৰ্দ্ধনগ্ন ৰাজদ্ৰোহী ফকিৰ (Half-naked saditions Fakir)।"

অসমলৈ আগোঁতে একে যাত্ৰাতে মহাত্মা গান্ধী যোৰহাটলৈকো যায়। যোৰহাটলৈ যাওঁতে মৰিয়নিৰ পৰা যোৰহাট ষ্টেট ৰেলৱে'ৰ 'কপলিংছিগা ৰেল'ত যাবলগীয়া হৈছিল। আচলতে ৰেলখনৰ নাম তেনে নাছিল; কিন্তু ৰেলখনৰ কপলিং অলপ টান পালেই সঘনে ছিগিছিল। সেই একেখন ৰেলতে মহাত্মাৰ লগত অসমৰ

কংগ্ৰেছী নেতা, মহাত্মাক চাবলৈ অহা অগণন লোকো মৰিয়নিৰ পথা যোৰহাটলৈ ৰেলেৰে গৈছিল। সেইবাৰো কুপলিং ছিগিছিল। ৈ'য়বউল্লাৰ ৰসিক বৰ্ণনা এনেধৰণৰ—"নিচেই সৰু সৰু পুৰণি-দিল্লীৰ ট্ৰামৰ কোঠাৰ নিচিনা ভগা-ছিগা ধেৰধেৰীয়া-মেৰমেৰীয়া গাড়ীবোৰৰ আগত জুৰি দিয়া এখন সৰু, দেখোঁতে দুখ লগা সাতাওন চালৰ ইঞ্জিন; ৰেলৰ অতি পুৰণি, ক্ষয় যোৱা লাইন ছুডাল, মাটিত আধা পোত খোৱা। মাজে মাজে লাইনৰ ওপৰত বালি চটিয়াই নিদিলে ইঞ্জিনে গাড়ী টনাটো টান হৈ পৰে। গাৰ্ড আৰু ড্ৰাইভাৰ দীঘল মুঠীয়া টিকনীৰে, আৰু চুৰীয়া চোলা, খনিয়া কাপোৰেৰে গাওঁৰ হোজা অসমীয়া। 'গাড' আৰু 'ডাইবৰ' বুলি পৰস্পৰৰ মাজত মতাবোলা, শুনিবলৈ ঘৰুৱা অসমীয়া গাৱলীয়া ঠাচৰ। ইষ্টেচন আছিল পুখুৰী, আঁহত গছৰ তল, আলিৰ মূৰ, আদি কৰি। গাৰ্ড চাহাবৰ ধপাত খাবৰ মন গ'লে, 'হেৰৌ ডাইবৰ' বুলি চিয়ঁৰ এটা মাৰি, মিচিকি হাঁহি এটাৰে, মূৰ খজুৱাই, খজুৱাই, 'হেৰৌ ৰখাচোন অলপ' বুলি ক'লেই ষ্টেট ৰেলওৱেৰ ৰেলখন ড্ৰাইবৰে ঘপংকৰে (পিছ হোইকা এটা নমৰাকৈ নৰয়) ৰখাই দিয়ে। দুয়ো নামি গৈ দোকানে চোকানে বা বন্ধু বান্ধৱৰ ঘৰত ধপাত এছাত মাৰেগৈ; তুমি 'পেচেঞ্জাৰ' সিফালে থাকা বৈয়ে। ইঞ্জিন চলাই দিলেও, ৰেলখন নকৰে লৰচৰ; এবাৰ পিছ হোঁহকা এটা নমৰাকৈ নেবাঢ়ে আগ; —গাৰ্ড ছাহাবে বা ড্ৰাইবৰ ছাহাবে নিজ হস্তে বালিৰ টিন (ইঞ্জিনতে সদায় মজুদ) কঢ়িয়াই নি লাইনত বালি নচটিয়াই মানে! গাৰ্ডে ড্ৰাইবাৰক চিয়ঁৰি কয়—বালি চটিয়াই দিছোঁ, বুইছ'; পিছ হোঁহকা এটা মাৰি, দে চলাই ইঞ্জিন; বাপেকে আগ নেবাঢ়ি আৰু নোৱাৰে; চলি যাওঁক।' পুখৰীয়েই ওৱাটাৰিং ইষ্টেচন।' ড্ৰাইবৰ ছাহাবে খোদ (ইঞ্জিনতে থকা) কেৰাচিন তেলৰ উদং টিনটো হাতত লৈ, চুৰীয়াখন দাঙি, টিকা চেলাই, ওপৰলৈ খোচা মাৰি লৈ পুখুৰীৰ দাঁতিত নামি পৰে; অৱশ্যে নগদ পয়ছাৰে

কিনা জোতাতকৈ কিছু দীঘল, ভৰিতেই থাকি যায়, কচ্ মচ্ কচ্ শব্দে। ড্ৰাইবৰ ছাগাবে জোতাৰ ধপৰ ধপৰ, কেঁচ কেঁচ শব্দেৰে পুখুৰীৰ পৰা হাতত ভৰা টিনটো লৈ, উঠি আহি চাবি ইঞ্জিয়া পানীৰ পাইপটোৰ নিচিনা ইঞ্জিনৰ চুঙাৰে পানী বাকি দিলেই 'ওৱাটাৰিং' হৈ গ'ল। ড্ৰাইবৰ আৰু গাৰ্ডৰ মাজত এটা ভিতৰুৱা গোপনীয় আপোষ চুক্তি বা পেক্ট যে নাছিল এনে নহয়; কোনোবা বাটৰুৱাই হাত দাঙিলেই 'ষ্টেট ৰেলওৱেৰ ৰেলগাড়ী', কলিকতাৰ ট্ৰাম বা বাছ ষ্টপত ৰখা দি ৰৈ যায়, আৰু যাত্ৰী উঠিললেই, মিচিকিয়া হাঁহিটি মাৰি গাৰ্ডে 'হেৰৌ ড্ৰাইবৰ, খেদ্ খেদ্' বুলি লাইন ক্লিয়াৰ দিলেই ড্ৰাইবৰে ৰেল চলাই দিয়ে। মাজে মাজে, বোধকৰো গৰুৰ নেজ মৰি মুচৰি ভূতপূৰ্ব হালোৱা-চহা নাইবা গাড়োৱানৰ চিয়ঁৰ মুদ্ৰাদোষ—খেদ্, খেদ্ হেৰৌ বেগাই খেদ্' বুলি হুংকাৰি থাকে। দুই অনা, এক অনাকৈ ভাট্টা মাৰি লয় গাৰ্ড আৰু ড্ৰাইবৰ দুয়োৰে মাজত। এই ষ্টেট ৰেলওৱেৰ ৰেলগাড়ী মৰিয়নীৰ পৰা যোৰহাট নগৰলৈ অহা-যোৱা অৰ্থাৎ 'ৰাণ' (Run) কৰে।"

'জন্ গিল্পিণ্ডৰ—চিপছাইড্ ভ্ৰমণ' কাহিনীৰ দৰে মহাত্মাগান্ধীও 'মৰিয়নী যোৰহাট' ষ্টেট ৰেলওৱেত ভ্ৰমণ কৰা কাহিনী শুনিলে ভাল হাহোঁতাৰ পেটৰ নাৰী ডাল ডাল হোৱাৰহে কথা। শেষত তৈয়বউল্লাই বেজবৰুৱাৰ জাতীয় সঙ্গীতৰ সুৰত পেৰডি কৰি গাইছে—

"ৰৈ যোৱা, চাই যোৱা নয়ন জুৰাই
মূৰটো মাৰিলেও নোপোৱা এনুৱা ৰেল,
অ' মোৰ অসমী ৰেল
উঠি লওঁ আৰু এবাৰ মই
হেপাহ মোৰ পলোৱা নাই।"

লৰ্ড চেমচ্ফোৰ্ডৰ নিৰ্বোধ ঘোষণাৰ প্ৰতিবাদত ১৯২১ চনৰ নবেম্বৰ মাহত অসহযোগ আন্দোলনৰ জয়ডঙ্কা বাজি উঠিল। অসমতো শ শ লোক গ্ৰেপ্তাৰ হ'ল—জেল হাজোতত নৰক যন্ত্ৰনা

ভুগিলে। তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, মহেন্দ্ৰমোহন চৌধুৰী, গৌৰীকান্ত তালুকদাৰ, ৰোহিণীকুমাৰ চৌধুৰী, তৈয়বউল্লা, ধনীৰাম তালুকদাৰ, দক্ষৰাম বৰুৱা, প্ৰমুখ্যে নেতাসকলক গ্ৰেপ্তাৰ কৰিলে। ফুকন, বৰদলৈ, মেধি, চৌধুৰী, তৈয়বউল্লা আদিৰ বিচাৰ গুৱাহাটী জেলৰ আগফালৰ হাউলিত ডেপুটী কমিছনাৰ স্বয়ং বেন্টিঙ্কে কৰিছিল। পুলিচ ছুপাৰিণ্টেণ্ডেণ্ট আনন্দচন্দ্ৰ আগৰৱালা (কবি) চৰকাৰৰ পক্ষৰ পাৱলিক্ প্ৰছিকিউটাৰ আছিল। বিচাৰত বেছি ভাগৰে ছমাহকৈ কাৰাবাসৰ হুকুম হ'ল। ফুকন, বৰদলৈ, চৌধুৰী, মেধি আৰু মহিবুদ্দিনক বিশেষ জেলৰ নামত মাইকী ফাটেকত থলে। তৈয়বউল্লাও কিছুদিন মাইকী ফাটেকত আছিল; পিছত প্ৰথম শ্ৰেণীৰ জেলত থলে।

তৈয়বউল্লাৰ বৰ্ণনাত বিশেষ জেল আৰু প্ৰথম শ্ৰেণীৰ জেলত থকা আৰু খোৱাৰ কেনে ধৰণৰ নাৰকীয় অৱস্থা আছিল ভাবিলে অবিশ্বাস্য যেন লাগে। কিন্তু বৰ্ণনা নিৰ্ভেজাল আৰু তাতোকৈ আচৰিত কথা যে ৰাজবন্দীসকলক তেনে ধৰণৰ নৰক যন্ত্ৰনা দিয়াৰ মূলতে আছিল জ্ঞাতিদ্ৰোহী ৰাষ্ট্ৰদ্ৰোহী ইংৰাজৰ পদলেহনকাৰী এচাম অসমীয়া ভাৰতীয় পুলিচ কৰ্মচাৰী।

এবাৰ জিলা দণ্ডাধীশ প'চী চাহাবে বীৰদৰ্পে গান্ধীটুপী পিন্ধাটোও বেআইনী বুলি ঘোষণা কৰিছিল। ৰাতিৰ ভিতৰতে হেজাৰে হেজাৰে গান্ধীটুপী চিলাই কৰি পিছদিনা ৰঙিয়া থানাত জিৰণি লৈ থকা প'চী ছাহাবক যেতিয়া পৰুৱাৰ দৰে লানি নিছিগা হেজাৰ বিজাৰ কংগ্ৰেছ স্বেচ্ছাসেৱীয়ে ঘেৰাও কৰিলে প'চী চাহাব পিচ দুৱাৰেদি কলৈ কেনেকৈ পলাল কোনেও তৰ্-কিবই নোৱাৰিলে। তাৰ পিছদিনা অসম ৰাইফলস্‌ৰ সশস্ত্ৰ মিলিটাৰী বাহিনী নিৰীহ প্ৰজাৰ ওপৰত যি পৈশাচিক অত্যাচাৰ চলাইছিল সি বৰ্ণনাতীত। এনে দুষ্কাৰ্যৰ প্ৰতিবাদত যেতিয়া হাজাৰে হাজাৰে পুৰুষ তিৰোতা

আহি জেলৰ সন্মুখত শোভাযাত্রা, সত্যাগ্ৰহ কৰিলে তেতিয়া গ্ৰেপ্তাৰ কৰা লোকসকলক জেলৰ ভিতৰত ঠাই দিব নোৱাৰি ট্ৰাকে ট্ৰাকে তেওঁলোকক বহুদূৰলৈ কঢ়িয়াই নি হাবি-বননিৰ মাজাত এৰি দি আহিছিল।

জেলত 'মাইকী ফাটেক' ঘৰত থকা সকলক মাটিত বিছনা পাৰি, জেকা লগা, আধাভগা পকি ভেটিত শুবলৈ দিয়া হৈছিল। তুলিৰ সলনি চানখেৰ অথবা ধানখেৰ। আঠুৱা নাছিল ; গোটেই ৰাতি উৰহ আৰু বোন্দামহে ভোজ খোৱাদি খাইছিল। ঘৰটোৰ মাজত দুৱাৰ নোহোৱা পায়খানাৰ গোন্ধত বমি আহে। মামৰে ধৰা লোৰ কাঁহীত, চোতালত মাটিত বহি ভাত খাবলৈ দিয়া হৈছিল। ভাত দাইলৰ বৰ্ণনা 'কাৰাগাৰৰ চিঠি'ৰ পৰা তুলি দিয়া হ'ল।

"ৰাতিপুৱা এটা টিনত বাবুৰচি-চালিৰ মেটে (মেট মানে কয়দীৰ মাৰ্কা পোৱা কয়দী ছৰদাৰ convict officer জেলৰ ভাষাত) আনে মাৰভাত (চাউল, খুদ সিজোৱা, চাগুদানাৰ নিচিনা লোণ দিয়া ভাতৰ মণ্ড), হেতা এখনেৰে সকলোৰে থালত দি যায়। থাল কেনেকুৱা জানা? লোহৰ, প্ৰায় ৰুটি ভাজা তাওৱাখনৰ নিচিনা ; পানী লাগিলেই মামৰে ধৰে তৎক্ষণাত ; সেয়ে মাজি ঘঁহি (নিজ হাতেৰে অৱশ্যে) ফটাকানিৰে মচি মচি শুকান কৰি থব লাগে ; অদ্ভুত ৰকমৰ থাল ! দুপৰীয়া দিয়ে ভাত, অতি বেয়া বিধৰ অখাদ্য চাউলৰ ; তাতে শিলগুৰি ভৰা, ওজন চাৰি ছটাক ; আৰু ভাতৰ মাৰ দিয়া পনীয়া দাইল ইমান পনীয়া যে ভাতত বাকি দিলেই প্ৰায় অৰ্দ্ধসিদ্ধ দাইলে-ভাতৰ হাতীপটিত তৰাৰ থুপ পতাদি পাতে, আৰু ভাতৰ মাজেদি বৈতৰণী বোৱাদি সৰকি গৈ লোহৰ থালৰ তলিৰ ভৈয়াম পায়গৈ। তৰকাৰী কেনে জানা? জেলৰ বাগানৰ কবি, চালগুম, মটৰমাহ আদি কৰি সকলো বিধৰ শাক-পাঁচলি গতি কৰে ছুপাৰিণ্টেণ্ডেণ্ট হুজুৰৰ বঙলালৈ, আৰু জেলাৰ, সহকাৰী জেলাৰ, জেলৰ ডাক্তৰ প্ৰমুখ্যে হেড-ওৱাৰ্ডৰ, জমাদাৰ, ওৱাৰ্ডাৰ,

হাবিলদাৰৰ গৃহৰ কালে ; আৰু বুঢ়া কবিপাত, ডাঠা, শাকৰ বুঢ়া ঠাবি, বুঢ়া থকুৱা বেঙেনা, যাঁহৰ পৰা পাতলৈ কিবা-কিবি পাঁচলিৰ নামত, পৰে আমাৰ ভাগত—আমাৰ ভাগ্যত ; তাৰে ঘন্ট এখন। জেলৰ ছয়শ কয়দীৰ বাবে জাৰী (দিয়া) কৰা সৰিয়হৰ তেলৰ শতকৰা আশীভাগ যে কলৈ যায় তাৰ পট্টা নাই। সাধাৰণ কয়দীৰতো মা-বাপ নাইয়েই, আমাৰ ৰাজনৈতিক বন্দীসকলৰ ভাগত তেল পৰে মাত্ৰ তিনি পোৱা, এমোনৰো ওপৰ উপৰোক্ত পাঁচলি সিজাবলৈ বুলি। সিজাই কিহত জানা ? জুফালে কড়াল লগা এটা বৃহৎ লোহৰ ড্ৰামত। জেলখানাৰ দেগ্‌চী তেনেকুৱাই ; গধুলি নৌ হওঁতেই আকৌ ভাত।"

তৈয়বউল্লাক ৰথা প্ৰথম শ্ৰেণীৰ হাজত আছিল প্ৰথম শ্ৰেণীৰ নৰক। "মোক বদলি কৰি নিয়া সেই হাজত নম্বৰৰ কথা আৰু কম কি ? এখন মাত্ৰ লোহৰ চিক্ দিয়া বৰ দুৱাৰ, কাঠপাত নোহোৱা, লোহৰ চিকৰ, উদং ; ৰামতলা মৰা কিন্তু। খিৰিকি ভেনেচিয়েন, স্কাইলাইট হলে নাই, নিচেই কৈ . পুৰণি কঁচা ভেটিৰ গুদাম ঘৰ এটা ! মাটিতে গুব লাগে। তাকো ওখচাপৰ, দুৰ্গন্ধময় . পায়খানাটো সেই একেটা ঘৰতে ; মাজত ঢাৰিৰ বেৰ এখন ; মেতৰ (কয়দীৰে এটা) আহে আমাৰ বিছানাবোৰৰ মাজেদি আৰু পায়খানাত ফিনাইল চটিয়াই দি, মিউনিছিপেল পাব্লিক লেট্ৰিনটোৰ নিচিনা কৰি থৈ যায় ; বিষ্ঠাৰ ড্ৰামটো আমাৰ বিছনাবোৰৰ মাজেদি আকৌ নিয়ে বাহিৰ কৰি, সেই একেখন দুৱাৰে, ভাত খাবলৈ দিয়ে আগ চোতালত ; গা ধুবও লাগে তাতে। মাইকী ফাটেকক যদি ধৰি লোৱা ১ নম্বৰ নৰক (Hell No. 2), তেন্তে হাজত নম্বৰটো ১ নম্বৰ নৰক, প্ৰথম শ্ৰেণীৰ।

সাধাৰণ কয়দীবোৰৰ থকা খোৱা, বনকৰা, শুৱা ইত্যাদি কথা তোমালোকে কল্পনাও কৰিব নোৱাৰিবা ; জেল বোলে যিহক।"

হঠাৎ এদিন ৰোহিণীকুমাৰ চৌধুৰী, গৌৰীকান্ত তালুকদাৰ,

ধনীৰাম তালুকদাৰ, দেবেন উজীৰ, হৰিপ্ৰসাদ ব্ৰহ্মচাৰী আৰু তৈয়বউল্লাৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লৈ তেজপুৰ জেললৈ বদলি কৰিলে। আটাইকেজনকে হাত কড়িয়া মাৰি দীঘল পঘাৰে মেৰাই কালঙিয়ে চিলঙলৈ গৰুৰ পাল সাঙুৰি নিয়াৰ দৰে উজান বজাৰ ঘাটত জাহাজত তুলি তেজপুৰলৈ চালান দিলে। পাকৈত কেমেৰাম্যানে পুলিচৰ চকুত ধুলি দি তেনেদৰে আটাইকেইজনৰে এখন ছবি তুলিলে। দুদিন মানৰ ভিতৰতে ছবি কলিকতা পালে আৰু ভাৰতৰ প্ৰায়বোৰ বাতৰি কাকতত ছবিসহ ঘটনাৰ বিবৰণি ওলাল। প্ৰশাসকৰ দল টিঙিৰি তুলা।

১৯৩০ চনৰ লোণ আইন ভঙ্গৰ কাৰণে কৰা আন্দোলনো ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সমানেই আছিল। এই আন্দোলনে দেশ ওলটপালট কৰি পেলাইছিল আৰু মহাত্মা গান্ধীৰ জনপ্ৰিয়তা দেখি ইংৰাজ চৰকাৰে তবধ মানিছিল। লোণ আইন ভঙ্গ আন্দোলনৰ প্ৰকোপ বেছিকৈ চলিছিল—বৰদোলী, ভাইকোম ফ্ৰন্টিয়াৰ আৰু ধাৰছানা-ওদালাত।

আন্দোলন কোনোপধ্যে সাম নকটাত ইংৰাজ চৰকাৰে বাধ্য হৈ ১৯৩১ চনত লণ্ডনত দ্বিতীয় 'ঘূৰণীয়া মেজমেল' পাতে। তাত মহাত্মা গান্ধী উপস্থিত হৈ এটি নিচেই চমু ভাষণ দি ভাৰতবাসীৰ দৃঢ় সঙ্কল্পৰ কথা ঘোষণা কৰিছিল—"দহ বছৰৰ সত্যাগ্ৰহে দুৰ্বল, অসহায়, নিৰস্ত্ৰ ভাৰতবাসীক আজি উচ্চশিৰে 'না' বুলিবলৈ শিকাইছে, কোটি কোটি মানৱৰ কাৰণে সেই দৃঢ় অহিংসাৰ মুক্তি সংকল্প (will to Freedom) অমোঘ অস্ত্ৰ, নেলাগে ভাৰতক বন্দুকৰ গুলি, বিহসনা কাঁড়, হত্যাকাৰীৰ তীক্ষ্ণ তৰোৱাল।"

১৯৪২ চনত ভাইচৰয়ৰ চিঠিৰ প্ৰত্যুত্তৰত মহাত্মা গান্ধী জনাইছিল—"ভাৰতবৰ্ষই অহিংসা শক্তিৰ দ্বাৰাই স্বাধীনতা আৰ্জিব আৰু সেই স্বাধীনতা ৰক্ষাও কৰিব অহিংসাৰ দ্বাৰা।" ১৯৪৩ চনৰ ১৫ জুলাই তাৰিখে আহমদাবাদ দুৰ্গৰপৰা ভাৰত চৰকাৰে লিখা

চিঠিৰ প্ৰত্যুত্তৰত মহাত্মাই জনোৱা কথা ইংল্যাণ্ডৰ বাতৰি কাকত-সমূহত প্ৰকাশ পাইছিল—প্ৰশ্ন "আপোনাৰ অহিংসাৰ বিষয়ে অনুগ্ৰহ কৰি ক'বনে? স্বাধীনতা লাভ হ'লে, আপোনাৰ ৰাষ্ট্ৰনীতি কি হ'ব?" উত্তৰ—"....এই ভাৰতবৰ্ষৰ প্ৰাণৰ কথা মোৰ দৃষ্টিভঙ্গীত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছো। জাতীয় চৰকাৰে (National Government) কি নীতি অৱলম্বন কৰে তাক মই নাজানো। ....মই উপদেশ দিম (সেই জাতীয় চৰকাৰক) যিমান দূৰ সম্ভৱপৰ হয়, অহিংসা নীতি অৱলম্বন কৰিবলৈ; আৰু সেয়ে হ'ব জগতৰ শান্তি আৰু নতুন আন্তৰ্জাতিক পৰিকল্পনা (world order) সম্পৰ্কে ভাৰতবৰ্ষৰ বৰঙণি।"

মুছলিম্ লীগ্ আৰু হিন্দুস্তান সম্পৰ্কে তৈয়বউল্লাৰ ধাৰণা স্পষ্ট আৰু কৰ্ম পদ্ধতিও স্বকীয়া আছিল। তেখেতে কয়—"মুছলমান সমাজ সদায় প্ৰগতিশীল। মুছলিম্ লীগে মাত্ৰ দহ বছৰৰ ভিতৰতে শক্তিশালী অনুষ্ঠান হৈ উঠিল; ১৯১৬ চনত বিখ্যাত কংগ্ৰেছ লীগ 'লক্ষ্ণৌ চুক্তি' সম্পাদন কৰি ভাৰতৰ ৰাজনৈতিক জীৱনত নতুন এটা অধ্যায়ৰ অৱতাৰণা কৰিলে।

মুছলমান ৰাজনৈতিক নেতাসকলে, বৃটিছৰ পৰম মিত্ৰ আগাখাঁৰ নেতৃত্বত, সবল বিশ্বাসত স্বকীয়া-নিৰ্বাচন প্ৰথাক মুছলমানৰ "বহুমূলীয়া বস্তু" (Valued Right) বুলি ভাবি লৈ 'লক্ষ্ণৌ চুক্তি' মতে মণ্টেগু-চেমচ্‌ফোৰ্ডৰ সুচতুৰ পৰিচালনাত নীতি লিপিবদ্ধ কৰাই লৈছিল। ১৯৫৩ চনৰ ভাৰত শাসন আইনতো 'লক্ষ্ণৌ চুক্তি'ৰ নীতি সালসলনি নকৰাকৈ মিঃ ৰেমজে মেকডোনাণ্ডৰ "সাম্প্ৰদায়িক মীমাংসা" নামক সিদ্ধান্তই ঠাই পালে। লক্ষ্ণৌ চুক্তিয়েই হৈছে আজি পৰাধীন হিন্দুস্থানৰ ডিঙিৰ শেষ 'ফাঁচিজৰী' সেই চুক্তিৰ প্ৰেতাত্মাৰ ভীষণ বিভীষিকা, ইছলাম বিৰোধী, ইছলাম বহিৰ্ভূত, বৃটিছ গভৰ্ণমেণ্টৰ হোৱাইট হল কাৰখানাত গঢ়া বিলাতী পৰিকল্পনা 'পাকিস্তানে' আজিও আতঙ্কৰ সৃষ্টি কৰিবলৈ এৰা নাই। এবাৰ ভূতে পালে ভূত খেদা বৰ টান;

কালান্তক ওঝাৰ বহু চেষ্টাৰ ফলত শেহত গ'লেও, ঘৰৰ বেৰ, গছ-বিৰিখৰ ডাল আদি ভাঙিহে যায়।"

১৯২৬ চনৰ পৰা ১৯৩০ চনলৈ একেৰাহে পাঁচ বছৰ তৈয়বউল্লা অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক আছিল। সাধাৰণ সম্পাদক হৈ থকা সময়ছোৱাতে তেখেতৰ পত্নী মজিদা বেগমৰ টান নৰিয়া হয়। ইতিমধ্যে ১৯৩০ চনৰ নবেম্বৰ মাহত তেখেতৰ মাতৃৰ বিয়োগ ঘটে। একে সময়তে গান্ধী-আৰউইন চুক্তিও স্বাক্ষৰিত হয়। সাময়িকভাৱে দেশত কিছু শান্তিৰ পৰিৱেশ উপস্থিত হোৱাতো পাৰিবাৰিক অসুবিধাৰ কাৰণে তৈয়বউল্লাই কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব চলাই যাবলৈ অক্ষম হোৱাত তেখেতৰে পৰম বন্ধু ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা ১৯৩১ চনত কংগ্ৰেছৰ সাধাৰণ সম্পাদক হয়। ত্যাগবীৰেও একেৰাহে ১৯৩৫ চনলৈ পাঁচ বছৰকাল কংগ্ৰেছৰ সাধাৰণ সম্পাদক হৈ থাকে।

বিয়াল্লিছৰ গণ আন্দোলনৰ সময়তো দেশৰ আন আন নেতা-সকলৰ লগতে তৈয়বউল্লাৰো ফাটেক হয়। সেইবাৰ তেখেত বৰভেটা জেলত আছিল। একে জেলতে গোপীনাথ বৰদলৈ, ফখ্‌ৰুদ্দিন আলি আহমদ আদিও আছিল। বৰভেটা জেলত থাকোঁতে ধলপুৰা হঠাৎ এটি তাণ্ডৱ ভূমিকম্প আহি ধ্বংসলীলা ঘটালে। সেই সময়ত তৈয়বউল্লাই আজান দি আছিল। তেখেতে কোৱাৰ দৰে—"আজানৰো শেষ, ভূমিকম্পৰো শেষ। পূৰা চাৰি মিনিট।"

ভূমিকম্পত গোপীনাথ বৰদলৈ কথমপি ৰক্ষা পৰিছিল। তৈয়বউল্লাৰ ভাষাত—"বৰদলৈ-ফখৰুদ্দিন থকা সৰু ঘৰ এটাৰ দেওৱালবোৰ ফাটি চিটি গৈছে; আঠুৱাৰ ওপৰত পৰিল ইটাৰ বৃহৎ এটা খণ্ড; পৰো-পৰো অৱস্থাত ঘৰটো। ভূমিকম্প শেষ হৈ যোৱাৰ বহুখিনি পিছত, হেড্‌ওৱাৰ্ডাৰে আহি তলা খুলি বৰদলৈক যেনিবা ওলাই আনি আমাৰ ওৱাৰ্ডত থাকিবলৈ দিহা কৰি দি গ'ল। আৰু দুই-এক চেকেণ্ডমান ভূমিকম্প থকাহেঁতেন, বৰদলৈহঁতৰ ওপৰতে

পেলালেহেঁতেন। বাতি পুৱালত দেখা গ'ল যে পৰো পৰো অৱস্থা বৰদলৈহঁতৰ ওৱাৰ্ড, ইটাবোৰ সোলকি পৰিছে; এটাৰ ওপৰত আন এটা ইটা বৈ আছে কোনোমতে। "ৰাখে হৰি মাৰে কোন?"

১৯৪৫ চনৰ ২৭ মাৰ্চ। তৈয়বউল্লাৰ কাৰাদণ্ডৰ ম্যাদ উকলিবলৈ আৰু কিছুদিন বাকী আছিল। এনেতে 'ছাদুল্লা-বৰদলৈ-চৌধুৰী' ত্ৰিপাক্ষিক চুক্তি স্বাক্ষৰিত হোৱাত চুক্তিৰ চৰ্ত্ত অনুসৰি সকলো ৰাজনৈতিক বন্দী খালাচ পালে। তৈয়বউল্লায়ো খালাচ পালে। কিন্তু তেখেতে ত্ৰিপাক্ষিক চুক্তি সৰ্বান্তঃকৰণে মানি ল'বলৈ টান পাইছিল আৰু অসময়ত পোৱা খালাচেও তেখেতক অকণো আনন্দ দিব পৰা নাছিল। তেখেতৰ ভাষাত—

"১৯৪৫ৰ ২৭ মাৰ্চ তাৰিখে নগাঁও জেলৰ পৰা খালাচ হৈ মোৰ নগাঁওৰ প্ৰবাসী ঘৰলৈ আহিলোঁ। মোৰ বেগম আৰু অকণি অকণি দুটি কন্যা আৰু এটি পুত্ৰক প্ৰায় তিনি বছৰৰ মূৰত পাই (ঘৰৰ আনবোৰ ল'ৰা-ছোৱালী তেতিয়াও গোট খোৱাহি নাই) যে কি আনন্দ! কিন্তু বৃটিছ গৰ্ভৰ্ণমেণ্টে কেইসপ্তাহমানৰ ভিতৰতে ভাৰতময় ৰাজবন্দীসকলক খালাচ দিয়াৰ কথা তেতিয়া চলিছে যদিও, আৰু অতি সোনকালে ভাৰতবৰ্ষৰ সৈতে মিটমাট এটা কৰিবৰ উদ্দেশ্যে ৰাজদূত পঠোৱাৰ কথা, ১৯৪৫ৰ মাৰ্চ মাহত ছাদুল্লা-বৰদলৈ-চৌধুৰী ত্ৰিচুক্তি সম্পাদিত হোৱাত অসম তথা ছাদুল্লা গভৰ্ণমেণ্টে মোক সেই চুক্তিৰ জোৰত খালাচ দিয়াত মই নিচেই কৈ ভাল নেপালোঁ; ঘৰলৈ আহিয়েই মোৰ আৰতৰীয়া খালাচ সম্পৰ্কে এটা প্ৰেছ বৰ্ণনাত (Press Statement) চমুকৈ ত্ৰিচুক্তিৰ সমালোচনা কৰি কলোঁ যে, মই এই অযাচিত খালাচৰ সোৱাদ একো পোৱা নাই, "I did not relish this unwanted release!"

জেলৰ পৰা আহি তৈয়বউল্লাই পত্নীক বেছিদিন নেপালে। ১৯৪৫ চনৰ ১৭ ডিচেম্বৰৰ দিনা বেগম ৰোগ শয্যাত পৰিল আৰু ২৫ ডিচেম্বৰৰ দিনা আবেলি বেগমে বেহেস্ত গমন কৰিলে।

১৯৪৬ চনৰ ৯ জানুৱাৰী তাৰিখে মহাত্মাগান্ধী শেষবাৰৰ কাৰণে অসমলৈ আহি গুৱাহাটীৰ ডাক্তৰ হৰিকৃষ্ণ দাস প্ৰতিষ্ঠিত শৰণীয়া আশ্ৰমত আলহী থাকিছিল। তৈয়বউল্লাই পত্নী বিয়োগ শোকত মহাত্মাগান্ধীক সাক্ষাৎ কৰিবলৈ নগৈ ক্ষমা খুজি নিজৰ অক্ষমতাৰ কথা জনালে। মহাত্মাই ১০ জানুৱাৰী তাৰিখে শৰণীয়া আশ্ৰমৰ পৰা তৈয়বউল্লালৈ সমবেদনা জনাই লিখিলে—

মৰমৰ তৈয়বউল্লা,

ইয়ালৈ কালি নিশা ১০ মান বজাত আহি তোমাৰ চিঠিখন পোৱাৰ আগতে তোমাৰ সেই হানিৰ কথা মধ্যস্থ বন্ধু এজনৰ মুখে শুনিলোঁ। যিটো অনিবাৰ্য্য, তাৰ বিষয়ে শোক কৰা কেলৈ ? আৰু মৃত্যুই হৈছে জীয়াই থকা সকলোৰে উমৈহতীয়া পৰিণতি। মৃত্যু নোহোৱাহেঁতেন, ভাবি চাবা, জন্ম যে হ'লহেঁতেন কি পীড়নকাৰী। 'হানি', সেয়ে এটা ব্যৱহাৰিক শব্দ মাত্ৰ। প্ৰিয়জনৰ মৃত্যুতহে আচল বন্ধুতাৰ পৰীক্ষা হয়। আৰু আলকোৰাণৰ যি আয়াত তুমি উদ্ধৃত কৰিছা, সেয়ে মোৰ কথাৰ সামৰণি মাৰিছে। যি দিছে তেওঁ, নিয়ক তেৱেঁই। তেওঁৰ মহান নামৰ গুণকীৰ্তন কৰা। মোৰ প্ৰাৰ্থনা তোমাৰ কাৰণে।

মোৰ সাক্ষাতলৈ নাহি তুমি ভালেই কৰিছা।

ভালপোৱা

বাপু

১৯৪৭ চনৰ ৩ জুনৰ কথা অকস্মাৎ গবৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্ট বেটেনে কংগ্ৰেছ আৰু লীগ উভয়ৰ সমৰ্থন লাভ কৰি ভাৰতবৰ্ষক দ্বিখণ্ডিত কৰাৰ আঁচনি ৰূপায়ণ কৰাত সন্তুষ্ট হৈ নাটকীয়ভাৱে লণ্ডনলৈ উৰা মাৰিলে। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতবৰ্ষই স্বাধীনতা পালে ; কিন্তু তাৰ কেইঘণ্টামান আগতে মহাকাব্যৰ ভাৰতবৰ্ষৰ অঙ্গচ্ছেদন কৰি পাকিস্তানৰ জন্ম হ'ল।

১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ছাৰ আকবৰ হায়দাৰী স্বাধীন অসমৰ ৰাজ্যপালৰ আসন অলঙ্কৃত কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈক মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ কৰালে। ৰাজ্যপালৰ ১৪ আগষ্টৰ 'অসমৰাজপত্ৰ'ৰ ঘোষণা অনুসৰি দৰং সমষ্টিৰ পৰা বিনা প্ৰতিদ্বন্দ্বিতাই তৈয়বউল্লা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হ'ল। ১৯৪৮ চনৰ ৫ মাৰ্চ তাৰিখে মন্ত্ৰীত্বৰ শপত গ্ৰহণ কৰি আবকাৰী, প্ৰচাৰ আৰু জেল বিভাগৰ দায়িত্ব গ্ৰহণ কৰিলে। ১৯৫০ চনৰ ২০ জানুৱাৰী তাৰিখে তেখেতে মন্ত্ৰীপদ ইস্তফা দি অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ ধন ভঁৰালী হ'ল। তাৰ পিছত ১৯৫২ আৰু ১৯৫৭ চনত একেৰাহে দুবাৰো ৰাজ্যসভাৰ সদস্য মনোনিত হৈ নিস্বাৰ্থভাৱে অসমৰ স্বাৰ্থৰ হকে কাম কৰিলে।

অসমৰ হিন্দু-মুছলমানৰ মাজত স্থায়ী সম্প্ৰীতি-সমন্বয় স্থাপন কৰাৰ পথত এইজন উদাৰমনা পুৰুষে বহুখিনি কাম কৰি থৈ গৈছে। তৈয়বউল্লাৰ পূৰ্ব-পুৰুষ আৰু উত্তৰপুৰুষৰো কেবাগৰাকী পো-জীৰ অসমীয়া উচ্চবৰ্ণৰ হিন্দু পো-জীৰ লগত সম্পৰ্ক স্থাপিত হৈ একাত্ম-বোধৰ বান্ধোনেৰে সাঙোৰ খাই আছে। তেখতৰ জ্যেষ্ঠা কন্যা বেগম মীৰা জলিল এগৰাকী উচ্চমনা বিদুষী, সাহিত্যিকা বুলি অসমীয়া সমাজত খ্যাত। এইজন মহান অসমপ্ৰাণা ব্যক্তিৰ ১৯৬০ চনৰ ৩০ অক্টোবৰ তাৰিখে ৭০ বছৰ বয়সত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতে তৃতীয় পত্নী, তিনিজন পুত্ৰ আৰু সাতগৰাকী কন্যা এৰি থৈ গৈছে।

— ০ —

বিহগীকবি ৰঘুনাথ চৌধাৰী

অসমীয়া সাহিত্যৰ জোনাকী যুগৰ অন্যতম্ উজ্জ্বল জ্যোতিষ্ক ৰঘুনাথ চৌধাৰী বিহগীকবি বুলি খ্যাত। ইংৰাজী সাহিত্যত প্ৰকৃতিবাদী কবি ওৱাৰ্ডছৱৰ্থ যিমান প্ৰসিদ্ধ অসমীয়া সাহিত্যত ৰঘুনাথ চৌধাৰীও সিমান প্ৰসিদ্ধ।

প্ৰকৃতিৰ পূজাৰী, চিৰকুমাৰ এইজন কবিৰ কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা শস্যে-মৎস্যে অনুপম লাওপাৰা নামে এখনি সৰু গাৱঁত ১৮৭৮ চনত গণেশ চতুৰ্থীৰ দিনা জন্ম হৈছিল। তেখেতৰ পিতৃ ভোলানাথ চৌধাৰী সেই মুলুকৰ এজন সৰ্বজন আদৃত দানী, মানী, আঢ্যৱন্ত, কৰ্মকুশল ব্যক্তি বুলি পৰিচিত। জন্মৰ ন মাহ পিচতে পিৰালিৰ পৰা পৰি, এচলীয়াত পাৰিথোৱা খুৰীয়া শিলৰ চেপাত সোমাই সোঁভৰিখন ভাঙি খোৱা হয়। প্ৰভুৰ কৃপাত 'পঙ্গুৱেও পৰ্বত বগোৱা' মাহাত্ম্যৰে খোৰা হৈও চৌধাৰী পৰ্বত-পাহাৰ বগাই ফুৰি, কৃষি পামৰ মাজেদি প্ৰকৃতিৰ বিনন্দীয়া ৰূপ মাধুৰি উপভোগ কৰি আত্মহাৰা হৈছিল। সৰ্বশেষত প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক স্থাপন কৰি, জীৱন দৰ্শনৰ সুউচ্চ দৃঢ় ভেটি স্থাপন কৰি অসমীয়া কাব্য সাহিত্যৰ বেদিত অপৰিমেয় অৰিহণা যোগাই অমৰত্ব লাভ কৰিলে। অসমীয়া সাহিত্যৰ বুৰঞ্জীত কবি চৌধাৰীয়ে শাৰদীয় মধুযামিনীৰ বিমল শুভ্ৰকান্তি বিলাই পাঠকক কাব্যামৃত পান কৰালে।

বিশ্ববৰেণ্য কবি-সাহিত্যিক, শিল্পী-দাৰ্শনিক সকলৰ বহুতৰে প্ৰাৰম্ভিক জীৱন সংঘাতপূৰ্ণ দেখা যায়। চৌধাৰীৰ শৈশৱ, যৌৱন তথা মধ্যাহ্ন কাল একুৰিএটা ৰোমাঞ্চকৰ বিষাদ কাহিনীৰে ভাৰাক্ৰান্ত। 'সোণ পোৰে মানে চিকোণ' হোৱাৰ দৰে

চৌধাৰীৰ জীৱনটোকো নানা প্ৰতিকূল অৱস্থাই উজ্জ্বল আৰু মহিয়ান কৰিছে, ক্লান্তক্লিষ্ট মানৱে প্ৰকৃতিৰ বুকুত অৱগাহন কৰি কি দৰে প্ৰেয় লাভৰ মোহৰ বাগুৰা অতিক্ৰম কৰি শ্ৰেয় লাভৰ স্বৰ্গীয় সুখ-আনন্দ লাভ কৰিব পাৰে তাক তেখেতে জীৱনত প্ৰতিফলন কৰিছে।

চাৰিবছৰ বয়স পূৰ হোৱাৰ লগে লগে চৌধাৰীৰ জীৱনলৈ এটাৰ পিছত এটাকৈ অভাৱনীয় বিপদ-বিঘিনি আহি পৰে। মাত্ৰ সাত দিনৰ ভিতৰতে চেনেহৰ মাতৃদেৱী, মৰমৰ ভাতৃ-ভগ্নীক হেৰুৱায়। সংসাৰৰ অসহনীয় জ্বালা-যন্ত্ৰণাৰ ভাৰ বহন কৰিবলৈ অসমৰ্থ হোৱাত পিতৃ ভোলানাথ চৌধাৰীৰ কিছুদিনৰ বাবে মস্তিষ্কৰ ভাৰসাম্য নোহোৱা হৈ পৰে। এনেতে চৌধাৰীৰ ভাগি-বংশৰে কেইজনমান আক্ৰোহী কুচক্ৰী লোকে মাজনিশা নাৱেৰে আহি ডকাইতৰ দল ওলোৱাদি ওলাল। তেওঁলোকে ভোলানাথ চৌধাৰীক পাগল হোৱা বুলি অজুহাত দেখুৱাই কুন্দাত জট্‌পট্‌কৈ বান্ধি থৈ ঘৰৰ সকলো সা-সম্পত্তি নাৱত বোজাই দি লৈ যায়। চাৰি বছৰীয়া শিশু ৰঘুনাথ চৌধাৰী আছিল সেই মৰ্মন্তুদ ঘটনাৰ অসহায় আৰু নীৰৱ দৰ্শক।

কথাতে কয়, "ৰাখে হৰি মাৰে কোন? মাৰে হৰি ৰাখে কোন?" লাওপাৰা গাৱঁৰে মানৱ দৰদী জয়পাল দাসে শিশুটিক বুটলি লৈ নিজৰ জীয়েক সোণমাইক প্ৰতিপালন কৰিবলৈ গটাই দিলে। কেইমাহমান যোৱাত ভোলানাথ চৌধাৰী আৰোগ্য হৈ উঠিল আৰু পুত্ৰেকক ঘৰলৈ আনি ঘৰৰ লিগিৰী লাউফুলিক আপদাৰ কৰাৰ ভাৰ দিলে। লাউফুলিৰ জিকাফুলি নামৰ সৰু জীয়েকজনী শিশু চৌধাৰীৰ ওমলাঘৰৰ লগৰী আছিল। জিকাফুলি দেখিবলৈ কেঁচা সোণডোখৰৰ দৰে আছিল বাবে কুলপুৰোহিতে তাইক হেমী বুলি মাতিছিল। যৌৱনৰ প্ৰাৰম্ভণিতে হেমীয়ে কবি চৌধাৰীক নিসঙ্গ কৰি 'মায়া কানন'লৈ গুচি যোৱা হৃদয় বিদাৰক কাহিনীক ওৱাৰ্ডচ ওৱাৰ্থৰ 'লুচি কবিতা'ৰ কাহিনীৰ লগত বিজাব পাৰি। হেমীয়ে

কবিৰ হৃদয়ত যিটো জোকাৰণি মাৰি গ'ল চৌধাৰীৰ কবিতাৰ বহুলাংশত তাৰ স্পৰ্শকাতৰ ইঙ্গিত পোৱা যায়।

দুৰ্ভগীয়া শিশুটিৰ নানা লটি-ঘটি সহিব নোৱাৰি ক্ষেত্ৰি—হাবদিয়া গাওঁৰ পৰম দয়ালু সদাশয় ব্যক্তি মুন্সিফ্ আদালতত নাজিৰ গৰ্গৰাম চৌধাৰীয়ে শিশুটিক প্ৰতিপাল্য কৰি লিখা-পঢ়া শিকাবলৈ ধৰিলে। গৰ্গৰাম চৌধাৰী আৰু তেখেতৰ পত্নী স্বৰ্ণময়ীয়ে তেতিয়ালৈকে কোনো সতি-সন্ততিৰ মুখ দেখা নাছিল। ৰঘুনাথক পুত্ৰবৎ পালন কৰি গুৱাহাটীৰ উজান বজাৰৰ চৰকাৰী এম. ভি. স্কুলত নাম লগাই দিলে। চৌধাৰীৰ আদি শিক্ষাগুৰু আছিল কাশীনাথ দাস। মেধাবি ছাত্ৰ ৰঘুনাথে প্ৰতিভামূলক বৃত্তি লৈ নিম্ন প্ৰাইমাৰী পাছ কৰি কটন কলেজিয়েট স্কুলত চতুৰ্থমান শ্ৰেণীত নাম ভৰ্ত্তি কৰিলে। চৌধাৰীয়ে সৰুৰেপৰা কাব্য আৰু সাহিত্য চৰ্চ্চাত বিশেষ আগ্ৰহ দেখুৱাইছিল। তেখেতৰ সাহিত্যিক জীৱনৰ গুৰু হাইস্কুলীয়া শিক্ষক কুদ্ৰত আলি আৰু ব্ৰজনাথ চট্টোপাধ্যায়। চট্টোপাধ্যায়ৰ পৰা প্ৰেৰণা লাভ কৰি চৌধাৰী ছাত্ৰাৱস্থাতে মাইকেল মধুসূদন, হেমচন্দ্ৰ বন্দোপাধ্যায়, নবীনচন্দ্ৰ সেন আৰু কালী প্ৰসন্ন ঘোষৰ কাব্য ৰসৰ সোৱাদ লয়।

১৮৯৬ চনত কটন কলেজিয়েট স্কুলত পঢ়িবলৈ ললে যদিও বছৰেকীয়া পৰীক্ষা সংক্ৰান্তত অঙ্কৰ শিক্ষকৰ দেখ্ দেখ্ অবিচাৰ দেখি আনুষ্ঠানিক শিক্ষাৰ সিমানতে আঁৰ কাপোৰ টানি ঘৰৰ কাকো নজনোৱাকৈ মাল জাহাজত উঠি এদিন তেজপুৰ পালেগৈ। গৰ্গৰাম চৌধাৰীৰ আত্মীয় এজনে তেজপুৰত ৰঘুনাথক পাই বুদ্ধি কৰি গুৱাহাটীলৈ লৈ আহি ঘৰত গটাই দিলে।

খুড়াক গৰ্গাৰাম চৌধাৰীয়ে ৰঘুনাথক নানা প্ৰকাৰে চেষ্টা কৰিও স্কুললৈ পঠাব নোৱাৰি আদালতলৈ গৈ তৰণীৰ কাম শিকিবলৈ কলে। চৌধাৰী তাত মান্তি নহৈ শিক্ষকতা কৰাৰ ইচ্ছা কৰাত নিজে পঢ়া এম. ভি. স্কুলখনতে শিক্ষকৰ পদ এটি পাই অতি নিষ্ঠাৰে সেৱা আগবঢ়াই থাকিল।

গৰ্গৰাম চৌধাৰী সাহিত্য আৰু সঙ্গীত প্ৰেমী আছিল। সাধু-সন্ত, কবি-পণ্ডিত আদিৰ পৃষ্ঠপোষকতা কৰি আনন্দ পাইছিল আৰু মাজে সময়ে তেনে জ্ঞানী, বিদ্বান লোকক নিজৰ ঘৰতে থকা-মিলাৰ সুবিধা কৰি দিছিল।

এবাৰ মিথিলাৰপৰা অহা বাল মুকুন্দ ঝা নামৰ এজন সংস্কৃত পণ্ডিত আৰু অসমৰ কালিদাস মহামহোপধ্যায় ধীৰেশ্বৰ আচাৰ্য্য চৌধাৰীৰ সম্মানিত আলহী স্বৰূপে আছিল। ৰঘুনাথ চৌধাৰী পণ্ডিতদ্বয়ক মলাধপাত লগাই দিয়া কামফেৰা কৰোঁতে দুয়োজন পণ্ডিতে সুললিত সংস্কৃত ভাষাত কথা-বতৰা, শাস্ত্ৰালাপ কৰা শুনি মোহিত হৈছিল আৰু সংস্কৃত ভাষাটো শিকাৰ অদম্য ইচ্ছা প্ৰকাশ কৰিছিল। "ইচ্ছা য'ত বাট ত'ত" বুলি এষাৰ নীতিবচন আছে। চৌধাৰীৰ আশা পূৰণ হ'ল। পণ্ডিতদ্বয়ৰ পৰম অনুগ্ৰহত পাণিনি আৰু ৰত্নমালা ব্যাকৰণ আয়ত্ত কৰাৰ লগতে কালিদাস, ভৱভূতি, মাঘ, ভাৰবি আদিৰ সংস্কৃত কাব্যসমূহৰ বিশেষভাৱে কালিদাসৰ শকুন্তলা, মেঘদূত, ঋতু সংহাৰ আদি কাব্যবোৰ প্ৰায় কণ্ঠস্থ কৰি পেলালে। অতপৰি ৰামায়ণ, মহাভাৰত, অসমীয়া বৈষ্ণৱ সাহিত্যৰ মূল গ্ৰন্থবোৰৰো গভীৰ অধ্যয়ন কৰিলে। এইদৰে আনুষ্ঠানিক শিক্ষালয় এৰি পণ্ডিত সাধুৰ সঙ্গলাভ আৰু অধ্যৱসায়ৰ ফলত আজন্ম কবি চৌধাৰীৰ প্ৰতিভা চন্দ্ৰৰ কলাৰ দৰে দিনে দিনে বাঢ়ি আহিবলৈ ধৰিলে।

ৰঘুনাথ চৌধাৰী অসমীয়া সাহিত্যৰ নৱন্যাস যুগৰ শ্ৰেষ্ঠ প্ৰকৃতি-ৰাদী কবি হোৱাৰ উপৰিও একেধাৰে এজন প্ৰসিদ্ধ খেতিয়ক, সু-গায়ক, প্ৰবীণ গদ্যশিল্পী, নিৰ্ভীক সাংবাদিক, সমাজ সংস্কাৰক আৰু স্বাধীনতা সংগ্ৰামৰ অক্লান্ত-যুঁজাৰু আছিল। অসমীয়া ৰাজ্যভাষা আন্দোলন, তেল শোধনাগাৰ আন্দোলন, আদি আন্দোলনৰ তেখেতে গুৰি ধৰিছিল, আৰু তেখেতৰ বাসভৱনটো আছিল এই নিচিনা জাতীয় আন্দোলনবোৰৰ ঘাই কেন্দ্ৰ। এইদৰে জীৱনৰ

প্ৰতিটো মুহূৰ্ত্ত সাহিত্য চৰ্চ্চা আৰু দেশৰ মঙ্গল চিন্তা কৰি ১৯৬৭ চনৰ ১৮ নবেম্বৰৰ দিনা ইহলীলা সম্বৰণ কৰে।

চৌধাৰীৰ ৰচিত কাব্য—সাদৰী, দহিকতৰা, কেতেকী। নৱমল্লিকা আৰু পঁচতীয়া গদ্য ৰচনা। চিৰকুমাৰ ৰঘুনাথ চৌধাৰীৰ কাৰণে প্ৰকৃতি আছিল জীৱনদায়িনী শক্তি, পিতৃ, মাতৃ, পত্নী, ভগ্নী, পুত্ৰ-কন্যা, ইহকাল আৰু পৰকালৰ পৰম বৈভৱ। কবিৰ দাৰ্শনিক চিন্তাত আৰু ভাষাত—"প্ৰকৃতিৰ লগত মোৰ সহবাস, পাঁচজনী কন্যা আৰু আমাডিমা পুত্ৰ এটি এৰি মৃত্যুৰ দুৱাৰ দলিত বহি ক্ষণগণি আছোহঁক।"

'নৱল্লিকা' চৌধাৰীৰ কথাকবিতা, আৰু 'পঁচতীয়া' একমাত্ৰ গল্পৰ পুথি। 'পচঁতীয়া' পাঁচোটা চিত্ৰধৰ্মী গাঁৱলীয়া পটভূমিক লৈ লিখা গ্ৰন্থ।

সংবাদ সাহিত্যত চৌধাৰীৰ নাম প্ৰসিদ্ধ। তেখেতৰ সম্পাদনাত ওলোৱা মাহেকীয়া আলোচনী জয়ন্তী (১৯৩৭), আৰু সুৰভি (১৯৪০)ত যুগৰ স্বাক্ষৰ আছে।

কবি চৌধাৰীৰ কাব্যপ্ৰতিভাৰ প্ৰতি যথাযোগ্য সন্মান জনাই নলবাৰীৰ 'সংস্কৃত সঞ্জীৱনী সভা'ই কবিৰত্ন উপাধি প্ৰদান কৰে। ১৯৩৬ চনত তেজপুৰত বহা অসম সাহিত্য সভাৰ ষোড়শ অধিবেশনৰ চৌধাৰী সভাপতি আছিল। উল্লেখযোগ্য যে কলিকতাত বহা বিশ্বশান্তি সন্মিলনত পৌৰোহিত্য কবি বিশ্বৰ এজন প্ৰথম শ্ৰেণীৰ শান্তিদূতৰ সন্মান চৌধাৰীয়ে লাভ কৰিছে।

প্ৰকৃতিবাদী কবিৰ হৃদয় মুক্ত বিহঙ্গমৰ দৰে সদায় স্বাধীন আছিল। সৰুৰে পৰা তেখেতে পৰাধীনতাক ঘিণ কৰিছিল আৰু প্ৰপীড়িত, নিষ্পেষিত লোকৰ মুক্তিৰ কাৰণে অহৰহ যুঁজ কৰিছিল। ভাৰতৰ মুক্তি সংগ্ৰামত কবি চৌধাৰীয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

অসহযোগ আন্দোলনৰ আগৰে পৰা গুৱাহাটীৰ পূব প্ৰান্তত থকা (বৰ্ত্তমান য'ত গুৱাহাটী তেল শোধনাগাৰ আছে) বীৰকুছি

(বোন্দা) গাঁৱত আদৰ্শ কৃষি পাম পাতি বিখ্যাত খেতিয়কৰ যশস্যা লাভ কৰিছিল। গাওঁখনিৰ আশে পাশে মিকিৰ সকলে বসবাস কৰি খেতি-পথাৰ কৰি থাকে। সহজ-সৰল প্ৰাণৰ মিকিৰসকল চৌধাৰীৰ নিৰ্মল জীৱনৰ অংশীদাৰ। তেওঁলোকৰ লগতে উঠা-বহা কৰে, ভোজভাত খায়, তেওঁলোকৰ মাজত ঘটা সকবৰ ঘটনা মীমাংসা কৰি দিয়ে। অঞ্চলটোৰ লোকসকলে চৌধাৰীক দেৱতা সদৃশ জ্ঞান কৰে। হোজা, সৰল হৃদয়ৰ মানুহখিনিক সংস্কাৰ কৰাৰ গুৰু-দায়িত্ব বহন কৰি চৌধাৰী হাতেকামে বহুতো কাম কৰিবলৈ লৈছিল।

নিজক সুসভ্য জাতি বুলি গৌৰৱ কৰা ইংৰাজ জাতিটোৱে কানিক নিজৰ দেশত বৰবিহ বুলি বৰ্জন কৰি ভাৰতীয়সকলৰ কাৰণে মহৌষধ বুলি প্ৰচাৰ কৰি কানিৰ ব্যৱসায় নিজৰ হাতলৈ নি অপৰ্যাপ্ত ধন ঘটিছিল। আনহাতে কানি খাই খাই এচাম অশিক্ষিত ভাৰতীয়ৰ জীৱনৰ ভিকাচন্ লাগি গৈছিল, নৰকঙ্কাল শৰীৰ লৈ ভূত-পিশাচৰ দৰে হৈ পৰিছিল। অসহযোগ আন্দোলনৰ লগে লগে অসমত কানি বৰ্জন কৰাৰ আন্দোলনে প্ৰকট হৈ উঠিল। কানি বৰ্জন আন্দোলনত আগভাগ লোৱা সকলৰ ভিতৰত বিহগী কবি ৰঘুনাথ চৌধাৰী অন্যতম। এই আন্দোলনত নামি তেখেতে বীৰদৰ্পে ইংৰাজ চাহাবৰ আগত প্ৰতিবাদ জনাই কাৰাবৰণ কৰিছিল।

১৯২১ চনৰ ৫ ডিচেম্বৰৰ দিনা চৌধাৰীক গ্ৰেপ্তাৰ কৰাৰ পৰোৱানা এখন লৈ ১৩/১৪ জনমান চিপাহীক লগত লৈ এজন ডাৰোগা চৌধাৰীৰ বোন্দাৰ পামঘৰত উপস্থিত হয়। চৌধাৰীৰ বিৰুদ্ধে কৰা অভিযোগৰ বিষয়ে সেই সময়ৰ কামৰূপৰ পুলিচ চাহাব চৌধাৰীৰ বিশিষ্ট কবি বন্ধু আনন্দচন্দ্ৰ আগৰৱালাই চৌধাৰীক জেৰা কৰা কথাখিনি তাৎপৰ্য্যপূৰ্ণ—"আপুনি মোৰ বন্ধু, সদায় আহ-যাহ কৰে ; আজি সাদিনমানৰ আগতেও এদিন আহি গৈছে। এইদৰে আপুনি মোৰ পৰা অসহযোগ আন্দোলনৰ দমনৰ উপায়বোৰ জানি

লৈ তাত সেইবোৰেৰে বাধা জন্মায়গৈ। তদুপৰি আপুনি অ'ত-ত'ত খাজনা দিয়া বন্ধ কৰিবলৈ কৈ ফুৰিছে। আপুনিনো ঠাকুৰবাবীত কি কাম কৰিছিল ?"

প্ৰত্যুত্তৰত চৌধাৰীয়ে কৈছিল—"মই তাত একো কাম কৰা নাই। দেখৰ কানি খাই, মাটি ভেটি শেষ কৰি—শৰীৰৰ অৱস্থাও সিঁহতৰ ভূত-পিশাচৰ দৰে হৈ পৰিছে। সিঁহতক কানি খোৱা বন্ধ কৰিবলৈ কোৱাটোও জগৰৰ কথা নে ?

তেতিয়া পুলিচ চাহাবে উকীলৰ নোটিচখন দেখুৱাই চৌধাৰীক জনালে—"নহয়! পিছে, চাওকচোন, এইখন গৱৰ্ণমেণ্ট প্লীডাৰে দিয়া অভিযোগ। আপুনি বোলে ৰায়তক চৰকাৰী খাজানা দিব নালাগে বুলি কৈ ফুৰিছে। এই অভিযোগতহে আপোনাক গ্ৰেপ্তাৰ কৰা হৈছে।"

৩ ডিচেম্বৰৰ দিনা চৌধাৰীক গ্ৰেপ্তাৰ কৰি নিওঁতে পানীকলৰ চুপাৰিণ্টেণ্ডেণ্ট লক্ষ্মীৰাম দাসৰ উদ্যোগত কেবা হাজাৰো লোকে শিলপুখুৰীৰ পৰা পুলিচ থানালৈ ঢোল-খোল বজাই শোভাযাত্ৰা কৰি আগবঢ়াই থৈ আহে। প্ৰথম নিশা চৌধাৰীক 'লক্-আপ'ত ৰখা হয়। চৌধাৰীৰ বৰ্ণনাত তেতিয়াৰ গুৱাহাটী পুলিচ থানাৰ 'লক্-আপ' কিদৰে পূতিগন্ধময় নৰক আছিল তাৰ আভাস পোৱা যায়—

" 'লক্-আপ' বোলোতে গুৱাহাটীৰ সদৰ থানাৰ পূব পিনে গাতে লাগি থকা গৰু-ম'হ খোৱাৰত দি ৰখাৰ নিচিনা লোহাৰ বেৰৰ এখন খোৱাৰ। কি অপূৰ্ব দৃশ্য। শৌচ-প্ৰস্ৰাবৰ অপূৰ্ব সমন্বয়ৰ কি এক গোন্ধৰ সঁফুৰা!. পূতিগন্ধময় নৰকৰ কল্পনায়ো এই নৰকৰ ওচৰত হাৰ মানিব। ম'হ-ডাঁহ, মাখি-উৰহৰ কি সুন্দৰ সহ অৱস্থান! এইবোৰৰ লগতে ময়ো 'লক্-আপ'ৰ সুখ উপভোগ কৰিলোঁ।"

চৌধাৰীক জেলৰ ভিতৰত থোৱা হ'ল। ইতিমধ্যে জেলত ৰাজবন্দী হৈ থকা কেবাজনো সতীৰ্থক লগ পালে। সি সকলৰ

ভিতৰত পয়োধৰ বৰুৱা, কমলাকান্ত মেনেজাৰ, হৰেশ্বৰ পাঠক, চন্দ্ৰকান্ত চৌধুৰী, খহুৰাম মণ্ডল, মহৰাম মহন্ত, প্ৰতাপচন্দ্ৰ নাথ, ৰূপৰাম ডেকা, খ্যাতিমল চৌধুৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, কৰ্ণ দাস, জনাৰ্দ্দন পাঠক, গিৰীশচন্দ্ৰ শৰ্মা, শৰৎচন্দ্ৰ সিংহ, দুলালচন্দ্ৰ চৌধুৰী, গোপীকান্ত চৌধুৰী, গোলোক পাঠক আৰু বাসুদেৱ দাস। চৌধাৰী প্ৰমুখ্যে বিনাশ্ৰমী কয়দীসকলক মাইকী ফাটেকত (যেহেতু তেতিয়া মাইকী কয়দী ফাটেকত নাছিল) ৰখা হৈছিল।

ওচৰা-ওচৰিকৈ তৰুণৰাম ফুকন, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, সিদ্ধিনাথ শৰ্মা গৌৰীকান্ত তালুকদাৰ আদিকো গ্ৰেপ্তাৰ কৰি শিলচৰ, যোৰহাট, আদি জেলত ভাগে ভাগে থলে। অলপ দিনৰ ভিতৰতে গোলাঘাট কংগ্ৰেছৰ চেক্ৰেটাৰী কমলেশ্বৰ শৰ্মা, দ্বাৰিকনাথ গোস্বামী, হৰিনাথ দাস, উকীল মহেশ্বৰ বৰুৱা, গকুলেশ্বৰ হাজৰিকা, আদিকো গুৱাহাটী জেললৈ অনা হয়। গুৱাহাটীৰ কংগ্ৰেছ কাৰ্যালয় খানাতালাচ কৰি আন্দোলন সম্পৰ্কীয় কিছুমান বে-আইনী কাগজ-পত্ৰ পাই কংগ্ৰেছ চেক্ৰেটাৰী গগনচন্দ্ৰ পাটোৱাৰী, শিশিৰকুমাৰ বৰুৱা, অম্বিকানাথ গোস্বামী, জ্ঞান বৰা, আদিকো গ্ৰেপ্তাৰ কৰিলে। গগনচন্দ্ৰ পাটোৱাৰী ৯ মাহ জেল হ'ল।

১৯২১ চনৰ ৬ ফেব্ৰুৱাৰী তাৰিখে কামৰূপ জিলাৰ উপায়ুক্ত আয়াৰলাণ্ডৰ চাহাব মেট্‌ চুইনিৰ আদালতত চৌধাৰীৰ বিচাৰ আৰম্ভ হ'ল। বিচাৰ আৰম্ভ হোৱাৰ লগে লগে পুলিচ চাহাব, চৌধাৰীৰ কৰিবন্ধু আগৰৱালা আঁতৰি গ'ল। দাৰোগা ৰমেশচন্দ্ৰ ভট্টাচাৰ্য। মেট্‌ চুইনিয়ে চৌধাৰীক জেৰা কৰিলে—

মেট্‌ চুইনি—আপুনি বোলে ৰাইজক খাজনা দিবলৈ মানা কৰি ফুৰিছে?

চৌধাৰী—খাজনা দিয়া বন্ধ কৰিবলৈ কোৱা নাই। মই মাথো দেশৰ বৰবিহ মদ, ভাং, কানি আদি ৰাগীয়াল বস্তু বৰ্জন কৰিবলৈ ৰাইজক কৈছোঁ।

মেট্ চুইনি—আপুনি এজন ৰাজদ্ৰোহী।

চৌধাৰী—মই ৰাজদ্ৰোহী নহয়; বিদেশী শাসনহে বিৰোধী। আপুনি মোক ৰাজদ্ৰোহী বুলি কোৱাটো কিমান সমীচীন হৈছে, সেইটো আপুনিয়েই এবাৰ ভাবি চাওক। আয়াৰলাণ্ডৰ এজন মেট্ চুইনিয়ে ইংৰাজৰ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি দুমাহ অনশন ব্ৰত কৰি প্ৰাণ ত্যাগ কৰিছিল, সেই আয়াৰল্যাণ্ডৰে আৰু এজন মেট্ চুইনিয়ে ইংৰাজৰ তলতীয়া কৰ্মচাৰী হিচাপে আহি মোক ৰাজদ্ৰোহী বুলি আখ্যা নিদি দিব কোনে?

চৌধাৰীৰ বীৰদৰ্পে কোৱা কথা শুনি মেট্ চুইনি চাহাবৰ খঙে চুলিৰ আগ পালেগৈ। লগে লগে বিচাৰকৰ কক্ষত থকা সশস্ত্ৰ পুলিচৰ দলে চৌধাৰীলৈ বন্দুক বায়নেট টোৱাই টপটিয়াৰ হৈ ল'লে। শেষত প্ৰাণে নামাৰি চৌধাৰীক এবছৰ বিনাশ্ৰম কাৰাদণ্ড বিহা হ'ল।

জেইলাৰে কয়দী সকলক কৰা অকথ্য ব্যৱহাৰৰ কাৰণে চৌধাৰী নিৰ্ভীক চিত্তে বহুবাৰ প্ৰতিবাদ জনাইছিল। ফলস্বৰূপে চৌধাৰী আৰু তেখেতৰ সতীৰ্থ গোলোক পাঠক, কমলা মেনেজাৰ, হৰেশ্বৰ পাঠক আৰু মহম্মদ সিদ্দিককে ধৰি আঠজনক নিজান ফাটেক দিছিল। নিজান ফাটেকত তেখেত সকলে চটৰ (থৈলা) কাপোৰ পিন্ধিব লাগিছিল আৰু তেখেতসকলক লোণ-জলকীয়া খাবলৈ দিয়া নহৈছিল। এদিন চৌধাৰীৰ গাকৰ তলত কেনেবাকৈ লোণ-জলকীয়া অলপ গুলোৱাও তেখেতক জেলৰ ভিতৰতে তিনি দিন হাতকেৰেয়া পিন্ধাই থৈছিল।

লঘু দোষত নাইবা বিনাদোষত জেলৰ ভিতৰত নিৰ্মমভাবে বেতাঘাত প্ৰায়েই কৰা হৈছিল। এবাৰ ল'ৰা কয়দী তিনিজনক ১৫ বেতকৈ বেত দিয়াৰ প্ৰতিবাদত চৌধাৰী প্ৰমুখে বহুতে দুৰ্ঘোৰ প্ৰতিবাদ জনাই অনাশন ধৰ্ম্মঘট কৰিছিল। উল্লেখযোগ্য যে তেতিয়াৰ পৰা জেলৰ ভিতৰত বেতদিয়া শাস্তি কমি আহিবলৈ ধৰিলে।

অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী

বিশ্ববিদ্যালয়ৰ উপাধি নেথাকিলেও যে প্রকৃত মানুহ হ'ব পাৰি, ৰমন্যাস সাহিত্যৰ সোৱাদ নলৈও যে ব্যক্তিপ্রেম, স্বদেশপ্রেমৰ শ্রেষ্ঠ কাব্য ৰচনা কৰিব পাৰি, প্লেটো-এৰিষ্টোট্‌লৰ দর্শন নপঢ়িও যে আদর্শ ৰাজনীতি জ্ঞান থকা পুৰুষ হ'ব পাৰি, হাতত মূলধন নেথাকিলেও যে শিল্প-উদ্যোগী হ'ব পাৰি, সংগীত বিদ্যালয় নাইবা নাট্যানুষ্ঠানত প্রশিক্ষণ নলৈও যে আগশাৰীৰ গায়ক, গীতিকাৰ, নাট্যকাৰ অভিনেতা হ'ব পাৰি, ভীমবলী নহ'লেও যে সৎ সাহসৰ দ্বাৰা বলবানজনক ওফৰাই পেলাব পাৰি, প্রেয়ৰ সর্বস্ব হেৰুৱাইও যে শ্রেয় লাভ কৰিব পাৰি, জীৱন যুদ্ধত বাৰে বাৰে আহত হৈও যে পৰাজয় স্বীকাৰ নকৰি শিৰ উচ্চ ৰাখিব পাৰি, লঘোণীয়া পেট লৈ থাকিও যে অযাচিতে অহা প্রলোভনৰ টকাৰ মোনা প্রত্যাখ্যান কৰিব পাৰি, পৰিয়ালৰ স্বার্থক তুচ্ছজ্ঞান কৰিও যে দেশৰ স্বার্থক আগস্থান দিব পাৰি, নিজৰ জীৱনক মৃত্যুবৎ বিপদৰ মুখত পেলাইও যে আনৰ জীৱন ৰক্ষা কৰিব পাৰি, গৃহস্থ হৈও যে ৰোগাগ্রস্ত চাকৰ-ল'ৰাৰ ভৰি ধুই শুশ্রূষা কৰিব পাৰি, প্রেম বিলাসৰ সম্রাট হৈও যে ভাগৱত প্রেমী বিদুৰ হ'ব পাৰি, বিশ্বসাহিত্যৰ সমুদ্রত অৱগাহন নকৰিও যে বিশ্বসাহিত্যৰ যোগ্য ৰচনাৰ সৃষ্টি কৰিব পাৰি, সাহিত্য-একাডেমীৰ ৰাষ্ট্রীয় পুৰস্কাৰ লাভ কৰিব পাৰি, উগ্র প্রাদেশিকতাবাদী বুলি নিন্দিত হৈও যে নির্ভেজাল জাতীয়তাবাদী হ'ব পাৰি, নৈৰাশ্যৰ থকা-খুন্দাত হাড়-মূৰ ঠেতেলা খাওঁ যে ভয়ানক আশাবাদী হ'ব পাৰি, নিজৰ সর্বস্ব দান কৰিও যে জাতিৰ আৰু দেশৰ পৰম দুর্লভ সম্পদ হ'ব পাৰি এই সকলোবোৰ উজ্জ্বল দৃষ্টান্ত আমি যিজন ব্যক্তিৰ

জীৱনত দেখিবলৈ পাঁও সেইজনেই হ'ল অসমৰ লৌহ মানৱ, অসম কেশৰী অম্বিকাচৰণ ওৰফে অম্বিকাগিৰী ৰায়চৌধুৰী।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বংশোদ্ভৱ এইজন পুৰুষে অসমৰ শ্ৰীক্ষেত্ৰ স্বৰূপ বৰপেটা ধামত ৪০৬ শঙ্কৰাব্দৰ (১৮৮৫ খৃঃ) ৰ পুহ মাহৰ ৪ তাৰিখে জন্ম গ্ৰহণ কৰি চাৰিকুৰি তিনি বছৰীয়া বৈচিত্ৰ্যময় জীৱন কটাই ১৯৬৭ খৃঃৰ জানুৱাৰী মাহৰ দুই দিন যোৱাত বৈকুণ্ঠী হ'ল। তেখেতৰ কৃতিত্বই পিতৃ কৃষ্ণৰাম ৰায়চৌধুৰী আৰু মাতৃ দৈৱকা দেৱীক ধন্য কৰিলে, পুত্ৰ-কন্যাসবক আৰু অসমীয়া জাতিটোক ধন্য কৰিলে লগতে ভাৰত বৰেণ্য পুৰুষসকলৰ সান্নিধ্য সুখত ভাৰতবৰ্ষও ধন্য হ'ল।

১৮৯৭ চনৰ বৰ ভূমিকম্পটোৰ সময়ত ৰায়চৌধুৰীৰ বয়স তেৰ নে চৈধ্য বছৰ! সাত বছৰ বয়সতে পিতৃহাৰা ৰায়চৌধুৰী মাইনৰ স্কুল পাছ কৰি উচ্চ শিক্ষাৰ কাৰণে গুৱাহাটীলৈ আহে। অসমলৈ তেতিয়াও ৰেলগাড়ী অহা নাছিল। ৰায়চৌধুৰী বৰপেটাৰ পৰা ১৬ মাইল দূৰ বাটকুৰি বাই আহি খোলাবন্ধা ঘাটত জাহাজত উঠি গুৱাহাটী অভিমুখে যাত্ৰা কৰে। সৌভাগ্যক্ৰমে সেই জাহাজতে অহা অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্য আৰু বৈষ্ণৱাত্মা হৰিবিলাস আগৰৱালাৰ সৈতে তেখেতৰ পৰিচয় ঘটে।

জাহাজ উজাই আহি পলাশবাৰীৰ ঘাটত ৰ'লহি। কিছুমান যাত্ৰী ঘাটলৈ নামি গৈ ফলমূল, দৈ-চিৰা থপাথপ্ কিনিবলৈ ধৰিলে। ৰায়চৌধুৰী জাহাজৰ ডেকত বহি মাকে যতনাই দিয়া নাৰিকলৰ লাডু আৰু খোলাচাপৰি পিঠা খাই আছিল। এনেতে এজনী আদহীয়া পোহাৰীক এজন ধুতি পিন্ধা বাবুৱে কিবা কথাত লাগি জোতাৰে কপালত গুৰিয়াই দিয়াত বেচেৰি চিত্‌ভগুলা খাই মাটিত পৰা ৰায়চৌধুৰীয়ে দেখা পালে। পোহাৰীজনীৰ কপালৰ পৰা অবিৰাম তেজ ববলৈ ধৰিলে। ৰায়চৌধুৰীয়ে এই দেখ্ দেখ্ অন্যায়ক কোনোপধ্যে সহ্য কৰিব নোৱাৰিলে। তুৰন্তে ডেকৰ পৰা দৌৰি

গৈ কোনো সোধ্-পোচ্ নকৰাকৈ ধুতি-পিন্ধা বাবুক কেবাটাও ঘোচা মাৰি জাহাজৰ চিৰিৰ পৰা পানীৰ ভুঁৱলিত পেলাই দিলে। বাবুজনে পোহাৰীৰ পৰা উচিত মূল্য নিদিয়াকৈ পকা অমিতা এটা লোৱাৰ বাবে এই অপ্ৰীতিকৰ ঘটনাটো ঘটিবলৈ পাইছিল। জাহাজৰ কেপ্টেইনৰ মধ্যস্থতাত বিচাৰ হ'ল, বাবুজনে পোহাৰীজনীক পাঁচটকা জৰিমনা দিয়াৰ উপৰিও ক্ষমা-ভিক্ষা খোজাতহে ৰায়চৌধুৰীৰ ক্ষোভ থামিল। ভট্টাচাৰ্য্য আৰু আগৰৱালাই উঠিঅহা ডেকাজনৰ সাহপিত দেখি শলাগিলে।

১৯০২ চনত পাণবজাৰৰ ব্যায়ামবীৰ বিভবানন্দ চৌধুৰীৰ ব্যায়ামশালাত ৰায়চৌধুৰী, বিষ্ণুৰাম মেধী প্ৰমুখ্যে বহুতে ব্যায়াম চৰ্চা কৰিছিল। ব্ৰহ্মপুত্ৰত সাঁতোৰ প্ৰতিযোগিতাও তাৰ এটি অঙ্গ আছিল। ৰায়চৌধুৰীয়ে প্ৰতিটো খেলতে অভূতপূৰ্ব কৌশল দেখুৱাব পাৰিছিল। ভৰ বাৰিষা ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হোৱাটো তেখেতৰ কাৰণে কোনো কথাই নাছিল। এদিন পাণবজাৰৰ ঘাটত দুপৰীয়া গা ধুই থাকোঁতে গোলোক গুৱালৰ আঠ-বছৰীয়া ছোৱালীজনী পানীৰ সোঁতত উটি গ'ল। ৰায়চৌধুৰী নিজৰ জীৱনৰ কথা নেভাবি সাঁতোৰ মাৰি ছোৱালীজনীক চুলিত ধৰিলেগৈ। ছোৱালীজনীও আশ্ৰয় পাই ৰায়চৌধুৰীক কলে জপৌকৈ সাৱতি ধৰিলে। দুয়োৰে প্ৰাণ নাশ হওঁ হওঁ। ফাঁচী বজাৰৰ ঘাটতহে ছোৱালীজনীক কান্ধত তুলি মৃতপ্ৰায় অৱস্থাত উদ্ধাৰ কৰিলে। ৰায়চৌধুৰীৰ এই দুৰন্ত সাহস আৰু শক্তিৰ লগতে নিজৰ জীৱন তুচ্ছ কৰাৰ মানৱ প্ৰেম নিহিত আছে।

১৯০৬ চনৰ এদিন দুপৰীয়া ৰায়চৌধুৰী লগৰীয়াসকলৰ সৈতে পাণবজাৰৰ ঘাটত গা-ধুই আছিল। এনেতে এজন খেৰ-বাঁহৰ বেপাৰীয়ে হেঁপাই ফেঁপাই আহি খবৰ দিলে যে ভাটিমুখী নাওঁ এখনৰ নাৱৰীয়া সকলে কলেৰা লগা ১৪।১৫ বছৰীয়া নোদোকা ল'ৰা এজনক কামাখ্যাৰ 'আদ্ধোক' বালিত দলিয়াই থৈ গুচি গ'ল। লগতে

অত্ৰাহি হৈ ক'লে যে শগুণবোৰে জাক পাতি উৰি আহি ল'ৰাটো খাবলৈ বালিত পৰিছেহি। কথা শুনি ৰায়চৌধুৰী অকলে বালিৰ ওপৰেদি দৌৰি দৌৰি গৈ প্ৰথমে শগুণৰ মুখৰপৰা ল'ৰাজনক ৰক্ষা কৰিলে। তাৰ পাছত ল'ৰাজনৰ ভেদ-বমিবোৰ ধুই চাফা কৰি গা-ধুই সলাবলৈ নিয়া কাপোৰখনেৰে মেৰাই পথালি কোলাকৈ দাঙি অভাৱনীয় শক্তি আৰু মানৱ সেৱাৰ পৰিচয় দি ভৰলুমুখৰ ওচৰত থকা কলেৰা আস্পাতাললৈ কঢ়িয়াই নি চিকিৎসা কৰালে। মানৱদৰদী, বিশিষ্ট সামাজকৰ্মী, গান্ধীবাদী ডাক্তৰ হৰিকৃষ্ণ দাস আৰু ৰায়চৌধুৰীৰ চেষ্টাত দহদিনমানৰ মূৰত ল'ৰটো আৰোগ্য হ'ল। ল'ৰাজনৰ ঘৰ হেনো বৰপেটাত। কালক্ৰমত সেই ল'ৰাজন এজন বিখ্যাত ব্যৱসায়ী হৈ উঠে। ৰায়চৌধুৰীৰ ডেকা কালৰ বহুতো বীৰত্ব আৰু মানৱীয় সুকীৰ্ত্তিৰ তিনিটাৰ উদ্ধৃতি মাথোন ইয়াত দিয়া হ'ল।

বিংশ শতাব্দীৰ প্ৰথম ভাগত সমগ্ৰ ভাৰত ব্যাপি স্বাধীনতা আন্দোলনে উগ্ৰৰূপ ধাৰণ কৰিছিল। এনেতে ১৯০৪-৫ চনৰ বঙ্গভঙ্গ আন্দোলনে যেন জ্বলা জুইত ঘীউহে ঢালি দিলে। ৰায়চৌধুৰী হাইস্কুলীয়া শিক্ষা সাং নকৰাকৈয়ে আন্দোলনত জপিয়াই পৰিল। লগে লগে ইংৰাজ চৰকাৰৰ দৃষ্টি গোচৰ হ'ল আৰু তেখেত বৰপেটাত নজৰবন্দী হৈ থাকিল। তেতিয়া ৰায়চৌধুৰীৰ বয়স আছিল মাত্ৰ ১৯।২০ বছৰ।

আগতে উল্লেখ কৰা হৈছে ৰায়চৌধুৰী মহাপুৰুষ শঙ্কৰদেৱৰ কুলোদ্ভৱ। ৰামৰায় উত্তৰ পুৰুষ আছিল বাবে 'ৰায়' আৰু ভূ-সম্পত্তি থকা বাবে 'চৌধুৰী' একত্ৰিতে ৰায়চৌধুৰী উপাধি লিখে। তেখেতে প্ৰথমে অম্বিকাচৰণা ৰায়চৌধুৰীহে লিখিছিল। ৰায়চৌধুৰীৰ মাতৃ মহা-পুৰুষৰ চৰিতকাৰ ৰামচৰণ ঠাকুৰ আৰু বনগঞ্জাগিৰিৰ ফালৰ আছিল কাৰণে নামৰ পিছত গিৰি লিখাতো অনুমান কৰিব পাৰি। কাজেই পূৰ্বপুৰুষ সকলৰ উত্তৰাধিকাৰ সূত্ৰে শৈশৱ কালৰেপৰা ৰায়চৌধুৰী

কীৰ্ত্তন, নামঘোষা, বৰগীত ভাওনা আদিৰ চৰ্চা কৰিছিল আৰু সময়ত বিখ্যাত গায়ক, গীতিকাৰ, অভিনেতা, নাট্যকাৰ হ'ব পাৰিছিল। সেই সময়ত অসমৰ ৰঙ্গমঞ্চবোৰত বঙলা নাটকৰ বহুল প্ৰচাৰ আছিল। ৰায়চৌধুৰীয়ে সেইটো কোনোপধ্যে মানি ল'ব পৰা নাছিল। স্মৰণযোগ্য যে ৰায়চৌধুৰীৰ নেৰানেপেৰা চেষ্টাত শিৱসাগৰ মঞ্চত চন্দ্ৰধৰ বৰুৱা ৰচিত 'মেঘনাথ বধ' নাটক আৰু দুৰ্গেশ্বৰ শৰ্মাৰ 'পাৰ্থ পৰাজয়' নাটক অভিনয় কৰা হৈছিল।

ৰায়চৌধুৰীৰ উদ্যোগত বৰপেটাত সনাতন সমাজ'ৰ জন্ম হয়। এই সমাজৰ সফল চেষ্টাত ১৯১২ চনত মহাপুৰুষ মাধৱদেৱৰ তিৰোভাৱ তিথিত ৰায়চৌধুৰী ৰচিত 'জয়দ্ৰথ বধ' আৰু 'ভক্তগৌৰৱ' নাট দুখনি অভিনয় কৰা হৈছিল। ৰায়চৌধুৰী দুয়োখন নাটতে অভিনয় কৰাৰ উপৰিও প্ৰযোজনা কৰিছিল আৰু বাদ্যযন্ত্ৰ বজাইছিল। নাট দুখনৰ কুশল অভিনয়ে হেজাৰ হেজাৰ দৰ্শকক আকৰ্ষণ কৰিব পাৰিছিল। বৰপেটা, গুৱাহাটী, ধুবুৰী, ডিব্ৰুগড়, যোৰহাট, গোৱালপাৰা আদি জিলাৰ গাঁৱে-নগৰে কমেও তিনি বছৰ নাট দুখন সগৌৰৱে অভিনিত হৈছিল। নিমন্ত্ৰণ কৰা অনুষ্ঠান সমূহে প্ৰতি নিশাৰ বাবে ৬০ টকা দিব লাগিছিল আৰু ৰায়চৌধুৰী নিজে বেহেলা বজালে অতিৰিক্ত ১০ টকা দিব লাগিছিল। ৰায়চৌধুৰীৰ 'কল্যাণময়ী' নাট 'শৰাই ঘাটৰ যুদ্ধ'ৰ আলম লৈ লিখা হ'লেও এখনি কাল্পনিক নাটহে। এই নাটখনিৰ কিছু অংশ সেই কালতে ৰাৱণ নাথৰ দ্বাৰা 'হিজ মাষ্টাৰ্চ ভয়চ' কোম্পানীয়ে ৰেকৰ্ড কৰি বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছিল।

ৰায়চৌধুৰীৰ সঙ্গীতৰ প্ৰতি থকা প্ৰেৰণা আৰু আকৰ্ষণ বিশেষভাৱে মন কৰিবলগীয়া। ১৯২৭ চনত তেখেতে পাণবজাৰৰ 'কামৰূপী সঙ্গীত বিদ্যালয়' স্থাপন কৰে। এই বিদ্যালয়ৰ আন দুজন কৃতী আৰু কুশলী ছাত্ৰ ৺শশীকান্ত গোস্বামী (সঙ্গীতাচাৰ্য) আৰু শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা। ৰায়চৌধুৰীৰ সঙ্গীতে ১৯২৬ চনত পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৪৫ তম অধিৱেশনত বিশেষ খ্যাতি

অৰ্জন কৰিছিল। ৰায়চৌধুৰী ৰচিত "আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট নৰনাৰায়ণ ৰূপ" আৰু "কাৰ কি আহ্বান" এই গীত দুটিৰে দুদিনৰ অধিবেশন উদ্বোধন কৰা হৈছিল। ডক্টৰ বাণীকান্ত কাকতিয়ে এই গীত দুটা ইংৰাজীলৈ অনুবাদ কৰি নিজ খৰচত ছপা কৰি দৰ্শকক বিলাই দিছিল। "ফ্ৰি প্ৰেছ অব্ ইণ্ডিয়া" নামৰ সংবাদ প্ৰতিষ্ঠানৰ জৰিয়তে সৰ্বভাৰতীয় বাতৰি কাকতসমূহত এই গীত দুটা প্ৰচাৰিত হৈছিল। মহাত্মা গান্ধী, সৰোজনী নাইডু, চৰ্দ্দাৰ পেটেল আদিয়ে ৰায়চৌধুৰীৰ গীত শুনি তন্ময় হৈছিল। গায়ক-গায়িকাসকল আছিল শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা, পদ্মধৰ চলিহা, উমেশচন্দ্ৰ চৌধাৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, শ্ৰীমতী পুষ্পলতা দাস, লীলাৱতী দেৱী, প্ৰিয়লতা কাকতি, ৰায়চৌধুৰী নিজে আৰু বহুতো ডেকা-ডেকেৰী।

সংগীতৰ সমানেই অভিনয় আৰু নৃত্যতো ৰায়চৌধুৰী পাৰ্গত আছিল। ১৯১৫ চনৰ পৰা ১৯১৮ চনলৈ ৰায়চৌধুৰী ডিব্ৰুগড়ত আছিল। আৰু সেই কালছোৱাৰত উজনি অসমৰ প্ৰায়বোৰ মঞ্চতে তেখেতে নৃত্য, গীত আৰু অভিনয় কৰিছিল। সেই সময়ত অসমীয়া আলোচনী বুলি ক'বলৈ গ'লে বেজবৰুৱাৰ বাঁহীখনহে নিয়মীয়াকৈ, তাকো সম্বলপুৰৰ পৰা প্ৰকাশ পাইছিল। বেজবৰুৱাৰ বাঁহীত ৰায়-চৌধুৰীৰ স্বাধীন চিন্তা আৰু কামৰূপীয়া শব্দ-যোজনাই উপযুক্ত ঠাই নোপোৱাত নিজে এখন আলোচনী প্ৰকাশ কৰাৰ আশা কৰিছিল। কিন্তু নিজৰ প্ৰেছ নহ'লে তেওঁৰ আশা পূৰণ নহ'ব বুলি প্ৰথমে প্ৰেছ এটা স্থাপন কৰাৰ কথাকে দিনে-ৰাতিয়ে চিন্তা কৰিবলৈ ধৰিলে।

এনেতে তাৰানাথ চক্ৰৱৰ্ত্তী কাব্যবিনোদৰ সম্পাদনাত মাহেকীয়া আলোচনী 'আসাম বান্ধৱে' জন্ম পালে আৰু ৰায়চৌধুৰী সহকাৰী-সম্পাদক নিযুক্ত হ'ল। ডাক্তৰ হৰিকৃষ্ণ দাস, কালিৰাম মেধি, ভাৰতচন্দ্ৰ দাস আৰু গঙ্গাৰাম চৌধুৰী 'আসাম বান্ধৱ'ৰ পৃষ্ঠপোষক আছিল। কিন্তু তাতো ৰায়চৌধুৰীৰ স্পষ্ট মতবাদ দাঙি ধৰাত

বাধা অহা কাৰণে কাম ইস্তফা দিলে। নিজাকৈ প্ৰেছ খোলাৰ চিন্তাই ৰায়চৌধুৰীক অতিশয় ব্যগ্ৰ কৰি তুলিলে। বন্ধু লক্ষ্মীনাথ ফুকনৰ লগত মাত্ৰ ৩৫০ টকা মূলধন লৈ প্ৰেছৰ সন্ধানত কলিকতালৈ গ'ল। সেই সময়ত কলিকতাত পঢ়ি থকা বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, আদিক লগ পালে। তেখেতসকলে ৰায়চৌধুৰীৰ উদ্যমত হেনো চেঁচাপানী ঢালিলে। ৰায়চৌধুৰী আবেগত চিঞৰি উঠিল—"প্ৰেছ এখন নাপালে মোৰ জীৱন নাবাচিব।"

বিফল মনোৰথ হৈ তেখেত উভতি আহিল। নানা প্ৰবন্ধৰ পিছত অসাধ্য সাধন কৰি বৰপেটাৰ পণ্ডিত নাৰায়ণ মিশ্ৰৰ হেণ্ড্ প্ৰেছটো মাহে ২০ টকা ভাৰা বন্দবস্ত কৰি গুৱাহাটীলৈ আনিলে। পাণবজাৰৰ বৰপেটীয়াপাৰা নামঘৰৰ বাষত প্ৰেছ স্থাপন কৰি পঞ্চম দিনা ছপা কাম আৰম্ভ হ'ল। মৰমৰ ভাতিজীৰ নামেৰে প্ৰেছটোৰ নাম থোৱা হ'ল "অৰুণা-প্ৰেছ"। সেই সময়ত গুৱাহাটীত সেইটোৱেই একমাত্ৰ চলতি প্ৰেছ আছিল। ৺মথুৰামোহন বৰুৱাই 'এডভোকেট অব্ আসাম' প্ৰকাশ কৰা "হেণ্ড্প্ৰেছটোও অব্যৱহৃত হৈ পৰি আছিল। আগৰৱালাৰ নিউ প্ৰেছ তাৰ বহুতো পিছতহে স্থাপিত হৈছিল। ৰায়চৌধুৰীৰ একচেতীয়া প্ৰেছ ব্যৱসায় দিনে দিনে গা কৰি উঠিল। "এডভোকেট অব্ আসাম" প্ৰকাশ কৰা প্ৰেছটোৰ গৰাকী আছিল বৰপেটাৰ ভোগজুৰ মহাজন। নানা লটি-ঘটিব পিছত মাহে দহ টকা ভাড়াত সেই প্ৰেছটোও অনা হ'ল। কেইমাহ মানৰ ভিতৰতে মাত্ৰ দুটকা মূলধনেৰে আৰম্ভ কৰা "অৰুণা-প্ৰেছে" খৰ-ভৰচ বাদ দি তিনি-চাৰি হেজাৰ টকা লাভ দেখুৱালে। এনেতে বিখ্যাত 'টাইমচ্ অব্ ইণ্ডিয়া' কাকতৰ সহকাৰী মেনেজাৰ তথা সহকাৰী সম্পাদক ৰামচন্দ্ৰ ব্ৰহ্মচাৰী গুৱাহাটী পালেহি। মহাৰাষ্ট্ৰীয় এই ব্ৰাহ্মণ-ব্ৰহ্মচাৰীজনে নিপুণ অভিজ্ঞতাৰে অযাচিতে ৰায়চৌধুৰী আৰু তেখেতৰ প্ৰেছৰ কৰ্মীসকলক প্ৰেছ সম্পৰ্কীয় বহুতো নতুন কৌশল শিকালে। শেষলৈ ব্ৰহ্মচাৰীয়ে ৰায়চৌধুৰীক কলিকতাৰ

পৰা পচিশ হেজাৰ টকা মূল্যৰ স্বয়ং চালিত প্ৰেছ এটা মাত্ৰ পাঁচ হেজাৰ টকাতে কিনি দিয়াৰ প্ৰস্তাৱ দিছিল। কিন্তু আৰ্থিক ভাল নথকাত তেওঁ প্ৰেছটো কিনিব নোৱাৰিলে। সেই প্ৰেছটোকে পিছত কলিকতাৰ পৰা আনি গুৱাহাটীৰ খাৰঘূলিত স্থাপন কৰি 'নিউপ্ৰেছ' নাম দিয়া হৈছিল। এই নিউপ্ৰেছৰ পৰাই আগৰৱালাৰ সাদিনীয়া 'অসমীয়া বাতৰি' আৰু বেজবৰুৱাৰ 'বাঁহী' নিয়মিতভাৱে প্ৰকাশ পাইছিল। ৰায়চৌধুৰীৰ অৰুণা-প্ৰেছৰ বত্ৰিশজন কৰ্মীৰ ভিতৰত গোবিন্দ গগৈ, ছুতিৰাম মেধি, পূৰ্ণ কাকতি, বালেক কলিতা, প্ৰতাপচন্দ্ৰ তালুকদাৰ, সোণাৰাম বেজ, আনন্দিৰাম দাস, বৰদা বিষয়, কৃষ্ণ হাজৰিকা আৰু ইমতাদ ৰহমানৰ নাম বিশেষ উল্লেখযোগ্য।

"ইচ্ছা য'ত, বাট ত'ত" বুলি এষাৰ প্ৰবাদ বাক্য আছে। বহু আকাঙ্খিত 'অৰুণা-প্ৰেছ' স্বাৱলম্বী হৈ উঠিল। ১৯১৯ চনত মহাপুৰুষৰ আবিৰ্ভাৱৰ তিথিৰ দিনা ৰায়চৌধুৰীৰ প্ৰাণ প্ৰতিষ্ঠাৰ সেঁতু 'চেতনা'ই জন্ম পালে। 'চেতনা' মাহেকীয়া আলোচনী আৰু তাৰ যুটীয়া সম্পাদক আছিল ৰায়চৌধুৰী আৰু দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা। 'চেতনা' পূৰাপূৰি জাতীয় আলোচনী যিখনৰ জৰিয়তে অসমৰ জাতীয়তাবাদী আন্দোলনৰ নেতা, কবি, সাহিত্যিকসকলে অসমীয়া জাতিটোৰ গাত চেতনা জগাবলৈ কবিতা, প্ৰবন্ধ আদি দি সকলো প্ৰকাৰে সকলো দিশত সহায় কৰিছিল। সিসকলৰ ভিতৰত ৰঘুনাথ চৌধাৰী, ডঃ সূৰ্যকুমাৰ ভূঞা, জ্ঞাননাথ বৰা, অম্বিকানাথ বৰা, চন্দ্ৰনাথ শৰ্মা, হৰিনাৰায়ণ দত্তবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী বস্তুকান্ত বৰকাকতী পদ্মধৰ চলিহা, কৃষ্ণকান্ত সন্দিকৈ, সৰ্বেশ্বৰ শৰ্মা কটকী, চাইফুদ্দিন আহমদ, সোণাৰাম চৌধুৰী, হেৰাছত উল্লা, গোপালকৃষ্ণ দে আদি।

চেতনাৰ মূল লক্ষ্য আছিল ভাৰতীয় মহাজাতিৰ বিশিষ্ট ঠেঙুলি অসমীয়া জাতিৰ প্ৰাচীন সভ্যতা আৰু গৌৰৱ পূৰ্ণোদ্যমে ৰক্ষা

কৰাটো। ৰায়চৌধুৰীৰ ভাষাত "অসমীয়া জাতিয়েও নিজৰ পূৰ্ব গৌৰৱ উদ্ধাৰ কৰি, নিজস্ব আদৰ্শ অনুযায়ী সভ্যতাৰ সুদৃঢ় ভেটি সাজি তুলিবলৈকে সেইবিলাক উপায় অৱলম্বন কৰিব লাগিব। এইখিনি কৰিব লাগিলে অসমীয়া জাতিয়ে স্পষ্টকৈ বুজিব লাগিব যে দেশৰ জাতীয় স্বাৰ্থৰ আগত ব্যক্তিগত স্বাৰ্থ অতি হীন, দেশৰ জাতীয় গৌৰৱৰ আগত নিজৰ সম্প্ৰদায়িক আৰু ব্যক্তিগত স্বাৰ্থ অতি ঠেক, দেশৰ জাতীয় গৌৰৱৰ মঙ্গলৰ তুলনাত ব্যক্তিগত আৰু সম্প্ৰদায়িক মঙ্গল অতি তুচ্ছ।"

১৯১৯ চনত জালিয়ানাৱালাবাগত ইংৰাজে ঘটোৱা নৃশংস হত্যাকাণ্ডৰ লগে লগে ভাৰত ব্যাপি স্বাধীনতা আন্দোলন প্ৰকট হৈ উঠিল। মহাত্মাগান্ধীয়ে ইংৰাজৰ এই বৰ্বৰোচিত কাৰ্যৰ বাবে প্ৰতিবাদ কৰি অসহযোগ আন্দোলনৰ আহ্বান দিলে। লগে লগে বিদেশী বস্ত্ৰ বৰ্জন আৰু স্বদেশী বস্ত্ৰ গ্ৰহণ কাৰ্যসূচীও আৰম্ভ হ'ল। ৰায়চৌধুৰীৰ বাবে এইটো থিৰে থকাৰ সময় নহয়। প্ৰেছ ব্যৱসায়ক ৰায়চৌধুৰী প্ৰেছ হিচাপে নলৈ দেশ সেৱাৰ অনুষ্ঠান হিচাপেহে লৈছিল। তথাপি তাত জীৱিকাৰ ক্ষুদ্ৰ স্বাৰ্থ এটি নিহিত আছিল বাবে বিশ্বস্ত কৰ্মীদ্বয় হৰগোবিন্দ দত্ত আৰু ৰমেশ চৌধুৰীৰ হাতত 'অৰুণা' আৰু 'চেতনা'ৰ দায়িত্ব থৈ আন্দোলনত জপিয়াই পৰিল। জন্মস্থান বৰপেটালৈ গৈ সভা-সমিতি পাতি তেজোদ্দীপক, অগ্নিবৰ্ষী বক্তৃতা দিবলৈ ধৰিলে। দক্ষিণহাটীত বীজমেন চাহাব আৰু দুশ ইংৰাজ চিপাহীৰ সাক্ষাতত বিদেশী কাপোৰৰ দ'মত ৰায়চৌধুৰীয়ে অগ্নি সংযোগ কৰিলে। পৰিণতি স্বৰূপে পিছদিনাই ৰায়চৌধুৰীক গ্ৰেপ্তাৰ কৰা হ'ল। বীজমেনৰ বিচাৰত ৰায়চৌধুৰীৰ ডেৰ বছৰ আৰু সতীৰ্থ হৰিবৰ বৰ্মানৰ এবছৰ সশ্ৰম কাৰাদণ্ড হ'ল। দুয়োকো হাতকেৰেয়া মাৰি বৰপেটাৰ পৰা সৰভোগ হৈ গুৱাহাটী পোৱালেহি। গুৱাহাটীৰ জেলৰ ভিতৰত ৰায়চৌধুৰীয়ে বিদ্ৰোহ আৰম্ভ কৰাত তেজপুৰ জেললৈ নিয়া হ'ল। তেজপুৰ জেলত থকা সময়তে,

১০।৩।২১ তাৰিখে ৰাতি জুই লাগি ৰায়চৌধুৰীৰ প্ৰাণাধিক অৰুণা-প্ৰেছ পুৰি ভস্মীভূত হ'ল।

বৰপেটাত পুলিচে গ্ৰেপ্তাৰ কৰাৰ পিছত ডাঃ ভুৱনেশ্বৰ বৰুৱা, ডাঃ হৰিকৃষ্ণ দাস, কোঁহিৰাম দাস, জনাৰ্দ্দন দাস, অক্ষয় কুমাৰ দাস, ডঃ জগদীশ মেধি আৰু ককায়েক গিৰীশ চন্দ্ৰ ৰায়চৌধুৰী আদিয়ে দেখুৱা মৰম চেনেহ, আশীৰ্বাদ, অভিনন্দনক ৰায়চৌধুৰীয়ে তেখেতৰ "মোৰ জীৱন ধুমুহাৰ এছাটি" নামে আত্মজীৱনীমূলক প্ৰবন্ধত শ্ৰদ্ধাৰে সুঁৱৰিছে।

ৰায়চৌধুৰীক অন্ধকাৰ চেলত ৰখা হৈছিল। চেলৰ ওপৰত থকা সৰু ফুটা এটাৰে তেখেতক আহাৰ দিয়া হৈছিল। আত্মীয় জনেও পুলিচৰ সাক্ষাতত সেই ফুটাটোৰে ক্ষন্তেক চাই আহিব লাগিছিল। কাৰো লগত কথা-বতৰা পাতিবলৈ দিয়া নহৈছিল। ৰায়চৌধুৰী প্ৰতিদিনে দুপাঁচিকৈ শিল ভাঙিব লাগিছিল।

"তই ভাঙিব লাগিব শিল,।
নোৱাৰো বুলিলে নহব যে ভাই, টিলতে পৰিব কিল।"

কাৰাগাৰত ঝাৰু দিয়া কাম ফেৰাও ৰায়চৌধুৰীৰ ভাগতে পৰিছিল।

"ধৰ ঝাৰু ধৰ ভাই আৰু চাবৰ সময় নাই—
চাই থাকোঁতে মুখত কেৱল, ভৰিল কাজল ছাই।"

এবছৰ সশ্ৰম কাৰাগাৰত কটাই ৰায়চৌধুৰী মুক্তি পাই গুৱাহাটী-লৈ আহিল। জীৱনজোৰা সাধনাৰে প্ৰতিষ্ঠা কৰা অৰুণাপ্ৰেছ পুৰি ছাৰখাৰ হোৱা দৃশ্যই প্ৰাণত দাৰুণ আঘাত হানিলে। কিন্তু জীবন যুদ্ধত প্ৰাণ গলেও পৰাজয় বৰণ নকৰা ৰায়চৌধুৰীয়ে কম দিনৰ ভিতৰতে অৰুণাপ্ৰেছক পুনৰ জীৱন দিলে। আগৰদৰে ভৱানী গোৱালিনীৰ মুৰীৰ ভুখন পিঠা আৰু এলোটা পানী খাই কৃচ্ছ্ৰ সাধনাত লাগিল। চেতনাই পুনৰ চেতনা পালে। ইতিমধ্যে ১৯২৩ চনত ৰায়চৌধুৰীৰ ৰাজনৈতিক ৰচনা পুথি 'শঙ্খধ্বনি' প্ৰকাশ পোৱাত পুলিচে

পুথিখন বাজেয়াপ্ত কৰিলে। ইয়াৰ আগতে 'বন্দিনী ভাৰতমাতা' নামৰ নাটকখনো বাজেয়াপ্ত কৰা হৈছিল।

কাৰাবাসৰ পৰা ওলাই আহাৰ পিছত ৰায়চৌধুৰীৰ নলবাৰীৰ কালিচৰণ চৌধুৰীৰ কন্যা শ্ৰীমতী কৌশল্যাদেৱীৰ লগত বিবাহ সম্পন্ন হয়। উল্লেখযোগ্য যে দৰা কইনাই পাট কাপোৰৰ সাজ-পোচাকৰ পৰিবৰ্তে খদ্দৰৰ পোচাকহে পিন্ধিছিল। সংসাৰৰ দায়িত্ব ৰায়চৌধুৰীৰ বাবে গৌণ আছিল। বিবাহৰ পাছতে আকৌ আন্দোলনত জঁপিয়াই পৰিছিল।

পাণ্ডু কংগ্ৰেছ মহাসভাৰ অন্তত ৩১ ডিচেম্বৰৰ (১৯২৬) দিনা সভা-মণ্ডপতে গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ স্বৰ্গীয় পিতাম্বৰ গোস্বামীৰ পৌৰহিত্যত 'সংৰক্ষিণী সভাৰ' প্ৰথম মুকুলি সভা অনুষ্ঠিত হয়। ১৯৩৬ চনত সংৰক্ষিণী সভাখনেই অসম জাতীয় মহাসভাত পৰিণত হয় আৰু ৰায়চৌধুৰীৰ সম্পাদানত ২২ জুলাইৰ পৰা 'ডেকা অসম' মুখপত্ৰই অসমীয়া জাতিৰ স্বাৰ্থ ৰক্ষাৰ ভালেমান প্ৰতিজ্ঞা লৈ নিয়মিতভাবে প্ৰকাশ পাবলৈ ধৰে। অৱশ্যে নামত সংবাদ পত্ৰ হলেও মহাত্মা গান্ধীৰ "ইয়ং ইণ্ডিয়াৰ" চানেকিৰে মতবাদী পত্ৰিকা হিচাপেহে "ডেকা অস" প্ৰকাশ কৰা হৈছিল। কাকতখনত সাহিত্য, সংস্কৃতি আৰু সমন্বয়মূলক প্ৰবন্ধক অগ্ৰাধিকাৰ দিয়া হৈছিল। এই কাকত-খনৰ জৰীয়তে পৰ্বত-ভৈয়াম, হিন্দু-মুছলমান, পমুৱা-বহিৰাগত, বঙালি, মাৰোৱাৰী আদি সকলো গোষ্ঠীৰ লোকৰ সন্মুখত এক বৃহৎ অসমীয়া জাতি গঠনৰ আদৰ্শ দাঙি ধৰা হৈছিল। অতি পৰিতাপৰ কথা সেই সময়ত ৰায়চৌধুৰীৰ এই আহ্বানৰ প্ৰতি খুব কম লোকেহে কাণসাৰ দিছিল।

কবি হিচাপে ৰায়চৌধুৰীৰ স্থান নিৰ্ণয় কৰি বিশ্ব কবিৰ আসন পাব পৰা কবি বুলি ডক্টৰ কাকতি দিয়া মন্তব্য নিশ্চয় প্ৰণিধান যোগ্য। ৰায়চৌধুৰীৰ কবিতাই ক্ৰমে ব্যক্তিপ্ৰেম আৰু ভাগৱৎ প্ৰেমৰ পৰা উৰ্দ্ধগতি কৰি স্বদেশ প্ৰেমত "দেশেই ভগৱান" ৰূপত ধৰা

দিছে। 'তুমি' কাব্যত প্ৰথমে প্ৰেমিকাৰ সান্নিধ্যত পৰি উঠা ব্যক্তিপ্ৰেম পিছলৈ বিশ্বপ্ৰেমত পৰিণত হৈছে—

"আজি মোৰ সাধনা ফুলনি
কাৰ কিনো পাই উদগনি
পোহৰাই মহা বিশ্বখনি
উলাহেৰে হাঁহিছে।"

জাতীয়তাবাদী কবিৰ "দেশেই ভগৱান" কবিতাত স্বদেশ প্ৰেমৰ চৰম নিদৰ্শন প্ৰকাশ পাইছে। তাত কৃত্ৰিমতাৰ গোন্ধ নাই।

"দেশ দেশ দেশ
দেশেই মোৰ ধ্যান জ্ঞান
দেশেই মোৰ ভগৱান
সাধ্য-আৰাধ্য পৰমেশ।"

ৰায়চৌধুৰীৰ কাব্যসমূহ ক্ৰমে তুমি (১৯০৭—১৯১৬), বীণা (১৯০৭—১৯১৬), অনুভূতি (১৯১০—১৯৫৪), স্থাপন কৰ স্থাপন কৰ (-১৯৫৮); গীতসমূহৰ সংকলন—বন্দো কি ছন্দেৰে (১৯০৫—১৯৫০); নাটবোৰ—জয়দ্ৰথ বধ (ৰচনা ১৯১১); ভক্ত গৌৰৱ (১৯১১); কল্যাণময়ী (১৯১১), গদ্য ৰচনাসমূহ জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনৰ পথ (১৯১৪ খৃঃ); শতধাৰ (১৯২৩); আহুতি (১৯১৪—১৯৫০); ডেকা-ডেকেৰীৰ বেদ (১৯৩৫-১৯৪১); ভাৰতীয় স্বৰাজ আৰু অসমীয়া স্বৰাজ (১৯৩৪), স্বাধীন পঞ্চায়ৎ ৰাষ্ট্ৰগঠনৰ প্ৰাথমিক খাঁচনি (১৯৪২); আত্মৰক্ষী বাহিনী গঠন (১৯৬৬)। এইবোৰৰ উপৰিও আসাম বান্ধৱ, চেতনা, ডেকা অসম, তিনিদিনীয়া অসমীয়া, আৱাহন, অসম বাতৰি আদিত প্ৰকাশিত প্ৰায় তিনিকুৰি অমূল্য প্ৰবন্ধ আছে। ৰায়চৌধুৰীৰ কাৰাগাৰৰ কবিতাবোৰ ডঃ বাণীকান্ত কাকতি আৰু ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই "Songs of the Cell" (১৯৫২) আৰু "জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি স্থাপনৰ পথ"

নামৰ গ্ৰন্থখনিও মহেন্দ্ৰ বৰাই "Final goal of A Man and Lasting peace" (১৯৬৩) নাম দি ইংৰাজীলৈ অনুবাদ কৰিছে। এই ইংৰাজী অনুবাদ পুথখনে বাৰ্ট্ৰাণ্ড ৰাসেল (Bertrand Russell), চি. ৰাজাগোপালাচাৰী (C. Rajagopalachari), জৱাহৰলাল নেহৰু (Jawaharlal Nehru), হুমায়ুন কবিৰ (Humayun Kabir) আৰু চোভিয়েট ৰাছিয়াৰ ভি. এম. কুপিস্কো (V. M. Kupisco) আদিৰ পৰা উচ্চ প্ৰশংসা পাইছে।

অসম সাহিত্য সভাৰ জন্মলগ্নৰে পৰা ৰায়চৌধুৰী ইয়াৰ লগত জড়িত। ডিব্ৰুগড়ত থকা সময়ত ১৯১৭ চনৰ ২৮ চেপ্তেম্বৰ তাৰিখে শিৱসাগৰত ভাবাপ্ৰসাদ চলিহাৰ পৌৰোহিত্যত "অসম সাহিত্য সভা" গঠনৰ সিদ্ধান্ত লোৱা হৈছিল। ৰায়চৌধুৰী ডিব্ৰুগড়ত সাহিত্য সভা এখন পতাৰ উদ্যোগ লয় আৰু সেই বছৰতে ডিচেম্বৰ মাহত পদ্মনাথ গোহাঞি বৰুৱাৰ সভাপতিত্বত শিৱসাগৰত অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন বহে। ৰায়চৌধুৰী ডিব্ৰুগড় সাহিত্য সভাৰ পৰা তাত প্ৰতিনিধি হিচাপে যোগ দি সেই অধিবেশনতে কাৰ্যনিৰ্বাহকৰ সদস্য নিৰ্বাচিত হয়। তেতিয়াৰ পৰা মৃত্যুৰ দিনালৈকে ৰায়চৌধুৰী অসম সাহিত্য সভাৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। ১৯৪৪ চনত শিৱসাগৰত বহা অসম সাহিত্য সভা অধিবেশনৰ ৰায়চৌধুৰী সঙ্গীত শাখাৰ সভাপতি আৰু ১৯৬০ চনৰ ১১ আৰু ১২ মাৰ্চত ধাৰেবিটাত বহা একবিংশ অধিবেশনৰ সভাপতি আছিল।

আজীৱন বিপ্লবী, অসম কেশৰী অম্বিকাগিৰীয়ে জীৱনকালত সমাজ আৰু চৰকাৰৰ ওচৰত উচিত বিচাৰ নোপালে বুলি অনুভৱ হয়। আদৰ্শনিষ্ঠ ৰায়চৌধুৰীয়ে অসম চৰকাৰে দিয়া সাহিত্যিক পেঞ্চন অসম ৰাজ্য ভাষাৰ দাবীত প্ৰত্যাখ্যান কৰিলে। অনুগ্ৰহ বিচাৰি ৰজা-প্ৰজা কাৰো ওচৰত কেতিয়াও মূৰ নত নকৰিলে। নিষ্ঠুৰ অমানবীয় আইনৰ কবলত ৰায়চৌধুৰীৰ উগ্ৰ আৰু প্ৰাণদান

তিনিবাৰ উচ্ছেদ হ'ল। ভগৱৎ-প্ৰাণ ৰায়চৌধুৰীয়ে জীৱনৰ প্ৰতিটো ধুমুহাকে ঈশ্বৰ প্ৰদত্ত বুলি মানি লৈছিল—

"সকলো তুমি যে নাথ
[illegible]
জগতত দেখিছোঁ বিনাৰ।"

যিজন মহান ব্যক্তিয়ে আদৰ্শক ওৰে জীৱনে শ্ৰেষ্ঠ স্থান দি দাৰুণ অভাৱ অনাটনৰ মাজত কঠোৰ জীৱন কটাইছিল, জাতিৰ স্বাৰ্থ ৰক্ষাৰ হেতু পত্নীৰ অলংকাৰ বিক্ৰী কৰি সেই টকাৰে দেশৰ বৰ বৰ নেতালৈ তাঁৰবাৰ্তা পঠাইছিল; কন্যা শ্ৰীমতী শুচিব্ৰতা ৰায়চৌধুৰীৰ বৃত্তিৰ পইচাখিনিৰে বজাৰ কৰিছিল; ডেকা অসম পঠোৱাৰ কাৰণে ডাক-টিকট কিনিছিল, অন্নানী গোৱালিনীৰ পৰা গুৰীৰ পিঠা আৰু পানী খাই আৰ্জা ধন দেশ স্বাধীন হোৱাৰ কামত খৰচ কৰিছিল, মহাত্মা গান্ধী, সৰোজিনী নাইডু, ৰবীন্দ্ৰনাথ ঠাকুৰ, জৱাহৰলাল নেহৰু, চৰ্দাৰ পেটেল, বাৰ্টাণ্ড ৰাছেল আদিৰ দৰে মনীষীসকলৰ পৰা মৰম আশীৰ্বাদ পাইছিল, দেশেই যাৰ ভগৱান আছিল সেইজন অসমৰ সিংহবিক্ৰমী পুৰুষ ৰজাঘৰ প্ৰজাঘৰৰ দ্বাৰা জীৱনত পদে পদে লাঞ্ছিত হৈছিল, প্ৰাদেশিকতাবাদী বুলি অন্যায়ভাৱে ঘোষিত হৈছিল। দেশৰ কাৰণে প্ৰাণ আহুতি দিয়া ৰায়চৌধুৰীৰ পঞ্চভৌতিক দেহ ৮৩ বছৰ বয়সত ১৯৬৭ চনৰ ২ জানুৱাৰী তাৰিখে পঞ্চভূতৰ মাজত বিলীন হৈ গ'ল, কিন্তু তেওঁৰ বেদনাৰ উকাৰোৱে অসমৰ আকাশত আজিও অতৃপ্ত 'বাসনা' লৈ যেন উৰি ফুৰিছে। সন্দেহ নাই, ৰায়চৌধুৰীৰ অমৰ আত্মাই অসমৰ ডেকা-গাভৰুক যুগ-যুগান্তৰলৈ জাতিৰ স্বাৰ্থৰক্ষাৰ সংগ্ৰামকৰি থাকিবলৈ মনত উদ্গাই; শৰীৰত শক্তি আৰু মনত নিভাঁজ দেশপ্ৰেম দি থাকিব।

ইতিহাসৰত্ন বেণুধৰ শৰ্মা

"কোনেও নজনা-নশুনা ধনাই মনাই একো জনৰ অন্তৰত আগন্তুক পৰিবৰ্তনে কেনেকৈ খুন্দিয়া খুন্দি কৰিছিল আৰু সেই খুন্দিয়া খুন্দিয়ে মোৰ হৃদয় ৰাজ্যত কেনেকৈ চৌপাশে থকা পৰিৱেশৰ পোহৰ পট এখনি চাব মাৰি থৈ গ'ল, তাৰেই এটি জান-নেজান চিন মাত্ৰ।"

সাহিত্য একাডেমী পুৰস্কাৰ প্ৰাপ্ত ২৭৭ পিঠিয়া গ্ৰন্থ কংগ্ৰেছৰ কাঁচিয়লি ৰ'দৰ গ্ৰন্থকাৰ বেণুধৰ শৰ্মাই মাত্ৰ আধাপিঠিয়া পাতনি-খনিত লিখা উদ্ধৃতি কথাখিনিয়েই গ্ৰন্থখনিৰ প্ৰতিপাদ্য বস্তু। জনতাৰ মানুহ বেণুধৰ শৰ্মাৰ প্ৰাণ এই গ্ৰন্থখনিৰ মাজত মহ্‌মহীয়া গোন্ধে আমোল মোল কৰি থকা পকা কঁঠালৰ কোঁহৰ দৰে লিপিত খাই আছে।

১৯৬১ চনৰ ২৬ মাৰ্চৰ দিনা নতুন দিল্লীত প্ৰধানমন্ত্ৰী প্ৰয়াত পণ্ডিত জৱাহৰলাল নেহৰুৰ হাতৰ পৰা 'মখ্‌মলৰ সঁফুৰা'সহ পাঁচ হেজাৰ টকীয়া পুৰস্কাৰ লাভ কৰা সময়ত পণ্ডিত নেহৰুজীয়ে গ্ৰন্থখনিৰ উচ্চ প্ৰশংসা কৰিছে। অসম আকাশৰ এই উজ্জ্বল নক্ষত্ৰটিয়ে অসমীয়া বুৰঞ্জী সাহিত্য, জীৱনী সাহিত্য, সংবাদ সাহিত্য, শিশু সাহিত্যৰ প্ৰতিটো দিশতে শাৰদীয় জোনৰ পোহৰ পেলাই থৈ গৈছে। বুৰঞ্জী সাহিত্য চৰ্চাত তেখেত ওৰে জীৱন মনপুতি লাগিছিল। ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰদৰে বুৰঞ্জীৰ গভীৰ অধ্যয়ন নকৰিলেও বুৰঞ্জীৰ শুকান হাড়মূৰ বহুকষ্টে গোটাই স্বকীয় বিশিষ্ট গদ্যশৈলীৰ সৃষ্টি কৰি কালিকা লগা কলমেৰে তাত অস্থি-মাংস গাঁথি প্ৰাণ সঞ্চাৰ কৰিছিল। ইতিহাস চৰ্চাক শ্বাস-প্ৰশ্বাস হিচাপে লৈ জীৱনজোৰা সাধনাৰে তেখেতৰ দৰে কাম কৰা লোকৰ আজিৰ অসমত বৰ অভাৱ হৈছে।

১৮৯৫ চনৰ ১৮ নৱেম্বৰত জন্ম গ্ৰহণ কৰি ৮৬ বছৰীয়া সুদীৰ্ঘকাল সুৰুচী সাহিত্য চৰ্চা আৰু দেশৰ সেৱা কৰি শৰ্মাই তেখেতৰ আৰ্দশ পুৰুষ মণিৰাম দেৱানৰ মৃত্যু তিথিটোকে বাছি লৈ ১৯৮১ চনৰ ২৬ ফেব্ৰুৱাৰী দিনা মৃত্যুবৰণ কৰিলে। তেখেতৰ গুণ-কৰ্মৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে মৰণোত্তৰ কালত তেখেতক 'পদ্মভূষণ' সন্মানজনক উপাধি প্ৰদান কৰি কৈছে—"Responding to the call of Gandhiji, he gave up his college studies and actively participated in the National Movement for which he was imprisioned. His book 'Congressor Kachiali Radat' (Under the morning sunshine of Congress) is virtually a portrait gallery of unknown or little known freedom fighters of Assam, for which he was awarded the Sahitya Academy Award. He Unearthed and ably edited 'An Account of Assam' by Dr. Wade for which he received high acclaim. His Monograph 'Satawan Chal Bharatar Swadhinatar Pratham Yudha (1857 or Indias first war of Independence) throws new light on the role that Assam played in the national struggle. His 'Moniram Dewan' a monumental work on the great freedom fighter of Assam is considered to by the greatest biography."

বেণুধৰ শৰ্মাৰ—গন্ত সাহিত্যৰ মূল্যাংকন কৰি কোৱা হৈছে—"A great prose master of Assamese language and one of the immortals of Assamese litterateurs, he had written a score of books on biography, history, folk-tale, satire etc. Like a weaver-bird he collected

twigs of historical material strewn all over Assam and built a formidable nest. His contributions to the historiography of Assam have received wide acclaim."

বেণুধৰ শৰ্মা হাতে হিমজুৰে স্বাধীনতাকামী ব্যক্তি আছিল। ফুকনীয়া অঞ্চলতে স্বদেশ প্ৰীতিৰ ভাবে তেওঁৰ মন আৰু হৃদয় ৰাজ্যত ঠাই পাইছিল। অসহযোগ আন্দোলনৰ উদ্যামনিতে মহাত্মাগান্ধীৰ আদৰ্শত ব্ৰতী হৈ প্ৰচাৰ কাৰ্যত উঠি পৰি লাগিছিল। এনেতে ১৯২১ চনত মহাত্মাগান্ধী প্ৰথমবাৰৰ কাৰণে অসম ভ্ৰমণ কৰিবলৈ আহোঁতে ২৪ আগষ্টৰ দিনা যোৰহাট পালেহি। মহাত্মা-গান্ধীৰ লগত চন্দ্ৰনাথ শৰ্মা গাৰ্টোতে ছাটোৰ দৰে লাগি আছিল। অসমত অসহযোগ আন্দোলনৰ গুৰি ধৰোঁতা বা পথ প্ৰদৰ্শক আছিল চন্দ্ৰনাথ শৰ্মা। তেওঁৰ পৰা প্ৰেৰণা লাভ কৰিয়েই দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈ আন্দোলনত যোগ দিয়ে। গুৱাহাটীৰ সভাত কৰাৰ দৰে যোৰহাটৰ সভাতো গান্ধী আৰু মহম্মদ আলিৰ বক্তৃতা দেশভক্ত ফুকনে মৌ বৰষা ভাষাৰে অসমীয়াত তৰ্জমা কৰি দিছিল। বেণুধৰ শৰ্মাই উল্লেখ কৰিছে—"এই দিনাই শিৱসাগৰীয়া ৰাইজে মহাত্মাৰ অমৃতবৰ্ষী বাণী শুনিবলৈ পায়। ইয়াৰ অকণ দিনৰ আগেয়ে অসমৰ পোন প্ৰথম অগ্নিকণা অসহযোগী চন্দ্ৰনাথ শৰ্মাই নগৰত অসহযোগৰ জোকাৰ এটা মাৰি থৈ গৈছিলহি; তথাপি সেই দিনাখন হে উজনি অসমত কংগ্ৰেছৰ সঁচাশিতি খাটিয়লি ক'ব পাৰে। মৌলানা মহম্মদ আলিয়েও "কৰ্মদক্ষ" হিন্দী উৰ্দু মিলাই তেজাল বক্তৃতা দিছিল। তাকো ফুকনে দুগুণ তেজ উত্তপ্ত অসমীয়া ভাষাৰে বুজাই দৈছিল। তৰুণৰাম ফুকন নোহোৱা হ'লে, কংগ্ৰেছৰ অসহযোগ নীতি অসমীয়াৰ বুকুত কেতিয়াও নোসোমালহেঁতেন।"

যোৰহাট নগৰত থকা সভাত মহাত্মাগান্ধীক [illegible] 'অভিনন্দন [illegible] অসমীয়া ভিতৰুৱা দোকা-কঠীয়া-দৈপ্তুৰ আৰু [illegible]-প্ৰভৃতি

কৰে। ঘৰে-ঘৰে তাঁতশাল প্ৰচলনৰ সম্পৰ্কে এনেদৰে উল্লেখ পোৱা যায়— "গোটেই ভাৰতৰ ভিতৰত একমাত্ৰ অসমীয়া তিৰোতাই স্বহস্তে কাপোৰ বৈ চোলা-কাপোৰ কৰি নিজ পৰিয়ালক কাপোৰ যোগাই আহিছিল। কিন্তু পাশ্চাত্য সভ্যতাৰ প্ৰভাৱত উচ্চশ্ৰেণীৰ কোনো কোনো মহিলাই এই প্ৰত্যাৱশ্যকীয় শিল্প বিদ্যাটো পাহৰাই কৰিলেও অধিকাংশ মহিলাই ইয়াৰ এতিয়াও আদৰণি ৰাখি পুৰণি অসমীয়াৰ পুৰণি গৌৰৱ অটুট ৰাখিছে।"

মহাত্মাগান্ধী অসমবাসীক অসহযোগ মন্ত্ৰত দীক্ষিত কৰি যোৱাৰ পিছতে অসমৰ চুকে-কোণে বিদেশী বস্ত্ৰ বৰ্জন কৰা, কাপোৰ পেকেটিং কৰা, ঘৰে ঘৰে সূতাকটা, দেশমাতৃৰ মুক্তিধ্বনি দি, মূৰত গান্ধীটুপী পিন্ধি শোভাযাত্ৰা কৰা আদি কাৰ্যসূচী কাৰ্যকৰণ কৰাত প্ৰায়ভাগ উঠি পৰি লাগিল। বেণুধৰ শৰ্মাই জেপেকৰ আশেপাশে পুৰণি চাইকেলখনত উঠি টাওন টাওনকৈ ঘূৰি প্ৰচাৰ কাৰ্য চলাবলৈ ধৰিলে। ইংৰাজ কৰ্মচাৰীৰ চোকা নজৰত পৰিবলৈ শৰ্মাৰ বেছিদিন নেলাগিল। ১৯২২ চনৰ ২৬ জানুৱাৰীৰ দিনা শৰ্মাক গ্ৰেপ্তাৰ কৰি প্ৰথমে শিৱসাগৰ আৰু পিছত যোৰহাট জেলত ৰাখে। শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ সময়ত চাৰি-পাঁচ হেজাৰ মানুহে শোভাযাত্ৰা কৰি শৰ্মাক আগবঢ়াই থয়। তাৰে নাহতে বোৰ্ডা চিপাহীৰ সকলৰ গোট-গোট বুট জোতাৰ পিহনি খাইছিল।

সেই সময়ত শিৱসাগৰ জিলাৰ মহকুমাধিপতি আছিল মিঃ কৰ্ণৰ্ভিন ষ্টুৱাৰ্ট গণিং। ৯ ফেব্ৰুৱাৰী তাৰিখে গণিং চাহাবৰ আদালতত শৰ্মাৰ বিচাৰ হয়। বিচাৰৰ সময়ত মিঃ গণিঙে শৰ্মাক পোতন-পোতন চকুৰে চাই সুধিলে—"You want a gun ; You kill a tiger !" (তোমাক বন্দুক লাগে! তুমি বাঘ মাৰিবা!) এই কথাখিনি সোধাৰ সময়ত গণিঙৰ চেহেৰা এটা ৰাক্ষস যেন দেখা গৈছিল। বন্দুক বিচৰাৰ অৰ্থ কি ক'ৰবাত। শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ দুদিনমান আগতে শিৱসাগৰ নগৰত এটা বাঘে উপদ্ৰৱ কৰি,

ফুৰিছিল। 'বাথৰ নৈজেৰে কাগ খন্তুৰা' শৰ্মা টিকাবীৰে বাথটো মাৰিবলৈ স্বয়ং গণিণ্ড চাহাবকে বন্দুক এটা খুজিবলৈ গৈছিল।

শৰ্মাৰ বিৰুদ্ধে থকা মৌজাদাৰ আৰু চি. আই. ডিৰ ৰিপোৰ্ট পঢ়ি দিয়াৰ লগে লগে গণিং চাহাবে তৰ্জন-গৰ্জন কৰি শৰ্মাক ক'লে—"তুমি চৰ্কাৰ বিৰোধী; গাঁৱে গাঁৱে মিটিং পাতি সুপ্ৰতিষ্ঠিত গবৰ্ণমেণ্টৰ বিদ্ৰোহ আচৰিছা আৰু আনকো বিদ্ৰোহী হ'বলৈ উচটাই ফুৰিছা?" বিচাৰত শৰ্মাৰ তিনিমাহ সশ্ৰম কাৰাদণ্ড আৰু ৩০০ টকা জৰিমনা, অনাদায়ে আৰু তিনিমাহ, মুঠতে ৬ মাহ সশ্ৰম কাৰাদণ্ড হ'ল। লগতে শৰ্মাৰ সতীৰ্থ লক্ষ্মীকান্ত বৰুৱাৰ এবছৰ সশ্ৰম কাৰাদণ্ড আৰু যাদব প্ৰসাদ চলিহাৰ ৫০০ টকা জৰিমনা সহ ৬ মাহ বিনাশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। শৰ্মাই যোৰহাট জেলত কুলধৰ চলিহা, কৃষ্ণনাথ শৰ্মা, ভুবনচন্দ্ৰ গগৈ, দুৰ্গাপ্ৰসাদ বৰঠাকুৰ, মহেন্দ্ৰনাথ ডেকাফুকন, কৃষ্ণকুমাৰ বৰুৱা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, উমেশচন্দ্ৰ বৰদলৈ, মহেন্দ্ৰচন্দ্ৰ দাস, ৰোহিণীকান্ত হাতীবৰুৱা, দেৱেশ্বৰ শৰ্মা, বিদ্যাধৰ শৰ্মা, পদ্মেশ্বৰ গোস্বামী, লক্ষেশ্বৰ বৰুৱা, অৰ্জুন সিং পাঞ্জাবী, শশীধৰ মলীয়া, দেবেন্দ্ৰনাথ ঠাকুৰ, দিবাকৰ ফুকন, সৰ্বেশ্বৰ বৰচেতীয়া, যোগকান্ত বৰুৱা, ইন্দ্ৰেশ্বৰ চুতীয়া, বোধেশ্বৰ গগৈ, দুৰ্গাধৰ বৰুৱা, কেশৱচন্দ্ৰ বৰা, মোঃ পজিৰুদ্দিন আহমদ আদিৰ ৰাজবন্দী হিচাপে লগ পায়।

জেল জীৱনৰ ওৰ নপৰা তিতা-কেঁহা সোৱাদৰ মাজত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ পৰা সততে শুনা গীতা-ভাগৱতৰ অমোঘ বাণী ৰাজবন্দীসকলক পৰম তৃপ্তি দিছিল, সততা আৰু সাহসেৰে প্ৰতিকূল পৰিস্থিতিক কিদৰে জয় কৰিব পাৰি তাৰ সমল যোগাইছিল। বৰদলৈ ডেখেতসকলক শ্ৰীমৎ শঙ্কৰাচাৰ্য্যৰ অন্নপূৰ্ণা স্তোত্ৰটো লাহৰি সুৰত গোৱাই কণ্ঠস্থ কৰাইছিল—

"নিত্যানন্দকাৰী বৰাভয়কৰী
সৌন্দৰ্য্য ৰত্নাকৰী

'নিৰ্ধূতাখিলঘোৰ পাৱনকাৰী
প্ৰত্যক্ষ মাহেশ্বৰী।"
প্ৰালেয়াচল বংশ পাৱনকাৰী
কাশী পুৰাধিশ্বৰী
ভিক্ষাং দেহি কৃপাৱলম্বনকাৰী
মাতান্নপূৰ্ণেশ্বৰী।"

'গৈ চাহাব' দেশভক্ত ফুকনৰ দৰে 'নগৈ চাহাব' ৰবদলৈও অসহযোগ আন্দোলনত যোগ দিয়াৰ আগলৈকে পূৰাপূৰী বিলাতী জড়বাদী চাহাব আছিল। কংগ্ৰেছত দীক্ষা লোৱাৰ পিছৰে পৰা ভাৰতীয় শুদ্ধ শুক্ল সাজ-পোছাকৰ লগতে মন আৰু হৃদয়ো প্ৰাচীন ভাৰতীয় সনাতনী চিন্তাত গদ্ গদ্ হৈ পৰিছিল।

যোৰহাট জেলত থাকোঁতে সত্ৰমীসকলে এল'পাত (শণ গছৰ পাত) খুন্দি তাৰ পৰা আঁহ উলিয়াব লাগিছিল। এইটো একপ্ৰকাৰ অমানুষিক শাস্তি আছিল। কিয়নো এল'পাতবোৰ খুন্দোতে তাৰ বিষাক্ত এঠাবোৰ লাগি হাতৰ তলুৱাত ঘাঁ হৈছিল। তদুপৰি অখাদ্য খাদ্য-খানাৰ সোৱাদ ধৰিব নোৱাৰাকৈ আন্নাত যথেষ্ট পৰিমাণে জলকীয়া দিয়াত সেই আন্না ঘাঁ লগা হাত তলুৱাত লাগি অসহনীয় কষ্ট ভুগিবলগীয়া হৈছিল। তথাপি সঙ্কট কালত দুখকো হেলাৰঙে ঠেলি দি কয়দীসকলে গাইছিল—

"মাৰ ভাত খাই-বই এল'পাত খুন্দোগই
মৰি যাম, মানিযাম গান্ধীনাম ৰাখি যাম।"

এল'পাত খুন্দা দৈহিক শাস্তিতকৈ আন এবিধ গুৰুতৰ মানসিক শাস্তি আছিল –'চৰ্কাৰ চেলাম্।' কিছুমান ৰাজবন্দীয়ে 'চৰ্কাৰ চেলাম' বুলি নোকোৱাৰ ফলত ইংৰাজ কৰ্মচাৰী পুলিচ মিলিটাৰীৰ গঞ্জনাৰ খোচ্, বুটজোতাৰ পিটনি, সোকাৰ কোৰ আদি চৰকিল খাবলগীয়া হৈছিল।

বেণুধৰ শৰ্মা আছিল [illegible] তেওঁৰ অশৰীৰি আত্মাই 'চাৰিওফালে চৰাইৰ' [illegible] কোলাহল কৰি গাই ফুৰিছে। আজিৰ বিপ্লৱী স্বাধীনচিন্তীয়া [illegible] শিৰাই শিৰাই ৰন্ধ্ৰে ৰন্ধ্ৰে উপলব্ধি কৰিছিল আৰু অসম [illegible], পিয়লি, লাচিত, মূলা, কনকলতাৰ দৰে প্ৰাণ দি [illegible] পাইছিল। অসম দেশ, অসমীয়া জাতি, অসমীয়া ভাষা সাহিত্য [illegible] সন্মুখত নিন্দা কৰি কোনেও সাৰি যাব নোৱাৰিছিল। কলিকতাৰ বঙ্গবাসী কলেজত পঢ়ি থাকোঁতে এদিন শ্ৰেণীত বঙালী অধ্যাপকে "জংলী অসমীয়া" বুলি কৰা নিন্দাসূচক মন্তব্যৰ শৰ্মাই ঘোৰ প্ৰতিবাদ জনাই অধ্যাপক-গৰাকীক তেনে মন্তব্য উঠাই ল'বলৈ বাধ্য কৰিছিল। আন এদিন এজন বঙালী সহপাঠীয়ে 'অসমত নন্দকুমাৰৰ দৰে শ্বহীদ আছেনে' বুলি প্ৰশ্ন কৰাত শৰ্মাই মণিৰাম দেৱান, পিয়লি বৰুৱা আদি বীৰ শ্বহীদৰ নাম আৰু কাৰ্যকলাপৰ কথা কৈ সহপাঠীৰ মুখ বন্ধ কৰিছিল।

বেণুধৰ শৰ্মা প্ৰবীণ বুৰঞ্জীবিদ হোৱাৰ উপৰিও তেওঁ একেবাৰে এগৰাকী লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, নিৰ্ভীক আৰু স্পষ্টবাদী সাংবাদিক, দুৰ্বাৰ জাতীয়তাবাদী, স্বাধীনতা আন্দোলনৰ আগশাৰীৰ যোদ্ধা, ন-পুৰণিৰ সমন্বয় ৰক্ষক আৰু হাড়ে-ছিমজুৰে নিভাজ অসমীয়া আছিল। পিন্ধন-উৰণত অসমীয়া, খোজ-কাটলত অসমীয়া, খোৱন-লোৱনত অসমীয়া, আলাপ-আলোচনাত অসমীয়া, বং ধেমালিত অসমীয়া মুঠতে 'তালুৰ পৰা-তলুৱা'লৈ তেওঁ অসমীয়া আছিল।

বেণুধৰ শৰ্মা অকণো তেম নথকা লোক আছিল। সৰু-বৰ, ধনী-দুখী, জাতি-অজাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো মানুহকে শৰ্মাই দেখা মাত্ৰকে অকৃত্ৰিম [illegible] হাঁহিটো মুখত বিৰিঙাই [illegible] মাতেৰে সম্ভাষণ জনাইছিল। [illegible] কাষলৈ [illegible] মাত [illegible] কথা পাতি [illegible] [illegible] [illegible] [illegible]। অসম বুৰঞ্জীৰ এলাহুকলীয়া তথ্যবোৰ নিত্য নতুন চকুৰে বিবেচনা কৰি নতুন নতুন [illegible]

[illegible] কৈছিল যে [illegible] কৰ্তা [illegible] এজন বেজবৰুৱাদেৱে [illegible] বুলিছিল।

আমাৰ কবি সাহিত্যিক, সাংবাদিক সমালোচকসকলে বেণুধৰ শৰ্মাক নানা উপাধিৰে বিভূষিত কৰিছে যদিও প্ৰকৃতপক্ষে তেওঁ এজন বুৰঞ্জীবিদ্যা গৱেষক আছিল। নিজনে বুৰঞ্জীৰ শুকান হাড়তো [illegible] মাংস দিব জানিছিল; বুৰঞ্জীৰ শুকান পাততো [illegible] কবি [illegible] ৰস ঢালি দিব পাৰিছিল। শৰ্মাৰ মতে "অসমত ইতিহাস ১৮৮৫ খৃষ্টত গেইট চাহাবৰ কৰিয়তেহে আৰম্ভ হয়। শৰ্মাৰ ভাষাত গেইট চাহাবক আদি কবি বুৰঞ্জীবিদসকলে কামৰূপ নামটো প্ৰতিষ্ঠা কৰি গ'ল।"

'স্বদেশৰ নিষ্ঠাবান বুৰঞ্জীৰ লেখক' আনন্দৰাম ঢেকীয়াল ফুকনৰ নাম [illegible] প্ৰতি যেন্ত কবি শৰ্মাই কৈছে—"পিতৃতুল্য ঢেকীয়াল ফুকনৰ পূজা সকলি আজি আমি পাঠকসকলৰ পূজা কৰিছো। ইয়াতকৈ পৰিতাপৰ বিষয় আন একো হ'ব নোৱাৰে।"

বেণুধৰ শৰ্মা অসমীয়াৰ আদৰ্শ পুৰুষ আছিল। ৺লক্ষ্মীনাথ বেজবৰুৱা, ৺কমলাকান্ত ভট্টাচাৰ্য্য, ৺পদ্মনাথ চৌধুৰী, ৺অম্বিকাগিৰী ৰায়চৌধুৰী আদিৰ দৰে স্বদেশ প্ৰেমেৰে সিক্ত [illegible] লোক আছিল বেণুধৰ শৰ্মা। স্বদেশৰ স্বাধীনতাৰ কাৰণে যুঁজি, "বজাকো কৰাই নোবোলা' বেণুধৰ শৰ্মাই কলিকতাত বি. এ. মহলাত পঢ়ি থকা সময়তে অসহযোগ আন্দোলনত জঁপিয়াই পৰি ১৯২২ চনত কাৰাবৰণ কৰে।

শৰ্মা ভাঙনীয়াৰ সংস্পৰ্শলৈ যিয়ে এবাৰ আহিছে তেওঁ তেখেতক কোনো কালে পাহৰিব নোৱাৰে। পাচফুটীয়া, চুটি-চাপৰ, কোঁৱোৰা [illegible] বেণুধৰ শৰ্মাই সদায় চুটিকৈ চুলি ৰাখিছিল, শেষ বয়সত [illegible] বগা চুটি দাড়ি ৰাখিছিল। নিখুঁত অসমীয়া পোছাক, [illegible] হাতত [illegible] লাঠি, [illegible] ৰং, চকুত [illegible] তীক্ষ্ণ দৃষ্টি আৰু [illegible] শৰ্মা ভাঙনীয়া অসমীয়াৰ এজন আদৰ্শ পুৰুষ আছিল।

শৰ্মা ডাঙৰীয়াৰ জীৱন আৰু কৰ্ম দুয়োটাই বৈচিত্ৰ্যময় আছিল। জীৱনী লিখকেও শৰ্মা ডাঙৰীয়াৰ জীৱনী লিখিবলৈ ভয় বা টান পোৱাৰ কথা। এনে কাম নাই য'ত হয়তো তেখেতে হাত দিয়া নাছিল। চাউল-ডাইলৰ দোকান দিয়াৰ পৰা আৰম্ভ কৰি স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰি ফাটেক খটালৈকে শৰ্মা ডাঙৰীয়া প্ৰায়বোৰ কামতেই আছিল। মহাত্মাগান্ধীৰ প্ৰেৰণাৰে অনুপ্ৰাণিত হৈ গাওঁ সংগঠনৰ কামত এখন পুৰণি চাইকেলত উঠি অ'ত এদিন ত'ত এদিন চৰাইটোৰ দৰে ঘূৰি ফুৰি মানুহবোৰক স্বাৱলম্বী হোৱা আৰু দেশ স্বাধীন কৰাৰ কামত উদ্বুদ্ধ কৰি ফুৰিছিল বাবে জাজী অঞ্চলত শৰ্মাক হেনো লোকে 'চৰাই' নাম দিছিল। শৰ্মা ডাঙৰীয়াৰ প্ৰায়বোৰ লিখনিৰ মাজত চাবিংখন লুকাই থকা যেন অনুমান হয়। তেওঁৰ সাহিত্য বস্তু আৰু দেশপ্ৰেমো চাবিংখনতে থুপখাই আছে যেন লাগে। সেই একেটা কাৰণতেই বোধকৰো জীৱনৰ শেষ মুহূৰ্তলৈকে চাবিঙৰ কথা পাহৰা নাছিল। ১৯৩০ চনৰ পৰা মৃত্যুৰ বছৰটোক (১৬-২-৮১) বাদ দি প্ৰতি বছৰে চাবিঙত তেওঁৰ আত্মিক গুৰু মণিৰাম দেৱানৰ তিথি উছৱত যোগ দিছিল। সেয়েহে কাল ওচৰ চাপি অহাত সপোনে সচিতে কেৱল চাবিঙলৈ যোৱা, চাবিঙৰ সংগত বক্তৃতা দিয়া—চাবিং চাবিং চাবিং তাকেই দেখিছিল, তাকেই কৈছিল। ৺লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্যত শিৱসাগৰ অঞ্চলটোৱে যিদৰে প্ৰাধান্য লাভ কৰিছে, শৰ্মাৰ সাহিত্যত ঠিক তেনেদৰে চাবিং অঞ্চলটোৱে প্ৰাধান্য পাইছে।

শৰ্মা ডাঙৰীয়া সৰুৰে পৰা কৌতুহলী আছিল বুলি জনা যায়। কলিকতাত থাকোতেও কৌতুহল বশতঃ ৰাষ্ট্ৰীয় পাঠাগাৰলৈ প্ৰায়েই গৈছিল; অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ কাৰণে তাৰ পৰা ঐতিহাসিক সমল গোটাইছিল। অসমৰ ইতিহাসৰ এটি ঐতিহ্য আছে। এই ক্ষেত্ৰত শৰ্মাক অসমৰ ইতিহাসৰ ধাৰক আৰু বাহক বুলি ক'ব পাৰি। গেইট, গ্ৰীয়েৰচন আদিৰ ঐতিহাসিক তথ্য আৰু বৰ্ণনা ঠাই বিশেষে স্বাৰ্থ সম্বলিত, কাৰ্পণ দোষ বা অতিৰঞ্জিত দোষদুষ্ট; কিন্তু শৰ্মা ডাঙৰীয়াই বুৰঞ্জীৰ সমল বিচাৰোতে মুক্তাডুবীৰ দৰে কষ্ট কৰিছিল আৰু সেইবোৰক নিপুণ খনিকৰৰ কালিকা লগা হাতেৰে বচা বচা শব্দ যোজনাৰে প্ৰাণৱন্ত কৰি তুলিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালা

সত্য-শিৱ-সুন্দৰৰ সাধকৰ মৃত্যু নাই, ভয় নাই, দুখ নাই। তেওঁক কালে বুঢ়া কৰিব নোৱাৰে, সেইকাই পিছুৱাই নিবও নোৱাৰে। বিৰূপ সমালোচনাই ক্ষত-বিক্ষত কৰিব নোৱাৰে, সংৰক্ষণশীল সমাজৰ এলাহুকলীয়া বান্ধোনে বান্ধি ৰাখিব নোৱাৰে। জয়-পৰাজয় তেওঁৰ বাবে একেটি মুদ্ৰাৰে দুপিঠি মাত্ৰ। লাগিলে জীৱন যুদ্ধত ধ্বংস হৈ যাব, তথাপি পৰাজয়ৰ ওচৰত তেওঁ শিৰ নত নকৰে। স্থূল দেহৰ মাজত আত্মাৰূপে নিহিত হৈ থকা অদৃশ্য, অবিনাশী, নিৰাকাৰ সত্যটোক তেওঁ হৃদয়ঙ্গম কৰিব পাৰে। তেওঁ জীৱন-শিল্পী। প্ৰতিটো বস্তুৰ মাজত থকা চিৰন্তন সত্যটো উপলব্ধি কৰি বাস্তৱৰূপ দিবলৈ অহৰহ চেষ্টা কৰে; সংগ্ৰাম কৰে; জীৱনাহুতি দিয়ে। প্ৰকৃতাৰ্থত কবি, সাহিত্যিক, নাট্যকাৰ, ভাস্কৰশিল্পী, শহীদ, দেশপ্ৰেমিক, শিক্ষক, ৰাজনীতিবিদ, ৰাঢ়ৈ, খেতিয়ক, প্ৰত্যেকেই একো একোজন জীৱন-শিল্পী। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল তেনে এজন জীৱনশিল্পী। তেখেত আছিল একেধাৰে—কবি-সাহিত্যিক, গায়ক-গীতিকাৰ, নাট্যকাৰ-অভিনেতা, দেশপ্ৰেমিক, গান্ধীবাদত পূৰাপূৰি আস্থাভাজন মুক্তি-যুঁজাৰু। জ্যোতিপ্ৰসাদ আছিল অসমৰ মেংচিনি, নজৰুল, হিমাংশু ৰায়।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ পূৰ্বপুৰুষ নৱৰঙৰাম আগৰৱালা ভাগ্য বিপৰ্যয় হৈ ৰাজপুতনাৰ পৰা আহি অসম পায়। প্ৰথমে গোৱাল-পাৰাত থাকি পিছত বিশ্বনাথ চাৰিআলিলৈ আহি তাত ব্যৱসায় আৰম্ভ কৰে। তাৰপিছত গমিৰিলৈ গৈ তাত বসতি স্থাপন কৰি ৰাজখোৱা পৰিয়ালৰ কন্যা সাদৰিক বিয়া কৰায়। তেখেতসকলৰ পুত্ৰ

হ'ল স্বনামধন্য হৰিবিলাস আগৰৱালা যিজনৰ চেষ্টাত অসমীয়া কীৰ্ত্তন-ঘোষা আৰু দশম পুথি প্ৰথমে ছপা আকাৰত প্ৰকাশ পায়। তাৰ-পিছত আগৰৱালাই ব্ৰহ্মাজানৰ শইকীয়াৰ ঘৰৰ সোণপাহীবো পাণি গ্ৰহণ কৰে। কালক্ৰমত এই আগৰৱালা বংশতে কবি-সাহিত্যিক আনন্দচন্দ্ৰ আগৰৱালা, প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হয়। জ্যোতিপ্ৰসাদৰ দেউতাক পৰমানন্দ আৰু মাক কিৰণময়ী আগৰৱালা। জ্যোতিপ্ৰসাদ আগৰৱালা বংশৰ কুল-তিলক।

শিল্পৰ অন্য এটি নাম পৰিবৰ্ত্তন। জ্যোতিপ্ৰসাদৰ দেহ-মনৰ প্ৰতিটো অণু-প্ৰতিটো কোহ শিল্পৰ অগ্নিমন্ত্ৰেৰে গঁথা আছিল। বিশ্ববিখ্যাত দাৰ্শনিক তথা শিক্ষা মনোবিজ্ঞানী ৰুচোৰ দৰে জ্যোতিপ্ৰসাদে অসমীয়া সমাজখনৰ প্ৰতিটো দিশতে শিল্প—আনে পৰিবৰ্ত্তন আনিবলৈ বিচাৰিছিল। তেওঁৰ নিজকীয় ৰাজনৈতিক দৰ্শন এটিও আছিল। প্লেটোৱে দাৰ্শনিক শাসিত ৰাজ্যৰ সপোন দেখাৰ দৰে জ্যোতিপ্ৰসাদে গোটেই পৃথিৱীখনকে শিল্পী-সাহিত্যিকে শাসন কৰাৰ সপোন দেখিছিল। জ্যোতিপ্ৰসাদৰ ভাষাত—"তোৰ আত্মাক নাশিবলৈ, তোৰ বুকুতেই বিপ্লৱী হৈ জাগিম।"

১৯০৩ চনত তামোলবাৰী চাহবাগিচাত জ্যোতিপ্ৰসাদৰ জন্ম হয়। আগৰৱালা পৰিয়ালে অসমত থিতাপি লোৱা দিনৰে পৰা বংশপৰম্পৰা হিচাপে অসমীয়া ছোৱালী বিয়া কৰাই নিতান্ত অসমীয়া হৈ পৰিছিল, অসমৰ কলা-সংস্কৃতি আৰু ঐতিহ্যৰ লগত নিজক মিলাই দিছিল। তাৰ পৰিণতিস্বৰূপে অসমীয়া কলা-সংস্কৃতিৰ ক্ষেত্ৰত যি অৱদান দিলে তাৰ তুলনা নাই।

জ্যোতিপ্ৰসাদে ক্ৰমে ডিব্ৰুগড় চৰকাৰী হাইস্কুল, বৰ স্কুল আদিত পঢ়ি ১৯২১ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকাৰ আৰ্হিৰ পৰীক্ষাত উত্তীৰ্ণ হয়। পাছত কলিকতালৈ গৈ প্ৰৱেশিকা পৰীক্ষা পাছ কৰে আৰু কলিকতাৰ নেচনেল কলেজত আই, এ.ৰ

দ্বিতীয় বাৰ্ষিকলৈ পঢ়ে। তাৰপিছতে অসহযোগ আন্দোলনত জঁপিয়াই পৰে। আন্দোলনে অসম গোৱেন্দা বিভাগৰ সুবিধাতে তেজপুৰলৈ আহি ককাদেউতাক চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অসমীয়া' কাকতত সোমায়। লগতে 'নিউজ্ৰেছ' চলোৱাত সহায় কৰে। ১৯২৬ চনত বিলাতলৈ গৈ এডিনবৰা বিশ্ববিদ্যালয়ত চৰ্ত সাপেক্ষে এম, এ-ত নাম ভৰ্তি কৰে। তাত অৰ্থনীতি, সংস্কৃত, পাব্লিক ল, দৰ্শন, ইতিহাস আদি বিষয় অধ্যয়ন কৰে। তাত শিক্ষা শেষ নোহওঁতেই পূৰ্ব জাৰ্মানীলৈ গৈ ফিল্ম-শিল্পৰ এবিষয়ত প্ৰশিক্ষণ লয়। জ্যোতিপ্ৰসাদে জাৰ্মানীত সুপ্ৰসিদ্ধ ফিল্ম ডিৰেক্টৰ হিমাংশু ৰায়ৰ তত্বাৱধানত সাতমাহ থাকি ফিল্ম-শিল্প বিষয়ত অধ্যয়ন কৰে। তাৰপৰা কিছুদিনৰ বাবে মধ্যপ্ৰাচ্যলৈ যায়। এনেতে মহাত্মা গান্ধীৰ নেতৃত্বত দ্বিতীয়বাৰ আইন অমান্য আন্দোলন আৰম্ভ হয় আৰু ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনা সৰ্বভাৰতব্যাপী স্বাধীনতাৰ পতাকা উত্তোলন কৰাৰ নিৰ্ভীক তথা বলিষ্ঠ ভূমিকা গ্ৰহণ কৰা হয়। সেই সময়তে জ্যোতিপ্ৰসাদ নিজ দেশলৈ উভতি আহে আৰু আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

আগতে উল্লেখ কৰা হৈছে যে অসহযোগ আন্দোলনত যোগ দিয়াৰ পিছতে জ্যোতিপ্ৰসাদ উচ্চ শিক্ষাৰ বাবে বিদেশলৈ গৈছিল। বিদেশত থকা সময়ত ভাৰতবৰ্ষৰ প্ৰতি ইংৰাজসকলৰ এক মনোভাব দেখিতে বুজিব পাৰিছিল আৰু উপনিবেশিক শক্তিকাৰ শেষ ভোগৰত ইটালি, জাৰ্মান আদি দেশে বিদেশী শক্তিসমূহক খেদি দেশ স্বাধীন কৰাৰ আদৰ্শই জ্যোতিপ্ৰসাদক প্ৰেৰণা যোগাইছিল। অসমৰ আন আন ঠাইত আৰম্ভ হোৱাৰ দৰে ঐতিহাসিক তেজপুৰতো ১৯২০ চনতে অসহযোগ আন্দোলন আৰম্ভ হৈছিল। ছাত্ৰ-ছাত্ৰী-সকলে শ্ৰেণী বৰ্জন কৰি মহাত্মা গান্ধীৰ আদৰ্শত আন্দোলনৰ কাৰ্যসূচী কাৰ্যকৰী কৰাত ব্যস্ত আছিল। তাৰে মুখ্য নেতৃত্বকাৰীসকল আছিল— ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, লক্ষীধৰ শৰ্মা, কুমুদ শৰ্মা, [illegible]নাথ শৰ্মা,

নবীন বৰুৱা, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, ভগীৰাম শইকীয়া, কালিৰাম হাজৰিকা, কাৰ্তিক শৰ্মা, তিলক শৰ্মা, দলবাম বৰুৱা আৰু জ্যোতি-প্ৰসাদ আগৰৱালা।

জ্যোতিপ্ৰসাদ আজন্ম শিল্পী। "গায়নৰ ঘৰত খিয়ালেও বাগ দিয়া" প্ৰবাদ বাক্য এটি আছে। হৰিবিলাস আগৰৱালা মুখ্যতঃ ব্যৱসায়ী লোক হ'লেও সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা তেখেতৰ ধৰণিৰ কথা কৈ অহা হৈছে। জ্যোতিপ্ৰসাদৰ পিতৃ পৰমানন্দ আগৰৱালা অতি সংগীতপ্ৰিয় লোক আছিল। তেখেতে নানাবিধ বাদ্যযন্ত্ৰ বজাব জানিছিল। নিয়মিতভাৱে কীৰ্তন, নামঘোষা পঢ়িছিল আৰু সংগীত সাধনা কৰিছিল। কাজেই জ্যোতিপ্ৰসাদে পিতৃদত্ত সুকুমাৰ কলাজ্ঞান আৰু স্বোপাৰ্জিত প্ৰতিভাৰ বলত সমগ্ৰ অসম তথা ভাৰতবৰ্ষৰ এজন আগশাৰীৰ গায়ক-গীতিকাৰ, কবি-সাহিত্যিক, নাট্যকাৰ-অভিনেতাৰ খ্যাতি অৰ্জন কৰিব পাৰিছিল। তেওঁ বিপ্লৱী কবি গায়ক গীতিকাৰ কাজী নজৰুল ইছলামৰ সমসাময়িক আছিল। দুয়ো গৰাকী শিল্পীৰ কলম আৰু কণ্ঠেৰে 'অগ্নিযুগৰ ফিৰিঙতি' চিটিকি পৰি খাণ্ডৱদাহৰ সৃষ্টি কৰিছিল। জ্যোতিপ্ৰসাদৰ সাহিত্য-সৃষ্টিৰ মূলত ৰহস্যৰাজ চন্দ্ৰকুমাৰ আগৰৱালাৰ অৱদান কম নাছিল।

বিদেশৰপৰা ঘূৰি আহি ১৯৩০ চনত আইন অমান্য আন্দোলনৰ কাৰ্যসূচীৰ সফলতা দিয়াত জ্যোতিপ্ৰসাদে আগভাগ লৈছিল। পশ্চিমীয়া দেশত সংগীত নাটকৰ শিক্ষা আহৰণ কৰি তেজপুৰ গাঁও অঞ্চলত আন্দোলনক ৰূপ দিয়াত ব্যস্ত হৈ পৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱে সত্ৰ নামঘৰক কেন্দ্ৰ কৰি গীত-নাট-ভাওনাৰে নৱবৈষ্ণৱ ধৰ্মৰ আন্দোলন সফল কৰাৰ আৰ্হিৰে জ্যোতি-প্ৰসাদে গাঁও অঞ্চললৈ গৈ তেজোদ্দীপ্ত গীত-নাটেৰে জনতাক আন্দোলনমুখী কৰি তুলিছিল। জ্যোতিপ্ৰসাদৰ ভাষণ শুনিবলৈ হেজাৰ জনতাৰ ভিৰ হৈছিল। নামঘৰ আৰু সত্ৰবোৰক অসমীয়া জাতিৰ

কলা-সংস্কৃতি, সমাজ-সভ্যতাৰ যে প্ৰাণ লুকাই থাকে জ্যোতিপ্ৰসাদে তাক ভালদৰে উপলব্ধি কৰিছিল আৰু সেইবোৰক স্বাধীনতা আন্দোলনৰ আখৰা দিয়াৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিছিল।

১৯৩০ চন। খেতিপথাৰে ভৰপক দিয়াৰ সময়তে আন্দোলনেও ভৰপক দিছিল। লোকনায়ক অমিয়কুমাৰ দাস, জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰমুখ্যে নেতাবৰ্গ গাঁওবোৰত প্ৰচাৰকাৰ্যৰ বাবে সোমাই পৰিছিল। খেতিয়ক ৰাইজৰ মুখ্যজনে ক'লে—"আমাক ধান কেইটা চপাই ল'বলৈ দিয়ক, তাৰ পিছত যিহকে কৰিব দিয়ে তাকে কৰিবলৈ সাজু আছো।" 'ৰূপকোঁৱৰ' জ্যোতিপ্ৰসাদৰ সাৰ্থক নাম আছিল। সঁচাসঁচিকৈ তেখেত যেন পৰীৰ ৰাজ্যৰ ৰূপৰহে কোঁৱৰ আছিল। ওখ-পাখ আৰ্যগঢ়ি চেহেৰা, ক'লা চুলি, ধুনীয়া মুখমণ্ডল, কিঞ্চিৎ ক্ষীণকায় জ্যোতিপ্ৰসাদক দেখিলে অগ্নিবৰ্ষী ইংৰাজ কবি শ্বেলীৰ কথা মনলৈ আহে। বেজাৰৰ কথা অত্যাধিক পৰিশ্ৰমৰ ফলত জ্যোতিপ্ৰসাদৰ স্বাস্থ্য ভাগি পৰিছিল। মাৰাত্মক পিত্ত ৰোগটোৱে সঘনে কষ্ট দিছিল। চিৰলগৰী এই দুৰাৰোগ্য বেমাৰটো পেটত বান্ধি লৈ দিন-ৰাতিৰ ভেদাভেদ নিবিচাৰি অহিংস মুক্তি যুদ্ধৰ কামত লাগি আছিল। সহকৰ্মী সত্যাগ্ৰহীসকলে জ্যোতিপ্ৰসাদৰ ভগ্ন-স্বাস্থ্যৰ প্ৰতি লক্ষ্য কৰি প্ৰায়েই উদ্বিগ্ন হৈ পৰিছিল আৰু পৰাপক্ষত তেখেতক টান কামৰ বোজা নিদিছিল; কিন্তু জ্যোতিৰ বিপ্লৱী মনে সেইকথা সহজে মানি নলৈছিল।

১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনা সমগ্ৰ ভাৰতবৰ্ষত আইন-অমান্য আন্দোলনৰ ভিত্তিত স্বাধীনতাৰ পতাকা উত্তোলন কৰাৰ কাৰ্যসূচী ফলৱতী কৰাৰ কামত সত্যাগ্ৰহীসকল ব্যস্ত হৈ পৰিছিল। অমিয়-কুমাৰ দাসৰ সৈতে দুয়ো বিহালীৰ সভালৈ যাত্ৰা কৰিছিল। তাৰ পিছত দুয়ো গেৰেকী গাঁৱত বহা সভালৈ যায়। এনেতে যাত্ৰাপথতে জ্যোতিপ্ৰসাদৰ পিত্ত ৰোগটোৱে উক্ দিলে। বিষ-যন্ত্ৰণাত তত্ নেপাই মাটিত বাগৰিবলৈ ধৰিলে। ৰাস্তাৰ দাঁতিতে থাহনিত শুই পৰিল

আৰু লোকনায়কক ক'লে, "দাদা বাহিৰে অপেক্ষা কৰি থাকিব। আপুনি যাওক; মই ইয়াতে কিছু পৰ শুই থাকোঁ।" এনেতে গাঁৱৰ ডেকা ল'ৰা কেইজনমানে খবৰ পাই তুৰন্তে আহি জ্যোতিপ্ৰসাদক লৈ গ'ল আৰু গেৰেকী গাঁওৰ ফুকনৰ ঘৰত শুৱাই থলে। কালক্ৰমত সেই পিত্ত ৰোগটোৱেই যে এদিন মাৰাত্মক কেন্সাৰ ৰূপ ধাৰণ কৰি জ্যোতিৰ জ্যোতি অকালতে নিষ্প্ৰভ কৰিব হয়োতো কোনোৱে অনুমান কৰিব পৰা নাছিল।

ঠিক একেদৰে গমিৰিলৈ যোৱাৰ পথতো হঠাতে ৰোগটোৱে কালমূৰ্ত্তি ধৰাত বুৰৈঘাটৰ বালিত জ্যোতিপ্ৰসাদ শুই পৰি দাসদেৱক কৈছিল—"দাদা আপুনি যাওকগৈ, মই ইয়াতে অলপ জিৰাওঁ।" তেতিয়া লোকনায়কে তেখেতক তেনে অৱস্থাত এৰি যাবলৈ সন্মত নহৈ বোকোচাঁত তুলি পাৰঘাটলৈ লৈ গৈছিল। তাৰ পিছত ভোলাগুৰিলৈ নি জিৰণি লোৱাৰ ব্যৱস্থা কৰি দিছিল। সিদিনা আছিল ২৬ জানুৱাৰী, জাতীয় পতাকা উত্তোলন কৰাৰ দিন। জ্যোতিপ্ৰসাদৰ স্বাধীনতাৰ প্ৰাণোদ্দীপক কবিতাসুৰীয়া ভাষণ শুনাৰ প্ৰবল ইচ্ছা লৈ অহা হেজাৰ বিজাৰ দৰ্শকে জ্যোতিপ্ৰসাদক সভাত নেদেখি নিৰাশ হৈছিল।

জ্যোতিপ্ৰসাদ ৰাজনীতিত থাকিলেও নেতৃত্ব লোৱাৰ আশা কোনো দিনে কৰা নাছিল। দ্বিজেন্দ্ৰলাল, মুকুন্দ দাস, নজৰুল ইছলাম আদিৰ দৰে মুক জনতাক স্বাধীনতা সংগ্ৰামৰ কাৰণে উদ্বুদ্ধ কৰাৰ প্ৰয়াসেৰে দেশাত্মবোধক গান ৰচনা কৰি নিজে গাইছিল আৰু স্বেচ্ছাসেৱীসকলকো প্ৰয়োজনীয় সুৰ সম্ভাৰেৰে গাবলৈ শিকাইছিল। সশস্ত্ৰ বাহিনীৰ অস্ত্ৰতকৈয়ো চোকা আৰু শক্তিশালী আছিল জ্যোতিপ্ৰসাদৰ গান। তেখেতৰ গান কোনোবাই বেসুৰীয়াকৈ গালে বেজাৰ পাইছিল আৰু তাক শুধৰাই দিবলৈ চেষ্টা কৰিছিল। আনকি সমদল সংগীত গোৱাৰ সময়তো পৰাপক্ষত জ্যোতিপ্ৰসাদে নিৰ্ধাৰিত সুৰৰ হেৰ-ফেৰ হ'বলৈ নিদিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ধ্বজাবাহী পৰম ধাৰ্মিক আৰু বৈষ্ণৱ সংস্কৃতিৰ কলাগুৰু নিকামূল সত্ৰৰ সত্ৰাধিকাৰ গহনচন্দ্ৰ গোস্বামীদেৱ জ্যোতিপ্ৰসাদৰ পৰম বন্ধু আৰু স্বাধীনতা সংগ্ৰামৰ সতীৰ্থ আছিল। সমদল গঠন কৰা, শোভাযাত্ৰাৰ সময়ত সমদলটো শৃঙ্খলাবদ্ধভাৱে সজোৱা এই সকলো দায়িত্ব আগৰৱালা আৰু গোস্বামীদেৱে লৈছিল আৰু তাত কৃতকাৰ্য হৈছিল। কেতিয়াবা জ্যোতিপ্ৰসাদৰ হাউলিয়েদি সমদল যাত্ৰী ৰণোন্মত্ত হৈ গান গাই গ'লে তেখেতৰ মাতৃ পদুলি-মুখলৈ ওলাই আহি সমদল যাত্ৰা শেষ নোহোৱালৈকে চাই আছিল আৰু হৃদয় উজাৰি দিয়া "বিশ্ববিজয়ী নৱ-জোৱান" আদি গান শুনি আনন্দাশ্ৰু টুকিছিল।

ভাৰতৰ মুক্তি সংগ্ৰামত অসমৰ বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰসমূহে যিদৰে অৰিহণা যোগাইছিল অনুমান হয় পৃথিৱীৰ ইতিহাসত তেনে দৃষ্টান্ত খুব কমেই পোৱা যাব। সিবোৰৰ ভিতৰত নিকামূল সত্ৰৰ গহনচন্দ্ৰ গোস্বামীদেৱ আৰু গড়মূৰ সত্ৰৰ পীতাম্বৰদেৱ গোস্বামীদেৱৰ দান বিশেষভাৱে উল্লেখযোগ্য। গহনচন্দ্ৰ গোস্বামী আৰু জ্যোতি-প্ৰসাদ আগৰৱালাৰ উদ্যোগত নিকামূল সত্ৰ স্বাধীনতা সংগ্ৰামৰ এটি মুখ্য ঘাটি হৈ উঠাত বৃটিছ চৰকাৰৰ চোকা দৃষ্টি পৰিছিল। আৰু তাৰপৰা শিবিৰ উঠাই নিবলৈ চৰকাৰী হুকুম আহিছিল। জ্যোতি-প্ৰসাদে ইয়াত ঘোৰ প্ৰতিবাদ জনাইছিল। এনেতে ১৯৩২ চনৰ ২০ ফেব্ৰুৱাৰীৰ নিশা সশস্ত্ৰ বাহিনীয়ে শিবিৰ আক্ৰমণ কৰি গহন চন্দ্ৰ গোস্বামী, দেবানন্দ শৰ্মা, ফণীধৰ বৰা আৰু অমিয়কুমাৰ দাস প্ৰমুখ্যে কেবাজনো নেতাক গ্ৰেপ্তাৰ কৰিলে। জ্যোতিপ্ৰসাদ সিদিনা নিশা নিকামূলৰ শিবিৰত নথকাত গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে। বিচাৰত গোস্বামীদেৱৰ এবছৰ সশ্ৰম কাৰাবাস আৰু ৫০০ টকা জৰিমনা অনাদায়ে আৰু ছমাহ সশ্ৰম কাৰাবাস বিহা হ'ল। দেবানন্দ শৰ্মা আৰু ফণীধৰ দাসবো এবছৰকৈ সশ্ৰম কাৰাদণ্ড হ'ল। অমিয়কুমাৰ দাসৰ ছমাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা, অনাদায়ে আৰু

ছয় সপ্তাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। তাৰ পিছত জ্যোতিপ্ৰসাদকো গ্ৰেপ্তাৰ কৰিলে। বিচাৰত তেখেতকো এবছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা, অনাদায়ে পুনৰ ছমাহ সশ্ৰম কাৰাদণ্ডৰ ৰায় দিলে। লগতে জ্যোতিপ্ৰসাদে ৰচনা কৰা সমদল গীত গোৱাটো সম্পূৰ্ণ নিসিদ্ধ কৰি গাওঁতা সকলৰ ওপৰত শাস্তিমূলক ব্যৱস্থা লোৱাৰ হুকুম দিয়া হ'ল (১৯৩২)। জ্যোতিপ্ৰসাদে এই সময়ছোৱাত যক্ষ্মাৰোগত ভুগিও শিলচৰ জেলত কাৰাবাসৰ মিয়াদ পূৰ্ণ কৰি তেজপুৰলৈ উভতি আহে। এইজনেই আছিল অগ্নিশিখাৰ ধাতুৰে গঢ়া চিৰবিপ্লৱী চিৰজাগ্ৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা।

বিশ্বজুৰি দ্বিতীয় মহাযুদ্ধৰ দাবানল প্ৰজ্বলিত হৈ উঠিছে। দিন দুপৰতে যুদ্ধ বিমানে আকাশ ছানি ধৰে। বন্দুক বৰতোপৰ গুৰুম্ গুৰুম্ শব্দই কাণ তাল মাৰি ধৰে। আমেৰিকাই নাগাচাকি আৰু হিৰোচিমাত এটোম বম পেলাই বিশ্বমানৱৰ বুকু কঁপাই তুলিছিল। ভাৰতৰ মনত আশাৰ ৰেঙণি—"দেশ স্বাধীন হ'বলৈ আৰু বেছি দিন নাই"। অসমৰ আকাশে বতাহে জ্যোতিপ্ৰসাদৰ "লুইতৰ পাৰতে আমি ডেকা ল'ৰা, মৰিবলৈ ভয় নাই", "উৰ উৰ উৰ অভ্ৰভেদি উৰ," "আজি জাগা মোৰ মাতৃ," "সাজু হবৰে হল" আদি গীতে ধ্বনি তুলি অসমীয়া ডেকা গাভৰুক ৰণোন্মত্ত কৰি তুলিছিল, মাতৃপূজাৰ বেদিত স্বহস্তে সেৱাৰে জীৱন পণ কৰিবলৈ উদগনি দিছিল।

যক্ষ্মা ৰোগত আক্ৰান্ত হৈ থাকিও দুৰ্বাৰ মনক বান্ধিব নোৱাৰি জ্যোতিপ্ৰসাদ পুনৰ আন্দোলনত জপিয়াই পৰে। ১৯৪১ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনী গঠনৰ কামত জ্যোতিপ্ৰসাদে মনোনিবেশ কৰিলে। অসাধ্য সাধন কৰি বাছকবনীয়া সেৱাদল গঠন কৰি জ্যোতিপ্ৰসাদ তাৰ সৰ্বাধিনায়ক হৈ প্ৰখৰ গতিত আগবাঢ়ি গ'ল। ইংৰাজ চৰকাৰৰ তীব্ৰ দৃষ্টি তেখেতৰ ওপৰত পৰাত আত্মগোপন কৰিবলৈ বাধ্য হ'ল আৰু কলিকতালৈ গৈ আত্মগোপন কৰি থাকিল। এনেতে মহাত্মা গান্ধীৰ আদেশ হ'ল কোনো সত্যাগ্ৰহী যাতে

আত্মগোপন কৰি নেথাকে। জ্যোতিপ্ৰসাদে মহাত্মাৰ আদেশ শিৰোধাৰ্য কৰি তেজপুৰলৈ আহি ১৯৪৩ চনৰ আগষ্ট মাহত আদালতত আত্ম-সমৰ্পণ কৰিলে, কিন্তু প্ৰমাণৰ অভাৱত খালাচ দিবলৈ বাধ্য হ'ল।

ইয়াৰ পিছতে কেবাবছৰো বন্ধ হৈ থকা অসমীয়া কাকতখন পুনৰ প্ৰকাশৰ কামত ব্যস্ত হৈ পৰে (১৯৪৪)। প্ৰায় আঠ মাহ কাকতখন চলোৱাৰ পিছত অৰ্থাভাৱত পুনৰ বন্ধ হ'ল। এনেতে অসমত বিশ্ববিদ্যালয় এখন পতাৰ চিন্তাই জুমুৰি দি ধৰিলে। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত এদল ৰাজনীতিবিদ্, শিক্ষাবিদ্ আৰু সমাজকৰ্মীৰ প্ৰচেষ্টাত ১৯৪৮ চনত ইতিহাসে গৰকা প্ৰাগ-জ্যোতিষপুৰৰ লুইতৰ পাৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন্ম হ'ল। জ্যোতিপ্ৰসাদে বিশ্ববিদ্যালয় স্থাপন কৰা কাৰ্য্যতো সক্ৰিয় ভূমিকা লৈছিল।

জ্যোতিপ্ৰসাদৰ স্বাস্থ্য ক্ৰমে বেয়াৰ ফালে ঢাল খালে। সকলোৰে আশা-ভৰষা চূড়মাৰ কৰি ডাক্তৰে ঘোষণা কৰিলে জ্যোতিপ্ৰসাদ কেন্সাৰ ৰোগৰ দ্বাৰা আক্ৰান্ত। মৃত্যু সন্নিকত বুলি জানিও ইংৰাজ কবি কীটসে যক্ষ্মা ৰোগত ভুগি থাকিও সৌন্দৰ্যৰ কবিতা লিখি ইংৰাজী সাহিত্যৰ ভৰাল চহকী কৰি থৈ যোৱাৰ দৰে জ্যোতি-প্ৰসাদেও ক্ষিপ্ৰতৰ গতিত কলম চলালে। এই সময়ছোৱাৰ ভিতৰত ভালেমান যুগান্তকাৰী ৰচনাৰ সৃষ্টি হ'ল। কবিতা, গীত-গল্প, সংস্কৃতি-মূলক প্ৰবন্ধ আৰু একাধিক নাটক ৰচনা হ'ল। কাল চমু চাপি আহিল। ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে ৪৮ বছৰ বয়সত এই উজ্জ্বল নক্ষত্ৰটি কোনোবা কক্ষপথত হেৰাই থাকিল। জ্যোতিপ্ৰসাদ আগৰৱালা গ'ল কিন্তু তেখেতৰ আদৰ্শ, তেখেতৰ মূল্যৱান ৰচনাৱলী অসমীয়া জাতিৰ সাহিত্য-সংস্কৃতি, স্বদেশপ্ৰেমৰ অদ্ভুত অপূৰ্ব ভাণ্ডাৰ হৈ থাকি গ'ল।

জ্যোতিপ্ৰসাদৰ ৰচনাসমূহক ঘাইকৈ নাটক, গল্প, উপন্যাস, গীত, প্ৰবন্ধ, কবিতা আৰু শিশু সাহিত্য এই কেইটা ভাগত ভগাব পাৰি।

তেখেতৰ নাটক কেইখন হ'ল শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, নিমাতী-কন্যা (ৰূপকোঁৱৰ), সোণপখিলী, লভিতা, খনিকৰ। কনকলতা আৰু সুন্দৰ কোঁৱৰ দুখনি অসমাপ্ত নাটিকা।

জ্যোতিপ্ৰসাদৰ গল্প আৰু উপন্যাসধৰ্মী ৰচনাসমূহ হ'ল—ৰূপহী, বগীতৰা, সোণতৰা, সোণটিৰ অভিমান, যুঁজাৰু, সতীৰ সোঁৱৰণী, সন্ধ্যা, প্ৰত্নতাত্ত্বিকৰ কলাঘুমটি, আমাৰ গাওঁ। তেখেতৰ গধুৰ প্ৰবন্ধবোৰৰ ভিতৰত মহাত্মা গান্ধীৰ জীৱন সোঁৱৰণী, শিল্পীৰ পৃথিৱী, নতুন দিনৰ কৃষ্টি, নতুনৰ পূজা, অসমীয়া সংস্কৃতি, অসমীয়া স্থাপত্যৰ নৱৰূপ, অসমীয়া সংগীতৰ ধাৰা, পোহৰলৈ অসমৰ ফিল্ম শিল্প গঢ়াত অসমীয়া দৰ্শকৰ দায়িত্ব, প্ৰাগজ্যোতিকা, বেজবৰুৱাৰ প্ৰতিভা, তৰুণ-তৰ্পণ, বিয়াল্লিছৰ কাহিনী আদিয়েই প্ৰধান।

জ্যোতিপ্ৰসাদৰ জীৱনচৰিত আলোচনা কৰোতে তেখেতৰ ফিল্ম-শিল্প আৰু জয়মতীৰ বিষয়ে কিঞ্চিৎ আলোচনা নকৰিলে আধৰুৱা হৈ থকা যেন লাগে। পশ্চিমীয়া দেশত বিশেষকৈ জাৰ্মানীত সাত-মাহ ফিল্ম নিৰ্মাণৰ প্ৰশিক্ষণ লৈ আহি জ্যোতিপ্ৰসাদে প্ৰথমে সাহিত্যৰথী বেজবৰুৱাৰ 'জয়মতী' নাটকখনিক চিনেমা ৰূপ দিবলৈ বাচি লৈছিল। এই কামত তেখেতে হাত দিছিল ১৯৩৩ চনত। তেতিয়ালৈকে তেখেতে বিয়া কৰোৱা নাছিল। তাৰে তিনিবছৰ পাছতহে জ্যোতিপ্ৰসাদে দেবযানী ভূঞাক বিয়া কৰাইছিল আৰু এই বিবাহৰ ফলস্বৰূপে দুজন পুত্ৰ আৰু তিনি গৰাকী কন্যাৰত্ন লাভ কৰিছিল।

জয়মতী চিনেমা কৰাৰ বাটত জ্যোতিপ্ৰসাদে অভাৱনীয়ভাৱে বাধা পাইছিল আৰু ক্ষতিগ্ৰস্ত হৈছিল। ফিল্মৰ কাম আৰম্ভ কৰা বছৰটোতে ১৯৩৩ চনৰ অক্টোবৰ মাহত ১৮ তাৰিখে মাতৃ আৰু ১৯৩৮ চনৰ ১৮ জুলাই তাৰিখে পিতৃ বিয়োগ হয়। লগতে অৰ্থ-সঙ্কটেও দেখা দিয়াত জ্যোতিপ্ৰসাদৰ আশাবাদী মনটোক কোনো কোনো সময়ত নিৰাশাৰ ভাৱে ঢাকি পেলাইছিল। যি কি

নহওক, সকলো বাধা-বিঘিনিক এফলীয়া কৰি থৈ তেজপুৰৰ পৰা ছকুৰি মাইল দূৰত অৱস্থিত ভোলাগুৰি চাহ বাগিচাত শিবিৰ পাতি 'জয়মতী'ৰ কামত আগবাঢ়ি যাবলৈ ধৰে। তেতিয়াৰ তিনিদিনীয়া বাতৰি কাকতৰ জৰিয়তে অভিনেতা-অভিনেত্ৰী বিচাৰি বিজ্ঞাপন দিয়াত কিছুমান অভিনেতা আগবাঢ়ি আহিছিল যদিও এগৰাকীও অভিনেত্ৰী হিচাপে ওলাই নহাত জ্যোতিপ্ৰসাদ কিছুপৰিমাণে নিৰুৎসাহ হৈছিল।

সেই সময়ত অসমীয়া সমাজখন ইমানেই সংৰক্ষণশীল আছিল যে তিৰোতা বা ছোৱালী মুক্ত মঞ্চত অন্য পুৰুষৰ লগত হাত মিলাই নাট্য অভিনয় কৰা কথাটো একপ্ৰকাৰ কল্পনাৰো অতীত আছিল। সমাজচ্যুত হোৱাৰ ভয়ত কোনো ছোৱালী আগবাঢ়ি অহা নাছিল। ফিল্ম ডিৰেক্টৰ জ্যোতিপ্ৰসাদ নিজে আছিল আশাবাদী পুৰুষ। তেখেতৰ নেৰা-নেপেৰা চেষ্টাৰ ফলত গোলাঘাটৰ মোহিনী ৰাজকুমাৰী আৰু পানীটিঙীয়াৰ ইন্দু সন্দিকৈ ক্ৰমে ৰাজমাও আৰু জয়মতীৰ অভিনয় কৰিবলৈ আগবাঢ়ি আহিছিল। শেষত দুয়োগৰাকীকে ৰাইজে সমাজচ্যুত কৰিছিল। মোহিনী ৰাজকুমাৰী তাৰ বাবে অলপো হতাশ বা বিচলিত হোৱা নাছিল, কিয়নো তেখেতৰ মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত বৈষ্ণৱ ধৰ্মত সম্পূৰ্ণ বিশ্বাস আছিল আৰু নিয়মিতভাৱে নাম প্ৰসঙ্গাদি কৰিছিল।

জ্যোতিপ্ৰসাদৰ জয়মতী ফিল্মৰ সকলো কাম চিত্ৰবন ষ্টুডিওত কৰা হৈছিল। তাৰ বাবে চিত্ৰবন ষ্টুডিও গঢ়ি তোলাত বহুতো খৰচান্ত হ'বলগীয়া হৈছিল। এই কামৰ দায়িত্ব পৰিছিল গজেন বৰুৱা আৰু প্ৰতাপ বৰুৱাৰ ওপৰত। ক'বলৈ গ'লে এই সময়ছোৱাত চিত্ৰবন ষ্টুডিওটোক আহোম ৰজাৰ ৰাজধানীৰ ৰূপত সজোৱা হৈছিল। জ্যোতিপ্ৰসাদে লাহোৰৰ পৰা অনা 'ফেজি' নামৰ স্বদেশী শব্দগ্ৰহণ যন্ত্ৰ ব্যৱহাৰ কৰিছিল।

জ্যোতিৰ প্ৰথম চেষ্টা সফল হৈছিল আৰু তাৰ বাবে পঞ্চাশ

হেজাৰতকৈও অধিক টকা খৰচ কৰিবলগীয়া হৈছিল। ১৯৩৫ চনৰ ১০ মাৰ্চত কলিকতাৰ 'ৰাউনাক মহল' (Raunak Mahal) চিনেমা হলত প্ৰথম অসমীয়া কথাছবি 'জয়মতী' মুক্তিলাভ কৰি অসমীয়া চিনেমাৰ ইতিহাসত অভিলেখ স্থাপন কৰিছিল। নাটকত ফুনু বৰুৱাই গদাপাণিৰ ভাও লৈছিল। সাহিত্যৰথী বেজবৰুৱাই ফিল্মখন উদ্বোধন কৰি অপাৰ আনন্দ পাইছিল আৰু শুৰিৰ পৰা শেষলৈ উপভোগ কৰি শেষত মন্তব্য কৰিছিল—"মোৰ সপোনৰ ডালিমীজনীক সচাঁসচিকৈ বাস্তৱ ৰূপত দেখিবলৈ পালো।" বিখ্যাত ফিল্ম ডিৰেক্টৰ প্ৰমথেশ বৰুৱা, সুপ্ৰসিদ্ধ গায়ক কে. এল চাইগলেও নাটখনি চাই উচ্চ প্ৰশংসা কৰিছিল।

কোৱা বাহুল্য যে, চাওডাঙহঁতে জেৰেঙা পথাৰত জয়মতীক শাস্তি দিয়া কৰুণ দৃশ্য দেখি প্ৰায়বোৰ দৰ্শকে উচুপি উচুপি হেনো কান্দি চকুপানী টুকিছিল; আৰু "লুইতৰে পানী যাবি ঐ বৈ" গানটোৱে প্ৰতিজন দৰ্শকৰ হৃদয়ত মচিব নোৱাৰা সাঁচ পেলাইছিল।

জয়মতী বোলছবিত অভিনয় কৰা আন কেইগৰাকীমান শিল্পী আছিল—ডালিমী—স্বৰ্গজ্যোতি বৰুৱা, লালুকসোলা বৰফুকন—ডঃ ললিত মোহন চৌধুৰী, গাঁঠি হাজৰিকা—ফণী শৰ্মা, ল'ৰা ৰজা—নৰেন বৰদলৈ, চাওদাং বৰুৱা—বনমালী দাস, চোৰাংচোৱা বৰুৱা—শুভচন্দ্ৰ বৰুৱা, বৰগোহাঁই—প্ৰফুল্লচন্দ্ৰ বৰুৱা, ভাওনাৰ শ্ৰীকৃষ্ণ—কমলা প্ৰসাদ আগৰৱালা। বোলছবিখনিৰ পৰিচালনা কাৰ্যত জ্যোতিপ্ৰসাদক বিশেষভাৱে সহায় কৰিছিল ৰাজেন্দ্ৰনাথ বৰুৱাই। কাৰেঙৰ লিগিৰীত জ্যোতিপ্ৰসাদে নিজে উষা কটকী নামেৰে কাৰেঙৰ লিগিৰীৰ অভিনয় কৰা—ছোৱালীজনীৰ সৈতে হাতত জাপি লৈ অপূৰ্ব নাচোন নাচি দৰ্শকক অপাৰ আনন্দ দিছিল।

সিদ্ধিনাথ শৰ্মা

"....শৰ্মাৰ মৃত্যুত দেশৰ এটা পূৰাব নোৱাৰা ক্ষতি হ'ল। আজীৱন তেখেতে দেশৰ কাম কৰি গৈছে। আমি যি সকলে তেখেতৰ নেতৃত্বত কাম কৰিছো, তেওঁলোকে তেখেতৰ পৰা সদায় উৎসাহ, প্ৰেৰণা আৰু সহায় পাইছিলো। স্বাধীনতা যুজত, কংগ্ৰেছ অনুষ্ঠানৰ কাম কৰোঁতে আৰু মন্ত্ৰীত্বৰ দায়িত্ব পালনত তেখেতে যি ত্যাগ, কৰ্তব্যনিষ্ঠা আৰু দক্ষতাৰ পৰিচয় দিছিল, সি আমাৰ কাৰণে, দেশৰ উঠি অহা ল'ৰা-ছোৱালীৰ কাৰণে উজ্জ্বল দৃষ্টান্ত হৈ থাকিব।"

"শৰ্মা দেৱক বেয়া পোৱা মানুহ কিজানি কোনো নাছিল। তেনে সৰ্বজনপ্ৰিয় লোক বৰ বিৰল। অপৰিসীম ধৈৰ্য্যৰে সৈতে সকলোৰে কথা তেখেতে শুনিছিল, তেওঁলোকক দিহা-পৰামৰ্শ দিছিল আৰু যথাসাধ্যে সহায় কৰিছিল। তেখেতৰ ৰাজহুৱা জীৱনত ই এটা ডাঙৰ কৃতিত্ব।"

সিদ্ধিনাথ শৰ্মাৰ আকস্মিক বিয়োগত অসমৰ এজন প্ৰবীণ কংগ্ৰেছ নেতাই শোক বাৰ্তাত এইখিনি কথা কৈছিল। আন এজন বিশিষ্ট সমাজকৰ্মী শৰ্মাদেৱৰ সম্পৰ্কত এনেদৰে কৈছিল, "...দেশৰ অপূৰণীয় ক্ষতি হ'ল। বিশেষভাৱে কামৰূপ অঞ্চলৰ সংখ্যালঘু মুছলিম ৰাইজে তেওঁৰ পৰা যি অকপট মৰম-প্ৰীতি লাভ কৰি আহিছিল সেই হেন মহান নেতা আজি আমাৰ মাজৰ পৰা নাইকিয়া হোৱাত আমি নিজকে নিঃসহায় যেন পাইছো। আমাৰ আপদ-বিপদৰ সময়ত তেখেতে গছৰ ছাঁৰ নিচিনা আমাক শান্তিৰে আশ্ৰয় দিছিল, প্ৰগতিৰ পথত সমান সুযোগ-সুবিধা আমি যাতে লাভ কৰিব পাৰোঁ তাৰ বাবে তেখেতে সাম্প্ৰদায়িক বৰবিৰৰ বিৰুদ্ধে যুঁজ দিছিল।"

ওপৰৰ মন্তব্য দুটাৰ পৰা সিদ্ধিনাথ শৰ্মাৰ ব্যক্তিত্ব, কৰ্মনিষ্ঠা, ধৰ্মনিৰপেক্ষতা তথা মানৱ সেৱাৰ ইঙ্গিত পোৱা যায়। অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভানেত্ৰী নলিনীবালা দেৱীয়ে শৰ্মাৰ পুত্ৰ মানবেন্দ্ৰ শৰ্মালৈ পঠোৱা শোক বাৰ্তাত কৈছিল—"তোমালোকে হেৰুৱালা স্নেহময় পিতৃ, আমি হেৰুৱালো সুহৃদ সহোদৰ এজন, দেশে হেৰুৱালে এজন সুদক্ষ, বিচক্ষণ, আজীৱন দেশসেৱক।" শৰ্মা আছিল আজীৱন গান্ধীবাদী নিৰ্ভীক মুক্তি যুঁজাৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সৰ্বময় কৰ্তা। তেখেতে দেশৰ বাবে সৰ্বস্ব ত্যাগ কৰি যি আদৰ্শ দেখুৱাই থৈ গ'ল তাৰ তুলনা পাবলৈ টান।

কামৰূপ জিলাৰ ৰঙিয়াত ১৮৯১ চনৰ ১৮ মে' তাৰিখে দুবীয়া ব্ৰাহ্মণ পৰিয়ালত তেখেতৰ জন্ম হৈছিল। তেখেতৰ পিতৃ আছিল দণ্ডীনাথ শৰ্মা। সিদ্ধিনাথ শৰ্মাই কটন কলেজিয়েট হাইস্কুলৰ পৰা প্ৰৱেশিকা, কটন কলেজৰ পৰা বি, এছ, চি আৰু গুৱাহাটী আৰ্ল ল কলেজৰ পৰা আইন পৰীক্ষা পাছ কৰে। ১৯১৪ চনৰ ৪ ফেব্ৰুৱাৰীৰ দিনা গুৱাহাটীৰ আদালতত তেখেতে ওকালতি আৰম্ভ কৰে। কলেজীয়া ছাত্ৰ হৈ থাকোঁতেই শৰ্মাই অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২৬ চনৰ পৰা ১৯৩৭ চনলৈ এই সুদীৰ্ঘ কালছোৱাত তেখেত গুৱাহাটী জিলা কংগ্ৰেছৰ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰে। নিষ্ঠা আৰু সততাৰে এই দায়িত্ব পালন কৰাৰ ফলত তেখেতক ১৯৩৭ চনত অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক পদত নিৰ্বাচিত কৰে আৰু একেৰাহে ১৪ বছৰ কাল সেই দায়িত্বত থাকি পিছত সভাপতিৰ দায়িত্বও পালন কৰিব লগাত পৰে। ১৯৫০ চনৰ পৰা ৫২ চনলৈ শৰ্মা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ব্যৱস্থাপক সভাৰ সদস্য আছিল। শৰ্মা ১৯২৪ চনৰ পৰা ৫২ চনলৈকে মাজতে মাত্ৰ এবছৰৰ বাহিৰে গুৱাহাটী লোকেল বোৰ্ডৰ সক্ৰিয় সদস্য আছিল। তাৰ পিছত লোকেল বোৰ্ডৰ তেখেত দুবাৰো সভাপতি হয়। ইয়াৰ মাজতে গুৱাহাটী পৌৰ সভাৰো শৰ্মা এজন বিশিষ্ট সদস্য আছিল। শৰ্মা

১৯৩৭ চনৰ পৰা ১৯৬৬ চনৰ ১৮ মে'লৈকে অৰ্থাৎ মৃত্যুৰ সময়লৈকে অসম বিধান সভাৰ সদস্য আছিল। তেখেতে এই কংগ্ৰেছ অনুষ্ঠানটোক এনেদৰে মনেপ্ৰাণে ভাল পাইছিল যে এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত তেখেতে কোনো দল উপদলত যোগ দিয়া নাছিল। তেখেত ১৯৩৭ চনৰ পৰা ১৯৪৬ চনলৈকে অসম বিধান সভাৰ কংগ্ৰেছ দলৰ উপসভাপতি আছিল। তেখেতে অসমৰ তিনি গৰাকী বিশিষ্ট মুখ্যমন্ত্ৰী ক্ৰমে—গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধী আৰু বিমলা প্ৰসাদ চলিহা চৰকাৰৰ কেবিনেট পৰ্যায়ৰ মন্ত্ৰী হিচাপে থাকি বিভিন্ন সময়ত পৰিবহন, গড়কাপ্তানি, খাদ্য, জলসিঞ্চন, বন-বিভাগ, সমবায় পৰিবহন ৰাষ্ট্ৰীয়কৰণ, ৰাজহ, আদি বিভাগ অতি কৃতিত্বৰে চলাইছিল। ৰাজহুৱা অথবা ব্যক্তিগত সকলো কামতে শৰ্মাই ন্যায় আৰু সততা অৱলম্বন কৰিছিল, আৰু সমস্যাবহুল ৰাজ্যখনৰ প্ৰতিটো সমস্যাকে গুৰুত্ব সহকাৰে চিন্তা কৰি কাৰ্য্যকৰী উপায় অৱলম্বন কৰিছিল।

শৰ্মা অতি সাধাৰণ অৱস্থাৰ পৰা কেবিনেট মন্ত্ৰী পদ পাইছিল। এই অৱস্থালৈ উন্নীত হোৱাৰ বাটছোৱাত তেখেতে অসন্তৱ দুখ-কষ্ট কৰিব লগা হৈছিল। তেখেত কংগ্ৰেছ দলৰ অন্যতম্ পথ প্ৰদৰ্শক আৰু শক্তিৰ অফুৰন্ত ভঁৰাল আছিল। তেখেতে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো মানুহৰ পৰা সমানে মৰম আৰু শ্ৰদ্ধা পাইছিল। আনকি বিধান সভাৰ বিৰোধী দলৰ সদস্য সকলৰ মাজতো তেখেত অতি প্ৰিয় আছিল। যি কোনো ব্যক্তি, যি কোনো সময়তে নিৰ্ভয় চিত্তে তেখেতক ঘৰতেই হওক, কাৰ্যালয়তেই হওক, বা ভ্ৰমণৰত অৱস্থাতেই হওক সাক্ষাৎ কৰি নিজৰ দুখ, অভাৱ-অভিযোগৰ বিষয়ে ক'ব পাৰিছিল। তেখেতে অসীম ধৈৰ্য সহকাৰে সকলো কথা মন দি শুনিছিল আৰু বিহিত ব্যৱস্থা লৈছিল। পদবী বা ৰাজক্ষমতাই তেখেতৰ মনত কাহানিও অহংকাৰ ভাৱ আনি দিয়া নাছিল। মন্ত্ৰী হওকেই বা নহওকেই তেখেত সদায় একে আছিল। গোটেই

জীৱনটো তেখেতে এজন অতি সাধাৰণ কংগ্ৰেছ কৰ্মী হিচাপে সেৱা কৰিছিল আৰু মৃত্যুকো তেনেদৰে সাধাৰণভাৱেই আঁকোৱালি লৈছিল। তেখেতে গান্ধীবাদৰ প্ৰকৃত অৰ্থ কি তাক ভালদৰে বুজি পাইছিল আৰু সেই আদৰ্শক অকণো হীনদেৰি হ'বলৈ নিদিয়াকৈ পৰম নিষ্ঠাৰে পালন কৰিছিল। এনেবোৰ সদগুণৰ অধিকাৰী হ'ব পৰা যোগ্য ব্যক্তি আজিৰ অসমত তেনেই বিৰল যেন লাগে। সন্দেহ নাই, তেখেত এজন শীৰ্ষস্থানীয় কংগ্ৰেছ নেতা আৰু আগশাৰীৰ মুক্তিযুঁজাৰু আছিল। তেখেত অকল কংগ্ৰেছৰেই গঢ় দিওঁতা নেতা নাছিল, তেখেত আছিল অসমৰ এজন মহান ৰাজনীতিজ্ঞ পুৰুষো। তেখেতে সদায় নিজৰ আৰু ঘৰৰ চিন্তাক আওহেলা কৰি দেশৰ চিন্তাক অগ্ৰাধিকাৰ দিছিল। অসমত সময়ে সময়ে দেখা দিয়া খাদ্য সংকট, বানপানী বিপ্লৱ, বহিৰাগতৰ সমস্যা আদিত তেখেত ব্যস্ত আছিল, আৰু সেই সমস্যাবোৰ সমাধানৰ পথত তেখেতে নিজৰ সুস্থিৰ মন্তব্য দাঙি ধৰিছিল।

শৰ্মাৰ মানত কোনো উচ্চ-নীচ, সৰু-ডাঙৰ ভাৱ নাছিল। কংগ্ৰেছ অনুষ্ঠানটো গঢ়াৰ সময়ত শৰ্মাই এই মহান দৃষ্টি আগত ৰাখি কাম কৰিছিল বাবে প্ৰতিটো খোজতে আশানুৰূপ ফলো লাভ কৰিছিল। তেখেত কংগ্ৰেছৰ ন আৰু পুৰণি দুয়োটা চামৰ মাজৰ যোগসূত্ৰ আছিল। বয়সত বুঢ়া হ'লেও মনটো সদায় ডেকা আছিল আৰু বুঢ়া-ডেকা দুয়োটা চামৰ লগত বন্ধুভাৱে থাকি দলৰ কাম কৰিছিল। তেখেতে অবাবত এধান মানো সময় নষ্ট নকৰিছিল। প্ৰশাসনৰ ক্ষেত্ৰতো তেখেত নিকা আৰু নিষ্ঠাৱান আছিল। শৰ্মা ব্যৱহাৰত সদায় অমায়িক, সৰল আৰু মৰমিয়াল আছিল। তেখেত দুখীয়াৰ পৰম বন্ধু আছিল। তেখেতৰ মনত শত্ৰু-মিত্ৰৰ কোনো বাছবিচাৰ নাছিল আৰু ওচৰলৈ অহা সকলোকে দিহা-পৰামৰ্শ দি সহায় সাহায্য কৰিছিল।

শৰ্মাক এজন ব্যক্তি বুলি নকৈ এটা অনুষ্ঠান বুলিহে কোৱা উচিত।

ৰাজনীতিৰ বাহিৰেও জাতীয় স্বাৰ্থ নিহিত হৈ থকা বহুতো অনুষ্ঠানৰ লগত তেখেত জড়িত আছিল। শৰ্মাৰ ৰাজনৈতিক জীৱন আৰম্ভ হয় অসহযোগ আন্দোলনৰ সময়ত। ১৯২১ চনত অসহযোগ আন্দোলনৰ কাৰ্য্যসূচী ৰূপ দিবলৈ গোপীনাথ বৰদলৈ আৰু ডাক্তৰ ভুবনেশ্বৰ বৰুৱা প্ৰমুখ্যে কেইবাজনো গান্ধীবাদী কংগ্ৰেছ কৰ্মীৰ লগত থাকি গাঁৱে-ভূঁৱে, নগৰে-চহৰে খদ্দৰ কাপোৰ বিক্ৰী কৰি ফুৰিছিল, লগতে মানুহক কপাহ খেতি কৰা, সূতা কটা, কাপোৰ বোৱা আদি কামৰ প্ৰতি প্ৰেৰণা যোগাইছিল।

১৯২৬ চনত পাণ্ডুত বহা নিখিল ভাৰত কংগ্ৰেছ অধিবেশনৰ লগত তেখেত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। তেখেত অভ্যৰ্থনা সমিতিৰ বাসস্থান বিভাগৰ সম্পূৰ্ণ দায়িত্বত আছিল। পাণ্ডু কংগ্ৰেছ পাতোঁতে ভালেমান ধাৰ লগাত সেই ধাৰৰ বোজা দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈৰ লগত তেখেতেও কিছু পৰিমাণে বহন কৰিছিল। ১৯৩১ চনত গুৱাহাটী জিলা কংগ্ৰেছ কমিটিৰ সভাত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ সভাপতি, তেখেত সাধাৰণ সম্পাদক আৰু লক্ষ্মীৰাম বৰা (শৰ্মাদেৱৰে একালৰ অতি প্ৰিয় ছাত্ৰ) সহকাৰী সম্পাদক ৰূপে নিৰ্বাচিত হয়। ইয়াৰ আগৰ বছৰত ১৯৩০ চনত স্বৰাজ আন্দোলনত লাগি কৰ্মবীৰ, ত্যাগবীৰ, দেশভক্ত, লোকবন্ধু ভুবনেশ্বৰ বৰুৱা, বিষ্ণুৰাম মেধী আদিৰ লগত তেখেতো গ্ৰেপ্তাৰ হয়। তেখেত ফুকন, বৰদলৈ আৰু ত্যাগবীৰৰ বিশেষ আস্থাভাজন আছিল।

১৯৩১ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাত কংগ্ৰেছ সভাপতিৰ কাৰণে সুভাষ চন্দ্ৰ বসু আৰু ডাঃ পট্টভি সীতাৰামায়ৰ মাজত ভোট হোৱাত ক্ৰমে ৩৪ আৰু ২২ ভোটৰ ব্যৱধান হয়। এই সভাতেই ত্যাগবীৰ সভাপতি আৰু শৰ্মা কংগ্ৰেছৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। প্ৰকৃততে সিদ্ধিনাথ শৰ্মাই অসম কংগ্ৰেছৰ সম্পাদকৰ দায়িত্ব লোৱাৰ আগতে অসম কংগ্ৰেছৰ বিশেষ উন্নতি হোৱা নাছিল। আনকি অনুষ্ঠানটিৰ সাধাৰণ-

স্থায়ী কাৰ্যালয় এটিও নাছিল। সিদ্ধিনাথ শৰ্মাৰ উদ্যোগত উজান বজাৰৰ কংগ্ৰেছ অফিচ থকা ঠাইখিনি ডাক্তৰ হৰিকৃষ্ণ দাসৰ পৰা প্ৰথমে লিজ্ হিচাপে পোৱা হয়। তাৰ পিছত ডাক্তৰ দাসে সেই মাটি খণ্ড অসম কংগ্ৰেছ কমিটিক দান কৰে। এই কামত শৰ্মা দুগুণে উৎসাহিত হয় আৰু ৰোহিণী কুমাৰ চৌধুৰীৰ পৰা কাঠ আৰু খুটা, ডাক্তৰ হৰিকৃষ্ণ দাসৰ পৰা টিন আনি গিৰিশচন্দ্ৰ বৰুৱাৰ সহায়ত সেই মাটিতে ঘৰ এটা নিৰ্মাণ কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কাৰ্যালয় স্থাপন কৰে।

১৯৪০ চনৰ প্ৰদেশ কংগ্ৰেছৰ বছৰেকীয়া অধিবেশনত হেমচন্দ্ৰ বৰুৱা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি হ'বলৈ ইচ্ছা নকৰাত মৌলানা তৈয়বুল্লা সভাপতি হয় আৰু শৰ্মা এইবাৰো সাধাৰণ সম্পাদক নিৰ্বাচিত হয়।

১৯৪০ চনত মহাত্মা গান্ধীৰ আহ্বান ক্ৰমে পুনৰ অসহযোগ আন্দোলন আৰম্ভ হোৱাত গুৱাহাটী জিলা কংগ্ৰেছৰ ৫২৩ জন সত্যাগ্ৰীয়ে প্ৰতিজ্ঞা পত্ৰত চহী কৰি নিৰ্দ্ধাৰিত কাৰ্যসূচী অনুসৰি বিভিন্ন ঠাইত সত্যাগ্ৰহ পালন কৰে। সিদ্ধিনাথ শৰ্মাই ১৮ ডিচেম্বৰ তাৰিখে টিহুত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ বৰণ কৰে তেখেতৰ ছমাহ কাৰাদণ্ড হয়।

১৯৪২ চনত অসম কংগ্ৰেছৰ কাৰ্যালয়ত প্ৰতি মাহে সূতা কটাৰ প্ৰতিযোগিতা হৈছিল। নিয়ম আছিল প্ৰতি সপ্তাহে কোনে কিমান সূতা কাটিব পাৰে, তাৰ হিচাপ কাৰ্যালয়ত দাখিল কৰা। এই প্ৰতিযোগীসকলৰ কেইগৰাকীমান আছিল গোপীনাথ বৰদলৈ, ডাক্তৰ ভুৱনেশ্বৰ বৰুৱা, ডাক্তৰ হৰিকৃষ্ণ দাস, বিষ্ণুৰাম মেধী, জগদীশ মেধী আৰু সিদ্ধিনাথ শৰ্মা।

১৯৪২ চনত বিশ্বজুৰি ক্ষতিগ্ৰস্ত হোৱা আৰু বান পীড়িত লোকক সাহায্য দিয়াৰ কাৰণে এই ব্যৱস্থা লোৱা হৈছিল। এনেতে দ্বিতীয় মহাসমৰত প্ৰতিক্ৰিয়া ব্ৰহ্মদেশ আদিতো দেখা দিলে। মিলিটেৰীবে

দেশ ভৰি পৰিল। মূৰৰ ওপৰেদি এৰোপ্লেনৰ লানি নিৰিবিলা ধাৰ বৰলৈ ধৰিলে। নিষ্প্ৰদীপ আইন সঘনে প্ৰয়োগ হ'ল। ইতিমধ্যে জাপানে পাৰ্লহাৰ্বাৰ আক্ৰমণ কৰি ১৫ ফেব্ৰুৱাৰীত চিঙ্গাপুৰো অধিকাৰ কৰি ব্ৰহ্মদেশ আৰু ভাৰতবৰ্ষলৈ ক্ৰমে আগবাঢ়ি আহিছিল। সকলোৰে মনত ভীষণ আতঙ্ক জাগিল। এনেতে ভূতৰ ওপৰত দানহ পৰাদি অসমৰ বুকুত প্ৰলয়ঙ্কৰী বানপানী আহি ৰাইজৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা কৰিলে। ৰাজ্যখনৰ এই দুৰ্যোগৰ সংকট কালত গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধী আৰু সিদ্ধিনাথ শৰ্মা বিশেষভাৱে তৎপৰ হৈ অভাৱনীয় কষ্ট স্বীকাৰ কৰি ক্ষতিগ্ৰস্ত অঞ্চললৈ গৈ ৰাইজৰ মাজত চিৰা, বুট, চাউল, কাপোৰ প্ৰভৃতি বিতৰণ কৰি বিপদত মাত এষাৰ দি সকলোৰে মনত আশাৰ পানী সিঁচিলে।

১৯৪২ চনত বহা নিখিল ভাৰত কংগ্ৰেছ অধিবেশনত 'ভাৰত ত্যাগ' আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। বোম্বেৰ কংগ্ৰেছৰ পৰা ওভটি অহাৰ বাটত ধুবুৰীত গোপীনাথ বৰদলৈ আৰু শৰ্মাক পুলিচে গ্ৰেপ্তাৰ কৰে। ৪২ৰ আন্দোলনত গ্ৰেপ্তাৰ কৰি যোৰহাট কাৰাগাৰত কাৰাদণ্ড বিহা নেতা সকলৰ ভিতৰত কেইজনমান আছিল, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধী, ডাঃ হৰিকৃষ্ণ দাস, ফকৰুদ্দিন আলি আহমদ আৰু সিদ্ধিনাথ শৰ্মা। যোৰহাট জেলতে ৰেল দুৰ্ঘটনাৰ অভিযোগত গ্ৰেপ্তাৰ কৰি কুশল কোঁৱৰকো ৰখা হৈছিল। বিচাৰত কুঁশল কোঁৱৰৰ ফাঁচী হ'ল আৰু ১৯৪৩ চনৰ ১৫ জুন তাৰিখে (১৪ জুনৰ শেষ ৰাতি ৩½ বজাত)।

১৯৪১ চনৰ কথা। মুছলিম লীগৰ হাতৰ পৰা দেশখনক ৰক্ষা কৰাৰ বাবে বৰদলৈ, ডাঃ ভুৱনেশ্বৰ বৰুৱা, মেধী প্ৰমুখ্যে আগশাৰীৰ নেতা সকলৰ গাত তাত নোহোৱা হৈছিল। সেই সময়ত সত্যাগ্ৰহী সকলে পদব্ৰজে গাঁৱে-ভূঁৱে ফুৰি প্ৰচাৰ কাৰ্য্য চলাই লোক সংগঠন কৰিছিল। সেই সকল সত্যাগ্ৰহীৰ ভিতৰত শৰ্মা আছিল অন্যতম।

এইখিনিতে সিদ্ধিনাথ শৰ্মাৰ জনপ্ৰিয়তাৰ উদাহৰণ এটি দাঙি ধৰা হ'ল। ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনত দেশভক্ত ফুকনৰ লগত

সিদ্ধিনাথ শৰ্মাৰ তুমুল প্ৰতিদ্বন্দ্বিতা চলিছিল। ফুকনে কংগ্ৰেছ ত্যাগ কৰি সংযুক্ত জাতীয় দল গঠন কৰিছিল আৰু এই দলৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত থিয় দিছিল। সিদ্ধিনাথ শৰ্মা ফুকনৰ বিৰুদ্ধে কংগ্ৰেছ প্ৰাৰ্থী হিচাপে থিয় দিছিল। কংগ্ৰেছ কৰ্মীসকলে "মহাত্মা গান্ধী কি জয়" দি হাবি-বননিৰ মাজে মাজে খোজ কাঢ়ি প্ৰচাৰকাৰ্য চলাইছিল। শেষত ফুকনৰ দৰে সৰ্বভাৰতীয় অবিসম্বাদী গান্ধীবাদী নেতা এজনৰ সিদ্ধিনাথ শৰ্মাৰ হাতত পৰাজয় ঘটিল। সিদ্ধিনাথ শৰ্মাৰ এই জয় অসম প্ৰদেশ কংগ্ৰেছৰ ইতিহাসত সোণৰূপৰ আখৰেৰে লেখা থাকিব নিশ্চয়।

সেয়েহে সিদ্ধিনাথ শৰ্মাক "Keeper of Congress Con-science" বুলি মাতিছিল। ইয়াৰ কাৰণ আৰু এটা হ'ব পাৰে যে এটা সময়ত ফুকন প্ৰমুখ্যে আগশাৰীৰ কংগ্ৰেছী নেতাই কংগ্ৰেছ ত্যাগ কৰি নিজৰ বৰীয়াকৈ দল-উপদল গঠন কৰি নিৰ্বাচনত নামিছিল। কিন্তু শৰ্মাই আদিৰে পৰা অন্তলৈকে মহাত্মা গান্ধীৰ আদৰ্শত ব্ৰতী হৈ থাকি কংগ্ৰেছতেই থাকিল। কংগ্ৰেছতেই জীৱনৰ অৱসান ঘটালে।

শৰ্মা এজন নীৰৱ কৰ্মী আছিল। নিজৰ অসাধাৰণ যোগ্যতা থকা সত্বেও কেতিয়াও নেতা হ'বলৈ হাবাঁও কঢ়া নাছিল। তেখেতক নেতৃত্ব দিব খুজিলেও তাৰ পৰা-আঁতৰি থাকি কংগ্ৰেছৰ সেৱা কৰি যাবলৈকে বিচাৰিছিল। নিজে নেতা হ'বলৈ ইচ্ছা নকৰি তেখেতে আনক নেতা পাতি আনন্দ পাইছিল। তথাপি পৰিস্থিতিয়ে তেখেতক দায়িত্ব ল'বলৈ বাধ্য কৰিছিল। অহঙ্কাৰ অথবা অভিমান বোলা বস্তুটো তেখেতৰ একেবাৰেই নাছিল; থকা হ'লে জীৱনৰ শেষৰ ফালে তেখেতৰ অনুজ প্ৰতিম বয়সীয়া মুখ্যমন্ত্ৰী এজনৰ তলত তু শব্দ এটাও নকৰাকৈ মন্ত্ৰী পদবী নল'লেহেঁতেন। দেশক সেৱা কৰাৰ কাৰণে তেখেতে মন্ত্ৰীপদ ল'লে আৰু মৃত্যুৰ দিনালৈকে সেই দায়িত্ব সততা আৰু নিষ্ঠাৰে পালন কৰি গ'ল।

অসমসিংহী

চন্দ্ৰপ্ৰভা শইকীয়ানী

"আপোনালোকৰ কি আত্মসন্মান নাই যে এই দৰে খাচাঁৰ মাজত বন্দী হৈ আছে? সিংহীৰ দৰে গড়াল ভাঙি ওলাই নাহে কিয়?" চন্দ্ৰপ্ৰভাৰ এই বিপ্লৱী আহ্বান সমস্বৰে সমৰ্থন দি আঁৰ কাপোৰৰ বেৰ ভাঙি মহিলাসকল ওলাই আহিল। এই আছিল চন্দ্ৰপ্ৰভা শইকীয়ানীৰ নাৰী মুক্তি আন্দোলনৰ প্ৰথম পদক্ষেপ। ১৯২৫ চনত উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ দেৱৰ পৌৰহিত্যত বহা অসম সাহিত্য সভাৰ অধিৱেশনৰ মজিয়াৰ পৰা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে এই কথা কৈছিল।

১৯১৮ চনত তেজপুৰত বহা অসম ছাত্ৰ সন্মিলনত প্ৰতিনিধিত্ব কৰি চন্দ্ৰপ্ৰভাই মুকলি অধিবেশনত দুঃসাহসিকতাৰে প্ৰস্তাৱ দাঙি ধৰিছিল—"অসমৰ পৰা কানি-বৰবিহ খোৱাটো বন্ধ কৰিবই লাগিব।"

বৰপেটা কীৰ্ত্তন ঘৰত বহুকাললৈকে তথাকথিত অস্পৃশ্য জাতিৰ লোকসকল প্ৰৱেশ কৰাৰ অধিকাৰ নাছিল। চন্দ্ৰপ্ৰভা শইকীয়ানী সদলবলে গৈ লাঠি টোকানৰ কোব খাই ভগৱানৰ মন্দিৰৰ ৰুদ্ধ দুৱাৰ জন-গণৰ কাৰণে মুকলি কৰি দুজনা মহাপুৰুষৰ আদৰ্শ ৰক্ষা কৰিছিল।

উজান বজাৰৰ এটি সম্ভ্ৰান্ত ব্ৰাহ্মণ পৰিয়ালত বিয়া খাবলৈ যাওঁতে এগৰাকী তথাকথিত অস্পৃশ্যা ভদ্ৰ মহিলাকো লগত লৈ যোৱাত কিছুমান অভিজাত ঘৰৰ মহিলাই মৌন প্ৰতিবাদ জনাই খোৱাৰ-পৰা উঠি গ'ল। তাকে দেখি চন্দ্ৰপ্ৰভাৰ সেই সকল মহিলালৈ পুতৌ জন্মিছিল।

তেজপুৰ চহৰত এখন প্ৰাথমিক স্কুলত প্ৰধান শিক্ষয়িত্ৰীৰ কাম কৰি থাকোঁতে থকা বহাৰ ওচৰতে কুঁৱা এটা আছিল। তথাকথিত সম্ভ্ৰান্ত পৰিয়ালৰ লোকসকলে ওচৰতে বসবাস কৰা অনুসূচীত জাতিৰ লোকসকলক সেই কুঁৱাৰ পৰা পানী তুলিবলৈ নিদিয়াত চন্দ্ৰপ্ৰভাই অশেষ মনোকষ্ট পাইছিল, বিপ্লৱ কৰিছিল শেষত জয়ীও হৈছিল।

তেজপুৰ মিচন্ স্কুলত পঢ়ি থাকোঁতে স্কুলৰ চুপাৰিন্‌টেণ্ডেণ্ট্ মিচ্ লীণ্ডে অসমীয়া ছাত্ৰীসকলক হোষ্টেলত থাকিবলৈ নিদি ওচৰৰে গুদামঘৰ এটাত থাকিবলৈ দিয়াত চন্দ্ৰপ্ৰভাই ঘোৰ প্ৰতিবাদ জনাইছিল। মিচ্ লীণ্ডৰ হুকুম অমান্য কৰি ছাত্ৰীসকলক হোষ্টেলত ঠাই দিয়াৰ দাবী তুলি, আন্দোলন কৰি তাতো জয়লাভ কৰিছিল।

তেজপুৰত শিক্ষয়িত্ৰীৰ কাম কৰি থকা সময়ত প্ৰখ্যাত কবি সাহিত্যিক তথা ঔপন্যাসিক দণ্ডিনাথ কলিতাৰ লগত চন্দ্ৰপ্ৰভাৰ প্ৰেম বিনিময় হৈছিল। সংৰক্ষণশীল সমাজে জাতি বৰ্ণৰ বিচাৰ কৰি এই বিবাহ হোৱাত বাধা দিছিল যদিও দুয়ো দুয়োকো গোপনে পতী-পত্নী হিচাপে গ্ৰহণ কৰিলে। সময়ত অতুলৰ জন্ম হ'ল। দণ্ডিনাথ কলিতাই আদৰ্শক বলি দি পুনৰ সংসাৰ বন্ধনত সোমাল। কুমাৰী চন্দ্ৰপ্ৰভাই জীৱনৰ এই চৰম ঘটনাটোক এটা বিৰাট প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিলে। শিশু অতুলক গাঁৱৰ পিতৃৰ ঘৰত ৰাখি শইকীয়ানী পুনৰ তেজপুৰলৈ গৈ শিক্ষয়িত্ৰীৰ কাম কৰি থাকিল।

চন্দ্ৰপ্ৰভাই অসম মহিলা সমিতিৰ সংগঠনৰ কামত তথা দেশ স্বাধীন কৰাৰ সংগ্ৰামত লাগি শিশু অতুলক হাতত ধৰি অসমৰ গাঁৱেঁ ভূঁয়ে ঘূৰি ফুৰিছিল। অসমীয়া নাৰীক সংৰক্ষণশীল সমাজৰ আৱেষ্টনীৰ পৰা ওলাই আহিবলৈ জগাই তুলিছিল। সময়ত অতুল মানুহ হ'ল, ট্ৰেড্ ইউনিয়নৰ নেতা হিচাপে প্ৰসিদ্ধি লাভ কৰিলে, অসম বিধান সভাৰো এম. এল. এ. হ'ল।

মূলা, কনকলতাৰ দেশৰ বিপ্লৱীনী নাৰী চন্দ্ৰপ্ৰভা শইকীয়ানীৰ কামৰূপ জিলাৰ দৈছিঙৰী গাঁৱৰ এটি অতি সাধাৰণ পৰিয়ালত ১৯০১ চনত জন্ম হয়। পিতৃয়ে পঢ়া খৰচ যোগাব নোৱাৰাত মাহীয়েকৰ ঘৰত থাকি প্ৰাথমিক স্কুলত পঢ়িছিল, লগত ভনীয়েক ৰজনীপ্ৰভা দাসো। সেই সময়ৰ কামৰূপ জিলাৰ স্কুলসমূহৰ উপ-পৰিদৰ্শক দয়ালু শিক্ষাপ্ৰেমী নীলকান্ত দাসে তেওঁলোক দুজনীৰ বুদ্ধি বৃত্তি দেখি জলপানী দি নগাওঁৰ মিশ্যন্ স্কুলত নাম ভৰ্ত্তি কৰি দিছিল। চন্দ্ৰপ্ৰভাই সেই স্কুলৰ পৰা এম, ভি পাছ কৰাৰ পিছত নৰ্মাল স্কুলৰ পৰা নৰ্মালো পাছ কৰিছিল। প্ৰথমে কেইবছৰমান নিজে পতা এল. পি স্কুলত প্ৰধান শিক্ষয়িত্ৰী হিচাপে কাম কৰাৰ পিছত এম. ভি. স্কুলত নিযুক্তি পাইছিল। উল্লেখযোগ্য যে ৰজনীপ্ৰভা দাসে সময়ত এম. বি. বি. এছ. পাছ কৰি কলিকতাত চৰকাৰী চাকৰি কৰিছিল। ৰজনীপ্ৰভা দাসেই অসমৰ প্ৰথম মহিলা ডাক্তৰ।

স্বামীৰ পৰা আঁতৰি আহি চন্দ্ৰপ্ৰভাই স্বামীৰ পৰিচয় লুপ্ত কৰি স্বস্বীকৃত 'শইকীয়ানী' উপাধি লৈছিল। শইকীয়ানীৰ এই দুৰ্যোগৰ সময়ত কলিকতাত থকা ভগ্নী ৰজনীপ্ৰভাই তেখেতক কলিকতালৈ মাতি নি নদীয়া জিলাৰ কৃষ্ণ নগৰৰ মাঝিৰ পাৰাৰ বালিকা বিদ্যালয়ত শিক্ষয়িত্ৰীৰ কাম এটি যোগাৰ কৰি দিছিল, কিন্তু পৰিচালনা সমিতিয়ে শইকীয়ানীয়ে অসহযোগ আন্দোলনত যোগ নিদিওঁ বুলি পণপত্ৰ লিখি দিবলৈ দাবী কৰাত চন্দ্ৰপ্ৰভাই লগে লগে কাম ইস্তফা দি অসমলৈ উভটি আহি পুনৰ আন্দোলনত জপিয়াই পৰিল।

১৯২৫ চনত নগাওঁ সাহিত্য সভা অধিৱেশনত নাৰীমুক্তি আন্দোলনত চন্দ্ৰপ্ৰভাই উদাত্ত কণ্ঠেৰে বক্তৃতা দি অসমীয়া নাৰীক আঁৰ কাপোৰৰ মাজৰ পৰা মুকলি পৃথিৱীখনলৈ ওলাই অহাৰ আবেদন জনাইছিল। দ্বিতীয় দিনা হেজাৰাধিক মহিলা গোটাই তাতেই "অসম মহিলা সমিতি" নামৰ এই মহান অনুষ্ঠানটিৰ জন্ম দিছিল। চন্দ্ৰপ্ৰভাৰ এই কামত সাহিত্য সভাৰ কেইগৰাকীমান

উজ্জোজাই বিশেষকৈ আইন ব্যৱসায়ীয়ে বাধা দিয়াৰ বিফল চেষ্টা এটা কৰিছিল যদিও শেষত চন্দ্ৰপ্ৰভাৰ জয় হৈছিল।

১৯২৬ চনত ধুবুৰীত অসম মহিলা সমিতিৰ এখন অধিৱেশন বহিছিল তাতে চন্দ্ৰপ্ৰভা শইকীয়ানী সম্পাদিকাৰ দায়িত্ব লৈ একেৰাহে সাত বছৰ কাল সেই দায়িত্বত থাকি অসম মহিলা সমিতিক পূৰ্ণাংগ ৰূপ দিছিল। সংগঠনৰ কামত চাইকেলত উঠি গাঁৱে নগৰে ঘূৰি ফুৰিছিল। সেই যুগত অসমীয়া মহিলাই চাইকেলত উঠি পুৰুষ-তিৰোতাৰ ভেদাভেদ নাৰাখি পৰ্বতে ভৈয়ামে ঘূৰি ফুৰিব পাৰে বুলি ভাবিবলৈকো আচৰিত যেন লাগে। কিন্তু সংৰক্ষণশীল সমাজৰ ৰতনাগঞ্জনা একোৱেই চন্দ্ৰপ্ৰভাক হতাশ কৰিব নোৱাৰিলে। অসমৰ ভৈয়াম অঞ্চলৰ বাহিৰেও তেতিয়াৰ নগাপাহাৰ, গাৰোপাহাৰ, খাচীয়া-জয়ন্তীয়া পাহাৰ, নেফা আদিত শ্ৰীমতী উষা দাস, গুলনাৰা বেগম, মিচ্ পিৰচুল (ৰাষ্ট্ৰপতি ফখ্ৰুদ্দিন আলি আহমদৰ ভনীয়েক) প্ৰমুখ্যে সহকৰ্মী সকলক লগত লৈ সংগঠনৰ কামত ঘূৰি ফুৰিছিল। কোৱা বাহুল্য যে ঘূৰি ফুৰোঁতে কেতিয়াবা বালি-ধূলি মিহলি খিচিৰি ভাতো খুজি খাই কোনোবা নাৱৰীয়াৰ ঘৰত ৰাতি কটাব লগা হৈছিল। নিজৰ আৰু উষা দাসৰ কপালৰ সেন্দুৰৰ ফোঁটৰ কিছু আনি গুলনাৰা বেগমৰ কপালত পিন্ধাই 'ৰেণুদেৱী' নাম দি তথাকথিত সম্ভ্ৰান্ত লোকৰ ঘৰত আলহী থাকিব লগাত পৰিছিল। শিশু আৰু মাতৃমঙ্গল কামত এইদৰে স্বাৰ্থ ত্যাগ কৰি ঘূৰি ফুৰা আদৰ্শ তেনেই বিৰল, তাতোকৈ বিৰল গুলনাৰাৰ ত্যাগ আৰু আদৰ্শ।

চন্দ্ৰপ্ৰভা শইকীয়ানী এনেকুৱা বিপ্লৱী নাৰী আৰু নিষ্ঠাৱতী সংগঠিকা আছিল যে বহু সময়ত পুৰুষেও তেখেতৰ লগত সমানে ফেৰ্ মাৰি যাব নোৱাৰিছিল। নিৰাশ্ৰয়, দুঃসহায় আৰু অভাৱগ্ৰস্ত নাৰী আৰু অনুন্নত অনুসূচীত লোকসকলৰ মুক্তি আৰু উন্নতিৰ কাৰণে অহৰহ চেষ্টা কৰিছিল আৰু তাক ৰূপ দিবলৈ যাওঁতে সমগ্ৰ অসমৰ পাহাৰে-ভৈয়ামে বহুতো অনুষ্ঠান গঢ়ি উঠিছিল।

১৯৪৮ চনৰ ৩০ জানুৱাৰীৰ দিনা মহাত্মা গান্ধিক নাথুৰামে গুলী কৰি হত্যা কৰাৰ পিছত সমগ্ৰ ভাৰত তথা সমগ্ৰ বিশ্ব ম্ৰিয়মান হৈ পৰিছিল। সকলো ঠাইতে সভা-সমিতি পাতি প্ৰাৰ্থনাৰ আয়োজন কৰা হৈছিল। ফেব্ৰুৱাৰী মহিৰ ৭ কি ৮ তাৰিখে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মন্দিৰৰ প্ৰাংগনত প্ৰাৰ্থনা সভাত যোগ দিবলৈ হাজাৰ বিজাৰ লোকৰ ভিৰ হৈছিল। কিন্তু মন্দিৰৰ পুৰোহিত আৰু সেৱাৰত সকলে অনাদিকালৰ পৰা চলি অহা কুপ্ৰথা, অন্ধবিশ্বাস বুকুত সাৱটি ধৰি অনুসূচীত জাতিৰ লোক সকলে মন্দিৰত প্ৰৱেশ কৰাত প্ৰাণপণে বাধা দিছিল। কিন্তু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ আগত কোনো প্ৰকাৰৰ বাধা তিষ্ঠি নেথাকিল। মন্দিৰৰ দুৱাৰ সকলোৰে কাৰণে মুকলি হ'ল, অকল সিদিনাৰ বাবেই নহয় অনন্ত কালৰ বাবে। অসম নালাগে, ভাৰতবৰ্ষ নালাগে, বিশ্বৰ ইতিহাসত ধৰ্ম আৰু সমাজ সংস্কাৰৰ বাটত মহিলাই এনেদৰে আগভাগ লোৱা দৃষ্টান্ত তেনেই বিৰল।

ভাৰতৰ মুক্তি সংগ্ৰামৰ আৰু অসমৰ মহিলা সংগঠনৰ কামত যি কেইগৰাকী ত্যাগী অসমীয়া নাৰীয়ে উল্লেখযোগ্য অৱদান আগবঢ়ালে সিসকলৰ ভিতৰত আছে—চন্দ্ৰপ্ৰভা শইকীয়ানী, অমলপ্ৰভা দাস, পুষ্পলতা দাস, ইন্দুপ্ৰভা বৰুৱা, হেমপ্ৰভা দাস, স্বৰ্ণলতা শইকীয়ানী, দুৰ্গাপ্ৰভা বৰা, ৰত্নকুমাৰী ৰাজখোৱা, মৃণালিনী দেৱী, ভুবনেশ্বৰী দেৱী গোস্বামী, নলিনীবালা দেৱী, উষা দাস, নীৰা ডোগৰা, মিচ্ পিৰচুল, গুলনাৰা বেগম, লক্ষ্মীপ্ৰভা চলিহা, চন্দ্ৰকান্তি দাস, ৰাজবালা দাস, শশীপ্ৰভা চলিহা, স্বদেশ প্ৰেমিকা স্বৰ্ণলতা বৰুৱা, কুঞ্জলতা দেৱী, লাৱণ্য তালুকদাৰ, স্বৰ্ণলতা দাস, প্ৰভা চৌধুৰী, পদ্মকুমাৰী গোহাঁই, স্বৰ্ণলতা দত্ত, প্ৰিয়লতা কাকতি, ৰাণী মঞ্জুলা দেৱী, কল্যাণী দত্ত, আঞ্জুমান আৰা, কণিকা ফুকন, হেমলতা বেজবৰুৱা, মফিদা আহমদ, উষা বৰঠাকুৰ, কমলকুমাৰী বৰুৱা, জিলী সেনগুপ্তা, বেদৱতী বুঢ়াগোহাঁই আৰু বহুতো।

চন্দ্ৰপ্ৰভা শইকীয়ানী ১৯২৩, ১৯৪২ আৰু ১৯৪৩ চনত মুঠতে তিনিবাৰ কাৰাবৰণ কৰিছিল। ১৯৪৩ চনত গুৱাহাটী জেলত পুতেক অতুল শইকীয়াৰ লগত সহবন্দী হৈ আছিল। জেলৰ বাহিৰত থকা সময়ছোৱাত ৰাজবন্দী সকলক কাপোৰ, তেল, চাবোন, আঠুৱা, আৰু তেওঁলোকৰ পৰিয়ালৰ ভৰণ-পোষণৰ যোগান ধৰাৰ বাবে অৰ্থভিক্ষা কৰি ফুৰিছিল।

অগ্নিকন্যাই আন্দোলনৰ বহ্নি জ্বলাই ৰাখিবৰ কাৰণে সভা-সমিতি পাতি তেজোদ্দীপক বক্তৃতা দি সকলোকে যুদ্ধোন্মত্ত কৰি তুলিছিল। চন্দ্ৰপ্ৰভাৰ বক্তৃতা শুনিবলৈ হেজাৰ হেজাৰ পুৰুষ-মহিলা গোট খাইছিল। চৰকাৰে চন্দ্ৰপ্ৰভাৰ শক্তি আৰু জনপ্ৰিয়তাক ভয় কৰি য'লৈকে তেখেত গৈছিল সেই ঠাইত ১৪৪ ধাৰা আইন বলবৎ কৰিছিল।

ৰাজনীতিৰ বাহন সাহিত্য। নিজৰ মতবাদ প্ৰচাৰৰ কাৰণে চন্দ্ৰপ্ৰভাই সাহিত্য চৰ্চ্চা কৰিছিল। তেখেতৰ একমাত্ৰ প্ৰকাশিত উপন্যাসগ্ৰন্থ 'পিতৃভিঠা'। তাৰ বাহিৰেও তেখেতৰ ৰচিত বহুতো প্ৰবন্ধ, কবিতা, ৰচনা, অপ্ৰকাশিত অৱস্থাত আছে। অসম প্ৰাদেশিক মহিলা সমিতিৰ মুখপত্ৰ 'অভিযাত্ৰী'ৰ তেখেত সম্পাদিকা আছিল।

শাস্ত্ৰই কোৱা কথা 'পাপক ঘিণ্ কৰিবা পাপীক ঘিণ নকৰিবা'। জগতৰ সকলো শিশুৱেই চন্দ্ৰপ্ৰভাৰ কাৰণে 'অতুল' আছিল। দেখাত, কাৰ্যকলাপত অতি কঠোৰ যেন লাগিলেও তেখেতৰ অন্তৰখন আছিল অতি কোমল অতি মৰমিয়াল। তাৰে এটি সৰু উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলো। এদিন তেওঁ উলুবাৰীৰ ফুট পাথৰ ওচৰৰ বাসস্থানৰ চোতালত দুগৰাকীমান সহকৰ্মীৰ সৈতে বহি আলাপ আলোচনা কৰি আছিল। তেতিয়া তেখেতৰ শৰীৰো সিমান ভাল নাছিল। হঠাৎ উঠি বেগাবেগিকৈ ৰাস্তাৰ ফালে গ'ল আৰু ক্ষন্তেক পাছতে চলংপলংকৈ খোজ কাঢ়ি যোৱা ডেকা

ল'বা এজনক হাতত ধৰি চোতাললৈ লৈ আহিল। তাৰ পাছত তাৰ চকু মুখ চেঁচা পানী মাৰি ধুৱাই দি দুগাঁথি টেটৌলিটেঙা পানীত থঁচি খুৱাই কলে—"আঐ দেহি মদৰ নিচাত যেনেকৈহে চলংপলং কৰি গৈ আছিল বাটত মটৰ গাড়ীয়ে খুন্দিয়াই মাৰিলেহেঁতেন।"

সময় সোঁতৰ বিপৰীতে আগবাঢ়ি যোৱা চিৰ বিদ্ৰোহীনী চন্দ্ৰপ্ৰভাৰ আকুল মনৰ কাণ্ডাৰী আছিল ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু জ্যোতিপ্ৰসাদ আগৰৱালা। ১৯২১ চনৰ ২০ আগষ্টৰ দিনা গান্ধিজী তেজপুৰলৈ আহোতে চন্দ্ৰপ্ৰভাই তেখেতৰ চৰণ স্পৰ্শ কৰি দেশৰ কাৰণে নিজক উৎসৰ্গ কৰাৰ পণ কৰিছিল আৰু মৃত্যু পৰ্য্যন্ত তাক পালন কৰিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ সময়ত শইকীয়ানীয়ে দেখুৱা সাহ আৰু আত্মবিশ্বাসে কংগ্ৰেছৰ নেতা সকলক আকৰ্ষিত কৰিছিল। ত্যাগবীৰৰ পৰামৰ্শ মানিয়েই জেলত থকা ৰাজবন্দী সকলৰ পৰিয়ালৰ কাৰণে দান-বৰঙণি সংগ্ৰহ কৰি ফুৰিছিল।

১৯৪৫ চনত মহাত্মাগান্ধী অসমলৈ আহোঁতে চন্দ্ৰপ্ৰভাই তেখেতৰ প্ৰাতঃভ্ৰমণত যোগ দি নিজৰ মনত উদয় হোৱা প্ৰশ্নবোৰৰ সমিধান বিচাৰি লৈছিল। সেইদৰে ১৯৬৩ চনত ভূদান যজ্ঞৰ কাৰ্যসূচী ৰূপায়ণ কৰা কামত বিনোৱাজী অসমলৈ আহোতে সাহসেৰে বিনোৱাজীক প্ৰশ্ন কৰিছিল—"বাবা, আপোনাৰ ভূদান আৰু শ্ৰমদান আন্দোলনে কিয় গণবিপ্লৱ গঢ়ি তুলিব পৰা নাই, যিদৰে বাপুজীৰ অসহযোগ আন্দোলনে জনসাধাৰণক উতলা কৰিছিল?" চন্দ্ৰপ্ৰভাৰ সাহস আৰু স্পষ্টবাদীতা দেখি বাবাই মিচিকিয়া হাঁহি এটি মাৰিছিল আৰু চন্দ্ৰপ্ৰভাই তাতে নিজৰ উত্তৰ বিচাৰি পাইছিল।

আৰম্ভণীৰ পৰা অৰ্দ্ধশতাব্দী ব্যাপি অতি মৰমৰ অসম প্ৰাদেশিক মহিলা সমিতিৰ লগত তেজ মঙহৰ সম্পৰ্ক ৰাখি ১৯৬৯ চনত অৱসৰ লয়। এই সুদীৰ্ঘ সময়ছোৱাত লোক বন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱাৰ পত্নী শ্ৰীমতী ইন্দুপ্ৰভা বৰুৱাই সংগঠনৰ কামত চন্দ্ৰপ্ৰভাক বিশেষভাবে

সহায় কৰিছিল। সেই বছৰতে 'কৃষক সভা গঠন' কৰি মৃত্যুৰ দিনলৈকে সেই সভাৰ সভানেত্ৰী হৈ থাকিছিল।

চন্দ্ৰপ্ৰভাৰাণী মাৰ্গাৰেটৰ দৰে সাহসী আৰু লক্ষ্মীবাইৰ দৰে দেশ প্ৰেমিক আছিল। তেখেতৰ দেশ আৰু সমাজৰ প্ৰতি কৰা অৱদানৰ স্বাক্ষৰ স্বৰূপে ভাৰত চৰকাৰে পদ্মশ্ৰী উপাধি প্ৰদান কৰিছিল। শয্যাশায়ী চন্দ্ৰপ্ৰভাই মৃত্যুৰ আগমুহূৰ্ত্তত এই সন্মান পোৱাত, ভাগৰুৱা মনত অলপ শান্তি অলপ জিৰণি আহিছিল। মৃত্যুমুখিনী 'অগ্নিকন্যা' চন্দ্ৰপ্ৰভাক অসম প্ৰাদেশিক মহিলা সমিতিয়ে এখনি মানপত্ৰৰ যোগেদি অভিনন্দন জনোৱাত অসমৰ প্ৰতি গৰাকী আই-মাতৃৰ প্ৰতি তেখেতৰ ফুলশয্যাৰ বাণী আছিল ? "মোক যি কামৰ বাবে পদ্মশ্ৰী সন্মান দিছে সেইবোৰ কামত সকলো বিশিষ্ট ঘৰৰ মহিলা কৰ্মীয়ে যোগদান কৰি সফল হোৱাত সহায় কৰিছে। এই সন্মান মোৰ লগতে সেই সকল মহিলাকো দিয়া হৈছে বুলি মই প্ৰত্যয় গৈছো। বন্ধ ঘৰত সোমাই নাথাকি সমাজৰ প্ৰতিটো ক্ষেত্ৰতেই অসমীয়া তিৰোতাই আগস্থান লব পাৰে বুলি মোৰ বিশ্বাস আছে। মৃত্যু শয্যাত কৰা এই আশা আপোনালোকে সম্পূৰ্ণ কৰিব।"

খন্তেক জিৰণি লৈ আকৌ কৈছিল—"তোমালোকে বিলাসিতা বৰ্জন কৰিবা আৰু অসমীয়া সাজপাৰ, ৰিহামেখেলা, চাদৰ আৰু ওৰণিখন লৈ বাহিৰলৈ ওলাবা। বেছি আ-অলঙ্কাৰ পিন্ধাৰ আৱশ্যক নাই। গুণেই তিৰোতাৰ অলঙ্কাৰ।"

ইয়াৰ পিছতে কাল চমু চাপি আহিছিল আৰু ১৯৭২ চনৰ ১৬ মাৰ্চ্চৰ জন্ম দিনটোতে অসমৰ নাৰীমুক্তি আন্দোলন, স্ত্ৰীশিক্ষা প্ৰৱৰ্ত্তন, পৰ্দ্দাপ্ৰথা উচ্ছেদ, বাল্য বিবাহ বন্ধ, অসবৰ্ণ বিবাহত উৎসাহ, অস্পৃশ্যতা বৰ্জন, দুঃসহায় নাৰীক সহায় আৰু কাণি বৰ-বিহক বিদায় দিয়া সুকন্যা-অগ্নিকন্যা, অসমৰ মাৰ্গাৰেট অসমৰ লক্ষ্মীবাইৰ বিদ্ৰোহী আত্মাই চিৰ শান্তি লভিলে।

মতিৰাম বৰা

আধুনিক অসম নিৰ্মাতা সকলৰ ভিতৰত মতিৰাম বৰা অন্যতম। নগাওঁ জিলাৰ বৰঙাবাৰী গাৱঁৰ এটি অতি দুখীয়া খেতিয়ক পৰিয়ালত ১৮৮৭ চনত মতিৰাম বৰাৰ জন্ম হয়। তেখেতৰ পিতৃ বুদুৰাম বৰা আৰু মাতৃ ৰূপহী বৰা। দুখীয়া খেতিয়কৰ ল'ৰা মতিৰাম বৰাই ছাত্ৰাৱস্থাৰে পৰা জীৱনটো গঢ়াত বহুতো দুখকষ্ট পাবলগীয়া হয়। পঢ়াশলীয়া মতিৰামে পিতৃক খেতিপথাৰৰ কামত সহায় কৰাকে ধৰি ঘৰখন পৰিচালনা কৰাত ভাগ লয়। মাতৃ ৰূপহী বৰাই অভাৱ অনাটনত জুৰুলা পৰিয়ালটোক সহায় কৰাৰ কাৰণে নিজেও স্বামীৰ লগত খেতি পথাৰলৈ গৈছিল আৰু কোনো কোনো সময়ত ইঘৰ সিঘৰৰ ধানমাহ পিহি, কাপোৰকানি বুই যি সামান্য পাৰিশ্ৰমিক পাইছিল সিয়ে ল'ৰা-ছোৱালীৰ মুখত দুবেলা দুমুঠি দিয়াত সহায় হৈছিল।

গাৱঁৰ স্কুলত প্ৰাথমিক শিক্ষা শেষ কৰি নগাওঁ চৰকাৰী হাইস্কুলত বৰাই পঢ়িবলৈ লয়। তেতিয়া আমোলাপট্টিৰ জখলাবন্ধা সত্ৰৰ সত্ৰাধিকাৰ সত্যহাস গোস্বামীৰ বাৰীতে এটা সৰু জুপুৰি ঘৰ সাজি সোণাৰাম বৰাৰ লগত থাকি পঢ়াশুনা কৰে। বন্ধৰ সময়ত ঘৰলৈ আহি পিতৃক খেতি পথাৰৰ কামত সহায় কৰে। ঘৰৰ পৰা জখলা-বন্ধালৈ যাওঁতে যি সামান্য পইচা দেউতাকে দিয়ে তাকে বেৰপেটিত খুঁহি লৈ যায় আৰু ৰাতি হলে চোৰে নিয়াৰ ভয়ত কানিৰ ফটা জোতাযোৰৰ ভিতৰত থৈ দিয়ে। যি কি নহওক মেধাবী ছাত্ৰ মতিৰামে পুৰা-গধূলী মনপুতি পঢ়ে আৰু আবেলি স্কুলৰ পৰা আহি সত্ৰৰ সমুখত থকা মুকলি পথাৰত লগৰীয়া সকলৰ সৈতে ফুটবল,

বেত্‌বল, ভটাগুটি, হাউখেল আদি খেলে। ১৯১৭ চনত তেখেতে প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কটন কলেজত নাম-ভৰ্ত্তি কৰে। কটন কলেজৰ পৰা বুৰঞ্জী, ৰসায়ন আৰু ন্যায় বিষয় লৈ বুৰঞ্জীত অনাৰ্চ সহ বি. এ. পাছ কৰে। তাৰ পিছত প্ৰতিযোগিতা মূলক বৃত্তি লৈ কলিকতালৈ যায় আৰু ইতিহাসত এম. এ পাছ কৰাৰ লগতে আইনৰ উপাধিও লাভ কৰি ঘৰৰ ল'ৰা ঘৰলৈ উভটি আহে।

মতিৰাম বৰাই ছাত্ৰ অৱস্থাৰে পৰা নিজ প্ৰতিভা আৰু সংগ্ৰাম-শীল মনৰ পৰিচয় দি আহে। কলিকতাত পঢ়োঁতে শ্যামাপ্ৰসাদ মুখাৰ্জী প্ৰমুখ্যে বংগদেশৰ ভালেমান মেধাবী ছাত্ৰ তেখেতৰ সহপাঠী আছিল। কলিকতাৰ পৰা আহি ঘৰ পোৱাৰ পিছত ১৯২৩ চনত নগাওঁত বহা ছাত্ৰ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ বৰা সভাপতি হৈছিল। সেই সন্মিলনত পৌৰহিত্য কৰিছিল শান্তিনিকেতনৰ অধ্যাপক চি, এফ এন্‌ড্ৰুজে।

১৯২৫ চনত মতিৰাম বৰাই নগাওঁ আদালতত ওকালতি আৰম্ভ কৰে আৰু অপৰাধী আইনৰ প্ৰখ্যাত উকীল হৈ উঠে। এনেতে পণ্ডিত কনকচন্দ্ৰ শৰ্মা আৰু শ্ৰীমৎস্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ প্ৰিয়-ভাজন হৈ ৰাজনীতিৰ প্ৰতি বিশেষ ভাবে আকৰ্ষিত হয়। ১৯২৫/২৬ চনত ৰহা চাৰ্কোলৰ লোকেল বোৰ্ডৰ সদস্য নিৰ্বাচিত হৈ পিচ পৰিথকা মৰিগাওঁ অঞ্চলটোৰ উন্নতিৰ কাৰণে বহুতো কাম কৰে। প্ৰকাৰন্তৰে ১৯৫০ চনলৈকে লোকেল বৰ্ডৰ সদস্য হৈ থাকি কালক্ৰমত তাৰ ভাইচ্‌ চেয়াৰমেন আৰু চেয়াৰমেন হয়। এক কথাত তেখেতক মৰিগাওঁ নিৰ্মাতা বুলিও কোৱা হয়।

১৯৩০ চনত আইন অমান্য আন্দোলনত জপিয়াই পৰি তেখেতে কাৰাবৰণ কৰে। তাৰ পিছত ১৯৩৯-৪০ আৰু '৪২ চনৰ আন্দোলনতো কাৰাবৰণ কৰিবলগীয়া হৈছিল। উল্লেখযোগ্য যে কিছুদিনৰ কাৰণে তেখেতে তৰুণৰাম ফুকনৰ নেতৃত্বত গঠন হোৱা

সংযুক্ত দলত যোগ দিছিল যদিও ১৯৪০ চনৰ সত্যাগ্ৰহৰ আগতেই পুনৰ কংগ্ৰেছলৈ ঘূৰি আহে। ১৯৩৭ চনত নিৰ্দলীয় প্ৰাৰ্থী হিচাবে থিয় হৈ নগাওঁৰ উত্তৰ পশ্চিম সমষ্টিৰ পৰা থিয় হৈ কংগ্ৰেছৰ হাতত পৰাজয় বৰণ কৰে। ৪২ৰ আন্দোলনত জপিয়াই পৰি দুবছৰ কাৰাদণ্ড ভুগিবলগীয়া হৈছিল। তাৰ পিছত ১৯৪৪ চনত কাৰাগাৰ-মুক্ত হৈ উভটি আহি পোনে পোনে নগাওঁ কলেজ স্থাপন কৰাত আগভাগ লয়। কলেজখনৰ প্ৰতিষ্ঠাপক সভাপতি হৈ অক্লান্ত পৰিশ্ৰম কৰি কলেজখনক পূৰ্ণাঙ্গ ৰূপ দিয়ে। এনেতে ১৯৪৫ চনত পুনৰ জেললৈ গৈ তেজপুৰ জেলত ছমাহ কটায়।

মতিৰাম বৰা কেৱল বিশিষ্ট আইনজীৱি, দেশপ্ৰেমিক আৰু আগশাৰীৰ এজন মুক্তিযুঁজাৰুৱেই নাছিল, লগতে বৈষ্ণৱধৰ্ম-সংস্কৃতি আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কল্পে বহুতো চেষ্টা কৰিছিল। তেখেতৰ বিয়োগত সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাদেৱে লেখিছে—"বৰা সঁচাকৈয়ে এজন সিংহ পুৰুষ আছিল। মাৰ্ঘেৰিটা আৰু শ্বিলং অধিবেশনত বৰা ডাঙৰীয়াই যি ভূমিকা গ্ৰহণ কৰি অসম সাহিত্য-সভাক মুমূৰ্ষু অৱস্থাৰ পৰা পুনৰ জীৱন দান দিলে তাক অসম সাহিত্য সভাই সদায় কৃতজ্ঞতাৰে সোঁৱৰিব। তেখেত অসম সাহিত্য সভাৰ অন্যতম পৃষ্ঠপোষক আছিল।

১৯৪৬-৪৭ চনৰ নিৰ্বাচনত বৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। তেখেতৰ সততা আৰু গান্ধীবাদৰ প্ৰতি থকা অটল বিশ্বাসে গোপীনাথ বৰদলৈৰ দৃষ্টি আকৰ্ষণ কৰে। আৰু ১৯৫০ চনত বৰদলৈ মন্ত্ৰীসভাৰ কেবিনেট পৰ্যাৰ মন্ত্ৰী হৈ সাহায্য আৰু পুনৰ সংস্থাপন দপ্তৰ গ্ৰহণ কৰে। তাৰ অলপদিন পিছতে শিক্ষা মন্ত্ৰীৰ দায়িত্বও বহন কৰিবলগীয়া হয়। এনেতে ১৯৫১ চনত হঠাৎ বৰদলৈ দেৱৰ পৰলোক প্ৰাপ্তি ঘটাত বিষ্ণুৰাম মেধীয়ে কংগ্ৰেছৰ নেতৃত্ব গ্ৰহণ কৰে আৰু তেখেতৰ মন্ত্ৰীসভাত বৰাই ৰাজহ আৰু বিত্ত বিভাগৰ দায়িত্ব লয়। মেধীৰ মন্ত্ৰীসভাত সাত বছৰ কাল

থাকি নিষ্ঠাৰে আৰু সততাৰে অতি গুৰুত্বপূৰ্ণ বিত্ত আৰু ৰাজহ বিভাগ পৰিচালনা কৰি অভিলেখ স্থাপন কৰি।

মতিৰাম বৰা স্বভাৱতে নিৰ্ভীক, স্পষ্টবাদী-মৰমিয়াল, সহানুভূতিশীল আৰু পৰোপকাৰী ব্যক্তি আছিল। ব্যক্তিগত তথা ৰাজহুৱা জীৱনত তেখেতে সদায় সততা অৱলম্বন কৰিছিল। অত্যন্ত দুখীয়া পৰিয়ালৰ পৰা আহি মন্ত্ৰীত্বৰ পদবী পালেও মন্ত্ৰীত্বৰ অহঙ্কাৰ অভিমান নাইবা আভিজাত্য তেখেতৰ কৰ্ম্ম আৰু ব্যৱহাৰত কোনো দিনে প্ৰকাশ নাপাইছিল। ওকালতি কৰা সময়ত তেখেতৰ ধনৰ অভাৱ হোৱা নাছিল। কিন্তু মন্ত্ৰী হোৱাৰ পিছত সীমিত দৰমহাৰে তেখেতৰ পৰিয়াল চলাটো টান হৈ পৰিছিল। তেখেতৰ পত্নী মন্ত্ৰীয়ে পোৱা সীমিত দৰমহাৰে ঘৰখন পৰিচালনা কৰাত বৰ অসুবিধা পাইছিল আৰু তেখেতক মন্ত্ৰীত্বৰ গাদী এৰি পুনৰ উকীল হোৱাটোকে ইচ্ছা কৰিছিল। কিন্তু তথাপি স্বামী-স্ত্ৰী দুয়ো আদৰ্শনিষ্ঠ হৈয়েই থাকিল আৰু ল'ৰা-ছোৱালীহঁতকো তাকেই কৰিলে।

তেখেতে বহুতো দুখীয়া ছাত্ৰক পঢ়াশুনা কৰাত সহায় কৰিছিল; বহুতৰে অন্নবস্ত্ৰৰ ব্যৱস্থা কৰি দিছিল। নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে বহুতো স্কুল পাতি দিছিল। পিচ পৰি থকা নগাওঁ জিলাত আলি-পথ, দলং আদি নিৰ্ম্মাণ কৰি যাতায়াতৰ সুবিধা কৰি দিয়াৰ উপৰিও ভালেমান হাইস্কুল, ডিচ্‌পেন্‌চাৰী, ডাকঘৰ পাতি দিয়াত ৰাইজৰ কিছু অভাৱ দূৰ হৈছিল। সমাজ আৰু ৰাজনৈতিক জীৱনত বৰা এনেভাৱে ব্যস্ত থাকিবলগীয়া হৈছিল যে তেখেতে নিজৰ ঘৰখনৰ প্ৰতি চিন্তাচৰ্চা কৰাৰ আহৰি নাপাইছিল। তেখেতৰ পত্নী এগৰাকী সুগৃহিনী আৰু গুণৱতী মাতৃ আছিল। সেয়েহে স্বামীক ঘৰৰ অভাৱ-অনাটনৰ কথা জানিব নিদিয়াকৈ সাতোটা ল'ৰা-ছোৱালীৰ খোৱা-পিন্ধা লেখা-পঢ়াৰ সম্পূৰ্ণ দায়িত্ব মূৰ পাতি লৈ দেশৰ কামত নিচিন্ত ভাৱে আত্মনিয়োগ কৰিবলৈ স্বামীক প্ৰেৰণা যোগাইছিল। তেখেতৰ তিনিজন পুত্ৰৰ ক্ৰমে শ্ৰীহেমচন্দ্ৰ বৰা

(অসম চৰকাৰৰ প্ৰাক্তন শিক্ষা সচিব), শ্ৰীঅতুলচন্দ্ৰ বৰা আৰু শ্ৰীমণীন্দ্ৰ চন্দ্ৰ বৰা (প্ৰবীণ আইনজীৱি)। আই, জি, পি, দেবেন্দ্ৰনাথ বৰা তেখেতৰ কীৰ্ত্তিমান ভাতৃ, অসম তথা ভাৰত চৰকাৰৰ এজন অতি জ্ঞানী-গুণী আৰক্ষী বিষয়া আছিল।

বিষ্ণুৰাম মেধীয়ে মুখ্যমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰাৰ লগে লগে মতিৰাম বৰাইয়ো মন্ত্ৰীত্বৰ গাদী এৰিব লগাত পৰে। ইতিমধ্যে অসমৰ ৰাজনৈতিক ক্ষেত্ৰত বহুতো নতুন কথাই ঠাই পায় আৰু বহুতো সাল সলনি ঘটে। তথাপিও মতিৰাম বৰাৰ গুৰুত্ব কোনে গুণে কম নাছিল। অসম কংগ্ৰেছৰ মাজে মাজে সংকটপূৰ্ণ পৰিস্থিতিত উদ্ভৱ হলে মতিৰাম বৰাৰ দিহা পৰামৰ্শ আৰু সক্ৰিয় সহযোগৰ সততে প্ৰয়োজন হৈ পৰিছিল। উদাহৰণ স্বৰূপে নগাঁৱৰ এখন গুৰুত্বপূৰ্ণ আসন কমিউনিষ্ট দলৰ হাতৰ পৰা কংগ্ৰেছৰ হাতলৈ পুনৰ আনিব লগীয়া হোৱাত মতিৰাম বৰাৰ প্ৰয়োজন অপৰিহাৰ্য হৈ উঠিছিল। মতিৰাম বৰা নগাওঁ জিলাৰ যে অবিসম্বাদী নেতা আছিল তাত সন্দেহৰ অৱকাশ মুঠেও নাই। এক কথাত "মতিৰাম বৰাই আছিল নগাওঁ আৰু নগাঁৱেই আছিল মতিৰাম বৰা।" কাজেই শ্ৰীদেৱকান্ত বৰুৱাক কমিউনিষ্ট দলে পৰাজয় কৰাৰ পিছতে কমিউনিষ্ট দলক পৰাজয় কৰাৰ বাবে মতিৰাম বৰা ডাঙৰীয়াক কংগ্ৰেছ প্ৰাৰ্থী হিচাপে সেই সমষ্টিৰ পৰা উঠিবলৈ অনুৰোধ কৰিছিল। বৰাই বিৰোধী দলৰ নেতাজনক ১৫ হাজাৰতকৈও অধিক ভোটত পৰাজয় কৰি কংগ্ৰেছৰ সন্মান ৰক্ষা কৰিলে। অৱশ্যে মতিৰাম বৰাৰ দৰে এজন জননেতাৰ কাৰণেহে এইটো সম্ভৱপৰ হৈ উঠিছিল। কোৱা বাহুল্য যে মতিৰাম বৰাই প্ৰতিটো সমস্যাতে অসমীয়া জাতিৰ স্বাৰ্থৰ হৈ দৃঢ় মত দাঙি ধৰিছিল। অতি পৰিতাপৰ বিষয় যে মেধীৰ মন্ত্ৰী সভাৰ পিচত তেখেতৰ দৰে এজন পুৰুষৰ কংগ্ৰেছত এখন যোগ্য আসন নহল। বিধান সভাত মতিৰাম বৰাই প্ৰথম বাৰৰ বাবে অসমলৈ অহা লাখ লাখ পাকিস্তানী অনুপ্ৰৱেশকাৰীৰ সমস্যা বিধান

সভাত উত্থাপন কৰি তেখেতৰ তীব্ৰ প্ৰতিবাদ দাঙি ধৰিছিল। সেয়ে তেতিয়াই অসম চৰকাৰে বিদেশী নাগৰিকৰ সমস্যাটো গভীৰভাৱে চিন্তা কৰি তাৰ উপায় উদ্ভাৱন কৰা হলে অসমীয়া জাতি আজি এনে এটি অশান্তিপূৰ্ণ সংকটজনক অৱস্থাত উপনীত হব নালাগিলহেঁতেন। ৰাজ্যৰ কৰ্ণধাৰ সকলৰ দূৰদৰ্শীতাৰ অভাৱেই ইয়াৰ মূল কাৰণ বুলি অনুমান কৰিব পাৰি।

মতিৰাম বৰাৰ যত্নত নগাওঁ তথা অসম কংগ্ৰেছৰ সাংগঠনিক দিশটো বহুত পৰিমাণে সমৃদ্ধ হৈ উঠে। নগাওঁ কংগ্ৰেছে বিশাল ৰূপ ধাৰণ কৰি মতি বৰাৰ নেতৃত্বত মুছলিম্ লীগৰ পৰাজয় ঘটায়। লীগৰ প্ৰায়বোৰ সদস্যই লীগ ত্যাগ কৰি কংগ্ৰেছৰ তালিকাভুক্ত হয়। তাৰ ফলত নগাঁৱৰ প্ৰায়বোৰ কংগ্ৰেছ প্ৰাৰ্থী ১৯৫২ আৰু ১৯৫৮ চনৰ সাধাৰণ নিৰ্বাচনত জয়ী হয়।

ন্যায়োনিষ্ঠ হৈ থাকি, নিস্বাৰ্থভাবে সততাৰে দেশৰ সেৱা কৰি গলেও মানুহ যে শত্ৰুহীন হব নোৱাৰে মতিৰাম বৰা তাৰে এটি নিদৰ্শন। দেশৰ হকে কাৰাদণ্ড ভোগী, নিজৰ তথা পৰিয়ালৰ সুখ-আনন্দ জলাঞ্জলি দিয়ো জীৱনৰ শেষ দশাত মতিৰাম বৰাই ভীষণ মানসিক কষ্ট পাবলগীয়া হয়। হয়তো তাৰ পৰিণতি স্বৰূপে অকালতে আকস্মিক ভাবে মৃত্যুৰ মুখত পৰিবলগীয়া হয়। সেইটো নোহোৱা হলে অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী মতিৰাম বৰাৰ আকস্মিক বিয়োগত পঠোৱা শোকবাৰ্ত্তাত এনেদৰে আক্ষেপ নকৰিলেহেঁতেন—"তেখেতৰ প্ৰতি কেইজনমান ৰাক্ষসধৰ্ম্মী, দেশদ্ৰোহী কংগ্ৰেছৰ আদৰ্শহীন, হিংসুক দানৱৰ অন্যায় ব্যৱহাৰেই যে অকালতে হঠাৎ তেখেতৰ আত্মাৰ অন্তৰ্ধান ঘটালে সেইটোৱে মোক বেছিকৈ যন্ত্ৰণা দিছে।"

১৯৬২ চনৰ নিৰ্বাচনৰ পিচত কংগ্ৰেছ দলৰ ভিতৰত ভাঙনৰ আৰম্ভ হয়। দলৰ কিছুমান স্বাৰ্থান্বেষী লোকে মতিৰাম বৰাৰ বিৰুদ্ধে কিছুমান অদ্ভুত ভিত্তিহীন অভিযোগ উত্থাপন কৰে। আগবে

পৰা সেই সকল লোকে বৰাক কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰিবলৈ ষড়যন্ত্ৰ চলাই আছিছিল। হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে নগাৱঁৰ মুকুটবিহীন ৰজা মতিৰাম বৰাৰো জনপ্ৰিয়তাই মৃত্যুৰ কাৰণ হৈ পৰিছিল। কিয়নো তেখেতৰ জনপ্ৰিয়তা নষ্ট কৰিব নোৱাৰিলে তেওঁলোকৰ অভিষ্ট সিদ্ধি নহয়। সেয়ে ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনৰ পিচতে নগাওঁ জিলা কংগ্ৰেছ সমিতিৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত মৰ্মে অসম প্ৰদেশ কংগ্ৰেছৰ ওৱাৰ্কিং কমিটিয়ে তেখেতক পাঁচ বছৰলৈ কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰাৰ আদেশ দিয়ে। বিনামেঘে ব্ৰজপাত হোৱাৰ দৰে এই অভাৱনীয় ঘটনাই গান্ধীবাদী সৰল প্ৰাণৰ বৰাক মৰ্মাহত কৰিলে। লগে লগে বৰা শয্যাশায়ী হৈ পৰিল। নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰিবলৈ দিল্লীত থকা কংগ্ৰেছৰ উৰ্দ্ধতম মহলৰ ওচৰত আপীল কৰিলে। আপীলৰ শুনানী হওঁ হওঁ, ইতিমধ্যে ৰক্তচাপ, বহুমূত্ৰ আদি ৰোগ দিনক দিনে বাঢ়ি আহিল। ১৯৬২ চনৰ ১১ এপ্ৰিল তাৰিখে তেখেত যে সম্পূৰ্ণ নিৰ্দোষী উৰ্দ্ধতন মহলৰ পৰা ৰায় আহিল। তাকো আহিল পলমকৈ। তেতিয়া আৰু ৰায় শুনাৰ কাৰণে বৰাৰ শ্ৰৱণ ইন্দ্ৰিয় বধিৰ, জ্ঞান ইন্দ্ৰিয় নিষ্কৰ্মা। তাৰে আধাঘণ্টা পিচতে বৰাৰ অশান্ত আত্মাই চিৰশান্তি লভিলে। লগে লগে এটি কৰ্মময় জীৱনৰ অৱসান ঘটিল।

এই জনেই আছিল মতিৰাম বৰা যিজনে ৰাজনীতিৰ, মেৰ-পাকৰ উৰ্দ্ধত থাকি, নিজৰ আৰু পৰিয়ালৰ স্বাৰ্থক বলি দি ওৰে জীৱন দেশ আৰু ৰাইজৰ সেৱা কৰি গ'ল। "বৰাই বহুত ব্যক্তিৰে উপকাৰ সাধিলে, অনেক ছাত্ৰক পঢ়াৰ সুযোগ দিলে, অনেককেই ৰোজগাৰ দিলে। বৰাৰ নগাৱঁৰ প্ৰতি অৱদান এখন কলেজ, নৰ্মাল স্কুল, টেক্‌নিকেল স্কুল প্ৰভৃতি অনেক শিক্ষাঅনুষ্ঠান অনেক পকীৰাস্তা, দলং, স্কুল আৰু ডিচ্‌পেনচাৰী। তেখেতে মৰিগাওঁক এখন সাধাৰণ গাৱঁৰ পৰা টাউনলৈ উন্নীত কৰিলে।"

মতিৰাম বৰাৰ কৰ্মময় জীৱনৰ আন এটি কীৰ্ত্তিস্তম্ভ হ'ল

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম আৰু কৰ্মৰ থলী বৰদোৱাক পুনৰ জন্ম দিয়াটো। গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰ কৃষ্টি বিকাশ সমিতি, পুৰীৰ শঙ্কৰ সমাজ আৰু মধুপুৰ সত্ৰ সমাজৰো তেখেত এজন উদ্যোক্তা আছিল। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা সময়ত গোপীনাথ বৰদলৈ প্ৰমুখ্যে নেতা আৰু শিক্ষাবিদ্ সকলৰ লগত থাকি সক্ৰিয় সহযোগ আগবঢ়াইছিল। তেখেতৰ প্ৰেৰণাতে নগাওঁ জিলাত বহুতো নামঘৰ, কীৰ্ত্তন ঘৰ, সাংস্কৃতিক অনুষ্ঠানৰ জন্ম হ'ল। তেখেতৰ পৃষ্টপোষকতাত নগাৱঁত শ্ৰীমন্ত শঙ্কৰ মিশ্যনৰ দৰে মানৱ কল্যাণমূখী মহান অনুষ্ঠান এটিয়ে শ্ৰীবৃদ্ধি লাভ কৰিলে। সেই একেদৰেই নগাওঁ স্বহীদ ভৱন, নগাওঁ কংগ্ৰেছ ভৱন, লোকপ্ৰিয় বৰদলৈ হল, নবীন চন্দ্ৰ বৰদলৈ ভোকেচনাল ইনষ্টিটিউট আদিও বৰাৰ আপ্ৰাণধীয়া প্ৰচেষ্টাৰ ফল।

মতিৰাম বৰাৰ মৃত্যুত "জন্মভূমি" সংবাদ পত্ৰই (১৭/১০/৬৩) মন্তব্য কৰিছে—"অসমৰ জাতীয় স্বাৰ্থৰ এজন বিশ্বস্ত অতন্দ্ৰ প্ৰহৰীৰ অভাৱ ঘটিল। অসম আৰু অসমৰ জনসাধাৰণৰ প্ৰতি তেওঁৰ অদ্বিতীয় অনুৰাগ আছিল।" আসাম ট্ৰিবিউনে (১৬/১০/৬৩) লিখিছিল—"....Nobody could think about Nowgong without late Motiram Bora. Motiram Bora is Nowgong."

ছবিলাল উপাধ্যায়

বিচিত্ৰ ভাৰতৰ বিচিত্ৰ ইতিহাস। বেদ-বেদান্ত, পুৰাণ-ভাগৱত, ৰামায়ণ-মহাভাৰতে গৰকা পতিত পাৱনী ভাৰত জননীৰ শিৰৰ কিৰিটি হৈমগিৰিৰ পাদদেশ নেপাল এখনি অনন্য সুন্দৰ দেশ। এই দেশৰে দক্ষিণ দিগন্তত কপিলাবাস্তুত এতিয়াৰ পৰা আঢ়ৈ হাজাৰ বছৰ পূৰ্বে অৱতাৰী পুৰুষ বুদ্ধদেৱৰ জন্ম। তেওঁ বুদ্ধগয়াত স্নান কৰি সাধনাত সিদ্ধ হৈ সাৰনাথৰ পৰা বিশ্বত বুদ্ধধৰ্মৰ মহতি বাণী প্ৰচাৰ কৰিছিল।

ভাৰতবৰ্ষৰ ওচৰচুবুৰীয়া ৰাজ্যসমূহৰ কাৰোবাৰ লগত কিবা কাৰণত বিৰোধ থাকক বা নাথাকক, কিন্তু নেপালৰ লগত কোনো দিনে নাই। নেপালৰ লগত ভাৰতবৰ্ষৰ ধৰ্ম্ম, সংস্কৃতি, ৰাজনৈতিক সম্পৰ্ক আৰু বৈবাহিক পৰম্পৰা বহুতো পুৰণি, বহুতো নিবিড়। দুইখন দেশৰ সম্বন্ধ অঙ্গাঙ্গী।

মহাভাৰতৰ বিৰাট ৰজাৰ কাহিনী আমাৰ কিমান আপোন, কিমান মধুৰ! পঞ্চপাণ্ডৱৰ পদৰেণুৱে নেপাল ভূমি পবিত্ৰ কৰিছে। মহাসতী দ্ৰৌপদী আৰু পাণ্ডৱভাতৃসৱৰ পঞ্চভৌতিক দেহ নেপালৰ বায়ু, পানী, মাটি, আৰু আকাশৰ লগত আজিও মিলি আছে। সেয়ে অতীতে বিত্তিয়ায়, নেপাল আৰু ভাৰত যমজভাতৃ কিম্বা যমজ-ভগ্নী। জৰাসন্ধৰ দৰে আমাৰ এৰাএৰি নাই। এৰাএৰি হলেই বিপদ।

অসমৰ লগত নেপালৰ সম্পৰ্ক মধুৰতকৈও মধুৰ; সুখতকৈও সুখতৰ। ইতিহাসে কয়— প্ৰাচীন কালৰে পৰা নেপাল আৰু অসমৰ মাজত ধৰ্মীয়, বৈবাহিক, সাংস্কৃতিক তথা অৰ্থনৈতিক সম্পৰ্ক অতি

গভীৰ, অতি প্ৰাণোদ্দীপক আছিল। আজিৰ সংমিশ্ৰিত অসমৰ মাজত লক্ষাধিক নেপালী ভাই-ভনী আছে। আন আন ধৰ্ম্ম বা ভাষাগোষ্ঠীৰ লোকো বহু লক্ষ আছে। তফাদ্ এইখিনিতে যে নেপালী সকলে অসমত জন্মগ্ৰহণ কৰি অসমৰ বায়ু পানী সেৱন কৰি অসম মাতৃক নিজৰ আই বুলি সাৱটি লৈছে, অসমক লৈ গৌৰৱ কৰিছে, অসমৰ হৈ প্ৰাণ দিছে আৰু ধন-প্ৰাণ দি অসমৰ স্বাৰ্থ ৰক্ষা-কৰিবলৈ সদায় প্ৰস্তুত আছে। নেপালী ভাই-ভনী সকলৰ এই মহান আদৰ্শ লৈ অসম মাতৃৰ দুগ্ধ পান কৰি থকা আন আন ভাই-ভনী সকলেও যদি অসমৰ ভাষা-সংস্কৃতিক আপোন কৰি নিজক অসমীয়া বুলি পৰিচয় দিব পাৰিলেহেঁতেন, সোণৰ অসম আজিও সোণৰ হৈয়েই থাকিলহেঁতেন। আমি আশাবাদী; হয়তো এদিন এই ভুলৰ সমাধি হ'ব। অতীতৰ বৃহৎ অসমে আৰু হাঁহিব, সকলোৰে মুখত ফুলচন্দন পৰিব।

"মোৰ জন্ম অসমত, মৰিমো অসমতে। নেপাল স্বাধীন ৰাজ্য হ'ব পাৰে। কিন্তু নেপাল মই দেখা নাই। মই য'ত জন্মিছোঁ। সেয়েই মোৰ জন্মভূমি। মোৰ পূৰ্বপুৰুষ কোনো একালত নেপালত থকা হেতু, সেইখন মোৰ পিতৃভূমি হ'ব পাৰে, কিন্তু সেই দেশৰ লগত বৰ্ত্তমান মোৰ কোনো সম্পৰ্ক নাই। গতিকে মই মোৰ মাতৃভূমিৰ কথাহে জানোঁ। এই দেশৰ আন্দোলন, মোৰো আন্দোলন।"

যুৱকজনৰ সৎ সাহস আৰু স্পষ্টবাদিতা দেখি মহাত্মা গান্ধীয়ে ক'লে—"তুমনে আচ্ছা কিয়া"। এই যুৱকজনেই আছিল প্ৰাতঃস্মৰণীয় স্বাধীনতা সংগ্ৰামী ছবিলাল উপাধ্যায়; যাৰ নাম স্মৰণ কৰাৰ লগে লগে কৃতজ্ঞতাত শৰীৰ ৰোমাঞ্চিত হয়, শিৰ নত হয়।

অসহযোগ আন্দোলনৰ কাৰ্য্যসূচী ৰূপায়ণ কৰিবলৈ ১৯২১ চনৰ জুন মাহত মহাত্মা গান্ধী অসমলৈ আহে। ২০ জুন তাৰিখে তেজপুৰৰ প'লো ফিল্ডত তেজপুৰীয়া ৰাইজে প্ৰথমবাৰৰ কাৰণে তেখেতক সম্বৰ্দ্ধনা জনায়। আদৰণি সমিতিৰ অন্যতম সক্ৰিয় সদস্য

ছবিলাল উপাধ্যায়। উলহমালহেবে জনসমূহৰ মাজত নিৰ্দ্ধাৰিত কাৰ্যসূচীৰ অন্ত পৰিল। হঠাৎ তেজপুৰৰ এছ. পি.জনে উপাধ্যায়ক সোধ-পোচ নকৰাকৈ জীপ গাড়ীত ভৰাই লৈ গ'ল। উপাধ্যায় এছ. পি.ৰ কাৰ্যত আচৰিত হৈছিল যদিও মুঠেও কুণ্ঠাবোধ কৰা নাছিল। কিয়নো মাতৃপূজাৰ মন্ত্ৰ বিয়েই এবাৰ অন্তৰত ধাৰণ কৰে তেওঁক একোৱেই ভয় খুৱাব নোৱাৰে। তেওঁ পতাকাৰ মাৰি-ডালৰ দৰে মৃত্যুক আগ কৰি লৈ ফুৰে।

কিছুদূৰ যোৱাৰ পিছত এডোখৰ নিৰ্জন ঠাইত গাড়ীখন ৰখাই উপাধ্যায়ক ক'লে—যেহেতু তেখেত স্বাধীন নেপাল ৰাজ্যৰ মানুহ, ভাৰতীয় প্ৰজা নহয় তেখেত আন্দোলনৰ পৰা আঁতৰি থাকিব লাগে। লগতে লোভ দেখুৱালে যে যদিহে তেওঁ কংগ্ৰেছ ত্যাগ কৰে তেখেতক অনেক সা-সুবিধা দিয়া হব। প্ৰজা হৈ কংগ্ৰেছত যোগদি আন্দোলন কৰাটো অনুচিত হোৱা বুলি কৈ আইনৰ কথাও দোহাৰিলে।

ছবিলালক ইংৰাজ পুলিচ বিষয়াৰ প্ৰলোভনে ঘুৰাব নোৱাৰিলে, ভাবুকিয়ে ভয় খুৱাব নোৱাৰিলে। এছ. পি. চাহাবক প্ৰত্যুত্তৰত ওপৰৰ উদ্ধৃতি দিয়া কথাখিনি কোৱাত চাহাবে বুজিলে—ছবিলালক বলে পৰা সহজ নহব। শেষত ছবিলালক নিয়া ঠাইত থৈ গ'লহি। ছবিলালে মহাত্মাক ঘটনাৰ আদ্যোপান্ত কোৱাত তেখেতে বাঃ বাঃ দি কলে—"তুমনে আচ্ছা কিয়া।"

ৰজাক ককাই নোবোলা এই বীৰ বিপ্লৱী ছবিলালে জন্মভূমিক উদ্ধাৰ কৰাৰ কাৰণে যুঁজি তিনিবাৰ সশ্ৰম কাৰাদণ্ড ভুগিছিল। অসহযোগ আন্দোলনত জপিয়াই পৰি তেজপুৰ অঞ্চলৰ বহুতো সাংগঠনিক আৰু প্ৰচাৰৰ কামত আগভাগ লৈ ফুৰিছিল। মহাত্মাৰ বাণী বিদেশী বস্ত্ৰ বৰ্জন, মাদকদ্ৰব্য নিবাৰণ, কপাহ খেতি কৰা, সূতাকটা, কাপোৰ বোৱা প্ৰভৃতি প্ৰচাৰ কৰি মানুহক প্ৰেৰণা যোগাইছিল। ছবিলালৰ স্বদেশ প্ৰেম আৰু দুঃসাহস দেখি

সকলোৱে তেখেতক শ্ৰদ্ধা কৰিছিল, নেতৃত্ব বহন কৰি যাবলৈ উদগনি দিছিল, সহায় সহানুভূতি আগবঢ়াইছিল।

ছবিলালৰ প্ৰতি ইংৰাজ পুলিচ বিষয়াই সদায় চোকাদৃষ্টি ৰাখিছিল আৰু যি কোনো চেলু লৈ তেওঁক গ্ৰেপ্তাৰ কৰাৰ কথা ভাবিছিল। ছবিলালে সভা-সমিতিত বক্তৃতা দি ফুৰা অভিযোগত এদিন পুলিচে ঘৰ খানাতালাচ কৰি বন্দুক আৰু বিভলভাৰ ছুটাও লৈ গৈছিল। সিমানতো ছবিলাল নথমাত এদিন ন'টিচ আহিল যে, যদিহে ছবিলালে কংগ্ৰেছৰ সদস্য পদ ইস্তফা নিদিয়ে তেখেতক অচিৰে বৃটিছ ভাৰত ৰাজ্যৰ পৰা খেদি পঠোৱা হ'ব। ছবিলালে বিদেশী শাসক দলক অকল ঘৃণাই নকৰিছিল, তেওঁলোকৰ অভদ্ৰ আচৰণৰ প্ৰতিবাদো কৰিছিল।

১৯২১ চনৰ জুন মাহত আহমদাবাদত বহা কংগ্ৰেছ অধিবেশনলৈ অসমৰ কংগ্ৰেছ প্ৰতিনিধি হিচাপে যাবলৈ ওলোৱাৰ আগমুহূৰ্ত্তত ছবিলালক পুলিচে গ্ৰেপ্তাৰ কৰিলে। বিচাৰত ছবিলালৰ ছমাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। তেজপুৰ জেলত নিৰ্দ্ধাৰিত সময় কটাই ছবিলাল ওলাই আহিল। উল্লেখযোগ্য যে তেখেতৰ ভাতৃ হৰিপ্ৰসাদ উপাধ্যায়কো অসহযোগ আন্দোলনত যোগ দিয়া অপৰাধত তিনিমাহ সশ্ৰম কাৰাদণ্ড বিহি তেজপুৰ জেলতে ৰাখিছিল।

বাহিৰ বগা ভিতৰ ক'লা ইংৰাজসকলে বিভাজনৰ দ্বাৰা বিভেদ অনা কৌশলত সিদ্ধহস্ত আছিল। প্ৰলোভন দেখুৱাই, 'স্বাধীন নেপাল ৰাজ্যৰ প্ৰজা' ইত্যাদি বহুতো বুজাই ছবিলালক কংগ্ৰেছৰ পৰা যেনে তেনে আঁতৰ কৰিবলৈ দুষ্ট অভিসন্ধি চলাইছিল। ফাটেকত থাকোঁতে অসম উপত্যকাৰ উপায়ুক্ত মিঃ বি. চি. এলেনে এমূৰীয়া কোঠা এটালৈ মতাই প্ৰলোভন দেখুৱালে—"এয়া মই কাগজ কলম হাতত লওঁ। তোমাক মাটিবাৰী, কিবা অন্যান্য সা-সুবিধা কি লাগে খোলোচাকৈ কোৱা।"

উপাধ্যায়ৰ উত্তৰ একেটাই আছিল—"দেশৰ স্বাৰ্থতকৈ মোৰ

ব্যক্তিগত স্বাৰ্থ কোনো গুণে ডাঙৰ হ'ব নোৱাৰে।" তোষামোদ প্ৰলোভন দেখুৱা অথবা গুৰুতৰ শাস্তি বিহাৰ ভাবুকিয়ে ছবিলালক দৃঢ় সঙ্কল্পৰ পৰা এডাল চুলিৰ সমানো লৰাব নোৱাৰিলে।

ছবিলালে দেশক প্ৰাণভৰি ভাল পাইছিল। প্ৰথম অৱস্থাত ৰাজনৈতিক জ্ঞান সিমান আহৰণ কৰিব পৰা নাছিল। কিয়নো, অসম ৰাজ্যৰ মাটি-পানীৰ লগত উপাধ্যায়ৰ পূৰ্বপুৰুষসকলৰ তেজ-মঙহৰ সম্পৰ্ক গঢ়ি উঠিবৰ চাৰিটা দশকো হোৱা নাছিল। ছবিলালৰ পূৰ্বপুৰুষ, ককাদেউতাক শ্ৰীকৃষ্ণ উপাধ্যায় ইবঁউটাৰ নামে নেপালৰ পূৰ্বাঞ্চলীয় ঠাই এডোখৰৰ পৰা আহি ১৮৮০ চনত অসমত প্ৰৱেশ কৰে। পোনে পোনে আহি বিহালী মৌজাৰ গাংমৌথান গাঁৱত বসতি স্থাপন কৰি থাকিবলৈ লয়। কৃষ্ণ উপাধ্যায়ৰ পুত্ৰ কাশীনাথ, আৰু কাশীনাথৰ পুত্ৰ ছবিলালে ১৮৮২ চনৰ ১২ মে'ৰ দিন শোণিতপুৰ জিলাৰ বিশ্বনাথ মৌজাৰ বালিপুখুৰী গাঁৱত জন্ম গ্ৰহণ কৰে।

ছবিলাল মধ্যবিত্ত শ্ৰেণীৰ নেপালী পণ্ডিতৰ ঘৰৰ ল'ৰা। তেখেতৰ বিদ্যাৰম্ভ হয় হাতীবন্ধা প্ৰাথমিক বিদ্যালয়ত। পিতৃ কাশীনাথে ঘৰতে সংস্কৃত অধ্যাপক ৰাখি সংস্কৃত ভাষা আৰু সংস্কৃত শাস্ত্ৰৰ জ্ঞান দিছিল। সৰুৰে পৰা ডাঙৰ মানুহৰ জীৱনী অধ্যয়ন কৰা আৰু নানা গ্ৰন্থ আৰু সংবাদপত্ৰ পঢ়াত ছবিলালৰ আগ্ৰহ বৰ বেছি আছিল। অসমীয়া আৰু সংস্কৃত গ্ৰন্থ অধ্যয়নৰ লগতে 'বসুমতী', আনন্দবজাৰ পত্ৰিকা', শৰৎচন্দ্ৰৰ গ্ৰন্থাৱলী আদিও অধ্যয়ন কৰিছিল।

গৰু-ম'হ পালন আৰু গাখীৰ উৎপাদন নেপালী জাতিৰ পেচা, নিচা নহয়। পূৰ্বপুৰুষৰ বৃত্তি লগত লৈ অসমলৈ আহি ব্ৰহ্মপুত্ৰৰ দুই পাৰে কাজিৰঙা অভয়াৰণ্যক কেন্দ্ৰ কৰি নেপালী সকল থাকিবলৈ লয়। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কৃষিপাম আৰু দক্ষিণ পাৰে গৰু-ম'হৰ বাথান। কৃষি আৰু বাথান ব্যৱসায়ত উপাধ্যায় পৰিয়ালে যথেষ্ট উপাৰ্জন কৰি অঞ্চলটোৰ ভিতৰতে ধনে-ধানে পঢ়াই-শুনাই প্ৰখ্যাত হৈ উঠে।

প্ৰথম বিশ্বযুদ্ধৰ সময়ত ছবিলাল ছফল্ ডেকা। ছবিলালৰ জন্মৰ তিনি বছৰৰ পিছতে (১৮৮৫) জন্ম গ্ৰহণ কৰা নিখিল ভাৰত কংগ্ৰেছ অনুষ্ঠানটোও ভৰ যৌৱনপ্ৰাপ্ত হয়। অসহযোগ আন্দোলনৰ আগলৈকে অসমৰ ৰাজনৈতিক সংগঠন বুলিবলৈ 'আসাম এছোচিয়েশ্যন'টোহে আছিল। ১৯১৮ চনত ছবিলাল এই সংগঠনত ভৰ্তি হয়। আসাম এছোচিয়েশ্যনৰ ১৯২০ চনত যোৰহাটত বহা বিশেষ অধিবেশনে অসহযোগ আন্দোলনক পুৰাপুৰি সমৰ্থন কৰিবলৈ অক্ষম হোৱাত তুমুল বাক্-বিতণ্ডাৰ অন্তত 'অসম প্ৰদেশ' কংগ্ৰেছ কমিটিৰ জন্ম হয়। উল্লেখযোগ্য যে অধিবেশনৰ সভাপতিৰ আসনৰ পৰা তেখেতে অসহযোগ আন্দোলনক পূৰ্ণ সমৰ্থন কৰে আৰু 'আসাম এছোচিয়েশ্যন'টোক 'আসাম প্ৰদেশ কংগ্ৰেছ কমিটি' হিচাপে ৰূপ দিয়াত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে।

ইতিমধ্যে বাল গঙ্গাধৰ তিলকৰ স্বৰাজ ন্যাস পুঁজিৰ বাবে সমগ্ৰ দেশ জুৰি ধন সংগ্ৰহ কৰাৰ অভিযান আৰম্ভ হোৱাত তেজপুৰত কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ সৈতে দান-বৰঙণি সংগ্ৰহ কৰে। ছবিলালৰ উদ্যম আৰু চেষ্টাত অসমত বসবাস কৰি থকা নেপালী সম্প্ৰদায়ৰ লোক সকলে স্বৰাজ পুঁজিলৈ শক্তি সাধ্যানুসৰি ধন-সোণ দান কৰাৰ উপৰিও আন্দোলনত পূৰ্ণ সহযোগ কৰে। বৰণীয় ছবিলালৰ এই মহান আদৰ্শ স্মৰণীয় আৰু অনুকৰণীয়।

অসহযোগ আন্দোলনত লাগি সশ্ৰম কাৰাদণ্ড ভোগা সময়ত ছবিলালে জেলত সহবন্দী সকলক ঘনিষ্ঠভাৱে লগ পোৱাৰ সুবিধা পালে। সেই সময়ছোৱাৰ ভিতৰত তেখেতে কংগ্ৰেছ নেতা সকলৰ পৰা যথেষ্ট ৰাজনৈতিক জ্ঞান লাভ কৰে আৰু জেলৰ পৰা ওলাই অহাৰ পিছত কিদৰে আন্দোলন কৃতকাৰ্য কৰাত আত্মনিয়োগ কৰিব তাৰে স্পষ্ট ছবি এখন মনত আঁকি লয়। কাম কৰি নিজে সন্তুষ্টি লাভ কৰিব পৰাটো এটা ডাঙৰ কথা। ছবিলালে স্পষ্ট ধাৰণা লৈ কাম কৰি সন্তুষ্টি লাভ কৰিছিল আৰু আনকো তেনেদৰে কাম কৰি

যাবলৈ প্ৰেৰণা যোগাইছিল। অধ্যয়ন পুষ্ট ছবিলালে বুজিছিল যে অহিংস আন্দোলনৰ অৰ্থ বুজিবলৈ হলে, আৰু স্বৰাজনো কি তাক ভালদৰে উপলব্ধি কৰিবলৈ হলে স্বদেশৰ আৰু বিশ্বৰ ইতিহাসজ্ঞান থাকিব লাগে। কাৰণ ইতিহাসত জাতি এটাৰ জাতীয় চৰিত্ৰ, নৈতিক চৰিত্ৰ, ধ্যান-ধাৰণা প্ৰকাশ পায়। কাজেই দেশৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰি নললে দেশ প্ৰগতিৰ পথত আগবঢ়াত বাধাগ্ৰস্ত হয়।

ছবিলাল জেলৰ পৰা ওলাই আহিয়েই সামাজিক কামত মনোনিবেশ কৰিলে। প্ৰথমে কণ কণ ল'ৰা-ছোৱালীবোৰৰ শিক্ষাৰ অভাৱ গুচাবৰ কাৰণে হাতীবন্ধা অঞ্চলত কেবাখনো প্ৰাথমিক স্কুল আৰু এখন কম্বাইণ্ড মজলীয়া স্কুল স্থাপন কৰিলে। ১৯৪১ চনত তেখেতৰ উদ্যোগত বিহালী হাইস্কুলখনে জন্ম পালে। বিহালী হাইস্কুল পতাত নেপালী ৰাইজৰ উদ্যোগ আৰু সহায়-সহযোগিতা বিশেষভাৱে উল্লেখযোগ্য। এই স্কুলখনৰ আৰম্ভণি কালত মাজগাঁও নেপালী থিয়েটাৰ পাৰ্টিয়ে তেওঁলোকৰ মাটি, ঘৰ, ফাৰ্নিচাৰ সহ এতিয়াৰ বজাৰ মূল্যৰ কমেও একলাখ টকাৰ সম্পত্তি দান কৰে। অসমীয়া মাধ্যমৰ এই হাইস্কুলখনে বিহালী অঞ্চলটোৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ ল'ৰা-ছোৱালী মিলি অসমীয়া সংস্কৃতিৰ ঘাই সোঁতটোৰ লগত মিলি গৈ হাৰে হিমজুৱে অসমীয়া হৈ পৰে। এই স্কুলখনৰ ৰঙ্গমঞ্চ আৰু হলঘৰৰ কাৰণে উপাধ্যায়ে চল্লিছ হেজাৰ টকা দান কৰে।

ছবিলাল উপাধ্যায় একেধাৰে ব্যৱসায়ী, সমাজকৰ্মী, মুক্তি যুঁজাৰু, শিক্ষা সাহিত্য আৰু সংস্কৃতিপ্ৰেমী আছিল। বিশ্বনাথ চাৰিআলি কলেজত দুজন মেধাবী ছাত্ৰক প্ৰতিবছৰে জলপানী দিয়াৰ বাবে তেত্ৰিশ হেজাৰ টকাৰ এটা ষ্ট্ৰাস পুঁজিৰ ধন ছবিলাল উপাধ্যায়ে দান কৰে।

অসহযোগ আন্দোলনত নমাৰে পৰা দেশ স্বাধীন হোৱালৈকে

উপাধ্যায়ে এজন অতন্দ্ৰ প্ৰহৰীৰ দৰে দেশৰ হকে কাম কৰি যায়। ১৯৪২ চনৰ ঐতিহাসিক বিপ্লৱতো জপিয়াই পৰি তিনিমাহৰো অধিক দিন কাৰাবৰণ কৰে।

১৯৪৭ চনৰ সমষ্টি গঠনৰ সময়ত ছবিলাল উপাধ্যায়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ১৯১৭ চনত তেজপুৰত বহা গোৰ্খা লীগৰ বছৰেকীয়া অধিবেশনত উপাধ্যায়ে সমষ্টি গঠনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈক পূৰ্ণ সমৰ্থন জনায়, লগতে পাকিস্তানৰ ভাবি গ্ৰাহৰ পৰা অসমক বচাবলৈ অধিবেশনত প্ৰস্তাব গ্ৰহণ কৰে। তদুপৰি কাজিৰঙা ৰিজাৰ্ভত কুৰি হাজাৰৰো অধিক অনুপ্ৰৱেশকাৰীক মাটি পট্টন দিবলৈ ওলোৱা কাৰ্য্যক উপাধ্যায়ে প্ৰতিবাদ জনায় আৰু সেই কাৰ্য্যত ফলৱতী হয়। উল্লেখযোগ্য যে কাজিৰঙা ৰিজাৰ্ভৰ বেদখলকাৰী সকলৰ বেছিভাগেই শেহতীয়াকৈ অহা নেপালী সম্প্ৰদায়ৰ লোক আছিল। ছবিলাল উপাধ্যায়ৰ জন্মভূমিক ভালপোৱা আৰু নিস্বাৰ্থ দেশ সেৱাৰ এই এটা মহান নিদৰ্শন। দেশৰ স্বাৰ্থৰ কাৰণে নিজৰ অঙহী-বঙহীৰ স্বাৰ্থক তুচ্ছজ্ঞান কৰি ৰাজনীতি অথবা সমাজসেৱা কৰা মানুহ ছবিলাল উপাধ্যায়ৰ দৰে আমাৰ সমাজত তেনেই বিৰল।

ছবিলাল উপাধ্যায় তেজপুৰ লোকেল বৰ্ডৰ মনোনীত সদস্য হিচাপে থাকি সেৱা আগবঢ়োৱাৰ উপৰিও কাজিৰঙা অভয়াৰণ্যৰ তেখেতে অবৈতনিক বন বিষয়া আছিল।

ছবিলাল উপাধ্যায় নেপালী সম্প্ৰদায়ৰ লোক হলেও তেখেত সকলো সম্প্ৰদায়ৰ লোকৰ হিতৰ চিন্তা কৰিছিল আৰু জাতি, ধৰ্ম্ম-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকৰ পৰা সমানে শ্ৰদ্ধা আৰু মৰম পাইছিল। এইজন বীৰ বিপ্লৱী সমন্বয়ৰ সেতু স্বৰূপ মহান ব্যক্তিৰ ১৯৮০ চনৰ ২৪ জানুৱাৰীৰ দিনা ৯৮ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে।

বীৰ বিপ্লৱী
খগেন্দ্ৰনাথ নাথ

সাম্ৰাজ্যবাদীৰ লৌহ শৃঙ্খলৰপৰা ভাৰত মাতৃক মুক্ত কৰিবলৈ সমুখ সংগ্ৰামত সিংহনাদ কৰি জপিয়াই পৰা বীৰ যোদ্ধা সকলৰ ভিতৰত অবিভক্ত গোৱালপাৰা জিলাৰ খগেন্দ্ৰনাথ নাথ অন্যতম। গোৱালপাৰা জিলাৰ স্বাধীনতা সংগ্ৰামী লোকসকলৰ ভিতৰত আন দুজন অগ্ৰণী যোদ্ধা হ'ল শ্ৰীমৎস্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী আৰু যোগেন্দ্ৰনাথ নাথ।

১৯২০ চনৰ কথা। নাগপুৰ অধিবেশনত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ প্ৰস্তাৱ দাঙি ধৰিলে। চিত্তৰঞ্জন দাস ডাঙৰীয়াই পোনে পোনে গান্ধীজীৰ প্ৰস্তাৱত প্ৰতিবাদ জনালে। শেষত গান্ধীজীৰ সাক্ষাতত তেখেতৰ ধাৰণা সম্পূৰ্ণ বদলি হয় আৰু দেশৰ বাবে যথা সৰ্বস্ব ত্যাগ কৰি দেশবন্ধু আখ্যা লাভ কৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আকাশত ধ্ৰুৱতৰাৰ দৰে জিলিকি থাকিল।

নাগপুৰ অধিবেশনৰ অলপ দিনৰ পিছতে কলিকতাত বহা বিশেষ অধিবেশনত বাপুজীৰ অসহযোগৰ প্ৰস্তাৱে সন্মতি লাভ কৰে। গান্ধীজীৰ নেতৃত্বত কংগ্ৰেছে খিলাফৎ আন্দোলন সমৰ্থন কৰে। ফলস্বৰূপে অসহযোগ আৰু খিলাফৎ আন্দোলনৰ যুটীয়া শক্তিত স্বৰাজৰ দাবী তোলা হয়। জনজাগৰণৰ প্ৰবল ঢৌত বিদ্যালয়, মহাবিদ্যালয় আদিৰ ছাত্ৰ-ছাত্ৰীসকলে, আদালতৰ আইনজীৱিসকলে নিজ নিজ অনুষ্ঠান এৰি মুক্তি যুঁজত জপিয়াই পৰে।

গোৱালপাৰা জিলাৰ যোগেন্দ্ৰনাথ নাথ, হৰেন্দ্ৰকুমাৰ সিংহ, কৃষ্ণানন্দ ব্ৰহ্মচাৰী, গৌৰীকান্ত চক্ৰবৰ্তী, গিৰীন্দ্ৰকুমাৰ নাথ, সুৰেন্দ্ৰ-

মোহন সেনগুপ্ত প্ৰভৃতিয়ে নিজ নিজ শিক্ষানুষ্ঠান ত্যাগ কৰি আন্দোলনত যোগ দিলে। গুৱাহাটীৰ শিক্ষা অনুষ্ঠানৰ লগত জড়িত থকা গোৱালপৰীয়া ছাত্ৰ সুৰেন্দ্ৰমোহন দাস, মণিকান্ত দাস, উমেশচন্দ্ৰ শৰণীয়া, আৰ্সেদ আলি, ডাঃ ঘনশ্যাম দাস, বীৰেন্দ্ৰনাৰায়ণ মেধি, চাকৰীয়াল তুৰঙ্গনাথ নাথ, গোবিন্দ্ৰচন্দ্ৰ পাটগিৰি, মধুসূদন পাটগিৰি আদিয়ে কৰ্ম অনুষ্ঠান বৰ্জন কৰি অসহযোগ আন্দোলনত নামি পৰে।

সেই একে সময়তে (১৯২১) দেশ প্ৰাণ চন্দ্ৰনাথ শৰ্মা ফেব্ৰুৱাৰী মাহত আন্দোলনৰ প্ৰচাৰৰ কাৰ্যসূচী লৈ গোৱালপাৰাৰ মহমেডান খেল পথাৰত তেজোদ্দীপক বক্তৃতা দিয়ে। বীৰ-বিপ্লৱী চন্দ্ৰনাথৰ বক্তৃতাত শই শই যুৱক-যুৱতী উদ্বুদ্ধ হৈ জীৱন পন কৰি আন্দোলনত জপিয়াই পৰে।

পহিলা মাৰ্চৰ দিনা গোৱালপাৰা চৰকাৰী হাইস্কুলৰ শিক্ষক ধৰ্মেশ্বৰ দাস প্ৰমুখ্যে এদল শিক্ষক আৰু সংগ্ৰামী ছাত্ৰৰ উদ্যোগত 'স্বৰাজ', "বন্দেমাতৰম" ধ্বনি তুলি এটি বিৰাট শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ আৰম্ভণিত গোৱালপাৰা জিলাৰ শত সহস্ৰ জনতাক অগ্নি মন্ত্ৰৰে উদ্বুদ্ধ কৰি ধৰ্মেশ্বৰ দাসে বক্তৃতা দিয়াৰ লগতে চৰকাৰী চাকৰি ইস্তফা দিয়াৰ কথা ঘোষণা কৰে।

দেশৰ আহ্বান আৰু শিক্ষাগুৰুৰ নিস্বাৰ্থ ত্যাগৰ মন্ত্ৰত দীক্ষিত হৈ স্কুলীয়া ছাত্ৰ খগেন্দ্ৰনাথ নাথে সিমানতে শিক্ষা জীৱনৰ সামৰণি পেলাই একনিষ্ঠভাৱে দেশমাতৃকাক স্বাধীন কৰাৰ মহান যজ্ঞত নিজকে আহুতি দিয়ে।

চৰকাৰী স্কুল বৰ্জন কৰাৰ পাছতে ধৰ্মেশ্বৰ দাসৰ নেতৃত্বত জাতীয় স্কুল প্ৰতিষ্ঠা হ'ল, শই শই ছাত্ৰই জাতীয় স্কুলত নাম ভৰ্তি কৰিলে। পিছত চৰকাৰী স্কুলৰ আমোলা সকলৰ মন ভুলোৱা কথাত ভোল গৈ বহুতো অভিভাৱকে নিজ নিজ ছাত্ৰ সকলক পুনৰ চৰকাৰী স্কুললৈ বদলি কৰি নিছিল যদিও খগেন্দ্ৰনাথ নাথ কোনোপধ্যে মান্তি নহ'ল।

চৰকাৰী হাইস্কুলৰ প্ৰধান শিক্ষক ভাৰতচন্দ্ৰ চলিহাই খগেন্দ্ৰনাথক ডবল প্ৰমোচন দিয়াৰ লোভো দেখুৱাইছিল। নাথৰ ভাষাত "মই মনে মনে ভাবিছিলো স্কুললৈ গ'লে যে ডবল প্ৰমোচন দিব সঁচা কথা; কাৰণ পঢ়া-শুনাত মই বৰ চোকা আছিলো। মোৰ মনত পৰে হেড্‌মাষ্টাৰৰ উপদেশবোৰ নিৰৱে শুনি থকা, কিন্তু মোৰ ফালৰ পৰা কোনো মতামত তেখেতক দিয়া নাছিলো কুমলীয়া বয়সতে আই সৰস্বতীৰ পৰা বিদায় লৈ আনপিনে জীৱনৰ পট পৰিবৰ্তন কৰা হ'ল।" অৱশ্যে পিছৰ জীৱনত নাথ ডাঙৰীয়াই ইয়াৰ বাবে অনুতাপো নকৰা নহয়, "এতিয়া বুজি পাইছো যে টকা, ধন-সম্পত্তি, দৌলত ত্যাগ কৰিলেও পুনৰ উভতি পাব পাৰি, কিন্তু শিক্ষা ত্যাগ কৰিলে জীৱনত আৰু ঘূৰাই পোৱা নাযায়।"

ইতিমধ্যে দেশ জুৰি 'তিলক স্বৰাজ, পুঁজি'ৰ কাৰণে ধন সংগ্ৰহ কৰাত কংগ্ৰেছ কৰ্মীসকল ব্যস্ত হৈ পৰিছে। দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ৰক্ত ক্ষয় কৰি ধন সংগ্ৰহ কৰি ফুৰিছে। সেই সময়ত খগেন্দ্ৰনাথ গুৱাহাটীলৈ আহি কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ সান্নিধ্য লাভ কৰে। লগতে বঙ্গীয় বিখ্যাত চাৰণ গায়ক মুকুন্দ দাসৰ অগ্নি স্ফুলিঙ্গ বৰ্ষণ কৰা দেশাত্মবোধক গানবোৰে খগেন নাথকো দেশপাগল কৰি তুলিলে। নাথৰ উক্তি এনেধৰণৰ "মুকুন্দ দাসে যেতিয়া—

"জাগ্‌তে হবে
উঠ্‌তে হবে
লাগতে হবে কাজে…।"

বুলি সঙ্গীতৰ লহৰ তুলিছিল, তেতিয়া মই সঁচাকৈয়ে উদ্দীপনা পাইছিলোঁ নতুন কামৰ।"

মুকুন্দ দাসে আৰু গাইছিল—

"জাগ্‌তে হবে
উঠ্‌তে হবে

লাগ্‌তে হবে কাজে, মোদেৰ লাগতে হবে কাজে ;
এ জগৎ মাঝে,
কেই ঘুমে নেই, মোদেৰ কি ঘুম সাজে ?
যেতে হবে সাগৰেৰ ওপাৰ,
ছাড়তে হবে জাতেৰ বিচাৰ,
শুনতে হবে জগৎ বাণী কোন সুৰেতে বাজে,
ৰে ভাই, কোন সুৰেতে বাজে।
যাদেৰ মা উপবাসী
তাদেৰ মুখে ব্যঙ্গ হাঁসি
দেখে মুকুন্দ মৰে যায়,
ঘৃণাভিমান লাজে। ৰে ভাই
ঘৃণাভিমান লাজে ॥"

১৯২১ চনত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ কাৰ্যসূচী লৈ অসমলৈ অহাৰ সময়ত খগেন্দ্ৰ নাথ স্বাধীনতা আন্দোলনৰ প্ৰাণকেন্দ্ৰ পূৰ্ববঙ্গৰ চাঁদপুৰত আছিল। গান্ধীজীয়ে অসম ভ্ৰমণ শেষ কৰি চাঁদপুৰলৈ যায়। চাঁদপুৰত বিৰাট ৰাজহুৱা সভাত ভাষণ দি মহাত্মা গান্ধীয়ে কৈছিল—

"স্বৰাজ যদি ভাৰতবাসীয়ে অৰ্জন কৰিব লাগে, তেন্তে সকলোৱে সূতা কাটিব লাগে। হিন্দু মুছলমান ঐক্যবদ্ধ হ'ব লাগে। বিদেশী বস্ত্ৰ বৰ্জন কৰিব লাগে আৰু জাতীয় সঞ্চয় 'তিলক স্বৰাজ ভাণ্ডাৰ'ত দান দিব লাগে।"

গান্ধীজীৰ বক্তৃতাই নাথৰ অন্তৰত নতুন প্ৰেৰণা জগালে। বস্ত্ৰ যজ্ঞত সকলোৱে বিদেশী বস্ত্ৰ আহুতি দিলে। নাথেও তেখেতৰ বগা জিন কাপোৰৰ হাণ্টিং কোট জুইত জাপি দি বাহিৰে বাহিৰে বজাৰলৈ খাদী কাপোৰ বিচাৰি গ'ল। বহু কষ্টে এটা হাফ্‌ পাঞ্জাবীৰ জোখাৰ খাদী কাপোৰ সংগ্ৰহ কৰি তাকে চিলাই ললে। খাদী ধুতি বজাৰত

ক'তো বিচাৰি নাপাই সভাহতে মিলৰ কাপোৰবে মূৰ্ত্তী এটা টিলাই কৰি ললে।

চাঁদপুৰৰ পৰা উভতি আহি নাথে গোৱালপাৰাত আন্দোলনৰ প্ৰচাৰ কাৰ্য চলাবলৈ ধৰিলে। সেই সময়ছোৱাত গোৱালপাৰা জিলা কংগ্ৰেছৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে কামাখ্যা চৰণ সেন আৰু ধৰ্মেশ্বৰ দাস আৰু সহকাৰী সম্পাদক আছিল যোগেন্দ্ৰনাথ নাথ।

১৯২১ চনৰ শেষৰ ফালে নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকন গোৱালপাৰালৈ গৈ তিনি দিন বক্তৃতা দিয়ে। তেওঁলোকৰ বক্তৃতা শুনিবলৈ হেজাৰ-বিজাৰ লোকৰ ভিৰ হয়। এনেতে ফুকনক গ্ৰেপ্তাৰ কৰাৰ হুকুম হ'ল। কিন্তু জিলাৰ পুলিচ চুপাৰিনটেণ্ডেণ্ট আনন্দচন্দ্ৰ আগৰৱালাই ফুকনক গ্ৰেপ্তাৰ কৰাৰ সাহস নকৰিলে। প্ৰমোচনৰ লোভত পুলিচ চব ইন্স্‌পেক্টৰ অমৃত চন্দ্ৰ দাসে ফুকনক গ্ৰেপ্তাৰ কৰে আৰু ইন্সপেক্টৰ পদলৈ প্ৰমোচন পায়। পিছে পদ মৰ্যাদাই দাসক সুখী কৰিব নোৱাৰিলে। জীৱনৰ বাকীছোৱা কাল এই কাৰ্যৰ বাবে অনুতাপ কৰিছিল আৰু অন্তত কংগ্ৰেছৰ কামত পাৰ্যমানে সহায় কৰিছিল।

আন আন সকলৰ লগতে খগেন্দ্ৰ নাথকো গ্ৰেপ্তাৰ কৰিছিল।

অসহযোগ আন্দোলনৰ কিছুদিন আগৰে পৰা গোৱালপাৰা অঞ্চলত কলাজ্বৰ মহামাৰীয়ে দেখা দি বহুতো গাঁও উছন্ন কৰিছিল। মৃত্যুৰ বিভিষিকাত শই শই লোকে গাওঁ-ভূঁই ত্যাগ কৰি আন ঠাইলৈ গৈছিল। জনসাধাৰণৰ এই সঙ্কট কালত এদল ত্যাগী সমাজকৰ্মীক হাতত লৈ খগেন্দ নাথে পাৰ্যমানে মানৱ সেৱা আগবঢ়াছিল।

অসহযোগ আন্দোলনৰ কাৰ্যসূচী গোৱালপাৰা জিলাত ৰূপায়ণ কৰিবলৈ দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা অহাত বিপ্লৱী জনতাই তেওঁক স্বাগতম্‌ জনাইছিল আৰু অসহযোগ আন্দোলনৰ কামত পূৰ্ণোদ্যমে সহায় কৰিছিল।

ইতিমধ্যে চৌৰি-চোৰাৰ ঘটনাৰ পিছত মহাত্মা গান্ধী অসহযোগ আন্দোলন উঠাই লয় আৰু ছয় বছৰ কাল কাৰাদণ্ড ভোগ কৰে। গুৰিয়াল বিহীন নাওৰ দৰে গান্ধীজীৰ অনুপস্থিতিত আন্দোলন বহু পৰিমাণে ম্লান হৈ পৰে। হলেও জেললৈ নোযোৱা দেশনেতা সকলে চেকা চোবোকাভাৱে আন্দোলন চলাই আছিল। এনে পৰিস্থিতিত বহুতৰে মনলৈ নিৰাশাৰ ভাব অহা পৰিলক্ষিত হৈছিল আৰু বহুতো চাকৰিয়াল আৰু আইনজীৱিয়ে পুনৰ কৰ্মসংস্থানত যোগ দিছিল। বেছিভাগ অভিভাৱকে ছাত্ৰসকলক পুনৰ স্কুলত নাম ভৰ্ত্তি কৰি দিছিল। কিন্তু গোৱালপাৰা জিলাৰ খগেন নাথ পুনৰ বিদ্যালয়লৈ ঘূৰি নগ'ল। যোগেন্দ্ৰ নাথ, আৰ্‌সেদ আলি প্ৰমুখ্যে কেইজনমান সতীৰ্থক লগত লৈ খগেন নাথে জিলাখনৰ আন্দোলন জীয়াই ৰাখিলে।

এনেতে যোগেন্দ্ৰনাথৰ উদ্যোগত 'অসম ক্লাৱৰ' জৰিয়তে খদৰ কাপোৰৰ বহুল প্ৰচলন গোৱালপাৰা জিলাতো আৰম্ভ হ'ল। ক্লাবৰ জৰিয়তে কেইখনমান উন্নত ধৰণৰ তাঁতশাল আৰু যঁতৰ, আদিৰো যোগান ধৰা হ'ল। খগেন নাথে আগভাগ হৈ কপাহ সংগ্ৰহ কৰিবলৈ ধৰিলে। ক্ৰমদিনৰ ভিতৰত স্বদেশী উদ্যোগ প্ৰতিষ্ঠানবিলাকে গা কৰি উঠিল। এই উদ্যোগত যোগেন নাথ আৰু খগেন নাথৰ লগতে শুদ্ধনাথ নাথ, ধ্বজেন্দ্ৰ নাৰায়ণ মেধি, মঃ আৰ্‌সেদ আলিৰ নামো উল্লেখযোগ্য।

এই সময়ছোৱাতে প্ৰাদেশিক কংগ্ৰেছৰ 'কপাহ সংগ্ৰহ আঁচনি' হাতত লৈ গোপীনাথ বৰদলৈ, ক্ষীৰ বৰুৱা, ভৃগু বৰুৱা আৰু লক্ষীৰাম দাস গোৱালপাৰালৈ যায়। তেখেত সকলে দামৰা হাটত কপাহ কিনিবলৈ যোৱাটো গম পাই তুধনৈ থানাৰ ভাৰপ্ৰাপ্ত কৰ্মচাৰি চন্দ্ৰকান্ত শৰ্মা কেইজনমান চিপাহী লগত লৈ বৰদলৈহঁতক গ্ৰেপ্তাৰ কৰিবলৈ তাত উপস্থিত হ'ল। এই কথা বিজুলিসকাৰে প্ৰচাৰ হ'লত আৰু দামৰা বজাৰৰ আশে-পাশে থকা খিলঞ্জীয়া লোক

কিছুমান আহি হাইউকমি লগাই দিয়াত চিপাহীবোৰে ছত্ৰভঙ্গ দিলে। তুৰন্তে বৰদলৈক চাইকেলেৰে দলগোমালৈ আনি তাৰপৰা জাহাজেৰে গুৱাহাটীলৈ পঠায় দিয়া হ'ল।

সেই সময়ত মটৰ গাড়ীৰ কথাটো সুকীয়াই, আনকি চহৰবোৰত চাইকেলৰ সংখ্যাও খুব কম আছিল। গোৱালপাৰা চহৰত মাত্ৰ ৫/৬ খনমান চাইকেল আছিল। খগেন নাথৰ খুড়াক উপেন্দ্ৰচন্দ্ৰ নাথে হেনো পোন প্ৰথমে গোৱালপাৰা চহৰলৈকে চাইকেল আনিছিল। উপেন্দ্ৰনাথে যাতে সোনকালে চাইকেল শিকিব পাৰে তাৰ বাবে আলিপাৰাৰ মছ্‌জিদত হেনো মমবাতি জ্বলাই দি প্ৰাৰ্থনা কৰিছিল।

১৯২৪ চনত দেশবন্ধু চিত্তৰঞ্জন দাস গুৱাহাটীলৈ অহাটো স্থিৰ হোৱাত তেখেতক সম্বৰ্দ্ধনা জনাবলৈ কংগ্ৰেছী নেতাসকল উঠি পৰি লাগিছিল। প্ৰদেশ কংগ্ৰেছৰ সভাপতি তৰুণৰাম ফুকনৰ আহ্বান ক্ৰমে যোগেন্দ্ৰ নাথৰ নেতৃত্বত এদল লোক গুৱাহাটীত উপস্থিত হ'ল, লগত খগেন নাথো আছিল।

সভাৰ আগমুহূৰ্ত্তত দেশবন্ধুৱে দাৰ্জিলিঙত হঠাতে শেষ নিশ্বাস এৰিলে বুলি তাঁৰ বাৰ্ত্তা অহাত ফুকনে উচুঁপি উচুঁপি কান্দি শোকাৰ্ত্ত জনতাৰ আগত দেশবন্ধুৰ গুণানুকীৰ্ত্তন কৰিছিল।

গুৱাহাটীৰ পৰা উভতি গৈ যোগেন্দ্ৰ নাথৰ সৈতে যুটীয়াভাৱে খগেন্দ্ৰ নাথে কপাহ আৰু শিমলু তুলাৰ মহল লোৱা স্বাধীন ব্যৱসায়ত লাগে। দুগুণ উৎসাহেৰে লাগি অপৰ্যাপ্ত পৰিমাণে শিমলু গুটি সংগ্ৰহ কৰি লক্ষীগঞ্জৰ শ্মশানৰ ওচৰত এটা পৰ্বতাকাৰ দম কৰি দিনে নিশাই ৰখি আছিল। এনেতে কণা বিধি উপস্থিত হ'লহি। চ'ত মাহৰ ২৯ দিন যোৱাত এটা দুৰ্ঘটনা ঘটিল। বহুগুণী নাথৰ এটা বদ অভ্যাস আছিল। তেখেতে হেনো ৰবকৈ বিড়ি হুপিছিল। চ'ত মহীয়া খৰাং বতৰত শিমলু তুলাৰ দ'মত বহি বিড়ি হুপি থাকোঁতে কেনেবাকৈ ফিৰিঙতি এটা পৰি খাণ্ডৱ দাহত পৰিণত হ'ল আৰু মুহূৰ্ত্তৰ ভিতৰতে সকলো আশা চুৰমাৰ হৈ গ'ল। খগেন নাথৰ

ভাষাত—"ক্ৰমশঃ এটা বিৰাট শূন্যতা লৈ আমি সন্ধিয়া পৰত লক্ষ্মীগঞ্জৰ মহা শ্মশান এৰি গুচি আহিলোঁ। ৩১ চ'ত চৰক পূজাৰ দিনা ফুটকী বাড়ী হৈ মগনীয়াৰ লেখিয়া পুনৰ গৌৰাঙ্গ নদীৰ বেলওৱে দলঙৰ তলত থকা বাগিছাৰ ঘৰখনত সাত দিন, সাত ৰাতি, মনৰ বেজাৰত বিশ্ৰাম হিচাবে ব্যৱহাৰ কৰিছিলো।।"

এই ঘটনাৰ পিছত খগেন নাথে দিনে ৰাতিয়ে কিতাপ পঢ়িবলৈ ধৰে। বিশেষকৈ বঙ্গদেশৰ বীৰ বিপ্লৱী সকলৰ জীৱনী আৰু পৃথিৱীৰ বিভিন্ন দেশৰ গণ-বিপ্লৱৰ ইতিহাস গ্ৰন্থসমূহ। লগে লগে "তৰুণ সঙ্ঘ" স্থাপন কৰি নিয়মিতভাৱে ব্যায়াম শিক্ষা, লাঠি চালনাৰ শিক্ষা আদিৰ আখৰা কৰিবলৈ ধৰিলে। ফৰিদপুৰৰ সুপ্ৰসিদ্ধ লাঠি আৰু ছোৰা চলাওঁতা বিশ্বনাথক ভাদুৰীক নিমন্ত্ৰণ কৰি আনি তেওঁৰ পৰা বহুতো খেল শিখিছিল। তৰুণ সংঘৰ আন কেইগৰাকীমান বিশিষ্ট সদস্য আৰু কৰ্মী আছিল পবিত্ৰ কুমাৰ ৰায়, মহাবীৰ প্ৰসাদ সাহা, সুখিন্দ্ৰা বোস, অনাদি চৰণ দাস, উমেশ চন্দ্ৰ দাস, ৰজনীকান্ত দাস, শৰৎ চন্দ্ৰ ৰায়, মহেশ চন্দ্ৰ দাস, মাধৱ চন্দ্ৰ দাস, মথুৰাকান্ত দাস, হৰকান্ত কলিতা, শচীন্দ্ৰ কুমাৰ নাথ, নাজিমুদ্দিন আহমেদ্ দুৰ্গাপ্ৰসাদ ৰায়, থানেশ্বৰ ৰায়, অখিল চন্দ্ৰ ৰায় প্ৰভৃতি।

১৯২৬ চন বছৰটো খগেন্দ্ৰ নাথৰ স্মৃতি চাৰণৰ উল্লেখনীয় বছৰ। সেই বছৰৰ নৱেম্বৰ মাহত বঙ্গদেশৰ কুমিল্লাৰ প্ৰৱীণ নেতা পি. চি. চক্ৰবৰ্ত্তী গুৱাহাটীৰ পৰা বাহিৰে বাহিৰে গৈ গোৱালপাৰাত উপস্থিত হৈ খগেন্দ্ৰ নাথৰ ঘৰত আলহি থাকিছিল। চক্ৰৱৰ্ত্তীৰ ইচ্ছা পূৰণাৰ্থে দুয়ো গৈ উত্তৰ পাৰৰ খিলভুবী পাহাৰৰ নিৰ্জন বালিচৰত প্ৰকৃতিৰ মনোৰম সৌন্দৰ্য উপভোগ কৰি আছিল। প্ৰকৃতিৰ আহ্লাদিনী শক্তিয়েই দুয়োকো বিভোৰ কৰিছিল। এনেতে চক্ৰৱৰ্ত্তী নাথক সুধিছিল—"ভাল, কওঁকচোন আমাৰ মা কেইজনী ?" অলপ চিন্তা কৰি নাথে উত্তৰ দিছিল, "আমাৰ মাতা দুইজনী। এগৰাকী গৰ্ভধাৰিণী মাতা আৰু আন গৰাকী দেশ মাতৃকা।" নাথৰ

উত্তৰত সন্তোষ পাই গৰ্ভধাৰিণী মাতৃৰ প্ৰতি যি কৰ্তব্য দেশ-মাতৃকাৰ প্ৰতিও যে সমান কৰ্তব্য তাক যুক্তি সহকাৰে বুজাই দি নাথক পুনৰ প্ৰশ্ন কৰিলে "মাতৃ পূজাৰ সময় বৈ গৈ আছে। আপুনি কি বহি থাকিব খুজিছে? কওঁকচোন মাক মুক্তি দিয়াৰ বাবে আপুনি ওলাই নাহিব জানো?" নাথে দৃঢ় কণ্ঠে কলে "নিশ্চয় আহিম।"

চক্ৰবৰ্ত্তীয়ে আবেগেৰে পুনৰ প্ৰশ্ন কৰিলে, "সংসাৰৰ ভোগবিলাস ত্যাগ কৰি নিজৰ জীৱনকো বিপন্ন কৰি মাতৃৰ পৰাধীনতাৰ শিকলি মোচন কৰাৰ কাৰণে জপিয়াই পৰিব পাৰিব?" নাথে ক'লে, "নিশ্চয় পাৰিম। নিশ্চয় পাৰিম। এইটো মোৰ জীৱনৰ সাধনা, এই সপোনত মোৰ মন ভৰপূৰ।" তেতিয়া চক্ৰবৰ্ত্তীয়ে কৈছিল, "আপুনি আপোনাৰ বুকুৰ তেজেৰে স্বাক্ষৰ কৰিব পাৰিবনে?"

নাথে অলপো দেৰি নকৰাকৈ 'নিশ্চয় পাৰিম' বুলি কোৱাৰ লগে লগে চক্ৰবৰ্ত্তীয়ে নিজৰ জেপৰ পৰা সৰু ছুৰী এখন উলিয়াই লাহেকৈ নাথৰ হাতত তুলি দিলে। নাথৰ লেখনিত পোৱা যায়, "মই তেখেতৰ হাতৰ পৰা তৎক্ষণাত ছুৰীখন লৈ মই মোৰ বাওঁফালৰ বুকুত ছুৰীদি টান দি কাটি দিলো আৰু দৰদৰকৈ ৰক্ত বাহিৰ হব ধৰিলে। তেখেতে পকেটৰ পৰা এখন ক'লা ৰঙৰ নোটবুক বাহিৰ কৰি মোৰ সন্মুখত ধৰিলে, মই মোৰ বুকুৰ ৰক্তেৰে নোটবুকখনত মোৰ নামটো স্পষ্টকৈ লিখি দিছিলোঁ। সেইটো এটা মোৰ জীৱনৰ অভিনৱ মুহূৰ্ত্ত বুলি অনুভৱ কৰিছিলো।" এইদৰে নাথে দেশমাতৃকাৰ কাৰণে নিজৰ জীৱন উৎসৰ্গ কৰিছিল।

১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছৰ সময়ত এগৰাকী স্বেচ্ছাসেৱকৰ সৈতে নাথে অধিৱেশনত যোগ দিছিল। দলপতি আছিল গোপাল চন্দ্ৰ নাথ আৰু 'নেতা শিৱিৰ'ৰ দায়িত্বত আছিল খগেন্দ্ৰ নাথ আৰু এছৰাদ আলী। অধিবেশনৰ সময়ছোৱাত গান্ধীজীৰ কুটীৰত সেৱাৰ মুখ্য দায়িত্বত আছিল ডিব্ৰুগড়ৰ প্ৰধান কংগ্ৰেছকৰ্মী কেদাৰনাথ গোস্বামী আৰু পালি সহায়ক আছিল নাথ আৰু এছৰাদ আলী।

মহাত্মা গান্ধীৰ লগত মৌলনা চৌকত আলীও আহিছিল। দেশভক্ত ফুকনে নিজে আলী চাহাবক অভ্যৰ্থনা কৰিছিল। খগেন্দ্ৰ নাথে দিয়া বৰ্ণনাত আলী চাহাবে হেনো অনায়াসে এপাছি লুচি, একাঁহী সন্দেহ, দুই কাঁহী বিভিন্ন ধৰণৰ মিঠাই আৰু চল্লিশটা কমলা টেঙা এবাৰৰ জলপানত খাব পাৰিছিল।

পাণ্ডু কংগ্ৰেছৰ সভাপতি আছিল শ্ৰীনিবাস আয়েঙ্গাৰ আৰু প্ৰদৰ্শনীৰ দ্বাৰা মুকলি কৰিছিল গান্ধীজী। বিখ্যাত চাৰণ কবি মুকুন্দ দাসৰ গান আৰু অভিনয়ে দৰ্শকমণ্ডলিক মুগ্ধ কৰিছিল।

১৯২৮ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশনত গোৱালপাৰা জিলাৰ পাচজন প্ৰতিনিধিৰ ভিতৰত যোগেন্দ্ৰ নাথ, সুৰেন্দ নাথ দাস আৰু খগেন্দ্ৰ নাথো আছিল। অধিবেশনৰ সভাপতি পণ্ডিত মতিলাল নেহেৰুক ৩৮ টা ঘোঁৰাই টনা আটকধুনীয়া বাগী এখনত সমদল শোভাযাত্ৰা কৰি আদৰণি জনোৱা হৈছিল। তিৰোতা সকলে সুউচ্চ অট্টালিকাবোৰৰ ওপৰৰ পৰা পুষ্পবৃষ্টি কৰি মাঙ্গলিক উৰুলি ধ্বনি দিছিল। অধিবেশনত সভাপতি মতিলাল নেহেৰুয়ে দাখিল কৰা "নেহেৰু ৰিপোৰ্ট"ৰ ওপৰত তুমুল বাক্ বিতণ্ডা হৈছিল। কংগ্ৰেছৰ সাধাৰণ সম্পাদক জৱাহৰলাল নেহেৰুৱে "পূৰ্ণ স্বাধীনতা"ৰ দাবি তুলি 'নেহেৰু ৰিপোৰ্ট'ৰ ঘোৰ বিৰোধিতা কৰিছিল। অন্তত গান্ধীজীৰ মধ্যস্থতাত পৰিস্থিতি কিছু পৰিমাণে শাম কাটিল আৰু দুটা প্ৰস্তাৱ আগবঢ়োৱা হ'ল। গান্ধীজীৰ প্ৰস্তাৱত অসমৰ প্ৰতিনিধি সকলে পূৰ্ণ সমৰ্থন দিছিল যদিও গোৱালপাৰাৰ প্ৰতিনিধি পাঁচজনে নেতাজী সুভাষ চন্দ্ৰৰ প্ৰস্তাৱ সমৰ্থন কৰিছিল। শেষত গান্ধীজীৰ প্ৰস্তাৱ গৃহীত হৈছিল।

কলিকতাৰ অধিবেশনৰ পৰা ওভতি আহি "তৰুণ সঙ্ঘ"ৰ উদ্যোগত ১৯২৯ চনৰ নৱেম্বৰ মাহত ধুবুৰীত সদৌ গোৱালপাৰা যুৱক সন্থাৰ এখন অভিবৰ্তন পাতিছিল। অভিবৰ্তনত পৌৰহিত্য কৰিছিল বিপ্লৱী নেতা প্ৰতুল চন্দ্ৰ গাঙ্গুলিয়ে।

১৯২৯ চনৰ লাহোৰ অধিবেশনত পণ্ডিত জৱাহৰলাল নেহেৰুৱে আগবঢ়োৱা 'পূৰ্ণ স্বাধীনতা'ৰ প্ৰস্তাৱ গৃহীত হয়। আৰু ১৯৩০ চনৰ ২৬ জানুৱাৰী দিনটো "স্বাধীনতা দিৱস" হিচাপে সমগ্ৰ দেশজুৰি পালন কৰাৰ স্থিৰ সিদ্ধান্ত লোৱা হয়। কাৰ্যসূচী অনুযায়ী দেশৰ সকলো ঠাইতে ১৯৩০ চনৰ আইন অমান্য আন্দোলন গঢ়ি তুলি ২৬ জানুৱাৰীৰ দিনটোত স্বাধীনতাৰ পতাকা উত্তোলন কৰা, সমদল শোভাযাত্ৰা উলিওৱা, সভা-সমিতি পতা, বিদেশী বস্ত্ৰ, মদ, ভাঙ, কানিৰ দোকানৰ সন্মুখত পিকেটিং কৰা আদি কৰা হৈছিল। যোগেন্দ্ৰ নাথ আৰু খগেন্দ্ৰ নাথৰ নেতৃত্বত গোৱালপাৰা জিলাতো দিনজোৰা কাৰ্যসূচী পালন কৰা হৈছিল। সময়মতে কেৱল যোগেন্দ্ৰ নাথ আৰু খগেন্দ্ৰ নাথৰ পজাঁৰ ওপৰতহে স্বাধীনতাৰ পতাকা উৰুৱা দেখা গৈছিল। সিদিনাই গোৱালপাৰা চৰকাৰী বিদ্যালয়ৰ সন্মুখত পিকেটিং কৰা অপৰাধত গগন চন্দ্ৰ ৰায়, পৃথিশ চন্দ্ৰ ভাদুৰী আৰু খগেন্দ্ৰ নাথক গ্ৰেপ্তাৰ কৰে। কেইদিন মান পাছত যোগেন্দ্ৰ নাথকো গ্ৰেপ্তাৰ কৰে। গোৱালপাৰাৰ পৰা গ্ৰেপ্তাৰ হোৱা আন আন কৰ্মীসকল আছিল ৰমণীকান্ত দাস, প্ৰসন্ন কুমাৰ দাস, যোগেন্দ্ৰ চন্দ্ৰ দাস, বসন্ত কুমাৰ দাস, সীতেন্দ্ৰ চন্দ্ৰ দাস, ৰমেশ চন্দ্ৰ নাথ, ঘনেন্দ্ৰ চন্দ্ৰ নাথ (খগেন্দ্ৰ নাথৰ ভাতৃ), কিৰণ চন্দ্ৰ নাথ, ফুকন চন্দ্ৰ নাথ, কামেখ্যা চৰণ দাস, অস্ৰফ আলী, ৰমেশ চন্দ্ৰ দাস, মাণিক চন্দ্ৰ কৰ্মী, সুৰেন্দ্ৰ চন্দ্ৰ নাথ, আব্দুল ৰৌফৰ আদি।

বিচাৰত খগেন্দ্ৰ নাথৰ ১৩ মাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল আৰু গুৱাহাটী জেললৈ চালান দিছে। গুৱাহাটী জেলত খগেন্দ্ৰ নাথে বিষ্ণুৰাম মেধী, ভুৱনেশ্বৰ গোস্বামী, ৰাধিকা ৰাম দাস, জগদীশ চন্দ্ৰ মেধি, লক্ষীধৰ বৰা, দেৱেন্দ্ৰ নাথ চৌধুৰী, সতীশচন্দ্ৰ কাকতী, গোলক চন্দ্ৰ পাঠক, লীলাধৰ বৰুৱা, হৰেশ্বৰ শৰ্মা, পণ্ডিত কনক চন্দ্ৰ শৰ্মা, ভোলাৰাম দাস, অক্ষয় কুমাৰ দাস, গিৰীশ চৌধুৰী, ডাঃ কিৰণমোহন দাস আদিক লগ পায়।

১৯৩০ চনৰ অসহযোগ আন্দোলনত চাৰ চাদুল্লাই ইংৰাজ কৰ্তৃপক্ষক সমৰ্থন কৰি আন্দোলনৰ বিৰোধিতা কিদৰে কৰিছিল খগেন্দ্ৰ নাথৰ বৰ্ণনাত পোৱা যায়।—“সেই সময়ত আমাক জেলৰ কোঠালীৰ পৰা কেবল তিনিবাৰ বাহিৰলৈ ওলাব দিয়া হৈছিল। জেলত আমি সদায় বিপ্লৱৰ আলোচনা কৰিছিলো। হঠাত এদিন সেই সময়ৰ জুদিচিয়েল মেম্বাৰ ৺চাৰ চৈয়দ মহম্মদ চাদুল্লা চাহেবে জেল পৰিদৰ্শন কৰে। নিয়ম অনুসৰি জেলৰ জমাদাৰে “চৰকাৰ চালাম” বুলি কোৱাৰ লগে লগে কয়দী সকলে “চৰকাৰ চালাম” হিচাপে মূৰ দোঁৱাই চালাম দিয়াৰ বিধি আছিল। সময়মতে চাৰ চাদুল্লা আহিছিল। জমাদাৰে শিকাই দিয়া মতে “চৰকাৰ চালাম” হুকুম দিয়াৰ পিছত জমাদাৰৰ হুকুম অমান্য কৰি ৺চাৰ চৈয়দ মহম্মদ চাদুল্লা চাহাবক চালাম নিদি আমালোকে মুখা-মুখীকৈ মূৰ উন্নত কৰি থিয় হৈ আছিলো। ৺চাৰ মহম্মদ চাদুল্লাৰ প্ৰতি মূৰ দোঁৱাই সন্মান জনোৱা আমাৰ পক্ষে আত্মৰ্যাদা হানিকৰ বুলি ধাৰণা হৈছিল। চাদুল্লা চাহাবে বৰ লাজ আৰু দুখ পাইছিল। তেখেতে ৰাজবন্দী সকলৰ অভাৱ-অভিযোগ দূৰ কৰাৰ বিষয়ে প্ৰতিশ্ৰুতি দিছিল আৰু লগতে ৰাজবন্দী সকলৰ পৰা লিখিতভাৱে “চৰকাৰ চালাম” দিয়াৰ প্ৰতিশ্ৰুতি বিচৰা হৈছিল। সকলো বন্দীয়ে তেনে-কুৱা প্ৰতিশ্ৰুতি দিবলৈ অস্বীকাৰ কৰিছিল আৰু দলৰ ৰাজবন্দী সকলক প্যানেল ডায়েট বা শাস্তিমূলক আহাৰ (অৰ্থাৎ পচা পিঠাগুৰি সিজোৱা) দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু এনেকুৱা কদৰ্য্য খাদ্য কোনো বন্দীয়েই ৪৮ ঘণ্টাৰ ভিতৰত গ্ৰহণ কৰা নাছিল।”

উক্ত ঘটনাৰ পৰিপ্ৰেক্ষিতত খগেন্দ্ৰ নাথ, গোলক চন্দ্ৰ পাঠক আৰু চন্দ্ৰকান্ত স্যাকসেনাক চিলেট জেললৈ বদলি কৰিলে। গুৱাহাটী জেলৰ তুলনাত চিলেট জেলৰ অৱস্থা অতি ভয়ানক আছিল। বাঘ, সিংহ আদিক লোহাৰ পিঞ্জৰাত ভৰাই থোৱাৰ দৰে চিলেট

জেলত ১৮২ জন ৰাজবন্দীক লোহাৰ পিঞ্জৰাৰ ভিতৰত কপাট মাৰি ৰখা হৈছিল। চিলেট জেলত নাথে লগ পোৱা কেইজনমান ৰাজবন্দী আছিল—শিবেন্দ্ৰ নাথ বিশ্বাস, দ্বাৰিকা গোস্বামী, কেদাৰ নাথ ভট্টাচাৰ্য্য, যতীন দেৱ, অবলাকান্ত গোস্বামী, ৰাকেশ সোম, দিগেন্দ্ৰ ভট্টাচাৰ্য্য, হৰেন্দ্ৰ নাৰায়ণ চৌধুৰী। চিলেট জেলত খগেন্দ্ৰ নাথ সাত মাহ আছিল। এনেতে "গান্ধী—আৰউইন" চুক্তি সম্পাদিত হোৱাত সকলো ৰাজবন্দী খালাচ পালে আৰু খগেন্দ্ৰ নাথেও মুক্তি পাই গোৱালপাৰালৈ আহিল। চিলেট জেলৰ পৰা ওলাই অহাৰ পিছত ৰাজবন্দী সকলক শঙ্খধ্বনি, বন্দেমাতৰম ধ্বনিৰে অভূতপূৰ্ব সম্বৰ্দ্ধনা জনোৱা হৈছিল আৰু তিৰোতা সকলে তেখেত সকলৰ মূৰত ধান, দুবৰি ছটিয়াই আৰু কপালত চন্দনৰ তিলক দি আশীৰ্বাদ কৰিছিল। খগেন্দ্ৰ নাথৰ ভাষাত, "মোৰ জীৱনত এনেকুৱা শুভক্ষণ আৰু কেতিয়াও অহা নাই"।

"গান্ধী-আৰউইন চুক্তি" অনুসৰি ইংৰাজ চৰকাৰে কাম নকৰাত পুনৰ আন্দোলন আৰম্ভ হ'ল আৰু বহুতে গ্ৰেপ্তাৰ বৰণ কৰিব লগীয়া হ'ল। ১৯৩২ চনত সৰোজিনী নাইডু কংগ্ৰেছৰ সভানেত্ৰী হৈয়েই আন এটি বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল। নাইডুয়ে কংগ্ৰেছ-কৰ্মী সকলক "জাতীয় সপ্তাহ" পালনৰ হুকুম দিছিল। জাতীয় সপ্তাহৰ কাৰ্যসূচী আছিল তিনি দফীয়া—

১) বিলাতী কাপোৰ বিক্ৰি নকৰিবলৈ ব্যৱসায়ী সকলৰ পৰা প্ৰতিজ্ঞা পত্ৰত চহী সংগ্ৰহ কৰা;

২) চেনি ত্যাগ কৰা আৰু গুৰ প্ৰচলন কৰা;

৩) মহিলাসকলৰ দ্বাৰাই বিক্ষোভ প্ৰদৰ্শনমূলক শোভাযাত্ৰা কৰা।

১৯৩৭ চনৰ ১৩ এপ্ৰিলৰ দিনটো সমগ্ৰ দেশতে 'জালিয়ান-ৱালাবাগ দিবস' হিচাপে পালন কৰা হৈছিল। গোৱালপাৰা জিলাতো যোগেন্দ্ৰ নাথ আৰু খগেন্দ্ৰ নাথৰ নেতৃত্বত কেবা হাজাৰো

জনতাই ১৪৪ ধাৰা আইন ভঙ্গ কৰি সমদল, শোভাযাত্ৰা উলিয়াই সভা-সমিতি পাতি জ্বলোন্দীপ্ত বক্তৃতা দিছিল। ফলত, গধূলি খগেন্দ্ৰ নাথক কংগ্ৰেছ কাৰ্যালয়ৰ পৰা গ্ৰেপ্তাৰ কৰি নিয়ে আৰু বহুতো সত্যাগ্ৰহীক এখন ডাঙৰ নাওঁত ভৰাই নি ব্ৰহ্মপুত্ৰৰ পাৰৰ বালিচৰ এটাত নিৰ্মমভাবে এৰি দি আছে। বিচাৰত যোগেন্দ্ৰ নাথ আৰু খগেন্দ্ৰ নাথৰ ক্ৰমে ছমাহ আৰু সাত মাহ জেল হয়। তেওঁলোকক গুৱাহাটীৰ জেলত ৰখা হৈছিল।

সেইবাৰ গুৱাহাটী জেলত তেওঁলোকৰ লগত নবীনচন্দ্ৰ বৰদলৈ, ডাঃ ভুবনেশ্বৰ বৰুৱা, মহেন্দ্ৰ মোহন চৌধুৰী, লক্ষ্মীধৰ বৰা, ৰজনীকান্ত গোস্বামীকো ৰখা হৈছিল। তাত জেল কৰ্তৃপক্ষই ৰাজনৈতিক বন্দী সকলক বেয়া ব্যৱহাৰ কৰাত কৰ্মবীৰ প্ৰমুখ্য নেতা সকলে ঘোৰ প্ৰতিবাদ জনোৱাত বৰদলৈ আৰু ডাঃ বৰুৱাক চিলেট জেললৈ, লক্ষ্মীধৰ বৰাক তেজপুৰ জেললৈ, মহেন্দ্ৰমোহন চৌধুৰী আৰু খগেন্দ্ৰ নাথক যোৰহাট জেললৈ বদলি কৰে। সাত মাহৰ অন্তত মুক্তি লাভ কৰি নগাৱঁলৈ আহি নগাওঁ কংগ্ৰেছৰ কৰ্ণধাৰ হলধৰ ভূঞাদেৱৰ ঘৰত কিছুদিন জিৰণি লৈ নাথ গোৱাল-পাৰালৈ যায়।

১৩ এপ্ৰিলৰ সত্যাগ্ৰহত খগেন্দ্ৰ নাথৰ ভাতৃ ছানাকো গ্ৰেপ্তাৰ কৰি চাৰি মাহ জেলত ৰাখি এৰি দিয়ে। কগ্ন অৱস্থাত জেলৰ পৰা ওলাই আহি বিনা চিকিৎসাত ছানাৰ মৃত্যু হয়। খগেন্দ্ৰ নাথে জেলৰপৰা ওলাই আহি ছানাৰ শোকাবহ মৃত্যুৰ সংবাদ পাই শোক আৰু ক্ষোভত জৰ্জৰিত হৈ লিখিছে, "গোৱালপাৰা চহৰৰ বহুতো আত্মীয়, বহুতো বন্ধুৰ মাজত থাকিও ৺ছানাৰ শুশ্ৰূষা কৰিবলৈ কোনেও আগবাঢ়ি নাহিল। এক প্ৰকাৰ বিনা চিকিৎসাতে ৺ছানাই ইহলীলা সম্বৰণ কৰে। ....। যি সমাজৰ মঙ্গলৰ বাবে মই আৰু মোৰ সৰু ভাই ইমান কষ্ট নিৰ্যাতনৰ মাজতে ত্যাগ স্বীকাৰ কৰিছিলো, সেই সমাজৰ পৰা

এনে ধৰণৰ ব্যৱহাৰ পোৱাত মই ক্ষুব্ধ আৰু ক্ৰুদ্ধ হৈছিলোঁ। গোটেই অঞ্চলটো বিদ্ৰোহীৰ খিকাৰত আন্দোলিত হৈ উঠিছিল।”

জেলৰ পৰা ঘূৰি আহি ১৯৩৩ চনত মহাত্মা গান্ধীয়ে আহ্বান দিয়া “গাওঁলৈ উভতি যোৱা” (Back to the village) আন্দোলনত খগেন্দ্ৰ নাথ জপিয়াই পৰিছিল। আন্দোলনৰ প্ৰচাৰ কাৰ্য লৈ আহি মহাত্মা গান্ধী অসমলৈ পোনে পোনে তেজপুৰত উপস্থিত হয়। তেজপুৰৰ পৰা জাহাজেৰে আহি গুৱাহাটীৰ ডাঃ হৰিকৃষ্ণ দাসৰ ঘৰত মহাত্মা গান্ধী আছিল। মহাত্মা গান্ধীয়ে জজ খেল পথাৰত ভাষণ দি থাকোঁতে পোক-পৰুৱাই মহাত্মা গান্ধীক আমনি কৰাত নাথে ভাষণৰ গোটেই সময়ছোৱা কমালেৰে পোকবোৰ খেদি আছিল। গান্ধীয়ে হিন্দীত দিয়া বক্তৃতা তৰুণৰাম ফুকনে অসমীয়ালৈ লগে লগে তৰ্জমা কৰি দি আছিল। হৰিজন আন্দোলনৰ এই সভাত শ্ৰীশ্ৰীগড়মূৰীয়া সত্ৰাধিকাৰো উপস্থিত আছিল।

১৯৩৩ চনত খেতিৰ উৎপন্ন বস্তুৰ দাম অভাৱনীয় ৰূপে নিম্নগামী হোৱাত খেতিয়ক ৰাইজৰ মাজত আৰ্থিক সংকটে দেখা দিছিল। খগেন্দ্ৰ নাথে দিয়া বস্তুৰ দাম-দৰৰ তালিকাৰ কিয়দাংশ দিয়া হ’ল। ধানৰ মোণে বাৰ অনাৰ (·৭৫ পইচা) পৰা এটকা, চাউলৰ সেৰে দুই পইচা (·০৩ পইচা), সৰিয়হ তেল প্ৰতিসেৰে পাঁচ অনা (·৩০ পইচা), সৰিয়হৰ মোণে দুটকাৰ পৰা আঢ়ৈ টকা (২·০০ পৰা ২·৫০) মৰাপাটৰ মোণে বাৰ অনাৰ পৰা ডেৰ টকা (·৭৫ পৰা ১·৫০) চেনিৰ সেৰে (লালটো) চাৰে তিনি অনা (·২০ পইচা) আৰু বগাটো চাৰি অনা (·২৫ পইচা)। টিন পাতৰ বাণ্ডিল ওঠৰ টকা। সোণৰ তোলাই বাৰ টকাৰ পৰা পোন্ধৰ টকা। এজন মানুহে তিনি টকাৰে মাহটো মাছে-ভাতে খাই কটাব পাৰিছিল। সেই সময়ত শালি-খেতি হোৱা ভাল মাটিৰ দাম প্ৰতি বিঘাত মাত্ৰ দহ টকা আছিল।

১৯৩৪ চনৰ ডিচেম্বৰ মাহত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সোণালী

জয়ন্তী উৎসৱ যোগেন্দ্ৰ নাথ আৰু খগেন্দ্ৰ নাথৰ নেতৃত্বত গোৱালপাৰা জিলাতো ডাঙৰকৈ পতা হৈছিল। সেই সভাত কৰ্মবীৰে তেজোদ্দীপক বক্তৃতা দি "স্বৰাজ আমাৰ জন্মস্বত্ব" বাণীৰে জনগণক উদ্বোদ্ধ কৰিছিল।

১৯৩৪ চনত গোৱালপাৰা জিলাত কৃষক সম্মিলন পতা হয়। সম্মিলনখন খগেন্দ্ৰ নাথৰ অক্লান্ত পৰিশ্ৰমৰ ফলত কৃতকাৰ্য হয়। গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত পতা কৃষক সভাত ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, ফখ্‌ৰুদ্দিন আলি আহমদ, গোপীনাথ বৰদলৈ আদিয়ে পৌৰোহিত্য কৰিছিল।

১৯৩৭ চনত পণ্ডিত জৱহৰলাল নেহেৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাপতিৰূপে অসমলৈ আহোঁতে খগেন্দ্ৰ নাথৰ নেৰানেপেৰা চেষ্টাত গোৱালপাৰা জিলালৈকো যায়। গোৱালপৰীয়া ৰাইজে অভূতপূৰ্ব সম্বৰ্দ্ধনা জনোৱাৰ উপৰিও এহেজাৰ এশ টকা পণ্ডিতজীক উপহাৰ স্বৰূপে দিয়ে। নেহেৰুৰ লগতে বিষ্ণুৰাম মেধী, গোপীনাথ বৰদলৈ, অমিয়কুমাৰ দাস, ডাঃ হৰিকৃষ্ণ দাস, শ্ৰীমতী অমলপ্ৰভা দাস, ডাঃ ভুৱনেশ্বৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা আৰু বেলিৰাম দাসো সভাত উপস্থিত আছিল।

ইতিমধ্যে সুভাস চন্দ্ৰ বসুৰ মধ্যস্থতাত গোপীনাথ বৰদলৈৰ দলপতিত্বত অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠিত হয়। এনেতে দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত মহাত্মা গান্ধীৰ নিৰ্দেশানুক্ৰমে ইংৰাজে প্ৰস্তুতি চলোৱা 'সাম্ৰাজ্যবাদী যুদ্ধ'ৰ প্ৰতিবাদ জনাই সকলোবোৰ ৰাজ্যতে কংগ্ৰেছ মন্ত্ৰী সভাই পদত্যাগ কৰি ব্যক্তিগত সত্যাগ্ৰহত যোগ দিয়ে। গোৱালপাৰা জিলাত ব্যক্তিগত সত্যাগ্ৰহত যোগ দি যোগেন্দ্ৰ নাথ আৰু পৰমানন্দ দাসে গ্ৰেপ্তাৰ বৰণ কৰে।

১৯৪০ চনত বিশ্বজুৰি দ্বিতীয় মহাসমৰৰ দলদোপ্‌ হেন্দোল দোপ্‌ লগাত জাপানে অসমৰ পূব-সীমান্তত আক্ৰমণ চলায়। এই সঙ্কট কালত অসম কংগ্ৰেছৰ সভাপতি মৌলানা মহম্মদ তৈয়বউল্লাই

"শান্তি সেনা" বাহিনী গঠন কৰি বাহিনী পৰিচালনাৰ দায়িত্ব খগেন্দ্ৰ নাথৰ ওপৰত অৰ্পণ কৰিছিল। অসমৰ প্ৰথম 'শান্তি সেনা' শিবিৰ ধুপধৰাৰ কোঠাকুঠিত পতা হৈছিল আৰু তাত তৈয়বউল্লা আৰু গোপীনাথ বৰদলৈ ক্ৰমে সভাপতি আৰু উদ্বোধক ৰূপে যোগদান কৰিছিল। 'শান্তি সেনা' বাহিনী আশাতীতভাৱে কৃতকাৰ্য দেখুৱাত বৰদলৈ আৰু ডাঃ ভুৱনেশ্বৰ বৰুৱাই বিশেষ সন্তোষ প্ৰকাশ কৰি গোৱালপাৰাৰ শান্তি সেনা বাহিনীটোক শ্ৰেষ্ঠ বাহিনী বুলি অভিহিত কৰে।

১৯৪২ চনৰ ৯ আগষ্ট তাৰিখে বোম্বেত বহা ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাত গান্ধীজীয়ে আগবঢ়োৱা "ভাৰত ত্যাগ" প্ৰস্তাৱ গৃহীত হোৱাৰ লগে লগে দেশজুৰি এটি অভাৱনীয় অৱস্থাৰ সৃষ্টি হয়। দেশৰ সকলোবোৰ আগশাৰীৰ নেতাক গ্ৰেপ্তাৰ কৰা হয়। অধিবেশনৰ পৰা উভটি অহাৰ পথত ধুবুৰীত বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাকো গ্ৰেপ্তাৰ কৰে।

যোগেন্দ্ৰ নাথ আৰু খগেন্দ্ৰ নাথৰ নেতৃত্বত গোৱালপাৰা জিলাই 'ভাৰত ত্যাগ' আন্দোলনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। ফলত খগেন্দ্ৰ নাথ আৰু যোগেন্দ্ৰ নাথকো গ্ৰেপ্তাৰ কৰে। খগেন্দ্ৰ নাথক কিছুদিন জেল হাজতত ৰাখি এৰি দিয়ে আৰু যোগেন্দ্ৰ নাথক এবছৰৰ কাৰাবাসৰ হুকুম দি তেজপুৰ জেললৈ চালান দিয়ে।

১৯৪৩ চনৰ শেষ ভাগৰ পৰা আন্দোলনে ক্ৰমে শাম কাটিবলৈ ধৰাত প্ৰায়বোৰ ৰাজনৈতিক বন্দীয়ে মুক্তি লাভ কৰে। এনেতে গোপীনাথ বৰদলৈৰ উদ্যোগত গোৱালপাৰাৰ 'অসম ক্লাব'ত 'কংগ্ৰেছ কৰ্ম-পৰিষদ' গঠন কৰি খগেন্দ্ৰ নাথক পৰিষদৰ সভাপতি পতা হ'ল। এনেতে ১৯৪৪ চনত পণ্ডিত জৱহৰলাল নেহেৰু অসম ভ্ৰমণৰ উদ্দেশ্যে আহোঁতে তেতিয়াৰ গোৱালপাৰা জিলাৰ কোকৰাঝাৰ, বিলাসীপাৰা, চাপৰ, অভয়াপুৰী আদিলৈকো যায়। নাথৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰত্যেকখন সভাতে নেহেৰুক বিপুল সম্বৰ্দ্ধনা জনোৱা হৈছিল।

১৯৪৫ চনত মহাত্মা গান্ধী পুনৰবাৰ অসমলৈ অহাত খগেন্দ্ৰ নাথৰ নেৰামেপেৰা চেষ্টাৰ ফলত গান্ধীজীয়ে প্ৰথম বাৰৰ কাৰণে গোৱালপাৰা জিলাত পদাৰ্পণ কৰে। নাথৰ এই চেষ্টা সফল কৰাত মহেন্দ্ৰমোহন চৌধুৰী, ডাঃ জ্যোতিষ দাস, ৰবীন নবিস প্ৰভৃতিয়ে কিদৰে সহায় কৰিছিল নাথে তাক কৃতজ্ঞতাৰে সোঁৱৰণ কৰিছে।

মহাত্মা গান্ধী অসম এৰি যোৱাৰ পিছতে গোৱালপাৰা জিলাত কংগ্ৰেছ কমিটিৰ নিৰ্বাচন হয়, আৰু নাথ তাৰ সভাপতি নিৰ্বাচিত হয়। তেতিয়াৰপৰা ১৯৫২ চনলৈকে খগেন্দ্ৰ নাথ গোৱালপাৰা জিলাৰ অবিসম্বাদী কংগ্ৰেছ নেতা আৰু জিলা কংগ্ৰেছ কমিটিৰ সভাপতি।

১৯৪৬ চনত অনুষ্ঠিত হোৱা কেবিনেট মিশ্যন আঁচনি অনুসৰি দেশ বিভাজন হোৱাত অসমক পশ্চিম বঙ্গৰ লগত জাপি দিবলৈ ওলোৱাত সমগ্ৰ অসমতে তীব্ৰ আন্দোলন আৰম্ভ হয়। তেতিয়া ভাৰতৰ মুৰব্বী নেতা সকলক সাক্ষাৎ কৰি এই মৰো-জিওঁ সংকট অৱস্থাৰ পৰা অসমক ৰক্ষা কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কেবাটিও সজাতি দল গঠন কৰা হয়। তাৰে এটা দলত আছিল অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি মহম্মদ তৈয়াবুল্লা, দেৱেশ্বৰ শৰ্মা, বিজয় চন্দ্ৰ ভাগৱতী, পুষ্পলতা দাস, হৰেশ্বৰ গোস্বামী, মহেন্দ্ৰ নাথ হাজৰিকা, বৈদ্যনাথ মুখাৰ্জী, নিকলস্ ৰয়, গোলোক চন্দ্ৰ পাঠক আৰু খগেন্দ্ৰ নাথ নাথ।

দ্বিতীয় উল্লেখযোগ্য সংকট আহিছিল যেতিয়া মুছলিম্ লিগে গোৱালপাৰা জিলাখনক পাকিস্তানৰ লগত ভুক্ত কৰিবলৈ দাবী তুলিছিল। তেতিয়া গোৱালপাৰা জিলাত খগেন্দ্ৰ নাথৰ নেতৃত্বত এই দাবীৰ বিপক্ষে ঘোৰ প্ৰতিবাদ জনোৱা হৈছিল। যি কি নহওক এই সংকটৰ পৰা গোৱালপাৰাক ৰক্ষা কৰিবলৈ মহম্মদ তৈয়াবুল্লা, ফখ্‌ৰুদ্দিন আলি আহমদ, শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী, আস্‌ৰফ আলি, নীলমনি ফুকন, গোপীনাথ বৰদলৈ, খগেন্দ্ৰনাথ নাথ, শৰৎ

চন্দ্ৰ সিংহ প্ৰমুখ্যে কেবাজনো প্ৰাদেশিক কংগ্ৰেছ নেতাৰ চেষ্টাত গোৱালপাৰা অসমৰ অবিচ্ছেদ্য অঙ্গ হৈ ৰ'ল।

চাওঁতে চাওঁতে ১৯৪৭ চনৰ ঐতিহাসিক পোন্ধৰ আগষ্টৰ দিনটো ওচৰ চাপি আহিল। ১৪ আগষ্টৰ নিশা 'পাকিস্তান' আৰু ১৫ আগষ্টৰ দিনা 'ভাৰতবৰ্ষ' নামৰ দুখন স্বাধীন ৰাষ্ট্ৰৰ জন্ম হ'ল। ইংৰাজে দেশ লোৱাৰ প্ৰায় দুশ বছৰ পাছত, অৰ্দ্ধ শতাব্দীৰো অধিক কাল নিৰবচ্ছিন্নভাৱে যুঁজি বহু আকাংক্ষীত স্বাধীনতা লাভ কৰিলে যদিও বৃটিছ কুটনীতিবিদ্ সকলৰ ষড়যন্ত্ৰৰ ফলত ভাৰতবৰ্ষ দ্বিখণ্ডিত হ'ল —'ভাৰত' আৰু 'পাকিস্তান'। ভাৰতৰ সুনীল গগনত গেৰুৱা-বগা-সেউজীয়া, অশোক চক্ৰেৰে সুশোভিত ত্ৰিৰঙ্গ পতাকা সগৌৰৱে উৰিবলৈ ধৰিলে। গোৱালপাৰা জিলাৰ চৰকাৰী হাইস্কুলৰ প্ৰাঙ্গনত, হেজাৰ-বিজাৰ জনসমুদ্ৰৰ বিজয় হুঙ্কাৰ, উৰুলিৰ ধ্বনি আৰু একত্ৰিশটা বৰতোপৰ গগন বিদিৰ্ণ কৰা শব্দৰ মাজত খগেন্দ্ৰ নাথ নাথে বহু কষ্টোপাৰ্জিত জীৱনৰ চৰম প্ৰাপ্তি লাভ কৰি স্বাধীনতাৰ ত্ৰিৰঙ্গ পতাকা উল্লাসেৰে উত্তোলন কৰিলে। ধন্য হ'ল ভাৰতমাতৃ, ধন্য হ'ল অসমমাতৃ, সাৰ্থক হ'ল খগেন্দ্ৰনাথ নাথৰ তেজেৰে লিখা মাতৃভূমিক মুক্ত কৰাৰ পণ।

আদৰ্শ পুৰুষ কামেশ্বৰ দাস

অবিভক্ত কামৰূপ আৰু বৰ্ত্তমানৰ বৰপেটা জিলাৰ বজালী অঞ্চলটো শিক্ষা, সংস্কৃতি তথা ৰাজনৈতিক জাগৰণৰ ক্ষেত্ৰত অসমৰ ভিতৰতে এখন লেখত লবলগীয়া ঠাই। ভাৰতৰ স্বাধীনতা আন্দোলনতো বৰপেটা-বজালী অঞ্চলৰ ভালেমান ব্যক্তিয়ে বিশিষ্ট অৱদান আগবঢ়োৱাৰ উপৰিও ১৯৪২ চনৰ ইংৰাজৰ ভাৰত ত্যাগ আন্দোলনৰ দাবীত বজালী হাইস্কুলৰ ছাত্ৰ মদন চন্দ্ৰ বৰ্মন আৰু সাদেৰি গাৱঁৰ যুৱক ৰাউতৰাম কোঁচে বীৰ শ্বহীদ হোৱাৰ গৌৰৱ অৰ্জন কৰিছে।

এই অঞ্চলৰ মুক্তি যোদ্ধা সকলৰ ভিতৰত সৰ্বপ্ৰথমে কামেশ্বৰ দাসৰ নাম উল্লেখ কৰিব লাগিব। তেখেতৰ পিছতে বজালীৰ সিংহী তথা অসমৰ নাৰীমুক্তি আন্দোলনৰ পথ প্ৰদৰ্শিকা চন্দ্ৰপ্ৰভা শইকীয়ানী, মহেন্দ্ৰমোহন চৌধুৰী, অক্ষয় কুমাৰ দাস, ধনীৰাম তালুকদাৰ, ডাঃ জিনাৰাম দাস, ৰজনীকান্ত দেৱচৌধুৰী, সৰ্বেশ্বৰ পাটগিৰি, দেবেন্দ্ৰ বিজয় সিংহ, ব্ৰজনাথ শৰ্মা, নৱদ্বীপ ৰঞ্জন পাটগিৰি, গোপীকান্ত ডেকা, গুণেশ্বৰ দাস, প্ৰিয়নাথ শৰ্মা, গৌৰীকান্ত লস্কৰ, ৰামনাথ শৰ্মা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

ৰাজনীতিৰ লগত সক্ৰিয়ভাৱে জড়িত নাথাকি বৰপেটা-বজালী অঞ্চলৰ শিক্ষা আৰু সামাজিক দিশত বিশিষ্ট অৱদান আগবঢ়োৱা ব্যক্তি কেইগৰাকীমান হ'ল—ডক্টৰ বাণীকান্ত কাকতী, ৰাধাকান্ত দাস, ভবানন্দ দত্ত, হৰেন্দ্ৰ নাথ শৰ্মা, চিদানন্দ দাস, ডাঃ ৰজনীপ্ৰভা দাস, সোনাপতি দেৱশৰ্মা, কেশৱ নাৰায়ণ দত্ত, কাশীনাথ দাস, ফটিক চন্দ্ৰ ডেকা, অধ্যাপক বিনয় ভূষণ চৌধুৰী, হৰিমোহন

তালুকদাৰ, জয়দেৱ শৰ্মা, ভৃগুপতি দত্ত, গৰ্গনাৰায়ণ শৰ্মা, ডাঃ দীননাথ শৰ্মা ('আৱাহনৰ সম্পাদক), অধ্যাপিকা নীলিমা দত্ত আদি।

'গো, পো, লো চিনা টান' বুলি অসমীয়াত এটি প্ৰৱাদবাক্য আছে। বহুতো লোকে অতি সাধাৰণ ঘৰত জন্মগ্ৰহণ কৰি, নানা দুখ-কষ্টৰ মাজেৰে ডাঙৰ দীঘল হৈ, শিক্ষা-দীক্ষা লাভ কৰি নিজৰ নাম, বংশৰ নাম, দেশৰ নাম উজ্জ্বল কৰে। তেনে এজন সাধাৰণ, নিম্নবিত্ত শ্ৰেণীৰ ঘৰৰ ল'ৰা কামেশ্বৰ দাস স্বকীয় প্ৰতিভা আৰু অধ্যৱসায়ৰ জৰিয়তে উদ্ভাষিত হৈ অকল অবিভক্ত কামৰূপ জিলাৰে নহয়, সমগ্ৰ অসমৰ বাবে গৌৰৱৰ স্থল হৈ আছে। কামেশ্বৰ দাসক সৰ্বজনে সম্মানসূচক "কামেশ্বৰ বাবু" বুলিহে সম্বোধন কৰিছিল।

কামেশ্বৰ দাসৰ শৈশৱকাল অতিকৈ বিচিত্ৰময়। ঈশ্বৰ প্ৰদত্ত মেধা শক্তি আৰু কোনো শুভ গ্ৰহৰ ফলতহে তেনে লোকৰ সৃষ্টি হয়। এখোজ পিছলিয়েই হয়তো হেজাৰজন অখ্যাত লোকৰ মাজৰ তেখেতো এজন হৈ পৰিলহেঁতেন!

কুৰি শতিকাৰ তৃতীয় দশকৰ পৰা ষষ্ঠ দশকৰ আগভাগলৈকে বৰপেটা অঞ্চলৰ দুজন ব্যক্তিৰ গুণ-গৰিমাই গোটেই অসম ৰজনজনাই গৈছিল। তাৰে এজন কামেশ্বৰ বাবু আৰু আনজন নিসন্দেহে ডক্টৰ বাণীকান্ত কাকতী। দুয়ো জনাৰে পিতৃ-মাতৃ অতিদুখীয়া আৰু শৈশৱকাল বৰ্ণনাতীত আছিল বুলি কলে অত্যুক্তি কৰা নহ'ব। তেতিয়াৰ দিনতো দুখীয়া ঘৰত ল'ৰা-ছোৱালীৰ জন্ম হ'লে অৰ্থা-ভাৱত আনকি জন্ম-পত্ৰিকা আদিও কৰা নহৈছিল। ফলত জন্মদিনৰ নিৰ্ভুল হিচাপ পোৱা নগৈছিল। 'কামেশ্বৰ বাবু'ৰো জন্ম-পত্ৰিকা বা সৌৰবৰ্ষীৰ অভাৱত কোন চনৰ কোন তাৰিখে জন্ম হৈছিল সঠিক কৰ পৰা হোৱা নাই। মাথো এইখিনিকে জনা যায় যে বজালীৰ অন্তৰ্গত বামাখাটা গাৱঁৰ এটি অতি দুখীয়া পৰিয়ালত 'কামেশ্বৰ বাবু'ৰ জন্ম তেখেতৰ পিতৃ-মাতৃ—বাণেশ্বৰ দাস আৰু ৰতিপ্ৰিয়া।

'কামেশ্বৰ বাবু'ৰ পিতৃ-মাতৃ আৰু আৰ্থিক দুৰৱস্থাৰ বিষয়ে এনেদৰে জনা যায়—"মাক-দেউতাক হোজা, সহজ-সৰল আৰু ধৰ্মপৰায়ণ আছিল। সম্বলহীন আৰু আৰ্থিক অনাটনৰ বাবে মাক-দেউতাকে ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ কথা ভাবিবই পৰা নাছিল। তাতে আকৌ গাৱঁলীয়া ঠাইত সেই সময়ত শিক্ষাৰ বাবে মুঠেই অনুকূল পৰিবেশ নাছিল। সৰু কালতে দেউতাক ঢুকুৱাত বিধবা মাকে সৰু সৰু ল'ৰা-ছোৱালীৰ ভৰণ-পোষণৰ বাবে আইন মানুহৰ ঘৰত খাটিব লগীয়া হৈছিল বাবে মাকে পুতেকহঁতৰ শিক্ষাৰ কথা ভাবিবই পৰা নাছিল। কিন্তু শিক্ষাৰ প্ৰতি থকা কামেশ্বৰ দাসৰ আগ্ৰহক কোনো বাধা-বিঘিনীয়ে ৰোধ কৰিব নোৱাৰাত দহবছৰ-মান বয়সত তেখেত প্ৰাথমিক স্কুলত ভৰ্ত্তি হয়। আনৰ গৰু ৰখি যি অলপ-অচৰপ পইচা পাইছিল তাৰেই মাকে নজনাকৈ ফলি-পুথি কিনি হাগুৰা গাওঁ প্ৰাইমাৰী স্কুলত পঢ়িবলৈ লয়।"

এইজনেই আছিল গৰখীয়া শিশু কামেশ্বৰ। মনত অদম্য হেপাঁহ, দেহত শক্তি আৰু কৰ্ম-মৰ্যাদাৰ প্ৰতি শ্ৰদ্ধা থাকিলে—অভাৱ অনাটন কোনো ব্যক্তিৰ উন্নতিৰ বাটত হেঙাৰ যে হৰ নোৱাৰে—সেই কথা কামেশ্বৰ বাবু আৰু বাণীকান্ত কাকতীয়ে নিজৰ জীৱনত ফলিয়াইছে। কামেশ্বৰ বাবুৰ মেধা শক্তি হেনো ইমানেই প্ৰখৰ আছিল যে ৰজা বিক্ৰমাদিত্যৰ নৱৰত্নৰ প্ৰথম ৰত্ন কালিদাসৰ দৰে যি কোনো কথা এটা এবাৰ শুনিলেই মনত স্থায়ীভাৱে ৰৈছিল। যাৰ শুভ পৰিণতি স্বৰূপে কামেশ্বৰ বাবু জীৱনৰ বেছিভাগ পৰীক্ষাতে প্ৰথম স্থান লাভ কৰিছিল। ছাত্ৰ দাসে ডাবোল প্ৰমোচন লৈ কম দিনৰ ভিতৰত প্ৰাইমাৰী শিক্ষা শেষ কৰি চৌখুটি মাইনৰ স্কুলত নাম ভৰ্ত্তি কৰি যথা সময়ত বৃত্তি সহ এম, ভি আৰু এম, ই পৰীক্ষাত উত্তীৰ্ণ হৈ বৰপেটা হাই-স্কুললৈ পঢ়িবলৈ যায়। এল, পি স্কুলত পঢ়া সময়ত স্কুলৰ প্ৰধান শিক্ষক সন্তৰাম চৌধুৰী আৰু এম, ইৰ প্ৰধান শিক্ষক পৰমানন্দ

দত্তচৌধুৰীৰ দাসৰ প্ৰতি থকা সহানুভূতি আৰু অপত্যস্নেহ বিশেষ উল্লেখযোগ্য। প্ৰকৃতপক্ষে সন্তৰাম চৌধুৰীয়েই কামেশ্বৰ দাসৰ জীৱনে গঢ়োতা আছিল।

কামেশ্বৰ বাবু হাইস্কুলত পঢ়ি থাকোঁতে হঠাৎ কলেৰা ৰোগৰ-দ্বাৰা আক্ৰান্ত হৈ মাতৃ আৰু বৌয়েকক হেৰুৱালে। কিন্তু এই নিচিনা কোনো দুৰ্যোগে কামেশ্বৰ দাসৰ মন বিচলিত কৰিব নোৱাৰিলে। প্ৰাইভেট টিউচন কৰি পোৱা সামান্য ধন আৰু মাজে-মধ্যে বন্ধুবান্ধৱৰ পৰা পোৱা আৰ্থিক সাহায্য লৈ পেট প্ৰবৰ্ত্তোৱাৰ লগতে অসীম ধৈৰ্যেৰে পঢ়া-শুনাও কৰি থাকিল। ১৯১০ চনত কলিকতা বিশ্ববিদ্যালয়ে এণ্ট্ৰেন্স পৰীক্ষা উঠাই দি প্ৰৱেশিকা পৰীক্ষা প্ৰবৰ্ত্তন কৰে। সেই বছৰতে কামেশ্বৰ বাবুয়ে প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগৰ উচ্চ স্থান লাভ কৰি প্ৰতিভামূলক বৃত্তি আৰু পদক লাভ কৰে। দাসৰ সহপাঠী ডক্টৰ বাণীকান্ত কাকতীও একেলগে প্ৰথম শ্ৰেণীৰ উচ্চস্থান লাভ কৰে। তাৰ পিছত কটন কলেজৰ পৰা আই, এছ, চি পৰীক্ষাতো প্ৰথম বিভাগৰ উচ্চস্থান লাভ কৰি প্ৰতিভামূলক বৃত্তি পায়। তাৰ পিছত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ১৯১৪ চনত অঙ্ক বিষয়ত অনাৰ্চত প্ৰথম শ্ৰেণীয় প্ৰথম স্থান লাভ কৰি বি, এছ, ছি পৰীক্ষা আৰু ১৯১৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অঙ্কশাস্ত্ৰত সোণৰ পদক সহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি অসম মাতৃৰ নাম উজ্জ্বল কৰে। স্মৰণযোগ্য যে, 'কামেশ্বৰ বাবুক' কলিকতা বিশ্ববিদ্যালয়ে ফলাফল ঘোষণা কৰোঁতে প্ৰথমে প্ৰথম স্থান দিয়া নাছিল। কামেশ্বৰ বাবুয়ে দৃঢ় বিশ্বাস কৰিছিল যে তেখেতে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাবই। শেষত ইংৰাজ অধ্যাপক এজনৰ সহায়ত প্ৰশ্নোত্তৰৰ বহী পুনৰ পৰীক্ষা কৰাই বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক সেও মনাই নিজৰ দৃঢ় বিশ্বাসক প্ৰতিয়মান কৰালে। কামেশ্বৰ বাবুৰ দৰে অসম মাতৃৰ বাবে এনে উচ্চ গৌৰৱ কঢ়িয়াই অনা ব্যক্তি নিচেই তাকৰ।

এম. এছ. ছি পাছ কৰিয়েই চৰকাৰৰ পৰা জলপানী লৈ কলি-কতা বিশ্ববিদ্যালয়তে তেখেতে গৱেষণা আৰম্ভ কৰিছিল। ইতিমধ্যে ৰেঙ্গুনৰ কলেজত তেখেতে অধ্যাপনা কৰাৰ বাবে আমন্ত্ৰণো পাইছিল। মহীশূৰৰ ৰজাইও মহীশূৰ কলেজত অধ্যাপনা কৰাৰ বাবে আমন্ত্ৰণ জনাইছিল। কিন্তু তেখেতে তাত যোৱাৰ ইচ্ছা নকৰিলে। অৱশ্যে সেই সময়ত ব্ৰহ্মদেশখন বৃটিছ ভাৰতবৰ্ষৰ অন্তৰ্ভুক্ত আছিল আৰু অসমৰ দৰে ব্ৰহ্মদেশৰ কলেজবোৰো কলিকতা বিশ্ববিদ্যালয়ৰ তলত আছিল। তেখেতে এম. এছ. ছি. পঢ়ি থাকোতে কলিকতাত আইনৰো ছাত্ৰ হৈ আছিল। এম. এছ. ছি পৰীক্ষাৰ পিছতে এল, এল. বি পৰীক্ষাও সুখ্যাতিৰে পাছ কৰে। তেখেত কেবা বছৰো ধৰি কলিকতাৰ 'মেথমেটিকেল ছোছাইটিৰ সদস্য আছিল। এম. এছ. ছি পাছ কৰাৰ পিছত কিছুদিনৰ বাবে তেখেতে টাটা ইণ্ডাষ্ট্ৰিয়েল বেঙ্কত কাম কৰিছিল। স্বাধীনমনা কামেশ্বৰ বাবুয়ে ইংৰাজ চৰ-কাৰৰ অধীনত চাকৰি কৰাৰ ইচ্ছা কৰা নাছিল, ইচ্ছা কৰা হ'লে অতি উচ্চ পদবীলৈ শক্তি, সম্ভ্ৰম আৰু আভিজাত্যেৰে এটি আৰম্বৰপূৰ্ণ জীৱন কটাব পাৰিলেহেঁতেন। কোৱা বাহুল্য যে চাৰ ছাদুল্লাৰ সৈতে যুটীয়াভাৱে কলিকতাত তেখেতে কিছুদিন মটৰ গাড়ীৰো ব্যৱসায় কৰিছিল। কিন্তু ব্যৱসায়ৰ নীতিবহিৰ্গত কিছুমান কথা তেখেতে ভাল নেপালে, বিশেষকৈ ড্ৰাইভাৰবোৰ সৎ নাছিল বাবে শেষত মটৰৰ ব্যৱসায় বাদ দি ঘৰলৈ ওভতি আহি বৰপেটা কছাৰীতে স্বাধীন আইন ব্যৱসায় আৰম্ভ কৰিলে। প্ৰখৰ বুদ্ধিৰ কামেশ্বৰ বাবুয়ে আইন ব্যৱসায়তো বিশেষ খ্যাতি লাভ কৰিছিল।

বৰপেটা-বজালী অঞ্চলত সেই সময়ত বিদ্যালয়, মহাবিদ্যালয় আদিৰ অভাৱ আছিল। উচ্চ শিক্ষিত ডেকা কামেশ্বৰ বাবুৰ উদ্যমত অঞ্চলটোত কেবাখনো উচ্চ মানবিশিষ্ট বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপন হয়। তেখেতৰ চেষ্টাতে সৰ্ব প্ৰথমে বজালী

হাইস্কুলৰ জন্ম হয় (১৯২৬)। প্ৰতিষ্ঠাৰ দিনধৰি বজালী হাইস্কুলে অসমৰ শিক্ষাৰ পথাৰত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। বৰ্ত্তমান বজালী হাইস্কুল উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়লৈ উন্নীত হৈ পূৰ্বৰ গৌৰৱ ৰক্ষা কৰি আহিছে। মন কৰিবগীলয়া যে বজালী হাইস্কুল আৰম্ভণিৰ পৰা ১৯৬২ চনলৈকে কামেশ্বৰ দাস স্কুল পৰিচালনা সমিতিৰ সুদক্ষ সভাপতি আছিল। সেইদৰে বজালী কলেজেও কামেশ্বৰ বাবুৰ শ্ৰীহস্তৰ পৰশ পাই অসমৰ ভিতৰতে এখন বাছকবনীয়া কলেজ হৈ উঠিছে। প্ৰকৃতপক্ষে কবলৈ গ'লে বজালী কলেজৰ তেখেত উদ্যোক্তা, প্ৰতিষ্ঠাতা আৰু অধ্যক্ষই নহয়, বজালী কলেজ তেখেতৰ কৰ্মবহুল জীৱনৰ কীৰ্ত্তিস্তম্ভ। বজালী কলেজ প্ৰতিষ্ঠাৰ পূৰ্বে কামেশ্বৰ বাবুৰ উদ্যোগ আৰু অধ্যক্ষতাত বৰপেটা মাধৱ চৌধুৰী কলেজৰ জন্ম হয়। কামেশ্বৰ বাবুৰ পিছত উপাধ্যক্ষ চিদানন্দ দাস কলেজৰ অধ্যক্ষ হয়। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয় উপ-পঞ্জীয়ক হিচাপে (পিছত পঞ্জীয়ক) যোগ দিয়াত ক্ৰমে গুণগোবিন্দ দত্ত আৰু ৰাধাকান্ত দাস অধ্যক্ষ হয়।

অসম লোকসেৱাৰ সভাপতিৰ পদৰ পৰা অৱসৰ লোৱাৰ পিছৰে পৰা অঞ্চলটোৰ শিক্ষা-সংস্কৃতিৰ উন্নয়নমূলক কামত দাস নিবিড়ভাৱে লাগি থাকে। তেখেতৰ তেনেবোৰ সমাজ হিতকৰ কামৰ সতীৰ্থ কেইগৰাকীমান আছিল ডাঃ জিনাৰাম দাস, সৰ্বানন্দ দাস, কাশীনাথ দাস, ধনীৰাম তালুকদাৰ, অক্ষয় কুমাৰ দাস, গোলোকচন্দ্ৰ পাঠক, সন্তৰাম চৌধুৰী, পূৰ্ণানন্দ চৌধুৰী, হেমচন্দ্ৰ চৌধুৰী, হৰগোবিন্দ পণ্ডিত, ধনেশ্বৰ মহাজন, বঞ্চিৰাম মহাজন, মণিকান্ত স্বৰ্গীয়াৰী, লক্ষ্মীকান্ত দাস, বিশ্বেশ্বৰ আগৰৱালা, গৌৰীকান্ত লহকৰ, মঃ হবিব শ্বাহ, মুকুন্দ পাটগিৰী, নৰনাৰায়ণ গোস্বামী আৰু ৰজনীকান্ত চৌধুৰী। স্বাধীনোত্তৰ বৰপেটা-বজালী অঞ্চলটোৰ শিক্ষা-সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ দিশত চিদানন্দ দাসৰ ভাতৃ

অসমৰ প্ৰাক্তন মুখ্য সচিব প্ৰয়াত ধৰ্মানন্দ দাস ডাঙৰীয়াৰ অৱদান স্বীকাৰ্য।

কামেশ্বৰ বাবুয়ে ব্যক্তি আৰু সমাজ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে সততা অৱলম্বন কৰিছিল। প্ৰকৃততে সেইটো তেখেতৰ চৰিত্ৰৰ প্ৰধান গুণ আছিল আৰু সেই গুণটোৱে তেখেতলৈ ৰাইজৰ অফুৰন্ত শ্ৰদ্ধা আৰু আস্থা কঢ়িয়াই আনিছিল। জীৱন কালত ইমানবোৰ শিক্ষানুষ্ঠান পতাৰ তেখেতৰ মূলধনো আছিল সেই সততাই। তাৰে এটি উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলো। ১৯৫৫ চনত ১৫ আগষ্টৰ দিনা পাঠশালা চহৰত কামেশ্বৰ বাবুৰ অধ্যক্ষতাত বজালী কলেজ আৰম্ভ হয়। ১৯৫৭ চনৰ জুলাই মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই বিশিষ্ট শিক্ষাবিদ্ দণ্ডেশ্বৰ গগৈ দেৱক কলেজ পৰিদৰ্শন কৰিবলৈ পঠালে। কলেজ পৰিদৰ্শনৰ সময়ত নিৰ্দিষ্ট ছাত্ৰ-ছাত্ৰীৰ সংখ্যাত (১০০)তকৈ ৬ জন ছাত্ৰ কম আছিল। পৰিচালনা সমিতিৰ দুই-একে এই সম্পৰ্কত কিবা এটা বুদ্ধি উলিওৱাৰ কথা কোৱাত দাসে দৃঢ়তাৰে ক'লে—"মই ভুল তথ্য দিব নোৱাৰো। যদি ৬ জন কম ছাত্ৰৰ বাবে কলেজে স্বীকৃতি নেপায় তথাপি ভুল তথ্য দেখুৱাব নোৱাৰো।" তেখেতৰ সততা আৰু দৃঢ়তাৰ বাবে ৬ জন ছাত্ৰ কম থকা সত্বেও সেই বছৰতে কলেজে স্বীকৃতি পালে। ১৯৫৯ চনত বিজ্ঞান শাখাও খোলা হ'ল। অত্যাধিক পৰিশ্ৰমৰ কাৰণেই বোধহয়, হঠাতে স্নায়বিক ৰোগৰদ্বাৰা আক্ৰান্ত হৈ ১৯৬২ চনৰ ২৩ ফেব্ৰুৱাৰী দিনা তেখেতে কলেজৰ পৰা অৱসৰ ললে আৰু ১৯৬৬ চনৰ পহিলা চেপ্তেম্বৰৰ দিনা দুজন পুত্ৰ আৰু দুজনী বিবাহিতা কন্যা এৰি থৈ তেখেতৰ পৰলোক প্ৰাপ্তি ঘটে।

কামেশ্বৰ বাবু বহুমুখী প্ৰতিভাসম্পন্ন এজন গুণী পুৰুষ আছিল। যি কামতে লাগিছিল তাক সম্পূৰ্ণ নকৰালৈকে তেখেতে নেৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনতো কামেশ্বৰ বাবুৰ উল্লেখযোগ্য

অৱদান আছে। স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছতে গুৱাহাটীৰ কটন কলেজত অন্ধৰ অধ্যাপক এজনৰ পদ খালী হৈছিল। আনকি সেই পদটোত নিযুক্তি লবলৈ চৰকাৰে তেখেতক আমন্ত্ৰণো জনাইছিল। সংগ্ৰামী মনৰ কামেশ্বৰ বাবুয়ে স্বাধীনভাৱে আইন ব্যৱসায়ত নামিল। তাৰ পিছতো পুনৰ দুবাৰ তেখেতক চৰকাৰী চাকৰি যচা হৈছিল, কিন্তু তেখেতে ইংৰাজ চৰকাৰৰ তলত চাকৰি কৰিবলৈ সন্মত নহল।

ওকালতি আৰম্ভ কৰাৰ কিছুদিনৰ পিছতে কামেশ্বৰ দাসে বৰতাৰীৰ মৌজাদাৰ পুষ্পৰাম চৌধুৰীৰ কন্যাক বিবাহ কৰায় আৰু স্থায়ীভাৱে বৰপেটাতে থাকিবলৈ লয়।

দাস ডাঙৰীয়া ভাৰতীয় কংগ্ৰেছ অনুষ্ঠানটোৰ এজন লেখত লবলগীয়া সক্ৰিয় কৰ্মী আছিল, পৰবৰ্তী কালৰ বৰপেটা-বজালী অঞ্চলৰ বহুতো কংগ্ৰেছ নেতাই তেখেতৰ শিষ্য-প্ৰশিষ্য হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। ১৯২১ চনত অসহযোগ আন্দোলনত জপিয়াই পৰি দাসে কাৰাবৰণ কৰে। আকৌ ১৯২৯ চনত ভাৰত-ব্যাপী চাইমন আয়োগৰ বিৰুদ্ধে আন্দোলন আৰম্ভ হোৱাত তেতিয়াও তেখেতে গুৱাহাটী জেলত কাৰাবৰণ কৰে আৰু তাত বিষ্ণুৰাম মেধী, দেবেন্দ্ৰ-নাথ উজীৰ আদিক লগ পায়। এনেতে ১৯৩১ চনত গান্ধী-আৰউইন চুক্তি সম্পাদিত হোৱাত জেলৰ পৰা খালাচ পালে। ১৯৩৯ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ সময়ত মহাত্মাগান্ধী নাইবা কোনো আগশাৰীৰ নেতাৰ লগত আলাপ-আলোচনা নকৰাকৈ ভাৰতীয় লোকক যুদ্ধত জড়িত কৰিবলৈ ওলোৱাত দেশজুৰি আন্দোলন আৰম্ভ হয়। ফলত ১৯৪০ চনত ভাৰতীয় মুখ্য নেতাবৰ্গক অন্তৰীণ বন্দী কৰি ৰাখে। পাঠশালা অঞ্চলত সত্যাগ্ৰহীৰ নেতৃত্ব লোৱা বাবে দাসকো গ্ৰেপ্তাৰ কৰি তিনিমাহ আটকবন্দী কৰি ৰাখে। ১৯৪২ চনৰ গণ আন্দোলনৰ সময়তো এবছৰতকৈও অধিক কাল তেখেতক অন্তৰীণ বন্দী কৰি ৰাখে আৰু যুদ্ধাৱসানৰ পিছত আন আন

ৰাজনৈতিক বন্দীৰ লগত তেখেতকো খালাচ দিয়ে। কামেশ্বৰ বাবুৰ ৰাজনৈতিক দৰ্শন সম্পূৰ্ণৰূপে গান্ধীবাদৰ ওপৰত প্ৰতিষ্ঠিত আছিল।

অসমৰ ৰাজনৈতিক ক্ষেত্ৰত কামেশ্বৰ বাবুয়ে বিশেষ স্থান লাভ কৰিছিল। ১৯২৬ আৰু ১৯২৯ চনত তেখেত দুবাৰো অসম লেজিচ্‌লেটিভ্‌ কাউন্সিললৈ সদস্য হিচাপে মনোনিত হয়। আকৌ ১৯৩৭ চনৰ পৰা ভাৰতবৰ্ষ স্বাধীন হোৱাৰ সময়লৈকে নিৰবছিন্ন-ভাৱে দহ বছৰ অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিছতে প্ৰতিখন ৰাজ্যতে লোকসেৱা আয়োগ স্থাপন হোৱাত অসম লোকসেৱা আয়োগৰ কামেশ্বৰ বাবুক প্ৰথম সভাপতি নিযুক্ত হয়। এইখিনিতে মন কৰিবলগীয়া যে সেই সময়ত অসমত ভালেমান ৰাজনৈতিক নেতা, উচ্চ শিক্ষিত লোক থকা সত্বেও সেই পদটিৰ বাবে নিস্বাৰ্থী, নিৰ্লোভী, সৎ চৰিত্ৰৱান ব্যক্তি বুলি বিবেচনা কৰি কামেশ্বৰ বাবুকহে নিৰ্বাচন কৰা হৈছিল। সেই নিৰ্বাচনত আন দুজন শুদ্ধ-সত্ব ব্যক্তিৰ হাত আছিল; সেইয়া আছিল লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু অসমপ্ৰাণ বিষ্ণুৰাম মেধী।

মানুহে ভাল কামেই কৰক বা বেয়া কামেই কৰক তেওঁ সমালোচনাৰ পৰা সম্পূৰ্ণ হাত সাৰিব নোৱাৰে। উদ্যোগী আৰু সংস্কাৰকামী ব্যক্তিয়ে লোকৰ কটু সমালোচনালৈ কেৰেপ নকৰি নিস্বাৰ্থভাৱে সম্মুখত উপস্থিত হোৱা কাম কৰি গৈ থাকে। যুগৰ ইতিহাস ৰচোঁতা সকলে তেওঁক কিদৰে অঙ্কিত কৰিব সেইবোৰৰ প্ৰতি তেওঁ ভ্ৰূক্ষেপ নকৰে। বৰপেটা-বজালী অঞ্চলটোৰ শিক্ষা, ৰাজনীতি, সমাজহিতকৰ—ইমানবোৰ কাম নিস্বাৰ্থভাৱে কৰিও কামেশ্বৰ বাবুয়ে এচাম লোকৰ লাঞ্ছনা-গঞ্জনাৰ পৰা ৰেহাই নেপালে। কামেশ্বৰ বাবুৰ সতীৰ্থ তথা ৰাজনৈতিক প্ৰিয় শিষ্য পৰবৰ্ত্তী-কালৰ অসমৰ মুখ্যমন্ত্ৰী আৰু পাঞ্জাৱৰ জনপ্ৰিয় ৰাজ্যপাল মহেন্দ্ৰ

মোহন চৌধুৰীৰ উক্তি এটিৰে প্ৰবন্ধৰ যৱনিকা পেলাব বিচৰা হৈছে।

"........১৯৩৬ চনৰ অসম বিধান সভাৰ নিৰ্ব্বাচনত স্বৰ্গীয় কামেশ্বৰ দাস দেৱে যে বিপুল ভোটাধিক্যত জয়লাভ কৰিছিল সেইটো উল্লেখ নকৰিলেও হব। তেখেতৰ নিৰ্ব্বাচনৰ সাফল্যৰ গৌৰৱৰ অধিকাৰী বজালীৰ ৰাইজ। স্বৰ্গীয় দাসৰ প্ৰচেষ্টাতে "বৰপেটা মাধৱ চৌধুৰী কলেজ"খনো প্ৰতিষ্ঠিত হৈছিল। সেই কলেজখন প্ৰতিষ্ঠা কৰোঁতে তেখেতে অশেষ পৰিশ্ৰম কৰাৰ উপৰিও বহুতো লাঞ্চনা-গঞ্জনাৰ সন্মুখীন হব লগীয়াত পৰিছিল।"



প্ৰখ্যাত আইনজীৱী জয়চন্দ্ৰ চৌধুৰী

অবিভক্ত কামৰূপ জিলাৰ উত্তৰ খণ্ড স্মৰণাতীত দিনৰে পৰা শিক্ষা, সংস্কৃতি, ৰাজনীতি, কৃষি-উদ্যোগ আদিৰ ক্ষেত্ৰত অসমৰ ভিতৰতে আগবঢ়া বুলি কলে অত্যুক্তি কৰা নহব যেন লাগে। উদাহৰণ স্বৰূপে এই অঞ্চলৰপৰা প্ৰখ্যাত ৰাজনীতিবিদ্—গোপীনাথ বৰদলৈ, নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধী, মহেন্দ্ৰ মোহন চৌধুৰী, সিদ্ধিনাথ শৰ্মা, গৌৰীকান্ত তালুকদাৰ, কামেশ্বৰ দাস, মুখ্য ন্যায়াধীশ হলিৰাম ডেকা, মহেন্দ্ৰচন্দ্ৰ পাঠক, ভম্বৰুধৰ পাঠক, বিশিষ্ট শিক্ষাবিদ—শৰৎচন্দ্ৰ গোস্বামী, চিদানন্দ দাস, ড° প্ৰসন্ন চন্দ্ৰ গোস্বামী, কবি-সাহিত্যিক, পণ্ডিত গৱেষক হিচাপে আনন্দৰাম বৰুৱা, মহামহোপধ্যায় ধীৰেশ্বৰ আচাৰ্য, ড° বাণীকান্ত কাকতি, কবিৰত্ন ৰঘুনাথ চৌধাৰী, কালিৰাম মেধী, মনোৰঞ্জন শাস্ত্ৰী, ত্ৰৈলোক্যনাথ গোস্বামী। অসমসাহিত্য সভাৰ কেবা গৰাকী কীৰ্ত্তিমান সভাপতি কালিৰাম মেধি, ৰঘুনাথ চৌধাৰী, ত্ৰৈলোক্যনাথ গোস্বামী, প্ৰসন্নলাল চৌধুৰী, অম্বিকাগিৰী ৰায়চৌধুৰী আৰু গিৰিধৰ শৰ্মাও এই অঞ্চলৰে অৱদান। চিকিৎসা মহা-বিদ্যালয়ৰ অধ্যক্ষ—ডাঃ মথুৰানাথ ভট্টাচাৰ্য, ডাঃ যোগেশ চন্দ্ৰ মহন্ত, ডাঃ দেৱীচৰণ চৌধুৰী, ডাঃ ব্ৰজমোহন গোস্বামী আদি। সেইদৰে—আই, চি, এছ ; আই, এ, এছ ; আই, পি, এছ; আই, আৰ, এছ বিষয়াও এই অঞ্চলটোৰপৰা ভালেমান ওলাইছে। প্ৰথম অসমীয়া মুখ্যসচিব ধৰ্মানন্দ দাসো এই অঞ্চলৰে গৌৰৱ। সংবাদ সেৱাৰ ক্ষেত্ৰতো বিশিষ্ট সাংবাদিক সাহিত্যিক সতীশচন্দ্ৰ কাকতী, নিৰুপমা বৰগোহাঁই, নিৰোদ চৌধুৰী, ৰবীন চৌধুৰী, প্ৰমুখ্যে ব্যক্তি সকলো এই অঞ্চলৰে গৌৰৱৰ স্থল। সেইদৰে প্ৰসিদ্ধ আইনসেৱী আৰু

মুক্তি যুঁজাৰুও এই অঞ্চলটোৰ পৰা যথেষ্ট পৰিমাণে ওলাইছে। এই দুটা দিশত প্ৰবন্ধত ইতিমধ্যে উল্লেখ কৰা সকলৰ বাহিৰেও ড° জগদীশ চন্দ্ৰ মেধি, জয়চন্দ্ৰ চৌধুৰী, তৰুণচন্দ্ৰ দাস, গৌৰীশঙ্কৰ ভট্টাচাৰ্য, পবিত্ৰ নাথ শৰ্মা, নৰনাৰায়ণ গোস্বামী, বাণীকিঙ্কৰ গোস্বামী, চণ্ডী লহকৰ, দিগম্বৰ কলিতা, হৰিশচন্দ্ৰ পাঠক, প্ৰতাপচন্দ্ৰ তালুকদাৰ, বিনোদ চন্দ্ৰ বৰুৱা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ছাত্ৰাৱস্থাৰে পৰা আমি এই সকলৰ ব্যক্তিৰ নাম শুনি আহিছিলো আৰু কালক্ৰমত সিসকলৰ বহুতৰে মৰম আৰু সান্নিধ্য সুখ লাভ কৰাৰ সৌভাগ্যও ঘটিছে।

তেনে এজন বিখ্যাত আইনজীৱী আৰু মুক্তি যুঁজাৰু আছিল গুৱাহাটীৰ আমবাৰীত স্থায়ীভাৱে বসতি স্থাপন কৰি গুৱাহাটী উচ্চ ন্যায়ালত কৃতিত্বৰে—তথা সত্যনিষ্ঠাৰে আইন ব্যৱসায়ৰ মূধচত আৰোহণ কৰা ব্যক্তি জয়চন্দ্ৰ চৌধুৰী। আমাৰ সময়ৰ অপৰাধী আইনৰ তিনিজন বিশিষ্ট অধিবক্তাৰ নাম কবলৈ হ'লে একে উশাহে বিষ্ণুৰাম মেধী, ড° জগদ্বীশ চন্দ্ৰ মেধি আৰু জয়চন্দ্ৰ চৌধুৰীৰ নাম কোনো দ্বিধা নোহোৱাকৈ ওলাই আহে।

এতিয়াৰ নলবাৰী জিলাৰ অন্তৰ্গত কৈঠালকুছি গাৱঁৰ এটি মধ্যবিত্ত খেতিয়ক পৰিয়ালত ১৮৯৮ চনৰ ২২ এপ্ৰিলৰ দিনা জয়চন্দ্ৰ চৌধুৰীৰ জন্ম হয়। ঈশ্বৰ পৰায়ণ পিতৃ ৺ৰাধানাথ চৌধুৰী আৰু মাতৃ আদেৰীপ্ৰিয়াৰ পূৰ্ণ প্ৰভাৱ চৌধুৰীৰ গাত পৰিছিল ; সেয়েহে আইন ব্যৱসায়ৰ মাজেদি ধৰ্মাধৰ্মৰ, সত্যাসত্যৰ ওপৰত নিৰ্ভৰশীল হৈ থাকি পৰম হিতবাদী, নিষ্ঠাৱান অধিবক্তা বুলি সমাজত স্বীকৃতি লাভ কৰিছিল।

চৌধুৰী শিশু অৱস্থাৰে পৰা তীক্ষবুদ্ধিৰ মেধাসম্পন্ন ছাত্ৰ আছিল। উপস্থিত বুদ্ধি আৰু স্মৃতি শক্তি ইমান প্ৰখৰ আছিল যে যি কোনো লোকে যুক্তিতৰ্ক বা বুদ্ধিৰ পৰীক্ষাত চৌধুৰীক পৰাজয় কৰিব নোৱাৰিছিল। চৌধুৰীৰ শিক্ষাজীৱন নদলা নিম্ন প্ৰাইমাৰী

বিদ্যালয়ত আৰম্ভ হয়। চৌধুৰীৰ জেঠাক জৰীপ বিভাগৰ বিষয়া আছিল আৰু চৌধুৰীৰ শিক্ষা-দীক্ষাৰ ভাৰ তেখেতেই লৈছিল। এনেতে জেঠাক যোৰহাটলৈ বদলি হোৱাত মাত্ৰ আঠ বছৰীয়া শিশু চৌধুৰীকো যোৰহাটলৈ নি তাতে বিদ্যালয়ত নাম ভৰ্ত্তি কৰি দিয়ে। তাৰ পিছত শিলচৰলৈ বদলি হোৱাত তালৈকে লৈ যায়। তাৰ পৰা নলবাৰীলৈ অহাত নলবাৰী মজলীয়া বিদ্যালয়ত নাম লগাই দিলে (১৯১৩)। সুখ্যাতিৰে মাইনাৰ পাছ কৰাৰ পিছত বৰপেটাৰ চৰকাৰী উচ্চ বিদ্যালয়ত নাম ভৰ্ত্তি কৰে। তাত তিনিটা শ্ৰেণী পঢ়াৰ পিছত ১৯১৬ চনত গুৱাহাটীলৈ আহে আৰু কটন কলেজিয়েট বিদ্যালয়ত পঢ়িবলৈ লয়। ১৯১৮ চনত তাৰ পৰা প্ৰথম বিভাগত প্ৰবেশিকা পৰীক্ষা পাছ কৰি কটন কলেজত বিজ্ঞান শাখাত নাম লিখে। আই, এছ, চি পাছ কৰি বি. এ. পঢ়িবলৈ লোৱাৰ সময়তে (১৯২১) দেশজুৰি অসহযোগ আন্দোলনৰ জুইকুৰা দপ্‌দপকৈ জ্বলি উঠাত চৌধুৰী আন্দোলনত জপিয়াই পৰে আৰু লোকমান্য তিলক ন্যাস পুঁজিৰ বাবে ধন সংগ্ৰহ কৰাত ব্যস্ত হৈ পৰে। এইদৰে কিছু-দিনৰ বাবে শিক্ষাৰ প্ৰতি পিঠি দি ৰাজনীতিত নিবিড়ভাৱে জড়িত হৈ পৰে আৰু মহাত্মা গান্ধীৰ ৰাজনৈতিক দৰ্শনৰ গ্ৰন্থসমূহ মনোযোগেৰে পঢ়ে। গভীৰ অধ্যয়নৰ পিছত ভাৰতবৰ্ষৰ স্বাধীনতা অৰ্জনৰ ক্ষেত্ৰত গান্ধীজী দেখুৱা পথেই যে প্ৰশস্ত পথ, সেইটো চৌধুৰী ভালদৰে উপলব্ধি কৰে।

১৯২২ চনত চৌৰিচৰাৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰখাত তাৰ পৰিপ্ৰেক্ষিতত গান্ধীজী প্ৰায় ছবছৰ কাল জেলত থাকিবলগীয়া হোৱাত বহুতো ছাত্ৰ, শিক্ষক আৰু আইনজীৱিয়ে পুনৰ নিজ নিজ কৰ্মক্ষেত্ৰত যোগ দিয়ে। কিন্তু চৌধুৰী পুনৰ কলেজলৈ ঘূৰি নাহি ডিব্ৰুগড়লৈ গৈ ৺চন্দ্ৰকুমাৰ আগৰৱালাদেৱ প্ৰতিষ্ঠিত "সাদিনীয়া অসমীয়া"ত সহকাৰী সম্পাদক ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। এনেতে ছবছৰ আঠ মাহ

পঢ়িলে বি. এ. পৰীক্ষা দিয়াৰ সুবিধা পাব বুলি জাননী এখন ওলোৱাত তেখেতে প্ৰাইভেটে বি. এ. পৰীক্ষা দিয়াৰ কাৰণে প্ৰস্তুতি চলায় থাকে। "সাদিনীয়া অসমীয়া"ৰ পৰা ওলাই আহি অলপ দিনৰ কাৰণে 'আসাম ভেলি লাইট হাউচ'ত কাৰ্যালয় সহকাৰী কাম কৰিছিল। এনেতে তেখেতে বিচাৰি থকা মতেই সুবিধা এটি সম্মুখত উপস্থিত হ'ল আৰু ১৯২৩ চনৰ জানুৱাৰী মাহত গুৱালকুছি মজলীয়া বিদ্যালয়ত মাহে ত্ৰিকুৰি টকা বেতনত প্ৰধান শিক্ষকৰ কামত নিযুক্ত হ'ল। ২ বছৰ আঠ মাহ শিক্ষকতা কৰাৰ লগে লগে বি. এ. পৰীক্ষাত বহাৰ অৰ্হতা পায় আৰু ১৯২৬ চনত প্ৰাইভেট পৰীক্ষা দি ডিচ্‌টিংচন সহ বি. এ পাছ কৰিলে।

সেই সময়ত ইংৰাজ প্ৰশাসক সকলে মেধাবী ছাত্ৰক নানা প্ৰকাৰে প্ৰলোভন দেখুৱাই উচ্চ চাকৰি আদি দি তেওঁলোকক নিজৰ বহতীয়া কৰি ৰখাৰ চেষ্টা কৰিছিল। স্মল চাহাবে চৌধুৰীক স্কুল বিভাগৰ উচ্চ চাকৰি এটা যাচিছিল যদিও স্বাধীনচেতা চৌধুৰীয়ে স্বাধীন আইন ব্যৱসায় কৰাৰ ইচ্ছা প্ৰকাশ কৰি গুৱাহাটীৰ আৰ্ল কলেজত আইনৰ ছাত্ৰ হিচাপে যোগ দিলে। তাতো তেখেতে শান্তিৰে পঢ়াশুনা কৰিব নোৱাৰিলে। আইনৰ ছাত্ৰই এজন অভিজ্ঞ অধিবক্তাৰ তলত এবছৰ কাম কৰাৰ চৰ্ত নিৰূপিত কৰাত চৌধুৰী তাৰ ঘোৰ প্ৰতিবাদ জনালে। সিমানেই নহয়, উচ্চ শিৰ নত নকৰা চৌধুৰী আইন শিক্ষাৰ এই বাধ্যবাধকতাৰ পৰা ওলাই আহি ১৯২৭ চনত নলবাৰী গৰ্ডন হাইস্কুলত শিক্ষক ৰূপে নিযুক্তি গ্ৰহণ কৰিলে। ইতিমধ্যে আইনৰ ছাত্ৰৰ ওপৰত থকা উক্ত বাধ্যতামূলক ব্যৱস্থা ৰহিত হোৱাত চৌধুৰী পুনৰ আইন কলেজলৈ ঘূৰি আহিল ১৯২৮ চনত প্ৰথম পৰ্যায়ৰ পৰীক্ষা (প্ৰিলিমিনাৰী) দি কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰিলে। ১৯২৯ চনত আইনৰ শেষ পৰীক্ষাত বিশেষ খ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটীত ওকালতি আৰম্ভ কৰে। তেখেতে প্ৰথমে দেৱানী উকীল হিচাপে আইন জীৱনৰ

পাতনি মেলিছিল যদিও পিছৰ ফালে ফৌজদাৰী উকীল হিচাপেহে জনাজাত হৈ পৰে। ওকালতি জীৱনত চৌধুৰীয়ে পালন কৰা সততা, নিয়মানুবৰ্ত্তিতা, ন্যায়োনিষ্ঠতা প্ৰতিজন আইন ব্যৱসায়ীৰে মূলধন হোৱাটো প্ৰয়োজন, তেতিয়াহলেহে উচ্চ-নীচ, ধনী-দুখী সকলোৱে আইনৰ সুবিচাৰ পাব, দেশ সুস্থ-সবল হ'ব আৰু ভাৰতবৰ্ষৰ গণতন্ত্ৰ স্থায়ী আৰু সমৃদ্ধিশালী হ'ব, বহু কষ্টেৰে অৰ্জিত স্বাধীনতা সুৰক্ষিত হ'ব।

ক্ৰিমিনাল কেচ্, ৰিট্ পেটিচন কেচ্ আৰু চেচন্ কেচত চৌধুৰী অতি সিদ্ধহস্ত আছিল। সাক্ষীক জেৰা কৰাৰ ক্ষেত্ৰত ড° জগদ্দীশ চন্দ্ৰ মেধি আৰু জয়চন্দ্ৰ চৌধুৰীৰ সমপৰ্যায়ৰ উকীল খুব কমেই আছে। চৌধুৰী আইন ব্যৱসায়টোক এটা সেৱাৰ ধৰ্ম হিচাপেহে লৈছিল। ব্যৱসায়ৰ উচ্চ শিখৰত উঠাৰ পিছতেই তেখেতে আইন ব্যৱসায়ৰ পৰা অৱসৰ লৈ অধ্যয়নত মন দিয়ে আৰু ঘৰতে থাকি নাতি-নাতিনীহঁতক আদৰ্শ শিক্ষকৰ দৰে পঢ়া-শুনাত সহায় কৰিছিল।

চৌধুৰীৰ স্বদেশ প্ৰেমৰ কথা আগতে উল্লেখ কৰা হৈছে। অসহযোগ আন্দোলনৰ সময়ত বঙ্গদেশৰ চাৰণ কবি মুকুন্দ দাসে স্বাধীনতাৰ তেজোদ্দীপ্ত গান গাই দেশবাসীক উদ্বোদ্ধ কৰিছিল। তেওঁ গীতৰ লগতে নাট্যাভিনয় কৰি হেজাৰ বিজাৰ লোকক স্বাধীনতাৰ মন্ত্ৰেৰে 'দেশপাগল' কৰি তুলিছিল। মুকুন্দ দাসে তেওঁৰ যাত্ৰা-গানৰ দল লৈ অসমলৈকো আহিছিল। কংগ্ৰেছে নাগপুৰ অধিবেশনত লোৱা প্ৰস্তাৱ অনুসৰি দেশজুৰি ছাত্ৰসকলে স্কুল-কলেজ বৰ্জন কৰিছিল। ১৯২১ চনৰ ২ জানুৱাৰীৰ দিনা কটন কলেজৰ কিছুমান ছাত্ৰ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱক কাৰ্জন হললৈ (বৰ্তমানৰ নীবনচন্দ্ৰ বৰদলৈ হল) মাতি আনি আন্দোলনত যোগ দিয়া-নিদিয়া সম্পৰ্কে কিছু কথা সোধে। কিছুমান ছাত্ৰই ৬ জানুৱাৰীৰ পৰা স্কুল-কলেজ বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৌধুৰী উক্ত আন্দোলনত

যোগ দিয়াৰ পক্ষে সন্মতি জনাই কংগ্ৰেছৰ গঠনমূলক কামত হাতে কামে লাগি যায়।

১৯৩৪ চনত চৌধুৰী ধৰ্মপুৰ-বৰক্ষেত্ৰী অঞ্চলৰ পৰা লোকেলবোৰ্ডৰ সদস্য নিৰ্বাচিত হয়। ১৯৩৮ চনৰ নিৰ্বাচনতো তেখেত জয়যুক্ত হয়, লগতে লোকেলবোৰ্ডৰ কংগ্ৰেছ দলৰ সম্পাদক নিৰ্বাচিত হৈছিল। সেই সময়ত কংগ্ৰেছ দলৰ সভাপতি আছিল ৺বিষ্ণুৰাম মেধী। এনেতে ১৯৪২ চনত কংগ্ৰেছে 'ভাৰতত্যাগ' আন্দোলন ঘোষণা কৰাৰ লগে লগে ইংৰাজ শক্তি শেষবাৰৰ কাৰণে মৰণত শৰণ দি নিজৰ আধিপত্য ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। চৌধুৰী বিয়াল্লিছৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত ২০ চেপ্তেম্বৰৰ দিনা তেখেতক গ্ৰেপ্তাৰ কৰি এবছৰ কাৰাদণ্ড দিয়ে। ১৯৪৩ চনত চৌধুৰী কাৰাগাৰ-মুক্ত হৈ আহি পুনৰ ওকালতি কৰিবলৈ ধৰে। জেলৰ পৰা আহি চৌধুৰী দেয়ানী কেচৰ পৰিবৰ্তে ফৌজদাৰী কেচ লবলৈ ধৰে। ইতিমধ্যে ১৯৪৮ চনত গুৱাহাটী উচ্চ ন্যায়ালয় স্থাপন হোৱাত চৌধুৰী ফৌজদাৰী মোকৰ্দমাৰ প্ৰতি বিশেষ মনোনিবেশ কৰে। ১৯৭৪ চনৰ পৰা তেখেতে ওকালতি কৰিবলৈ এৰি দিয়ে।

চৌধুৰী বহুমুখী প্ৰতিভাসম্পন্ন লোক আছিল। নাট্যাভিনয়ৰ প্ৰতি চৌধুৰীৰ বিশেষ আকৰ্ষণ আছিল। থিয়েটাৰত অভিনয় কৰাৰ তেখেতৰ খুব্ চখ্ আছিল। জীৱন কালত তেখেতে কেবাখনো নাটকত অভিনয় কৰি যশস্যা অৰ্জন কৰিছিল। হৰিশ্চন্দ্ৰ নাটকত 'ৰজা হৰিশ্চন্দ্ৰ'ৰ, দেৱলা দেৱী নাটকত 'খিজিৰখাঁৰ' আৰু চন্দ্ৰগুপ্ত নাটকত 'চাণক্য'ৰ অভিনয় কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। তেখেতৰ লগৰ আন কেইজনমান বিখ্যাত অভিনেতা আছিল—৺নৰেশ্বৰ ভাগৱতী, সৰ্বশ্ৰী গঙ্গাধৰ চৌধুৰী, লক্ষেশ্বৰ শৰ্মা আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত শিক্ষক ভৱদেৱ ভাগৱতী। হৰিশ্চন্দ্ৰ নাটকত চৌধুৰীৰ লগত ৰাণী শৈব্যাৰ অভিনয় কৰিছিল ৺কামিন্দ্ৰ শৰ্মাই। উল্লেখযোগ্য যে চৌধুৰীৰ প্ৰেৰণা আৰু পৃষ্ঠপোষকতাত

'ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজ'ৰ জন্ম হয়। এই অনুষ্ঠানৰ লগত তেখেত আৰম্ভণিৰে পৰা (১৯১৮) ২৪ বছৰ কাল অতি ঘনিষ্ঠভাৱে জড়িত হৈ থাকে।

চৌধুৰী পৰম গীতাবাদী আছিল। জীৱন-মৃত্যু, সুখ-দুখ সকলোকে তেখেতে সমানে গ্ৰহণ কৰিব পাৰিছিল। কোৱা বাহুল্য যে তেখেত গুৱাহাটী জেলত থাকোতে তেখেতৰ এটি পুত্ৰ সন্তানৰ মৃত্যু হয়। জেলত তেখেতক এই মৰ্মান্তিক শোকৰ কথাটো জনাওঁতে তেখেতে গীতাৰ শ্লোক মাতি পুত্ৰ উপজিলে যে আনন্দ আৰু মৰিলে যে অনৰ্থক দুখ কৰিব নালাগে বুজাই দিছিল আৰু নিজেও মনক প্ৰবোধ দি শান্তনা লভিছিল।

চৌধুৰী এজন বিশিষ্ট সমাজকৰ্মীও আছিল। গুৱাহাটীৰ জে. বি. ল কলেজ, বি. বৰুৱা কলেজ, সন্দিকৈ ছোৱালী কলেজ আদিৰ প্ৰতিষ্ঠাপক সদস্য আৰু উদ্যোক্তা হিচাপে থাকি সক্ৰিয় সহায় সহযোগ আগবঢ়াইছিল। তদুপৰি নিজৰ জন্মস্থান কৈঠালকুছি, চামতা অঞ্চলৰ স্কুল, মহাবিদ্যালয় আদি স্থাপন কৰাৰ চৌধুৰীৰ উল্লেখযোগ্য অৱদান আছে।

এনেহেন প্ৰবীণ অধিবক্তা, সু-অভিনেতা, বিশিষ্ট সমাজকৰ্মী চৌধুৰীদেৱৰ ১৯৮৮ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটীৰ আমবাৰীৰ নিজা বাস ভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত পত্নী শ্ৰীমতী পাৰ্বতী চৌধুৰী, পাঁচজনী বিবাহিতা কন্যা আৰু অধিবক্তা শ্ৰীযতীন চৌধুৰী প্ৰমুখে তিনিজন পুত্ৰ এৰি থৈ গৈছে।

পাহৰাৰ উপায় নাই। তেখেতৰ প্ৰেৰণাতে ১৯৬৫ চনত আমাৰ জীৱনৰ এটি বাস্তৱ কাহিনী “ওঠৰ নবেম্বৰ, এটি কাল সন্ধিয়া” চুটি গল্পৰ আকাৰত তেখেতৰ সম্পাদিত ‘নতুন অসমীয়া’ কাকতত প্ৰথম প্ৰকাশ পাইছিল।

চিৰসুখী বৰুৱাই এটাই মাথো বেদনাৰ বোজা কঢ়িয়াই নিলে—তেখেতৰ মৃত্যুৰ আঠমাহ পূৰ্বে ঘটা সহধৰ্মিনীৰ মৃত্যু। সুপ্ৰতিষ্ঠিত তিনিজন পুত্ৰ আৰু এগৰাকী সুযোগ্যা কন্যাৰে টুকৃটাকৃকৈ চলি থকা বৰুৱাদেৱৰ সংসাৰখন সুখৰ আছিল। তেখেতৰ উক্তিৰেই—“দুখ কৰিবলগীয়া কিটোনো আছে? আকালো নাই, ভৰালো নাই, সুখতে আছো।”

গোলাঘাটৰ নিম্ন মধ্যবিত্ত পৰিয়াল এটিত ১৯০৭ চনত জন্ম গ্ৰহণ কৰা বৰুৱা ধনৰ ধনী নহলেও সুশিক্ষাৰে শিক্ষিত আৰু মন আৰু মেধা শক্তিৰ দুখীয়া কেতিয়াও নাছিল।

এইটো ধ্ৰুৱ যে, বৰুৱাৰ পৰলোকপ্ৰাপ্তিত অসমে এই যুগৰ অন্যতম শ্ৰেষ্ঠ সাংবাদিক এজনক হেৰুৱালে। ৰজাঘৰ, প্ৰজাঘৰ কাৰোবাৰপৰা তেখেতে জীৱনদশাত কিবা পালে নে নাই সেইটো বিচাৰ্যৰ বিষয় নহয়, হয়তো কঠোৰ স্পষ্টবাদী হোৱা কাৰণে আৰু কাকো তোষামোদ কৰিব নোৱাৰা বাবে ন্যায্য প্ৰাপ্যখিনিও নাপালে। কিন্তু যোৱা পাঁচটা দশক সততা, নিৰ্ভীকতা, নিস্বাৰ্থ আৰু পৰম নিষ্ঠাৰে অসমৰ সাংবাদিক জগতৰ তেখেতে যিদৰে সেৱা কৰি গ’ল সি যুগৰ ইতিহাসত স্বৰ্ণাক্ষৰেৰে লিখা থাকিব। অসম আৰু অসমীয়া জাতিৰ সঙ্কটকালৰ পৰম বন্ধু বৰুৱাদেৱে ১৯৩৪ চনত সাংবাদিক জীৱন আৰম্ভ কৰা দিনৰে পৰা অসমৰ প্ৰতিটো সমস্যা, যেনে—ছাৰ ছাদুল্লাৰ কুট-কৌশলৰ পৰা অসমক ৰক্ষা কৰা, অসমক জোৰ কৰি পাকিস্তানৰ লগত জাপি দিব ওলোৱা বিপদৰ পৰা অসমক বচোৱা, বৃহত্তৰ পশ্চিম বঙ্গৰ কল্পনাক ৰূপ দিবলৈ গোৱালপাৰাক অসমৰ পৰা বিচ্ছিন্ন কৰি পশ্চিম বঙ্গৰ লগত চামিল কৰাৰ ষড়যন্ত্ৰ,

গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন, তেল শোধনাগাৰ, ব্ৰহ্মপুত্ৰ দলং, অসমীয়া ৰাজ্যভাষা আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলনকে ধৰি অসমৰ একুৰি এটা সমস্যা সমাধানৰ সূত্ৰ বিচাৰি 'নতুন অসমীয়া'ৰ জৰিয়তে বৰুৱাই নিজৰ নিৰ্ভীক আৰু সুস্পষ্ট অভিমত ব্যক্ত কৰাৰ লগতে সমগ্ৰ অসমীয়া জাতিটোক জগাই তুলিছিল আৰু সময়ত তাৰ ফলপ্ৰাপ্তি ঘটিছিল।

সাংবাদিকতাৰ ক্ষেত্ৰত বৰুৱাৰ সাগৰসদৃশ জ্ঞান আৰু কলমৰ চোখ ইমান প্ৰখৰ আছিল যে ৰাজ্যখনৰ নানান সমস্যাক লৈ লিখা সঙ্কট কালৰ প্ৰতিটো সম্পাদকীয় পঢ়াৰ কাৰণে প্ৰতিজন সচেতন অসমীয়াই ব্ৰহ্ম মুহূৰ্ততে কাকতখন পঢ়াৰ আশাত উদ্বিগ্নচিত্তে বৈ আছিল। তেখেতৰ সুগভীৰ আৰু সুচিন্তিত প্ৰতিটো সমাধানৰ সূত্ৰই জনসাধাৰণৰ অন্তৰত ঠাই পাইছিল আৰু শেষত তেখেতৰ মতবাদ প্ৰায়েই প্ৰতিপন্ন হৈছিল। শাসক দল নাইবা চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা জীৱিতকালত বৰুৱাই নিজৰ প্ৰাপ্যখিনি নাপালে; নতুন চামৰো বহুতে বৰুৱাদেৱক হইতো চিনি নাপালে বা চিনি পোৱাৰ চেষ্টাও নকৰিলে। কিন্তু এইটো তেনেই সঁচা যে তেখেতে জ্বলাই থৈ যোৱা আৰিয়াৰ পোহৰত নতুন পুৰুষে আৰু উত্তৰ কালৰ সাংবাদিকসকলে বাট বুলিব লাগিব যদিহে কমলাকান্ত, অম্বিকাগিৰী, হৰেন বৰুৱাৰ দৰে তেওঁলোকেও নিজৰ স্বাৰ্থক বলিদান দি দেশৰ স্বাৰ্থক আগ কৰিব পাৰে!

বৰুৱাৰ সাংবাদিকতাৰ শ্ৰেষ্ঠ আদৰ্শ আছিল ব্যক্তি স্বাতন্ত্ৰ্যতা। আজিকালিৰ বহুতো সাংবাদিকে সংবাদপত্ৰৰ স্বত্বাধিকাৰৰ ওচৰত নাইবা দলীয় স্বাৰ্থ পূৰণৰ অৰ্থে নিজক বিক্ৰী কৰি সস্তীয়া জনপ্ৰিয়তা লাভ কৰিব বিচাৰে। তেনে ধৰণৰ সাংবাদিকতা অকল অস্থায়ীয়েই নহয়; দেশ আৰু জাতিৰ কাৰণে অহিতকৰো। বৰুৱাদেৱ এই ক্ষেত্ৰত চিৰমুক্ত আৰু স্বাধীনতকৈও স্বাধীন আছিল। সংবাদপত্ৰৰ মালিক নাইবা কোনো দল বিশেষক সন্তুষ্ট কৰা বিধৰ সাংবাদিক

তেখেত নাছিল। বৰুৱাদেৱৰ জীৱনধাৰা তিনিটা,—সাংবাদিক, মুক্তিযোদ্ধা আৰু সাহিত্যিক। ছাত্ৰাৱস্থাৰে পৰা পৰিৱেশৰ প্ৰভাৱত সক্ৰিয় ৰাজনীতিত যোগ দি, কাৰাবৰণ কৰি, নিৰ্য্যাতন ভোগ কৰিলেও তেখেতৰ ক্ষমতাৰ প্ৰতি অকণো মোহ নাছিল, থকা হলে আন দহজনৰ দৰে তেখেতেও ৰাজভোগ, ৰাজ সন্মান পালেহেঁতেন। কিন্তু কলেজৰ ছাত্ৰ বৰুৱাই অধ্যাপক ব্ৰাউন চাহাবৰ ওচৰত প্ৰকাশ কৰা জীৱনৰ লক্ষ্য—"মই দেশৰ কাম কৰিব লাগিব বুলি স্থিৰ কৰিছোঁ।—নহয় চাৰ, মই লেখিম দেশৰ কথা লেখিম, মই কলম ধৰিম।" সঁচাকৈয়ে বৰুৱাই ওৰে জীৱন কলম ধৰি নিস্বাৰ্থভাৱে দেশৰ কাম কৰি গ'ল। সাহিত্যিকতকৈ সাংবাদিকৰ দায়িত্ব গধুৰ আৰু কঠোৰ বুলি জানিও তেখেতে তাকেই বাছি ললে।

ওৰে জীৱন সাংবাদিকতা কৰি সম্পাদক ৰূপে সুখী হলনে বুলি তেখেতৰ সতীৰ্থ এজনে সোধাত বৰুৱাই নম্ৰভাৱে কৈছিল, "সুখী হোৱা বুলি কলে সম্পূৰ্ণ সঠিক নহব। যি পাৰো কৰিলো। আমাৰ ৰাজ্যত বাতৰি কাকত চলাবলৈ সা-সুবিধাৰ অভাৱ। তদুপৰি এইবোৰত মালিকৰ গা বচাই সম্পাদকীয়, বাতৰি আদি পৰিৱেশন কৰিব লাগে! সেয়ে তুমি নিজে বিচৰা মতে বহু কথা লেখিব নোৱাৰা। নিজৰ প্ৰেছ, নিজৰ কাকত লৈ বহিলে বহু কথা নিজৰ ৰবীয়াকৈ লেখিব পাৰি।"

সকবৰ, ধনী-নিৰ্ধনী, জাতি-ধৰ্ম নিৰ্বিশেষে অসমীয়া সমাজখনৰ সকলোৰে দ্বাৰা আদৃত হৰেন্দ্ৰনাথ বৰুৱাৰ অসহযোগ আন্দোলনৰ (১৯২১) প্ৰায় এক দশক আগতে উজনিৰ গোলাঘাট চহৰত জন্ম হয়। গোলাঘাট চহৰৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি গুৱাহাটীৰ কটন কলেজৰ পৰা ১৯৩০ চনত স্নাতক উপাধি লাভ কৰে। তাৰ পিছতে গুৱাহাটী আৰ্ল কলেজৰ পৰা আইনৰ বি. এল উপাধি লাভ কৰি চাৰি বছৰমান আইন ব্যৱসায় কৰে। অৱশ্যে তাৰ আগতে ১৯২৮ চনতে তেখেতে সক্ৰিয় ৰাজনীতিত যোগ

দি ভাৰতীয় জাতীয় কংগ্ৰেছত নাম ভৰ্ত্তি কৰে আৰু ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰে।

সেই সময়ত অসম কংগ্ৰেছৰ অবিসম্বাদী নেতা ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ প্ৰিয়পাত্ৰ হৈ তেখেতৰ উপদেশ মতে বৰুৱা জেললৈ নগৈ গুৱাহাটী জিলা কংগ্ৰেছৰ কামৰ তদাৰক কৰে। তাৰ পিছত ১৯৪১ চনৰ ১০ মাৰ্চৰ দিনা ব্যক্তিগত সত্যাগ্ৰহ কৰি তিনি সপ্তাহ সশ্ৰম কাৰাদণ্ড আৰু পাঁচ টকা জৰিমনা, অনাদায়ে আৰু এসপ্তাহ জেল ভোগে। তাৰ পিছত যুদ্ধবিৰোধী প্ৰচাৰ কাৰ্য চলোৱা অপৰাধত ভাৰতীয় প্ৰতিৰক্ষা আইনৰ ধাৰা মতে ১৯৪৩ চনৰ পহিলা জানুৱাৰীৰ দিনা বৰুৱাক গ্ৰেপ্তাৰ কৰি তেজপুৰ জেলত ৰাখি এবছৰ পিছত ১৯৪৪ চনৰ তেৰ জানুৱাৰীৰ দিনা খালাচ দিয়ে।

জেলৰ পৰা ওলাই অহাৰ পিছতে গোপীনাথ বৰদলৈৰ পৰামৰ্শ মানি কংগ্ৰেছ প্ৰাৰ্থী হৈ গুৱাহাটীৰ পৌৰসভাৰ দায়িত্ব বহন কৰিছিল যদিও সেই কাম তেখেতৰ মনত ভাল নলগাত অলপ দিনৰ পিছতে (১৯৪৬ চনত) সেই পদ ইস্তফা দিয়ে ; কাৰণ গান্ধীজীৰ আদৰ্শব্ৰতী বৰুৱাদেৱে অন্যায় অধৰ্ম কৰা, সততাক বিসৰ্জন দি ব্যক্তি বা দলীয় স্বাৰ্থত কাম কৰাটোক নীতি বিগৰ্হিত বুলি বিবেচনা কৰিছিল। আনকি দেশ স্বাধীন হোৱাৰ পিছত শাসক কংগ্ৰেছ দলৰ বহু কথাৰ লগত তেখেতে একমত হব নোৱাৰি ১৯৫২ চনত কংগ্ৰেছ নামৰ অনুষ্ঠানটোৰ পৰা আঁতৰি আহি কিষাণ মজদুৰ প্ৰজা পাৰ্টিত যোগ দিয়ে। তাতো ভাল নলগাত ৰাজনীতিৰ পৰা সম্পূৰ্ণ অৱসৰ লৈ মৃত্যুৰ দিনালৈকে নিৰ্দ্দলীয় ব্যক্তি হিচাপে থাকি সংবাদপত্ৰৰ জৰিয়তে ৰাইজৰ সেৱা কৰিছিল। তেখেতে মুক্তিযুঁজাৰুৰ ৰাষ্ট্ৰীয় সন্মানসূচক "তাম্ৰপত্ৰ" আৰু "স্বতন্ত্ৰ সৈনিক সন্মান বৃত্তি" লাভ কৰিছিল। এই সন্মান তেখেতে ৰাজ অনুগ্ৰহ বুলি নলৈ মাতৃ পূজাৰ আশীষ নিৰ্মালি ৰূপেহে গ্ৰহণ কৰিছিল।

সংবাদসেৱা আৰু "হৰেন্দ্ৰনাথ বৰুৱা" এই শব্দ দুটা বৰুৱাদেৱৰ

ক্ষেত্ৰত একেটি মুদ্ৰাৰে স্থপিঠিৰ দৰে। যিদৰে মৌৰসৰ পৰা সুমিষ্ট সোৱাদ বাদ দিব নোৱাৰি, সংবাদসেৱা সদৃশ অনুষ্ঠানটোৰ পৰা ব্যক্তি "হৰেন্দ্ৰনাথ বৰুৱা"ক বাদ দিব নোৱাৰি। সংবাদসেৱাই আছিল তেখেতৰ জীৱনৰ শ্বাস-প্ৰশ্বাস, তেজ-মঙহ। আইন পাছ কৰাৰ পিছত কিছুদিন আইন ব্যৱসায় কৰি মনে প্ৰাণে ভাল নলগাত ১৯৩৪ চনত জাতীয় সংবাদপত্ৰ "অসমীয়া"ত সম্পাদক হিচাপে যোগদান কৰে। ১৯৫০ চনত সম্পূৰ্ণ কংগ্ৰেছী মতাদৰ্শত প্ৰতিষ্ঠিত "ৰাইজ" নামৰ কাকতত সম্পাদক হিচাপে কাম কৰিছিল যদিও কাকতখন অল্পায়ুস হোৱাত বৰুৱাদেৱ অৰ্থাভাৱৰ মহাসঙ্কটত পৰে। নানা কষ্টেৰে তিনি-চাৰি বছৰ কাল পাৰ কৰাৰ অন্তত ১৯৫৪/৫৫ চনত ইন্দ্ৰকমল বেজবৰুৱা ডাঙৰীয়াই "নতুন অসমীয়া" নামৰ দৈনিক সংবাদপত্ৰ এখন উলিয়াবৰ প্ৰয়াস কৰি বৰুৱাদেৱক সম্পাদক নিযুক্ত কৰে। উল্লেখযোগ্য যে প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাদেৱে প্ৰতিষ্ঠা কৰা সাদিনীয়া অসমীয়া কাকতত বৰুৱাদেৱে ১৯২৬ চনতে যোগ দিছিল। ১৯৫৫ চনৰ পৰা একেৰাহে কুৰি বছৰতো অধিক কাল খ্যাতি আৰু মৰ্যাদাৰে অসমীয়া সংবাদপত্ৰৰ ক্ষেত্ৰত এক অভিলেখ স্থাপন কৰি ১৯৭৩ চনত তেখেতে অৱসৰ গ্ৰহণ কৰে। ১৯৮১ চনত জন্ম লাভ কৰা "তিনি দিনীয়া বাতৰি" নামৰ আন এখন সংবাদপত্ৰৰ বৰুৱাদেৱ মুখ্য উপদেষ্টা আছিল।

বৰুৱাদেৱৰ অসমপ্ৰেম অসাধাৰণ আছিল। ছাদুল্লা মন্ত্ৰীসভাই যেতিয়া অসমক বেছি শস্য উৎপাদিত ৰাজ্য হিচাপে গঢ়াৰ অজুহাত লৈ অবিভক্ত পূৰ্ববংগৰ পৰা লাখ লাখ ভগনীয়া আমদানি কৰি অসমখনক এখন মুছলিম প্ৰধান ৰাজ্য কৰাত উঠি পৰি লাগিছিল তেতিয়া বৰুৱাই তেখেতৰ সুস্পষ্ট আৰু নিৰ্ভীক মতামত দাঙি ধৰি সাৱধান কৰি দিছিল। আকৌ ১৯৪৬ চনত চৰকাৰে অসমক তেওঁলোকৰ পৰিকল্পিত পাকিস্তানৰ লগত জাপি দিয়াৰ সিদ্ধান্ত লৈছিল, সেই সঙ্কটকালত বৰুৱাই লোৱা ভূমিকা আজিও কোনেও

পাহৰিব নোৱাৰে। তেখেতৰ প্ৰতিক্ৰিয়া আৰু প্ৰতিবাদ বাতৰি কাকতৰ জৰিয়তে জনোৱাৰ উপৰিও গোপীনাথ বৰদলৈ, অম্বিকাগিৰী ৰায়চৌধুৰীৰ সৈতে দিল্লীলৈ সজাতি দল সাজি গৈ অসমক ৰক্ষা কৰাৰ আপ্ৰাণ চেষ্টা কৰিছিল। পুনৰ ১৯৫৪ চনত যেতিয়া ৰাজ্য পুনৰ গঠনৰ ষড়যন্ত্ৰৰ বলি কৰি অসমৰ অবিচ্ছেদ অংগ গোৱালপাৰা জিলাখনক বৃহত্তৰ বাঙলাৰ পৰিকল্পনাত সুমোৱাৰ অপচেষ্টা চলিছিল তেতিয়া বৰুৱাই প্ৰাচীন অসমৰ ঐতিহাসিক, ৰাজনৈতিক আৰু সাংস্কৃতিক সূত্ৰ বিচাৰি গোৱালপাৰাৰ উপৰিও ওলোটাই কোচবিহাৰ ৰাজ্যক অসমৰ অঙ্গীভুক্ত কৰাৰ দাবী কৰিছিল।

বৰুৱাদেৱৰ দেশপ্ৰেম আৰু নিৰ্ভীকতা জীৱনৰ শেষ মুহূৰ্তলৈ অটুট আছিল। ছাদুল্লা চাহাবৰ দিনৰেপৰা বিভিন্ন সময়ত কিদৰে বিদেশী অনুপ্ৰবেশকাৰীসকলে অসমখন গ্ৰাস কৰি আহিছিল আৰু সময় থাকোঁতে তাৰ প্ৰতিৰোধৰ ব্যৱস্থা নললে অসমৰ ভৱিষ্যৎ কি হব পাৰে তেখেতে সেইবোৰৰ সুচিন্তিত মতামত কাকো কেৰেপ নকৰাকৈ দাঙি ধৰি আহিছিল। অম্বিকাগিৰী ৰায়চৌধুৰী আৰু হৰেন্দ্ৰনাথ বৰুৱা আদিৰ চিন্তা আৰু পৰামৰ্শমতে কাম কৰি গলে আজিৰ নতুন পুৰুষৰ নেতৃত্বত ছবছৰীয়া বিদেশী বহিষ্কাৰৰ আন্দোলন কৰি ইমানবোৰ ধন-প্ৰাণ বিনাশ হবলগীয়া নিশ্চয় ন'হলহেঁতেন। সৌ সিদিনা অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে চুক্তিৰ ফলাফল কি হব পাৰে বৰুৱাদেৱে নিৰ্ভীক আৰু বলিষ্ঠ ভাষাৰে তেখেতৰ মতামত দাঙি ধৰিছিল। তেখেতে চুক্তিখনৰ দুৰ্বল অংশবোৰ স্পষ্টভাৱে আঙুলিয়াই দি "অসমবাণী"ৰ বিশেষ সংখ্যা এটিত তেখেতৰ বিতৰ্কিত মতবাদ দাঙি ধৰিছিল।

বৰুৱাদেৱৰ আন নেলাগে পঞ্চাশ বছৰীয়া সাংবাদিক জীৱনৰ সম্পাদকীয় ৰচনাবোৰ সংগ্ৰহ কৰিলে অন্তত পাঁচ হেজাৰ পৃষ্ঠাৰ এখন জাতীয় দলিল হব। তদুপৰি তেখেতে তিনিখন অসমীয়া গ্ৰন্থ আৰু অসমৰ সমস্যাবোৰ অসমৰ বাহিৰৰ লোকক জনাবলৈ

ইংৰাজীত সময়ে সময়ে পুস্তিকা, প্ৰচাৰপত্ৰ আদি লিখিছিল।

বৰুৱা ডাঙৰীয়া এগৰাকী প্ৰসিদ্ধ মুক্তিযুঁজাৰু, আগশাৰীৰ সাংবাদিক, চিন্তাশীল লেখক হোৱাৰ উপৰিও গুৱাহাটীৰ প্ৰায়বোৰ শিক্ষানুষ্ঠান, সাহিত্য-সংস্কৃতিৰ অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত আছিল। তেখেত অসম প্ৰকাশন পৰিষদৰ প্ৰাক্তন উপ-সভাপতি আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোৰ্টৰ সদস্য আছিল। তেখেতৰ আকস্মিক বিয়োগত অসমৰ সাংবাদিক ক্ষেত্ৰত এক অপূৰণীয় ক্ষতি হ'ল।

প্ৰত্নতাত্ত্বিক, বিশিষ্ট সমাজকৰ্মী

সৰ্বেশ্বৰ বৰুৱা

স্বাধীনোত্তৰ কালৰ উত্তৰ লক্ষীমপুৰ জিলাৰ নামেকামে সৰ্বজন বিদিত, সৰ্বপ্ৰধান ব্যক্তি সৰ্বেশ্বৰ বৰুৱাৰ ১৮৯১ চনৰ জুলাই মাহত ধলপুৰ মৌজাৰ কাঠনি গাঁৱত জন্ম হয়। তেখেতৰ পিতৃ পদ্মেশ্বৰ বৰুৱা ধলপুৰ মৌজাৰ প্ৰতিপত্তিশালী, শক্তিমন্ত মৌজাদাৰ আছিল। মৌজাদাৰৰ পত্নী কোশেশ্বৰী আৰু তেখেতসকলৰ—মধ্যম পুত্ৰ সৰ্বেশ্বৰ ছাত্ৰাৱস্থাৰে পৰা বৰ তীক্ষ্ণ মেধাসম্পন্ন আছিল। নিম্ন প্ৰাইমাৰীৰ পৰা আৰম্ভ কৰি স্নাতক শ্ৰেণীলৈকে প্ৰতিটো পৰীক্ষাতে বিশেষ কৃতকাৰ্য দেখুৱাই, বৃত্তি-পুৰস্কাৰ আদি অৰ্জন কৰিছিল। ১৯০৭ চনত কৃতীত্ব সহকাৰে প্ৰথম বিভাগত এণ্ট্ৰেঞ্চ পৰীক্ষা পাছ কৰি শ্ৰীশ্ৰীআউনিআটী সত্ৰৰ সোণৰ মেডেল আৰু শিক্ষা বিভাগৰ পৰা দুটা ৰূপৰ মেডেল লাভ কৰিছিল। ১৯১১ চনত কটন কলেজৰ পৰা বি, এ পাছ কৰা প্ৰথম ছাত্ৰদলৰ অন্যতম্ আছিল সৰ্বেশ্বৰ বৰুৱা। স্নাতক হোৱাৰ পিছত আইন শিক্ষা লাভ কৰাৰ কাৰণে কলিকতালৈ যায়। ১৯১৫ চনত বিশেষ খ্যাতি সহ আইনৰ পৰীক্ষাও পাছ কৰে। আইন শিক্ষাৰ লগে লগে দৰ্শনৰ এম, এ মহলাতো পঢ়ি আছিল। কিন্তু, হঠাৎ পিতাকৰ টান নৰিয়া হোৱাত ঘৰলৈ উভটি আহিবলৈ বাধ্য হ'ল, ফলত এম, এ পাছ কৰা নহ'ল। বি, এ পাছ কৰাৰ পিছতেই বৰুৱাই তেজপুৰ চৰকাৰী হাইস্কুলত কেইমাহ-মানৰ বাবে শিক্ষকতা কৰি কৃতী শিক্ষকৰ স্বাক্ষৰ দাঙি ধৰিছিল। শিক্ষকতা কৰি থাকোঁতেই গোলাঘাটৰ স্বনামধন্য চাহ খেতিয়ক তথা শ্ৰীশ্ৰীমাহৰা সত্ৰৰ সৰ্বজনপূজিত সত্ৰাধিকাৰ দেৱেশ্বৰ গোস্বামী-

দেৱৰ তৃতীয়া কন্যা যুগলেশ্বৰী দেৱীৰ লগত ১৯১৬ চনত সৰ্বেশ্বৰ বৰুৱাৰ বিবাহ সম্পন্ন হয়।

আইন ব্যৱসায়ী হিচাপে বৰুৱাৰ অপৰাধী-আইনত বিশেষ দখল আছিল। ১৯১৬ চনত তেজপুৰ আদালতত ওকালতি আৰম্ভ কৰাৰ পিছৰপৰা তেখেতে আইন ব্যৱসায়ত খ্যাতি লাভ কৰে আৰু ১৯১৮ চনত ঘটা মোহনগাম লুৎপাট গোচৰত আৰু ধলপুৰৰ দফলা হত্যা গোচৰত বৰুৱাই আসামীৰ পক্ষ সমৰ্থন কৰি আইন ব্যৱসায়ৰ ওপৰত থকা তেখেতৰ অসাধাৰণ জ্ঞানৰ পৰিচয় দিছিল। আৰম্ভে অপৰাধী আইনৰ লগতে দেৱানী, কলেক্টৰী, আয়কৰ আদি আইনতো বৰুৱাৰ সমানে খ্যাতি আছিল। বৰুৱা যে এজন প্ৰখ্যাত আইনবিদ আৰু সৰ্বজনৰ শ্ৰদ্ধাভাজন লোক আছিল তাৰ প্ৰমাণ পোৱা যায় যে তেখেত একেৰাহে বহু বছৰ ধৰি লক্ষীমপুৰ উকীল সন্থাৰ সভাপতি আছিল আৰু ১৯৬৬ চনৰ ৭ মে তাৰিখে বৰুৱাৰ আঢ়ৈ কুৰি বছৰ পূৰ্ণ হোৱাত বাইজে সোণালী জয়ন্তী উৎসৱ পাতি বৰুৱাদেৱক অভিনন্দন জনাইছিল।

বৰুৱাদেৱ এজন প্ৰবীণ আইন প্ৰণেতাও আছিল। ১৯২৪ চনৰ পৰা তেখেত একেৰাহে প্ৰায় তিনি দশক কাল অসম ব্যৱস্থাপক সভাৰ সদস্য তথা বিধায়ক হৈ থাকি 'অসম পৌৰ সভা আইন'কে (১৯৫৬) ধৰি কেবাখনো গুৰুত্বপূৰ্ণ আইন প্ৰনয়ণ কৰাত আগভাগ লৈছিল।

বৰুৱাদেৱ মূলতঃ আইনজীৱী আছিল যদিও ইতিহাস আৰু সাহিত্য চৰ্চ্চা তেখেতৰ জীৱনৰ শ্বাস-প্ৰশ্বাসৰ দৰে আছিল। তেখেত এগৰাকী গভীৰ অধ্যয়নশীল ব্যক্তি হোৱাৰ উপৰিও নিয়মিতভাৱে অসমীয়া সাহিত্য, অসমৰ ইতিহাস, প্ৰত্নতত্ত্ব আৰু পুৰাতত্ত্ব অধ্যয়ন কৰিছিল। বুৰঞ্জী চৰ্চ্চাৰ ক্ষেত্ৰত তেখেতে গৱেষণা ভিত্তিক বহুতো আলোচনা আগবঢ়াই থৈ গৈছে। বৰুৱাক সাহিত্যিক বুৰঞ্জীবিদ্ হিচাপে ইতিহাসবেত্তা বেণুধৰ শৰ্মাদেৱে উচ্চ স্থান দি গৈছে "দৰাচলতে

কৰলৈ গলে 'দেশতকৈ মোমাই ডাঙৰ নহয়' এই অমৰ বাণী আষাৰৰ উদ্ভাৱনকৰ্ত্তা বৰুৱাদেৱেই।" 'দূৰবীণ'ৰ পাতনিত শৰ্মাদেৱে লিখিছে—"বঙাল বৈৰী লাচিত বৰফুকন" লিখাৰ আগতে শ্ৰদ্ধাস্পদ শ্ৰীসৰ্বেশ্বৰ বৰুৱা বি, এল দেৱৰ 'মহাবীৰ লাচিত বৰফুকন' বোলা প্ৰবন্ধটোৱে মোক বৰকৈ অনুপ্ৰাণিত কৰিছিল, স্বৰূপাৰ্থত কবলৈ গ'লে তেখেতৰ প্ৰবন্ধতে 'দেশতকৈ মোমাই ডাঙৰ নহয়' কথাষাৰ পোনপ্ৰথমে পাওঁ।"

প্ৰত্নতত্ত্বৰ দিশত বৰুৱাদেৱে মধ্যযুগীয় অসমৰ ভালেমান তামৰ ফলি সংগ্ৰহ কৰি সিবোৰৰ পাঠোদ্ধাৰ কৰি থৈ গৈছে। বুৰঞ্জী বিষয়ত থকা তেখেতৰ গভীৰ জ্ঞানৰ স্বীকৃতি স্বৰূপে ১৯৬৫ চনত অসম সাহিত্য সভাৰ নলবাৰীত বহা ৩২তম অধিবেশনত বুৰঞ্জী শাখাৰ সভাপতি ৰূপে বৰণ কৰি তেখেতক অভিনন্দিত কৰিছিল। তদুপৰি তাৰো বহু বছৰ পূৰ্বে, ১৯৩৩ চনত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ আদৰণি সভাৰ সভাপতি আছিল বৰুৱাদেৱ। অসম বুৰঞ্জীৰ বিভিন্ন দিশত বৰুৱাদেৱে বৰঙণি আগবঢ়াই গৈছে যদিও তেখেতৰ লেখনিত বিশেষভাৱে উত্তৰ লক্ষীপুৰৰ বুৰঞ্জী, প্ৰত্নতত্ত্ব, পুৰাতত্ত্ব বিষয়ক তথ্যবোৰহে বৈজ্ঞানিক প্ৰণালীত আলোচনা কৰা হৈছে।

সৰ্বেশ্বৰ বৰুৱাই ছাত্ৰাৱস্থাৰেপৰা নিয়মিতভাৱে সাহিত্য চৰ্চ্চা কৰি আহিছিল। বৰুৱাদেৱৰ সম্পাদনাতে যোৰহাট চৰকাৰী হাইস্কুলৰ মুখপত্ৰ 'ফুল' প্ৰকাশ পায়। তেখেতে গধ্‌ৰ প্ৰবন্ধৰ উপৰিও কবিতা আৰু গীত ৰচনা কৰিছিল। ১৯৩৭ চনত জৱাহৰলাল নেহৰু লক্ষীমপুৰলৈ আহি তেখেতৰ ঘৰত আলহী থাকোঁতে বৰুৱাই নিজে ৰচা গীত এটি পুত্ৰ প্ৰফুল্ল বৰুৱা আৰু কন্যা কমলা বেজবৰুৱাৰ দ্বাৰা গোৱাই নেহৰুক স্বাগতম্ জনাইছিল।

'ফুল' আলোচনীৰ মাজেৰে সাহিত্যিক জীৱনৰ পাতনি মেলি ক্ৰমে 'সেউতী', জেউতী, উষা, বাঁহী, জয়ন্তী, সুৰভি, আৱাহন

ৰামধেনু, 'আমাৰ প্ৰতিনিধি' মণিদ্বীপ আদি আলোচনীত বৰুৱাদেৱে প্ৰবন্ধ, কবিতা, গীত, বুৰঞ্জীমূলক প্ৰবন্ধ, সমালোচনামূলক প্ৰবন্ধ প্ৰচুৰ পৰিমাণে যোগান ধৰিছিল। বৰুৱাদেৱৰ কেইটিমান লেখত লব-লগীয়া কবিতা—সখিয়তী, কেতেকী, সময়ৰ গতি, ধাউতি, অতৃপ্তি, মানৱ বন্দনা আৰু প্ৰবন্ধ—মহাবীৰ লাচিত বৰফুকন, পূৰ্ণানন্দ বুঢ়াগোহাঁঞি, সাহিত্য আৰু সাহিত্যত বুৰঞ্জীৰ ঠাই, মালিনীৰ থান, চুতীয়াৰাজ্য, কপিলা সংবাদ। বৰুৱা এজন চিত্ৰশিল্পীও আছিল। 'জীৱনী সংগ্ৰহ' পুথিত প্ৰকাশিত পূৰ্ণানন্দ বুঢ়াগোহাঁঞি আৰু জয়মতী কুঁৱৰীৰ ছবি দুখন বৰুৱাদেৱৰ দ্বাৰা কল্পিত আৰু অঙ্কিত।

বৰুৱাদেৱৰ জীৱনৰ আন এটি প্ৰধান দিশ—ৰাজনীতি তথা ভাৰতৰ মুক্তিসংগ্ৰামৰ বাবে কৰা নিস্বাৰ্থ ত্যাগ। জীৱনৰ প্ৰথম ছোৱাত বৰুৱা ইংৰাজৰ প্ৰিয়ভাজন আছিল বুলিব পাৰি। প্ৰথম মহা-সমৰৰ সময়ত ইংৰাজ চৰকাৰৰ সাহায্যৰ বাবে 'যুদ্ধঋণ' সংগ্ৰহ কৰি দি বৰুৱাই বৰলাটৰ প্ৰশংসা লাভ কৰিছিল। কিন্তু ইংৰাজ চৰকাৰে জালিয়ানৱলাবাগত কৰা নৃশংস কুকাৰ্যৰ প্ৰতিবাদ কল্পে বৰুৱাই ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি উত্তৰ লক্ষীমপুৰ জিলাত কানি, মদ, ভাঙ, বিলাতী বস্ত্ৰ আদি বৰ্জন কৰাৰ বাবে সাহসেৰে সভা-সমিতি পাতি প্ৰচাৰকাৰ্য চলাইছিল। প্ৰকৃতপক্ষে উত্তৰ লক্ষীমপুৰত অসহযোগ আন্দোলনৰ নেতৃত্ব দিছিল বৰুৱাদেৱে। বৰুৱাৰ বক্তৃতাৰ দ্বাৰা উদ্বোদ্ধ আৰু অনুপ্ৰাণিত হৈ হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ আবাল, বৃদ্ধ, বনিতা সকলোৱে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। দুয়ো সম্প্ৰদায়ৰ লোকে নামঘৰ, মছজিদ, ৰাজহুৱা অনুষ্ঠান আদিত সভা-সমিতি পাতি বৰুৱাক আদৰণি জনাইছিল। বৰুৱাই অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে সুন্দৰকৈ বক্তৃতা দিব পাৰিছিল।

বৰুৱাদেৱে জনজাতীয়-অজনজাতীয় সকলো সম্প্ৰদায়ৰ লোকক সহজে আপোন কৰি লব পাৰিছিল আৰু বৰুৱাৰ নেতৃত্ব কোনো

প্ৰকাৰৰ বিসম্বাদ নোহোৱাকৈ মানি লৈছিল। বৰুৱাৰ বক্তৃতা শুনিবলৈ জনতাৰ যথেষ্ট ভিৰ হৈছিল। এবাৰ লালুক অঞ্চলৰ দফলা জনজাতীয় লোকসকলৰ মাজত অনুষ্ঠিত হোৱা বিৰাট ৰাজহুৱা সভা এখনত আন্দোলন সম্পৰ্কীয় তেজোদ্দীপক বক্তৃতা দি থাকোঁতে মহকুমাধিপতি প্ৰিচাৰ্ড চাহাব অকস্মাৎ সভাস্থলীত উপস্থিত হৈ বৰুৱাক অপদস্থ কৰাৰ চেষ্টা কৰি ভাবুকি দিছিল—"You preach disobedience of law to these savage people. Don't you realise what may be the consequence once they lose their regard for law?" পুৰুষ দৰে নিৰ্ভীক আৰু দেশপ্ৰেমিক বৰুৱাই উত্তৰ দিছিল—"I fully realise that Independent India will know how to deal with these simple people."

প্ৰিচাৰ্ডক এনেদৰে জোকাই লোৱাৰ পৰিণাম স্বৰূপে বৰুৱাৰ ঘৰ কেবাবাৰো খানাতালাছ কৰা হ'ল, ওকালতিৰ অনুমতিপত্ৰ ৰদ হ'ল আৰু ঘৰতে অন্তৰীন হৈ থাকিবলগীয়াত পৰিল।

বিয়াল্লিছৰ 'ভাৰতত্যাগ' আন্দোলনতো সৰ্বেশ্বৰ বৰুৱাই আগ-ভাগ লৈ উত্তৰ লক্ষীমপুৰত সজোৰে প্ৰচাৰকাৰ্য চলাইছিল। বিয়াল্লিছৰ মুক্তিযুঁজত উল্লেখযোগ্য ভূমিকা লোৱাৰ পৰিণতি স্বৰূপে বৰুৱাই এক বছৰ সাত মাহ কাৰাদণ্ড ভুগিবলগীয়াত পৰে। সুদীৰ্ঘ ১৮ বছৰ কাল সক্ৰিয় ৰাজনীতিত থাকি বৰুৱা অসম ব্যৱস্থাপক সভা আৰু বিধান সভাৰ সদস্যৰ পদত নিৰ্বাচিত হৈ নিস্বাৰ্থভাৱে জনসাধাৰণৰ সেৱা কৰিছিল। নকলেও হ'ব যে বৰুৱা উত্তৰ লক্ষীমপুৰ মুলুকত ইমান জনপ্ৰিয় আছিল যে প্ৰতিবাৰৰ নিৰ্বাচনত বৰুৱা বিপুল সংখ্যাধিক্য ভোট পাই নিৰ্বাচিত হৈছিল।

ছাদুল্লা মন্ত্ৰীসভাৰ সময়ত বিধান সভাত কংগ্ৰেছ স্বৰাজ দলৰ পক্ষ সমৰ্থন কৰি বৰুৱা আৰু ৰোহিণী কুমাৰ চৌধুৰী অসমৰ স্বাৰ্থৰ বিপৰীতে যোৱা ভালেমান সমস্যাত বিৰোধিতা কৰিছিল আৰু তাৰ

ফলত টকাত আঠ অনা খাজনা হ্রাস পাইছিল, গৰু চৰণীয়া পথাৰ কৰ, গৰুৰ গাখীৰৰ ওপৰত লগোৱা কৰ আদি মাফ দিয়া হৈছিল।

বৰুৱাদেৱৰ কথা আৰু কামৰ মাজত সম্পূর্ণ মিল আছিল। সকলো কাম গান্ধী দর্শনৰ ভিত্তিত গভীৰভাৱে চিন্তা কৰি হাতত লৈছিল আৰু আকাঙ্খীত ফল লাভ কৰিছিল। ধীৰ-স্থীৰ বৰুৱা দেৱক উপযুক্ত বিবেচনা কৰি ৰাজ্য চৰকাৰে 'পঞ্চায়ত তদন্ত সমিতি', 'পমুৱা লাইন তদন্ত সমিতি' আদি সমিতিৰ সদস্য মনোনীত কৰিছিল। উল্লেখযোগ্য যে ১৯৩৫ চনত পঞ্চম জর্জৰ ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে চৰকাৰে বৰুৱালৈ উপহাৰ স্বৰূপে পঠোৱা ৰূপৰ পদক বৰুৱাই প্রত্যাখ্যান কৰি স্বাধীন মনৰ পৰিচয় দিছিল।

কংগ্রেছ দলৰ মাজত কিছু বুজাপৰাৰ ভুল হোৱাত মতিলাল নেহেৰু, চিত্তৰঞ্জন দাস আদিয়ে স্বৰাজ দল গঠন কৰিছিল। অসমৰ সেই সময়ৰ কংগ্রেছৰ কর্ণধাৰ তৰুণৰাম ফুকন, ৰোহিণী কুমাৰ চৌধুৰী আদিৰ লগতে সর্বেশ্বৰ বৰুৱায়ো কিছুদিনৰ কাৰণে এই স্বৰাজ দলত যোগ দিছিল। শেহত যেনিবা নবীন চন্দ্র বৰদলৈ, কুলধৰ চলিহা আদিয়ে বৰকৈ বুজনি দিয়াত স্বৰাজ দল এৰি পুনৰ কংগ্রেছত যোগ দিয়ে।

সর্বধর্ম সমন্বয়ৰ প্ৰতীক সর্বেশ্বৰ বৰুৱাই মহাপুৰুষ জুজনাৰ সময়ত পৰা অসমত শান্তি-সম্প্রীতিৰে বসবাস কৰি অহা নানা জাতি, নানা ধৰ্ম, নানা ভাষাৰ লোকসকলৰ মাজত প্রেম-প্রীতিৰ বান্ধোন অটুট ৰাখিবলৈ মনেপ্রাণে চেষ্টা কৰি আছিছিল।

উত্তৰ লক্ষীমপুৰ অঞ্চলৰ শিক্ষা, সাহিত্য, সংস্কৃতি, উদ্যোগ আদি প্রতিটো অনুষ্ঠান গঢ়াত বৰুৱাই আগভাগ লৈছিল। তেনেধৰণৰ বেছিভাগ অনুষ্ঠানৰে বৰুৱাই সভাপতি, পৃষ্ঠপোষক, উপদেষ্টা আদি সম্মানসূচক পদবী গ্ৰহণ কৰি অনুষ্ঠানবোৰক পৰিকল্পিত ৰূপ দিয়াত শক্তি সাধ্যানুসৰি চেষ্টা কৰিছিল। তেখেত উত্তৰ লক্ষীমপুৰ পৌৰসভাৰ সভাপতি, স্থানীয় চৰকাৰী উচ্চ বিদ্যালয়খনৰ উদ্যোক্তা অসম শিক্ষা বোৰ্ড আৰু বুনিয়াদী শিক্ষা বোৰ্ডৰ বিশিষ্ট সদস্য, স্থানীয় স্কুল বোৰ্ডৰ সভাপতি, অসম চৰকাৰৰ পাঠ্যপুথি নির্বাচন সমিতিৰ সদস্য থকাৰ উপৰিও উত্তৰ লক্ষীমপুৰ উন্নয়ন বোৰ্ড, মাটি বিতৰণী সমিতি, প্রাদেশিক আৰু মহকুমাৰ সাহায্য সমিতি, প্রাদেশিক ৰাজনৈতিক নির্যাতীত সাহায্য সমিতি প্রভৃতি সমিতিবোৰৰ লগতো

ঘনিষ্ঠভাৱে জড়িত আছিল। ১৯৫০ চনৰ বৰ ভূমিকম্পৰ সময়ত দুৰ্দশাগ্ৰস্ত লোকসকলক সাহায্য দিয়াত আৰু পুনৰবসতি স্থাপন কৰাত বৰুৱাদেৱে যি ত্যাগ আৰু সেৱাৰ আদৰ্শ দেখুৱাইছিল সিবোৰ কথা জনমানসত সদায় উজ্জ্বল হৈ থাকিব।

দেশ আৰু দহৰ স্বাৰ্থৰক্ষাৰ্থে কৰা বৰুৱাৰ ত্যাগৰ মহিমা অপাৰ। স্বাধীনতা প্ৰিয় বৰুৱাদেৱে বৃদ্ধকাল হেতু ১৯৬২ চনৰ চীনে ভাৰতৰ ওপৰত আক্ৰমণ চলোৱা সময়ত শাৰীৰিকভাৱে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব নোৱাৰি মনেপ্ৰাণে বৰ বেজাৰ পাইছিল। সেইহত জন্মভূমিক ৰক্ষাৰ কাৰণে তেখেতৰ আদৰৰ পিতৃদত্তা সম্পত্তি দামী বন্দুকটো চৰকাৰৰ পুঁজিলৈ দান হিচাপে আগবঢ়াইছিল। চৰকাৰে উক্ত বন্দুকটো ১৭০০·০০ টকাত লীলাম বিক্ৰী কৰি উক্ত ধন প্ৰতিৰক্ষা পুঁজিত জমা কৰিছিল।

বৰুৱাদেৱৰ সাংসাৰিক জীৱন সুখী আৰু আদৰ্শনীয় আছিল। বৰুৱাৰ সমাজ আৰু ৰাজনৈতিক জীৱনৰো সঙ্গিনী আছিল তেখেতৰ সহধৰ্মিনী। বৰুৱানী অসম মহিলা সমিতিৰ সদস্যা হোৱাৰ উপৰিও উত্তৰ লক্ষীমপুৰত পতা মহিলা সমিতিৰো তেখেত উদ্যোক্তা আছিল। "উত্তৰ লক্ষীমপুৰ মহিলা সমবায় শিল্প প্ৰতিষ্ঠান" স্থাপন কৰি অঞ্চলটোৰ বাৰী-দুখুনীসকলৰ দুখ মোচনৰ কাৰণে তেখেতে সততে চেষ্টা কৰিছিল।

সুযোগ্য পুত্ৰ-কন্যাৰ পিতৃমাতৃ হ'ব পৰাটো কম সৌভাগ্যৰ কথা নহয়! সেই দিশতো বৰুৱা পৰম সুখী আছিল। তেখেতৰ চাৰিজন যোগ্যৱান পুত্ৰ ক্ৰমে—শ্ৰীপ্ৰফুল্ল কুমাৰ বৰুৱা—প্ৰবীণ অধিবক্তা, শ্ৰীচন্দ্ৰকুমাৰ বৰুৱা—বি. এম. ই. ডিপল, ইং (জাৰ্মানী), শ্ৰীসূৰ্য্য-কুমাৰ বৰুৱা—এম. এছ. ডব্লউ, ডি, পি, এ আৰু শ্ৰীদেৱকুমাৰ বৰুৱা আৰু তিনি গৰাকী উচ্চ শিক্ষিতা কন্যা।

স্বাধীনোত্তৰ কালত ভাৰত চৰকাৰে স্বীকৃতি আৰু সন্মান স্বৰূপে তাম্ৰপত্ৰ আগবঢ়োৱা প্ৰথম দল প্ৰসিদ্ধ মুক্তিযুঁজাৰুৰ ভিতৰৰ বৰুৱা-দেৱো এজন। জীৱনৰ প্ৰতিটো খোজতে প্ৰসিদ্ধি লাভ কৰি, জননী আৰু জন্মভূমিক স্বৰ্গতকৈও উৰ্দ্ধত স্থান দি ১৯৭৫ চনৰ ২ জুলাই তাৰিখে বৰুৱাদেৱে নৰতনু সামৰিলে। বৰুৱাদেৱ শাৰীৰিকভাৱে আমাৰ মাজৰ পৰা নোহোৱা হলেও কৰ্মবহুল জীৱনত তেখেতে দেখুৱাই থৈ যোৱা আদৰ্শ নতুন পুৰুষৰ পাথেয় হওক।

প্ৰসিদ্ধ চাহ খেতিয়ক

প্ৰফুল্লচন্দ্ৰ বৰুৱা

স্বনামধন্য ব্যক্তিমহিমাযুক্ত প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱৰ নাম বহুদিনৰে পৰা শুনি আহিছিলো। বিশেষতঃ ১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলনৰ সময়ত দিল্লীৰ লোকসভাৰ মজিয়াত বৰুৱাই সুমিষ্ট বিনম্ৰ ভাষাৰে আৰু শ্ৰীমতী পুষ্পলতা দাসে সিংহীৰ দৰে গৰ্জন কৰি অসমৰ হ'ক দাবী যুক্তি সহকাৰে উত্থাপন কৰিছিল। অসমীয়া জাতি আৰু অসমীয়া ভাষাৰ কালান্তক শত্ৰুবোৰে অভিমন্যুক চক্ৰবেহুৰ ভিতৰত বেৰি ধৰাৰ দৰে তেখেতসকলক বেৰি ধৰিছিল যদিও তেখেতসকলে শত্ৰুৰ মুখত ছাই সানিবলৈ সক্ষম হৈছিল। গুৱাহাটীৰ ৰাজপথত, জজ্ খেলপথাৰ দেখিছিলো কিদৰে সন্ত বিনোৱাজী, ভূদান যজ্ঞৰ ভিক্ষাৰ জুলি লৈ অসমলৈ আহিছিল, মহিয়সী মাতৃ-মূৰ্তি বিদুষী শ্ৰীমতী অমলপ্ৰভা দাস বিনোৱাজীৰ গাটোতে ছাঁটোৰ দৰে লাগি থাকিছিল। বাতৰি কাকতত পঢ়িছিলো কিদৰে দানবীৰ প্ৰফুল্লচন্দ্ৰ বৰুৱাই এহেজাৰ বিঘা মাটি বিনোৱাজীৰ ভূদান যজ্ঞৰ পাত্ৰত তুলি দিছিল। আকৌ শুনিছিলো প্ৰফুল্লচন্দ্ৰ বৰুৱা অসমীয়াৰ প্ৰথম শ্ৰেণীৰ চাহ খেতিয়ক, সুঅভিনেতা, 'হিজ্ মাষ্টাৰ্ছ ভইচত' প্ৰথমে শুদ্ধ ঠাঁচত অসমীয়া গান বাণীবদ্ধ কৰোঁতা। পিতৃ সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ পবিত্ৰ স্মৃতিত অসম সাহিত্য সভাৰ 'ভগৱতী প্ৰসাদ বৰুৱা ভৱন'ৰ কাষতে 'লক্ষ্মীৰাম বৰুৱা সদন' নিৰ্মাণৰ কাৰণে মুক্তহস্তে সৰ্বোচ্চ দান আগবঢ়োৱা ব্যক্তিজনো আছিল প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱ। আগেয়ে দেখা নাছিলো, শুনিছিলো দেৱোপম চেহেৰাৰ, গাখীৰত সেন্দুৰ মিশ্ৰিত ৰঙৰ, শুক্লশুদ্ধ খদ্দৰৰ ধুতি-পাঞ্জাবী পৰিহিত

বৰুৱাদেৱৰ অসমৰ ৰাজনীতি আৰু সাংস্কৃতিক জগতলৈ আগবঢ়োৱা নিস্বাৰ্থ ত্যাগৰ কথা।

১৯৮৪ চনৰ শেহৰ ভাগত শ্ৰীযুতা অমলপ্ৰভা দাসৰ নেতৃত্বত আৰু বিনোৱা ভাৱেৰ পৰম ধিমান শিষ্য, আমাৰো পৰম সুহৃদ শ্ৰীহেম ভাইৰ উদ্যোগত গুৱাহাটীৰ বশিষ্ঠাশ্ৰমৰ সমীপত থকা গো-সেৱা আশ্ৰমত অখিল ভাৰত গীতা সম্মিলনৰ ষষ্ঠ বাৰ্ষিক অধিবেশনখন অনুষ্ঠান কৰাৰ প্ৰস্তুতি চলিছিল। ১৯৮৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৫-১৯ তাৰিখে সম্মিলন পতাৰ স্থিৰ সিদ্ধান্ত লৈ যুদ্ধকালীন তৎপৰতাৰে সকলোৱে উলহ-মালহেৰে কামত লাগি যায়। সম্মিলনৰ ছমাহমান পূৰ্বে গীতাপ্ৰাণ হেমভাই আমাৰ পঁজালৈ আহি অনুৰোধ মিশ্ৰিত বিনম্ৰ দাবী এটি কৰি থৈছিল—“যদিহে ঈশ্বৰে সম্মিলনখন পাতিব দিয়ে, আপুনি স্মৃতিগ্ৰন্থখনিৰ কামত সহায় কৰিব লাগিব।” শ্ৰীহেমভাইৰ অনুৰোধক্ৰমে আৰু আদৰণি সভাৰ নিৰ্দেশক্ৰমে আমি কামত আগভাগ লৈছিলো। সম্মিলনৰ মুকলি সভাত অসমীয়া, ইংৰাজী আৰু হিন্দী তিনিটা ভাষাত আমাৰ দ্বাৰা সম্পাদিত স্মৃতিগ্ৰন্থ—‘গীতা-জ্ঞান-মঞ্জৰী’ প্ৰকাশ হৈ ওলাল আৰু মূল উৎসৱৰ দিনা শিৰোমণি পণ্ডিত-গৱেষক ডক্টৰ মহেশ্বৰ নেওগদেৱে উন্মোচন কৰিলে। এই বৃহৎ অনুষ্ঠানটিৰ মুখ্য পৃষ্ঠপোষক ৰূপে থাকি ধনে-প্ৰাণে সহায় কৰিছিল চাৰিকুৰি পাঁচ’বছৰীয়া পিতৃব্য পুৰুষ প্ৰফুল্লচন্দ্ৰ বৰুৱাদেৱে। এই পবিত্ৰ অনুষ্ঠানটিৰ প্ৰতি আমি যৎসামান্য সহায় আগবঢ়োৱাৰ বিনিময়ত ভালেমান জ্ঞানী-গুণী ব্যক্তিৰ সান্নিধ্য লাভ কৰাৰ সৌভাগ্য ঘটিছিল। সিসবৰ ভিতৰত বৰুৱাদেৱৰ পৰা যি মৰম-স্নেহ-উপদেশ পাইছিলো সি আমাৰ ওৰে জীৱনৰ বাবে প্ৰেৰণাৰ উৎস হৈ ৰব।

ঈশ্বৰ প্ৰদত্ত নয়নাভিৰাম দেহ, পিতৃ-দত্তা গুণ-গৰিমা আৰু স্বোপাৰ্জিত ৰাজনৈতিক জ্ঞান, স্বদেশপ্ৰেম, ব্যৱসায় বুদ্ধি, অভিনয়ৰ কলাকৌশল, সঙ্গীত সাধনাৰে পৰিপুষ্ট বৰুৱাদেৱে বিদুৰ হৈ

জন্মগ্ৰহণ কৰি বিপ্ৰ দামোদৰৰ দৰে লক্ষ্মী আৰু সৰস্বতীৰ বৰ পুত্ৰ হ'ব পাৰিছিল। বৰুৱাদেৱে কৰ্মতহে অবিচলিত বিশ্বাস আৰু আস্থা ৰাখিছিল। সৎকৰ্ম, সৎচিন্তা, সৎব্যৱসায় বুদ্ধি, সৎআচৰণ, সহজ সৰল জীৱন যাপন আৰু উচ্চ ভাৱনা আছিল বৰুৱাৰ জীৱনৰ মূল লক্ষ্য বা জীৱনাদৰ্শ। বাগ্মীবৰ নীলমণি ফুকনদেৱৰ দৰে বৰুৱাদেৱৰো শঙ্কৰ-মাধৱ আছিল আধ্যাত্মিক গুৰু আৰু বিনোৱা-গান্ধীজী ৰাজনীতিৰ গুৰু। সেয়েহে তেখেতৰ আছিল গীতাধৰ্মত অবিচলিত ভক্তি। প্ৰেম আৰু অহিংসা মন্ত্ৰত দ্বিধাহীন বিশ্বাস আৰু পৰাধীন মাতৃ ভূমিক উদ্ধাৰ কৰাত যি কোনো ধৰণৰ ত্যাগ স্বীকাৰ প্ৰয়োজন। সত্ব-শুদ্ধ অন্তৰৰ বৰুৱাদেৱে ক্ৰমে কাঠ-বেত-চাহবাগিচাৰ ব্যৱসায় কৰি উপাৰ্জন কৰা শকত ধনৰ মোনা ধৰ্মাৰ্থ, কাম, মোক্ষ লাভৰ কাৰণে আঁজলি ভৰাই দান কৰি ইহকাল পৰকালৰ বাবে পুণ্য অৰ্জন কৰিছিল।

এনেহেন আদৰ্শ পুৰুষজনৰ জন্ম হৈছিল ১৯০০ খৃষ্টাব্দৰ মাৰ্চ মাহত ধুবুৰী চহৰত, বিখ্যাত বেজদলৈ ভণ্ডাৰী বৰুৱাৰ বংশত। ছবছৰ বয়সতে স্নেহশীলা মাতৃ 'জাহ্নবী'ক হেৰুৱাই চৈধ্য বছৰ বয়সলৈকে পিতৃ সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ দেউকাৰ আঁৰত থাকি কৈশোৰ-প্ৰাপ্ত হয় আৰু উত্তৰাধিকাৰী সূত্ৰে সঙ্গীত আৰু বাদ্যযন্ত্ৰত সম্যক জ্ঞান লাভ কৰে। এনেতে পিতৃও বিদেহী হোৱাত আত্মীয়-স্বজনৰ সহায়-সাহায্যত তথা নিজৰ অদম্য হেঁপাহ আৰু অধ্যৱসায়ৰ গুণত তেজপুৰ আৰু গুৱাহাটীত প্ৰাথমিক পৰ্যায়ৰ শিক্ষা শেষ কৰি মঙ্গলদৈ হাইস্কুলত নাম ভৰ্তি কৰে। ১৯১৮ খৃষ্টাব্দত প্ৰথম বিভাগত, তদুপৰি অসমৰ ভিতৰত ষষ্ঠদশ স্থান লাভ কৰি কলিকতা বিশ্ববিদ্যালয়ৰপৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তাৰ পিছত গুৱাহাটীৰ কটন কলেজৰ পৰা আই, এছ, চি পৰীক্ষা পাছ কৰি কলিতাৰ ৰিপণ কলেজত তৃতীয় বাৰ্ষিক শ্ৰেণীলৈ বি, এছ, চি পঢ়ি সিমানতে আনুষ্ঠানিক শিক্ষা সামৰি থৈ মহাত্মা গান্ধীৰ আদৰ্শত ব্ৰতী হৈ

অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে। বিশেষ উল্লেখনীয় যে বৰুৱাই হেনো অসম নালাগে সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে কলেজ ত্যাগ কৰি ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় ভূমিকা লোৱা প্ৰথম কলেজীয়া ছাত্ৰ। অসমলৈ আহি কেবা ঠাইতো সংগঠনমূলক কাম কৰি শেষত মঙ্গলদৈ অঞ্চলটোকে সংগঠনৰ কৰ্মক্ষেত্ৰ হিচাপে বাছি লৈ তাতে সাধাৰণভাৱে থাকিবলৈ ল'লে। তেখেতে দৰং জিলাত প্ৰচাৰ কাৰ্য চলাই চৰকাৰক কৰ নিদিবলৈ ৰাইজক আহ্বান জনায়। তেখেত জিলা কংগ্ৰেছৰ সভাপতি হোৱাৰ উপৰিও স্বেচ্ছাসেৱা বাহিনীৰ অধিনায়ক ৰূপে কাম কৰিছিল। এইদৰে অসহযোগ আন্দোলনত বলিষ্ঠ ভূমিকা লৈ ২৪।১।২২ তাৰিখে ডুমুনীচকীত গ্ৰেপ্তাৰ বৰণ কৰি তেজপুৰ জেলত ছমাহ সশ্ৰম কাৰাদণ্ড ভুগে। চৌৰিচৌৰিৰ ঘটনাৰ পিছত আন্দোলনে কিছুদিন গাপ্ লয়। এনেতে ১৯২৩ চনত পণ্ডিত মদনমোহন মালব্য অসমলৈ আহোতে তেখেতৰ স্নেহ-ভাজন হৈ কাশী হিন্দু বিশ্ববিদ্যালয়লৈ গৈ তাত দুবছৰ কাল বি, এছ, চি ইঞ্জিনীয়াৰিঙৰ শিক্ষা লাভ কৰে। প্ৰাচীন মধ্যযুগীয় তথা আধুনিক ভাৰতবৰ্ষৰ শিক্ষা-সংস্কৃতিৰ অন্যতম্ নাভিকেন্দ্ৰ বাৰাণসীত থকা কালছোৱাত সংগীত সাধনা আৰু বেহেলা বাদনত বিশেষ ব্যুৎপত্তি লাভ কৰি কম দিনৰ ভিতৰতে বৰুৱা প্ৰভূত যশ-মানৰ অধিকাৰী হৈ উঠে। তাত থাকোঁতে বি, এছ, চি ইঞ্জিনীয়াৰিং পঢ়া, নিয়মিতভাৱে সঙ্গীত চৰ্চা কৰা আৰু জন্মভূমিক শত্ৰুৰ হাতৰপৰা বন্ধনমুক্ত কৰা এই তিনিওটা সুঁতি ত্ৰিবেণী সঙ্গমৰ দৰে বৰুৱাৰ দেহ-মনত প্ৰৱাহিত হৈ আছিল। যথা সময়ত পঢ়া সাং কৰি সঙ্গীত চৰ্চাত মনপুতি লাগে আৰু কাশীৰ উচ্চ স্তৰৰ অনেক সাংস্কৃতিক অনুষ্ঠানে বৰুৱাক আমন্ত্ৰণ কৰি নি তেখেতৰ গীত আৰু বেহেলা বাদন শ্ৰৱণ কৰি পৰম তৃপ্তি লাভ কৰে। উল্লেখযোগ্য যে বৰুৱা কাশী বিশ্ববিদ্যালয়ত স্থাপিত হোৱা সঙ্গীত সন্মিলনৰ অন্যতম উদ্যোক্তা আছিল। ১৯২১ চনৰপৰা প্ৰাকস্বাধীনতাৰ সময়লৈকে

সংঘটিত প্ৰতিটো আন্দোলনতে বৰুৱাই সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩০ চনৰ পৰা ১৯৩৯ চনলৈকে কেবাবাৰো চৰকাৰৰ চোকা নজৰবন্দী হৈ থাকে। ১৯৪০ চনৰ ইংৰাজ মিলিটাৰীয়ে গ্ৰেপ্তাৰ কৰি নি চাৰি মাহ কাৰাৰুদ্ধ কৰি ৰাখে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত বীৰদৰ্পে যোগ দি ১৬।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ছমাহ সশ্ৰম কাৰাদণ্ড, ন মাহ চিকিউৰিটি বন্দী, দেড় বছৰ অসমৰ পৰা বহিষ্কাৰ আৰু এবছৰ চিলঙত অন্তৰীপ বন্দী হিচাপে শাস্তি ভুগিব লগীয়া হৈছিল। বৰুৱাই শেহত মঙ্গলদৈৰ পৰা শিৱসাগৰলৈ গৈ তাতেই স্থায়ী বসতি পাতে আৰু শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি হয়।

আগতে উল্লেখ কৰি অহা হৈছে যে প্ৰফুল্লচন্দ্ৰ বৰুৱাই ১৯২৪ চনত প্ৰথমে অসমীয়া গীত 'হিজ্ মাষ্টাৰ্ছ ভইচ'ত বাণীবদ্ধ কৰে। প্ৰথমখন ৰেকৰ্ডত গীতিকবি উমেশচন্দ্ৰ চৌধাৰী, ৰাধানাথ ফুকন আৰু প্ৰসন্নলাল চৌধুৰীৰ মুঠতে চাৰিটা গীত নিজে সুৰ দি বাণীবদ্ধ কৰে। তাৰ পিছত তেখেতে আন দুখন ৰেকৰ্ড প্ৰস্তুত কৰে। সেই দুখন ৰেকৰ্ডত আনন্দচন্দ্ৰ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, অম্বিকাগিৰী ৰায়চৌধুৰী, উমেশচন্দ্ৰ চৌধাৰী, চন্দ্ৰকুমাৰ আগৰৱালা আৰু শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত দুটা বৰগীত সন্নিবিষ্ট কৰে।

বৰুৱা এগৰাকী সুঅভিনেতাও আছিল। জ্যোতিপ্ৰসাদৰ জয়মতী চলচিত্ৰত (১৯৩৫) বৰুৱাই বৰগোঁহাইৰ, তেখেতৰ ভাতৃ পৰশুৰাম বৰুৱাই (ফুনু বৰুৱা) গদাপাণিৰ, আৰু তেখেতৰ শিশু পুত্ৰদ্বয় জয়ন্ত আৰু ৰণজিতে লাই আৰু লেচাইৰ অভিনয় কৰিছিল। অতি শোকৰ কথা বৰুৱাদেৱৰ মৃত্যুৰ প্ৰায় এবছৰ পূৰ্বে তেখেতৰ অতি মৰমৰ কনিষ্ঠ পুত্ৰ ৰণজিতে অকস্মাতে ইহলীলা ত্যাগ কৰি তেখেতৰ হিয়াত দাৰুণ আঘাত হানি থৈ যায়। ৰণজিতৰ মৃত্যুৰ পিছত বোৱাৰী, সাহিত্যিকা শ্ৰীমতী নীতি বৰুৱাক সান্ত্বনা দিবৰ কাৰণে গীতাধৰ্মী বৰুৱাদেৱে শিলপুখুৰীত অৱস্থান কৰি বিধবা বোৱাৰী

আৰু নাতিনীহঁতক শান্তনা দি আছিল।

বৰুৱাদেৱ শিক্ষা, সাহিত্য, উদ্যোগ, সংস্কৃতি, ৰাজনীতি, ধৰ্মীয় আৰু অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৫১ চনৰ পৰা একুৰিৰো অধিক বছৰ টি ব'ৰ্ডৰ সদস্য আছিল। এবাৰ তেখেতে টি বৰ্ডৰ উপ-সভাপতি ৰূপে কাৰ্য পৰিচালনা কৰিছিল। তেখেত অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডৰ তদন্ত আয়োগৰ সভাপতি, চাহ উদ্যোগ 'বৰুৱা কমিটি'ৰ সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সদস্য আৰু অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ সাংস্কৃতিক শাখাৰ সভাপতি তথা উদ্বোধক আছিল। অসম সাহিত্য সভা অনুষ্ঠানটোক তেখেতে প্ৰাণসম ভাল পাইছিল আৰু স্বনামধন্য পিতৃৰ স্মৃতি যুগমীয়া কৰাৰ কাৰণে গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনৰ কাষতে "সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদন" নিৰ্মাণৰ বাবে উল্লেখযোগ্য দান আগবঢ়াইছিল। তদুপৰি অসম সাহিত্য সভাৰ তেখেত এগৰাকী হিতৈষী পৃষ্ঠপোষক আছিল। অসম সাহিত্য সভা আৰু অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি তেখেতে আগবঢ়োৱা অৱদানৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰি বিহু-পুৰীয়া (১৯৮৫) অধিবেশনত তেখেতক সম্বৰ্দ্ধনা জনোৱা হৈছিল।

দানৰ ক্ষেত্ৰত বৰুৱাদেৱক অসমৰ 'যমুনালাল বজাজ' বুলি ক'লে বোধকৰো অত্যুক্তি কৰা নহব। ১৯৬০ চনত সন্ত বিনোবাজী ভূদান আন্দোলনৰ সম্পৰ্কত অসমলৈ আহোঁতে অসমীয়াৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ দান—এহেজাৰ বিঘা মাটি দান কৰি অভিলেখ স্থাপন কৰিছিল।

শিৱসাগৰত অনুষ্ঠিত 'হিৰণ্যপ্ৰভা গ্ৰন্থাগাৰ আৰু সংগ্ৰহালয়' বৰুৱাদেৱৰ অকুণ্ঠ দানৰ ফলশ্ৰুতি। এইবোৰৰ উপৰিও শিৱসাগৰ অঞ্চলত স্থাপিত হোৱা প্ৰতিটো শিক্ষা-সাংস্কৃতিক, ধৰ্মীয় আৰু ঔদ্যোগিক অনুষ্ঠানত বৰুৱাৰ দান-বৰঙণি, সক্ৰিয় সহায়-সহযোগ লেখত লবলগীয়া বিধৰ।

বৰুৱাদেৱ শিৱসাগৰ কলেজৰ অন্যতম দাতা, প্ৰতিষ্ঠাপক উপ-সভাপতি আৰু পিছত কেবাবছৰো ধৰি সভাপতি আছিল। সেইদৰে

শিৱসাগৰ ছোৱালী কলেজ, শিৱসাগৰ বাণিজ্য কলেজ, গড়গাওঁ কলেজ, সোণাৰী কলেজ আদিৰো তেখেত একেৰাহে উদ্যোক্তা, সভাপতি আৰু দাতা আছিল। বৰুৱানগৰ হাইস্কুল আৰু দিখৌমুখ হাইস্কুলো বৰুৱাদেৱৰ উদ্যম আৰু দানৰ ফলত স্বাৱলম্বী হৈ উঠিছিল। তদুপৰি শিৱসাগৰত অনুষ্ঠিত 'শ্ৰীশঙ্কৰদেৱ সমাজ'ৰ নামঘৰো তেখেতৰ দান আৰু কলাসুলভ সৃজনী প্ৰতিভাৰ ফল।

বয়সে মানুহক বুঢ়া নকৰে। উদ্যোগী সিংহ পুৰুষ বৰুৱাদেৱে ছয়াশী বছৰ বয়সলৈকে বলিষ্ঠ ডেকাজনৰ দৰে অবিৰাম দেশৰ আৰু দহৰ হকে কাম কৰি আছিল। 'অসম জাতীয় শ্ৰমিক বাহিনী' খুলি তেখেত তাৰ প্ৰথম 'বৰ সেনাপতি' হৈ কাৰ্য পৰিচালনা কৰিছিল। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ উদ্যোগত চলা ছবছৰীয়া বিদেশী বহিষ্কাৰ আন্দোলনৰো বৰুৱাদেৱ এজন জাগ্ৰত প্ৰহৰী আছিল। ১৯৮৩ চনত অসমৰ বুকুত সংঘটিত হোৱা তাণ্ডৱ লীলা তদন্ত কৰাৰ কাৰণে বৰুৱা আৰু তেখেতৰ সতীৰ্থ কেইগৰাকীমানৰ আপ্ৰাণ চেষ্টাৰ ফলত ইতিহাস প্ৰসিদ্ধ 'মেহ্‌তা আয়োগ' পতা হয়।

পৰম শিক্ষানুৰাগী বৰুৱাদেৱ ১৯৬৮ চনত শিৱসাগৰত অনুষ্ঠিত হোৱা সদৌ অসম হাইস্কুল শিক্ষক সন্থাৰ আদৰণি সমিতিৰ সভাপতি, শিৱসাগৰ জনজাতীয় সাংস্কৃতিক সন্থাৰ সভাপতি, শিৱসাগৰ শঙ্কৰদেৱ সমাজৰ সভাপতি, শিৱসাগৰ মাদকদ্ৰব্য নিবাৰণী সঙ্ঘৰ সভাপতি আছিল।

অসমৰ উদ্যোগপতি সকলৰ ভিতৰত বৰুৱাদেৱ অন্যতম শ্ৰেষ্ঠ ব্যক্তি হোৱাৰ উপৰিও উদ্যোগীকৰণৰ ক্ষেত্ৰত তেখেত সাগৰ সদৃশ জ্ঞানৰ অধিকাৰী আছিল। তেখেত অসমৰ চাহ উদ্যোগৰ এজন বাটকটীয়া আৰু ভাৰতীয় চাহ নিগমৰ অসম শাখাৰ সক্ৰিয় সদস্য আছিল। তেখেত কেবাবছৰ ধৰি চাহ উদ্যোগৰ উপ-সভাপতি, ডিৰেক্টৰ, নামৰূপ পেট্ৰ'কেমিকেলৰ ডিৰেক্টৰ, আসাম ইণ্ডাষ্ট্ৰিয়েল ডেভেলাপমেণ্ট

ক'ৰপোৰেচনৰ ডিৰেক্টৰ, আসাম ফাইনেন্‌চিয়েল ক'ৰপোৰেচনৰ ডিৰেক্টৰ, নেচনেল ক্ৰেডিট কাউন্সিলৰ সদস্য (১৯৭৪) আছিল।

চাহ শিল্প সম্পৰ্কে তেখেতৰ অতুলনীয় অভিজ্ঞতা থকা কাৰণেই ভাৰতীয় চাহ নিগমৰ প্ৰতিনিধি দলৰ নেতৃত্ব দি বৰুৱাদেৱে বহুবাৰ পৃথিৱীৰ বহুতো ৰাষ্ট্ৰ ভ্ৰমণ কৰিছে। তাৰ ভিতৰত লণ্ডন, ৰোম, কাম্পলা, আফ্ৰিকা আদি। তদুপৰি অসম চাহ নিগম, আসাম উদ্যোগীকৰণ নিগম, অসম বিত্তযোগান নিগম, অসম পেট্ৰ'কেমিকেল আদিৰ বৰুৱাদেৱ মেনেজিং ডিৰেক্টৰ আছিল। বৰুৱাদেৱৰ সদ্‌ ইচ্ছা আৰু পৰামৰ্শ অনুসৰি 'অসম কৃষি বিশ্ববিদ্যালয়ত' (যোৰহাট) "টি চাইঞ্চ কোৰ্চ" এটা খোলা হয়। বৰুৱা মঙ্গলদৈ মৰাপাট কলৰ ডিৰেক্টৰ, বৰুৱানগৰ টি ইষ্টেটৰ মেনেজিং ডিৰেক্টৰ, ৰতনপুৰ টি ইণ্ডাষ্ট্ৰি আৰু কাঁকডোঙা টি ইষ্টেটৰ মেনেজিং ডিৰেক্টৰ আছিল।

সাধুকথা বা কিম্বদন্তী নহয়, বাস্তৱ কাহিনী। বিশ্ববিখ্যাত টাটা কোম্পানীৰ জন্মদাতা ব্যক্তিজন আছিল এজন অভাৱগ্ৰস্ত নিবনুৱা। বাটত পৰি থকা গজাল এটি সযত্নে বুটলি লোৱা দেখি মটৰ কোম্পানীৰ মালিক এজনে তেওঁক উপযাচি কোম্পানীৰ সৰু চাকৰি এটা দিছিল। কালক্ৰমত সেইজন ব্যক্তিয়েই হেনো টাটা কোম্পানীৰ সৰ্বময় কৰ্তা হয়। তামোলবাৰীৰ লগুৱা 'মোমাই' অধ্যাৱসায়ৰ গুণত বৰবৰুৱা হোৱা দৃষ্টান্ত ঐতিহাসিক সত্য। সেই একেদৰে ভিক্ষাৰ জুলি লোৱা নিঃস্ব প্ৰফুল্ল বৰুৱাই বাঁহ-বেতৰ সামান্য ব্যৱসায়ৰ মাজেদি শেষৰ ফালে কোটিপতি লক্ষদাতা হৈছিল। তেখেত অত্যন্ত মিতব্যয়ী লোক আছিল। কাগজৰ অকণমানি টুকুৰা এটাকো জাপিজুপি থৈছিল আৰু তেখেতলৈ অহা চিঠিপত্ৰৰ লেফাফাবোৰ ফালি উকা ফালটো লেখা কামত ব্যৱহাৰ কৰিছিল। ডাঙৰ ডাঙৰ ব্যক্তিসমূহৰ গাত এনেবোৰ মহৎগুণ প্ৰায়েই লক্ষ্য কৰা যায়। হিচাপৰ প্ৰতি অমনোযোগী হ'লে কোনো ব্যক্তিয়ে জীৱনত সফল কাম যে হ'ব নোৱাৰে সেইটো বৰুৱাদেৱে ভালদৰে উপলব্ধি কৰিছিল।

বৰুৱাদেৱৰ খোৱা-পিন্ধা, চলন-ফুৰণ প্ৰতিটো ক্ষেত্ৰতে খুব হিচাবী আছিল।

বৰুৱাদেৱে ১৯৫৭ আৰু ১৯৬১ চনত দুবাৰো লোকসভাৰ সদস্য নিৰ্বাচিত হৈছিল। সংসদী সদস্য হিচাপে তেখেতে অসমৰ অভাৱ-অভিযোগ দূৰীকৰণৰ বাবে আৰু উন্নয়নমূলক কামত অসমক আগবঢ়াই নিয়াৰ কাৰণে মাত মাতি আহিছিল।

সুখ-দুখ মানুহৰ জীৱনৰ মায়া-মৰিচিকাৰ দৰে। চৰম দুৰ্ভাগ্যৰ পৰা পৰম সৌভাগ্যশালী হোৱা বৰুৱাদেৱে জীৱনৰ শেষ দশাত পুনৰ চৰম দুখ-বেদনাক সাৱটি লব লগীয়া হৈছিল। তেখেতে প্ৰথমটো দাৰুণ আঘাত পাইছিল প্ৰিয়তমা পত্নীৰ আকস্মিক অন্তৰ্ধানত। সেইকুৰা জুয়ে তেখেতক খাওঁতে, বহোঁতে, শুওঁতে, উঠোতে সকলো সময়তে দপ্‌দপ্‌কৈ পুৰি থাকিছিল। সেইকুৰা অন্তৰ্দাহী জুইৰ তীব্ৰ তাপ মাৰ নৌযাওঁতে প্ৰাণাধিক সৰু পুতেক দেউতিৰ অকাল বিয়োগৰ শোকৰ জ্বালা সহিব লগীয়াত পৰে। মৰমৰ দেউতিৰ মৃত্যুৰ যন্ত্ৰনাই বৰুৱাক ইমান দাৰুণ আঘাত হানিছিল যাৰ ফলত পুত্ৰৰ পৰলোক প্ৰাপ্তিৰ এবছৰ পিছতেই ১৯৮৬ চনৰ ২ মাৰ্চ তাৰিখে, বৰুৱাদেৱৰো দেহান্তৰ ঘটে। বৰুৱাৰ মৃত্যুত এনেহেন এজন আদৰ্শ অসমীয়া মহৎ লোকৰ বিলুপ্তি ঘটিল যাৰ খালী ঠাই পূৰোৱাতো হয়তো কোনোকালে সম্ভৱ হৈ নুঠিব।

সিংহ-পুৰুষ ধনিৰাম তালুকদাৰ

উদ্‌যোগী পুৰুষক সিংহৰ লগত তুলনা কৰা হয়। পশুৰ ভিতৰত সিংহ যিদৰে পৰাক্ৰমী, নিৰ্ভীক, গম্ভীৰ আৰু শুৱনি; উদ্‌যোগী পুৰুষো পৰাক্ৰমী, নিৰ্ভীক, গহীন-গম্ভীৰ আৰু ব্যক্তিসম্পন্ন। শ্ৰীমদ্ভাগৱত গীতাৰ অৱতাৰী পুৰুষ শ্ৰীকৃষ্ণৰ দৰে সিকল ব্যক্তি সত্য আৰু ন্যায়ক প্ৰতিষ্ঠা কৰাৰ কাৰণে যি কোনো পৰিস্থিতিৰ সন্মুখত অসাধাৰণ সাহস আৰু শক্তিৰ পৰিচয় দি থিয় হয়। নিজ গুণকৰ্মৰ ফলত তেনে লোকে অমৰত্ব লাভ কৰে; জনমানসত স্মৰণীয় আৰু বৰণীয় হৈ থাকে। উত্তৰ পুৰুষসকলে তেওঁলোকক আদৰ্শ পুৰুষ হিচাপে আগত ৰাখি কৰ্তব্যপথত ধাবমান হয়। তেনে এগৰাকী সিংহপুৰুষ আছিল বৰপেটাৰ ধনিৰাম তালুকদাৰ। সংস্কৃত ভাষাৰ ধনিন্ (ধন+ইন্) শব্দৰ পৰা উৎপত্তি হোৱা ধনী (বিণ) ৰ সলনি তেখেতে নিজৰ নামটো ধনি; ধনিৰাম তালুকদাৰ বুলিয়েই লিখিছিল। অৱশ্যে বিশিষ্ট ব্যক্তি তালুকদাৰৰ নামটোৰো এটা বৈশিষ্ট্য লক্ষ্য কৰা যায়।

চেঙা মৌজাৰ চেঙা গাৱঁৰ সমীপৱৰ্তী চেনিমাৰী নামৰ এখনি সৰু গাৱঁত পিতৃ সম্বৰুৰামৰ ঔৰসত, মাতৃ মৰিচিৰ গৰ্ভত কনিষ্ঠ পুত্ৰ ধনিৰামৰ ১৮৮৮ খৃষ্টাব্দৰ ২ মে (১৯ বহাগ) তাৰিখে জন্ম হয়। 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন' প্ৰবাদ বাক্যৰ দৰে শিশু ধনিৰামেও জন্মৰ লগে লগে সুস্বাস্থ্য, দেৱোপম ৰূপ, সু-পুৰুষৰ লক্ষণসমূহ লৈ আহিছিল। সেই একেদৰে চালুকীয়া অৱস্থাৰে পৰা ধনিৰামে নিজৰ বুদ্ধি আৰু প্ৰত্যুৎপন্ন মনৰ পৰিচয়ো দিছিল। যথা সময়ত প্ৰাথমিক শিক্ষা সাং কৰি বৰপেটাৰ চৰকাৰী উচ্চ বিদ্যালয়ত পঢ়া আৰম্ভ

কৰিলে। এনেতে তেখেতৰ মাজু ককায়েক ৰতিকান্ত তালুকদাৰ (পুলিচ-চব-ইন্সপেক্টৰ) ডিব্রুগড়লৈ বদলি হোৱাত ককায়েকৰ লগত গৈ ডিব্রুগড়ৰ চৰকাৰী বিদ্যালয় 'জৰ্জ ইনষ্টিটিউট'ত পঢ়িবলৈ ললে। তাৰ পৰাই ১৯০৯ চনত কৃতিত্ব সহকাৰে প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তাৰ পিছত সেই সময়ৰ অসমৰ একমাত্ৰ মহাবিদ্যালয় কটন কলেজৰ আই, এছ, চি শ্ৰেণীত নাম ভৰ্ত্তি কৰে। তাতো প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বি, এছ, চি মহলাত পঢ়িবলৈ ললে। ১৯১৩ চনত প্ৰথম বিভাগত বি, এছ, চি পাছ কৰি গুৱাহাটীৰ আৰ্ল ল' আইন কলেজত নাম ভৰ্ত্তি কৰে আৰু আইনৰ পৰীক্ষা পাছ কৰে। উল্লেখযোগ্য যে সৎ সাহস, শক্তি আৰু প্ৰতিভাৰ গুণত দুয়োখন কলেজৰে অধ্যাপক আৰু ছাত্ৰসকলৰ মাজত তালুকদাৰ অতি প্ৰিয়ভাজন হৈ উঠিছিল। কটন কলেজৰ সেই সময়ৰ প্ৰথিতযশা অধ্যক্ষ মিঃ চুদমাৰ্ছেন চাহাব আৰু আৰ্ল কলেজৰ ঋষিতুল্য অধ্যক্ষ জ্ঞানদাভিৰাম বৰুৱাদেৱে ধনিৰাম তালুকদাৰক পুত্ৰসম স্নেহ কৰিছিল।

কটনিয়ান হৈ থাকোঁতে ধনিৰামে বহু কথা, বহু সময়ত সৎ সাহস, শক্তি আৰু খেলা-ধূলা, গান-বাজনা আদিত নিজৰ প্ৰতিভা আৰু দক্ষতাৰ পৰিচয় দিছিল। এবাৰ বশিষ্ঠাশ্ৰমৰপৰা বনভোজ খাই সদলবলে খোজকাঢ়ি কলেজলৈ উভতাৰ পথত পিছফালৰপৰা চাইকেলেৰে অহা তিনিজন ফিৰিঙি চাহাবৰ শেষৰজনে ইচ্ছাকৃত-ভাৱেই নেকি ধনিৰাম তালুকদাৰক চাইকেলেৰে খুন্দা মৰাত ভীমবলী তালুকদাৰে চৰ-ঘোষা মাৰি চাহাবৰ মুখৰ তেজ কাঢ়িলে। জিলাৰ উপায়ুক্ত হাৰবাৰ্ট আৰু তিনিজন চাহাব আৰু তিনিজনী মেম্ ঘোঁৰাৰ গাড়ীৰে আহি থাকোঁতে ঘটনাস্থলীত উপস্থিত। ইফালে বনভোজ খাই ঘূৰি অহা কটনিয়ানৰ দলটো সন্তম হৈ আছে। ঘটনা বিষম যেন দেখি আন দুজন কটনিয়ান চিত্ৰমল্ল বুজৰবৰুৱা আৰু সত্যেন্দ্ৰ মুখাৰ্জী অইন ছাত্ৰবোৰক খবৰ দিবলৈ যাব ওলোৱাত চাহাবসকলে বাধা

দিয়াৰ চেষ্টা কৰি ধনিৰামৰ বাঁহৰ নিচানৰ কোব খায়। দুই গোনা ম'হৰ যুঁজ লগাৰ দৰে মিঃ বেণী আৰু ধনিৰামৰ মাজত ভীষণ মুষ্টিযুদ্ধ চলিল। মিঃ বেণী ছফুট ওখ, নিপোটল দেহৰ, ধনিৰাম ছফুট দুই ইঞ্চি, ভীমকায়। শেহত ধনিৰাম জয়ী হ'ল। এইয়া যেন আছিল কীৰ্তন পুথিৰ 'স্যামন্তক হৰণ'ৰ শ্ৰীকৃষ্ণ আৰু ঋক্ষৰাজৰ যুদ্ধ।

কটনিয়ানশ্ৰী, অসমশ্ৰী ধনিৰামৰ বীৰত্বৰ কাহিনী তুৰন্তে অসম চাটিফুটি গ'ল। স্বদেশপ্ৰেমী অসমীয়া, বঙালী সকলোৱে ধনিৰামক আশীৰ্বাদ দিলে, অভিনন্দন জনালে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভূতপূৰ্ব মুখ্য ন্যায়াধীশ শ্ৰীকিৰণময় লাহিড়ীৰ পিতামহ প্ৰখ্যাত আইনবিদ্ ললিতমোহন লাহিড়ীয়ে ধনিৰামক অভিনন্দন জনাই শ্বেকচ্‌পিয়েৰৰ সম্পূৰ্ণ ৰচনাৱলী উপহাৰ দিলে। কিন্তু চাহাববোৰে ধনিৰাম তালুকদাৰৰ এই কাৰ্যৰ পোতক তোলাৰ বাবে উঠিপৰি লাগিল। শেহত অধ্যক্ষ চুদ মাৰ্ছেনৰ মধ্যস্থতাত মিঃ বেণী আৰু ধনিৰামে কৰমৰ্দন কৰি ঘটনাৰ অন্ত পেলালে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনীত তেখেতে বাৰিষাৰ ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হোৱা, শিঙত ধৰি ষাঁড় গৰু ওফৰাই দিয়াৰ ৰোমাঞ্চকৰ কাহিনী, আৰু পাওঁ 'ৰাম বিজয়' প্ৰভৃতি ছখন অঙ্কীয়া নাট লিখি নিজে মঞ্চসজ্জা কৰা, অভিনয় কৰা, গীত-বড়গীত ৰচনা কৰা, সুললিত সুৰত গোৱা। সেইজনা মহাপুৰুষৰে চৰণৰ ধূলি, মহাপুৰুষীয়া ধৰ্ম আৰু বৰপেটা সত্ৰক জীৱনপণ কৰি ভালপোৱা আৰু ৰক্ষা কৰা ধনিৰাম তালুকদাৰে সাঁতোৰ প্ৰতিযোগিতাত অভিলেখ স্থাপন কৰিছিল, কটন কলেজৰ হোষ্টেলত দিশহাৰা হৈ ঘূৰিফুৰা প্ৰকাণ্ড জটাল পহু এটাক শিঙত ধৰি বগৰাই পেলাইছিল, পুত্ৰ-কন্যাৰে সৈতে দুৰ্ঘটনাপ্ৰাপ্ত হৈ ৰাস্তাৰপৰা হৰ্‌হৰ্‌কৈ গভীৰ খাললৈ নামি যোৱা নিজৰ চেভ্ৰোলেট গাড়ীখন অকলে কান্ধ-পাতি ধৰি জীৱন-মৰণ সমস্যাৰপৰা পুত্ৰ-কন্যা সবক ৰক্ষা কৰিছিল, নিজে গীত ৰচনা কৰি সুৰ দি গাইছিল আৰু ভাটি বয়সত 'শ্ৰীকৃষ্ণ' নামৰ নাট

ৰচনা কৰি নিজৰ হাউলিতে মঞ্চ সাজি পুত্ৰ-কন্যা, জোঁৱাই, বোৱাৰী, নাতি-নাতিনী, ওচৰ-চুবুৰীয়াক অংশ গ্ৰহণ কৰোৱাই কেবাদিনো অভিনয় কৰিছিল। তালুকদাৰ এজন সুগায়ক হোৱাৰ উপৰিও এজন নামজ্বলা অভিনেতাও আছিল। বছৰত নিজৰ খৰচত কেবাখনো নাটক মঞ্চস্থ কৰি কলাকৃষ্টিৰ পৃষ্ঠপোষকতা কৰিছিল। তদুপৰি নিজৰ হাউলিতে নামঘৰ পাতি নিত্যনৈমিত্তিকভাৱে নাম-কীৰ্তন কৰিছিল, পুত্ৰ-কন্যাসবকো নিজৰ আদৰ্শৰ অনুগামী কৰিছিল। ল'ৰা-ছোৱালীকে ধৰি ঘৰৰ প্ৰতিজনে প্ৰতি দিনে গা ধুই শুদ্ধভাৱে নামঘৰত সোমাই থাপনাত আঁঠু লোৱাটো অপৰিহাৰ্য আছিল।

আইনৰ পৰীক্ষা পাছ কৰি আদালতত যোগ দিয়াৰ আগলৈকে এই সময়ছোৱাত তালুকদাৰে বিশিষ্ট বন্ধু গিৰীশচন্দ্ৰ বৰদলৈ, বলীন্দ্ৰ বৰুৱা আৰু লক্ষেশ্বৰ বৰুৱাৰ সৈতে উদ্যম লৈ ১৯১৯ চনত উত্তৰ গুৱাহাটীত এখন হাইস্কুল প্ৰতিষ্ঠা কৰে। তাৰ অলপ দিন পাছতে আউনিআটি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীকমলাকান্ত গোস্বামী প্ৰভু উত্তৰ গুৱাহাটীলৈ আহি উক্ত বিদ্যালয়ৰ বাবে দহ হেজাৰ টকা দান কৰাত তেখেতৰ নামতে 'আউনিআটি কমলদেৱ ইনষ্টিটিউট' নামকৰণ কৰা হয়। ইতিমধ্যে তালুকদাৰে ওকালতি কৰাৰ অনুমতি পত্ৰ পালে আৰু বৰপেটাৰ আদালতত ওকালতি আৰম্ভ কৰিলে। আইন ব্যৱসায়ত যোগ দিয়াৰ কিছুদিন পাছতে বৰপেটাৰ সুপ্ৰসিদ্ধ সূত্ৰধাৰ বংশৰ গোলোকচন্দ্ৰ দাসৰ জ্যেষ্ঠা কন্যা হেমলতাক বিয়া কৰালে।

অসমৰ ভিতৰত বৰপেটা অঞ্চলটো বহুতো দিশত আগবঢ়া, তাত সন্দেহ নাই। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনতো বৰপেটাৰ উল্লেখ-যোগ্য অৱদান আছে। বৰপেটাৰ লোকেল বোৰ্ড আৰু বৰপেটাৰ উকীল সম্থাই প্ৰাক্-স্বাধীনতা কালত অভিলেখ স্থাপন কৰিছিল। ধনিৰাম তালুকদাৰ এগৰাকী প্ৰসিদ্ধ উকীল হোৱাৰ উপৰিও বৰপেটা লোকেল বোৰ্ডৰ একেৰাহে ১৬ বছৰ সভাপতি হিচাপে থাকি অতুলনীয় আৰু অসামান্য অৱদান আগবঢ়াই গৈছে। তেখেতৰ

সংসাহস স্বদেশপ্ৰেম, ভাষাপ্ৰেম আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতি থকা ভক্তি আৰু পৰকাণ্ঠা অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ লগতহে ৰিজাৰ পাৰি। বহুক্ষেত্ৰত দুয়োৰে মিল আছিল।

তালুকদাৰৰ সময়ৰ বৰপেটাৰ আন কেইগৰাকীমান প্ৰৱীণ উকীল তথা স্বদেশপ্ৰেমী নয়নাভিৰাম পুৰুষ আছিল কামেশ্বৰ দাস, লোহিত চন্দ্ৰ নায়ক, (১) যাদৱ চন্দ্ৰ দাস, (২) যাদৱ চন্দ্ৰ দাস, সদানন্দ দাস, দেবেন্দ্ৰ নাথ উজীৰ, অক্ষয় কুমাৰ দাস, হেমচন্দ্ৰ মেধী, ভূমিধৰ দাস, উপেন্দ্ৰ চন্দ্ৰ দাস, উদয়চন্দ্ৰ দাস, জানকী মোহন শৰ্মা, ৰামচন্দ্ৰ চৌধুৰী। উল্লেখযোগ্য যে, সিসকলৰ ভিতৰত ধনিৰাম তালুকদাৰে বিশেষভাৱে সকলোৰে পৰা শ্ৰদ্ধা আৰু সন্মান লাভ কৰিছিল। সেই সময়ৰ বিশিষ্ট শিক্ষাবিদ্ শৰৎচন্দ্ৰ গোস্বামীদেৱৰ তালুকদাৰ বিশিষ্ট বন্ধু আছিল আৰু বৰপেটা লোকেল বোৰ্ডৰ সুদীৰ্ঘকাল সভাপতি হৈ থকা সময়-ছোৱাত চৰুৱা মুছলমান অধ্যুষিত অঞ্চলবোৰত অসমীয়া মাধ্যমৰ প্ৰাইমাৰী স্কুল পাতি দি তেওঁলোকক অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰাৰ বাবে সুযোগ-সুবিধা দিছিল। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে মুছলীম লীগৰ নেতা মৌলানা ভাসানী আৰু বৃহত্তৰ বঙলাৰ স্বপ্নবিলাসী লোক কিছুমানে চৰুৱা অঞ্চলত অসমীয়া মাধ্যমৰ স্কুল পতাৰ ঘোৰ বিৰোধিতা কৰিছিল আনকি তাৰবাৰী অঞ্চলত লক্ষাধিক চৰুৱা মুছলীমৰ সভা আহ্বান কৰি বঙলা ভাষা প্ৰচাৰৰ কাৰণে তেজোদ্দীপ্ত বক্তৃতা দিছিল। সেই সভাত চেয়াৰম্যান ধনিৰাম তালুকদাৰে সিংহ বিক্ৰমেৰে চৰুৱাসকলক তিনিটা প্ৰশ্ন কৰি তাৰ শান্তিপূৰ্ণ সমিধান কিদৰে কৰিব পাৰি উপায় খোজাত চৰুৱাসকলে আবেগ অভিভূত হৈ উৎফুল্লিত কণ্ঠেৰে অসমীয়া মাধ্যমৰ স্কুল লাগে বুলি দাবী জনাইছিল, ধনিৰাম তালুকদাৰৰ নেতৃত্ব একমুখে মানি লৈছিল। সেয়েহে আজি নঅসমীয়া বুলি তেওঁলোকে নিজকে পৰিচয় দি অসমীয়া ভাষা-সংস্কৃতিত শান্তিবাৰি ছটিয়াই আছে। তাৰ পাছতে বৰপেটাৰ নঅসমীয়া সকলে গ্ৰহণ কৰা পথ তেতিয়াৰ

অবিভক্ত গোৱালপাৰা জিলাৰ নঅসমীয়া সকলেও গ্ৰহণ কৰি বৃহত্তৰ অসমীয়া জাতি গঠনত সাৰপানী যোগালে। এইজনেই আছিল বিশাল ব্যক্তি মহিমাসম্পন্ন, হিন্দু-মুছলমান দুয়োটা সম্প্ৰদায়ৰে সমানে আস্থাভাজন ধনিৰাম তালুকদাৰ।

১৯২১ চন। ভাৰতবৰ্ষব্যাপী অসহযোগ আন্দোলনৰ দল্‌দোপ হেন্দোলদোপ। মহাত্মা গান্ধী অসহযোগ আন্দোলনৰ কাৰ্যসূচী লৈ গুৱাহাটী পালেহি। গান্ধীজী অসম গৌৰৱ দেশভক্ত ফুকনৰ আলহী থাকি তেখেতৰ হাউলীত বিলাতী বস্ত্ৰ-নিধন যজ্ঞত অগ্নি প্ৰজ্বালন কৰিছিল। ফুকনে অসমৰ কংগ্ৰেছী নেতাসকলক এজন এজনকৈ মহাত্মাৰ লগত পৰিচয় কৰি দিছে। সৰ্বশেষত ধনিৰাম তালুকদাৰৰ পাল পৰাত ফুকনে তালুকদাৰৰ কান্ধত হাত থৈ মহাত্মাৰ আগত পৰিচয় কৰি দিলে—"গান্ধীজী, এওঁ মোৰ সোঁহাত, কংগ্ৰেছৰ আন এজন প্ৰধান সেনাপতি।" গান্ধীজীয়ে স্বভাৱ সুলভ হাঁহিটো মাৰি সুধিলে—"সেনাপতিনো কিদৰে হ'ল?" ফুকনে সমিধান দিলে—"অহিংস সেনাপতি, কিন্তু খঙাল আৰু খুহুঁতীয়া। এওঁ 'তিলক স্বৰাজ্য 'ফান্দ'ৰ কাৰণে বহুত বৰঙণি তুলিছে। আমি আশা কৰাতকৈ বেছি সংখ্যক। কংগ্ৰেছৰ সভ্য ভৰ্ত্তি কৰিছে আৰু বৰপেটাত প্ৰথমতে কাছাৰী বৰ্জন কৰি ওকালতি ব্যৱসায় এৰি কংগ্ৰেছৰ কামত লাগি আছে।" গান্ধীজী তালুকদাৰক বিশেষ স্নেহ কৰি গাত হাত বুলাই কলে—"বহুত আচ্ছা বাত"। তালুকদাৰৰ দেহত গান্ধীজী স্পৰ্শ কৰাৰ লগে লগে তৰিতৰ দৰে এক দৈৱিক শক্তি প্ৰবাহিত হ'ল। ই তেখেতৰ জীৱনৰ কাৰণে কম ডাঙৰ কথা নহয়! ধনি তালুকদাৰৰ জীৱন আৰু বংশ যেন সৰ্বকালৰ বাবে ধন্য হ'ল।

ধনিৰাম তালুকদাৰৰ তেনে দ্বিতীয় সৌভাগ্যটো ঘটিছিল ১৯৪৫ চনত যেতিয়া পণ্ডিত জৱাহৰলাল নেহেৰু দলৰ সংগঠনৰ কামত অসমলৈ আহিছিল। নেহেৰুজীয়ে অসম ভ্ৰমণৰ সময়ত তালুকদাৰৰ আটকধুনীয়া 'চেভ্ৰলেট' গাড়ীখন পচন্দ কৰিছে। অকল গাড়ীকেই

নহয়, ভ্ৰমণকালত তালুকদাৰকো তেখেতৰ লগত থকাৰ কাৰণে অনুৰোধ জনালে। পণ্ডিতজীৰ সান্নিধ্য সুখত তালুকদাৰ পমি গ'ল। ভ্ৰমণৰ কালছোৱাত অসমৰ স্বাৰ্থজড়িত বহুতো কথাই নেহেৰুজীৰ কৰ্ণগোচৰ কৰি অসমৰ প্ৰতি তেখেতৰ মন কোমল কৰি তুলিলে। মহাত্মাজী আৰু নেহৰুজীৰ তেনেদৰে প্ৰিয়ভাজন হব পৰাটোও নিশ্চয় জানো তালুকদাৰৰ বিশাল ব্যক্তিত্বৰ পৰিচয় নহয়?

১৯২১ চনৰ অসহযোগ আন্দোলনৰ ভীমকৰ্মা ব্যক্তি হিচাপে তালুকদাৰে বিদেশী বস্ত্ৰ, কানি, ভাং, মদ আদি বৰ্জন কৰাৰ কাৰণে সভা-সমিতি পাতি স্ফুলিঙ্গ চিটিকি পৰা বক্তৃতা দি ফুৰিছে। তাৰ পৰিণতি স্বৰূপে তালুকদাৰক গ্ৰেপ্তাৰ কৰি ১৫ মাহৰ কাৰাদণ্ডৰ হুকুম দিলে। তেখেতক গ্ৰেপ্তাৰ কৰা সময়ৰ বৰ্ণনা তেখেতৰ অনুগামী এজনে এনেদৰে লিপিবদ্ধ কৰিলে—"ধনিৰাম তালুকদাৰক ফাটেক দিবৰ বাবে চৰকাৰে গ্ৰেপ্তাৰ কৰিছে।···। নখান্দা নদীৰ পাৰলৈ চাব গ'লো। হয়, ফুলৰ মালাৰে গোটেই গাটো ভৰ্তি এজন প্ৰায় ছফুট দীঘল, গৌৰবৰ্ণ সুঠাম স্বাস্থ্যৰ সুপুৰুষ, অগণন লোকে খোল-বাদ্যৰে গীত গাই সমদলেৰে আহি আছে। চনটো ১৯২১ চন। জনতাৰ মুখত জয়ধ্বনি "ভাৰত মাতা কি জয়, মহাত্মা গান্ধী কি জয়।" কীৰ্ত্তন ঘৰৰ আগত বিৰাট জনসভা, লোকে লোকাৰণ্য, শুনিলো ধনিৰাম তালুকদাৰক গুৱাহাটীত বিচাৰ কৰি ১৫ মাহ ফাটেক দিলে।" তেখেতক ৪-১-২২ তাৰিখে গ্ৰেপ্তাৰ কৰি ২৩-১-২২ তাৰিখে সহবন্দী সকলোৰে সৈতে হাত কড়িয়া মাৰি জাহাজেৰে তেজপুৰ জেললৈ চালান দিয়ে।

১৯২১ চনৰ অসহযোগ অন্দোলনৰ সময়ত বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি আছিল উমেশচন্দ্ৰ ব্ৰহ্মচাৰী। তালুকদাৰ জেললৈ যোৱাৰ কেইমাহমান পিছতে তেখেতৰ প্ৰথম পুত্ৰ শ্ৰীপ্ৰাণজিৎ তালুকদাৰৰ জন্ম হয়। পুত্ৰলাভৰ আনন্দৰ এই সংবাদটো ব্ৰহ্মচাৰী জেলত ধনিৰাম তালুকদাৰক জনায়। অৱশ্যে তালুকদাৰৰ সুযোগ্যা পত্নী

হেমলতাও এগৰাকী মুক্তিযুঁজাৰু আৰু প্ৰসিদ্ধা কংগ্ৰেছ কৰ্মী আছিল। অসমৰ মহিলা সংগঠনটোৰ তেখেত অন্যতম উদ্যোক্তা আছিল। ১৯৩৫ চনত মহাত্মা গান্ধী অসমলৈ আহোতে বৰপেটা-লৈকো গৈছিল। বৰপেটাৰ বিৰাট ৰাজহুৱা সভাত মহাত্মা গান্ধীয়ে বক্তৃতা দিছিল আৰু সেই সভাত মহিলা সমিতিৰ সভানেতৃৰ ৰূপত হেমলতাই মহাত্মা গান্ধীক অভিনন্দন জনাইছিল। অসমীয়া মহিলাযে ইমান সমাজ সচেতনা আৰু দেশৰ মুক্তি সংগ্ৰামত এনেদৰে ব্ৰতী তাকে দেখি মহাত্মা গান্ধীয়ে অসমৰ মহিলা শক্তিক ভূয়সী প্ৰশংসা কৰিছিল।

ধনিৰাম তালুকদাৰ সকলো প্ৰকাৰে ধনী আছিল। ধনৰ ধনী, বিদ্যাৰ ধনী, নাম-যশস্যাৰ ধনী, পত্নী-পুত্ৰ-কন্যাৰ ধনী, স্বদেশ প্ৰেমৰ ধনী, সাহসৰ ধনী, স্বাস্থ্যৰ ধনী, মনৰ ধনী, ধৰ্মৰ ধনী আৰু শিৱাজীৰ দৰে নিজৰ জাতি-ধৰ্মক ৰক্ষা কৰাৰ কাৰণে আত্মবলিদান দিব পৰা সৎসাহসৰ ধনী আছিল। তাৰে এটি জ্বলন্ত উদাহৰণ পাওঁ বৰপেটা তৰাবাৰী অঞ্চলত ১৯৪৫ চনত বহা লক্ষাধিক মুছলীম্ লোকৰ জন-সমাবেশত বহা বিৰাট ৰাজহুৱা সভাৰ পৰিপ্ৰেক্ষিতত। সভা আৰম্ভ হোৱাৰ আগে আগে যাঠি, জোং, বল্লম, তৰোৱাল লৈ বিৰাট সমদল সাজি, সাম্প্ৰদায়িক জয় ধ্বনি তুলি বৰপেটাৰ কীৰ্ত্তন ঘৰৰ চৌহদেদি আগবঢ়াৰ সিদ্ধান্ত হ'ল। সিদ্ধান্তৰ লগে লগে অভাৱনীয় উত্তেজনাৰে বৰপেটাৰ কীৰ্ত্তন ঘৰৰ ফালে সমদল আগবাঢ়িবলৈ ধৰিলে। এই দুঃসংবাদ তৰিৎ বেগে ধনিৰাম তালুকদাৰৰ ওচৰ পালে। মুহূৰ্ত্তৰ ভিতৰতে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি স্বধৰ্ম ৰক্ষাৰ্থে, বিনাঅস্ত্ৰে অসাধাৰণ সৎসাহস দেখুৱাই সশস্ত্ৰ সমদলৰ সম্মুখত দুবাহু মেলি হিমগিৰিৰ দৰে তালুকদাৰে থিয় দিলে। লক্ষ জনতাৰ সমদলে ধনিৰামক অতিক্ৰম কৰি আগবঢ়াৰ সাহস গোটাব নোৱাৰিলে। পৃষ্ঠভঙ্গ দি আন এটি পথেৰে সমদল যাত্ৰী আগবাঢ়িল। এনেদৰে এটি অৱিশ্যম্ভাৱী ঘোৰ সাম্প্ৰদায়িক সংঘাটৰ পৰা অসমবাসীক

ধনিৰাম তালুকদাৰে ৰক্ষা কৰিলে।

অসমৰ তেল শোধনাগাৰ আন্দোলনতো তালুকদাৰদেৱে স্মৰণযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। অসম জননীৰ দুগ্ধ সদৃশ খাৰুৱাতেল অসমত শোধন নকৰি পাইপেৰে নি বাৰাউনিত শোধন কৰাৰ অভিসন্ধিমূলক দৃঢ়সংকল্প ভাৰত চৰকাৰে লোৱাৰ লগে লগে অসমৰ জনগণে অভূতপূৰ্ব আন্দোলন আৰম্ভ কৰিলে। যাইনেতা সকলৰ ভিতৰত তালুকদাৰ আছিল অন্যতম। শোধনাগাৰৰ পৰিপেক্ষিতত ১৯৫৬ চনত বৰপেটা চহৰত "কংগ্ৰেছৰ পলিটিকেল কনফাৰেন্স" বহাত সভাপতিৰ অনুমতি লৈ তালুকদাৰে সভাত সিংহনাদ কৰি যি উত্তেজনামূলক বক্তৃতা দিছিল সি সভাৰ পিছদিনাই সৰ্বভাৰতীয় মুখ্য সংবাদ-পত্ৰসমূহত প্ৰথম পৃষ্ঠাত বৰ বৰ হৰফেৰে প্ৰকাশ পাইছিল। তালুকদাৰে বক্তৃতা দি কৈছিল—"অসমত তেল শোধনাগাৰ পতা কাৰ্যকৰী নহয় আৰু লাভজনক নহয়" সেইকথা ভাৰত চৰকাৰৰ চাতুৰী মাথোন। অসমত ইতিমধ্যে তেনে তেল শোধনাগাৰ ডিগবৈত আছে, লাভো কৰি আছে। গতিকে ভাৰত চৰকাৰে কেৱল অসমবাসীক ঠগোৱাৰ অভিসন্ধি কৰিছে। চৰকাৰে যদি অসমত শোধনাগাৰ স্থাপিত নকৰে তেনেহ'লে অসমবাসীয়েও অসমৰ পৰা খাৰুৱা তেল অসমৰ বাহিৰলৈ নিব নিদিয়ে। প্ৰয়োজন হ'লে অসমবাসীয়ে প্ৰাণ আহুতি দিব তথাপি তেল নিব নিদিব—পাইপ লাইন কাটি দি তেল নিয়া বন্ধ কৰিব।" শেহত দ্বিগুণে উত্তেজিত হৈ কৈছিল—"অসমক বঞ্চিত কৰি অসমত তেল শোধনাগাৰ নাপাতি পাইপেৰে তেল নি অসমৰ বাহিৰত শোধনাগাৰ পাতিলে তেনেকুৱা তেলবাহী পাইপ প্ৰথমে মই কাটি দিম।" তালুকদাৰে বীৰদৰ্পে কৰা এই ঘোষণাৰ কথা তেতিয়াৰ সংসদী সদস্য শ্ৰীদেৱেশ্বৰ শৰ্মাদেৱে লোকসভাত সদৰি কৰি ইয়াৰ পৰিনাম কি হ'ব পাৰে ভাৰত চৰকাৰক সকিয়াই দিছিল। ধনিৰাম তালুকদাৰৰ দৰে উগ্ৰ অসমপ্ৰাণ ব্যক্তি আছিল বুলিয়েই গুৱাহাটীত অসমৰ দ্বিতীয়

পুতুলা তেল শোধনাগাৰ এটা স্থাপিত হ'ল, বাৰাউনিয়ে সিংহভাগ পালে।

ৰাজসিক চেহেৰা, ৰাজসিক ভোজন, ৰাজসিক পিন্ধন, ৰাজসিক চলন-ফুৰণ আদি ধনিৰাম তালুকদাৰৰ সকলো কথাই মুকুটবিহীন ৰজাৰ দৰে আছিল। সেই সময়ত চেয়াৰম্যান ধনিৰাম তালুকদাৰেই বৰপেটা মুলুকৰ প্ৰায়বোৰ সভা-সমিতিত পৌৰোহিত্য কৰিছিল। পঞ্চায়তৰ জৰিয়তে গাওঁ অঞ্চলৰ লোকৰ বাদবিবাদ মিমাংসা কৰি দি কোৰ্ট-কাছাৰীলৈ গৈ ধন অপচয় কৰাৰ পৰা দুখীয়া শ্ৰেণীক ৰক্ষা কৰিছিল আৰু সকলোকে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে শান্তি-সম্প্ৰীতিৰে বসবাস কৰিবলৈ উদ্বোদ্ধ কৰিছিল। তেখেতৰ বিচাৰত বাদী আৰু বিবাদী দুয়ো পক্ষই সন্তুষ্টি লাভ কৰিছিল।

বৰপেটাৰ ধনিৰাম তালুকদাৰৰ ঘৰখন অসম বিখ্যাত। এখন ডাঙৰ অতিথিশালাৰ দৰে তালুকদাৰৰ ঘৰলৈ প্ৰতিদিনে বহুত লোক আহিছিল, নিজৰ ঘৰৰ দৰে খোৱা-থকা কৰিছিল। অসমৰ প্ৰায়-বোৰ বৰেণ্য নেতাৰে তালুকদাৰৰ ঘৰখন অতি আদৰৰ ঘৰ আছিল আৰু তাতে আলহী থাকিছিল। অসমৰ প্ৰায়বোৰ মুখ্যমন্ত্ৰী—গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, বিমলাপ্ৰসাদ চলিহা, মহেন্দ্ৰ-মোহন চৌধুৰী, শৰৎচন্দ্ৰ সিংহ, ছাদুল্লা চাহেব, আৰু অন্যান্য মন্ত্ৰীসকল তালুকদাৰৰ ঘৰত বিশিষ্ট আলহীৰূপে থাকিছিল। লোকবন্ধু ভুবনেশ্বৰ বৰুৱাদেৱ মন্ত্ৰী, মুখ্যমন্ত্ৰী নহলেও তেখেতৰ স্থান মুখ্যমন্ত্ৰীৰ সমপৰ্যায়ৰ আছিল আৰু তালুকদাৰৰ তেখেত অন্যতম বিশিষ্ট বন্ধু আছিল। তদুপৰি কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, ৰোহিণী কুমাৰ চৌধুৰী, ফখৰুদ্দিন আলি আহমদ, মহম্মদ তৈয়াবউল্লা, অমিয় কুমাৰ দাস আদিৰ তালুকদাৰ প্ৰিয়ভাজন আছিল। তেখেতে নবীনচন্দ্ৰ বৰদলৈৰ লগত অসহযোগ আন্দোলনৰ অনুজ্ঞা মানি সৰ্বপ্ৰথমে ওকালতি বৰ্জন কৰিছিল।

ধনিৰাম তালুকদাৰ কেৱল যে নিৰ্ভীক, স্পষ্টবাদী, সুবক্তা আৰু

দুৰ্ঘোৰ অসমপ্ৰেমী আছিল তেনে নহয়; তেখেতৰ আত্মসন্মানবোধ বৰ উচ্চ খাপৰ আছিল আৰু যিটোক ন্যায় আৰু সত্য বুলি জানিছিল তাৰপৰা চুলি এডালৰ সমানো লৰচৰ নকৰি আপোচবিহীনভাৱে ৰৈ আছিল।

অসাধাৰণ ধনিৰাম তালুকদাৰদেৱৰ পাৰিবাৰিক জীৱনো এক-প্ৰকাৰ অসাধাৰণ আছিল। একুৰি উচ্চশিক্ষিত, যোগ্যৱান সন্তানৰ পিতৃ হব পৰাটো জানো অসাধাৰণ কথা নহয়? চিৰ স্বাধীনমনা তালুকদাৰৰ পুত্ৰ-কন্যাসবেও চৰকাৰী চাকৰি কৰা নাই। তেখেতৰ অন্যতম গুণৱান পুত্ৰ অধিবক্তা শ্ৰীগুণজিৎ তালুকদাৰে লিখিছে— "দেউতাৰ লগত তেখেতসকলৰ (অসমৰ প্ৰায়বোৰ মুখ্যমন্ত্ৰীৰ) পৰম বন্ধুত্ব, কিন্তু আচৰিত কথা দেউতাই তেখেতসকলক কেতিয়াও আমাৰ চাকৰি-বাকৰি সম্বন্ধে নকৈছিল। আমাৰ ভাই-ভনীসকলৰ ভিতৰত আমি সকলোৱে প্ৰায় গ্ৰেজুৱেট। তিনিজন এম, এ, বি, এল তদুপৰি এম, বি, বি, এছ; বি, ই ইত্যাদি আছেই। কিন্তু আমাৰ ভাই-ভনীসকলৰ ভিতৰত এজনো চৰকাৰী চাকৰীয়াল নাই। আমাৰ চাকৰি-বাকৰিৰ বাবে দেউতাই কেতিয়াও ক'তো নকৈছিল।"

আজীৱন সমাজকৰ্মী, প্ৰসিদ্ধ মুক্তিযুঁজাৰু ধনিৰাম তালুকদাৰৰ ৰাজনৈতিক ক্ষমতাৰ প্ৰতি লোভ নাছিল। বহুতো বন্ধু-বান্ধৱৰ অনুৰোধ মিশ্ৰিত দাবীত ১৯৫২ চনৰ অসম বিধান সভাৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰিছিল। তেখেতৰ প্ৰতিদ্বন্দ্বী আছিল মহেন্দ্ৰমোহন চৌধুৰী। সেইবাৰৰ নিৰ্বাচনৰ বাবে দাখিল কৰা বহুতৰে মনোনয়ন পত্ৰ নাকচ হৈছিল। নিৰ্বাচনী বিষয়া মিঃ বি, এম, দাস চৌধুৰী আৰু তালুকদাৰৰ মনোনয়ন পত্ৰলৈ বিমোৰত পৰিল। তেখেতে তালুকদাৰৰ মনোনয়ন পত্ৰখন চৌধুৰীক আৰু চৌধুৰীৰখন তালুকদাৰক দি ক'লে—"আপোনালোকে ইজনে সিজনৰ মনোনয়ন পত্ৰ পৰীক্ষা কৰক।" তালুকদাৰে চৌধুৰীৰ মনোনয়ন পত্ৰখন চকু ফুৰাই নিৰ্বাচনী বিষয়াৰ হাতত দি ক'লে—

"মহেন্দ্র তোমাৰ কাগজ মই পাছ কৰি দিলো। মোৰ কাগজ তুমি যি ইচ্ছা কৰিবা। মই কাগজত যুদ্ধ নকৰো, ভোটৰ যুদ্ধহে খেলিম।" ইয়াকে কৈ তালুকদাৰ লগে লগে ওলাই আছিল। এইজনেই আছিল বিৰাট ব্যক্তিত্বশালী ধনিৰাম তালুকদাৰ।

তালুকদাৰ বৰপেটা চেঙা অঞ্চলৰ প্ৰায়বোৰ শিক্ষা, সাংস্কৃতিক উন্নয়নমূলক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। 'জয়কৃষ্ণ সঙ্গীত বিদ্যালয়'ৰ তেখেত উদ্যোক্তা আৰু প্ৰতিষ্ঠাতা সভাপতি আছিল। বৰপেটা বিদ্যাপীঠ স্কুলৰ পৰিচালনা সমিতিৰো তেখেত সভাপতি আছিল। তালুকদাৰৰ কৰ্মস্থলী বৰপেটা আছিল যদিও জন্মস্থলী চেঙাৰ লগত ঘনিষ্ঠ সম্পৰ্ক ৰাখিছিল। চেঙা অঞ্চলৰ উন্নয়নমূলক কামত তালুকদাৰেই সদায় আগভাগ লৈছিল। 'চেঙা ঐক্য সন্মিলন' (১৯৩৪) অনুষ্ঠানটোৰ তেখেতেই উদ্যোক্তা আৰু প্ৰতিষ্ঠাতা সভাপতি আছিল। এই অনুষ্ঠানটো পৰিচালনা কৰাত তেখেতৰ সৌহাতস্বৰূপ আছিল গৰ্গ নাৰায়ণ চৌধুৰী, মাণিকচন্দ্ৰ তালুকদাৰ, হৃদয়ানন্দ চৌধুৰী আৰু মনো বায়ন। প্ৰতি বছৰে মাঘ মাহৰ ২ তাৰিখৰ পৰা এখন পাঁচদিনীয়া সভা এই সন্মিলনে অনুষ্ঠান কৰি আহিছে।

এই গৰাকী ভীমকান্তা, নয়নাভিৰাম, সিংহ পুৰুষৰ বৰপেটাৰ নিজা বাসভৱনত ৮২ বছৰ বয়সত ১৯৭১ চনৰ ২৪ জানুৱাৰী তাৰিখে পৰলোক প্ৰাপ্তি ঘটে। তেখেত মৃত্যুৰ সময়ত একেনামৰ দুগৰাকী পত্নীৰ দ্বিতীয় গৰাকী শ্ৰীমতী হেমলতা তালুকদাৰ, ১২ জন পুত্ৰ, ৮ গৰাকী জীয়াৰী, ১০ গৰাকী বোৱাৰী, ৭ জন জোঁৱাই, পুত্ৰৰ ফালৰ ১২ জন নাতি, ১৪ জনী নাতিনী, কন্যাৰ ফালৰ ৮ জন নাতি, ১৪ জনী নাতিনী, ৬ জন নাতি জোঁৱাই, এগৰাকী নাতি বোৱাৰী আৰু ভালেমান পৰিনাতি-নাতিনী এৰি থৈ গৈছে। বৰপেটা-কামৰূপ নালাগে বোধকৰো সমগ্ৰ অসমতে লক্ষ্মী-সৰস্বতীৰ বৰ পাই উভয়নদী হোৱা এনে এটি আদৰ্শ পৰিয়াল নোলাব। মনলৈ

আছে অসমৰ প্ৰতিজন নাগৰিকেই যদি ধনিৰাম তালুকদাৰৰ দৰে আদৰ্শ স্বামী, আদৰ্শ পিতৃ, জনপ্ৰিয় নেতা, অসাধাৰণ বাহুবলী আৰু অসম প্ৰেমী হ'লহেঁতেন, দুখীয়া অসম সোণৰ অসম হৈ ভাৰতৰ বুকুত এখনি উচ্চ আসন পালেহেঁতেন !

ৰাজনৈতিক জীৱনত ধনিৰাম তালুকদাৰে আশানুৰূপ স্বীকৃতি নাপালে বা লাভ কৰাত অসমৰ্থ হ'ল। জীৱনৰ শেষ দশকত পুনৰ কংগ্ৰেছত যোগদান কৰি অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল যদিও তেখেতৰ পূৰ্বৰ শক্তি আৰু সামৰ্থ্য বহু পৰিমানে হ্ৰাস পাইছিল।

আনন্দৰ কথা, ১৯৮৮ চনৰ ২ মে তাৰিখে তেখেতৰ জন্মস্থান চেঙাত তেখেতৰ জন্ম-শতবাৰ্ষিকী উৎসৱ যথাযোগ্য পয়োভৰেৰে পালিত হৈছে; তাৰবাবে চেঙেলীয়া ৰাইজ সদৌ অসমবাসীৰ ধন্যবাদৰ পাত্ৰ হৈ বৰ।



ডাঃ হোমেশ্বৰ দেৱচৌধুৰী

সময়ে গঢ়া মানুহ ডাঃ হোমেশ্বৰ চৌধুৰীদেৱ। ৰাজনীতি-মানৱসেৱা, অভিনয়-সাহিত্যসেৱা মানৱ জীৱনৰ এই চাৰিটা মহৎ গুণেৰে বিভূষিত আছিল তেখেতৰ জীৱনধাৰা। তাতে আৰু গান্ধী দৰ্শন আৰু জাতীয়তাবাদী চিন্তাধাৰাই দেৱচৌধুৰীৰ হৃদয়ৰাজ্য বিৰাজ কৰি আছিল। দেশ মাতৃক উদ্ধাৰ কৰাৰ কাৰণে তেখেতক সততে উদ্বোদ্ধ কৰি ৰাখিছিল তেনেবোৰ সজ চিন্তাই।

সদ্ ইচ্ছা, বদ্ধ পৰিকল্পনা আৰু অধ্যৱসায় এই তিনিটা গুণৰ অধিকাৰী হোৱাজনে সময় বালিত নিজৰ কীৰ্ত্তিচিন এৰি থৈ যাব পাৰে। তেনে এজন স্বনামধন্য ব্যক্তি আছিল বজালী-পটাচাৰকুছি অঞ্চলৰ ডাঃ হোমেশ্বৰ দেৱচৌধুৰী। তেখেতে কোনো অভিজাত বা আঢ্যবন্ত পৰিয়ালত জন্মগ্ৰহণ কৰা নাছিল। নিম্ন মধ্যবিত্ত 'বজলীয়া দেৱচৌধুৰী' ব্ৰাহ্মণ পৰিয়ালত ১৯১১ খৃষ্টাব্দৰ শৰৎকালত জন্ম গ্ৰহণ কৰিছিল। সৰিহ চাক্‌লা গাৱঁৰ সৰ্বেশ্বৰ দেৱচৌধুৰীৰ দ্বিতীয় পুত্ৰ হোমেশ্বৰ সৰুৰে পৰা তীক্ষ্ণৰ বুদ্ধিৰ আছিল। সমাজসেৱা আৰু গাওঁ সংগঠন কাৰ্যত নিজক বিলাই দিয়া পিতৃদেৱ সৰ্বেশ্বৰৰ একান্ত ইচ্ছা—পুত্ৰ হোমেশ্বৰক ডাক্তৰী পঢ়ুৱাই আনি মানৱসেৱাৰ কামত ব্ৰতী কৰাৰ। ইচ্ছাক স্বকীয় ৰূপ দিবৰ কাৰণে বাটে পোৱালী মেলিলে। ১৯৩০ চনত গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলৰ পৰা সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পিছতে দেউতাকে হোমেশ্বৰক ডিব্ৰুগড়ৰ বেৰী হোৱাইট মেডিকেল স্কুললৈ ডাক্তৰী পঢ়াৰ কাৰণে পঠাই নিজে অৰ্থ চিন্তান লাগিল।

তেতিয়াৰ দিনত ডাক্তৰী পঢ়ুৱাটো বৰ ব্যয়বহুল আছিল।

দৰাচলতে সৰ্বেশ্বৰ দেৱচৌধুৰীৰ আৰ্থিক অৱস্থালৈ চাই পুতেকক মেডিকেল পঢ়োৱাটো একপ্ৰকাৰ অসম্ভৱেই আছিল। অসম্ভৱো সম্ভৱ হয়, যদিহে মানুহে ধৈৰ্যশীল হৈ কৰ্ত্তব্যপথত অৱহেলা নকৰাকৈ আগবাঢ়ি যায় থাকে। অৱশ্যে তেনে মহৎ কাম সাধনৰ বাবে অৰ্থহীনজনৰ কাৰণে বিশেষ ত্যাগৰ প্ৰয়োজন। মহাভাৰতৰ কাহিনী—শকুনিৰ নিৰানব্বৈজন ভাতৃৰ অতুলনীয় ত্যাগৰ ফলত নিজে জীয়াই থাকি পাপগ্ৰস্ত কৌৰৱকুল ধ্বংস কৰি পিতৃৰ পণ ৰক্ষা কৰিছিল। হোমেশ্বৰ চৌধুৰীৰ ক্ষেত্ৰতো নিজৰ সুন্দৰ ভৱিষ্যৎ ত্যাগ কৰিছিল ভাতৃ বিশ্বেশ্বৰ আৰু কান্তেশ্বৰে। সৰ্বেশ্বৰে এখন দোকান দি পুত্ৰ বিশ্বেশ্বৰ আৰু ভাতৃপুত্ৰ কান্তেশ্বৰক সহায়ক হিচাপে লৈ যি সামান্য উপাৰ্জন কৰিছিল তাৰে পৰিয়ালৰ ভৰণ-পোষণ আৰু হোমেশ্বৰৰ ডাক্তৰী পঢ়া খৰচ যোগান ধৰিছিল। ১৯৩৪ চনত হোমেশ্বৰে ডাক্তৰী পাছ কৰি ঘৰলৈ আহিল। ডাক্তৰ ভাল ডাক্তৰেই হ'ল। খুব কম দিনৰ ভিতৰতে পটাচাৰকুছি, কামৰূপ ক্ৰমে সমগ্ৰ অসম আনকি মণিপুৰ, নগাভূমি আদিতো ডাঃ হোমেশ্বৰ দেৱচৌধুৰীৰ নাম জনাজাত হ'ল।

সেই সময়ত 'বৰপেটা লোকেল বোৰ্ডৰ' সভাপতি আছিল প্ৰসিদ্ধ মুক্তিযুঁজাৰু, বিচক্ষণ ৰাজনীতিবিদ্ সিংহপুৰুষ ধনিৰাম তালুকদাৰ। তালুকদাৰৰ নিৰ্দেশক্ৰমে ডাঃ দেৱচৌধুৰী বৰপেটা লোকেল বোৰ্ডৰ স্বাস্থ্যসেৱা বিভাগত যোগ দি পিতৃৰ ইচ্ছা পূৰণ কৰি মানৱসেৱাৰ কামত ব্ৰতী হ'ল।

ইংৰাজে অসমৰ লগতে মণিপুৰ আৰু নগাভূমিতো বৃটিছৰ শাসন চলাই ৰাইজক আৰ্থিক আৰু মানসিকভাৱে বেয়াকৈ শোষণ কৰিছিল। তেওঁলোকৰ উৎপীড়নমূলক ব্যৱস্থাই মণিপুৰীসকলক আৰু টামেংলঙ অঞ্চলৰ নগাসকলক জুৰুলা কৰি পেলাইছিল। তদুপৰি সেই অঞ্চল দুটাত 'ইনাৰ লাইন আইন' প্ৰৱৰ্তন কৰি বহিৰ্জগতৰ লগত তেওঁলোকৰ সকলো প্ৰকাৰৰ যোগাযোগ বন্ধ কৰি

দিছিল। ইংৰাজৰ এনে ধৰণৰ দ্বৈত শাসনত কবলিত লোকসকল মৰো—জীও অৱস্থাত কাল কটাবলগীয়া হৈছিল।

এনেধৰণৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক শোষণৰ উপৰিও মণিপুৰ ৰাজ্যত হঠাৎ কলেৰা, বসন্ত আৰু মেলেৰিয়া আবিৰ্ভাব হৈ শ শ লোকৰ জীৱন নাশ কৰিলে। মণিপুৰৰ মহাৰাজে পূৰ্বৰে পৰা ডাক্তৰ হোমেশ্বৰ চৌধুৰীৰ ত্যাগ আৰু আদৰ্শৰ কথা শুনি আছিল। যি কি নহওক মণিপুৰ ষ্টেট্ চাৰ্ভিচে বৰপেটা লোকেল বোৰ্ডৰ সভাপতি তালুকদাৰক এখন বিনম্ৰ পত্ৰেৰে মণিপুৰবাসীক এই সংকটৰ পৰা ৰক্ষা কৰাৰ কাৰণে ডাঃ হোমেশ্বৰ চৌধুৰীক খুজি পঠালে। পিতৃৰ অনুমতি আৰু তালুকদাৰদেৱৰ পৰামৰ্শ সাৰোগত কৰি ডাঃ দেৱচৌধুৰী ইম্ফললৈ গৈ মণিপুৰ ষ্টেট্ চাৰ্ভিচৰ স্বাস্থ্যসেৱা বিভাগত যোগ দিলে। নিচেই কম দিনৰ ভিতৰতে অহনিশে খাটি ডাঃ চৌধুৰী মহামাৰী ৰোগক নিজৰ আয়ত্তলৈ আনিলে। তাৰ পিছত সুপৰিকল্পিতভাৱে আঁচনি প্ৰস্তুত কৰি ভৱিষ্যতলৈ যাতে মহামাৰীয়ে তেনে বিধ্বস্ত লীলা ঘটাব নোৱাৰে তাৰ প্ৰতিষেধক ব্যৱস্থা ল'লে।

মানৱ দৰদী, স্বাধীনতা প্ৰেমী, অভিনয় প্ৰাণ ডাঃ চৌধুৰী অলপ দিনৰ ভিতৰতে মণিপুৰী, কুকি আদি লোকসকলৰ অতি আপোন হৈ উঠিল। মণিপুৰী আৰু কুকি ভাষা আয়ত্ত কৰাব পিছত তেওঁ-লোকৰ অন্তৰত আৰু গভীৰভাৱে প্ৰৱেশ কৰিলে। তাৰ পিছতে অসমীয়া আৰু মণিপুৰী ভাষাত ৰচা কেবাখনো নাটক অভিনয় কৰি ৰাইজৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিলে। ডাঃ চৌধুৰী নাটবোৰৰ নিজে পৰিচালক, অভিনেতা আছিল আৰু অসমীয়া, মণিপুৰী দুয়ো সম্প্ৰদায়ৰ লোককে অভিনয়ত অংশ গ্ৰহণ কৰোৱাই মহাভাৰতৰ দিনৰে পৰা অসম আৰু মণিপুৰৰ মাজত থকা পৰম্পৰা আৰু সাংস্কৃতিক সম্পৰ্কক পুনৰ জীৱন দি আগতকৈও দৃঢ় কৰি তুলিলে।

অকল ইমানেই নহয় স্বাস্থ্য সেৱা আৰু অভিনয়ৰ জৰিয়তে মণিপুৰৰ ৰাইজ, উচ্চ বিষয়া তথা মহাৰাজৰো অন্তৰত প্ৰৱেশ কৰি মণিপুৰত

এখন অসমীয়া মাধ্যমৰ প্ৰাইমাৰী বিদ্যালয় স্থাপন কৰি অসমীয়া আৰু মণিপুৰীসকলৰ মাজত শিক্ষাৰো এটা সুস্থ বাতাবৰণৰ সৃষ্টি কৰিলে। অসমৰ বাহিৰত অসমীয়া ভাষা-সংস্কৃতিক তেনেদৰে প্ৰচাৰ কৰা আৰু সংস্কৃতি সমন্বয় সাধন কৰা অনুষ্ঠানৰ উদাহৰণ এইটোৱেই সম্ভৱ প্ৰথম হ'ব। তাতোকৈ মন কৰিবলগীয়া কথা যে মিঃ শীতলজিৎ সিংহৰ লগত যুটীয়াভাৱে 'মণিপুৰ মৰ্টৰ' নামে এখন দ্বিভাষী সপ্তাহিক কাকতো ডাঃ দেৱচৌধুৰীয়ে প্ৰকাশ কৰিছিল। ১৯৩৭ চনৰ পৰা ১৯৪০ চনলৈকে কাকতখনে ৰাইজৰ সেৱা আগবঢ়াইছিল। কাকতখনৰ মণিপুৰী বিভাগটো মিঃ সিঙে আৰু অসমীয়া বিভাগটো ডাঃ দেৱচৌধুৰীয়ে সম্পাদনা কৰিছিল। ডাঃ দেৱচৌধুৰীৰ অসম আৰু অসমীয়া ভাষা-সংস্কৃতি প্ৰেমৰ এইটোও এটা জ্বলন্ত উদাহৰণ।

আগতে মণিপুৰৰ লগতে ঘটা নগাভূমিৰ দুৰ্দশাৰ কথা কৈ অহা হৈছে। নগাৰাণী গুইডালোৱে আৰম্ভণীৰে পৰা বৃটিছৰ ক্ৰিয়াকাৰ্যৰ প্ৰতিবাদ জনাই আহিছিল। ইতিমধ্যে গুইডালোৰ নেতৃত্বত ইনাৰ লাইন প্ৰথা ৰদ কৰা আৰু টামেংলঙ উদ্ধাৰ কৰাৰ অভিযান তীব্ৰতৰ হৈ উঠিছিল। এনেতে আন্দোলন মষিমূৰ কৰাৰ উদ্দেশ্যে বৃটিছে গুইডালোক গ্ৰেপ্তাৰ কৰি বন্দীশালত ৰাখিলে। বন্দীশালত থকাৰ পিছত নগাভূমিৰ চিন্তাত তেখেতৰ টোপনি নোহোৱা হ'ল। টামেংলঙবাসীৰ ওপৰত বৃটিছে চলোৱা উৎপীড়নে তেখেতক অত্যন্ত পীড়া কৰিবলৈ ধৰিলে। শেহান্তৰত বিপদৰ বন্ধু ডাঃ হোমেশ্বৰ চৌধুৰীলৈ গোপনে পত্ৰ বিনিময় কৰি অনুৰোধ জনালে যাতে মণিপুৰ ষ্টেট্ চাৰ্ভিচৰ অনুমতি লৈ তেখেত টামেংলঙলৈ গৈ দুৰ্দশাগ্ৰস্ত লোক-সকলক ৰক্ষা কৰে। ডাঃ চৌধুৰীৰ এইটো নিশ্চয় বহি থকাৰ সময় নাছিল। তেখেতে মণিপুৰ ষ্টেট্ চাৰ্ভিচৰ অনুমতি লৈ টামেংলঙলৈ গ'ল আৰু স্বাস্থ্য সেৱা আৰু ভিতৰি ভিতৰি আন্দোলনৰ কাৰ্য চলাই থাকিল। চতুৰ বৃটিছ গুপ্তচৰৰ চকুত ডাঃ চৌধুৰীৰ আন্দোলনমুখী

সকলো কথা ধৰা পৰিল। তেখেতক টামেংলঙত ৰাখিলে ‘খাল খান্দি কুম্ভীৰ মেলাহে হ’ব;’ তেন্তে চিন্তা কৰি মণিপুৰৰ মহাৰাজৰ ব্যক্তিগত স্বাস্থ্য সেৱাৰ প্ৰয়োজন বুলি অজুহাত দেখুৱাই ডাঃ চৌধুৰীক পুনৰ ইম্ফললৈ পঠালে।

দ্বিতীয় বিশ্বযুদ্ধৰ ভৰপকৰ সময়। জাপানৰ যুঁজাৰু বিমানবোৰ আকাশত ফৰিঙৰ জাক উৰা দি উৰিছে। বহু ঠাইত বোমাবৰ্ষণ কৰি লোকক বিধ্বস্ত কৰিছে। ইম্ফল, কহিমা, ডিমাপুৰ আদিতো জাপানে বোমা বৰ্ষণ কৰিবলৈ ধৰিলে। মণিপুৰত থকাতো প্ৰাণৰ সংশয়ৰ কথা হৈ পৰিল। ডাঃ চৌধুৰী দোধোৰ্‌মোৰ্‌ অৱস্থাত পৰিল। এফালে মানৱ সেৱা, দেশ, স্বাধীন কৰাৰ পণ আনফালে প্ৰাণৰ সংশয়। এনে সময়তে ১৯৪১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত ‘ভাৰত ত্যাগ’ আন্দোলনে চূড়ান্ত ৰূপ ধাৰণ কৰিলে। ইংৰাজসকলে শেষবাৰৰ কাৰণে সৰ্বশক্তি প্ৰয়োগ কৰি সাম্ৰাজ্য ৰক্ষাৰ খোপনি পুতিছে। ভাৰতীয় সকলে প্ৰাণতাকি সেই খোপনি ওফৰাই পেলোৱাৰ প্ৰতিজ্ঞা কৰিছে। দেশৰ এনে পৰিস্থিতি ডাঃ হোমেশ্বৰ চৌধুৰী ঘৰলৈ উভতি আহি পটচাৰকুছিত স্বাস্থ্য সেৱা খুলি জনগণৰ সেৱাত পুনৰ ব্ৰতী হ’ল আৰু বিয়াল্লিছৰ আন্দোলনত পূৰ্ণোদ্যমে অংশ গ্ৰহণ কৰিলে। মহেন্দ্ৰমোহন চৌধুৰী, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ডাঃ ভুৱনেশ্বৰ বৰুৱা, ধনিৰাম তালুকদাৰ আদিৰে সৈতে আন্দোলনৰ পৰিকল্পিত আঁচনিক ৰূপ দিয়াত উঠিপৰি লাগিল। ১৯৪২ চনৰ ৩ চেপ্তেম্বৰ তাৰিখে ডাঃ হোমেশ্বৰ চৌধুৰীক পুলিচে গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড বিহিলে। কাৰাগাৰত ডাঃ ভুৱনেশ্বৰ বৰুৱা, শঙ্কৰ বৰুৱা, হৰেশ্বৰ গোস্বামী, গৌৰীকান্ত তালুকদাৰ প্ৰমুখ্যে বহুতো নেতাক সতীৰ্থ হিচাপে পালে। দেৱচৌধুৰীক গুৱাহাটী, চিলং, চিলেট আদি জেল ঘূৰাই আনি আকৌ গুৱাহাটী জেলত থলে। ১৯৪৪ চনৰ ২০ মেৰ দিনা গুৱাহাটী জেলৰ পৰা ডাঃ দেৱচৌধুৰীক মুক্তি দিয়া দেখুৱাই জেলৰ প্ৰাঙ্গণতে পুনৰ গ্ৰেপ্তাৰ কৰি ১-২-৪৫

তাৰিখলৈ অন্তৰীণ কৰি ৰাখিলে। এইজনেই আছিল বীৰ বিপ্লৱী চিৰ জাগ্ৰতপ্ৰাণ ডাঃ হোমেশ্বৰ দেৱচৌধুৰী।

ইতিমধ্যে স্বাধীনতাৰ প্ৰাক্‌কালত জাতীয় কংগ্ৰেছৰ ভিতৰৰে আন এজন সংগ্ৰামী তথা চিন্তাশীল নেতাই অনুভৱ কৰিলে যে দেশ স্বাধীন হোৱাৰ পিছত কংগ্ৰেছে দেশবাসীৰ আশা-আকাঙ্খা পূৰণ কৰিব নোৱাৰিব। কাজেই সমাজবাদী চিন্তাধাৰাক অগ্ৰাধিকাৰ দি জয়প্ৰকাশ নাৰায়ণ, আচাৰ্য নৰেন্দ্ৰ দেব, পুৰুষোত্তম ত্ৰিকমদাস আদিৰ উদ্যোগত কাৰাগাৰৰ ভিতৰতে "কংগ্ৰেছ—চোছিয়েলিষ্ট" নামৰ দল এটি গঠন হ'ল। এই নতুন দলটোৰ সাংগঠনিক দিশত প্ৰচাৰ কাৰ্য চলাবলৈ অৰুণা আচফ্‌ আলি অসমলৈ আহিল। এই নতুন দলটোত অসমৰ কেবাগৰাকী বৰেণ্য নেতাই যোগ দিলে। তাৰে আগশাৰীৰ কেইগৰাকীমান আছিল শঙ্কৰ বৰুৱা, হৰেশ্বৰ গোস্বামী, হোমেশ্বৰ দেৱচৌধুৰী, লক্ষ্যধৰ চৌধুৰী, হেম বৰুৱা, ভদ্ৰ ফুকন, বংশী দত্ত, ৰূপৰাম সুত। উল্লেখ কৰিব পাৰি যে দেশ স্বাধীন হোৱাৰ পাছতে ১৯৪৮ চনত ডাঃ ৰাম মনোহৰ লোহিয়াক নেতৃত্ব দি মণিপুৰ ইনাৰ লাইন আইন ভঙ্গ কৰিবলৈ ডাঃ দেৱচৌধুৰীৰ উদ্যোগত এটি দল মণিপুৰ অভিমুখে আগবাঢ়ি গৈছিল, কিন্তু জাতীয় চৰকাৰে দলটিক বাটতে গ্ৰেপ্তাৰ কৰে।

দেশ স্বাধীন হোৱাৰ আগে আগে ১৯৪৬ চনত দেশ বিভাজনৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষত কেবা ঠাইতো সাম্প্ৰদায়িক সংঘৰ্ষ আৰম্ভ হ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাৰতবৰ্ষৰ আন কিছুমান ৰাজ্যত সততে ঘটি থকা সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰা অসম সদায় মুক্ত হৈ আহিছে। অসমৰ এই খ্যাতি যাতে ম্লান নহয় তাৰ কাৰণে অসমবাসীক সতৰ্ক কৰি দিয়াৰ উদ্দেশ্যে হৰেশ্বৰ গোস্বামী, হোমেশ্বৰ চৌধুৰী অসমৰ গাওঁবোৰত সভা-সমিতি পাতি শান্তি-সম্প্ৰীতি অটুট ৰাখিবলৈ ৰাইজক বুজনি দি ফুৰিছিল।

ভাৰতবৰ্ষৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি ডাঃ দেৱচৌধুৰী সদায়

প্ৰস্তুত থাকৰ উপৰিও অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, শৈক্ষিক তথা সাংস্কৃতিক উন্নতিৰ প্ৰতি সদায় যত্নপৰ আছিল। অসম আৰু অসমবাসীৰ স্বাৰ্থৰ কাৰণে সময়ে সময়ে গঢ়ি উঠা, ৰাজ্যভাষা আন্দোলন, ব্ৰহ্মপুত্ৰ দলং, বিশ্ববিদ্যালয় আন্দোলন, তেল শোধনাগাৰ আন্দোলন আদি প্ৰতিটো আন্দোলনতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৭৯ চনৰ পৰা ছবছৰ ব্যাপি সংঘটিত 'বিদেশী বহিষ্কাৰ আন্দোলন'তো ডাঃ দেৱচৌধুৰীয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

ডাঃ চৌধুৰীৰ অসমীয়া-প্ৰীতিৰ আন এটি উল্লেখযোগ্য উদাহৰণ ১৯৬০ চনত উত্তৰ বঙ্গৰ পৰা উৎপীড়িত হৈ অসমলৈ অহা অসমীয়া ভগনীয়াসকললৈ আগবঢ়োৱা সহায়-সহযোগ। সিসকল দুৰ্দশাগ্ৰস্ত ভগনীয়াক অসমত সংস্থাপন কৰাৰ কাৰণে ডাঃ চৌধুৰীয়ে কৰা নিস্বাৰ্থ সেৱা আৰু অক্লান্ত পৰিশ্ৰমৰ কথা ৰাইজে কোনোকালে পাহৰিব নোৱাৰে। তেখেতক এই কাৰ্যত সমাজবাদী চিন্তাধাৰাৰ ব্যক্তি পৰমানন্দ গোস্বামী প্ৰমুখ্যে এটি দলে সততে সহায় কৰিছিল।

প্ৰখ্যাত সমাজসেৱী, সুচিকিৎসক, প্ৰসিদ্ধ মুক্তিযুঁজাৰু, প্ৰবীণ অভিনেতা আৰু পৰিচালক বুলি খ্যাতি থাকিলেও ৰাজনীতিবিদ হিচাপে ডাঃ দেৱচৌধুৰী বিশেষ খ্যাতি অৰ্জন কৰিব নোৱাৰিলে বুলি অনুমান হয়। বোধকৰো ৰাজনীতি কৰিবলৈ যি কূট-কৌশলৰ প্ৰয়োজন দেৱচৌধুৰীদেৱে তাক নাজানিছিল বা গান্ধী দৰ্শনৰ দ্বাৰা প্ৰভাবান্বিত হৈ সেইবোৰ কৰিবলৈ ভাল নাপাইছিল। ১৯৫২ চনত প্ৰজা ছোচিয়েলিষ্ট দলৰ টিকট লৈ তেখেত অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হৈছিল। শেহৰফালে ভাৰতীয় প্ৰজা-ছোচিয়েলিষ্ট দলৰ আগশাৰীৰ বহুতো নেতাই কংগ্ৰেছত যোগ দিয়ে। অসমৰো হেম বৰুৱা, বিশ্বদেৱ গোস্বামী, লক্ষ্যধৰ চৌধুৰী আদি মুষ্টিমেয় কেইগৰাকী-মানৰ বাহিৰে বেছিভাগে কংগ্ৰেছ, যোগ দিছিল। যোগ দিওঁতাসকলৰ অন্যতম আছিল ডাঃ হোমেশ্বৰ দেৱচৌধুৰী। মুঠতে ডাঃ দেৱচৌধুৰীৰ

ৰাজনৈতিক জীৱনত কোনো বিশেষত্ব মন কৰা নাযায়।

ডাঃ দেৱচৌধুৰী জীৱনত প্ৰসিদ্ধি লাভ কৰিছিল অসমীয়া কলা-সংস্কৃতিৰ এজন শ্ৰেষ্ঠ সাধক ৰূপেহে। সৰুতে ভাতৃ কান্তেশ্বৰে হোমেশ্বৰৰ দেহমনত নাট্যাভিনয়ৰ যি অঙ্কুৰ সিঁচিছিল কালক্ৰমত সি পৈণত ৰূপ ধাৰণ কৰিছিল। অসমৰ মঞ্চ জগতত ডাঃ হোমেশ্বৰ দেৱচৌধুৰী মৃত্যুঞ্জয় ব্যক্তি। পটাচাৰকুছি অঞ্চলৰ ভ্ৰাম্যমান নাট্যগোষ্ঠী সমগ্ৰ অসমত আজি যি গৌৰৱ অৰ্জন কৰিছে তাৰ আঁতধৰোতাসকলৰ ভিতৰত বিপ্লৱী ব্ৰজনাথ শৰ্মা, নাট্যগুৰু সন্তৰাম চৌধুৰী আৰু ডাঃ হোমেশ্বৰ দেৱচৌধুৰী। দেৱচৌধুৰী একেৰাহে এজন সুলেখক, প্ৰাবন্ধিক, নাট্যকাৰ, সাংবাদিক, অভিনেতা আৰু সু-পৰিচালক আছিল। 'গাঁৱলীয়া ডাক্তৰৰ বিপৰ্যয়', 'স্বৰ্গ বিজয়' আৰু 'চিপাহী বিদ্ৰোহ' দেৱচৌধুৰীৰ স্বৰচিত নাট। তাৰ ভিতৰত ১৮৫৭ চনৰ পৃথিৱী বিখ্যাত চিপাহী বিদ্ৰোহৰ পটভূমিক লৈ ৰচনা কৰা বুৰঞ্জীমূলক নাটখনিয়ে তেখেতৰ শ্ৰেষ্ঠ নাট বুলি গৌৰৱ কৰিব পাৰে। তেখেতৰ দ্বাৰা পৰিচালিত আৰু অভিনিত কেইখনমান উল্লেখযোগ্য নাট হ'ল—বেউলা, সাৱিত্ৰী, বামুণীকোঁৱৰ আৰু চিপাহী বিদ্ৰোহ।

ডাঃ দেৱচৌধুৰীয়ে, জনস্বাস্থ্য, জনকল্যাণ, পৰিয়াল পৰিকল্পনা সম্পৰ্কে লিখা বহুতো মূল্যবান প্ৰবন্ধ জয়ন্তী, সুৰভি, আৱাহন, মণিদীপ আদিত প্ৰকাশ পাইছে।

ডাঃ দেৱচৌধুৰীৰ পাৰিবাৰিক জীৱন সুখ আৰু আদৰ্শৰ আছিল। তেখেতৰ সুযোগ্যা পত্নী শ্ৰীমতী হেমলতা দেৱচৌধুৰী প্ৰবীণ শিক্ষাবিদ প্ৰয়াত প্ৰধান শিক্ষক উমাকান্ত শৰ্মাৰ কন্যা। পত্নী, পাঁচগৰাকী যোগ্যৱান পুত্ৰ, এগৰাকী কন্যা আৰু বহুতো অওহী-বওহী আৰু বন্ধু-বান্ধৱক এৰি থৈ হঠাতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ ১৯৮৮ চনৰ ১০ মেৰ দিনা মৃত্যু বৰণ কৰিছে। তেখেতৰ মৃত্যুৰ লগে লগে অসমৰ এজন প্ৰসিদ্ধ মুক্তিযুঁজাৰু তথা অসমীয়া কলা-সংস্কৃতিৰ এজন কৰ্ণধাৰ ব্যক্তি নোহোৱা হ'ল।

বিশিষ্ট সমাজ সংস্কাৰক

গৌৰীকান্ত তালুকদাৰ

আমি যেতিয়া স্কুলীয়া ছাত্ৰ তেতিয়াই অসম বিধান সভাৰ নলবাৰী সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য গৌৰীকান্ত তালুকদাৰ আৰু দিল্লীৰ লোক সভাৰ সদস্য ৰোহিণীকুমাৰ চৌধুৰীদেৱৰ নাম বৰকৈ শুনিছিলো। এই দুগৰাকী প্ৰখ্যাত নেতাই ক্ৰমে অসম বিধান সভা আৰু দিল্লীৰ লোক সভাৰ মজিয়াত খদমদম্ লগাই আছিল। যেতিয়া কলেজীয়া ছাত্ৰ হ'লো তেতিয়া দেখিলো তদ্ৰূপ ভূমিকা লৈ গৌৰীশঙ্কৰ ভট্টাচাৰ্যই অসম বিধান সভাত আৰু অধ্যক্ষ হেম বৰুৱাই দিল্লীৰ লোক সভাৰ মজিয়া কঁপাই আছিল। অকল দেখাই নহয়; অধ্যক্ষ হেম বৰুৱাদেৱৰ প্ৰিয় ছাত্ৰ হৈ তেখেতৰ মৰমসনা হাতৰ বুলনিৰ স্পৰ্শ অনুভৱ কৰিছিলো; ভট্টাচাৰ্যদেৱক নিজৰ সমষ্টিৰ বিধায়ক ৰূপে অতি ওচৰৰ পৰা পাইছিলো আমি বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ জৰিয়তে তালুকদাৰদেৱৰ মৰম প্ৰাৰ্থী হোৱাৰ সুবিধা পাইছিলো। তেখেতৰ 'দীপক' শিশু আলোচনীৰ কামত মাজে সময়ে সহায় কৰাৰ লগতে দীপকৰ মাধ্যমেদি অনুবাদ কবিতা, বুৰঞ্জীমূলক প্ৰবন্ধ আৰু লোক-সংস্কৃতি বিষয়ক দুই-চাৰিটা কবিতা-প্ৰবন্ধ লেখাৰ প্ৰেৰণাও পাইছিলো। প্ৰকৃতপক্ষে কবলৈ গ'লে ১৯৫৮ চনৰ পৰা মৃত্যুৰ সময়লৈকে (২১-১০-৬৬ ইং) তেখেতৰ সান্নিধ্যসুখ লাভ কৰাৰ সৌভাগ্য ঘটিছিল। ১৯৬৫ চনত যেতিয়া আমি কামৰূপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বুৰঞ্জীৰ বিষয় শিক্ষক হিচাপে যোগদান কৰো, সেই সময়ত তেখেত উক্ত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আছিল।

১৮৮৫ চনৰ প্ৰথম নবেম্বৰত নলবাৰী অঞ্চলৰ সুপ্ৰসিদ্ধ চামতা গাৱঁত তালুকদাৰৰ জন্ম। তেখেতৰ পিতৃ বীৰদত্ত তালুকদাৰ আৰু মাতৃ গান্ধাৰী দেৱীয়ে সাত বছৰ বয়সতে গৌৰীকান্তক ঘাটমাউৰা কৰি ইহলীলা সম্বৰণ কৰে। ফলত ককায়েক অতিৰাম তালুকদাৰে নানা অভাৱ অনাটনৰ মাজেদি গৌৰীকান্তক লিখা-পঢ়া শিকোৱাৰ দায়িত্ব লয়। গাৱঁত প্ৰাথমিক শিক্ষা শেষ কৰাৰ পিছত নলবাৰীলৈ আহি মজলীয়া স্কুলত পঢ়িবলৈ লয়। ১৯০২ চনত বৃত্তিসহ ছাত্ৰবৃত্তি পৰীক্ষা পাছ কৰি গুৱাহাটীৰ চৰকাৰী কটন কলেজিয়েট স্কুলত নাম ভৰ্ত্তি কৰে। অভাৱগ্ৰস্ত তালুকদাৰে বৃত্তিৰ টকা কেইটাকে সম্বল হিচাপে লৈ ছাত্ৰজীৱন কটাবলৈ ধৰে। সুখৰ কথা ১৯০৬ চনত জলপানীসহ এণ্ট্ৰেন্স্ পৰীক্ষা পাছ কৰে। তাৰ পাছত কটন কলেজৰ পৰা ১৯০৮ চনত এফ, এ পাছ কৰে। এফ, এ, পাছ কৰি কলিকতালৈ গৈ তেতিয়াৰ মেট্ৰোপলিটান কলেজত (বৰ্ত্তমান বিদ্যাসাগৰ কলেজ) বি,এ মহলাত নাম ভৰ্ত্তি কৰে। বি, এ, পাছ কৰাৰ পিছতে তিনি বছৰীয়া ল' কোৰ্চ আঢৈ বছৰতে শেষ কৰি ১৯১৩ চনত প্ৰথম বিভাগত বি, এল পৰীক্ষা পাছ কৰি ঘৰলৈ উভতি আহি গুৱাহাটীত আইন ব্যৱসায় আৰম্ভ কৰে। ইতিমধ্যে এফ, এ, পঢ়ি থাকোঁতেই, ১৯০৮ চনত গুৱাহাটী উজান বজাৰৰ ৰাধাকান্ত চৌধুৰীৰ প্ৰথমা কন্যা লাৱণ্য প্ৰভাক বিয়া কৰায়।

অসমৰ ভিতৰত নলবাৰী অঞ্চলটো শিক্ষা আৰু ৰাজনীতিৰ ক্ষেত্ৰত বহুকালৰে পৰা আগবঢ়া আৰু জাগৰণমুখী। কাজেই ছাত্ৰ-অৱস্থাৰে পৰা পৰিবেশৰ হেঁচাত গৌৰীকান্ত তালুকদাৰে ৰাজনৈতিক-ভাৱে সচেতন আছিল। উদাহৰণ স্বৰূপে ১৯০৬ চনৰে পৰা তালুকদাৰে স্বদেশী আন্দোলনত যোগ দিয়ে। ১৯১১ চনত কলিকতাত বহা ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভালৈ স্বেচ্ছাসেৱীৰ দল এটাৰ অধিনায়ক হৈ তালুকদাৰে তাত যোগদান কৰে।

এনেতে অসহযোগ (১৯২১) আন্দোলন আৰম্ভ হোৱাত তালুকদাৰে ওকালতি বৰ্জন কৰি তাত সক্ৰিয় অংশ গ্ৰহণ কৰে। তাৰ ফলত তালুকদাৰ ইংৰাজ চৰকাৰৰ চোকা নজৰত পৰে আৰু ১৯২১ চনৰ ডিচেম্বৰ মাহৰ ৭ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ৯ মাহ কাৰাদণ্ড ভোগ কৰে। গুৱাহাটী জেলৰ পৰা তেজপুৰ জেললৈ বদলি কৰোঁতে হাতকড়িয়া দি, নাৰিকলৰ ডাঙৰ ৰচিৰে সতীৰ্থসকলৰে সৈতে সাঙুৰি তালুকদাৰক জাহাজেৰে লৈ যায়। আন কেইজন সতীৰ্থ আছিল—মহম্মদ তৈয়বউল্লা, ৰোহিণীকুমাৰ চৌধুৰী, ধনিৰাম তালুকদাৰ, দেবেন্দ্ৰ নাথ উজীৰ আৰু হৰিপ্ৰসাদ ব্ৰহ্মচাৰী। তেজপুৰলৈ চালান দিয়াৰ আগতে এইসকল মহান মুক্তিযুঁজাৰুক অধিক লাজ দিবৰ কাৰণে, লগতে আন আন উকীলসকলে যাতে ওকালতি বৰ্জন কৰি আন্দোলনত যোগ নিদিয়ে, তেনে ভয় দেখুৱাবৰ উদ্দেশ্যে ৰাজবন্দীসকলক হাতকড়িয়া লগাই গুৱাহাটীৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সম্মুখেদি কেবাবাৰো হেনো মাৰ্চ কৰাইছিল।

১৯৩০ চনত আইন অমান্য আন্দোলন আৰম্ভ হয়। সেই বছৰতে মহাত্মা গান্ধীৰ দাণ্ডি যাত্ৰা আৰু লৱণ আইন ভঙ্গ। তদুপৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যাতে আন্দোলনত যোগ দিব নোৱাৰে তাৰ উদ্দেশ্যে কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে অভূতপূৰ্ব বিক্ষোভ প্ৰতবাদ। গৌৰীকান্ত তালুকদাৰ সেইবাৰৰ আন্দোলনতো জঁপিয়াই পৰিল। শিক্ষাধিকাৰ কানিংহামৰ চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি গুৱাহাটীৰ মাজ মজিয়াত জাতীয় স্কুল 'কামৰূপ একাডেমী' প্ৰতিষ্ঠা কৰাত গোপীনাথ বৰদলৈ, গোলাপ চন্দ্ৰ চৌধুৰী আদিৰ সৈতে তালুকদাৰে আগভাগ ললে। নিজৰ জ্যেষ্ঠপুত্ৰ বিনয়ক (পিছলৈ মুক্তি-যুঁজাৰু) চৰকাৰী কলেজিয়েট স্কুলৰ পৰা নাম কটাই আনি কামৰূপ একাডেমীত সৰ্বপ্ৰথমে নাম ভৰ্ত্তি কৰি আদৰ্শ-স্থাপন কৰিলে। এইদৰে তালুকদাৰ প্ৰতিষ্ঠাতা চেক্ৰেটাৰী হৈ পূৰ্ণোদ্যমে লাগি কামৰূপ একাডেমীৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে।

১৯৪০ চনত মহাত্মা গান্ধীৰ নির্দেশক্রমে সমগ্র দেশতে ব্যক্তিগত সত্যাগ্রহ আৰম্ভ হ'ল। বৰেণ্য নেতাসকলে সভা-সমিতি পাতি ব্যক্তিগত সত্যাগ্রহ কৰি দলে দলে জেললৈ গ'ল। গৌৰীকান্ত তালুকদাৰে ১৫-১২-৪০ তাৰিখে নলবাৰীত ব্যক্তিগত সত্যাগ্রহ কৰি গ্রেপ্তাৰ বৰণ কৰিলে। যোৰহাট জেলত ৪ মাহ কাৰাদণ্ড ভুগি ২২-৪-৪১ তাৰিখে মুক্তি পালে।

তাৰ পিছত ১৯৪২ চনৰ ইংৰাজৰ ভাৰত ত্যাগ আন্দোলনতো তালুকদাৰে সক্রিয় ভূমিকা গ্রহণ কৰিছিল। আন্দোলনৰ প্রচাৰ কাৰ্য চলাই কৈঠালকুছিৰ এখন ৰাজহুৱা সভাত তেজস্বী ভাষণ দি থাকোঁতে ২-৯-৪২ তাৰিখে গ্রেপ্তাৰ কৰি কাৰাদণ্ড বিহে। প্ৰথমতে তেখেতক গুৱাহাটী জেলত ৰাখিছিল। পিছত শিলচৰ আৰু শেষত তেজপুৰলৈ নি জামিন-বন্দী কৰি ৰাখি ১৫-১-৪৫ তাৰিখে মুক্তি দিলে।

গৌৰীকান্ত তালুকদাৰ দুবাৰো কংগ্ৰেছ এম, এল, এ হিচাপে নলবাৰী সমষ্টিৰ পৰা নিৰ্বাচিত হয়। প্ৰথমবাৰ ১৯৩৭ চনত আৰু দ্বিতীয়বাৰ ১৯৪৬ চনত বিনা প্ৰতিদ্বন্দ্বিতাই। বিধান সভাৰ সদস্য হৈ থকা কালছোৱাত তালুকদাৰে কংগ্ৰেছ দলত থাকিয়েই ৰাইজৰ হক্ দাবী তুলি তুমুল বাক্-বিতণ্ডা চলাইছিল। থুলন্তৰ দেহৰ গলগলীয়া মাতৰ তালুদাৰদেৱৰ ভাষণে সৰ্বসাধৰণৰ হৃদয় সহজে স্পৰ্শ কৰিব পাৰিছিল।

ৰাজনীতি, সমাজ সেৱা আৰু সাংবাদিকতা এই তিনিওটা বিশেষ গুণসম্পন্ন তালুকদাৰ উত্তৰ কামৰূপৰ অতি জনপ্ৰিয় নেতা আছিল। অসম অস্পৃশ্যতা বিৰোধী সন্থাৰ তালুকদাৰ প্ৰথম অবৈতনিক সম্পাদক আছিল। দিল্লীৰ সদৌ ভাৰত অস্পৃশ্যতা বিৰোধী সন্থাৰ উদ্যোগত তালুকদাৰে তাৰ এটি শাখা অসমত প্ৰতিষ্ঠা কৰি বাস্তৱ ৰূপ দিয়াৰ প্ৰয়াস কৰিছিল। উক্ত সন্থাটো পিছলৈ "হৰিজন সেৱক সঙ্ঘ" ৰূপে পৰিগণিত হয় আৰু তালুকদাৰ গুৱাহাটী জিলা

"হৰিজন সেৱক সঙ্ঘ"ৰ সভাপতি হয়।

সমাজ সেৱাৰ কামত তালুকদাৰে অসমৰ বহু গাৱঁলৈ গৈ সভা-সমিতি আদি পাতি মানুহক কানি, ভাঙ, মদ আদি বৰ্জন কৰিবলৈ উপদেশ দিছিল। লগতে সেই বস্তুবোৰ যে মাৰাত্মক বিষ তাক বৈজ্ঞানিক যুক্তিৰে বুজাই দিছিল। চিনেমা হলৰ ভিতৰত 'ধূমপান কৰা নিষেধ'ৰ আইন তালুকদাৰৰ অহোপুৰুষাৰ্থৰ ফল। লগতে ১৯৫১ চনত তালুকদাৰে নিজৰ নলবাৰী সমষ্টিৰ এলেকাত থকা মাদক দ্ৰব্যৰ (কানি, ভাঙ, মদ) সকলো দোকান পোহাৰ বন্ধ কৰি দিছিল।

সনাতন হিন্দুধৰ্মৰ লোকসকলৰ মাজত থকা সৰু-বৰ, উচ্চ-নীচৰ প্ৰাচীৰ ভাঙি এখন একাত্মবৰ্ত্তী সমাজ গঢ়াত তালুকদাৰ প্ৰমুখ্যে এচাম নেতা উঠি পৰি লাগিছিল। সি সকলৰ ভিতৰত গৌৰীকান্ত তালুকদাৰ আৰু কালীৰাম বৰ্মণৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সেই সময়ত ব্ৰাহ্মণসকলে মৃতকৰ অশৌচ এঘাৰ দিন আৰু অব্ৰাহ্মণ সকলে এমাহ পালন কৰাৰ নিয়ম আছিল। তদুপৰি বিবাহ-কৰ্মাদিৰ ক্ষেত্ৰতো উচ্চ-নীচ ধৰণৰ ভালেমান বিৰোধ আছিল। এনে ব্যৱস্থাৰ ফলত অব্ৰহ্মণসকল যেন সমাজত হেয় প্ৰতিপন্ন হৈছিল। তদুপৰি এমাহ অশৌচি খাটিব লগীয়া হোৱাত খেতিয়ক শ্ৰেণীৰ লোকৰ পূৰাব নোৱাৰা ক্ষতি হৈছিল। এনেবোৰ বৈষম্য আৰু অসুবিধা দূৰ কৰাৰ কাৰণে তালুকদাৰ, বৰ্মণ প্ৰমুখ্যে লোকসকলে সভা-সমিতি পাতি এমাহৰ ঠাইত তেৰ দিনত অশৌচ খেদোৱাৰ যুক্তি দিছিল। এই ঘটনাৰ সম্পৰ্কত কামৰূপৰ কিছুমান ব্ৰাহ্মণে কলিকতা উচ্চ ন্যায়ালয়ত গোচৰ তৰিছিল। শেষত তালুকদাৰৰ যুক্তি-তৰ্কৰ আগত ব্ৰাহ্মণসকলৰ যুক্তি তিষ্ঠিব নোৱাৰিলে। উচ্চ ন্যায়ালয়ে তালুকদাৰৰ যুক্তি ন্যায়সঙ্গত বুলি ৰায় দিলে আৰু তেতিয়াৰ পৰা অব্ৰাহ্মণ সকলে তেৰ দিনত অশৌচ খেদোৱাৰ নিয়ম কৰিলে।

ইয়াৰ উপৰি কিছুমান হিন্দু ল'ৰা-ছোৱালী নাইবা পুৰুষ-

তিৰোতাক কিছুমান লোকে বলপূৰ্বক ধৰ্মান্তৰ কৰাৰ চেষ্টা চলাই আহিছিল। ধৰ্মৰ নামত এচাম লোকে তেনে কৰাটো তালুকদাৰে সহ্য কৰিব নোৱাৰিছিল। তাৰ প্ৰতিকাৰ বিচাৰি বলপূৰ্বক ধৰ্মান্তৰিত কৰা হিন্দুসকলক পুনৰ হিন্দু ধৰ্মলৈ ঘূৰাই অনাৰ পক্ষপাতিত্ব কৰি তালুকদাৰে এটি আন্দোলন চলাইছিল।

গৌৰীকান্ত তালুকদাৰ একেৰাহে এগৰাকী প্ৰবীণ মুক্তি-যুঁজাৰু, ৰাজনীতিবিদ, সমাজ সংস্কাৰক, সাহিত্যিক, সাংবাদিক, বিদ্যোৎসাহী আৰু শিল্পানুৰাগী ব্যক্তি আছিল। শিল্পানুষ্ঠান পতাত তেখেতৰ বিশেষ আগ্ৰহ দেখা গৈছিল। ইতিমধ্যে উল্লিখিত 'কামৰূপ একাডেমী'ৰ উপৰিও চামতা হাইস্কুল, নলবাৰী ছোৱালী হাই স্কুল, নলবাৰী কলেজ, চামতা ছোৱালী হাই স্কুল, সন্দিকৈ ছোৱালী কলেজ, বি বৰুৱা কলেজ, গুৱাহাটী বিশ্ববিদ্যালয় আদি পতাত তেখেতে উল্লেখযোগ্য অৰিহণা যোগোৱাৰ উপৰিও তেনে প্ৰায়বোৰ অনুষ্ঠানৰ পৰিচনালা সমিতি সভাপতি নাইবা সক্ৰিয় সদস্য আছিল। কোৱা বাহুল্য যে ধৰ্মপুৰ অঞ্চলত শিক্ষা বিস্তাৰৰ কাৰণে তালুকদাৰৰ উদ্যমতে ১৯২০ চনত, 'ধৰ্মপুৰ শিক্ষা বিস্তাৰ সমিতি'ৰ জন্ম হৈছিল।

তালুকদাৰ এজন সৃষ্টিধৰ্মী লেখক আছিল। ধৰ্মানুষ্ঠান পদ্ধতি, ব্ৰহ্মচৰ্য, জাতি সমস্যা, অসমীয়া খেতিয়কক লাগে কি ? ভাগৱতগীতা (আলোচনা গ্ৰন্থ), হিন্দুৰ দৃষ্টিত জীৱনৰ লক্ষ্য, পুৰণি কামৰূপৰ ক্ষত্ৰিয় জাতি, কলিতাৰ ব্ৰতোদ্ধাৰৰ আৱশ্যকতা, বৰ্ণ শিক্ষা (শিশু-পাঠ্যপুথি) আদি ভালেমান পুথিৰ তেখেত প্ৰণেতা আছিল। তদুপৰি 'দীপক' নামৰ শিশু আলোচনীখনি ১৯৫৪ চনত আৰম্ভ কৰি মৃত্যুৰ সময়লৈকে সম্পাদনা কৰিছিল। তেখেতৰ মৃত্যুৰ পিছত সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা দেৱ 'দীপক'ৰ অবৈতনিক সম্পাদক আছিল। সাহিত্য, সংবাদ সাহিত্যৰ লগত জড়িত থাকি, লগতে জীৱন নিৰ্বাহৰ আহিলা হিচাপেও উজান বজাৰত

পত্নীৰ নামত লাৱণ্য প্ৰেছ নামৰ এটি শিল্প প্ৰতিষ্ঠান পাতি এজন সুনিপুন প্ৰেছ ব্যৱসায়ী হিচাপে সুনাম অৰ্জন কৰিছিল। তেখেতক প্ৰেছৰ কাৰ্যত সৌহাত স্বৰূপে থাকি মাজুপুত্ৰ পবিত্ৰ কুমাৰ তালুকদাৰে সহায় কৰিছিল। স্মৰণযোগ্য যে প্ৰায় পোন্ধৰ বছৰ কাল 'দীপকে' অসমৰ শিশু আলোচনীৰ জগতত দীপজ্যোতিৰ পোহাৰ মেলি অগণন শিশু আৰু পৰিয়ালক জ্ঞান-বিজ্ঞান লাভ কৰাত অৰিহণা যোগাইছিল।

বেঙ্ক উদ্যোগীকৰণ কাৰ্যতো তালুকদাৰে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। গুৱাহাটী বেঙ্কৰ তেখেত এজন উদ্যোক্তা হোৱাৰ উপৰিও ১৯২৬ চনত এই বেঙ্ক স্থাপিত হোৱাৰ সময়ৰে পৰা ১৯৩৭ চনলৈকে তেখেত তাৰ মেনেজিং ডিৰেক্টৰ আছিল। তালুকদাৰৰ পাঁচজন পুত্ৰ ক্ৰমে কৰুণা, বিনয়, শ্ৰীসুবোধ, পবিত্ৰ আৰু শ্ৰীকল্যাণ তালুকদাৰ। পাৰিবাৰিক জীৱনতো তালুকদাৰ আদৰ্শ পুৰুষ আছিল। সুদীৰ্ঘ চাৰিকুৰি বছৰ নিৰোগী স্বাস্থ্য লৈ দেশ আৰু দহৰ মঙ্গল চিন্তা কৰি ১৯৬৬ চনৰ ২১ অক্টোবৰৰ নিশা তালুকদাৰদেৱে মৃত্যুক সাৱটি লয়।

বিশিষ্ট সমাজকর্মী

কালীৰাম বৰ্মণ

গুৱাহাটীৰ প্ৰবীণ অধিবক্তা তথা মুক্তি যোদ্ধা কালীৰাম বৰ্মণে ১৮৮৫ চনত জন্ম গ্ৰহণ কৰে। বৰ্তমানৰ নলবাৰী জিলাৰ ধৰ্মপুৰ মৌজাৰ চামতা অঞ্চলৰ মহেপাৰা তেখেতৰ জন্মস্থান। জনামতে কালীৰাম বৰ্মণৰ উপৰি পুৰুষসকল আদিতে বৰপেটা জিলাৰ উত্তৰ বজালী অঞ্চলৰ লোক। ভোটৰ উপদ্ৰৱত থাকিব নোৱাৰি পিছত চামতা গাৱঁলৈ উঠি আহে। বৰ্মণৰ দেউতাকৰ নাম আছিল কাশীনাথ দাস। কাশীনাথ দাসে তেওঁৰ স্কুলীয়া শিক্ষা গোৱালপাৰা জিলাৰ গৌৰীপুৰত লাভ কৰিছিল আৰু কিছুকাল শিক্ষাৰ পিছত গৌৰীপুৰৰ জমিদাৰী কাৰ্যালয়ত কাম কৰিছিল। তেতিয়াৰ গৌৰীপুৰৰ জমিদাৰ প্ৰতাপচন্দ্ৰ বৰুৱা কামৰূপৰ মানুহৰ প্ৰতি বিশেষ মৰমীয়াল আছিল আৰু সেই অঞ্চলৰ ভালেমান মানুহক গৌৰী-পুৰলৈ নি শিক্ষা আৰু ব্যৱসায় আদিত নানা ধৰণে সা-সুবিধা কৰি দিছিল। বৰ্মণৰ দেউতাক কাশীনাথ দাসে পিছলৈ নিগাজীকৈ চামতাত বসতি স্থাপন কৰি পাঠশালা স্কুলৰ প্ৰধান শিক্ষক হিচাপে কাম কৰিছিল আৰু গাৱঁৰ মুখীয়াল লোক হিচাপে খ্যাতি অৰ্জন কৰিছিল। কাশীনাথ বৰ্মণৰ পুত্ৰ কালীৰাম বৰ্মণ সৰুৰে পৰা অতি তীক্ষ্ণবুদ্ধিৰ ল'ৰা আছিল। পৰীক্ষসমূহত বৃত্তি পাইছিল। ১৮৯৭ চনৰ বৰভুঁইকঁপৰ সময়ত তেখেতৰ বয়স বাৰ বছৰ আছিল। তেখেতৰ লিখনিৰ পৰা জনা যায় যে ভুঁইকঁপৰ সময়ছোৱাত লগৰীয়া এজনৰ সৈতে তেখেতে মাছ ধৰি আছিল। এগৰাকী মুছলমান মহিলাই সেইৰাতি অসহায় অৱস্থাত ল'ৰাটিক পাই নিজৰ ঘৰত

ৰাখি পিছদিনা মাক-দেউতাকৰ হাতত শোধাই দিয়ে। এই বিষয়ে বৰ্মণে তেখেতৰ আত্মজীৱনীত উল্লেখ কৰিছে। সেই বৰ্ণনা অতি জীৱন্ত আৰু আকৰ্ষণীয়। পাঠশালা স্কুলৰ শিক্ষা সাং কৰি বৰপেটাৰ পৰা বৃত্তি পৰীক্ষা দি জলপানী লাভ কৰে। ইয়াৰ পিছত ক্রমে নলবাৰীত মধ্যইংৰাজী আৰু গুৱাহাটীৰ কটন-কলেজীয়েট উচ্চ ইংৰাজী স্কুলত হাইস্কুলীয়া শিক্ষা লাভ কৰে। সেই সময়ত তেখেতৰ লগৰীয়াসকলৰ ভিতৰত শিক্ষাবিদ্ শৰৎচন্দ্ৰ গোস্বামী, বিষ্ণুৰাম মেধী, গৌৰীকান্ত তালুকদাৰ, অম্বিকাগিৰী ৰায়চৌধুৰী আদি আছিল। তেখেতসকলে ১৯০৫ চনত সংঘটিত হোৱা বঙ্গভঙ্গ আন্দোলনৰ সম্পৰ্কে আলোচনা কৰিছিল আৰু কিছু পৰিমাণে হলেও বৈপ্লবিক চিন্তাধাৰাৰ প্ৰতি উদ্বোদ্ধ হৈছিল। সেই সময়ৰ কলেজিয়েট স্কুলৰ প্ৰধান শিক্ষকে অসমীয়া জাতিৰ প্ৰতি বিৰূপ মন্তব্য কৰাত বৰ্মণে তীব্ৰ প্ৰতিবাদ জনাইছিল।

বৰ্মণে ১৯০৫ চনত এনট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয় আৰু গুৱাহাটীৰ কটন কলেজ আৰু কলিকতাৰ পৰা ক্রমে বি, এ আৰু আইনৰ স্নাতক হয়। ইয়াৰ পিছত ঢাকাৰ পৰা প্ৰকাশিত "বিশ্ববাৰ্ত্তা" নামৰ বাতৰি কাকতৰ অসমীয়া সংস্কৰণৰ সম্পাদক হয়। মূল কাকতখন বঙালী ভাষাত ওলাইছিল। এই দৃষ্টিকোণৰ পৰা চালে বৰ্মণ বাটকটীয়া অসমীয়া সাংবাদিকসকলৰ ভিতৰত এজন আছিল। ইংৰাজী ১৯১৪ চনত বৰ্মণে গুৱাহাটীত ওকালতি আৰম্ভ কৰে। ওকালতি জীৱনৰ আৰম্ভণিৰ কথা তেখেতৰ আত্ম-জীৱনীত লিখি থৈ গৈছে। প্ৰথম দিনাখনেই হেনো তিনি টকা মাননিৰে ওকালতি জীৱনৰ পাতনি মেলিছিল। তেতিয়াৰ তেখেতৰ সঙ্গীসকলৰ ভিতৰত আছিল ৰোহিণী কুমাৰ চৌধুৰী গৌৰীকান্ত তালুকদাৰ আদি। এওঁলোক জুনিয়ৰ বা কমবসীয়া দলৰ আছিল। চিনিয়ৰ বা বয়সীয়ালসকলৰ ভিতৰত আছিল সত্যনাথ বৰা, তৰুণৰাম ফুকন আদি প্ৰখ্যাত আইনজীৱীসকল। ইয়াৰ বাহিৰেও

ছাদুল্লা চাহাব তেতিয়া অতি নাম কৰা আইনজ্ঞ আছিল। বৰ্মণে আত্মজীৱনীত উল্লেখ কৰা মতে ছাদুল্লা এজন দয়ালুপুৰুষ আছিল। সত্যনাথ বৰাদেৱক ঋষিতুল্য লোক বুলি আত্মজীৱনীত উল্লেখ কৰা হৈছে। ইয়াৰ বাহিৰেও ওকালতি জীৱনৰ বিৱৰণিত তৰুণৰাম ফুকনৰ বাক্‌চাতুৰ্য আৰু বিচক্ষণ বুদ্ধিৰ বৰ্ণনা আছে।

বৰ্মণৰ জীৱন চৰিতৰ পৰা জনা যায় যে ১৯০৪ চনৰ জাপান আৰু ৰুছিয়াৰ যুদ্ধৰ ফলাফলে তেতিয়াৰ অসমীয়া ডেকাসকলৰ মনত স্বদেশ প্ৰেমৰ ভাৱ জগাই তোলে। পৰবৰ্ত্তী সময়ত আসাম এছোচিয়েছনৰ যোগেদি এই ভাৱধাৰা বেছি প্ৰকট হৈ উঠে।

ওকালতি আৰম্ভ কৰাৰ কেইবছৰমান পিছত ১৯২১ চনত অসযোগ আন্দোলন আৰম্ভ হয়। এই আন্দোলনত গুৱাহাটীৰ বেছিভাগ উকীলেই যোগ দিছিল। বৰ্মণেও ওকালতি পৰিত্যাগ কৰি কংগ্ৰেছৰ সংগঠনত দেহে কেহে লাগিছিল। তেখেতে আন্দোলনত নিজ ঘৰ চামতা গাৱঁৰ দক্ষিণ অঞ্চলত সংগঠনৰ কাম কৰিছিল। সেই সূত্ৰতে তেখেতৰ ঘৰ পুলিচৰ দ্বাৰা একাধিকবাৰ খানাতোলাচ কৰা হয়। বিদেশী বস্ত্ৰ বৰ্জন আৰু প্ৰজ্বালন কাৰ্যত তেখেতে আগভাগ লৈছিল। এই সময়ছোৱাত সেই অঞ্চলৰ কেবাজনো লোকক পুলিচে গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ চালান দিয়ে। বৰ্মণৰ লগত স্বেচ্ছাসেৱক হিচাপে কাম কৰা ধনপতি বৰ্মণে তেতিয়া ছমাহ কাল কাটেক খাটে। তেতিয়াৰ কয়দীৰ জীৱন অতি কষ্টকৰ আছিল বুলি বৰ্মণে উল্লেখ কৰিছে। বিশেষকৈ কম বয়সীয়া কয়াদীসকলক লঘু দোষতে বেত দিয়া হৈছিল।

বৰ্মণ ৰাজনৈতিক সংগঠনৰ কামত লাগি থাকোতে নানা ধৰণৰ সমাজ সংস্কাৰৰ বাবেও প্ৰচেষ্টা চলায়। তেতিয়াৰ অব্ৰাহ্মণসকলে মৃতকৰ অশৌচ এমাহলৈ পালন কৰিছিল। বৰ্মণে তেখেতৰ লগৰীয়া আৰু সহপাঠী গৌৰীকান্ত তালুকদাৰৰ লগতে যোগ হৈ তেৰদিনত অশৌচ খেদোৱাৰ নিয়ম প্ৰৱৰ্ত্তন কৰে। এই প্ৰথা আজি

অসমৰ প্ৰায়বোৰ অঞ্চলতে প্ৰৱৰ্তিত হৈছে। এই ক্ষেত্ৰত তেখেত-সকলে ৰক্ষণশীল শ্ৰেণীটোৰ পৰা অনেক বাধা পাইছিল। এই সংক্ৰান্তত তেখেতসকলৰ মতৰ শুদ্ধতা প্ৰতিষ্ঠা কৰিবলৈ এখন যজ্ঞ পাতিছিল আৰু তাত ৰাধিকানন্দ চৌধুৰী, জগদানন্দ চৌধুৰী আদিয়ে যোগ দিছিল। ইয়াৰ পিছৰ পৰা তেখেতসকলে বৰ্মণ উপাধি পায়, লগে লগে কলিতা-ক্ষেত্ৰিয় আন্দোলন বিয়পি পৰে। সময়ত কলিতা জাতিৰ ইতিবৃত্ত সম্বন্ধেও জানিবৰ বাবে স্বাভাৱিকতে তেখেতৰ মনত আগ্ৰহ ওপজে। এই সম্বন্ধে কেইবাটিও অপ্ৰকাশিত প্ৰবন্ধ হাতে লিখা অৱস্থাত তেখেতে এৰি থৈ যায়। সমাজসেৱী বৰ্মণদেৱে গাওঁ-ভূঁইত আলি-পদুলি, নিৰ্মাণ কৰা, খোৱা পানীৰ যোগান ধৰা আদি গঠনমূলক কামত নানাধৰণে আত্মনিয়োগ কৰিছিল। বৰদিনৰ বন্ধত গাৱঁৰ লগৰীয়াসকলৰে সৈতে কোৰ, কুঠাৰ লৈ আলি-পদুলি পৰিষ্কাৰ কৰিছিল বা নতুনকৈ ৰাস্তা বান্ধিছিল। "কোদালি সংঘ" নাম দি এটি সংগঠন খুলি ৰাইজক আলি-পদুলি বান্ধি ল'বলৈ উৎসাহিত কৰিছিল। গাৱঁলীয়া জনসাধাৰণৰ লগত নিজৰ সম্বন্ধ অটুত ৰখা আৰু তেওঁলোকৰ উন্নতি সাধন কৰাটো তেখেতৰ জীৱনৰ আন এটি লক্ষ্য আছিল। মৃত্যুৰ আগলৈকে গাৱঁৰ কথা ভাবিছিল আৰু গাওঁবাসীৰ আৰ্থিক অৱস্থা টনকীয়াল কৰাৰ বাবে দিহা-পৰামৰ্শ দিছিল।

এই ক্ষেত্ৰত বৰ্মণৰ জীৱনৰ এটি স্মৰণীয় ঘটনা আছে। ইংৰাজ শাসিত গুৱাহাটী লোকেল বোৰ্ডৰ উপ-সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰা আৰু কৰ্নেল গিলমেনৰ বিৰুদ্ধে জয় লাভ কৰা ঘটনা।

বৰ্মণ ১৯১৬ চনত প্ৰথম গুৱাহাটী লোকেল বোৰ্ডৰ সভ্য নিৰ্ব্বাচিত হয়। ইয়াৰ পাছত ৰোহিণী কুমাৰ চৌধুৰী আৰু যোগেন্দ্ৰ নাথ বৰুৱা গুৱাহাটী লোকেল বোৰ্ডৰ সভ্য নিৰ্ব্বাচিত হয়। ১৯১৫ চনৰ স্থানীয় স্বায়ত্ত শাসন আইন মতে উপ-সভাপতিজন নিৰ্ব্বাচিত হ'ব লাগিছিল। সেই সময়ত এই পদত কৰ্ণেল গিলমেন নামৰ

ৰবহুৱাৰ বাগানৰ মালিকজন অধিষ্ঠিত আছিল। এজন ক'লামানুহে তেওঁৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব ওলোৱা দেখি তেওঁ ক্ৰোধত অগ্নিশৰ্ম্মা হ'ল। কিন্তু অশেষ যত্নৰ মূৰত কৰ্ণেল গিলমেনক পৰাজিত কৰি প্ৰথমবাৰৰ বাবে এজন ভাৰতীয় নিৰ্ব্বাচিত হ'ল। তেখেতেই আছিল বৰ্মণ ডাঙৰীয়া। এই সম্পৰ্কে ১৮৮০ শকৰ "কামধেনু"ত "ক'লাবগাৰ যুদ্ধ" নামে আমোদজনক প্ৰবন্ধ এটিও প্ৰকাশ পাইছিল।

ইয়াৰ পিচত বৰ্মণে কংগ্ৰেছ দলৰ কাৰ্যত ১৯২৬ চনলৈ লাগি থাকে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত তেখেতে Accommodation Secretary' বা প্ৰতিনিধিসকলৰ বাহৰ সজা সম্পাদক আছিল। পৰিতাপৰ বিষয় সেই কংগ্ৰেছৰ অধিবেশনৰ সময়তে স্বামী শ্ৰদ্ধানন্দৰ আততায়ীৰ হাতত মৃত্যু হয়। আৰু বতৰৰ দুৰ্যোগৰ বাবেও কংগ্ৰেছৰ উদ্যোক্তাসকলে কিছু অসুবিধা পায়। এই অধিবেশনৰ বহুদিন পিছলৈকে তৰুণৰাম ফুকনকে ধৰি নেতাসকলে আৰ্থিক-ভাৱে জুৰুলা হয়।

কংগ্ৰেছৰ এই অধিবেশনতে দেশবন্ধু চিত্তৰঞ্জন দাসে সৰ্ব্বভাৰতীয় কাউন্সিলত কংগ্ৰেছী দলে প্ৰৱেশ কৰিব লাগে বুলি এটা প্ৰস্তাৱ আনে। কাউন্সিলত প্ৰবেশ কৰি ভিতৰৰ পৰা ইংৰাজ শাসকসকলক অচল কৰাৰ কথা ভাবিছিল। পাণ্ডু কংগ্ৰেছত এই বিষয় লৈ দুটা দলৰ সৃষ্টি হল। আনটো দলে কাউন্সিল বৰ্জ্জনৰ সিদ্ধান্ত ললে।

দেশভক্ত তৰুণৰাম ফুকন দেশবন্ধু চিত্তৰঞ্জন দাসৰ সৌহাত স্বৰূপ হ'ল আৰু গোটেই ভাৰততে কাউন্সিল বৰ্জন নকৰিবলৈ প্ৰচাৰ কাৰ্য চলালে। পিছৰ কালত কাউন্সিল প্ৰৱেশত বিশ্বাসী দলটোৱে "মিলিত জনসংঘ" নামদি তৰুণৰাম ফুকনৰ নেতৃত্বত অসমত এটা নতুন ৰাজনৈতিক দলৰ পাতনি মেলে। 'জনসংঘই' অসমত মন্ত্ৰীত্ব গ্ৰহণত বিশ্বাসী আছিল। ইয়াৰ অন্যথাই চিলেটৰ প্ৰভাৱত অসমৰ স্বাৰ্থ হানি হব বুলি এই দলে বিশ্বাস কৰিছিল। 'জনসংঘ'ৰ প্ৰাৰ্থী-সকলৰ ভিতৰত ১৯৩৭ চনৰ নিৰ্ব্বাচনত অকল ৰোহিণী কুমাৰ

চৌধুৰীহে জিকিছিল। ইয়াৰ পিছত কংগ্ৰেছী লোকসকলেও মন্ত্ৰীত্ব লব পাৰে বুলি ওপৰৰ পৰা হুকুম আহিল। এই সময়ত ছাদুল্লা চাহাব অসমৰ মুখ্যমন্ত্ৰী (প্ৰধানমন্ত্ৰী) আছিল। তেওঁক হুকবাবৰ কাৰণে কংগ্ৰেছে ফুকনক এজন উপযুক্ত নেতা হিচাপে বিচাৰিলে। মুখ্যমন্ত্ৰী পতাৰ আশ্বাসত ফুকনেও কংগ্ৰেছত যোগ দিলে। কথা আছিল কোনো এজন কংগ্ৰেছ কৰ্মীয়ে নিজৰ কাউন্সিলৰ পদ ইস্তফা দি তাৰ পৰা ফুকনক নিৰ্ব্বাচিত কৰি আনিব। কিন্তু এই নিৰ্ব্বাচিত কংগ্ৰেছী সদস্যজনে নিজৰ পদ ইস্তফা নিদিলে। গতিকে ফুকন ডাঙৰীয়াও মুখ্যমন্ত্ৰী নহ'ল। শেষত তুমুল দলীয় সংঘৰ্ষ আৰু প্ৰতিদ্বন্দ্বিতাৰ মাজত গোপীনাথ বৰদলৈ ডাঙৰীয়া মুখ্য মন্ত্ৰী নিৰ্ব্বাচিত হল। অসমৰ ৰাইজে অন্ততঃ আশা কৰিছিল যে ফুকনৰ দৰে উচ্চমানসম্পন্ন প্ৰাৰ্থীজনে এটা উচ্চ পদবী পাব। কিন্তু ৰাইজৰ সেই আশাও পূৰণ নহ'ল। ইয়াৰ কিছুদিন পিছতে ফুকনৰ মৃত্যু হয়।

১৯২৮ চনত বৰ্মণে গুৱাহাটিৰ প্ৰথম অসমীয়া চৰকাৰী উকীল নিযুক্ত হয়। তেখেতৰ আগতে এই পদবীত সদায় অনা অসমীয়া লোকৰ অধিকাৰ আছিল।

ধৰ্মপুৰত "ধৰ্মপুৰ স্বাস্থ্য সংঘ" নামে এটা অনুষ্ঠান বৰ্মণে গঢ়ি তোলে। ইয়াৰ দ্বাৰা তেখেতে এখন হোমিওপ্যাথিক চিকিৎসালয় স্থাপন কৰে। স্থানীয়া জনসাধাৰণ ইয়াৰ দ্বাৰা বিশেষভাৱে উপকৃত হয়। ইয়াৰ লগে লগে চামতা হাইস্কুল আৰু চামতা ডাক্তৰ খানা প্ৰতিষ্ঠা কৰাত আগভাগ লয়। সেইদৰে কৃষকসকলৰ এটা সংঘও গঠন কৰে। আনকি ফাগুন, চ'ত মাহত চৰণীয়া গৰুই পানী খোৱাৰ কাৰণেও তেওঁ ৰাজহুৱা পুখুৰী খন্দাইছিল।

চৰকাৰী উকীল হোৱাৰে পৰা তেওঁ বিভিন্ন ধৰণৰ ফৌজদাৰী মোকৰ্দ্দমা পৰিচালনা কৰে আৰু লগে লগে অসমলৈ নতুনকৈ অহা পূৰ্ব্ববঙ্গৰ লোকসকলৰ কাৰ্যকলাপ সম্পৰ্কে জানিবলৈ সুযোগ পায়।

এইসকল লোকৰ অসামাজিক কামৰ বাবে থলুৱা বাইজৰ বিপদ সম্বন্ধেও তেখেতে বহু কথা জানিব পাৰে। বৰ্মণে তেতিয়াৰ বিখ্যাত চৰকাৰী বিষয়া এছ, পি দেশাই আৰু এম, এল মেহতা আই, এ, এছ'ৰ বন্ধু আছিল। পমুৱাসকলে অসমলৈ আহি অসমৰ মাটি দখল কৰা সম্পৰ্কে দেশাইক বৰ্মণে সম্পূৰ্ণ অৱগত কৰায়, আৰু ইয়াক বাধা দিব লাগে বুলি চিন্তা কৰি দেশাই চাহাবৰ ওচৰত প্ৰতিবেদন দিয়ে। দেশাই চাহাব তেতিয়া কামৰূপ জিলাৰ 'জিলা মাটি বন্দোবস্তি বিষয়া' আছিল। চৰুৱাসকলে মাটি দখল কৰা বিষয়টো বুজ লবলৈ বুলি দেশাই চাহাবৰ লগত 'ভাঙনামাৰি চৰ', 'লটৰীয়া চৰ', 'জলজলি চৰ' আদি ভ্ৰমণ কৰিছিল। "আদালতৰ বিচিত্ৰ কাহিনী" নামৰ প্ৰকাশিত পুথিখনত এই বিষয়ে বেইবাটাও কাহিনী লিপিবদ্ধ কৰি থৈ গৈছে। তেখেতে সদায় পমুৱা অঞ্চলত লাইন প্ৰথা ৰাখাত বিশ্বাসী আছিল! পিছত ১৯৪৮ চনত চৰকাৰী উকীল হৈ থকাৰ পিছত গুৱাহাটী উচ্চন্যায়ালয়ৰ প্ৰথম চৰকাৰী অধিবক্তা ৰূপে নিযুক্তি পায়। তেখেতে 'আজাদ হিন্দ ফৌজ' আদিৰ সম্পৰ্কেও প্ৰবন্ধ লিখে। তেখেতৰ ভালেমান অপ্ৰকাশিত প্ৰবন্ধপাতি আছে। ৰাজনৈতিক জীৱনৰ শেষ সময়ত দুটা আন্দোলনত তেখেতে উল্লেখযোগ্য বৰঙণি যোগাইছিল। তাৰে এটা আছিল কোচবিহাৰক অসমৰ অবিচ্ছেদ্য অংশ হিচাপে ৰখাৰ প্ৰচেষ্টা আৰু আনটো আছিল ১৯৫৭ চনৰ তেল শোধনাগাৰ আন্দোলন। কোচবিহাৰক অসমত ৰখাৰ যুক্তি দাঙি ধৰিবলৈ বিহগী কবি ৰঘুনাথ চৌধাৰী, হৰেন্দ্ৰ নাথ বৰুৱা, বেণুধৰ শৰ্মা আদি লোকসকলৰ লগ লাগি এটা অনুষ্ঠান গঠন কৰিছিল। কাৰণ তেতিয়াৰ অসম কংগ্ৰেছ এই ক্ষেত্ৰত সম্পূৰ্ণ নিৰ্ব্বিকাৰ আছিল। তেখেতৰ দেশ বিভাজনত বিশ্বাস নথকা কাৰণে হিন্দুমহাসভাত যোগ দিছিল। কিন্তু মহাত্মা গান্ধীক হত্যা কৰাৰ পিছত সেই দলৰ পৰা আঁতৰি আহিছিল। সেইসময়ত তেখেতৰ সতীৰ্থ আছিল নগাওঁৰ প্ৰবীণ কংগ্ৰেছ কৰ্মী পণ্ডিত কনক

চন্দ্ৰ শৰ্মা, সতীশ সিং আদি।

অসমীয়া লোকৰ আৰ্থিক বা সামাজিক স্বাৰ্থনিহিত অনুষ্ঠানৰ লগত তেখেত জড়িত আছিল। গুৱাহাটী বেঙ্ক, ভাস্কৰ ইন্সেউ্যৰেন্স আদি তেনে ধৰণৰ অনুষ্ঠানৰ কিছুমান প্ৰতিষ্ঠা কৰাত তেখেতৰ উদ্যোগ প্ৰশংসনীয় আছিল।

বৰ্মণদেৱ কামৰূপ অনুসন্ধান সমিতিৰো সক্ৰিয় সদস্য আছিল। কনকলাল বৰুৱা, কালীৰাম মেধি, ৰঘুনাথ চৌধাৰী, সৰ্বেশ্বৰ শৰ্মা কটকী, সোণাৰাম চৌধুৰী আদিৰ সৈতে অনুসন্ধানৰ কামত সকলো প্ৰকাৰে সহযোগ কৰিছিল। পিছৰ কালত ৰাজমোহন নাথ তেখেতৰ লগৰীয়া আছিল। সেইদৰে 'Elephant Catching Company' নামৰ এটা ব্যৱসায় প্ৰতিষ্ঠান গঢ়ি আন আন প্ৰখ্যাত হাতী চিকাৰীৰ সৈতে লগ লাগি বনৰীয়া হাতীধৰা কাৰবাৰ কৰিছিল। জনামতে সেই কালত কামৰূপৰ প্ৰায়বোৰ হাতীৰ কাৰবাৰ কৰা মানুহে বৰ্মণৰ নেতৃত্বত সমূহীয়াভাৱে হাতীৰ ব্যৱসায় কৰিছিল। প্ৰকৃতাৰ্থত সেই ব্যৱসায়টো সেই সময়ত এককভাৱে অসমীয়া মানুহৰ হাতত আছিল।

১৯৪২ চনত জাপানে ব্ৰহ্মদেশ জয় কৰি অসমৰ ফালে আগবাঢ়ি আহিবলৈ ধৰাত তেতিয়া অসমৰ পৰা বহুতো অনাঅসমীয়া ব্যৱসায়ী পলাই যায়। গুৱাহাটীৰ কাঁচীবজাৰ মৰিশালিত পৰিণত হয়। অসমত খাদ্য বস্তুৰ অনাটনে দেখা দিয়ে, তেতিয়া বৰ্মণে আন কিছুমান উল্লেখযোগ্য ব্যক্তিৰ সৈতে 'Assam Supply Agency' বুলি এটা কোম্পানী খুলি কেইবছৰমানৰ কাৰণে অসমত খাদ্যবস্তু যোগান ধৰাৰ ব্যৱস্থা কৰিছিল। বৰ্মণে শেষ বয়সত আৰু এটা অনুষ্ঠানৰ নেতৃত্ব দিছিল। সেইটো হৈছে "অসম জাতীয় উৎসৱ সমিতি"। এই সমিতিৰ জৰিয়তে পাণবজাৰৰ স্থানীয় হৰিসভাত শঙ্কৰদেৱৰ তিথিকে ধৰি আন আন জাতীয় উৎসৱ পালন কৰিছিল। এইটো উল্লেখযোগ্য যে প্ৰথমতে

গুৱাহাটীৰ হৰিসভাত অসমীয়া অনুষ্ঠান পতাত ভালেমান বাধা-বিঘিনিয়ে দেখা দিছিল যদিও ভালেমান ব্যক্তি আৰু যুৱকে তাত অসমীয়া উৎসৱসমূহ পতাত সমৰ্থ হয়। বৰ্মণ মৰণ কাললৈ এই সমিতিৰ সভাপতি আছিল। সেইদৰে নিউফিল্ডত প্ৰতিষ্ঠিত বহাগ বিহু উৎসৱৰ তেখেত এজন পৃষ্ঠপোষক আছিল। ১৯৫৬ চনৰ নিৰ্ব্বাচনত তেখেত ছোচিয়েলিষ্ট দলৰ প্ৰাৰ্থী হিছাপে পশ্চিম নলবাৰীৰ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়।

বৰ্মণ ভাগুৰীয়াৰ সাংসাৰিক জীৱন সুখকৰ আছিল। ১৯১০ চনত চামতা গাৱঁৰ ওচৰৰ কপীয়া বাথান গাৱঁৰ ধাতুৰাম তহবিলদাৰৰ প্ৰথমা কন্যা ধনেশ্বৰী তহবিলদাৰৰ লগত তেখেতৰ বিবাহ হয়।

মৃত্যুৰ সময়ত তেখেতে ছয়জন পুত্ৰ আৰু চাৰিগৰাকী ছোৱালী এৰি যায়।" ৰৰপুত্ৰ অম্বিকা চৰণ বৰ্মণে ১৯৩০ চনৰ কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে পিকেটিং কৰাত সশ্ৰম কাৰাদণ্ড ভোগ কৰিছিল। জোৱাঁয়েকসকলৰ ভিতৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য শ্ৰীজীতেন্দ্ৰ নাথ দাস I.A.S. এজন। আন কেইগৰাকী জোৱাঁয়েক হ'ল—মুখ্য অভিযান্তা নিৰ্মলেন্দু দাস, অভিযান্তা শ্ৰীদুৰ্গেশ্বৰ তালুকদাৰ, অধিবক্তা পদ্মৰাম বৰুৱা, আৰু শ্ৰীচণ্ডীচৰণ বৰ্মণ I.A.S., তেখেতৰ তৃতীয় পুত্ৰ জ্ঞানদাভিৰাম বৰুৱা, আইন মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমোদ চন্দ্ৰ বৰ্মণ। ১৯৫৭ চনৰ তেল শোধনাগাৰ আন্দোলত প্ৰথম সত্যাগ্ৰহীৰ দলটোৰ নেতৃত্ব দি অধ্যক্ষ বৰ্মণে চাৰিমাহ কাৰাবাস খাটিছিল। তদুপৰি তেখেত প্ৰজা ছ'চিয়েলিষ্ট দলৰ এজন প্ৰবীণ নেতা। আনকেইজন পুত্ৰ ক্ৰমে শ্ৰীউমাকান্ত বৰ্মণ জলসিঞ্চন বিভাগৰ ভূতপূৰ্ব সচিব, শ্ৰীজ্যোতিষ বৰ্মণ অধিবক্তা আৰু সুমলীয়া পুত্ৰ চৰকাৰী প্ৰশিক্ষণ বিষয়া শ্ৰীহেমন্ত বৰ্মণ।

এনেহেন দেশপ্ৰাণ, সমাজকৰ্মী বৰ্মণদেৱৰ ইং ১৯৭১ চনৰ ১৭ ডিচেম্বৰৰ তাৰিখে শেষ ৰাতি পৰলোক প্ৰাপ্তি ঘটে।

বিপ্লৱৰ প্ৰতীক

বিশ্ব গোস্বামী

বিচিত্ৰ মানৱ-প্ৰকৃতি, বিচিত্ৰ এই সংসাৰ। গতানুগতিক জীৱন বৈচিত্ৰ্যহীন। খলা-বমা পৃথিৱীৰ কাঁইটীয়া বাটেদি খোজ কাঢ়োঁতে উজুটি নোখোৱাটোহে অস্বাভাৱিক। উজুটি খাই দুৰ্গম বাট পৰিহাৰ কৰি উভতি অহা জনৰ জীৱন-জিজ্ঞাসাৰ সিমানতে অন্ত পৰে। মকৰাই জাল তৈয়াৰ কৰাৰ অধ্যাৱসায়ৰ আদৰ্শ লৈ বাৰে বাৰে উজুটি খায়ো, সংসাৰ ধুমুহাত হাড়-মূৰ থেতেলা খায়ো পৰাজয় বৰণ নকৰি উগ্ৰ আশাবাদী মন এটি লৈ লক্ষ্যভেদ কৰাত একান্ত ব্ৰতী হৈ থাকিলে তেনেজনৰ জীৱন বহুৰঙী কাৰ্পেটৰ দৰে বৈচিত্ৰ্যপূৰ্ণ হয়; সময় বালিত উত্তৰ পুৰুষৰ বাবে আদৰ্শ, সত্য, কৰ্তব্যনিষ্ঠা আৰু শ্ৰেয় লাভৰ কাৰণে কৰা চৰম ত্যাগৰ খোজৰ নিচান পৰি থাকে। নতুন পুৰুষে তেনেজনৰ জীৱন আৰু কৰ্মৰপৰা দেশৰ স্বাৰ্থক আগ কৰি, নিজৰ স্বাৰ্থক পিছলৈ ঠেলি কিদৰে কৰ্তব্যপথত আগবাঢ়িব লাগে শিকে। তেওঁলোকৰ ত্যাগৰ সম্বাত মহাত্মা দধীচি, বুদ্ধ, গান্ধীৰ ত্যাগৰ সম্বা দেদিপ্যমান হৈ থাকে। আমাৰ আলোচনাৰ তেনে এজন বিচিত্ৰ মানৱ, স্বাৰ্থত্যাগী, চিৰকৌমাৰ্যব্ৰতী, মানৱপ্ৰেমী, সন্ন্যাসী সদৃশ ব্যক্তি আছিল বিশ্বদেৱ গোস্বামী। জনপ্ৰিয় নাম 'বিশ্ব গোস্বামী'। সংসাৰ বা ঘৰ বুলিবলৈ, তেখেতৰ আছিল গুৱাহাটীৰ শিলপুখুৰীৰ পাৰৰ প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টিৰ কাৰ্যালয়টো। তাতেই থাকি, দিনে-নিশাই পাৰ্টিৰ সংগঠনৰ কাম কৰি, বুভুক্ষু ত্ৰস্বিত্ৰ জনতাৰ অৱস্থা উত্তৰণ কৰাৰ চিন্তা-চৰ্চা কৰিছিল; নিজৰ জীৱনটোক তুচ্ছ-জ্ঞান কৰি দেশৰ স্বাৰ্থৰ হকে নিজক বিলাই দিছিল। কীণকায়, 'কম

সেইৰ খদ্দৰৰ ধুতী-পাঞ্জাবীৰে প্ৰায় চাৰে পাঁচ ফুট ওখ, উজ্জ্বল চকু যুৰিৰ বিশ্ব গোস্বামীৰ ওচৰলৈকে যিয়েই এবাৰ গৈছে কস্মিনকালেও তেখেতক পাহৰিব নোৱাৰে।

বিশ্ব গোস্বামীদেৱৰ ওচৰত এই লেখক দুবাৰো দ্বাৰস্থ হৈছিলো। এতিয়াৰ পৰা প্ৰায় কুৰি বছৰ পূৰ্বে প্ৰথমবাৰ আৰু ১৯৮৫ চনৰ জুন মাহৰ কোনোবা এটা দিনত দ্বিতীয়বাৰ। দুয়ো বাৰে শিল-পুখুৰীৰ পাৰৰ ছ'চিয়েলিষ্ট পাৰ্টিৰ কাৰ্যালয়ত। প্ৰথমবাৰ গৈছিলো অধ্যক্ষ হেমবৰুৱা ছাৰক কাৰ্যালয়ৰ বাৰান্দাত গোস্বামীদেৱৰ লগত বহি থকা দেখি। হেমবৰুৱা ছাৰৰ আমি কেইজনমান (নন্দ তালুকদাৰ, কিৰণ শৰ্মা, জাহিদ চৌধুৰী প্ৰমুখ্যে) প্ৰিয় ছাত্ৰ আছিলো বুলি আজিও গৌৰৱ বোধ কৰো। দেখিলেই 'সোণ' বুলি পিঠিত আলফুলকৈ হাত বুলাই কিমান যে মৰম সনা কথা কৈছিল ছাৰে। ছাৰ দিল্লীৰ পৰা অহা গম পালেই তেখেতৰ চেনিকুঠিৰ আবাস স্থানত কেইঘণ্টামান বহি আহিছিলো। ছাৰক য'তেই নেদেখো কিয়, এবাৰ ঘোৰাৰ সাহস বা ধৃষ্টতা আমাৰ নাছিল। সিদিনা ছাৰে—মোক প্ৰথম বিশ্ব গোস্বামীদেৱৰ লগত চিনাকি কৰি দিছিল। মই নমস্কাৰ জনোৱাত, প্ৰতিনমস্কাৰ জনাই মোৰ পৰিচয় সুধিছিল। নলবাৰী অঞ্চলৰ বালা নামৰ এখনি ক্ষুদ্ৰ গাৱঁত মোৰ ঘৰ আৰু নলবাৰী কলেজত ইণ্টাৰমিডিয়েট শ্ৰেণীত পঢ়োতে অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামী ছাৰে আমাক ইংৰাজী কবিতা পঢ়াইছিল বুলি কোৱাত সুমিষ্ট হাঁহি এটা মাৰি শলাগিলে।

দ্বিতীয়বাৰ দ্বাৰস্থ হৈছিলো এই পুথিখনিত সন্নিবিষ্ট বীৰ বিপ্লবী শঙ্কৰ বৰুৱাৰ জীৱনালেখ্য বিচাৰি। তেখেতক মোৰ পৰিচয় দিবলৈ খোজাত ক'লে—"আপোনাক মই চিনি পাওঁ। আপুনি আমাৰ দাদাৰ ছাত্ৰ। তদুপৰি কিছু বছৰ আগতে হেমবৰুৱাই আপোনাক চিনাকি কৰি দিছিল। আপোনাৰ লিখাবোৰ পঢ়িলে প্ৰায়েই বেচেৰা নন্দ তালুকদাৰটোলৈ মনত পৰে" ইত্যাদি। কুৰি বছৰ আগৰ

চিনাকীৰ কথা আৰু মোৰ দৰে অতি নগণ্য লোক এজনৰ ইমানবোৰ খবৰ ৰখাৰ কথা জানি গোস্বামীদেৱৰ প্ৰতি শ্ৰদ্ধাত মোৰ শিৰ নত হ'ল। ভাবিলো, মানুহ মহৎ এনেয়ে নহয়! শঙ্কৰ বৰুৱাৰ ক্ষেত্ৰত তেখেতে ক'লে—"মই আপোনাক বিশেষ একো দিব নোৱাৰিম, পাৰ্টিৰ অফিচতো একো নাই। আপুনি লক্ষ্যধৰ চৌধুৰী আৰু লক্ষ্মীপ্ৰসাদ গোস্বামীক লগ ধৰক। তেওঁলোকে দিব পাৰিব।" গোস্বামীদেৱৰ সুপৰামৰ্শ পাই দুয়োজনকে সাক্ষাৎ কৰিলো; মোৰ উদ্দেশ্য সফল হ'ল।

বিশ্বদেৱ গোস্বামীৰ জন্ম নলবাৰীৰ চৈতন্যমাৰ্গী, কাশ্যপগোত্ৰীয় বৈষ্ণৱ সত্ৰৰ বৰগোসাঁইৰ ঘৰত। তেখেতসকলৰ ছজন ভাই-ককাইৰ সম্পৰ্কত অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামীদেৱে লিখিছে—"আমি ছজন ভাই-ককাই আছিলো। এতিয়া ইয়াৰে তিনিজন ইহ সংসাৰত নাই। এওঁলোক হ'ল দাদা শশীকান্ত, সৰুভাই বিপিন আৰু বিশ্ব। মই, পঞ্চানন আৰু উপেন এই প্ৰবন্ধ লিখাৰ সময়লৈকে জীৱিত। দাদা আছিল নামজ্বলা উকীল, মই কলেজৰ অধ্যক্ষ, বিপিন মুনিকুল আশ্ৰমটোলৰ অধ্যক্ষ, পঞ্চানন অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশ্ব ৰাজনৈতিক জীৱনাদৰ্শ চকুৰ আগত ৰাখি দেশসেৱা কৰ্মত জীৱন উছৰ্গা কৰা নিস্বাৰ্থ আৰু অক্লান্ত কৰ্মী, উপেন এসময়ৰ গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক।"

বিশ্ব গোস্বামী আজন্ম বিপ্লৱী আছিল। ছাত্ৰাৱস্থাৰে পৰা তেখেত ৰাজনীতিৰ প্ৰতি আকৃষ্ট হৈছিল। ককায়েক শশীকান্ত গোস্বামীৰ লগত থাকি কটন কলেজত পঢ়ি থাকোঁতে পঢ়াটোক গৌণ কৰি, দেশ স্বাধীন কৰাৰ চিন্তাক আগ কৰি সভা-সমিতি পাতি ঘূৰি ফুৰিছিল। যি কি নহওক ত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ দাবী—"যেনেতেনে বি. এ. পাছ কৰিবই লাগিব" পূৰণ কৰি মুক্ত বিহঙ্গমৰ দৰে 'ছাত্ৰ-কংগ্ৰেছ'ৰ কামত তলো-তলোকৈ ঘূৰি ফুৰিব ধৰিলে।

১৯২১ চনৰ অসহযোগ আন্দোলন আৰু ১৯৩০-৩২ চনৰ

আইন অমান্য আন্দোলৰ পিছত ১৯৩৪ চনত নাছিক জেলত আবদ্ধ হৈ থকা আগশাৰীৰ কেইগৰাকীমান কংগ্ৰেছ নেতাই মার্কস, লেলিন আদিৰ সমাজবাদী চিন্তাধাৰাৰ বিষয়ে গভীৰ অধ্যয়ন কৰি কংগ্ৰেছৰ ভিতৰতে 'কংগ্ৰেছ—ছ'চিয়েলিষ্ট' নাম দি এটি সমাজবাদী দল গঠন কৰিলে। সিসকলৰ ভিতৰত আচার্য নৰেন্দ্ৰদেৱ, জয়প্ৰকাশ নাৰায়ণ, এছ. এম. যোশী, ইউছুফ মেহেৰ আলি, অচ্যুত পট্টবৰ্দ্ধন প্ৰধান আছিল। পিছত ডাঃ ৰামমনোহৰ লোহিয়া আৰু অৰুণা আছফ আলিও এই দলত যোগদান কৰে। দ্বিতীয় মহাযুদ্ধৰ পিছত ১৯৪৬ চনত কানপুৰত বহা 'কংগ্ৰেছ-ছ'চিয়েলিষ্ট' দলৰ অধিবেশনত 'কংগ্ৰেছ' শব্দটো বৰ্জন কৰি কেৱল "ছ'চিয়েলিষ্ট পাৰ্টি" বুলি নতুন দলটোৰ নাম ঘোষিত হ'ল। দেশ স্বাধীন হোৱাৰ পিছত মতদ্বৈধ হৈ গান্ধীজীৰ আদৰ্শনিষ্ঠ নেতা আচার্য কৃপালনী কংগ্ৰেছৰ ভিতৰতে 'গণ-তান্ত্ৰিক ফ্ৰণ্ট' এটা গঠন কৰি পিছলৈ "কৃষক মজদুৰ প্ৰজা পাৰ্টি" নাম দিয়ে। ১৯৫১-৫২ চনৰ সাধাৰণ নিৰ্বাচনত ছ'চিয়েলিষ্ট, কৃষক মজদুৰ প্ৰজা পাৰ্টি আৰু কমিউনিষ্ট পাৰ্টি আটাইকেটা সংগঠনৰ শোচনীয় পৰাজয় ঘটাত নেতৃবৰ্গৰ মনত নতুন চিন্তা উদয় হ'ল আৰু ১৯৫৩ চনত ছ'চিয়েলিষ্ট দল আৰু কৃষক মজদুৰ প্ৰজা পাৰ্টি মিলিত হৈ 'প্ৰজা ছ'চিয়েলিষ্ট' দল গঠন কৰিলে। এই শেষৰ দলটি গঠন হোৱাৰ পূৰ্বে অসমৰ কেবাগৰাকী আগশাৰীৰ নেতাই ছ'চিয়েলিষ্ট দলত যোগ দিছিল। তেখেতসকল ঘাইকৈ আছিল বীৰবিপ্লৱী—শঙ্কৰ বৰুৱা, হৰেশ্বৰ গোস্বামী, হেম বৰুৱা, বিপিন পাল দাস, নিবাৰণ বৰা, প্ৰমোদচন্দ্ৰ বৰ্মণ আৰু পৰমা গগৈ। প্ৰজা ছ'চিয়েলিষ্ট পাৰ্টি গঠন হোৱাত অসমৰ আন দুগৰাকী একান্ত গান্ধীবাদী নেতা হলধৰ ভূঞা আৰু বিশ্ব গোস্বামী এই দলত যোগ দি দেশ আৰু দলৰ প্ৰতি অসামান্য বৰঙণি আগবঢ়ায়। দলৰ ধিমান আৰু পৌঢ় নেতা শঙ্কৰ বৰুৱা আৰু হলধৰ ভূঞাৰ মৃত্যুৰ পিছত বিশ্ব গোস্বামী, হেম বৰুৱা, লক্ষ্যধৰ

চৌধুৰী, প্ৰমোদ চন্দ্ৰ বৰ্মণ প্ৰমুখ্যে নেতাসকলে একাণপতীয়া আৰু আশাশুধীয়াভাৱে দলৰ কামত ব্ৰতী হৈ থাকে।

ইতিমধ্যে ১৯৫৫-৫৮ চনৰ ভিতৰত সন্ত বিনোবাজীৰ নেতৃত্বত সমাজবাদী আন্দোলনে এটি নতুন ৰূপ ধাৰণ কৰাত জয়প্ৰকাশ নাৰায়ণে ভূ-দান আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিলে। আনহাতে শীৰ্ষস্থানীয় নেতা অশোক মেহতা আৰু ডাঃ ৰামমনোহৰ লোহিয়াৰ মাজত তীব্ৰ মতানৈক্য হোৱাত ১৯৫৫ চনত লোহিয়াই ছ'চিয়েলিষ্ট পাৰ্টি' নামে এটি নতুন সংগঠন কৰে। এনে সময়তে আচাৰ্য নৰেন্দ্ৰ দেৱৰ মৃত্যু হয়।

১৯৫৭ চনত বহা 'আবাদী কংগ্ৰেছ' অধিবেশনৰ সময়ত ছ'চিয়েলিষ্ট, প্ৰজা-ছ'চিয়েলিষ্ট আদি দলৰ কেইগৰাকীমান নেতাই পুনৰ কংগ্ৰেছত যোগ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেন্দ্ৰত অশোক মেহতা আৰু তেখেতৰ সমৰ্থকসকলে আৰু অসমত হৰেশ্বৰ গোস্বামী, তাজুদ্দিন আহমেদ, লক্ষ্মীপ্ৰসাদ গোস্বামী আদিয়ে পূৰ্বৰ দল ত্যাগ কৰি পুনৰ কংগ্ৰেছত যোগ দিয়ে। কিন্তু হেম বৰুৱা, বিশ্বদেৱ গোস্বামী, লক্ষ্যধৰ চৌধুৰী আদিয়ে লক্ষ্য স্থিৰ ৰাখি নিজৰ দলৰ খুটি ভালকৈ পুতি ললে।

ছাত্ৰ কংগ্ৰেছৰ নেতা হিচাপে কলেজীয়া জীৱনতে বিশ্ব গোস্বামী ৰাজনৈতিক জ্ঞানৰ পৰিচয় দিছিল। সেই সময়ত অসম কংগ্ৰেছৰ শীৰ্ষস্থানীয় ব্যক্তি ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ একান্ত প্ৰিয়ভাজন হৈ বিশ্ব গোস্বামীয়ে কংগ্ৰেছ অনুষ্ঠানটোক নিস্বাৰ্থভাৱে সহায় কৰিছিল। ১৯৩২ চনত 'ভাৰত ত্যাগ' আন্দোলনৰ সম্পৰ্কত বোম্বাইত বহা ছাত্ৰ সম্মিলনত যোগ দিয়াৰ উদ্দেশ্যে লক্ষ্যধৰ চৌধুৰী ডাঙৰীয়াই পৰামৰ্শ বিচাৰি ত্যাগবীৰৰ ওচৰলৈ যোৱাত, নৰিয়া পাটিৰপৰাই ত্যাগবীৰে কৈছিল—"বিশ্বক (বিশ্ব গোস্বামীক) লগ ধৰা। তেওঁকে আৰু দুই-চাৰিজন বাছি লবলৈ ক'বা। বিশ্বৰ বাছনি শুদ্ধ হ'ব।"

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত বিশ্ব গোস্বামী সক্ৰিয় ভূমিকা গ্ৰহণ কৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতাসকলৰ স্নেহভাজন হৈছিল। ভাৰত ত্যাগ আন্দোলনত লোৱা বিপ্লৱী কাৰ্যপন্থাৰ বাবে ১৫-৯-৪২ৰ পৰা ৮-১০-৪২ লৈ ডেৰ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল। অসমৰ পূৰণি কংগ্ৰেছ দল আৰু ছাত্ৰ কংগ্ৰেছ দলৰ মাজত যোগসূত্ৰ হিচাপে অতি বিচক্ষণভাবে গোস্বামী কাম কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত বিশ্ব গোস্বামীয়ে কৰা ত্যাগ স্মৰণীয়েই নহয়, তুলনাবিহীনো। গোস্বামীয়ে কংগ্ৰেছ দলৰ প্ৰতি নিস্বাৰ্থভাৱে আগবঢ়োৱা অৱদানৰ কথা গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, হেমচন্দ্ৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা, মহম্মদ তৈয়বউল্লা আদিয়ে কৃতজ্ঞভাবে স্বীকাৰ কৰি গৈছে। তেখেতে কংগ্ৰেছ ত্যাগ কৰি প্ৰজা-ছ'চিয়েলিষ্ট দলত যোগ দিয়াত মুখ্যমন্ত্ৰী মেধি ডাঙৰীয়াই আক্ষেপৰ সুৰত এদিন লক্ষ্যধৰ চৌধুৰীক কৈছিল—"আমাৰ লোকচান তোমালোকৰ লাভ।"

গোৱামুক্তিৰ আন্দোলনত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ দল-সমূহৰপৰা গোৱালৈ সত্যাগ্ৰহী গৈছিল। অসমৰ প্ৰজা ছ'চিয়েলিষ্ট দলৰ ফালৰপৰা যোৱা চাৰিজন সত্যাগ্ৰহী আছিল বিশ্বদেৱ গোস্বামী, বদন তালুকদাৰ, গিৰীশ মেধি আৰু নবীন বৰগোহাঁই। গোৱাৰ পৰ্তুগীজ দুৰ্ধৰ্ষ চিপাহীবোৰে সত্যাগ্ৰহী সকলৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ কৰিছিল। এখেতসকল চাৰিজনবো যথেষ্ট নগুৰনাকটি হৈছিল। তাত বিশ্ব গোস্বামী মৃত্যুৰ মুখৰপৰা কথমপি ৰক্ষা পৰে। পৰ্তুগীজ চিপাহীয়ে বেৰি ধৰি কোবাই তেখেতৰ আঠুৰ ঘিলা ভাঙি পেলাইছিল। কোনোবা ভাৰতীয়ই মৃতপ্ৰায় অৱস্থাত পাই তুলি নি সেৱা-শুশ্ৰূষা কৰে আৰু কোনোমতে থিয় দিব পৰা হোৱাত সতীৰ্থসকলৰে সৈতে উভতি আহি নলবাৰীৰ নিজা ঘৰত উঠে। নলবাৰীত প্ৰায় এপষ বিশ্ৰাম লৈ গুৱাহাটীলৈ আহি আকৌ পূৰাদমে দলৰ কামত লাগে।

বিশ্ব গোস্বামী ত্যাগী, আদৰ্শনিষ্ঠ, অধ্যয়নপুষ্ট, সত্যবাদী, স্পষ্টবাদী, নিৰহঙ্কাৰী, মিষ্টভাষী, অতিথি পৰায়ণ, উদাৰ, সহানুভূতিশীল আৰু কষ্টসহিষ্ণু আছিল। আৰ্থিক অভাৱ-অনাটনৰ মাজত থাকিও নিজৰ দুৰৱস্থাৰ কথা আনক নকৈছিল। অতি সাধাৰণ খাৱন-পিন্ধন, দুখীয়াৰ প্ৰতি কৰুণাসিক্ত গোস্বামীদেৱে নিজৰ আৰ্থিক অনাটনৰ কথা জানিও অভাৱগ্ৰস্তজনক শক্তি সাধ্যানুসাৰে সহায়-সাহায্য কৰিছিল। পাৰ্টিৰ অফিচত থকা ৰাতিৰ আলহীক অনাড়ম্বৰ আহাৰ খুৱাই শোৱাৰ সময়ত আলহীৰ আঠুৱাৰ জৰিডালো নিজে বান্ধি দিছিল।

ভাৰতীয় জাতীয় আন্দোলনত বীৰ শ্বহীদসকলৰ উপৰিও যিসকল বৰেণ্য ব্যক্তিয়ে নিস্বাৰ্থভাৱে কাম কৰি গ'ল সিসকলৰ ভিতৰত ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, চন্দ্ৰনাথ শৰ্মা, কৃষ্ণনাথ শৰ্মা, শঙ্কৰচন্দ্ৰ বৰুৱাৰ একেশাৰীতে সমানে বিশ্ব গোস্বামী আৰু দধি মহন্তকো থব লাগিব। শঙ্কৰ বৰুৱাৰ ত্যাগৰ কাহিনী শুনিলে চকুৰ লোটক নপৰাকৈ নথকাৰ দৰে বিশ্ব গোস্বামীৰ সংগ্ৰামী জীৱনৰ কাহিনীয়েও আমাৰ চকু সিক্ত নকৰাকৈ নাথাকে। শঙ্কৰ বৰুৱাক পলাতক অৱস্থাত ঘৰত নাপাই পুলিচে তেখেতৰ পত্নী-পুত্ৰৰ ওপৰতো অমানুষিক অত্যাচাৰ কৰিছিল, অৱশ্যে দেশ তেতিয়া পৰাধীন আছিল। দেশ স্বাধীন হোৱাৰ পিছত জাতীয় চৰকাৰে কুশল কোঁৱৰ, শঙ্কৰ বৰুৱা আদিৰ নিৰাশ্ৰয় পৰিয়াল কেইটাৰ প্ৰতি উচিত বিচাৰ বোধহয় কৰা নাই।

সেইদৰে বিশ্ব গোস্বামীৰ ত্যাগৰ কথা সুঁৱৰি-জাতীয় চৰকাৰে মুক্তিযুঁজাৰুৰ পেঞ্চনটোও হেনো আগবঢ়োৱাত কুণ্ঠা বোধ কৰিলে। শালীনতা ৰক্ষা কৰি আগবঢ়ালেও অনন্য অসাধাৰণ গোস্বামীদেৱে দেশৰ কাৰণে কৰা নিস্বাৰ্থ ত্যাগৰ প্ৰতিদান হয়তো অকুণ্ঠচিত্তে প্ৰত্যাখ্যান কৰিলেহেঁতেন! ততোধিক, স্বাধীন জাতীয় চৰকাৰে বিশ্বদেৱ গোস্বামীৰ প্ৰতি বহুতো প্ৰতিহিংসামূলক কাম কৰি দলৰ মৰ্যাদা হানি কৰাৰ উদাহৰণে ৰাজনৈতিক ইতিহাসৰ পাত কলঙ্কিত কৰি ৰাখিছে। তেনে এটি উদাহৰণ দিব পাৰি কথ্‌কন্দিন আগৰ

আহমদ ডাঙৰীয়া ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদত অধিষ্ঠিত হোৱাত তেখেতৰ খালী ঠাই পূৰাবৰ বাবে বৰপেটাত মধ্যকালীন নিৰ্বাচন অনুষ্ঠিত হোৱা ঘটনাৰ পৰিপ্ৰেক্ষিতত। সেইবাৰৰ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীজনৰ বিৰুদ্ধে বিশ্ব গোস্বামী প্ৰতিদ্বন্দ্বিতা কৰিছিল আৰু ৰাইজৰ দৃঢ় বিশ্বাস—তেখেতৰ জয় নিশ্চিত। কাৰ্যক্ষেত্ৰত শকুনিৰ দৰে কুট পাশা খেলি গোস্বামীক পৰাজয় কৰা হ'ল। প্ৰতিপক্ষই অজস্ৰ জাল বেলট পেপাৰৰ পোহাৰ মেলি 'ভানুমতিৰ খেল' দেখুৱালে। বিশ্ব গোস্বামী পৰাজয় হ'ল ; কিন্তু নিৰাশ নহ'ল। ভোট গণনাৰ ফলাফল চৰকাৰীভাৱে ঘোষণা কৰাৰ কিছু আগতে গোস্বামীৰ তথাকথিত বন্ধু তথা বিৰুদ্ধবাদী নেতা এজনে গোস্বামীক আগতীয়াকৈ সমবেদনা জনোৱাৰ সুৰত কৈছিল—"গোসাঁই আপুনি হাৰিলেও যিমানবোৰ ভোট পালে সঁচাকৈয়ে আনন্দৰ কথা।" গোসাঁই জোকৰ মুখত চূণ দি ক'লে—"বুজিছে গোস্বামী, ধূৰ্তৰ দ্বাৰা প্ৰশংসিত হোৱাতকৈ মূৰ্খৰ দ্বাৰা নিন্দিত হোৱাই ভাল।"

ঘটনাটো আছিল এনে ধৰণৰ—১৯৭৫ চনৰ বৰপেটাৰ মধ্যকালীন নিৰ্বাচনত প্ৰজা ছ'চিয়েলিষ্ট দলৰ প্ৰাৰ্থী কোন থিয় হ'ব ? সমষ্টিটোৰ অধিকাংশই চৰুৱা অধ্যুষিত। কোনেও সাহস নকৰাত বিশ্ব গোস্বামীয়ে খুঁহুটীয়া ভাষাৰে ক'লে—"এতিয়া প্ৰাৰ্থী হ'ব কোন—বলিৰ পঠা মই আছো নহয়। পিছে যুঁজিম। জয়ৰ কাৰণে নহ'লেও নীতিৰ কাৰণেই যুঁজিম। চৰ অঞ্চলত আমাৰ নীতি প্ৰচাৰ হ'ব।"

নিৰ্বাচনৰ অন্তত ভোট গণনা পৰ্ব আৰম্ভ হ'ল। আকাশবাণীয়ে গোস্বামী জয়ী হোৱা বুলি বাতৰিও পৰিৱেশন কৰিলে। সঁচা কথাটো মিছা বুলি প্ৰমাণ কৰাত শাসিত দলে কি অভিসন্ধি কৰিলে তেতিয়াই বুজা নগৈছিল যদিও বৰপেটা সমষ্টিত হোৱা নিৰ্বাচনৰ ভোটৰ বাকচ্ বণ্ডাইগাৰেঁদি চফৰ্ কৰি অহাৰ ৰহস্য বেছি পৰলৈ গোপন হৈ নাথাকিল। বিশ্ব গোস্বামী হাৰিল বুলি প্ৰতিপক্ষই জয়ডঙ্কা বজালে।

'হাঁহচোৰৰ মূৰত পাখি, কঁঠাল চোৰৰ আঠাই সাক্ষী' হোৱাৰ দৰে বিৰোধী পক্ষৰ অসাৱধানতাৰ কাৰণে বিশ্ব গোস্বামীক ভোট দিয়া জাপ্ জাপ্ বেলট কাকতৰ মুৰা বাটে-ঘাটে পৰি থাকিল। অসম তথা ভাৰতবৰ্ষৰ মুখ্য সংবাদপত্ৰসমূহত গণতন্ত্ৰৰ ধ্বজাবাহীসকলৰ কুকাৰ্যৰ বাতৰি ঘোষিত হ'ল।

দিল্লীৰ নিৰ্বাচনি আয়োগৰ আগত আপত্তি দৰ্শাবলৈ, লগতে জয়প্ৰকাশ নাৰায়ণকো ঘটনাৰ সত্যাসত্য জনাবলৈ তেনে ভোটৰ কাগজৰ মুৰা এটা লৈ ৫ মাৰ্চ তাৰিখে বিশ্ব গোস্বামী দিল্লীলৈ ৰাওনা হৈছিল মাথোন। এনেতে বৰঝাৰ বিমান কোঠত পুলিচে কোন পলকত গোস্বামীক গাড়ীত ভৰাই কলৈ লৈ গ'ল লগৰীয়া সকলৰ কোনোৱে গমকে নাপালে। সকলোফালে জনতাৰ মাজত হুলস্থূল লাগিল। দিন দুপৰতে সহস্ৰলোকৰ মাজৰ পৰা বৰেণ্য নেতা এগৰাকী নোহোৱা হ'ল, ই জানো কম আচৰিত কথা! ৰাতি পলমকৈ জানিব পৰা গ'ল যে বেলট কাগজ চোৰ কৰা অপৰাধত দোষী সাব্যস্ত কৰি গোস্বামীক পুলিচে গ্ৰেপ্তাৰ কৰি গুৱাহাটী জেলত ৰাখিছে। জয়প্ৰকাশ নাৰায়ণে ঘোৰ প্ৰতিবাদ জনাই সিদিনা ৰাতিয়েই প্ৰেছ বিবৃতি দিলে। ২১ মাৰ্চ তাৰিখে নলবাৰীত অভূতপূৰ্ব জনসমাবেশৰ মাজত জৰ্জ ফাৰ্ণাণ্ডেজে তেজোদ্দীপ্ত বক্তৃতা দিলে। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই প্ৰস্তাৱৰ খচৰা কৰিলে। ৮ জুন তাৰিখে মুনিন বৰকটকীৰ সভাপতিত্বত বৰপেটাত সৰ্বদলীয় ৰাজ্যিক জনতা পাৰ্টিৰ অধিবৰ্তন বহিল। ১২ জুনৰ পৰা সদৌ অসম কলেজ শিক্ষক সন্থাই চৰকাৰৰ লগত অসহযোগ কৰি পৰীক্ষা বৰ্জন কাৰ্যসূচী পালন কৰিলে। ২৫ জুন তাৰিখে জনতাৰ দাবী জনাই ঐতিহাসিক স্মাৰকপত্ৰ এখন প্ৰস্তুত কৰি বিশ্ব গোস্বামীৰ নেতৃত্বত তেতিয়াৰ মুখ্যমন্ত্ৰীৰ হাতত দাখিল কৰাৰ সিদ্ধান্ত লোৱা হ'ল। সেইদিনাই (২৫/৬/৭৫) মধ্যৰাত্ৰি ৰাষ্ট্ৰপতিয়ে দেশত জৰুৰী অৱস্থা ঘোষণা কৰিলে। ২৬ তাৰিখে মুখ্যমন্ত্ৰীৰ ওচৰত স্মাৰক পত্ৰ দিয়া হ'ল

আৰু সিদিনাই বিশ্ব গোস্বামী প্ৰমুখ্যে জনতা দলৰ বহুতো আগশাৰীৰ নেতাক গ্ৰেপ্তাৰ কৰিলে। এই আন্দোলনৰ পৰিপ্ৰেক্ষিত অজিত কুমাৰ শৰ্মা, গোলাপ বৰবৰা, ইন্দ্ৰেশ্বৰ গোস্বামী, মুকুল হুদা, দুলাল বৰুৱা, কিৰণ বেজবৰুৱা, ৰেণুকা দেৱী বৰকটকী, লক্ষেশ্বৰ গোহাঁই, অতুল গোস্বামী, ঠানুৰাম ভূঞা, নন্দেশ্বৰ তালুকদাৰ প্ৰমুখ্যে বহুতক আটক কৰা হৈছিল।

বিশ্ব গোস্বামীৰ জেল জীৱনৰ অনন্ত কাহিনীৰ ভিতৰৰ আৰু এটি কাহিনী—জৰুৰীকালীন অৱস্থাৰ পিছতো বিৰোধী দলৰ নেতা সকলক সভা সমিতিয়ে বক্তৃতা দিলেই গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থোৱাৰ ধুম্‌ধাম চলি আছিল। তেনে এটা সময়ত নলবাৰীৰ এখন ৰাজহুৱা সভাত ভাষণ দি বিশ্ব গোস্বামী ককায়েক ত্ৰৈলোক্যনাথ গোস্বামীৰ ঘৰলৈ গ'ল। সিদিনা তেখেতৰ স্বাস্থ্য ভাল নাছিল। ককায়েকে একপ্ৰকাৰ জোৰ কৰিয়েই ৰাতিটোৰ কাৰণে বিশ্ব গোস্বামীক তাত থাকিবলৈ কলে। থাকিলও। ৰাতিৰ আহাৰ খোৱাৰ পিছত তেখেত নিদ্ৰামগ্ন হ'ল। এনেতে নলবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰে সৈতে বাৰ-চৈধ্যজনমান পুলিচ হাজিৰ। ঘটনাৰ বুজ পাই অধ্যক্ষ গোস্বামী শোৱাৰ পৰা ওঠি আহি পুলিচ বিষয়াজনৰ লগত কথা-বতৰা পাতিলে। বিষয়াজনে বিশ্ব গোস্বামীৰ কথা সোধাত তেখেতে কলে—"বিশ্ব এই ঘৰটোতে আছে। সি টোপনিত লালকাল। আপোনালোকে ঘৰটো ঘেৰাও কৰক, ৰাতিপুৱা সাৰ পালে তাক বন্দী কৰিব।" ও, চিয়ে তেতিয়াৰ সিংহ চৰকাৰৰ কঢ়া হুকুমৰ ভাবুকি দি ৰাতি চাৰেবাৰ মান বজাত গোস্বামীক নলবাৰী আৰক্ষী চকীলৈ লৈ গ'ল। অধ্যক্ষ গোস্বামীৰ ভাষাত—"তেতিয়া আমি আটায়ে মৰ্মাহত হলোঁ। এটা পাঞ্জাবী ছাৰ্ট আৰু এখন ধুতি পিন্ধি সি নলবাৰীলৈ আহিছিল। ব্যৱহাৰৰ কাৰণে আমি তাক অলপ কাপোৰ-কানি লগত দিলোঁ। মোৰ ল'ৰা তিনিজনো নলবাৰী থানালৈ গ'ল, জেললৈ বিশ্বক আগবঢ়াই

দিয়াটো যেন সিহঁতৰ পবিত্ৰ কৰ্ত্তব্য।"

সেইবাৰো গোস্বামীৰ দীঘলীয়া কাৰাবাস হৈছিল, ১৯ মাহ। কাৰাবাসৰ সময়তে গোস্বামীদেৱৰ জ্যেষ্ঠ ভাতৃ শশীকান্ত গোস্বামীদেৱৰ পৰলোক গমন হয়। দাদাকৰ আদ্যশ্ৰাদ্ধ উপলক্ষে গোস্বামীক এসপ্তাহৰ বাবে পেৰলত অনাৰ চেষ্টা কৰা হৈছিল। চৰকাৰে বোধহয় তিনি-দিনৰ ছুটী মঞ্জুৰ কৰিছিল ; কিন্তু বিশ্ব গোস্বামী অহাৰ ইচ্ছা নকৰলে।

শিলপুখুৰীৰ প্ৰজা-ছ'চিয়েলিষ্ট পাৰ্টিৰ কাৰ্যালয়ৰ ওচৰতে অসম কেশৰী অম্বিকাগিৰীৰ ঘৰ। অম্বিকাগিৰী প্ৰতিদিনে অন্ততঃ এবাৰকৈ গৈ বিশ্ব গোস্বামীৰ লগত ৰাজনীতি, সাহিত্য আদিৰ কথা-বতৰা পাতিছিল। বিশ্ব গোস্বামীৰ প্ৰাণৰ মৰ্ম বেদনা ৰায়চৌধুৰী বুজি পাইছিল। অম্বিকাগিৰীৰ দৰে দেশপাগল বিশ্ব গোস্বামীয়েও প্ৰপীড়িত, পদদলিত জনতাৰ কাৰণে যি কোনো ত্যাগ স্বীকাৰ কৰিবলৈ প্ৰস্তুত আছিল। পাৰ্টিৰ কাৰ্যালয়, সভা-সমিতি আৰু কাৰাবাস এই তিনিটাই আছিল বিশ্ব গোস্বামীৰ সাধনাৰ স্থল, শান্তিৰ নিবাস। আৰ্থিক অভাৱ-অনাটনৰ হেঁচাত ; নহয়তো জনতাৰ সেৱাত ত্ৰুটি-বিচ্যুটি হোৱাৰ আশঙ্কা কৰি গোস্বামী সংসাৰ বন্ধনৰ পৰা মুক্ত হৈ থাকিছিল। কাৰ্যালয় আৰু কাৰাগাৰ গোস্বামীৰ মানত একেপাত পাণৰে দুপিঠি সদৃশ আছিল। অসহযোগ আন্দোলন (১৯২১), আইন অমান্য আন্দোলন (১৯৩০), বিয়াল্লিছৰ আন্দোলন (১৯৪২)ৰ উপৰিও জাতীয় চৰকাৰৰ কাৰ্যকালতো বিশ্ব গোস্বামী বাৰে বাৰে কাৰাবৰণ কৰিছিল, দীঘলীয়া কাৰাদণ্ড ভুগিছিল। কাৰাগাৰ আৰু কাৰ্যালয়ৰ মাজত তাঁতবাতি কাঢ়ি থকা দেখি দলৰে ফটিক মেম্বৰে হেনো ধেমালি কৰি কৈছিল— "গোস্বামীয়ে বিয়া-বাৰু নকৰাযে এখন শহুৰবাৰী পালে দেখোন! শহুৰৰ ঘৰলৈ যোৱাৰ দৰে দেখোন গোসাঁই ঘনেপতি জেললৈ যায়। আনে নিৰ্বাচনত উঠে ; জয়ী হৈ সদস্য হয়, মন্ত্ৰী হয় মালা পিন্ধে। গোসাঁই দেখোন নিৰ্বাচনত উঠি জেললৈহে যায়।"

আভ্যন্তৰীণ জৰুৰী অৱস্থাৰ মাজতে ১৯৭৭ চনৰ মাৰ্চ মাহত লোক সভাৰ নিৰ্বাচনৰ কথা ঘোষিত হ'ল। শিলপুখুৰীৰ কাৰ্যালয়ত বহা সৰ্বদলীয় প্ৰতিনিধিমূলক সভাত ভাৰতীয় জনতা পাৰ্টিৰ "অসম শাখা" এটি খোলাৰ সিদ্ধান্ত হ'ল। ১৯৭৮ চনৰ মাৰ্চ মাহৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ নিৰ্বাচনত জনতা দলে ৫৩খন আসন লাভ কৰিলে। লগতে কেবাজনো নিৰ্দলীয় সদস্যই, জনতা পাৰ্টিত যোগ দি অসমত প্ৰথমবাৰৰ বাবে অকংগ্ৰেছী জনতা মন্ত্ৰীসভা এখন গঠন কৰিলে (১২-৩-৭৮)। শ্ৰীগোলাপ বৰবৰা মুখ্যমন্ত্ৰী হ'ল।

জনতা চৰকাৰৰ এই পূৰ্ণশশীৰ দিনতো বিশ্ব গোস্বামীয়ে নিস্বাৰ্থ আৰু ত্যাগৰ চৰম নিদৰ্শন দাঙি ধৰিছিল। জনতা পাৰ্টিৰ কেন্দ্ৰীয় সংসদী বোৰ্ডে পটাচাৰকুছি সমষ্টিৰ পৰা বিশ্ব গোস্বামীক প্ৰাৰ্থী হিচাপে মনোনীত কৰা সত্ত্বেও তেখেতে দলৰ অন্যতম প্ৰাৰ্থী ভুৱনেশ্বৰ বৰ্মণক এৰি দি নিজে দলৰ সংগঠনৰ কামত থকাৰ ইচ্ছা প্ৰকাশ কৰিছিল। আনকি দলৰ সংসদী সদস্যৰ মনোনয়ন লবলৈকো অস্বীকাৰ কৰিছিল। আভ্যন্তৰীণ দলা-দলি তথা তিনিটা দশক ধৰি শাসনাধিষ্ঠ কংগ্ৰেছ দলৰ কাঠামটো উভালি পেলাব নোৱাৰাৰ ফলত জনতা চৰকাৰ থান্‌বান্ হ'ল। অসমতো জনতা চৰকাৰ পৰাভূত হোৱাৰ পিছত ১৯৮০ চনত বিশ্ব গোস্বামী জনতা দলৰ প্ৰাৰ্থী হিচাপে ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ৰাজ্যসভাৰ সদস্য হৈ থকা কালছোৱাতে অসমৰ অস্তিত্ব ৰক্ষাৰ তুমুল সংগ্ৰাম আৰম্ভ হয়। এই সময়ছোৱাত অসমৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে মাৰবান্ধি উঠা সদৌ অসম ছাত্ৰসন্থা আৰু সদৌ অসম সংগ্ৰাম পৰিষদক অকুণ্ঠ সমৰ্থন দি গোস্বামীদেৱে ৰাজ্যসভাত বিবৃতি দাঙি ধৰিছিল। বিশেষ উল্লেখযোগ্য যে বিদেশী বহিষ্কাৰৰ ছবছৰীয়া আন্দোলনৰ কালছোৱাত আন্দোলন যাতে সকলো দিশত শান্তিপূৰ্ণ আৰু অহিংসা হয় তাৰ বাবে আন্দোলনৰ নেতাসকলক তেখেতে সকিয়াই আছিল।

আন্দোলনৰ নেতৃবৰ্গয়ো বিশ্ব গোস্বামীৰ অসমপ্ৰেম আৰু সততাৰ প্ৰতি শ্ৰদ্ধা জনাই তেখেতৰ স্নুপৰামৰ্শাৱলী গ্ৰহণ কৰিছিল। ১৯৮৩ চনত নেলি, ছমৰীয়া, থেকেৰাবাৰী, ধুলা আদিত সংঘটিত ৰক্তাক্ত ঘটনাৰ সময়ত বিশ্ব গোস্বামীয়ে জনতা দলৰ নেতা সুৰেন্দ্ৰমোহন, ৰবীন্দ্ৰবৰ্মা আদিক লগত লৈ শান্তি-সম্প্ৰীতি ঘূৰাই অনাৰ কাৰণে ৰাইজক আহ্বান জনাইছিল আৰু পুলিচী অত্যাচাৰৰ তীব্ৰ নিন্দা কৰিছিল।

১৯৮৫ চনৰ ১৫ আগষ্টৰ দিনা দিল্লীত স্বাক্ষৰিত হোৱা অসম চুক্তিৰ সম্পৰ্কত বিশ্ব গোস্বামীয়ে সুস্পষ্ট অভিমত দাঙি ধৰিছিল— "যদিওবা ইয়াতোকৈ ভাল চুক্তি এখন আগতেই কৰিব পৰা গ'ল-হেঁতেন, হ'লেও সময়ৰ পৰিপ্ৰেক্ষিতে এই চুক্তি অকিঞ্চিৎকৰ হ'লেও যথাৰ্থ বুলিব লাগিব। চুক্তিয়ে অন্ততঃ অসমলৈ শান্তি ঘূৰাই আনিব ; অত্যাচাৰী চৰকাৰ এটা আঁতৰি যাব।" সাগৰ গম্ভীৰ ৰাজনৈতিক জ্ঞানেৰে পৰিপুষ্ট গোস্বামীদেৱৰ কথা আখৰে আখৰে ফলিয়ালে। ৰাজ্যখনত অচিৰে শান্তি-সম্প্ৰীতি ঘূৰি আহিল। অসমৰ ৰাজনৈতিক ইতিহাসৰ মাইলৰ বলিষ্ঠ খুটা পুতি বিশ্বৰ অন্যতম্ কনিষ্ঠ, গান্ধীবাদী জননেতা শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অসমত প্ৰথমবাৰৰ কাৰণে এখন আপোন আপোন লগা আঞ্চলিক চৰকাৰ গঠিত হ'ল। আজীৱন সংগ্ৰামী, গান্ধীজীৰ আদৰ্শনিষ্ঠ বিশ্বদেৱ গোস্বামী এটি স্বস্তিৰ নিশ্বাস এৰিলে। দুৰ্ঘোৰ আশাবাদী, বুভুক্ষু জনগণৰ মুক্তিকামী বিশ্ব গোস্বামীৰ জীৱনযোৰা সাধনাৰ যেন ফলপ্ৰাপ্তি ঘটিল। অসম গণ পৰিষদ চৰকাৰৰ মাজেদি গোস্বামীৰ চিন্তাধাৰা বাস্তৱত ৰূপায়িত হ'ল। যাত্ৰা শেষত ১৯৮৭ চনৰ ১ মাৰ্চৰ বোৱাৰী পুৱাতে গুৱাহাটীৰ মেডিকেল কলেজ আস্পিতালত বিশ্ব গোস্বামী বিশ্বৰ নিয়ন্তাৰ নিয়ম মানি চিৰ নিদ্ৰাত মগ্ন হ'ল। ভাগৰুৱা আত্মাই চিৰ শান্তি লাভ কৰি অনন্ত ধামলৈ গতি কৰিলে। নৱগ্ৰহ মহাশ্মশানত লেলিহান শিখাই বিশ্ব গোস্বামীৰ পঞ্চভৌতিক দেহ পঞ্চভূতৰ লগত মিলাই দিলে। জাতি-ধৰ্ম-বৰ্ণ, দল-উপদল নিৰ্বিশেষে সকলোৱে বিদেহী আত্মাৰ প্ৰতি শেষ শ্ৰদ্ধাঞ্জলি যাচি চকুপানী টুকিলে। মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই মন্তব্য কৰিলে "ৰাজনৈতিক ক্ষেত্ৰত গোস্বামীৰ অৱদান অসমৰ ৰাইজে কেতিয়াও পাহৰিব নোৱাৰে।"

★

কামিনী কুমাৰ চন্দ

কাছাৰ আৰু অসমৰ সংক্ষিপ্ত ঐতিহাসিক পটভূমি

ৰামায়ণ-মহাভাৰতে গৰকা ভাৰতবৰ্ষৰ পূৱ-প্ৰান্তৰ ব্ৰহ্মপুত্ৰ-বৰাক দুই উপত্যকাৰ বিস্তৃত ভূখণ্ড প্ৰাচীন কালত কামৰূপ প্ৰাগজ্যোতিষ, হিড়িম্বাপুৰ, শ্ৰীহট্ট, ত্ৰিপেৰা আদি নামেৰে জনজাত আছিল। মহাভাৰতৰ দিনৰে পৰা এই দুই ভূভাগৰ জনগোষ্ঠীৰ ৰাজনৈতিক-সাংস্কৃতিক সম্পৰ্ক তেনেই ঘনিষ্ঠ। কুমাৰ ভাস্কৰবৰ্মাৰ সময়ৰ কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে পৌণ্ড্ৰবৰ্দ্ধ-কৰ্ণসুৱৰ্ণ আৰু দক্ষিণে সমটত, মানে বঙ্গোপসাগৰৰ উপকূল ভাগলৈকে বিস্তৃত আছিল। ত্ৰয়োদশ শতিকাত মুছলিম্‌সকলে গৌড়দেশ বা বঙ্গদেশ অধিকাৰ কৰাৰ পিছত ১২০৬, ১২২৬ আৰু ১২৫৭ খৃষ্টাব্দত কামৰূপ দখল কৰাৰ কাৰণে তিনিটা আক্ৰমণ চলাই, প্ৰতিটোতে পৰাজিত হৈ পৃষ্ঠভঙ্গ দিয়ে। এনেতে ত্ৰয়োদশ শতাব্দীৰে পূৰ্বভাগত, ১২২৮ খৃষ্টাব্দত স্যান্ বা টাই-মঙ্গোলীয়ান ফৈদৰ আহোম নামে পৰিচিত জাতি এটাই পূৱফালৰ পৰা অসম দেশ-দখল কৰি কালক্ৰমত অসমত ছশ বছৰ ৰাজত্ব কৰে।

অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত কমতাৰাজ্য ১৪৯৮ খৃষ্টাব্দত গৌড়ৰ নবাব হুচেইন চাহৰ হাতত পতিত হোৱাত যোল শতিকাৰ আদি ভাগত হাৰিয়া মণ্ডলে কোচ ৰাজবংশ প্ৰতিষ্ঠা কৰে। হাৰিয়া মণ্ডলৰ পুত্ৰ বিশ্বসিংহ। বিশ্বসিংহৰ জ্যেষ্ঠ পুত্ৰ নৰনাৰায়ণে ভায়েক চিলাৰায় দেৱান, গোহাঁই কমল আদিক লগত লৈ পূৱদিশত অভিযান চলাই আহোমৰ গড়গাওঁ সিংহাসন (১৫৬২ খৃঃ) দখল কৰে। ক্ৰমে ক্ৰমে কছাৰী, জয়ন্তীয়া আদি দক্ষিণ অঞ্চলৰ ৰাজ্যবোৰ জয়

কৰি সমগ্ৰ অসমত নৰনাৰায়ণ একছত্ৰী ৰজা হয়। তাৰ পিছত চিলাৰায়ে পশ্চিম দিশত চুলেমান কৰৰাণিৰ (১৫৬৩—১৫৭২) ৰাজ্য গৌড়দেশ আক্ৰমণ কৰি (১৫৬৮) নিজে পৰাজিত হয়।

আহোমসকলে অসমদেশ লোৱাৰ সময়ৰে পৰা ওচৰচুবুৰীয়া কছাৰী, জয়ন্তীয়া, নগা আদি ৰাজ্যক নিজ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰি আহিছিল। ১৫৩১ খৃঃত প্ৰবল-প্ৰতাপী আহোম ৰজা চুহুংমুং দিহিঙীয়া ৰজাই কছাৰী ৰাজ্য দখল কৰে। প্ৰকাৰন্তৰে তেতিয়াৰ পৰাই ইংৰাজে কাছাৰ দখল কৰাৰ (১৮৩২ খৃঃ) আগলৈকে, প্ৰায় তিনিশ বছৰ কাল কাছাৰবাসী আহোমৰ শাসনৰ পৰা মুক্ত হোৱা নাছিল। এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত কছাৰীসকলে হিন্দু-ধৰ্ম গ্ৰহণ কৰাৰ উপৰিও অসমীয়া ভাষা-সংস্কৃতিক আকোৱালি ধৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বৃহৎ জনগোষ্ঠীৰ লগত মিলি গৈ ৰক্ষক-ব্ৰহ্মপুত্ৰ বাৰেবৰণীয়' সংস্কৃতিৰ পোহাৰ মেলিছিল। এই ক্ষেত্ৰত চুহুংমুঙৰ পিছতে প্ৰতাপসিংৰ নাম বিশেষ উল্লেখযোগ্য। প্ৰতাপ সিংহৰ (১৬০৩—১৬৪১) ৰাজত্ব কালৰ পৰা কছাৰীসকলৰ ওপৰত হিন্দুধৰ্ম আৰু অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰভাৱ বিশেষভাৱে পৰিবলৈ ধৰে।

সোতৰ শতিকাৰ কালছোৱাত বিশেষকৈ ১৬১৫ৰ পৰা ১৬৮২ খৃষ্টাব্দলৈ আহোম সকল মুছলমানৰ লগত ৰণত ব্যস্ত থকাৰ সুযোগ লৈ কেবাজনো আহোমৰ কৰতলীয়া ৰজাই স্বাধীন হবলৈ বিদ্ৰোহ কৰিছিল যদিও কোনোজনেই সফল নহল। হৰিশ্চন্দ্ৰৰ পিছত কৃষ্ণচন্দ্ৰ নাৰায়ণ ১৭৮৫ খৃঃত কাছাৰৰ ৰজা হৈ হিন্দুধৰ্ম গ্ৰহণ কৰে। ওঠৰ শতিকাৰ শেষভাগত আহোম ৰাজ্যত মোৱামৰীয়া বিদ্ৰোহে (১৭৬৯, ১৭৮২, ১৭৮৬) ভয়ঙ্কৰ ৰূপ ধাৰণ কৰাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুতো খিলঞ্জীয়া লোক পলাই গৈ কাছাৰত আশ্ৰয় প্ৰাৰ্থী হয়। বিদ্ৰোহৰ অন্তত কছাৰী ৰজা কৃষ্ণচন্দ্ৰক আহোম ৰজা কমলেশ্বৰ সিংহই শৰণাৰ্থীসকলক ঘূৰাই পঠাবলৈ কোৱাত কছাৰী ৰজাই

অস্বীকাৰ কৰাত আহোমৰ লগত (১৮০৩—৫) ৰণ হয়। ৰণত কৃষ্ণচন্দ্ৰ পৰাজিত হয়। কৃষ্ণচন্দ্ৰৰ পিছত ভায়েক গোবিন্দচন্দ্ৰ নাৰায়ণ ৰজা হৈ তেওঁ হিন্দুধৰ্ম গ্ৰহণ কৰে।

গোবিন্দচন্দ্ৰই শেষ কছাৰী ৰজা। তেওঁৰ অনুগ্ৰহ পাই কহিদন নামে লগুৱা এজনে কাছাৰৰ উত্তৰাঞ্চলত শাসন চলাইছিল। পিছলৈ কহিদনে স্বাধীনতা ঘোষণা কৰি বিদ্ৰোহ কৰাত গোবিন্দচন্দ্ৰই তেওঁক বধ কৰে। কিন্তু কহিদনৰ বীৰপুত্ৰ তুলাৰামে গোবিন্দচন্দ্ৰৰ বশ্যতা কোনোপধ্যে মানি নললে। এনে সময়তে মণিপুৰৰ ৰজা মাৰ্জ্জিৎ সিঙে কাছাৰৰ সমতল ভূমি অঞ্চল দখল কৰিলে। গোবিন্দচন্দ্ৰ উপায়ন্তৰ হৈ মণিপুৰৰ নিৰ্বাসিত ৰজা চৌৰজিৎ সিঙৰ সহায় বিচৰাত চৌৰজিৎ সিঙে সেই ভূমিখণ্ড উদ্ধাৰ কৰি নিজে তাত ৰজা হ'ল। সেই সময়তে মণিপুৰত মানৰ আক্ৰমণ হোৱাত মাৰ্জ্জিৎ সিঙে ভায়েক গম্ভীৰ সিঙক লগত লৈ প্ৰথমে কছাৰী ৰজাৰ আশ্ৰয় প্ৰাৰ্থী হ'ল, পিছত তিনিওজনে একত্ৰিত হৈ সমগ্ৰ কাছাৰ দখল কৰি ল'লে। গোবিন্দচন্দ্ৰ ইংৰাজৰ অধিকৃত (১৮২৩) চিলেটলৈ গৈ ইংৰাজৰ সহায় খুজিলে। ইংৰাজে সহায় কৰিবলৈ অস্বীকাৰ কৰাত ব্ৰহ্মদেশলৈ গৈ মান ৰজাৰ সহায় ল'লে। মান সৈন্যই কাছাৰত প্ৰৱেশ কৰি অত্যাচাৰ আৰম্ভ কৰাত কাছাৰবাসীয়ে ইংৰাজৰ সহায় ভিক্ষা খুজিলে। ইংৰাজে মানৰ হাতৰ পৰা কাছাৰ ৰক্ষা কৰিলে, লগতে মণিপুৰী সকলকো সমতল অঞ্চলৰ পৰা খেদি দি গোবিন্দচন্দ্ৰক ১৮৩০ খৃঃত কাছাৰৰ সিংহাসনত পুনৰ বহুৱালে। গোবিন্দচন্দ্ৰ অপুত্ৰক হোৱাত তেওঁৰ মৃত্যুৰ পিছত ১৮৩২ খৃঃৰ ১৪ জুলাইৰ দিনা ইংৰাজে কাছাৰ নিজৰ হাতলৈ নিলে। ইয়েই কাছাৰৰ সংক্ষিপ্ত ৰাজনৈতিক তথা সাংস্কৃতিক ইতিহাস। ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্টকৈ প্ৰমাণিত হৈছে যে অসম আৰু কাছাৰৰ সম্পৰ্ক মহাভাৰতৰ দিনৰে পৰা বহুতো উত্থান-পতনৰ মাজেদি নিৰৱচ্ছিন্ন হৈ আছে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিত অসমৰ লগত কাছাৰেও সহোদৰা

ভগ্নীৰ দৰে মাৰ বান্ধি যুঁজিছিল।

ভাৰতবৰ্ষৰ মুক্তি সংগ্ৰামত শিলচৰৰ চন্দ পৰিয়ালৰ বৰঙণি উলাই কৰিব পৰা বিধৰ নিশ্চয় নহয়। কামিনী কুমাৰ চন্দ আৰু তেখেতৰ পুত্ৰ অৰুণ কুমাৰ চন্দৰ পূৰ্বপুৰুষ ইন্দ্ৰ কুমাৰ চন্দ ওঠৰ শতিকাতে বৰ্তমান বাঙ্গলাদেশৰ অন্তৰ্গত হবিগঞ্জৰ পৰা অসমলৈ আহি শিলচৰত স্থায়ীভাৱে বসতি স্থাপন কৰে। কামিনী কুমাৰ চন্দৰ উপৰি পুৰুষ-সকল প্ৰখ্যাত শাস্ত্ৰজ্ঞ-পণ্ডিত আছিল।

কামিনী কুমাৰ চন্দ স্বাধীনোত্তৰ যুগৰ শিলচৰৰ অন্যতম শ্ৰেষ্ঠ ব্যক্তি আছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিৱেশন ১৮৮৫ চনত বোম্বাই চহৰত আৰু দ্বিতীয় অধিৱেশন ১৮৮৬ চনত কলিকতাত বহিছিল। দ্বিতীয় অধিৱেশনত কংগ্ৰেছত নেতা বা স্বেচ্ছাসেৱীসকলে যোগ দিয়াৰ উপৰিও বিবিধ অনুষ্ঠানৰ প্ৰতিনিধি-সকলেও যোগ দি কংগ্ৰেছৰ শক্তি বঢ়োৱাত সহায় কৰিছিল। অসমৰ দেবীচৰণ বৰুৱা আৰু গোপীনাথ বৰদলৈ উজনি অসম সস্থাৰ হৈ, কালীকান্ত বৰকটকী 'চিলং সস্থাৰ' হৈ, সত্যনাথ বৰা 'নগাওঁ ৰায়ত সস্থা'ৰ হৈ, বিপিনচন্দ্ৰ পাল 'চিলেটৰ সস্থাৰ' হৈ, গোবিন্দ সোম আৰু কামিনী কুমাৰ চন্দই 'হবিগঞ্জ লোক সস্থা'ৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। সুৰমা উপত্যকাৰ কেবাগৰাকী নেতাই জাতীয় কংগ্ৰেছত গুৰিৰে পৰা বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছিল। সিসকলৰ ভিতৰত ৰাধা বিনোদ দাস, সাৰদা চৰণ শ্যাম, ব্ৰজলাল দাসচৌধুৰী, হৰিশ্চন্দ্ৰ ৰায়, বিপিনচন্দ্ৰ পাল, ৰাজকুমাৰ বেনাৰ্জী, হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য ব্ৰজেন্দ্ৰকৃষ্ণ ৰায়চৌধুৰী আৰু কামিনী কুমাৰ চন্দ। তেখেতসকলে ১৯০৬ চনত 'সুৰমা ভেলি এছোচিয়েচন' নামৰ সস্থা এটা খুলি কামিনী কুমাৰ চন্দৰ সভাপতিত্বত চিলেটত সস্থাৰ প্ৰথম অধিবেশন পাতে। কামিনী কুমাৰ চন্দ শিলচৰ পৌৰ সভাৰ উপ-সভাপতি হৈ থকা সময়তে ১৯০৫ চনত বঙ্গভঙ্গ আন্দোলন আৰম্ভ হয়। সেই আন্দোলনত কামিনী কুমাৰ চন্দই মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

তদুপৰি বঙ্গদেশৰ লগত অসমক পুনৰ জাপি দিব ওলোৱাত মাণিক-চন্দ্ৰ বৰুৱা, কামিনী কুমাৰ চন্দ, পদ্মনাথ গোহাঁঞি বৰুৱা, তৰুণৰাম ফুকন, ছাৰ ছাদুল্লা, ৰাধা বিনোদ দাস, ৰাজা প্ৰভাতচন্দ্ৰ বৰুৱা আদি তীব্ৰ প্ৰতিবাদ জনাইছিল।

কুৰি শতিকাৰ প্ৰথম ভাগত ইংৰাজ চৰকাৰে স্থানীয় স্বায়ত্ত শাসন দিয়াত 'লোকেল ব'ৰ্ড', 'পৌৰসভা' আদি গঠন কৰাৰ ব্যৱস্থা কৰা হৈছিল। অৱশ্যে চৰকাৰৰ হাতত ব'ৰ্ডৰ সদস্য আৰু সভাপতি আদি নিযুক্তি দিয়াৰ বিশেষ কৰ্তৃত্ব ৰখা হৈছিল। যেতিয়া ১৯১৪ চনৰ ১০ নবেম্বৰৰ দিনা স্থানীয় শায়ত্ত শাসন বিল বিতৰ্কৰ বাবে উপস্থাপন কৰিছিল তেতিয়াও কামিনী কুমাৰ চন্দ, মাণিকচন্দ্ৰ বৰুৱা, তৰুণৰাম ফুকন আদিয়ে লোকেল ব'ৰ্ড আৰু পৌৰসভাৰ সভাপতিজন, আৰু আনুপাতিক হাৰত বেচৰকাৰী সদস্য ল'ব লাগে বুলি দাবী জনাইছিল।

ইংৰাজসকলে অসম লোৱাৰ পিছত প্ৰশাসনীয় সুবিধাৰ বাবে চিন্তা কৰি গোৱালপাৰা, বঙ্গ, বিহাৰ, ওড়িষ্যা উত্তৰপ্ৰদেশ আনকি মধ্যপ্ৰদেশৰো কিছু অংশক লৈ বৃহত্তৰ বঙ্গৰ অঙ্গীভুক্ত কৰিছিল। পিছত সেই আঁচনি তিষ্ঠি নেথাকিল যদিও চিলেট আৰু গোৱালপাৰা সাময়িকভাৱে বঙ্গদেশৰ লগত আছিল। পিছত ১৮৭৪ খৃঃ ত গোৱালপাৰা আৰু চিলেটক পুনৰ অসমৰ অন্তৰ্ভুক্ত কৰা হয়। গতিকে এটা দলে এই অন্তৰ্ভুক্তিত সন্তুষ্ট নোহোৱাটো তেনেই স্বাভাৱিক।

কিন্তু, যেতিয়া অসময়ত, বিশেষলৈ ব্ৰহ্মপুত্ৰ উপত্যকাত বিশ্ব-বিদ্যালয় পতাৰ যোজা চলিছিল সেই সময়ত অকৌ কামিনী কুমাৰ চন্দ প্ৰমুখ্যে সুৰমা উপত্যকাৰ নেতৃবৰ্গই অসমৰ পৰা চিলেটকৈ কালি নি বঙ্গদেশৰ লগত চামিল কৰাৰ কাৰণে আন্দোলন কৰিছিল। এই মৰ্মে ১৯১৮ খৃঃত ৬ ফেব্ৰুৱাৰী তাৰিখে ইণ্ডিয়ান লেজিচ্‌লেটিভ্‌ কাউন্সিলৰ সভাত কামিনী কুমাৰ চন্দই প্ৰস্তাৱ উত্থাপন কৰিছিল।

সদনত প্ৰস্তাৱটো গৃহীত নহ'ল যদিও চন্দৰ নেতৃত্বত "চিলেট বেঙ্গল ৰি-ইউনিয়ন লীগ' নামৰ সংগঠন এটাৰ জন্ম হ'ল। বঙ্গদেশৰ লগত চিলেট চামিল কৰণৰ প্ৰস্তাৱ সমৰ্থন কৰি বেঙ্গল বিধান সভাৰ সদস্য আব্দুল কৰিমে মন্তব্য কৰিছিল—" the artifical relation between Assam and Sylhet for long forty-five years failed to produce unity between the two peoples." সভাৰ অন্তত সৰ্বসন্মতিক্ৰমে এটি প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল—"...to give the peole of Sylhet a fair chance of working under any liberal scheme of reforms, it is absolutely necessary to transfer the district to Bengal with which Sylhet is indissolubly bound up by ties of race, language, manners, customs, history and culture."

চিলেটক বঙ্গৰ লগত চামিল কৰাৰ আন্দোলনৰ দ্বাৰা অত্যুৎসাহী হৈ কিছুমান চতুৰ বঙালী লোকে তেতিয়াৰ অবিভক্ত গোৱালপাৰা জিলাখনক বঙ্গদেশৰ লগত চামিল কৰাৰ কাৰণে দাবী উত্থাপন কৰিছিল (১৯১২)। কিন্তু তেতিয়াৰ অসমৰ চিফ্ কমিচনাৰ আৰ্চডেল আৰ্লে চামিলকৰণৰ প্ৰস্তাৱটো 'একেবাৰে বাঞ্ছনীয় নহয়' বুলি অভিমত দিলে—"The majority of the people of Goalpara sub-division are Assamese or speak Assamese, while in the Dhubri sub-division there is a minority who are in simil.r case cn this ground alone ; it is impossible to comtemplate separating this district from Assam." পিছে চিলেট আৰু গোৱালপাৰাক অসমৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰিলে যদিও প্ৰতিক্ৰিয়াশীল শক্তিটোৱে তেওঁলোকৰ পূৰ্বৰ খুটি এৰি নিদিলে।

১৯১৯ খৃঃত মণ্টেগু-চাম্চ্ফোৰ্ডৰ ৰিপোৰ্ট অনুসৰি দ্বৈত শাসন

প্ৰবৰ্ত্তন কৰি বিদ্ৰোহৰ অগ্নিত ঘি ঢালিলে। সেই সময়তে প্ৰথম বিশ্বযুদ্ধত ইংৰাজৰ বিৰুদ্ধে টুৰ্কীস্থানে জাৰ্মানিক সহায় কৰাত ইংৰাজেও টুৰ্কীৰ বিৰুদ্ধে আক্ৰমণ চলালে। টুৰ্কীস্থানৰ অটোমান চুলতানক বিশ্বৰ মুছলিমসকলে ইচ্‌লাম ধৰ্মৰ পবিত্ৰ গুৰু জ্ঞান কৰে। সেয়েহে ভাৰতৰ মহম্মদআলি, চৌকত আলি ভাতৃদ্বয়ে ইংৰাজৰ বিৰুদ্ধে 'জিয়াদ' ঘোষণা কৰিলে। মহাত্মাগান্ধীৰ আহ্বান ক্ৰমে ভাৰতৰ হিন্দু-মুছলমানৰ ঐক্য সাধনাৰ বাবে ভাৰতব্যাপি খিলাফট্ আন্দোলন আৰম্ভ হ'ল। অসমতো বিভিন্ন স্থানত খিলাফট আন্দোলনক সমৰ্থন কৰি সভাসমিতি, সত্যাগ্ৰহ আদি পালন কৰা হ'ল। ধুবুৰী, গোৱালপাৰা, কৰিমগঞ্জ, শিলচৰ আদিত হৰতাল পালন কৰা হ'ল। ইতিমধ্যে ১৯১৯ চনৰ কুখ্যাত 'ৰাওলাট বিল'ৰ প্ৰস্তাৱ আহিল। এই বিলৰ প্ৰতিবাদ কল্পে গোটেই দেশতে পুনৰ আন্দোলন আৰম্ভ হ'ল। মহাত্মাগান্ধী ভাইচ্‌ৰয়ক স্পষ্টভাৱে জনাই দিলে, যদিহে ৰাওলাট বিল উঠাই লোৱা নহয় তেখেতে সত্যাগ্ৰহৰ আহ্বান দিবলৈ বাধ্য হ'ব। মহম্মদআলি জিন্নায়ো ইংৰাজক সাৱধান কৰি দিলে। শিলচৰত কামিনী কুমাৰ চন্দই আৰু গুৱাহাটীত ১৬ ফেব্ৰুৱাৰী তাৰিখে হিন্দু-মুছলমানৰ বিবাট ৰাজহুৱা সভা পাতি তৰুণৰাম ফুকন প্ৰমুখ্যে নেতৃবৰ্গই ৰাওলাট বিল উঠাই লবলৈ চৰকাৰক দাবী জনালে। এই সভাৰ মূল প্ৰস্তাৱটো ছাৰ ছাদুল্লা ডাঙৰীয়াই উত্থাপন কৰিছিল, বিপিন বিহাৰী বৰাই সমৰ্থন কৰিছিল, কালীৰাম দাস আৰু চন্দ্ৰনাথ শৰ্মাই অনুমোদন কৰিছিল।

মহাত্মাগান্ধী অসহযোগ আন্দোলনৰ আহ্বান দিয়াৰ লগে লগে অসমৰ প্ৰথমে দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই (১৯২১ চনৰ ১৭ জানুৱাৰী) ওকালতি বৰ্জন কৰে। তেখেতৰ পিছত নবীনচন্দ্ৰ বৰদলৈ, কৃষ্ণনাথ শৰ্মা, কুলধৰ চলিহা, গোপীনাথ বৰদলৈ (২ মে) আৰু তৰুণৰাম ফুকনে (৫ জুন) তাৰিখে ওকালতি বৰ্জন কৰে।

প্ৰায় একে সময়তে সুৰমা ভেলিৰ কামিনী কুমাৰ চন্দ আৰু মহিচন্দ্ৰ বিশ্বাসেও ওকালতি বৰ্জন কৰে। অসহযোগ আন্দোলনৰ তাৎপৰ্য আৰু নীতি শিলচৰবাসীৰ মাজত বহুলভাৱে প্ৰচাৰ কৰাৰ কাৰণে কামিনী কুমাৰ চন্দই লোৱা ভূমিকা প্ৰশংসনীয়েই নাছিল, কাছাৰ-শিলচৰবাসীৰ কাৰণে অভূতপূৰ্বও আছিল। তাৰ বাবে কামিনী কুমাৰ চন্দৰ ওপৰত আমি নিশ্চয় ঋণী থাকিব লাগে।

কামিনী কুমাৰ চন্দৰ ব্যক্তিত্ব আৰু মানৱতাবোধ অতি উচ্চ খাপৰ আছিল, যিটোৰ কাৰণে মহাত্মা গান্ধী প্ৰমুখ্যে সৰ্বভাৰতীয় নেতাসকলৰ তেখেত প্ৰিয়পাত্ৰ হৈ উঠিছিল। অসহযোগ আন্দোলনৰ কাৰ্যসূচী ব্যাপকভাৱে প্ৰচাৰ কৰাৰ কাৰণে ১৯২১ চনৰ ২৮ আগষ্ট তাৰিখে শিলচৰত বহা বিৰাট ৰাজহুৱা সভাত কামিনী কুমাৰ চন্দই পৌৰোহিত্য কৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত দেশভক্ত ফুকনৰ যিমান নাম আৰু প্ৰভাৱ আছিল, সমপৰ্যায়ৰ খ্যাতি আৰু প্ৰভুত্ব সুৰমা-উপত্যকাত কামিনী কুমাৰ চন্দই দাবী কৰিব পাৰিছিল। তদুপৰি ১৯২১ চনৰ ২৭ আগষ্টত মহাত্মা গান্ধী শিলচৰলৈ যাওঁতে কামিনী কুমাৰ চন্দৰ ঘৰত আলহী থাকিছিল আৰু মহাত্মাৰ অসহযোগৰ কাৰ্যসূচী নিজৰ কৰ্তৃতাধীনত থকা বাতৰি কাকতত ২৮ আগষ্ট তাৰিখে সাহসেৰে প্ৰচাৰ কৰিছিল। সেই ২৮ আগষ্টৰ দিনাই তেখেতে গাটোতে ছাঁটোৰ দৰে লাগি থাকি মহাত্মা গান্ধীক শিলচৰ চহৰ পৰিভ্ৰমণ কৰাইছিল।

কামিনী কুমাৰ চন্দই মহাত্মা গান্ধীৰ দৃষ্টি আকৰ্ষণ কৰাৰ উপৰিও নেতাজী সুভাষচন্দ্ৰ বসু, বিপিনচন্দ্ৰ পাল, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, চাৰ আশুতোষ মুখাৰ্জী, সুৰেন্দ্ৰনাথ বেনাৰ্জী, মহম্মদআলি জিন্না আদিৰ প্ৰিয়ভাজন আছিল আৰু স্বাধীনতা আন্দোলনৰ পৰিপ্ৰেক্ষিতে সিসকল বৰেণ্য নেতাৰ সৈতে চিঠি-পত্ৰৰ নিয়মিত আদান-প্ৰদান কৰিছিল।

কামিনী কুমাৰ চন্দৰ নিভাঁজ দেশ প্ৰেমৰ আন এটি উজ্জ্বল দৃষ্টান্ত

পোৱা যায় যেতিয়া তেখেতৰ জ্যেষ্ঠ পুত্ৰ অপূৰ্ব চন্দক স্বদেশী আন্দোলনত যোগ দিয়া কাৰণে প্ৰধান শিক্ষকে ১৯০৭ চনৰ আগষ্ট তাৰিখে স্কুলৰ পৰা বহিষ্কাৰ কৰিছিল। বহিষ্কৃত ছাত্ৰসকলৰ ৩৮ জনে নিজৰ ভুল স্বীকাৰ কৰি, তাৰ বাবে ক্ষমা-প্ৰাৰ্থনা খুজি, ভৱিষ্যতে চৰকাৰ বিৰোধী কোনো কাৰ্য-কলাপত লিপ্ত নাথাকিব বুলি প্ৰতিশ্ৰুতি দি পুনৰ স্কুলত ভৰ্তি হৈছিল। কিন্তু কামিনী কুমাৰ চন্দই এনে ব্যক্তিত্ববিহীন তথা দাসত্বোচিত কাম কৰিবলৈ ৰাজি নহ'ল। তেখেতে অপূৰ্বক কবি গুৰুৰ জাতীয় শিক্ষানুষ্ঠান শান্তি নিকেতনলৈ অধ্যয়নৰ বাবে পঠাই দিছিল। কামিনী কুমাৰ চন্দৰ আন তিনিজন গুণী-জ্ঞানী যশস্বী পুত্ৰ হ'ল অশোক, অনিল আৰু অৰুণ। কালক্ৰমত অৰুণ কুমাৰ চন্দ বংশৰ 'অৰুণ' ৰূপে পৰিগণিত হৈ ভাৰত মাতৃক উদ্ধাৰৰ কাৰণে যি ত্যাগ কৰিছিল আৰু কাছাৰ-শিলচৰবাসীৰ উত্তৰোত্তৰ উন্নতিৰ কাৰণে যি বৰঙণি আগবঢ়াইছিল ভাৰতৰ ৰাজনৈতিক ইতিহাসৰ পাতত নিশ্চয় সোণালী আখৰেৰে জিলিকি থাকিব। অৰুণ কুমাৰ চন্দই সুযোগ্য পিতৃৰ সুযোগ্য পুত্ৰ বুলি দাবী কৰিব পাৰিছিল। পিতৃ কামিনী কুমাৰ চন্দৰ মৃত্যুৰ পিছত অৰুণ কুমাৰ চন্দই পিতৃৰ যোগ্য উত্তৰাধিকাৰী ৰূপে ভাৰতৰ স্বাধীনতা আন্দোলনত তথা শিলচৰ-অসমৰ স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত অতুলনীয় অৱদান আগবঢ়ায়।

বাৰিষ্টাৰ হৰেশ্বৰ গোস্বামী

অসমৰ ৰাজনীতি আৰু আইন জগতৰ উজ্জ্বল ভোটাতৰা হৰেশ্বৰ গোস্বামীয়ে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰপৰা বাৰ. এট. ল' আৰু কেণ্টাবৰ-পৰা 'ট্ৰাইপছ্' (Tripos) সহ অৰ্থনীতি বিষয়ত এম. এ. পাছ কৰে। ইমানেই নহয়, এজন ভাৰতীয় হৈয়ো ইংল্যাণ্ডৰ 'লিংকন্স্ ইন'ৰ সৰ্বশ্ৰেষ্ঠ ছাত্ৰ বুলি স্বীকৃতি অৰ্জন কৰি ১৯৩৯ চনৰ ৩১ অক্টোবৰৰ দিনা 'বুকানন্' পুৰস্কাৰ লাভ কৰি অসম তথা ভাৰতবৰ্ষৰ গৌৰৱ বঢ়ায়। গোস্বামীৰ এই দুৰ্লভ খ্যাতি সেই সময়ৰ সমগ্ৰ ভাৰতবৰ্ষতে ৰজনজনাই গৈছিল; দেশী-বিদেশী সংবাদপত্ৰসমূহত ৰাষ্ট্ৰ হৈ পৰিছিল। গোস্বামীৰ কৃতিত্বৰ বাবে 'লিংকন্স্ ইন'ত ভোজমেল পাতি (কক্‌টেল পাৰ্টি) তেখেতক অভিনন্দন জনোৱা হৈছিল। ভোজমেলত তেখেতলৈ যেতিয়া 'চেম্পেন্' আগবঢ়োৱা হৈছিল, তেতিয়া তেখেতে বিলাতলৈ যোৱাৰ আগমুহূৰ্তত মাতৃৰ সম্মুখত কৰা প্ৰতিজ্ঞাৰ প্ৰতি শ্ৰদ্ধা জনাই; আনহাতে উদ্যোক্তা-সকলৰো মনত কোনো প্ৰকাৰৰ দুখ নিদিয়াকৈ 'চেম্পেন'ৰ পিয়লা হাতত লৈ সম্মানসূচক ব্যৱহাৰেৰে ওভতাই দিছিল। ততোধিক মাতৃৰ ওচৰত দি যোৱা চৰ্ত মানি বিলাতী মহিলা আৰু ধূমপানৰ প্ৰতি কেতিয়াও আকৃষ্ট হোৱা নাছিল। পিতৃ-মাতৃ আৰু গুৰুজনাৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা হেতুকে হৰেশ্বৰ গোস্বামী অৱশ্যে মহাত্মা গান্ধী হ'ব নোৱাৰিলেও, মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ জীৱনত প্ৰসিদ্ধি লাভ কৰিছিল। কালক্ৰমত নিজৰ পত্নী-পুত্ৰ-কন্যাকো গান্ধীজীৰ মহান আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত কৰাৰ চেষ্টা কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত, ১৯৪০ চনত ইংল্যাণ্ডৰপৰা মালবাহী জাহাজ

এখনেৰে আহি বোম্বাই পায়েই মহাত্মাৰ স্বদেশী মন্ত্ৰত দীক্ষিত হৈ বিদেশী সাজ-পোছাক তাতে দলিয়াই পেলাই স্বদেশী খদ্দৰ পৰিধান কৰিছিল, আৰু মৃত্যুৰ দিনালৈকে এই নিয়মৰ হেৰ্‌ফেৰ্‌ কৰা নাছিল। আনকি বিবাহৰ পিছত পতিপ্ৰাণা সহ-ধৰ্মিনীও স্বামীৰ অনুগামী হৈ থাকি ৰাজনৈতিক, সামাজিক তথা ঘৰুৱা জীৱনত স্বামীক সততে সহায় কৰিছিল।

কামৰূপ জিলাৰ উত্তৰ পাৰৰ নলবাৰী অঞ্চলটোৰ দৰেই দক্ষিণ পাৰৰ ৰামপুৰ, পলাশবাৰী, ছয়গাওঁ অঞ্চলটোও শিক্ষা, সংস্কৃতি, বেহা-বেপাৰ আনকি ৰাজনীতিৰ ক্ষেত্ৰতো আগবঢ়া। ধৰ্মীয় অনুশাসনৰ ক্ষেত্ৰতো ব্ৰাহ্মণ্য ধৰ্ম আৰু সত্ৰীয় পৰম্পৰা আৱহমান কালৰ পৰা প্ৰচলিত। কালক্ৰমত ইছলামীয় প্ৰভাৱো পৰিছে। নানা জাতি-ধৰ্ম-বৰ্ণৰ সমাৱেশ ঘটিলেও শান্তি-সম্প্ৰীতিৰ অভাৱ কোনো দিনেই ঘটা নাই।

সমগ্ৰ অসম ৰাজ্যতে মহাপুৰুষজনাৰ পবিত্ৰ বৈষ্ণৱ ধৰ্মই গা কৰি উঠাৰ লগতে তেৰাৰে পৰম বান্ধৱ আৰু আদৰ্শানুগামী দামোদৰদেৱৰ শিষ্য পৰম্পৰা সন্তভূষণে নহিৰা সত্ৰ স্থাপন কৰিছিল। নহিৰা সত্ৰৰ গোসাঁইৰ কুলোদ্ভৱ, 'সাহিত্য সংগ্ৰহ'ৰ সঙ্কলক মহেশ্বৰ গোস্বামীদেৱ। তেখেতৰ দুই পুত্ৰ কুমুদেশ্বৰ গোস্বামী আৰু খৰ্গেশ্বৰ গোস্বামী। খৰ্গেশ্বৰ গোস্বামীৰ পত্নী সাহিত্যিকা, ঋতুসংহাৰৰ অনুবাদিকা, বিশিষ্টা সমাজ-সেৱিকা শ্ৰীবিমলি গোস্বামী। কালক্ৰমত মহেশ্বৰ গোস্বামী গুৱাহাটীলৈ আহি উজান বজাৰৰ ব্ৰহ্মপুত্ৰৰ পাৰত বসতি স্থাপন কৰে। তেখেতে গুৱাহাটীত মোক্তিয়াৰ কাম কৰি কৃতকৰ্মৰ ফলত 'কামৰূপৰ জমিদাৰ' বুলি প্ৰখ্যাত হৈ উঠে। উল্লেখযোগ্য যে মহেশ্বৰ গোস্বামী স্বপ্নাদিষ্ট হৈ নহিৰাৰপৰা কুলদেৱতা লক্ষ্মীনাৰায়ণৰ বিগ্ৰহ গুৱাহাটীলৈ আনি নিজ বাসস্থানত প্ৰতিষ্ঠা কৰে। এই লক্ষ্মীনাৰায়ণ মন্দিৰতে অসমৰ কালিদাস মহামহোপধ্যায় ধীৰেশ্বৰ আচাৰ্য প্ৰমুখ্যে বহুতো বিদগ্ধ সংস্কৃত পণ্ডিত-মনীষীয়ে আবাস পাতি

আছিল। মহামহোপধ্যায়ৰ প্ৰভাৱত গোস্বামীদেৱৰ পৰিয়ালৰ মাজত সংস্কৃত সাহিত্য চৰ্চাৰ এটি কেন্দ্ৰ হৈ উঠিছিল। সুখৰ কথা, গোস্বামীদেৱৰ উত্তৰাধিকাৰীসকলে, বিশেষকৈ বিমলি গোস্বামীৰ আন্তৰিক উদ্যমে পূৰ্বৰ 'লক্ষ্মীনাৰায়ণ মন্দিৰ'টো সংস্কাৰ কৰি গহীন আৰু আকৰ্ষণীয় কৰি ৰাখিছে।

ওপৰত উল্লেখ কৰা সত্ৰীয়া গোসাঁই মহেশ্বৰ গোস্বামীৰ জ্যেষ্ঠ পুত্ৰ 'কামৰূপৰ জমিদাৰ' কুমুদেশ্বৰ গোস্বামী আৰু এখেতৰ চতুৰ্থ সন্তান হৰেশ্বৰ গোস্বামীৰ ১৯১৮ খৃষ্টাব্দৰ ৭ ফেব্ৰুৱাৰী তাৰিখে জন্ম হয়। কুমুদেশ্বৰ গোস্বামী সমাজত 'নাৱা গোসাঁই' নামে জনাজাত আছিল। হৰেশ্বৰ গোস্বামীৰ মাতৃ কিৰণবালা এগৰাকী সহজ-সৰল চৰিত্ৰৰ পৰম ধাৰ্মিকা মহিলা আছিল।

হৰেশ্বৰ গোস্বামী সৰুতে তীখৰ বুদ্ধিৰ আৰু উৎপতীয়া স্বভাৱৰ ল'ৰা আছিল। ব্ৰহ্মপুত্ৰৰ বালিত বিহাৰী লোকৰ ঘোঁৰা ধৰি আনি দৌৰোৱা, ব্ৰহ্মপুত্ৰৰ বুকুত নাও খেলা, সাঁতোৰ প্ৰতিযোগিতা কৰা আদি শিশুসুলভ গুণবোৰে ভৱিষ্যতে ইংল্যাণ্ডত ঘোঁৰা দৌৰোৱা, টেমচ্ নদীত সাঁতোৰা, টেনিচ, হকি আদি খেলত পাৰদৰ্শিতা দেখুৱা গৌৰৱময় কাৰ্যৰ পূৰ্বাভাস বা পাতনি মেলিছিল।

হৰেশ্বৰ গোস্বামীৰ ছাত্ৰ জীৱনো বিচিত্ৰময় আছিল। সোণ-ৰূপৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰা গোস্বামীৰ একোৰে অভাৱ নাছিল। প্ৰাথমিক পৰ্যায়ৰ শিক্ষা সাং কৰি গুৱাহাটীৰ চৰকাৰী বিদ্যালয় কটন কলেজিয়েটত নাম ভৰ্ত্তি কৰি কিছুদিন পঢ়িছিল। কিন্তু এনেতে কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত জাতীয় বিদ্যালয় কামৰূপ একাডেমীৰ জন্ম হোৱাত স্বাধীনচিতীয়া পিতৃৰ ইচ্ছাত তেখেতে তাত পঢ়িবলৈ ল'লে। স্মৰণযোগ্য যে কুমুদেশ্বৰ গোস্বামীও কামৰূপ একাডেমীৰ অন্যতম্ উদ্যোক্তা আছিল। প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কটন কলেজত আই, এছ, চিৰ ছাত্ৰ হিচাপে ভৰ্ত্তি হ'ল। আই, এছ, চি কৃতিত্বৰে পাছ কৰি, বি, এছ, চি নপঢ়ি ১৯৩৭ চনত

অৰ্থনীতি বিষয়ত অৰ্নাচ সহ বি. এ পাছ কৰিলে। গোস্বামীদেৱৰ কলেজীয়া জীৱনৰ দুজন বিশিষ্ট বন্ধু হ'ল ডাঃ সুৰেন্দ্ৰনাথ শৰ্মা আৰু ৰমেশচন্দ্ৰ চৌধুৰী।

হৰেশ্বৰ গোস্বামী এজন সুঅভিনেতা আৰু নাট্যকাৰ নামেও পৰিচিত আছিল। কলেজত পঢ়ি থাকোতে 'কুমাৰ ভাস্কৰ' নাট্য-গোষ্ঠীৰ অন্যতম শিল্পী হিচাপে চালেমান নাটকত গোস্বামীয়ে নাৰী চৰিত্ৰ ৰূপায়ণ কৰিছিল। এইখিনিতে কৈ থোৱা উচিত হ'ব যে সেই সময়ত অসমীয়া সমাজত ছোৱালী বা তিৰোতাক থিয়েটাৰ বা মুকলি মঞ্চত অভিনয় কৰিব দিয়া নহৈছিল বুলিয়েই ক'ব পাৰি। দুই-এগৰাকী দুঃসাহস কৰি অভিনয়ত নামিছিল যদিও তেওঁলোকক সামাজিকভাৱে বৰ্জন কৰাৰ নজিৰো আছে। গতিকে দেখনে শুৱনে দেৱোপম চেঁহেৰাৰ গোস্বামীয়ে নাৰী চৰিত্ৰ নিখুঁটভাৱে ফুটাই তুলিব পাৰিছিল। তেখেতে 'অপৰাজিত' নামে এখন সামাজিক নাটক আৰু 'ৰাজসিংহ' নামে এখন বুৰঞ্জীমূলক নাটক ৰচনা কৰিছিল। গোস্বামী বিলাতকৈ যোৱাৰ আগে আগে নাট্যকাৰ লক্ষ্যধৰ চৌধুৰী, প্ৰবীণ ফুকন প্ৰমুখ্যে শিল্পীসকলৰ উদ্যোগত 'কুমাৰ ভাস্কৰ নাট্য মন্দিৰ'ত নাটখনি কেবাদিনো কৃতকাৰ্যতাৰে অভিনিত হৈছিল। নাট্যকাৰে তাত নিজেও অভিনয় কৰিছিল। খেলুৱৈ হিচাপে গোস্বামী হকি, টেনিচ, ঘোঁৰাদৌৰ আদিত নিপুণ আছিল। ছাত্ৰ হিচাপে তেখেতে ইংৰাজী, অসমীয়া আৰু বুৰঞ্জী বিষয়ত বিশেষ কৃতিত্ব দেখুৱাব পাৰিছিল।

বি. এ. পাছ কৰাৰ পিছত বাৰিষ্টাৰী পঢ়াৰ কাৰণে গোস্বামী বিলাতলৈ যাত্ৰা কৰিলে। মাকৰপৰা বিদায় লোৱাৰ সময়ত স্নেহাশীলা মাতৃৰ তিনিটা প্ৰতিজ্ঞা মদ, ছিগাৰেট নেখাব আৰু বিলাতী মেম্ বিয়া নকৰিব, আখৰে আখৰে পালন কৰিছিল। আন দুটা কথা সৰ্বসাধাৰণৰ বাবে অবিশ্বাস্য যেন লাগিলেও হৰেশ্বৰ গোস্বামী আৰু তেখেতৰ মাতৃৰ কাৰণে শ্বাস-প্ৰশ্বাসৰ দৰে অতীৱ প্ৰয়োজনীয়

আছিল। সেই কথা দুটাৰ মাজেদিও মাতৃ-পুত্ৰৰ প্ৰতিদিনে, প্ৰতি মুহূৰ্ত্তে কায়িক বা বাচিক মিলন নহ'লেও মনস্তাত্ত্বিক সম্পৰ্ক ঘটিছিল। তাৰে প্ৰথমটো হ'ল গোস্বামী বিলাতলৈ যোৱাৰপৰা উভতি নহালৈকে গোটেই কালছোৱাত মাতৃয়ে প্ৰতিদিন ঘৰত পুতেকক খাবলৈ দিয়াৰ দৰে একো সাজ ভাত সম্মুখৰ ব্ৰহ্মপুত্ৰ নদীত উটাই দিছিল; বিশ্বাস প্ৰাণাধিক পুত্ৰই গ্ৰহণ কৰিব। পুতেকেও মাতৃৰ এই অকৃত্ৰিম স্নেহৰ কথা সদায় স্মৰণ কৰি আছিল। আচৰিত কথা হেনো—যদিহে কোনোবাদিন অপৰিহাৰ্য্য কাৰণত মাকে ব্ৰহ্মপুত্ৰত ভাতসাজ দিব নোৱাৰিলে, সিদিনা যি কোনো কাৰণতেই নহওক পুতেক বিলাতত লঘোণে থাকিছিল। কথাটো অবিশ্বাস্য যেন লাগিলেও সঁচা আছিল।

দ্বিতীয় কথাটো আছিল এটি কাছৰ পোৱালিক লৈ। গোস্বামীয়ে সৰুৰেপৰা বনৰীয়াই হওঁক বা ঘৰচীয়াই হওঁক জীৱ-জন্তুক বৰ মৰম কৰিছিল। এসময়ত তেখেতে এটা কাছ পোৱালি পাই গাধোৱা ঘৰৰ চৌবাচ্চাত পুহি ৰাখিছিল। বিলাতকৈ যাবৰ সময়ত মাকক বাৰে বাৰে কাছৰ পোৱালিটোৰ যত্ন ল'বলৈ অনুৰোধ কৰিছিল। পুতেকৰ অনুৰোধ মাতৃয়ে ৰক্ষা কৰি প্ৰতিদিনে, প্ৰতিমুহূৰ্ত্তে প্ৰবাসী পুত্ৰৰ স্মৃতি ৰোমন্থন কৰি কাছ পোৱালিটোক আপদাৰ কৰিছিল। ১৯৪০ চনত পুত্ৰ ঘৰলৈ উভতি আহি মৰমৰ কাছটিক উগ্ৰতাৰা মন্দিৰৰ যোৰপুখুৰীত এৰি দি জীৱটিক মুক্তি দিয়াৰ লগে লগে নিজেও পৰম তৃপ্তি লাভ কৰিলে।

হৰেশ্বৰ গোস্বামী বিশ্ববিখ্যাত কেম্‌ব্ৰিজ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কেথেৰিণ্‌ কলেজৰপৰা অৰ্থনীতি বিষয়ত ট্ৰাইপছ (Tripos) সহ এম. এ আৰু লিংকনচ্‌ ইনৰপৰা ব্যাৰিষ্টাৰী পাছ কৰি অসমৰ মাতৃৰ মুখ উজ্জ্বল কৰিছিল। বিলাতত থাকি উচ্চ শিক্ষা লোৱাৰ লগতে পৃথিৱীৰ আন আন পৰাধীন ৰাষ্ট্ৰবোৰে সাম্ৰাজ্যবাদীৰ শাসন গুচৰাই পেলাই নিজৰ নিজৰ দেশ স্বাধীন কৰাৰ দৃষ্টান্তৰ কথা জানি বিপ্লৱী

হিয়াৰ হৰেশ্বৰৰো হৃদয়ত ভাৰত মাতৃক মুক্ত কৰাৰ চিন্তাই খলকু লগাই আছিল। দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাত বিশ্বত এক অভাৱনীয়, অপ্ৰকাশ্য আতঙ্কৰ সৃষ্টি হ'ল।

১৯৪০ খৃষ্টাব্দৰ ২১ ফেব্ৰুৱাৰীৰ দিনা হৰেশ্বৰ গোস্বামীয়ে বাৰ, এট, ল' উপাধি লাভ কৰিলে। ইতিমধ্যে ভাৰতীয় ব্যৱস্থাপক সেৱাৰো (আই, চি, এছ) তেখেতে প্ৰাৰম্ভিক পৰীক্ষা পাছ কৰিছিল। এনেতে দ্বিতীয় মহাসমৰৰ দাবানল প্ৰজ্বলিত হোৱাত পিতৃ-মাতৃৰ পৰামৰ্শ মানি ঘৰলৈ উভতি আহিল। বোম্বাই পায়েই স্বাধীনতাৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি, বিলাতী সাজ-পোছাক বৰ্জন কৰি খদ্দৰৰ ধুতি-ছোলা পিন্ধিলে। মহাত্মাৰ আদৰ্শৰ-দ্বাৰা উদ্বোদ্ধ হৈ তেখেতে ৰেলগাড়ীৰ তৃতীয় শ্ৰেণীতহে ভ্ৰমণ কৰিছিল।

গোস্বামী বিলাতত থাকোঁতে বহুতো ভাৰতীয় ছাত্ৰৰ লগত গাঢ় বন্ধুত্ব হৈছিল। পিছত সিসকলৰ বহুতে ভাৰতীয় ৰাজনীতি, আইন বিভাগ আদিত উল্লেখযোগ্য বৰঙণি যোগাইছে। তেখেত-সকলৰ কেইজনমান হ'ল—পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী জ্যোতিবসু, ন্যায়াধীশ শঙ্কৰমিত্ৰ, নয়নাভিৰাম বৰুৱা, স্নেহাংশু আচাৰ্য।

তেইশ বছৰীয়া বিলাত ফেৰৎ ৰূপেৰঙে খাওঁ খাওঁ, চফল ডেকা হৰেশ্বৰ গোস্বামী অসম আহি পোৱাৰ খবৰ তপতে তপতে চাৰিও-ফালে প্ৰচাৰ হৈছিল। সংবাদপত্ৰসমূহেও গোস্বামীৰ ছবি আৰু কৃতিত্ব বৰ্ণাই বাতৰি পৰিবেশন কৰিছিল। তাতে মহাত্মাৰ আদৰ্শ-ব্ৰতী হৈ দেশমুক্তিৰ আন্দোলনত যোগ দিয়া বাৰ্তাই অসমৰ জনসাধাৰণৰ হৃদয়ত গভীৰ ৰেখাপাত কৰিছিল। অন্য এটা কাৰণত সবাতোকৈ বেছিকৈ আবেগিক আৰু উদ্বুদ্ধ কৰিছিল যোৰহাটৰ খ্যাতনামা আইনজীৱী গুণানন বৰুৱাৰ দহ বছৰীয়া পুত্ৰ আৰু তেৰ বছৰীয়া দিপলিপ্ চেহেৰাৰ, কনকলতাৰ দৰে বেপৰোৱায়, স্বাধীন মনৰ কন্যা সত্যব্ৰতী গোস্বামীক। গোস্বামী অসমলৈ

ঘূৰি অহা সংবাদটো বাতৰি কাকতত প্ৰচাৰ হোৱাত বৰুৱাৰ স্কুলীয়া পুত্ৰই ছবিসহ বাতৰিটো আনি বাইদেউয়েক দেখুৱালে। দেখুৱাই নহয়; মাকক হেনো প্ৰস্তাৱ দিলে যে সেই ছবিত থকা ল'ৰাজনৰ তাত বাইদেউয়েকক বিয়া দিব লাগে। গ'ল কথা গ'ল; কিন্তু উষাৰ হৃদয়ৰাজ্য স্বপ্নকোঁৱৰ অনিৰুদ্ধই জয় কৰাৰ দৰে কুমাৰ হৰেশ্বৰেও সত্যব্ৰতীৰ হৃদয়ত খোকিবাবৌ লগালে।

ইতিমধ্যে মুক্তি সংগ্ৰামৰ সংগঠনৰ কামত হৰেশ্বৰ গোস্বামী অসমৰ বিভিন্ন ঠাই ঘূৰি-পকি যোৰহাট পালে। যোৰহাটৰ কোনোবা এটা উৎসৱত সত্যব্ৰতীয়ে গীত এটি পৰিৱেশন কৰি বাহিৰলৈ ওলাই অহাত গীতৰ অন্যতম শ্ৰোতা হৰেশ্বৰ গোস্বামীক বন্ধু এজনে গায়িকাৰ লগত পৰিচয় কৰি দিলে। "Love at the first sight" প্ৰথম দৰ্শনতে প্ৰেমৰ ঢল বৈ গ'ল। অধিক যিয়েই নহওক প্ৰজাপতিৰ নিবন্ধন অনুসৰি ১৯৪১ চনৰ ২৩ নবেম্বৰৰ দিনা অতি আড়ম্বৰেৰে হৰেশ্বৰ-সত্যব্ৰতীৰ শুভ-বিবাহ সম্পাদিত হ'ল। বিয়াৰ পিছতেই স্বামীৰ আদৰ্শব্ৰতী হৈ বহু দামী, আভিজাত্যৰ পৰিচায়ক বিদেশী বস্ত্ৰ বৰ্জন কৰি খাদী কাপোৰ পিন্ধিবলৈ ল'লে। আন নালাগে নাৰীৰ অতি আদৰৰ বস্তু সোণ-ৰূপৰ অলঙ্কাৰো সোলোকাই থৈ স্বামীৰ সেৱাত নিজক সপি দিলে। সীতা-দৌপদীৰ দৰে সুখে-দুখে স্বামীৰ সহচৰী হৈ দেশ স্বাধীন কৰাৰ কামত সহায় কৰিলে, ঘৰ-সংসাৰ চলালে, নৱমমান শ্ৰেণীৰ ছাত্ৰী হৈ প্ৰাইভেটে বি, এ, এম, এ পাছ কৰিলে, চাৰিটা সন্তানৰ মাতৃ হৈ তেওঁলোকক আধুনিক যুগৰ সুশিক্ষাৰে শিক্ষিত কৰিলে, স্বামীৰ লগত বহুবাৰ দেশ-বিদেশ ভ্ৰমিলে, ১৯৬০ চনত ৰাজ্যভাষা আন্দোলনৰ সময়ত শিলিগুৰিত অসমীয়া বিৰোধী উন্মত্ত জনতাই স্বামীক হত্যা কৰিবলৈ ওলোৱাত; লাগিলে নিজৰ প্ৰাণৰ বিনিময়তো স্বামীক ৰক্ষা কৰিবলৈ পুত্ৰহাৰা সিংহীনীৰ দৰে যুদ্ধ কৰি স্বামীক ৰক্ষা কৰি নিজেও দাৰুণ আঘাত পালে, স্বামীৰ অকাল মৃত্যুত এটুপি শোকৰ লোটক নোটোকাকৈ

অসীম ধৈৰ্য্যৰে থাকি পুত্ৰ-কন্যা চাৰোটিক মানুহ কৰিলে, স্বামীৰ ৰাজনীতিক দৰ্শনৰ অনুগামী হৈ ৰাইজৰ আদৰৰ শ্ৰদ্ধাৰ 'গোসাঁনী' আখ্যা লভি বিপুল সাংখ্যাধিক্য ভোটত জয়ী হৈ অসম বিধান সভালৈ নিৰ্বাচিত হ'ল, জন কেনেডি, হাঙ্গেৰীয়ান বিপ্লৱ আৰু এলিনৰ ৰুজভেল্ট নামে তিনিখন অনুবাদ সাহিত্যৰ বৰঙণি যোগালে আৰু শেহান্তৰত স্বামীৰ মৃত্যু তিথিকে নিজৰো মহাপ্ৰয়াণৰ দিন হিচাপে বাচি লৈ ১৯৮৭ চনৰ ১১ মে তাৰিখে, ষাঠি বছৰ পূৰ্ণ হ'বলৈ মাত্ৰ এদিন বাকী থাকোঁতে স্বামীৰ লগত স্বৰ্গবাস কৰিবলৈ গুচি গ'ল। হৰেশ্বৰ-সত্যৱতীৰ এইয়া আছিল স্বৰ্গীয় মিলন, কাব্যিক মিলন, আদৰ্শৰ মিলন, জন্মজন্মান্তৰৰ আত্মিক মিলন।

সত্যৱতী-হৰেশ্বৰৰ বিবাহৰ বন্দবস্ত হোৱাৰ কেইদিনমান পাছতেই স্বাধীনতা আন্দোলনত বিপ্লৱী-ভূমিকা লোৱা অভিযোগত গোস্বামীক ১৯৪০ চনৰ জুলাই মাহত গ্ৰেপ্তাৰ কৰি তিনিমাহ কাৰাদণ্ড বিহি যোৰহাট জেলত ৰাখিছিল। তাত থকাত বাগদত্তা সত্যৱতীয়ে ভাবী স্বামীক জেলৰ ভিতৰলৈ গৈ খা-খবৰ কৰিছিল, প্ৰিয় খোৱা বস্তুৰ যোগান ধৰিছিব। বিবাহৰ ঠিক পাছতেই 'ভাৰত ত্যাগ' আন্দোলনত জঁপিয়াই পৰি ১৯৪২ চনত পুনৰ গ্ৰেপ্তাৰ বৰণ কৰি কাৰাবাস খাটে। সেইবাৰ তেখেতক শিলচৰ জেলত ৰাখিছিল। পিছত স্বাস্থ্যজনিত কাৰণত তেখেতক জেলৰপৰা আগতীয়াকৈ মুক্তি দিছিল যদিও চাৰি বছৰৰ কাৰণে অসমৰপৰা বহিষ্কাৰ কৰিছিল। তেতিয়া গোস্বামী সপৰিয়ালে কলিকতালৈ গৈ কলিকতা উচ্চ ন্যায়ালয়ত ওকালতি কৰিছিল। তাৰপৰা মাজে সময়ে দিল্লীলৈ গৈ ভাৰতীয় উচ্চ ন্যায়ালয়তো ওকালতি কৰিছিল। ওকালতি ব্যৱসায়ত তেখেতে প্ৰচুৰ খ্যাতি লাভ কৰিছিল, সেই অনুপাতে যথেষ্ট ধনো উপাৰ্জন কৰিছিল। সেই সময়তে তেখেতে কলিকতাৰ 'বঙ্গবাসী কলেজ'ত অংশকালীন প্ৰবক্তা হিচাপেও কাম কৰিছিল। কলিকতাত তেখেতে ডাঃ বিধান চন্দ্ৰ ৰায়ৰ চিকিৎসা

লৈছিল আৰু হাইকোৰ্টত সিদ্ধাৰ্থ শঙ্কৰ ৰায়, সমৰ সেন, মামুদ আৰু তেখেতৰ বিলাতৰ সহপাঠী শঙ্কৰ মিত্ৰকো নিবিড়ভাৱে পাইছিল। কলিকতাত বহিস্কৃত হৈ থকা সময়ছোৱাতো গোস্বামী ৰাজনীতিৰ লগত পুৰাদমে সম্পৰ্ক ৰাখিছিল। কলিকতাত তেখেত-সকলে গণেশ এভিনিউত ভাড়া কৰি থকা ঘৰটো অসমীয়া ছাত্ৰ-ছাত্ৰী আৰু ৰাজনৈতিক নেতাসকলৰ আলহী-ঘৰ স্বৰূপ আছিল। বহুতৰে তেখেতসকল শ্ৰদ্ধাৰ দাদা আৰু বৌ আছিল।

গোস্বামীৰ সেইবাৰ দীঘলীয়া কলিকতা নিবাসে তেখেতৰ ৰাজনৈতিক জীৱনৰ পট পৰিবৰ্তন কৰিছিল। ইংৰাজীত এষাৰ কথা আছে—"When France catches cold the whole ef Europe sneezes" মানে "ফৰাচীৰ পানীলগা অসুখ হ'লে, সমগ্ৰ ইউৰোপখনে হাঁচিয়াবলৈ ধৰে।" প্ৰাক্-স্বাধীন যুগৰ কলিকতাৰ গুৰুত্বও ফৰাচীৰ দৰেই আছিল। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজনৈতিক দল-উপদলবিলাকৰ নেতাসকলৰ মিলনভূমি কলিকতা আছিল। ইতিমধ্যে কংগ্ৰেছৰপৰা ফালি আহি এচাম ৰাজনৈতিক নেতাই 'কংগ্ৰেছ চোছিয়েলিষ্ট', 'চোছিয়েলিষ্ট', 'কৃষক মজদুৰ প্ৰজা পাৰ্টি' আৰু বিদেশৰপৰা আমদানীকৃত 'চি, পি, এম' আদি দল-উপদল গঠন কৰি দলীয় যুঁজ বাগৰ কৰাৰ কথা কৈ অহা হৈছে। কোৱা বাহুল্য যে 'যুঁজৰ কুকুৰা'ৰ ৰণভূমি আছিল কলিকতা। হৰেশ্বৰ গোস্বামীক নানা দলে তেওঁলোকৰ গোষ্ঠীভুক্ত কৰাৰ আপ্ৰাণ চেষ্টা কৰিছিল। শেষত ভাৰতীয় ৰাজনীতিৰ চূড়ামণি নৰেন্দ্ৰ দেৱৰ শিষ্যা মহিলা অৰুণা আচফ আলিয়ে লক্ষ্যধৰ চৌধুৰীৰ সহায়ত হৰেশ্বৰ গোস্বামীক কংগ্ৰেছ চোছিয়েলিষ্ট দলৰ সদস্যভুক্ত কৰিলে। তাৰ পিছতে বীৰ বিপ্লবী পলাতক শংকৰ চন্দ্ৰ বৰুৱাই গোস্বামীক লগ ধৰি অসমতো তুৰন্তে ভাৰতীয় চোছিয়েলিষ্ট দলৰ শাখা এটি খোলাৰ প্ৰস্তাৱ দাঙি ধৰিলে। ১৯৪৭ চনত অসমতো কংগ্ৰেছ চোছিয়েলিষ্ট দল গঠন কৰা হ'ল আৰু তাৰ গুৰি ধৰিলে শংকৰ বৰুৱা, লক্ষ্যধৰ

চৌধুৰী, হৰেশ্বৰ গোস্বামী, হলধৰ ভূঞা, হেম বৰুৱা আদিয়ে। অসমত এই দলটো সক্ৰিয় কৰি তোলাত হৰেশ্বৰ গোস্বামীৰ সাংগঠনিক বুদ্ধি-মত্তা অতি প্ৰশংসনীয় আছিল। তেওঁৰ অসাধাৰণ ব্যক্তিত্ব আৰু অপৰিসীম কষ্ট আৰু চেষ্টাৰ ফলত চাহ কৰ্মচাৰী, ৰেল কৰ্মচাৰী, মিল মজদুৰসকলৰ মাজত সুকীয়া সুকীয়া ইউনিয়ন গঢ়ি উঠিল। অসমৰ অতি দুখীয়া কৃষক শ্ৰেণীৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে 'হিন্দ-কিষাণ পঞ্চায়ত' শাখা গঠন কৰি সোণ-ৰূপৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰা, কামৰূপৰ বিখ্যাত জমিদাৰৰ ল'ৰা হৰেশ্বৰ গোস্বামীয়ে কৃষক বন্ধুৱাৰ দুৰ্ভাগ্য মোচনৰ কাৰণে ব্ৰতী হ'ল। বিচিত্ৰ ভাৰতবৰ্ষৰ বিচিত্ৰ ইতিহাস, বিচিত্ৰ মানৱ মন। ৰজা শুদ্ধোধনৰ পুত্ৰ বুদ্ধদেৱে ভিক্ষাৰ জুলি লোৱাৰ, চণ্ডাশোক অশোক ধৰ্মাশোক হোৱাৰ, সত্য-ৰক্ষাৰ কাৰণে শ্ৰীৰামচন্দ্ৰ, পঞ্চ-পাণ্ডৱ বনবাসী হোৱাৰ ঐতিহাসিক কাহিনী বহুতো আছে। গতিকে ৰাজকুমাৰ স্বৰূপ হৰেশ্বৰ গোস্বামীও জন্মভূমিৰ কাৰণে, দেশৰ বুভুক্ষু জনতাৰ কাৰণে কান্দিব জানিছিল, ত্যাগ কৰিব পাৰিছিল, দেশৰ স্বাৰ্থৰ কাৰণে নিজক সম্পূৰ্ণ বিলাই দিব পাৰিছিল। তুলনাত্মক অধ্যয়ন কৰি চালে—অৰুণ কুমাৰ চন্দ আৰু হৰেশ্বৰ গোস্বামীৰ ধ্যান-ধাৰণা আৰু কৰ্মপদ্ধতিৰ মাজত কিছু মিল দেখা যায়। দুয়োজনেই বাৰ এট ল' দুয়োজনেই বন্ধুৱা সংগঠক, দুয়োজনেই প্ৰবীণ বক্তা আৰু স্বদেশপ্ৰেমী।

হৰেশ্বৰ গোস্বামীৰ অসমীয়া ৰাজ্য ভাষাৰ আন্দোলন, ব্ৰহ্মপুত্ৰ দলং, ৰেল আন্দোলন, তেল শোধনাগাৰ আন্দোলন, চিলঙৰপৰা গুৱাহাটীলৈ অসমৰ ৰাজধানী স্থানান্তৰ আদি প্ৰতি আন্দোলনতে উল্লেখযোগ্য বৰঙণি আছে। ১৯৬০ চনৰ ৰাজ্য ভাষা আন্দোলনত গোস্বামী সক্ৰিয় অংশ গ্ৰহণ কৰি কলিকতাত অসমৰ স্বাৰ্থৰক্ষাৰ কাৰণে দিয়া তোজোদ্দীপক ভাষণে অসম তথা অসমীয়া ভাষা-বিৰোধী চক্ৰটোক পিশাচৰ দৰে উন্মত্ত কৰি তুলিছিল।

অসমলৈ ওভতাৰ পথত শিলিগুৰিত উন্মত্ত দুৰ্বৃত্তসকলে গোস্বামীৰ প্ৰাণ নাশৰ অশেষ চেষ্টা কৰিছিল যদিও পত্নী সত্যৱতী গোস্বামীৰ কাৰণে আৰু তদ্মুহূৰ্তে পোৱা পুলিচৰ সহায়ৰ কাৰণে গোস্বামীৰ প্ৰাণ ৰ'ল; কিন্তু দুটা দাঁত গ'ল। গোস্বামীক ৰক্ষা কৰিবলৈ যাওঁতে পুলিচে গুলি চালনা কৰিবলৈ বাধ্য হৈছিল, যাৰ ফলত তিনিজন দুৰ্বৃত্তৰ থিতাতে মৃত্যু ঘটিছিল। তাৰে কিছুদিন আগতে ভাষা আন্দোলনৰ পৰিপ্ৰেক্ষিততে সেই ঠাইতে সূৰ্য বৰাক হত্যা কৰা হৈছিল। যি কি নহওক হৰেশ্বৰ গোস্বামী প্ৰাণ লৈ গুৱাহাটীলৈ আহিল। তেখেত আহি গুৱাহাটীৰ কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তৰ ফালে থকা বাস ভৱনত উপস্থিত হোৱাৰ লগে লগে তেখেতক দেখা কৰিবলৈ অহা জনতাৰ ভিৰৰ কথা মনত পৰিলে আজিও উত্তেজনাত শৰীৰ ৰোমাঞ্চিত হয়। এই লেখকৰ সেই জনস্ৰোতৰ দৃশ্য চোৱাৰ আৰু গোস্বামীয়ে তেখেতৰ ভৱনৰ ওপৰ তলাৰপৰা দুৰ্বৃত্তসকলে কৰা পৈশাচিক আক্ৰমণৰ বৰ্ণনা শুনাৰ সৌভাগ্য ঘটিছিল।

হৰেশ্বৰ গোস্বামীৰ জীৱনৰ লক্ষ্য আছিল জন্মভূমিৰ সেৱা কৰা, দেশৰ পদদলিত শ্ৰেণীটোক ধনীৰ কবলৰপৰা মুক্ত কৰাৰ। ভোটৰ যুঁজৰ জয়-পৰাজয়ক গোস্বামীয়ে খেলুৱৈ-সুলভ দৃষ্টিৰে চাইছিল। নিৰ্বাচনৰ যুদ্ধত দুবাৰ হৰাৰ পিছত ১৯৬২ চনৰপৰা ১৯৬৭ চনলৈকে সক্ৰিয় ৰাজনীতিৰপৰা দূৰত থাকি ওকালতিত মন দিছিল। আইনত তেখেতৰ গভীৰ জ্ঞান আৰু অধ্যয়ন আছিল। দিল্লীৰ উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰ পদ তেখেতক তিনিবাৰ যাচা হৈছিল আৰু তিনিওবাৰে তেখেতে সেই লোভনীয় পদবী ল'বলৈ অনিচ্ছা প্ৰকাশ কৰিছিল।

এনেতে ১৯৬৩-৬৪ চনত ভাৰতৰ ৰাজনীতিত কিছু উল্লেখযোগ্য পৰিবৰ্তন ঘটিল। প্ৰজাচোছিয়েলিষ্ট দলৰ আগশাৰীৰ নেতা অশোক মেহতা প্ৰমুখ্যে তেখেতৰ অনুগামীসকলে কংগ্ৰেছত যোগ দিয়াত ১৯৬৪ চনত হৰেশ্বৰ গোস্বামীয়েও কংগ্ৰেছত যোগ দি ১৯৬৭ চনত

বিপুল ভোটাধিক্যত জয় লাভ কৰি অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হয়। স্মৰণযোগ্য যে অসম বিধান সভাৰ তেখেত অন্যতম শ্ৰেষ্ঠ অধ্যক্ষ ৰূপে পৰিগণিত হৈছিল আৰু তেখেতে দিয়া বিধানসমূহ নিভুৰ্ল আৰু অতি আইনসঙ্গত আছিল। অৱশ্যে এইটো কথা ঠিক যে তেখেত এই পদবীত অকণো সুখী হোৱা নাছিল, আৰু তেখেতৰ দৰে জ্ঞানী, গুণী, ত্যাগী, গতিশীল, আইনজ্ঞ ব্যক্তি এজনে মন্ত্ৰী সভাত ঠাই নোপোৱাটোত বহুতে আচৰিত মানিছিল। তেখেতৰ মনে-প্ৰাণে ভাল নলগাত এই পদ খালী কৰি দিয়াৰ কথা চিন্তা কৰি থাকোঁতে কালে ১৯৬৮ চনৰ ৯ মে তাৰিখে তেখেতৰ কৰ্মময় জীৱন-টোক নিজৰ শীতলি হাতত তুলি লৈ পৃথিৱীত তেখেতৰ স্থিতি খালী কৰি দিলে।

হৰেশ্বৰ গোস্বামীৰ মৃত্যুত অসমে এজন উচ্চ ন্যায়বিদ, এজন প্ৰথম শ্ৰেণীৰ মুক্তিযুঁজাৰু, এজন প্ৰসিদ্ধ ৰাজনীতিবিদ আৰু সমাজকৰ্মীক হেৰুৱালে। ছয়গাওঁবাসী গোস্বামীৰ মৃত্যু শোকত জৰ্জৰিত হৈ নিৰ্বাচনৰ যুঁজত হঠাতে তেখেতৰ পত্নী সত্যব্ৰতী গোস্বামীক থিয় কৰালে। প্ৰথমবাৰ পৰাজিত হ'ল যদিও দ্বিতীয়বাৰ নিৰ্বাচিত হৈ স্বামীৰ আদৰ্শ আগত ৰাখি জনতাৰ সেৱা কৰি গৈছিল। মৃত্যুৰ সময়ত গোসাঁনীয়ে দুজন যোগ্যৱান পুত্ৰ আৰু দুগৰাকী বিদুষী কন্যা এৰি থৈ গৈছে।

অৰুণ কুমাৰ চন্দ

কামিনী কুমাৰ চন্দৰ প্ৰবন্ধত অৰুণ কুমাৰ চন্দৰ গুণৱান পিতৃৰ বিষয়ে কিছু কথাৰ আভাস দিয়া হৈছে। বংশ আৰু পৰিৱেশ দুয়োটাই অৰুণ কুমাৰ চন্দৰ জীৱন মহীয়ান কৰাত প্ৰচুৰ সহায় কৰিছিল। জন্মৰ কালৰ পৰা অৰুণ কুমাৰে ৰূপৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰিছিল। চাৰিজন ককাই ভায়েকৰ ভিতৰত অৰুণ কুমাৰ চন্দই বিশেষ কৃতিত্ব দেখুৱাব পাৰিছিল। জন্মৰে পৰা পিতৃ-মাতৃৰ পৰা এজন স্বদেশপ্ৰেমী ব্যক্তি হবলৈ যিখিনিৰ প্ৰয়োজন অৰুণ কুমাৰে সকলোখিনিকে পাইছিল।

১৮৯৯ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে শিলচৰ চহৰৰ নিকতবৰ্তী তাৰাপুৰ গাৱঁত জন্ম হয়। অৰুণ কুমাৰ চন্দৰ জন্মৰ মাত্ৰ ৫ বছৰ পূৰ্বে, ১৮৯৪ চনত শিলচৰলৈ প্ৰথমে ৰেলগাড়ী আহে। তেতিয়া তেখেতসকলৰ তাৰাপুৰৰ ঘৰ-মাটি ৰেলৰ লাইনৰ ভিতৰত পৰাত শিলচৰৰ উকীল পট্টিলৈ উঠি আহে।

মোগলসকলৰ মানচৱদাৰী প্ৰথাৰ দৰে তেতিয়া কাছাৰত জমিদাৰী প্ৰথাৰ তাণ্ডৱলীলা চলিছিল। সৰুৰেপৰা জমিদাৰসকলে সাধাৰণ খেতিয়াক শ্ৰেণীৰ ওপৰত আৰু চাহবাগিচাৰ মালিকসকলে মজদুৰ শ্ৰেণীৰ ওপৰত কৰা অন্যায়-অবিচাৰবোৰ দেখি থাকি কোমল মনৰ অৰুণ কুমাৰৰ হৃদয়ত সময়ে সময়ে বিপ্লৱৰ ধুমুহা বৈছিল, আৰু ডাঙৰ হলে সিবোৰৰ প্ৰতিকাৰ কৰাৰ প্ৰতিজ্ঞা মনতে পুহি ৰাখিছিল।

অৰুণ কুমাৰ চন্দৰ বহুমুখী প্ৰতিভাৰ চানেকী তেখেতৰ ছাত্ৰাৱস্থাৰে পৰা প্ৰকট হৈ উঠিছিল। কবিতা লিখা আৰু আবৃত্তি

কৰা, গীত ৰচনা কৰি নিজে সুৰদি গোৱা, নাট-অভিনয় কৰা, বক্তৃতা দিয়া আদি নেতাৰ থাকিবলগীয়া বিশেষ গুণবোৰ অৰুণ কুমাৰৰ গাত আছিল। এই সদ্ গুণবোৰৰ লগত যোগ হৈছিল দুখীয়াৰ প্ৰতি থকা তেখেতৰ মানৱ-দৰদী হিয়া আৰু তদ্ৰূপ কৰ্মৰ আঁচনি। সমাজৰ দুখীয়া শ্ৰেণীটোক ধনীৰ কবলৰ পৰা কিদৰে উদ্ধাৰ কৰি তেওঁলোকক স্বাৱলম্বী কৰি তুলিব পাৰি সেইটো এটা তেখেতৰ প্ৰধান চিন্তা আছিল।

অৰুণ কুমাৰ চন্দৰ দৰে মেধাসম্পন্ন ছাত্ৰ সেই সময়ত কাছাৰ-শিলচৰত কমেই আছিল। অৰুণ কুমাৰে ১৯১৫ চনত শিলচৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পছ কৰে। তাৰ পিছত বঙ্গবাসী কলেজৰ পৰা ইংৰাজী বিষয়ত প্ৰথম শ্ৰেণীৰ অনাৰ্চ সহ বি. এ. পাছ কৰি 'অবিনাশ চন্দ্ৰ সোণৰ পদক' লাভ কৰে। পিতাকৰ ইচ্ছা আছিল অৰুণক যেনে তেনে বিলাতলৈ পঠাই বাৰিষ্টাৰ কৰি আনি আইন ব্যৱসায় ভালকৈ প্ৰতিষ্ঠা কৰিব। পিতৃৰ ইচ্ছা পূৰ্ণ কৰি ১৯২৯ চনত বাৰিষ্টাৰী পাছ কৰি আহিল আৰু চিঙাপুৰলৈ গৈ দুবছৰ ব্যৱসায়ী সস্থা এটাক আইন সম্পৰ্কীয় বিষয়ত সহায় কৰিসে। ইতিমধ্যে বাৰ্দ্ধক্যজনিত ৰোগত পিতৃ টান নৰিয়াত পৰাত ১৯৩১ চনত অৰুণ কুমাৰ ঘৰলৈ উভতি আহিবলৈ বাধ্য হ'ল। ভাৰতলৈ উভতি আহিয়েই চন্দ ৰাজনৈতিক আন্দোলনৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিল। লাহে লাহে নিজৰ আইন ব্যৱসায়ৰ কথা তল পৰিল আৰু স্বাধীনতা সংগ্ৰামৰ প্ৰতি বৰকৈ আকৃষ্ট হ'ল। অহৰ্নিশে চন্দৰ ওচৰৰ পৰা মানুহ নুগুচা হ'ল। অৰুণ কুমাৰৰ পিতৃ কামিনী কুমাৰ চন্দই কিদৰে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল তেখেতৰ নামৰ প্ৰবন্ধটোত কিছু উল্লেখ কৰা হৈছে। প্ৰকৃততে কামিনী কুমাৰ চন্দৰ ঘৰলৈ সৰ্বভাৰতীয় নেতাসকল দেশ স্বাধীন কৰা কামত আহি তেখেতৰ ঘৰত আলহী থাকি এটি আদৰ্শনীয় পৰিবেশৰ সৃষ্টি কৰিছিল। কাজেই পিতৃৰ

উৎসাহ আৰু আদৰ্শ, দেশৰ বাবে আত্মত্যাগৰ সুস্থ পৰিৱেশ আদিয়ে অৰুণ কুমাৰকো এগৰাকী সৰ্বভাৰতীয় নেতা হোৱাৰ বাটত বহু পৰিমাণে সহায় কৰিছিল।

শিক্ষা সম্পৰ্কত অৰুণ কুমাৰ চন্দৰ এটা নিজস্ব অভিমত আছিল। তেখেতৰ মতে শিক্ষাৰ উদ্দেশ্য প্ৰধানকৈ দুটা—প্ৰথমটো, বৈজ্ঞানিক যুক্তিৰে সত্যটোক সত্য মিছাটোক মিছা বুলি প্ৰমাণ কৰা। দ্বিতীয়তে সকলো সময়তে বিবেকৰ দ্বাৰা পৰিচালিত হোৱা। প্ৰাক্-স্বাধীনতা কালত শিলচৰ অঞ্চল শিক্ষাৰ ক্ষেত্ৰত বহুত পিছপৰা আছিল: গাওঁ অঞ্চলততো শিক্ষাৰ কোনো ব্যৱস্থাই নাছিল। সেই যুগৰ শিলচৰৰ শিক্ষাবিদ বিষ্ণুচৰণ দেৱ লগত লগ লাগি অৰুণ চন্দই শিলচৰত মহাবিদ্যালয় এখন পতাৰ কথা গভীৰভাৱে চিন্তা কৰিলে। তেখেতসকলৰ চেষ্টাক ফলৱতী কৰাৰ কাৰণে শিলচৰৰ স্বনামধন্য, বিদ্যোৎসাহী ব্যক্তি স্বৰ্গীয় কিৰণ শশীৰ পত্নীয়ে এক কালীন দহ হেজাৰ টকাৰ দান এটি আগবঢ়ালে। সেই সময়ত দহ হেজাৰ টকাৰ মূল্য কম নাছিল। যিয়েই নহওক সেইখিনিকে মূলধন হিচাপে লৈ ১৯৩৫ চনত শিলচৰত জি, চি, কলেজ (Guru Charan College) নাম দি এখন কলেজ স্থাপন কৰি অৰুণ কুমাৰ চন্দ বহু বছৰলৈকে তাৰ অবৈতনিক অধ্যক্ষ হিচাপে থাকি কলেজখনক এটি পূৰ্ণাঙ্গ ৰূপ দিবলৈ সক্ষম হ'ল। উল্লেখযোগ্য যে চন্দৰ আটাই-কেইজন ভায়েকেই সৰ্বভাৰতীয় উচ্চ বিষয়া।

অৰুণ কুমাৰ চন্দই আইন আৰু ৰাজনীতি দুয়োটাৰ লগতে সমানে লাগি থকাৰ উপৰিও ভাৰতীয় চাহ মজদুৰ, বিশেষকৈ শিলচৰ অঞ্চলৰ চাহ বনুৱাসকলৰ দুৰৱস্থা আঁতৰ কৰাৰ কাৰণে হাতে-কামে লাগিছিল। ইতিমধ্যে অৰুণ কুমাৰ চন্দৰ নেতৃত্বত অৰুণবণ্ড চাহ বাগিচাৰ মজদুৰসকলে তেওঁলোকৰ ন্যায্য দাবী পূৰণ কৰাৰ কাৰণে বিদ্ৰোহ আৰম্ভ কৰিছিল। অৰুণবণ্ড বাগিচাৰ মেনেজাৰ মিঃ কলোনেল এ, এস, বিভোয়ে মজদুৰ সকলৰ স্বাৰ্থৰ বীপৰিতে কাম

কৰাটো চন্দই মুঠেও ভাল পোৱা নাছিল। ইতিমধ্যে ক্ষীৰোদ চন্দ্ৰ দেৱৰ পৰলোক প্ৰাপ্তিৰ পিছত ১৯৩৭ চনত অৰুণ কুমাৰ চন্দ কংগ্ৰেছ বিধায়িনী দলৰ ডেপুটি নেতা হৈ অতি কম দিনৰ ভিতৰতে সুদক্ষ আৰু জনপ্ৰিয় নেতা হৈ উঠিল। সেই সময়ত দেৱেশ্বৰ শৰ্মা, ফখ্‌ৰুদ্দিন আলি আহমদ আদি অসম কংগ্ৰেছ বিধায়িনী দলৰ আগ-শাৰীৰ নেতা আছিল। ১৯৩৮ চনত চন্দ কাছাৰ জিলা বিধায়িনী দলৰ সভাপতি নিৰ্বাচিত হয়। ইতিমধ্যে ১৯৩৯ চনত কাছাৰৰ চাহমজদুৰসকলে বাগিচাৰ মালিকসকলে তেওঁলোকৰ প্ৰতি কৰা অন্যায় অবিচাৰৰ প্ৰতিবাদকল্পে বিদ্ৰোহ আৰম্ভ কৰিলে। অৰুণ কুমাৰৰ নেতৃত্বত চাহ বনুৱাৰ সমস্যাটোৱে ছাদুল্লা চাহাবৰ দলপতিত্বত গঠিত হোৱা সংযুক্ত মন্ত্ৰীসভাৰ দৃষ্টি আকৰ্ষণ কৰিলে। মন্ত্ৰীসভাই গোটেই সমস্যাটো তদন্ত কৰাব কাৰণে এটা আয়োগ গঠন কৰিলে। নকলেও হব যে অৰুণ কুমাৰ চন্দৰ নেতৃত্বত কাছাৰৰ চাহ বনুৱাসকলে একেৰাহে ৪০ দিন ধৰ্মঘট কৰি বাগিচাৰ মালিকসকলক তমোময় দেখুৱাইছিল। বিচাৰত আই, চি, এছ বিষয়া মিঃ কে, ঘোষ আৰু মিঃ বৈদ্যনাথ মুখাৰ্জীয়ে ভাৰতীয় চাহমালিকসকলৰ হৈ আৰু শ্ৰীদেবেশ্বৰ শৰ্মা আৰু অৰুণ কুমাৰ চন্দই চাহ বনুৱাসকলৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। ইংৰাজ প্ৰশাসনটোৱে উপায়ান্তৰ হৈ তদন্ত আয়োগটোকে বাজেয়াপ্ত কৰিলে।

১৯৩৯ চনত মধ্যকালীন নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সময়ত অৰুণ কুমাৰ চন্দই লোৱা ভূমিকা অতি তাৎপৰ্যপূৰ্ণ আৰু প্ৰশংসনীয় আছিল। চাহ বাগিচাৰ মজদুৰ মাজত চন্দ অতি জনপ্ৰিয় নাছিল, তেওঁলোকে চন্দৰ গুণ-কৰ্মৰ দ্বাৰা আকৃষ্ট হৈ তেখেতক 'অৰুণ-ৰাজা' বুলি মাতিছিল, তেখেতক সততে পদস্পৰ্শ কৰিহে শ্ৰদ্ধা জনাইছিল। আনকি কেবাবছৰো ধৰি চন্দ 'চিলেট-কাছাৰ চাহ-মজদুৰ সমিতিৰ সভাপতি আছিল।

কাছাৰ শিলচৰ অঞ্চলত যিটো সময়ত মুছলিম লীগৰ প্ৰভাৱত

শান্তি-সম্প্ৰীতি অটুট ৰখাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছিল ; সেই সময়তো অৰুণ কুমাৰ চন্দই মুছলিম লীগৰ নেতাসকলৰ দ্বাৰা আদৃত হৈছিল। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনত জঁপিয়াই পৰি অৰুণ কুমাৰ চন্দই শিলচৰ কাছাৰীৰ প্ৰাঙ্গণত ব্যক্তিগত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ বৰণ কৰি কাৰাবৰণ কৰিছিল। অৱশ্যে পিছত স্বাস্থ্য-জনিত কাৰণত তেখেত জেলৰ পৰা নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বে ওলাই আহে।

১৯৩৯ চনত ইংৰাজ চৰকাৰে দ্বিতীয় মহাসমৰৰ খৰচৰ বাবে পুঁজি সংগ্ৰহ কৰা আৰু ভাৰতীয়সকলক যুদ্ধত জড়িত কৰাৰ প্ৰস্তাৱ যেতিয়া বিধান সভাত উত্থাপিত হৈছিল, তেতিয়া চন্দই ঘোৰ প্ৰতিবাদ জনাইছিল। চন্দৰ প্ৰতিবাদৰ কথা ভাৰতবৰ্ষৰ মুখ্য সংবাদপত্ৰসমূহত বৰবৰ হৰফেৰে প্ৰকাশ পাইছিল। চন্দই এই দুৰ্দান্ত সাহসিক কাৰ্যৰ বাবে ভাৰতীয় নেতৃবৰ্গৰ প্ৰশংসা পোৱাৰ উপৰিও বৃদ্ধ হকেন হাৰ্ডলৰপৰা সন্মানসূচক প্ৰশংসা পাইছিল। শিলচৰ কলেজৰ অধ্যক্ষ দি. দত্তৰ বৰ্ণনাত পোৱা যায়, যে মিঃ চন্দই প্ৰতিবাদ জনোৱাৰ সময়ত মিচেচ্ হকেন হাৰ্ডল গেলেৰীত বহি আছিল। চন্দৰ যুক্তিতৰ্কত মোহিত হৈ চন্দলৈ এখন লেখা পঠাই কৈছিল যে তেখেতৰ বক্তৃতাটোৰ আনকি তেখেতৰ স্বামীয়েও উচ্চ প্ৰশংসা কৰিছিল।

চিলেট জেলত চন্দ কাৰাৰুদ্ধ হৈ থকা সময়ত তেতিয়াৰ অসমৰ মুখ্য সচিবৰ পত্নী মিচেচ্ ডেনি জেলৰ ভিতৰলৈ চন্দৰ খা-খবৰ কৰিবলৈ গৈছিল। এদিন মিচেচ্ ডেনিয়ে চন্দৰ কিবা অসুবিধা হৈছে নেকি বুলি সোধাত, চন্দই জেলত চিগাৰেট হুপিবলৈ পোৱা নাই বুলি কোৱাত, যদিও জেলৰ ভিতৰত চিগাৰেট খোৱাটো মনা আছিল ; মিচেচ্ ডেনিয়ে তেতিয়াৰপৰা চন্দলৈ নিয়মিতভাৱে চিগাৰেট পঠোৱাৰ ব্যৱস্থা কৰিছিল। সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী মিঃ ছাদুল্লা ডাঙৰীয়ায়ো জেললৈ গৈ চন্দৰ খা-খবৰ কৰিছিল। এনেবোৰ

সৌজন্যমূলক সাক্ষাৎকাৰৰ পৰা চন্দৰ বিশেষ ব্যক্তিত্বৰ পৰিচয় পোৱা যায়।

১৯৪৩ চনত চন্দ কেন্দ্ৰীয় বিধান সভালৈ অপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। এনেতে তেখেতৰ টান নৰিয়া হোৱাত সদনত উপস্থিত থাকিব পৰা নাছিল। শেষত এদিন ষ্ট্ৰেচাৰত তুলি তেখেতক সদনলৈ নিয়া হৈছিল আৰু সেইটোৱেই চন্দৰ ৰাজনৈতিক জীৱনৰ শেষ দিন আছিল।

ভাৰতৰ মুক্তি যুঁজত বিশিষ্ট অৰিহণা যোগোৱাৰ উপৰিও চন্দ একুৰি এটা জনহিতকৰ কাৰ্যত সক্ৰিয়ভাৱে জড়িত আছিল। তেখেত শিলচৰ টাউন বেঙ্কৰ সভাপতি আৰু শিলচৰ পৌৰ প্ৰশাসনৰো অপৰিহাৰ্য অঙ্গ স্বৰূপ আছিল। বহুমুখী প্ৰতিভাসম্পন্ন চন্দ এজন সুগায়ক আৰু সুঅভিনেতাও আছিল। এবাৰ চন্দক তেখেতৰ একালৰ ব্যক্তিগত চেক্ৰেটাৰী মিঃ অচিন্ত কুমাৰ ভট্টাচাৰ্যই সোণাইত অনুষ্ঠিত হোৱা সভা এখনলৈ বাছেৰে নিছিল। সভাত অৰুণ চন্দই মুক্তকণ্ঠে, সুললিত সুৰত এটি স্বৰচিত গান গালে—"এমন ধানের উপর ঢেউ খেলে যায় বাতাস কাহার দেশে।" তেখেতৰ গান শুনি সকলো মোহিত হৈছিল। দ্বিতীয়তে, সেই সভাত মুছলিম সম্প্ৰদায়ৰ লোকসকলে প্ৰথমে যোগ দিয়াৰ ইচ্ছা কৰা নাছিল। কিন্তু সভাত অৰুণ কুমাৰ চন্দই বক্তৃতা আৰম্ভ কৰাৰ লগে লগে হেজাৰ হেজাৰ মুছলিম্ শ্ৰোতাও আহি সভাস্থলী ভৰি পৰিল আৰু চন্দৰ ব্যক্তিত্ব আৰু মতানুভৱতাৰ প্ৰতি শ্ৰদ্ধা জনালে।

ৰাজনৈতিক আৰু সামাজিক কামত এনেদৰে ব্যস্ত থকাৰ উপৰিও কলাসংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে চন্দই নাটকত অভিনয় কৰিছিল। "বিৰিঞ্চিবাবা" নাটকত তেখেতে মুখ্য অভিনেতাৰ ভাও লৈ দৰ্শকৰ প্ৰশংসা লাভ কৰিছিল। চন্দ কেৱল কাছাৰ-শিলচৰৰে গৌৰৱ নাছিল, তেখেত অসম তথা ভাৰতৰো গৌৰৱ আছিল। নিষ্ঠুৰ কালে অকালতে চন্দক লৈ নোযোৱাহেঁতেন,

চন্দই ভাৰতৰ আগশাৰীৰ নেতাসকলৰ শাৰী পূৰাই থাকিলহেঁতেন!

অৰুণ কুমাৰ চন্দ আৰু তেখেতৰ পিতৃৰ অহোপুৰুষাৰ্থৰ ফলত শিলচৰে ৰাজনৈতিক, শৈক্ষিক অৰ্থনৈতিক তথা সাংস্কৃতিক দিশত অতি কম সময়ৰ ভিতৰতে যথেষ্ট আগবাঢ়িছে, তাত সন্দেহৰ অৱকাশ নাই। অৰুণ কুমাৰ চন্দৰ জীৱনৰ সবাতোকৈ উল্লেখযোগ্য কাম দুটাৰ প্ৰথমটো হৈছে চাহমজদুৰসকলক আৰু খেতিয়কসকলক বাগিচাৰ মালিক আৰু জমিদাৰসকলৰ কবলমুক্ত কৰা। দ্বিতীয়তো হৈছে—অসমত বসবাস কৰা হিন্দু-মুছলমানৰ মাজৰ ঐক্য-সংহতিৰ বান্ধটো অধিক শক্তিশালী কৰা। এই ক্ষেত্ৰত ধনিৰাম তালুকদাৰৰ লগত চন্দক ৰিজাব পাৰি। চন্দ স্বভাৱতে অমায়িক, সত্যবাদী, উদাৰ, প্ৰত্যুৎপন্নমতি আৰু যুক্তিবাদী আছিল। দুখীয়াৰ প্ৰতি তেখেতৰ প্ৰাণে সদায় কান্দিছিল। বহুতে ভবা মতে অত্যধিক পৰিশ্ৰমৰ ফলত, দেশ স্বাধীন হোৱাৰ প্ৰায় এশদিন পূৰ্বে—১৯৪৭ চনৰ ২৬ এপ্ৰিল তাৰিখে কলিকাতাত তেখেতৰ মৃত্যু ঘটে। স্বাধীনতাৰ দিনটোলৈ জীয়াই থকা হ'লে হয়তো শিলচৰৰ বিৰাট-জনতাৰ সম্মুখত সেই যুগৰ কাছাৰ-শিলচৰৰ সৰ্বশ্ৰেষ্ঠ ৰাজনৈতিক নেতা হিচাপে চন্দদেৱে ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰিলেহেঁতেন! তেখেতৰ অভাৱনীয় আৰু অকাল মৃত্যুত শিলচৰৰ ৰাইজে অন্তৰৰ গভীৰ শোক পাতলাবৰ কাৰণেই হয়তো তেখেতৰ সুযোগ্যা পত্নী জ্যোৎস্না চন্দক দিল্লীৰ লোকসভালৈ নিৰ্বাচন কৰি পঠাইছিল।

অৰুণ কুমাৰ চন্দৰ কীৰ্ত্তি যুগমীয়া কৰি ৰখাৰ কাৰণে শিলচৰত কেবাটাও অনুষ্ঠান পতা হৈছে। ইংৰাজ আমোলৰ কাছাৰৰ মুখ্য আয়ুক্ত 'কীটেঙ্গে'ৰ নামত স্থাপিত পুথিভঁৰালটো 'অৰুণ চন্দ্ৰ গ্ৰন্থগাৰ' হিচাপে নামাঙ্কিত কৰা হৈছে। গুৰুচৰণ কলেজৰ বিজ্ঞান বিভাগটো 'অৰুণ চন্দ চায়েন্স ব্লক' নামেৰে নামকৰণ কৰাৰ উপৰিও কাছাৰ জিলাৰ আইনৰ মুখাফুটা ব্যক্তি অৰুণ কুমাৰ চন্দৰ শোভনীয় আৰু স্মৰণীয় অনুষ্ঠান হিচাপে "অৰুণ কুমাৰ ল' কলেজ" স্থাপিত হৈছে।

ৰোহিণীকান্ত হাতীবৰুৱা

আনন্দৰাম বৰুৱা, অমূল্য বৰুৱা, জ্যোতিপ্ৰসাদ, গণেশ গগৈ, দীনেশ মিশ্ৰ প্ৰমুখ্যে অসম মাতৃৰ কেবাজনো কৃতী সন্তান অকালতে হেৰাইছে। সি সকলৰ ভিতৰত যোৰহাটৰ ৰোহিণীকান্ত হাতীবৰুৱাও এজন। আগৰ কেইগৰাকীৰ কোনোবাজন আছিল বিদগ্ধ সংস্কৃত পণ্ডিত, কোনোবাজন কবি, কোনোবাজন গায়ক গীতিকাৰ, কিন্তু ৰোহিণীকান্ত হাতীবৰুৱা আছিল হাড়ে-হিমজুৱে স্বদেশ প্ৰেমিক, মুক্তিযুঁজাৰু, ৰাজনীতিবিদ আৰু তেখেতৰ সময়ৰ এজন শ্ৰেষ্ঠ সংগঠক তথা সমাজকৰ্মী। ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, চিত্তৰঞ্জন দাস আৰু অসমৰ হেমচন্দ্ৰ বৰুৱা, তৰুণ ৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধি, কুলধৰ চলিহা, অমিয় কুমাৰ দাস, শঙ্কৰ বৰুৱা, হলধৰ ভূঞা আদিৰ লগত একেলগে মাৰ বান্ধি যুঁজা সংগ্ৰামী বীৰ। অতি কম বয়সতে হাতীবৰুৱাই সৰ্বভাৰতীয় নেতৃবৰ্গৰ আস্থাভাজন আৰু প্ৰিয়পাত্ৰ হৈ উঠিছিল। মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু চি, এফ, এণ্ড্ৰুৰ অন্তৰত প্ৰৱেশ কৰি অসমৰ বুকুৰপৰা কানি বৰবিহ নিৰ্মূল কৰাত অতন্দ্ৰ প্ৰহৰীৰ দৰে যুঁজি আছিল। মিঃ এণ্ড্ৰুজৰ সহায় আৰু ঐকান্তিক চেষ্টাৰ ফলত কানি তদন্ত আয়োগ গঠন কৰি তাৰ প্ৰতিবেদন জেনেভা সন্মিলনত উপস্থাপন কৰি ইংৰাজ চৰকাৰৰ বৰ্বৰোচিত আচৰণৰ কথা জগতত সদৰি কৰিছিল। মনলৈ আহে, যদিহে হাতীবৰুৱাই পূৰ্ণ আয়ুস লাভ কৰিলেহেঁতেন, কিজানি অসমৰ ৰাজনৈতিক ইতিহাসে অন্য ৰূপ ল'লেহেঁতেন!

ৰোহিণীকান্ত হাতীবৰুৱাৰ পিতৃৰ নাম গোলাপ কৰঙ্গ কৰতি

হাতীবৰুৱা আছিল যদিও তেখেত গোলাপচন্দ্ৰ হাতীবৰুৱা বুলিয়ে জনজাত আছিল। তেখেতৰ জ্যেষ্ঠ ভাতৃ ঘণকান্ত হাতীবৰুৱা আৰু কনিষ্ঠ ভাতৃ লক্ষ্মীকান্ত হাতীবৰুৱা। ৰোহিণীকান্ত হাতীবৰুৱাই মৰাণগাওঁ প্ৰাইমাৰী বিদ্যালয়তে প্ৰাথমিক শিক্ষা সাং কৰি চিনামৰা এম. ই স্কুলত পঢ়ে। তাৰ পিছত যোৰহাট চৰকাৰী হাইস্কুলৰপৰা ১৯১৫ চনত প্ৰতিভামূলক বৃত্তি সহ প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। অৱশ্যে প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শেহান্ত পৰীক্ষাতো হাতীবৰুৱাই বৃত্তি লাভ কৰিছিল। প্ৰৱেশিকা পাছ কৰাৰ পাছত গুৱাহাটীলৈ আহি কটন কলেজৰ আই, এছ, চি শ্ৰেণীত নাম ভৰ্ত্তি কৰে। তাতে অধ্যক্ষ চুড্‌মাৰ্চেন চাহাবৰ লগত তুমুল বাক্‌বিতণ্ডা কৰি দুমাহ-কাল চাচ্‌পেগুচনত থাকি, ম্যাদ উকলি যোৱাত পুনৰ কলেজত যোগ দি আই, এছ, চি পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত কটন কলেজৰ অসুস্থ পৰিবেশ এৰি কলিকতালৈ গৈ স্কটীচ্‌ চাৰ্চ কলেজত নাম ভৰ্ত্তি কৰে। ১৯১৯ চনত অৰ্থনীতি বিষয়ত অনাৰ্চ-সহ বি এ. পাছ কৰে। তাৰ পিছতে কলিকতাতে আইন শিক্ষা আৰম্ভ কৰিছিল যদিও কলিকতাত কলেৰা ৰোগে মহামাৰী ৰূপ ধাৰণ কৰাত পিতৃৰ নিৰ্দেশক্ৰমে ঘৰলৈ উভতি আহে। ঘৰতে বহি থাকি ভাল নলগাত এলাহবাদলৈ গৈ Practical Farmingৰ Training লয়। উল্লেখযোগ্য যে কৃষ্ণকান্ত সন্দিকৈদেৱৰ লগত আই, চি, এছ পৰীক্ষা দিয়াৰ কাৰণেও তেখেতে প্ৰস্তুতি চলাইছিল। শেষত সন্দিকৈদেৱে বাছনিৰপৰা নাম উঠাই ল'লে যদিও হাতীবৰুৱাই বাছনি পৰীক্ষা দি উত্তীৰ্ণ হৈছিল ; কিন্তু অজ্ঞাত কাৰণত আন এজন প্ৰাৰ্থীক নিৰ্বাচন কৰিবলগীয়া হোৱাত হাতীবৰুৱা বঞ্চিত হ'ল। তাৰ পিছতে তেখেত যোৰহাটলৈ উভতি আহি অসহযোগ আন্দোলনত যোগ দিলে। অৱশ্যে হাতীবৰুৱাই যদি আই, চি, এছৰ নিযুক্তি পালেহেঁতেন আৰু তাত যোগদান কৰিলেহেঁতেন অসমে এজন বৰণীয় মুক্তিযুঁজাৰু আৰু একনিষ্ঠ সমাজ সংস্কাৰক হেৰুৱালেহেঁতেন !

১৯২০ চনত কলিকতাত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। তাৰ পিছতে নবীনচন্দ্ৰ বৰদলৈদেৱৰ হাতীবৰুৱা অন্যতম্ সতীৰ্থ হৈ অসমতো কংগ্ৰেছ কমিটি এখন গঠন কৰে। অসহযোগ আন্দোলনৰ কাৰ্যসূচীত কানি নিবাৰণৰ কথাটোৱে বিশেষ অগ্ৰাধিকাৰ পাইছিল। ইংৰাজসকলে অসমত কানি ৰৰবিহৰ অতি লাভজনক ব্যৱসায় খুলি অসমীয়া জাতিটোক একেবাৰে পঙ্গু আৰু নিষ্কৰ্মা কৰিবলৈ বদ্ধ পৰিকল্প হৈছিল। গতিকে হাতীবৰুৱা প্ৰমুখ্যে কংগ্ৰেছী নেতা আৰু স্বেচ্ছাসেৱকসকলে সমগ্ৰ অসমতে, বিশেষকৈ উজনি অসমত কানি বৰ্জন কৰাৰ তীব্ৰ অভিযান চলাইছিল। চৰকাৰে এই অভিযানৰ নেতাসকলক ভালকৈ এনেকা দিয়াৰ কাৰণে সস্তম হৈ আছিল। তাৰ পৰিণতি স্বৰূপে নবীনচন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা, কুলধৰ চলিহা, পণ্ডিত কনক শৰ্মা, তৰুণ ৰাম ফুকন, ৰোহিণীকান্ত হাতীবৰুৱা প্ৰমুখ্যে বহুতো নেতাক গ্ৰেপ্তাৰ কৰিলে। আনকি চাহ বাগিচাৰ বনুৱা-সকলৰ মাজত কানি বৰ্জনৰ আন্দোলন চলোৱাৰ কাৰণে চাহাব-বোৰে হাতীবৰুৱাক হত্যা কৰাৰো ষড়যন্ত্ৰ কৰিছিল। এই প্ৰসঙ্গত ১৯২৬ চনত মহাত্মা গান্ধীয়ে হাতীবৰুৱাৰ কাৰ্যৰ উচ্চ প্ৰশংসা কৰি কৈছিল—"ভগৱানে আপোনাক কানি ৰৰবিহ নিৰ্মূল কৰিবলৈ পঠাইছে, গতিকে আপুনি এই ৰৰবিহ নিৰ্মূল কৰিবই লাগিব।"

১৯২৪ চনত জেনেভা সম্মিলনলৈ কংগ্ৰেছৰ প্ৰতিনিধি দল এটি পঠিওৱাৰ সিদ্ধান্ত হয়। অসমৰ পৰা হাতীবৰুৱা গৈ অসমৰ বৃটিছ-সকলে কানি ৰৰবিহৰ প্ৰচলন কৰা আৰু তাৰ ফলত হোৱা মাৰাত্মক অন্যায়ৰ তথ্য-পাতি পেচ কৰাৰ ব্যৱস্থা কৰে। ৰোহিণীকান্ত হাতী-বৰুৱা সেই সময়ত অসম কংগ্ৰেছৰ সম্পাদক থকাৰ উপৰি কানি নিবাৰণ সমিতিৰো সম্পাদক আছিল। ভাৰতৰ বন্ধু, অসমৰ বিশিষ্ট বন্ধু চি, এফ, এন্ড্ৰুজ অসমলৈ আহি কানিৰ বিষয়ে সম্পূৰ্ণ তদন্ত কৰাৰ লগতে প্ৰতিবেদন দাখিল কৰাৰ গুৰু দায়িত্ব হাতী-

বৰুৱাৰ ওপৰতে ন্যস্ত কৰিছিল। হাতীবৰুৱাই এবছৰ ধৰি অবৰ্ণনীয় পৰিশ্ৰম কৰি, নানা ঘাট-প্ৰতিঘাটৰ সন্মুখীন হৈ তথ্য-পাতি সংগ্ৰহ কৰিছিল। এই কাৰ্য সম্পাদন কৰোঁতে হাতীবৰুৱাই কেবাবাৰো পুলিছৰ হাতত নিৰ্যাতন ভুগিব লগীয়াত পৰিছিল। আনকি এবাৰ কেইজনমান পুলিছে তদন্তৰ ৰিপোৰ্ট থকা চুটকেচ্‌টো জোৰ জুলুম কৰি কাঢ়ি নিয়াত হাতীবৰুৱাই পুলিছৰ লগত সমানে যুঁজ কৰি বাকছ্‌টো উদ্ধাৰ কৰিছিল।

ৰোহিণীকান্ত হাতীবৰুৱাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ উত্তৰোত্তৰ উন্নতি কামনা কৰাৰ লগতে, অসমৰ কংগ্ৰেছ সংগঠনটোকো শক্তিশালী কৰাৰ চেষ্টা কৰিছিল। ১৯২২ চনৰপৰা মৃত্যুৰ সময়লৈকে (১৯২৮) হাতীবৰুৱা অসম কংগ্ৰেছৰ সম্পাদক আছিল। তদুপৰি আসাম লেজিচলেটিভ কাউন্সিলৰ নিৰ্বাচিত সদস্য হিচাপে ৰাইজৰ সেৱা কৰিছিল। তেখেত প্ৰায়েই কলিকতালৈ গৈছিল। এবাৰ এ, এছ, এল ক্লাবত 'ছাত্ৰৰ কৰ্তব্য' সম্পৰ্কে দীঘলীয়া বক্তৃতা এটি দিছিল; মাজে সময়ে লিখিত ভাষণো পাঠ কৰিছিল। সেই বছৰতে ডিচেম্বৰ মাহত দুয়োজন ককাই-ভাইক (ঘনকান্ত আৰু লক্ষ্মীকান্ত হাতীবৰুৱা) লগত লৈ কানপুৰ কংগ্ৰেছ মহাসভালৈ গৈছিল। উল্লেখ কৰিব পাৰি যে উক্ত দুয়োজন ককাই-ভাই ইংৰাজ কোম্পানীৰ বাগিচাত কাম কৰিও ৰোহিণী হাতীবৰুৱাৰ প্ৰভাৱত পৰি আন্দোলনত যোগ দিছিল। তেতিয়া কানপুৰ অধিৱেশনৰ সভানেত্ৰী আছিল সৰোজিনী নাইডু। এই অধিৱেশনতে তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, কৃষ্ণনাথ শৰ্মা আৰু হাতীবৰুৱাই পৰৱৰ্তী অধিবেশন (১৯২৬) অসমলৈ (পাণ্ডু) নিমন্ত্ৰণ কৰিছিল। হাতীবৰুৱা ছি, এফ, এণ্ড্ৰুজ আৰু বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰিয়পাত্ৰ আছিল আৰু কংগ্ৰেছৰ কামত কলিকতা, মাদ্ৰাজ, দিল্লী, এলাহবাদ য'লৈকে নাযাওক কিয় বাটত শান্তিনিকেতনত আলহী থাকিছিল। অসম সম্পৰ্কীয় বিশেষ প্ৰয়োজনীয় কথা থাকিলে তেতিয়াৰ গবৰ্ণৰ জেনেৰেল

মিঃ মৰ্লিৰ গলত আলোচনা কৰিছিল।

পাণ্ডু কংগ্ৰেছ অধিৱেশনৰ আদৰণি সভাৰ ফুকন সভাপতি, কুশধৰ চলিহা, প্ৰসন্নকুমাৰ বৰুৱা, চন্দ্ৰধৰ বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, উমাচৰণ সেন, নাগৰমল আগৰৱালা, আৰু মৌলানা ফজলুৰ আলি উপ-সভাপতি আছিল। ইয়াৰ সাধাৰণ সম্পাদক আছিল কৰ্মবীৰ বৰদলৈ আৰু সহকাৰী সম্পাদকসকল আছিল—ৰোহিণীকান্ত হাতীবৰুৱা, গোপীনাথ বৰদলৈ মোঃ তৈয়বউল্লা আদি। কংগ্ৰেছ সভা সুকলমে সম্পাদিত হ'ল; কিন্তু ফুকনকে মুখ্য কৰি উদ্যোক্তা-সকলে ধাৰৰ বোজা বহুদিনলৈকে বব লগাত পৰিছিল। ৰোহিণীকান্ত হাতীবৰুৱাৰ ত্যাগ আৰু জনপ্ৰিয়তাৰ কথা অসমৰ বাইজে ভালদৰে জানিছিল; সেয়েহে ১৯২৮ চনৰ কাউন্সিলৰ নিৰ্বাচনৰ সময়ত অসমৰ অন্যতম্ শ্ৰেষ্ঠ ধনী চাহ খেতিয়াক শিৱপ্ৰসাদ বৰুৱাক বিপুল সংখ্যাধিক্য ভোটত তেখেতে পৰাজয় কৰিব পৰিছিল।

১৯১৮ চনৰ ১৫ আগষ্টৰ দিনা লব্ধপ্ৰতিষ্ঠ কবি-সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ তৃতীয় কন্যা শান্তি প্ৰভাক বিয়া কৰাইছিল। শান্তি প্ৰভাক অন্তঃস্বত্তা অৱস্থাতে এৰি থৈ ১৯২৯ চনৰ অক্টোবৰ মাহত মাত্ৰ ৩৩ বছৰ বয়সতে তেখেতে অকস্মাৎ গুৱাহাটীৰ সিদ্ধেশ্বৰ গোহাঁইৰ ঘৰত মৃত্যু বৰণ কৰে। স্মৰণযোগ্য যে তেখেতৰ মুখাগ্নি তৰুণৰাম ফুকন ডাঙৰীয়াই কৰিছিল। এনেহেন এজন কৰ্মবীৰৰ অকাল মৃত্যুত অসম তথা ভাৰতবৰ্ষৰ অপূৰণীয় ক্ষতি হৈছে!

ৰোহিণীকান্ত হাতীবৰুৱাই নিয়মিতভাৱে দিনপঞ্জী লিখাৰ প্ৰমাণ পোৱা যায়। তেখেতৰ কৰ্মব্যস্ত জীৱনৰ বিষয়ে জানিবলৈ হ'লে, দিনপঞ্জীবোৰ অতি মূল্যৱান। ১৯২৫ চনৰ দিনপঞ্জীৰ কিছু কথাৰ মাজেদি সেই সময়ৰ ৰাজনৈতিক ইতিহাসৰ বহুতো প্ৰামাণিক সম্বল পোৱা যায়।

জানুৱাৰী ১ মাদ্ৰাজৰ পৰা কলিকতালৈ আহি ৬।৩ এই দুদিন

জিৰণি। ৫ তাৰিখে Opium Report type কৰিবলৈ দিওঁ। ৮ তাৰিখে সুৰেন্দ্ৰ বুঢ়াগোহাঁইৰ লগত শান্তিনিকেতনলৈ আৰু C. F. Ardrews ৰ লগত evidence report লিখো। ১২ তাৰিখলৈ C. F. A. ৰ লগত থাকি কাম সমাপ্ত কৰো।

১৫ তাৰিখে C. F. A আৰু মই কলিকতালৈ যাওঁ, ২০ তাৰিখে জামছেদপুৰলৈ যাওঁ। ২১ তাৰিখে মিঃ মেধিৰ পৰা টকা ১০০ লৈ কলিকতা পাওঁহি। ২৪ তাৰিখে দিল্লীলৈ যাত্ৰা কৰে। ২৫ তাৰিখে এলাহবাদত মিঃ এন্দ্ৰুজক লগ পাওঁ, ২৬ তাৰিখে Legislative Assembly চাওঁ আৰু মিঃ গবৰ্ণৰ জেনেৰেলৰ লগত অসমৰ বিষয়ে কথা পাতো। ২৭ তাৰিখে দিল্লীৰ প্ৰাচীন কীৰ্তিবোৰ চাওঁ। সেইদিনাই পুনৰাই গান্ধীজীৰ লগত কথা পাতো আৰু অসমলৈ আহিবলৈ নিমন্ত্ৰণ জনাওঁ। সেইদিনাই জৱাহৰলাল নেহৰুৰ লগত কথা পাতো আৰু Opium report ৰ বিষয়ে আলোচনা কৰো। ৩০ তাৰিখে এন্দ্ৰুজৰ লগত কথা পাতো আৰু তেখেতে ১৪ ফেব্ৰুৱাৰীত অসমলৈ অহাৰ সিদ্ধান্ত লয়। তেতিয়াই সকলো A. P. C. C. ৰ সভ্যক অভ্যৰ্থনাৰ বাবে দিহা কৰিবলৈ কওঁ।

ফেব্ৰুৱাৰী ২ দিল্লীৰ পৰা মাদ্ৰাজলৈ আহি তাজমহল আদি চাওঁ। ৭ তাৰিখে কলিকতাত থাকি ঘূৰি আহো, ১২ তাৰিখে যোৰহাট পাই কাউন্সিলৰ কামত ব্যস্ত থাকো। ১৪ তাৰিখে গুৱাহাটী পাওঁগে। তাৰ পাছত নগাঁৱলৈ আহি ১৫ তাৰিখে A. P. C. C. ৰ মিটিঙত যোগ দিওঁ। ১৯ তাৰিখলৈ ঘৰত নানা কামত ব্যস্ত থাকোঁ। ২০ তাৰিখে জাঁজীৰ ভ্ৰমৰ শইকীয়াৰ ঘৰত থাকো আৰু নানা আলোচনা কৰো, পুলিচৰ কাৰ্যকলাপৰ বিষয়ে ৰাইজক সোধোঁ। তাৰ পিছত মাজুলীত কেইদিনমান ভ্ৰমণ কৰো। ২৬ তাৰিখে শ্ৰীমেধিৰ পৰা টকা ১০০ পাওঁ।

মাৰ্চ্চ ২ তাৰিখে কাউন্সিলৰ মিটিঙত যোগ দিওঁ, ৩ তাৰিখে ১০০ টকা T.A. পাওঁ, ৭ তাৰিখে কাউন্সিলত Court fees আৰু

Stamp bill পাছ হয়। ১২ তাৰিখে মোৰ budget বক্তৃতাটো আলোচনা হয়, ১৯ তাৰিখে spinning ৰ ওপৰত দিয়া প্ৰস্তাব defeat হয়, ২২ তাৰিখে চিলঙৰ পৰা কাউন্সিল শেষ কৰি আহো আৰু ঘৰত থাকোঁগৈ।

এপ্ৰিল ৪ তাৰিখলৈকে ঘৰত থাকো; ২২ তাৰিখে এন্দ্ৰুজক লগ কৰো, ৪ (?=২৪) তাৰিখে এন্দ্ৰুজক লৈ যোৰহাট পাওঁহি, সেইদিনাই যোৰহাটত ১১ বজাত বক্তৃতা দিয়ে। তাৰ পাছত বনমালি বাগিছা আদিত তেখেতৰ লগত ঘূৰো, ২৯ তাৰিখে বনমালিত Assam Opium Committee ৰ মিটিং বহে।

মেঃ—১ মেৰ দিনা ৰৰষুণৰ মাজতে বনমালি বাগিছাৰ পৰা কানি কমিটিৰ সাক্ষ্য লৈ এন্দ্ৰুজ খোজ কাঢ়িয়েই ষ্টেচনলৈ আহে। তিনিচুকিয়াত কিছুমান ৰেলৱে পুলিছক শাৰী পতা দেখা যায়। এটা বাকছ্ পুলিছে আঁতৰাই নিয়াৰ পৰাই এই ঘটনা ঘটে। Polic S. I. জনে মোক আঘাত কৰাত ময়ো মাৰো। ২ তাৰিখে এন্দ্ৰুজৰ সৈতে ৰজনী বৰুৱাৰ ঘৰত থাকো। ১০ তাৰিখে এন্দ্ৰুজৰ সৈতে যোৰহাটত ফটো লওঁ। ১৩ তাৰিখে তিনিচুকিয়ালৈ গৈ ডিব্ৰুগড়ৰ S. P. ক লগ ধৰি আগৰ ঘটনাৰ কথা কোৱা হয়। ২১ তাৰিখে C. F. A ৰ লগত কলিকতালৈ যাওঁগৈ আৰু তাত বেজবৰুৱাৰ ঘৰত থাকো। ২৪ তাৰিখে বেজবৰুৱা, ফুকন, নবীন বৰদলৈৰ সৈতে মহাত্মাক লগ ধৰি অসমলৈ অহাৰ বিষয়ে আলোচনা কৰো। ৩০ তাৰিখলৈ কলিকতাত থাকি ৩১ তাৰিখে গুৱাহাটী-মুখে ৰাওনা কৰো।

জুন: ৩ তাৰিখে ফুকনৰ ঘৰত থাকি, এখন মিটিং পাতি গান্ধীজীৰ অভ্যৰ্থনাৰ্থে এখন কমিটি গঠন কৰা হয়। তাৰ পাছত যোৰহাটলৈ যাওঁ। ৬ তাৰিখে যোৰহাটত এখন মিটিং পাতি গান্ধীজীৰ অভ্যৰ্থনাৰ্থে সকলো বুজাই কোৱা হয়। ১৪ তাৰিখে সকলো ঠিক কৰি কলিকতালৈ যাত্ৰা কৰো। ১৬ তাৰিখে

লালমণিহাটত C. R. Das ৰ মৃত্যুৰ বাতৰি পাওঁ। ১৯ তাৰিখে কলিকতাত থাকোঁতেই মই লণ্ডনলৈ যোৱাৰ বিষয়ে চিন্তা কৰি D. C. লৈ Passport ৰ বাবে লিখো। ইতিমধ্যে শ্ৰীঅমিয় কুমাৰ দাসৰ পৰা C. R. Das ৰ মৃত্যু শোভাযাত্ৰৰ (? শৱ যাত্ৰা) বৰ্ণনা খুজি দিয়া wire খন পাওঁ। ১২ তাৰিখে যতীন দুৱৰাৰ লগত কটাওঁ। ২৪ তাৰিখে গান্ধীজীক লগ ধৰো। তেখেতে ডিচেম্বৰত অসম ভ্ৰমণ কৰিব বুলি কৈ এটি বাণী দিয়ে। ২৫ তাৰিখে লক্ষ্মীধৰ শৰ্মাৰ হাতত মহাত্মাৰ বাণীটো অসমলৈ পঠাওঁ আৰু অমিয় কুমাৰ দাসলৈ এখন চিঠি দিওঁ।

জুলাই: .লা জুলাইৰ দিনা শান্তিনিকেতনত থাকোঁতেই অসমীয়া কাকতৰ জৰিয়তে জানিলোঁ যে মোৰ ওপৰত হোৱা মোকৰ্দ্দমা উঠাই লৈছে। ৯ তাৰিখলৈ শান্তিনিকেতনত থাকোঁ, ৬ তাৰিখে এন্দ্ৰুজক লগ পাওঁ। সেইদিনা কিছু কাগজ-পত্ৰ পঢ়ি ৰাচিয়াৰ বিষয়ে জনায়। ১২ তাৰিখে ছিলং পাওঁহি, ১৩ তাৰিখে প্ৰাইমাৰী শিক্ষাৰ বাবে তোলা ৬ লাখ টকাৰ প্ৰস্তাৱ পৰাজয় হয়, ১৬ তাৰিখে ফুকন ছিলঙলৈ আহি ভৱিষ্যৎ কৰ্ম্মপন্থাৰ বিষয়ে আলোচনা কৰে। ১৭ তাৰিখে কংগ্ৰেছ পাৰ্টিৰ এটা Policy ঠিক কৰা হয়। তাৰ পাছত ছিলঙৰ পৰা আহি হেমবৰুৱাৰ লগত ১৯ তাৰিখৰ দিনটো কটাওঁ। ২০ তাৰিখে কলিকতালৈ যাওঁ। ২২ তাৰিখে কলিকতাত অসম স্বৰাজ্য পাৰ্টিৰ এখন Mrnifesto তৈয়াৰ কৰো। ২৪ তাৰিখৰ পৰা এন্দ্ৰুজৰ লগত শান্তিনিকেতনত থাকি Excise Report আৰু Bathani Report draft কৰো। লগে লগে মই England লৈ যোৱাৰ বিষয়ে কথা পাতো। ৩০ তাৰিখে কলিকতালৈ ঘূৰোঁ।

আগষ্ট: ৩ তাৰিখে কলিকতাৰ Art Press ত Opium Enquiry Committee ৰ Report print কৰিবলৈ দিওঁ, ১৬ তাৰিখে A. S. L Club ৰ বাৰ্ষিক অধিবেশন বহে। বেমাৰী

গাৰেই গৈ 'Duties of the Students ৰ বিষয়ে বক্তৃতা দিওঁ। ১৯ তাৰিখে শ্ৰীমহাদেৱ শৰ্মাৰ লগত কাউন্সিলৰ বিষয়ে নানা আলোচনা কৰো। ৩১ তাৰিখে শ্ৰীশঙ্কৰ বৰুৱাৰ লগত কথা পাতো। সেইদিনাই বৰুৱা অসমলৈ আহে।

চেপ্তেম্বৰ: ৫ তাৰিখে ছিলং অভিমুখে যাত্ৰা কৰো। ৮ তাৰিখে Settlement of Waste Landৰ ওপৰত এটা resolution Councilত দিওঁ, ৯ তাৰিখে Resolution টোৰ সপক্ষে ২৭ টা আৰু বিপক্ষে ১২ টা (ভোট) হোৱাত গৃহীত হয়। সেইদিনাই বেমাৰ পৰি ১২ তাৰিখ পৰ্যন্ত পাটীত পৰো। ১৪ তাৰিখে কলিকতালৈ যাত্ৰা কৰো। ১৬ তাৰিখে এণ্ড্ৰুজক লগ ধৰো; ১৯ তাৰিখে ঘৰ পাওঁহি।

অক্টোবৰ: ১৭ তাৰিখে মাছ মৰাত ব্যস্ত থাকো। ২০ তাৰিখে মেলেঙলৈ যাওঁ আৰু তাত বানপানীয়ে নষ্ট কৰা ঠাইবোৰ চাওঁগৈ। ২৬ তাৰিখে Opium Report খন ছাপা হৈ, পাৰ্চেল হৈ আহে।

নবেম্বৰ: ৩ তাৰিখে গুৱাহাটী পাওঁগৈ। ৪ তাৰিখে ফুকনক লগ ধৰি ৰায়চৌধুৰীৰ ঘৰত থাকোগৈ। তাৰ পাছত বাণী কাকতীক লগ ধৰো। গুৱাহাটীত Report খন বিক্ৰী কৰো। ৫ তাৰিখে নিউ প্ৰেছত অমিয় কুমাৰ দাসক লগ ধৰো। তাৰ পাছত গুৱাহাটীৰ D. C. Cৰ পুনৰ সংগঠনৰ বাবে বহা সভাত যোগ দিওঁ। ৬ তাৰিখে মিঃ বি. মেথিৰ পৰা টকা ২০ টা লৈ ধুবুৰীলৈ যাওঁ আৰু কংগ্ৰেছ কৰ্মীৰ সভাত যোগ দিওঁ। শ্ৰীপ্ৰমথ চৌধুৰীয়ে কংগ্ৰেছত যোগ দিয়াৰ বিষয়ে আলোচনা কৰো। ১০ তাৰিখে গৌৰীপুৰলৈ গৈ Organising Committee গঠন কৰো। ১৫ তাৰিখে যোগেন নাথক লগ ধৰি কথা হওঁ। তাৰ পাছত মঙ্গলদৈলৈ যাওঁ আৰু কুমুদৰাম বৰাৰ ঘৰত থাকো। ২১ তাৰিখে কংগ্ৰেছ কৰ্মীৰ সভা হয়। ২৩ তাৰিখে তেজপুৰেদি আহি জখলাবন্ধা পালোহি। ২৫ তাৰিখলৈ জখলাবন্ধাত থাকি বিজাৰ্ড চাওঁ। ২৬ তাৰিখে নগাওঁৰ

উমা গোহাঁইৰ ঘৰত থাকোগৈ। ২৭ তাৰিখে শ্ৰীহলধৰ ভূঞাক লগ ধৰো, ২৮ তাৰিখে গুৱাহাটী পাওঁগৈ, ৩০ তাৰিখে যোৰহাটলৈ আহো।

ডিচেম্বৰ: ২ তাৰিখে S. K. Bezbarua আৰু C. K. Bezbaruaৰ পৰা ৭৫ টকা লওঁ। ৮ তাৰিখে সাহিত্য সভাত যোগ দিবলৈ শিৱসাগৰলৈ যাওঁ। ১০ তাৰিখে ফটিক গগৈ, হেম গোসাঁই আদিক লগ ধৰো। ১৮ তাৰিখে যোৰহাটত A. P. C. C. আৰু যোৰহাট D. C. C.ৰ মিটিং বহে আৰু delegate মনোনীত কৰা হয়। ২০ তাৰিখে কানপুৰৰ মহাসভাত যোগ দিবলৈ যাত্ৰা কৰো।

এইজনেই আছিল ৰোহিণীকান্ত হাতীবৰুৱা যিজনে নিজৰ দেহৰ প্ৰতি, ঘৰ সংসাৰৰ প্ৰতি অকণো নাভাবি দেশৰ কামত দিনে নিশাই ঘূৰি ফুৰিছিল; যাৰ ফলত অসম কংগ্ৰেছ সংগঠনটো বেচ শক্তিশালী হৈ উঠিছিল।

তেখেতে আন এটি মহৎ কাম কৰিছিল, যিটোৰ দ্বাৰা অসমৰ প্ৰকৃত সমস্যাবোৰ মহাত্মাগান্ধী প্ৰমুখ্যে দেশৰ বৰেণ্য নেতাসকলৰ আগত স্পষ্টকৈ দাঙি ধৰি সেইবোৰৰ সমাধানৰ সূত্ৰ বিচাৰি উলিয়াব পাৰিছিল।

নৰনাৰায়ণ গোস্বামী

'নৰনাৰায়ণ গোস্বামী' অসমৰ ৰাজনৈতিক ইতিহাসত এটি উপেক্ষিত নাম। যি গৰাকী পৰম গান্ধীবাদী নেতাৰ প্ৰাণে ১৯২১ চনত কটন কলেজত পঢ়ি থাকোঁতেই দেশৰ কাৰণে কান্দি উঠাত কলেজ এৰি কংগ্ৰেছৰ স্বেচ্ছাসেৱী হৈ অলো-তলোকৈ ঘূৰি ফুৰিছিল ; ১৯৩০, ১৯৩১, ১৯৪১, ১৯৪২ চনত অন্ততঃ দুবছৰতকৈও অধিককাল, তাৰো অধিকাংশ সশ্ৰম কাৰাবাস ভুগিছিল, উকীল হৈও অপৰাধী বুলি জনাৰ পিছত তেনে লোকৰ হৈ ওকালতি নকৰিছিল, সামান্য ফিজ্ লৈ, বা কেতিয়াবা মুঠেও নোলোৱাকৈ তৃথীয়া শ্ৰেণীৰ লোকৰ হৈ ওকালতি কৰিছিল, ১৯৫২ চনত নিজ সমষ্টিৰপৰা বিপুল সংখ্যাধিক্য ভোটত জয়লাভ কৰি অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হৈছিল, সেই গৰাকী ব্যক্তিক অসমৰ, ৰাজনৈতিক ইতিহাসত প্ৰাপ্য সন্মান জনোৱা নহ'ল যেন লাগে। অৱশ্যে কেন্দ্ৰীয় চৰকাৰৰপৰা তাম্ৰপত্ৰ আৰু স্বতন্ত্ৰ মুক্তিযুঁজাৰুৰ সন্মান সূচক তিনিশটকীয়া পেঞ্চনটো পাইছিল! ক্ষমতাৰ প্ৰতি কোনোদিনে লোভ নথকা গোস্বামীদেৱে জীৱনৰ চাৰিকুৰি তিনিটা বছৰ আইন চৰ্চা, দেশসেৱা, সমাজসেৱা, ধৰ্ম আৰু সাহিত্য চৰ্চা কৰি ১৯৮৫ চনৰ ১ এপ্ৰিল তাৰিখে গুৱাহাটীৰ মণিপুৰী বস্তীৰ নিজা বাসভৱনত ইহলীলা সম্বৰণ কৰে। অৱশ্যে গীতাধৰ্মী গোস্বামীদেৱৰ কাৰণে সুখ-দুখ সমতুল্য হোৱাৰ দৰে জীৱনত পোৱা-নোপোৱাৰো মূল্য একে আছিল। তেখেতৰ মৃত্যুৰ প্ৰায় এবছৰ পূৰ্বে পত্নী জানকী প্ৰিয়াৰ পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তিনিজন সুযোগ্য পুত্ৰ যতীন, দেৱেন,

বিজয় আৰু তিনিগৰাকী সুশীলা কন্যা—চন্দ্ৰপ্ৰভা আৰু সৰোজ আৰু নালিমাক এৰি থৈ গৈছে।

অবিভক্ত কামৰূপ জিলাৰ; পটাচাৰকুছিৰ অন্তৰ্গত মুগুৰীয়া এখনি সৰু গাওঁ। তাতেই দামোদৰীয়া মুগুৰীয়া সত্ৰ। সেই সত্ৰৰে পুৰুষানুক্ৰমে চলি অহা অধিকাৰ, পৰম ধাৰ্মিক আৰু বিদ্যানুৰাগী গোসাঁই আত্মৰাম দেৱগোস্বামী। তেখেতৰ পৰম ধাৰ্মিকা সহধৰ্মিনী মধুপ্ৰিয়াৰ একেধাৰে চাৰিজনী কন্যা বস্তুৰ জন্ম। পুত্ৰ সন্তান এটি পোৱাৰ কাৰণে ভৱানী-ভগৱতীৰ চৰণত সকাতৰে প্ৰণতি জনাইছিল; যদিহে পুত্ৰ সন্তান এটি লাভ কৰে ভগৱতীক এহাল ম'হ বলি দি পূজা কৰিব। মনোবাঞ্ছা পূৰ্ণ হ'ল। ১৯০২ চনৰ ২ নবেম্বৰ তাৰিখে মধুপ্ৰিয়া দেৱীৰ গৰ্ভত পঞ্চম সন্তানটি নৰনাৰায়ণ গোস্বামীদেৱৰ জন্ম হ'ল। পুত্ৰৰ নামকৰণৰ দিনা হেনো বৰপেটাৰ-পৰা ভাড়ে-পাঁচিয়ে মাছ-কাছ আনি অঞ্চলবাসীক সিধা-অন্ন দান কৰিছিল। সময়ত ভগৱতীৰ নিৰ্মালি স্বৰূপ নৰনাৰায়ণ গোস্বামী জনা-বুজা হ'ল, ডাঙৰ হ'ল, জীৱহিংসা পাপৰ প্ৰতি ঘৃণা জন্মিল; মহাপুৰুষ দামোদৰদেৱে প্ৰতিজ্ঞা কৰাৰ দৰে "মোৰ গ'ল ওপৰ, বলিৰ গ'ল তল," নৰনাৰায়ণ গোস্বামীদেৱেও উপাস্য ভগৱতীৰ পূজাৰ উপচাৰৰ পৰা বলি-বিধান নিষেধ কৰিলে; দেৱী ভগৱতীক পৰম-বৈষ্ণৱী ৰূপত উপাসনা কৰাৰ আদৰ্শ স্থাপন কৰিলে।

নৰনাৰায়ণ গোস্বামীৰ ডেৰ বছৰ বয়সতে মাকে অবাল শিশুটিক দলনিত পোনা মেলাদি এৰি থৈ সিপুৰীলৈ গুচি গৈছিল। পিতৃ আত্মাৰামে দ্বিতীয় দাৰ পৰিগ্ৰহণ কৰিলে। সময়ত দ্বিতীয় পত্নীৰো পাঁচজন পুত্ৰৰ জন্ম হ'ল। কিন্তু 'তেজীমলা'ৰ কাহিনীক অপ্ৰচলিত কৰি নৰনাৰায়ণে বিমাতাৰপৰা বুকুভৰা মৰম পালে; তেখেতেও বিমাতাক আপোন মাতৃজ্ঞান কৰিলে, আৰু বিমাতাৰ সন্তানসকলকো সহোদৰৰ প্ৰেমেৰে আঁকোৱালি ল'লে।

জন্ম আৰু পৰিৱেশ দুয়োটাই নৰনাৰায়ণ গোস্বামীৰ ভৱিষ্যতৰ

সুন্দৰ আৰু পবিত্ৰ জীৱনটোৰ কাৰণে অনুকূল আছিল। তেখেতৰ পিতৃদেৱ সেই মুকুলৰ এজন মূৰব্বী লোক আছিল। তেখেতে সকলোৰে পৰা অকৃত্ৰিম শ্ৰদ্ধা-ভক্তি পাইছিল। গাৱঁত স্কুল, নামঘৰ বা তেনে কোনো ৰাজহুৱা অনুষ্ঠান নথকাত, গোস্বামীৰ ঘৰখনে গাওঁখনৰ সভাস্থলী, ধৰ্মস্থলী, শিক্ষাস্থলী আছিল। সেই ঘৰখনলৈ প্ৰতিদিনে মানুহৰ সোঁত বৈ আছিল; ধৰ্মীয় আৰু সমাজমুখী আলোচনাই বিশেষ গুৰুত্ব লাভ কৰিছিল। শিশু গোস্বামীয়ে তেনেবোৰ সদ্ আলোচনা শুনি শুনি ভৱিষ্যতে এজন ডাঙৰ উকীল হৈ দেশ সেৱা কৰাৰ সপোন দেখিছিল।

সেই সময়ত মুগুৰীয়া অঞ্চলত আন নেলাগে প্ৰাথমিক স্কুল এখনো নাছিল। গোস্বামীৰ চেষ্টাত পুত্ৰ নৰনাৰায়ণৰ জন্মৰ ৪।৫ বছৰমান আগতে 'হাগুৰীগাওঁ' প্ৰাইমাৰী স্কুলৰ জন্ম হৈছিল। সেই স্কুলখনৰো মুখ্য পৃষ্ঠপোষক আৰু উদ্যোক্তা আছিল গোস্বামীদেৱৰ পিতৃ। সেই কালত ল'ৰাৰ শিক্ষাতো পিছ পৰা আছিলেই; ছোৱালীৰ শিক্ষা বুলিলে লোকে 'ছিঃ ছিঃ' বুলি নাক কোঁচাইছিল। আত্মাৰাম গোস্বামীদেৱে ঘৰতে চন্দ্ৰনাথ দেৱশৰ্মা নামৰ এজন পণ্ডিত ৰাখি দি পুত্ৰক অসমীয়া আৰু সংস্কৃত শিকাইছিল। অৱশ্যে চন্দ্ৰনাথ দেৱশৰ্মা নামৰ এই কৃতী শিক্ষকজনৰ এতিয়ালৈকে চিনাক্তকৰণ হোৱা নাই বুলি জানিব পৰা গৈছে। সেইটোৰ চয়-নিশ্চয় যিয়েই হওক লাগে, ১৯১৯ চনত বৰপেটাৰ চৰকাৰী হাইস্কুলৰপৰা তেখেতে প্ৰথম বিভাগত প্ৰৱেশিকা পাছ কৰাৰ উপৰিও সংস্কৃতত লেটাৰ পাইছিল। স্কুলীয়া ছাত্ৰ গোস্বামীয়ে গাৱঁত 'যুৱক সংঘ' নামে এটি অনুষ্ঠান পাতি তাৰ জৰিয়তে প্ৰতিবছৰে মহাপুৰুষসকলৰ, বিশেষকৈ দামোদৰদেৱৰ তিথি উৎসৱ পালন কৰিছিল। সেইদৰে হৰিদেৱ, ভট্টদেৱ আদিৰো তিথি-উৎসৱ পাতি সিসকলৰ জীৱন আৰু কৃতী সম্পৰ্কে আলোচনা কৰিছিল। অৱশ্যে জীৱনৰ শেষৰফালে, এই ক্ষেত্ৰত, তেখেত কিছু গোড়া আৰু জাত্যাভিমানী হৈছিল বুলি

ধাৰণা হয়। তেখেতৰ স্কুলীয়া সহপাঠী প্ৰবীণ শৰ্মা বিশিষ্ট বন্ধু বা সখা আছিল। গোস্বামী সংস্কৃত আৰু শৰ্মা ইংৰাজী বিষয়ত বেচ চোকা আছিল।

প্ৰৱেশিকা পৰীক্ষা শেষ কৰি গোস্বামী গুৱাহাটীৰ কটন কলেজৰ-পৰা ১৯২৬ চনত আই, এ আৰু ১৯২৮ চনত সুখ্যাতিৰে বি. এ পাছ কৰে। তাৰ পিছতে তেখেতে আৰ্ল-ল কলেজৰ পৰা আইনৰ উপাধি লাভ কৰে। আইন পঢ়ি থাকোঁতে ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰম্ভ হোৱাত গোস্বামী তাত সক্ৰিয় অংশ গ্ৰহণ কৰে। সেই চনৰে ২১ জুলাই তাৰিখে পাণবজাৰৰ হৰিসভাত লোকনায়ক অমিয় কুমাৰ দাসৰ পৌৰোহিত্যত 'সদৌ অসম ছাত্ৰ সন্থা'ৰ এখন বিশেষ অধিৱেশন পাতি তেতিয়াৰ অসমৰ শিক্ষাধিকাৰ কানিংহাম চাহাবৰ কুখ্যাত চাৰ্কুলাৰৰ ঘোৰ প্ৰতিবাদ জনোৱা হয়; আৰু কোনো অভিভাৱকে যাতে বৃটিছ চৰকাৰৰ ওচৰত নিজৰ স্কুলীয়া ল'ৰাই স্বদেশী আন্দোলনত যোগ নিদিব বুলি প্ৰতিশ্ৰুতি পত্ৰ লিখি নিদিয়ে তাৰ বাবে প্ৰচাৰ-কাৰ্য চলোৱা হয়। এই কুখ্যাত চাৰ্কুলাৰখনৰ প্ৰতিবাদত অসম ছাত্ৰ-সন্থাই মহাত্মা গান্ধীৰ দ্বাৰা আহুত অসহযোগ, আইন অমান্য আন্দোলনত যোগ দিয়াৰ সিদ্ধান্ত লৈ অসমৰ ছাত্ৰশক্তি হাতেকামে লাগি যায়। সভাত উপস্থিত থকা সকলো পুৰুষ-মহিলাই সৰ্বান্তঃকৰণে ছাত্ৰসন্থাৰ সিদ্ধান্তৰ প্ৰতি সমৰ্থন জনায়। কেবাগৰাকী মহিলাই নিজৰ হাতৰ-কাণৰ অলঙ্কাৰ ছাত্ৰসন্থাৰ পুঁজিলৈ দান হিচাপে আগবঢ়ায়। উল্লেখযোগ্য যে এই আন্দোলনত ডেকা নৰনাৰায়ণ গোস্বামীয়ে বিশিষ্ট ভূমিকা লৈ তেজোদ্দীপক বক্তৃতা দিছিল আৰু সভাৰ থলতে আইসকলে দান কৰা সোণৰ অলঙ্কাৰবোৰ চিঞৰি চিঞৰি নিলাম বিক্ৰী কৰিছিল। এনেবোৰ চৰকাৰ বিৰোধী কাৰ্যকলাপৰ পৰিনাম স্বৰূপে সেই বছৰৰে ১৭ অক্টোবৰ তাৰিখে গোস্বামীদেৱে গ্ৰেপ্তাৰ বৰণ কৰি এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰিব লগীয়া হয়।

জেলত থকা কালছোৱাতে গোস্বামীৰ ল'ৰ শেহান্ত পৰীক্ষা অনুষ্ঠিত হোৱাত জেল কৰ্তৃপক্ষ্যৰ বিশেষ অনুমতিক্ৰমে পৰীক্ষা দি বি, এল ডিগ্ৰী লাভ কৰে। ইতিমধ্যে ১৯৩১ চনৰ ৭ মাৰ্চ তাৰিখে গান্ধী-আৰউইন চুক্তি সম্পাদিত হোৱাৰ পিছতে আন আন ৰাজবন্দীসকলৰ লগতে গোস্বামীয়েও মুক্তি লাভ কৰে। জেলৰপৰা ওলাই আহিয়েই অলপো সময় নষ্ট নকৰি জন্মস্থান পটাচাৰকুছি অঞ্চললৈ গৈ মাহুলীঝাৰ, চক্‌চকী, বুঢ়াগাওঁ আদিত শোভাযাত্ৰাৰ নেতৃত্ব দি, সভা-সমিতি পাতি চৰকাৰ বিৰোধী বক্তৃতা দিয়ে।

'সোণ পোৰে মানে চিকোণ' হোৱাৰ দৰে নানা ঘাট-প্ৰতিঘাট, বিপদ-আপদৰ মাজেদি কৰ্মক্ষেত্ৰত আগবাঢ়ি গ'লে জীৱনত বহু কথা শিকিব পৰা যায়, আৰু তেনেবোৰ অভিজ্ঞতাইহে এজন পূৰ্ণমানৱ গঢ়াত সহায় কৰে। ইতিহাসৰ বুকুত থকা তেনে অজস্ৰ উদাহৰণৰ ভিতৰত নৰনাৰায়ণ গোস্বামীদেৱো অন্যতম। গোস্বামীয়ে আঠুকঢ়া-বছকা অৱস্থাতে মাতৃক হেৰুৱায়, কলেজত পঢ়ি থাকোঁতে স্নেহশীল পিতৃক হেৰুৱায়। এনেবোৰ বিপদ-সঙ্কুলৰ মাজতো গোস্বামীয়ে অকণো ধৈৰ্য নেহেৰুৱাই আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ সহায়-সাহায্য লৈ বি, এ, বি, এল হ'ল।

ইয়াতে উল্লেখ কৰিব পাৰি যে ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ সময়ত গোস্বামীদেৱ এজন চৰিত্ৰৱান আৰু দায়িত্বশীল স্বেচ্ছাসেৱক বুলি খ্যাত হৈ উঠে। অধিৱেশনৰ কালছোৱাত গোস্বামী আধুনিক ভাৰতৰ শিক্ষাজগতৰ অন্যতম শ্ৰেষ্ঠ পণ্ডিত আৰু উদ্যোগী পুৰুষ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ প্ৰাণ প্ৰতিষ্ঠা কৰোতা তথা উপাচাৰ্য মদনমোহন মালব্যক সেৱা-শুশ্ৰূষা কৰাৰ দায়িত্বত আছিল। অধিৱেশনৰ সেই কেইদিনৰ পৰিচয়তে পাণ্ডিত মালব্যজীৰ মৰম-স্নেহ আদায় কৰিবলৈ তেখেত সফল হৈছিল। আনকি সময়ত ল' পঢ়াৰ কাৰণে তেখেতক কাশী বিশ্ববিদ্যালয়লৈ আমন্ত্ৰণ জনাইও থৈছিল। কিন্তু পিতৃৰ বিয়োগত ঘৰখনৰ মহাভাৰ তেখেতৰ মূৰৰ ওপৰত পৰাত

তেখেত অসমৰপৰা বাহিৰলৈ যোৱাটো কোনোপধ্যে সম্ভৱপৰ নহ'ল। অযাচিতে অহা মালব্যজীৰ স্নেহাসিক্ত সহায় তেখেতে গ্ৰহণ কৰিব নোৱাৰিলে ; পৰা হ'লে হইতো তেখেতৰ জীৱন আৰু বেছি সমৃদ্ধ হ'লহেঁতেন! জ্ঞানী চিন্তাশীল গোস্বামীৰ মনত সেই সময়ত এটা কথাই ঘাইকৈ ঠাই পাইছিল, যে যদি তেখেতে কেৱল নিজৰ চিন্তাতে কাশীলৈ ল' পঢ়িবলৈ যায়, তেতিয়া মাহীমাক আৰু তেখেতৰ পাঁচজন ভাতৃৰ প্ৰতি অবিচাৰ কৰা হ'ব আৰু লোকেও তেখেতক দোষিব। এইটোও এটা তেখেতৰ ত্যাগ আৰু মহানুভৱতাৰ উদাহৰণ।

অসমৰ আগশাৰীৰ মুক্তিযুঁজাৰু তথা কংগ্ৰেছ কৰ্মীসকলৰ ভিতৰত গোস্বামীদেৱ অন্যতম আছিল। চন্দ্ৰনাথ শৰ্মা, কৃষ্ণনাথ শৰ্মা, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ, গোপীনাথ বৰদলৈ, অমিয় কুমাৰ দাস, বিষ্ণুৰাম মেধি, ৰজনীকান্ত গোস্বামী, বেলিৰাম দাস, দেৱেন্দ্ৰনাথ শৰ্মা আদিক তেখেতে ওচৰৰপৰা লগ পাইছিল, আৰু এজন সতীৰ্থ হিচাপে দেশৰ হকে সকলো কাম লগেভাগে কৰিছিল।

১৯৩২ চনত গোস্বামীদেৱে গাওঁ অঞ্চলত পৰিভ্ৰমণ কৰি গাওঁ-বাসীক খদ্দৰ ব্যৱহাৰ কৰিবলৈ, চেনিৰ পৰিবৰ্তে গুৰ খাবলৈ, বিদেশী চৰকাৰক কোনো ক্ষেত্ৰতে সহায় নকৰিবলৈ উপদেশ দিছিল। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনতো গোস্বামীদেৱ জঁপিয়াই পৰিছিল। দ্বিতীয় মহাসমৰত যাতে ৰাইজে কোনো ক্ষেত্ৰতে বৃটিছক সহায় নকৰে তাৰ বাবে প্ৰচাৰকাৰ্য চলাইছিল। এই নিচিনা চৰকাৰ বিৰোধী কাৰ্যৰ কাৰণে চৰকাৰে গোস্বামীক সঘনে গ্ৰেপ্তাৰ কৰি জেল-জৰিমনা দিছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰি ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে। আকৌ ১৯৪২ চনৰ ৮ অক্টোবৰ তাৰিখে টিহুৰ এখন বিৰাট ৰাজহুৱা সভাত বক্তৃতা দিয়া অপৰাধত তেখেতক ৬ মাহ সশ্ৰম কাৰাদণ্ড বিহে।

ৰাজনৈতিক অথবা সামাজিক জীৱনত নৰনাৰায়ণ গোস্বামীদেৱ

এজন লেখৰ মানুহ আছিল। অন্যায়, অবিচাৰ, দুৰ্নীতি আদিৰপৰা তেখেত দূৰত আছিল। সেয়েহে তেখেতে সমাজত সদায় উচ্চস্থান পাইছিল আৰু নিজৰ সমষ্টিৰ লোকসকল তেখেতৰ প্ৰতি বিশেষ শ্ৰদ্ধাশীল আছিল। ১৯৫২ চনত নিজ সমষ্টিৰপৰা এম, এল, এ নিৰ্বাচিত হৈছিল। তেখেত গুৱাহাটী লোকেল বোৰ্ডৰ সভাপতি, ১৯৫৯ চনত গুৱাহাটী জিলা কংগ্ৰেছৰ সভাপতি, গুৱাহাটীৰ উকীল সন্থাৰ সভাপতি, সদৌ অসম উকীল অভিবৰ্তনৰ সভাপতি আদি বিভিন্ন সন্মানীত পদবীত থকা কথাই গোস্বামীদেৱৰ ব্যক্তিত্ব আৰু জনপ্ৰিয়তাৰ কথা সোঁৱৰাই দিয়ে।

উকীল হিচাপে গোস্বামীদেৱ অতি অভিজ্ঞ আৰু ন্যায়সঙ্গত আছিল। দেৱানি মোকৰ্দমাত তেখেতৰ বিশেষ নাম আছিল। দুখীয়া লোক বা দুখীয়া অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ হকে বিনা মাননীয়ে তেখেতে আইনৰ সহায় দিছিল। তেখেতৰ আইন ব্যৱসায়ত তেনেকুৱা বহুতো উদাহৰণ আছে। ইয়াতে আমাৰ নিজা অভিজ্ঞতাৰ ফালৰপৰা এটি দৃষ্টান্ত দাঙি ধৰা হ'ল।

গুৱাহাটীৰ ৰাজহাড় স্বৰূপ ৰাজগড়ত ১৯৭১ চনত "গুৱাহাটী শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰ" নামে এটি অনুষ্ঠানৰ জন্ম হয়। অনুষ্ঠানটিৰ জন্ম লগ্নৰেপৰা কেবাবছৰো ধৰি প্ৰধান সম্পাদক হিচাপে আমি কাৰ্যভাৰ সম্পাদন কৰিবলগীয়া হৈছিল। আৰম্ভণীৰেপৰা অনুষ্ঠানটিৰ মূৰৰ ওপৰেদি বহুতো বিপদ ধুমুহা বৈ গৈছিল। 'চৌধুৰী চৰকাৰ'ৰ দিনত ১৯৭১ চনৰ ২৫ চেপ্টেম্বৰৰ দিনা দিন-দুপৰতে কেন্দ্ৰৰ নামঘৰ, পুথিভঁড়াল আদি উচ্ছেদ কৰি পুলিচে লণ্ডভণ্ড কৰে। অনুষ্ঠানটিৰ এই বিপদ কালত বিনা মাননীয়ে গোস্বামীদেৱে কৰা আইনৰ সহায় আমি কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁহক।

অসমৰ অস্তিত্ব ৰক্ষাৰ ছবছৰীয়া আন্দোলনত, গোস্বামীদেৱৰ নেতৃত্বত গুৱাহাটীৰ উকীল সন্থাই লোৱা অবিস্মৰণীয় ভূমিকা অসমৰ ৰাইজৰ নিশ্চয় মনত আছে। সেই সময়ছোৱাৰ ভিতৰতে (১৯৮০)

ওড়িশা কেশৰী, মহাৰাষ্ট্ৰৰ ভূতপূৰ্ব ৰাজ্যপাল, সদৌ ভাৰত মুক্তি যুঁজাৰুৰ সভাপতি অসম আৰু অসমীয়াৰ বিশিষ্ট বন্ধু, ড° হৰেকৃষ্ণ মহতাব ডাঙৰীয়া আন্দোলনৰ বুজ ল'বলৈ গুৱাহাটীলৈ আহি চাৰ্কিট হাউচত তিনিদিন আছিল। তেখেতৰ এজন স্নেহভাজন হিচাপে তেখেতৰ ইচ্ছা অনুসাৰে আন্দোলনৰ নেতৃবৰ্গ, অসম সাহিত্য সভাৰ সভাপতি (শ্ৰীযতীন্দ্ৰনাথ গোস্বামী) গুৱাহাটী উকীল সন্থাৰ সভাপতি আৰু ভালেমান বিশিষ্ট ব্যক্তিক তেখেতৰ লগত যোগাযোগ কৰি দিয়া হৈছিল। আন্দোলনৰ নেতৃবৰ্গৰ লগত গুৱাহাটী ভাগৱতী প্ৰসাদ বৰুৱা ভৱনত আৰু অসম সাহিত্য সভাৰ সভাপতি আৰু উকীল সন্থাৰ সভাপতি আৰু গুৱাহাটীত বহু বিশিষ্ট ব্যক্তিৰ লগত চাৰ্কিট হাউচত আলোচনা হৈছিল। সেই আলোচনাত উকীল সন্থাৰ সভাপতিৰূপে নৰনাৰায়ণ গোস্বামীদেৱে ড° মহতাবক গোটেই সমস্যাটো যুক্তি সহকাৰে যিদৰে বুজাই দিছিল ড° মহতাব তাত নিশ্চয় সন্তুষ্ট হৈছিল। পিছদিনা নবীনচন্দ্ৰ বৰদলৈ হলত ড° মহতাবে আন্দোলনক পূৰ্ণ সমৰ্থন দিয়া সৌহাৰ্দ্যপূৰ্ণ ভাষণৰ সাৰাংশ অসমৰ মুখ্য সংবাদ-পত্ৰসমূহৰ প্ৰথম পৃষ্ঠাত ড° মহতাবৰ ছবিসহ প্ৰকাশ পাইছিল। ইয়াৰ পাছত ওড়িশালৈ উভতি গৈ ড° মহতাবে তেখেতৰ স্বত্বাধিকাৰত থকা প্ৰজাতন্ত্ৰ, হীৰাখণ্ড, 'নিউজ ওৱাৰ্ল্ড' আদি দৈনিক ওড়িআ আৰু ইংৰাজী কাকতত আন্দোলনৰ যুক্তিযুক্ততাক সমৰ্থন কৰি বাতৰি পৰিৱেশন কৰিছিল।

গোস্বামীদেৱে নিয়মিতভাৱে দিনপঞ্জী লিখিছিল বুলি জনা গৈছে। যদিও সকলোবোৰ পাবলৈ নাই। তেখেতৰ ডায়েৰীৰপৰা জনা যায় যে তেখেতে অসমৰ চুকে-কোণে ভ্ৰমণ কৰাৰ উপৰিও ভাৰতবৰ্ষৰ প্ৰধান প্ৰধান চহৰবোৰ ভ্ৰমণ কৰিছিল। ঐতিহাসিক আৰু ধৰ্মানুষ্ঠানসমূহ পৰ্যটন কৰাত তেখেতৰ বিশেষ আগ্ৰহ আছিল। ভ্ৰমণ কালত ৰেলৰ টিকটৰ নম্বৰ, গাড়ীৰ নাম, যাতায়াত ভাড়াৰ নিখিখ, প্ৰতিদিনৰ খৰচ সকলো ডায়েৰীত লিপিবদ্ধ কৰিছিল।

প্ৰতিখন ঠাইৰ বিশেষত্ব, প্ৰাকৃতিক সৌন্দৰ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিৰ বিষয়েও চমুকৈ ডায়েৰীত লিখি ৰাখিছিল। তেখেতে খুব চমুকৈ ইংৰাজীত ডায়েৰী লিখিছিল। তেখেতৰ বেছিভাগ বৰ্ণনাই ৰাজনৈতিক অৰ্থাৎ কংগ্ৰেছ দলৰ সভা-সমিতিত যোগদান কৰা ব্যস্ততা বিষয়ক। প্ৰৱন্ধত তেখেতৰ ১৯৩১ চনৰ ডায়েৰীৰ কেইখিলামান পাতৰ হুবহু টোকা তুলি দিয়া হ'ল—

1931 : *5th January*, Monday, ২০ পৌষ, ১৩৩৭ Time table to Karachi by Tuffan Mail.

9th January, Friday, ২৪ পৌষ, ১৩৩৭ Important places to be visited in return for home—Lahore, Amritsar, Haidwar, Kurukshetra, Delhi, New Delhi, Mathura, Brindaban, Tundala, Alahabad, Benaras, Lakshnow.

14th March, ৩০ ফাল্গুন, Started for home from Gauhati. Rs. 40/- taken from S. Sarmah. Some Bajali public met me in the station. A meeting was attended near the theatre hall.

20th March, Friday, ৩ চৈত্ৰ—Started for Gauhati with the idea of going for Congress.

March 22nd. ৮ চৈত্ৰ—Started for Karachi with Rs. 43/6/ out of Rs. 43/-. I am to pay Pathak Rs. 5/- + 2/-

Exp : Ticket to Calcutta No. 06515 at Rs. 6/3/6, Motor 14/-, R-G- 12/-.

24th March, Tuesday, ১০ চৈত্ৰ, ১৩৩৭—B.P.C. office has been visited. Ticket No. 6646 at Rs. 17-14-2 bought to start for Karachi by Tuffan Mail at 4-10 P.M.

27th March, Friday, ১৩ চৈত্ৰ, ১৩৩৭ —Hydrabad (Sind) is one of the beautiful towns is passed. Attended Subjects Commitee with a free pass from Sri Lila Dhar Barua.

29th March, Sunday, ১৫ চৈত্ৰ, ১৩৩৭—Morning Procession was led to Congress, attended.

3rd April, Friday, ২০ চৈত্ৰ, ১৩৩৭—Reached Lahore Station at 10 P.M. Mahatma came with our train and left for Delhi.

*16*th *April*, Thursday, ৩ বৈশাখ—Written a letter to P. C. Sarmah to go by 304 Exp. on the 18th instant. Mr. Peer Baksh, Babu C. C. Ghosh and Dr. Khan Sahib were interviewed. Went to City Bazar and Court. The City is surrounded by walls and there are 12 gates. Mr. Ghosh gave me Rs. 1/- witnessd the Martyred place near Kabuli gate.

20th *April*, Monday, ৭ বৈশাখ—Hiring a taxi at Rs. 1/5/ I saw with Andhra friends Asoka Pillar, Humayun's tomb, Toglok's fort, Jogamaya temple, Safadar Jang tomb, Togolok tomb, Pandav fort, Nazimuddin tomb, New Delhi, Man Mandir. Then started to Faridah .. ....

23rd April, Thursday, ১০ বৈশাখ —Went to Tribeni Sangam, Fort of Akbor, Swaraj Bhavan and Ananda Bhavan, Bharadwas Asram and University.

24th April, Friday, ১১ বৈশাখ ১৩৩৮ Visited Dabaswamedh, Harichandra ghats. Beni Madhab gate, Biswanath and other templs,

Hindu University. Met Assamese students and remained in the hostel. The town is good and in many respects the hostel is well-managed. Theoritical and Practical training in science is given.

28th April, Tuesday, ১৫ বৈশাখ—Visited Viswa Bharati, met Assamese boys there.····Institute of rural re-organisation is much useful as it gives various needful teachings. Students should be taught.

29th April, wednesday, ১৬ বৈশাখ—Got down at Chandarnagar station. Attended a meeting of the Prabartab Sangha with J. M. Sengupta in the chair. The town is nasty except a place near the court and college. Well received by the Sangha. Reached Calcutta.

1st May, Friday, ১৮ বৈশাখ—Took food with P. Baruah and walked in various places. Lila Baruah left me by the Assam Mail. Started for home by the Darjeeling Mail (?) with Bali Deka and others.

2nd May, Saturday, ১৯ বৈশাখ—Reached Pathsala and met many of the Bazar men.

24th June, Wednesday—Started for the Jorhat Political Conference and returned back by steamer on 27-8-31.

নবনাৰায়ণ গোস্বামীদেৱে আইন আৰু ৰাজনীতি চৰ্চা কৰাৰ লগে লগে ধৰ্ম আৰু সাহিত্যও চৰ্চা কৰিছিল বুলি আগতে কৈ অহা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰতিষ্ঠিত অসমীয়া বৈষ্ণৱ ধৰ্মৰ মহাপুৰুষ দামোদৰদেৱ প্ৰচাৰিত পন্থৰ গোস্বামীদেৱ একান্ত অনুৰাগী

আৰু শৰণীয়া আছিল। মহাপুৰুষ দামোদৰদেৱৰ জীৱন, কৰ্ম আৰু মহত্বৰ বিষয়ে তেখেতে বিস্তৰ অধ্যয়ন কৰি কেবাখনো পুথি সম্পাদন কৰি তাত ঠায়ে ঠায়ে তেখেতৰ নিজস্ব অভিমতো অনেক দাঙি ধৰিছে। পণ্ডিত-গৱেষকসকলে সেইবোৰ উচিত অনুচিত বিচাৰ কৰিব; যেহেতু সেইটো আমাৰ ইয়াত আলোচনাৰ বস্তু নহয়। তেখেতৰ সম্পাদিত পুথিসমূহ—'দামোদৰ ব্যাখ্যান', 'দেৱ দামোদৰ গুৰু দৰ্শন', গোপাল মিত্ৰ কবিৰত্ন বিচাৰিত—'ঘোষা-ৰত্ন' আদি। তদুপৰি তেখেতৰ পৃষ্ঠপোষকতাত 'দেৱ দামোদৰ গুৰু পুথি প্ৰকাশন সমিতি' নামৰ প্ৰতিষ্ঠান এটাৰো জন্ম হয়। তেখেতৰ সম্পাদনাত গোপাল মিশ্ৰৰ ঘোষা-ৰত্নখিনি ইংৰাজীত তৰ্জমা কৰি ১৯৭৬ চনত প্ৰকাশ কৰা হৈছে।

বি. কে. ভাণ্ডাৰী

সেৱাৰ মাহাত্ম্যনো কি? প্ৰকৃত মানৱ-সেৱানো কি? মানৱ-সেৱাৰ কোনো ভৌগোলিক সীমাৰেখা আছেনে বাৰু? মানৱ-সেৱাৰ জৰিয়তে এক ব্যক্তিয়ে এখন সমাজৰ কাৰণে কিমাননো ত্যাগ কৰিব পাৰে; এনেবোৰ কথাৰ সত্যানুসন্ধান কৰিবলৈ হ'লে বি, কে, ভাণ্ডাৰীৰ জীৱন আৰু কৰ্মৰ এটি অধ্যয়নৰ আৱশ্যক। ১৯৫২ চনত বি, কে ভাণ্ডাৰীৰ অহোপুৰুষাৰ্থত 'অসম সেৱা সমিতি' জন্ম লাভ কৰে আৰু সেই সমিতিৰ তেখেত প্ৰতিষ্ঠাতা প্ৰধান সম্পাদক আছিল। সেই সেৱা সমিতিৰ বৰ্তমানৰ সভাপতি, তথা প্ৰাক্তন সংসদী সদস্য ধৰণীধৰ বসুমতাৰী ডাঙৰীয়াই ভাণ্ডাৰীৰ বিষয়ে উচ্চাভিমত দি কৈছে—"In my opinion I do not find any person than him to be ardent and with sacrificing spirit to work for the development of the down-trodden people including labour population."

চুম্বকৰ সংস্পৰ্শত থাকিলে লোও চুম্বক হোৱাৰ দৰে মহাত্মা গান্ধী আৰু ঠক্কৰ বাপাৰ সংস্পৰ্শলৈ আহি বি, কে, ভাণ্ডাৰীৰ জীৱনটোও মহিয়ান হৈ পৰে। ১৯০৭ চনৰ ২১ ডিচেম্বৰ তাৰিখে মহীশূৰ ৰাজ্যৰ মাঙ্গালোৰৰ ওচৰৰ কুলুৰ নামে এখনি সৰু গাৱঁত বি, কে, ভাণ্ডাৰীৰ জন্ম হৈছিল। তেখেতৰ দুখীয়া পিতৃৰ নাম আছিল কুষ্ঠাপা ভাণ্ডাৰী। মাদ্ৰাজৰ ডেকা গ্ৰেজুয়েট্, বেইল কোচান্না ভাণ্ডাৰী বৃদ্ধ পিতা-মাতৃ, ভাই-ভনীক ভৰণ-পোষণ দিয়াৰ কাৰণে মটৰ চালকৰ কাম কৰিছিল। ইচ্ছা কৰাহেঁতেন তেতিয়া বিদেশী চৰকাৰৰ তলত এটা চাকৰিও হয়তো যোগাৰ কৰিব পাৰিলেহেঁতেন।

কিন্তু স্বাধীনচিতীয়া ডেকা ভাণ্ডাৰীয়ে সেইটো ইচ্ছা কৰা নাছিল। পৰম ধাৰ্মিক পিতৃ-মাতৃৰ একান্ত বাধ্য পুত্ৰ কোচান্নাই সত্য, ন্যায়, অহিংসা, পৰোপকাৰ আদি সদ্‌গুণসমূহৰ পাঠ আৰু আদৰ্শ পিতৃ-মাতৃ। পৰা সদায় ঘৰতে পাই আহিছিল। লগতে পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ পৰা পৰাধীন জন্মভূমিৰ দুৰ্দশাৰ কথা আৰু মহাত্মা গান্ধীৰ নেতৃত্বত দেশবাসী স্বাধীন হ'বলৈ চলোৱা প্ৰচেষ্টাৰ কথা, জালিয়ান-ৱালাবাগত কৰা ইংৰাজ চৰকাৰৰ ঘৃণনীয় হত্যাকাণ্ডৰ কথা। এনে-বোৰ প্ৰেৰণা লাভ কৰাৰ ফলত ছাত্ৰাৱস্থাতে অসহযোগ আন্দোলনত জঁপিয়াই পৰি প্ৰথমবাৰ ছমাহ কাৰাবাস আৰু দ্বিতীয়বাৰ এবছৰ সশ্ৰম কাৰাবাস ভোগ কৰিছিল। ১৯৩৩ চনত মুক্তিলাভ কৰাৰ পিছত ভাণ্ডাৰী 'মাদ্ৰাজ কংগ্ৰেছ'ৰ সহকাৰী সম্পাদক নিযুক্ত হয়। গতিকে কংগ্ৰেছৰ সংগঠনমূলক কাম কৰা, সমাজসেৱা আৰু জীৱিকাৰ বাবে মটৰগাড়ী চলোৱা তিনিওটা কাম উৎসাহেৰে কৰি আহিছিল। এনেতে ১৯৩৩ চনত 'হৰিজন সেৱক সঙ্ঘ'ৰ পুঁজি সংগ্ৰহৰ কাম লৈ গান্ধীজী আৰু ঠক্কৰ বাপা মাদ্ৰাজলৈ যায়। সৌভাগ্যক্ৰমে বি, কে, ভাণ্ডাৰীৰ ওপৰত গান্ধী আৰু ঠক্কৰ বাপাক গাড়ীত তুলি পুঁজি সংগ্ৰহৰ অভিযানত ঘূৰাই লৈ ফুৰাৰ দায়িত্ব পৰিল। কেইদিনমানৰ ভিতৰতে ডেকা ভাণ্ডাৰীয়ে গান্ধী আৰু ঠক্কৰ বাপাৰ মন মুহি পেলালে। সিমানেই নহয়, মাদ্ৰাজৰ 'হৰিজন সেৱক সঙ্ঘ'ৰ পৰিদৰ্শকৰ দায়িত্বও ভাণ্ডাৰীৰ ওপৰত অৰ্পণ কৰা হ'ল। পৰম নিষ্ঠাৰে কাম কৰি কম দিনৰ ভিতৰতে ভাণ্ডাৰী মাদ্ৰাজৰ 'হৰিজন সেৱক সঙ্ঘ' শক্তিশালী কৰি তুলিলে।

ঠক্কৰ বাপা মহাত্মা গান্ধীৰ পৰম ধীমান শিষ্য আৰু পদানু-সৰণকাৰী আছিল। গান্ধীজীয়ে হৰিজন তথা তপশিলভুক্ত জনজাতীয়, অজনজাতীয় লোকৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে লোৱা আঁচনিৰ কামত ঠক্কৰ বাপা আৰু হৰি নামে জনৈক ব্যক্তিয়ে সহায় কৰিছিল। হৰিক তপশিলভুক্ত অজনজাতি আৰু ঠক্কৰ বাপা

তপশিলভুক্ত জনজাতিসমূহৰ উন্নয়নমূলক কামৰ দায়িত্বত ৰখা হৈছিল। দুয়োটা সংগঠনৰ প্ৰধান কাৰ্যালয় আদিতে সেৱাগ্ৰামত আছিল। পিছত দিল্লীলৈ স্থানান্তৰ কৰা হয়।

মহাত্মা গান্ধী আৰু ঠক্কৰ বাপা অসমলৈ আহি ইয়াতো 'হৰিজন সেৱক সঙ্ঘ'ৰ অসম শাখা এটি খুলি ডাঃ হৰিকৃষ্ণ দাস, ডাঃ ভুবনেশ্বৰ বৰুৱা, গোপীনাথ বৰদলৈ আদিক পৰিচালনাৰ দায়িত্ব-ভাৰ দিছিল। যি কোনো কাৰণতেই নহওক অসমত হৰিজন সেৱাৰ কাম আশানুৰূপ ধৰণে আগ নবঢ়াত ঠক্কৰ বাপাৰ নিৰ্দেশক্ৰমে বি, কে, ভাণ্ডাৰী সুদূৰ তিনি হাজাৰ মাইল দূৰৰ পৰা অসমলৈ আহি ১৯৩৭ চনৰ মাৰ্চ মাহত গুৱাহাটীত উপস্থিত হয়। তেখেতে প্ৰথম অৱস্থাত অসমীয়া মাতকথা নুবুজিছিল, অসমীয়া সমাজৰ আওভাও নাজানিছিল, অসমীয়া খোৱাখাদ্যতো অভ্যস্ত নাছিল। কিন্তু যিজনে সেৱাৰ ব্ৰত লয়, তেওঁৰ কাৰণে দূৰত্ব, ভাষা, খোৱাখাদ্য আদি একোৱেই সমস্যা নহয়। অসমলৈ আহি অলপ দিনৰ ভিতৰতে তেখেতে অসমীয়া, হিন্দী আৰু কেইটামান জনজাতীয় ভাষা আয়ত্ত কৰি লৈ জনসমাজত অভূতপূৰ্ব মৰম-আদৰৰ পাত্ৰ হ'ল।

সেই সময়ত নলবাৰীৰ উত্তৰ-পশ্চিম অঞ্চলটো বিশেষকৈ বৰমা, মছলপুৰ আদি ঠাইসমূহত মেলেৰিয়া ৰোগে মহামাৰীৰূপ ধাৰণ কৰিছিল। ভাণ্ডাৰীয়ে প্ৰথমতে বৰমা অঞ্চলত সেৱা কেন্দ্ৰ এটা স্থাপন কৰি জনজাতিসকলৰ শিক্ষা, স্বাস্থ্য, অৰ্থনৈতিক উন্নয়ন-মূলক কামৰ আঁচনি প্ৰস্তুতি কৰি হাতে-কামে লাগিল। প্ৰথমে ২০ জন ছাত্ৰক হাতত লৈ ১৯৩৭ চনত 'বৰমা আশ্ৰম' স্থাপন কৰে। তাৰ পাছত ছাত্ৰৰ সংখ্যা ৬০ জনলৈ উন্নীত কৰি গান্ধীজীৰ বুনিয়াদী শিক্ষা আৰু সাংগঠনিক কামৰ আৰ্হিৰে তেওঁলোকক প্ৰশিক্ষণ দি আশ্ৰমৰ সেৱাৰ কাৰণে প্ৰতিজনকে, প্ৰতিটো কামতে নিপুণ কৰি তুলিলে। কামৰ নমুনা হিচাপে—খেতিবাতি কৰা, গৰু পোহা, বাঁহ-বেতৰ কাম কৰা, ঘৰ সজা, কুঁৱা খন্দা, মেলেৰিয়া, হাইজা,

বসন্ত আদি ৰোগৰ উপযোগী প্ৰতিষেধক ব্যৱস্থা লোৱা ইত্যাদি। য'ত এখন প্ৰাইমাৰী স্কুল নাছিল, য'ত এটি স্বাস্থ্যকেন্দ্ৰ নাছিল, য'ত ৰাস্তা-পদুলিৰ ব্যৱস্থা নাছিল, য'ত মানুহে এটুপি পৰিষ্কাৰ পানী খাব নেপাইছিল ; ভাণ্ডাৰীৰ নিস্বাৰ্থ ত্যাগ আৰু পৰিশ্ৰমৰ ফলত তাত হাইস্কুল স্থাপন হ'ল, হস্পিতাল গঢ়ি উঠিল, চাৰিওফালে বাটে পোৱালি মেলিলে, দিনৰ ভাগত ল'ৰা-ছোৱালী পঢ়া স্কুলবোৰৰ ৰাতি গাৱঁৰ প্ৰাপ্তবয়স্ক লোকসকলক শিক্ষা দিয়াৰ বাবে ব্যৱহাৰ কৰা হ'ল। এনেবোৰ কামত সুৰেন্দ্ৰনাথ দাসে ভাণ্ডাৰীক উল্লেখ-যোগ্য সহায় কৰিছিল। ডাঃ বৰুৱা, লোকপ্ৰিয় বৰদলৈ, ডঃ হৰিকৃষ্ণ দাস প্ৰমুখ্যে গান্ধীবাদী বিশিষ্ট ব্যক্তিসকল ভাণ্ডাৰীৰ বন্ধু তথা সতীৰ্থ হৈ উঠিল। ভাণ্ডাৰীৰ চেষ্টাত অঞ্চলটো মেলেৰিয়া ৰোগৰপৰা মুক্ত হ'ল, কলহে কলহে মদ খোৱা মদাপীসকলে মদ খাবলৈ এৰিলে, কানিখোৱাই কানি পৰিত্যাগ কৰিলে, অঞ্চলটোত ভাঙগছ, আফুগছ এডালো নোহোৱা হ'ল। ভাণ্ডাৰীৰ উদ্যোগত প্ৰতিঘৰে কপাহ খেতি কৰিলে, প্ৰতি ঘৰতে দিনে-নিশাই নেওঁঠনী, যঁতৰৰ মাত, তাঁতশালৰ গৰকা আৰু দোৰ্‌পতিৰ শব্দ সুগুচা হ'ল ; মুঠতে গোটেই অঞ্চলটোতে এটি বিৰাট ব্যস্ততা, এটি অভূতপূৰ্ব জাগৰণৰ ঢল উঠিল। ভাণ্ডাৰীৰ কৰ্মক্ষেত্ৰ অকল নলবাৰী, বৰমা, মছলপুৰতে সীমাবদ্ধ হৈ নাথাকি সুদূৰ উত্তৰলক্ষ্মীমপুৰ, নেফা পৰ্যন্ত বিস্তাৰিত হ'ল।

ভাণ্ডাৰীৰ বৰমা সেৱাশ্ৰম অসমৰ গান্ধীদৰ্শনৰ, গান্ধীউদ্যোগৰ প্ৰাণকেন্দ্ৰ হৈ উঠিছিল। অসমৰ প্ৰতিজন বৰেণ্য নেতা, প্ৰতিজন সমাজকৰ্মী ভাণ্ডাৰীৰ বুকুৰ কুটুম হৈ উঠিছিল আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকৰপৰা ভাণ্ডাৰী অপাৰ মৰম আৰু শ্ৰদ্ধা লাভ কৰিছিল। ভাণ্ডাৰীৰ সেৱাশ্ৰম মহাত্মাজীৰ সবৰমতি আশ্ৰমৰ আৰ্হিতি গঢ়া মানৱীয় মূল্যবোধৰ এটা কেন্দ্ৰ হৈ উঠিছিল। কোৱা বাহুল্য যে, খৃষ্টীয়ান মিচ্‌নাৰীসকলৰ সেৱাৰ আৰ্হিৰে ভাণ্ডাৰীয়ে প্ৰপীড়িত,

পদদলিত শ্ৰেণীৰ লোকৰ, তেওঁলোকৰ ল'ৰা-ছোৱালীৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে অনেক অহোপুৰুষাৰ্থ কৰিছিল। আনকি বাটৰ কাষত পৰি থকা দুৰ্দশাগ্ৰস্ত, জৰা-ব্যাধিগ্ৰস্ত লোকসকলকো বুটলি নি আশ্ৰমত চিকিৎসা কৰি ভাল কৰিছিল। টানৰোগত আক্ৰান্ত হোৱা ৰোগীক উপযুক্ত চিকিৎসাৰ সাহায্য দিয়াৰ কাৰণে দহ-বাৰ মাইল আঁতৰত থকা নলবাৰী হস্পিতালৰ পৰা ডাক্তৰ মাতি নি চিকিৎসা কৰাইছিল, অস্ত্ৰোপচাৰ কৰাইছিল।

বি, কে, ভাণ্ডাৰীৰ বদান্যতা আৰু সেৱাধৰ্মৰ কথা অতি কম দিনৰ ভিতৰতে সমগ্ৰ অসমত বিয়পি পৰিছিল আৰু বৰেণ্য নেতাসকল সমাজকৰ্মীসকল বৰমা আশ্ৰমত সময়ে সময়ে আলহী থাকি আশ্ৰমৰ নীতি-ধৰ্ম অনুকৰণ কৰি ঠায়ে ঠায়ে প্ৰচাৰ কৰিছিল। মাদ্ৰাজৰ সদ্‌ব্ৰাহ্মণ পৰিয়ালত ১৯০৭ চনৰ ২১ ডিচেম্বৰৰ দিনা জন্মগ্ৰহণ কৰা ভাণ্ডাৰী ডাঙৰ হোৱাত, ৰক্ষণশীল সমাজৰ সকলো বন্ধন ছিগি বিশ্বমানৱৰ সেৱাত নিজৰ দেহ-মন উছৰ্গা কৰিছিল। তেখেতৰ প্ৰধান কৰ্মক্ষেত্ৰ বৰমা অঞ্চলত হৰিজন লোক নাছিল যদিও অনুসূচীত আৰু জনজাতীয় লোকসকলক বুকুত সাৱটি লৈ তেওঁলোকৰ হিত সাধন কৰিছিল। বি, কে, ভাণ্ডাৰীৰ এই সৰ্বোদয় আৰু সাৰ্বজনীন কাৰ্যক জাত্যাভিমানি এক শ্ৰেণীৰ লোকে গ্ৰহণ কৰিব পৰা নাছিল। আনকি তেওঁলোকৰ ল'ৰা-ছোৱালী আশ্ৰমলৈ অহাটোও নিষেধ কৰিছিল; কোনোবা আহিলেও আশ্ৰমৰ পৰা টানি উলিয়াই নিছিল।

ভাণ্ডাৰীৰ নিস্বাৰ্থ সমাজসেৱাৰ আন এটি স্মৰণীয় উদাহৰণ ১৯৫০ চনৰ ১৫ আগষ্ট দিনা অসমত হোৱা প্ৰবল ভূমিকম্পৰ সময়ত দেখা গৈছিল। সেই প্ৰলয়ঙ্কৰী ভূমিকম্পই সমগ্ৰ অসম, বিশেষকৈ পূৰ্বাঞ্চল একেবাৰে বিধ্বস্ত কৰিছিল। হেজাৰ হেজাৰ পৰিয়াল গৃহহীন হৈ ৰাস্তাৰ দাঁতিত নাইবা আশ্ৰয় শিবিৰত মাহৰ পিছত মাহ ধৰি থাকিবলগীয়া হৈছিল; ৰাইজৰ পৰা এড়ুখৰি কাপোৰ

আৰু এমুঠি অন্ন পোৱাৰ আশাৰে জীৱন কটাইছিল। ভূমিকম্পৰ লগতে বানপানী, তাৰ লগে লগে উদ্ভৱ হোৱা নানাবিধ ৰোগত বিশেষকৈ তিৰোতা আৰু ল'ৰা-ছোৱালীবোৰ আক্ৰান্ত হৈছিল। লোকৰ এনে দুৰ্দশাৰ কথা জানি ভাণ্ডাৰী আৰু বৈ থাকিব নোৱাৰিলে। তুৰন্তে ঘটনাস্থলীলৈ গৈ জান-প্ৰাণ দি সেই দুৰ্দশা-পীড়িত লোকসকলক উদ্ধাৰ কৰাৰ কাৰণে, পুনৰ সংস্থাপন কৰাৰ কাৰণে, অন্ন-বস্ত্ৰ যোগান ধৰাৰ কাৰণে ভাণ্ডাৰীয়ে যি কষ্ট কৰিছিল তাৰ তুলনা সঁচাকৈয়ে নাই। তেখেত উত্তৰলক্ষীমপুৰলৈ গৈ তাত বহুদিন থাকি ৰাজ্যপালৰ সাহায্য পুঁজিৰ পৰা ধন সংগ্ৰহ কৰি বিপদ-গ্ৰস্ত লোকসকলক অকুণ্ঠচিত্তে সহায় কৰিছিল।

প্ৰলয়ঙ্কাৰী ভূমিকম্পৰ দিনাই অসম মাতৃৰ প্ৰিয়তম পুত্ৰ গোপীনাথ বৰদলৈৰ অকস্মাৎ পৰলোক প্ৰাপ্তি ঘটে। তেখেতৰ সুযোগ্য উত্তৰাধিকাৰী অসমপ্ৰাণ বিষ্ণুৰাম মেধি মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিয়েই প্ৰথমে অভূতপূৰ্ব প্ৰাকৃতিক দুৰ্যোগৰপৰা ৰাজ্যখনক ৰক্ষা কৰাত প্ৰাণটাকি যুঁজিছিল। উল্লেখযোগ্য যে মেধি ডাঙৰীয়া উত্তৰ লক্ষ্মীমপুৰলৈ গৈ বি. কে, ভাণ্ডাৰীৰ মহান মানৱসেৱাৰ প্ৰকৃত নিদৰ্শন দেখি মোহিত হয় আৰু তেখেতক অসমৰ জনজাতি, আৰু অনুসূচীত জাতিৰ লোকসকলৰ উন্নয়নমূলক কাম কৰাৰ বাবে আহ্বান জনাই সহকাৰী আয়ুক্তৰ পদবী এটাৰ সৃষ্টি কৰি তাত তেখেতক নিযুক্তি দিছিল। এই পদত থাকি তেখেতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি অনুসৰি অসম, পশ্চিমবঙ্গ, মণিপুৰ আৰু ত্ৰিপুৰাৰ হৰিজন, অনুসূচীত জাতি, জনজাতি আৰু চাহবাগিচাৰ বনুৱা-সকলৰ উন্নতিৰকল্পে কাম কৰিব লাগিছিল। ভাণ্ডাৰীয়ে প্ৰথমে প্ৰশাসনীয় বান্ধোনৰ ভিতৰত থাকিবলগীয়া এনে কামত নিযুক্তি লোৱাৰ কথা মুঠেও চিন্তা কৰা নাছিল। পিছত বহুতো শুভাকাঙ্খী বন্ধুৰ মৰমৰ হেঁচাত আৰু মেধি ডাঙৰীয়াৰ বুজনিত ১৯৫১ চনত কামত যোগদান কৰিছিল। কিন্তু সেই কামত থাকি তেখেতে মুঠেও

ভাল নাপালে। মানৱ সেৱাৰ ঠাইত দিনে-ৰাতি ফাইলৰ মাজত সোমাই থাকিব লগাটো তেখেতৰ কাৰণে অসহনীয় হৈ উঠিল। পুনৰ দৰিদ্ৰ জনতাৰ মাজলৈ ঘূৰি যোৱাৰ প্ৰবল ইচ্ছা জন্মিল।

নকলেও হ'ব যে সহকাৰী আয়ুক্তৰ কামত নিযুক্তি পোৱাৰ আগতে চৰকাৰে তেখেতক মাহিলি পঁয়সত্তৰ টকাৰ পেঞ্চন এটা দি আছিল। পিছত ডেৰশ টকালৈ বঢ়ালেও তাৰে তেখেতে নিজে চলা আৰু পৰিয়ালৰ ভৰণ-পোষণ দিয়াত বৰ কষ্ট পাইছিল। কিন্তু সহকাৰী আয়ুক্ত নিযুক্ত হোৱাত নিশাটোৰ ভিতৰতে আলাদ্দিনৰ চাকিৰ যাদু শক্তিৰ দৰে তেখেতৰ অৱস্থা জয়জয় ময়ময় হ'ল। চৰকাৰী আবাস, চৰকাৰী মটৰগাড়ী, মোটা দৰ্মহা ইত্যাদি ইত্যাদি। কিন্তু এইবোৰ তেখেতৰ কাৰণে সম্পদ নহৈ বিপদহে হৈ পৰিল। এনেদৰে হঠাতে ত্যাগৰ জীৱনৰপৰা ভোগৰ জীৱনলৈ তেখেতৰ প্ৰমোচন হোৱাত তেখেতে জীৱনৰ ব্ৰত আৰু ক্ষমতাৰ লোভ দুইটাৰ মাজত সমন্বয় ৰক্ষা কৰাটো দুৰূহ হৈ পৰিল। চিন্তাত পেটত ভাত, চকুত টোপনি নোহোৱা হ'ল। এদিন মানসিক ভাৰসাম্য হেৰুৱাই পেলালে আৰু মহাকালৰ বুকুত নিজক স্বেচ্ছাই ডুবাই দিলে। চিলং পাহাৰৰ সেই কুলক্ষণীয়া দিনটো আছিল ১৯৫৩ চনৰ ২৫ আগষ্ট। পদদলিত জনৰ পৰম বন্ধু অসমীয়া হৈ জন্ম গ্ৰহণ নকৰিও অসমীয়া জাতি আৰু অসম দেশৰ কাৰণে জীৱনাহুতি দি ভাণ্ডাৰীয়ে সমন্বয়-সম্প্ৰীতি আৰু ত্যাগৰ যি আদৰ্শ স্থাপন কৰি থৈ গ'ল তেনে উদাহৰণ আমাৰ দেশত অতি বিৰল।

পাঠকসকলৰ মনত এটি কথাই নিশ্চয় খুন্দিয়াই আছে। সেইটো হৈছে ভাণ্ডাৰীৰ পাৰিবাৰিক জীৱন! ভাণ্ডাৰী ব্ৰহ্মচাৰী নাছিল; গৃহী আছিল। সংসাৰ ধৰ্ম পালন কৰি সংসাৰী হ'লেও প্ৰথম ধুমুহাত তেখেতৰ নাওৰূপী সংসাৰখন আচম্বিতে ডুব গ'ল। অসমলৈ অহাৰ দুবছৰ পিছত, অৰ্থাৎ ১৯৩৮ চনত মহাৰাষ্ট্ৰৰ পৰমা ধাৰ্মিকা, সমাজ-সেৱিকা ব্ৰাহ্মণ কন্যা সুমতি নেৱেলকাৰক বিবাহ

কৰাইছিল। সুমতি মাতৃত্বৰ গৌৰৱ অৰ্জন কৰিয়েই, সন্তানৰ মুখত চুম্বন দিয়াৰ পূৰ্বে প্ৰসৱবেদনাত মৃত্যু বৰণ কৰে। দুৰ্ভাগ্যই অট্টহাস্য কৰি কেইদিনমানৰ পিছতে সন্তানটিকো নিজৰ শীতলি কোঁচলৈ নিলে। ভাণ্ডাৰী শোকে-দুখে মৰ্মাহত হ'ল। এই দাৰুণ আঘাত সহ্য কৰাটো তেখেতৰ পক্ষে অতিশয় কষ্টকৰ হৈ পৰিছিল। মনৰ শোক কিছু পাতলক বুলি আশ্ৰমৰ অন্তৰ্গত হাস্পতালখনৰ নাম সুমতিৰ নামেৰে 'সুমতি সেৱা সদন' ৰাখিছিল।

বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ নেৰানেপেৰা দাবীত ভাণ্ডাৰীয়ে দক্ষিণ ভাৰতৰে সুকন্যা শ্ৰীমতী সাৱিত্ৰী দেৱীৰ ১৯৪১ চনত পাণিগ্ৰহণ কৰিলে। চাৰিগৰাকী কন্যা আৰু এটি পুত্ৰৰ মাতৃ সাৱিত্ৰী দেৱী অসমীয়া বোৱাৰীৰ গৌৰৱেৰে জীৱন নিৰ্বাহ কৰি থাকিব পৰাটো বি. কে. ভাণ্ডাৰীৰ ব্যক্তিত্বৰ গৌৰৱ, অসমীয়া নাৰীৰ সতীত্বৰ গৌৰৱ, অসম আৰু অসমবাসীৰ গৌৰৱ। বি. কে. ভাণ্ডাৰী মাদ্ৰাজী হৈও অসমীয়া, অসমীয়াতকৈও অসমীয়া। ইয়াকে হেনো কয়, "যেতিয়া তুমি ৰোমলৈ যোৱা, তুমি এজন ৰোমান হ'বা।"

সমাজ জীৱনৰ হতাশাই ব্যক্তি জীৱনত আঘাত হানিব পাৰে বুলি মানুহে বিশ্বাস কৰিবলৈ টান পাব। সহকৰ্মী এজনলৈ লিখা চিঠি এখনত তাৰ আভাস পোৱা যায়। চিঠিখনত তেখেতৰ ঈশ্বৰ সন্ধানী মনটোৰ মাজত লুকাই থকা গভীৰ আশাবাদ প্ৰকট হৈছে যদিও তাৰে থিক নবৈ দিন পিছতে কিয় আত্মঘাতী হ'ল, ভাবিবলৈ টান লাগে।

Roseneath College
Shillong 26.5.53

My dear Robi,

I have received your letter of the 2o th instant. I am very much hard worked. When I feel the works are not progressing well I get upset very much.

You are one of my beloved co-workers. I want you to work with me for long if possible for life in the noble caueses that we have taken up. Please not be worried. Keep faith in god and do your best.

your's affectionately
B. K. Bhandari

অক্ষয়কুমাৰ দাস

মহাপুৰুষ দুজনাৰ পূত-পুণ্য পদৰেণুয়ে পবিত্ৰ কৰি থকা বৰপেটা ধাম। কবিৰ বৰ্ণনাত "আকাশত হৰিনাম, বতাহত হৰিনাম; গছে পাতে হৰিনাম গায়।" এনে হেন মৰ্ত্যৰ বৈকুণ্ঠপুৰীত যুগযুগ ধৰি বহুতো পণ্ডিত-গৱেষক, শিক্ষাবিদ্, কবি-সাহিত্যিক, বীৰ-বিপ্লৱীৰ জন্ম হৈ আহিছে। মহাপুৰুষ দুজনাৰ ভক্তিধৰ্মত যাৰ প্ৰাণ নিমজ্জিত, নিৰন্তৰে যাৰ মুখৰপৰা হৰিনাম গুঞ্জৰে, তাতে আকৌ কলিযুগৰ অন্যতম দ্বাৰকাধিপতি স্বৰূপ মহামানৱ মহাত্মা গান্ধীৰ সত্য, প্ৰেম, অহিংসা আৰু সমতাৰ বাণীৰে যাৰ হৃদয় সৰ্বদা অনুৰণিত তেনে এজন সাধুপুৰুষ অক্ষয়কুমাৰ দাসৰ ১৮৯৯ চনৰ এক চ'তত বৰপেটা ধামৰ আমবাৰী হাটীত জন্ম হৈছিল। পিতৃ-মাতৃৰ চাৰিজন পুত্ৰ আৰু চাৰিজনী কন্যাৰ ভিতৰত অক্ষয়কুমাৰ দাস ২য় সন্তান। জন্ম, পৰিবেশ, সুসঙ্গত ধৰ্মীয় আৰু সামাজিক আবেষ্টনিৰ মাজত ডাঙৰ-দীঘল হোৱা অক্ষয়কুমাৰ দাসক বহুতে হেনো 'ধৰ্মযুধিষ্ঠিৰ'ৰ লগত তুলনা কৰি ভাল পাইছিল। বৰপেটা আৰু গুৱাহাটীত সেইজন ঋষিতুল্য ব্যক্তিক একাধিকবাৰ লগ পোৱাৰ এই নিঃকীনৰো সৌভাগ্য ঘটিছিল। জীৱনৰ শেষৰফালে কমলাকান্ত ভট্টাচাৰ্য, বেণুধৰ শৰ্মা আদিৰ দৰে দাসেও দাড়ি খুড়াবলৈ এৰি দিছিল। বৰপেটা সত্ৰৰ চৌহদৰ ভিতৰত জোতা বা চেণ্ডেল তেখেতে কেতিয়াও নিপিন্ধিছিল। কেতিয়াবা দূৰলৈ গ'লে জোতা পিন্ধি আহিলেও সত্ৰৰ চৌহদত গুদা ভৰিৰে খোজ কাঢ়ি জোতাযোৰ হাতত লৈহে গৈছিল; একান্ত বিশ্বাস—সত্ৰৰ চৌহদত মহাপুৰুষ দুজনাৰ পদৰেণু পৰি আছে, মহাপুৰুষৰ পদৰেণু ভক্তজনৰ শিৰৰ

নিৰ্মালি, তাত জোঁতাৰ স্পৰ্শ ভাবিব নোৱাৰা কথা! আজিও বৰপেটা সত্ৰত তেনে আদৰ্শ স্থানীয় ব্যক্তি কিছু নোহোৱা নহয়।

চাল-চলনত 'অক্ষয়বাবু' যেনে সংযত আৰু গজেন্দ্ৰ গম্ভীৰ আছিল, কথা-বতৰাতো অল্পভাষী, গুৰু-গম্ভীৰ আছিল। বৰপেটাৰ পুৰণিচাম ৰাজনীতিক আৰু মুক্তি-যুঁজাৰুৰ ভিতৰত ৰায়চৌধুৰী, কামেশ্বৰ দাস, মধুসূদন দাস, ধনিৰাম তালুকদাৰ, মহেন্দ্ৰমোহন চৌধুৰীৰ লগতে একে উশাহতে অক্ষয় দাসৰ নামটোও উচ্চাৰণ কৰা হয়। অক্ষয়কুমাৰ দাস মানুহজন আছিল সত্যৰ প্ৰতীক, ন্যায়ৰ প্ৰতীক, আৰু এই সত্য আৰু ন্যায়ক ৰক্ষাৰ আৰু প্ৰতিষ্ঠাৰ বাটত তেখেত আছিল ভয়ঙ্কৰ বিপ্লৱী।

অক্ষয়কুমাৰ দাসৰ পিতৃ মনোহৰি দাস আৰু মাক বৃন্দাবনী আদৰ্শ পিতৃ-মাতৃ আৰু পৰম ধাৰ্মিক লোক আছিল। এখন আদৰ্শ ঘৰ, এহাল আদৰ্শ পিতৃ-মাতৃ এটা শিশুৰ ভৱিষ্যতৰ সুনাগৰিক হোৱাৰ প্ৰাৰম্ভিক আদৰ্শ বিদ্যালয়, আদৰ্শ শিক্ষক। দাসে ১৯১৭ চনৰ বৰপেটা হাইস্কুলৰপৰা প্ৰথম বিভাগত প্ৰৱেশিকা, ১৯১৯ চনত কটন কলেজৰপৰা প্ৰথম বিভাগত আই, এ আৰু ১৯২১ চনত ইংৰাজীত অনাৰ্চসহ বি. এ. পাছ কৰে। তাৰ পিছত কলিকতাৰ প্ৰেচিডেন্সি কলেজত ইংৰাজী বিষয়ত এম, এ পঢ়ি থাকোঁতে দেশৰ ৰাজনৈতিক অৱস্থাৰ প্ৰতি আকৃষ্ট হয় আৰু অসহযোগ আন্দোলনত যোগ দিয়ে।

১৯২০ চনৰ আগেয়ে অসমত কংগ্ৰেছ নামৰ কোনো ৰাজনৈতিক সংগঠন নাছিল। 'আসাম এছোচিয়েচন' নামৰ অনুষ্ঠানটিয়ে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ পৌৰোহিত্যত অসমৰ ৰাজনৈতিক চিন্তা-চৰ্চাও কৰিছিল। ১৯১০ চনৰ চেপ্তেম্বৰ মাহত কলিকতাত বহা কংগ্ৰেছ অধিবেশনত মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলনৰ প্ৰস্তাৱ দাঙি ধৰি বৃটিছ চৰকাৰক সাৱধান বাণী শুনাইছিল—"Non-violent Non-co-operation····untill the said

wrongs are righted and Swarajya is established." সেই অধিবেশনৰপৰা কৰ্মবীৰ অসমলৈ উভতি আহি অসমতো অসহযোগ আন্দোলনৰ কাৰ্যসূচী প্ৰচাৰ কৰাৰ কাৰণে বিহিত ব্যৱস্থা হাতত লৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই প্ৰথমে নিজে ওকালতি বৰ্জন কৰি বৰদলৈকো অসহযোগ আন্দোলনৰ প্ৰতি সজাগ কৰি তেখেতকো ওকালতি বৰ্জন কৰিবলৈ সম্মত কৰে। সেই সময়ও দেশপ্ৰাণ-কৰ্মবীৰে 'ৰাম-লক্ষ্মণ'ৰ দৰে এই কাৰ্যত ব্ৰতী হৈছিল। চন্দ্ৰনাথ শৰ্মাৰ বুজনি আৰু পৰামৰ্শ মানি বৰদলৈ ওকালতি বৰ্জন কৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। অসম কংগ্ৰেছৰ সম্পাদক আৰু সহকাৰী সম্পাদকো আছিল ক্ৰমে কৰ্মবীৰ আৰু দেশপ্ৰাণ শৰ্মা।

১৯২০ চনৰ ২৫, ২৬ ডিচেম্বৰত নাগপুৰত বহা All India College Students Conference ত চন্দ্ৰনাথ শৰ্মাই প্ৰতিনিধিত্ব কৰি ঘূৰি আহি গুৱাহাটীৰ পাণ বজাৰৰ হৰিসভাত ১৯২১ চনৰ জানুৱাৰী মাহত 'অসম ছাত্ৰ সন্মিলনী'ৰ এখন জৰুৰী বৈঠক পাতে। সেই বৈঠকতে অসহযোগ আন্দোলনৰ তাৎপৰ্য আৰু কাৰ্যসূচী সম্পৰ্কে বিতং আলোচনা কৰি অসমৰ ছাত্ৰ শক্তিক স্কুল-কলেজ বৰ্জন কৰাৰ বাবে আহ্বান জনাইছিল। প্ৰথমে গুৱাহাটী কটন কলেজৰ ছাত্ৰসকলে কলেজ বৰ্জন কৰি অসমৰ চুকে-কোণে অসহযোগ আন্দোলনৰ প্ৰচাৰকাৰ্য চলাইছিল। ছাত্ৰসকলে কলেজ এৰি আন্দোলনত যোগ দিয়াত তেওঁলোকৰ বেছিভাগৰে থকা-খোৱাৰ অসুবিধা হোৱাত পাণবজাৰৰ ডাঃ হৰিকৃষ্ণ দাসৰ বাসভৱনতে অস্থায়ীভাৱে পতা শিৱিৰত তেওঁলোকে থকা-খোৱা কৰিছিল। কলেজ এৰি আন্দোলনত যোগ দি উক্ত শিৱিৰত আশ্ৰয় লোৱা আন এজন কলেজীয়া ছাত্ৰ আছিল অক্ষয়কুমাৰ দাস।

ডাঃ হৰিকৃষ্ণ দাসৰ মহানুভৱতাৰ কথা তেখেতৰ সম্পৰ্কত লিখা প্ৰবন্ধত ইতিমধ্যে কোৱা হৈছে। এই উদাৰ পিতৃব্য পুৰুষজনে

স্বেচ্ছাসেৱীসকলক অকল আশ্ৰয়েই দিয়া নাছিল, তেওঁলোকৰ খোৱা-থকাৰ তদাৰকো নিজেই কৰিছিল। বৰদলৈ, ফুকন আদিও তালৈ সঘনে আহি স্বেচ্ছাসেৱকসকলৰ খা-খবৰ কৰিছিল আৰু খোৱা-বোৱাৰ যত্ন লৈছিল। এদিন বৰদলৈয়ে এটি বাঘৰ বৰালি মাছ আনি ছাত্ৰসকলৰফালে আগবঢ়াই দি ক'লে—"এতিয়া খোৱাৰ দিহা কৰা, এইয়া নিয়া পয়চা, চাউল-পাতি আনাগৈ।" তাৰ পিছত অক্ষয়কুমাৰ দাস আৰু আন দুজনমান ছাত্ৰক ক'লে—"এতিয়া ফুকনক কেনেকৈ পৰা নমোৱা; নহ'লে এই কাম অকল আমাৰ দ্বাৰা নহ'ব।" পিছদিনা ৰাতিপুৱাই অক্ষয়কুমাৰ দাসে লগৰ দুজনমানক লৈ ফুকনৰ হাউলি পালেগৈ। ফুকন প'টিকত আৰামী চকী এখনত বহি আছিল। দাস আৰু তেখেতৰ লগৰ কেইজনক কাষৰ বেৰাঙ্কীখনতে বহিবলৈ কৈ আগমনৰ কাৰণ সুধিলে। অক্ষয়কুমাৰ দাসে বিনম্ৰভাৱে ফুকনক জনালে যে তেখেতে অসহযোগ আন্দোলনত নামি নেতৃত্ব দিব লাগে। ফুকনে কিছু সময় চিন্তা কৰি, অন্তত ক'লে—"মই এতিয়া একোকে নকওঁ; ভাবি-চিন্তি শেষত ঠিক কৰিম।"

সময় আগবাঢ়িল। ফুকনে ভাবি-চিন্তি কেতিয়ানো তেখেতৰ সিদ্ধান্তৰ কথা জনাই তাৰ বাবে বৰদলৈ প্ৰমুখ্যে কৰ্মীসকলে বাট চাই আছিল। এনেতে ১৯২১ চনৰ ১১ ফেব্ৰুৱাৰী তাৰিখে মাছ-খোৱা ফিল্ডত এখন বৰ ডাঙৰ ৰাজহুৱা সভা অনুষ্ঠিত হ'ল; তাত তৰুণৰাম ফুকনে তেজোদ্দীপক ভাষণ দি ৰাইজক অসহযোগ আন্দোলনত সদলবলে সহযোগ কৰাৰ বাবে আহ্বান জনালে। সেই সভাত গুৱাহাটীত থকা বহুতো মাৰোৱাৰী, বিহাৰীয়েও যোগ দিছিল। বদ্ৰীনাৰায়ণ আগৰৱালা নামৰ মুখ্য মাৰোৱাৰী বণিক এজনে মাদকদ্ৰব্য বৰ্জনৰ ওপৰত এটি ভাষণ দিছিল। সেই সভা স্থলীতে ছিগাৰেটৰ দ'ম এটি কৰি পোৰা হ'ল। 'বন্দে মাতৰম্' ধ্বনি তুলি ৰাইজে আন্দোলনক স্বাগতম্ জনালে। এইদৰে অসহযোগ আন্দোলনৰ পৰিপ্ৰেক্ষিতত অসমৰ সৰ্বশ্ৰেষ্ঠ নেতা দুগৰাকীৰ সান্নিধ্য-

মুখত অক্ষয়কুমাৰ দাসৰ ৰাজনৈতিক জীৱন আৰম্ভ হৈছিল। একে সময়তে বৰপেটাৰ অম্বিকাগিৰী ৰায়চৌধুৰী, ধনিৰাম তালুকদাৰ, দেবেন্দ্ৰনাথ উজীৰ আদিয়েও আন্দোলনত যোগ দি কাৰাবাস খাটে। অৱশ্যে অক্ষয়কুমাৰ দাসে তেতিয়া কাৰাবাস খাটিবলগীয়া নহ'ল। তেখেতে মহাত্মা গান্ধীৰ অমোঘ বাণী গাওঁ অঞ্চলত প্ৰচাৰ কৰি সংগঠনৰ কাম কৰি থাকিল। আঁচনিৰ ভিতৰত বিশেষকৈ মাদকদ্ৰব্য বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জন, অস্পৃশ্যতা বৰ্জন, কপাঁহ খেতি কৰা, খদ্দৰ পৰিধান কৰা আদি প্ৰচাৰ কাৰ্যত দাসে জোৰ দিছিল। এনেবোৰ কাৰ্যত দাস কিদৰে ব্ৰতী হৈছিল তেখেতৰ লেখাত পোৱা যায়—"...অসমত অস্পৃশ্যতা যদিও শ্ৰীশ্ৰীশঙ্কৰদেৱৰ কৃপাত বহু পৰিমাণে আঁতৰিছিল, তথাপি বাকী থকাখিনি আঁতৰোৱা সহজসাধ্য নাছিল। হাতেকটা সূতাঁৰ প্ৰচলন তেতিয়া জীয়াই থকা আৰু আৰু আই শ্ৰেণীৰ অনুগ্ৰহত সহজ হৈছিল। গাৰো-পাহাৰ, মিকিৰ পাহাৰ আদি অঞ্চলৰপৰা কপাঁহ আনি বজাৰত পাওঁনা কৰি দিয়া কামো ভলণ্টিয়াৰসকলে কৰিব লাগিছিল।"

চৌৰিচৌৰাৰ ঘটনাৰ পিছত আন্দোলনে কেইবছৰমান তলকা মৰাৰ সুযোগতে অক্ষয়কুমাৰ দাসে গুৱাহাটী আৰ্ল কলেজৰপৰা ১৯২৫ চনত বি. এল উপাধি লাভ কৰি বৰপেটাত ওকালতি আৰম্ভ কৰে। ওকালতিতকৈ ৰাজনীতিৰ প্ৰতি তেখেতৰ আগ্ৰহ বেছি আছিল। ১৯২১ চনতে তেখেতে চিটি কংগ্ৰেছ কমিটিৰ সম্পাদক আৰু বৰপেটা জিলা কংগ্ৰেছ কমিটিৰ সহকাৰী সম্পাদক নিৰ্বাচিত হৈ দক্ষ্যতাৰ পৰিচয় দিছিল। ১৯২৮ চনত দাসদেৱ বৰপেটা কংগ্ৰেছ কমিটিৰ সম্পাদক নিৰ্বাচিত হয়। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত ২৬-১-৩০ তাৰিখে বৰপেটাৰ কীৰ্তনঘৰৰ প্ৰাঙ্গণত জাতীয় পতাকা উত্তোলন কৰা অভিযোগত দোষী সাব্যস্ত কৰি ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩১ চনৰ ৭ মাৰ্চত স্বাক্ষৰিত 'গান্ধী-আৰউইন' চুক্তি অনুসৰি আন আন ৰাজবন্দীসকলৰ লগত

দাসেও মুক্তি লাভ কৰে। ১৯২৯ চনত দাসদেৱ অসম কংগ্ৰেছ কমিটিৰ কাৰ্যকৰী সভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৩৪ চনত তেওঁেত বৰপেটা পৌৰসভাৰ সভাপতি। ১৯৪২ চনৰ ইংৰাজৰ ভাৰত ত্যাগ আন্দোলনতো অক্ষয়কুমাৰ দাসে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে দেশৰ কামত মনপুতি লাগি থাকিবলগীয়া হোৱাত ওকালতিৰ বিষয়ে বেছি চিন্তা কৰিব নোৱাৰা হোৱাত ১৯৪০ চনত ওকালতি চিৰজীৱনৰ কাৰণে বাদ দিয়ে। ১৯৪২ চনৰ আন্দোলনৰ সময়ত দাস বৰপেটা কংগ্ৰেছ কমিটিৰ সভাপতি আৰু মহেন্দ্ৰমোহন চৌধুৰী সম্পাদক আছিল। গান্ধীবাদী নেতা দুজনে বৰপেটাৰ আশেপাশে আদৰ্শ পাম এখন পতাৰ চিন্তা কৰিছিল। এনেতে বৰনগৰৰ কমাৰগাওঁ নিবাসী মোহনচন্দ্ৰ ভকতে প্ৰায় দহবিঘা মাটি দান কৰাত তাতে 'কমাৰগাওঁ গান্ধী আশ্ৰম' নামেৰে এখন আশ্ৰম খোলা হ'ল। সৰভোগ নিবাসী, চিন্তাশীল লেখক আৰু শিক্ষক-শিক্ষাবিদ্ চিন্তাহৰণ পাটগিৰিদেৱ উক্ত আশ্ৰমৰ পৰিচালনা সমিতিৰ অন্যতম মুখ্য উপদেষ্টা আছিল। আশ্ৰমখন স্বয়ং-সম্পূৰ্ণ কৰাৰ কাৰণে চৌধুৰী, দাস আৰু পাটগিৰি অহৰহ চেষ্টা কৰিছিল। বজালী অঞ্চলৰ ওৱাৰ্দ্ধাৰপৰা……পশিক্ষণ লৈ অহা প্ৰবীণ কৰ্মী ডাঃ প্ৰিয়নাথ শৰ্মাক আশ্ৰমখনিৰ অধ্যক্ষ হিচাপে নিযুক্ত কৰা হৈছিল। এই আশ্ৰমখনিত খাদী গ্ৰামোদ্যোগৰ আঁচনিৰ প্ৰায়বোৰ শাখা খোলা হৈছিল, লগতে এই অনুষ্ঠানটোৱে ভৈয়ামৰ জাতি-জনজাতি সকলো সম্প্ৰদায়ৰ লোকৰ মাজত সম্প্ৰীতি গঢ়াত আৰু কংগ্ৰেছ সংগঠনটোক শক্তিশালী কৰাত সহায় কৰিছিল।

১৯৩৯-৪০ চনত দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ লগে লাগে বৃটিছ চৰকাৰে ভাৰতীয়সকলক যুদ্ধকালীন সহায় খুজিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছে দেশৰ শত্ৰু বৃটিছক কোনোপধ্যে সহায় কৰিবলৈ ৰাজি নাছিল। ফলত ১৯৪০ চনৰ ১১ ডিচেম্বৰ তাৰিখে সমগ্ৰদেশত যুদ্ধবিৰোধী ধ্বনি তুলিছিল। অসমত এই সত্যাগ্ৰহৰ

শুভ উদ্বোধন কৰে গুৱাহাটীৰ কাছাৰীৰ সন্মুখত অজস্ৰ জনতাৰ হৰ্ষধ্বনিৰ মাজত লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে। এই আন্দোলনৰ সন্দৰ্ভত ২৭-১১-৪২ তাৰিখে বৰপেটাত সত্যাগ্ৰহ কৰি অক্ষয়কুমাৰ দাসে এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দ্বিতীয় বিশ্বযুদ্ধই সংহাৰ মূৰ্ত্তি ধাৰণ কৰিলে। চিঙ্গাপুৰ, ইম্ফল, ডিমাপুৰ, কহিমা আদিত যুদ্ধৰ বোমা পৰিল। জাপানী বোমাৰু উৰাজাহাজে আকাশমাৰ্গ আচ্ছন্ন কৰি পেলালে। বোমাৰ ধ্বংস-ক্ৰিয়াৰ ফলত ধন-প্ৰাণৰ বিস্তৰ ক্ষতি হ'ল। অসমৰ অৱস্থাও অতি সঙ্কটপূৰ্ণ হৈছিল। ইতিমধ্যে অসমলৈ শৰণাৰ্থীৰ লানি নিছিগা ধাৰ ববলৈ ধৰিলে। তেনে অৱস্থাত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে ৰাজ্যিক আৰু জিলাভিত্তিত শান্তি-সেনা বাহিনীৰ প্ৰশিক্ষণৰ ক্ষিপ্ৰগতিৰে ব্যৱস্থা ললে। নকলেও হ'ব যে এই শান্তি-সেনা বাহিনীৰ মূল ভেটি আছিল কংগ্ৰেছৰ স্বেচ্ছাসেৱকদল।

অসমৰ আন আন ঠাইৰ দৰে বৰপেটাতো শান্তি-সেনা বাহিনী গঠনৰ যো-জা চলিছিল। এনে সময়তে অক্ষয়কুমাৰ দাসৰ জেলৰ ম্যাদ উকলি যোৱাত বৰপেটালৈ আহি এই কামত উঠিপৰি লাগিল। এই কাৰ্যত তেখেতৰ সোঁহাত স্বৰূপ আছিল মহেন্দ্ৰমোহন চৌধুৰী আৰু আন তুজন পালি সেনাপতি আছিল "এম্পাৰাৰ ভাৰ্চেজ নবদ্বীপ বঞ্জন পাটগিৰি" ঐতিহাসিক ঘটনাৰ নায়ক পাটগিৰি ডাঙৰীয়া আৰু তুৰ্গেশ্বৰ দাস। গতিকে দাস, চৌধুৰী, পাটগিৰি আৰু তুৰ্গাদাসৰ অহোপুৰুষাৰ্থৰ ফলত বৰপেটা বৰনগৰ অঞ্চলত এটি শক্তিশালী সেনাবাহিনী গঠন হৈছিল।

আন এটি তুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছিল সৰভোগৰ ওচৰৰ বেঁকী নদীৰ পাৰত। তাত ইংৰাজসকলে সামৰিক ঘাটি পতাৰ কাৰণে বিমানকোঠ এটা নিৰ্মাণৰ যুদ্ধকালীন ব্যৱস্থা লৈছিল। কেইদিনমানৰ ভিতৰত মিলিটাৰীৰে বেঁকী নদীৰ পাৰৰ প্ৰকাণ্ড চৰণীয়া পথাৰখন ভৰি পৰিল। জাপানী সৈন্যদলে ইম্ফল,

ডিমাপুৰ পাৰ হৈ পশ্চিমৰ পিনে অগ্ৰসৰ হ'লে সৰভোগৰ এই বিমান ঘাটিৰপৰা ইংৰাজে বাধা দিয়াৰ অভিপ্ৰায়েৰে এই বিমানকোঠ নিৰ্মাণ কৰাত জোৰ দিছিল। কিন্তু শান্তি-সেনা বাহিনীয়ে এই বিমান ঘাটিটোৰপৰা সুদূৰ প্ৰসাৰি কি বিষক্ৰিয়া হ'ব পাৰে তাৰে চিন্তা কৰি ঘাটি পতাত বাধা দিছিল, পিকেটিং চলাইছিল ইত্যাদি। শেহান্তত ১৯৪২ চনৰ ২৬ আগষ্টৰ নিশা বিমান ঘাটিত অগ্নি সংযোগ কৰি ভস্মীভূত কৰা হ'ল। ৩০ আগষ্টৰ দিনাৰপৰা পুলিছে শান্তি-সেনা বাহিনীৰ লোকক জধে-মধে গ্ৰেপ্তাৰ কৰি শাস্তি বিহিবলৈ ধৰিলে। ইয়াৰ প্ৰতিবাদ জনাই অন্তৰীণ হৈ থকা অক্ষয়কুমাৰ দাস আৰু মহেন্দ্ৰমোহন চৌধুৰী বৃটিছৰ আদেশ উলঙ্ঘা কৰি বৰপেটাৰ সীমা চেৰাই সৰভোগ পালে। সৰভোগৰ এই বিমানকোঠ ধ্বংস কৰাৰ গুৰিত আছিল ব্ৰজনাথ শৰ্মা, নবদ্বীপ ৰঞ্জন পাটগিৰি, নন্দমোহন মজুমদাৰ, গোলোক পাঠক, মাজাৰাম দাস, বলাইৰাম পৰমাণিক প্ৰমুখ্যে কেবাজনো বিপ্লৱী যুৱক।

ব্ৰজনাথ শৰ্মাৰ নেতৃত্বত সামৰিক বাহিনীটো গঠন কৰি বৃটিছৰ লগত যুঁজ দিয়াৰ প্ৰস্তুতি চলোৱা হৈছিল। তেখেতৰ গেৰিলা বাহিনীটোত নেপালী, কুলি আৰু ভূটান সীমান্তবৰ্তী পাহাৰী লোক বহুতো আছিল। এই বাহিনীটোৰ ঘাই আড্ডা আছিল ৰঙাপাৰা।

সৰভোগৰ বিমানঘাটি ধ্বংস কৰা কামত অভিযুক্ত কৰি পাটগিৰি, মজুমদাৰ প্ৰমুখ্যে কেবাজনকো গ্ৰেপ্তাৰ কৰি ৩১ আগষ্টৰ দিনা গুৱাহাটীলৈ চালানদি কাৰাগাৰবাস দিলে। পলাতক হৈ থকা ব্ৰজনাথ শৰ্মাক ১৯৪৩ চনৰ ৮ জুলাইৰ দিনা গ্ৰেপ্তাৰ কৰা হৈছিল যদিও প্ৰমাণৰ অভাৱত তেখেতৰ কাৰাবাস নহ'ল। তেখেতক জামিন বন্দী কৰি ৰখা হৈছিল।

১৯৪২ চনৰ কাৰাবাসৰপৰা আহি অক্ষয়কুমাৰ দাসে বৰপেটা অঞ্চলটোৰ সামাজিক উন্নয়নমূলক কামত উঠিপৰি লাগে। ১৯৪৫

চনত তেখেতে প্ৰথমবাৰৰ কাৰণে কংগ্ৰেছ প্ৰাৰ্থী হিচাপে লোকেল-বোৰ্ডৰ সভাপতি হয় আৰু ১৯৫০ চনলৈকে মান-মৰ্যাদা সহকাৰে সেই গুৰু দায়িত্ব পালন কৰে। সেই সময়ছোৱাৰ ভিতৰতে তেখেতে বৰপেটা স্কুল বোৰ্ডৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। দেশ স্বাধীন হোৱাৰ পিছত ১৯৫২ আৰু ১৯৬২ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে সৰভোগ সমষ্টিৰপৰা দুবাৰো অসম বিধান সভালৈ নিৰ্বাচিত হয়। ১৯৫৮ চনত তেখেত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ-সভাপতি আৰু ১৯৬৪ চনত বৰপেটা মহকুমা পৰিষদৰ সভাপতি নিৰ্বাচিত হয়। তেখেতৰ ৰাজনৈতিক জীৱনৰ শেষ পদবী হিচাপে ১৯৬৭ চনত বৰপেটা জিলা কংগ্ৰেছৰ পুনৰ সভাপতি নিৰ্বাচিত হৈছিল।

ৰাজনৈতিক জীৱনেই হওঁক, সামাজিক জীৱনেই হওঁক বা ব্যক্তিগত জীৱনেই হওঁক দাস ডাঙৰীয়াই সত্য, অহিংসা, প্ৰেম আৰু সাম্য-মৈত্ৰী ভাৱক আগত স্থান দিছিল। তেখেতৰ কথা আৰু কামৰ মাজত কোনো প্ৰকাৰৰ প্ৰভেদ নাছিল। এবাৰ তেখেতৰে পৰম অনুগামী, ৰাজনৈতিক সহবন্দী, তদুপৰি নিজৰ ভাগিন ল'ৰা এজনে, দেশ স্বাধীন হোৱাৰ পিছত এ. চি. এছ পৰীক্ষা দিয়াৰ কাৰণে এখন Character Certificate বিচাৰি যোৱাত দাসে অতি মিতব্যয়ী ভাষাৰে চৰিত্ৰ-প্ৰমাণপত্ৰত লিখিলে—"I know nothing against his character."

দহ বছৰকাল বিধান সভাৰ সদস্য হৈ থকা কালত দাস ৰাজ্যিক পৰ্যায়ৰ ভালেমান অনুষ্ঠানৰ তদন্ত আয়োগৰ সভ্য আছিল। তেখেত অসম চৰকাৰৰ পঞ্চায়ত তদন্ত সমিতি আৰু কেন্দ্ৰীয় চৰকাৰৰ মৰাপাট কমিটিৰ সদস্য আছিল। দাস ডাঙৰীয়া Public Accounts Committeeৰ সদস্য, গিৰীশ বিদ্যাপীঠ ট্ৰাষ্টবোৰ্ডৰ সভাপতি, বৰপেটা হাউলী কলেজৰ পৰিচালনা কমিটিৰ সভাপতিও আছিল।

অক্ষয়কুমাৰ দাস পৰিধানত সদায় লাসবিলাসহীন আছিল। খদ্দৰৰ ভুনি-চোলা আৰু চাদৰ ব্যৱহাৰ কৰিছিল। সদায় ঘৰত নিয়মিতভাৱে ওৱার্দ্ধা যঁতৰত সূতা কটাটো অভ্যাসত পৰিণত হৈছিল। আহাৰ আদিৰ বিষয়তো তেখেত অনাড়ম্বৰ আৰু মিতব্যয়ী আছিল। সাংসাৰিক জীৱনত তেখেত সুখী আছিল। বৰপেটাৰ সম্ভ্ৰান্ত ব্যক্তি চণ্ডীচৰণ কাকতিৰ তৃতীয়া জীয়াৰী গিৰিবালাৰ লগত তেখেতৰ বিবাহ হৈছিল। পত্নীয়ে দুগৰাকী কন্যা আৰু এজন পুত্ৰ এৰি ১৯৪৬ চনতে হঠাৎ সংসাৰ ত্যাগ কৰে। কিন্তু আদর্শ পুৰুষ দাসে দ্বিতীয়বাৰ বিবাহ নকৰাই সন্তান কেইটাক নিজ হাতে লালন-পালন কৰি মানুহ কৰাত ব্ৰতী হৈছিল। তেখেতৰ প্ৰথম জেঁৱাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মূৰব্বী অধ্যাপক তথা অন্যতম্ শ্ৰেষ্ঠ পণ্ডিত, গৱেষক ডক্টৰ প্ৰতাপচন্দ্ৰ চৌধুৰী। তেখেতৰ একমাত্ৰ পুত্ৰ ব্ৰজেন্দ্ৰ কুমাৰ দাস এগৰাকী প্ৰৱীণ ন্যায়াধীশ।

বৰপেটা সত্ৰৰ পৰিৱেশ আৰু প্ৰভাৱত থাকি অক্ষয়কুমাৰ দাসে ছাত্ৰাৱস্থাৰেপৰা গীত-বৰগীত অনুশীলন কৰিছিল। শঙ্কৰী কলা-কৃষ্টিৰ অন্যতম সাধক দয়ালচন্দ্ৰ সূত্ৰধাৰৰ লগত তেখেতসকলৰ ৰক্তৰ সম্পর্ক আছিল আৰু সম্বন্ধত সূত্ৰধাৰ দাসৰ ককায়েক আছিল। কাজেই বংশৰ উত্তৰাধিকাৰীসূত্ৰেই অক্ষয়কুমাৰ দাসে বৰগীত ভাল-দৰে আয়ত্ত কৰিছিল। এইগৰাকী মহান ব্যক্তিৰ পূর্ণ বয়স, ৮১ বছৰত, ১৯৮০ চনত (১৩৮৬ শকৰ ২১ পুহত) পৰলোক প্ৰাপ্তি ঘটে।

'আমাৰ হেম বৰুৱা'

কুৰি শতিকাৰ আগে-ভাগে অসমত কেবাগৰাকী সুপ্ৰসিদ্ধ 'হেম বৰুৱাৰ জন্ম হৈছিল : ডাক্তৰ হেম বৰুৱা, ত্যাগবীৰ হেম বৰুৱা, অধ্যক্ষ হেম বৰুৱা। এখেতে সকলৰ পূৰ্বসূৰী আৰু এজন প্ৰখ্যাত হেম বৰুৱা আছিল 'হেমকোষ প্ৰণেতা হেম বৰুৱা'। ওপৰত উল্লেখ কৰা প্ৰতিজন হেম বৰুৱাই গুণকৰ্মৰ ফলত নিজৰ নাম জাউতি-যুগীয়া কৰি থৈ গৈছে। নিজ্-নিজ্ কৰ্মক্ষেত্ৰত প্ৰত্যেজনেই ডাঙৰ আছিল ; তাৰ্ত সন্দেহৰ অৱকাশ নাই।

আমাৰ আলোচ্য হেম বৰুৱাজন হৈছে উত্তৰ গুৱাহাটীৰ নামজাদা ভঁৰালী বৰুৱা বংশৰ তিলক, বিনন্দী ৰাম শৰ্মা বৰুৱাৰ পুত্ৰ হেমকান্ত শৰ্মা বৰুৱা ওৰফে, হেম বৰুৱা, বি. বৰুৱা কলেজৰ প্ৰাক্তন অধ্যক্ষ হেম বৰুৱা, বাগ্মী সংসদী সদস্য হেম বৰুৱা, অগ্ৰণী আধুনিক কবি হেম বৰুৱা, প্ৰৱীণ সাহিত্যিক-সমালোচক হেম বৰুৱা, অসম সাহিত্য সভাৰ ৩৯তম ধুবুৰী অধিবেশনৰ ভূতপূৰ্ব সভাপতি হেম বৰুৱা, 'পছোৱা'ৰ সুযোগ্য সম্পাদক হেম বৰুৱা, সাগৰ দেখিছাৰ লেখক হেমবৰুৱা, জনমানসৰ সৰ্বজন প্ৰিয়, সৰ্বজন সমাদৃত হেম বৰুৱা, অসম আৰু অসমীয়াৰ জাতীয় স্বাৰ্থৰক্ষাৰ সংগ্ৰামত সিংহ বিক্ৰমেৰে জপিয়াই পৰি দিল্লী কপোঁৱা হেম বৰুৱা আৰু নলবাৰীৰ ৰাইজৰ প্ৰাণৰো প্ৰাণৰ **'আমাৰ হেম বৰুৱা'**। এইজন হেম বৰুৱাই ১৯৫৭ চনৰ পৰা ১৯৭০ চনলৈকে একেধাৰে চৈধ্য বছৰ উত্তৰ-কামৰূপ নলবাৰী অঞ্চলৰ ৰাইজৰ পৰা অভূতপূৰ্ণ সমৰ্থত নিৰ্বাচিত হৈ দিল্লী সংসদ ভৱনত অসমৰ সমস্যা ভাৰতৰ সমস্যা, বিশ্বৰ সমস্যা সমাধান কৰাত আগভাগ লৈ প্ৰধান মন্ত্ৰী নেহৰু, আচাৰ্য কৃপালনী, ভি, কে.

কৃষ্ণ মেনন, অশোক মেহতা আদিৰ শাৰীৰ বাগ্মী আৰু ৰাজনৈতিক জ্ঞানসম্পন্ন সংসদী সদস্য বুলি সমগ্ৰ ভাৰতবৰ্ষৰ দৃষ্টি আকৰ্ষণ কৰিছিল। বিৰোধী পক্ষ্যত নথকা হ'লে হইতো সিসকলৰ এজনৰ দৰে ৰাজ-ক্ষমতা, ৰাজ সন্মান অনায়াসে ভোগ কৰিব পাৰিলেহেতেন! বিৰোধী পক্ষত নাথাকি গোপীনাথ বৰদলৈৰ আমন্ত্ৰণক্ৰমে অসম কংগ্ৰেছত যোগ দিয়া হ'লেও, কোনে জানে বৰদলৈ বা মেধিৰ যোগ্যতম উত্তৰাধিকাৰী হেম বৰুৱাই হলহেতেন! খৰস্ৰোতৰ বীপৰিতে সাতোঁৰা হেম বৰুৱা নেহৰুৰ প্ৰিয়ভাজন তথা বিশিষ্ট বন্ধুভাৱাপন্ন লোক হৈও সংসদত যুক্তি তৰ্কেৰে স্বয়ং নেহৰুকো থকা-সৰকা কৰিছিল। কে, ডি. মালব্যৰ দৰে ক্ষমাশালী লোকজনকো তেওঁৰ কেলেঙ্কাৰীৰ কথা সংসদত প্ৰমাণিত কৰি কেৱল হেম বৰুৱাইহে কেন্দ্ৰীয় মন্ত্ৰী সভাৰ পৰা তেওঁক আতঁৰ কৰিব পাৰিছিল।

সংসদত কলঙ্গো প্ৰস্তাৱ লৈ হোৱা বিতৰ্কমূলক প্ৰস্তাৱত হেম বৰুৱাই হেনো প্ৰতি মিনিটত ২৮৫ টাকৈ দাঁত ভঙা ইংৰাজী শব্দেৰে প্ৰায় এবেলা ভাষণ দি নেহৰুক তৰ্কৰ জালেৰে মেৰাই পেলাইছিল। শেষও নেহৰুৱে ধৈৰ্যচ্যুত হৈ টেবিলত জোৰেৰে ভুকু এটা মাৰি নিজৰ মতৰ দৃঢ়তা প্ৰমাণ কৰিবলৈ চেষ্টা কৰাত 'আমাৰ হেম বৰুৱা'ই দ্বিগুণ জোৰেৰে টেবিলত আন এটা ভুকু মাৰি নিজৰ বিশাল ব্যক্তিত্ব আৰু সাহসৰ পৰিচয় দিছিল। অৱশ্যে হেম বৰুৱাৰ ঘড়ীৰ গ্লাছখন ভাঙিছিল। এই ঐতিহাসিক ঘটনাটোৰ সম্পৰ্কত 'আনন্দ বাজাৰ পত্ৰিকা'ই মন্তব্য কৰিছিল—'লোক সভাৰ একজন নাম কৰা বিৰোধী দলের সদস্য, প্ৰজাসোসেয়েলিষ্ট নেতা হেম বৰুৱা মহাশয়ের হাত ঘড়িৰ কাঁচও সেদিন ভেঙেছে। কিন্তু হাজাৰ বাৰ হাজাৰ ঘড়িৰ কাঁচ আছাব খেয়ে ভাঙলেও তাৰ হয়তো কোনো অৰ্থপূৰ্ণ ইঙ্গিত খুজে পাওয়া যেতো না, যদিও অৰ্থ দণ্ডের গুৰুত্বটো বুঝা যায় বৈকি। শ্ৰীহেম বৰুৱাৰ ঘড়িৰ কাঁচ ভেঙেছে প্ৰধান মন্ত্ৰী নেহৰুৰ সঙ্গে পাঞ্জা

লড়তে গিয়ে। ৰাজনৈতিক পাপ্পা।”.........“নেহৰুৰ হাতেও ঘড়ি ছিল। কাঁচ ভেঙেনি। কিন্তু হেম বৰুৱাৰ ঘড়িৰ কাঁচ ভেঙে গেল। ঐ একই সঙ্গে সেদিন কংগ্ৰেছ ও অকমিউনিষ্ট বিৰোধী দলেৰ একতাও ভেঙে হ’ল চূড়মাৰ; চীনেৰ ভাৰত আক্ৰমণ নিয়ে যে একতা গড়ে উঠেছিল ২০ শে অক্টোবৰেব পৰ। ঘড়িৰ কাঁচ দোকানে পাওয়া যায়; আনটিৰ দোকান ৰাজনৈতিক বাজাৰে আজিও স্থাপিত হয়নি।”

আমাৰ আলোচ্য এইজন হেম বৰুৱাই ১৯১৫ চনৰ ২২ এপ্ৰিল তাৰিখে তেজপুৰৰ চুখীয়া-নিছলা পৰিয়াল এটিত জন্ম গ্ৰহণ কৰিছিল। তেখেতৰ পূৰ্বপুৰুষ গদাধৰ উপাধ্যায়ৰ বংশধৰ কৃষ্ণৰাম বৰভাণ্ডাৰ বৰুৱা বৃটিছৰ দিনৰ এজন প্ৰতিভাশালী লোক আছিল। কৃষ্ণৰামৰ দুই পুত্ৰ ঈশৰাম আৰু বিজয়ৰাম। বিজয়ৰামৰ দুই পুত্ৰ ভোলাৰাম, বিনন্দীৰাম। বিনন্দীৰামৰ পুত্ৰই হ’ল অধ্যক্ষ হেম বৰুৱা। সাধাৰণ শিক্ষিত বিনন্দী শৰ্মাবৰুৱাই প্ৰথমে ডাকপিয়ন, পিছত তেজপুৰ জাহাজঘাটৰ টিকট বেচা কেৰাণী আৰু শেষত চাৰ্ এজেণ্ট হৈছিল। সাতজন ভাই-ভনীৰ ভিতৰত হেম বৰুৱা জ্যেষ্ঠ আৰু অতি মৰমৰ আছিল।

যোৰহাটৰ মোমায়েকৰ ঘৰত থাকি হেম বৰুৱাই শিক্ষা জীৱনৰ পাতনি মেলে। ১৯২৪ চনত তৰাজান পাঠশালা স্কুলৰ পৰা প্ৰাইমাৰী শিক্ষা শেষ কৰি যোৰহাট টাউন এম, ই স্কুলত নাম ভৰ্ত্তি কৰে। আৰ্থিক অভাৱ অনাটনৰ কাৰণে ব্যৱসায় কৰাৰ অভিপ্ৰায়েৰে এদিন ৰাজআলিৰ কাষত পেকিং বাকচ্ এটি লৈ তামোল-পাণ, কল আদিৰ সামান্য দোকান এখনো দিছিল। বুঢ়ীমাকৰ ইচ্ছা ল’ৰাই ভৱিষ্যতে বেহা-বেপাৰ কৰি পেট পুহিব লাগিব যেতিয়া এতিয়াৰ পৰাই ব্যৱসায়ত লগা ভাল। কিন্তু বিনন্দী বৰুৱাই পুতেকক নি পুনৰ স্কুলত নাম লগাই দিলে। ফলত ১৯২৮ চনত ইংৰাজীত শতকৰা আশী নম্বৰ পাই প্ৰথম বিভাগত এম, ই পৰীক্ষা পাছ কৰিলে। তাৰ

পিছত যোৰহাট মিচন হাইস্কুলত পঢ়িবলৈ গৈছিল যদিও পিছত তেজপুৰলৈ আহি ১৯৩২ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। হাইস্কুলত পঢ়ি থাকোঁতে 'উষা ছাত্ৰ সভা'ৰ সদস্য ভুক্ত হৈ দেওবৰীয়া আলোচনা চক্ৰত অংশ গ্ৰহণ কৰি এদিন 'দুৰ্যোধন'ৰ ওপৰত আকস্মিক বক্তৃতা দি উৎসাহিত হয়। এবাৰ নৱমমানৰ ছাত্ৰ হেম বৰুৱাই ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দি পুলিছৰ মাৰ খায় আৰু তেতিয়াৰপৰা দেশ স্বাধীন কৰাৰ অদম্য প্ৰেৰণাই তেখেতৰ অন্তৰত গভীৰ সাঁচ পেলায়। ইতিমধ্যে ১৯৩৪ চনত কটন কলেজৰ পৰা প্ৰথম বিভাগত আই, এ আৰু ১৯৩৬ চনত ইংৰাজী সাহিত্যত অৰ্নাচ সহ স্নাতক উপাধি লাভ কৰে। কলেজত পঢ়ি থাকোঁতে বৰুৱাই এজন সুবক্তা আৰু যুক্তিবাদী তাৰ্কিক হিচাপে খ্যাতি লাভ কৰে। ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰপৰা ইংৰাজী সাহিত্যত দ্বিতীয় শ্ৰেণী লৈ এম. এ. পাছ কৰে।

পিতৃদেৱৰ ইচ্ছা আছিল পুতেক হাকিম হৈ বংশৰ নাম উজ্বল কৰক। হাকিম কৰাৰ আশাত এদিন পিতাকে দুকুৰি টকা পুতেক হেমক ছুট এযোৰ কিনি ল'বকৈ দিছিল। কিন্তু মহাত্মাৰ দৰ্শনত পুৰিপুষ্ট হেম বৰুৱাই ছুটৰ পৰিবৰ্তে শুদ্ধ শুক্ল খদ্দৰৰ ধুতি-পাঞ্জাৱীহে ল'লে। যেই এবাৰ ধুতি-পাঞ্জাৱী পৰিধান কৰিলে জীৱনৰ শেষ মুহূৰ্তলৈকে তাক নেৰিলে, অৱশ্যে আঁঠুৰ তললৈ বৈ পৰা পাঞ্জাৱী হলৌ চোলাটোৰ বুকুৰ ফালে তামোলৰ পিকৰ সৰিয়হ গুটীয়া, মাহ গুটীয়া ৰঙা দাগ প্ৰায়েই দেখা গৈছিল। অৱশ্যে শীতকালত ডিঙিৰ পৰা কঁকাললৈকে বৈ পৰা ছুটি এড়ি চাদৰ এখন লৈছিল। পিছলৈকো সেই যোৰ অনাড়ম্বৰ পোছাকেৰে অধ্যক্ষ হেম বৰুৱাই দেশ-বিদেশ ভ্ৰমণ কৰি ফুৰিছিল। কোৱা বাহুল্য যে কলেজ পোৱাৰ আগলৈকে ছাত্ৰ হেম বৰুৱাই চেণ্ডেল এযোৰো যোগাৰ কৰি ল'ব পৰা নাছিল।

স্নাতকোত্তৰ উপাধি লাভ কৰাৰ পিছত হেম বৰুৱাই কিছুদিন নিবনুৱা জীৱন কটাবলগীয়া হোৱাত সেই সময়ছোৱাতে সাহিত্য চৰ্চাৰ প্ৰতি মনোনিৱেশ কৰিছিল। অৱশ্যে এম, এ পঢ়ি থাকোঁতেই 'হিয়াৰ মিলন' নামৰ তেখেতৰ প্ৰথম চুটি গল্পটো আৱাহন আলোচনীত প্ৰকাশ পাইছিল। হেম বৰুৱাৰ সাহিত্য ক্ষেত্ৰৰ প্ৰতি কিদৰে আকৰ্ষিত হৈছিল তাৰ এটি সৰু যদিও গুৰুত্বপূৰ্ণ ঘটনা আছে। নিবনুৱা হেম বৰুৱাই এদিন আৱাহনৰ গল্প-প্ৰবন্ধ সম্পৰ্কে অনানুষ্ঠানিক বৈঠকত কটু সমালোচনা কৰাত এজন মেধাৱী তথা সংসাহসী শ্ৰোতাই হঠাতে হেম বৰুৱালৈ লক্ষ্য কৰি ক'লে, "হেৰি, এইবোৰ মানুহে কিবা এটা নহয় কিবা এটা কৰিছেই, আপুনি এম, এ পাছ কৰি কৰিছে কিটো? নিজে নিলিখে কিয়?" এইটো জানো হেম বৰুৱাৰ দৰে বুদ্ধিমত্তাৰ লোকৰ প্ৰতি এলাপেচা আক্ৰমণ আছিল! এই ঘটনাৰ পিছৰপৰা সাহিত্য চৰ্চাৰ প্ৰতি হেম বৰুৱাৰ জিদ্ বাঢ়িল। প্ৰথম শ্ৰেণীৰ সংসদী সদস্য, ৰাজনীতিবিদ্ হোৱাৰ উপৰিও ওবে জীৱন সাধনা কৰি ডেৰকুৰিখনতকৈও অধিক অসমীয়া, ইংৰাজী গ্ৰন্থ লিখিলে, অসম সাহিত্য সভাৰ নিচিনা মহান অনুষ্ঠান এটিৰ সভাপতিৰ আসন অলঙ্কৃত কৰিলে; ডক্টৰ সৰ্বপল্লী ৰাধাকৃষ্ণন, পণ্ডিত জৱাহৰলাল নেহৰু, লালবাহাদুৰ শাস্ত্ৰী হুমায়ুন কবীৰ, এম, চি, চাগলা আদিৰ দৰে পণ্ডিত-মনীষাৰপৰা ভূয়সী প্ৰশংসা পালে। ৰাধাকৃষ্ণনে হেম বৰুৱাক কৈছিল—"তুমি যে লিখা মই তাৰ বাবে ৰং পাইছো। লেখাৰ বাহিৰে আন একোৱেই চিৰস্থায়ী নহয়।" "I am glad that you write, nothing ultimately lasts except your writing."

হেম বৰুৱাই অসমীয়া আধুনিক কবিতাৰ বাটকটীয়া বুলি গৌৰৱ অৰ্জন হয়তো কৰিব নোৱাৰে, কিয়নো তেখেতৰ আগতে এই কামত সাধাৰণভাৱে হ'লেও হাত দিছিল অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু কমল নাৰায়ণদেৱে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ উদ্যোগত

প্ৰতিষ্ঠিত আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু কমল নাৰায়ণ দেৱৰ দ্বাৰা সম্পাদিত 'জয়ন্তী' আলোচনীত আধুনিক কবিতাই অঙ্কুৰ মেলিছিল যদিও হেম বৰুৱাৰ 'বান্দৰ' নামৰ কবিতাটি আধুনিক কবিতাৰ প্ৰয়োজনীয় সকলো বৈশিষ্ট্যৰ দ্বাৰা পৰিপুষ্ট হৈ উঠে। সমসাময়িক-ভাৱে ডক্টৰ মহেশ্বৰ নেওগৰ 'অন্ত্যজা' নামৰ উচ্চ স্তৰৰ আধুনিক কবিতা এটিও বাঁহীত প্ৰকাশ পাইছিল। তাৰ পিছত হেম বৰুৱাৰ দ্বাৰা সম্পাদিত 'পছোৱা' আলোচনীত আধুনিক কবিতাই পূৰ্ণ যৌৱন লাভ কৰে। অৱশ্যে পছোৱাৰ আয়ুস মাত্ৰ এবছৰ যদিও সেই অলপীয়া কালছোৱাতে পছোৱাই অসমীয়া আধুনিক কবিতা, চুটি গল্প, সমালোচনা সাহিত্য, গধুৰ প্ৰবন্ধ, অনুবাদ সাহিত্য আদিহে উল্লেখযোগ্য বৰঙণি আগবঢ়াবলৈ সমৰ্থ হৈছিল। পছোৱাত চক্ৰেশ্বৰ ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, বীৰেণ বৰকটকী, হৰি বৰকাকতি, নৱকান্ত বৰুৱা, নলিনীধৰ ভট্টাচাৰ্য, কমল নাৰায়ণ চৌধুৰী, হোমেন বৰগোহাঁই, ঘনকান্ত চেতিয়া ফুকন, ৰবীন গোহাঁই, বিদ্যাধৰ হাজৰিকা আৰু বহুতৰ কবিতা প্ৰকাশ পাইছিল। পছোৱাত হেম বৰুৱাই 'স্বৰ্ণ বৰুৱা' ছদ্ম নামত আধুনিক কবিতা লেখিছিল। পছোৱাই আধুনিক কবিতা, সমালোচনা সাহিত্যত পছোৱা অনাৰ পিছত ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত ৰামধেনুত আধুনিক কবিতা, চুটি গল্প, উপন্যাস আদিৰ বাৰিষাৰ ঢল নামিছিল।

১৯৭৩ চনত চতুৰ্থবাৰ হেম বৰুৱা মঙ্গলদৈ সমষ্টিৰপৰা সংসদী সদস্য হিচাপে থিয় দি ভোটৰ যুঁজত নহয় যেনিবা টকাৰ যুঁজত হাৰিব লগীয়া হয়। তাৰ পিছৰেপৰা হেম বৰুৱাৰ প্ৰথমে মনৰ, ক্ৰমে স্বাস্থ্যৰ অৱনতি ঘটে। সেই সময়ছোৱাত গুৱাহাটীত তেখেতৰ সম্পাদনাত 'আসাম এক্সপ্ৰেছ' নামৰ এখন ইংৰাজী দৈনিক কাকত প্ৰকাশ পাবলৈ ধৰে। কিন্তু স্বাস্থ্যৰ বিশেষ অৱনতি ঘটাত এই গুৰুদায়িত্ব বহন কৰিবলৈ অপাৰগ হয়। শেহৰফালে জৰাগ্ৰস্ত ৰোগগ্ৰস্ত হৈ দিল্লীৰ সদনত প্ৰতি মিনিটত ২৮৫ টাকৈ ইংৰাজী শব্দ

যোজনাৰে বক্তৃতা দিয়া, ১৪ বছৰ সংসদী সদস্য হৈ থাকি আঠশতকৈও বেছি গুৰুত্বপূৰ্ণ সমস্যা সমাধানত আগভাগ লোৱা বাগ্মী নেতা হেম বৰুৱা বাক্‌ৰুদ্ধ হ'ল। শেষত ১৯৭৭ চনৰ ৯ এপ্ৰিল তাৰিখে উত্তৰ শৰণীয়াৰ নিজা বাসভৱনত জীৱন সঙ্গিনী সাহিত্যিকা শ্ৰীমতী অমু বৰুৱা আৰু দুজন পুত্ৰ এৰি ইহলীলা ত্যাগ কৰিলে। কবি, সাহিত্যিক, সমালোচক, দেশ-বিদেশত বিস্তৰ ভ্ৰমণকাৰী হেম বৰুৱাৰ ৰচনাসমূহ হ'ল—

The August Revolution in Assam (1946)
The Red River and the Blue Hill (1954)
Fairs and Festivals of Assam (1956)
Modern Assamese Poetry (1960)
Idle Hours (1961)
Assamese Litrature (1962)
Folk song of India (1965)
Lakshminath Bezbaruah (1967)

বিয়াল্লিছৰ গণ-বিপ্লৱত অসম (১৯৩৭) পাঁচজন নেতা (১৯৪৭)। (তাত হেম বৰুৱাই জৱাহৰলাল নেহৰুৰ সম্পৰ্কে লিখিছে) আধুনিক সাহিত্য (১৯৫০), সাগৰ দেখিছা (১৯৫৪), সান-মিহলি (১৯৫৭), ৰঙা কৰবীৰ ফুল (১৯৫৯), বালিছন্দা (১৯৫৯), কিউপিড্ আৰু ছাইকী (১৯৫৯), কম্লকী (১৯৬০), এই গাওঁ, এই গীত (১৯৬১), সাহিত্য আৰু সাহিত্য (১৯৬২), আঁচুফুল (১৯৬৪), মন-ময়ুৰী (১৯৬৫), ইজৰাইল (১৯৬৫), মেকং নৈ দেখিলো (১৯৬৭), ডাক-পখিলী (১৯৬৮), বহাগতে পাতি যাওঁ বিয়া (১৯৬৯), পছোৱাৰ ৰেঙণি (১৯৬৯), স্মৃতিৰ পাপৰি (১৯৭০), সত্য আৰু অহিংসা : গান্ধীজী (১৯৭১), ছিন্নমূল (১৯৭৩), তলসৰা (১৯৭৬), সাহিত্য আৰু সমস্যা (১৯৭৮) ইত্যাদি।

হেম বৰুৱাৰ জীৱনৰ ধাৰা প্ৰধানকৈ তিনিটা : সাহিত্য-সেৱা,

অধ্যয়ন-অধ্যাপনা আৰু সমাজসেৱাৰ লগতে ৰাজনীতি-চৰ্চা। সাংবাদিক হিচাপেও তেখেতৰ এটি দিশ আছে। এই ক্ষেত্ৰত 'পছোৱা' আৰু 'আসাম এক্সপ্ৰেছ'ৰ বিষয়ে যথাস্থানত উল্লেখ কৰা হৈছে।

কিছুমানে সাহিত্যিক হেম বৰুৱাক ৰাজনীতিক হেম বৰুৱাৰ উৰ্দ্ধত স্থান দিব খোজে। বিদগ্ধ পণ্ডিত-গৱেষক ডক্টৰ বাণীকান্ত কাকতিয়ে হেম বৰুৱাক সাহিত্য-গৱেষণাত সিদ্ধি লাভ কৰাৰ কাৰণে ৰাজনীতি পৰিত্যাগ কৰাৰ কথা কৈছিল। আধুনিক কবিতাত হেম বৰুৱাৰ স্থান নিৰ্ণয় কৰি অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামীদেৱে মন্তব্য কৰিছে—"অমূল্য বৰুৱা নাইবা চক্ৰেশ্বৰ ভট্টাচাৰ্যক নতুন কাব্যৰীতিৰ প্ৰতিষ্ঠাতা বোলা নাযায় কাৰণ এওঁলোক প্ৰকৃততে নতুন কাব্য-আন্দোলনৰ অগ্ৰদূতহে আছিল। প্ৰকৃতাৰ্থত হেম বৰুৱা নতুন কাব্য-আন্দোলনৰ প্ৰতিষ্ঠাতা বুলি স্বীকৃত নহ'লেও এই আন্দোলন জনপ্ৰিয় কৰি তোলাৰ সন্মান তেওঁৰহে প্ৰাপ্য।" সেইদৰে অসমীয়া ভ্ৰমণ সাহিত্য আৰু সমালোচনা সাহিত্যতো হেম বৰুৱাই সহজে আনে চেৰ পেলাই যাব নোৱাৰা সৌধ নিৰ্মাণ কৰি থৈ গৈছে।

ৰাজনীতিক হেম বৰুৱাৰ জন্ম দ্বিতীয় মহাসমৰৰ উকমুকনি কালত। আৰম্ভণীতে কংগ্ৰেছ দলত যোগ থাকিলেও ১৯৪৮ চনত কংগ্ৰেছ ত্যাগ কৰি ছ'চোলিয়েষ্ট ক্ৰমে প্ৰজা ছোচিয়েলিষ্ট দলত যোগ দি মৃত্যু পৰ্যন্ত এই সমাজবাদী দলটোৰ একনিষ্ঠ কৰ্মী তথা সভাপতি আছিল। হাড়ে-হিমজুৱে গান্ধীবাদী প্ৰবীণ ৰাজনীতিক শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীদেৱে হেম বৰুৱাৰ ৰাজনীতিত প্ৰৱেশ আৰু তেখেতৰ অবিসম্বাদী নেতৃত্বৰ সম্পৰ্কে অভিমত দি কৈছে—"১৯৪২ চনৰ গণ-বিপ্লৱ। ভাৰতৰ স্বাধীনতাৰ চূড়ান্ত সংগ্ৰাম। 'হয় মুক্তি নহয় মৃত্যু'—এই পণ লৈ বীৰ-বীৰাঙ্গনাসকলে স্বাধীনতাৰ বেদীমূলত নিজৰ জীৱন উৎসৰ্গা কৰিলে। অসমত সেই বিপ্লৱৰ ঢৌয়ে প্ৰচণ্ড

ৰূপ ল'লে। উদীয়মান ডেকা অধ্যাপক হেম বৰুৱা সেই বিপ্লৱত জঁপিয়াই পৰিল। যোৰহাটত তেওঁ কাৰাৰুদ্ধ হ'ল। তেওঁৰ দৃষ্টান্তই অসমৰ স্বাধীনতা আন্দোলনত বিশেষ উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিলে। হেম বৰুৱা আছিল অসমৰ ডেকাসকলৰ অবিসম্বাদী নেতা। তেওঁৰ আদৰ্শত ডেকাসকল উদ্বুদ্ধ হ'ল।"

যোৰহাট জেলে হেম বৰুৱাৰ জীৱনৰ পট পৰিবৰ্ত্তন কৰিলে। আধুনিক শিক্ষাৰে শিক্ষিত অধ্যয়নপুষ্ট হেম বৰুৱাৰ চুচকুত ভাঁহি উঠিল বিপ্লৱৰ, ত্যাগৰ এখন উজ্জ্বল ছবি। কাৰবাস নহয় যেনিবা তীৰ্থবাস। তাত গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, বিমলা প্ৰসাদ চলিহা, ফখৰুদ্দিন আলি আমহদ, বিজয়চন্দ্ৰ ভাগৱতী গড়মূৰীয়া সত্ৰাধিকাৰ, অমিয় কুমাৰ দাস, তৈয়বউল্লা, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী, মহাদেৱ শৰ্মা, শ্বহীদ কুশল কোঁৱৰ আৰু বহুতক সতীৰ্থ হিচাপে পালে। পৰম ভাগৱত কুশল কোঁৱৰৰ সান্নিধ্যই হেম বৰুৱাক অভূতপূৰ্বভাৱে অনুপ্ৰাণিত কৰিলে। কুশল কোঁৱৰৰ মৃত্যুৰ আগদিনা হেম বৰুৱাই তেখেতক সাক্ষাৎ কৰি তেখেতৰ মুখৰ পৰা যি মহামন্ত্ৰ শুনিলে সিয়ে হেম বৰুৱাৰ ৰাজনৈতিক জীৱন সকলো দিশৰ পৰা সমৃদ্ধ কৰি তুলিছিল। ত্যাগ, সততা, নিৰহংকাৰিতা, সৰলতা আৰু স্পষ্ট-বাদিতা আদি মহৎ গুণৰ অধিকাৰী হ'ব নোৱাৰিলে যে বিশ্ব-মানৱৰ সেৱা কৰিব নোৱাৰি মানৱ-দৰদী হেম বৰুৱাৰ সেইটো উপলব্ধি হ'ল। পৰৱৰ্ত্তী কালত হেম বৰুৱাই ৰাজনীতি, সমাজনীতি, শিক্ষানীতি, তথা ব্যক্তি জীৱনত নিস্বাৰ্থ সাধনাৰে তাক অনুসৰণ আৰু অনুশীলন কৰিলে।

কাৰাগাৰ জীৱনত আৰু দুটি বস্তু হেম বৰুৱাই পালে। এটি হ'ল বৰদলৈ দেৱৰ অকৃত্ৰিম মৰম স্নেহ আৰু আনটি হ'ল গভীৰ অধ্যয়নৰ প্ৰতি হেঁপাহ। বৰদলৈৰ সান্নিধ্যত থকা কাৰণে শিক্ষাবিদ্ আৰু অধ্যক্ষৰ জন্ম হ'ল। কাৰাগাৰবাসত থকা কালছোৱাত তেখেতে গীতা, কোৰাণ, বাইবেল আদি ধৰ্মগ্ৰন্থ আৰু প্ৰাচ্য

পাশ্চাত্যৰ বহুতো সাহিত্যগ্ৰন্থ মনপুতি অধ্যয়ন কৰিছিল। বিয়াল্লিছৰ আন্দোলনত জপিয়াই পৰাৰ পূৰ্বে গান্ধীজীৰ জীৱন দৰ্শন তেখেতে গভীৰভাৱে অধ্যয়ন কৰাৰ সুযোগ পোৱা নাছিল। জেলত থাকি গান্ধীজীৰ দৰ্শন, কৰ্মজীৱন আৰু গঠনমূলক কামৰ সকলো কথাৰ খুটিনাটি মাৰি অধ্যয়ন কৰি গান্ধীজীৰ মূল নীতিকেইটাক নিজৰ জীৱনৰো মূল নীতি হিচাপে অন্তঃকৰণেৰে সৈতে গ্ৰহণ কৰিলে। সেয়েহে বহুতে যদিও কব খোজে যে হেম বৰুৱাই ৰাজনৈতিক জীৱনত কৃতকাৰ্য লাভ কৰিব নোৱাৰিলে; মানে নেহৰু, শাস্ত্ৰী, ইন্দিৰা গান্ধী, আনকি গোপীনাথ বৰদলৈৰ প্ৰলোভন পায়ো ক্ষমতাধিষ্ঠ দলৰ লগত ডলাৰ বগৰি হৈ হাত মিলাই মন্ত্ৰীত্বৰ সুযোগ লব নোৱাৰিলে, তাৰ উত্তৰ এটাই হব পাৰে যে তেতিয়াহলে মহাত্মা গান্ধী, জয়প্ৰকাশ নাৰায়ণ, আচাৰ্য কৃপালনি, ৰামমনোহৰ লোহিয়া আদিয়েও ৰাজনীতিক নেতা হিচাপে কৃতকাৰ্য হব নোৱাৰিলে। ইয়ে হেম বৰুৱাক সৰু নকৰি ডাঙৰতকৈ ডাঙৰ, মহততকৈ মহত্তৰ কৰি তুলিছে। আদৰ্শবিহীন, দলবাগৰা ৰাজনীতিবিদক প্ৰকৃত ৰাজনীতিবিদ নুবুলি 'আদৰ্শভ্ৰষ্ট, স্বাৰ্থান্বেষী, ক্ষমতালোভী নিম্নস্তৰৰ মানুহ বোলাই ভাল। সৌভাগ্যৰ কথা অসম দেশত বৰদলৈ, মেধি, হেম বৰুৱা, বিশ্ব গোস্বামী, লক্ষ্যধৰ চৌধুৰী, গৌৰীশঙ্কৰ ভট্টাচাৰ্যৰ দৰে কেবাগৰাকী তেনে আদৰ্শৱান ব্যক্তিৰ জন্ম হৈছে। অভিধানিক হেম বৰুৱাই 'হেমৰ (সোণৰ) কোষেৰে ভাষাৰ ওখ দৌল' বান্ধি' থৈ যোৱাৰ দৰে অধ্যক্ষ হেম বৰুৱায়ো ৰাজনৈতিক সততাৰে ৰাজনীতিৰ ওখদৌল বান্ধি থৈ গৈছে।

বিয়াল্লিছৰ আন্দোলনে হেম বৰুৱাৰ অন্তৰত গভীৰ ৰেখাপাত কৰিছিল। এই আন্দোলনক তেখেত ফৰাচী বিপ্লৱ আৰু ৰুচ বিপ্লৱৰ সমতুল্য বুলি অভিহিত কৰিছে। বিয়াল্লিছৰ আন্দোলন তেখেতৰ মানত অভূতপূৰ্বই নাছিল পৃথিৱীৰ যিকোনো পৰাধীন জাতিৰ বাবে আদৰ্শনীয়, অনুকৰণীয় আৰু চিৰস্মৰণীয়। এই

আন্দোলনৰ দ্বাৰা উদ্বুদ্ধ হৈ তেখেতে “বিয়াল্লিছৰ গণ-বিপ্লৱত অসম” নামৰ প্ৰায় আঠৈকুৰি পিঠিয়া এখনি অমূল্য পুথি লিখিছে। এইখন পুথি নহয় যেনিবা বিয়াল্লিছৰ আন্দোলনত অসম আৰু অসমবাসীয়ে লোৱা তেজোদ্দীপ্ত ভূমিকাৰ এখন চিৰযুগমীয়া পেড়া কাকত। অসমৰ প্ৰতিজন নতুন পুৰুষে ভাৰতৰ স্বাধীনতা আন্দোলনত, তথা অসমৰ বৃহত্তৰ স্বাৰ্থৰক্ষাৰ আন্দোলনত সেই মুক্তি যুঁজাৰ সকলে কিমান ত্যাগ স্বীকাৰ কৰিছিল সেইবোৰ হৃদয়ঙ্গম কৰিহে নিজে কৰা ত্যাগৰ জোখমাখ্ কৰিব লাগে। ত্যাগ শ্ৰেয় লাভৰ আৰু ভোগ প্ৰেয় লাভৰ যদি পথ হয়, সিসকল মহান ব্যক্তিয়ে উত্তৰ পুৰুষৰ কাৰণে কিমান ত্যাগ কৰি গ’ল তাৰ জানো তুলনা আছে?

‘বিয়াল্লিছৰ গণ-বিপ্লৱত অসম’ পুথিত হেম বৰুৱাই সমগ্ৰ অসমৰ এখন নিখুঁট ছবি অঙ্কন কৰিছে। শাৰীৰিক, মানসিক, আৰ্থিকভাৱে অপৰিমেয় ত্যাগ কৰা ব্যক্তি সকলৰ এই প্ৰবন্ধত নাম উল্লেখ কৰা সম্ভৱ নহয় বাবে কেৱল শ্বহীদসকলৰ নামোল্লেখ কৰা হ’ল—

ঢেকিয়াজুলি (২০।২১ চেপ্টেম্বৰ)—বাৰ বছৰীয়া ছোৱালী থুলেশ্বৰী প্ৰমুখ্যে চৰকাৰী হিচাপমতে কুৰিজন শ্বহীদ হৈছে।

কামৰূপ (২৫ চেপ্টেম্বৰ)—মদনচন্দ্ৰ বৰ্মন, ৰাউতাৰাম দাস শ্বহীদ হৈছে।

সৰভোগ (২৬ আগষ্ট)—বেঁকীৰ পাৰৰ বৰনগৰ বিমানকোঠ বিধ্বস্ত, নেতা—বিপ্লৱী ব্ৰজনাথ শৰ্মা।

নগাওঁ বেবেজীয়া (২০ আগষ্ট)—কলাইকোছ আৰু হেমৰাম বৰা শ্বহীদ হৈছে।

জোঙ্গালবলহু গড়—গুণাভি বৰদলৈ আৰু হেমৰাম পাতৰ শ্বহীদ হৈছে।

বাৰপূজীয়া—তিলক ডেকা শ্বহীদ হৈছে।

বহৰমপুৰ (১৬ চেপ্টেম্বৰ)—লক্ষ্মী হাজৰিকা, বলোৰাম সূত

ঠগিৰাম সূত, আইতা ভোগেশ্বৰী ফুকননী (ৰত্না ফুকনৰ মাতৃ) শ্বহীদ হৈছে। শ্বহীদ লক্ষ্মী হাজৰিকাৰ দেশবাসীলৈ শেষ বাণী আছিল "মই আহিলো, মই দেশমাতৃক সেৱা কৰিবলৈ সময় নাপালো। মোৰ এই পইচা ছটা দেশৰ কামত লগাব। মোৰ দেশ স্বাধীন হওঁক। 'বন্দে মাতৰম্'।"

শিৱসাগৰ-যোৰহাট—১৯৪৩ চনৰ ১৫ জুন তাৰিখে কুশল কোঁৱৰক যোৰহাট জেলত ফাঁচী দিয়া হয়। হেম বৰুৱাৰ অনুৰোধত ফাঁচী কাঠত উঠাৰ আগদিনা দেশবাসীৰ কাৰণে কোঁৱৰে দি যোৱা অমৰ বাণীৰ একাংশ—"জন্ম হ'লে মৃত্যু অনিবাৰ্য্য। মোৰ আনন্দ, ভগৱানে মোকেই বাছি লৈছে। ভগৱানে মোক ভাল পায়।" ...."দেশৰ কাৰণে জীৱন দিবলৈ পাই নিজকে ভাগ্যৱান বুলি ভাবিছো। গীতা আদি ধৰ্মশাস্ত্ৰ পঢ়ি এই নশ্বৰ দেহাৰ মূল্য কিমান যৎসামান্য বুজিছো....।" চিপজৰী ডিঙিত লৈ কোঁৱৰে জীৱনৰ শেষত গাইছিল "পাৰ কৰা দীননাথ সংসাৰ সাগৰে।"

গোলাঘাট—কমলা মিৰি গোলাঘাট জিলা কংগ্ৰেছৰ এজন সাধাৰণ কৰ্মী। ১৯৪২ চনৰ তিনি চেপ্টেম্বৰত দিনা তেখেতক আঠ মাহ সশ্ৰম কাৰাদণ্ড থয়। যোৰহাট জেলত অশেষ কষ্ট-যাতনা ভুগি জেলৰ ভিতৰতে শেষ নিশ্বাস এৰে। মৃত্যুৰ আগতে জেল কৰ্তৃপক্ষই—আন্দোলনত পুনৰ নামানিম বুলি প্ৰতিশ্ৰুতি পত্ৰ লিখি দি কমলা মিৰিক মুক্তি দিয়াৰ কথা কোৱাত তেখেতে কৈছিল—"মই মোৰ নিজৰ কাৰণে এই কষ্ট ভোগ কৰা নাই। তোমাৰ, আমাৰ সকলোৰে বাবে এই কষ্ট স্বীকাৰ কৰিছো। তুমি মোক কিয় প্ৰতিশ্ৰুতি দিব লাগে বুলি কোৱা।"

দৰং-গহপুৰ (১৯৮২ চনৰ ২০ চেপ্টেম্বৰ)—কনকলতা, মুকুন্দ কাকতী শ্বহীদ হয়। গহপুৰ পুলিছ থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে থানাৰ বৰ দাৰোগাই বন্দুক টোঁৱাই কনকলতাৰ

কাৰ্যত বাধা দিয়াত বীৰঙ্গনাই চিঞৰি কৈছিল—"মই মোৰ কৰ্তব্য কৰিবই লাগিব, তুমি তোমাৰ কৰ্তব্য কৰি যোৱা।"

দেশৰ বুৰঞ্জী অধ্যয়ন কৰিলে ছাত্ৰ-ছাত্ৰীৰ হৃদয়ত, পাঠকৰ হৃদয়ত গভীৰ স্বদেশ প্ৰেম জন্মে। হেম বৰুৱাই বিয়াল্লিছৰ গণ-বিপ্লৱৰ বুৰঞ্জী পঢ়িবলগীয়া হোৱা নাছিল। তেখেত এই বুৰঞ্জীৰ অন্যতম নায়ক আৰু বহুতো ঘটনাৰ প্ৰত্যক্ষ দ্ৰষ্টা আছিল। এই গণ-বিপ্লৱৰ কেঁচা তেজৰ গোন্ধ তেখেতে উঠোতে বহোতে পাই আছিল, সেয়েহে সভা-সমিতিয়ে বক্তৃতা দিওঁতে সুৰুঙা পালেই সেই মৰ্মস্পৰ্শী ঘটনাৱলীৰ কথা, বিশেষকৈ শ্বহীদ কুশল কোঁৱৰৰ কথা স্বতঃস্ফুটভাৱে তেখেতৰ কণ্ঠৰপৰা ওলাই আহিছিল।

ৱাৰ্ডচ্ৱাৰ্থৰ স্কাইলাৰ্কে আকাশৰ বহু, বহু দূৰলৈ উৰি গৈয়ো আকাশ মাৰ্গৰপৰাই তাইৰ বাহটোৰ প্ৰতি, তাইৰ পোৱালি হালৰ প্ৰতি অনবৰত দৃষ্টি ৰখাৰ দৰে হেম বৰুৱা দিল্লীতে থাকক নাইবা ৰুচ-আমেৰিকাতে থাকক মাতৃভূমি অসমৰৰ ছবি তেখেতৰ চকুৰ আগত অনবৰত ভাঁহি ফুৰিছিল। বিশ্বৰ বহু দেশ ভ্ৰমণ কৰি সেই দেশবোৰৰ ৰাজনীতি, জ্ঞান-বিজ্ঞানৰ ভাল ভাল কথাবোৰ ভ্ৰমণ কাহিনী ৰূপে লিখি আমাৰ মাজত বিলাই দিছিল। অসম এখন সমস্যাবহুল ৰাজ্য। এই ক্ষুদ্ৰ ৰাজ্যখনৰ এশ একুৰি সমস্যা সমাধানৰ কাৰণে তেখেতে প্ৰাণপনে যুঁজিছিল। মালিগাৱঁত পূৰ্বোত্তৰ ৰেলওৱেৰ প্ৰধান কাৰ্যালয় পতা, ব্ৰহ্মপুত্ৰ দলং নিৰ্মাণ কৰা, ৰাজ্য-ভাষা আন্দোলন, তেল শোধনাগাৰ আন্দোলন আদি প্ৰতিটো আন্দোলনতে তেখেতে নেতৃত্ব দিছিল। তেখেতৰ প্ৰাণৰ শিক্ষানুষ্ঠান বি. বৰুৱা কলেজৰ ছাত্ৰ হিচাপে ১৯৫৭ চনৰ পিছত ঘটা প্ৰায়বোৰ আন্দোলনতে অংশ গ্ৰহণ কৰাৰ সৌভাগ্য আমাৰ বহুতৰে ঘটিছিল। নিৰাশ্ৰয়ৰ আশ্ৰয় কামৰূপ একাডেমীৰপৰা আনি নিজ স্থানত বি. বৰুৱা কলেজখন স্থাপন কৰি এখন পূৰ্ণাঙ্গ আৰু সৰ্বাঙ্গসুন্দৰ কলেজ হিচাপে গঢ় দিয়াত অধ্যক্ষ হেম বৰুৱা চাৰ, উপাধ্যক্ষ সুৰেন্দ্ৰমোহন

দাস চাৰ, অধ্যাপক পৰমেশ্বৰ শৰ্মা প্ৰমুখ্যে মহান ব্যক্তি সকলৰ পৰিশ্ৰম আৰু ত্যাগৰ কথা ভাবিলে আজিও শিৰ নত হৈ পৰে। য'ত আজি বি. বৰুৱা কলেজ থিয় হৈ আছে সেই ঠাইখণ্ড মৰিশালি বুলি খ্যাত আছিল। তেতিয়া তাৰ ওচৰত নেহৰু ষ্টেডিয়াম আৰু ৰেলওৱেৰ অভাৰ ব্ৰিজ হোৱা নাছিল। ৰেল লাইনৰ দক্ষিণফালে থকা পূতি-দুৰ্গন্ধময় ঠাইখিনিৰ ওচৰেদি অহা-যোৱা কৰাটো কষ্টসাধ্য আৰু ভয়লগা আছিল। উৎকট দুৰ্গন্ধৰ হেঁচাত নাকে-মুখে ৰুমালৰ সোঁপা ধৰি যাবলগীয়া হৈছিল। গুৱাহাটী নগৰৰ পায়খানাৰ মলিবোৰ তাত পেলোৱা হৈছিল। ভঙা-ছিঙা বহুতো ময়লাৰ টেঙ্ক তাত সিঁচৰিত হৈ পৰি আছিল। হেম বৰুৱা চাৰৰ চেষ্টাত চৰকাৰৰপৰা সেই নৰকতুল্য ভূমিখণ্ড কলেজৰ কাৰণে পোৱাত তাক পৰিষ্কাৰ কৰাত, ৰক্ষণা-বেক্ষণ কৰাত আমি ছাত্ৰদলে আগভাগ লৈছিলো। বৰুৱা চাৰ আৰু কেবাজনো ত্যাগী অধ্যাপকে আমাৰ লগত থাকি এই কালত আমাক অকল প্ৰেৰণা যোগোৱাই নাছিল; হাতে-কামে আমাৰ লগত কাম কৰিছিল। এদিন তেখেতৰ সুস্বপ্ন দিঠকত পৰিণত হ'ল, নৰক স্বৰ্গ হ'ল, বোকাত পদুম ফুলি। হেজাৰ হেজাৰ দুখীয়া ছাত্ৰ-ছাত্ৰী সেই কলেজত পঢ়ি জীৱন গঢ়িলে, দেশৰ কামত ব্ৰতী হ'ল, সমাজ সেৱা, সাহিত্য সেৱা কৰিলে। 'একহাতৰ পৰিয়াল' স্বৰূপ পাঁচোটা শক্তিৰ ওপৰত ভিত্তি কৰি এই মহান শিক্ষানুষ্ঠানটি গঢ়ি উঠিছিল (১) লোকপ্ৰিয়ৰ ত্যাগ আৰু স্বাধীন চিন্তা (২) ভোলানাথ বৰুৱাৰ উত্তৰাধিকাৰী কেশৱৰাম বৰুৱাৰ দান (৩) হেম বৰুৱাৰ বিশাল ব্যক্তিত্ব, (৪) সুৰেন্দ্ৰমোহন দাসৰ ত্যাগ আৰু পৰিশ্ৰম (৫) আৰু বি. বৰুৱাৰ কেইজনমান কৃতী অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকলৰ নিস্বাৰ্থ ত্যাগ। বি. বৰুৱা কলেজ আৰু অধ্যক্ষ হেম বৰুৱা এখিলা পাণৰ দুপিঠি স্বৰূপ। প্ৰকৃতাৰ্থত এই কলেজখন হেম বৰুৱা চাৰৰ জীৱনৰ কীৰ্ত্তিস্তম্ভ, মানস পুত্ৰ। হেম বৰুৱা বি. বিৰুৱা কলেজত অধ্যক্ষ হোৱাৰ পূৰ্বে ১৯৪১ চনত

কিছুদিনৰ কাৰণে গুৱাহাটীৰ সন্দিকৈ কলেজত আৰু পিছত পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ আহ্বানক্ৰমে যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত অধ্যাপনা কৰিছিল। তেতিয়া তেখেতে মাহিলি দৰ্মহা পাইছিল পয়সত্তৰ টকা মাত্ৰ। তেখেত যদিও মূলতঃ ইংৰাজীৰ অধ্যাপক আছিল; কিন্তু শ্ৰেণীত ইংৰাজী আৰু অসমীয়া দুয়োটাই পঢ়াইছিল। জেলৰপৰা আহি কিছুদিনৰ বাবে নগাওঁ কলেজ, বি. বৰুৱা কলেজ আৰু বৰপেটাৰ এম, টি কলেজত অধ্যাপনা কৰিছিল। এনেতে ১৯৪৪ চনত দেৱকান্ত বৰুৱাৰ পৰামৰ্শ আৰু গোপীনাথ বৰদলৈৰ আহ্বানক্ৰমে বি. বৰুৱা কলেজত উপাধ্যক্ষ হিচাপে সোমায়। তেতিয়া সৰ্বমুঠ এশ টকা দৰ্মহা পাইছিল। হেম বৰুৱা চাৰৰ ইংৰাজী কবিতাৰ বক্তৃতা শুনিবলৈ গধূলি কটন কলেজৰ ছাত্ৰৰে কামৰূপ একাডেমীৰ হ'লৰ বাৰান্দা ভৰি পৰিছিল। ১৯৪৫ চনত কলেজৰ উদ্যোক্তা আৰু প্ৰতিষ্ঠাতা অধ্যক্ষ বৰদলৈ ডাঙৰীয়াই অসমৰ প্ৰধান মন্ত্ৰীৰ দায়িত্ব বহন কৰিবলগীয়া হোৱাত হেম বৰুৱা ১৯৪৫ চনৰ ২৯ অক্টোবৰ তাৰিখে অধ্যক্ষ পদত অধিষ্ঠিত হয়। তেতিয়াৰ পৰা ১৯৫৭ চনলৈকে একেৰাহে বাৰ-তেৰ বছৰ কাল কলেজখনৰ গুৰি ধৰি, মৰিশালিত কলেজৰ স্থায়ী ঘৰ-দুৱাৰ সজাৰ সকলো আঁচনি প্ৰস্তুত কৰিলে। তাৰ পাছতে দিল্লীত সংসদী সদস্য ৰূপে থাকি দেশৰ সেৱাত নিজক ব্ৰতী কৰাৰ লগতে স্কাইলাৰ্কৰ মৰমেৰে কলেজ-খনক গঢ় দিয়াৰ সচেষ্ট হৈ থাকিল। অৱশ্যে সংসদী সদস্য হৈ থকা কালতো সদন নবহা সময়তখিনিত গুৱাহাটীলৈ আহি অতি আদৰৰ কলেজখনৰ শিক্ষা আৰু গঠনমূলক কামত উঠি পৰি লাগি থাকিছিল। তেখেতৰ অনুপস্থিতিত তেখেতৰ সুযোগ্য উত্তৰাধিকাৰী, পিতৃব্য পুৰুষ সুৰেন্দ্ৰমোহন দাস চাৰ অধ্যক্ষ হয়। দাস চাৰৰ মৰম আৰু ইংৰাজী সাহিত্যত পাণ্ডিত্যৰ সোৱাদো অতি বিৰল আছিল। বি. বৰুৱা কলেজৰ স্মৃতি ৰোমন্থন কৰিলে গৌৰৱ আৰু আনন্দত আজিও হিয়াত উগুল-থুগুল লাগে। এখন জাতীয় স্বাধীন কলেজৰ ছাত্ৰ

হৈ কলেজখনৰ উন্নতি নিজ চকুৰে দেখি পৰম তৃপ্তি লাভ কৰো। তাতোকৈ আনন্দৰ কথা প্ৰাতঃস্মৰণীয় হেম বৰুৱা চাৰ, সুৰেন্দ্ৰ-মোহন দাস চাৰ প্ৰমুখ্যে যিসকল পণ্ডিত মনীষাৰ চৰণছাঁয়াৰ তলত অধ্যয়ন কৰিছিলো, এদিন সেইখন কলেজতে বুৰঞ্জী বিভাগত অধ্যাপনা কৰাৰ পৰম সৌভাগ্যকণো ঘটিছিল। কিন্তু হায়! বঞ্চিৎ পাত্ৰ আৰু নন্দ তালুকদাৰ পূৰ্ণ প্ৰস্ফুটিত নৌহঁওতে কালে হৰি নিলে!

হেম বৰুৱা ব্যক্তি নাছিল ; এটা চলন্ত অনুষ্ঠান আছিল। তেখেত য'তেই নেথাকক লাগে, সদায় পণ্ডিত, সাহিত্যিক, ৰাজনীতিবিদ বা গুণমুগ্ধ ছাত্ৰ-ছাত্ৰীৰ দলে বেৰি থাকি তেখেতৰ প্ৰাঞ্জল অমৃতময় ভাষণ, আলোচনা শুনিছিল। ৰাধাকৃষ্ণণ, পণ্ডিত নেহৰু, হুমায়ুন কবীৰ আদিৰ দৰে বিশ্ববিশ্ৰুত পণ্ডিত দাৰ্শনিকসকলেও হেম বৰুৱাৰ সান্নিধ্যত সুখ আৰু আনন্দ লাভ কৰিছিল। অধ্যাপক হুমায়ুন কবীৰ হেম বৰুৱাৰ বিশ্ববিদ্যালয়ৰ শিক্ষক আছিল। এদিন কবীৰে কৃতী-ছাত্ৰ, সংসদী সদস্য হেম বৰুৱাক কৈছিল—"হেম, তোমাৰ কাছে আজ গুৰু দক্ষিণা চাই।" অৱশ্যে হুমায়ুন কবীৰে সেই গুৰু দক্ষিণাৰ অৰ্থ কৰিছিল বিবাদমান কাশ্মীৰ সম্পৰ্কে হেম বৰুৱাৰ স্পষ্ট ধাৰণা কি আছিল। কাশী হিন্দু বিশ্ববিদ্যালয়ৰ কোৰ্টৰ এজন সন্মানীত সদস্যৰ পদো হেম বৰুৱাৰ দৰে এগৰাকী অসমীয়া কৃতী সন্তানেহে লাভ কৰিছিল।

হেম বৰুৱাই অসমৰ সমস্যাবলীৰ বাহিৰেও কাশ্মীৰ, মণিপুৰ, গোৱা, কচ্ছ আদিৰ সমস্যাবোৰ সমাধানত আগভাগ লৈছিল। তদুপৰি ফৰ্মোচা, চাউথ ইষ্ট এচিয়া আদিৰ আন্তৰ্জাতিক সমস্যাবোৰৰ সুমিমাংসা কৰাত হেম বৰুৱাই গ্ৰহণযোগ্য ভূমিকা ল'ব পাৰিছিল। চাউথ ইষ্ট এচিয়াৰ সম্পৰ্কত হেম বৰুৱাৰ সুস্থ অভিমত আছিল—"Besides the problem of Formosa, there is another very big problem in South East Asia. This is the collapse of democratic system of government in our

neighbouring countries, and the emergence of military dictatorship, particularly in countries like Thiland, Burma and Pakistan. This is a vital problem. One thing is true that India cannot be a silent spectator of these shifting scences in international politics. Whenever there are political revolutions in our neighbouring countries, India cannot remain indifferent to them. This slaughter of democracy in our neighbouring countries must serve as a warning to us all and we must see the poisonous wind wated from these countries and endanger the democratic system that we have so assidously built up."

অধ্যক্ষ হেম বৰুৱা এগৰাকী সুদক্ষ প্ৰশাসক আৰু গভীৰ অধ্যয়নপুষ্ট কৃতী শিক্ষক হোৱাৰ উপৰিও এজন চিন্তাশীল শিক্ষাবিদ আছিল। আধুনিক শিক্ষানীতিৰ ওপৰত সম্যক জ্ঞান থকা অধ্যক্ষ বৰুৱাই সদনৰ বাহিৰে ভিতৰে শিক্ষা সম্পৰ্কীয় আলোচনাত ভাগ লৈ নিজৰ মত সাব্যস্ত কৰিব পাৰিছিল। ১৯৫৯ চনৰ শিক্ষা দপ্তৰৰ বাজেট আলোচনাত হেম বৰুৱাই দাঙি ধৰা মন্তব্যৰ কিয়দাংশৰ উদ্ধৃতি দিয়া হ'ল—

"I have always felt that our journey to educational progress, accomplishments and achievements needs a pole-star, an aim and purpose and when this purpose is missing from the educational policy tends to become lopsided. At the same time, it adversely affects the social objectives to which all educational policies are to be wedded."

নেতা হোৱাটো সহজ, কিন্তু জননেতা হোৱাটো অতি কঠিন কাম। জননেতা হ'ব লাগিলে ৰাজনীতিৰ দুতলীয়া কুচক্ৰৰপৰা সম্পূৰ্ণ আঁতৰত থাকিব পাৰিব লাগিব। জননেতাৰ চৰিত্ৰ শৰত

কালৰ নিৰ্মল জলৰ দৰে পবিত্ৰ, সৰ্বসাধাৰণৰ মাজৰ এজন হৈ তেওঁ-লোকৰ আনন্দত হাঁহিব আৰু দুখত চকুপানী টুকিব পাৰিব লাগিব। জননেতাৰ কোনো কালে ক্ষমতা লোভ, ধন-ঐশ্বৰ্যৰ লোভ, গাড়ী-ঘোঁৰা, খোৱা-পিন্ধন, থকা-মিলাৰ আভিজাত্য থাকিব নোৱাৰে। জননেতাৰ বাহিৰৰ আৰু ভিতৰৰ মানুহজনৰ মাজত কোনো প্ৰভেদ নাথাকে। ইদানিং কালত ভাৰতবৰ্ষত মহাত্মা-বিনোৱাজীৰ পিছতে জয়প্ৰকাশ নাৰায়ণ আৰু ৰামমনোহৰ লোহিয়া, পশ্চিম বঙ্গৰ ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আৰু দেশবন্ধু চিত্তৰঞ্জন দাস, ওড়িশাৰ উৎকলমণি গোপবন্ধু দাশ আৰু অসমৰ দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু অধ্যক্ষ হেম বৰুৱা।

হেম বৰুৱাই জনপ্ৰিয়তা অৰ্জন কৰাৰ গুৰিতে তেখেতে সোণ-ৰূপ চামুচ মুখত লৈ জন্ম গ্ৰহণ নকৰি নিছলা পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আৰু সেইবাবে দুখীয়া জনসাধাৰণৰ অন্তৰৰ দুখ-বেদনাৰ কথা বুজিছিল। দ্বিতীয়তে—প্ৰকৃত শিক্ষাই মানুহক বিনয় আৰু নিৰহঙ্কাৰী কৰে। হেম বৰুৱাই সাধু সঙ্গ, বিস্তৰ অধ্যয়ন আৰু বিস্তৰ দেশ ভ্ৰমণৰপৰা সেই শিক্ষাকে লাভ কৰিছিল। তৃতীয়তে, প্ৰকৃত নেতা পীড়িত জনসাধাৰণত দুখত মৰহি যায়, বিপদত তেওঁ-লোকক একো দিব নোৱাৰিলেও সহানুভূতিশীল মাত এষাৰ দিয়ে।

অধ্যক্ষ হেম বৰুৱাৰ জীৱন আৰু কৰ্মৰ মাজত জননেতাৰ এই থাকিবলগীয়া প্ৰত্যেকটো গুণেই আছিল। আগতে উল্লেখ কৰা হৈছে যে অধ্যক্ষ হেম বৰুৱা উত্তৰ কামৰূপ নলবাৰী অঞ্চলৰ পৰা একেৰাহে তিনিটা সাধাৰণ নিৰ্বাচনত (১৯৫৭—১৯৭০) বহু লক্ষ ভোটৰ ব্যৱধানত জয়যুক্ত হৈছিল। বিধান সভাৰ ভোটটো যি দলকে নিদিয়ক লাগে লোকসভাৰ ভোটটো হেম বৰুৱাক দিবই। হেম বৰুৱা ভোটৰ অভিযানত যাওঁক বা নাযাওঁক নিৰ্বাচনত উঠা বুলি জানিলেই হ'ল। ক্ষমতাধিষ্ঠ দলৰ প্ৰাৰ্থীয়ে জাউৰিয়ে জাউৰিয়ে গাড়ী-মটৰ দৌৰাই প্ৰতি ঘৰে ঘৰে ভোটৰ কেন্‌ভাছ কৰে, ভোজ-

ভাত খুৱাই, নানা প্ৰতিশ্ৰুতি দিয়ে, অৱস্থা বুজি লক্ষ লক্ষ টকাৰে ভোটৰ যুদ্ধ খেলে। কিন্তু হেম বৰুৱাই ভোটৰ কাৰণে ঘৰে ঘৰে নুফুৰে, ৰাইজৰ একান্ত আহ্বানত সভা-সমিতিত বক্তৃতা দিয়ে। কোৱা বাহুল্য যে তেখেতৰ ভাষণ শুনিবলৈ পোন্ধৰ, কুৰি মাইল দূৰৰ পৰা হিল্‌দোল্ ভাঙি ৰাইজ আহে, কেতিয়াবা কিবা বিপৰ্যয়ত পৰি নিৰ্দ্দিষ্ট সময়ত আহি নাপালেও কোনোৱে খং ৰাগ নকৰে; তেওঁলোকৰ প্ৰিয় নেতাজনৰ ভাষণ শুনিবলৈ ঘণ্টাৰ পিছত ঘণ্টা পৰ দি থাকে। সভা-সমিতিত হেম বৰুৱাই বক্তৃতা দিয়াৰ পিছত ৰাইজে আত্মতুষ্টি লাভ কৰি ঘৰাঘৰি যায়; তেখেতৰ পিছৰ বক্তাৰ ভাষণ শুনাৰ কাৰো ধৈৰ্য নাথাকে বা প্ৰয়োজন বোধ নকৰে। সেয়েহে হেম বৰুৱাৰ ভাষণ প্ৰায়েই শেষলৈ ৰখা হৈছিল। তেতিয়াও ৰাইজে হুলস্থুল কৰি তেখেতৰ ভাষণ সোনকালে হ'ব লাগে বুলি দাবী কৰিছিল।

হেম বৰুৱা এম. পি হৈ থকা কালছোৱাত, এতিয়াও নলবাৰী অঞ্চলটোত বানপানীত মানুহৰ দুখে কুলাই-পাচিয়ে নধৰা হয়। বিপদৰ সেই মুহূৰ্তত য'তেই যি অৱস্থাতেই নেথাকক কিয় হেম বৰুৱা জনতাৰ মাজলৈ যায়। ৰাইজক একো দিব নোৱাৰিলেও তেখেতৰ উপস্থিতিত, তেখেতৰ এষাৰি মৰমৰ মাতত দুৰ্দশাগ্ৰস্ত ৰাইজ পমি যায়, তেওঁলোকৰ প্ৰিয় জননেতাজনক এবাৰ স্বচক্ষে দেখি পৰম তৃপ্তি লাভ কৰে। ক্ষোভ নাই, দুখ নাই, আকাশে বতাহে ভাঁহি উঠে এটি উদ্দীপনাৰ ৰোল—'আমাৰ হেম বৰুৱা আহিছে', হেম বৰুৱা ৰাজা আহিছে।' আনবোৰ নেতাৰ ক্ষেত্ৰত কংগ্ৰেছ-কমিউনিষ্ট বামুণ-শূদ্ৰৰ, হিন্দু-মুছলিম স্পৃঁচীত-অস্পৃঁচীতৰ কথা আহিলেও হেম বৰুৱাৰ ক্ষেত্ৰত তেনেবোৰ প্ৰশ্ন কেতিয়াও নুঠিছিল।

আমাৰ পৰম সৌভাগ্য যে নলবাৰী অঞ্চলৰ হেম বৰুৱাৰ সমষ্টিৰ এলাকাভুক্ত এখনি গাঁৱত আমাৰ জন্ম। দেশ স্বাধীন হোৱা সময়ত আমি স্কুলীয়া ছাত্ৰ। মহাত্মা গান্ধী শেষৰবাৰ অসমলৈ আহোঁতে

পিতাৰ কান্ধত উঠি নলবাৰী ৰেল ষ্টেচনত ক্ষন্তেকৰ কাৰণে সেইজন অৱতাৰী পুৰুষক দেখাৰ পৰম সৌভাগ্য হৈছিল। কাজেই প্ৰতিটো সাধাৰণ নিৰ্বাচনৰ সময়ত লোকসভাৰ আসনৰ বাবে হেম বৰুৱাৰ আৰু অসম বিধান সভাৰ আসনৰ বাবে গৌৰীশঙ্কৰ ভট্টাচাৰ্যৰ বিপুল জনপ্ৰিয়তাৰ কথা নিজ চকুৰে দেখিছিলো।

হেম বৰুৱাৰ জনপ্ৰিয়তাৰ সম্পৰ্কত অধ্যাপক শশী শৰ্মাই নলবাৰী অঞ্চলৰ পৰা সংগ্ৰহ কৰা দুটামান উদ্ধৃতি তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলো—

কংগ্ৰেছৰ নিৰ্বাচনি সভাত এজন খেতিয়ক মহিৰাম বৈশ্যই থিয় হৈ প্ৰকাশ্যে কৈছিল— "আমি ওপৰৰ ভোটটো (মানে লোক সভাৰ ভোটটো) হেম বৰুৱাকহে দিব খুজিছো।"

হেম বৰুৱাক কি কাৰণেনো ইমান ভাল পায় তাৰ কাৰণ সোধাত ধৰ্ম ডেকাই কৈছিল—"হেম বৰুৱাই আমাকো ভাল পাইছিল। তেওঁ ৰাইজৰ অন্তৰৰ কথা যেনেকৈ বুজিছিল, আনে তেনেকৈ নুবুজে। আনে তেওঁলোকৰ নিজৰ কথাকে ৰাইজক কৈ যায় ; কিন্তু হেম বৰুৱাই কৈছিল ৰাইজৰ অন্তৰৰ কথা। তেওঁ আমাক একো দিয়া নাছিল ; কিন্তু আমাৰ মনৰ কথা বুজিছিল। তেওঁত বাহিৰে আমাৰ মনৰ কথা বুজা আন কোনো নেতাকে আমি পোৱা নাই।"

বিয়াল্লিছৰ মুক্তি যুঁজাৰু নৰেন্দ্ৰ নাথ তালুকদাৰে কয়—"কিয় বা কি কাৰণে ৰাইজে হেম বৰুৱাৰ সমৰ্থন কৰে বা ভাল পায় তাৰ যুক্তি বা কাৰণ নাই। হেম বৰুৱাৰ নামটো শুনিছে, সেয়ে যথেষ্ট।" হেম বৰুৱা কেতিয়াবা কিবা দুৰ্নীতিত লিপ্ত থকাৰ কথা তেওঁলোকে জানে নেকি বুলি সোধাত তালুকদাৰে কৈছিল—"দেশৰ অন্যান্য নেতাৰ বিৰুদ্ধে জাল-ভেজাল আদি নানা দুৰ্নীতিত লিপ্ত থকাৰ কথা ৰাইজে শুনে। কিন্তু হেম বৰুৱাৰ বিৰুদ্ধে কোনো অভিযোগৰ কথা ৰাইজে কেতিয়াও শুনা নাই। গতিকে ৰাইজৰ মানত হেম বৰুৱা পৱিত্ৰ, সুন্দৰ। হেম বৰুৱাৰ নাম শুনিলেই ৰাইজ পাগল।"

বানপানী পীড়িত কুমাৰকুছিৰ নন্দচন্দ্ৰ বৰুৱাই হেম বৰুৱাক ভাল পোৱাৰ কাৰণে কৈছিল—"বিপদৰ সময়ত মাত দিবলৈ লৰি অহা কাৰণে আমাৰ ৰাইজে তেওঁক অতি আপোন বুলি গ্ৰহণ কৰিছিল।"

নলবাৰী অঞ্চলত হেম বৰুৱাৰ জনপ্ৰিয়তা ইমান বৃদ্ধি পাইছিল যে তেখেত যুগযুগান্তৰলৈ সেই অঞ্চলত কিম্বদন্তীৰ 'হেম বৰুৱা ৰাজা' হৈ থাকিব। আনকি নলবাৰী কৈহাটীৰ বিখ্যাত ঢুলীয়া ভাৱৰীয়াৰ দলে হেম বৰুৱাক তেল শোধানাগাৰ আন্দোলনৰ নেতা সাজি প্ৰশাসক দলৰ বিৰুদ্ধে তেখেতে কিদৰে যুঁজ দিছিল তাক ভাওনাৰ জৰিয়তে জনপ্ৰিয় কৰি তুলিছিল। এইজনেই আছিল প্ৰাণৰো প্ৰাণৰ 'আমাৰ হেম বৰুৱা' জনমানসৰ অতি প্ৰিয়তম নেতা, নাভূত-ন-ভৱিষ্যতৰ হৃদয় ৰাজ্যৰ 'হেম বৰুৱা ৰাজা'।

> গান্ধীজীৰ সত্য, অহিংসা, দেশপ্ৰেমৰ আদৰ্শ, নেহেৰুৰ গভীৰ চিন্তাধাৰা বৰুৱাই তেখেতৰ আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল। বৰুৱাৰ সাহিত্যৰ প্ৰধান উদ্দেশ্য আছিল, মানুহক জনোৱা আৰু অনুপ্ৰাণিত কৰা। হেম বৰুৱা প্ৰকৃততে এটি অনুষ্ঠান।

বাগ্মীবৰ নীলমণি ফুকন

অসমৰ অন্যতম মনস্বী ব্যক্তি নীলমণি ফুকনদেৱে ১৯৭৮ চনৰ কুৰি জানুৱাৰী তাৰিখে মৃত্যুবৰণ নকৰি আৰু দুবছৰকাল জীয়াই থকা হ'লে তেখেতৰ বহু আকাঙ্খিত জন্ম শতবাৰ্ষিকী নিজ চকুৰে চাই যাব পাৰিলেহেঁতেন! সেই সময়ত আমি ভুৱনেশ্বৰস্থিত পূৰ্বাঞ্চলীয় ভাষা কেন্দ্ৰত ওড়িআ ভাষাৰ প্ৰশিক্ষণ লৈ আছিলো। তেতিয়াও ককা আৰু আমাৰ মাজত নিয়মিতভাৱে চিঠি-পত্ৰৰ যোগাযোগ চলি আছিল। মৃত্যুৰ দহদিনমান পূৰ্বে তেখেতৰপৰা এখন অতি বেদনাসিক্ত চিঠি পাইছিলো। আগৰ চিঠিবোৰৰ তুলনাত সেইখন চুটি আছিল। চিঠিখনৰ এটি বাক্যই আজিও আমাক যথেষ্ট আঘাত দি থাকে আৰু তাৰ বাবে নিজকে অপৰাধী বুলি প্ৰায়েই ভাবো। বাক্যটো আছিল—"তুমি মোৰ ওচৰত থকা হ'লে অন্ততঃ আৰু দুবছৰ জীয়াই থাকি এশবছৰ পূৰাব পাৰিলো-হেঁতেন!" তেতিয়া মই ভবা নাছিলো যে ককাই এনেদৰে ফাঁকি দি গুচি যাব। আমি গুৱাহাটীত থকা সময়তো ককাৰ লগত চিঠি-পত্ৰৰ নিয়মিত যোগাযোগ চলি আছিল। শেষৰফালে ককাৰ ব্যক্তিগত সচিব সুৰেন্দ্ৰনাথ বৰুৱাদেৱে ককাৰ শ্ৰুতলিপি লৈ চিঠি দিছিল আৰু অন্তত ককাই কঁপাকঁপা হাতেৰে স্বাক্ষৰ কৰিছিল। তদুপৰি ককা গুৱাহাটীলৈ আহিলে চাৰ্কিত হাউচত নাইবা বন-বিভাগৰ অতিথি নিবাসত থকাৰ বন্দোবস্ত কৰি দিব লাগিছিল আৰু সেই কেইদিন ককাৰ লগত পুৱা-গধূলি ব্যস্ত হৈ আছিলো। যোৰহাটত থাকিলে অসুখ-বিসুখ হ'লেই তাৰবাৰ্তা, জৰুৰী তাৰবাৰ্তা কৰি মাতি নিয়ে, আৰু তালৈ গৈ দুই-চাৰিদিন ককাৰ সেৱা-শুশ্ৰূষা

কৰি গুৱাহাটীলৈ উভটি আহো। কেতিয়াবা ককাৰ দাবীত পুত্ৰ-পৰিবাৰকো যোৰহাটলৈ নিবলৈ বাধ্য হওঁ। কাজেই ককাৰ লগত ১৯৫৮ চনৰ বহাগ মাহত কোনোবা এটা শুভ দিনত বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ বাসভৱনত চা-চিনাকি হোৱা দিনৰেপৰা তেখেতৰ মৃত্যুৰ সময়লৈকে শাৰীৰিক নাইবা মানসিকভাৱে নিবিড় সম্পৰ্ক ৰাখি আছিলো। অৱশ্যে ককাৰ লগত আমাৰ তেজ-মঙহৰ সম্পৰ্ক নেথাকিলেও ককা আমাৰ 'বিশ্বককা' আছিল ; আৰু বহুতেই আমাৰ দৰে ককাৰ নিস্বাৰ্থ মৰম-স্নেহ পাইছিল।

গুৱাহাটীৰ গণেশগুৰিৰ চ'কৰ সমীপতে থকা ককাৰ আঢ়ৈ বিঘা জমি আৰু তেখেতৰ ৰচিত ধৰ্মীয় গ্ৰন্থ তিনিখন—জগতগুৰু শঙ্কৰদেৱ, মহাপুৰুষীয়া ধৰ্ম আৰু কীৰ্তনৰ লৱণু গুৱাহটীৰ শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ সমিতিক দান কৰা সময়ত ককাই প্ৰয়াত মহেন্দ্ৰমোহন চৌধুৰীদেৱ, শ্ৰীচিদানন্দ দাসদেৱ আৰু আমাৰ ওপৰত 'সম্পূৰ্ণ আস্থা ৰাখি' দান কৰিছিল। তদুপৰি ডক্টৰ হেমন্তকুমাৰ শৰ্মা অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক থকা সময়ত আমাৰ লগত আলোচনা হৈ তেখেতৰ অতি মূল্যৱান ব্যক্তিগত পুথি-ভঁড়ালটো, তেখেতৰ প্ৰাণৰ অনুষ্ঠান অসম সাহিত্য সভাক দান কৰিছিল। যোৰহাটৰ তেখেতৰ বাসভৱন সহিতে জমি ডোখৰ তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহ ডাঙৰীয়াৰ জৰিয়তে অসম চৰকাৰক জনকল্যাণ অনুষ্ঠানৰ বাবে দিয়াৰ ইচ্ছা কৰি এই লেখকৰ জৰিয়তে বহুবাৰ যোগাযোগ কৰিছিল। যিকোনো কাৰণতেই নহওক তেখেতৰ জীৱিতকালত সেই কাম হৈ নুঠাত শেষ মুহূৰ্তত অসম সাহিত্য সভাক দিয়াৰো ইচ্ছা প্ৰকাশ কৰিছিল। ইতিমধ্যে তেখেতক কালে হৰি নিয়াত চিৰ-কৌমাৰ্যব্ৰতী ককাৰ বাকীবোৰ স্থাৱৰ সম্পত্তি আৰু মহামূল্যৱান অস্থাৱৰ সম্পত্তিবোৰ ক'ত কিদৰে লুপ্ত হ'ল বা সংৰক্ষিত হৈছে আমি গম নাপাওঁ।

নামনিৰ 'আতা' বিহগী কবি ৰঘুনাথ চৌধাৰী আৰু উজনিৰ

'ককা' বাগ্মীবৰ নীলমণি ফুকনদেৱৰপৰা সুদীৰ্ঘকাল পোৱা মৰম আৰু সান্নিধ্যই আমাৰ জীৱনত কিবা প্ৰভাৱ পেলাইছে নে নাই নাজানো ; কিন্তু অসমীয়া সাহিত্যৰ এজন নগণ্য সেৱক আৰু অসমীয়া বৈষ্ণৱ মহাপুৰুষসকলৰ বিষয়ে যৎসামান্য চিন্তা-চৰ্চা কৰাৰ প্ৰেৰণা, ক্ৰমে এই দুজন মনীষাৰ চৰণ সেৱা কৰি যে পাইছিলো তাক স্বীকাৰ নকৰি উপায় নাই।

এশ বছৰৰ বাউসী স্পৰ্শ কৰা নীলমণি ফুকনদেৱৰ দীঘলীয়া আৰু বিস্তৃত জীৱন কাহিনীও আতাৰ দৰে অপূৰ্ব আৰু অনন্ত। বাগ্মীবৰ ফুকনদেৱ নাছিলনো ক'ত ? শিক্ষানীতি, সমাজনীতি, ৰাজনীতি, ধৰ্মনীতি, অৰ্থনীতি, সাহিত্য চৰ্চা প্ৰতিটো বিষয়তে তেখেতৰ গভীৰ অধ্যয়ন আৰু দখল আছিল। এই লেখক সন্বিতা সভাৰ সম্পাদক হৈ থাকোঁতে ৺ভগৱতী প্ৰসাদ বৰুৱা ভৱনত নীলমণি ফুকনদেৱৰ একক ভাষণৰ আয়োজন কৰি সভা এখন পতা হৈছিল। আলোচ্য বিষয়টো আছিল—"মহাপুৰুষীয়া ধৰ্ম, ইয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ।" ফুকনদেৱৰ ভাষণ শুনাৰ কাৰণে ভৱনটো শ্ৰোতামণ্ডলীৰে ভৰি পৰিছিল। ককাই আবেলি ২ বজাৰ পৰা গধূলি ৭ বজালৈকে অনৰ্গল ৫ ঘণ্টা পাণ্ডিত্যপূৰ্ণ ভাষণ দিছিল। শ্ৰোতামণ্ডলী নিস্তব্ধে থাকি ককাৰ অমৃতময় ভাষণ শুনিছিল; কাৰো আমনি নাই। কিন্তু আঁচৰিত কথা ছিয়ানব্বৈ বছৰীয়া ফুকনদেৱ অলপো ভাগৰি পৰা নাছিল, নাইবা বক্তৃতাৰ মাজত এটুপি পানীও পিয়া নাছিল। ককাই ভাষণ প্ৰসঙ্গত কৈছিল যে সেইটোৱেই তেখেতৰ জীৱনৰ আটাইতকৈ দীঘল ভাষণ আছিল। আৰু কৈছিল, ৰৌ-বৰালিৰ হিচাপত নহ'লেও পুঠি-খলিহনাৰ হিচাপত তেখেতে পণ্ডিত জৱাহৰলাল নেহৰুতকৈও বেছি সভাত বক্তৃতা দিছিল। এইজনেই আছিল সুবক্তা নীলমণি ফুকন ; আৰু তেখেতকনো বাগ্মীবৰ সুবুলি বুলিব কাক বাৰু ?

ওপৰত উল্লেখ কৰা বহুমুখী প্ৰতিভাসম্পন্ন ফুকনদেৱ আছিল

এগৰাকী প্ৰসিদ্ধ মুক্তি-যুঁজাৰু, ইংৰাজ সিংহৰ মুখত হাত ভৰাই জিভা টানি অনাৰ সৎ সাহস আৰু ক্ষমতা থকা নিৰ্ভীক ব্যক্তি।

নীলমণি ফুকনদেৱৰ ১৮৮০ চনৰ ২২ জুন তাৰিখে ডিব্ৰুগড়ত জন্ম হৈছিল। তেখেতৰ পিতৃৰ নাম আছিল লম্বোদৰ ফুকন। ১৯০০ চনত ডিব্ৰুগড়ৰ হাইস্কুলৰ পৰা কৃতীত্ব সহকাৰে এন্‌ট্ৰেঞ্চ পৰীক্ষা পাছ কৰি কলিকতালৈ গৈ প্ৰেচিডেঞ্চি কলেজত নাম ভৰ্তি কৰে। এনেতে গুৱাহাটীত ১৯০১ চনত কটন কলেজ স্থাপিত হোৱাত কলিকতাৰ পৰা উভতি আহি কটন কলেজত নাম লগায়। শেষত ১৯০৭ চনত কোচবিহাৰ কলেজৰ পৰা বি. এ. পাছ কৰে। বি. এ. ডিগ্ৰী লোৱাৰ পাছত স্বাধীন চিন্তাত নিমজ্জিত হৈ আইনৰ ছাত্ৰ হৈছিল যদিও আইনৰ উপাধি লাভ কৰা ন'হল।

কলেজত পঢ়ি থাকোঁতে ব্ৰজেন্দ্ৰনাথ শীল নামৰ কৃতী শিক্ষক এজনৰ দ্বাৰা ফুকন ববকৈ প্ৰভাৱান্বিত হৈছিল। শীল ডাঙৰীয়াই অসমৰ বৈষ্ণৱ মহাপুৰুষসকল, বিশেষকৈ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বিষয়ে গভীৰ অধ্যয়ন কৰিছিল আৰু শ্ৰেণীত ফুকন ডাঙৰীয়াক তেখেতসকলৰ বিষয়ে গৱেষণা আৰু অধ্যয়ন কৰাৰ বাবে অনুপ্ৰেৰণা যোগাইছিল। মাননীয় শীলে ফুকনক কৈছিল, *"Your Sankaradev and Madhabdev were superior to all the contemporary saints and religious preachers of India Please try to understand and acquire the philosophy of Sankaradev and Madhavadev.*

ব্ৰজেন্দ্ৰ শীলৰ উপৰিও প্ৰফুল্ল চন্দ্ৰ ৰয়, জগদ্বীশচন্দ্ৰ বসু আদি সেই সময়ৰ বঙ্গদেশৰ আগশাৰীৰ বৰেণ্য ব্যক্তি সকলৰ পৰা ফুকনে মৰম-স্নেহ লাভ কৰিছিল।

স্নাতক উপাধি লাভ কৰাৰ পাছত ডিব্ৰুগড়ত নতুনকৈ আৰম্ভ কৰা 'জৰ্জ ইনষ্টিটিউচন'ত ফুকনে শিক্ষকতা জীৱনৰ পাতনি মেলে।

ফুকনৰ জীৱনত বুকাৰ ওৱাচিংটনৰ জীৱন আৰু কৰ্মৰ প্ৰভাৱ বহুল পৰিমাণে পাৰিছিল। নিগ্ৰো কুলোদ্ভৱ বুকাৰে নিগ্ৰো জাতিটোক আগবঢ়াই নিয়াৰ আৰ্হিৰে যিদৰে টাছগাজি বিশ্ববিদ্যালয় স্থাপন কৰিছিল, সেই আদৰ্শৰ দ্বাৰা আকৃষ্ট হৈ ফুকনে 'জৰ্জ ইনষ্টিটিউট' গঢ়াত প্ৰাণপণে চেষ্টা কৰিছিল। ফুকনে পোন্ধৰ বছৰ কাল এই অনুষ্ঠানটোৰ প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰি এটি পূৰ্ণাঙ্গ আৰু আদৰ্শ শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলে। জৰ্জ ইনষ্টিটিউচনটো ফুকনদেৱৰ জীৱনৰ কীৰ্তিস্তম্ভ বুলিব পাৰি।

ফুকনে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰসিদ্ধি লাভ কৰিছিল। শিক্ষক হিচাপে যিদৰে তেখেতে নিজৰ নাম উজ্জ্বল কৰিব পাৰিছিল, ৰাজনীতিৰ ক্ষেত্ৰতো তেখেতে নিজক প্ৰতিষ্ঠা কৰিব পাৰিছিল। ফুকনদেৱে এই লেখকৰ আগত প্ৰকাশ কৰা অনুসাৰে তেখেতৰ ৰাজনৈতিক গুৰু দুজন আৰু ধৰ্মগুৰু দুজন আছিল—"মোৰ গুৰু চাৰিজন, দুজনক নেদেখিলো, দুজনক দেখিলো, দুজনৰ চৰণ স্পৰ্শ কৰিব নোৱাৰিলে, দুজনৰ পাৰিলো। প্ৰথম দুজন শঙ্কৰ-মাধৱ আৰু দ্বিতীয় দুজন মহাত্মা-বিনোৱা।" মহাত্মা-বিনোৱাৰ বাহিৰেও দাদাভাই নৌৰোজী, ফিৰোজ শ্বাহ মেহেতা, ৰাণাদে, গোপাল কৃষ্ণ গোখ্‌লে, বাল গঙ্গাধৰ তিলক, অৰবিন্দ ঘোষ, সুৰেন্দ্ৰনাথ বেনাৰ্জী, বিপিনপাল দাস আৰু শ্ৰীনিবাস শাস্ত্ৰী আদিৰ দৰে ভাৰত বৰেণ্য ৰাজনৈতিক পুৰুষসকলৰ আদৰ্শৰ দ্বাৰাও তেখেত কিছু পৰিমাণে প্ৰভাৱান্বিত হৈছিল। ১৯২১ চনত ফুকনে সক্ৰিয় ৰাজনীতিত যোগ দিছিল। অসম কাউন্সিল আৰু অসম বিধান সভাৰ ফুকন কেবাবাৰো সদস্য নিৰ্বাচিত হৈছিল।

১৯৪১ চনত, ছাদুল্লা মন্ত্ৰীসভাৰ সময়ত, ডিচেম্বৰ মাহত শীতকালীন অধিৱেশন বহিছিল। এই অধিবেশনতে ছাদুল্লা মন্ত্ৰীসভাৰ পতন অনাৰ কাৰণে ব্যূহ নিৰ্মাণ কৰা হৈছিল, কিয়নো ইংৰাজৰ ছত্ৰছায়াত থাকি ছাদুল্লাই অসমৰ অস্তিত্ব ডুবাই অসমক এক সম্প্ৰদায় প্ৰধান

ৰাজ্য কৰাৰ বাবে ছলে-বলে কলে-কৌশলে চেষ্টা কৰিছিল। ইতিমধ্যে দ্বিতীয় মহাসমৰৰ ৰণশিঙা বাজি উঠিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছে ইংৰাজক কোনো প্ৰকাৰে যুদ্ধত সহায় নকৰিব বুলি প্ৰস্তাৱ গ্ৰহণ কৰি গাৱেঁ-নগৰে জোৰ প্ৰচাৰ কাৰ্য চলাইছিল। তেনে এটা সন্ধিক্ষণত ছাত্ৰসকলে ইংৰাজক সহায় কৰাৰ যৎপৰোনাস্তি চেষ্টা কৰিছিল। কটন কলেজত বিজ্ঞানৰ প্ৰদৰ্শনী এখন পাতি ধন সংগ্ৰহৰ উপায় চিন্তা কৰিছিল। কটন কলেজৰ ছাত্ৰসকলে এই কাৰ্যত প্ৰতিবাদ জনাই বিক্ষোভ প্ৰদৰ্শন কৰাত কলেজ পৰিচালনা সমিতিৰ সদস্য এজনে ছাত্ৰ এজনক প্ৰহাৰ কৰাত জ্বলা জুইত ঘিউ ঢলা যেন হ'ল। এই কাৰ্যৰ প্ৰতিবাদকল্পে ৬ ডিচেম্বৰ তাৰিখে ছাত্ৰসকলে এটা শোভাযাত্ৰা উলিওৱাত কামৰূপ জিলাৰ উপায়ুক্তই চলাবিলৰ ওচৰত (বৰ্তমানৰ মেঘদূত চিনেমা হ'লৰ কাষত) সশস্ত্ৰ পুলিচ বাহিনী লৈ শোভাযাত্ৰাকাৰীসকলক ছত্ৰভঙ্গ দিয়াৰ কঠোৰ ব্যৱস্থা ল'লে। ফলত চল্লিছজন ছাত্ৰ গুৰুতৰভাৱে আৰু প্ৰায় দুশ ছাত্ৰ সাধাৰণভাৱে আহত হ'ল। বৃটিছ চৰকাৰৰ এই বৰ্বৰোচিত কাৰ্যৰ প্ৰতিবাদকল্পে ৭ ডিচেম্বৰ তাৰিখে আবেলি নিউফিল্ডত নীলমণি ফুকনৰ সভাপতিত্বত ছাত্ৰসকলে চৰকাৰক তীব্ৰ গৰিহণা দিয়া হৈছিল।

নীলমণি ফুকনৰ দৰে সিংহপুৰুষ অসমত বৰ বেছি জন্মা নাই। তৰুণৰাম ফুকন, অধ্যক্ষ হেম বৰুৱা আদিৰ শাৰীৰে নীলমণি ফুকন সাহসী আৰু বাগ্মীনেতা আছিল। বিয়াল্লিছৰ আন্দোলনতো নীলমণি ফুকনে প্ৰবল পৰাক্ৰমেৰে যুঁজ দিছিল। সেই চনৰে ছয় অক্টোবৰৰ দিনা যোৰহাটত চৰকাৰ বিৰোধী বক্তৃতা দিয়া দোষত তেখেতক সাত অক্টোবৰ তাৰিখে গ্ৰেপ্তাৰ কৰি আঠ মাহ সশ্ৰম কাৰাদণ্ড বিহে।

১৯৩৫ চনত অসমত, বিশেষকৈ নগৰ অঞ্চলত চাকৰি-বাকৰি কৰি থকা বঙলাভাষী লোক কিছুমানে তেওঁলোকৰ ভাষা-কৃষ্টি আৰু

অৰ্থনৈতিক স্বতন্ত্ৰতা ৰক্ষা কৰাৰ দাবী তুলি 'Assam Domiciled and Settlers Association' নামে এটি সংস্থা খোলে। ১৯৩৯ চনৰ ১৭ চেপ্তেম্বৰ তাৰিখে এই সস্থাৰ সাধাৰণ সম্পাদক যতীন্দ্ৰ নাথ চেতাৰ্জীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰে। ১৯৪০ চনৰ ২৪ মাৰ্চ তাৰিখে নগাঁৱত বহা কংগ্ৰেছৰ অধিবেশনত এই মৰ্মে প্ৰস্তাৱ এটা গ্ৰহণ কৰা হৈছিল—"The State of Assam must be built upon a concept of Common Assamese citizenship applicable equally to all nationality of the state of Assam irrespective of their differeness in race, language and religion." প্ৰকৃতাৰ্থত ব্ৰহ্মপুত্ৰ উপত্যকাক এখন একভাষী ৰাজ্য হিচাপে ৰখাৰ কথাই প্ৰস্তাৱটোৱে দাঙি ধৰিছিল। অৱশ্যে সেই সময়ত অসমৰ প্ৰধান মন্ত্ৰীৰ আসনত গোপীনাথ বৰদলৈ ডাঙৰীয়া নাথাকি ছাহ্লা চাহাব থকা হ'লে ঘটনাই কি ৰূপ ললেহেঁতেন সহজে অনুমান কৰিব পাৰি। যিয়েই নহওক বৃহত্তৰ বঙ্গৰ সপোন বিলাসী লোক-সকলৰ এই বিষোদ্গাৰ কৰা সংস্থাটোক আৰম্ভণিৰে পৰা অম্বিকাগিৰী ৰায়চৌধুৰী, নীলমণি ফুকন, জ্ঞাননাথ বৰা, ৰঘুনাথ চৌধাৰী আদিয়ে বিৰোধিতা কৰি আহিছিল। তদুপৰি নীলমণি ফুকনে তেখেতৰ সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ জৰিয়তে অসমীয়ালোক সকলৰ মতামত দাঙি ধৰিছিল 'অসমীয়া সংৰক্ষিণী সভাই' দাঙি ধৰা মতকে ফুকনে আৰু জোৰ দি প্ৰচাৰ কৰিছিল।

কেবিনেট মিচনৰ আঁচনিৰ বিষক্ৰিয়া স্বৰূপ অসমক গ্ৰুপিঙত জাপি দি অসমৰ অস্তিত্ব বিলীন কৰাৰ অভিপ্ৰায় কৰাত বৰদলৈৰ নেতৃত্বত অসমৰ বৰেণ্য নেতাসকলে যি ভূমিকা লৈছিল তাৰ বাবে আমাৰ উত্তৰ পুৰুষসকলে তেখেতসকলৰ ওচৰত চিৰঋণী হৈ থাকিব লাগিব। সেই প্ৰাতঃস্মৰণীয় বৰেণ্য ব্যক্তি কেইগৰাকীমান আছিল—বৰদলৈ, তৈয়বউল্লা, অমিয় কুমাৰ দাস, বিজয়চন্দ্ৰ ভাগৱতী, হৰেশ্বৰ

গোস্বামী, ফখ্‌ৰুদ্দিন আলি আহমদ, নীলমণি ফুকন, হৰেন্দ্ৰনাথ বৰুৱা, মহেন্দ্ৰ মোহন চৌধুৰী, পুষ্পলতা দাস, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী।

গ্ৰুপিঙৰ এই কলঙ্কিত অধ্যায়টো লৈ অসমৰ মুছলমানসকল দুই ভাগত বিভক্ত হৈছিল। ব্ৰহ্মপুত্ৰৰ উপত্যকাৰ মুছলমানসকলে গ্ৰুপিঙৰ বিৰোধিতা আৰু সুৰমা উপত্যকাৰ মুছলমানসকলে গ্ৰুপিং পক্ষ সমৰ্থন কৰিছিল। ছাদুল্লা গ্ৰুপিঙৰ এজন ঘোৰ সমৰ্থনকাৰী আছিল। তেখেতৰ অভিমত আছিল—*"Assam's destiny by reason of her geographical position is tied with Bengal."* এই ক্ষেত্ৰত ছাদুল্লাই জিন্না চাহাবৰ প্ৰতিনিধি হিচাপে কেবিনেট মিচন আঁচনি আখৰে আখৰে মানি লৈ অসমক গ্ৰুপিঙত জাপি দিয়াৰ কু-অভিসন্ধি চলাইছিল। ইতিমধ্যে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ প্ৰস্তাৱটো সদৌ অসম ছাত্ৰ সন্থাৰ হকে বিশ্বদেৱ শৰ্মা আৰু বিশ্ব গোস্বামীয়ে আৰু অসম জাতীয় মহাসভাৰ সম্পাদক অম্বিকাগিৰী ৰায়চৌধুৰীয়ে পূৰ্ণ সমৰ্থন কৰি তৈয়বউল্লা চাহাবৰ হাতত প্ৰস্তাৱৰ প্ৰতিলিপি দাখিল কৰিছিল। অসম আৰু অসমীয়া জাতিৰ স্বাৰ্থ ৰক্ষাৰ এই মহাৰণত তৈয়বউল্লা আৰু ফখ্‌ৰুদ্দিন আলি আহমদ ডাঙৰীয়াৰ সাহস, স্বদেশপ্ৰেম আৰু ত্যাগ নিশ্চয় শলাগিবলগীয়া। অসমীয়া হিন্দু-মুছলমানৰ পৰম্পৰাগত ভাতৃত্বভাৱ অটুত ৰখাত তেখেতসকলেযে নিস্বাৰ্থ আৰু বলিষ্ঠ ভূমিকা লৈছিল তাত সন্দেহ নাই।

গ্ৰুপিঙৰ বিৰোধিকা কৰাৰ কাৰণে অসমৰ নেতৃবৰ্গ ভাগে ভাগে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ গৈ সৰ্বভাৰতীয় নেতাসকলক সাক্ষাৎ কৰি গ্ৰুপিঙে অসমৰ কিদৰে সৰ্বনাশ কৰিব ওলাইছে তাক বুজাইছিল। তাৰে দ্বিতীয় দলটোত আছিল—তৈয়বউল্লা, ফখ্‌ৰুদ্দিন আলি আহমদ, অমিয়কুমাৰ দাস, বিজয়চন্দ্ৰ ভাগৱতী, অম্বিকাগিৰী ৰায়-চৌধুৰী আৰু নীলমণি ফুকন। তেখেতসকলে মহাত্মা গান্ধী, পণ্ডিত নেহৰু, চৰ্দাৰ পেটেল, আবুল কালাম আজাদ আদিক সাক্ষাৎ

কৰিছিল। মহম্মদ তৈয়বউল্লাৰ ডায়েৰীৰপৰা মহাত্মা গান্ধীক সাক্ষাৎ কৰাৰ একাংশ ইয়াত উদ্ধৃত কৰা হ'ল—

"From Birla House we went straight to the Harijan Colony to meet Bapu. Beaming on all of us for a while, greeting, Bapu began : *"I have already told Assam not to go to the group : Assam will die. Congress is behind Assam solidly."* I said : "Jinnah will not, as he declares, accept the Cabinet Misson Plan and go to the Constituent Assembly, if Assam is not included in his 'Pakistan group' of Simla Conference and refuses to go to the group in Section C to make the Constitution with Bengal; and the British Government's interpretation of the plan is in Jinnah's support. Hence the difficuity. Bapu ejaculated : *"Let your Assam members of the Constituent Assembly than stand in their seats and say, "Assam retires."* When one member raised doubt about Congress support to the end, in the event of acceptance to the plan in its entirety and in accordance with H. M. G's interpretation, Bapu's immediate reply was : *"Congress is not your back. Even if Congress fails to support you eventually, come out of the Congress."* At this Omeo Kumar Das said : We have made the Congress, and we will come out of it !" Bapu chuckled : *"I am out of the Congress for long years now. I am not its four-anna member even. You do the same thing." Coming out,"* interjected Omeo Das, "What shall we do then ?" One member intervened : "What about grouping ?" Bapu became severe and said : *"Satyagraha Karo, Congress se :*

Do Satyagraha against Congress." All were looking vague and non-plussed. I enguired: "Satyagraha ! How to do that ?" Bapu smilingly assured, "*Come then to me.*" With a pause: *No fear. All is well.*" Being sure of Bapu as our tower of strength, with bold hearts we retired, fully satisfied."

নীলমণি ফুকন মনেপ্ৰাণে যিদৰে গান্ধীবাদী আছিল পোছাক-পৰিচ্ছদতো সদায় খদ্দৰ ধুতি-পাঞ্জাৱী আৰু 'গান্ধী টুপী' পিন্ধিছিল। তেজগোড়া, সভা শুৱনি চেহেৰাৰ, হৰেন্দ্ৰনাথ বৰুৱাৰ দৰে সদা-সৰ্বদা মেৰুদণ্ড পোন কৰি খোজকঢ়া, হাতৰ লাখুটিৰে ফুকনদেৱ সঁচাকৈয়ে অসমীয়াৰ এজন বৰলোক আছিল। গান্ধী দৰ্শনত একান্ত বিশ্বাসী ফুকনে কোনো ধৰণৰ ৰাগীয়াল বস্তু সেৱন নকৰিছিল আৰু অসমৰপৰা কানি, মদ, ভাং আদি নিৰ্মূল কৰাত দেহেকেহে খাটিছিল। অহিংসাৰ পূজাৰী ফুকন 'হৰিজন আন্দোলন'ৰ এজন প্ৰবক্তা আছিল আৰু মহাত্মাৰ আহিৰে অসমৰ হৰিজন, অনুন্নত, নিষ্পেষিত লোকসকলক উদ্ধাৰৰ কাৰণে অহৰহ চিন্তা-চৰ্চা কৰিছিল। এই ক্ষেত্ৰত ফুকনদেৱে গান্ধীজীৰ আগতে মহাপুৰুষ দুজনাই দেখুৱাই থৈ যোৱা পথ অনুসৰণ কৰি অসমত অস্পৃশ্যতা বৰ্জনৰ প্ৰস্তুতি চলাইছিল। এই অনুন্নত শ্ৰেণীৰ লোকসকলৰ সামগ্ৰীক উন্নতিৰ কাৰণে ফুকনে, স্কুল খোলা, ৰাস্তা-পদূলি নিৰ্মাণ কৰা, নামঘৰ নিৰ্মাণ কৰি তাত নিত্যনৈমিত্তিক প্ৰসঙ্গ কৰা, চাকি-বন্তি জ্বলোৱাৰ ব্যৱস্থা কৰি দিয়া কামত আগভাগ লৈছিল। আন নালাগে কাছাৰ জিলাত ফুকনে তেনে ধৰণৰ বহুতো নামঘৰ আৰু স্কুলঘৰ পাতি দিছিল। বহুদিনলৈকে শিক্ষক-সকলৰ দৰমহা দিয়া আৰু ছাত্ৰ-ছাত্ৰীক কিতাপ-কাগজ যোগান ধৰা কামো ফুকনদেৱে কৰিছিল।

পিতামহ ভীষ্মৰ দৰে ফুকনদেৱ চিৰ কৌমাৰ্যব্ৰতী হ'লেও সন্ন্যাসী নাছিল। বিশ্বৰ ল'ৰা-ছোৱালীবোৰকে নিজৰ নাতি-পুতি জ্ঞান

কৰি, সিহঁতৰ লগতে উমলি-যামলি আনন্দত জীৱন কটাইছিল। তেখেতৰ শৰীৰটো দেখাত বুঢ়া হ'লেও মন আৰু উদ্যম ডেকাতকৈও ডেকা আছিল। তেখেতে হেৰোৱা অতীতৰ কথা ভাবি কেতিয়াও দুখ নকৰিছিল আৰু প্ৰতিটো ৰাতিপুৱা তেখেতৰ বাবে নিত্য নতুন আছিল। ৰসৰাজ বেজবৰুৱাক দেখাৰ সৌভাগ্য আমাৰ নহ'ল; কিন্তু হাস্যৰসিক হিচাপে ফুকনদেৱ আৰু ৰঘুনাথ চৌধাৰীও কম নাছিল। তেখেতসকলৰ সান্নিধ্যত থকাসকলে নিশ্চয় জানিব, কিদৰে খুহুঁতীয়া কথা কৈ শ্ৰোতাসকলৰ হাঁহিত পেটৰ নাৰী ডাল ডাল কৰিছিল। তেখেতসকলৰ ভাষাত হাঁহি হেনো শৰীৰ আৰু মনৰ কাৰণে শ্ৰেষ্ঠ ভিটামিন। সেয়েহে ককাই কৈছিল, "মই বুঢ়া হম কিয়? দিনটোৰ চব্বিশ ঘণ্টাৰ ভিতৰত কুৰি ঘণ্টাই মুক্ত আকাশৰ তলত থাকো, অতীতৰ কথা ভাবি কেতিয়াও দুখ নকৰো, উচ্চশিৰ কাহানিও নত নকৰো, বিশ্ব-শান্তিৰ কথা সদায় চিন্তা কৰো আৰু বিশ্বৰ নাতি-নাতিনীহঁতক চাৰিওফালে বহাই লৈ সাধুকথা কওঁ, ৰঙ-ধেমালি কৰো, হাঁহো, কাজেই যমেই মোক নিবলৈ আহিও আধা বাটৰপৰা উভতি যাব লাগিব। যমৰ ওপৰত যম হৈ বহিলে যমে যৱনিকা দেখিব।"

ফুকনে হৰিজন, জনজাতি, অনুসূচীত লোক আদিক উন্নত কৰাৰ কাৰণে বহুতো কাম কৰিছিল। নগাওঁৰ **'মিতুৰ আশ্ৰম'** আৰু সদিয়া-সীমান্তৰ **'মৈত্ৰেয়ী আশ্ৰম'** তেখেতৰ একক প্ৰচেষ্টাৰ ফলশ্ৰুতি। 'মৈত্ৰেয়ী আশ্ৰম' প্ৰতিষ্ঠাৰ সময়ত আচাৰ্য বিনোবাজী তাত উপস্থিত থাকি শুভ-উদ্বোধন কৰিছিল আৰু তাৰেপৰা চীন-ভাৰত মৈত্ৰীৰ ঐতিহাসিক আধাৰশিলা স্থাপন কৰিছিল। সেই শুভ দিনটোত ককাৰ লগত আমাৰো তাত উপস্থিত থকা পৰম সৌভাগ্য ঘটিছিল আৰু শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী প্ৰমুখ্যে ভালমান আগশাৰীৰ গান্ধীবাদী নেতাক তাত লগ পাইছিলো।

ফুকনৰ জীৱনৰ আন এটি উল্লেখযোগ্য সমাজ সেৱাৰ উদাহৰণ

হ'ল মাদক দ্ৰব্য নিবাৰণ অভিযান। তেখেত 'অসম সদাচাৰ সমিতি', 'অসম মাদকদ্ৰব্য নিবাৰণ সমিতি' আদিৰ সভাপতি আছিল। স্বামীসকলক মাদকদ্ৰব্য সেৱন কৰাৰ পৰা বিৰত ৰখাৰ কাৰণে কিদৰে পত্নীসকলে আগভাগ ল'ব লাগে ফুকনদেৱে সভা-সমিতিয়ে কেতিয়াবা কেতিয়াবা কৌতুক কৰিও বক্তৃতা দিছিল। তেখেত এই অনুষ্ঠান দুটাৰ সভাপতি হৈ থকা সময়ত অসমৰ পৰ্বতে-ভৈয়ামে ভ্ৰমণ কৰি, সভা-সমিতি পাতি জনসাধাৰণক এনেধৰণে বুজাইছিল যাৰ ফলত বহুতে তেনেবোৰ বদ্অভ্যাস এৰি একো একোখন আদৰ্শ সংসাৰ পতাত হাতে-কামে লাগি গৈছিল।

দেশৰ প্ৰতি, বিশ্ব মানৱৰ প্ৰতি ফুকনে কৰা ত্যাগৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেখেতক পদ্মশ্ৰী আৰু ৰাষ্ট্ৰীয় সাহিত্য একাডেমী পুৰস্কাৰ প্ৰদান কৰিছিল। অৱশ্যে পদ্মশ্ৰী সন্মান গ্ৰহণ কৰিবলৈ তেখেত ইচ্ছুক নহ'ল। তদুপৰি মুক্তিযুঁজাৰুৰ সন্মানসূচক তাম্ৰপত্ৰ লাভ কৰিছিল, আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে তেখেতক সন্মানসূচক ডি, লিট উপাধিৰে বিভূষিত কৰিছিল।

ফুকন বিশ্বধৰ্ম সমন্বয়ৰ প্ৰতীক আছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মত ফুকনে বিশ্বধৰ্মৰ অঙ্কুৰ দেখা পাইছিল আৰু তেৰাৰ আদৰ্শক বিশ্বশান্তিৰ একমাত্ৰ পথ হিচাপে, সমগ্ৰ ভাৰতবৰ্ষত, সমগ্ৰ বিশ্বত প্ৰতিষ্ঠা কৰাৰ সপোন দেখিছিল। সেয়েহে প্ৰয়াত মহেন্দ্ৰমোহন চৌধুৰী, শ্ৰীমৎ স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী, হৰগোবিন্দ শৰ্মা, বিমলাপ্ৰসাদ চলিহা, মতিৰাম বৰা, ফখ্ৰুদ্দিন আলি আহমদ, লক্ষেশ্বৰ হাজৰিকা প্ৰভৃতিৰ লগত লাগিভাগি পুৰীত শ্ৰীমন্ত শঙ্কৰদেৱ সংস্কৃতি সমাজ, মধুপুৰত 'মধুপুৰ সত্ৰ সমিতি' আৰু বৃন্দাবনত 'শঙ্কৰদেৱ গৱেষণা কেন্দ্ৰ' আদি অনুষ্ঠান পাতি গুৰুজনাৰ আদৰ্শ প্ৰচাৰ কৰিছিল। পুৰীত শঙ্কৰদেৱ সংস্কৃতি স্থাপন কৰা, ওড়িশা চৰকাৰৰপৰা জমি আদি পট্টন লোৱাত তেখেতৰ বিশিষ্ট বন্ধু ওড়িশা কেশৰী ডক্টৰ হৰেকৃষ্ণ মহতাবৰপৰা উল্লেখযোগ্য সহায় লাভ

কৰিছিল। ডক্টৰ মহতাবে এই লেখকৰ আগত স্বীকাৰোক্তি কৰা মতে মহতাবৰ অনুৰোধত ফুকন ডাঙৰীয়া ওড়িশালৈ গৈ উড়িআত বক্তৃতা দিছিল আৰু ফুকনৰ অনুৰোধত তেখেত অসমলৈ আহি অসমীয়াত বক্তৃতা দিছিল। পাঁচশ বছৰ পূৰ্বে মহাপুৰুষজনাই ওড়িশা আৰু অসমৰ মাজত ঘটোৱা অপূৰ্ব সাংস্কৃতিক বিনিময়ৰ এনাজৰীডাল ফুকন আৰু মহতাবৰ বন্ধুত্বৰ মাজেদি কটকটীয়া হৈছিল। মহতাবে আৰু কৈছিল কিদৰে ওড়িশা আৰু মধ্যপ্ৰদেশৰ মাজত হোৱা সীমা বিবাদ অসমৰ আন এজন 'ফুকন' দেশভক্ত তৰুণৰাম ফুকনে মিমাংসা কৰি ওড়িশাক এটা ডাঙৰ সঙ্কটৰপৰা ৰক্ষা কৰিছিল।

ফুকনৰ মন আৰু হৃদয় মণিৰাম দেৱান, পিয়লি ফুকন, কুশল কোঁৱৰ, কনকলতা আদিৰ স্বদেশ প্ৰেমৰ কথাই আলোড়িত কৰি ৰাখিছিল। সভা-সমিতিয়ে সুবিধা পালেই সিসকল বীৰ-বীৰঙ্গনাৰ মহান ত্যাগৰ কথা কৈ শ্ৰোতাসকলক বিশেষকৈ 'তৰুণ সমাজক' উদ্বোদ্ধ কৰি তুলিছিল। চীন-ভাৰতৰ যুদ্ধৰ সময়ত (১৯৬০-৬১) ইটালিৰ মেট্‌চিনিৰ আৰ্হিৰে আশী বছৰীয়া ফুকনদেৱে লোৱা ভূমিকা স্বদেশৰ উত্তৰ পুৰুষৰ বাবে নিশ্চয় স্মৰণযোগ্য হৈ ৰব। ফুকনে অসমবাসীক কৈছিল—"এইটো আমাৰ সকলোৰে বাবে চৰম ত্যাগৰ মাহেন্দ্ৰ ক্ষণ। অবাল-বৃদ্ধ-বণিতা সকলো আগবাঢ়ি আহক, দেশ ৰক্ষাৰ কাৰণে প্ৰত্যেকে ধন-প্ৰাণ লৈ আগুৱাই আহক। 'তৰিলে দেশ, মৰিলে স্বৰ্গ' এই মহামন্ত্ৰ উচ্চস্বৰে গাই গাই যুদ্ধত জপিয়াই পৰক। দেখক, মই আশী বছৰীয়া বুঢ়াই ৰজা ভগদত্তৰ দৰে যুদ্ধত নেতৃত্ব দিবলৈ ওলাই আহিছো।" আইমাতৃসকললৈ আঙুলি টোঁৱাই কৈছিল—"আই মাতৃসকল, আপোনালোকৰ বহুতৰে শিৰৰ সেন্দুৰ মচা যাব, বহুতো পুত্ৰহাৰা হ'ব। দুখ নকৰিব, দেশ ৰক্ষাৰ কাৰণে পুত্ৰ-স্বামীক আগবঢ়াই দি আপোনালোক গৌৰৱান্বিত হওক। মণিৰাম, পিয়লি, কুশল কোঁৱৰ, কনকলতা, মুকুন্দ কাকতি, ভোগেশ্বৰী

আইতাৰ পুণ্যাত্মাই আমাক স্বৰ্গৰ পৰা চাই আছে। তেওঁলোকৰ চৰম ত্যাগৰ ফলত আমি স্বাধীন হৈছো আৰু আমাৰ চৰম ত্যাগৰ ফলত আমাৰ উত্তৰ পুৰুষৰ কাৰণে দেশ ৰক্ষা পৰিব; জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী।" ফুকনে দেশবাসীৰ উদ্দেশ্যে দিয়া সেই তেজোদ্দীপ্ত ভাষণৰ কথা মনত পৰিলে আজিও দেহ ৰোমাঞ্চিত হয়।

ফুকনে সদায় 'তৰুণ অসম সমাজ'ৰ সুস্বপ্ন দেখিছিল। এই বিষয়ত ৰমন্যাস যুগৰ বিপ্লৱী কবি শ্বেলীৰ ভাবধাৰাৰ দ্বাৰা তেখেত প্ৰভাৱান্বিত হৈছিল যেন অনুমান হয়; কাৰণ তেখেতৰ চকুৰ আগত এখন নিত্য-নতুন সমাজ ভাঁহি আছিল। তেখেতৰ বিশ্বাস তৰুণ সমাজেহে দেশৰ দুৰ্নীতি পৰায়ণ দৈত্যসকলক দলন কৰি এখন নিকা সমাজ প্ৰতিষ্ঠা কৰিব পাৰিব। ছাত্ৰই প্ৰত্যক্ষভাৱে ৰাজনীতি কৰাটো ফুকনে সমৰ্থন কৰা নাছিল। কিন্তু সঙ্কটপূৰ্ণ অৱস্থাত দেশক ৰক্ষা কৰিবৰ কাৰণে ছাত্ৰশক্তিৰ প্ৰয়োজন তেখেতে নুই কৰা নাছিল।

অসমৰ তৰুণ সমাজলৈ ফুকনদেৱৰ নিৰ্দেশনা 'জ্ঞানদাভিৰাম বৰুৱা আইন কলেজ'ৰ এই লেখকৰ দ্বাৰা সম্পাদিত প্ৰথম মুখপত্ৰ 'জ্ঞানদা (১৯৬৯-৭০) ত "তৰুণ সমাজ আৰু দুৰ্নীতি" নামৰ প্ৰবন্ধত এনেদৰে প্ৰকাশ পাইছে—

"....১৯১১ চনৰ পৰা এতিয়াও সম্বন্ধ নিছিগাকৈ তিনিকুৰি বছৰ একেৰাহে তৰুণ শক্তিক সেৱা কৰি আহিছো! তেওঁলোকৰ খোজে-কাটলে আমাৰো কঁকাল পৰিবলৈ দিয়া নাই, তেওঁলোকৰ প্ৰিয়দৰ্শনে আমাৰো চকুৰ ছানি কাঢ়ি আছে। কিন্তু দেশ স্বাধীন হবৰ প্ৰায় পঁচিশ বছৰ হ'ল বুলিয়েই কব লাগিব, স্বাধীনতা সংগ্ৰামত তেওঁলোকে কাৰাদণ্ড, প্ৰাণদণ্ড যিদৰে তুচ্ছ জ্ঞান কৰি, মহাত্মাৰ নেতৃত্বত বৃটিছ সিংহৰ লগত থিয় যুঁজ দিলে, কেশৰ ডাল ডাল কৰিলে, আজি উৎফুল্লিত প্ৰাণে, নিজৰ দুই বাহুত বিশ্বাস কৰি, মৰা নলৰ গঁজালিটো স্বাধীনতাৰ প্ৰেৰণাসিক্ত ক্ষেত্ৰত লহ্পহ্কৈ বাঢ়ি আহিব পৰা নাই

কিয়? তাৰ কাৰণ সিদিনা ছাত্ৰ শক্তিক বা তৰুণ অসমক মহাত্মাৰ যুগ্মাত্মা সীমান্ত গান্ধীয়ে কি কৈ গ'ল, তৰুণ অসমে নিজ কাণে শুনিলে। মহাত্মাই অদমনীয় আদৰ্শ আগত ৰাখি চৰিত্ৰ বলেৰে তৰুণ শক্তিক বলীয়ান কৰি, নিৰ্য্যাতিত হৈয়ো সংযমিত আচৰণৰ মাজেদি যি আত্মবল তৰুণ শক্তিক দিলে, স্বাধীনতাৰ পাছত দেশৰ নেতৃত্বই সেই চৰিত্ৰবল অন্ধশক্তিৰ আগত বলিদান দিলে। মহাত্মাৰ ৰামৰম্যৰ ঠাইত ৰাৱণৰ সোণৰ লঙ্কা পাতিবলৈ চকুত জ্বলক লগালে। ভেজাল বস্তু বেচা, চোৰাং কাৰবাৰ কৰা, ঘুচ খোৱা কৰ্মচাৰীক ওচৰৰ 'লেম্পপোষ্টতেই ফাঁচি দিয়া হব বোলা, সিংহৰো মুখ ফালি দাঁত চাব পৰা ভাৰত জননীৰ জৱাহৰ-পণ্ডিত জৱাহৰলাল নেহৰুক এই দুৰ্নীতিবিলাকে বিমোৰ কৰি পেলাইছিল।"

তৰুণ শক্তিয়ে পছোৱা ধুমুহাৰ দৰে দুৰ্নীতি কিদৰে মষিমূৰ কৰিব লাগিব তাক ফুকনে কৈছিল—"আজি তৰুণ অসমক কব খোজো, এই মুহূৰ্ততে শক্তিপীঠ কামাখ্যাৰ পাদতলত তৰুণ-তৰুণীয়ে বাণীদেৱীৰ পৱিত্ৰ জ্ঞানৰ পৰিবেশ সৃষ্টি কৰি, হাতত নৈতিক কৱচ বান্ধি, সংযমিত আত্মবলেৰে বলীয়ান হৈ আগবাঢ়ক, দুৰ্নীতি দুৰাচাৰ থালিভগা জুইৰ দৰে আঁতৰি যাব, দুৰ্নীতি নিবাৰণ, এদল তৰুণে তপস্যাৰ একাগ্ৰতাৰে গ্ৰহণ কৰক, সংকল্প লওক, প্ৰচাৰ, শোভাযাত্ৰা কৰি, চোৰাং বজাৰ ছানি পেলাওক—তেতিয়া এমুঠি তৰুণেই এহেজাৰ মনত প্ৰেৰণা দিব, সংঘবদ্ধভাৱে আগবাঢ়ি আহিব, তেওঁলোকৰ একোটা ধ্বনিয়েই দুৰ্নীতি পৰায়ণ লক্ষপতিৰো বুকু কঁপাই তুলিব, শাসন যন্ত্ৰৰ মামৰ খহিব, চোৰাং বজাৰ খৰাং হৈ পৰিব।"

জ্ঞানবৃদ্ধ, বয়োবৃদ্ধ, পিতামহ ভীষ্মস্বৰূপ ফুকনদেৱে মহাত্মা গান্ধীৰ অহিংস নীতিত সম্পূৰ্ণ আস্থা ৰাখি দেশৰ তৰুণ শক্তিক যি নিৰ্দেশনা দি গ'ল, সি দুৰ্নীতি নিবাৰণৰ অমোঘ অস্ত্ৰ হিচাপে যিদিনা দেশৰ তৰুণ শক্তিয়ে ব্যৱহাৰ কৰি সৰ্বাত্মক আন্দোলন গঢ়ি তুলিব সিদিনা দেশৰ পৰা দুৰ্নীতি, সূৰ্যৰ উদয়ত ৰাতিৰ অন্ধকাৰ আঁতৰি যোৱাৰ দৰে

আঁতৰি যাব, মহাত্মা গান্ধীৰ কল্পনাৰ ৰামৰাজ্য দিঠকত পৰিণত হ'ব।

শিক্ষাৰ ক্ষেত্ৰত ফুকনৰ অভিমত স্পষ্ট আছিল। তেখেতে বিশ্ব-বিদ্যালয়সমূহক স্বতন্ত্ৰ অনুষ্ঠান হিচাপে গঢ়ি তোলাটোৰ পক্ষ্যপতি আছিল। তেখেতৰ অভিমত আছিল যে যদি বিশ্ববিদ্যালয়সমূহৰ নীতি চৰকাৰক নিৰ্দ্ধাৰণ কৰিবলৈ দিয়া হয়, তেতিয়া হ'লে শিক্ষাৰ মূল লক্ষ্যটোৱেই নষ্ট হ'ব।

বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি ফুকনদেৱ লগতে এজন চিন্তাশীল লেখক, প্ৰৱীণ কবি, বিশিষ্ট সাংবাদিকো আছিল। ১৯৪৪ আৰু ১৯৪৭ চনত তেখেতে ক্ৰমে শিৱসাগৰ আৰু ডিব্ৰুগড়ত বহা অসম সাহিত্য সভাৰ উনবিংশ আৰু বিংশ অধিৱেশনৰ সভাপতি আছিল। তেখেত একেৰাহে 'আলোচনী', 'বাতৰি', 'দৈনিক বাতৰি' সংবাদ-পত্ৰৰ আৰু 'ন-জোন' আলোচনীৰ সম্পাদক আছিল। তেখেতৰ প্ৰকাশিত গ্ৰন্থ কুৰিখনতকৈও অধিক। কবিতাৰ পুথি—জ্যোতিকণা, মানসী, গুটিমালী, জিঞ্জিৰি আৰু সন্ধানী, গদ্যগ্ৰন্থ—সাহিত্য-কলা, জয়াতীৰ্থ, চিন্তামণি আৰু মহাপুৰুষীয়া ধৰ্ম। তেখেতৰ আন ৰচনাসমূহ—শতধাৰা, মৰ্মবাণী, মৰাডালত কুঁহিপাত, জগতগুৰু, শঙ্কৰদেৱ, কীৰ্তনৰ লয়ণু ইত্যাদি।

ফুকন ডাঙৰীয়া আৰু দুবছৰ জীয়াই থাকি তেখেতৰ শতবাৰ্ষিকী নিজে চাই যোৱাৰ হেঁপাহ কৰিছিল। কিন্তু হায়! তেখেত জীয়াই থকা হ'লে তেখেতৰ মৃত্যুৰ পিছৰ বছৰতে (১৯৭৯) আৰম্ভ হোৱা অসমৰ অস্তিত্ব ৰক্ষাৰ ছবছৰীয়া আন্দোলনকো নেতৃত্ব দিবৰ কাৰণে হয়তো তেখেত আগবাঢ়ি আহিলহেঁতেন! নতুবা জৰাগ্ৰস্ত শৰীৰেৰে তেখেতৰ দুচকুৰ আগত নাতি-নাতিনীহঁতৰ মৃতদেহ দেখি শোকত প্ৰাণ ত্যাগ কৰিলেহেঁতেন!

পীতাম্বৰ দেৱ গোস্বামী

অসমীয়া বৈষ্ণৱ সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ মাজুলীৰ গড়মূৰ সত্ৰৰ পবিত্ৰ পৰিৱেশত প্ৰভু পীতাম্বৰ দেৱ গোস্বামীয়ে ১৮৮৫ চনৰ ১০ জুন তাৰিখে জন্মগ্ৰহণ কৰে। ছবছৰ বয়সত তেখেতৰ বিদ্যাৰম্ভ হয় আৰু মাত্ৰ পাঁচ বছৰ বয়সতে পৰম্পৰাগতভাৱে ১৮৯১ চনৰ মাৰ্চ মাহত তেখেত গড়মূৰ সত্ৰৰ ডেকা অধিকাৰৰূপে অভিষিক্ত হয়। ডেকা অধিকাৰ হোৱাৰ চাৰি বছৰ পিছতহে, ১৮৯৬ চনত তেখেতৰ উপনয়ণ হয়। ১৯০৭ খৃষ্টাব্দৰ (১৮২৯ শকৰ) শুক্লা-দ্বিতীয়া তিথিত তেখেত সত্ৰাধিকাৰ পদত অধিষ্ঠিত হয়। ১৯০২ চনৰ পৰা ১৯১২ চনলৈকে কাশী, নৱদ্বীপ, আদিত গভীৰ অধ্যয়ন কৰি উভটি আহে আৰু ১৯১৪ চনত আনুষ্ঠানিকভাৱে উৎসৱ পাতি তেখেতক সত্ৰাধিকাৰৰ আসনত বহুৱা হয়।

১৯১৭ চনৰ পৰা গোস্বামীদেৱে একেৰাহে কেবাবছৰো সঙ্গীত চৰ্চ্চা আৰু বিভিন্ন বাদ্যযন্ত্ৰৰ শিক্ষা আহৰণ কৰে। ১৯২৪ চনত স্বামী যোগানন্দৰ ওচৰত ৰাজযোগ আৰু হঠযোগৰ বিশেষ প্ৰশিক্ষণ লয়। ১৯১৭-২৩ চনৰ ভিতৰত তেখেতে উত্তৰ লক্ষীমপুৰত ব্যাপক পৰিমাণৰ ধানখেতি আৰু গড়মূৰত ট্ৰেক্টৰৰ সহায়ত কুঁহিয়াৰ খেতি কৰাৰ আদৰ্শ স্থাপন কৰে।

সত্ৰাধিকাৰৰ পদ পোৱাৰ পিছত তেখেতে সাত খলপীয়া গাদী (১৯১৮), খাটোলা (নৰবাহন) ১৯২১ আদি ত্যাগ কৰে আৰু ১৯১৯ চনৰ পৰা গুৰুকৰ ৰহিত কৰে।

১৯২০ চনত পীতাম্বৰ দেৱ গোস্বামী অসম কংগ্ৰেছত সক্ৰিয়ভাৱে যোগ দিয়ে। তেখেতে মাজুলী, যোৰহাট তথা উজনি অসমত

চৰকাৰ বিৰোধী প্ৰচাৰ কাৰ্য চলায়। ১৯২১ চনত মহাত্মা গান্ধীৰ আহ্বানক্ৰমে ইংৰাজ চৰকাৰৰ লগত অসহযোগ আৰম্ভ কৰে, সভা-সমিতি পাতি খাদী প্ৰচলন, মাদকদ্ৰব্য বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জনৰ অভিযান চলাইছিল। পীতাম্বৰ গোস্বামীদেৱে তেনেদৰে বলিষ্ঠ পদক্ষেপ লোৱাত তেখেতৰ অনেক পদানুসৰণকাৰীসকলো আন্দোলনত জঁপিয়াই পৰে। তেখেতৰ সোঁহাত স্বৰূপ, কমলাবাৰী হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক কেশৱৰাম বৰাক চৰকাৰ বিৰোধী কামত লিপ্ত থকা দোষত অভিযুক্ত কৰি ৩০-৩-২২ তাৰিখে পোন্ধৰ মাহ সশ্ৰম কাৰাবাসৰ হুকুম দিয়ে।

১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ সময়ত, মহাত্মা গান্ধীয়ে নিজে গৈ পীতাম্বৰ গোস্বামীদেৱক বাহৰত সাক্ষাৎ কৰি তেখেতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি থকা দানৰ শলাগ লৈছিল। ধৰ্মাচাৰ্য এজনে এনেদৰে ৰাজনীতিত সক্ৰিয় ভূমিকা লোৱা ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বপ্ৰথম বুলি মহাত্মা গান্ধীয়ে ধাৰণা কৰিছিল। পীতাম্বৰ দেৱ গোস্বামীৰ লগত প্ৰায় আধাঘণ্টা কথাবতৰা হৈ স্বাধীনতাৰ প্ৰতি থকা তেখেতৰ উদ্যম দেখি গান্ধীজী মুগ্ধ হৈছিল।

আইন অমান্য আন্দোলনত লোৱা উল্লেখযোগ্য ভূমিকাৰ কাৰণে চৰকাৰে গোস্বামীদেৱক সত্ৰতে গৃহবন্দী কৰি ৰাখিছিল, কিয়নো জনসাধাৰণৰ গোস্বামীদেৱৰ প্ৰতি থকা অভূতপূৰ্ব শ্ৰদ্ধা-সন্মান দেখি চৰকাৰে তেখেতক জেলত সুমুৱাবলৈ ভয় কৰিছিল। গোস্বামীদেৱে অন্তৰীণ হৈ থকা কালত আন্দোলনৰ জুই যাতে নুনুমাই, তাৰ কাৰণে ডেকা সত্ৰাধিকাৰ শ্ৰীকৃষ্ণদেৱ গোস্বামীৰ জৰিয়তে আন্দোলনৰ নেতাসকলৰ লগত গোপনে চিঠি-পত্ৰৰ বিনিময় কৰিছিল। ইতিমধ্যে ১৯৪২ চনৰ আন্দোলনে ভৰপক দিয়াত পীতাম্বৰ গোস্বামী সভা-সমিতি পাতি জনসাধাৰণক এনেদৰে জাগ্ৰত কৰিলে, যাৰ ফলত ১৯৪২ চনৰ ৯ অক্টোবৰ তাৰিখে গোস্বামীদেৱক পুনৰ অন্তৰীণ কৰাৰ হুকুম দিলে। ১৯৪২ চনৰ ৯ আগষ্টৰ দিনা পুণাত বহা কংগ্ৰেছ মহা

সভাত ইংৰাজে ভাৰত ত্যাগ কৰিব লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰাৰ সংবাদ পায়েই ১৪ আগষ্ট তাৰিখে যোৰহাটত বহা বিৰাট ৰাজহুৱা সভাত গোস্বামীদেৱে তেজোদ্দীপ্ত ভাষণ দি কৈছিল—"আমাৰ দেশ আমি স্বাধীন কৰিবই লাগিব। পৰাধীন জাতিৰ কোনো ধৰ্ম নাই। কৰ্তব্য সাধন কিম্বা শৰীৰ পতন।" তাৰ পাছতে প্ৰভুৱে ঘোষণা কৰিছিল—"কাছাৰী ঘৰত কাইলৈৰ পৰা পিকেটিং কৰি নিৰ্যাতন ভোগ কৰিবলৈ কাৰ সাহস আছে আগবাঢ়ি আহক।"

ইতিমধ্যে গোস্বামীয়ে নিজৰ খৰচত বহুতো গোহাৰি, প্ৰচাৰপত্ৰ ছপা কৰি আন্দোলনৰ নেতা, তথা ৰাইজৰ মাজত ডেকা সত্ৰাধিকাৰ কৃষ্ণদেৱ গোস্বামীৰ জৰিয়তে গোপনে বিতৰণ কৰি আছিল। তেখেতৰ প্ৰচাৰপত্ৰবোৰৰ সম্পৰ্কত চৰকাৰৰ মন্তব্য আছিল "....resposible for some of the most objectionble items of a new leaflct and poster-spate." চৰকাৰী নথিত পোৱা যায়—"Pitambar Deb Goswami in certain appeals asked people to lunch no-tax, no-rent campaign, to snatch away political prisoners from the custody of the police, to seize and destroy official records and Government vehicles." (Appeals issued by Shri Shri Pitambar Deb Goswami, general director, upper Assam Congress, H. F. M Records.)

সত্ৰাধিকাৰ গোস্বামীদেৱক গ্ৰেপ্তাৰ কৰাৰ পূৰ্বে তেখেতৰ ডেকা সত্ৰাধিকাৰ কৃষ্ণদেৱ গোস্বামী চৰকাৰৰ চোৰাংচোৱাৰ হাতত ধৰা পৰি ১৯৪২ চনৰ ১২ নবেম্বৰ তাৰিখে যোৰহাটত জেলত আটক হৈ থাকে। ইতিমধ্যে চৰকাৰৰ বন্দুক চুৰিৰ কেচত সত্ৰাধিকাৰ লিপ্ত থকা বুলি সন্দেহ কৰা হৈছিল যদিও ধৰ্মীয় গণ-বিপ্লৱ হোৱাৰ আশঙ্কা কৰি চৰকাৰে পীতাম্বৰ গোস্বামীদেৱক গ্ৰেপ্তাৰ কৰাৰ সাহস কৰা নাছিল। এনেতে তেতিয়াৰ অসমৰ মুখ্য সচিবে গৃহ সচিবক ১৯৪৩

চনৰ ২১ এপ্ৰিলৰ দিনা লিখিতভাৱে জনালে—"a profound and adverse effect opon his desciples and the Assamse Hindus generally." একেখন চিঠিতে মুখ্য সচিবে এইটোও স্বীকাৰ কৰিছিল—"that the Satra is now a focus of unlawful activities under the direction of the Goswami."

পীতাম্বৰ গোস্বামীদেৱৰ নিৰ্দ্দেশ মতে তিনি দিনৰ সময় দি অক্টোবৰ মাহত গড়মূৰ সত্ৰত বিৰাট ৰাজহুৱা সভা পাতি মিলিটাৰী-বোৰক কোনো প্ৰকাৰৰ খাদ্যবস্তু যোগান নধৰাৰ সিদ্ধান্ত ল'লে। ইয়াৰ পাছৰেপৰা সমগ্ৰ মাজুলীতে প্ৰচাৰ কাৰ্য চলিল। টঙ্কেশ্বৰ বৰা, উমাৰাম শইকীয়া, কনক দত্ত, খগেন ভূঞাঁ, জীৱেশ্বৰ বৰা, বাপুকণ কাকতি, মাধৱৰাম বৰা, ভাৰতচন্দ্ৰ ভূঞাঁ, সুনন্দ ভূঞাঁ, নাৰায়ণ ভৰালী, কমল ভাগৱতী, জগৰাম কাকতি, মাণিকচন্দ্ৰ হাজৰিকা আদিৰ অসাধাৰণ চেষ্টাৰ ফলত ১৮খন সভা পাতি মাজুলী অঞ্চলত প্ৰচাৰ কাৰ্য চলোৱা হ'ল। প্ৰত্যেক ঠাইতে 'শান্তি বাহিনী', 'মৃত্যু-বাহিনী' আদি দল গঠন কৰা হ'ল। ১৯৪৩ চনৰ ২ এপ্ৰিলৰ দিনা পীতাম্বৰ দেৱ গোস্বামীৰ পৌৰোহিত্যত উজনি অসমৰ আত্মগোপনকাৰী কৰ্মীসকল একত্ৰিত হৈ গড়মূৰ সত্ৰত চৰকাৰ বিৰোধী ভয়ানক আন্দোলনৰ কাৰ্যসূচী হাতত ল'লে। গোস্বামী-দেৱ সত্ৰত অন্তৰীণ হৈ থাকিও অকণো নডৰি চৰকাৰ বিৰোধী এনেবোৰ কাম কৰি থকাটো চোৰাংচোৱাৰ জৰিয়তে চৰকাৰে খবৰ পাই আছিল। এনেতে সেই বছৰৰে জুন মাহত গোস্বামীদেৱৰ খুড়াক, কুৰুৱাবাহী সত্ৰৰ অধিকাৰ যদুচন্দ্ৰ দেৱ গোস্বামীৰ টান বেমাৰ হোৱাৰ বাতৰি পাই চৰকাৰৰ অন্তৰীণ আইন ভঙ্গ কৰি খুড়াকৰ খবৰ ল'বলৈ গ'ল। ফলত সেই বছৰৰ জুলাই মাহত তেখেতক গ্ৰেপ্তাৰ কৰি দুবছৰ যোৰহাটত জেলত কাৰাদণ্ড বিহিলে। লগতে তেখেতৰ শৰণাৰ্থী আঠজনকো গ্ৰেপ্তাৰ কৰি কাৰাবাস

দিলে। সেই সময়ত যোৰহাটত জেলত সাতশতকৈত অধিক ৰাজনৈতিক বন্দী আছিল। পীতাম্বৰ দেৱ গোস্বামী যোৰহাটত জেলত প্ৰৱেশ কৰাৰ লগে যোৰহাট জেল স্বৰ্গপুৰীত পৰিণত হ'ল। তেখেতক সেৱা জনাবৰ কাৰণে জেলৰ ভিতৰত হেতা-ওপৰা লাগিল। যোৰহাটত জেলৰ ভিতৰতে সত্ৰাধিকাৰ আৰু ডেকা সত্ৰাধিকাৰক আচুতীয়াকৈ বাহৰ সাজি ৰখাৰ ব্যৱস্থা কৰা হ'ল। নিত্য প্ৰসঙ্গৰ কাৰণে নামঘৰ, ভকত-ঘৰৰ ব্যৱস্থা হ'ল। প্ৰতিদিনে নাৰায়ণ ভৰালী বাহিৰৰপৰা পবিত্ৰ পানী নি প্ৰভুক যোগান ধৰিলে। সত্ৰৰপৰা প্ৰতিদিনে প্ৰভুৰ কাৰণে নানা আহাৰ, ফলমূল যোগান ধৰা হ'ল। ভকতসকলেও য'তে আছে তাৰে পৰা সিধা-ভাড় লৈ প্ৰভুক প্ৰণাম জনালেহি। নিত্য প্ৰসঙ্গাদিৰে ফাটেক ঘৰৰ পৰিৱেশ সত্ৰ-নামঘৰ হৈ উঠিল। পীতাম্বব দেৱ গোস্বামী ফাটেকৰ ভিতৰতে থাকি ধৰ্ম চৰ্চ্চা, সাহিত্য চৰ্চ্চা কৰিবলৈ ধৰিলে। ভাগৱত গ্ৰন্থৰ কেবাটাও অধ্যায় অসমীয়া ভাষাত তৰ্জমা কৰিলে। পুৱা, দুপৰীয়া সন্ধিয়া পৰত প্ৰভুৰ সুসংঙ্গত মানৱ জীৱনৰ উন্নতিকামী বহুতো সদ আলোচনা হ'বলৈ ধৰিলে। কাৰাবাসৰ ম্যাদ উকলি যোৱাত ১৯৪৫ চনৰ জুলাই মাহত মুক্তি লাভ কৰি গোস্বামী দেৱ পুনৰ সত্ৰলৈ উভটি আহিল।

বিশ্বৰ ইতিহাসত ধৰ্ম-গুৰুৱে ৰাজনৈতিক বিপ্লৱত এনেদৰে আত্মবলি-দান দিয়া উদাহৰণ বৰ বেছি নাই। ঐতিহাসিক যুগত এই ভাৰতবৰ্ষতে ছত্ৰপতি শিৱাজীক গুৰু ৰামদাসে, মহাৰাজ নৰনাৰায়নক শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম নীতিৰ লগতে ৰাজনীতিৰো পৰামৰ্শ দিয়াৰ নজিৰ আছে। সেই দৰে চাণক্য অবিহনে চন্দ্ৰগুপ্তও নিষ্প্ৰভ হৈ থাকিলহেঁতেন। কিন্তু ভাৰতৰ স্বাধীনতা আন্দোলনত ধৰ্মগুৰু পিতাম্বৰ দেৱ গোস্বামী আৰু তেখেতৰ ডেকা সত্ৰাধিকাৰ কৃষ্ণদেৱ গোস্বামীয়ে যি ভূমিকা ল'লে সি অদ্বিতীয়েই নহয় চিৰ-স্মৰণীয়ও। ভাৰতৰ ৰাজনৈতিক ইতিহাসত পীতাম্বৰ দেৱ গোস্বামীৰ

নাম যুগ যুগান্তৰলৈ সোণালী আখৰেৰে জিলিকি থাকিব।

পীতাম্বৰ দেৱ গোস্বামী কেৱল ধৰ্মগুৰু আৰু প্ৰসিদ্ধ মুক্তিযুঁজাৰুৱেই নাছিল। সনাতন বৈষ্ণৱ-ধৰ্মৰ এজন উদাৰ-ধৰ্মগুৰু হিচাপে ধৰ্মৰ নামৰ প্ৰচলিত অন্যায়-অবিচাৰ, সমাজ ব্যৱস্থাৰ নামত প্ৰচলিত কুসংস্কাৰ, বৰ্ণবিভাজনৰ নামত প্ৰচলিত বৰ্ণহিন্দু আৰু অস্পৃশ্য, সত্ৰৰ ভকতৰ নামত প্ৰচলিত কৰ্মবিমুখতা আৰু কেৱলীয়া জীৱন আদি এশ একুৰি যুক্তিহীন, বিজ্ঞান অসন্মত কথা তেখেতে যুক্তিৰে চালি চাবি চাই যিটো সৎ বা সত্য তাক প্ৰচাৰ কৰাৰ কাৰণে বিহিত ব্যৱস্থা লৈছিল। তেনে কৰাৰ ফলত তেখেতৰ সমসাময়িক বহুতো তথাকথিত ধৰ্মগুৰুৱে তেখেতক কটু সমালোচনা কৰিছিল। বৃটিচ শক্তিৰ লগত ফেৰপাতি যুঁজ দিয়া, স্বাধীন ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৰাজনীতিক, প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুক অসমৰ প্ৰতি কৰা অবিচাৰৰ কাৰণে লিখিতভাৱে থকা সবকা কৰা পীতাম্বৰ দেৱ গোস্বামীদেৱে আনৰ তেনেবোৰ কটু সমালোচনাত অলপো মন কৰা নাছিল। পীতাম্বৰ দেৱ গোস্বামীদেৱৰ কৰ্ম আৰু আদৰ্শ আন নালাগে যদি অসমৰ প্ৰতিখন সত্ৰ আৰু নামঘৰৰ সত্ৰাধিকাৰ আৰু ভকত-মহন্তসকলে অনুসৰণ কৰিলেহেঁতেন অসম আজি জাকত-জিলিকা হৈ থাকিলহেঁতেন, অসম আজি ভাগিছিগি খণ্ড-বিখণ্ড নহ'লহেঁতেন, অধুনা সজ্ঘটিত ছবছৰীয়া বিদেশী বিতাৰণৰ ঐতিহাসিক গণ-আন্দোলনৰ হয়তো প্ৰয়োজন নহলহেঁতেন!

পীতাম্বৰ দেৱ গোস্বামীৰ কাৰ্যকলাপ অসমৰ তেতিয়াৰ উঠিৰজা বহিৰজা মুখ্যমন্ত্ৰী ছাদুল্লা ডাঙৰীয়াই সহ্য কৰিব নোৱাৰাটো তেনেই স্বতঃসিদ্ধ কথা আছিল। পীতাম্বৰ দেৱ গোস্বামীৰ ইংৰাজ বিৰোধী কাৰ্যৰ পৰিণাম উজনি অসমৰ বিশেষকৈ মাজুলীবাসীয়ে কিদৰে ভোগ কৰিছিল তেখেতৰ অন্যতম সতীৰ্থ মুক্তিযুজাঁৰু টঙ্কেশ্বৰ বৰা দেৱৰ লেখাত এনেদৰে প্ৰকাশ পাইছে—

"১৯৪৩।৭৪ এই বছৰ ২টা সদৌ অসমৰ ৰাইজে নানা দুখ

নির্যাতনৰ মাজত কটাবলগীয়া হৈছিল। ছাত্তুৱা মন্ত্ৰী সভাই গোৰ্খা আৰু নিগ্ৰো মিলিটাৰীৰে অসম দেশ ভৰ্ত্তি কৰিলে। পাইকাৰী জৰিমনা গাৱেঁ গাৱেঁ তুলি, গৰু, ছাগলী, কুকুৰা আদি জোৰ কৰি গাৱঁৰপৰা নি আৰু ভলণ্টিয়াৰ থকা ঘৰৰ সকলো বস্তু ক্ৰোক কৰি নি অশেষ নির্যাতন দিছিল। বস্তুৰ মূল্য অতিপাত বৃদ্ধি হৈছিল। নিমখ-কেৰাচিন আদি পাবলৈ নাইকিয়া হৈছিল। চোৰাং বজাৰ চলিছিল। গড়মূৰৰ সত্ৰ তুখনত চৰকাৰী দোকানৰ নিমখ কেৰাচিন সম্পূৰ্ণ বন্ধ কৰি দিছিল। যুদ্ধৰ পুঁজিলৈ লাখ লাখ টকা সংগ্ৰহ কৰিছিল। দক্ষিণপাট আৰু আউনীআটী সত্ৰ তুখনৰপৰা দহ হাজাৰলৈ টকা নিছিল। সেই সময়ত দেশদ্ৰোহী ঠিকাদাৰ কিছুমানে পলাটক কৰ্মীবিলাকক গোপন খবৰ দি ধৰাই দিছিল।"

গান্ধী-আৰউইন চুক্তি মতে দেশৰ সকলো ৰাজনৈতিক বন্দীক মুক্তি দিয়া হ'ল। ১৯৪৬ চনত স্বাধীন ভাৰত গঢ়াৰ কাৰণে প্ৰথম সাধাৰণ নির্বাচন অনুষ্ঠিত হ'ল, যোৰহাট উত্তৰ সমষ্টিৰ প্ৰসিদ্ধ মুক্তি-যুঁজাৰু, বিচক্ষণ ৰাজনীতিবিদ্ দেৱেশ্বৰ শৰ্মাদেৱ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে থিয় হ'ল; পীতাম্বৰ গোস্বামীদেৱে যোৰহাটত বাহৰ পাতি শৰ্মাদেৱক জয়যুক্ত কৰাত সহায় কৰিলে। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা দেশে বহু আকাঙ্খীত, বহু কষ্টোপাৰ্জিত স্বাধীনতা লাভ কৰিলে। দিল্লীৰ লালকিল্লাত ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত নেহৰুৱে স্বাধীন ভাৰতৰ ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰিলে আৰু কমলাবাৰীত প্ৰভু পীতাম্বৰ দেৱ গোস্বামীয়ে বীৰ-শ্বহীদসকলৰ স্মৃতি তৰ্পণ কৰি পতাকা উত্তোলন কৰিলে। শেহত মহাত্মা গান্ধীৰ আদৰ্শেৰে ৰাজনীতিৰ ফালে পিঠি দি অস্পৃশ্য, অনুন্নত, অৱহেলিত, পদদলিতসকলৰ উন্নতি সাধনত ব্ৰতী হ'ল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অধ্যাত্মচিন্তা আৰু কৰ্মৰ প্ৰকৃত উত্তৰাধিকাৰী আছিল পীতাম্বৰ গোস্বামীদেৱ। আনকি তেখেতৰ সমাজ সংস্কাৰৰ পটভূমি অধ্যয়ন কৰিলে কিছু ক্ষেত্ৰত মহাপুৰুষ জনাতকৈও

অধিক বিপ্লৱী, আৰু অধিক বাস্তৱবাদী যেন অনুমান হয়।

সত্ৰীয়া, বিশেষকৈ চাৰি-সত্ৰীয়া বৈষ্ণৱ গুৰুসকলে কিদৰে 'ভুল' কৰি আহিছে তাৰ—কিছু অংশ 'পীতাম্বৰ প্ৰতিভাৰ'পৰা উল্লেখ কৰা যাওক :

(১) গুৰুসকলে তেওঁলোকৰ কামত সংহতি ভেদ কৰাটো : শঙ্কৰদেৱৰ দিনত সংহতি বুলি কোনো ভেদ নাছিল। তেখেতৰ তিৰোভাৱৰ পিছত এটা-দুটাকৈ চাৰিটা সংহতি পাতিলে আৰু এটা সংহতিৰ মানুহে অপৰাপৰ সংহতিৰ মানুহৰ হাতৰ পানী এটোপাও খাব নোৱাৰা নিয়ম কৰিলে। ভাগৱতত থকা ভাগৱতী ধৰ্মৰ কোনো প্ৰকাৰৰ ভেদ নাই। কিন্তু আমালোকে গুৰুৰ দোষ-ভ্ৰান্তিত ভাগৱতত কোৱা একেবিধ ধৰ্মকে টুকুৰা-টুকুৰ কৰি পেলালোহঁক। জগতত যত ধৰ্মমত আছে, সেই সকলো ধৰ্মমতৰ লগত সমালোচনা কৰি চালে, আমাৰ হৃদি বিশ্বাসেৰে এই ভাগৱত ধৰ্ম সৰ্বশ্ৰেষ্ঠ ধৰ্ম বুলি ডাঠি ক'ব পৰা যায়। কিন্তু তেনেহ'লে সৰ্বশ্ৰেষ্ঠ ধৰ্মৰ গুৰুত্ব সুবুজি বাহিৰৰ অলাগতিয়াল কথাৰ কিছুমান ভাৱ সুমাই আমাৰ সমাজৰ অনৈক্যতা বৃদ্ধি কৰা হ'ল মাথোন। সংহতিৰ যিবোৰ নামকৰণ কৰা হ'ল, যেনে—ব্ৰহ্ম-সংহতি, পুৰুষ-সংহতি, কাল-সংহতি, নিকা-সংহতি ; এই নামত কোনো অৰ্থও নাই যুক্তিও নাই, মনেৰে পতা কথাৰে গুৰুসকলে সমাজখন এক প্ৰকাৰে নষ্ট কৰি পেলোৱা হ'ল।"

(২) "আমালোকে শিষ্যক শিক্ষা দিব লাগিছিল সৰ্বজনীনভাৱে সমাজ সেৱাৰ কথা। ভাগৱতত ভাগৱত ধৰ্মৰ লক্ষণ যেনেদৰে কৈছে সেয়ে কথা শিক্ষা দিব লাগিছিল, কিন্তু শিক্ষা দিলোঁহক সাম্প্ৰদায়িক বিভেদ, পৰস্পৰৰ মাজত ঘৃণা-বিদ্বেষৰ কথা। আমাৰ আদৰ্শত চলি ৰায়তসকলো ঘোৰ স্বাৰ্থপৰ আৰু হীনমনা হৈ পৰিল। আমালোকৰ অন্তৰ যেতিয়া সঙ্কীৰ্ণ, তেনেস্থলত আমালোকৰপৰা শিক্ষা পোৱা ৰায়তৰ জ্ঞান কেনেকৈ বিকশিত হ'ব ?"

(৩) আমালোক নামতহে মহাপুৰুষ শঙ্কৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ, বংশীগোপালদেৱৰ নাম মুখত লওঁহক, কিন্তু কাৰ্য্য ক্ষেত্ৰত সেইসকল পুৰুষৰ কোনো নীতি বা আদৰ্শ পালন নকৰোঁহক। ওপৰত নাম উল্লেখ কৰা সকলো মহাপুৰুষ নিৰহঙ্কাৰী, বিনয়ী আৰু নম্ৰতাৰ চূড়ান্ত আদৰ্শ স্বৰূপ আছিল। কিন্তু তেখেতসকলৰে পদাঙ্ক অনুসৰণকাৰী বুলি নামটো লৈ কামত সম্পূৰ্ণ ওভোতা পথ ধৰিলোহঁক। পূৰ্বৰ গুৰুসকল ঘৰে ঘৰে, গাৱেঁ গাৱেঁ খোজ কাঢ়ি ফুৰিছিল। কিন্তু আমালোকক এঠাইৰপৰা আন ঠাইলৈ যাবলৈ নৰবাহিত যান লগা হ'ল। তাতোকৈ ডাঙৰ কথা হ'ল যে আমি সমাজলৈ যাব বা সমাজত বহিব নোৱাৰোঁ। আমি সমাজলৈ গ'লে অন্য সকলো ৰায়ত মাটিত বহিব লাগিব আৰু সেই সমাজলৈ আন কোনো গুৰু যাব নোৱাৰে। আন গুৰুসকল গ'লেও চাৰি-সত্ৰীয়াৰ আগত সেইসকলৰ গুৰুও আসনত বহিব নোৱাৰে। আমালোক চাৰি-সত্ৰীয়া গোসাঞে কেঘৰে প্ৰায় এশবছৰমান কাল এই নিয়মৰ টোপোলাটো বান্ধি লৈ ফুৰিছোহঁক। দেশবাসীৰ হেঁচাত যদিও টোপোলাটো মাটিলৈ নমাই থৈছোহঁক তথাপি আমালোক ধৰ্ম-গুৰুৱে সমাজৰ যি যি কাম কৰিব লাগিছিল, তাৰ ভিতৰত একোকে নকৰা বাবে শঙ্কৰদেৱৰ তিৰোভাৱৰ পাছৰ ৯১ বছৰমান কাল বিফলে নিয়ালোহঁক। তাৰ বাবে চাৰি-সত্ৰীয়া গোসাঞসকল দেশৰ ওপৰত সম্পূৰ্ণৰূপে দোষী।"

(৪) শঙ্কৰ গুৰুৰ আহিঁ অৱজ্ঞা কৰি অসমৰ বাহিৰে-ভিতৰে ব্যাপক হৈ থকা পৰ্বতীয়া ভাইসকলক যথাৰ্থ বুজনি দি তেওঁলোকক অসমীয়া হিন্দুৰ লগত লগ লগাই নোলোৱাটো। মহাপুৰুষ শঙ্কৰদেৱে অসমৰ সকলো লোকলৈকে সেই আদৰ্শ দেখুৱাই থৈ গৈছিল। তেনেহ'লে উত্তম আদৰ্শ পালন নকৰাটো অসমৰ গুৰু-সকলৰ মাৰাত্মক ভুল হ'ল।

(৫) বৃটিছে অসম দেশ লোৱাৰ পাছত অসমত চাহ-বাগিছাৰ

খেতি পাতে। তেতিয়াৰপৰাই ভাৰতৰ নামনি অঞ্চলৰপৰা অসমলৈ লাখ লাখ বমুৱা আহে। সেইসকল বমুৱা অধিকাংশ প্ৰায় ৯০।৯৫ জনেই হিন্দু আছিল। তথাপি আমাৰ পূৰ্ব্বৱৰ্ত্তী গুৰুসকলে বমুৱা ভাইসকলক সামৰি ল'ব লাগে বুলি নাজানিলে। তাৰ পৰিণামৰ ফল আজি গোটেই অসমীয়াই হাতে হাতে ভুগিব লগা হ'ল।

(৬) যদি কৰ বুলি লোৱা টকা-কড়িখিনি শিষ্যসকলৰ কল্যাণৰ অৰ্থে খৰচ কৰিলোহেঁতেন, তেনেহ'লে কৰ লোৱা দোষ পাতলিলহেঁতেন! তথাপি 'কৰ' বুলি নাম দিব নালাগিছিল। মহাপুৰুষ শঙ্কৰদেৱৰপৰা বংশীগোপাল দেৱলৈকে ধৰ্মাচাৰ্যসকল মহা ত্যাগী আছিল। তেখেতসকলে উপদেশ লোৱা শিষ্যসকলৰপৰা 'কৰ' নামেৰে কোনো বস্তু লোৱা নাছিল। ৰায়তসকলে মহৎ ইচ্ছাৰে ধৰ্ম প্ৰবৰ্ত্তকসকললৈকে দান আগবঢ়াইছিল। কিন্তু পৰৱৰ্ত্তী গুৰুসকলে 'কৰ' বুলি নাম দিলে আৰু ক্ৰমে সেই 'কৰ' বাধ্যতামূলক ভাৱত পৰিণত হ'ল। আমালোক গুৰুসকলেও শিষ্যৰপৰা 'কৰ' আদি লৈ নিজৰ শৰীৰ পোষণ আৰু আত্মীয়-স্বজন পালনত খৰচৰ বাবে 'কৰ' গ্ৰহণ কৰ্মটোৱে আমালোকে উপদেশ দিয়া জ্ঞান আৰু ভক্তিৰ মহত্ব কমাই পেলালে। শাস্ত্ৰমতে ধৰ্ম, জ্ঞান, ভক্তি, উপদেশ দি তাৰ মূল্য স্বৰূপে গুৰুৱে একো গ্ৰহণ কৰিব নাপায়।

ওপৰত উদ্ধৃত মূল 'দোষ' কেইটাৰ বাহিৰেও সত্ৰাধিকাৰসকলৰ আৰু অনান্য বহুতো দোষ প্ৰভু পীতাম্বৰ গোস্বামীয়ে আঙুলিয়াই দিছিল। অৱশ্যে তেখেতে যদিও নিজকো চাৰি-সত্ৰীয়াৰ এজন হিচাপে ধৰি কথাই প্ৰতি 'আমি' 'আমালোক' বুলি কৈ নিজৰ গাতো 'ভুল-দোষ' লিপি লৈছে, প্ৰকৃততে চিৰকৌমাৰ্যব্ৰতী প্ৰভুৱে নিজৰ জীৱনত তেনেবোৰ ভুল কেতিয়াও কৰা নাছিল, যাৰ কাৰণে আনবোৰ সত্ৰৰ অধিকাৰসকলে গোস্বামীদেৱৰ লগত মিত্ৰভাৱাপন্ন হৈ থাকিবলৈ টান পাইছিল।

পীতাম্বৰ দেৱ গোস্বামী এজন বিজ্ঞ সংস্কৃত পণ্ডিত আছিল।

গড়মূৰ সত্ৰৰ স্বনামধন্য সংস্কৃত পণ্ডিত নিত্যানন্দ ভাগৱতী বিদ্যাবাগীশৰ তলত তেখেতে সংস্কৃত অধ্যয়ন কৰাৰ পাছত সংস্কৃত সাহিত্য আৰু বঙ্গীয় বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ নৱদ্বীপত ছবছৰ কাল সংস্কৃত অধ্যয়ন কৰি আয়ুৰ্বেদ শাস্ত্ৰকে মুখ্য কৰি বিশেষ বিশেষ শাস্ত্ৰবোৰ অধ্যয়ন কৰিছিল। ১৯১৭ চন শ্ৰীহট্টত অনুষ্ঠিত হোৱা অসম সংস্কৃত বোৰ্ডৰ অধিবেশনত পৌৰোহিত্য কৰিছিল। গৌৰৱৰ কথা যে ১৯৩৩ চনত এইজন অসমীয়া ধৰ্মগুৰু তথা সংস্কৃত পণ্ডিতক কাশী হিন্দু বিশ্ববিদ্যালয়ে ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জনাইছিল। সম্বৰ্দ্ধনা সভাত তেখেতে চমকপ্ৰদ সংস্কৃত ভাষাত বক্তৃতা দিছিল।

শাস্ত্ৰীয় সঙ্গীত, ব্যায়াম চৰ্চ্চা, বিবিধ শিল্প-কলা, কৃষি প্ৰণালী আনকি হাতী চিকাৰ, বাঘ-চিকাৰ আদিতো গোস্বামীদেৱ পাৰ্গত আছিল। ধানখেতি, কুঁহিয়াৰ খেতি, হাতীৰ মহল, ম'হৰ বাথান আদি পতাত তেখেতৰ বিশেষ ৰাপ আছিল। চিকাৰৰ সময়ত খাকী চোলা-পট্‌লুং পিন্ধি অভিজ্ঞ চিকাৰীৰ দৰে উদণ্ড হাতী, নৰখাদক বাঘ কৌশলেৰে বধ কৰিছিল। চিকাৰৰ ক্ষেত্ৰত তেখেতৰ স্থান তৰুণৰাম ফুকনৰ শাৰীৰ আছিল।

সমবায় আন্দোলন, সমাজ সংস্কাৰ, সত্ৰ সংস্কাৰ, বিবিধ পশু-পক্ষী পালন আৰু বৈজ্ঞানিক প্ৰক্ৰিয়াত সিহঁতৰ জাত উন্নত কৰা, শিক্ষা বিস্তাৰ আদি সমাজ হিতকৰ বহুতো কামত তেখেত নিবিড়ভাৱে জড়িত আছিল।

চাৰি-সত্ৰীয়াৰ মান-মৰ্যাদা অটুত ৰাখি বৈষ্ণৱ আদৰ্শেৰে তেখেতে হৰিজনসকল, আৰু সমাজৰ অতি পিছপৰা লোকসকলক আঁকো-ৱালি লৈছিল। ১৯৩০ চনত গোলাঘাটত বহা কৈৱৰ্ত সন্মিলনৰ তেখেত সভাপতি আছিল। অসম ছাত্ৰ সন্থাৰ এজন পৰম হিতৈশী ব্যক্তি হিচাপে ১৯৩২ চনত গুৱাহাটীত বহা অসম ছাত্ৰ সন্থাৰ সপ্তদশ অধিৱেশনত পৌৰোহিত কৰা, মিছিংসকলৰ সভাত পৌৰোহিত কৰা, খৃষ্টান, মুচলিম্ আদি ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা কিছুমান পুৰুষ-

তিৰোতাক আকৌ হিন্দু ধৰ্মত দীক্ষিত কৰা, বিধবা বিবাহ প্ৰচলন কৰা, বাল্য-বিবাহ বন্ধ কৰা, সত্ৰৰ কেৱলীয়া, ভকতসকলক সত্ৰৰ নিত্যনৈমিত্তিক আনুষ্ঠানিক কামৰ বাহিৰেও খেতিবাতি কৰাৰ ব্যৱস্থা কৰি দিয়া, নিজে সংসাৰ বন্ধনত নোসোমায়ো সত্ৰৰ-উদাসীন কেৱলীয়া ভকতসকলক বিয়া-বাৰু কৰাবলৈ হিত পৰামৰ্শ দিছিল।

নাট্যাভিনয় আৰু সাহিত্যচৰ্চ্চা এই দুটা বিষয়ত, মহাপুৰুষ দুজনাৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ গোস্বামীদেৱে উল্লেখযোগ্য দান আগবঢ়াই থৈ গৈছে। নামনি অসমত বীৰ-বিপ্লৱী ব্ৰজনাথ শৰ্মাই নাট্য আন্দোলন গঢ়ি তুলি নাটকত সহ-অভিনয় প্ৰচলন কৰাৰ দৰে পীতাম্বৰ দেৱ গোস্বামীও মাজুলীত পোন প্ৰথমে সহ-অভিনয় আৰম্ভ কৰিছিল। অৱশ্যে এই কাৰ্যত ব্ৰজনাথ শৰ্মাৰ দৰে তেখেতো এচাম লোকৰ কটু সমালোচনাৰ পাত্ৰ হৈছিল।

তেখেত এজন নাট্যকাৰো আছিল। সত্ৰৰ চাৰিবেৰৰ ভিতৰৰ-পৰা বঙলা নাটক আঁতৰাই তাৰ ঠাই অসমীয়া নাটকেৰে পূৰোৱাৰ উদ্দেশ্য আগত ৰাখি গোস্বামীদেৱে নাট ৰচনা কৰি মঞ্চস্থ কৰিছিল। তেখেতৰ প্ৰকাশিত মূল গ্ৰন্থ কেইখনমান হ'ল—শৰণ-ভজন, ধৰ্ম-শিক্ষা, সমাজৰক্ষা, অসমীয়া লখিমী ভৰাল, ধৰ্মবাণী, শ্ৰীকৃষ্ণৰ ৰাসলীলা আদি।

পীতাম্বৰ দেৱ গোস্বামী অসমৰ স্বাৰ্থৰ হকে ওৰে জীৱন যুঁজ কৰিছিল। প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে মাজে সময়ে অসমৰ প্ৰতি কৰা অবিচাৰৰ পীতাম্বৰ গোস্বামীদেৱে মুক্তভাৱে প্ৰতিবাদ জনাইছিল। সত্ৰীয়া অধিকাৰসকলৰ দোষবোৰ আঙুলিয়াই দি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিয়া আহিৰে নেহৰুৱেও অসমৰ প্ৰতি কৰা অৱহেলা আৰু অবিচাৰবোৰ সুস্পষ্ট ভাষাৰে নেহৰুলৈ লিখি ২৬-১-৬২ তাৰিখৰ মুকলি চিঠিত প্ৰকাশ হৈছিল। এই চিঠিখনৰ মৰ্ম নতুন অসম গঢ়িবলৈ ওলোৱা প্ৰবক্তা-সকলে গভীৰভাৱে অধ্যয়ন কৰি সেই দিশত গোস্বামীদেৱৰ দৰে

সমানে ফেৰপাতি যুঁজ দিব পাৰিলেহে অসম ৰক্ষা পৰিব, অসমৰ জাতীয় স্বাৰ্থ ৰক্ষা পৰিব। চিঠিখনৰ দুই-এটা কথা উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলো—

"ইয়াৰ আগতে ২৭-৮-৬১ তাৰিখে অসম প্ৰদেশত অবাৰিত আৰু ব্যাপকভাৱে পাকিস্তানী অনুপ্ৰবেশৰ দ্বাৰা অসমৰ নিৰাপত্তা, অৰ্থনীতি আৰু সংস্কৃতি বিপন্ন হ'বলৈ ধৰিছে বুলি আপোনাক জনাইছিলো, কিন্তু সেই চিঠিৰ আপোনাৰ ৩০-৯-৬১ তাৰিখৰ উত্তৰ-পৰা ভাৰতৰ এই উত্তৰ-পুব সীমান্তৰ ৰাজ্যখনৰ আভ্যন্তৰীণ অৱস্থাই আপোনাৰ সম্যক মনোযোগ পাইছে বুলি বুজা নাযায়।"

"আপোনাৰ কৃপাপ্ৰাপ্ত অসম কংগ্ৰেছ আৰু চৰকাৰী নেতাসকলৰ নীতি আৰু কাৰ্যৰ ফলত অসমখন প্ৰত্যক্ষই পকিস্তানৰ বুকুলৈ ক্ৰমান্বয়ে সোমাই যাবলৈ ধৰিছে, আৰু আপুনি ঘটনাটো দেখিও তাৰ কাৰণে অকণো উদ্বেগ প্ৰকাশ নকৰাকৈ বৈ আছে। এনে অৱস্থা দেখি অসমৰ জনসাধাৰণে আপোনাৰ ওপৰত দোষাৰোপ কৰিলে, ভাৰতৰ প্ৰধানমন্ত্ৰী স্বৰূপে আপোনাৰ কিবা বিবাদৰ স্থল আছেনে? পণ্ডিতজী, আজি ভাৰতবৰ্ষ নামত গণতন্ত্ৰ মতে চলা দেশ হ'লেও কাৰ্য্যক্ষেত্ৰত দেশখন স্বৈৰতন্ত্ৰ মতে চলিছে বুলি ধৰিব পাৰি। কিয়নো বৰ্তমান ভাৰতৰ—বিশেষকৈ কংগ্ৰেছৰ নেতাসকলে আপোনাৰ অপ্ৰিয়ভাজন হোৱাৰ আশঙ্কাত আপোনাক উচিত কথা ক'বলৈকো সাহ নকৰে। ইয়াৰ পৰিণাম স্বৰূপে ভাৰতৰ নেতৃত্ব কাৰ্য্যতঃ একেজনৰ ওপৰতে ন্যস্ত হৈছে।"

"ভাৰতৰ উত্তৰ-পূব প্ৰান্তত প্ৰহৰী স্বৰূপ অসমক পাকিস্তানৰ অঞ্চল বিশেষত পৰিণত কৰাৰ চক্ৰান্তেৰে; অগণন পাকিস্তানী আহি ৰাজ্যখন ছাটি পেলাইছেহি। ভাৰত-বৈৰী পাকিস্তানৰ লোকে এইদৰে ৰাজ্যখনৰ সৰ্বনাশ কৰিবলৈ ওলোৱা দেখি অসমৰ প্ৰজাবৰ্গই অসম চৰকাৰক এই ভয়ানক বিপদৰ কথা বাৰম্বাৰ জনাই থকা সত্বেও আমালোক ৰাইজক চৰকাৰে আকৌ পাকিস্তানী

অনুপ্ৰৱেশ তেনেদৰে হোৱা নাই বুলিহে জনাইছে আৰু আপোনাকো সম্ভৱতঃ সেইদৰেই জনাই দিছে। তথাপি, আপুনিও যোৱা ডিচেম্বৰ মাহৰ শেহত, গুৱাহাটীৰ ৰাজহুৱা সভাত সামান্যভাৱে অসমত ব্যাপক পাকিস্তানী অনুপ্ৰৱেশৰ কথা স্বীকাৰ কৰিছে। তাৰ কিছু আগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীলালবাহাদুৰ শাস্ত্ৰীয়েও পাকিস্তানীৰ ব্যাপক অনুপ্ৰৱেশৰ কথা প্ৰকাৰান্তে স্বীকাৰ কৰিছে। সকলোবিলাক কথা দেখি-শুনি, এইটো নিঃসন্দেহে ক'ব পাৰি যে, অসম চৰকাৰে অস্বীকাৰ কৰিলেও অসমত পাকিস্তানীৰ ব্যাপক অনুপ্ৰৱেশৰ কথা সম্পূৰ্ণ সত্য। এতিয়া আপুনি এই সমস্যাত বিশেষ গুৰুত্ব নিদিলেও, যেতিয়া পাকিস্তানী লোকে অসমত সংখ্যাগৰিষ্ঠতা লাভ কৰি অসমত নানা উপায়ে আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিব তেতিয়াহে আপুনি অসমৰ যথাৰ্থ পৰিস্থিতি বুজিবলৈ সক্ষম হ'ব। কিন্তু সেই সময়ত আপুনি অসমৰ অৱস্থা বুজি পালেও, তাৰ প্ৰতিকাৰ কৰিবলৈ আপোনাৰ শক্তি নাথাকিব বুলি আমি ঘোৰ সন্দেহ কৰোঁ। উদাহৰণ স্বৰূপে আপোনাৰ এককালীন বৰ অন্তৰঙ্গ বন্ধু ছেখ আব্দুল্লা আৰু কাশ্মীৰলৈ আঙুলিয়ালেই যথেষ্ট হ'ব। অসমৰ ছেখ আব্দুল্লাকো আপুনি কম বুকুৰ কুটুম বুলি লোৱা নাই।"

দীঘলীয়া চিঠিখনৰ শেষত পণ্ডিতজীক এনেদৰে সোঁৱৰাই দিয়া হৈছে—"পণ্ডিতজী, আপুনি আমাৰ লগতে স্বীকাৰ কৰিব যে, অসমৰ বিপদ মানেই সমগ্ৰ ভাৰতৰে বিপদ। অসম বিপন্ন হ'লে, ভাৰত কেতিয়াও নিৰাপদ হৈ থাকিব নোৱাৰে, ভাৰত ৰাষ্ট্ৰৰ অখণ্ডতা আৰু স্বাধীনতা নিষ্কণ্টক হ'ব নোৱাৰে। আপোনাক বিনীত নিবেদন কৰোঁ—আপুনি চাটকৰ স্বাৰ্থান্বেষী লোকৰ প্ৰৰোচনাত ভোল গৈ, আপোনাৰ কৰ্তব্যত পৰাঙ্মুখ নহয় যেন।"

দেশ স্বাধীন হোৱাৰ পিছৰেপৰা পীতাম্বৰ দেৱ গোস্বামী অসমৰ পৰ্বত-ভৈয়ামৰ বিশেষকৈ মিকিৰ পাহাৰ অঞ্চলত ব্যাপকভাৱে পৰিভ্ৰমণ কৰি তাত বসবাস কৰা অনুন্নত লোকসকলক উন্নত কৰাৰ

কাৰণে অশেষ চেষ্টা কৰিছিল। তেখেতৰ প্ৰচেষ্টাত তাত অসমীয়া ভাষা, সনাতন বৈষ্ণৱ ধৰ্ম, অসমীয় সংস্কৃতিৰ পূৰ্ণ বিকাশ হ'ল, যাৰ ফলত কাৰ্বি-আংলঙৰ ভাইভনীসকলে অসমৰ অখণ্ডতা ৰক্ষা কৰি এখন উন্নতশীল অসম গঢ়াত সমানে আগভাগ লৈছে। অপৰিসীম পৰিশ্ৰম, থকা-খোৱাৰ যথেষ্ট অসুবিধা, অস্বাস্থ্যকৰ পানী আদিৰ কাৰণে তেখেতৰ স্বাস্থ্য দিনকে দিনে পৰি যাবলৈ ধৰিলে। তেখেতে আশা কৰিছিল মিকিৰ পাহাৰৰ পিছত নগাপাহাৰ, গাৰোপাহাৰ, নেফা আদিলৈ গৈ তাতো তদ্ৰূপ ব্যৱস্থা ল'ব। কিন্তু কাল চমু চাপি আহিল আৰু ১৯৬২ চনৰ কুৰি অক্টোবৰ তাৰিখ, শনিবাৰ, কৃষ্ণাষ্টমীৰ ব্ৰহ্মমুহূৰ্ততে তেখেত স্বৰ্গগামী হ'ল। এনেদৰে অসমৰ চাৰি সত্ৰীয়াৰ অমানৱানুচিত পৰম্পৰা ভাগি, এক বিপ্লৱী ভূমিকা লৈ শ্ৰেণীবিহীন নতুন অসমীয়া সমাজ ৰচনা কৰাৰ সুস্বপ্ন দেখোতা প্ৰভু পীতাম্বৰ দেৱ গোস্বামীৰ পৰলোক প্ৰাপ্তি ঘটিল। অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰি-সত্ৰীয়া তথা সমূহ সত্ৰৰ মহন্তসকলে পীতাম্বৰ গোস্বামীদেৱৰ মহান আদৰ্শৱলী—আগত ৰাখি নিষ্ঠাৰে মানৱ-সেৱা, দেশ-সেৱাৰ কামত ব্ৰতী হ'লেহে তেখেতৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জনোৱা হ'ব, বৈষ্ণৱ ধৰ্মৰ গুৰুসকললৈ শ্ৰদ্ধা জনোৱা হ'ব।

লক্ষ্মীধৰ শৰ্মা

দৰং জিলাৰ বিশ্বনাথ মৌজাৰ অসম প্ৰসিদ্ধ 'বিশ্বনাথ দেৱালয়'। হিন্দুধৰ্মৰ একনিষ্ঠ সেৱক আৰু শাক্ত, শৈৱ, বৈষ্ণৱ ধৰ্মানুষ্ঠান সমূহৰ উদাৰ পৃষ্ঠপোষক মহাৰাজ ৰুদ্ৰসিংহই অসমৰ বাহিৰৰ পৰাও বহুতো কুলীন ব্ৰাহ্মণ আনি দেৱালয় সমূহত পূজা সেৱাৰ কাৰণে নিয়োগ কৰিছিল। লগতে সেই ব্ৰাহ্মণসকলক মাটি-বৃত্তি দান কৰি থকা-মিলাৰ সুবন্দবস্ত কৰি দিছিল। লক্ষ্মীধৰ শৰ্মাৰ জীৱন-স্মৃতিত উল্লেখ কৰা মতে নাভাৰ পৰা ৰুদ্ৰসিংহই তেখেতসকলৰ পূৰ্ব-পুৰুষক আনি অসমত স্থাপন কৰিছিল। সেই বংশতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিৰো জন্ম। বংশাৱলীত উল্লেখ কৰা মতে মহেন্দ্ৰ কন্দলিৰ পুত্ৰ-প্ৰপুত্ৰাদি ক্ৰমে ভগীৰথ, জীৱনাথ, ভট্টদেৱ, গোপালদেৱ। গোপালদেৱৰ দুই পুত্ৰ, ক্ৰমে ফণীধৰ আৰু হলধৰ। ফণীধৰৰ দুই পুত্ৰ—মিত্ৰধৰ আৰু জগত। হলধৰৰ চাৰি পুত্ৰ ক্ৰমে ভূমিধৰ, গিৰিশ, লক্ষ্মীধৰ আৰু গুণাভি। লক্ষ্মীধৰৰ পিতৃৰ অকাল বিয়োগ হোৱাত বৰদেউতাক ফণীধৰৰ আপদাৰত ডাঙৰ-দীঘল হয়। ফণীধৰৰ পৰলোক প্ৰাপ্তিৰ পিছত তেখেতৰ পুত্ৰ জগতে লক্ষ্মীধৰৰ লেখা-পঢ়াৰ দায়িত্ব বহন কৰে।

অজ্ঞাত কাৰণত লক্ষ্মীধৰ শৰ্মাৰ জন্মৰ সঠিক চন-তাৰিখ উদ্ধাৰ কৰিব পৰা হোৱা নাই। জনামতে তেজপুৰ জাহাজ-ঘাটৰ পৰা ৮/৯ কিলোমিটাৰ দূৰত 'ভীৰ' নামে এখন জনবসতিপূৰ্ণ গাৱঁত ১৯০১ চনত তেখেতে জন্মগ্ৰহণ কৰা বুলি "দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা : ৰচনাৱলী" : প্ৰথম খণ্ডত উল্লেখ কৰা হৈছে। সেই পুথিখনিতে তেখেতৰ ১৯০০ চনত বিদ্যাৰম্ভ হয় আৰু ১৯০৪ চনত বৃত্তিসহ প্ৰাইমাৰী

পাছ কৰা বুলিও উল্লেখ কৰিছে। মতান্তৰে তেখেতৰ জন্ম ১৮৯৭।৯৮ বুলিও ভবা হৈছে। এই অঙ্ক কেইটাৰ লগত তেখেতে প্ৰাইমাৰী স্কুল পাছ কৰা আৰু বিদ্যাৰম্ভ কৰা চন দুটা পৰীক্ষা কৰি চালে ১৯০১ চনত লক্ষ্মীধৰ শৰ্মাৰ জন্ম হোৱাটো অসম্ভৱ। কাজেই ১৮৯৭।৯৮ চনত জন্ম হোৱাটোহে সম্ভৱ। অৱশ্যে তেখেত প্ৰখৰ বুদ্ধিৰ ছাত্ৰ আছিল আৰু কেবাটাও শ্ৰেণীত ডবল প্ৰমোচন পাইছিল বুলিও কোৱা হৈছে। সেইটো হ'লেও ১৯০১ চনত জন্মগ্ৰহণ কৰা শিশুটোৰ ১৯০০ চনত বিদ্যাৰম্ভ হ'ব নোৱাৰে আৰু তিনিবছৰ বয়সত (১৯০৪) প্ৰাইমাৰী স্কুল পাছ কৰিব নোৱাৰে।

লক্ষ্মীধৰ শৰ্মাৰ পিতৃ হলধৰ শৰ্মা বিশ্বনাথ দেৱালয়ৰ পুৰোহিত আছিল আৰু তেখেতৰ বৰ দেউতাক চাহ-বাগিছাৰ 'বাবু' আছিল। মধ্যবিত্ত শ্ৰেণীৰ ফণীধৰ শৰ্মাৰ পৰিয়ালটো ভালদৰেই চলিছিল। লক্ষ্মীধৰে প্ৰাইমাৰীৰ পৰা আৰম্ভ কৰি প্ৰৱেশিকা পৰীক্ষালৈ প্ৰতিটো পৰীক্ষাতে কৃতিত্ব দেখুৱাই বৃত্তি লাভ কৰাৰ উপৰিও সোণ-ৰূপৰ নটা মেডেল অৰ্জন কৰিছিল। দশমমান শ্ৰেণীত পঢ়ি থাকোঁতে আউনি-আটি সত্ৰৰ ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছিল।

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা লক্ষ্মীধৰ শৰ্মাতকৈ বয়সত কিছু ডাঙৰ আছিল। তেখেতে গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত পঢ়ি থাকোঁতে লক্ষ্মীধৰ শৰ্মায়ো তাত নাম ভৰ্তি কৰিছিল। চন্দ্ৰনাথ শৰ্মাই অনুজ প্ৰতিম জ্ঞান কৰি লক্ষ্মীধৰ শৰ্মাৰ পঢ়া-শুনাত নজৰ দিছিল। ১৯১৬ চনত লক্ষ্মীধব শৰ্মাই প্ৰৱেশিকা পৰীক্ষাত অসমৰ ভিতৰত তৃতীয় স্থান আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি, মাহিলি কুৰি টকীয়া জলপানী লাভ কৰে।

কম বয়সৰে পৰা লক্ষ্মীধৰ শৰ্মাই ৰাজনীতিত মন দিছিল। সম্ভৱ এই ক্ষেত্ৰত তেখেত দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ দ্বাৰা কিছু প্ৰভাৱান্বিত হৈছিল। প্ৰৱেশিকা পৰীক্ষাৰ বছৰটোতে লক্ষ্মীধৰ শৰ্মাই গুৱাহাটীত বহা সদৌ অসম ছাত্ৰ-সন্মিলনৰ সভাত যোগ দিয়ে। নিচেই কম

দিনৰ ভিতৰত লক্ষ্মীনাথ শৰ্মাই এজন সৎ-চৰিত্ৰৱান ছাত্ৰনেতা বুলি খ্যাতিলাভ কৰে। ১৯১৮ চনত কটন কলেজৰ পৰা পদাৰ্থ আৰু ৰসায়ন বিষয়ত প্ৰথম শ্ৰেণী সহ আই, এছ, চি পৰীক্ষা পাছ কৰে। ১৯২০ চনত বি. এ. পাছ কৰি উচ্চশিক্ষাৰ কাৰণে কলিকতালৈ যায়। তাত একে সময়তে এম. এ. আৰু আইন পঢ়িবলৈ লয়। কলিকতাত পঢ়ি থাকোঁতে বঙ্গদেশৰ প্ৰখ্যাত কংগ্ৰেছ নেতাবৰ্গৰ লগত ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠে। সেই সময়ছোৱাতে কলিকতাত কংগ্ৰেছ অধিবেশন বহে আৰু শৰ্মাদেৱে তাত যোগ দিয়ে। তাৰ পিছত নাগপুৰত বহা সৰ্বভাৰতীয় ছাত্ৰ সন্মিলনত যোগ দিয়ে।

১৯২১ চনত মহাত্মা গান্ধীৰ আহ্বানত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু অসমলৈ উভটি আহি আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰাত লাগি যায়। ইতিমধ্যে অসমত চন্দ্ৰনাথ শৰ্মাই অসহযোগ আন্দোলনৰ গুৰি ধৰি বহুখিনি আগবাঢ়িছিল। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু চন্দ্ৰনাথ শৰ্মাৰ চেষ্টাত দেশভক্তয়ো অসহযোগ আন্দোলনত যোগ দিছিল। তেখেত-সকলে ক্ৰমে তেজপুৰৰ পৰা ভটিয়াই আহি গুৱাহাটী পালে। গুৱাহাটীক কেন্দ্ৰ কৰি আন্দোলনক শক্তিশালী কৰাত আত্মনিয়োগ কৰিলে। শৰ্মাৰ লক্ষ্য আছিল সমগ্ৰ ছাত্ৰশক্তিক স্কুল-কলেজৰপৰা একত্ৰৱাই আনি আন্দোলনমুখী কৰা। এই কাৰ্যত তেখেতে আশাতীত কৃতকাৰ্য লাভ কৰিছিল। গুৱাহাটীত আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰাৰ পিছত লক্ষ্মীধৰ শৰ্মা পুনৰ তেজপুৰলৈ যায় আৰু সেইবাৰ দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ লগত অসহযোগ আন্দোলনৰ কাৰ্যসূচী লৈ কমলবাৰীলৈ যায়। কমলাবাৰীত ছাত্ৰনেতা লক্ষ্মীধৰ শৰ্মাক গ্ৰেপ্তাৰ কৰি কাৰাবাস দিয়ে। ১৯২২ চনত তেখেতে মুক্তিলাভ কৰি তেজপুৰ অঞ্চললৈ গৈ সামাজিক কামত দিনে নিশাই ব্যস্ত হৈ পৰে। এনেতে তেজপুৰৰ আশে পাশে কলেৰা বেমাৰে মহামাৰি ৰূপ ধাৰণ কৰাত লক্ষ্মীধৰ শৰ্মাই ৰোগাক্ৰান্ত সকলক ৰক্ষা কৰাৰ কাৰণে

যৎপৰোনাস্তি চেষ্টা কৰি ৰাইজৰ পৰা ভূয়সী প্ৰশংসা আৰু আশীৰ্বাদ লাভ কৰে। উল্লেখযোগ্য যে লক্ষ্মীধৰ শৰ্মা হাড়ে-হিমজুয়ে মানৱ-দৰদী আছিল। হিন্দু-মুছলমান, উচ্চ-নীচ এনেবোৰ সঙ্কীৰ্ণ ভাবে তেখেতৰ মনত সৰুৰেপৰা ঠাই নাপাইছিল। তেজপুৰৰ নিকটৱৰ্তী কৈৱৰ্ত্ত গাওঁ এখনত হাইজা ৰোগত বহুলোক মৃত্যুৰ মুখত পৰা সংবাদ পায়েই শৰ্মা তাত উপস্থিত হৈ দুৰ্দশাগ্ৰস্ত লোকসকলক ৰক্ষা কৰাত আগভাগ লয়।

ইতিমধ্যে চৌৰিচৰাৰ ঘটনাৰ পিছত অসহযোগ আন্দোলন কিছু সেমেকা পৰাত লক্ষ্মীধৰ শৰ্মা ১৯২৩ চনত পুনৰ কলিকতালৈ গৈ এম, এ পঢ়াত লাগে। ১৯২৪ চনত তেখেতে অসমীয়া বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম, এ ডিগ্ৰী লাভ কৰিলে।

পীতাম্বৰ দেৱ গোস্বামীৰ দৰে উচ্চ ব্ৰাহ্মণ কুলত জন্ম গ্ৰহণ কৰিলেও লক্ষ্মীধৰ শৰ্মাই সমাজ সংস্কাৰণত বৈপ্লৱিক ভূমিকা গ্ৰহণ কৰিছিল। চিৰাচৰিত অন্ধবিশ্বাসবোৰত তেখেতৰ অলপো বিশ্বাস নাছিল আৰু তেনে অন্ধবিশ্বাসবোৰ দূৰ কৰাৰ কাৰণে তেখেতে দৃঢ়তাৰে যুঁজ দিছিল। জাতপাতৰ বিচাৰে তেখেতৰ হৃদয়ত কেতিয়াও স্থান নাপাইছিল। বিধবা বিবাহ প্ৰচলন কৰা, বাল্য-বিবাহ বন্ধ কৰা, কানি, ভাঙ, মদ আদিৰ পৰা সমাজখনক ৰক্ষা কৰা, দলিতসকলক ধনীৰ শোষণৰ পৰা ৰক্ষা কৰা আদি মানৱোচিত কাৰ্যত তেখেতে আত্মনিয়োগ কৰিছিল। এনেবোৰ সংস্কাৰ সাধনৰ কাৰণে তেখেত উপন্যাস, নাটক, চুটি গল্প আদিক বাহন হিচাপে ব্যৱহাৰ কৰিছিল। তেখেতৰ প্ৰায়বোৰ লেখাই সংস্কাৰমুখী আৰু বাস্তৱ-ধৰ্মী। উদাহৰণ স্বৰূপে তেখেতে এম, এ পঢ়ি থাকোতেই, ১৯২৪ চনত বিধবা বিবাহক সমৰ্থন কৰি 'নিৰ্মলা' নামৰ নাট এখনি ৰচনা কৰি খ্যাতি অৰ্জন কৰে। তাৰ পাছতে ১৯২৫ চনত 'অসম হিতৈষী' কাকতত বিধবা বিবাহৰ পক্ষে আৰু বাল্য বিবাহৰ বিপক্ষে এলানি প্ৰবন্ধ লিখিছিল। তেখেতৰ বেছিভাগ লেখাই ডাঃ দীননাথ

শৰ্মাৰ সম্পাদিত যুগজয়ী 'আৱাহন' আলোচনীত প্ৰকাশ পাইছিল। তেখেতৰ চুটি গল্প আৰু নাটকসমূহৰ ঘাইকৈ তিনিটা উপজিব্য লক্ষ্য কৰা যায়—সমাজৰ প্ৰচলিত অন্যায় অবিচাৰ আৰু তাৰ প্ৰতিকাৰৰ ব্যৱস্থা, নাৰী-মুক্তি আন্দোলন আৰু হিন্দু-মুছলমান দুয়োটা সম্প্ৰদায়ৰ মাজত প্ৰেম-প্ৰীতিৰ সমন্বয়। 'প্ৰজাপ্ৰতি ভুল' নাটকত কন্দৰ্প আৰু চখিনাৰ মাজত প্ৰবাহিত প্ৰেম-মন্দাকিনীয়ে মৰ্ত্যত সৰগ ৰচিছে।

শৰ্মাদেৱে আত্মজীৱনীমূলক 'জীৱন স্মৃতি'ত জীৱনৰ বহুতো সৰুবৰ ঘটনাৰ টুকুৰা সন্নিবিষ্ট কৰিছে। তেখেতৰ অন্যান্য ৰচনাসমূহৰ ভিতৰত নাটক—প্ৰজাপতিৰ ভুল, হৃদয়ৰ মূল্য, সতী জয়মতী, চুটি গল্পৰ ভিতৰত—চিৰাজ, বিদ্ৰোহিনী, উষা, পখিলী, বিধবাৰ ল'ৰা, গৌৰী, গল্প প্ৰৱাহ। তদুপৰি লক্ষ্মীধৰ শৰ্মাই দেশ আৰু দহৰ হিতাৰ্থে সেই সময়ৰ প্ৰচলিত প্ৰায়বোৰ সংবাদপত্ৰ আলোচনীত প্ৰবন্ধ-পাতিৰ যোগান ধৰিছিল। কবি যতীন দুৱৰাদেৱৰ লগত তেখেতৰ আত্মিক সম্পৰ্ক ঘটিছিল আৰু অসম সাহিত্য সভাত প্ৰতিনিধি হিচাপে কেবাবাৰো যোগদান কৰিছিল। চুটি গল্পকাৰ হিচাপে অসমীয়া সাহিত্যত লক্ষ্মীধৰ শৰ্মাৰ স্থান সদায় আগশাৰীত থাকিব।

লক্ষ্মীধৰ শৰ্মাই ৩৩ বছৰীয়া জীৱনকালত সাহিত্য-সৃষ্টিৰ, স্বদেশপ্ৰেমৰ আৰু নিস্বাৰ্থ সমাজ সেৱাৰ ক্ষেত্ৰত উজ্জ্বল পটন্তৰ ৰাখি থৈ গৈছে। পূৰ্ণ বয়সলৈ জীয়াই থকা হ'লে, তেখেতৰ মন আৰু হৃদয়ত লুকাই থকা বিপুলাসম্ভৱা সম্পদৰাজি এদিন পূৰ্ণ বিকশিত হ'লহেঁতেন!

এক কথাত ক'বলৈ গ'লে চন্দ্ৰনাথ শৰ্মা তেখেতৰ বন্ধু, দ্ৰষ্টা আৰু পথ প্ৰদৰ্শক আছিল। লক্ষ্মীধৰে চন্দ্ৰনাথক জ্ঞানগুৰু হিচাপে মানি লৈছিল আৰু তেখেতৰ লগত পৰামৰ্শ কৰিহে ৰাজনীতি আৰু সমাজসেৱাৰ বাটত খোজ পেলাইছিল। চন্দ্ৰনাথ শৰ্মাদেৱে 'তিলক স্বৰাজ ফাণ্ড'ৰ কাৰণে দুখ-ভাগৰ পাহৰি, দিন-ৰাতিক কাটি কৰি ধন

সংগ্ৰহ কৰাৰ আহিঁৰে লক্ষ্মীধৰ শৰ্মায়ো—তিলক স্বৰাজ ফাণ্ড, মানিকচন্দ্ৰ বৰুৱা স্মৃতি, অসম ছাত্ৰ-সম্মিলন, কংগ্ৰেছ ফাণ্ড, শিক্ষা আৰু সামাজিক অনুষ্ঠানৰ কাৰণে দান বৰঙণি বিচাৰি অবিৰাম ঘূৰি ফুৰি স্বাস্থ্যৰ অৱনতি ঘটাইছিল। গুৱাহাটীত গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত জাতীয় হাইস্কুল ‘কামৰূপ একাডেমী’ জন্ম গ্ৰহণ কৰাৰ আহিঁৰে তেজপুৰত লক্ষ্মীধৰ শৰ্মাৰ নেতৃত্বত জাতীয় হাইস্কুল ‘তেজপুৰ একাডেমী’ জন্ম গ্ৰহণ কৰিছিল। লক্ষ্মীধৰ শৰ্মাৰ শিক্ষানুষ্ঠান গঢ়াৰ প্ৰতি উদ্যম ইমান বেছি আছিল যে, চতিয়াত জাতীয় স্কুল পতাৰ সময়ত ধন সংগ্ৰহ কৰোতে খেতিয়ক ৰাইজৰ ঘৰত ভৰিৰে গুৰি ধান উলিয়াই ধন সংগ্ৰহ কৰিছিল। তেখেতৰ এনেবোৰ সমাজ-হিতকৰ কাৰ্যৰ সোঁহাত স্বৰূপ আছিল হেমচন্দ্ৰ হাজৰিকাদেৱ।

লক্ষ্মীধৰ শৰ্মাই ছাত্ৰাৱস্থাৰে পৰা আবৃত্তি, তৰ্ক প্ৰতিযোগিতা, কৌতুক, অভিনয় আদিত পাৰদৰ্শিতা দেখুৱাই আহিছিল। পিছলৈ এজন প্ৰখৰ আৰু নিৰ্ভীক যুক্তিবাদী নেতা হিচাপে তেখেতে জনপ্ৰিয়তা লাভ কৰিছিল। আন নালাগে সৰ্বভাৰতীয় নেতা চক্ৰবৰ্তী ৰাজা গোপালাচাৰীৰ নিচিনা মনীষাৰো লক্ষ্মীধৰে দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। নক’লেও হ’ব, শৰ্মাদেৱ পূৰ্ণ বয়সলৈ জীয়াই থাকিলে অসম কিয় ভাৰতবৰ্ষৰ ৰাজনীতিতে তেখেতে স্বাক্ষৰ প্ৰদান কৰিব পাৰিলেহেঁতেন!

লক্ষ্মীধৰ শৰ্মাৰ স্মৃতি-শক্তিও অতি প্ৰখৰ আছিল। যি কোনো পাঠ এবাৰ পঢ়িলেই তেখেতৰ মনত থাকিছিল। বিচক্ষণ ছাত্ৰ আৰু বিশেষ যুক্তিবাদী হোৱাৰ কাৰণে ওকালতি ব্যৱসায়তো অতি কম দিনৰ ভিতৰতে উন্নতি লাভ কৰিছিল।

১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ সময়ৰপৰা লক্ষ্মীধৰ শৰ্মা দেশভক্ত ফুকনদেৱৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল। ওকালতি আৰম্ভ কৰাৰ পিছত ফুকনদেৱৰ ওচৰত এবছৰ শিক্ষানবিশ হিচাপে থকাত ফুকনৰ লগত তেখেতৰ সৌহাৰ্দ্য গঢ়ি উঠে। অৱশ্যে তাৰ আগতে পাণ্ডু কংগ্ৰেছ

আৰু তেজপুৰত বহা অসম ছাত্ৰ সন্মিলনতো ফুকনদেৱে লক্ষ্মীধৰ শৰ্মাৰ সৃজনশীল মনৰ পৰিচয় পাইছিল। কাজেই হৃদয়ৰ সম্পৰ্কক বাহ্যিক ৰূপদানেৰে দৃঢ়তৰ কৰি তোলাৰ কাৰণে ফুকনে নিজৰ জ্যেষ্ঠা কন্যা প্ৰতিভাদেৱীক লক্ষ্মীধৰ শৰ্মালৈ ১৯২৭ চনত বিয়া দিছিল।

জাতীয়তাবাদী লক্ষ্মীধৰে অসমীয়া সমাজ-সংস্কৃতিৰ বুকুৰপৰা বঙলা ভাষা-সংস্কৃতিৰ প্ৰভাৱ আতৰ কৰাৰ কাৰণে চিন্তা কৰি অসমীয়া নাট ৰচনা কৰিছিল। সাধাৰণতে শৰ্মাদেৱ শোণিতপুৰৰ বাণ ৰঙ্গমঞ্চৰ অন্যতম শ্ৰেষ্ঠ অভিনেতা হোৱাৰ উপৰিও অঃ ভাঃ উসাঃ সভাৰো এজন সক্ৰিয় কৰ্মী আছিল।

১৯২৭ চনত গুৱাহাটীৰপৰা তেজপুৰ কছাৰীলৈ আহি উকীল সন্থাৰ অসমীয়া বঙালী দুয়োটা সম্প্ৰদায়ৰ মাজত সম্প্ৰীতি সমন্বয় গঢ়াৰ চেষ্টা কৰিছিল। সেই সময়ৰ তেজপুৰ আদলতৰ বিশিষ্ট তৰণি মোলান ভূঁঞা আৰু বিষয় মহাজনে লক্ষ্মীধৰ শৰ্মাৰ লগত সহযোগী মহৰি হিচাপে কাম কৰাৰ সুযোগ লাভ কৰিছিল।

তেজপুৰ কছাৰীত যোগ দিয়াৰ পাছতে শৰ্মাদেৱে অসমীয়া উকীলসকলৰ মাজত এটা বুজা পৰাৰ ভাব আনি প্ৰতিজন উকীলে যাতে একো একোটা স্বকীয়া বিষয় বাছি লৈ সেই বিষয়টোৰ ওপৰত আইন ব্যৱসায় কৰে, তেনে কৰিবলৈ যত্ন কৰিছিল।

প্ৰতিভাদেৱীক বিয়া কৰাৰ পিছৰেপৰা শৰ্মাদেৱে ওকালতি আৰু সাহিত্য-চৰ্চ্চাত সমানে জোৰ দিছিল। এই ক্ষেত্ৰত স্বনামধন্য শহুৰেক আৰু পত্নীৰপৰা বিশেষ উৎসাহ লাভ কৰিছিল। উল্লেখ কৰিব পাৰি যে ১৯২৯ চনৰপৰা ১৯৩৪ চনৰ ভিতৰত শৰ্মাদেৱৰ প্ৰায়বোৰ গল্প আৰু নাটক আৱাহনত প্ৰকাশ পাইছিল। এইদৰে শৰ্মাদেৱ শ্ৰেয় লাভৰ পথত আগবাঢ়ি গৈ থাকোঁতে হঠাতে বিনামেঘে বজ্ৰপাত পৰাৰ দৰে শৰ্মাৰ জীৱনলৈ সবাতোকৈ ডাঙৰ দুৰ্যোগ এটি আহিল আৰু ১৯৩০ চনত তেখেতক প্ৰাণাধিক পত্নী প্ৰতিভাৰ মৃত্যু

হ'ল। শৰ্মাদেৱে এই শোকৰ বেদনা সহিবলৈ বৰ টান পাইছিল আৰু হঠাতে ঘৰ এৰি চিটাগঙেদি ব্ৰহ্মদেশ পাইছিল গৈ। মনৰ দুখ কিছু পাতলক বুলি ব্ৰহ্মদেশত সুৰেশচন্দ্ৰ ভট্টাচাৰ্য নামৰ বন্ধু এজনৰ সৈতে মিলি 'ৰেঙ্গুন মেইল' নামৰ কাকত এখন সম্পাদনাৰ দায়িত্ব ল'লে।

ইতিমধ্যে ১৯৩০ চনত আইন অমান্য আন্দোলন আৰম্ভ হ'ল। অসমতো আন্দোলনে উল্লেখযোগ্য সহঁাৰি পালে। ১৯৩১ চনৰ জুলাইৰ ২৭ তাৰিখে দৰং জিলাৰ ছয়দুৱাৰৰ গমিৰিত ৰায়তসকলৰ অভূতপূৰ্ব ৰাজহুৱা সভাৰ আহবান দিলে। গহনচন্দ্ৰ গোস্বামীদেৱৰ পৌৰোহিত্য বহা সেই সভাত লক্ষ্মীধৰ শৰ্মাই তেজোদ্দীপ্ত ভাষণেৰে কৃষক ৰাইজক আন্দোলনৰ প্ৰতি সজাগ কৰি তুলিলে, তাৰ পৰিণতি স্বৰূপে শৰ্মাদেৱে কাৰাবৰণ কৰিবলগীয়া হয়। তেখেতৰ লগতে গোস্বামীদেৱ আৰু মহাদেৱ শৰ্মায়ো গ্ৰেপ্তাৰ বৰণ কৰে। লক্ষ্মীধৰ শৰ্মাদেৱে মুঠতে চাৰিবাৰ কাৰাবাস খাটে। দেশৰ কাৰণে কৰা ত্যাগ আৰু স্বকীয় প্ৰতিভাৰ ফলত লক্ষ্মীধৰ শৰ্মা মহাত্মা গান্ধীৰো পিয়পাত্ৰ হৈ উঠিছিল। ১৯২১ চনত মহাত্মা গান্ধীক অসমলৈ আমন্ত্ৰণ জনোৱা সকলৰ ভিতৰত অন্যতম আছিল শৰ্মাদেৱ।

আদৰ্শগতভাৱে লক্ষ্মীধৰ শৰ্মা মহাত্মা গান্ধীৰ দৰ্শনৰদ্বাৰা উদ্বুদ্ধ হৈছিল যদিও 'ৰুচ বিপ্লৱৰ' কাহিনীয়ে শৰ্মাৰ ওপৰত বিশেষ প্ৰভাৱ পেলাইছিল। অসমীয়া সাহিত্যত বিপ্লৱৰ ঢল বোৱাঁওতাসকলৰ ভিতৰত অন্যতম্ অগ্ৰণী আছিল শৰ্মাদেৱ। প্ৰাতস্মৰণীয় গুণাভিৰাম বৰুৱাদেৱে 'ৰামনৱমী'ৰ জৰিয়তে বিধবা বিবাহ প্ৰচলন কৰা আৰু সমাজ-বিপ্লৱ অনাৰ মৰসাহ কৰি হয়তো সমাজচ্যুত হ'বলগীয়া হৈছিল। সমাজ-বিপ্লৱৰ ক্ষেত্ৰত তেখেতৰ অন্যতম্ উত্তৰপুৰুষ লক্ষ্মীধৰ শৰ্মাদেৱ সমাজচ্যুত নহ'লেও তেখেতৰ ব্যৰ্থতাৰ দান, নিৰ্মলা, চিৰাজ, দেশৰ কথা আদিত সমাজ সংস্কাৰৰ পথত যে বিপ্লৱৰ প্ৰয়োজন আছে তাৰ আভাস দিছে।

ডেৰকুৰি বছৰীয়া, ভৰ ডেকা লক্ষ্মীধৰ শৰ্মাৰ দেহত ডেকা তেজৰ প্ৰাবল্য থকাটো স্বাভাৱিক। সংৰক্ষণশীল গোড়া ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰি অগ্নিবৰ্ষী ইংৰাজ কবি শ্যালীৰ দৰে সমাজত এক অভিনৱ বিপ্লৱ সাহিত্য সৃষ্টিৰ মাজেদি অনাৰ চেষ্টা কৰিছিল যদিও শ্যালী, গণেশ গগৈ, অমূল্য বৰুৱাৰ দৰে তেখেতেও ভৰ যৌৱনতে মৃত্যুক আকোৱালি লৈছিল। সৌন্দৰ্যৰ পূজাৰী ইংৰাজ কবি কীটচ্‌ আৰু ব্যৰ্থ প্ৰেমৰ কবি গণেশ গগৈ ক্ষয় ৰোগত ভুগি এহাতে বুকু হেঁচি ধৰি, তেজ বমি কৰি; আনহাতেৰে সৌন্দৰ্যৰ আৰু প্ৰেমৰ কবিতা লিখি মৃত্যুক আকোৱালি লোৱাৰ দৰে লক্ষ্মীধৰ শৰ্মায়ো ক্ষয় ৰোগত ভুগি কলিজাৰ কেঁচা তেজৰ তাহোঁন দি আধুনিক অসমীয়া গল্প সাহিত্যৰ যুগজয়ী সৃষ্টি কৰি ১৯৩৪ চনৰ ৩ মেৰ দিনা চিলং পাহাৰৰ লাইমুখাত নিৰলে দেহত্যাগ কৰিলে। শৰ্মাদেৱৰ মৃত্যুৰ লগে লগে অসমৰ ৰাজনীতিৰ, অসমৰ আইন ব্যৱসায়ৰ, আধুনিক অসমীয়া সাহিত্যৰ এটি বিৰাট সম্ভাৱনা কালৰ অথাউনি পানীত লীন গ'ল।

ৰোহিণী কুমাৰ চৌধুৰী

ৰাজনীতিৰ চূড়ামণি ৰোহিণী কুমাৰ চৌধুৰীদেৱৰ ১৮৮৯ চনৰ ১২ নবেম্বৰ তাৰিখে নগাওঁত জন্ম হয়। তেখেতৰ পিতৃদেৱ কালীৰাম চৌধুৰী এগৰাকী আইনৰ স্নাতক আছিল আৰু পোনপটীয়াভাৱে মুনচিফ্ পদত নিযুক্ত হৈছিল। ইংৰাজ চৰকাৰৰ আমোলত হাকিম পদবী পালেও তেখেতে উচ্চশিৰ কেতিয়াও নত নকৰিছিল। স্বকীয় প্ৰতিভা আৰু সৎ সাহসেৰে প্ৰতিটো কামত হাত দিছিল আৰু শেষত কৃতকাৰ্য লাভ কৰিছিল। তেখেতে গুৱাহাটীৰ প্ৰসিদ্ধ ভূঞা পৰিয়ালৰ কমলাকান্ত ভূঞাঁৰ কন্যাক বিবাহ কৰাইছিল। তেখেতৰ পুত্ৰ ৰোহিণী কুমাৰ চৌধুৰী সৰু কালৰেপৰা অতি তীক্ষ্ণ বুদ্ধিৰ আছিল আৰু জলপানীসহ এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি কলিকতাৰ স্কটিচ্ চাৰ্চ্চ কলেজত পঢ়িছিল। কলিকতাত অধ্যয়ন কৰি থকা সময়ছোৱাত ভাৰতৰ স্বাধীনতা আন্দোলনৰ বতাহে চৌধুৰীৰ দেহ আৰু মনটো তল-উপৰ লগাইছিল; যাৰ ফলত কলিকতাৰ পুলিচৰ চোকা দৃষ্টি কলেজীয়া ছাত্ৰ চৌধুৰীৰ ওপৰত সদায় আছিল। কিন্তু কলেজৰ অধ্যক্ষ ৰেভাৰেণ্ড ডাফে চৌধুৰীক বিশেষ মৰম কৰিছিল আৰু পুলিচৰ জোৰ-জুলুমৰপৰা তেখেতক ৰক্ষা কৰি আছিল। সময়ত কলিকতাত থাকিয়েই তেখেত বি. এ. আৰু আইন পৰীক্ষা পাছ কৰে। তাৰ পাছত গুৱাহাটীলৈ আহি দেশভক্ত ফুকনৰ জুনিয়ৰ হিচাপে আইন ব্যৱসায় আৰম্ভ কৰে। কোৱা নিষ্প্ৰয়োজন যে পিছলৈ ফুকনদেৱৰ সান্নিধ্যত থাকিয়েই চৌধুৰীদেৱ এগৰাকী প্ৰসিদ্ধ উকীল আৰু ৰাজনীতিবিদ্ হৈ উঠে।

অসমৰ ৰাজনীতিত যি কেইগৰাকী সিংহ পুৰুষে উজ্জ্বল পটন্তৰ

ৰাখি থৈ গ'ল, সিসকলৰ ভিতৰত ৰোহিণী কুমাৰ চৌধুৰীদেৱ অন্যতম্। দেশভক্ত তৰুণৰাম ফুকনৰ একান্ত অনুগামী হিচাপে স্বদেশৰ মুক্তি-যুঁজত, অসমৰ স্বাৰ্থ ৰক্ষাৰ সংগ্ৰামত শাসনাধিষ্ঠ ইংৰাজ চৰকাৰৰ লগত যুক্তিৰ তৰোৱালেৰে যিদৰে তুমুল যুদ্ধ কৰিছিল; তেনে কলডিলিয়া কলিজাৰ লোক অসমত তেনেই বিৰল। পৰবৰ্তী কালত তেনে এজন ব্যক্তি অধ্যক্ষ হেম বৰুৱাই তেখেতৰ শাৰী পূৰাব পাৰিছিল। চৌধুৰীৰ সাহসিকতাৰ দুটামান দৃষ্টান্ত দাঙি ধৰিব খুজিছো—

এসময়সৰ অসমৰ ভাগ্যবিধাতা মিঃ পিলচাৰে ইংল্যাণ্ডৰ এখন সভাত ভাৰতীয় সমাজ ব্যৱস্থা, শিক্ষা আৰু নাৰীত্বৰ ওপৰত জঘন্য কটু সমালোচনা কৰি বক্তৃতা এটা দিছিল। তেতিয়াৰ 'ষ্টেটচ্‌মেন' কাগজে মিঃ পিল্‌চাৰৰ মন্তব্যটো যথাযথভাৱে প্ৰচাৰ কৰি দেশৰ সচেতন নাগৰিকৰ মাজত অভূতপূৰ্ব উত্তেজনাৰ সৃষ্টি কৰিছিল। ১৯২৭ চনৰ চেপ্তেম্বৰ মাহত বহা 'আসাম কাউন্সিল'ৰ সভাত ৰোহিণী কুমাৰ চৌধুৰী প্ৰমুখ্যে স্বৰাজিষ্ট দলৰ সদস্যসকলে তীব্ৰ প্ৰতিবাদ জনাই কাউন্সিলৰ অধ্যক্ষ মিঃ বোথামৰ থৰকাচুটি হেৰাই দিছিল। এজন ইংৰাজ দৰ্শকৰ মতে মিঃ পিল্‌চাৰ তথা ইংৰাজ চৰকাৰৰ এই দুঃখজনক মন্তব্যটোৰ বাবে ৰোহিণী কুমাৰ চৌধুৰীয়ে যিদৰে প্ৰতিবাদ জনাইছিল, ভাৰতত আন এজন তেনে দ্বিতীয় ব্যক্তি ওলোৱা নাছিল।

মিঃ পিলচাৰৰ দীঘলীয়া বক্তৃতাটোৰ একাংশ আছিল—"ভাৰতত বিবাহৰ বয়স এতিয়াও ৯ বছৰৰপৰা ১৩ বছৰৰ ভিতৰতে আছে। ভাৰতীয় শিশুৰ ওজন এতিয়াও ওপজা অৱস্থাত দুই সেৰৰ বেছি নহয়। শতকৰা গড়ে ২৫ টাকৈ বছৰেকীয়া কেঁচুৱাৰ মৃত্যু হয়। দেশত বিধবাৰ সংখ্যা তিনি কোটি। সিহঁত ঈশ্বৰৰ শাওপাত পোৱা, ঘৰত অপদাৰ্থ আৰু ঘৃণিত আৰু বাহিৰত বেশ্যা বুলি পৰিগণিত।"

ৰোহিণী কুমাৰ চৌধুৰী ১৯২৭ চনৰ চেপ্তেম্বৰ মাহত বহা আসাম কাউন্সিলৰ সভাত অধ্যক্ষ মিঃ বোথাম ছাহাবৰ সম্মুখত ভাৰতীয় নাৰীত্বক হনন কৰাৰ প্ৰতিবাদ কৰিছিল এই বুলি—"এই বিষয়টো গুৰুতৰ আৰু লাগতিয়াল। মিঃ পিল্‌চাৰৰ বক্তৃতা সম্পৰ্কে মোৰ একো ক'বলগীয়া নাই; কিন্তু ইয়াৰ ফলাফল লৈহে মই উদ্বিগ্ন হৈছো। দেশত এই সম্পৰ্কে যিদৰে আন্দোলন চলিবলৈ ধৰিছে তালৈ চাইহে মই এই প্ৰস্তাৱ দিছো। আৰু চৰকাৰো ইয়াৰ মাজত সংযোগ আছে বুলি ৰাইজৰ মাজত যি সন্দেহ হৈছে সেই সন্দেহ ভঞ্জন কৰি চৰকাৰে নিজৰ কথা ৰাইজক জনাবলৈ সুবিধা দিয়া হৈছে।" চৌধুৰীদেৱে অধিকতৰ উত্তেজিত হৈ কৈছিল—"আমাৰ দেশৰ মানুহ সৰল। যিটো কথাত লাগে সেই কথাত গুৰুতৰভাবে লাগে। আৰু এতিয়া যিদৰে এই কথা লৈ আন্দোলন চলিছে তাৰ ফলত প্ৰতিশোধ ল'বলৈ উদ্যোগ হ'ব বুলি মই আশঙ্কা কৰিছো। আজি যদি দেশৰ উত্তেজিত কিছুমানে ইংৰাজ নাৰীসকলক আক্ৰমণ কৰি পুস্তিকা লিখি প্ৰচাৰ কৰে তেন্তে কি হ'ব? ইয়াৰ ফলাফল চৰকাৰৰ কাৰণেও ভাল নহয়, আৰু ৰাইজৰ কাৰণেও ভাল নহয়। বিদেশী চৰকাৰ এটাই এই সম্পৰ্কে ৰাইজৰ সন্দেহৰ পৰা মুক্ত হোৱা কৰ্তব্য।"

অধ্যক্ষ মিঃ বোথামে চৌধুৰীৰ প্ৰস্তাৱটোৰ ওপৰত বাধা আৰোপ কৰাত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱে তেজোদ্দীপ্ত ভাষাৰে মিঃ বোথামক কৈছিল—"মিঃ পিল্‌চাৰৰ বক্তৃতা লৈ আজিৰ এই কথা উঠা নাই। বক্তৃতাৰ ফলাফল হ'ব দেশত ঘোৰ অশান্তি, সেই কথালৈয়ে এই প্ৰস্তাৱ দিয়া হৈছে। ৰাজনৈতিক আকাশত এখণ্ড ক'লা ডাৱৰৰ দৰে ই দেখা দিছে, আৰু ফলত দেশত ধুমুহাৰ সৃষ্টি হ'ব। সেই বাবেই কথাষাৰ গুৰুতৰ।"

১৯২৭ চনৰ চেপ্তেম্বৰ মাহত তেতিয়াৰ অসমৰ ৰাজধানী চিলঙত বহা 'আসাম কাউন্সিল'ৰ অধিবেশনত ৰোহিণী কুমাৰ চৌধুৰী,

নবীনচন্দ্ৰ বৰদলৈ, কুলধৰ চলিহা, ৰোহিণীকান্ত হাতীবৰুৱা, লক্ষেশ্বৰ বৰুৱা আদিয়ে কিদৰে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল তেতিয়াৰ 'অসমীয়া' সংবাদপত্ৰ (১৮৪৯ শক : ১ আহিন) ত বিশদভাৱে আলোচনা কৰা হৈছিল। চৌধুৰীদেৱৰ সম্পৰ্কত কাকতখনে মন্তব্য কৰিছিল—"শ্ৰীযুত ৰোহিণী কুমাৰ চৌধুৰীৰ বক্তৃতা আজিৰ দিনৰ এটা উল্লেখযোগ্য ঘটনা !...."

"আজি এই সম্পৰ্কে আলোচনা শুনিবলৈ কাউন্সিলৰ গেলেৰী দৰ্শকেৰে ভৰি পৰিছিল। য়ুৰোপীয় মেম্ আৰু চাহাবেও বৰ মনোযোগেৰে সকলো কথা শুনি আছিল।....গেলেৰীত থকা এজন য়ুৰোপীয় দৰ্শকে কেবাজনো মেম্বৰৰ শলাগ লৈ কৈছিল যে **কাউন্সিলত তেখেতসকলেই দেশবাসীৰ মতামত প্ৰকৃততে জনাইছে।"**

সেই সময়ছোৱাত স্বৰাজিষ্ট দলে কাউন্সিলত বিশেষ আধিপত্য স্থাপন কৰিছিল। বৰদলৈ, চৌধুৰী, চলিহা, হাতীবৰুৱা, বৰুৱা, আটাইকেজন স্বৰাজ দলৰ বিশিষ্ট সদস্য আছিল। স্বৰাজ দলৰ উল্লেখনীয় কাম-কাজৰ বিষয়ে 'অসমীয়া' কাকতখনে মন্তব্য দিছিল—"আজি কেৱল স্বৰাজিষ্টসকলেই এই সম্পৰ্কে বক্তৃতা দিয়া দেখি সকলোৰে মনত প্ৰশ্ন হৈছিল—দেশ সম্পৰ্কে চিন্তা কৰা কেৱল মাত্ৰ স্বৰাজিষ্টৰ এদনীয়া সম্পত্তি নেকি ? ' কাৰণ অন্য পক্ষই এই সম্পৰ্কে চিন্তা কৰিছে, নাইবা ভাৰতীয় নাৰীক অপমান কৰি মিঃ পিল্‌চাৰে বক্তৃতা দিয়া দেখিও তেখেতসকলৰ প্ৰাণত আঘাত দিয়া নাইনে ? তেখেতসকলে বাই-ভনীৰ সন্মানৰ কাৰণে অলপো নাভাবে নেকি ?"

১৯২৭ চনৰ জুলাই মাহত বহা 'আসাম কাউন্সিল'ৰ অধিৱেশনত যেতিয়া গোৱালপাৰা টেনান্সী বিলখন উত্থাপন কৰি বিতৰ্কৰ বাবে দিয়া হৈছিল, তেতিয়া জমিদাৰী স্বাৰ্থৰ খাতিৰত গোৱালপাৰাৰ ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰী বিৰোধিতা কৰিছিল ; লগতে গোৱালপাৰাত বসবাস কৰা অসমীয়া আৰু বঙলা ভাষাভাষী লোকসকলৰ মাজত

বিৰোধ হোৱাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছিল। অসম আৰু অসমবাসীৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে যুঁজ দি অহা ৰোহিণী কুমাৰ চৌধুৰী সন্ধিৰ বাঁহ বুদ্ধিৰে কাটি ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰীক কৈছিল—“অসমীয়াই হওক বা বঙালীয়েই হওক, প্ৰজাৰ স্বাৰ্থ আমি ৰক্ষা কৰিবই লাগিব। গোৱালপাৰাৰ প্ৰজাসকলে অসমীয়া ভাষাই লয় নে, বঙালী ভাষাই লয় তাত আমাৰ একো কথা নাই; কিন্তু প্ৰজাৰ স্বাৰ্থ ৰক্ষা কৰাই হৈছে পোন কথা।”

১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়তো দেশৰ বৰেণ্য নেতাসকলৰ লগত চৌধুৰীয়ে উল্লেখযোগ্য ভূমিকা লৈছিল। ১৯২২ চনৰ ২৫ নবেম্বৰ তাৰিখে তৰুণৰাম ফুকনে আৰু ১৯২৩ চনৰ জুন মাহত নবীনচন্দ্ৰ বৰদলৈ মুক্তি লাভ কৰিয়েই ছুয়ো গাওঁ সংগঠনৰ কামত লাগি গৈছিল। এনেতে দেশবন্ধু চিত্তৰঞ্জন দাসৰ নেতৃত্বত ১৯২৩ চনৰ ১ জানুৱাৰীত জন্মগ্ৰহণ কৰা ‘স্বৰাজ দলত’ ফুকন আৰু বৰদলৈ যোগ দিলে। তাৰ পাছত চিত্তৰঞ্জন দাসৰ সোঁহাত স্বৰূপ হৈ ফুকনে দলৰ সংগঠনৰ কামত মাদ্ৰাজলৈ যায়। ফুকনৰ নেতৃত্বত অতি কম দিনৰ ভিতৰতে অসমতো স্বৰাজ দলে অধিকাৰ বিস্তাৰ কৰিলে। ১৯২৩ চনৰ ২৫ জুলাইৰ দিনা ভাৰতীয় স্বৰাজিষ্ট দলৰ ‘অসম শাখা’ৰ গুৱাহাটীত ঘাই কেন্দ্ৰ খোলা হল। অসহযোগ আন্দোলনৰ সময়ত ওকালতি বৰ্জন কৰা প্ৰায়ভাগ উকিলে স্বৰাজ দলত যোগ দিলে। দলৰ সভাপতি ফুকনদেৱ, সম্পাদক ৰোহিণী কুমাৰ চৌধুৰী, সহকাৰী সম্পাদক গোপীনাথ বৰদলৈ, আৰু সদস্যসকল আছিল—বিষ্ণুৰাম মেধি, কামাখ্যাৰাম বৰুৱা, ধনিৰাম তালুকদাৰ আৰু যাদৱ চন্দ্ৰ দাস।

ইতিমধ্যে সেই বছৰৰে নবেম্বৰ মাহত নিৰ্বাচন অনুষ্ঠিত হ'ল। অসমত ১৬ নবেম্বৰৰ পৰা ২৭ নবেম্বৰলৈকে নিৰ্বাচন অনুষ্ঠিত হৈছিল। ফুকন বিনা প্ৰতিদ্বন্দ্বিতাই কেন্দ্ৰৰ সভালৈ নিৰ্বাচিত হ'ল। কামাখ্যাৰাম বৰুৱা দক্ষিণ কামৰূপ অঞ্চলৰপৰা, ৰোহিণীকান্ত

হাতীবৰুৱা যোৰহাটৰ পৰা, কমলাকান্ত দাস বৰপেটাৰ পৰা, যোগেন্দ্ৰ চন্দ্ৰ গোহাঁই ডিব্ৰুগড়ৰ পৰা, জোনাৰাম বৰা নগাওঁৰ পৰা আৰু বসন্ত কুমাৰ দাস চিলেটৰ পৰা নিৰ্বাচিত হৈছিল।

স্বৰাজ দলে অসমৰ ৰাজনীতিত প্ৰবেশ কৰা সময়ৰে পৰা 'আসাম কাউন্সিল'ত বিশেষ অধিকাৰ লাভ কৰি আহিছিল, আৰু এই বিৰোধী দলটোৰ বলিষ্ঠ নেতৃত্ব দিছিল ৰোহিণী কুমাৰ চৌধুৰীদেৱে। ১৯২৮-২৯ চনৰ কাউন্সিলৰ সভাতো ৰোহিণী কুমাৰ চৌধুৰীয়ে কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ দাঙি ধৰিছিল। দৰং, নগাওঁ আৰু শিৱসাগৰ জিলাত মাটিৰ খাজনা বৃদ্ধিৰ প্ৰতিবাদত চৌধুৰীদেৱে তোলা প্ৰস্তাৱটো বিপুল সংখ্যাধিক্য ভোটত গৃহীত হয়। ১৯২৯ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে চৌধুৰীদেৱে এটি প্ৰস্তাৱ যোগে মন্ত্ৰীসকলৰ দৰমহা ৩৫০০'০০ টকাৰ পৰা ১৫০০'০০ টকালৈ হ্ৰাস কৰিব লাগে বুলি দিয়া প্ৰস্তাৱটো—৩০ : ১২ ভোটত পৰাজিত হয়।

ইতিমধ্যে ১৯২৯ চনৰ ডিচেম্বৰ মাহৰ শেষত ২৯, ৩০, ৩১ তাৰিখে বহা লাহোৰ কংগ্ৰেছত কেন্দ্ৰীয় আৰু প্ৰাদেশিক সদন বৰ্জন কৰাৰ সিদ্ধান্ত লোৱা হয়।

১৯৩০ চনৰ মহাত্মা গান্ধীৰ 'দাণ্ডীযাত্ৰা' তথা আইন অমান্য আন্দোলনৰ পিছত ১৯৩৫ চনৰ ২ আগষ্টৰ দিনা প্ৰাদেশিক স্বায়ত্ত শাসন দিয়া হয়। ১৯৩৭ চনৰ পহিলা এপ্ৰিলৰ পৰা এই আইন বলবৎ কৰা হয়। পৰিতাপৰ বিষয় ১৯১৯ চনৰ ভাৰত আইনৰ ভিত্তিত এই আইনখনতো সাম্প্ৰদায়িক নিৰ্বাচনৰ ব্যৱস্থা ৰখা হৈছিল, যাৰ ফলত ভাৰতবৰ্ষত বসবাস কৰা হিন্দু-মুছলমানৰ মাজত বুজা-পৰাৰ অভাৱ হৈ সময়ে সময়ে সাম্প্ৰদায়িক সংঘৰ্ষ ঘটিবলৈ আৰম্ভ কৰে। মহম্মদ আলি জিন্না মুছলিম্ লীগৰ স্থায়ী সভাপতি আছিল আৰু লীগৰ বিভেদকামী আঁচনিক ৰূপ দিয়াত বৃটিছ চৰকাৰে পূৰ্ণ সহযোগ কৰিছিল। মিঃ জিন্নাই প্ৰকাশ্যে ঘোষণা কৰিছিল যে হিন্দু আৰু মুছলমান দুটা পৃথক জাতি আৰু সেইবাবে উভয়ৰ বাবে বেলেগ

বেলেগ শাসন ব্যৱস্থা হোৱাটো একান্ত প্ৰয়োজন। ইয়াৰ পৰিণতি স্বৰূপে ১৯৩৬-৩৭ চনৰ সময়ছোৱাত ভাৰতবৰ্ষত এক অভাৱনীয় উন্মত্ততা আৰু অৰাজকতাই বিস্তাৰ কৰিছিল। প্ৰাদেশিক স্বায়ত্ত শাসনৰ পদ্ধতি অনুসৰি অসমতো উচ্চ আৰু নিম্ন দুখন পৰিষদ গঠিত হ'ল। ১৯৩৭ চনৰ নিৰ্বাচনত কংগ্ৰেছ দলে অন্যান্য দলবোৰতকৈ বেছি আসন লাভ কৰিলেও একক মন্ত্ৰীসভা গঠন কৰাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। সেই সুযোগতে ৰোহিণী কুমাৰ চৌধুৰীৰ পৰামৰ্শ আৰু ইংৰাজ চৰকাৰৰ সহায়ত মুছলিম্ লীগৰ নেতা চতুৰ ছাদুল্লা চাহাবে আন আন দলৰ নিৰ্বাচিত প্ৰাৰ্থীসকলক লৈ ১৯৩৭ চনৰ ১ এপ্ৰিল তাৰিখে পাঁচজনীয়া 'ছাদুল্লা মন্ত্ৰীসভা' গঠন কৰি নিজে দলপতি হ'ল। আন কেইগৰাকী মন্ত্ৰী আছিল ৰোহিণী কুমাৰ চৌধুৰী (পিপলচ্ পাৰ্টি), মহম্মদ ওৱাহেড্ আৰু আলি হাইদৰ খান (সংযুক্ত মুচলিম্ লীগ), জেমচ্ জয় মোহন নিকলছ্ ৰয় (প্ৰগ্ৰেচিভ দল)। ৰোহিণী কুমাৰ চৌধুৰী কংগ্ৰেছ দলত যোগ নিদি ছাদুল্লাৰ মন্ত্ৰীসভাত যোগ দিয়াৰ ফলত অসমৰ ৰাজনৈতিক পৰিস্থিতি অভাৱনীয় হৈ পৰিছিল—"If Chaudhury would have joined the Congress, the politics of Assam would have been different."

নিচেই কম দিনৰ ভিতৰতে মহম্মদ ওৱাহেড্ আৰু আলি হাইদৰক লৈ ছাদুল্লা চাহেব ঘোৰ সংকটত পৰাত ভীষণ কুটখেল খেলি ১৯৩৮ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে দিনটোৰ ভিতৰতে মন্ত্ৰীসভা ভঙ্গ কৰি দি পুনৰ মন্ত্ৰীসভা গঠন কৰি মিঃ ওৱাহেড্ আৰু মিঃ হাইদৰক বাদ দি দ্বিতীয় মন্ত্ৰীসভা গঠন কৰিলে। ছাদুল্লা চাহাবৰ দ্বিতীয় মন্ত্ৰী সভাতো চৌধুৰীদেৱে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

দেশৰ স্বাৰ্থক বলি দি ৰাজপাট খোৱা ছাদুল্লা মন্ত্ৰী সভা বেছিদিন তিষ্ঠি থাকিব নোৱাৰিলে। লোকপ্ৰিয় বৰদলৈৰ নেতৃত্বত গঢ়ি উঠা

ছাদুল্লা বিৰোধী সংগঠনটোৰ চেষ্টাত 'ছাদুল্লা মন্ত্ৰী সভা'ৰ পতন ঘটিল আৰু ১৯৩৮ চনৰ ১৩ চেপ্তেম্বৰ তাৰিখে আবেলি ছাদুল্লাই পদ ইস্তফা দিলে। তেতিয়া ৰাজ্যপালে গোপীনাথ বৰদলৈদেৱক মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান জনালে। বৰদলৈ ততাতৈয়াকৈ মন্ত্ৰীসভা গঠনৰ দায়িত্ব নলৈ তৰুণৰাম ফুকন, বিষ্ণুৰাম মেধি, নেতাজী সুভাষচন্দ্ৰ বসু, আনকি মহাত্মা গান্ধীৰো এই সম্পৰ্কত পৰামৰ্শ বিচাৰিলে। সকলোৱে একমুখে বৰদলৈদেৱক মন্ত্ৰীসভা গঠন কৰিবলৈ পৰামৰ্শ দিয়াত ১৯৩৮ চনৰ ২০ চেপ্তেম্বৰৰ দিনা 'বৰদলৈ মন্ত্ৰী সভা'ই শপত গ্ৰহণ কৰিলে। বৰদলৈ কেবিনেটৰ আন মন্ত্ৰীসকল আছিল— অক্ষয় কুমাৰ দাস, ৰামনাথ দাস, কামিনী কুমাৰ সেন, ৰূপনাথ ব্ৰহ্ম, ফখ্ৰুদ্দিন আলি আহমদ, মহম্মদ আলি আৰু আলি হাইদৰ খান। বৰদলৈ মন্ত্ৰী সভাই চৈধ্য মাহ কৃতকাৰ্যতাৰে শাসন চলোৱাৰ পিছতে দ্বিতীয় মহা সমৰ আৰম্ভ হয়। এই যুদ্ধত ইংৰাজক কোনো প্ৰকাৰে সহায় নকৰাৰ সিদ্ধান্ত ললে আৰু ভাৰতৰ যি সাতখন ৰাজ্যত কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰিছিল সেই মন্ত্ৰীসভাবোৰে ইস্তফা দিলে। তদ্ৰূপ ব্যৱস্থাত বৰদলৈ মন্ত্ৰীসভায়ো ১৯৩৯ চনৰ ১৫ নৱেম্বৰৰ দিনা পদত্যাগ কৰিলে।

বৰদলৈ মন্ত্ৰী সভাই ইস্তফা দিয়াৰ পিছতে অহা সোণালী সুযোগ গ্ৰহণ কৰাত মিঃ ছাদুল্লা উৎকণ্ঠিত হ'ল আৰু ১৯৩৯ চনৰ ১৭ নৱেম্বৰ তাৰিখে ছজনীয়া সংযুক্ত মন্ত্ৰীসভা গঠন কৰিলে। মুছলিম লীগৰ সমৰ্থন পাবৰ কাৰণে সেইবাৰৰ মন্ত্ৰীসভাত চাৰিজন মুছলিম মন্ত্ৰী লোৱা হৈছিল। তথাপিও মিঃ ছাদুল্লাই সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱাৰাত ৰাজ্যপালে চক্ৰান্ত কৰি ১৯৩৯ চনৰ ১৭ নৱেম্বৰৰ ঘোষণাপত্ৰ গোপনে ৰাখি অবৈধ ছাদুল্লা মন্ত্ৰীসভাক কাম চলাই থাকিবলৈ পৰামৰ্শ দিলে। ভাইচৰয় ডাঙৰীয়াক দিয়া প্ৰতিশ্ৰুতি অনুসৰি ইংৰাজক যুদ্ধৰ খৰচ যোগাবৰ কাৰণে এখন 'যুদ্ধ সাহায্য কমিটি' গঠন কৰি ৰোহিণী কুমাৰ চৌধুৰীক কমিটিৰ মুখ্য দায়িত্ব দিয়া হ'ল। চৌধুৰীৰ

সহযোগী সদস্যসকল আছিল—আব্দুল মতিন চৌধুৰী, হিৰেন্দ্ৰ চন্দ্ৰ চক্ৰৱৰ্তী আৰু ৰূপনাথ ব্ৰহ্ম। এই 'যুদ্ধ সাহায্য সমিতি'ৰ সহায়ত ১৯৪০ চনৰ জুলাই মাহত ছাদুল্লা চাহাবে যুদ্ধৰ পুঁজিত এক লক্ষ টকা বৰঙণি যোগালে আৰু ১৯৪১ চনৰ ২০ মাৰ্চৰ দিনা এছেম্ব্লিৰ অনুমোদন ললে। ইংৰাজ চৰকাৰৰ ছাদুল্লা মন্ত্ৰী সভাক দায়িত্ব দিয়াৰ উদ্দেশ্য ফলৱতী হ'ল আৰু ছাদুল্লাই যুদ্ধৰ পুঁজিলৈ অসমৰ প্ৰতিখন জিলা, নানা প্ৰতিষ্ঠান, অনুষ্ঠানৰ পৰা মুঠ ৮,৫৩,৪৭৪ টকা আগবঢ়াইছিল।

ইতিমধ্যে মহাত্মা গান্ধীৰ আহ্বান ক্ৰমে সমগ্ৰ দেশতে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰি বহু লোক জেললৈ গ'ল। ১৯৪০ চনৰ ১৭ অক্টোবৰৰ দিনা মহাত্মা গান্ধীৰ নিৰ্দেশ ক্ৰমে বিনোৱাজীয়ে প্ৰথম ব্যক্তিগত সত্যাগ্ৰহী হৈ ওৱাৰ্দ্ধাৰ পৰা সাত মাইল দূৰত অৱস্থিত পুনাৰত সত্যাগ্ৰহ আৰম্ভ কৰে। দ্বিতীয় আৰু তৃতীয় সত্যাগ্ৰহী আছিল ক্ৰমে পণ্ডিত জৱাহৰলাল নেহৰু আৰু ব্ৰহ্মাদত্ত নিৰ্মল। মহাত্মা গান্ধীৰ অনুমোদন ক্ৰমে অসমত গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, মঃ তৈয়বউল্লা, ফক্ৰুদ্দিন আলি আহ্মদ, গৌৰীকান্ত তালুকদাৰ প্ৰমুখ্যে কুৰিজনে ব্যক্তিগত সত্যাগ্ৰহ কৰিছিল। তেখেত সকলৰ বাহিৰেও আৰু বহুতে সত্যাগ্ৰহ কৰাৰ প্ৰবল ইচ্ছা কৰি নিজৰ নিজৰ নাম তালিকাভুক্ত কৰি ৰাখিছিল।

১৭ অক্টোবৰৰ দিনা বিনোৱাজীয়ে ব্যক্তিগত সত্যাগ্ৰহৰ সময়ত ঘোষণা কৰিলে—"It is wrong to help the British war-efforts with men ad money. The only remedy to war is to resist all wars by non-violent resistence." এবছৰীয়া ব্যক্তিগত সত্যাগ্ৰহৰ সময়ছোৱাত অহিংস আন্দোলনৰ গুৰি ধৰোঁতা প্ৰায়বোৰ নেতা কাৰাৰুদ্ধ কৰাৰ ফলত যেতিয়া দেশত ঘোৰ অৰাজকতাই দেখা দিলে তেতিয়াহে বৃটিছ চৰকাৰৰ জ্ঞান চকু মেল খালে আৰু ইংল্যাণ্ডৰ মন্ত্ৰীসভাৰ অন্যতম মন্ত্ৰী ছাৰ ষ্টাফোৰ্ড

ক্ৰিপ্‌চক শান্তি স্থাপনৰ সম্পৰ্কে আলোচনা কৰিবলৈ ভাৰতলৈ পঠালে।

ৰাজ্যবোৰত কংগ্ৰেছ মন্ত্ৰীসভাই পদত্যাগ কৰাৰ পাছত নেতা-সকলে ব্যক্তিগত সত্যাগ্ৰহ কৰি কাৰাগাৰত সোমাই থকা সময়-ছোৱাত অসমত মিঃ ছাদুল্লাই পুনৰ মন্ত্ৰীসভা গঠন কৰি বৃটিছৰ ছত্ৰছায়াঁৰ তলত অবাধে স্বৈৰাচৰিত শাসন চলাই আছিল। ছাদুল্লা মন্ত্ৰীসভাই অসমৰ বৃহত্তৰ স্বাৰ্থৰ বিপৰীতে মঃ জিন্নাৰ আঁচনিক পূৰ্ণৰূপ দি অসমক এখন মুছলিম্‌প্ৰধান ৰাজ্য হিচাপে গঢ় দিয়াত উঠি পৰি লাগিছিল। ছাদুল্লা মন্ত্ৰীসভা সিমানতে সন্তুষ্ট নাথাকি ভৈয়ামৰ ছয়খন জিলাৰ পৰা বহুতো লোকক জোৰ জুলুম কৰি ধৰি নি 'চিভিল ডিফেন্স'ৰ প্ৰশিক্ষণ দিয়াইছিল, তদুপৰি 'আসাম ৰেজিমেণ্ট' এটা গঠন কৰি অসমৰ সকলো শ্ৰেণীৰ লোকক তাত যোগ দিয়াৰ কাৰণে আহ্বান জনাইছিল। আনফালে লোকপ্ৰিয় বৰদলৈৰ নেতৃত্বত অসম প্ৰদেশ কংগ্ৰেছ কমিটি শক্তিশালী হৈ উঠিছিল আৰু দলে দলে লোক আহি ব্যক্তিগত সত্যাগ্ৰহত যোগ দিছিল।

ইতিমধ্যে ১৯৪১ চনৰ ১৫ নবেম্বৰ তাৰিখে বৰদলৈদেৱ ওৱাৰ্দ্ধালৈ গৈ কংগ্ৰেছৰ কাৰ্যকৰী কমিটিৰ সদস্যসকলৰ লগত আলোচনাত বহে। আলোচনাৰ অন্তত কংগ্ৰেছৰ বিধায়কসকলে সদনত যোগ দিয়াৰ সিদ্ধান্ত হ'ল। ২৫ নবেম্বৰৰ দিনা বৰদলৈ গুৱাহাটীলৈ উভটি আহিল আৰু ১৯৪১ চনৰ ১ ডিচেম্বৰৰপৰা অসম বিধান সভাৰ শীতকালিন অধিৱেশনত কংগ্ৰেছৰ সদস্যসকলে যোগ দিলে। তেখেতসকলে ছাদুল্লা মন্ত্ৰীসভাৰ পতন আনিবলৈ বিপুল অভিযান চলালে। কটন কলেজৰ ছাত্ৰসকলে বিৰাট শোভাযাত্ৰা উলিয়াই যেতিয়া ৰাইজক বৃটিছ চৰকাৰক যুদ্ধৰ বাবে কোনো প্ৰকাৰৰ সহায় কৰিব নালাগে বুলি আহ্বান জনালে তেতিয়া ছাদুল্লা চৰকাৰে সশস্ত্ৰ পুলিচ বাহিনী লগাই ছাত্ৰসকলক নিষ্ঠুৰভাৱে দমন কৰাত লাগিল। গুৱাহাটীত এই ঘটনাক লৈ ৯ ডিচেম্বৰৰ দিনা বৰদলৈ সদনত সভা

স্থগিত প্ৰস্তাৱ দাঙি ধৰিলে। ছাত্ৰসকলে উক্ত ঘটনাৰ সম্পৰ্কত কামৰূপৰ উপাযুক্ত আৰু কটন কলেজৰ ছাত্ৰক সৰ্বপ্ৰথমে প্ৰহাৰ কৰা জ্যোতিষচন্দ্ৰ দাসক সোণাৰাম হাইস্কুলৰ পৰিচালনা সমিতিৰ পৰা আঁতৰ কৰাৰ দাবী তুলিছিল যদিও মিঃ ছাদুল্লা সন্মত নহ'ল। ছাদুল্লা মন্ত্ৰীসভাৰ ঘোৰ সঙ্কট কাল উপস্থিত হ'ল। দেশৰ এনে দুৰ্দ্দিনৰ সময়ত ৰোহিণী কুমাৰ চৌধুৰী স্থিৰে থাকিব নোৱাৰিলে। ছাদুল্লাই অসমখনক মুছলিম্ লীগৰ ওচৰত বিক্ৰী কৰিব ওলোৱা, দেশৰ স্বাৰ্থৰ বিপৰীতে দ্বিতীয় মহাসমৰত ধনে-প্ৰাণে সহায় কৰা, যুদ্ধৰ খৰচৰ বাবে প্ৰজাৰ ওপৰত অবৰ্ণনীয় শোষণ চলোৱা আৰু সৰ্বশেষত বিনাদোষত কটন কলেজৰ ছাত্ৰসকলৰ ওপৰত চলোৱা অমানুষিক অত্যাচাৰৰ কথাই চৌধুৰীদেৱক উদ্বিগ্ন আৰু উত্তেজিত কৰি তুলিলে। যেহেতু সেই সময়ত তেখেত ছাদুল্লা মন্ত্ৰীসভাৰ শিক্ষা দপ্তৰৰ দায়িত্বত আছিল, তেখেতে তদ্‌মুহূৰ্তে মন্ত্ৰীপদ ইস্তফা দি ছাদুল্লাৰ কবলৰ পৰা মুক্ত হৈ এটি স্বস্তিৰ নিশ্বাস এৰিলে। তাৰ পিছতে তেখেতে জাতীয় সংযুক্ত দল (Nationalist Coalition Party) গঠন কৰি ৯ ডিচেম্বৰ তাৰিখে কংগ্ৰেছৰ বিধায়কসকলৰ ওচৰত সমৰ্থন বিচাৰি আলোচনা কৰিলে। যদিহে ছাদুল্লাক আঁতৰাই চৌধুৰীদেৱ প্ৰিমিয়াৰ হোৱাৰ সিদ্ধান্ত বাহাল ৰাখে তেতিয়াহ'লে তেখেতসকলে সমৰ্থন কৰিব বুলি আশ্বাস দিলে। ইতিমধ্যে চৌধুৰীৰ নৱগঠিত দলত ছাদুল্লা বিৰোধী মুছলিম্ লীগৰ ভালেমান নেতাই যোগ দিয়াৰো প্ৰবল ইচ্ছা প্ৰকাশ কৰে। চৌধুৰীৰ এই উদ্যোগত যদিও বৰদলৈ প্ৰমুখ্যে এটা দলে সমৰ্থন কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল ; কিন্তু তৈয়বউল্লা প্ৰমুখ্যে এটা দলে ভেটো দিলে। শেষত ২২ ডিচেম্বৰ তাৰিখে কংগ্ৰেছ দলৰ হৈ বৰদলৈদেৱে তিনি দফীয়া বিবৃতি এটি প্ৰকাশ কৰিলে—(১) কংগ্ৰেছ বিধায়কসকলে ট্ৰেজাৰী বেঞ্চত নবহি স্বতন্ত্ৰ দল হিচাপে কাম কৰি যাব, (২) তেখেতসকলে মন্ত্ৰীত্ব পদ গ্ৰহণ নকৰিব আৰু (৩) আৰু হ'বলগীয়া

'চৌধুৰী মন্ত্ৰী সভা'ই যদি কংগ্ৰেছৰ মূল নীতি মানি চলে, তেন্তে কংগ্ৰেছ বিধায়ক মণ্ডলীয়ে কোনো প্ৰকাৰৰ বিৰোধিতা নকৰিব।

ইতিমধ্যে মিঃ ছাদুল্লাই অদূৰ ভৱিষ্যতৰ পৰিণাম চিন্তা কৰি ১৯৪১ চনৰ ১২ ডিচেম্বৰৰ দিনা ইস্তফা পত্ৰ দাখিল কৰিছিল। সেই সময়ত ৰাজ্যপাল চিলঙৰ বাহিৰত থকাত ছাদুল্লাৰ ইস্তফা পত্ৰ গ্ৰহণ কৰা নহ'ল। পিছদিনা সদনত ছাদুল্লা মন্ত্ৰী সভাৰ বিৰুদ্ধে নবকুমাৰ দত্তই অনাস্থা প্ৰস্তাৱ আনিলে। লোকপ্ৰিয় বৰদলৈয়ো এনে বহি নাথাকি ছাদুল্লাৰ স্বৰূপ উদঙাই দিলে। বৃটিছ সদস্যসকলে নিৰপক্ষতা অৱলম্বন কৰিলে। ৰোহিণী কুমাৰ চৌধুৰীদেৱৰ লগতে সংসদী সচিব দুজনেও অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰিলে।

১৭ ডিচেম্বৰৰ দিনা লোকপ্ৰিয়ই ৰাজ্যপালক সাক্ষাৎ কৰি কংগ্ৰেছ দলে মন্ত্ৰীসভা গঠন নকৰাৰ সিদ্ধান্ত জনালে। লগতে ইয়াকো জনালে যে যদিহে কংগ্ৰেছ দলৰ নীতি সাপেক্ষে ৰোহিণী কুমাৰ চৌধুৰীদেৱে মন্ত্ৰীসভা গঠন কৰে তেখেতসকলে চৌধুৰীক সমৰ্থন কৰিব। ২৬ জনীয়া 'সংযুক্ত জাতীয় দল'ৰ নেতা চৌধুৰীদেৱে ৰাজ্যপালক সাক্ষাৎ কৰি মন্ত্ৰীসভা গঠন কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু চৌধুৰীদেৱে মন্ত্ৰীসভা গঠন কৰিলে, বৃটিছৰ সহায়ক নহ'ব বুলি, বিশেষকৈ যুদ্ধৰ বাবে পাবলগীয়া সহায় নাপাব বুলি সন্দেহ কৰি চৌধুৰীক মন্ত্ৰীসভা গঠন কৰাৰ অনুমতি নিদিলে। শেষত ১৯৩৫ চনৰ সংবিধানৰ ৯৩ দফা অনুসৰি ১৯৪১ চনৰ ২৫ ডিচেম্বৰ তাৰিখে ৰাজ্যপালে অসমৰ শাসনভাৰ নিজৰ হাতলৈ নিলে।

১৯৪২ চনৰ ভাৰতবৰ্ষৰ ৰাজ্যনৈতিক সমস্যাই বিশ্বৰ প্ৰধান শক্তি-সমূহৰ দৃষ্টি আৰু সহানুভূতি আকৰ্ষণ কৰিছিল। ১৯৪২ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে চীনৰ প্ৰধান মন্ত্ৰী চিয়াং কেইচাক্ ভাৰতবৰ্ষলৈ আহি ভাৰতৰ পৰিস্থিতি অধ্যয়ন কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্ট ৰুজভেল্টৰো ভাৰতৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলে। ৰুজভেল্টে ইংল্যাণ্ডৰ প্ৰধানমন্ত্ৰী চাৰ্চছিলক জনালে যে ভাৰতবৰ্ষৰ ৰাজনৈতিক

সমস্যাটো আৰু বেছি পলম নকৰাকৈ মিমাংসা কৰিব লাগে। ইংল্যাণ্ডৰ পাৰ্লিয়ামেণ্টৰ কেইজনমান কেবিনেট মন্ত্ৰী আৰু সদস্যয়ো প্ৰধানমন্ত্ৰীক এই বিষয়ে জোৰ দি ধৰিলে। দুশ বছৰ প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰা বৃটিছ চৰকাৰে অন্তত 'ত্ৰাহি মধুসূদন' স্মৰণ কৰি মিঃ ক্ৰিপছক ক্ষেত্ৰ অধ্যয়ন কৰি আশু ব্যৱস্থা ল'বৰ কাৰণে ক্ষমতা দি ভাৰতবৰ্ষলৈ পঠালে। কংগ্ৰেছৰ কাৰ্যকৰী কমিটিয়ে ১৯৪২ চনৰ ১১ এপ্ৰিল তাৰিখে মিঃ ক্ৰিপছৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। তাৰ পিছদিনাই মিঃ ক্ৰিপ্‌ছে ইংল্যাণ্ডলৈ প্ৰত্যাবৰ্তন কৰিলে। মিঃ ক্ৰিপছৰ উদ্যোগ ফলৱতী নোহোৱাত গান্ধীজীয়ে "ভাৰত ত্যাগ'ৰ প্ৰস্তাৱৰ কংগ্ৰেছৰ কাৰ্যকৰী কমিটিলৈ পঠালে। ১৯৪২ চনৰ ৭ আৰু ৮ আগষ্ট তাৰিখে বোম্বাইত বহা অধিৱেশনত প্ৰস্তাৱটো আলোচনা কৰা হ'ল। প্ৰথম দিনাৰ অধিৱেশনতে জৱাহৰলাল নেহৰুৱে প্ৰস্তাৱটো উত্থাপন কৰিছিল আৰু চৰ্দাৰ বল্লভভাই পেটেলে সমৰ্থন কৰিছিল।

১৯৪২-৪৩ চনত সমগ্ৰ ভাৰত ব্যাপি যি অভূতপূৰ্ব আন্দোলন, লগতে অশান্তিৰ সৃষ্টি হৈছিল তাৰ বাবে জাতীয় কংগ্ৰেছ বা মহাত্মা গান্ধী নিশ্চয় জগৰীয়া নাছিল। ইয়াৰ বাবে যে বৃটিছ চৰকাৰ সম্পূৰ্ণ দায়ী আছিল, এই কথা অতি সাহস আৰু স্পষ্টতাৰে ৰোহিণী কুমাৰ চৌধুৰী অসম বিধান সভাত দাঙ্গি ধৰিছিল। এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত সুচেতা কৃপালনী, অচ্যুত পট্টবৰ্দ্ধন, অৰুণা আচফ্‌ আলি, চাদিক আলি আদি আত্মগোপন কৰিছিল আৰু ১৯৪২ চনৰ ৯ নৱেম্বৰ তাৰিখে হাজাৰিবাগ জেলৰপৰা আগশাৰীৰ নেতা জয়প্ৰকাশ নাৰায়ণো পলাই আহিছিল।

ইতিমধ্যে নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকনৰ অনুপস্থিতি দিল্লীত অসমক প্ৰতিনিধিত্ব কৰা উপযুক্ত ব্যক্তি নোহোৱা হোৱাত ৰোহিণী কুমাৰ চৌধুৰীদেৱক তেখেতসকলৰ খালী ঠাই পূৰাব পৰা ব্যক্তি হিচাপে বিবেচনা কৰা হ'ল। ১৯৪৫ চনৰ অক্টোবৰ মাহৰ

মাজ ভাগত ৰোহিণী কুমাৰ চৌধুৰীদেৱে অসম কংগ্ৰেছৰ মনোনয়ন লাভ কৰি বিনা প্ৰতিদন্দ্বিতাই এম, পি নিৰ্বাচিত হ'ল। চৌধুৰীদেৱৰ ৰাজনৈতিক জীৱনৰ উল্লেখযোগ্য সময়ছোৱা আছিল ১৯৪৫-১৯৫৫। লোক সভাৰ প্ৰথম শাৰীৰ সদস্য হোৱাৰ উপৰিও সংবিধান প্ৰস্তুত সমিতিৰো তেখেত সদস্য আছিল। অসমৰ বিভিন্ন সমস্যাৱলীক লৈ দিল্লীৰ দৰবাৰত চৌধুৰী সিংহনাদ কৰি যুঁজিছিল। ক'লে বোধকৰো অত্যুক্তি কৰা নহ'ব ; এসময়ত 'ফুকনেই অসম ; অসমেই ফুকন' আখ্যা লাভ কৰাৰ আহিঁৰে সেই সময়ত অসম বুলিলেই ভাৰতৰ লোকে ৰোহিণী কুমাৰ চৌধুৰীক মনত পেলাইছিল।

ৰোহিণী কুমাৰ চৌধুৰীৰ যে অসাধাৰণ ব্যক্তি আছিল তাৰ বহুতো দৃষ্টান্ত পোৱা যায়। এবাৰ পণ্ডিত নেহৰুৰ লগত হোৱা এটা সাক্ষাৎকাৰৰ পৰাও কিছু আভাস পাব পাৰি। চৌধুৰীয়ে তেখেতৰ উচ্চ শিৰ কেতিয়াও নত নকৰিছিল। এম, পি হৈ থাকোঁতে পণ্ডিত নেহৰুৱে কিবা এটা কথাত চৌধুৰীক বিচৰাত নিৰ্দ্ধাৰিত সময়ত চৌধুৰী গৈ নেহৰুৰ ওচৰত উপস্থিত হ'ল। নেহৰুৰ সন্মুখত চৌধুৰীদেৱ কিছু সময় বহি থকা স্বত্বেও নেহৰুৱে মূৰ তুলি নাচায় ফাইল পঢ়ি আছিল। শেষত চৌধুৰীয়ে মাত লগালে—"পণ্ডিতজী, আপুনি মোক মাতিছে। মই নিজে কোনো স্বাৰ্থ লৈ অহা নাই। আপোনাৰ যদি সময় নাই মই যাওঁ।" পণ্ডিতজীৰ লগে লগে উপলব্ধি, আৰু অনুশোচনা হ'ল। পণ্ডিতজী নিজৰ ভুল স্বীকাৰ কৰি চৌধুৰীৰ ওচৰত ক্ষমা খুজিবলৈ দ্বিধাবোধ নকৰিলে। তেতিয়াৰ পৰা নেহৰুৰ সৈতে চৌধুৰীৰ বন্ধুত্ব বেছি গাঢ় হ'ল। তদুপৰি সংবিধান প্ৰস্তুতি সমিতিত চৌধুৰীয়ে অসমৰ স্বাৰ্থ ৰক্ষাৰ্থে অহৰহ যুঁজ দিছিল আৰু গ্ৰুপিঙৰ সময়ত অসমক ৰক্ষা কৰাৰ কাৰণে লোকপ্ৰিয়ৰ লগত বলিষ্ঠ ভূমিকা লৈছিল।

উৎকট্ সৎ সাহসী আৰু স্বাধীন-চেতা চৌধুৰীৰ বীৰত্বৰ আন এটি কাহিনীও শুনা যায়। এবাৰ গুৱাহাটীৰ টেলিগ্ৰাফ্ অফিচত

এখন টেলিগ্ৰাম্ কৰাৰ কাৰণে চৌধুৰীদেৱ শাৰীত থিয় হৈ আছিল। এনেতে অসমৰ স্কুলসমূহৰ পৰিদৰ্শক মিঃ জি. এ. স্মল চাহাব আহি শাৰীৰ আগত হেঁচিঠেলি সোমাই টেলিগ্ৰাম কৰিবলৈ সোমাল। চৌধুৰী ডাঙৰীয়াই স্মল চাহাবৰ শিষ্টাচাৰ বিহীন আচৰণৰ প্ৰতিবাদ কৰাত স্মল চাহাবে চৌধুৰীদেৱক প্ৰহাৰ কৰিবলৈ উদ্যত হ'ল। ছয়ফুট দুই ইঞ্চি ওখ শুধ্ বগা খদৰৰ ধুতি-পাঞ্জাবীৰে ভীমকান্তা, নিভাঁজ অসমীয়া আভিজাত্যৰে পুষ্ট চৌধুৰীদেৱক এজন বিদেশীয়ে, তাকো নিজ ঘৰতে কৰা অপমান সহ্য কৰে কেনেকৈ? চৌধুৰীদেৱো ততালিকে সন্তম হ'ল আৰু কেইটামান ঘোচা মাৰি চাহাবক বগৰাই দিলে। চৌধুৰীদেৱৰ এই বীৰত্বপূৰ্ণ কথা গোটেই অসমতে ৰজন্‌জনাই গ'ল। পিছলৈ চৌধুৰীদেৱ যেতিয়া অসমৰ শিক্ষামন্ত্ৰী হৈছিল, স্মল চাহাব তেতিয়া অসমৰ শিক্ষাধিকাৰ আছিল। চৌধুৰীদেৱে নিজৰ মহানুভৱতাৰ পৰিচয় দি সেই সময়ত স্মল চাহাবক বন্ধুত্বপূৰ্ণভাৱে আচৰণ কৰিছিল।

ৰাজনৈতিক জীৱনত ৰোহিণী কুমাৰ চৌধুৰীদেৱে প্ৰসিদ্ধি লাভ কৰাৰ আহিৰে সামাজিক তথা পৰিবাৰিক জীৱনতো তেখেতে কৃতকাৰ্য লাভ কৰিছিল। তেখেতৰ পত্নী হেমপ্ৰভা চৌধুৰীও এগৰাকী সমাজ সেৱিকা আৰু বিদুষী মহিলা আছিল। এইজন ক্ষণজন্মা অসম মাতৃৰ সু-সন্তানে একুৰি চৈধ্য বছৰকাল অসম তথা ভাৰতৰ ৰাজনীতিৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি যোগাই ১৯৫৫ চনৰ ১৬ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ ভৰলুমুখৰ বাসভৱনত মৃত্যু বৰণ কৰে। তেখেতৰ উচ্চ শিক্ষিত, গুণৱান আৰু সু-প্ৰতিষ্ঠিত ছজন পুত্ৰ ক্ৰমে—নলিনী চৌধুৰী, প্ৰবীণ কুমাৰ চৌধুৰী, ৰবীন চৌধুৰী, ড° পবিত্ৰ কুমাৰ চৌধুৰী, ধীৰেণ চৌধুৰী আৰু অমিয় কুমাৰ চৌধুৰী।

অক্লান্ত সমাজকৰ্মী চন্দ্ৰশেখৰ দাস

ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ আন জিলা কেইখনৰ দৰে উত্তৰ লক্ষীমপুৰ জিলায়ো লেখত লবলগীয়া বৰঙণি আগবঢ়াইছিল। এই গ্ৰন্থত সন্নিবিষ্ট কৰা ৰোহিণী কান্ত হাতীবৰুৱা আৰু সৰ্বেশ্বৰ বৰুৱাদেৱৰ প্ৰবন্ধত কিছু কথাৰ আভাস দিয়া হৈছে। উত্তৰ লক্ষীমপুৰৰ আন কেইগৰাকীমান লেখৰ মুক্তিযুঁজাৰু আছিল— চন্দ্ৰশেখৰ দাস (বৰুৱা), মৌলবী ছৈয়দ মুহিবুল হুছেন, গগন চন্দ্ৰ দাস, হলধৰ গগৈ, কেহোৰাম গগৈ, গগন নাথ গোহাঁই, ঘনকান্ত দাস, ধনপুৰ হাজৰিকা, গোলোকচন্দ্ৰ বৰুৱা, যোগেশ্বৰ বৰুৱা, লীলাৰাম ভূঞা, চন্দ্ৰনাথ দত্ত, কমলেশ্বৰ দত্ত, পূৰ্ণানন্দ দত্ত, পূৰ্ণচন্দ গগৈ, সোমেশ্বৰ গগৈ, থানেশ্বৰ গগৈ, পূৰ্ণ তামুলী, শৈলেন্দ্ৰ শইকীয়া আৰু লোকেশ্বৰ কটকী।

চন্দ্ৰশেখৰ দাস মুক্তিযুঁজাৰুতকৈও এজন সমাজকৰ্মী হিচাপেহে খ্যাতি আছিল। মহাত্মা গান্ধীৰ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত চন্দ্ৰশেখৰ দাসে অসমৰ একেবাৰে পূব প্ৰান্তত অৱস্থিত, যাতায়াতৰ নিম্নতম সুবিধাখিনিও নথকা তেনে এটা দুৰ্গম অঞ্চলৰ পিছপৰা লোকসকলৰ উন্নতিৰ কাৰণে ওৰে জীৱন পৰিশ্ৰম কৰিছিল। ওখপাখ, সৰ্বশুদ্ধ খদ্দৰৰ ধূতি-চোলা, মূৰত গান্ধী টুপী, দিনৰ ভাগত হাতত ছাতি-লাখুটি আৰু নিশাৰ ভাগত ততোধিক হাতলেম্প, এটা লৈ গাৱেঁ গাৱেঁ, চুবুৰীয়ে চুবুৰীয়ে ঘূৰি ফুৰি, কানি, ভাঙ, মদ প্ৰভৃতি মাদক দ্ৰব্য বৰ্জনৰ অভিযান চলাইছিল। দাসৰ কাৰ্যনিষ্ঠাতা দেখি আৰু সদুপদেশ শুনি শ শ লোকে মাদকদ্ৰব্য বৰ্জন কৰি সৎ আৰু পবিত্ৰ জীৱন যাপন কৰাৰ পণ লৈছিল আৰু বহুতে ভাৰতৰ স্বাধীনতা

আন্দোলনত নিজক ব্ৰতী কৰিছিল। লক্ষীমপুৰ জিলাৰ ঢকুৱাখনা বৃহৎ অঞ্চলটোত চন্দ্ৰশেখৰ দাসে এগৰাকী বিশেষ সমাজকৰ্মী হিচাপে সকলো শ্ৰেণীৰ লোকৰপৰা মৰম আৰু শ্ৰদ্ধা লাভ কৰিছিল। সেই অঞ্চলটোৰ শিক্ষা, সংস্কৃতি, সাহিত্য, অৰ্থনীতি আদি প্ৰতিটো দিশতে চন্দ্ৰশেখৰ দাসে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

১৮৯২ চনত চন্দ্ৰশেখৰ দাসৰ জন্ম হয়। তেখেতৰ পিতৃ জীউৰাম বৰুৱা আহোম ৰজাৰ 'ঘোঁৰা বৰুৱা' পদৰ্কীয়াল আছিল। ন বছৰ বয়সত চন্দ্ৰশেখৰ দাসৰ শিক্ষা আৰম্ভ হয় আৰু ১৯০৮ চনত ঢকুৱাখনা মজলীয়া বিদ্যালয়ৰ শিক্ষা শেষ কৰি ডিব্ৰুগড়ৰ জৰ্জ ইনষ্টিটিউটত মাধ্যমিক শিক্ষা আৰম্ভ কৰে। অষ্টমমান শ্ৰেণীত পঢ়ি থকা কালছোৱাত ভালেমান ঘৰুৱা সমস্যাই ঝুমুৰি দি ধৰাত সাময়িকভাৱে পঢ়াত বিজুটি ঘটে। দাসৰ একান্ত ইচ্ছা আছিল ডিব্ৰুগড় বেৰি হোৱাইট মেডিকেল স্কুলত পঢ়ি এজন ডাক্তৰ হোৱাৰ। অৰ্থাভাৱত মেডিকেল পঢ়াৰ আকাংক্ষা ত্যাগ কৰি যোৰহাটত নৰ্মাল শিক্ষকৰ প্ৰশিক্ষণ লোৱাৰ কথাও চিন্তা কৰিছিল। আৰ্থিক নাটনিৰ কাৰণে সেই আশাও সিমানতে মাৰ গ'ল। শেষত তেনেবোৰ আশা বাদ দি দ্বিতীয় মহাসমৰৰ পাছতেই ১৯১৬-১৭ চনত নানা চেষ্টা কৰি তেজপুৰ চাৰি আলিত এখন মাইনৰ স্কুল স্থাপন কৰি নিজে তাত শিক্ষকতা কৰিবলৈ ল'লে। অভাৱ অনাটনৰ হেঁচাত উত্তৰ লক্ষীপুৰৰ কাছাৰীত অস্থায়ী কাৰ্যালয় সহায়ক হিচাপে ১৯১৮-১৯ চনত কিছুদিন কাম কৰিছিল যদিও তাতো ভাল নলগাত বয়ন শিল্পৰ প্ৰশিক্ষণ আৰু হিন্দী ভাষাত প্ৰশিক্ষণ লোৱাৰ কাৰণে গুৱাহাটীলৈ আহে। সৌভাগ্যক্ৰমে গুৱাহাটীত থকা কালছোৱাত দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈৰ লগত দাস ডাঙৰীয়াৰ ঘনিষ্ঠ সম্পৰ্ক ঘটে আৰু নিচেই কম দিনৰ ভিতৰতে দাসদেৱৰ কংগ্ৰেছৰ নেতৃস্থানীয় ব্যক্তিসকলৰ লগত চা-চিনাকি হৈ উঠে। তেতিয়াৰ পৰা দাস কংগ্ৰেছৰ সাংগঠনিক কামৰ লগত জড়িত হৈ পৰে।

১৯২১ চনত অসহযোগ আন্দোলনৰ পৰিপ্ৰেক্ষিতত সৰ্বেশ্বৰ বৰুৱাৰ উদ্যোগ আৰু সভাপতিত্বত "উত্তৰ লক্ষীমপুৰ জিলা কংগ্ৰেছ" প্ৰতিষ্ঠা হয় আৰু চন্দ্ৰশেখৰ দাস তাৰ উপসভাপতি হয়। দাসৰ নেৰানেপেৰা চেষ্টাৰ ফলত এতিয়াৰ ধেমাজি মহকুমাৰ অন্তৰ্গত মাছখোৱা, বৰদলনি, গোহাঁই আৰু ঢকুৱাখনাত কংগ্ৰেছ অনুষ্ঠানটো শক্তিশালী হৈ উঠে। ইতিমধ্যে গুণকৰ্মৰ স্বীকৃতি স্বৰূপে ১৯২৮ চনত দাস ডাঙৰীয়া উত্তৰ লক্ষীমপুৰ জিলা কংগ্ৰেছৰ সভাপতি হয়। এইদৰে অসহযোগ আন্দোলনৰ নেতৃত্ব দি ১৯২২ চনত দাসে ৩ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা অনাদায়ে অধিক এক মাহ সশ্ৰম কাৰাদণ্ড ভোগে। তদুপৰি দাসৰ ঘৰ পুলিচে সঘনে খানা তালাচ কৰি নানা প্ৰকাৰে জোৰ-জুলুম কৰিছিল।

চন্দ্ৰশেখৰ দাসৰ সমাজ সেৱা অতি প্ৰশংসনীয়। ঢকুৱাখনা উচ্চ-মাধ্যমিক (বৰ্তমান উচ্চতৰ মাধ্যমিক) বিদ্যালয়খন দাসৰ সামাজিক জীৱনৰ কীৰ্তিস্তম্ভ। তেখেতৰ অক্লান্ত পৰিশ্ৰমৰ ফলত ১৯৩৬ চনত এই স্কুলখনে জন্ম লাভ কৰে। ইয়াৰ প্ৰতিষ্ঠাতা সভাপতি আৰু সম্পাদক আছিল ক্ৰমে সৰ্বেশ্বৰ বৰুৱা আৰু চন্দ্ৰশেখৰ দাস। শৰৎ চন্দ্ৰ গোস্বামীদেৱ বিদ্যালয় সমূহৰ পৰিদৰ্শক হৈ থাকোঁতে ১৯৩৮ চনত বিদ্যালয়খনে প্ৰথম চৰকাৰী অনুদান পাইছিল মাত্ৰ ১৩৯·০০ টকা।

চন্দ্ৰশেখৰ দাসৰ পাৰিবাৰিক জীৱন অতি আদৰ্শনীয় আছিল বুলি তেখেতৰ পত্নী অৰুণবালা দাসৰ লিখনীৰ পৰা, আৰু কন্যা, প্ৰসিদ্ধা সমাজ সেৱিকা, লেখিকা আৰু গুৱাহাটীৰ কস্তুৰবা গান্ধী আশ্ৰমৰ একনিষ্ঠা কৰ্মী শ্ৰীমতী ধনদা বৰুৱাৰ পৰা জানিব পৰা গৈছে। ১৯২৭ চনত চন্দ্ৰশেখৰ দাসৰ বিয়া হয়। তেখেতৰ পত্নীও ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী আছিল। বিবাহৰ আগৰে পৰা স্বামীৰ ত্যাগ, আদৰ্শ আৰু দুখীয়াৰ প্ৰতি থকা মহানুভৱতাৰ কথা জানিছিল। বিবাহৰ ১৬ বছৰ পিছতে

(১৯৪৩) দাসৰ মৃত্যু হয়। এই কালছোৱাৰ ভিতৰত দাসে দেশ আৰু সমাজ সেৱাৰ বাবে যিবোৰ কাম কৰিছিল পত্নী সেইবোৰৰ অংশীদাৰ আছিল। চন্দ্ৰশেখৰ দাসে অসমৰ নাৰীমুক্তি আন্দোলনত আগভাগ লৈছিল। সেই ক্ষেত্ৰত চন্দ্ৰপ্ৰভা শইকীয়ানীৰ সহযোগী হিচাপে কাম কৰিছিল। নাৰীমুক্তি আন্দোলনৰ পৰিপ্ৰেক্ষিতত দাসে কৈছিল—"শঙ্কৰ গুৰুৱে যেনেকৈ প্ৰতিখন গাৱঁতে নামঘৰ একোটা প্ৰতিষ্ঠা কৰি নামধৰ্মৰ ভেটি দৃঢ় কৰি গ'ল, সেইদৰে শইকীয়ানীও এটা মহান পৰিকল্পনা হাতত লৈছে, গাঁৱে গাঁৱে মহিলা সমিতিৰ গঠনৰ।" 'নাৰী' শব্দৰ অৰ্থ ৰম্পৰ্কে দাসে কৈছিল—"পতিৰ অৰ্থে চৰিত্ৰ, সন্তানৰ অৰ্থে মমতা, সমাজৰ অৰ্থে শীল, বিশ্বৰ অৰ্থে দয়া, জীৱৰ অৰ্থে কৰুণা—এই কেইটাৰ সংযোগকাৰী মহান প্ৰকৃতিৰ নামেই নাৰী।"

চন্দ্ৰশেখৰ দাস কথাত, কামত, চাল-চলনাত সদায় পৰিপাটি আৰু নিৰ্মল পানীৰ দৰে স্বচ্ছ আছিল। পত্নীৰ লিখাত পোৱা যায়—"কেতিয়াবা খৰি ফালিব লাগিমে বাঁহডাল ধুই লৈহে খৰি ফালিছিল।" লিখা-মিলা কামত ক'তো অলপো ত্ৰুটিদোষ থকাটো তেখেতে পছন্দ নকৰিছিল। দৰকাৰ হলে লিখাটোকে বাৰে বাৰে লিখি নিৰ্ভুল আৰু পৰিষ্কাৰ কৰি লিখিছিল।

দাসৰ পিতৃ এজন প্ৰজাৰঞ্জক, দান-দয়াশীল মৌজাদাৰ আছিল। প্ৰজাৰ পৰা জোৰ-জুলুম কৰি খাজনাতো নুতুলিছিলেই, তদুপৰি বানপানীত খেতিপথাৰ নষ্ট হলে তেখেতে খাজনা নতুলিছিল। তেনে কৰাৰ ফলত বৃটিছ চৰকাৰে তেখেতৰ মৌজা আৰু সা-সম্পত্তি বাজেয়াপ্ত কৰি সৰ্বশ্ৰান্ত কৰিছিল। পিছত মহকুমাধিপতি এটা স্বত্বত দাসৰ কোনো এজন পুত্ৰৰ নামত মৌজা ঘূৰাই দিয়াৰ ফুচলনি দিছিল, যদিহে পুতেকহঁতে স্বাধীনতা আন্দোলনত যোগ নিদিব বুলি লিখি দিয়ে। তাৰ প্ৰত্যুত্তৰত দাসে চাহাবক কৈছিল—"চাহাব, এইখন লাচিতে দেশৰ বাবে মোমায়েকৰ

মূৰ কটা দেশ; চুৱনিৰ চুৱাপাত চেলেকিবলৈ মোৰ ল'ৰাহঁত নাযায়।" এইদৰে দাসৰ পিতৃয়ে মৌজা, ধন-সম্পত্তি সকলো হেৰুৱালে যদিও উচ্চ শিৰ কেতিয়াও নত নকৰিলে, বৰঞ্চ নিজৰ ভাতৃসৱক, পত্নী, পুত্ৰ, বোৱাৰী সকলোকে বাৰম্বাৰ প্ৰেৰণা যোগাই দেশ স্বাধীন কৰাৰ কামত আগবঢ়াই দিলে। প্ৰকৃতপক্ষে কবলৈ গ'লে চন্দ্ৰশেখৰ দাস সুযোগ্য পিতৃৰ সুযোগ্য সন্তান। পিতৃৰ পৰা ঘৰতে যি ত্যাগ আৰু আদৰ্শৰ কথা শিকিলে, সিয়ে দাসক এগৰাকী প্ৰসিদ্ধ মুক্তি যুঁজাৰু আৰু সমাজকৰ্মী হোৱাত ইন্ধন যোগালে। অকণবালাই শহুৰেকৰ সম্পৰ্কত উল্লেখ কৰিছে—"স্বাধীনতা আন্দোলনৰ কাৰণে সকলোৰে প্ৰেৰণাদাতা যে মোৰ শহুৰ তাক বুজি পাই তেখেতৰ প্ৰতি শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই পৰে। মোৰ মনলৈ প্ৰায়েই আহে শহুৰ দেউতাই আমালৈ ধন-সম্পত্তি এৰি যাব নোৱাৰিলে যদিও, তেখেত আমাৰ বাবে সকলোতকৈ ডাঙৰ সম্পত্তি মোৰ স্বামী চন্দ্ৰশেখৰৰ দৰে আৰু মোৰ দেওৰ শৰৎ বৰুৱাৰ দৰে পুত্ৰ দি থৈ গ'ল, যিসকলে দেশৰ সেৱাৰ বাবে আজীৱন নিজৰ শক্তি দি যাব পাৰিলে।"

বৃটিছ চৰকাৰে দাসৰ পৰিয়ালৰ মৌজা, মা-সম্পত্তি বাজেয়াপ্ত কৰাৰ পাছত আৰ্থিক অভাৱ অনাটনে ঘৰখন একপ্ৰকাৰ অচল কৰি তুলিলে। তেতিয়া চন্দ্ৰশেখৰ দাসে ধৈৰ্য নেহেৰুৱাই পত্নীক বুজনি দিছিল—"টকা পইচাৰ চহকীয়া মানুহৰহে প্ৰয়োজন। গাৱঁত আমাৰ মৰম-স্নেহ আছে, হাত দুখন আছে, আমি খেতি-বাতি, শাক-পাচলি কৰি খাব পাৰোঁ, বৈ-কাটি পিন্ধিব পাৰোঁ, গৰু-গাই পুহি গাখীৰ-ঘিউ খাব পাৰোঁ, নাই বাৰু কি? সেই শিক্ষাকে দিবলৈ ভগৱানে আমাক আৰ্থিক কষ্ট দিছে। পৰমুখাপেক্ষী নহবলৈ আমি পুৰুষাৰ্থ কৰিব লাগিব। ভাৰতবৰ্ষ আমাৰ দুখীয়া দেশ, তাকো অনুভৱ কৰিব লাগিব।" স্বামীৰ বুজনিয়ে অকণবালা দাসক অভাৱ-অনাটনৰ মাজত কিদৰে সততাৰে চলিব লাগে বহু কথাই

শিকাইছিল। নকলেও হ'ব পৰিয়ালটোক দুবেলা দুমুঠি খুৱাবৰ কাৰণে কোনোদিনে নাঙলৰ মুঠিত নধৰা চন্দ্ৰশেখৰ দাসে নাঙল ধৰিছিল, পৰিয়ালৰ প্ৰত্যেককে স্বাৱলম্বী হ'বলৈ শিকাইছিল, শ্ৰমে কিদৰে শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন কৰে তাৰ বৈজ্ঞানিক আলোচনা কৰিছিল আৰু গান্ধীজীয়ে কিয়নো স্বদেশী আন্দোলনৰ ওঠৰ দফীয়া ব্যপক কাৰ্যসূচী হাতত লৈছিল তাৰ গূঢ়াৰ্থ বুজাইছিল। গান্ধীজীৰ এই কাৰ্যসূচী অনুসৰি দাসে বয়ন শিল্পত খুব মন দিছিল। নিজে কপাহ-খেতি কৰি, সূতা কাটি, সুন্দৰকৈ কাপোৰ বব জানিছিল। সংস্কৃত শ্লোক গাই কিদৰে মাতৃসকলে সন্তানৰ কাৰণে কাপোৰ বৰ লাগে—"বস্ত্ৰ পুত্ৰায় মাতৰো বয়স্তিনাম" পত্নী আৰু পৰিয়ালৰ সকলোকে উপদেশ দিছিল।

গান্ধীজীৰ গঠনমূলক কামৰ অন্যতম আহি হিচাপে চন্দ্ৰশেখৰ দাসে গাই এজনী পুহি নিজে গাইজনীৰ সকলো আপদাৰ কৰি ল'ৰা-ছোৱালীৰে সৈতে ভাল গাখীৰটুপি খাইছিল। ক্ৰমান্বয়ে গাইজনীৰ বংশবৃদ্ধি হৈ গোহালীটো ভৰি পৰিল। তেতিয়াও দাসেই সিহঁতৰ সকলো যত্ন লৈছিল। এদিন দাসে ঘৰৰ গাখীৰেৰে ঘিউ তৈয়াৰ কৰাৰ কৌশলটো ওচৰৰে নেপালী এজন মাতি আনি শিকি ললে। নেপালীজনৰ পৰা জানি আচৰিত হ'ল—যে সিহঁতে গাখীৰ বিক্ৰী কৰাৰ আগতে গাখীৰৰ সৰটো ঘিউ তৈয়াৰৰ কাৰণে আগতিয়াকৈ কাঢ়ি ৰাখে। তেনেদৰে সৰকাটা (চালিকটা) গাখীৰ খালে ল'ৰা-ছোৱালীৰ কোনো উপকাৰত নাহে। কথাটো জানি দাসে বৰ লজাৰ পালে আৰু নেপালীজনক তেনে কাম নকৰিবলৈ উপদেশ দিলে।

দাস ডাওৰীয়া আৰু তেখেতৰ পত্নী ঢকুৱাখনা হাইস্কুলৰ শিক্ষক আছিল। শিক্ষকৰ থাকিবলগীয়া সকলোখিনি গুণ তেখেতৰ গাত আছিল। সদায় সময়ৰ হীনদেৰি নোহোৱাকৈ স্কুললৈ যোৱা, ছাত্ৰ-ছাত্ৰীসকলক নিজৰ সন্তান জ্ঞান কৰা, সহকৰ্মীসকলৰ প্ৰতি সততে

সহানুভূতিশীল হোৱা, বিদ্যালয়খন মনেপ্ৰাণে ভালপোৱা, নিজৰ শিক্ষণীয় বিষয়টোৰ ওপৰত অগাধ জ্ঞান থকা, আদি শিক্ষকৰ কেইটামান মূলধন।

শিক্ষকতাৰ লগে লগে অঞ্চলটোৰ প্ৰতিটো গঠনমূলক কামত দাসদেৱে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ঢকুৱাখনা হিত-সাধিনী সভা, ৰায়ত সভা, ঢকুৱাখনা সামাজিক সভা, সাহিত্য সভা, নাট্য সমিতি, ধৰ্মীয় সভা, দুৰ্ভিক্ষ তাৰণ সভা, মহিলা সমিতি, কংগ্ৰেছ অনুষ্ঠান আদি পতা আৰু সিবোৰৰ উত্তৰোত্তৰ উন্নতি সাধন কৰাত তেখেত আগৰণুৱা আছিল।

সাহিত্য চৰ্চ্চা, গীত-পদ ৰচনা কৰা আদিতো দাসৰ বাপ আছিল। তেতিয়াৰ 'অসমীয়া' বাতৰি কাকতত তেখেতে অসমৰ বিভিন্ন সমস্যাক লৈ প্ৰবন্ধ, চিঠি-পত্ৰাদি লিখি ৰাইজ আৰু চৰকাৰক সতৰ্ক কৰি দিছিল। বাতৰি কাকতত সংবাদ যোগান ধৰোতে দাসে সত্যাসত্য ভালদৰে পৰীক্ষা কৰিহে দিছিল।

দাস ডাঙৰীয়া কিমান সৎ প্ৰকৃতিৰ লোক আছিল তাৰ বহুতো উদাহৰণ আছে। কংগ্ৰেছ আন্দোলনৰ সময়ত পলাতক অৱস্থাত ঘূৰি ফুৰোঁতে ঘৰৰ পৰা ন মাইলমান দূৰত সোণৰ থুৰিয়া এটা পালে। উপায় কৰে কি? সোণ পোৱাটোও বেয়া, তাক দেখি এৰি যোৱাটোও বেয়া। বাটৰ কাষৰ গছ এজোপাত থুৰিয়াটোৰ সম্পৰ্কে জাননী এখন মাৰি থৈ ঘৰলৈ আহিল। থুৰিয়াৰ গৃহস্থই খবৰটো পাই দাসৰ ঘৰ ওলাল। দাসে তেতিয়াও আহি ঘৰ পোৱা নাছিল। নিশা দেৰিকৈ আহি ঘৰ পাই থুৰিয়াটো নিবলৈ অহা কথা জানি সেই ৰাতিয়েই পুনৰ অহা-যোৱা ওঠৰ মাইল বাটকুৰি বায় থুৰিয়াটো ঘূৰাই দি আহি পত্নীক কলে—"সোণ পোৱাৰ পৰিণাম দেখিলা? সি মোক ওঠৰ মাইল বাট খোজ কঢ়ালে, সময়ো নষ্ট কৰিলে। যি কি নহওক বোজাটো থৈ আহিহে পাতল যেন পাইছো। সেয়ে সোণৰ পৰা মানুহ আঁতৰত থাকিব লাগে। সোণৰ খনিৰ ওপৰত হেনো বনো নগজে।"

দাস ডাঙৰীয়াৰ কৰ্মব্যস্ত জীৱনৰ কথা ভাবিলে আচৰিত হ'ব লাগে। দিনৰ দিনটো স্বৰাজৰ কামত ঘূৰি-ফুৰিব, ৰাতি হাতত লেম্পটো আৰু লাঠিডাল বা ছাতিটো লৈ সমাজ সেৱা, যেনে—কানি, ভাঙ, মদ আদি ৰাগীয়াল বস্তু বৰ্জনৰ কামত ওলাব, ৰাতি দেৰিকৈ ঘৰলৈ আহি কাগজৰ টোপোলা এটা উলিয়াই লৈ লেখা-পঢ়া কাম কৰিব। তেখেতে হেনো ৰাতি প্ৰায়েই গৰম ভাত খাই পোৱা নাছিল। ঘৰৰ কাকো আমনি নকৰাকৈ যিহকে থৈছিল, তাকে খাই সন্তুষ্টি লভিছিল। কেতিয়াবা ৰাতি লগত আলহী-অতিথিও লৈ আহিছিল। তেতিয়াও পত্নীক বা ঘৰৰ কাকো আমনি নকৰি আলহীৰে সৈতে নিজৰ ভাতকেইটাকে খাই শুই পৰিছিল। ৰাতি লেখা-পঢ়াৰ কাম বেছি থাকিলে উজাগৰে থাকি গোটেই নিশা কামকে কৰিছিল। ইংৰাজী, অসমীয়া, হিন্দী সকলো ধৰণৰ সংবাদ পত্ৰ পঢ়িছিল। তেখেতে পৰিপাটিকৈ থোৱা কাকত-পত্ৰ কোনোবাই চুলে বৰকৈ খং কৰিছিল। পুলিচে প্ৰায়েই ঘৰ খানাতালাচ কৰে কৰণে কিছুমান দৰ্কাৰি কাকত-পত্ৰ ভঁড়াল ঘৰৰ ধানত পুতি ৰাখিছিল। সেই গোপনীয় তথ্যপাতিবোৰ সযতনে ৰখাত তেখেতৰ চিৰকুমাৰী জ্যেষ্ঠা কন্যা ধনদা বৰুৱাই সহায় কৰিছিল।

স্বৰাজৰ কামত ঘূৰি ফুৰোতে দাসে ঘৰুৱা কামত বিশেষ সহায় কৰিব পৰা নাছিল। সেয়েহে তেখেতে পত্নী আৰু পৰিয়ালৰ লোক সকলক বুজাইছিল—দেশৰ কাম কৰা মানুহক সহায় কৰাটোও দেশৰ কামেই।"

মহাত্মাগান্ধীৰ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত দাস ডাঙৰীয়াৰ ঘৰত জাতি, ধৰ্ম, পন্থ, উচ্চ-নীচ আদিৰ কোনো প্ৰকাৰৰ বাচ-বিচাৰ নাছিল। স্বৰাজৰ কামত পেটত ভাত চকুত টোপনি নোহোৱাকৈ দিনে-নিশাই ঘূৰি ফুৰা কাৰণে এদিন পত্নীয়ে তেখেতক সুধিলত— "স্বৰাজ স্বৰাজ কৰি যে আপুনি এনেদৰে শোৱা-খোৱা পাহৰি গৈছে, স্বৰাজ পোৱাৰ পিছত আপুনি কি কৰিব ?" তাৰ উত্তৰত দাসদেৱে

কৈছিল—"তেতিয়াহে আমাৰ কাম বেছি হ'ব। মহিলাসকলেও ভাতৰ চকৰ পৰা সমাজলৈ ওলাই আহিব লাগিব। পুৰুষ-মহিলাই মিলি বিদেশীয়ে ভাঙি পেলোৱা দেশখন পুনৰ গঢ়িব লাগিব। তেতিয়া দুটা কথাত জোৰ দিব লাগিব, এক দেশ গঢ়ি গণতন্ত্ৰৰ ভেটি দৃঢ়কৈ প্ৰতিষ্ঠা কৰা আৰু স্বৰাজ সুৰক্ষিত কৰা।"

দাসদেৱৰ সুস্বপ্ন দিঠকত পৰিণত হ'বলৈ নৌপাওঁতে ১৯৪৩ চনৰ ২২ জুন তাৰিখে তেখেতৰ পৰলোক প্ৰাপ্তি ঘটিল। তেখেতৰ পত্নীৰ ভাষাত "একেবাৰে ঘূৰি থকা লাটুম এটা যেন তৎক্ষণাৎ ৰৈ গ'ল।" দেশখনত স্বাধীনোত্তৰ কালত প্ৰকৃত সমাজকৰ্মীৰ প্ৰকৃততে দাৰুণ অভাৱ লক্ষ্য কৰা যায়; কিন্তু প্ৰাক্‌স্বধীনতা কালত অসমভূমিক যি কেইজন প্ৰকৃত স্বৰাজ প্ৰেমী আৰু সমাজকৰ্মীৰ জন্ম হৈছিল তাৰে একজন আছিল উত্তৰ লক্ষীমপুৰৰ চন্দ্ৰশেখৰ দাস ডাঙৰীয়া।

মহীকান্ত দাস

তেজপুৰ চহৰৰপৰা ছমাইল উত্তৰে অৱস্থিত 'নিজ হলেশ্বৰ' গাওঁখনি স্মৰণাতীত কালৰেপৰা 'হলেশ্বৰ' শৈৱ পীঠখনিৰ বাবে জনমানসত পৱিত্ৰ আৰু প্ৰসিদ্ধ। অসমৰ ৰাজনীতিত শৰৎকালৰ স্নিগ্ধ পোহৰ এছাটিৰ দৰে উজ্বল পোহৰ দিয়া মহীকান্ত দাসৰ ১৯০৩ খৃষ্টাব্দৰ ১৭ অক্টোবৰ তাৰিখে সেই গাওঁখনিতে জন্ম হয়। তেখেতৰ পিতৃ বাপীৰাম দাসে প্ৰথমে তেজপুৰ কাছাৰীত পোদ্দাৰ টকীয়া মাহিলি দৰমহাৰ পোদ্দাৰ কামত সোমাইছিল; শেষলৈ নাজিৰলৈ উন্নীত হৈছে। বাপীৰাম দাস মেধাৱী ছাত্ৰ আছিল যদিও অৰ্থৰ অভাৱত হেনো প্ৰৱেশিকা পৰীক্ষাৰ বাবে দিবলগা ফিজ্‌খিনি দিব নোৱাৰি পৰীক্ষা হলত বহিব নোৱাৰিলে। বাপীৰামৰ এগৰাকী কন্যা আৰু তিনিজন পুত্ৰৰ ভিতৰত মহীকান্ত দাস মধ্যমপুত্ৰ আছিল। মহীকান্ত দাসৰ মাতৃ পুহিতা দাস ৱোৱন-কাটন, ৰন্ধন-বাঢ়নৰে পৰা আৰম্ভ কৰি খেতি-পথাৰ চম্ভলালৈকে সকলো কামতে পটু আছিল।

মহীকান্ত দাসৰ ককায়েক ভৱকান্ত দাস খেলা-ধূলা, ব্যায়াম-কছৰৎ আদিত পাকৈত হোৱাৰ উপৰিও ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত জড়িত হৈ বঙ্গদেশৰ কুমিল্লালৈ হৈছিল। ভৱকান্ত মহীকান্তৰ আদৰ্শ পুৰুষ আছিল আৰু ককায়েকৰ যত্নতে ছাত্ৰাৱস্থাত কৃতি ছাত্ৰ বুলি সুনাম অৰ্জন কৰিব পাৰিছিল।

মহীকান্ত দাসৰ পিতৃ পৰম্পৰাগতভাৱে শ্ৰীশ্ৰীকুৰুৱাবাহী সত্ৰৰ শিষ্য আছিল। বৈষ্ণৱ ধৰ্মৰ প্ৰতি থকা পৰকাষ্ঠা হেতুকে তেখেতে গড়মূৰ, বৰদোৱা, কমলাবাৰী, দক্ষিণপাট, বৰপেটা, মধুপুৰ আদি

সত্ৰ দৰ্শন কৰিছিল। কাজেই মহীকান্ত দাসে সৰুৰেপৰা ঘৰতে ধৰ্মীয় পৱিত্ৰ পৰিৱেশ এটি পাই আহিছিল।

মহীকান্ত দাসৰ শিক্ষা জীৱন আৰম্ভ হয় 'হলেশ্বৰ প্ৰাইমাৰী বিদ্যালয়'ত। দুবছৰমান তাত পঢ়াৰ পিছত দেউতাকে মহীকান্তক তেজপুৰলৈ নি প্ৰথমে তেজপুৰ এম, ভি আৰু পিছত তেজপুৰ চৰকাৰী হাইস্কুলত নাম ভৰ্ত্তি কৰি দিছিল। সেই সময়ত বঙলা মাধ্যমৰ জৰিয়তে পঢ়িবলগীয়া হৈছিল। হাইস্কুলত জ্যোতিপ্ৰসাদ আগৰৱালা মহীকান্ত দাসৰ সহপাঠী আছিল। জ্যোতিপ্ৰসাদ আৰু অন্যান্য ছাত্ৰকেইজনমানৰে সৈতে লগ লাগি 'জোনাকী' নামৰ হাতে-লিখা আলোচনী এখন প্ৰকাশ কৰিছিল। তাত মহীকান্ত দাসৰ 'বীণাৰ ঝঙ্কাৰ' নামৰ প্ৰথম কবিতাটি প্ৰকাশ পাইছিল। দাস মেধাৱী ছাত্ৰ হোৱাৰ উপৰিও সংস্কৃত বিষয়ত বিশেষ ব্যুৎপত্তি দেখুৱাব পাৰিছিল। তেখেতে ১৯২২ খৃঃত পোন্ধৰ টকীয়া জলপানীসহ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়।

প্ৰৱেশিকা পৰীক্ষা পাছ কৰি গুৱাহাটীলৈ আহি কটন কলেজত আই. এ. শ্ৰেণীত নাম লিখে। ১৯২৪ চনত কুৰি টকীয়া জলপানী লৈ প্ৰথম বিভাগত আই. এ পাছ কৰি সংস্কৃতত অনাৰ্চ লৈ বি. এ. পঢ়ে। ১৯২৬ চনত সংস্কৃতত দ্বিতীয় শ্ৰেণীৰ অনাৰ্চসহ বি. এ. ডিগ্ৰী লাভ কৰে। কটন কলেজত দাসে মিঃ চুড্‌মাৰ্ছেন (জাৰ্মান) চাহাবক অধ্যক্ষ হিচাপে পোৱাৰ উপৰিও ড° বাণীকান্ত কাকতি, ড° সূৰ্যকুমাৰ ভূঞা, হৰনাথ সেন, ৰজনীকান্ত বৰাট, পি, চি, ৰায়, পদ্মনাথ বিদ্যাবিনোদ, লক্ষ্মীকান্ত চেতাৰ্জী আৰ. আৰ. থমাচ. শ্ৰীনাথ চক্ৰবৰ্ত্তী, সত্যনাথ বৰা আদি ভালেমান কৃতবিদ্য অধ্যাপকৰ সান্নিধ্য লাভ কৰিছিল।

দাসে বি. এ পাছ কৰাৰ পাছত এম. এ পঢ়াৰ কাৰণে কলিকতালৈ যায়। কলিকতাৰ হাৰ্ডিঞ্জ হোষ্টেলত অসমৰ তেতিয়াৰ প্ৰায়-ভাগ ছাত্ৰ আছিল। দাসেও সেই হোষ্টেলতে থাকি সংস্কৃতত এম. এ

পঢ়াৰ লগে লগে ল'ৰ শ্ৰেণীতো নাম ভৰ্ত্তি কৰে। উল্লেখযোগ্য যে ১৯২৮ চনত দাসে সংস্কৃতত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি এম. এ. পাছ কৰে। সেই বছৰত সংস্কৃত বিষয়ত কোনেও প্ৰথম শ্ৰেণী লাভ কৰা নাছিল। ১৯২৯ চনত দাসে ল'ৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হয়। ল'ৰ তিনিওটা পৰীক্ষা তেখেতে প্ৰথম বিভাগত পাছ কৰিছিল। মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিৰ আনুষ্ঠানিক শিক্ষা সাং কৰি তেখেতে স্বাধীন ব্যৱসায় হিচাপে তেজপুৰ কাছাৰীত ওকালতি আৰম্ভ কৰে। পৰম নিষ্ঠা আৰু সততাৰে আইন ব্যৱসায় কৰি অতি কম দিনৰ ভিতৰতে তেখেতে সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তেজপুৰ কোৰ্টত একেৰাহে প্ৰায় কুৰি বছৰ কৃতীত্বৰে আইন ব্যৱসায় কৰাৰ পিছত দাসদেৱে গুৱাহাটী হাইকোৰ্টত ১৯৪৮ চনত অধিবক্তাৰূপে যোগদান কৰিছিল।

দাস ডাঙৰীয়াৰ পাৰিবাৰিক জীৱন সুখকৰ আৰু আদৰ্শনীয় আছিল। ১৯৩০ চনৰ ৩০ জানুৱাৰী তাৰিখে ছিলাবন্ধ মৌজাৰ স্বনামধন্য মৌজাদাৰ গোলোকচন্দ্ৰ বৰাৰ প্ৰথমা কন্যা শ্ৰীমতী লীলাৱতীক দাসে বিয়া কৰায়। তেখেতসকলৰ সাতজন সতিসন্ততিৰ ভিতৰত চাৰিজন যোগ্যৱান পুত্ৰ আৰু তিনিগৰাকী সুযোগ্যা কন্যা।

দাস ডাঙৰীয়াৰ ৰাজনৈতিক জীৱন নিষ্কলুষ, অনাৰাম্বৰ আৰু কুটনীতিবিহীন আছিল। ক্ষমতাৰ প্ৰতি তেখেতৰ কোনো লোভ নাছিল। তেখেতে সদায় দেশৰ দুখীয়া শ্ৰেণীৰ লোকৰ মঙ্গলৰ অৰ্থে নিস্বাৰ্থভাৱে কাম কৰি গৈছিল। ছাত্ৰাৱস্থাৰেপৰা ৰাজনীতিৰ প্ৰতি বিশেষকৈ স্বাধীনতা আন্দোলনৰ প্ৰতি তেখেতৰ স্পৃহা থাকিলেও ১৯৪০ চনতহে তেখেতে সক্ৰিয় ৰাজনীতিত যোগ দিছিল। ৰাজনীতিৰ ক্ষেত্ৰত তেখেত হাড়েহিমজুৱে গান্ধীবাদী আছিল; অহিংসা আৰু সদাচাৰ তেখেতৰ ৰাজনৈতিক জীৱনৰ মূলধন আছিল। তেখেতৰ ৰাজনৈতিক গুৰু আছিল ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু লোকনায়ক অমিয় কুমাৰ দাস।

প্ৰথম মহাসমৰৰ সময়ত (১৯১৪-১৯) ভাৰতীয়সকলে স্বাধীনতা পোৱাৰ আগত বিনা প্ৰতিবাদে ইংৰাজসকলক ধনে জনে সহায় কৰিছিল যদিও শান্তি চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত তেওঁলোকে বিশ্বাসঘাটকতা কৰি ভাৰতক স্বাধীনতা নিদিলে। দ্বিতীয় মহাসমৰৰ (১৯৩৯-৪৫) সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছে বৃটিছক যুদ্ধত কোনো প্ৰকাৰে সহায় নকৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰি ব্যক্তিগত সত্যাগ্ৰহৰ সিদ্ধান্ত হৈছিল।

ব্যক্তিগত সত্যাগ্ৰহৰ বিশেষ তাৎপৰ্য আছিল. স্বাধীনতা আন্দোলনৰ কোনো নেতা বা মুক্তি-যুঁজাৰুৱে নিজ ইচ্ছাত ব্যক্তিগত সত্যাগ্ৰহ কৰিব নোৱাৰিছিল। অহিংস নীতিত সম্পূৰ্ণ বিশ্বাস থকা কংগ্ৰেছ কৰ্মীহে মহাত্মা গান্ধীৰ অনুমতি লৈ সত্যাগ্ৰহ কৰিব পাৰিছিল। দ্বিতীয়তে, সত্যাগ্ৰহ কৰা স্থান আৰু সময় জিলাৰ উপায়ুক্তক জনাইহে সত্যাগ্ৰহ কৰিব লাগিছিল। সেই সময়ত তেজপুৰ জিলা কংগ্ৰেছ কমিটিৰ সভাপতি আৰু সাধাৰণ সম্পাদক আছিল যথাক্ৰমে অমিয় কুমাৰ দাস আৰু মহীকান্ত দাস। কাজেই যি কোনো সময়তে যে দুয়োকো গ্ৰেপ্তাৰ কৰিব সেইটো তেনেই নিশ্চিত কথা আছিল। ব্যক্তিগত সত্যাগ্ৰহ বাছনিত মহীকান্ত দাসৰো নাম উঠিছিল। ১৯৪১ চনৰ ৩০ জুলাই তাৰিখে নিৰ্দ্ধাৰিত সময়সূচী মতে গটঙ্গাত সত্যাগ্ৰহৰ মন্ত্ৰ উচ্চাৰণ কৰি মহীকান্ত দাসে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰে। লগে লগে দাসক গ্ৰেপ্তাৰ কৰি ৩১ জুলাই তাৰিখে আদালতত বিচাৰ কৰি ৪ মাহ জেল আৰু এশ টকা জৰিমনা কৰিলে। তাৰ পিছত ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা অপৰাধত ১৫ আগষ্ট তাৰিখে ৰাতি পুলিচে দাসদেৱৰ ঘৰ ঘেৰাও কৰি ৰাখি ১৬ আগষ্টৰ পুৱা 'ভাৰত ৰক্ষা আইন' (Defence of India Act) অনুসৰি গ্ৰেপ্তাৰ কৰি নি তেজপুৰ জেলত ৰাখে। তেজপুৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক দাস আৰু সভাপতি অমিয় কুমাৰ দাস

দুয়োকো কাৰাবাস দিয়া সময়ছোৱাত গহনচন্দ্ৰ গোস্বামী আৰু জ্যোতিপ্ৰসাদ আগৰৱালাই আত্মগোপন কৰি থাকি আন্দোলন চলাই আছিল। তেজপুৰ জেলত দাসে সহবন্দী হিচাপে লগ পোৱা আন কেইজনমান আগশাৰীৰ নেতা আছিল শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, মহাদেৱ শৰ্মা, পুষ্পলতা দাস। কিছুদিন পিছত বিষ্ণুৰাম মেধি, হলধৰ ভূঞা, পূৰ্ণ শৰ্মা, জগদীশচন্দ্ৰ মেধি, ৰুথ্‌ৰুদ্দিন আলি আহমদ আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামীক তেজপুৰ জেলত ৰাখে।

মহীকান্ত দাসদেৱ খেল-ধেমালি পৰিচালনা কৰাত আৰু সভা-সমিতি আদি পতাত সিদ্ধহস্ত আছিল। জেলৰ ভিতৰতো ৰাজবন্দীসকলৰ মাজত খেল-ধেমালি আৰু সভা-সমিতি আদি পতাত দাসে আগভাগ লৈছিল বাবে তেখেতক সকলোৱে 'কাপ্তান' বুলি মাতিছিল।

তেজপুৰ জেলত কিছুদিন ৰাখি মহীকান্ত দাস আৰু বহুতো মুক্তি-যুঁজাৰুক যোৰহাট জেললৈ বদলি কৰি নিয়ে। তাত তেখেত আন আন বহুতো ৰাজবাদীৰ লগতে শ্বহীদ কুশল কোঁৱৰ আৰু কাৰাগাৰতে মৃত্যু বৰণ কৰা কমলা মিৰিকো লগ পাইছিল। ১৯৪২ চনৰ ৰক্তাক্ত বিপ্লৱৰ সময়ত ২০ চেপ্তেম্বৰ তাৰিখে তেতিয়াৰ দৰং জিলাৰ গহপুৰ আৰু ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে গহপুৰত কনকলতা, মুকুন্দ কাকতি আৰু ঢেকিয়াজুলিত মনবৰ নাথ, তিলেশ্বৰী বৰুৱা, মণিৰাম কছাৰী, ৰতন কছাৰী, কুমলী দেৱী, মহিৰাম কোচ, মঙ্গল কুৰ্কু, খহুলী দেৱী, দয়াল পানিকা, সৰুনাথ চুতীয়া, লেৰেলা কছাৰীৰ পুলিচৰ গুলীত, সঙ্গীনৰ খোঁচাত আৰু বুত জোতাৰ পিহনিত মৃত্যুবৰণ কৰাৰ উপৰিও দুই শতাধিক লোক আহত হয়। মহীকান্ত দাসদেৱে পুলিচৰ দ্বাৰা সংঘটিত এই নিৰ্মম হত্যাকাণ্ডক 'জালিয়ানাবাগৰ হত্যাকাণ্ড'ৰ লগত ৰিজাইছে।

ঢেকিয়াজুলি থানাৰ দুৰ্ঘটনাৰ কথা মহীকান্ত দাসদেৱৰ বৰ্ণনাৰ-

পৰা তলত হুবহু তুলি দিয়া হ'ল।

"১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা পূৰ্বৰ কাৰ্য্যসূচীমতে নাহৰবাৰী, বৰগাওঁ, ঢেকিয়াজুলি, বৰছলা, আৰু মিছামাৰি মৌজাৰ ৮।১০ হাজাৰমান ওপৰ পুৰুষ-মহিলাই ঢেকিয়াজুলি থানা দখল কৰিবলৈ শোভাযাত্ৰা কৰি যায়। সকলোৰে হাতত কংগ্ৰেছৰ পতাকা। উদ্দেশ্য আছিল থানা দখল কৰি থানাভৱনত কংগ্ৰেছৰ জাতীয় পতাকা উত্তোলন কৰা। সেইদিনা দেওবাৰ। থানাৰ সমুখতে এখন ডাঙৰ হাট বহিছিল। শোভাযাত্ৰাৰ নেতৃত্ব কৰিছিল—১নং দলপতি—জহামাৰি গাৱঁৰ ৺কমলাকান্ত দাসে। মৃত্যু বাহিনীৰ নায়ক আছিল ৺মনবৰ নাথ। থানাত সশস্ত্ৰ পুলিচ বাহিনী প্ৰস্তুত হৈ আছিল—যাতে শোভাযাত্ৰাকাৰীৰ কোনো লোক থানাত সোমাব নোৱাৰে। শোভাযাত্ৰাকাৰীৰ দল থানাৰ সমুখত থিয় দিলেগৈ। তাতে হাটকুৰা-বাটকুৰা বহুত মানুহেও যোগ দিলে। থানাৰ সমুখত লোকে লোকাৰণ্য হ'ল। উৰি থকা শ শ জাতীয় পতাকা, মূৰে মূৰে পিন্ধি থকা আগণন গান্ধী টুপী আৰু মহাত্মা গান্ধীজীৰ জয়ধ্বনিয়ে সেই সময়ত এক অপূৰ্ব উৎসাহ উদ্দীপনাৰ সৃষ্টি কৰিছিল। শোভাযাত্ৰীৰ দল থানাৰ সমুখত ৰোৱা দেখি থানাৰ দাৰোগাই আহি ৰাইজক "কিয় থানাৰ সমুখত থিয় হৈছে" বুলি সোধে। ১নং দলপতি ৺কমলাকান্ত দাসে ক'লে যে, "ৰাইজে শান্তিপূৰ্ণভাৱে থানাত কংগ্ৰেছৰ জাতীয় পতাকা উত্তোলন কৰিবলৈ আহিছে, এতেকে আপুনি ৰাইজৰ লগত সহযোগ কৰি জাতীয় পতাকা থানাত উত্তোলন কৰিবলৈ অনুমতি দিব লাগে।" থানাৰ ইনচাৰ্জে ক'লে, "কোনো অনুমতি দিব নোৱাৰোঁ। থানা কম্পাউণ্ডত সোমালে গুলী কৰা হ'ব।" ১ নং দলপতিৰ নিৰ্দ্দেশমতে জনতাই থানা প্ৰাঙ্গণত সোমাবলৈ চেষ্টা কৰাত পুলিচে জনতাক লাঠিৰে মাৰ্-পিট্ কৰে। ইয়াৰ পিছত জনতাই থানা 'কম্পাউণ্ড'ৰ ভিতৰত সোমাবলৈ ধৰে। তেতিয়া এক

হুলস্থুলৰ সৃষ্টি হ'ল। সেই সময়তে মৃত্যু বাহিনীৰ ১নং নায়ক মনবৰ নাথে থানাভৱনৰ দক্ষিণ-পূবফালৰ মূধত কংগ্ৰেছৰ পতাকা উত্তোলন কৰে। তেতিয়াই বন্দুকৰ শব্দ উঠিল। লগে লগে মনবৰ নাথে গুলীৰ আঘাতত মাটিত বাগৰি পৰি মৃত্যুবৰণ কৰে। পতাকাখন মাটিত পৰি যাওঁতে শ্ৰীচন্দ্ৰকান্ত নাথে থাপ্ মাৰি ধৰি দাঙি লৈ গ'ল। পুলিচৰ গুলী চলি থাকিল। ২নং দলপতি সঙ্গীনৰ খোচত গুৰুতৰভাৱে আহত হৈ মাটিত বাগৰি পৰে। এনে অৱস্থাতো জনতাই ছত্ৰভঙ্গ নিদি ৩নং দলপতি ফণীধৰ দাসৰ নিৰ্দ্দেশমতে প্ৰাণলৈ ভয় নকৰি 'ৰায়ফলধাৰী' পুলিচ কেইজনক ঘেৰাও কৰি তেওঁলোকৰ হাতৰপৰা ছটা বন্দুক জব্দ কৰি ওচৰৰ হোলাত পেলাই দিয়ে। কিন্তু থানাৰ পশ্চিমফালৰপৰা গুলী চলি আছিল। ৰাইজ তেতিয়া যেনিতেনি যাবলৈ ধৰিলে ঢেকিয়াজুলি ডাকঘৰৰ ওচৰত, সদৰ ৰাস্তাৰ ওপৰত এখন লোহাৰ দলং আছিল। সেই দলং পাৰ হৈ শোভাযাত্ৰা থানাৰ সমুখলৈ অহাৰ পিছত সেই দলংখন পাৰ হ'ব নোৱাৰাকৈ লোহাৰ তাঁৰেৰে বান্ধি থোৱা হৈছিল। ছত্ৰভঙ্গ দিয়া ৰাইজে সেই কথা জনা নাছিল। লৰৰ কোবত তাঁৰত উজুটি খাই মানুহৰ ওপৰত মানুহ পৰিবলৈ ধৰিলে। ৰাস্তা বন্ধ হ'ল। মানুহ যাব নোৱাৰা হ'ল। সেই সুযোগতে, এদল পমুৱা গুণ্ডাই লাঠিৰে—দ'ম হৈ থকা পুৰুষ-মহিলাক নৃশংসভাৱে মাৰ্‌পিট্ কৰে। মাইকী মানুহৰ গাৰপৰা অলঙ্কাৰ-পাতি কাঢ়ি-ধুহি নিয়ে। গুলী লগা ১২ বছৰীয়া তিলেশ্বৰী বৰুৱাক মোমায়েক নন্দীৰাম ভূএগ্ৰাই বোকোচাত লৈ গৈছিল। পমুৱা গুণ্ডা দলৰ লাঠিৰ কোবত তিলেশ্বৰী মোমায়েকৰ পিঠিৰপৰা বাগৰি পৰে। সেই মাৰতে তিলেশ্বৰীৰ মৃত্যু হয়। পুলিচৰ গুলী খাই আধামৰা হোৱা মানুহেও গুণ্ডা পমুৱাৰ মাৰত প্ৰাণ এৰিলে। এদল পমুৱা গুণ্ডাই কেইজনীমান মাইকী মানুহক মাৰিবলৈ খেদি অহাত ৰতন কছাৰী নামে এজন লোকে মাইকী মানুহবিলাকক ৰক্ষা কৰিবৰ কাৰণে পমুৱা গুণ্ডা

এজনৰ হাতৰ পৰা লাঠি এডাল কাঢ়ি আনি গুণ্ডাবিলাকক মাৰিবলৈ ধৰে। এনেতে পুলিচৰ এটা গুলী তেওঁৰ গাত লগাত তেওঁ বাগৰি পৰে। তেতিয়া গুণ্ডাবিলাকে ৰতন কছাৰীক মৰিয়াই মৰিয়াই হত্যা কৰে। চৰকাৰী ৰাস্তাত পুলিচৰ গুলীত আহত হৈ মণিৰাম কছাৰীৰ মৃত্যু হয়। এই পমুৱা গুণ্ডাবিলাকে পুলিচৰ ৰেগুলেচনত লাঠি ব্যৱহাৰ কৰিছিল। আৰু তেওঁলোকৰ পুলিচৰ লগত হোৱা পূৰ্বৰ পৰিকল্পনামতেই নিৰস্ত্ৰ পুৰুষ-মহিলাৰ ওপৰত এনে নৃশংস অত্যাচাৰ চলাইছিল। হাটৰ বহুতো মানুহ পুলিচৰ গুলীত হতাহত হৈ ছিল। কিমান যে মানুহ হতাহত হৈছিল তাৰ সীমা-সংখ্যা নাই। কিছুমান মানুহে জখমী দেহাৰে লৰ মাৰি দূৰ-দূৰণিত গছৰ তলে, বাঁহৰ তলে মৃত্যুবৰণ কৰিছিল। সেইবিলাকৰ সংখ্যা কোনেও ক'ব নোৱাৰে। মাত্ৰ ঢেকিয়াজুলি থানাৰ ভিতৰে বাহিৰে মৃত হৈ পৰি থকা লোকৰহে সংখ্যা পোৱা হৈছিল—"

মহীকান্ত দাসৰ বৰ্ণনাত 'পুলিচ অত্যাচাৰৰ দ্বিতীয় পৰ্ব' আৰু 'তৃতীয় পৰ্ব'ও সমানে অমানুষিক আৰু বৰ্ণনাতীত আছিল। পুনঃ

"ইয়াৰ পিছত মিলিটেৰী ঢেকিয়াজুলি থানাত গৈ মৰা আৰু আধামৰা মানুহবিলাকক বিচাৰি উলিয়াই অনাই থানাৰ প্ৰাঙ্গণত গোট খুৱাই থয়। যি কেইজনে মৃত্যুৰ আগমুহূৰ্ত্তত কলঢপ্ কলঢপ্ কৰি আছিল সেইসকলক ইংৰাজৰ মিলিটেৰী বিষয়াসকলে বুট জোতাৰে গুৰিয়াই প্ৰাণবায়ু বাহিৰ কৰি দিছিল। শোভাযাত্ৰাৰ লগত যোৱা ঠেলামৰাৰ মায়াকিশোৰ ঠাকুৰীয়াই আসন্ন মৃত্যু যন্ত্ৰণাত পৰি থকা লোকসকলৰ কেইজনমানে পানী খাবলৈ বিচৰাত তেওঁ-লাকক পানী খুৱাবলৈ যাওঁতে পুলিচে তেওঁক ধৰি নি গছত বান্ধি মৰিয়াই মৰিয়াই আধামৰা কৰি পুলিচ লকআপত ভৰাই থৈছিল।"

২১ চেপ্তেম্বৰৰ দিনা তেজপুৰত পুলিচে চলোৱা নিষ্ঠুৰ অত্যাচাৰৰ এটি নমুনা দাসদেৱে এনেদৰে লিপিবদ্ধ কৰিছে—"লাঠিৰ মাৰ, সঙ্গীনৰ খোঁচ, বন্দুকৰ কুন্দাৰ খুন্দা, মিলিটেৰীৰ বুট জোতাৰ খচকত শ শ

লোকৰ গুৰুতৰ জখম হয়। কিছুমানৰ দাঁত সৰে, কিছুমানৰ হাড় ভাগে, বহুতো লাঠিৰ আঘাতত তেজেৰে ৰাঙলী আৰু কালনৈ ঘূৰ্ণীয়া হয়। শ শ লোকক পুলিচে গ্ৰেপ্তাৰ কৰে। এই হুলস্থুলৰ মাজতে শ্ৰীজীতেন্দ্ৰ কুমাৰ ভূঞাই সহকাৰী এজনেৰে সৈতে লগ লাগি কাছাৰী ঘৰৰ সমুখত পতাকা উত্তোলন কৰে।"

দ্বিতীয় মহাসমৰৰ অন্তত প্ৰায়বোৰ ৰাজবন্দীকে মুক্তি দিয়া হৈছিল। ১৯৪৪ চনৰ ১৩ মাৰ্চ তাৰিখে মহীকান্ত দাসদেৱেও মুক্তি লাভ কৰে। মহীকান্ত দাসে ৰাজনৈতিক জীৱনৰ আৰম্ভণীতে তেজপুৰৰ 'মহাভৈৰৱী কংগ্ৰেছ মণ্ডল'ৰ সম্পাদক আছিল। তাৰ পিছত একেৰাহে বহু বছৰ ধৰি তেজপুৰ জিলা কংগ্ৰেছ কমিটিৰ প্ৰধান সম্পাদকৰূপে আৰু ১৯৫৮ চনৰপৰা ১৯৬৩ চনলৈকে সভাপতি হিচাপে সুচাৰুৰূপে কাৰ্য পৰিচালনা কৰিছিল। ১৯৬০ চনত তেখেত অসম প্ৰদেশ কংগ্ৰেছ কমিটিত উপ-সভাপতি, ১৯৭৩ চনলৈকে অসম প্ৰদেশ কংগ্ৰেছ কমিটি আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ কাৰ্যনিৰ্বাহক সভাৰ সদস্য আছিল। 'মেধি-মন্ত্ৰী সভা'ত মহীকান্ত দাস মুখ্য সচেতক আৰু পিছত অসম বিধান সভাৰ ক্ৰমে উপাধ্যক্ষ আৰু অধ্যক্ষৰ পদ অলঙ্কৃত কৰিছিল।

ৰাজনৈতিক জীৱনৰ লগে লগে সামাজিক জীৱনতো দাসদেৱে প্ৰসিদ্ধি লাভ কৰিছিল। তেজপুৰ অঞ্চলৰ প্ৰতিটো সাংস্কৃতিক, শৈক্ষিক আৰু উন্নয়নমূলক কামৰ লগত তেখেত সক্ৰিয়ভাৱে, জড়িত আছিল। নক'লেও হ'ব যে, তেখেতৰ শ্ৰীহস্তৰ স্পৰ্শ পাই সেই অনুষ্ঠানবোৰে আশানুৰূপ কৃতকাৰ্য লাভ কৰিছিল।

অসমৰ বিদেশী বিতাৰণৰ ছবছৰীয়া (১৯৭৯-১৯৮৫) আন্দোলনৰ প্ৰতি মহীকান্ত দাসে সমৰ্থন আগবঢ়াই আহিছিল। ভাৰত চৰকাৰে অসমৰ প্ৰতি কৰি অহা অন্যায়-অবিচাৰৰ প্ৰতিবাদকল্পে দাসদেৱে মুক্তি-যুঁজাৰুৰ তাম্ৰপত্ৰ চৰকাৰক ওভোটাই দিছিল।

এই গৰাকী অসমপ্ৰাণ ব্যক্তিৰ ১৯৮৮ চনৰ ১৬ আগষ্ট তাৰিখে পৰলোক প্ৰাপ্তি ঘটে।

অধ্যক্ষ পদ্মধৰ চলিহা

অসমৰ চলিহা পৰিয়ালে অসমৰ সাহিত্য, ৰাজনীতি আৰু সাংস্কৃতিৰ পথাৰত সাৰ-পানী যোগাই উৰ্বৰা কৰাত উল্লেখযোগ্য বৰঙণি আগবঢ়াই অহাৰ কথা নক'লেও হ'ব। ভাৰতৰ মুক্তি-যুঁজতো কুলধৰ চলিহা, পুষ্পধৰ চলিহা, বিমলাপ্ৰসাদ চলিহা, পদ্মধৰ চলিহা প্ৰমুখ্যে কেবাগৰাকী স্বাৰ্থত্যাগী লোকে স্মৰণযোগ্য দান দি গৈছে। তেখেতসকলৰ ভিতৰত একেৰাহে সাহিত্য, সংস্কৃতি, শিক্ষা, সাংবাদিকতা আৰু স্বাধীনতা যুঁজত সমানে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল শিৱসাগৰ কলেজৰ উদ্যোক্তা তথা প্ৰতিষ্ঠাতা অধ্যক্ষ পদ্মধৰ চলিহাদেৱে।

এইগৰাকী শিৰফুটা, ব্যক্তিমহিমাযুক্ত চলিহা ডাঙৰীয়াৰ ১৮৯৫ চনত, আহোম যুগৰ সবাতোকৈ গৌৰৱময় কীৰ্তিস্তম্ভ, সোণৰ কলসীয়ে গগন চুম্বি থকা শিৱদৌলৰ পাদতলত জন্ম হয়। তেখেতৰ পিতৃৰ নাম আছিল ৰায়বাহাদুৰ ফণীধৰ চলিহা আৰু মাতৃ আছিল, ১৮৫৭ চনৰ শ্বহীদ মণিৰাম দেৱান ডাঙৰীয়াৰ নাতিনীয়েক, জ্ঞানদালতা চলিহা। পিতৃদত্তা গুণ-গৰিমা আৰু স্বোপাৰ্জিত বুদ্ধিমত্তাৰ পদ্মধৰ চলিহাৰ পিতৃৰ দৰে সৰু কালৰেপৰা সঙ্গীত, অভিনয়, আবৃত্তি, খেল-ধেমালি আদিত বিশেষ ৰাপ আছিল। তদুপৰি চলিহাদেৱৰ মোমায়েকৰ ঘৰখনো শিক্ষা, সাহিত্য, সঙ্গীত আদিৰ ক্ষেত্ৰত আগবঢ়া আছিল। কাজেই মোমায়েকহঁতৰ সংস্পৰ্শত থাকিও পদ্মধৰ চলিহাদেৱৰ সঙ্গীত আৰু অভিনয়ৰ প্ৰতি বিশেষ আকৃষ্ট হৈছিল। শিৱসাগৰৰ আমোলাপটিৰ নামঘৰত প্ৰতি দেওবাৰে 'বাল্যাশ্ৰম' আৰু 'ছাত্ৰসভা'ৰ অনুষ্ঠিত বৈঠকত যোগ দিয়াৰ উপৰিও

চালিহাদেৱে আকস্মিক বক্তৃতা, প্ৰবন্ধ পাঠ, কবিতা আবৃত্তি, সঙ্গীত অভিনয় আদিত অংশ গ্ৰহণ কৰি আত্মবিকাশ কৰিছিল। কৰ্মযোগী পিতৃৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ ফুলনি, খেৰণিবাৰী আদিত কাম কৰা অভিজ্ঞতাও অৰ্জন কৰিছিল।

পদ্মধৰ চালিহাদেৱৰ ছাত্ৰকাল সুখৰ আৰু আদৰ্শনীয় আছিল। তেখেতে ক্ৰমে শিৱসাগৰৰ এম, ভি, আৰু চৰকাৰী হাইস্কুলত বঙলা ভাষাৰ মাধ্যমেৰে শিক্ষা লাভ কৰিবলগীয়া হৈছিল। ফণীধৰ চলিহাদেৱৰ শিক্ষাৰ প্ৰতি বিশেষ অনুৰাগ আছিল। তেখেতে আমোলাপটিৰ পুৰণি বাসভৱনত পুত্ৰ পদ্মধৰৰ লগতে ভালেমান ছাত্ৰক প্ৰতিদিনে, বিনা পাৰিশ্ৰমিকেৰে শিকাইছিল। মন কৰিবলগীয়া যে পদ্মধৰ চলিহা শ্ৰেণীত সদায় প্ৰথম আছিল আৰু ১৯০৮ চনত মাত্ৰ তেৰ বছৰ বয়সতে প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰিছিল। তেতিয়া সুৰমা আৰু ব্ৰহ্মপুত্ৰ উপত্যকা একে প্ৰশাসনৰ তলত আছিল। পদ্মধৰ চলিহাই গোটেই অসমৰ ভিতৰত ইংৰাজীত প্ৰথম আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভিতৰত সংস্কৃতত প্ৰথম স্থান অধিকাৰ কৰিছিল। সেই একে সময়তে আউনিআটিৰ কমলদেৱ ইন্স্‌টিটিউটৰ ৰচনা প্ৰতিযোগিতাতো অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি পুৰস্কৃত হৈছিল। স্কুলীয়া কালৰেপৰা পদ্মধৰ চলিহাদেৱে গীত, নাট আদি ৰচনা কৰাত মনোযোগ দিছিল।

কুৰি টকীয়া জলপানী লৈ গুৱাহাটীৰ কটন কলেজৰ আই. এ শ্ৰেণীত নাম ভৰ্তি কৰে। ১৯১০ চনত ত্ৰয়োদশ স্থান লাভ কৰি কলিকতা বিশ্ববিদ্যালয়ৰপৰা আই. এ পাছ কৰে। আই. এ পৰীক্ষাতো তেখেত অসমৰ ভিতৰত প্ৰথম হৈছিল। আই. এ পঢ়ি থাকোঁতে তেখেত টেনিচ্‌ খেলত কলেজৰ চেম্পিয়ন আছিল আৰু 'ষ্টুডেণ্ট' নামৰ হাতে লিখা ইংৰাজী আলোচনী এখন সম্পাদনা কৰিছিল। ডক্টৰ সূৰ্যকুমাৰ ভূঞাদেৱৰ লৈতে চলিহাদেৱে সংগীত, সাহিত্য আদিৰ বিষয়ে আলোচনা কৰিছিল আৰু চলিহাদেৱৰ

ভালেমান গধুৰ প্ৰবন্ধ 'উষা' আৰু কলেজৰ আলোচনী 'সেঁউতি'ত প্ৰকাশ পাইছিল। চলিহাদেৱৰ আই.এ শ্ৰেণীৰ পাঠ যোজনা আচৰিত ধৰণৰ আছিল—ইংৰাজী, অসমীয়া, অঙ্ক, সংস্কৃত আৰু ৰসায়ন।

১৯১০ চনত কলিকতালৈ গৈ প্ৰেচিডেন্সি কলেজত বি. এ মহলাত নাম ভৰ্তি কৰি 'ইডেন হিন্দু ছাত্ৰাবাস'ত থাকে। ছাত্ৰাবাসৰ ২৫০ জন ছাত্ৰৰ ভিতৰত চলিহাদেৱেই একমাত্ৰ অসমীয়া ছাত্ৰ আছিল। চলিহা Y. M. C. A.ৰ সভ্য ভৰ্তি হৈ বহিৰ্বিভাগ আৰু আভ্যন্তৰীণ বিভাগৰ সকলো খেলতে অংশ গ্ৰহণ কৰে। উল্লেখযোগ যে কলেজৰ ইংৰাজী ৰচনা প্ৰতিযোগিতাত তেখেতে প্ৰথম পুৰস্কাৰ লাভ কৰি অসমীয়া ছাত্ৰৰ বাবে গৌৰৱ অৰ্জন কৰিছিল। তেখেতে কলিকতাত পঢ়ি থাকোঁতে অসম চৰকাৰৰ জুনিয়ৰ আৰু চিনিয়ৰ স্কলাৰচিপ্ লাভ কৰিছিল। ১৯১২ চনত ইংৰাজীত উচ্চ শ্ৰেণীৰ অনাৰ্চ লৈ বি. এ পাছ কৰে। দেউতাকৰ ইচ্ছা আছিল পদ্মধৰ চলিহাক বিলাতলৈ পঠিয়াই আই, চি, এছ কৰি আনিব। কিন্তু দেউতাকৰ আশা পূৰণ নহ'ল। পদ্মধৰে এবছৰ ঘৰতে বহি থাকি পিছত 'ফুলেশ্বৰী ইন্সষ্টিটিউটত প্ৰায় তিনি বছৰ কাল প্ৰধান শিক্ষক হিচাপে থাকে। ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাত চলিহাদেৱৰ বিলাতলৈ যোৱা নহ'ল। তাৰ পিছত তেখেতে এম. এ আৰু ল' পঢ়িবলৈ পুনৰ কলিকতালৈ যায়। কলিকতাত এম. এ পঢ়ি থকা সময়তে লোহিত চন্দ্ৰ ভূঞা নামৰ তেখেতৰ বন্ধু এজনে চলিহাদেৱৰ ৰচিত গীতবোৰ সংগ্ৰহ কৰি ১৯১৪ চনত 'ফুলনি' নাম দি 'ফ্ৰেণ্ডচ্ আসাম এজেঞ্চী'ৰ দ্বাৰা প্ৰকাশ কৰে। কলিকতাত এম. এ পঢ়া সময়ছোৱাৰ ভিতৰত তেখেতে এ, এছ, এল ক্লাবৰ সম্পাদক ৰূপেও কাম কৰিছিল। ১৯১৬ চনত স্নাতকোত্তৰ উপাধি লৈ উভতি আহি ঘৰত কিছুদিন থকাৰ পিছত দেউতাকে তেখেতক পুনৰ কলিকতালৈ আইন পঢ়িবলৈ পঠালে। কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ সন্মিলন এখন

গঠন কৰাৰ চেষ্টা কৰিছিল যদিও কৃতকাৰ্য হোৱাৰ বিশেষ আশা নেদেখি গুৱাহাটীলৈ আহি আৰ্ল ল' কলেজত নাম ভৰ্তি কৰি ছাত্ৰ সংগঠনটো গঢ়াত আগভাগ ল'লে। ১৯১৮ চনৰ 'অসম ছাত্ৰ সন্মিলন' আৰু সাহিত্য সন্মিলনৰো প্ৰধান সম্পাদক আছিল চলিহাদেৱ। কলিকতাত অনুষ্ঠিত 'আসাম স্পৰ্টিং ক্লাব'ৰো উদ্যোক্তা আছিল, চলিহাদেৱ।

চলিহাদেৱ এজন বিশিষ্ট সমাজসেৱী আছিল। ১৯১৭ চনত শিৱসাগৰত ফণিধৰ চলিহা, গুণ্ডানন বৰুৱা প্ৰমুখ্যে কেইগৰাকী খ্যাতনামা ব্যক্তিৰ অদম্য স্পৃহা আৰু নেৰানেপেৰা চেষ্টাৰ ফলত পদ্মনাথ গোহাঁঞি বৰুৱাদেৱৰ পৌৰোহিত্যত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হয়। সেই সভাত পদ্মধৰ চলিহাদেৱে গীত ৰচনা কৰি স্বেচ্ছাসেৱক আৰু সেৱিকাসকলৰ দ্বাৰা পৰিবেশন কৰে। গায়ক-গীতিকাৰ পদ্মধৰ চলিহা ডাঙৰীয়া নাট্যকাৰ অভিনেতা হিচাপেও খ্যাত আছিল। স্নাতকোত্তৰ মহলাত পঢ়ি থকা কাললৈকে তেখেতে প্ৰায়বোৰ নাটকত নাৰী চৰিত্ৰ অতি নিখুঁতভাৱে ৰূপায়ণ কৰিছিল। অসম সাহিত্য সভাৰ ১৯১৯-২০ চনৰ গোৱালপাৰা অধিৱেশন আৰু অসম এছ'চিয়েশ্যনৰ বাবেও তেখেত গীত ৰচনা কৰিছিল। তদুপৰি ১৯২০-২১ চনত শিৱসাগৰত অনুষ্ঠিত কৈৱৰ্ত-সন্মিলনখন পতাতো চলিহাদেৱে উল্লেখযোগ্য সহায় কৰিছিল।

চলিহাদেৱৰ সামাজিক জীৱনৰ আন এটি বিশিষ্ট অৱদান উত্তৰ গুৱাহাটীৰ শিলশাকোৰ হাইস্কুলখন। একালৰ বজাদিনীয়া উত্তৰ গুৱাহাটী কালৰ গতিত অনাদৃত আৰু অৱহেলিত হৈ পৰাত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ উদ্যোগত পদ্মধৰ চলিহা প্ৰমুখ্যে কেইজনমান উৎসাহী ডেকাৰ চেষ্টাত এই হাইস্কুলখন স্থাপিত হৈছিল। উল্লেখযোগ্য যে চলিহাদেৱে গুৱাহাটীৰপৰা সদায় ফেৰী নাও আদিৰে যোৱা-অহা কৰি সেই স্কুলত তিনিবছৰ অবৈতনিকভাৱে শিক্ষকতা কৰিছিল।

পদ্মধৰ চলিহাদেৱৰ সাহিত্যিক অৱদানো কম নাছিল। তেখেতৰ কবিতাৰ পুথি—'শৰাই', 'ৰংপুৰে কথা কয়', গীতৰ পুথি—'ফুলনি', 'স্বৰাজ সঙ্গীত,' 'গীতি লহৰী', নাটক—'অমৰ লীলা', 'নিমন্ত্ৰণ', 'কেনে মজা,' গ্ৰন্থ—'অসমীয়া সাহিত্যলৈ ৰংপুৰৰ ৰৰঙণি,' 'মহাবীৰ লাচিত বৰফুকন', আত্মজীৱনী—'জীৱন বীণাৰ সুৰ', সম্পাদনা—'সাদিনীয়া অসমীয়া', বাঁহী, অৰ্ঘ্য (যুটীয়াভাৱে) ইত্যাদি। ইয়াৰ ভিতৰত 'কেনে মজা'খন গীতিনাট্য, নিমন্ত্ৰণখন প্ৰহসন জাতীয় আৰু 'অমৰ লীলা' চেক্‌স্পীয়েৰৰ 'ৰোমিও এণ্ড জুলিয়েট' নাটকৰ ছাঁ অনুবাদ। গুৱাহাটীত থকা কালছোৱাত চলিহাদেৱে কেবাখনো নাটকত পুৰুষ আৰু নাৰীৰ অভিনয় কৰি বিশেষ সুনাম অৰ্জন কৰিছিল। একে সময়তে গুৱাহাটীত ছোৱালীৰ শিক্ষাৰ সুব্যৱস্থা নথকা বাবে কুমাৰ ভাস্কৰ নাট্য মন্দিৰত ছোৱালীৰ বাবে এখন এম, ই স্কুল স্থাপন কৰি জগৎ বেজবৰুৱা আৰু চলিহাদেৱে অবৈতনিকভাৱে শিক্ষকতা কৰিছিল।

১৯১৮ চনত চলিহাদেৱে অসম লোকসেৱাৰ ই, এ, চি পৰীক্ষা দি শিৱসাগৰ জিলাৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰিছিল যদিও বিদেশী চৰকাৰৰ তলত মুন্‌চিফ পদত নিযুক্তি লোৱাৰ ইচ্ছা নকৰিলে।

আইন কলেজৰ শিক্ষা সাং কৰি শিৱসাগৰলৈ উভতি গৈ প্ৰথমে 'ফুলেশ্বৰী ইন্‌ষ্টিটিউচন'ত অবৈতনিক প্ৰধান শিক্ষক হিচাপে কিছুদিন কাম কৰাৰ পিছত ১৯২০ চনত শিৱসাগৰ কাছাৰীত ওকালতি আৰম্ভ কৰিছিল। এনেতে অসহযোগ আন্দোলনে ভৰপক লোৱাত চলিহাদেৱে তাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল।

১৯২২ চনৰ নবেম্বৰ মাহত ডিব্ৰুগড়ৰ স্বনামধন্য সৰ্বানন্দ তুৱৰাৰ জীয়ৰী প্ৰভাৰ লগত চলিহাদেৱৰ শুভ-পৰিণয় ঘটে। আদৰ্শৱান পিতৃৰপৰা চলিহাদেৱে কিদৰে কৃষিকৰ্মৰ প্ৰতি প্ৰেৰণা লাভ কৰিছিল ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। তাৰেই পৰিণতি

স্বৰূপে ১৯২৩ চনত ডিব্ৰুগড় চহৰত চলিহাদেৱৰ যুটীয়া সম্পাদনাত এক পষেক জোৰা অভূতপূৰ্ব কৃষি আৰু শিল্পৰ প্ৰদৰ্শনী অনুষ্ঠান কৰে। ১৯২৪ চনৰ এপ্ৰিল মাহত প্ৰত্নতাত্ত্বিক কনকলাল বৰুৱাদেৱৰ পৌৰোহিত্যত ডিব্ৰুগড়ত বহা অসম সাহিত্য সভাৰ ষষ্ঠ অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ যুটীয়া প্ৰধান সম্পাদকো আছিল পদ্মধৰ চলিহাদেৱ।

১৯২৮ চনত চলিহাদেৱ পুনৰ শিৱসাগৰলৈ উভতি গৈ ওকালতি আৰম্ভ কৰে। ডিব্ৰুগড়ত লোৱা একে উদ্যমেৰে শিৱসাগৰতো তেখেতে বিৰাট আকাৰত এখনি কৃষি, শিল্প আৰু পশুৰ প্ৰদৰ্শনী পাতি ৰাইজৰ ভূয়সী প্ৰশংসা লাভ কৰে। কোনো কোনো মহলত চলিহাদেৱক এই সম্পৰ্কত 'প্ৰদৰ্শনীৰ ওস্তাদ' (Exhibition expert) বুলি কোৱা হৈছিল।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰমুখ্যে বৈষ্ণৱ ধৰ্মগুৰুসকলৰ প্ৰতি চলিহাদেৱৰ গাঢ় ভক্তি আছিল। ১৯২৯ চনত তেখেতৰ চেষ্টাতে শিৱসাগৰত 'শ্ৰীশ্ৰীশঙ্কৰদেৱ সমাজ' অনুষ্ঠিত হয় আৰু নিজে তাৰ প্ৰধান সম্পাদকৰ দায়িত্ব বহন কৰে। ইতিমধ্যে ১৯৩০ চনত আইন অমান্য আন্দোলন আৰম্ভ হোৱাত চলিহাদেৱে পুনৰ ওকালতি বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ১৯৩১ চনৰপৰা ১৯৩৪ চনলৈকে চলিহাদেৱে 'অসমীয়া' নামৰ বাতৰি কাকতখন সম্পাদনাৰ দায়িত্ব মূৰপাতি লৈ পুনৰ গুৱাহাটীলৈ আহে। সেই সময়ছোৱাত চলিহাদেৱে গুৱাহাটীত এটি সাংস্কৃতিক অনুষ্ঠান পতাৰ প্ৰয়োজন অনুভৱ কৰি কেইজনমান শিল্পীবন্ধুৰ সহায়ত 'সন্ধিয়া সন্মিলনী সভা'ৰ জন্ম দিয়ে। প্ৰতি সপ্তাহত এবাৰকৈ পালপাতি ঘৰে ঘৰে এই 'সন্ধিয়া সন্মিলনী সভা'ৰ অধিৱেশন পাতি গীত, নাট, ভাওনা আদিৰ নিয়মিতভাৱে চিন্তা-চৰ্চা কৰা হৈছিল।

১৯৩৪ চনত আনন্দচন্দ্ৰ আগৰৱালাদেৱে অসম সাহিত্য সভাৰ মঙ্গলদৈত বহা পঞ্চদশ অধিৱেশনৰ পৌৰোহিত্য কৰিছিল। সেই

অধিৱেশনৰ সঙ্গীত শাখাত পৌৰোহিত্য কৰিছিল পদ্মধৰ চলিহাদেৱে। সেই কালছোৱাৰ ভিতৰতে চলিহাদেৱে বেজবৰুৱাৰ 'বাঁহী' কাকতৰ সম্পাদকৰ দায়িত্বও পালন কৰিব লগা হৈছিল। তাৰ পিছত তেখেতে 'অসমীয়া' কাকতৰ সম্পাদকৰ পদ ত্যাগ কৰি গুৱাহাটীলৈ আহি পুনৰ ওকালতি আৰম্ভ কৰে। গুৱাহাটীত ওকালতি কৰি থকা কালছোৱাত চলিহাদেৱে কলিকতাৰ 'এড্‌ভান্স' আৰু ডিব্ৰুগড়ৰ 'টাইমছ্‌ অব্‌ আসাম' আদি কাকতৰ বাতৰি যোগনিয়াৰৰ কামো কৰিছিল। আসাম ট্ৰিবিউন কাকতখনে জন্মলাভ কৰা সময়ৰপৰা প্ৰায় কুৰি বছৰ কাল তাৰো সংবাদদাতা আছিল। গুৱাহাটীত থকা সময়ছোৱাতে তেখেতে 'কামৰূপ অলিম্পিক এছোছিয়েশ্যন' নামৰ এটি অনুষ্ঠান মুকলি কৰি নিজে তাৰ যুটীয়া সম্পাদকৰ ভাৰ লৈছিল। তাৰ পিছত শিৱসাগৰলৈ গৈ পুনৰ ১৯৪১ চনত ওকালতি আৰম্ভ কৰে। ১৯৪০ চনত ৰামগড়ত বহা গুৰুত্বপূৰ্ণ অধিৱেশনৰ অসমৰ একমাত্ৰ প্ৰতিনিধি আছিল চলিহাদেৱ।

মুক্তি-যুঁজাৰু চলিহাদেৱে ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়তে কলেজ বৰ্জন কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰো তেখেত এজন মুখ্য প্ৰবক্তা আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো পদ্মধৰ চলিহা-দেৱে মুখ্য ভূমিকা গ্ৰহণ কৰি ১১ আগষ্ট তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ছ মাহ কাৰাদণ্ড ভুগিছিল। তেখেতৰ সুযোগ্য পুত্ৰ, শিৱসাগৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা অসম গণ পৰিষদ দলৰ এম, পি পৰাগধৰ চলিহাদেৱো এগৰাকী প্ৰবীণ মুক্তি-যুঁজাৰু, সু-সাহিত্যিক, গায়ক, গীতিকাৰ, অভিনেতা আৰু ৰাজনীতিবিদ। পিতৃদেৱৰ পদানুসৰণ কৰি বিয়াল্লিছৰ আন্দোলনত তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰি ৩০ অক্টোবৰ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি তিনিমাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল। তদুপৰি ইংৰাজ চৰকাৰৰ বিশেষ পুলিচ বিষয়াৰ হুকুম মানিবলৈ অস্বীকাৰ কৰাত ২১ নবেম্বৰ তাৰিখে তেখেতক তেজপুৰ

জেললৈ বদলি কৰিছিল।

পদ্মধৰ চলিহাই যোৰহাট জেলৰপৰা খালাচ পায়েই শিৱসাগৰলৈ আহি পুনৰ ওকালতি আৰম্ভ কৰিলে। ১৯৪৪ চনত চৰকাৰে চলিহাদেৱক ক্ৰমে গুৱাহাটী আৰু ধুবুৰীত অতিৰিক্ত মুন্‌চিফ্ পদত নিযুক্তি দিছিল। ধুবুৰীত আঠ মাহমান অতিৰিক্ত মুন্‌চিফৰ কাম কৰাৰ পিছতে সদৰ মুন্‌চিফলৈ উন্নীত হৈছিল যদিও সেই কাম স্বাধীন-চিতীয়া চলিহাদেৱে ভাল নাপালে আৰু মুন্‌চিফ্ চাকৰি ইস্তফা দি শিৱসাগৰলৈ গৈ আকৌ ওকালতিকে আৰম্ভ কৰিলে।

কবি, সাহিত্যিক, নাট্যকাৰ, অভিনেতা, মুক্তি-যুঁজাৰু পদ্মধৰ চলিহাদেৱ এগৰাকী কৃতী শিক্ষক আৰু শিক্ষাবিদো আছিল। শিৱসাগৰ কলেজখন প্ৰতিষ্ঠা কৰাত প্ৰফুল্ল চন্দ্ৰ বৰুৱা, বিমলাপ্ৰসাদ চলিহা, পদ্মধৰ চলিহা আৰু পৰাগধৰ চলিহাৰ নাম প্ৰাতঃস্মৰণীয় হৈ থাকিব। ১৯৪১ চনতে পদ্মধৰ চলিহাই শিৱসাগৰ কলেজ স্থাপন কৰাৰ উদ্যোগ লৈ সভা-সমিতি পাতিছিল। দেশ স্বাধীন হোৱাৰ লগে লগে উদ্যোক্তাসকল কলেজ পতাৰ কাৰণে পুনৰ উঠি-পৰি লাগিল আৰু ঐতিহ্যমণ্ডিত জয়সাগৰৰ পুখুৰীৰ পাৰত কলেজৰ স্থায়ী ঘৰ-দুৱাৰ নিৰ্মাণ হ'ল। পিতা-পুত্ৰৰ অৱদানেৰে শিৱসাগৰ কলেজে এটি ক্ষুদ্ৰ বিশ্ববিদ্যালয়ৰ ৰূপ পালে। কলেজ আৰম্ভণীকালত অসমৰ ৰাজ্যপাল জয়ৰাম দাসে কলেজখনৰ উজ্জ্বল ভৱিষ্যত দেখি সন্তুষ্টি লাভ কৰিছিল। কলেজৰ উদ্বোধনী উৎসৱ অতি আড়ম্বৰেৰে পতা হৈছিল। ছাত্ৰ-ছাত্ৰীৰ বুদ্ধি পৰীক্ষাত শ্ৰীমতী দীপালি চলিহা (বৰ্তমান শিৱসাগৰ বাণিজ্য কলেজৰ অধ্যাপিকা) আৰু ড° পূৰ্ণানন্দ শইকীয়াই (বৰ্তমান গুৱাহাটী বাণিজ্য কলেজৰ ইংৰাজীৰ মুৰব্বী অধ্যাপক) ৰাজ্যপালৰপৰা পুৰস্কাৰ লাভ কৰিছিল। সেই উৎসৱতে কলেজৰ তেতিয়াৰ উপাধ্যক্ষ পৰাগধৰ চলিহাদেৱে ৰচনা আৰু পৰিচালনা কৰা 'চাৰি হাজাৰ বছৰৰ অসম' নৃত্য-নাটিকাখনি দৰ্শকৰপৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল।

অধ্যক্ষ পদ্মধৰ চলিহাদেৱৰ সম্পৰ্কত তেখেতৰ কৃতীছাত্ৰ এজনে প্ৰকাশ কৰা অভিমত প্ৰণিধানযোগ্য—"Principal Padmadhar Chaliha (may his soul shower blessings upon us) stood before us as a spring of eternal inspiration, as an untiring educator whose duty was never confined to the four walls of the office or the class room. Padmadhar Chaliha's magnanimity was magnetic, and his brilliance of intellect enchanted us all. He continued to love his students more than his own children. The old students of the college would miss half of the pleasure of the Silver Jubillee without the presence of their father-educator.

অধ্যক্ষ চলিহাদেৱ আৰু মানৱ-দৰদী চলিহাদেৱৰ মাজত কোনো পাৰ্থক্য নাছিল, নিজৰ পুত্ৰ-কন্যা, কলেজৰ ছাত্ৰ-ছাত্ৰীক যিদৰে অকৃত্ৰিম মৰম স্নেহ কৰিছিল, কলেজৰ পিয়ন-চকীদাৰ অথবা ঘৰৰ কাম কৰা লগুৱা-লিগিৰীকো একেদৰে মৰম-আদৰ কৰিছিল। চলিহাদেৱে গুৱাহাটীত অতিৰিক্ত মুনচিফ্‌ৰ কাম কৰি থকা কালত এই লেখকৰ পিতৃ, নলবাৰী অঞ্চলৰ এজন বিশিষ্ট সমাজকৰ্মী মুক্তাৰাম ডেকাৰ লগত তেখেতৰ সম্পৰ্ক ঘটিছিল। চলিহাদেৱৰ অনুৰোধক্ৰমে আমাৰ পিতৃয়ে গাৱঁৰ (বালা গাওঁ) এগৰাকী অত্যন্ত দুখীয়া বিধবাৰ একমাত্ৰ পুত্ৰ নন্দীৰাম মহন্তক ঘৰুৱা কামৰ সহায়ক হিচাপে নি তেখেতক দিছিল। সেই অনাথ ল'ৰাটোক মানৱ-প্ৰেমী চলিহাদেৱে অপত্য স্নেহেৰে আকোঁৱালি লৈছিল। শেহলৈকে তেখেতৰ ছত্ৰ-ছায়াত থাকি কলেজৰ হেড্ চকীদাৰ হৈ সপৰিয়ালে সুখে-সন্তোষে শিৱসাগৰতে বাস কৰি থাকিল। সিমানেই নহয়; এবাৰ নন্দীৰাম গাৱঁৰ ঘৰলৈ আহি হঠাৎ অভাৱনীয় উৎকট বায়ু ৰোগত ভুগিছিল।

চলিহাদেৱে এই খবৰ পাই শিৱসাগৰৰপৰা নন্দীৰামৰ ঘৰলৈ নিজৰ গাড়ীৰে আহি শিৱসাগৰলৈ নন্দীৰামক লৈ গৈ আৰোগ্য কৰিছিল। নন্দীৰামেও চলিহাদেৱক জীৱন্তকালত তেখেতৰ গাটোতে ছাঁটোৰ দৰে লাগি থাকি পৰম নিষ্ঠাৰে সেৱা-শুশ্ৰূষা কৰি 'হনুমান ভক্তি'ৰ পৰিচয় দিছিল! তেনেকুৱা বহুতো নন্দীৰামৰ, দুখীয়া ছাত্ৰ-ছাত্ৰীৰ চলিহাদেৱৰ সংস্পৰ্শত জীৱন ধন্য হৈছিল। চলিহাদেৱ এজন ব্যক্তিয়েই নাছিল; মানৱীয় প্ৰেম-প্ৰীতি প্ৰাচুৰ্যৰে ভৰা এটা অফুৰন্ত আঁকৰ আছিল।

কবি-সাহিত্যিক পদ্মধৰ চলিহাদেৱৰ প্ৰেৰণা লাভ কৰি ভালেমান লোক, প্ৰথিতযশা কবি, সাহিত্যিক, গায়ক-গীতিকাৰ হৈছে। অধ্যক্ষ জ্ঞানদাভিৰাম বৰুৱাদেৱৰ দৰে এই গৰাকী আপোনভোলা, অসমপ্ৰেমী চলিহাদেৱে ১৯২৮ চনত তিনিচুকীয়াত বহা অসম সাহিত্য সভাৰ ষষ্ঠবিংশ অধিৱেশনত পৌৰোহিত্য কৰিছিল।

পদ্মধৰ চলিহাদেৱে লোকহিতকৰ বহুতো অনুষ্ঠানৰ লগত প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে জড়িত আছিল। শিৱসাগৰ 'নাগৰিক সন্থা', শিৱসাগৰ ৰিডিং ক্লাব, শ্ৰীশ্ৰীশঙ্কৰদেৱ সমাজ, সেউজীয়া সমাজ, সঙ্গীত বিদ্যালয় আদি অনুষ্ঠানেও চলিহাদেৱৰ পৃষ্ঠপোষকতাৰ জন্ম লাভ কৰি একো একোটা কৰ্মথ সাংস্কৃতিক অনুষ্ঠান হিচাপে গঢ় লৈ উঠিছিল। তেখেতৰ অভিনয়ৰ প্ৰতি থকা স্পৃহা আৰু আকৰ্ষণ মন কৰিবলগীয়া। বুঢ়া বয়সলৈকে তেখেতে অভিনয় কৰি কুশলী অভিনেতাৰ যশস্যা আৰু সন্মান লাভ কৰিছিল। প্ৰতি বছৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱৰ সময়ত অনুষ্ঠান কৰা অঙ্কীয়া ভাওনাত তেখেতে ভিন্ ভিন্ চৰিত্ৰ ৰূপায়ণ কৰিছিল।

চলিহাদেৱে সভাপতিৰূপে সেৱা আগবঢ়োৱা আন কেইটামান সামাজিক অনুষ্ঠান আছিল—All Assam Educational Inspecting Officers' Association, All Assam Govt. School Teachers' Conference, All Assam Tai-

Buddhist Students' Association. তদুপৰি ১৯৬১ চনত ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজৰ চতুৰ্দশ প্ৰতিষ্ঠা দিৱস উৎসৱৰ মুকলি অধিবেশনতো চলিহাদেৱে সভাপতিত্ব কৰিছিল।

চলিহাদেৱৰ ৰচিত বহুতো মূল্যৱান প্ৰবন্ধ উষা, বাঁহী, অৰ্ঘা, আলোচনী, আৱাহন, সুৰভি, জয়ন্তী, আসাম ট্ৰিবিউন আদি কাকতত প্ৰকাশ পাইছিল। একেদৰে কলেজ আলোচনী 'সেউতী' ষ্টুডেণ্ট হাতে লিখা আলোচনী 'পুৱা' কলিকতাৰ ইডেন হোষ্টেলৰপৰা ওলোৱা ইংৰাজী আলোচনী আদিত প্ৰকাশ পাইছিল।

অসম হিতৈষী পুৰুষসকলৰ ভিতৰত পদ্মধৰ চলিহাদেৱৰ নাম আগশাৰীত। আজীৱন সাধনাৰে অসমৰ শিক্ষা, সাহিত্য, সংস্কৃতি, আইন, সমাজসেৱা আদি নানা দিশত নিস্বাৰ্থভাৱে তেখেতে যি অৱদান আগবঢ়াই গ'ল তাক অসমৰ ন-পুৰণি পুৰুষে কোনো দিনে পাহৰিব নোৱাৰে। এই গৰাকী মহান ব্যক্তিয়ে ভিনিকুৰি চৈধ্য বছৰ কাল জন্মভূমিৰ হিত সাধন কৰি ১৯৬৯ চনত শেষ নিশ্বাস ত্যাগ কৰে।



কৰ্মপ্ৰাণ লক্ষ্মীধৰ বৰা

ভাৰতবৰ্ষৰ স্বাধীনতাৰ বুৰঞ্জীত কৰ্মপ্ৰাণ লক্ষ্মীধৰ বৰাই উল্লেখযোগ্য ভূমিকা লৈছিল, বা ল'ব পৰা নাছিল, সেইটো বিচাৰ্য্যৰ কথা নহয়। জান-জুৰিয়ে উপনদীক, উপনদীয়ে নদীক, নদীয়ে সাগৰক আৰু সাগৰে মহাসাগৰক পৰিপুষ্ট কৰাৰ আহিৰে লক্ষ্মীধৰ বৰাই অসম কংগ্ৰেছৰ আত্মাৰূপে হৃদিস্থলত থাকি ভাৰতীয় কংগ্ৰেছৰ ইতিহাস ৰচনা কৰাত উল্লেখযোগ্য সহাঁৰি যে যোগাইছিল সেইটো ধ্ৰুপ। এইজন কৰ্মপ্ৰাণ বৰাৰ ১৯০৩ চনৰ ২৭ চেপ্টেম্বৰত গুৱাহাটীত জন্ম হয়। ১৯৮৩ চনৰ ১৬ অক্টোবৰ তাৰিখে পাণবজাৰৰ অনাৰাম্বৰ মান্ধাতাৰ দিনৰ হাউলীটোত চাৰিকুৰি বছৰ বয়সত লক্ষ্মীধৰ বৰাৰ পৰলোক প্ৰাপ্তি ঘটাৰ দুদিন পাছত, ১৮ অক্টোবৰ তাৰিখে দীঘলিপুখুৰীৰ দক্ষিণপাৰে অৱস্থিত গুৱাহাটী জিলা কংগ্ৰেছ কাৰ্য্যালয়ত অসমৰ অন্যতম প্ৰসিদ্ধ মুক্তিযুঁজাৰু হৰেন্দ্ৰনাথ বৰুৱাৰ পৌৰোহিত্যত বহা শোক সভাত এটি স্মৰণযোগ্য শোক-প্ৰস্তাৱ লোৱা হৈছিল। সেই শোক-প্ৰস্তাৱটোত স্বৰ্গীয় বৰাৰ মহত্ব আৰু ব্যক্তিত্ব সুন্দৰভাৱে প্ৰকাশ পাইছে। এইখিনিতে প্ৰস্তাৱটোৰ পূৰ্ণ পাঠ এটি দাঙি ধৰা হ'ল—

"ভাৰতবৰ্ষৰ স্বাধীনতা যুঁজৰ বুৰঞ্জী—যুঁজাৰুসকলৰ চৰম আত্মত্যাগ, জীৱনাহুতি, নিৰ্মম নিৰ্যাতন আৰু কাৰাবৰণ আদিৰ এক অমৰ কাহিনী। বৃটিছৰ বিৰুদ্ধে যুঁজি যিসকল যুঁজাৰুৱে অহিংস যুঁজৰ নীতি, আদৰ্শ আৰু ত্যাগৰ মহিমা সমুজ্জ্বল কৰি ভাৰতবৰ্ষৰ স্বাধীনতা অৰ্জন কৰিছিল, কালৰ গতিত সেইসকল যুঁজাৰু এজন এজনকৈ আমাৰ মাজৰপৰা অন্তৰ্হিত হৈ গৈ আছে। কৰ্মপ্ৰাণ

লক্ষ্মীধৰ বৰাৰ বিয়োগত আজি তেনে এগৰাকী নীৰৱ, নিৰ্ভীক দেশপ্ৰেমিক, মুক্তিযুঁজাৰু আমাৰ মাজৰপৰা অন্তৰ্হিত হৈ গ'ল। আমাৰ জনজীৱনত পূৰাব নোৱাৰা এটি শূন্যতা সৃষ্টি হ'ল। কিন্তু ৰৈ গ'ল—স্বাধীনতাৰ বুৰঞ্জীৰ পাতত তেওঁৰ জীৱন আদৰ্শৰ এটি অমৰ কাহিনী।

কৰ্মপ্ৰাণ লক্ষ্মীধৰ বৰা আইন পৰীক্ষাত উত্তীৰ্ণ হৈ ওকালতিত প্ৰৱেশ কৰিও ওকালতি কৰা নহ'ল। ইংৰাজীৰ স্নাতকোত্তৰ শ্ৰেণীত ভৰ্তি হৈও অধ্যয়ন কৰা নহ'ল। ভাৰতৰ স্বাধীনতা যুঁজৰ আহ্বানত সকলো এৰি আত্মনিয়োগ কৰিলে সেই যুঁজত। পৰ্যায়ৰ পিছত পৰ্যায় হোৱা যুঁজত লিপ্ত থকা কালত তেওঁ কাৰাবৰণ কৰিব লগা হ'ল।

কৰ্মপ্ৰাণ লক্ষ্মীধৰ বৰা আছিল—কংগ্ৰেছ সংগঠনৰ অন্যতম গুৰি ধৰোঁতা। গুৱাহাটী জিলা কংগ্ৰেছৰ প্ৰধান সম্পাদক, পিছত সভাপতি, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক আৰু তদনান্তীন সেৱাদলৰ জিলা অধিনায়ক পদত অধিষ্ঠিত আছিল। কংগ্ৰেছ সংগঠনৰ বিভিন্ন দায়িত্ব পালন কৰি স্বাধীনতা যুঁজত জনশক্তি জাগ্ৰত কৰাত তেওঁ যি অৱদান আগবঢ়াইছিল আৰু সংগঠন ক্ষমতাৰ যি পৰিচয় দিছিল সি কংগ্ৰেছৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব। বিধান সভাৰ সদস্য, স্কুল বোৰ্ডৰ চেয়াৰমেন আদি প্ৰশাসনীয় ক্ষেত্ৰত তেওঁৰ নিষ্ঠা, সততা আৰু ঐকান্তিকতাৰ কথা অনুৰূপভাৱে স্মৰণীয় হৈ ৰ'ব। সমাদৃত হৈ ৰ'ব জনমানসত—তেওঁ এগৰাকী গান্ধীবাদী, সমাজকৰ্মী, ৰাজনীতিজ্ঞ হিচাপে।

নিজক অপ্ৰকাশ ৰাখি সাংগঠনিক, ৰাজনৈতিক আৰু সামাজিক কৰ্মক্ষেত্ৰত নিজকে যিভাৱে আত্মনিয়োগ কৰিছিল—তাৰ তুলনা বিৰল। সৎ, নিষ্ঠাৱান মুক্তিযুঁজাৰু কৰ্মপ্ৰাণ শ্ৰীলক্ষ্মীধৰ বৰাৰ বিয়োগত আজিৰ সভাই গভীৰ শোক প্ৰকাশ কৰে আৰু শ্ৰীবৰাৰ অমৰ স্মৃতিৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে।"

এই গৰাকী মহান নেতাৰ বিষয়ে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহ ডাঙৰীয়াই উল্লেখ কৰিছে—"কৰ্মপ্ৰাণ শ্ৰীলক্ষ্মী বৰাই কংগ্ৰেছ অনুষ্ঠানৰ কাম-কাজ কৰোঁতে সদায় আগভাগ লৈছিল। কিন্তু সেই কাম-কাজবিলাকৰ কথা প্ৰচাৰৰ ক্ষেত্ৰত নিজক প্ৰকাশ কৰিবলৈ যত্ন কৰা নাছিল। কংগ্ৰেছ সংগঠনৰ কথাই হওক বা সত্যাগ্ৰহৰ কথাই হওক বা স্বাধীনতা যুঁজৰ কথাই হওক সকলো ক্ষেত্ৰতে তেওঁ আগবাঢ়ি আহি অতি দক্ষতাৰে কাৰ্য্য সম্পাদন কৰিছিল। নিগ্ৰহ-নিৰ্যাতনৰ ক্ষেত্ৰতো নিজৰ কি হৈছে, পৰিয়ালৰ কি হৈছে সেইবিলাক কথাত মন-কাণ নিদি, কেৱল কোনজন কৰ্মীৰ কি কষ্ট হৈছে, কাৰ ক'ত কি অসুবিধা হৈছে, সেইবিলাক কথাকেই তেওঁ বেছিকৈ চিন্তা কৰিছিল। যিবোৰ কাৰ্য্যত তেওঁ নেতৃত্ব দিছিল, সেইবিলাকতো তেওঁ কৰ্মীসুলভ মনোভাবেৰে সহকৰ্মীসকলৰ লগত একাত্ম হৈহে নেতৃত্ব দিছিল। প্ৰকৃতপক্ষে তেওঁ নেতা আছিল, কিন্তু নেতৃত্বাভিমানী নাছিল।

এইদৰে কামৰ অন্তৰালত থাকি কাম কৰা নিৰভিমানী নেতা আজি বিৰল।"

এই গৰাকী মহান ব্যক্তিৰ লগত আমাৰ ব্যক্তিগত পৰিচয় নাছিল যদিও গুৱাহাটীলৈ অহাৰ পিছত (১৯৫৮) তেখেতৰ বিষয়ে দুই-চাৰিটা কথা জনাৰ সুবিধা হৈছিল; আৰু পাণবজাৰৰ নাওঁকাটা (মতান্তৰে নাগকাটা/নাককাটা) পুখুৰীৰ পাৰৰ পথটোৰে কেতিয়াবা খোজা-অহা কৰোঁতে আওপুৰণি চাৰিচলীয়া টিনৰ ঘৰটোৰ বাৰান্দাত দুই-চাৰিজন সতীৰ্থৰ লগত কেতিয়াবা দীঘল বেঞ্চখনত, কেতিয়াবা আৰামী চকীখনত বহি কিবাকানি কৰি থকা দেখা পাইছিলো। এবাৰ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ পত্ৰবাহক হৈ বৰাদেৱৰ ঘৰলৈ গৈছিলো। তেখেতে আমাৰ পৰিচয় লৈ, মাঘমহীয়া জলপান খুৱাই মৰমেৰে পিঠিত হাত বুলাই বিদায় দিয়া স্মৃতি আজি পাহৰা নাই।

বৰা ডাঙৰীয়াৰ পাণবজাৰৰ ঘৰটোৰ সম্পৰ্কত সিংহ ডাঙৰীয়াই এনেদৰে উল্লেখ কৰিছে—"স্বাধীনতাৰ আন্দোলন কালত শ্ৰীলক্ষ্মীধৰ বৰাৰ ঘৰটো কংগ্ৰেছ কাৰ্যালয়ৰূপে ব্যৱহৃত হৈছিল। গাওঁৰপৰা অহা কৰ্মী আৰু কংগ্ৰেছ ভলণ্টিয়াৰসকলৰ কাৰণে এই ঘৰটো আছিল জিৰণিৰ ঠাই আৰু আশ্ৰয়স্থল। আন্দোলনৰ কিমান নেতা, কিমান কৰ্মী এই বেঞ্চতেই বহি কিমান পৰামৰ্শ, কিমান সিদ্ধান্ত, কিমান প্ৰশ্ন আৰু কিমান মীমাংসা কৰিছিল, সেই কথা যিজনে দেখা নাই, তেওঁৰ পক্ষে বুজা টান। এইবোৰ বেঞ্চ আৰু টেবুলে ঐতিহাসিক স্মৃতি বহন কৰি শ্ৰীলক্ষ্মীধৰ বৰাৰ নিস্বাৰ্থ দেশসেৱাৰ এক নিদৰ্শন দি আছে।"

সেই সময়ৰ অসমৰ ৰাজনীতিৰ ঘাইকেন্দ্ৰ হিচাপে বৰাদেৱৰ ঘৰটো চিনাক্ত কৰা হৈছিল। দিনে-নিশাই সেই ঘৰটোলৈ কংগ্ৰেছ কৰ্মী আৰু নেতাৰ অহৰহ সোঁত বৈ আছিল। সময় অসময়ৰ কোনো ব্যৱধান নাছিল। সেইদৰে খোৱা-বোৱাৰো কোনো সময় অসময় নাছিল। যিয়ে যেতিয়াই নাহক লক্ষ্মীকুটীৰত লক্ষ্মীৰ অভাৱ কোনো দিনে নহৈছিল। বৰাদেৱৰ মাতৃ ৰত্নবালাই প্ৰত্যেকজন কৰ্মীকে অপত্য স্নেহেৰে খুৱাই-বুৱাই ৰাখিছিল। পুলিচৰ গ্ৰেপ্তাৰী পৰোৱানাৰ হুকুম হোৱা বহুতো কৰ্মী আৰু নেতা ৰত্নবালাৰ আশ্ৰয়ত ভাত নিৰ্ভয়ে থাকিছিল। মাতৃ ৰত্নবালাৰ আৰ্হিৰে শ্ৰীমতী বৰানীও কষ্টক কষ্ট বুলি নেভাবি উদাৰ চিত্তে কৰ্মীসকলৰ তদাৰক কৰিছিল। তুলনামূলকভাৱে ক'বলৈ গ'লে বৰাৰ হাউলীটো মতিলাল নেহৰুৰ আনন্দভৱনৰ এটি যেন ক্ষুদ্ৰ সংস্কৰণ আছিল। সিংহৰ ভাষাত ক'বলৈ হ'লে—"ভাৰতবৰ্ষৰ স্বাধীনতাৰ বুৰঞ্জীত এনে নীৰৱ নিস্বাৰ্থ সেৱাৰ কাহিনী কিমান ঠাই পাব কোৱা টান। এনেকুৱা একো একোটি পৰিয়ালৰ বা একো একোজন ব্যক্তিৰ নীৰৱ দেশপ্ৰেম বা বৰঙণিয়ে ভাৰতৰ মুক্তিযুঁজত কম আগবঢ়োৱা নাই। কিন্তু সেইবোৰৰ বহুতো কাহিনীয়ে যে ইতিহাসৰ পাত ঢুকি নোপোৱাকৈ

থাকিব ইয়াক সহজে অনুমান কৰিব পাৰি।"

শ্ৰীপ্ৰবীৰ ৰাম বৰুৱাই বৰাদেৱৰ ঘৰখন আৰু তেখেতৰ বদান্যতাৰ বিষয়ে লিখিছে—"ঘৰৰ বিষয়ে তেখেতে বেছি খবৰ বা চিন্তা নকৰিছিল। তেখেতৰ মানত কোনো ডাঙৰ, সৰু, ধনী, দুখীয়া আদিৰ প্ৰভেদ নাছিল। তেখেতে সকলোকে সমানে চাইছিল আৰু সকলোকে সমান ব্যৱহাৰ কৰিছিল। সেই কাৰণে ডাঙৰ নেতাই হওক বা সাধাৰণ কৰ্মীয়েই হওক তেখেতক শ্ৰদ্ধা কৰিছিল আৰু ভাল পাইছিল। তেখেতৰ ঘৰঘন সকলোৰে কাৰণে মুকলি আছিল। বহুত কৰ্মী তেখেতৰ ঘৰতে আহি থাকিছিল আৰু তেখেতৰ ঘৰখন এখন হোটেলত পৰিণত হৈছিল। সেই সময়ত কৰ্মীসকলে তেখেতৰ ঘৰখনক কংগ্ৰেছৰ চাৰ্কিট হাউচ বুলি ধেমালিতে উল্লেখ কৰিছিল।"

জনমানসত বৰা ডাঙৰীয়া এক নিৰ্মল চৰিত্ৰৰ আদৰ্শৱান ব্যক্তি হিচাপে ৰৈ থাকিব। আজিৰ নেতাসকলে, কৰ্মীসকলে, তথাকথিত তৰুণ শক্তিয়ে গোপীনাথ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, বিপ্লৱী শঙ্কৰ বৰুৱা, লক্ষ্মীধৰ বৰা আদিৰ জীৱনকথা পঢ়া নাই যেন লাগে; যদি কোনোবাই পঢ়িছেও সেইসকল মহান ব্যক্তিৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হ'ব পৰা নাই বুলি অনুমান হৈছে।

গোপীনাথ বৰদলৈদেৱৰ প্ৰবন্ধত তেখেতৰ আদৰ্শ আৰু অসীম ত্যাগৰ কথা কৈ অহা হৈছে। সেইদৰে বৰাদেৱেও ইচ্ছা কৰা হ'লে নিজৰ বাবে, নিজৰ আত্মীয়-স্বজনৰ কাৰণে বহুতো কৰিব পাৰিলে-হেঁতেন! বিশেষকৈ স্বাধীনোত্তৰ কালত বৰদলৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থাকোঁতে লোকবন্ধু ডাক্তৰ ভুৱনেশ্বৰ বৰুৱাৰ গুৱাহাটী কংগ্ৰেছৰ সভাপতি আৰু লক্ষ্মীধৰ বৰা বিধান সভাৰ সদস্য আৰু জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আছিল। কিন্তু তেখেতে নিজৰ বা নিজ পৰিয়ালৰ কাৰণে একো নকৰিলে, আনকি পৈতৃক ঘৰ-মাটিখিনিৰ বাহিৰে নিজাকৈ এডুখৰি মাটিও নকৰিলে। ইয়াকে কয় ত্যাগ

নিস্বাৰ্থ দেশপ্ৰেম। তদুপৰি শিলচৰ জেলত Security Prisoner হৈ থকা সময়ছোৱাত যি সামান্য সহায় আগবঢ়োৱা হৈছিল তাৰপৰা তেখেতৰ ব্যক্তিগত জীৱনত তথা অনুষ্ঠানৰ ওপৰত কোনো প্ৰকাৰৰ গ্লানি আহে বুলি ভাবি তাকো গ্ৰহণ নকৰিলে। শিলচৰ জেলত থকা সময়ত ৰাজনৈতিক বন্দীসকলৰ বহুতৰে ঘৰত পানীত হাঁহ নচৰা অৱস্থা হৈছিল। পাঠশালাৰ ৰজনীকান্ত চৌধুৰীও তেখেতৰ লগতে সহবন্দী হিচাপে শিলচৰ জেলত আছিল। চৌধুৰীৰ দহবছৰীয়া ল'ৰাজনে ঘৰৰ দাৰুণ অভাৱ-অভিযোগৰ কথা দেউতাকক চিঠিৰে জনোৱাত বৰাদেৱে জানি অত্যন্ত দুখ পাইছিল আৰু ১৯৪৩ চনৰ ১৮ চেপ্টেম্বৰত ককায়েকলৈ লিখা চিঠিত ককায়েকক সেই অভাৱগ্ৰস্ত পৰিয়ালটোত খবৰ লৈ তেখেতক জনাবলৈ বাৰে বাৰে অনুৰোধ কৰিছিল।

কংগ্ৰেছ অনুষ্ঠানটোৰ লগত বৰা প্ৰকৃতপক্ষে ১৯৩০ চনত নিবিড়ভাৱে জড়িত হৈ পৰি দেশ স্বাধীন হোৱা দিনলৈকে সক্ৰিয়ভাৱে কাম কৰি গৈছিল। সেই সময়ছোৱাত অসমৰ আগশাৰীত নেতা-সকলে কংগ্ৰেছ সংগঠনটোৰ যি কোনো দায়িত্ব বৰাৰ ওপৰত দি সম্পূৰ্ণ নিশ্চিত হ'ব পাৰিছিল।

বৰা ডাঙৰীয়াৰ গাত ভাল সংগঠক এজনৰ গাত থাকিবলগীয়া প্ৰায়বোৰ পুনৰ সমাবেশ ঘটিছিল। শ্ৰীকামাখ্যা প্ৰসাদ দাসৰ লেখাৰপৰা এটি উদ্ধৃতি দিব খুজিছো। কানিংহাম চাকুলাৰৰ প্ৰতিবাদ কৰে স্কুল-কলেজৰ ছাত্ৰসকলে বিদ্যালয় বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দি বিলাতী কাপোৰ পোৰা, কানি, মদ, ভাঙৰ দোকানত পিকেটিং কৰা আদি কামত উঠি পৰি লাগিছিল। এবাৰ ছাত্ৰ-কংগ্ৰেছ ভলণ্টিয়াৰৰ দল এটাই গুৱালকুছিত কানিৰ দোকান এখনত পিকেটিং কৰোঁতে কানীয়া এজনে সেস্বাসেৱী এজনক ৰামচৰ এটা মাৰিলে। কানীয়াৰ দুষ্কাৰ্যত অতিষ্ঠ হৈ আন এজন বয়সীয়া কংগ্ৰেছকৰ্মী কান্তিৰাম মেধিয়ে কানীয়াজনক মাৰিবলৈ

খেদি গ'ল। তেতিয়া বৰাই মেধিক তৎক্ষণাৎ বাধা দি ক'লে—"হেৰি মেধি ৰব। ভলন্টিয়াৰ ইমান গৰম হ'ব নাপায়। আমাৰ কাম আমি কৰি যাম। আমি তেওঁৰ হিতৰ কাৰণেহে যে কৰিছো, পিছত তেওঁ নিজে বুজিব নহয়।" বৰাৰ কথাই প্ৰকৃততে ফলিয়ালে। শেষত কানীয়াজন অনুতপ্ত হ'ল। ইয়াকেহে কয় গান্ধীবাদী নেতা।

শ্ৰীকামাখ্যা প্ৰসাদ দাসে চান্দা-বৰতলা গাৱঁৰ এজন কানীয়াৰ প্ৰত্যক্ষ বৰ্ণনা এটি আমোদজনতভাৱে বৰ্ণনা কৰিছে। পিকেটিং কৰা দলটোৰ লগত দাস, বৰা, মেধি, প্ৰবীৰমল্ল বুজৰবৰুৱা আৰু বহুতো আছিল। চান্দা-বৰতলা অঞ্চলত কানিৰ পাদুৰ্ভাৱ বৰ বেছি হোৱা কাৰণে সেই গাৱঁতে তেখেতসকলে কেম্প পাতি কানি নিবাৰণৰ অভিযান চলাইছিল। এদিন ৰাতিপুৱাই ল'ৰা এজনৰ মুখে খবৰ পাই কানীয়া এজনৰ ঘৰত তেখেতসকলৰ দল উপস্থিত হ'ল। কানীয়াই কানি হুপি আছিল। তেখেতসকল তাৰ ওচৰত উপস্থিত হোৱাতো সি কেৰেপকে কৰা নাছিল। এটাৰ পিছত আন এটা টিকৰা চিলিমত দি একেবাৰে সোতৰটা টিকৰা শেষ কৰিলে। কানীয়াজনৰ লগত হোৱা ঘটনাখিনি দাসে এনেদৰে উপস্থাপন কৰিছে—"আমি গৈ তেওঁৰ দুৱাৰ মুখতে পিৰালিত (কাথিত) বহি বুজনি দিবলৈ ধৰিলো। তেওঁ আমাৰ ফালে কেৰাহিকৈ চাই মুখেৰে একো নামাতিলে। আমি কৈ থাকোঁতে থাকোঁতেই আমাৰ আগতে সেইদৰে চিলিমত দি ১৭ টা টিকিৰা খালে।" কানি কেনেকৈ খাই দাসে বৰ্ণনা কৰিছে—"এটা চিলিম নথকা হোকাত বাঁহৰ নলী এডাল লগাই লৈছে। হোকাটো ভঙা কলহৰ মুখ এটাত (সেইটোক 'ভেম' বুলি কয়) বহুৱাই লৈছে। আগতে পাণত ভাজি কানিৰ সৰু সৰু টিকিৰা কিছু বনাই ৰাখিছে। তাৰে এটা টিকিৰা হোকাৰ নলীচাডালৰ ওপৰত দি লয়। এহাতেৰে জুইৰ আঙঠা এটা লগাই দি আনটো হাতেৰে বাঁহৰ নলীডালত ধৰি এনেদৰে হোপা মাৰিব একে হোপাতে টিকিৰাটো শেষ কৰি চিটিকাই

দি ধোঁৱাখিনিৰ অকণো মুখৰ বাহিৰলৈ ওলাব নিদি গিলিবলৈ চেষ্টা কৰে। ধোঁৱাখিনি গিলি উঠাৰ পিছত তেওঁৰ মুখৰ ভাব-গতি এনে হয় যেন তেওঁৰ এনে ৰাজকীয় ভোগ কোনেও উপভোগ কৰিবলৈ পোৱা নাই। আমাৰ মুখ বন্ধ হোৱা নাই। কানি বৰবিহৰ অপকাৰিতাৰ বিষয়ে কৈ আছো। ১৭ টা টিকিৰা খোৱাৰ পিছত ভালেখিনি সময় তওক মাৰি থাকিল। কিবা যেন গভীৰ চিন্তা কৰিছে। তাৰ পাছত হঠাতে "ছালাইঁতৰ মূৰকে ভাঙি দিওঁ" বুলি কানিখোৱা হোকাটো জোৰেৰে আমাৰ মূৰলৈ বুলি মাৰি পঠিয়ালে। ভাগ্যে আমাৰ কাৰো মূৰত নালাগি আমাৰ পিছফালে থকা কাথিৰ দেনাপাৰাখনত (কামৰূপত গাওঁৰ মানুহৰ ঘৰৰ মূল দৰ্জাৰ পোনে পোনে পিৰালিত পৰ্দাৰ দৰে দিয়া এখন ধুনীয়া সৰু বেৰ) লাগি হোকাটো কেবা টুকুৰাও হৈ ভাগিল। হোকাৰ ভিতৰৰ পানী আমাৰ গাত চিটিকি পৰি উৎকট ভেকেচি গোন্ধ ওলাল। শ্ৰীবৰাই তৎক্ষণাৎ ভগা হোকাটোৰ টুকুৰা এটা বুটলি লৈ তাৰ ভিতৰফালে লাগি থকা প্ৰায় আধা ইঞ্চিমান ডাঠ চামনিৰ দৰে লেতেৰাবিলাক দেখুৱাই কানীয়াজনক বুজাব ধৰিলে—চোৱা, তোমাৰ কানিৰ ধোঁৱাৰপৰা এই হোকাটোত ইমান ডাঠ ময়লা জমা হৈছে। তুমিতো কানিৰ ধোঁৱাখিনি গিলি দিয়া। গতিকে তোমাৰ পেটৰ ভিতৰৰ নলীতো নিশ্চয় এইদৰে ময়লা বন্ধ হৈছে। এইদৰে পেটৰ ভিতৰৰ নলীত ময়লা জমি তোমাৰ নানা ৰকমৰ বেমাৰ হ'ব। কানীয়াজন বাহিৰলৈ ওলাই আহি খঙত প্ৰথমতে অলপ তৰ্ক কৰাৰ চেষ্টা কৰিছিল যদিও শ্ৰীবৰাৰ অকাট্য যুক্তিৰে দিয়া বুজনিত তেওঁৰ তৰ্ক বন্ধ হ'ল, খং মাৰ যোৱা যেন লাগিল। ভালেখিনি সময় চিন্তা কৰি শেষত তেওঁ কানিৰ পটাখন আনি আমাৰ আগতে ফালি পুৰি পেলালে আৰু 'আজিৰপৰা কানি নাখাওঁ' বুলি শপত খালে।"

স্বাধীনতা আন্দোলনৰ কৰ্মী আৰু নেতাসকলৰ জিৰণি স্থল আৰু

প্ৰশিক্ষণ আদিৰ আন এটা মুখ্য কেন্দ্ৰ আছিল উজান বজাৰৰ যোৰ-পুখুৰীৰ পাৰৰ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱৰ হাউলীটো। তাত নিয়মিতভাৱে ব্যায়াম চৰ্চা, লাঠিখেল, মুদ্গৰ পৰিচালনা আদি খেলবোৰ শিকোৱা হৈছিল। ঢাকাৰপৰা কালীপদ বসু নামৰ ওস্তাদ এজনক আনি ইচ্ছুক ভলন্টিয়াৰসকলক বিভিন্ন খেলৰ প্ৰশিক্ষণ দিয়া হৈছিল। এই ব্যায়াম চৰ্চা কেন্দ্ৰৰ বিশিষ্ট উদ্যোক্তা দুগৰাকী আছিল—লক্ষ্মীধৰ বৰা আৰু দেৱপাল দাস।

স্বাধীনোত্তৰ কালত কংগ্ৰেছ কৰ্মীসকলৰ সাংগঠনিক কামৰ হেঁচা দুগুণে বাঢ়িছিল। বৰাৰ ওপৰতো বহুতো গুৰুত্বপূৰ্ণ কামৰ দায়িত্ব পৰিছিল। ১৯৫৫ চনত ভাৰত চৰকাৰৰ নীতি-অনুসৰি অসমৰ নিৰ্যাতিত মুক্তি-যুঁজাৰুসকলকো সাহায্য দিয়াৰ এখন আঁচনি হাতত লোৱা হৈছিল। নকলেও হ'ব যে এই আঁচনি ৰূপায়ণ কৰাৰ গধুৰ দায়িত্ব পৰিছিল স্বাৰ্থত্যাগী, সাম্যবাদী, কষ্টসহিষ্ণু ব্যক্তি বৰা ডাঙৰীয়াৰ ওপৰত। আকৌ ১৯৭২ চনৰ জানুৱাৰী মাহত অসমৰ মুক্তি-যুঁজাৰুসকলৰ এখন অভিবৰ্তন পাতি 'অসম ৰাজ্যিক মুক্তি-যুঁজাৰু সম্মিলন' নামৰ এটি অনুষ্ঠানৰ জন্ম দিয়া হ'ল। এই সম্মিলনৰ কাৰ্যকৰী সভাপতি আছিল বৰাদেৱ আৰু সম্পাদক শ্ৰীকামাখ্যা প্ৰসাদ দাস। এই কমিটিৰ আন এটি উল্লেখযোগ্য তথা কষ্টসাধ্য কাম হ'ল অসমৰ প্ৰকৃত মুক্তি-যুঁজাৰুসকলৰ এখন পূৰ্ণাঙ্গ তালিকা প্ৰস্তুত কৰা। সেইমৰ্মে ১৯৭৩ চনত অসম চৰকাৰে বৰা ডাঙৰীয়াৰ অধ্যক্ষতাত এখন তদন্ত কমিটি গঠন কৰি দিয়ে। বৰাদেৱ আৰু তেখেতৰ সহযোগী কেইজনমানৰ অপৰিসীম চেষ্টা আৰু কষ্টৰ ফলত প্ৰায় ডেৰ হাজাৰ পৃষ্ঠাৰ বৃহৎ তালিকাখন—Report of the Enquiry Committee of Freedom Fighters (Govt. of Assam : 1979) প্ৰস্তুত হৈ ওলায়।

কথা আৰু কামৰ মানুহ বৰাদেৱ :

* আমি একোজন কংগ্ৰেছৰ সৈনিকহে। আমি কাম কৰি যাম। বাব আমাৰ কাৰণে ডাঙৰ কথা নহয়; কামটোহে ডাঙৰ।

—বৰা

* বহুতে কৰা কাম মই কৰিব নোৱাৰোঁ-- কাৰণ মোৰ দায়িত্ব বেলেগ আৰু মোৰ কাৰ্য্যৰপৰাই হয়তো অনুষ্ঠানৰ ওপৰত reflection পৰিব পাৰে আৰু সেইটো হ'বলৈ হ'লে বৰ দুখৰ কথা হ'ব।

—বৰা

* (শিলচৰ জেলৰপৰা ককায়েকলৈ লিখা পত্ৰৰপৰা): ইয়াত মই প্ৰায় কপাহ ধুনিব লগা হৈছে। ডাঙৰ ধনুৰে ধুনো। কামেশ্বৰ বাবু, প্ৰিয়ৰ আৰু এজন ডাক্তৰৰ কপাহ ধুনো। এই ধনু মই বাহিৰত ব্যৱহাৰ কৰা নাছিলোঁ। ইয়াতেই বিদ্যাশ্ৰমৰ এজন কৰ্মীৰ-পৰা শিকিলো। পোনতে বৰ কষ্ট পাইছিলো, এতিয়া বঢ়িয়া হয়।

—বৰা

* বৰাৰ সম্পৰ্কে অভিমত :

লক্ষ্মীধৰ বৰা সমাজত কথাৰ ফুলজাৰি উৰোৱা মানুহ নহয়। তেওঁ কামৰ মানুহ। তেওঁ সংগঠনৰ মানুহ। শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্মা

* আজি আমি সকলো স্তৰতে বৰাদেৱৰ দৰে কৰ্মী আৰু সংগঠকৰ অভাৱ অনুভৱ কৰিছো। চাৰিওফালে দেখিছোঁ ত্ৰিশঙ্কুৰ দৰে শূন্যতে ওলমি থকা আৰু নিজক নিজে নেতা বুলি দাবী কৰা এমখা মানুহ। জনতাৰ লগত তেওঁলোকৰ কোনো সম্পৰ্ক নাই। মানুহৰ মাজত তেওঁলোকে কোনো দিনে কাম-কাজ কৰা নাই। কৰ্মী হোৱাৰ আগতে এওঁলোকে নেতা বুলি নিজকে ঘোষণা কৰিছে। লক্ষ্মীধৰ বৰা কৰ্মীও আছিল আৰু কৰ্মৰ গুণত নেতাও আছিল। কিন্তু কোনো দিনে নেতৃত্বৰ দাবী কৰা নাছিল। কৰা নাছিল পদবীৰ লোভ। শ্ৰীপ্ৰভাতচন্দ্ৰ শৰ্মা

* "১৯২১ চনৰপৰা ১৯৪১ চনৰ আন্দোলন পৰ্য্যন্ত ৪টা পৰ্যায়ৰ প্ৰত্যেক পৰ্যায়তে ৺বৰাই সংগঠিত কৰিছিল অগণন কৰ্মীক। আন্দোলনৰ মাজতো বানপানী প্ৰপীড়িতক সাহায্য, মাৰি-মৰকৰ সময়ত প্ৰতিৰোধ ব্যৱস্থা সন্নিৱিষ্ট প্ৰচাৰ পুস্তিকা বিতৰণ, ঔষধপাতি বিতৰণ, উৎসৱ আদিত স্বেচ্ছাসেৱক সংগঠিত কৰি নাইবা সেৱাদল লগত লৈ শান্তি শৃঙ্খলা ৰক্ষা কৰা আদি ব্যৱস্থাৰে ৰাইজৰ সেৱা কৰাৰ চেষ্টাও কৰা হৈছিল। বহুকালৰ নিষ্পেষিত জনসাধাৰণৰ লগত নেতা সৃষ্টি কৰা শ্ৰেণীটোৰ ব্যৱধান হ্ৰাস কৰি, সেই মানুহবোৰৰ ওচৰলৈ গৈ, তেওঁলোকৰ লগত আত্মীয়তা গঢ়ি তোলাৰ দৰে জটিল কামটো ৺বৰাৰ দৰে নিষ্ঠাৱান লোকৰ বাবেহে সম্ভৱ হৈছিল।

হাইদৰ হুছেইন

* "বৰা গোপনে কাম কৰাত সিদ্ধহস্ত।"

"অসম কংগ্ৰেছৰ ইতিহাসত গুৰুত্বপূৰ্ণ আন এটা বছৰ হ'ল ১৯৩৭ চন। অসম এচেম্ব্লীৰ নিৰ্বাচন। ৰঙীয়া সমষ্টিত পুনৰ দেশভক্ত ফুকনে কংগ্ৰেছ প্ৰাৰ্থীৰ বিৰুদ্ধে যুঁজিলে। এইবাৰ সিদ্ধিনাথ শৰ্মা হ'ল কংগ্ৰেছ প্ৰাৰ্থী। বৰা আৰু মই দুয়ো ৰঙীয়ালৈ গৈ নিৰ্বাচনৰ কামত উঠিপৰি লাগিলো। নিৰ্বাচনত সিদ্ধি শৰ্মা তথা কংগ্ৰেছ প্ৰাৰ্থীৰ জয় হ'ল। ১৯৩৪, ১৯৩৫ আৰু ১৯৩৭ এই আটাইকেইটা গুৰুত্বপূৰ্ণ বছৰত বৰাৰ দান অনবদ্য। বৰা গোপনে কাম কৰাত সিদ্ধহস্ত।"

ৰাধিকাৰাম দাস

স্বাধীনতা আন্দোলনত নলবাৰী
আৰু
অক্লান্ত কংগ্ৰেছ কৰ্মী—ধাৰেশ্বৰ শৰ্মা

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ মূল ভেটি আছিল গ্ৰামাঞ্চল। যি কোনো আন্দোলন কৃতকাৰ্য কৰি তুলিবলৈ হ'লে দেশৰ সমগ্ৰ জনসাধাৰণৰ সঁহাৰি পাব লাগিব। ভাৰতবৰ্ষৰ আশী শতাংশ লোক আজিও গাঁৱত বাস কৰে। স্বাধীনতা আন্দোলনৰ সময়ত কমেও শতকৰা ৮৫ ভাগ লোক গাঁৱত আছিল। মহাত্মা গান্ধীৰ অহ্বান ক্ৰমে কংগ্ৰেছ স্বেচ্ছাসেৱী আৰু নেতাসকল নগৰৰপৰা গাঁৱলৈ গৈ সংগঠনৰ প্ৰচাৰকাৰ্য চলাইছিল। সমগ্ৰ ভাৰতবৰ্ষৰ গাঁও অঞ্চলৰ লগতে অসমৰ গাঁও অঞ্চললৈকো শ শ কংগ্ৰেছকৰ্মী গতি কৰিছিল। গাঁওবোৰত সংগঠনৰ কামত আগভাগ লৈছিল বিশেষকৈ শিক্ষক আৰু ছাত্ৰসকলে; কিয়নো গাঁৱৰ জনসাধাৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত শিক্ষকৰ সমান প্ৰভাৱ কাৰো নাছিল।

অসমৰ নলবাৰী অঞ্চলটো বহুকালৰেপৰা শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া। দেশ স্বাধীন হোৱাৰ পূৰ্বে নলবাৰী অঞ্চলত মহাবিদ্যালয় স্থাপন হোৱা নাছিল। ঠায়ে ঠায়ে কেইখনমান হাইস্কুল, মজলীয়া স্কুল আৰু প্ৰতিখন গাঁৱতে এখনকৈ বা ততোধিক নিম্ন প্ৰাইমাৰী স্কুল আছিল। সেই বিদ্যালয়সমূহৰ প্ৰায়বিলাক শিক্ষকে প্ৰত্যেক্ষ নাইবা পৰোক্ষভাৱে অসহযোগ আন্দোলনত যোগ দি অশেষ নিৰ্যাতন ভুগিছিল। অৱশ্যে শিক্ষক ছাত্ৰসকলৰ লগতে খেতিয়ক, ব্যৱসায়ীও প্ৰত্যেক্ষভাবে আৰু বহুতো চৰকাৰী

কৰ্মচাৰীয়েও গোপনে আন্দোলনত যোগ দিছিল। বৃহত্তৰ নলবাৰী অঞ্চলটোৰ বহু হেজাৰ লোকে প্ৰত্যেক্ষ নাইবা পৰোক্ষভাৱে আন্দোলনত বৰঙণি যোগাইছিল। বহুতে পুলিচৰ গুলীত মৃত্যু বৰণ কৰিছিল, বহুতে জেল-জৰিমনা ভুগিছিল। জেল-জৰিমনা ভোগ কৰা সকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য কেইগৰাকীমান হ'ল—গৌৰীকান্ত তালুকদাৰ, ধৰ্মকান্ত শৰ্মা, প্ৰতাপচন্দ্ৰ তালুকদাৰ, গগনচন্দ্ৰ পাটোৱাৰী, প্ৰেমনাৰায়ণ পাটোৱাৰী, ললিতচন্দ্ৰ ডেকা, কনকচন্দ্ৰ বৰ্মন, ধৰ্মকান্ত ডেকা, সতীশচন্দ্ৰ কাকতী, জয়চন্দ্ৰ চৌধুৰী, প্ৰভাতচন্দ্ৰ শৰ্মা, হৰিচৰণ পাঠক, শ্ৰীমান প্ৰফুল্ল গোস্বামী, উমাকান্ত শৰ্মা, দেহীৰাম বৰ্মন, কেশৱ ডেকা, কালীৰাম বৰ্মন, জিতেন্দ্ৰমল্ল বৰুৱা, ভৃগুমল্ল বৰুৱা, গৌৰীশঙ্কৰ ভট্টাচাৰ্য্য, পবিত্ৰনাথ শৰ্মা, ডাঃ হৰেকৃষ্ণ গোস্বামী, প্ৰতাপচন্দ্ৰ গোস্বামী, ৰজনীকান্ত গোস্বামী, কৃষ্ণকান্ত শৰ্মা, ধৰ্মকান্ত শৰ্মা, ধীৰদত্ত ডেকা, দিগাম্বৰ কলিতা, ধাৰেশ্বৰ শৰ্মা, জয়দেৱ শৰ্মা, প্ৰভাতচন্দ্ৰ গোস্বামী, তৰুণসেন ডেকা, ভৱানীচৰণ ভট্টাচাৰ্য, দক্ষৰাম বৰুৱা, ৰজতচন্দ্ৰ শৰ্মা, ৰজনীকান্ত শৰ্মা, ডাঃ দামোদৰ শৰ্মা, শৰৎচন্দ্ৰ ডেকা, নবীন দাস, নন্দৰাম বৰুৱা, গিৰিজানন্দ ভট্টাচাৰ্য, ৰাজ্যমল ডেকা, দেৱেশ্বৰ ভট্টাচাৰ্য। প্ৰত্যেক্ষ নাইবা পৰোক্ষভাৱে আন্দোলনৰ লগত জড়িত থাকি নিৰ্যাতন ভোগা সকলৰ ভিতৰত কৈশালচন্দ্ৰ বৰুৱা, ঈশ্বৰচন্দ্ৰ বৰুৱা, ভগৱানচন্দ্ৰ মজুমদাৰ, কনকচন্দ্ৰ দাস, দেবেন দাস, হলধৰ চৌধুৰী, দীননাথ শৰ্মা, চণ্ডী লহকৰ, ৰাজ্যনাথ শৰ্মা, গৌৰীপতি শৰ্মা, আনন্দিৰাম কলিতা, তপোধৰ শৰ্মা, সোণাপতি শৰ্মা, নৰপতি শৰ্মা, লক্ষ্মীনাথ শৰ্মা, পুষ্পধৰ শৰ্মা, মহীধৰ শৰ্মা, মুক্তাৰাম ডেকা, চেনিৰাম ডেকা, ভৃগুৰাম চৌধুৰী, অতুলচন্দ্ৰ বৰুৱা, জ্ঞানচন্দ্ৰ তালুকদাৰ, উগ্ৰচন্দ্ৰ মহন্ত, মহৎচন্দ্ৰ বৰুৱা, অলিৰাম মহন্ত, উপেন্দ্ৰনাথ শৰ্মা, দুলাল ভূঞা, প্ৰবীৰমল্ল বৰুৱা, ৰেৱতী বুজৰবৰুৱা, জ্ঞানেন্দ্ৰমল্ল বুজৰবৰুৱা, ধাতুৰাম ডেকা, অনন্তৰাম ডেকা, পৰশুৰাম ভূঞা, শৰৎ শৰ্মা, মণীন্দ্ৰ শৰ্মা, ভূনাথ শৰ্মা, ললিতচন্দ্ৰ ডেকা,

মদনচন্দ্ৰ ভূঞা, কৃষ্ণকান্ত ভট্টচাৰ্য, গোলাপচন্দ্ৰ ডেকা, বংশীধৰ ডেকা, প্ৰবীণ ডেকা, অমৃত ডেকা, হৰেন্দ্ৰনাথ কলিতা, দেৱক দাস, বন্ধুৰাম কলিতা, উপেন্দ্ৰচন্দ্ৰ ডেকা, প্ৰসন্ন চন্দ্ৰ বৰুৱা, সদানন্দ ডেকা, গোলোকচন্দ্ৰ কাকতি, তাৰিণীচৰণ তালুকদাৰ, গিৰীশচন্দ্ৰ মালাকাৰ, কুমুদ চন্দ্ৰ শৰ্মা, মহেশ চন্দ্ৰ চৌধুৰী, বিশ্বনাথ শৰ্মা, কৰুণাকান্ত শৰ্মা, কালীৰাম নমঃশূদ্ৰ, লোহিতচন্দ্ৰ লহকৰ, তৰুণচন্দ্ৰ লহকৰ, শান্তৰাম দাস, সৃষ্টিৰাম দাস, মাণিক দাস, হেমচন্দ্ৰ বৰ্মা, গোবিন্দ শৰ্মা, তাৰিণী দাস, যাদৱ দাস আদি।

ওপৰত উল্লিখিতসকলৰ ভিতৰত শ্বহীদ কুশল কোঁৱৰৰ লগত সৰুপথাৰত ৰেল বগৰোৱা অভিযোগত অভিযুক্ত অন্যতম আচামী আছিল বাকেৰকুছি গাঁৱৰ (কোটালকুছি) ধৰ্মকান্ত ডেকা। ১৯৩০ চনৰ অসহযোগ আন্দোলনৰ সময়ত পলাশবাৰীত পিকেটিং কৰা অপৰাধত তেখেতৰ ছমাহ সশ্ৰম কাৰাদণ্ড হয়। আৰু ১৯৪২ চনত ৰেল বগৰোৱা অপৰাধত ৬-৩-৪৩ তাৰিখে কুশল কোঁৱৰৰ সৈতে মৃত্যুদণ্ডৰ আদেশ হৈছিল যদিও পিছত মৃত্যুদণ্ডৰপৰা ৰেহাই দি দহ বছৰ সশ্ৰম কাৰাদণ্ডৰ হুকুম দি তেজপুৰ জেলত ৰাখি ৮-৩-৪৫ তাৰিখে মুক্তি দিয়ে। কাৰাগাৰমুক্ত হৈ মৃত্যুৰ সময়লৈকে দেশৰ সেৱাত ব্ৰতী হৈ থাকে। বিশেষ মন কৰিবলগীয়া যে প্ৰায় ছয়ফুট ওখ, লাহি, কিন্তু বক্তিম চেহেৰাৰ ডেকাই ধূতি-পাঞ্জাবী আৰু ছত্ৰপতি শিৱাজীৰ দৰে দীঘল শুৱনি দাড়ি আৰু মূৰত সদায় শুধ বগা কাপোৰৰ পাগুৰি পিন্ধিছিল। শিখধৰ্মী লোকৰ দৰে পঞ্চ ককৃক তেখেতৰ দেহৰ ভূষণ আছিল।

ধৰ্মকান্ত শৰ্মা

নলবাৰীৰ অন্তৰ্গত দেহাৰকুছি অঞ্চলটোৰপৰাও কেবাজনো বিশিষ্ট মুক্তিযুঁজাৰুৱে স্বাধীনতাৰ কাৰণে জীৱন পণ কৰিছিল। তাৰে ছুগৰাকী আছিল ধৰ্মকান্ত শৰ্মা আৰু ধাৰেশ্বৰ শৰ্মা। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ধৰ্মকান্ত শৰ্মাই

৬-১২-২১ তাৰিখৰপৰা ৫-৬-২২ তাৰিখলৈ ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে। তদুপৰি দুশ টকা জৰিমনা আৰু অনাদায়ে পুনৰ ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩০ চনতো অসহযোগ আন্দোলনত যোগ দি ১৪-৫-৩২ চনৰপৰা ২৭-১-৩৩ চনলৈ সশ্ৰম কাৰাদণ্ড ভোগে। আকৌ ১৯৪১ চনৰ অসহযোগ আন্দোলনত মুখ্য ভূমিকা গ্ৰহণ কৰে। ১৯৪২ চনতো আন্দোলনত চমকৃপ্ৰদ ভূমিকা গ্ৰহণ কৰি পুনালৈ যোৱাৰ পথত দাদাৰ ৰেল ষ্টেচনত ২-৮-৪৩ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ১০ দিন ওবলি কেম্প জেলত থাকে। আৰু ১৩-৮-৪৩ তাৰিখে তেখেতক পুনা ৰেল ষ্টেচনত গ্ৰেপ্তাৰ কৰি য়াৰবেদা জেলত ৭ দিন বন্দী কৰি থয়। তাৰ পাছত আগাখাঁ প্ৰাসাদৰ সন্মুখত ৯-৯-৪৩ তাৰিখে সত্যাগ্ৰহ কৰা অপৰাধত গ্ৰেপ্তাৰ কৰি ৭ দিন জেল হাজোতত ৰাখি তিনিমাহ সশ্ৰম কাৰাদণ্ড বিহে। ২৮-১২-৪৩ তাৰিখে মুক্তি দি পুলিচৰ পহৰাত অসমলৈ অনা হয়। ১৫ মাহ সশ্ৰম কাৰাদণ্ড ভোগাৰ পিছত ১-৩-৪৪ তাৰিখে তেখেতক মুক্তি দিয়া হয়।

ধাৰেশ্বৰ শৰ্মা

এইগৰাকী প্ৰসিদ্ধ মুক্তিযুঁজাৰুৰে বংশৰ সহযোগী বিপ্লৱী কংগ্ৰেছ নেতা, নিষ্ঠাৱান সমাজকৰ্মী সিংহবিক্ৰমী ধাৰেশ্বৰ শৰ্মা। ধাৰেশ্বৰ শৰ্মাই কংগ্ৰেছ আন্দোলনৰ বেছিভাগ সময় ধৰ্মকান্ত শৰ্মাৰ লগত গাটোতে ছাঁটোৰ দৰে লাগি থাকি দেশৰ সেৱা কৰিছিল। পুণালৈ যাওঁতে ধৰ্মকান্ত শৰ্মাৰ লগতে ধাৰেশ্বৰ শৰ্মা আৰু ভৈৰৱ শৰ্মায়ে গ্ৰেপ্তাৰ বৰণ কৰে। ধাৰেশ্বৰ শৰ্মাই কংগ্ৰেছ সংগঠনত সক্ৰিয়ভাৱে ১৯৩০ চনৰ অসহযোগ আন্দোলনৰ সময়ৰপৰা যোগ দিয়ে। ১৯৪১ চনৰ ৩০-১-৪১ তাৰিখে বাহাৰঘাটত সত্যাগ্ৰহ আৰম্ভ কৰিছিল যদিও তেতিয়া গ্ৰেপ্তাৰ বৰণ কৰিবলগীয়া নহ'ল।

কামৰূপ জিলাৰ একালৰ বল্লভা আৰু এতিয়াৰ বৰলীয়া নামে

প্ৰখ্যাত নদীৰ উপকূলবৰ্তী দেহাৰকুছি নামৰ সংস্কৃত পণ্ডিতৰ গাঁও এখনত মুক্তিযুঁজাৰু ধাৰেশ্বৰ শৰ্মাৰ ১৯১৪ চনৰ ২৪ জুলাই তাৰিখে জন্ম হয়। তেখেতৰ পিতৃ কমলেশ্বৰ শৰ্মা আৰু মাতৃ সাৰদা দেৱীয়ে অভাৱ-অনাটনৰ মাজত জীৱন যাপন কৰিছিল। গাঁৱৰে ওচৰৰ বৰখালা ইংৰাজী বিদ্যালয়ৰপৰা এম. ই পাছ কৰি সংৰক্ষণশীল পিতৃ-মাতৃৰ ওচৰৰপৰা বৰপেটা ৰোডৰ আঠিয়াবাৰীলৈ পলাই গৈ হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। কিন্তু অৰ্থৰ অভাৱত অষ্টমমান শ্ৰেণীতে আনুষ্ঠানিক শিক্ষা সামৰি থৈ প্ৰাইমাৰী বিদ্যালয়ত শিক্ষকতা জীৱন আৰম্ভ কৰে। তেখেতৰ পত্নী শ্ৰীমতী সৰ্বেশ্বৰী দেৱী আৰু দুজন পুত্ৰৰ জ্যেষ্ঠপুত্ৰ ডক্টৰ মাধৱচন্দ্ৰ শৰ্মা (গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডেপুটি কণ্ট্ৰোলাৰ)। জীৱনৰ শেষকালত ধাৰেশ্বৰ শৰ্মাদেৱে গুৱাহাটীৰ ৰূপনগৰ অঞ্চলত স্থায়ীভাৱে বসবাস কৰে। ভালেমান মানৱসেৱা, সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত থকাৰ উপৰিও দলৰ এজন একনিষ্ঠ কৰ্মী হিচাপে তেখেতে দিনে-ৰাতি কাম কৰিছিল। ৰূপনগৰৰ শ্ৰীশ্ৰীবৃন্দাবনধাম আশ্ৰমখনিৰ শৰ্মা সভাপতিয়েই নাছিল ; এই অনুষ্ঠানটোৰ উদ্ভাৱন কালৰেপৰা তেখেতে উত্তৰোত্তৰ উন্নতিৰ কামনা কৰি আহিছিল। তদুপৰি নিজৰ জন্মস্থানত স্থাপিত হোৱা বৰখালা হাইস্কুল, পাত্ৰপুখুৰী হাইস্কুল আৰু গুৱাহাটী উলুবাৰী হাইস্কুলৰ পৰিচালনা সমিতিৰ সদস্যৰূপে থাকি সক্ৰিয় সহযোগ আগবঢ়াইছিল।

শৰ্মা গান্ধীবাদী আছিল যদিও নিজক কেতিয়াও দুৰ্বল বুলি ভবা নাছিল। প্ৰয়োজন হ'লে ইংৰাজ চৰকাৰৰ অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে সিংহৰ দৰে গৰ্জন কৰি উঠিব পৰা সাহসো তেখেতৰ আছিল। অৱশ্যে এনে ধৰণৰ সাহসিক কাৰ্য কৰিবলৈ যাওঁতে ৰাজনৈতিক জীৱনত তেখেতে বহুতো নিৰ্যাতন ভুগিবলগীয়া হৈছিল। শ্ৰীগৌৰী-শঙ্কৰ ভট্টাচাৰ্যদেৱৰপৰা জনা মতে গাঁও অঞ্চলত শৰ্মাই সংগঠনৰ কাম কৰোঁতে এবাৰ হেনো ইংৰাজৰ পদলেহনকাৰী ব্যৱসায়ী এজনে

তজ্ বজীয়া কংগ্ৰেছ স্বেচ্ছাসেৱী শৰ্মাক মাৰধৰ কৰি নিজৰ চ'ৰা ঘৰৰ খুটাত বান্ধি থৈছিল। দেশ স্বাধীন হোৱাৰ পিছত সেই ব্যৱসায়ীজনে নিজকে হেনো মুক্তিযুঁজাৰু, প্ৰসিদ্ধ কংগ্ৰেছ নেতা বুলি ৰাইজক প্ৰতাৰণা কৰিছিল।

গান্ধীবাদত শৰ্মাৰ বিশ্বাস থাকিলেও পূৰাপূৰি অহিংস নীতিত নাছিল বুলি ক'ব পাৰি। ঘোৰ চৰমপন্থী নহ'লেও নৰমপন্থী নিশ্চয় নাছিল। ১৯৪২ চনৰ ইংৰাজৰ ভাৰত ত্যাগ আন্দোলত সক্ৰিয় অংশ গ্ৰহণ কৰি—ৰেল বগৰোৱা, বিমান কোঠ অৱৰোধ কৰা আদি কাৰ্য কৰিছিল। ১৯৪২ চনত ৰঙিয়া আৰু পুঠিমাৰীৰ মাজত ইংৰাজ সৈন্যবাহিনীৰ কাৰণে ৰচদপাতি কঢ়িয়াই নিয়া, মালগাড়ী বগৰোৱা, ১৯৪৩ চনত সৰভোগ বিমান কোঠ ধ্বংস কৰা কামতো শৰ্মা সক্ৰিয়ভাৱে লিপ্ত আছিল। এনেবোৰ দুঃসাহসিক ইংৰাজ বিৰোধী কামৰ অপৰাধত শৰ্মাই তিনিবাৰ কাৰাবৰণ কৰাৰ উপৰিও প্ৰায় ৫ বছৰকাল পলাতক অৱস্থাত আছিল।

দেশ স্বাধীন হোৱাৰ পিছত শৰ্মাই গুৱাহাটী জিলা কংগ্ৰেছৰ লগত ওতপ্ৰোত সম্বন্ধ ৰাখিছিল। তেখেত গুৱাহাটী জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদক, অসম প্ৰাদেশিক কংগ্ৰেছৰ নিৰ্বাচিত সদস্য আৰু শেষৰ ফালে (১৯৭৮-৮১) সদৌ অসম মুক্তিযুঁজাৰু সংগঠনৰ সম্পাদক আছিল। তদুপৰি নিখিলভাৰত মুক্তিযুঁজাৰু সন্মিলনৰো তেখেত আমন্ত্ৰিত সদস্য আছিল। শৰ্মাৰ কৰ্মময় জীৱনৰ আন এটি উল্লেখযোগ্য ঘটনা যে তেখেত সৰ্বভাৰতীয় বহুতো ডাঙৰ নেতাৰ প্ৰিয়ভাজন তথা আস্থাভাজন আছিল। ভাৰত বিখ্যাত শ্ৰমিকনেতা শীলভদ্ৰৰ লগ লাগি শ্ৰমিক আইন প্ৰস্তুত কৰা আৰু সমাজ কল্যাণ বিভাগটো উন্নত কৰাত আগভাগ লৈছিল।

নিজৰ গাঁও অঞ্চলত শিক্ষানুষ্ঠান, স্বাস্থ্যানুষ্ঠান আদি পতাত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱাৰ উপৰিও ছাত্ৰাৱস্থাতে ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ সময়ত দেহাৰকুছিত 'কামৰূপ যুৱক সঙ্ঘ', পুথিভঁড়াল,

কলাকৃষ্টিৰ উন্নতিৰ কাৰণে যাত্ৰাভিনয়ৰ দল আদি খোলে। ১৯৩১ চনত তেখেত পশ্চিম বৰিগোগ মৌজা কংগ্ৰেছৰ সম্পাদক আছিল। শৰ্মাৰ বিপ্লৱী জীৱনৰ ইতিহাস বিস্তৃত আৰু দীৰ্ঘম্যাদী। ১৯৩১ চনত, ছাত্ৰাৱস্থাতে অসহযোগ আন্দোলনত জঁপিয়াই পৰাৰপৰা দেশ স্বাধীন হোৱালৈকে প্ৰতিটো আন্দোলনতে তেখেতৰ লেখত ল'বলগীয়া অৱদান আছে।

পৰিতাপৰ বিষয় এইজন মহান দেশসেৱকক ১৯৮১ চনৰ জুলাই মাহৰ শেষৰফালে মুক্তিযুঁজাকৰ হিতকামনা কৰাৰ উদ্দেশ্যে দিল্লীলৈ গৈ ওভতি অহাৰ পথত আলিপুৰ দুৱাৰ জংচনত অসমীয়া বিৰোধী চক্ৰটোৰ কেইজনমান দুৰ্বৃত্তই চোকা অস্ত্ৰেৰে আঘাত কৰে। গুৰুতৰ অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ অনা হৈছিল যদিও পত্নী, দুজন পুত্ৰ আৰু চাৰিগৰাকী কন্যা এৰি থৈ ২৯ জুলাই তাৰিখে তেখেতে শেষ নিশ্বাস এৰে।

> "For me, it is quite true, as I have often declared, 'ahinsa' comes before swaraj, I would not care to get power through anarchy and red ruin, among other things, because I want freedom and power even for the least among the people."
> —Mahatma Gandhi

ৰজনীকান্ত গোস্বামী

অসম ছাত্ৰ সন্মিলনী আৰু ৰজনীকান্ত গোস্বামী অগ্নি আৰু অগ্নিৰ দাহিকা শক্তিৰ দৰে অভিন্ন ৰূপ। এইগৰাকী আজন্ম ছাত্ৰনেতাই অসম ছাত্ৰ সন্মিলনটোক এটি বাস্তৱ ৰূপ দিয়াৰ গৌৰৱ কৰিব পাৰে। অৱশ্যে এই অনুষ্ঠানটোৰ গুৰিত থাকি যিকেইজন স্বনামধন্য ব্যক্তিয়ে বল দিছিল যিসকলৰ ভিতৰত প্ৰাতঃস্মৰণীয় ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, দেশভক্ত তৰুণৰাম ফুকন, লোকনায়ক অমিয় কুমাৰ দাস, পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ দেৱৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেখেতসকলৰ উপৰিও কেইগৰাকীমান ছাত্ৰনেতা—শ্ৰীদেবেন্দ্ৰনাথ শৰ্মা, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, শ্ৰীদেৱেশ্বৰ শৰ্মা, বেলিৰাম দাস, শ্ৰীৰাধিকাৰাম দাস আৰু লক্ষ্মীধৰ বৰা ঘনিষ্ঠভাৱে জড়িত থাকি ছাত্ৰ সংগঠনটো আগবঢ়াই নিয়াত অবিৰাম চেষ্টা চলাইছিল।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ পূৰ্ববৰ্তী কালছোৱাত অসমত প্ৰকৃতপক্ষে কোনো স্বকীয়া ৰাজনৈতিক অনুষ্ঠান নাছিল। 'অসম ছাত্ৰ সন্মিলনী' আৰু 'আসাম এছোচিয়েচন' এই দুটা সংগঠনে অসমৰ স্বাৰ্থৰক্ষা তথা সাহিত্য-সংস্কৃতিৰ উন্নয়নমূলক চিন্তা-চৰ্চা কৰাৰ উপৰিও ৰাজনৈতিক দিশতো অৰিহণা যোগাই আহিছিল। সময়ত অসমতো ভাৰতীয় জাতীয় কংগ্ৰেছৰ শাখা এটা খোলাৰ ব্যৱস্থা কৰা হৈছিল।

অসম ছাত্ৰ সন্মিলনীৰ জন্ম হয় ১৯১৬ চনত। ১৯২১ চনত গঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অসম শাখাটো শক্তিশালী হৈ উঠাত আসাম এছোচিয়েচন আৰু অসম ছাত্ৰ সন্মিলন এই সংগঠন দুটাও অসম কংগ্ৰেছৰ শাখাটোৰ লগত সনাপোতোকা হৈ পৰে। এক কথাত ক'বলৈ গ'লে ১৯২১ চনত 'আসাম এছোচিয়েচন' নামৰ

সংগঠনটো প্ৰায় নাইকিয়া হোৱাত অসম ছাত্ৰ সন্মিলনী অনুষ্ঠানটো বিশেষ শক্তিশালী হৈ উঠে আৰু ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ পৰিপ্ৰেক্ষিতত অসম কংগ্ৰেছৰ সৌঁহাত স্বৰূপ হয়। ১৯২৭ চনৰ-পৰা ৰজনীকান্ত গোস্বামী অসম ছাত্ৰ সন্মিলনীৰ গুৰি ধৰোঁতা হিচাপে থাকি অসম কংগ্ৰেছৰ মাজেদি ভাৰতৰ স্বাধীনতা আন্দোলনত স্মৰণযোগ্য অৱদান আগবঢ়াইছিল।

১৯০৩ চনত, হালধিবাৰীৰ ওচৰৰ পল্লা নামৰ বৈষ্ণৱ সত্ৰখনিৰ পৱিত্ৰ পৰিৱেশৰ মাজত ৰজনীকান্ত গোস্বামীদেৱৰ জন্ম হয়। ১৯২৭ চনত গুৱাহাটী কটন কলেজৰপৰা তেখেতে স্নাতক উপাধি লাভ কৰে। তাৰ পিছত 'আৰ্ল ল' কলেজৰপৰা আইনৰ উপাধি লাভ কৰি আইন ব্যৱসায়ত যোগ দিয়ে। আইনৰ শিক্ষা লাভ কৰি থকা সময়তে ১৯২৭ চনত খোদাবক্সৰ সভাপতিত্বত বহা অসম ছাত্ৰ সন্মিলনীৰ গুৱাহাটী অধিৱেশনত ৰজনীকান্ত গোস্বামী তেজোদ্দীপ্ত ভাষণ দি এজন ছাত্ৰনেতা হিচাপে স্বীকৃতি লাভ কৰে। সেই অধিৱেশনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ কুমাৰী মেওক ভাৰতবিদ্বেষমূলক মন্তব্যৰ বাবে গৰিহণা দিয়া হয়। উল্লেখ কৰিব পাৰি যে কুমাৰী মেওৱে 'মাডাৰ ইণ্ডিয়া' নামৰ পুথিখনিত ভাৰতবাসীৰ সম্পৰ্কে কিছুমান সন্মান হানিকৰ ব্যক্তব্য দাঙি ধৰিছিল। অসম ছাত্ৰ সন্মিলনে ৰজনীকান্ত গোস্বামীৰ নেতৃত্বত অধিৱেশন পাতি মেওৰ উক্তিৰ ঘোৰ প্ৰতিবাদ জনাইছিল। সেই বছৰতে দেশভক্ত ফুকনৰ পৌৰোহিত্যত তেজপুৰত অসম ছাত্ৰ সন্মিলনীৰ অধিৱেশন বহিছিল আৰু সেই অধিৱেশনতে গোস্বামীক সন্মিলনীৰ সম্পাদক নিৰ্বাচন কৰা হৈছিল।

ৰজনীকান্ত গোস্বামী এগৰাকী বিচক্ষণ বুদ্ধিৰ নৱমপন্থী ছাত্ৰনেতা আছিল। গান্ধীবাদত সম্পূৰ্ণ আস্থাভাজন গোস্বামীয়ে ছাত্ৰ সমাজ আৰু জনসাধাৰণৰপৰা পূৰ্ণ সমৰ্থন আৰু সক্ৰিয় সহযোগ লাভ কৰিছিল, যাৰ ফলত তেখেত এজন আগশাৰীৰ ছাত্ৰনেতা হিচাপে

প্ৰতিটো আন্দোলনতে ফলৱতী হ'ব পাৰিছিল। অসম ছাত্ৰ সন্মিলনীৰ লগত তেখেতৰ সম্পৰ্কে কেতিয়া, কিদৰে ঘটিছিল তেখেতৰ স্বহস্তে লিখাৰপৰা জানিব পাৰি—"মই ১৯২৭ চনৰপৰাই অসম ছাত্ৰ সন্মিলনীৰ সম্পাদক আছিলো আৰু সেই সময়ত অসম ছাত্ৰ সন্মিলনীৰ নিৰ্দেশক্ৰমে বন্ধৰ সময়ত ছাত্ৰসকলে সেৱাকৰ্ম হিচাপে গাঁৱে-ভুঁৱে গৈ মেলেৰীয়া, মাদকদ্ৰব্য নিবাৰণ, অস্পৃশ্যতা বৰ্জন আদি কাৰ্য্য হাতত লৈ অসমবাসীৰ সমাদৰ লাভ কৰিছিলো।"

স্মৰণযোগ্য যে ১৯২৯ চনত, গোলাঘাটত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াৰ সভাপতিত্বত অসম ছাত্ৰ সন্মিলনীৰ অধিৱেশন বহিছিল। সেই অধিৱেশনত ছাত্ৰসকলে ৰাজনীতিত যোগ দিয়াৰ সপক্ষে দৃঢ় মত গঢ়ি তুলিছিল। সন্দিকৈ ডাঙৰীয়াই ছাত্ৰ সন্মিলনীৰ এই বিপ্লৱী সিদ্ধান্তৰ প্ৰতি অভিনন্দন জনাই দুগুণে উৎসাহিত কৰিছিল।

মন কৰিবলগীয়া কথা যে ১৯৩০ চনৰ আন্দোলনত অসমে যোগ দিয়া নাছিল। আনকি মহাত্মা গান্ধীৰ 'লোণ আইন' ভঙ্গৰ বিখ্যাত 'ডাণ্ডি যাত্ৰা'তো অসমে ভাগ ল'ব খোজা নাছিল। এই সম্পৰ্কত গোস্বামীদেৱে এনেদৰে উল্লেখ কৰিছে—"১৯২৯ চনৰ শেষ ৰাতি; ভাৰতীয় কংগ্ৰেছে পূৰ্ণস্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু ১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখে জাতীয় পতাকা উত্তোলন কৰি তাৰ তলত পূৰ্ণস্বাধীনতাৰ দাবী কৰিবলৈ দেশবাসীলৈ আহ্বান জনায়। কিন্তু বৰ অভাৱনীয় কথা যে তাত অসমবাসীয়ে সহযোগ কৰা নাছিল। তেতিয়া দেশভক্ত ফুকন প্ৰমুখ্যে ১৯২১ চনৰ অসহযোগ আন্দোলনৰ অগ্ৰণী নেতাসকলে স্থিৰ কৰিছিল যে এই আন্দোলনত অসমে যোগ নিদিয়ে। তাৰ পিচত এপ্ৰিল মাহত মহাত্মাই 'লোণ আইন' অমান্য কৰি লোণ প্ৰস্তুত কৰিবলৈ 'ডাণ্ডি যাত্ৰা' আৰম্ভ কৰে। লগে লগে সমগ্ৰ ভাৰততে নানাৰকমৰ আইন অমান্য আন্দোলন আৰম্ভ হয়। তেতিয়াও কিন্তু অসমে নীৰৱে থাকে। এনে অৱস্থাত কিছুমান ডেকা কংগ্ৰেছ কৰ্মীৰ পক্ষে নীৰৱে থকাটো

অসহনীয় হৈ পৰে। তেতিয়া ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, তেওঁৰ প্ৰিয়বন্ধু জননেতা অমিয় কুমাৰ দাসক লগত লৈ গুৱাহাটীত উপস্থিত হয়। তেখেতসকলে ৰামেশ্বৰ শইকীয়াৰ ঘৰত মোক লগ ধৰে আৰু অসম ছাত্ৰ সন্মিলনক আইন অমান্য আন্দোলন চলাবলৈ অনুৰোধ কৰে। মই তেখেতসকলক জনাওঁ যে সন্মিলনী নিয়মাৱলী (Constitution) অনুসৰি কোনো ৰাজনৈতিক বিষয়ক কাৰ্য্য বা প্ৰস্তাৱ ল'ব নোৱাৰে। তথাপি মই মোৰ সহকৰ্মীসকলৰ লগত আলোচনা কৰি এই বিষয়ত কি কৰিব পৰা যায় তেখেতসকলক জনাম বুলি কৈ বিদায় ল'লো।"

ব্যক্তিয়েই হওক, অনুষ্ঠানেই হওক পৰিস্থিতিৰ দাস। তেতিয়াৰ অসমৰ শিক্ষাধিকৰ্ত্তা কানিংহাম চাহাবৰ কুখ্যাত চাৰ্কুলাৰখনে অসম ছাত্ৰ সন্মিলনীক আওপকীয়াকৈ ৰাজনীতিত নামিবলৈ বাধ্য কৰালে। গোস্বামীৰ ভাষাত—"সেই সময়তে অসম গৱৰ্ণমেণ্টে শিক্ষা বিভাগৰ ডিৰেক্টৰ কানিংহাম চাহাবৰ দ্বাৰা এখন চাৰ্কুলাৰ জাৰি কৰে, যে ছাত্ৰসকলে কোনো ৰাজনৈতিক কাৰ্য্যত যোগ দিব নোৱাৰিব আৰু তেনে কৰিলে, ছাত্ৰসকলক স্কুল-কলেজৰপৰা বহিস্কাৰ কৰা হ'ব। নাবালক ছাত্ৰসকলে তেনে কৰিলে অভিভাবকসকল দায়ী হ'ব। এই চাৰ্কুলাৰখনেই 'কুখ্যাত কানিংহাম চাৰ্কুলাৰ বুলি' জনাজাত হৈছিল আৰু ইয়াৰ প্ৰতিবাদকল্পে গুৱাহাটীৰ ৰাইজে 'কামৰূপ একাডেমী' নাম দি এখন নতুন স্কুল স্থাপন কৰিছিল।"

কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ জনাবলৈ গোস্বামী তেখেতৰ সহকৰ্মী - লক্ষ্মীধৰ বৰা, মহেন্দ্ৰ মোহন চৌধুৰী, বেলিৰাম দাস প্ৰমুখ্যে বহুতো মিলিত হৈ অসম ছাত্ৰ সন্মিলনীৰ এখন বিশেষ অধিৱেশন গুৱাহাটীৰ পাণবজাৰৰ হৰিসভা প্ৰাঙ্গণত আহ্বান কৰিলে। গোস্বামীৰ লেখাত—"সেই অধিৱেশনতে কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত ছাত্ৰসকলক স্কুল-কলেজ পৰিত্যাগ কৰিবলৈ আহ্বান জনায় আৰু স্কুল-কলেজ পৰিত্যাগ কৰি অহা সকলক আইন

অমান্য আন্দোলনত যোগ দিবলৈ আমি চেষ্টা কৰিম। সেইদিনা সন্ধিয়াই ত্যাগবীৰ বৰুৱা আৰু দাসক লগ ধৰো আৰু তেওঁলোকক আমাৰ সিদ্ধান্তৰ বিষয়ে কোৱাত তেওঁলোকেও আমাৰ মতত সমৰ্থন জনায়।"

নিৰ্ধাৰিত কাৰ্য্যসূচী অনুসৰি ৰজনীকান্ত গোস্বামীৰ তেতৃত্বত পোন্ধৰ দিনৰ ভিতৰতে অসম ছাত্ৰ সন্মিলনীৰ বিশেষ অধিৱেশন অমিয় কুমাৰ দাসৰ সভাপতিত্বত বহিব বুলি জাননী দিয়া হ'ল। অধিৱেশনত এটি সৰ্বসন্মত প্ৰস্তাৱযোগে ছাত্ৰসকলক স্কুল-কলেজ এৰিবলৈ জনোৱা হয় আৰু লক্ষ্মীধৰ বৰাৰ তৎপৰতাত গুৱাহাটীৰ ভালেমান সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাই আন্দোলনৰ পিকেটিঙৰ কাৰ্য্য-সূচীত যোগ দিয়েছি। পিকেটিং আৰম্ভ হোৱাত প্ৰায় সকলো ছাত্ৰই শ্ৰেণী বৰ্জন কৰি ওলাই আহিল আৰু কটন কলেজৰ বুধিয়ক প্ৰিন্সিপাল ব্ৰাউন চাহাবেও সেই দিনটো হঠাতে বন্ধৰ দিন বুলি ঘোষণা কৰি ওলাই আহিল।

এইদৰে সংগ্ৰামী নেতা ৰজনীকান্ত গোস্বামীৰ নেতৃত্বত অসমৰ ছাত্ৰশক্তি ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি অসম আৰু অসমবাসীৰ সন্মান ৰক্ষা কৰিছিল। অকল সিমানেই নহয়; বহুতো ছাত্ৰনেতাই কংগ্ৰেছৰ সদস্যভুক্ত হ'বলৈ আগ্ৰহ প্ৰকাশ কৰিলে। সেই সময়ত গুৱাহাটী জিলা কংগ্ৰেছৰ সম্পাদক আছিল সিদ্ধিনাথ শৰ্মা ডাঙৰীয়া। পিকেটিঙৰ পিছদিনা গোস্বামী কেইজনমান ছাত্ৰনেতাক লগত লৈ শৰ্মাদেৱক দেখা কৰি তেখেতসকলৰ সিদ্ধান্তৰ কথা জনালে। সেই বৈঠকত সৌভাগ্যক্ৰমে ত্যাগবীৰ বৰুৱা আৰু অমিয় কুমাৰ দাসো উপস্থিত আছিল। তেখেতসকলে ছাত্ৰনেতাসকলৰ স্বদেশপ্ৰেমমূলক কাৰ্য্যৰ ভূয়সী প্ৰশংসা কৰিলে আৰু তেখেতসকলৰ অনুৰোধ তৎকালে ৰক্ষা কৰাৰ উপৰিও লক্ষ্মীধৰ বৰাদেৱক গুৱাহাটী জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদক নিযুক্ত কৰিলে। লগে লগে ছাত্ৰসকলে কংগ্ৰেছৰ আঁচনি ৰূপায়ণ

কৰাত হাতেকামে লাগি গ'ল। তাৰ পিছদিনাই বৰা, তীৰ্থনাথ শৰ্মা, বেলিৰাম দাস, গোস্বামী আৰু ভালেমান ছাত্ৰনেতা ৰঙিয়া আৰু নলবাৰী অঞ্চললৈ যাত্ৰা কৰে। নলবাৰী অঞ্চলৰ বিভিন্ন গাঁৱত বক্তৃতা দি ফুৰোঁতে কমাৰকুছিৰ ওচৰৰ আৰঙ্গমৌ গাঁৱৰ সভাত ভাষণ দি থাকোঁতে তেখেতসকলক গ্ৰেপ্তাৰ কৰি পিছত কাৰাবাসৰ হুকুম দিয়ে। সেইবাৰ গোস্বামীৰ চাৰিমাহ কাৰাবাস আৰু এশটকা জৰিমনাৰ হুকুম হয়। জৰিমনা দিবলৈ অস্বীকাৰ কৰাত অধিক ডেৰমাহ জেলত থাকিবলগীয়া হয়।

১৯৩২ চন। ঘূৰণীয়া মেজমেলৰ আলোচনা সফল নোহোৱাত মহাত্মা গান্ধী দেশলৈ উভতি আহিয়েই পুনৰ আন্দোলন আৰম্ভ কৰিবলৈ দেশবাসীক আহ্বান জনায়। কানিংহাম চাৰ্কুলাৰৰ পৰিপ্ৰেক্ষিতত ৰজনীকান্ত গোস্বামীৰ নেতৃত্বত অসম ছাত্ৰ সন্মিলনী লোৱা বলিষ্ঠ পদক্ষেপৰ বিষয়ে বিশিষ্ট সাংবাদিক আৰু অন্যতম প্ৰসিদ্ধ মুক্তিযুঁজাৰু শ্ৰীসতীশচন্দ্ৰ কাকতীদেৱে এনেদৰে উল্লেখ কৰিছে—"The lead which Goswami gave at this juncture was remarkable. In fact the Civil Disobedient movement in 1930—the second phase of the Independence Movement under Gandhiji was chiefly a student movement and the credit of the glorious role of Assam students was largely due to Goswami's leadership under the overhaul supervision of Congress leaders like Bisnuram Medhi, Tyagvir Hemchandra Barua, Omeokumar Das and a host of students leaders like Shri Bijoy Chandra Bhagavati, Shri Debendra Nath Sarma and Beliram Das."

অসম ছাত্ৰ সন্মিলনীৰ প্ৰাণ-প্ৰতিষ্ঠাতা, অক্লান্ত মুক্তিযুঁজাৰু

ৰজনীকান্ত গোস্বামী ক্ৰমেও তিনিবাৰ কাৰাবাস বৰণ কৰিছিল। দ্বিতীয় বাৰ ১৯৩২ চনৰ ২৫ এপ্ৰিলৰ দিনা গ্ৰেপ্তাৰ বৰণ কৰে। সেইবাৰো তেখেতৰ চাৰি মাহ সশ্ৰম কাৰাবাস আৰু এশটকা জৰিমনা হয়। জৰিমনা অনাদায়ে আৰু এমাহ অধিক সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩২ চনৰ ১৪ অক্টোবৰ তাৰিখে তেখেতে মুক্তি লাভ কৰে। ১৯৪২ চনৰ 'ইংৰাজৰ ভাৰতত্যাগ' আন্দোলনত গোস্বামীদেৱে সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল যদিও মহাত্মা গান্ধীৰ নেতৃত্বাধীন ভাৰতীয় জাতীয় কংগ্ৰেছ অনুষ্ঠানটিৰ প্ৰতি তেখেতৰ অকুণ্ঠ সমৰ্থন আছিল।

ৰজনীকান্ত গোস্বামী অকল সুদক্ষ ছাত্ৰনেতা আৰু প্ৰসিদ্ধ মুক্তি-যুঁজাৰুয়েই নাছিল; লগে লগে আছিল এজন প্ৰখ্যাত আইনবিদ্, সুসাহিত্যিক, সুবক্তা, সমাজ সংস্কাৰক আৰু নিস্বাৰ্থী সমাজসেৱী। তেখেতৰ মানত উচ্চ-নীচৰ প্ৰভেদ নাছিল। দেশ আৰু দহৰ হিত চিন্তাই তেখেতৰ জীৱনৰ মূল লক্ষ্য আছিল। গীতাধৰ্মী গোস্বামীদেৱে হৰ্ষ-বিষাদ সুখ-দুখ, জন্ম-মৃত্যু সকলোকে সমজ্ঞান কৰি চলিব পাৰিছিল। তেখেতৰ পৰলোক প্ৰাপ্তিৰ এবছৰ পূৰ্বে তেখেতৰ সহধৰ্মিনীৰ পৰলোক প্ৰাপ্তি ঘটিছিল। দ্বিতীয়দিনা আমি সমবেদনা জনাবলৈ তেখেতৰ ভৰলুমুখৰ বাসভৱনত উপস্থিত হৈছিলো। তেখেতৰ বিছনাৰ কাষতে চকী এখনত বহিবলৈ দিলে। ইতিমধ্যে কেইজনমান ব্যক্তি তেখেতৰ কোঠাত বহি আছিল। আচৰিত কথা—সহধৰ্মিনীৰ মৃত্যুয়ে তেখেতৰ হৃদয়ত বিশেষ আঘাত দিয়া যেন অনুমান নহ'ল। মৃত্যুক ইমান সহজভাৱে ল'ব পৰা ব্যক্তি খুব কমেই দেখিছো। প্ৰায় এঘণ্টা সময় তেখেতৰ ওচৰত বহি থাকি ধৰ্মজ্ঞান আৰু ৰাজনীতিৰ চিত্তবিনোদক আলোচনা শুনি ওভতি আহিছিলো।

দেশ স্বাধীন হোৱাৰ পিছতো তেখেত স্বাধীন ব্যৱসায় আইন চৰ্চাতে একনিষ্ঠভাৱে ব্ৰতী হৈ আছিল। ১৯৫৬ চনৰপৰা তেখেতে চৰকাৰী চিনিয়ৰ এড্‌ভোকেট হিচাপে কাম কৰিছিল। 'ইণ্ডিয়ান

ল' ৰিপোৰ্ট'ৰ অসম গোটৰ তেখেত যোগ্য সম্পাদক আছিল। মুক্তি-যুঁজাৰু আৰু স্বতন্ত্ৰ সৈনিকৰ সন্মানসূচক তাম্ৰপত্ৰ লাভ কৰা গোস্বামীদেৱক গুৱাহাটী উকীল সন্থাই হাৰ্দিক সম্ভাষণ জনাইছিল। ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ ১৬ তাৰিখে চাৰিকুৰিতিনি বছৰ বয়সত গোস্বামীদেৱৰ পৰলোক প্ৰাপ্তি ঘটে। গোস্বামী এজন আদৰ্শ পিতৃ আছিল। মৃত্যুৰ সময়ত আইনবিদ্ তথা প্ৰবীণ সংসদী সদস্য শ্ৰীদীনেশ চন্দ্ৰ গোস্বামী প্ৰমুখ্যে সাতজন যোগ্যৱান পুত্ৰ আৰু এগৰাকী কন্যা এৰি থৈ গৈছে।

'পথৰ সন্ধান' গোস্বামীদেৱৰ ৰাজনৈতিক ভিত্তিত লিখা উপন্যাস। উপন্যাসখনি তেখেতৰ ওড়িশা ভ্ৰমণৰ বিশেষকৈ পুৰী জগন্নাথ ভ্ৰমণৰ আলমলৈ লিখা হৈছে যদিও তাত স্বাধীনোত্তৰ কালৰ ভাৰতবৰ্ষৰ, আঁওপকীয়াকৈ অসমৰ এচাম দুৰ্নীতিপৰায়ণ মন্ত্ৰী বিষয়াৰ কুকাৰ্যৰ কথা বৰ্ণনা কৰা হৈছে। একান্ত গান্ধীবাদী গোস্বামীদেৱে মহাত্মা-গান্ধীৰ কল্পিত ৰামৰাজ্যৰ ঠাইত দানৱৰ কাৰ্যকলাপ চলিবলৈ ধৰাত হৃদয়ত দুখ অনুভৱ কৰি তাকে পাতলাবৰ কাৰণে এই উপন্যাসখনিৰ আশ্ৰয় লোৱা যেন অনুমান হয়। তেখেতৰ লেখাৰপৰা দুটিমান উদ্ধৃতি দিয়া হ'ল—

* ত্ৰিবৰ্ধনেও (মুখ্যমন্ত্ৰী) যে ইমান তললৈ নামিব পাৰে মই ভাবিবইপৰা নাছিলো।
* যোৱা পাঁচ ছয় বছৰৰপৰা বহু ক্ষেত্ৰত মই কংগ্ৰেছক সমৰ্থন কৰিবপৰা নাই।
* মন্ত্ৰীকে আদি কৰি চৰকাৰী বিষয়াৰ চৰিত্ৰহীনতা, ৰাজহুৱা ধনৰ আত্মসাৎ, বিধি-বিধান উলঙ্ঘা আদি বিষয়লৈ ৰাইজৰ মনত সন্দেহৰ উদ্ৰেক হ'লে ৰাইজৰ প্ৰত্যেকেই সন্দেহ ভঞ্জনৰ বাবে মেল-মিটিং বা ব্যক্তিগত ভাৱে প্ৰশ্ন কৰাৰ স্বত্ব থাকিব ;....
* চাকৰিত হেমাহি কৰি বা স্বাৰ্থজড়িত কাৰণত যিসকল চাকৰিয়ালে ৰাজহুৱা ধনৰ অপব্যৱহাৰ কৰিছে সেই সকলৰ-পৰা তেনে ধন আদায়ৰ ব্যৱস্থা আৰু তেনে কাৰ্যত লিপ্ত লোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰা হ'ব।

আজন্ম বিপ্লৱী-শিল্পী ব্ৰজনাথ শৰ্মা

শিল্পী, বিপ্লৱীসকলৰ কোনো স্বকীয় জাতি বা ধৰ্ম নাই। মানৱ জাতি, মানৱ-মুক্তিৰ জয়গান কৰাই তেওঁলোকৰ জাতি আৰু ধৰ্ম। তেওঁলোকে অগ্নিমন্ত্ৰ কণ্ঠত লৈ জন্ম লয়, সংসাৰ বেহায়। যুগ আৰু পাৰিপাৰ্শ্বিকতাই তেওঁলোকৰ সৃষ্টিক সাৰপানী যোগায়। তেওঁলোকৰ ধমনীত, সিৰা-উপসিৰাত জন্মভূমিৰ বুকুত উদ্ভূত ৰাজনৈতিক, আৰ্থ-সামাজিক, ভাষিক, সাংস্কৃতিক সমস্যাবোৰৰ কৰুণ ছবিবোৰ ভাহি ফুৰে। সেইবোৰৰ সমাধানৰ পথ বিচাৰি তেওঁলোকৰ হৃদয়ৰাজ্যত প্ৰচণ্ড জোঁৱাৰৰ সৃষ্টি হয়; শ্যালীৰ প্ৰবল পছোৱা বতাহে আকাশমাৰ্গ, ভূপৃষ্ঠ আৰু সমুদ্ৰৰ অটল গৰ্ভত ক্ৰমে প্ৰলয়, সৃষ্টি আৰু স্থিতিৰ মহৎ স্বপ্ন ৰচনা কৰাৰ আৰ্হিৰে তেওঁলোকেও সু-স্বপ্নৰাজি দেখে। তেওঁলোকৰ অন্তৰ-ৰাজ্যত খলকনি তোলা বেদনাৰ উল্কাবোৰ গীত, কাব্য, নাটক, উপন্যাস, চিত্ৰ-ভাস্কৰ্যৰূপে প্ৰকাশ পায় আৰু কেতিয়াবা অন্ধকাৰ আকাশত আশাৰ পোহৰ বিচাৰি তড়িতৰ শুভ্ৰ পথ আঁকি দিগন্তত লীন যায়; আৰু কেতিয়াবা সশস্ত্ৰ সৈনিকৰূপে বিপ্লৱৰ বহ্নিত জঁপিয়াই পৰি "তাৰিলে দেশ, মৰিলে স্বৰ্গ" অগ্নিমন্ত্ৰ জপ কৰি অমৰ খিয়াতি অৰ্জন কৰে। তেওঁলোকৰ মহান আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হৈ দেশবাসীয়ে, তেওঁলোকৰ পুত্ৰ-কন্যাসবে গৌৰৱ অনুভৱ কৰে। পিতৃ-পুৰুষসকলৰ পদানুসৰণ কৰি জন্মভূমিৰ স্বকীয়তা ৰক্ষাৰ কাৰণে আত্মবলিদান দিয়াৰ তেওঁলোকে সুস্বপ্ন দেখে, প্ৰয়োজন উপস্থিত হ'লে মুক্তিযুঁজাৰুৰ, শ্বহীদৰ বেদীত নিজক তুলি দি চন্দ্ৰ-দিবাকৰ থকালৈকে খ্যাতি লাভ কৰে।

বিশ্বৰ প্ৰতিখন দেশতে, ভাৰতবৰ্ষ তথা অসম ৰাজ্যতো তেনে

বহুতো শিল্পী, বিপ্লৱী, গায়ক, গীতিকাৰ, নাট্যকাৰ, অভিনেতা, সশস্ত্ৰ মুক্তিযুঁজাৰু আৰু শ্বহীদৰ জন্ম হৈছে। অসমীয়া জাতিৰ জনক, কলা-সংস্কৃতিৰ পথ প্ৰদৰ্শক, সৰ্বধৰ্ম সমন্বয়ৰ প্ৰতীক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেখেতৰ শিষ্য-প্ৰশিষ্যসকলে পোন্ধৰ আৰু ষোড়শ শতিকাতে অসমীয়া জাতিক যি সুদৃঢ় ভেটিত স্থাপন কৰি থৈ গৈছিল কালৰ গৰাখহনীয়াই সিবোৰক অটল গৰ্ভত জীণ নিওৱাৰ উপক্ৰম কৰিছিল যদিও মণিৰাম, পিয়লি প্ৰমুখ্যে এচাম শ্বহীদ, মুক্তিযুঁজাৰু আৰু জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ফণী শৰ্মা, ড' ভূপেন হাজৰিকা প্ৰমুখ্যে এচাম গায়ক, গীতিকাৰ, অভিনেতা, বিপ্লৱীৰ ত্যাগৰ ফলত ৰক্ষা পৰিল। এই দ্বিতীয় চামৰ অন্যতম হোতা বিপ্লৱী-শিল্পী ব্ৰজনাথ শৰ্মা ওৰফে ব্ৰজ ওস্তাদ, মুক্তিযুঁজাৰু ব্ৰজনাথ শৰ্মা, অসমৰ নাট্য জগতত অভূতপূৰ্ব বিপ্লৱৰ জোঁৱাৰ আনোতা ব্ৰজনাথ শৰ্মা, প্ৰথম মহা সমৰৰ নিৰ্ভীক সৈনিক ব্ৰজনাথ শৰ্মা, বিয়াল্লিছৰ আন্দোলনত ৰক্তস্নান কৰি ইংৰাজৰ বিমান কোঠ ভস্মীভূত কৰা ব্ৰজনাথ শৰ্মা আৰু স্বাধীনোত্তৰ কালত দুখ-দৈন্যই পীড়িত কৰা, সামান্যতম্ মানৱীয় মৰম-প্ৰীতিৰপৰাও বঞ্চিত হৈ গুৱাহাটীৰ মেডিকেল কলেজ হস্পিতালৰ বাৰান্দাতে ১৯৬০ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে মৃত্যুক আঁকোৱালি লোৱা ব্ৰজনাথ শৰ্মা। ব্ৰজনাথ শৰ্মাই ভাৰতৰ মুক্তিৰ বাবে, অসমৰ স্বকীয়তা ৰক্ষাৰ বাবে, অসমৰ কলা-সংস্কৃতিৰ উন্নতিৰ হকে যি ত্যাগ কৰিলে স্বাধীনোত্তৰ কালত সেইবোৰৰ বিনিময়ত তেখেতে কি পালে কোৱা টান; কিন্তু হস্পিতালৰ সাধাৰণ ৰোগীৰ বিছনাখনো যে শেষ নিশ্বাস পেলাবৰ সময়ত নাপালে সেইটোহে অতি পৰিতাপৰ কথা। অসমৰ নতুন পুৰুষে ব্ৰজনাথ শৰ্মাৰ কলডিলীয়া কলিজাৰ উমান লৈ ত্যাগৰ আদৰ্শেৰে দেদীপ্যমান হৈ উঠক, তেতিয়াহে ব্ৰজনাথৰ আত্মাই শান্তি পাব।

ব্ৰজনাথ শৰ্মাই 'বিপ্লৱী' নামেৰে লিখা তেখেতৰ আত্মজীৱনীত

লুক্-ঢাক নকৰাকৈ জীৱন বৃত্তান্ত লিখি থৈ গৈছে। তেখেতে পুথিখনিত উল্লেখ কৰিছে— "হিতাকাংক্ষী বন্ধু-বান্ধৱসকলৰপৰা উদগনি পাই ক'তো অকণো অতিৰঞ্জিত নকৰি সত্যতাৰ নিদৰ্শন স্বৰূপে মোৰ এই বিপ্লৱী জীৱনৰ সংস্পৰ্শত যিসকল ব্যক্তিক লগ পাইছিলো, তেখেতসকল আজিও জীয়াই আছে। ....ক'ৰবাত অতিৰঞ্জিত অথবা সত্যৰ অপলাপ কৰিছো বুলি যেন তেওঁলোকে প্ৰতিবাদৰ আশ্ৰয় নলয়।"

বৰপেটা-বৰনগৰ অঞ্চলৰ 'শিলা' নামৰ অখ্যাত গাঁওখনি প্ৰাক্‌শঙ্কৰী যুগৰ কবিৰত্ন সৰস্বতী জন্ম লৈ খ্যাত কৰি থৈ গৈছে। তেতিয়াৰেপৰা সংস্কৃত ভাষা-সাহিত্য আৰু নাট্য-গীত আদিৰ চৰ্চাই শিলাৰ ঐতিহ্য বহন কৰি আহিছে। তাৰে এটি দুখীয়া ব্ৰাহ্মণ পৰিয়ালত ১৮৯৪ চনৰ চেপ্তেম্বৰ মাহত ব্ৰজনাথ শৰ্মাই জন্ম গ্ৰহণ কৰে। জন্মৰ ডেৰ-দুই বছৰ পিছতে পিতৃক হেৰুৱাই জ্যেষ্ঠ ভাতৃ মহেশ্বৰ শৰ্মাৰ দ্বাৰা লালিত-পালিত হৈ ভেল্লা প্ৰাথমিক স্কুলত বিদ্যাৰম্ভ কৰে। লগতে সৰু দাদাক, যশস্বী অভিনেতা, কৃষ্ণনাথ শৰ্মাৰ তত্ত্বাৱধানত গীত-বাদ্য, অভিনয় আদিৰ কৌশল শিকি অদূৰ ভৱিষ্যতৰ ওস্তাদ ব্ৰজনাথ শৰ্মাই অঙ্কুৰ মেলে।

কবি, শিল্পী, বীৰ-বিপ্লৱী, পণ্ডিত, মনীষা আদিৰ জন্ম আৰু জীৱনৰ, আদি আৰু মধ্যকাল প্ৰায়েই অসাধাৰণ দেখা যায়। চেকস্‌পীয়েৰ, ৰুচো, শ্যালী, ডষ্টেভচ্‌কি, বাল্মিকী, বাণভট্ট কবি-সাহিত্যিকসকল, বুদ্ধদেৱ, নেপোলিয়ন, আলেকজেণ্ডাৰ, শিৱাজী আদি দাৰ্শনিক, বীৰ-যোদ্ধাসকলৰ জীৱন আৰু কৰ্মৰাজিও অসাধাৰণ আছিল। কবি-নাট্যকাৰ বাণভট্টই তেওঁৰ আত্মজীৱনীত স্বীকাৰ কৰিছে যে তেওঁৰ প্ৰকৃত নাম ক'ৰবাতে থাকিল। ষাঁড় গৰুৰ দৰে অতি উদণ্ড স্বভাৱৰ কাৰণে লোকে তেওঁক 'বণ্ড' মানে 'ষাঁড় গৰু' বুলি মাতিছিল। শেষত 'বণ্ড'ৰ পৰা 'বাণ', বাণভট্টৰ উৎপত্তি হয়। ব্ৰজনাথ শৰ্মাও সৰুতে ঠিক তেনে অতি উদণ্ড আৰু উৎপতীয়া স্বভাৱৰ

আছিল। তেখেতেও আত্মজীৱনীত লিখিছে—"স্কুলতো শান্তভাৱে পঢ়া-শুনা কৰা নাছিলো। সদায় কাৰোবাৰ লগত মাৰামাৰি অথবা বিনা কাৰণত কাৰোবাক জোকাই পণ্ডিতৰ চেকনিৰ কোব খোৱা এটা অভ্যাসৰ অন্তৰ্ভুক্ত হৈ পৰিছিল।"

প্ৰাথমিক শিক্ষা সাং কৰি ককায়েকৰ লগত গৌৰীপুৰলৈ গৈ 'তাৰিণীপ্ৰিয়া চতুষ্পাঠী'ত সংস্কৃত ভাষা-সাহিত্য শিকিবলৈ ল'লে। ব্ৰজনাথে তাত ইংৰাজী ভাষাও কিছু আয়ত্ত কৰিছিল আৰু গৌৰীপুৰৰ জমিদাৰৰ পুত্ৰ, প্ৰসিদ্ধ খেলুৱৈ, গায়ক, গীতিকাৰ, অভিনেতা প্ৰমথেশ বৰুৱা আৰু আন আন বহুতো ছাত্ৰক অন্তৰঙ্গ বন্ধু হিচাপে লাভ কৰিছিল। কিন্তু গৌৰীপুৰত পঢ়ি থাকোঁতেও ব্ৰজনাথ শৰ্মাই দুষ্টালি স্বভাৱবোৰ এৰিব পৰা নাছিল। প্ৰতিদিনে নানাজনক নানাভাৱে অসন্তুষ্ট কৰাৰ ফলত শেহত উচ্চ-শিক্ষাৰ আশা সিমানতে বাদ দি ঘৰলৈ উভতি আহিবলৈ বাধ্য হৈছিল।

ঘৰলৈ আহি কিছুদিন বিমৰ্ষ অৱস্থাত বহি থাকিল। এনেতে প্ৰথম মহাসমৰৰ (১৯১৪-১৮) জয়ডঙ্কা বাজি উঠাত বাইশ বছৰীয়া তেজাল ডেকা ব্ৰজনাথ শৰ্মাই সৈনিক বিভাগত যোগ দিয়াৰ প্ৰবল ইচ্ছা কৰি ১৯১৫ চনত ১৪৯ বেঙ্গল ৰেজিমেণ্টত নাম ভৰ্তি কৰিলে। এইয়া আছিল শৰ্মাদেৱৰ জীৱনৰ পট পৰিবৰ্তনৰ কাল। ল'ৰালি কালৰ দুষ্টালি, ধিতিঙালিবোৰ তেখেতৰ সৈনিক জীৱনৰ কৃতকৰ্মৰ উৎস হ'ল আৰু নাট-অভিনয়ৰ বিষয়ে লোৱা আখৰাই এজন প্ৰখ্যাত অভিনেতা আৰু পৰিচালক হোৱাত সহায় কৰিলে। উল্লেখযোগ্য যে বেঙ্গল ৰেজিমেণ্টত কাম কৰি থাকোঁতে বঙ্গদেশৰ সেই সময়ৰ বহুতো প্ৰথিতযশা শিল্পী, অভিনেতাসকলৰ সংস্পৰ্শলৈ আহি আধুনিক নাটকৰ মঞ্চশয্যা, অভিনয়, নাট্যবস্তু আদিৰ সকলো কৌশল শিকি লৈছিল। সৈনিক জীৱনত তেখেতে মেছোপটেমিয়া, বাগদাদ, কেনিয়া, কুটআমৰা, বাকু প্ৰভৃতি মধ্য প্ৰাচ্যৰ বহুতো দেশ ভ্ৰমণ কৰি নানা অভিজ্ঞতাৰ লগতে যুদ্ধৰ বহুতো কূট-কৌশল

শিকিছিল। নক'লেও হ'ব, সুদীৰ্ঘ কাল দেশ-বিদেশত যুদ্ধ কৰি যুদ্ধৰ বিষয়ে যিবোৰ অভিজ্ঞতা লাভ কৰিছিল সেইবোৰে পৰবৰ্তী কালত এজন প্ৰসিদ্ধ মুক্তিযুঁজাৰু হোৱাত শৰ্মাদেৱক সহায় কৰিছিল আৰু তেনেবোৰ অভিজ্ঞতা নথকা হ'লে দ্বিতীয় মহাসমৰৰ সময়ত বৰনগৰ বিমানকোঠ ইমান সহজে ধ্বংস কৰিব নোৱাৰিলেহেঁতেন! তাৰ পাছত ইংৰাজ চৰকাৰে তেখেতক কৰায়ত্ত কৰাৰ কাৰণে নানা প্ৰবন্ধ কৰিছিল। শৰ্মাক ধৰাই দিব পাৰিলে পুৰস্কাৰ পৰ্যন্ত ঘোষণা কৰিছিল।

শৰ্মা বাগদাদ্ চহৰত থাকোঁতে মিঃ জৰ্জ নামৰ ভাৰতীয় সঙ্গীত-শিল্পী এজনৰ সান্নিধ্যলৈ আহিছিল। মিঃ জৰ্জৰ ওচৰত এবছৰ কাল সঙ্গীত চৰ্চা কৰি সঙ্গীতৰ বিষয়ে সম্যক জ্ঞান লাভ কৰে। তাৰ পাছত বছোৰালৈ বদলি হ'ল আৰু বছোৰাত থকা ভাৰতীয় সঙ্গীত অভিনয়-প্ৰেমী লোকসকলে স্থাপন কৰা 'ৱেষ্ট বেঙ্গল ড্ৰামাটিক ক্লাৱ'ত যোগদান কৰে। 'ৱেষ্ট বেঙ্গল ড্ৰামাটিক ক্লাৱে' বছোৰা চহৰত নাট্যাভিনয়ৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰিছিল। প্ৰতিখন নাটকতে ব্ৰজনাথ শৰ্মাই অভিনয় কৰি দৰ্শকক বিপুল আনন্দ দিছিল। এই ক্লাৱৰ প্ৰথম নাটক 'বাজিৰাও'ত ব্ৰজনাথ শৰ্মাই চন্দ্ৰসেনৰ অভিনয় কৰিছিল। অভিনিত আন কেইখনমান প্ৰধান নাটক আছিল 'দুৰ্গাদাস', 'মিছৰ কুঁৱৰী', 'চন্দ্ৰগুপ্ত', 'মোগল-পাঠান', 'ৰাণা প্ৰতাপ', 'বনবীৰ', 'পৃথীৰাজ', 'বঙ্গে-বৰ্গী' আৰু 'ধৰ্মবিপ্লৱ'। ১৯১৭ চনৰপৰা ১৯২১ চনলৈ ছবছৰ কাল ব্ৰজ শৰ্মাই এই ড্ৰামাটিক ক্লাৱৰ জৰিয়তে অভিনেতা হিচাপে নিজক সুপ্ৰতিষ্ঠিত কৰিছিল।

প্ৰথম মহাসমৰৰ অন্তত ব্ৰজনাথ শৰ্মা (১৯২১) কলিকতালৈ উভতি আহি অভিনয়ত একনিষ্ঠভাৱে মন দিলে। সেই সময়ৰ কলিকতাৰ সুপ্ৰসিদ্ধ অভিনেতা দানীবাবুয়ে শৰ্মাৰ অভিনয় সম্পৰ্কে সকলো কথাৰ বুজ লৈ কলিকতাৰ মঞ্চত স্থায়ী অভিনেতা হিচাপে লোৱাৰ ইচ্ছা প্ৰকাশ কৰিছিল। কিন্তু জন্মভূমিৰপৰা বহুদিন

আঁতৰত থাকি ব্ৰজনাথৰ মনটো এবাৰ ঘৰলৈ অহাৰ কাৰণে উদ্বিগ্ন হৈছিল। কাজেই অসমলৈ আহি আত্মীয়-স্বজনক দেখা সাক্ষাৎ কৰি পুনৰ কলিকতালৈ গৈ দানীবাবুৰ নাট্যৰ দলত স্থায়ীভাৱে যোগ দিয়াৰ চিন্তা কৰিছিল যদিও জন্মভূমিৰ মাটিৰ গোন্ধে তেখেতক আপোন পাহৰা কৰি তুলিলে। এটি স্থিৰ সিদ্ধান্তত উপনীত হ'ল—"কলিকতাত অভিনয় কৰিলে হইতো মোৰ খ্যাতি বাঢ়িব; কিন্তু অসমীয়াৰ কি লাভ হ'ব? ইয়াৰপৰা জানো অসমীয়া মঞ্চজগতৰ কিবা উন্নতি সাধিব পাৰিম? নালাগে মোক মান, নাযাওঁ কলিকতালৈ।"

জন্মভূমিৰ স্বাৰ্থক ত্যাগ কৰি ব্ৰজনাথ শৰ্মাই নিজ গাঁৱতে 'শিলা কালিকা অপেৰা পাৰ্টি'ৰ জন্ম দি নিজে গায়ক, গীতিকাৰ, অভিনেতা, পৰিচালকৰ দ্বায়িত্ব গ্ৰহণ কৰিলে। দলৰ প্ৰায়বোৰ অভিনেতা, ছোকোৰা, বাদ্যশিল্পী নিজৰ গাঁও অঞ্চলৰে আছিল। নাটকত তেখেতে প্ৰায়েই মুখ্য অভিনেতাৰ ভাও লৈছিল। দলটোৰ আন কেইগৰাকীমান বিশিষ্ট অভিনেতা আছিল কৃষ্ণকান্ত শৰ্মা, উদয়নাথ শৰ্মা আৰু হৰেন্দ্ৰনাথ শৰ্মা। 'শিলা কালিকা অপেৰা পাৰ্টি'য়ে অভিনয় কৰা অতি জনপ্ৰিয় নাটক দুখন আছিল 'বাজীৰাও' আৰু 'ৰাণাপ্ৰতাপ'। এই দলটোৱে চাৰিটা বছৰ ৰাইজক সেৱা কৰি আভ্যন্তৰীণ কাৰণত ১৯২৪ চনত ভাগি গ'ল। নাট্য দলটো ভাঙি যোৱাত ব্ৰজনাথ শৰ্মাই প্ৰাণত দাৰুণ আঘাত অনুভৱ কৰি 'শিলা'ৰ জন্মভিঠা ত্যাগ কৰি বৰনগৰৰ ওচৰৰ দক্ষিণ 'গণক গাড়ী' গাঁৱলৈ গৈ তাত নিগাজীকৈ বাসস্থান পাতিলে।

বাসস্থান সলনি হ'ল যদিও ব্ৰজ শৰ্মাৰ মন সলনি নহ'ল। পুনৰ যাত্ৰাৰ দল এটা খোলাৰ কাৰণে উদ্যম ল'লে। তেখেতৰ এই উদ্যমত সাৰ-পানী যোগাবলৈ গণক গাড়ী গাঁৱৰ চহকী তথা সংস্কৃতি প্ৰেমী ব্যক্তি অনাদাৰ মহাজন আগবাঢ়ি আহিল। 'দক্ষিণ গণক গাড়ী অপেৰা পাৰ্টি' নামে দি এটা ভ্ৰাম্যমান থিয়েটাৰৰ দল খোলা

হ'ল। শৰ্মাৰ পৰিচালনাত এই নতুন দলটোৱেও পাঁচোটা বছৰ বাইজৰ সেৱা আগবঢ়াই একে কাৰণতে ভাগি গ'ল। অৱশ্যে এই দলটিয়ে ব্ৰজনাথ শৰ্মাক অসমৰ শ্ৰেষ্ঠ অভিনেতাৰ সন্মান আনি দিলে। এই দলটোৱে মঞ্চস্থ কৰা বিশেষ নাটক কেইখনমান আছিল 'ৰণজিৎ সিংহ', 'অজ্ঞা', 'ধাত্ৰীপান্না', 'কালাপাহাৰ' আৰু 'বাচস্পতি'। এই নাটক কেইখনে সমগ্ৰ উজনি আৰু নামনি অসমত অভূতপূৰ্ব সমাদৰ লাভ কৰিছিল, যাৰ ফলত 'ব্ৰজ ওস্তাদ'ৰ নাম অবাল, বৃদ্ধ, বনিতা সকলোৰে মুখত উচ্চ প্ৰশংসিত হৈছিল, ব্ৰজনাথ শৰ্মা ব্যক্তি গুচি এটি বিৰাট অনুষ্ঠান হৈ উঠিছিল। এনেহেন অপেৰা দলটোৰ অকাল মৃত্যুকো ব্ৰজ শৰ্মাই খেলুৱৈসুলভ ভাৱেৰে গ্ৰহণ কৰিছিল।

অপৰাজেয় শক্তি প্ৰবুদ্ধ ব্ৰজনাথ শৰ্মা ইমানতো নিৰাশ নহ'ল। পুনৰ যাত্ৰাভিনয়ৰ দল খোলাৰ কাৰণে প্ৰস্তুতি চলালে। শৰ্মাৰ অদমনীয় ইচ্ছাক ৰূপ দিয়াৰ কাৰণে এইবাৰ নগাঁৱৰ কচুবিল চাহ বাগিচাৰ 'বৰবাবু' বিপিনচন্দ্ৰ বৰুৱা আগবাঢ়ি আহিল। শৰ্মাৰ অভিনয় জীৱনৰ কীৰ্তিস্তম্ভ 'কোহিনূৰ অপেৰা পাৰ্টি' জন্ম লাভ কৰিলে (১৯৩০)। কোহিনূৰ অপেৰা দলে ব্ৰজনাথ শৰ্মাক অসমৰ বিপ্লৱী-শিল্পী, অভিনেতা, আৰু নিপুণ পৰিচালকৰ মৰ্যাদা আনি দিলে। সেই সময়ত অসমৰ নাট জগতত মহিলাই অংশ গ্ৰহণ কৰাটো ভাবিব নোৱাৰা কথা আছিল। এক শ্ৰেণীৰ সংৰক্ষণশীল লোকে বিহু-নাচ কৰা আৰু মহিলাই অভিনয়ত অংশ গ্ৰহণ কৰা কাৰ্যক অকল সন্মান হানিকৰ বুলিয়ে ভবা নাছিল; তেনেকুৱা নাচনী বা অভিনেতৃক সামাজিকভাৱে বৰ্জনো কৰিছিল। এনেধৰণৰ গোড়া, সংৰক্ষণশীল সমাজৰ বন্ধনৰপৰা নাৰীক মুক্তি দিয়াৰ কাৰণে ব্ৰজনাথ শৰ্মাই নিৰ্ভীকতাৰে যুঁজ দিছিল। তেখেতে নাটকত মহিলাক অভিনেত্ৰীৰ ভাৱত নমাবলৈ বিপ্লৱৰ সূচনা কৰিছিল। প্ৰথম অৱস্থাত নাটকত সহ-অভিনয়ৰ কাৰণে ছোৱালী বিচাৰি এক প্ৰকাৰ হতাশ হ'বলগীয়া হৈছিল। শেষত ১৯৩৩ চনত সাহসেৰে গোলাপী দাস, সৰ্বেশ্বৰী

দাস, শৈলবালা দেৱী, বিনোদা গগৈ, লাৱণ্য দাস, ফুলেশ্বৰী দাস প্ৰমুখ্যে কেবাজনী ছোৱালী সংৰক্ষণশীল সমাজৰ কটু-নিন্দাবাকৰ হেঙাৰ ভাঙি ব্ৰজ শৰ্মাৰ 'কোহিনূৰ' যাত্ৰাৰ দলত যোগ দিছিল। ১৯৩৪ চনৰ নবেম্বৰ মাহত কোহিনূৰ অপেৰা দলে সৰ্বপ্ৰথমে ডুমডুমাত সহ-অভিনয়েৰে নাট মঞ্চস্থ কৰি অসমৰ অভিনয় জগতত অভিলেখ স্থাপন কৰিছিল। বিপ্লৱী-শিল্পী ব্ৰজনাথ শৰ্মাৰ এই বলিষ্ঠ পদক্ষেপ তথাকথিত অভিজাত শ্ৰেণীৰ বহুতো লোকে জঘন্য ধৰণে সমালোচনা কৰিছিল। আন নালাগে তেখেতৰ জ্যেষ্ঠ ভাতৃ কৃষ্ণনাথ শৰ্মায়ো এই কাৰ্যৰ ঘোৰ প্ৰতিবাদ জনাই দলৰপৰা ওলাই গৈছিল। ব্ৰজনাথ শৰ্মা কিন্তু নিজৰ সিদ্ধান্তৰপৰা অলপো নাতঁৰিল।

ব্ৰজনাথ শৰ্মাৰ এই বিপ্লৱী ভূমিকাই অসমৰ কলা-সংস্কৃতিৰ পথাৰত তিনিটা প্ৰত্যক্ষ সুফল আগবঢ়ালে (১) অসমৰ নাট্যমঞ্চত সহ-অভিনয়ৰ শুভাৰম্ভ, (২) অসমৰ যাত্ৰাভিনয়ৰ উল্লেখযোগ্য অগ্ৰগতি, (৩) কলিকতাৰ যাত্ৰাদলে অসমৰ ৰঙ্গমঞ্চত চলোৱা আধিপত্যৰ পৰিসমাপ্তি। কোহিনূৰ অপেৰা দলে মঞ্চস্থ কৰা কেইখনমান জনপ্ৰিয় নাটক আছিল—'কালাপাহাৰ', 'বিজয়-বসন্ত,' 'হিন্দুবীৰ', 'শিৱাজী', 'ভাস্কৰ পণ্ডিত', 'ললিতাদিত্য, 'মৰাণ-জীয়ৰী', 'নগা-কোঁৱৰ', 'গুলেনাৰ', 'ৰণজিৎ সিংহ' আৰু 'বাণৰজা'। ব্ৰজনাথ শৰ্মাৰ যাত্ৰাৰ দলৰ কেইগৰাকীমান বিশিষ্ট অভিনেতা আৰু গায়ক, গীতিকাৰ আছিল—কৃষ্ণনাথ শৰ্মা, তেজপুৰৰ নটসূৰ্য ফণী শৰ্মা, পাঠশালাৰ চন্দ্ৰ চৌধুৰী, নলবাৰীৰ সনাতন হাজৰিকা, জয়চন্দ্ৰ চৌধুৰী, কমলাকান্ত বৈশ্য, প্ৰসন্ন শৰ্মা, কমলাকান্ত অধিকাৰী, ৰজনীকান্ত ভট্টাচাৰ্য, শিলাৰ হৰেণ শৰ্মা, ডুমডুমাৰ ভৃগুৰাম চৌধুৰী, মৰোৱাৰ অৰুণচন্দ্ৰ বৈশ্য। স্মৰণযোগ্য যে ব্ৰজনাথ শৰ্মাৰ পৰলোক প্ৰাপ্তিৰ পিছত এইসকলৰ বহুতে অসমৰ নাট জগতত ভাস্কৰৰ দৰে পোহৰ বিলাইছিল আৰু কেবাজনেও নিজৰ ৰবীয়াকৈ ভ্ৰাম্যমান যাত্ৰা থিয়েটাৰৰ দলৰ জন্ম দি আধুনিক অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ

পথাৰত অভূতপূৰ্ব সাফল্য লাভ কৰিছে।

দিল্লেশ্বৰৰ বিশ্ববিখ্যাত কোহিনূৰ হীৰা কালৰ গৰ্ভত সোমাই পৰাৰ দৰে ব্ৰজনাথ শৰ্মাৰ কোহিনূৰ অপেৰা পাৰ্টিও এদিন কালৰ গৰ্ভত সোমাই পৰিল। ড° হেমন্তকুমাৰ শৰ্মাই মন্তব্য কৰাৰ দৰে 'ধনবল' আৰু 'জনবল'ৰ অভাৱেই কোহিনূৰ অপেৰা দলৰ মৃত্যুৰ প্ৰধান কাৰণ আছিল বুলিব পাৰি । ব্ৰজ শৰ্মাৰ 'কোহিনূৰ' জীয়াই নাথাকিল সঁচা ; কিন্তু তাৰ উজ্জ্বল পোহৰে ব্ৰজনাথ শৰ্মাৰ অভিনয় জীৱন আৰু অসমৰ নাট্যজগত যুগযুগান্তৰলৈ পোহৰাই ৰাখিছে আৰু ৰাখিব তাত সন্দেহৰ অৱকাশ নাই। নল মাৰি গজালি মেলাৰ দৰে 'কোহিনূৰে' প্ৰতিধ্বনি তুলি আকৌ এবাৰ ব্ৰজ শৰ্মাক মনত পেলাই দিছে।

অভিনেতা ব্ৰজনাথ শৰ্মাৰ স্বৰচিত নাটকেইখনমান আছিল 'বৰ্জিতা', 'পতিতা', উৰ্বশী, মনোমতী আৰু বৰুণা। তদুপৰি ১৯৩৫-৩৬ চনৰ ভিতৰত কলিকতাৰ বিখ্যাত মেগাফোন কোম্পানীৰ অনুৰোধত ব্ৰজনাথ শৰ্মাই সীতা, পতিতা আৰু মনোমতী নামৰ নাটকেইখন বাণীবদ্ধ কৰিছিল। জীৱনৰ সৰ্বস্ব দি ব্ৰজনাথ শৰ্মাই 'কোহিনূৰ'ক বচাই ৰাখিবৰ আপ্ৰাণ চেষ্টা কৰিছিল, নোৱাৰিলে। পুনৰ নিজাকৈ যাত্ৰাৰ দল এটা খোলাৰ সামৰ্থ্য তেখেতৰ নাছিল। মূলনথি যাত্ৰাদলৰ ব্যৱসায়ৰপৰা অব্যাহতি লৈ এইবাৰ ৰাজনীতিত প্ৰবেশ কৰিলে। দেশমাতৃকাক মুক্ত কৰাৰ পণ শৰ্মাৰ অন্তৰত আগৰেপৰা আছিল। শৰ্মাই জীৱনৰ আদিছোৱা খিতিঙালি, যৌৱনৰ কালছোৱা সৈনিক, আগবয়সত যাত্ৰাভিনয়, তাৰ পিছৰ ছোৱাত সশস্ত্ৰ বিদ্ৰোহী আৰু শেষ দশাত জীয়াই থকাৰ সংগ্ৰাম, অন্তত করুণ সমাপ্তিৰে দেশ আৰু দহৰ সেৱা কৰি বিদায় ল'লে।

১৯৩৫ চনতে ব্ৰজনাথ শৰ্মাই কংগ্ৰেছ দলত নাম ভৰ্তি কৰিছিল যদিও ১৯৩৭ চনৰপৰাহে তেখেতে দেহমন ঢালি দি দেশ স্বাধীন কৰাৰ কামত লাগিছিল। দেশক পৰাধীনমুক্ত কৰাৰ ক্ষেত্ৰত

শৰ্মাৰ গান্ধীবাদত, মানে 'অংহিংস আন্দোলনত' বিশ্বাস নাছিল। হুলৰ দ্বাৰা হুল কাঢ়িহে দেশ স্বাধীন কৰাত সম্পূৰ্ণ আস্থা স্থাপন কৰিছিল। চাওঁতে চাওঁতে দ্বিতীয় মহাসমৰ আৰম্ভ হ'ল। ইংৰাজে আন আন ৰাজ্যৰ দৰে অসমৰো ঠায়ে ঠায়ে সৈন্যৰ কোঠ, বিমান ঘাটি নিৰ্মাণ কৰিলে। বৰপেটা বৰনগৰ অঞ্চলৰ বেঁকী নদীৰ পাৰত বিৰাট আয়োজনেৰে বিমান ঘাটি নিৰ্মাণ কৰিবলৈ ধৰাত বৰনগৰ অঞ্চলৰ ৰাইজে তুৰ্ঘোৰ প্ৰতিবাদ জনাইছিল। কিন্তু ইংৰাজ চৰকাৰৰ সিদ্ধান্তৰ কোনো পৰিবৰ্তন নহ'ল। বহুতো দেশদ্ৰোহী ঠিকাদাৰ, কৰ্মচাৰী, অভিযন্তাই শান্তি সেনা বাহিনীৰ স্বেচ্ছাসেৱী-সকলৰ অনুৰোধ উপেক্ষা কৰি বিমান-ঘাটি নিৰ্মাণ কৰাত ইংৰাজ চৰকাৰক সহায় কৰিছিল।

যুদ্ধকালীন সময়ত বয়বস্তুৰ মূল্য অত্যাধিক বৃদ্ধি হোৱাত দুখীয়া ৰাইজৰ দুখ-কষ্টৰ সীমা নোহোৱা হৈছিল। বিপ্লৱী ব্ৰজনাথ শৰ্মাৰ দলপতিত্বত এটা দলে ঠিকাদাৰসকলক বিমান কোঠ নিৰ্মাণৰ কামৰপৰা দেশৰ স্বাৰ্থৰ খাতিৰত বিৰত থাকিবলৈ অনুৰোধ কৰাত বৰং তেওঁলোকে দুগুণে উৎসাহিত হৈ ইংৰাজক কামত সহায়হে কৰিছিল। মহেন্দ্ৰ মোহন চৌধুৰী, অক্ষয় কুমাৰ দাস, কামেশ্বৰ দাস প্ৰমুখ্যে আগশাৰীৰ নেতাসকলে বিমান কোঠ নিৰ্মাণৰ কামত অহিংস নীতিৰে বাধা দিবলৈ নানা চিন্তা কৰিছিল। শেষত ব্ৰজনাথ শৰ্মা, নৱদ্বীপ ৰঞ্জন পাটগিৰি প্ৰমুখ্যে কেবাজনো কৰ্মীৰ নেতৃত্বত বিমান-ঘাটি নিৰ্মাণৰ প্ৰতিবাদকল্পে বৰনগৰ অঞ্চলৰ ৰাইজে বহু হেজাৰ লোকৰ সমদল এটা উলিয়াই চকচকা বজাৰৰপৰা সৰভোগৰ ফালে প্ৰতিবাদ-ধ্বনি তুলি আগবাঢ়ি আহিছিল। ব্ৰজনাথ শৰ্মাই ৰাইজৰ স্বতঃস্ফূৰ্ত সঁহাৰি দেখি আনন্দত উত্তেজিত হৈ চকচকা বজাৰৰ মাজতে টুল এখনৰ ওপৰত থিয় হৈ 'লাউড-স্পিকাৰ' এটা লৈ চৰকাৰ বিৰোধী প্ৰচাৰকাৰ্য চলাইছিল; লগতে ৰাইজে যাতে চৰকাৰক কোনো কামতে সহায় নকৰে, ঠিকাদাৰসকলে ঠিকাৰ ব্যৱসায়

নকৰে, দোকানীসকলে পুলিচ আৰু চৰকাৰী বিষয়াক খাদ্যবস্তু বিক্ৰী নকৰে, চিঞৰি চিঞৰি অনুৰোধ জনাইছিল। শৰ্মাৰ উত্তেজনাপূৰ্ণ বক্তৃতা শুনি এজন পুলিচ কৰ্মচাৰী শৰ্মাৰ ওচৰলৈ আহি কৈছিল—"আমাক শুকাই মাৰিলে জানো স্বাধীনতা আহিব?" প্ৰত্যুত্তৰত শৰ্মাই কৈছিল—"আপোনালোকে চাকৰি এৰি দিয়ক। ৰাইজেই আপোনালোকৰ আহাৰ যোগাব।"

অম্বিকাগিৰি ৰায়চৌধুৰীৰ দৰে ব্ৰজনাথ শৰ্মায়ো দেশক কিমান ভাল পাইছিল তাৰে এটি সৰু নমুনা দিয়া যাওক।

বৰনগৰ বিমানঘাটি প্ৰস্তুতিৰ কামত সৰভোগৰ ডাঃ সুৰেন্দ্ৰনাথ পৰমানিক নামে এজন বঙালি ঠিকাদাৰে গৰু গাড়ীৰ ঠিকা লৈছিল। শৰ্মাই পৰমানিকক কাতৰ অনুৰোধ জনাই ইংৰাজক কোনো বস্তু যোগান নধৰিবলৈ কোৱা সত্ত্বেও পৰমানিকে তেওঁৰ ব্যৱসায় কোনো-পধ্যে বন্ধ নকৰিব বুলি দৃঢ়ভাৱে জনালে। তেতিয়া শৰ্মাৰ মনৰ গতি কিৰূপ লৈছিল তেখেতৰ আত্ম বৃত্তান্তৰপৰা তুলি দিয়া যাওক—"·খং, ঘৃণা আৰু উত্তেজনাত মই কঁপিবলৈ ধৰিলো। ইমান উত্তেজিত হৈছিলো যে নিজৰ অজ্ঞাতেই হুক্ হুক্‌কৈ কান্দি পেলালো। কেতিয়াবা ভদ্ৰলোকৰ ভৰি দুখনত সাৱটি মাৰি ধৰিলো, ততেই ধৰিব নোৱাৰিলো।" তেতিয়াই পৰমানিকৰ অন্তৰ গলি গ'ল আৰু শৰ্মাক বুকুত সাৱটি ধৰি ইংৰাজক পুনৰ কোনো বস্তুৰে যোগান নধৰিব বুলি প্ৰতিশ্ৰুতি দিছিল।

পৰমানিকৰ আশ্বাস পাই শৰ্মাৰ মনলৈ শান্তিৰ ভাব এটা আহিছিল যদিও উত্তেজনা কমা নাছিল। শৰ্মাৰ লেখাত—"তেতিয়াই তাৰপৰা বাহিৰ হৈ পৰিলো। কিন্তু মনৰ উত্তেজনাক একেবাৰেই দমাই ৰাখিব নোৱাৰি বলিয়া কুকুৰৰ দৰে বাটে বাটে ঘূৰি ফুৰিবলৈ ধৰিলো। মোৰ এই উত্তেজনাক কোনেও অতিৰঞ্জিত বুলি নাভাবে যেন। উত্তেজিত নহ'লে বোধ হয় এনে সাংঘাটিক কামৰ কাৰণে আগবাঢ়িব নোৱাৰিলোহেঁতেন! উত্তেজনাই যে মানুহক আত্মঘাতী

হ'বলৈ বাট দেখুৱাই দিয়ে; আজিহে তাক উপলব্ধি কৰিব পাৰিছো।"

কিছুদিনৰপৰা ব্ৰজনাথ শৰ্মাৰ মনটো এক অভাৱনীয় ভাৱনাই কোবাই আছিল। নেতাজীৰ দৰে শৰ্মাৰ গান্ধীবাদত বিশ্বাস নাছিল। সশস্ত্ৰ বিপ্লৱৰ বাহিৰে জন্মভূমিক স্বাধীন কৰাৰ আন উপায় নাই বুলি তেখেতৰ বদ্ধমূল ধাৰণা হৈছিল। শেষত, শ্ৰীনৱদ্বীপৰঞ্জন পাটগিৰি, মাজাৰাম দাস, বলাইৰাম পৰমানিক, দুৰ্গেশ্বৰ আৰু গোলোক পাঠকৰ লগত আলোচনা কৰি বৰনগৰ বিমানঘাটি ধ্বংস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।

এই ঘটনাৰ কেবাদিনো আগৰপৰা শৰ্মাৰ চকুত টোপনি, পেটত ভাত নাছিল। ঘৰৰ কাৰোৰে লগত মাতবোল নোহোৱাৰ নিচিনা। পৰিয়ালৰ প্ৰত্যেকে শৰ্মাৰ কাৰ্যকলাপ দেখি হতভম্ব হৈ পৰিছিল। দিনৰ দিনটো ক'লৈ যায়, কি কৰে কোনেও জনাৰ উপায় নাই। সুধিলেও কোনো উত্তৰ নিদিয়ে। দিনটোৰ অন্তত যেতিয়া গধূলি চিন্তাত ভাৰাক্ৰান্ত হৈ ঘৰত প্ৰৱেশ কৰে স্বাভাৱিকতে পত্নীৰ মুখত বিৰক্তিৰ ভাব ফুটি উঠে। শৰ্মাৰ লেখনিত "ঘৰলৈ আহিয়েই লক্ষ্য কৰিলো; ঘৈণীৰ মুখত বিৰক্তিৰ ভাব বিৰিঙি উঠিছে। তেওঁ অভিযোগৰ সুৰত সুধিলে, মোৰ কি হৈছে, কিয় পাগলৰ দৰে ঘূৰি ফুৰিছো। ভাতপানী খোৱাত ৰাপ নাই। চাহ এটুপিও খাবলৈ সময় নাপাওঁ কিয়।"

সময় আগবাঢ়ি আহিল। নিৰ্দিষ্ট কাৰ্যসূচী অনুসৰি সকলো প্ৰস্তুতিকাৰ্য শেষ হ'ল। ১৯৪২ চনৰ ২৭ আগষ্টৰ দিনা ৰাতি বৰনগৰ বিমানঘাটি ভস্মীভূত কৰা হ'ল। শৰ্মাৰ বৰ্ণনাত—"মই গৈ মূল ঘাটিৰ ওচৰ নৌপাওঁতেই উত্তৰ মূৰত জুই জ্বলি উঠিল আৰু অবিৰাম 'বন্দেমাতৰম্' ধ্বনিয়ে আকাশ-বতাহ নিনাদিত কৰি দিগন্তলৈ প্ৰকম্পিত কৰি তুলিলে। মুহূৰ্ততে দক্ষিণ মূৰতো অনুৰূপ 'বন্দে মাতৰম্' ধ্বনিৰ লগে লগে আকাশ ভেদি জুই জ্বলি উঠিল।

ঠিকাদাৰ, মহৰী, কুলি-বনুৱা, দোকানীবোৰৰ 'মাৰিলে ঐ, মাৰিলে ঐ' চিঞৰত গগন কঁপি উঠিল।"

প্ৰবল পৰাক্ৰমী বৃটিছ শক্তিৰ লগত এনেদৰে যুঁজ দি ব্ৰজনাথ শৰ্মাই ভাৰতৰ স্বাধীনতা যুদ্ধৰ ইতিহাসত নিজৰ নামৰ লগতে অসমৰ নাম ৰক্তাক্ষৰেৰে লিখি ৰাখিলে। ব্ৰজনাথ শৰ্মাক ধৰি দিয়াৰ বাবে চৰকাৰে পাঁচ হেজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। নানাভাৱে ছদ্মবেশ ধৰি পুলিচৰ চকুক ফাঁকি দি বহুদিনলৈকে তেখেত পলাতক অৱস্থাত আছিল। শেষত শৰ্মাক গ্ৰেপ্তাৰ কৰি দুবছৰতকৈও অধিক কাল গুৱাহাটী, চিলেট আদি জেলত ৰখা হৈছিল। দেশ স্বাধীন হোৱাৰ আগে আগে শৰ্মাই মুক্তিলাভ কৰিলে। দেশ স্বাধীন হোৱাৰ পাছতে কংগ্ৰেছ নেতা আৰু কৰ্মী-সকলৰ বহুতে গণতন্ত্ৰৰ আদৰ্শৰপৰা আঁতৰি আহি পৱিত্ৰ অনুষ্ঠানটোত নানাপ্ৰকাৰে বিঘিনি ঘটাবলৈ ধৰাত শৰ্মাই অশেষ মনোকষ্ট পাই—কংগ্ৰেছৰপৰা আঁতৰি আহি ছোচিয়েলিষ্ট পাৰ্টিত যোগ দি ১৯৪২ চনৰ নিৰ্বাচনত নামিছিল যদিও পৰাজয় বৰণ কৰিব-লগীয়া হয়। অৱস্থাৰ তাৰণাত জীৱনৰ শেষদশাত পুনৰ যাত্ৰাভিনয়কে আশ্ৰয় কৰি লৈছিল যদিও—তাতো সম্পূৰ্ণ বিফল হ'বলগীয়া হৈছিল। জীয়নবস্তি মুমাওঁ মুমাওঁ অৱস্থাত গুৱাহাটী সাহিত্য সভাই (১৯৫৮) আৰু তেজপুৰৰ ৰাইজে (১৯৫৯) শৰ্মাক সম্বৰ্দ্ধনা জনাই তেখেতৰ বহুমুখী প্ৰতিভা আৰু দেশপ্ৰেমৰ স্বীকৃতি প্ৰদান কৰিছিল।

> অসমৰ প্ৰতি গাওঁতেই (বিশেষকৈ কামৰূপত) একোটা অপেৰা পাৰ্টি গঠন হোৱা দেখা যায়। কিন্তু তাৰ কলা-কৌশল আৰু ৰূপ-সজ্জাৰ পিনে চকু দিলে অভিজ্ঞতাৰ অভাৱ আছে বুলি সহজেই অনুমান কৰিব পাৰি। চৰিত্ৰবিলাকৰ লগত অভিনেতাৰ চেহেৰাৰ পাৰ্থক্য লক্ষ্য কৰিবলগীয়া। অঙ্গ-প্ৰত্যঙ্গৰ সঞ্চালনো ত্ৰুটিপূৰ্ণ। বিশেষতঃ প্ৰৱেশ-প্ৰস্থানৰ ত্ৰুটিবোৰ অমাৰ্জ্জনীয়। অভিনয় মঞ্চত থিয় হোৱাৰ অথবা পদক্ষেপনৰ কৌশলো সন্তোষজনক নহয়। ভাষাৰ দোষও লক্ষ্য কৰিবলগীয়া। ইমান ত্ৰুটিপূৰ্ণ অপেৰা পাৰ্টি একোটা প্ৰতি গাওঁতেই প্ৰতিষ্ঠা নকৰি, দুই-তিনিখন গাওঁ গোট খাই পাৰ্টি গঠন কৰাটোহে বাঞ্চনীয়। উল্লেখিত ত্ৰুটিবোৰৰ বাবে গাওঁৰ অৰ্দ্ধশিক্ষিত ডেকাবোৰক দোষ দিব নোৱাৰি। কিয়নো উপযুক্ত শিক্ষক আৰু শিক্ষাৰ অভাৱেই এইবোৰ ত্ৰুটিৰ মাই কাৰণ।
>
> ব্ৰজনাথ শৰ্মা

দেহীৰাম বৰ্মন (ডেকা)

স্বদেশ, স্বজাতি আৰু স্বধৰ্ম ৰক্ষাৰ প্ৰতি যি লোকৰ হৃদয় আলোড়িত নহয় তেনে লোকৰ হিচাপ সমাজত কোনেও নাৰাখে; সময়েও পাহৰি যায়। স্বদেশৰ হিতাৰ্থে যিসকল ব্যক্তিয়ে নিজৰ শক্তি, সাধ্য আৰু সামৰ্থ্য অনুসৰি ত্যাগ স্বীকাৰ কৰে তেনে লোকক সমাজে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে আৰু কালেও পাহৰি নাযায়। আকৌ কিছুমানে নিজৰ বাবে, নিজৰ পৰিয়ালৰ বাবে অলপো নাভাবি যথাসৰ্বস্ব ত্যাগ কৰে আৰু কিছুমানে আত্মবলিদান দি শ্বহীদ হয়। আকৌ এচামে অম্বিকাগিৰী, কমলাকান্ত, চন্দ্ৰনাথৰ দৰে দেশপাগল হৈ 'দেশ গ'ল দেশ গ'ল' বুলি চিঞৰি ফুৰে। তেনে এজন দেশ-পাগল লোক আছিল নলবাৰী জিলাৰ নলিছা গাঁৱৰ দেহীৰাম বৰ্মন।

১৮৮২ চনত বৰ্মনে জন্ম গ্ৰহণ কৰি গাঁৱতে প্ৰাথমিক শিক্ষা শেষ কৰি গুৱাহাটীলৈ আহে। গুৱাহাটীতে শিক্ষা জীৱন অতিবাহিত কৰি আইনৰ অৰ্হতা লাভ কৰি ওকালতি আৰম্ভ কৰে। বিদ্যালয়ত পঢ়ি থকা কালছোৱাত সমগ্ৰ দেশজুৰি প্ৰৱাহিত হোৱা অসহযোগ আন্দোলনৰ পছোৱা বতাহে বৰ্মনকো স্পৰ্শ কৰে আৰু মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ খদৰ আৰু গান্ধীটুপী পৰিধান কৰি দেশ স্বাধীন কৰাৰ কাৰ্যসূচী হাতত লৈ গাঁৱে-নগৰে টলৌ টলৌকৈ ঘূৰি ফুৰে। উল্লেখযোগ্য যে মৃত্যুৰ দিনালৈকে তেখেতে খদৰ আৰু গান্ধীটুপী ব্যৱহাৰ কৰিছিল আৰু গান্ধীজীৰ আদৰ্শৰপৰা অকণো বিচলিত নহৈছিল। পত্নী, সাতজন পুত্ৰ আৰু ছয়গৰাকী কন্যাৰে সৈতে জাকৰুৱা সংসাৰ এখনৰ দায়িত্ব পালন কৰিও দেশৰ কাম কৰাত তেখেতে কোনো ত্ৰুটি-বিচ্যুটি নকৰিছিল।

১৯২০-২১ চনৰ অসহযোগ আন্দোলনৰ সময়তে বৰ্মনে কংগ্ৰেছত যোগদান কৰি ১৯৪২ চনৰ ইংৰাজৰ ভাৰত ত্যাগ আন্দোলনলৈকে প্ৰতিটো আন্দোলনতে জঁপিয়াই পৰি কেবাবাৰো কাৰাবৰণ কৰিছিল। ১৯২১ চনৰ আন্দোলনত যোগ দিয়াৰ ফলত ৭-১-২২ তাৰিখৰপৰা তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনতো যোগ দি ১২-৩-৩০ আৰু ৬-৪-৩০ তাৰিখৰ সভাত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ আন্দোলনত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি এবছৰতকৈও অধিক দিন জামিনবন্দী হিচাপে থাকে।

মুক্তিযুঁজাৰু হিচাপে দেশ উদ্ধাৰ কৰাৰ কামত বৰ্মনে আত্মোৎসৰ্গ কৰাৰ উপৰিও গান্ধীজীৰ হৰিজন সেৱা ব্ৰতক নিজৰো ব্ৰত হিচাপে লৈ হৰিজনসকলক সৰ্বাঙ্গীন উন্নতিৰ কাৰণে বৰ্মনে অতুলনীয় ভূমিকা গ্ৰহণ কৰিছিল। অসমত হৰিজন সেৱাৰ কাৰ্যসূচী আৰু মেলেৰিয়া ৰোগী, কুষ্ঠ ৰোগীসকলক আৰোগ্য কৰাৰ কাৰ্যসূচীত থক্কৰ বাপা আৰু বি. কে ভাণ্ডাৰীয়ে লোৱা মহৎ কাৰ্যাৱলীৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। মন কৰিবলগীয়া কথা যে দেহীৰাম বৰ্মনো থক্কৰ বাপা আৰু ভাণ্ডাৰীৰ সম্পৰ্কলৈ আহিছিল আৰু কামৰূপ জিলাৰ হৰিজন বসতিপূৰ্ণ জাগাবোৰলৈ সঘনে গৈ থাকি তেওঁলোকৰ আৰ্থিক, সামাজিক আৰু শৈক্ষিক দিশত উন্নতি সাধনৰ চেষ্টা কৰিছিল। বৰ্মন ডাঙৰীয়াৰ চেষ্টাত হৰিজনসকলৰ ল'ৰা-ছোৱালী পঢ়াৰ কাৰণে কেবাখনো নিম্ন প্ৰাইমাৰী স্কুল স্থাপিত হয়।

দ্বিতীয়তে, হৰিজনসকলৰ মাজত সোমাই বৰ্মনে জানিব পাৰিছিল, কিদৰে তেওঁলোকৰ দুৰৱস্থা আৰু অনাগ্ৰসৰতাৰ সুবিধা লৈ কাবুলী-বিলাকে বহুত বেছি সুদত টকা ধাৰে দি তেওঁলোকক লুটি-পুটি নিছিল। এই কথা গভীৰভাৱে চিন্তা কৰি বৰ্মনে গুৱাহাটীৰ পৌৰসভাৰ এলেকাত থকা হৰিজনসকলৰ আৰ্থিক উন্নতিৰ কাৰণে, লগতে কাবুলীৰ অত্যাচাৰৰপৰা তেওঁলোকক ৰক্ষা কৰাৰ উদ্দেশ্যে "হৰিজন সমবায়

বেংক খুলি দিয়ে। সেই বেংকটোৰ বৰ্মন কেবাবছৰো অবৈতনিক সম্পাদক আছিল। তেখেত 'গুৱাহাটী বেংক লিমিটেড'ৰ সদস্য, পিছত ডিৰেক্টৰ, 'ভাস্কৰ এণ্টাৰপ্ৰাইজ' নামৰ বীমা কোম্পানী প্ৰতিষ্ঠাপক সদস্য আৰু পিছলৈ ডিৰেক্টৰ হৈছিল। কামৰূপ একাডেমী স্কুল স্থাপন কৰা, গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা আদি কামতো তেখেতে আগভাগ লৈছিল।

বৰ্মনে গুৱাহাটীৰ শান্তিপুৰত বসতি স্থাপন কৰিছিল আৰু কাছাৰীলৈ প্ৰায়েই খোজকাঢ়ি যোৱা-অহা কৰিছিল। স্বাস্থ্য-ৰক্ষাৰ বিধি মানি প্ৰাতঃ আৰু সন্ধ্যা ভ্ৰমণ কৰিছিল। ১৯৭২ চনত আন আন মুক্তিযুঁজাৰুৰ লগত তেখেতো দিল্লীলৈ গৈ 'তাম্ৰপত্ৰ' গ্ৰহণ কৰিছিল। এইদৰে সুদীৰ্ঘকাল দেশ আৰু সমাজৰ কাম কৰি চাৰিকুৰি সাত বছৰ পূৰ্ণবয়স কটাই ১৯৭৯ চনৰ ডিচেম্বৰ মাহৰ ১৪ তাৰিখে দেহীৰাম বৰ্মনৰ পৰলোকপ্ৰাপ্তি ঘটে।

Ever since Gandhiji appeared an the Indian political scene like an angel radiant with ardour divine and Converted the Congress from a Noah's ark of politicians into a well-knit army of liberation with definite ideology and a clear-cut methodology. discipline has been the keynote of the national organization. It was the discipline that was responsible for a people growing into a nation, of communities evolving into a people, of individuals merging into communities. It was this discipline which enabled us to challenge the mightiest empire on which the Sun was never supposed to set.

S. K. Patil

মহীচন্দ্ৰ বৰা

কথা-সাহিত্যিক, কবি, ব্যঙ্গ-ৰচক মহীচন্দ্ৰ বৰাদেৱে ভাৰতৰ মুক্তিযুঁজতো লেখত ল'বলগীয়া ভূমিকা গ্ৰহণ কৰিছিল। কাঠৰ ব্যৱসায় কৰা লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ আজীৱন সেৱা কৰি যোৱাৰ দৰে বৰাদেৱেও আইন ব্যৱসায় আৰু ৰাজনীতি চৰ্চাৰ মাজত থাকিও সাহিত্য সাধনা কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ প্ৰতিটো দিশতে হাত বুলাইছিল যদিও ব্যঙ্গৰচক হিচাপে শ্ৰেষ্ঠত্বৰ গৌৰৱ অৰ্জন কৰি 'ৰসৰাজ' উপাধিৰে বিভূষিত হৈছিল। মহীচন্দ্ৰ বৰাইও অসমীয়া ব্যঙ্গ সাহিত্যত প্ৰসিদ্ধি লাভ কৰিলেও ৰসৰাজৰ সমান ওখ আসনখন পোৱা নাছিল যদিও কথা-সাহিত্যিক ৰূপে আৱাহনৰ সম্পাদক ডাঃ দীননাথ শৰ্মাদেৱৰ ভাষাত 'গল্প সম্ৰাট' উপাধি লাভ কৰিছিল। বঙ্গীয় সাহিত্যত ৰবীন্দ্ৰনাথে 'কবিসম্ৰাট' উপাধি লাভ কৰাৰ আৰ্হিৰে অসমীয়া সাহিত্যত অন্ততঃ দুগৰাকী কৃতী সন্তানে 'সম্ৰাট' উপাধি লাভ কৰিবলৈ সক্ষম হৈছে। তাৰে এজন 'উপন্যাস সম্ৰাট' ৰজনীকান্ত বৰদলৈ আৰু আনজন 'গল্প-সম্ৰাট' বৰাদেৱ। হাস্যৰসিক হিচাপে বৰাদেৱেই যে লক্ষ্মীনাথৰ প্ৰকৃত উত্তৰাধিকাৰী আছিল অসমৰ এই যুগৰ অন্যতম শ্ৰেষ্ঠ মনীষা, আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত কৃষ্ণকান্ত সন্দিকৈদেৱে দিয়া স্বীকৃতি নিশ্চয় প্ৰণিধানযোগ্য—"দেশৰ কামত আপোনাৰ সময় নাটনি হৈছে। আপুনি লিখিবলৈ নেৰিব। ৺বেজবৰুৱাৰ আসনখন আপুনিহে পূৰাব পাৰিব।"

এই গৰাকী মহান সাহিত্যিক আৰু ৰাজনীতিবিদৰ জন্ম হয় ১৮৯৪ চনত, নগাওঁ জিলাৰ কলং-কপিলিৰ উৰ্বৰা ভূমি

দেৱনাৰিকৰি গাঁৱত। এনেহেন কৃতী সন্তান এজনৰ জন্ম দি মলাৰাম বৰা আৰু লাহেশ্বৰী বৰাই ভাগ্যৱান পিতৃ-মাতৃৰ গৌৰৱ অৰ্জন কৰিছিল। বৰাদেৱে প্ৰাইমাৰীৰপৰা বি, এ পৰীক্ষালৈ, আনকি ল' পৰীক্ষাতো বিশেষ কৃতীত্ব অৰ্জন কৰিছিল। ১৯১৪ চনৰ প্ৰৱেশিকা পৰীক্ষাত তেখেতে অসম উপত্যকাৰ ভিতৰত শ্ৰেষ্ঠ স্থান লাভ কৰা, কলিকতাৰ স্কটিচ্ কলেজৰপৰা ডিষ্টিংচন সহ বি. এ. পাছ কৰা বৰাদেৱে গুৱাহাটীৰ আৰ্ল ল' কলেজৰপৰা বি. এল. পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰিছিল।

বৰাদেৱে উত্তৰাধিকাৰী সূত্ৰে ১৯২০-২১ চনত চাহ-বাগিচাৰ মেনেজাৰ হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল যদিও বাগিচাৰ পৰিবেশে তেখেতক আমুৱাইছিল। শিলাসেন্দুৰীঘোপা মৌজাৰ মৌজাদাৰ হিচাপে কিছুদিন কাম কৰিও বোধকৰো ভাল নাপালে। শেষত ১৯-২৪-২৫ চনত একেবাৰে স্বাধীন ব্যৱসায় ওকালতি কৰি এজন প্ৰবীণ আইন-জীৱিৰ গৌৰৱ অৰ্জন কৰিলে।

ভাৰতৰ স্বাধীনতা আন্দোলনত মহাত্মাগান্ধীৰ এজন প্ৰকৃত পদানুসৰণকাৰী হৈ থাকি দেশমাতৃকাৰ নিস্বাৰ্থ সেৱাত প্ৰাণ উজাৰি দি তিনিবাৰ কাৰাবৰণ কৰিছিল। ১৯৩০ চনৰপৰা ১৯৫২ চনলৈকে ভাৰতীয় জাতীয় কংগ্ৰেছৰ সক্ৰিয় সদস্যৰূপে থাকি স্বাধীনতাৰ পিছত, কংগ্ৰেছৰ চিন্তা আৰু কৰ্মধাৰা গান্ধীদৰ্শনৰপৰা হেঁাহকি অহাত বৰাদেৱে প্ৰজা-চোছিয়েলিষ্ট দলত যোগদান কৰিছিল। বৰাদেৱ দীৰ্ঘকাল অসম ব্যৱস্থাপক সভাৰ কৰ্মঠ সদস্য হৈ থকাৰ উপৰিও নগাওঁ লোকেবোৰ্ডৰ সভাপতি আছিল। নগাওঁৰ শ্ৰীমন্ত শঙ্কৰ মিছন গুৱাহাটী বিশ্ববিদ্যালয়, অসম সাহিত্য সভা, নগাওঁ উকিল সন্থা, নগাওঁ স্পৰ্টচ ক্লাব আদি বহুতো অনুষ্ঠানৰ উদ্যোক্তা আৰু একনিষ্ঠ কৰ্মী হিচাপে বৰাদেৱে কাম কৰিছিল। নগাওঁৰ নেহৰুবালি বিহু সম্মিতিৰ তেখেত অন্যতম্ উদ্যোক্তাই নাছিল, প্ৰতিবছৰে বিহু সম্মিলনীৰ সভাত বৰাদেৱে মুখ্য অতিথিৰ ভাষণ দি নগঞা ৰাইজক

হাঁহি ইঁহুৱাইছিল, পেটৰ নাড়ী ডাল ডাল কৰিছিল, সমাজত বৰলোক বোলোৱাসকলক বাক্যৰ ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰি থকাসৰকা কৰিছিল, যোগ্যৱান পিতৃ-মাতৃসকলক প্ৰশংসাৰে ওপচাই দিছিল। মুঠকথা— 'শ্ৰীকৃষ্ণবিনে বৃন্দাবন ফাঁক দেখা যোৱা'ৰ দৰে মহীচন্দ্ৰ বৰাদেৱৰ অনুপস্থিতি প্ৰতিজনে গভীৰভাৱে অনুভৱ কৰিছিল।

বহুমুখী প্ৰতিভাসম্পন্ন বৰাদেৱে কবিতাৰ মাজেদি সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। তেখেতৰ কবিতা সঙ্কলন 'শান্তিশতক', 'মাণিক' (মাণিকচন্দ্ৰ বৰুৱাৰ জীৱনী) অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান। গল্পকাৰ হিচাপে বৰাদেৱে অসমীয়া সাহিত্যত বিশেষ স্থান অধিকাৰ কৰিছিল। উষা, বাঁহী, আসাম বান্ধৱ, আৱাহন, বৰদৈচিলা, ভ্ৰমৰ, অঞ্জলি, ৰামধেনু, নতুন অসমীয়া, জনমভূমি, অসমবাণী আদি আলোচনী আৰু সংবাদ-পত্ৰত বৰাদেৱৰ বহুসংখ্যক, গল্প, কবিতা আৰু প্ৰবন্ধ সিঁচৰিত হৈ আছে।

সাহিত্যসেৱী বৰা ডাঙৰীয়া, অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাদেৱৰ পৌৰোহিত্যত নগাৱঁত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ আদৰণি সমিতিৰ সভাপতি আছিল। এইজন মহান অসমীয়াৰ ১৯৬৫ চনৰ ১৩ জুন তাৰিখে তিনিকুৰি এঘাৰ বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়।

বৰাদেৱৰ সাহিত্য আৰু ৰাজনীতিৰ বিভিন্ন দিশত আলোকপাত কৰি ভালেমান গুণী-জ্ঞানী ব্যক্তিয়ে অভিমত প্ৰকাশ কৰিছে। বাগ্মীবৰ নীলমণি ফুকনে কয়—"···তেওঁৰ নীৰৱ সাহিত্য সাধনা, দেশপ্ৰেম, স্বাধীনতা আন্দোলনত অৱদান চিৰস্মৰণীয় হৈ থাকিব।" অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাই কয়—"তেখেতৰ এই শ্ৰেণী গল্প অননুকৰণীয় হৈয়েই আছে আৰু অসমীয়া সাহিত্যত ই নতুন দিক নিৰ্ণয় কৰি গৈছে।" অধ্যক্ষ হেমবৰুৱা ডাঙৰীয়াই কৈছে—"আমাৰ ৰাজনৈতিক আৰু সাহিত্যিক জীৱনত তেওঁ মহৎ বৰঙণি দিছিল। তেওঁৰ অবিহনত আজি এটা যুগৰো অৱসান ঘটিল।" এজন সুযোগ্য পিতৃৰ সুযোগ্য পুত্ৰ তথা সাহিত্য কৃতীৰ উত্তৰাধিকাৰী শ্ৰীঅৱনীন্দ্ৰ

বৰাদেৱে লিখিছে—"তেখেতৰ বহুমুখী ব্যক্তিত্বৰ মাজত তেখেতৰ অন্তৰৰ আচল মানুহজন জল্‌জল্ পট্‌পট্ হৈ আছে। বাহিৰৰপৰা তেখেতক হয়তো বহুতে কক্ষ বুলি ভাবিব পাৰে; কিন্তু যেয়ে এবাৰ তেখেতৰ ওচৰ চাপিছে, তেখেতৰ লগত কথা-বতৰা পাতিছে সেয়ে তেখেতৰ মধুৰ ব্যৱহাৰ আৰু প্ৰীতিপদ সান্নিধ্যৰ কথা পাহৰা নাই।"

অধ্যাপক নন্দ তালুকদাৰে মহীচন্দ্ৰ বৰাদেৱৰ সম্পৰ্কত লিখিছিল—"যি কলং-কপিলীৰ বাৰিষাৰ দোকুল ঢকা বানপানীয়ে নগাঁৱৰ গঞাঁ ৰাইজৰ চকুত অশ্ৰুৰ প্লাৱন সৃষ্টি কৰিছিল, সেই কলং-কপিলীৰ পাৰত ধূলি-বালি খেলি ডাঙৰ-দীঘল হোৱা অসমী আইৰ বহুজন কৃতীসন্তানৰ সুনিপুন লিখনিয়ে অসমীয়াৰ প্ৰাণত এচেৰেঙা হাঁহিৰ জোনাক চটিয়াব পাৰিছিল। কলং-কপিলীৰ পাৰত ওপজা যি কেইগৰাকী সাহিত্যিকৰ অমৰ লিখনিয়ে অসমীয়া ভাষা-সাহিত্য চহকী কৰিছিল, কথা-সাহিত্যিক মহীচন্দ্ৰ বৰা সেইসকলৰ ভিতৰত অন্যতম্। মহীচন্দ্ৰ বৰাৰ প্ৰতিভা বহুমুখী। তেওঁ একেবাহে বিশিষ্ট ৰাজনীতিবিদ, কবি আৰু কথাশিল্পী।"



: পৰিশিষ্ট :

উদ্ধৃত গ্ৰন্থপঞ্জী

'অসমৰ প্ৰসিদ্ধ মুক্তি-যুঁজাৰু' গ্ৰন্থখনি যুগুত কৰোঁতে নিম্ন-উল্লিখিত পুথিসমূহৰপৰা লোৱা সমল আৰু ছবি স্বীকৃতি আৰু কৃতজ্ঞতা সহকাৰে গ্ৰহণ কৰা হৈছে।

English

Report of the Enquiry Committee of Freedom-Fighters by Govt. of Assam

Political History of Assam (vol—I, I, III) by Govt. of Assam

India Wins Freedom by Abul Kalam Azad

Quit India Movement by Arun Bhuyan

Landmarks of the Freedom Struggle in Assam by K. N. Dutt.

Nineteen forty two upheaval in Assam by Hem Dutta

Histy of Freedom Movement in India by R. C. Majumdar

Indian's truggle for Freedom by P. N. Chopra

Discovery of Assam by Satish Chandra Kakati

The great men of India Etd. by L. F. Rushbrook Williams

100 Great Modern Lives Edt: by John Canning

Encyclopaedia of India's Struggle for Freedom by Jagadish Sharma

Critical Days of Assam by K. C. Barua

Reflections on Assam-Cum-Pakistan by Harendra Nath Barua

Silver Jubillee Commemoration Volume, Sibsagar College, 1972
Indian National Congress, Souvenir 63rd Pragjyotishpur Session—1958
A Brief History of Assam Sahitya Sabha (1917-1953) by K. N. Dutta
Arun Kumar Chandra by Sirajul Islam Laskar
Indian National Congres, 1885-1955
Centenary Celebration, 1985

Assamese

গোপীনাথ বৰদলৈ, অসম প্ৰকাশন পৰিষদ
ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা, বিজয়চন্দ্ৰ ভাগৱতী
স্বাধীনতা ৰণৰ সংস্কৃতি, পদ্মনাথ বৰঠাকুৰ,
গোহাঞি বৰুৱাৰ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ
কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত, বেণুধৰ শৰ্মা
কাৰাগাৰৰ চিঠি, মঃ তৈয়বউল্লা
জীৱনী মালা, সতীশচন্দ্ৰ কাকতী
বিয়াল্লিছৰ গণবিপ্লৱত অসম, হেম বৰুৱা
বিয়াল্লিছৰ মুক্তি আন্দোলনত ঢেকিয়াজুলি, মহেশ্বৰ নাথ
বিয়াল্লিছৰ বিপ্লৱত নগাওঁ, মহেন্দ্ৰনাথ হাজৰিকা
ভাৰতৰ মুক্তিযুজত অসম, অসম ৰাজ্যিক মুক্তি যুঁজাৰু অভিবৰ্তন,১৯৭২
স্বৰাজৰ বাটত, কনকচন্দ্ৰ বৰ্মা
বাতৰি বিভূতি, নীলমণি ফুকন
স্বাধীনতা সংগ্ৰামত গোৱালপাৰা, খগেন্দ্ৰনাথ নাথ
শ্বহীদ কুশল কোঁৱৰ, অসম সাহিত্য সভা
লোকপ্ৰিয় গোপীনাথ বৰদলৈ, মহাদেৱ শৰ্মা,
লোকপ্ৰিয় গোপীনাথ বৰদলৈ, জনসংযোগ, অসম
পীতাম্বৰ প্ৰতিভা, দিলীপ কুমাৰ ফুকন

পথৰ সন্ধানত, ৰজনীকান্ত গোস্বামী
মোৰ জীৱন সোঁৱৰণ আৰু ভাৰতৰ মুক্তি সংগ্ৰাম, মহীকান্ত দাস
সংহতি আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰাজ্যিক সংহতি সমিতি
মাজুলিৰ মুক্তি সংগ্ৰামৰ বুৰঞ্জী, কনকচন্দ্ৰ দত্ত
স্বাধীনতা, দুলাল ভুঁঞা
দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মা ৰচনাৱলী, (১ম খণ্ড) নতুন সাহিত্য পৰিষদ, হেম বৰুৱা, অসম সাহিত্য সভা
ৰক্তাক্ত ভাৰত, কামিনী মোহন শৰ্মা
মুক্তি যুঁজৰ সোঁৱৰণত, লক্ষ্মীধৰ বৰা
ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাস, দেবেন্দ্ৰনাথ শৰ্মা
মোৰ অতীত সোঁৱৰণী আৰু নগাওঁ জিলাত মুক্তি সংগ্ৰাম (১ম খণ্ড) পূৰ্ণচন্দ্ৰ শৰ্মা
স্মৃতিগ্ৰন্থ, অসম সেৱা সমিতি (১৯৮৫)
কৰ্মবীৰ নীবনচচন্দ্ৰ বৰদলৈ, অসম প্ৰকাশন পৰিষদ
কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, জন্মশতবাৰ্ষিকী উৎসৱ সমিতি, উত্তৰ গুৱাহাটী
লোকনায়ক অমিয় কুমাৰ দাস, সমীল কলিতা
চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালা
বিশ্ব গোস্বামী, মন আৰু মানুহজন, সম্পাদনা—ৰমণী বৰ্মন
মোৰ জীৱনত এড়মুকি, হৰেকৃষ্ণ গোস্বামী
কামৰূপ ৰত্নমালা, কামৰূপ সাহিত্য পৰিষদ
জীৱনী সৌৰভ, হেমন্ত কুমাৰ শৰ্মা
অমলপ্ৰভা দাস, শৰণীয়া আশ্ৰম, সম্পাদনা হেম, শকুন্তলা, নৃপেন
ফিৰিঙতি, শ্ৰীমান প্ৰফুল্ল গোস্বামী
দেশনেতা কুলধৰ চলিহা, সম্পাদক—ত্ৰৈলোক্যনাথ শৰ্মা
জাতীয় মুক্তি সংগ্ৰামত অসমৰ শ্বহীদ, জনসংযোগ
বেণুধৰ শৰ্মা অভিনন্দন গ্ৰন্থ—উপেন্দ্ৰ বৰকটকী

বেণুধৰ শৰ্মা, সঙ্কলয়িতা—উপেন্দ্ৰ বৰকটকী
শ্ৰীমৎস্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী, মাদৱ দাস
এজন ক্ষুদ্ৰ মানুহৰ জীৱন স্মৃতি, ঘনশ্যাম দাস
ব্যক্তি পৰিচয়, ভাৰত চন্দ্ৰ দাস
মৃত্যুঞ্জয়, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য
সময়ে যাক পাহৰি যাব, শশীনাথ শৰ্মা
অন্তৰালত, স্বৰাজ প্ৰকাশন, গুৱাহাটী
জননায়ক বিষ্ণুৰাম মেধী, জন্ম শতবাৰ্ষিকী স্মৰণিকা ১৮৮৮—১৯৮৮
অসম সাহিত্য সভা পত্ৰিকা, সম্পাদনা—যোগেশ দাস, (১৯৬৬)
জনকল্যাণ, ৰাজ্যিক মাদকদ্ৰব্য নিবাৰণী পৰিষদ
অসহযোগ আন্দোলনত অসম, অমিয়কুমাৰ দাস
শ্বহীদ মুকুন্দ কাকতি বিদ্যাপীঠ আলোচনী—দিলীপ কলিতা,
ভবেন কলিতা
লোক সেৱক হলধৰ ভূঁঞা, শ্ৰীমন্ত শঙ্কৰ মিচন, নগাওঁ
অম্বিকাগিৰী ৰায়চৌধুৰী, জন্ম-শতবাৰ্ষিকী উদ্‌যাপন সমিতি, গুৱাহাটী
অম্বিকগিৰী ৰায়চৌধুৰী, ৰাহেনা শইকীয়া, অসম লেখক সমবায় সমিতি
চন্দ্ৰশেখৰ দাস, চন্দ্ৰশেখৰ দাস স্মাৰক সেৱা প্ৰতিষ্ঠান
শ্ৰীযুত সৰ্বেশ্বৰ বৰুৱাদেৱলৈ শ্ৰদ্ধাঞ্জলি, ৰুদ্ৰকান্ত গোহাঞিবৰুৱা
কামৰূপ একেডেমী (সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ—১৯৮২)
—কনকচন্দ্ৰ ডেকা
কৰ্মযোগী কামাখ্যাৰাম বৰুৱা, সম্পাদনা—তীৰ্থনাথ শৰ্মা
মোৰ জীৱন ধুমুহাৰ এছাটি, অম্বিকাগিৰী ৰায়চৌধুৰী
ৰঘুনাথ চৌধাৰী ৰচনাৱলী, অতুলচন্দ্ৰ বৰুৱা, অমম সাহিত্য সভা
চৌধাৰীৰ সাহিত্য প্ৰতিভা, সৱিতা সভা
কবিচৌধাৰী আৰু চৌধাৰীদেৱৰ কবিতা, কমলেশ্বৰ শৰ্মা

তৰুণৰাম ফুকন,　　অসম প্ৰকাশন পৰিষদ
মহেন্দ্ৰমোহন চৌধুৰী　　„　„　„
কৃষ্ণনাথ শৰ্মাৰ ডায়েৰী　„　„　„
দেশভক্ত ফুকন স্মৃতিমাল্য　„　„　„
জ্যোতিপ্ৰসাদ ৰচনাৱলী　„　„　„
বিমলা প্ৰসাদ চলিহা　„　„　„
চন্দ্ৰকুমাৰ আগৰৱালাৰ　„　„　„
প্ৰতিভা, সম্পাদনা—শশীনাথ শৰ্মা

আলোচনী আৰু সংবাদপত্ৰ ঃ

Assam Tribune, দৈনিক অসম, অসমবাণী, আৱাহন, ৰবৈদেচিলা, নতুন অসমীয়া, দীপক, অগ্ৰদূত, প্ৰকাশ, প্ৰান্তিক, অসম সাহিত্য সভা পত্ৰিকা, জনমভূমি, Sentinel, News Star, নীলাচল, আজিৰ অসম, নতুন দৈনিক।

তদুপৰি বিভিন্ন ব্যক্তিৰ লগত হোৱা সংলাপ, বহুতো প্ৰসিদ্ধ মুক্তি-যুঁজাৰুৰ লগত জীৱনকালত হোৱা কথোপকথন, হাতেলিখা দিনপঞ্জী আৰু আত্মজীৱনী অধ্যয়ন কৰি পোৱা সমলো গ্ৰন্থখনত সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ লগতে দ্বিতীয় মহাসমৰ, ভাৰতত্যাগ আন্দোলন আৰু স্বাধীনোত্তৰ কালৰ মনৰ প্ৰতিফলনো ঠাই বিশেষে সংযোগ কৰা হৈছে।

—লেখক